অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ

সম্পাদনা :

কনকচন্দ্ৰ ডেকা

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা জন্ম শত-বাৰ্ষিকী উদ্‌যাপন সমিতি
গুৱাহাটী
১৯৯০

'Asamar Prayat Mukti-Yujarur Jivani Kosh' a collection of more than 4000 short biographical notes on the lives of the freedom fighters of Assam (1921-1942), edited by Kanak Chandra Deka, Published by Karmavir Chandra Nath Sarma Birth Centenary Celebration Committee, Guwahati. Price Rs. 200/-

অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ

সম্পাদনা আৰু অঙ্গসজ্জা ঃ

শ্ৰীকনকচন্দ্ৰ ডেকা

প্ৰকাশক ঃ

কৰ্মবীৰ চন্দ্ৰ নাথ শৰ্মা জন্ম শত-বাৰ্ষিকী উদ্‌যাপন সমিতি, গুৱাহাটী

বেটুপাতৰ শিল্পী ঃ

শ্ৰীত্ৰৈলোক্য দত্ত

মূল্য ঃ

দুশ টকা মাত্ৰ

মুদ্ৰণত ঃ

হেমকোষ প্ৰিণ্টাৰ্চ্ছ

শিলপুখুৰী, গুৱাহাটী-৩

অৰ্ঘ

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ
জন্ম-শতবাৰ্ষিকী উপলক্ষে
তেওঁৰ স্মৃতিত
'অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ
জীৱনীকোষ'
তেওঁলৈ শ্ৰদ্ধাৰ অৰ্ঘ হিচাপে
নিবেদন কৰা হ'ল ।।

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা
জন্ম-শতবাৰ্ষিকী উদযাপন সমিতি
গুৱাহাটী
২০ এপ্ৰিল ১৯৯০

ভূমিকা

ভাৰতৰ স্বাধীনতাৰ আন্দোলনৰ বুৰঞ্জীত অসমে প্ৰধান ঠাই অধিকাৰ কৰি আছে। সেই গৌৰৱৰে মহিমামণ্ডিত, অসমৰ প্ৰখ্যাত মুক্তিযোদ্ধাসকলৰ চমু পৰিচয়ৰ সৈতে এখনি 'জীৱনীকোষ' যুগুত কৰি, স্বাধীনতা যুদ্ধৰ প্ৰাণস্বৰূপ, দেশৰ আৰু দহৰ কামত আত্মোৎসৰ্গ কৰা মহান নেতা কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ জন্ম শত-বাৰ্ষিকী উপলক্ষে প্ৰকাশ কৰা হৈছে।

সৃষ্টিকৰ্তাৰ সৃষ্টিৰেই তেওঁৰ পূজাৰ নৈবেদ্য যুগুত কৰা হয়। অসমৰ ক্ষেত্ৰত যিসকলে নিজৰ জীৱন আহুতি দি, অশেষ ত্যাগ স্বীকাৰ কৰি আৰু নানাভাৱে নিৰ্য্যাতন ভুগি, দেশমাতৃকাৰ শৃংখল মোচনৰ আন্দোলনত বৰঙণি দি গৈছে, সেইসকলৰ জীৱনৰ সংক্ষিপ্ত টোকা সম্বলিত গ্ৰন্থখনেৰেই তেওঁলোকলৈ আমাৰ শ্ৰদ্ধাৰ অৰ্ঘ নিবেদন কৰা হৈছে। ই ভৱিষ্যতৰ কাৰণে পথ প্ৰদৰ্শক আৰু প্ৰেৰণাদায়ক হওঁক,—এয়ে আমাৰ একান্ত কামনা। সেই উদ্দেশ্যে এই খিনিতে, ভাৰতৰ পৰাধীনতাৰ গ্লানিৰ কাৰণে আৰু স্বাধীনতাৰ সূৰ্য্যোদয়ৰ পটভূমি হিচাপে, ইতিহাসৰ কেইটামান পৃষ্ঠা লুটিয়াই চোৱাৰ প্ৰয়োজন আছে।

মানুহৰ ইতিহাসৰ আদি পথত যেতিয়া মানুহে কৃষিৰ ক্ষেত্ৰত উৎপাদনৰ প্ৰণালী আৱিষ্কাৰ কৰিলে, নাঙলৰ দৰে যন্ত্ৰ তৈয়াৰ কৰিব পৰা হ'ল আৰু সেই যন্ত্ৰ পৰিচালনাৰ শক্তি হিচাপে গৰু, ম'হ বা ঘোঁৰা কামত লগাবলৈ শিকিলে, তেতিয়া কৃষি সভ্যতাৰ যুগ আৰম্ভ হ'ল। সেইদিনা মানুহৰ জীৱনত ই আটাইতকৈ ডাঙৰ আৰু সুদূৰ প্ৰসাৰী পৰিবৰ্ত্তন সাধন কৰিছিল। কৃষি সভ্যতাৰ বিকাশত ভাৰত, চীন, মিচৰ, মেচোপটেমিয়া আদি পূৰ্বৰ দেশসমূহে নেতৃত্ব দিছিল। সেই সভ্যতাৰ লগত খাপ খোৱাকৈ শিল্পৰ ক্ষেত্ৰতো, ভাৰত প্ৰমুখ্যে প্ৰাচ্য দেশসমূহৰ উন্নতি হৈছিল। ভাৰত তেতিয়া সকলো ক্ষেত্ৰতে উন্নতিৰ উচ্চ শিখৰত উঠিছিল। ভাৰতত উচ্চমানৰ চিন্তা-চৰ্চা হৈছিল।

চাৰিখন মূল বেদৰ উপৰিও আৰু জনামতে ১০৮ খন উপনিষদ, সেই কালছোৱাত ৰচনা কৰা হৈছিল। ৰামায়ণ, মহাভাৰতৰ দৰে মহাকাব্যও সেই কালতে লিখা হয়। কালিদাসৰ পৃথিৱী বিখ্যাত নাটক শকুন্তলা কৃষি সভ্যতাৰ যুগৰে সম্পদ। ধৰ্ম কথাৰ উপৰিও মহাপুৰুষ শঙ্কৰদেৱৰ সাহিত্য সঙ্গীত, কলা আদিত দি থৈ যোৱা তেওঁৰ অমূল্য সৃষ্টি সমূহো সেই কৃষি-সভ্যতাৰ যুগৰ ভিতৰতে পৰিব। এনেকৈ সকলো ক্ষেত্ৰতে, মধ্যযুগলৈকে ভাৰতে পৃথিৱীত ৯ খন অগ্ৰণী দেশ হিচাপে মান্যতা পাইছিল। নানাভাৱে বিভিন্ন দেশত ৰাজনৈতিক উত্থান-পতন হৈ থাকিলেও, যুদ্ধ-বিগ্ৰহে সময়ে সময়ে উলট-পালট কৰিলেও প্ৰায় দুহেজাৰ বছৰ পৃথিৱীত জীৱন-ধাৰণৰ প্ৰণালী প্ৰায় একে ৰকমেই আছিল। কিয়নো, উৎপাদন যন্ত্ৰ আৱিষ্কাৰ আৰু প্ৰয়োগ কৰাৰ ক্ষেত্ৰত বিশেষ একো পৰিবৰ্তন হোৱা নাছিল। গৌতম বুদ্ধ বা খ্ৰিষ্টখৃষ্ট যদি পোন্ধৰ-শ, ষোল শ শতিকাত ইউৰোপ বা এচিয়াৰ কোনো দেশত আবিৰ্ভাৱ হ'লহেহেতেন, তেন্তে তেওঁলোকে উৎপাদন প্ৰণালীত আৰু যান-বাহনৰ ক্ষেত্ৰত কোনো পৰিৱৰ্তন নেদেখিলেহেঁতেন। কিন্তু তেওঁলোকৰ যদি ওঠৰশ শতিকাৰ পিছৰ পৃথিৱীত আবিৰ্ভাৱ হোৱা হ'লে তেওঁলোকে এনে অনেক বস্তু আৱিষ্কাৰ আৰু প্ৰচলন হোৱা দেখিলেহেঁতেন, যিবিলাকৰ কথা তেওঁলোকৰ সময়ত কোনেও শুনা নাছিল—ভবাই নাছিল।

মানুহৰ জীৱনত যেতিয়া ১৫ শ শতিকাত যুগান্তৰকাৰী পৰিৱৰ্তন হোৱাৰ লক্ষণ দেখা গ'ল,—নতুন যুগে যেতিয়া দুৱাৰত খুন্দিয়ালেহি, ভাৰত আৰু প্ৰাচ্য ভাগৰ অন্য দেশ সমূহে, তেতিয়া তালৈ মন নিদিলে। দুৱাৰ জপাই থাকিল। পশ্চিমে চকু মোহাৰি উঠিল আৰু যুগৰ বাণী কাণপাতি শুনিলে। তাৰ কাৰণে তেওঁলোকে বৰ্তমান যুগৰ উন্নতিৰ চাবি-কাঠী হস্তগত কৰিব পাৰিলে। ইতিহাসত পশ্চিমৰ উন্নতিৰ নতুন অধ্যায় আৰম্ভ হ'ল।

ডান্টে (১২০৫-১৩২১) সেই কালৰ প্ৰচলিত ৰীতি অনুসৰি লেটিনত নিলিখি, আ.মাৰ নিগূঢ় স্থানত আলোড়ণ কৰিব পৰা তেওঁৰ 'ডিভাইন কমেডি' (Divine Comedy) ইটালীয় ভাষাত লিখিছিল। ইয়াকে নতুন যুগৰ পোহৰৰ আগ আগমনী বুলি কোৱা হয়। তাৰ পিছতে

পশ্চিমত ৰিনেইচেঞ্চৰ সময়ৰ বৌদ্ধিক জাগৰণ। ১৪৬০ চনৰ্ত পৰ্ট-পালৰ যুৱৰাজ হেন্ৰীয়ে আৱিষ্কাৰ কৰা নতুন এবিধ পালতৰা নাওঁৰে ইউৰোপৰ নাবিকসকলে উত্তাল তৰঙ্গেৰে ভয়াবহ ৰূপ লোৱা আট্‌লাণ্টিকৰ মহাসাগৰ পাৰ হ'ব পৰা হ'ল। ইয়াৰ পিছতে, ইউৰোপৰ বেপাৰীসকলে আহি ভাৰত আদি পূব দেশৰ সাগৰৰ বন্দৰত সংযোগ স্থাপন কৰাৰ অধ্যায় আৰম্ভ কৰিলে। ১৬০০ চনত ইংলণ্ডৰ ৰাণী এলিজাবেথে লণ্ডনৰ ইণ্ট ইণ্ডিয়া কোম্পানীক পূব ভূখণ্ডত বেহা-বেপাৰ কৰিবলৈ এখন চনদ দিলে। এওঁলোক ভাৰতলৈ আহিল। বেপাৰৰ সুবিধা কৰাৰ লগে লগে তেওঁলোকে ভাৰতত শাসনৰ ক্ষমতাও হস্তগত কৰিবলৈ ধৰিলে। এটা কাপোৰ আৰু মচলা বেপাৰী কোম্পানীৰ হাতত ইংলণ্ডৰ চৰকাৰৰ হাতত নহয়, সেই দিনত ধনে জনে, শিক্ষা-দীক্ষাত ইউৰোপৰ সকলো দেশতকৈ আগবঢ়া ভাৰতৰ দৰে এখন দেশে সেইদিনা কেনেকৈ স্বাধীনতা হেৰুৱাব লগা হ'ল—ই ইতিহাসৰ এটা কুট প্ৰশ্ন। যি হওক, ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহলৈকে ইণ্ট ইণ্ডিয়া কোম্পানীটোৱে ভাৰত শাসন কৰিছিল। ১৮৫৮ চনৰ নবেম্বৰ মাহতহে, ইংলণ্ডৰ চৰকাৰে পোন-পটীয়া ভাৱে ভাৰত শাসনৰ দায়িত্ব লয়।

কৰ্ণেল নেলচনে তেওঁৰ "Decisive Battles In India" নামৰ বিখ্যাত কিতাপত লিখিছে—"ভাৰতত বৃটিছ শক্তিৰ অভ্যুত্থানৰ কাহিনী মন কৰিব লগীয়া। ভাৰতৰ মানুহৰ চৰিত্ৰৰ যিবিলাক দোষৰ কাৰণে, তেওঁলোকৰ স্বাধীনতা অপহৃত হ'ল, সেই কাৰণ বিলাক বৃটিছৰ জয়যাত্ৰাৰ কাহিনীয়ে পোহৰলৈ আনিছে। ভাল গুণ দেখি আন্তৰিকভাৱে মোহিত হোৱা আৰু বিশ্বাস কৰা ভাৰতীয় চৰিত্ৰৰ যেনেকৈ সবলতাৰ চিন, তেনেকৈয়ে ই তেওঁলোকৰ দুৰ্বলতাত আছিল। বিজিত হোৱাৰ পাছত, ই তেওঁলোকৰ বল আৰু যুদ্ধৰ সময়ত ই আছিল তেওঁলোকৰ দুৰ্বলতা। সবল আৰু বিশ্বাসপ্ৰৱণ ভাৰতীয়সকলে কুট কৌশলী ইংৰাজ বেপাৰীৰ জালত সহজে পৰিছিল।"

ইণ্ট ইণ্ডিয়া কোম্পানীৰ বুৰঞ্জীত গুচে লিখিছে যে কোম্পানীৰ ডিৰেক্টৰসকলে কোনো কামতে ভদ্ৰলোক নিয়োগ নকৰিবলৈ স্থিৰ কৰিছিল। ভদ্ৰলোক নিয়োগ কৰাত, কোম্পানীৰ এই অনিচ্ছাৰ পৰা কোম্পানীৰ গঠনতন্ত্ৰ আৰু উদ্দেশ্য বুজিবলৈ সহজ নহয়।

সেই কাৰণেই জাল আৰু আন ধৰণৰ দুৰভিসন্ধি কৰিব পৰা ক্লাইভৰ দৰে লোকক তেওঁলোকে সেনাপতি পাতিব পাৰিছিল আৰু ৱাৰেণ হেষ্টিংগুৰ দৰে দুৰ্নীতিপৰায়ণ লোকক গভৰ্ণৰ-জেনেৰেল হিচাপে নিয়োগ কৰিছিল।

এফালে বৃটিছৰ সাম্ৰাজ্যবাদী কৌশল, বেপাৰী চৰিত্ৰ আৰু আনফালে ভাৰতৰ ৰজা আৰু সামন্ত সকলৰ অন্তৰ্কন্দল, ৰাজনৈতিক অদূৰদৰ্শিতা আদি ভাৰতে স্বাধীনতা হেৰুৱাৰ উপস্থিত কাৰণ আছিল। কিন্তু মূলতে এই কথা মন নকৰিলেও ভুল হ'ব যে ইংলণ্ডই যেতিয়া নতুন যুগৰ শক্তিৰে বিশ্বজয়ী প্ৰেৰণাৰে অভিযান কৰি ভাৰতলৈ আহিছিল, তেতিয়া ভাৰতে জহি-খহি যোৱা পুৰণি সামন্ত যুগকে খামুচি ধৰি আছিল।

সোতৰ-ওঠৰ শ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত পশ্চিমত যুগান্তকাৰী আৱিষ্কাৰ হ'বলৈ ধৰিলে। তাৰ ফলত আধুনিক যন্ত্ৰ-শিল্পৰ যুগ আৰম্ভ হ'ল। দুৰ্ভাগ্যৰ কথা যে ভ্ৰান্তিকাৰী সেই দুশ বছৰেই ভাৰত পৰাধীন হৈ থাকিব লগা হ'ল, যেতিয়া বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সাধনত, পৃথিৱী ক্ৰমে বৰ্দ্ধমান হিচাপে আগবাঢ়ি আছিল।

পৰাধীনতাৰ নাগপাশত পৰি ভাৰতৰ মানুহৰ মন-বুদ্ধি অসাৰ হৈ পৰিছিল। উচ্চ সভ্যতাৰ ঐতিহ্যৰ অধিকাৰী ভাৰতৰ মানুহে সেইদিনা সকলো পিনে দুৰ্ভোগ ভুগিব লগা অৱস্থা হ'ল। অৰ্থনৈতিক হিচাপে ভাৰত সাম্ৰাজ্যবাদী শোষণত লিপ্ত হ'ল। ইষ্ট ইণ্ডিয়া কোম্পানী ভাৰতলৈ আহিছিল, ভাৰতৰ তাঁতশালত উৎপন্ন হোৱা মিহি কাপোৰখিনি নি ইউৰোপৰ বজাৰত মেলি দিবৰ কাৰণে। কিন্তু ভাগ্যৰ কি বিৰম্বনা ইংলণ্ডত কাপোৰৰ কল হোৱাৰ পিছৰে পৰা ইংলণ্ডৰ পৰা অহা কাপোৰে ভাৰতৰ বজাৰ দখল কৰিলে। ইংলণ্ডৰ আধুনিক যন্ত্ৰ-শিল্পৰ লগত ভাৰতৰ মধ্যযুগৰ শিল্পবিলাক তিষ্ঠি থকা অসম্ভৱ হৈ পৰিল। মধ্যযুগত সেই যুগৰ উপযোগী শিল্পত ভাৰত সমৃদ্ধ আছিল, নতুন যন্ত্ৰ শিল্পৰ যুগত ভাৰতৰ সেই সমৃদ্ধি নোহোৱা হ'ল। ভাৰতত শিল্পত কাম কৰা মানুহ শিল্পৰ পৰা কৃষিলৈ আহিবলৈ বাধ্য হ'ল। মধ্যযুগত ভাৰতত শতকৰা ৬০ ভাগতকৈ বেছি মানুহ কৃষিত নাছিল। কিন্তু আধুনিক যন্ত্ৰ শিল্পৰ যুগত ভাৰতত

মাটিৰ ওপৰত নির্ভৰশীল মানুহৰ সংখ্যা শতকৰা ৭০ জনলৈ বাঢ়িল। এনেকৈ কৃষি আৰু শিল্পৰ ভাৰসাম্য নোহোৱা হোৱাত ভাৰতৰ অর্থনৈতিক সমস্যা জটিল হৈ পৰিল।

সাম্রাজ্যবাদী শাসনৰ অপমান আৰু শোষণত ক্ষুব্ধ জনতা এদিন অতিষ্ঠ হৈ উঠিল। ভাৰতৰ জনসাধাৰণৰ অৱচেতন মনত আত্ম-প্রতিষ্ঠাৰ হাবিয়াস সৃষ্টি হ'ল। বিক্ষিপ্তভাৱে হ'লেও, প্রথমে কৃষক-সকলৰ মাজতে বিক্ষোভ প্রকাশ পাবলৈ ধৰিলে। দেশৰ অৱস্থাৰ লগত প্রাণৰ সংযোগ থকা শিক্ষিত শ্রেণীৰ লোকসকলৰ মাজৰপৰা কিছু মানুহ ওলাই, আত্মনিয়ন্ত্রণৰ অধিকাৰৰ দাবীৰ কথা ক'বলৈ ধৰিলে। বাহিৰৰ আক্রমণত পৰাজিত জাতিয়ে স্বাধীনতাৰ কাৰণে সশস্ত্র যুদ্ধ কৰাৰ যি দৃষ্টান্ত আছে, সেই দৰেই ভাৰতত বৃটিছৰ ৰাজত্বৰ বিৰুদ্ধে যুদ্ধ কৰাৰ কথা ভৱা আৰু তাৰ কাৰণে সংগঠন কৰিব খোজা দেশপ্রেমিকসকল আগবাঢ়ি আহিল। ভীষণ প্রতিকূল অৱস্থাতো, এনে প্রচেষ্টা হ'বলৈ ধৰিলে। প্রথম মহাযুদ্ধৰ কালতে গদৰ পাৰ্টি নামৰ এটা দলে ভাৰতত বৃটিছ শাসনৰ বিৰুদ্ধে সশস্ত্র যুদ্ধ কৰিবলৈ, জার্মানীৰ লগত সংযোগ স্থাপনৰ চেষ্টা কৰিছিল। ৰাসবিহাৰী বসু, গণেশ পিঙ্গল, বাঘী কৰ্তাৰসিং প্রমুখ্যে বিপ্লৱীসকলে ইয়াৰ নেতৃত্ব দিছিল। বহুজনে এই প্রচেষ্টাত প্রাণ দিলে আৰু অশেষ নির্যাতন ভোগ কৰিলে।

ভাৰতৰ স্বাধীনতাৰ কাৰণে প্রথমখন সশস্ত্র যুদ্ধ হ'ল ১৮৫৭ চনৰ চিপাহী বিদ্রোহ। অসমত মণিৰাম দেৱান, পিয়লি ফুকন আদিয়ে সেই সময়তে বিদ্রোহৰ সংগঠন কৰে। ইয়াৰ কিছু পিছৰে পৰা সময়ে সময়ে ভাৰতৰ স্বাধীনতাৰ কাৰণে বিভিন্ন ঠাইত বৈপ্লৱিক আৰু সন্ত্রাসবাদী কামো হৈ আছিল। ১৯০৫ চনত ক্ষুদিৰামকে লৈ ১৯৩১ চনৰ ২৩ মার্চত ভগত সিং, ৰাজগুৰু আৰু শুকদেৱক ফাঁচী দিয়ালৈকে বহুজনে বৈপ্লৱিক কামত নিজৰ প্রাণ দিছিল বা দীঘলীয়া কাৰাবাস আদি নানা নির্যাতন ভোগ কৰিছিল। দিল্লী ষড়যন্ত্র মোকৰ্দমা কাকোৰী মোকৰ্দমা, মিৰাট ষড়যন্ত্রৰ মোকৰ্দমা, চিটাগঙ অস্ত্রাগাৰ আক্রমণ আদিলৈ মোকৰ্দমা কাহিনীবিলাকে বৈপ্লৱিক আন্দোলন দমন কৰিবলৈ ভাৰতৰ ইংৰাজ চৰকাৰে সেই দিনত কৰা অপচেষ্টাৰ প্রমাণ দিব। দ্বিতীয় মহাযুদ্ধৰ সময়ত জার্মানী আৰু জাপানৰ লগত

সংযোগ স্থাপন কৰি, নেতাজী সুভাষ চন্দ্ৰ বসুৱে আজাদ হিন্দ ফৌজ সংগঠন কৰে আৰু ১৯৪৪ চনত ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ অভিযান কৰি কহিমালৈকে আগবাঢ়ি আহিছিল। ভাৰতৰ স্বাধীনতাৰ কাৰণে কৰা শেষৰ সশস্ত্ৰ যুদ্ধৰ ই এটা গৌৰৱপূৰ্ণ কাহিনী।

১৮৮৫ চনৰ ডিচেম্বৰত বোম্বেত কংগ্ৰেছ মহাসভাৰ প্ৰথম অধিবেশন বহাৰ আগলৈকে, ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত ভাৰতীয় মানুহৰ কোনো সৰ্বভাৰতীয় ৰাজনৈতিক অনুষ্ঠান নাছিল। কংগ্ৰেছৰ মাধ্যমেৰে ভাৰতৰ মানুহৰ আশা আকাংক্ষা পূৰণৰ কাৰণে প্ৰথম অৱস্থাত ধীৰ পন্থা অনুসৰণ কৰা হৈছিল। ক্ৰমে কংগ্ৰেছৰ ভিতৰতে ধীৰপন্থী আৰু উগ্ৰপন্থী হিচাপে দুটা দল হোৱাদি হ'ল।

দাদাভাই নৌৰজী কংগ্ৰেছৰ প্ৰপিতামহৰ দৰে আছিল। বাল গঙ্গাধৰ তিলক আৰু লালা লাজপত ৰয়, উগ্ৰপন্থীসকলৰ নেতা আছিল। ব্ৰহ্মদেশৰ খান্দালয় জেলৰ পৰা ৬ বছৰ জেল খাটি ওলাই অহাৰ পাছত, তিলকে হ'ম ৰুলৰ দাবীত আন্দোলন আৰম্ভ কৰিছিল। দক্ষিণত এনী বেচান্তেও এনে আন্দোলন গঢ়ি তুলিছিল। ১৯১৬ চনৰ পৰা ১৯১৮ চনলৈকে হ'মৰুল আন্দোলন তুঙ্গত উঠিছিল।

প্ৰথম মহাযুদ্ধৰ লগে লগে ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ ক্ষেত্ৰত বিশেষ পৰিবৰ্তনৰ সূচনা হয়। বৃটিচ গৱৰ্ণমেণ্টে ভাৰতত ৰাজনৈতিক কাৰ্যকলাপ সাম্ৰাজ্যবাদী দৃষ্টিৰে নিয়ন্ত্ৰিত কৰি ৰাখিবলৈ প্ৰতিক্ৰিয়াশীল আৰু দমনমূলক নীতি অনুসৰণ কৰি ল'লে। সেই অৱস্থাত ভাৰতীয় ৰাজনীতিৰ কৰ্ণধাৰ হিচাপে মহাত্মা গান্ধীৰ যুগ আৰম্ভ হ'ল। ১৯২০ চনৰ চেপ্তেম্বৰ মাহত কলিকতাত বিশেষ অধিবেশনত আৰু সেই বছৰত ডিচেম্বৰত বহা বাৰ্ষিক অধিবেশনত কংগ্ৰেছ মহাসভাই গান্ধীজীয়ে দাঙি ধৰা আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয়। অসহযোগ প্ৰস্তাৱ গ্ৰহণ কৰি কংগ্ৰেছে মহাত্মা গান্ধীক সেই আন্দোলন পৰিচালনা কৰিবলৈ সেনাপতিৰ দায়িত্ব আৰু কৰ্তৃত্ব দিয়ে। মহাত্মাৰ নেতৃত্বত স্বাধীনতাৰ যুদ্ধত, সত্য অহিংসাৰ নীতি ৰক্ষা কৰি সত্যাগ্ৰহ কৰাৰ আঁচনি কাৰ্যকৰী কৰিবলৈ প্ৰথম পৰ্যায়তে জনসাধাৰণক সংগঠিত কৰি তোলাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। গাঁৱে-ভূঞে, নগৰে-চহৰে প্ৰতিঘৰৰ মানুহৰ ঘৰলৈ গৈ, কংগ্ৰেছ অনুষ্ঠানৰ সভ্য ভৰ্তি কৰিবলৈ লোৱা হৈছিল। ইয়াৰ লগতে স্বেচ্ছাসেৱক বাহিনী আৰু

গঠনমূলক কামৰ কেন্দ্ৰবিলাকো বিভিন্ন অঞ্চলত স্থাপন কৰা হৈছিল। তেনেকৈ সম্পূৰ্ণ বিপৰীত দিশত হ'লেও সশস্ত্ৰ যুদ্ধত অস্ত্ৰ পৰিচালনাত নিয়ম মতে প্ৰশিক্ষণ পোৱা সৈন্য বাহিনী গঢ়ি তোলা হয়। গান্ধীজীয়ে তেওঁৰ আদৰ্শমতে, অহিংস প্ৰণালীৰে স্বাধীনতাৰ যুদ্ধ কৰিব পৰা এটা স্বেচ্ছাসেৱক বাহিনী গঢ়ি তোলাত মন দিছিল। প্ৰথম সৰ্ব-সাধাৰণ সকলোৰে মাজত ৰাজনৈতিক চেতনা সৃষ্টি কৰা আৰু তাৰ লগতে বছা বছা মানুহখিনি লৈ সত্যাগ্ৰহী সেনাবাহিনী গঠনৰ চেষ্টা কৰা হৈছিল। ভাৰতত প্ৰথমবাৰৰ কাৰণে অসহযোগ আন্দোলনৰ সময়তে শিক্ষিত শ্ৰেণীৰ উপৰিও সৰ্বসাধাৰণ সকলো ৰাইজৰ মাজত ৰাজনৈতিক চেতনা জাগ্ৰত কৰাৰ আৰু তাকে সংগঠিত ৰূপ দিয়াৰ চেষ্টা হৈছিল।

মহাত্মা গান্ধীৰ নেতৃত্বত ১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩০-৩৫ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২-৪৫ চনৰ 'ভাৰতত্যাগ' আন্দোলন হয়। সামগ্ৰিকভাৱে ভাৰতৰ জনসাধাৰণৰ এইকেইটা আন্দোলনতে প্ৰাণৰ সংযোগ আছিল। সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভাৰতৰ স্বাধীনতা লাভৰ উদ্দেশ্য, অস্ত্ৰৰ বিৰুদ্ধে অস্ত্ৰৰে নহয়, অস্ত্ৰৰ সকলো নিৰ্মম আঘাত মূৰ পাতি লৈ আত্মবলেৰে বলীয়ান হৈ, সত্য অহিংসাৰ প্ৰণালীৰে কৰা ভাৰতৰ স্বাধীনতাৰ সংগ্ৰাম মানুহৰ ইতিহাসত এক অভিনৱ কাহিনী।

১৯৩০ চনত নিমখ আইন ভংগৰ আন্দোলনৰ সময়ত চৰকাৰৰ ধৰ্মনা নিমখ ডিপোত সত্যাগ্ৰহৰ প্ৰত্যক্ষদৰ্শী হিচাপে আমেৰিকাৰ নিউইয়ৰ্ক টেলিগ্ৰামৰ সংবাদদাতা ওৱেব মিলাৰে লিখিছে, "১৮ বছৰ ২২ খন দেশত অসংখ্য বিদ্ৰোহাত্মক ঘটনা আৰু অশান্তিকৰ পৰিস্থিতি মই নিজে দেখিছো। কিন্তু ধৰ্মনাৰ দৰে দৃশ্য মই ক'তো দেখা নাছিলো। পশ্চিমৰ মানুহে হিংসাৰ উত্তৰ হিংসাৰে দিয়াৰ কথা বুজিব পাৰে, যুদ্ধ এখনৰ কথা বুজিব পাৰে। কিন্তু, ধৰ্মনাত মই দেখা সেই দৃশ্য মোৰ কাৰণে দুৰ্বোধ্য। ধীৰ স্থিৰভাৱে, বুজি-বাজি, শান্ত চিত্তে এদল মানুহ আগবাঢ়ি গৈছে আৰু আত্মৰক্ষাৰ কোনো চেষ্টা নকৰাকৈ লাঠীৰ কোৰ মূৰ পাতি লৈছে। সময়ত সেই দৃশ্য মোৰ কাৰণে ইমান অসহনীয় আছিল যে মই মোৰ মুখ ঘূৰাই লব

লগা হৈছিল। স্বেচ্ছাসেৱকসকলৰ শৃঙ্খলৰ এটা আচৰিত হ'ব লগা কথা। পুৱাবেলা মই দেখিছিলো যে পুলিচে লাঠিৰে কতবাৰ যে কোব মাৰিছে কিন্তু তাৰ উত্তৰত স্বেচ্ছাসেৱকসকলৰ কোনেও হাত তোলা নাছিল। অনুমান হৈছিল যে তেওঁলোক গান্ধীজীৰ অহিংস নীতিত অনুপ্ৰাণিত।"

অসমতো 'ভাৰত ত্যাগ' আন্দোলনত ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে গহপুৰ আৰু ঢেকিয়াজুলি থানাৰ ওপৰত উৰাই থোৱা বৃটিছৰ 'ইউনিয়ন জেক' পতাকাখন নমাই তাৰ ঠাইত ভাৰতৰ স্বাধীনতাৰ প্ৰতীক জাতীয় পতাকাখন তুলি উৰাবলৈ, হাজাৰ হাজাৰ মানুহৰ শোভাযাত্ৰা হৈছিল। সকলোৱে জানিছিল যে সেইদিনা থানাঘৰৰ চৌদিশে সশস্ত্ৰ বাহিনীয়ে পহৰা দি আছিল আৰু তালৈ গ'লেই যিকোনো মুহূৰ্তত গুলি হ'ব পাৰে। এই কথা ভালকৈ জানিও, সুসমল কৰা অগণন মানুহে হাতত কোনো অস্ত্ৰ নোলোৱাকৈ নিৰ্ভয়ে দৃঢ় পদক্ষেপে আগবাঢ়ি গৈছিল। গান্ধীজীৰ অহিংস যুদ্ধ প্ৰণালীৰ কৃতকাৰ্যতাৰ ই এটা আদৰ্শ স্থানীয় দৃষ্টান্ত। কনকলতাকে প্ৰমুখ্য কৰি দুয়োখন থানাত পুলিচৰ গুলিত কমেও ২২ জন মানুহে প্ৰাণ ত্যাগ কৰিছে। ই এটা মহিমামণ্ডিত কাহিনী। নগাঁৱত কেইবা ঠাইতো সত্যাগ্ৰহ কৰি বহুজনে প্ৰাণ দিছে। কুমলীয়া ল'ৰা তিলক ডেকাই নিজৰ ঠাইৰ পৰা লৰচৰ নকৰাকৈ তেওঁৰ ওপৰত থকা নিৰ্দেশমতে, শিঙা বজাই দিয়াত তেওঁক পুলিচে গুলি কৰি মৰা ঘটনা, বহু প্ৰশংসিত ইংৰাজ যুৱক কেচাবেলঙ্কাৰ কৰ্তব্য নিষ্ঠাৰ দৰে মহিমামণ্ডিত।

মহাত্মা গান্ধীৰ সুনিপুণ নেতৃত্ব আৰু ভাৰতৰ জনসাধাৰণৰ সক্ৰিয় সহযোগত ভাৰতৰ স্বাধীনতাৰ আন্দোলন সফল হ'ল। ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতৰ আকাশত ভাৰতৰ জাতীয় পতাকা উৰিল।

স্বাধীনতা আন্দোলনে উত্তৰ পুৰুষৰ কাৰণে কেইটামান বাণী কঢ়িয়াই আনিছে। সেই বাণীকেইটাৰ ভিতৰত প্ৰধান হৈছে ঃ

(১) আধুনিক ৰাষ্ট্ৰীয়তাৰ ভাৱনা। পূৰ্বতে ভাৰতৰ অখণ্ডতাৰ ধাৰণা আছিল। মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে তেখেতৰ বিশাল আৰু অসাধাৰণ ৰচনাৰ ভিতৰত যেতিয়াই দেশৰ কথা ক'ব লগা হৈছে, তেতিয়াই 'ভাৰতবৰিষ' বুলি লিখিছে। ভাৰত, এই ভূখণ্ডৰ কথা আৰু এই সমস্তৰকে আদি কালৰে পৰা ভাৰত সকলো মানুহৰ মনতে

আছে। ভীনচেণ্ট স্মীথে 'অক্সফোর্ড হিষ্টৰি অৱ ইণ্ডিয়া'ত লিখিছে,

"The Political unity of all India, although never attained perfectly infact, always was the ideal of the people through out the centuries. The story of gathering of the nations to the battle field of Kurukshetra, as told in the Mahabharata unified that all the Indian peoples including those of extreme south were inited by reach bonds and concerned in interests, common to all."

সভ্যতা সাংস্কৃতিক ক্ষেত্ৰত, ভাৰত সদায়েই এক হৈ আছে, যদিও বিভিন্ন অংশত শাসনৰ ব্যৱস্থা বা ৰাজক্ষমতা সুকীয়া আছিল। ইংৰাজে ৰাষ্ট্ৰীয় ক্ষেত্ৰত সমগ্ৰ ভাৰতকে এক কেন্দ্ৰীয় শাসনৰ তললৈ আনে। প্ৰকৃতভাবে আধুনিক ৰাষ্ট্ৰীয়তাৰ ভাৱনা সৃষ্টি কৰে, গান্ধীবাদী স্বাধীনতাৰ আন্দোলনে আধুনিক কালত ৰাষ্ট্ৰীয়তাৰ ভাৱনা এটা প্ৰবল ৰাজনৈতিক শক্তি। অকল সংহতি ৰক্ষা কৰাৰ কাৰণেই নহয়, জাতি গঠনৰ কাম আৰু অৰ্থনৈতিক পৰিকল্পনা চুতকাৰ্য্য কৰি তোলাৰো ই অপৰিহাৰ্য্য চৰ্ত। শাসনৰ ক্ষেত্ৰতেই হওক বা অৰ্থনৈতিক বিষয়েই হওক, বিকেন্দ্ৰীকৰণৰ নীতিৰ লগত ৰাষ্ট্ৰীয়তাৰ কোনো সংঘাত থাকিব নোৱাৰে। এটা আনটোৰ পৰিপূৰকহে। স্বাধীনতাৰ আন্দোলনৰ ই এটা ঐতিহ্য।

(২) আৰ্থ-সামাজিক ক্ষেত্ৰত স্বাধীনতা আন্দোলনৰ বাণী হৈছে, 'অভ্যোদয়'ৰ বাণী। উৎপাদনৰ আৰু বিতৰণৰ প্ৰণালীৰ আমুল পৰিবৰ্ত্তন কৰি, শ্ৰেণীগত শোষণ আৰু বৈষম্য দূৰ কৰাই ইয়াৰ মূল কথা।

(৩) গান্ধীবাদী স্বাধীনতাৰ আন্দোলনৰ পৰা পোৱা আন এটা আদৰ্শ হৈছে আদৰ্শনিষ্ঠা আৰু নিকা জীৱন। সেই আন্দোলনে ৰাজহুৱা জীৱন শুদ্ধ-নিৰ্মল কৰাৰ আৰু জনসেৱাৰ ব্ৰতত ব্ৰতী হোৱাৰ ভাৱ সৃষ্টি কৰিছিল। এই পৰম্পৰা ৰক্ষা কৰাৰ কথা, আজিৰ পৰিস্থিতিত বিশেষকৈ মনত পেলোৱাৰ প্ৰয়োজন হ'ব পাৰে।

(৪) সাম্প্ৰদায়িকতা, বিচ্ছিন্নতাবাদ, বিক্ষিপ্ততা, ভাষা-গোষ্ঠী বৰ্ণ আদি বিভিন্ন গোটৰ ভিতৰত গা কৰি উঠা বিৰোধী ভাব নিৰ্মূল কৰাই স্বাধীনতা আন্দোলনৰ বাণী। জাতিৰ উৰ্দ্ধতীয়া স্বাৰ্থৰ কাৰণে

যদিও দৃষ্টিভঙ্গীৰ পৰিবৰ্তে ৰচনাত্মক ঐক্যবোধৰ কাৰণে, স্বাধীনতাৰ আন্দোলন কৰা আজি প্ৰেৰণা লোৱা প্ৰয়োজন জৰুৰী বুলি ভবাৰ কাৰণ আছে।

(৫) ১৯২১ চনৰ অসহযোগ আন্দোলনত, ৰাজনৈতিক আন্দোলনৰ কাৰ্যসূচীৰ ভিতৰতে অসমত সুকীয়াকৈ কানি নিৰ্মূল কৰাৰ আঁচনি লোৱা হৈছিল। ১৯২১ চনৰ এবছৰৰ ভিতৰত অসমৰ চৰকাৰী কানি দোকানত ৬০০ মোনৰো ওপৰ কানি বিক্ৰি কমি গৈছিল। সেই সময়ৰ ইংৰাজ চৰকাৰৰ বিৰোধিতা সত্ত্বেও, কানি বিক্ৰি বন্ধ কৰাত এই সফলতা লাভ কৰা হৈছিল। গঠনমূলক কামত এনে দৃষ্টান্তৰ পৰা আজিও শিক্ষা আৰু প্ৰেৰণা ল'ব লগা আছে।

(৬) ভাৰতৰ স্বাধীনতাৰ আন্দোলনে বিশ্ববাসীলৈ আগবঢ়োৱা বাণী হৈছে সকলোতকৈ গুৰুত্বপূৰ্ণ। এই বাণী হৈছে বিশ্বৰ শান্তিৰ কাৰণে মাৰক অস্ত্ৰৰ ত্যাগ কৰাৰ বাণী। এই আন্দোলনে প্ৰমাণ কৰিছে যে সত্য আৰু অহিংসাৰ প্ৰণালীৰে সকলো বিবাদমান প্ৰশ্নৰ নিৰাকৰণ কৰিব পাৰি। পাৰমাণৱিক অস্ত্ৰৰ সংঘাতত মানুহ জাতিয়েই যেতিয়া ধ্বংস হোৱাৰ বিভীষিকা দেখা দিছে, তেতিয়া মহাত্মা গান্ধীৰ নেতৃত্বত ভাৰতৰ স্বাধীনতাৰ আন্দোলনখন কঢ়িয়াই অনা ভাবনা আৰু উপায়বিলাকৰ সম্পৰ্কে মন দিয়াই উপস্থিত সময়ৰ আটাইতকৈ জৰুৰী কথা। ভাৰতৰ স্বাধীনতা আন্দোলনৰ বাণী সম্পৰ্কে স্বাধীনতাৰ পিছৰ পুৰুষে কি ভাৱে আৰু কেনেকৈ তাক কামত লগায়, আজিৰ সেইটোৱেহে প্ৰশ্ন।

'জীৱনী কোষ'ত অসমৰ যিসকল প্ৰয়াত মুক্তি যুঁজাৰুৰ নাম সন্নিবিষ্ট কৰা হৈছে, তেওঁলোকৰ প্ৰত্যেকেই নিজৰ জীৱনৰ কামেৰে দেশ মাতৃকাৰ সেৱাৰ অৰিহণা যোগাই গৈছে। ই চিৰকালৰ কাৰণে প্ৰেৰণাৰ উৎস হৈ থাকিব। তেওঁলোকৰ স্মৃতিত প্ৰতি মই মোৰ শ্ৰদ্ধা নিবেদন কৰো।

শ্ৰদ্ধেয় শ্ৰীৰবীন কাকতীদেৱে, তেখেতৰ স্বাস্থ্য ভাল নথকা অৱস্থাতো, অশেষ পৰিশ্ৰম কৰি, 'জীৱনী কোষ' গ্ৰন্থখন যুগুত কৰি উলিওৱাত আগ ভাগ লৈছে। তেখেতৰ আপ্ৰাণ চেষ্টাৰ অবিহনে, এই কাম হৈ উঠাই সম্ভৱ নাছিল। অসমৰ মুক্তি-যোদ্ধা অনুষ্ঠানৰ

বিভিন্ন শাখাৰ পক্ষৰ পৰাও প্ৰয়াত মুক্তিযুঁজাৰুসকলৰ বিষয়ে প্ৰয়োজনীয় সকলো খা-খবৰ সংগ্ৰহ কৰি যিখিনি সহায় কৰা হৈছে, তাৰো শলাগ ল'বলগীয়া।

'জীৱনীকোষ'খনৰ সম্পাদনাৰ দায়িত্ব লৈ, অধ্যাপক শ্ৰীকনকচন্দ্ৰ ডেকাই যথেষ্ট সময় দিছে আৰু অশেষ পৰিশ্ৰম কৰিছে। মোৰ বিশ্বাস, তেখেতৰ সম্পাদনাৰ কামত তেখেত সম্পূৰ্ণ কৃতকাৰ্য্য হৈছে অধ্যাপক ডেকাদেৱে সম্পাদনাৰ কাম কৰাৰ উপৰিও প্ৰেছত ছপা হোৱাৰ বিষয়েও যোগাযোগ ৰাখি, তেখেতে যিখিনি কাম কৰি, 'জীৱনীকোষ'খন সময়মতে প্ৰকাশ হোৱাটো সম্ভৱপৰ কৰি তুলিলে তাৰ কাৰণে চন্দ্ৰনাথ শৰ্মা জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ পক্ষৰ পৰা মই তেখেতৰ শলাগ লওঁ।

অসমৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই আমাৰ গ্ৰন্থখন প্ৰকাশ কামত কৰা সহায় সহযোগিতাৰ বাবে আমি তেওঁৰ আৰু তেওঁৰ চৰকাৰৰ ওচৰত কৃতজ্ঞ।

এই প্ৰসঙ্গতে বিশেষকৈ উল্লেখ কৰিবলগীয় যে শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামী, আবকাৰী মন্ত্ৰী শ্ৰীবিৰাজ কুমাৰ শৰ্মা, শিক্ষা আয়ুক্ত আৰু সচিব শ্ৰীঅশোক শইকীয়া প্ৰমুখ্যে শিক্ষা বিভাগৰ কৰ্মচাৰীসকলে তৎপৰতাৰে সৈতে, প্ৰয়োজনীয় বিধি-ব্যৱস্থা কৰি দিয়াৰ কাৰণে আমি তেওঁলোকলৈ আমাৰ ধন্যবাদ জনাওঁ।

লগতে, গ্ৰন্থখন প্ৰকাশ সম্পৰ্কে শ্ৰীনৱদ্বীপ ৰঞ্জন পাটগিৰি, নৃপেন শৰ্মা, দুৰ্গাশঙ্কৰ শৰ্মা, উত্তম বৰুৱা, প্ৰমোদ বৰুৱা, সৰ্বেশ্বৰ বৰদলৈ, ভাৰত গোস্বামী, লোকনাথ ভৰালী, দেবেন দাস, উপেন ডেকা, অৰুণিমা বৰুৱা, অনুপম ডেকা, সৰমা বৰুৱা, লীনা ডেকা, হেমেন বৰুৱাই কিতাপখন ছপা হৈ ওলোৱাত, নানাভাৱে কৰা সহায়ৰ কাৰণে তেওঁ-লোকক ধন্যবাদ জনাওঁ।

সদৌ শেষত, 'অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ' গ্ৰন্থখনি বিশেষ যত্ন সহকাৰে কম সময়ৰ ভিতৰতে ছপাই উলিয়াই দিয়া কাৰণে হেমকোষ প্ৰিণ্টাৰ্ছৰ অধ্যক্ষ শ্ৰীপৱিত্ৰ জীৱন বৰুৱা আৰু কৰ্মচাৰী বৃন্দৰ শলাগ লওঁ।

শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, সভাপতি,
কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতি।

অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ
সম্পাদনা সমিতি

সভাপতি : শ্ৰীনবীন কাকতী

সম্পাদক : শ্ৰীকনকচন্দ্ৰ ডেকা

সদস্যসকল : শ্ৰীসতীশ চন্দ্ৰ কাকতী
শ্ৰীনৱদ্বীপ ৰঞ্জন পাটগিৰি
শ্ৰীলোকনাথ ভৰালী
শ্ৰীনৃপেন শৰ্মা
শ্ৰীভাৰত চন্দ্ৰ গোস্বামী
শ্ৰীসৰ্বেশ্বৰ বৰদলৈ
শ্ৰীপ্ৰমোদ বৰুৱা
শ্ৰীউত্তম বৰুৱা ।

সম্পাদকৰ নিবেদন

১৯৮৯ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখে নতুন দিল্লীত ভাৰতৰ মহামান্য উপৰাষ্ট্ৰপতি ডক্টৰ শংকৰ দয়াল শৰ্মাই আমাৰ ৰচিত প্ৰায় ৮০০ পৃষ্ঠা আৰু ৮০ খনৰো অধিক ছবি সন্নিবিষ্ট 'অসমৰ প্ৰসিদ্ধ মুক্তি-যুঁজাৰু' নামৰ গ্ৰন্থখনি আনুষ্ঠানিকভাৱে উন্মোচন কৰাৰ ভাগৰ নৌপলাওঁতে অসমৰ অন্যতম প্ৰসিদ্ধ মুক্তিযোদ্ধা, গান্ধীবাদী নেতা শ্ৰীযুত বিজয়চন্দ্ৰ ভাগৱতীদেৱে আমালৈ লিখা এখন চিঠি পালোঁ—

মৰমৰ ভেকা,

মুক্তি-যুঁজাৰুৰ জীৱনী সংকলন সম্পৰ্কে তোমাৰ কিতাপখন দিল্লীত Vico-Presidentএ মুকলি কৰা বুলি জানি বিশেষ আনন্দ পাইছোঁ।

*　　　　*　　　　*

দ্বিতীয়তে, আন এটা জৰুৰী কথাৰে তোমাক আজি অনুৰোধ কৰিবলৈ ওলাইছোঁ।

কালি হৈ যোৱা সভাত, চন্দ্ৰনাথ শৰ্মাৰ শত-বাৰ্ষিকী পাতিবলৈ স্থিৰ কৰা হৈছে। এই উপলক্ষে অসমৰ পৰলোকগত মুক্তি-যুঁজাৰু-সকলৰ জীৱনৰ একোটা চমু টোকাৰে সৈতে, এখন অভিধানৰ দৰে গ্ৰন্থ মুদ্ৰিত কৰি, প্ৰকাশ কৰিবলৈ স্থিৰ কৰা হৈছে।

শ্ৰদ্ধেয় শ্ৰীনবীন কাকতীয়ে বিভিন্ন জিলাৰ পৰা প্ৰয়োজনীয় খা-খবৰবিলাক সংগ্ৰহ কৰি আছে। কিন্তু ডাঙৰ কথা হৈছে, পৰি-পাটিকৈ শৃঙ্খলাবদ্ধভাৱে কিতাপখন মুদ্ৰিত কৰাৰ ব্যৱস্থা কৰা। এই কামৰ সম্পাদনাৰ কাৰণে আমি তোমাক আমাৰ কমিটিৰ পক্ষৰ পৰা দায়িত্ব দিব খুজিছোঁ। আশাকৰো, এই দায়িত্ব গ্ৰহণ কৰি আমাক বাধিত কৰিবা।

আমাৰ পৰা যি সহায়-সুবিধাৰ ব্যৱস্থা কৰিব লাগে, সেই সকলো কৰিবলৈ আমি আগবাঢ়িম।

তুমি যিমান পাৰা সোনকালে শ্ৰীৰবীন কাকতীক এবাৰ লগ ধৰিবাই বুলি আশা কৰিলো।

বিজয় ভাগৱতী।

২।৩।৮৯

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা জন্ম শত-বাৰ্ষিকী উদ্‌যাপন সমিতিৰ কৰ্মকৰ্তা-সকলৰ একান্ত ইচ্ছা আৰু পিতৃব্য শ্ৰীযুত ভাগৱতীদেৱৰ স্নেহসিক্ত আদেশ, তদুপৰি এইটো এটা মহান জাতীয় কৰ্তব্য বুলি বিবেচনা কৰি নিজৰ ব্যক্তিগত একুৰি এটা অসুবিধা একাষৰীয়া কৰি থৈ কৰ্তব্যত অগ্ৰসৰ হ'লো।

উদ্‌যাপন সমিতিয়ে গঠন কৰি দিয়া সম্পাদনা সমিতিৰ পঞ্চাধিক বৈঠক শ্ৰীযুত ৰবীন কাকতীদেৱৰ বাসভৱনত বহে। গ্ৰন্থখনিৰ সম্পাদনাৰ সম্পৰ্কত প্ৰথম বৈঠকতে কেইটামান আৱশ্যকীয় সিদ্ধান্ত গ্ৰহণ কৰি সেইমতে আমাক সংগ্ৰহ, পাণ্ডুলিপি প্ৰস্তুত আৰু সম্পাদনা কামত আগবাঢ়িবলৈ কোৱা হয়। সিদ্ধান্তসমূহ হ'ল ঃ

- ☐ গ্ৰন্থখনিৰ নাম 'অসমৰ প্ৰয়াত মুক্তিযুঁজাৰুৰ জীৱনীকোষ' হওক।

- ☐ অসমৰ নতুনকৈ গঠিত হোৱা সোতৰখন জিলাৰ প্ৰয়াত মুক্তি-যুঁজাৰুসকলৰ জীৱনৰ চমু টোকা অভিধানৰ আহিতে প্ৰাপ্ত ছবিসহ গ্ৰন্থখনিত সন্নিবিষ্ট কৰা হওঁক।

- ☐ ১৯২১ চনৰ অসহযোগ আন্দোলনৰ পৰা ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ছোৱাৰ ভিতৰত যিসকল মুক্তি-যুঁজাৰুৱে পুলিচৰ গুলীত, ফাঁচীকাঠত উঠি মৃত্যু বৰণ কৰিলে, জেল-জৰিমনা ভুগিলে, প্ৰত্যক্ষ বা পৰোক্ষভাৱে আন্দোলনত যোগ দি গাঁও সংগঠন, বিলাতী বস্ত্ৰ বৰ্জন, কানি নিবাৰণ, খদ্দৰ প্ৰচলন আদি কামত সততা আৰু নিষ্ঠাৰে সহায়-সহযোগ কৰিলে সিসকল ব্যক্তিৰ যিমানদূৰ সম্ভৱ জীৱনটোকা আৰু প্ৰতিমূৰ্তি সংগ্ৰহ কৰি গ্ৰন্থখনিত সন্নিবিষ্ট কৰা হওঁক।

- ☐ গ্ৰন্থখনি ১ ডিমাই আকাৰত ছপা কৰা হওঁক আৰু গ্ৰন্থখনিৰ আকাৰ প্ৰায় এহেজাৰ পৃষ্ঠাৰ হ'ব আৰু তাত মুক্তিযুঁজাৰুৰ প্ৰায় ৪০০।৫০০ প্ৰতিকৃতিক সন্নিবিষ্ট কৰা হওঁক।

- ☐ জীৱনীবোৰ প্ৰতিখন জিলাৰ মুক্তি-যুঁজাৰু সন্মিলনৰ কৰ্মকৰ্তা-সকলৰ জৰিয়তে সংগ্ৰহ কৰাৰ উপৰিও ব্যক্তিগতভাৱে, ইতিমধ্যে প্ৰকাশিত গ্ৰন্থ, সংবাদ পত্ৰ, আলোচনী, স্মৃতিগ্ৰন্থ, অভিনন্দন গ্ৰন্থ প্ৰভৃতিৰ পৰাও জীৱনীবোৰ সংগ্ৰহ কৰাৰ ব্যৱস্থা কৰা হওক।

- ☐ Political History of Assam (I, II, III Volumes) Report of the Enquiry Committee of Freedom Fighters আৰু 'অসমৰ প্ৰসিদ্ধ মুক্তি-যুঁজাৰু' নামৰ গ্ৰন্থ তিনিখনক আধাৰ-গ্ৰন্থ হিচাপে ব্যৱহাৰ কৰা হওঁক।

- ☐ গ্ৰন্থখনি ছপা কৰাৰ সম্পৰ্কত উদ্‌যাপন সমিতিৰ কাৰ্যকৰী সভাপতি তথা সম্পাদনা সমিতিৰ সভাপতি শ্ৰীৰবীন কাকতী, গ্ৰন্থৰ সম্পাদক শ্ৰীকনক চন্দ্ৰ ডেকা আৰু সম্পাদনা সমিতিৰ অন্যতম সদস্য শ্ৰীনৱদীপ ৰঞ্জন পাটগিৰিক দায়িত্ব আৰু কৰ্তৃত্ব দিয়া হওক।

নকলেও হ'ব যে এই সুবৃহৎ গ্ৰন্থখনি প্ৰণয়ণ কৰোঁতে—তথ্যপাতি সংগ্ৰহ কৰাৰে পৰা সম্পাদনা কৰা, ছপাশালৰ লগত অনবৰত লাগি থাকি বিবিধ কামত সহায় কৰা আমাৰ পক্ষে একপ্ৰকাৰ অসম্ভৱেই নাছিল, দুঃসাহসিক কামো। এই ক্ষেত্ৰত শ্ৰীযুত ৰবীন কাকতীদেৱ বিশেষভাৱে আমাৰ সহায় সাৰথি আৰু উৎসাহদাতা আছিল। দিন-ৰাতিৰ ভেদাভেদ নাৰাখি মাত্ৰ ৬ মাহৰ ভিতৰত পাণ্ডুলিপি প্ৰস্তুত কৰি ১৯৮৯ চনৰ ১৫ চেপ্তেম্বৰ তাৰিখে উদ্‌যাপন সমিতিৰ হাতত অৰ্পণ কৰা হয়। নিঃস্বাৰ্থভাৱে কবলৈ হলে এই গ্ৰন্থখনি শ্ৰীযুত কাকতীদেৱৰ অক্লান্ত পৰিশ্ৰম আৰু নিভেজাল স্বদেশপ্ৰেমৰ ফলশ্ৰুতি। আমি নিমিত্ত মাত্ৰ।

এই গ্ৰন্থখনিৰ কামত দিন-ৰাতি লাগি থকা, তাৰ মাজতে ছপা কৰাৰ অৰ্থ সঙ্কটৰ চিন্তা আদিয়ে তেখেতক এনেদৰে ক্লান্ত আৰু দুৰ্বলা কৰি তোলে যাৰ পৰিণতি স্বৰূপে শৰীৰৰ যথেষ্ট অৱনতি

ঘটে, মাদ্ৰাজলৈ গৈ চিকিৎসাধীন হ'বলগীয়াত পৰে, আনকি গুৱাহাটীৰ মহেন্দ্ৰ মোহন চৌধুৰী হস্পিতালতো দুই তিনিবাৰ চিকিৎসাধীন হৈ থাকে।

গ্ৰন্থখনিৰ বেছিভাগ তথ্যপাতিয়েই প্ৰতিখন জিলাৰ মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি, সম্পাদক প্ৰমুখ্যে কৰ্মকৰ্তাসকলৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে। ১৫।৯।৮৯ ইং তাৰিখে গ্ৰন্থখনিৰ পাণ্ডুলিপি উপস্থাপন সমিতিৰ হাতত অৰ্পণ কৰাৰ দুদিন পিছত ১৭-৯-৮৯ তাৰিখে কামৰূপ একাডেমী স্কুলত দিনজোৰা কাৰ্যসূচীৰে প্ৰতিখন জিলাৰ মুক্তিযুঁজাৰু সন্মিলনৰ সভাপতি, সম্পাদক নাইবা প্ৰতিনিধিসকলে আমাৰ অনুৰোধ ৰক্ষা কৰি চমু জীৱনী টোকাসমূহ পৰীক্ষা-নিৰীক্ষা কৰি দি প্ৰকাশৰ বাবে লিখিত অনুমোদন জনায়। বাহুল্য হোৱাৰ ভয়ত পৰীক্ষক-সকলৰ নাম-ঠিকনা উল্লেখ কৰা নহ'ল।

তাৰ পিছত সম্পাদনা সমিতিৰ সভাপতি কাকতিদেৱে স্থানীয় কেবাটাও প্ৰেছৰ পৰা নিয়ম অনুসৰি গ্ৰন্থখনি ছপাৰ কাৰণে নিবিদা লৈ পৰীক্ষা-নিৰীক্ষাৰ পিছত 'হেমকোষ প্ৰিণ্টাৰ্ছ'ক নিজৰ হাতৰ পৰা পাঁচ হেজাৰ টকা আগধন দি ছপা কৰিবলৈ দিয়ে।

গ্ৰন্থখনি প্ৰকাশনৰ ক্ষেত্ৰতো কাকতীদেৱৰ অৱদান বিশেষভাৱে স্বীকাৰ কৰিবলগীয়া। তদুপৰি গ্ৰন্থখনিৰ বিভিন্ন কামত নিস্বাৰ্থভাৱে আগবঢ়োৱা সহায়-সহযোগিতাৰ কাৰণে সৰ্বশ্ৰী নৱদ্বীপ ৰঞ্জন পাটগিৰি, নৃপেন শৰ্মা, ভাৰতচন্দ্ৰ গোস্বামী, লোকনাথ ভৰালী, বিজু বৈশ্য, গৌৰৱ বৰুৱা, দুৰ্গাশঙ্কৰ শৰ্মা, কমলেশ বিশ্বাস, ৰূপকান্ত হালৈ, ৰামপ্ৰসাদ শৰ্মা, অৰুণ ফুকন, অৰূপ ফুকন, আৰ গোস্বামী, আৰু বীৰেন দাস, ডাঃ প্ৰফুল্লচন্দ্ৰ বৰুৱা, পৰশপ্ৰতীম বৰা আৰু শিৱনাথ শৰ্মাৰ শলাগ লৈছো।

ওপৰত উল্লেখ কৰা আধাৰ গ্ৰন্থ তিনিখনৰ বাহিৰেও অসংখ্য সংবাদপত্ৰ, আলোচনী, জীৱনীগ্ৰন্থ, স্মৃতিগ্ৰন্থ, আত্মজীৱনী, অভিনন্দন গ্ৰন্থ আৰু বিভিন্ন ব্যক্তিৰ পৰা তথ্যপাতি সংগ্ৰহ কৰা হৈছে। কাজেই আমি যিসকল লেখক, সম্পাদক, সংকলকৰ ওচৰত আমাৰ ঋণ স্বীকাৰ কৰিছো। অসমৰ প্ৰসিদ্ধ মুক্তিযুঁজাৰু গ্ৰন্থখনিৰ পৰা তথ্যপাতিৰ ভালেমান সহায় লোৱাৰ উপৰিও ভালেমান ছবিৰো সহায় লোৱা হৈছে। তাৰবাবে গ্ৰন্থখনিৰ প্ৰকাশক শ্ৰীশান্তি ৰঞ্জন দে ডাঙৰীয়াকো আমাৰ শলাগ লৈছোঁ।

যথেষ্ট ব্যয়বহুল এই গ্ৰন্থখনি প্ৰকাশ কৰাত অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, শিক্ষামন্ত্ৰী শ্ৰীবৃন্দাবন গোস্বামী, আবকাৰী মন্ত্ৰী শ্ৰীবিৰাজ কুমাৰ শৰ্মা, শিক্ষা আয়ুক্ত শ্ৰীঅশোক শইকীয়া, মুখ্যমন্ত্ৰীৰ মুখ্য ব্যক্তিগত সচিব শ্ৰীহৰিপ্ৰসাদ চলিহা প্ৰমুখ্যে ব্যক্তি আৰু বিষয়াসকলে তৎপৰতাৰে সৈতে বুজন পৰিমাণৰ আৰ্থিক সাহায্য আগ নবঢ়োৱা হ'লে, গ্ৰন্থখনি সময়মতে প্ৰকাশ হৈ নোলালহেঁতেন। তেখেতসকলৰ এই নিস্বাৰ্থ সহায় আৰু স্বদেশ প্ৰেমৰ শলাগ লৈছো।

গ্ৰন্থখনিৰ বেটুপাত অতি যত্ন সহকাৰে আঁকি দি বিশিষ্ট চিত্ৰ শিল্পী, বন্ধুবৰ ত্ৰৈলোক্য দত্ত আমাৰ ধন্যবাদৰ পাত্ৰ হৈছে।

হেমকোষ প্ৰিণ্টাৰ্ছৰ স্বত্বাধিকাৰ অপুত্ৰ প্ৰতীম শ্ৰীপবিত্ৰ জীৱন বৰুৱাই আৰু তেখেতৰ ছপাশালৰ কৰ্মীবৃন্দই দিনে নিশাই খাটি যত্ন সহকাৰে গ্ৰন্থখন অতি কম সময়ৰ ভিতৰত ছপাই নিদিয়া হ'লে নিৰ্দিষ্ট দিনত আমি উন্মোচন কৰাটো কঠিন হ'লহেঁতেন। তাৰবাবে শ্ৰীবৰুৱা আৰু কৰ্মীসকল আমাৰ ধন্যবাদৰ পাত্ৰ।

সদৌ শেষত গ্ৰন্থখনিৰ পাণ্ডুলিপি প্ৰস্তুত-সম্পাদনা আদি কৰোতে যথেষ্ট সাৱধান হোৱা সত্বেও বহতো অনিচ্ছাকৃত ত্ৰুটী-দোষ ৰৈ গৈছে। তাৰবাবে মুক্তিযুঁজাৰুসকল, তেখেতসকলৰ পৰিয়ালবৰ্গ আৰু ৰাইজৰ ওচৰত গলদবস্ত্ৰে ক্ষমা ভিক্ষা মাগিছো।

জয়তু মুক্তি-যুঁজাৰু
জয়তু চন্দ্ৰনাথ শৰ্মা

কনকচন্দ্ৰ ডেকা
সম্পাদক
অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ

গুৱাহাটী,
২০ এপ্ৰিল, ১৯৯০

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা জন্ম শত-বাৰ্ষিকী উদ্‌যাপন সমিতি ঃ গুৱাহাটী

পৃষ্ঠপোষক	ঃ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত, মুখ্যমন্ত্ৰী অসম।
সভাপতি	ঃ শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী
কাৰ্যকৰী সভাপতি	ঃ শ্ৰীৰবীন কাকতী
উপ-সভাপতি	ঃ শ্ৰীশৰৎ চন্দ্ৰ সিংহ
	ঃ শ্ৰীদুলাল চন্দ্ৰ বৰুৱা
	ঃ শ্ৰীলক্ষ্যধৰ চৌধুৰী
সাধাৰণ সম্পাদক	ঃ শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী
	শ্ৰীমানবেন্দ্ৰ শৰ্মা
যুটীয়া সম্পাদক	ঃ শ্ৰীদিলীপ কুমাৰ হাজৰিকা
	ঃ শ্ৰীপঙ্কজ বৰা
	ঃ শ্ৰীশৈলেন মেধি
	ঃ শ্ৰীঅজয় দত্ত
কাৰ্যালয় সচিব	ঃ শ্ৰীনৃপেন ডেকা
সম্পাদক অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ	ঃ শ্ৰীকনকচন্দ্ৰ ডেকা।

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা জন্ম শত-বাৰ্ষিকী উদ্‌যাপন সমিতিৰ সদস্যসকল ঃ

শ্ৰীমতী পুষ্পলতা দাস
শ্ৰীসতীশ চন্দ্ৰ কাকতী
শ্ৰীপৰীন্দ্ৰ নাথ শৰ্মা
শ্ৰীমান প্ৰফুল্ল গোস্বামী
শ্ৰীগজেন ফুকন
ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য
শ্ৰীঅজিত কুমাৰ শৰ্মা
শ্ৰীনৱদ্বীপ ৰঞ্জন পাটগিৰি
শ্ৰীমতী ইন্দিৰা দেৱী
শ্ৰীমতী গিৰিজা বৰুৱা
শ্ৰীসৰ্বেশ্বৰ বৰদলৈ
শ্ৰীজোৰনাদ ভৰালী
শ্ৰীবিশ্বেশ্বৰ শৰ্মা
শ্ৰীভাৰতচন্দ্ৰ গোস্বামী
শ্ৰীদেবেন দাস (সাংবাদিক)
শ্ৰীগৌৰী শঙ্কৰ ভট্টাচাৰ্য
শ্ৰীহিতেশ্বৰ বৰঠাকুৰ
শ্ৰীৰজনীকান্ত চক্ৰবৰ্তী
শ্ৰীৰবীন নবিশ
শ্ৰীকামাখ্যা দাস
শ্ৰীকনক চন্দ্ৰ শৰ্মা
শ্ৰীযোগেন গোস্বামী
শ্ৰীতিলেশ্বৰ বৰদলৈ
শ্ৰীবসন্তকান্ত বৰা
শ্ৰীলক্ষ্মীপ্ৰসাদ গোস্বামী
শ্ৰীকনকচন্দ্ৰ ডেকা
শ্ৰীনৃপেন শৰ্মা
শ্ৰীউত্তম বৰুৱা
শ্ৰীবংশীধৰ বৰুৱা
শ্ৰীভাৰত বৰুৱা
শ্ৰীদেবেশ্বৰ বৰা
শ্ৰীদীঘলা গোহাঁই
শ্ৰীপানীৰাম দাস
শ্ৰীজোনাৰাম বৰা
শ্ৰীগৌৰীকান্ত মিশ্ৰ
শ্ৰীটিকেন্দ্ৰ চৌধুৰী
শ্ৰীদীনেশ ৰঞ্জন সৰকাৰ
শ্ৰীগোলোক চন্দ্ৰ পাটগিৰি
শ্ৰীজিতেন্দ্ৰ কুমাৰ শৰ্মা
শ্ৰীমহানন্দ বৰা
শ্ৰীভদ্ৰকান্ত গগৈ
শ্ৰীটঙ্কেশ্বৰ চুতীয়া
শ্ৰীতাৰাপ্ৰসাদ বৰঠাকুৰ
শ্ৰীৰথীন্দ্ৰ নাথ সেন
শ্ৰীসত্যেন্দ্ৰ কুমাৰ সেন
শ্ৰীবেণুৰঞ্জন বৰুৱা
শ্ৰীজনাৰ্দন শৰ্মা
শ্ৰীমতী প্ৰফুল্লবালা দাস।

সূচীপত্ৰ

	বিষয়	পৃষ্ঠা
১।	সংক্ষিপ্ত ইতিবৃত্ত	১
২।	গুৱাহাটী	১১১
৩।	বৰপেটা	১৬৭
৪।	যোৰহাট	২১৭
৫।	নগাঁও	২৬৩
৬।	শোণিতপুৰ	৩২৩
৭।	শিৱসাগৰ	৪১৩
৮।	দৰং	৫০১
৯।	নলবাৰী	৫২৫
১০।	লক্ষীমপুৰ	৫৭১
১১।	ডিব্ৰুগড়	৬১৫
১২।	গোলাঘাট	৬৩৯
১৩।	গোৱালপাৰা-কোকৰাঝাৰ	৬৭১
১৪।	ধুবুৰী	৭১৩
১৫।	সুৰমা উপত্যকা আৰু কাৰ্বি আংলং	৭৬৩

আগকথা

কৰ্মবীৰ প্ৰয়াত চন্দ্ৰনাথ শৰ্মা জন্ম-শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ সভাপতি, শ্ৰদ্ধেয় শ্ৰীবিজয়চন্দ্ৰ ভাগৱতীয়ে পৰামৰ্শ আগবঢ়ায় যে, কৰ্মবীৰজনাৰ জীৱনী আৰু ৰচনাৱলীৰ প্ৰকাশৰ বাহিৰেও অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুসকলৰ এখনি 'জীৱনীকোষ' প্ৰকাশ কৰাৰ বিষয়ে চিন্তা কৰিব লাগে। শ্ৰীভাগৱতীদেৱৰ উক্ত পৰামৰ্শ কমিটিয়ে গ্ৰহণ কৰে।

প্ৰথমতে, গান্ধীজীৰ নেতৃত্বত কংগ্ৰেছ অনুষ্ঠানে ১৯২১/২২ চনৰ অসহযোগ আন্দোলন, ১৯৩০/৩২ চনৰ আইন অমান্য আন্দোলন, আৰু ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ফাঁচীত, পুলিচ-মিলিটাৰীৰ গুলীত প্ৰাণ আহুতি দিয়া, জেল-জৰিমনা ভোগা, নানাভাবে নিৰ্যাতিত হোৱা প্ৰয়াত মুক্তি-যুঁজাৰুসকলৰ সংক্ষিপ্ত জীৱনী সন্নিবিষ্ট কৰি এখনি 'জীৱনীকোষ' প্ৰকাশ কৰাৰ কাম হাতত লোৱা হয়। লগতে আৰু এটা পৰামৰ্শ আহে যে, ১৮২৬ চনত ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে চক্ৰান্ত কৰি অসমক বৃটিছ শাসনৰ অন্তৰ্ভুক্ত কৰাৰ পাছত ১৮২৮।৩০ আৰু ১৮৫৭ চনত পুনৰ অসমক মুক্ত কৰিবৰ কাৰণে কৰা সংগ্ৰামত আত্মবলিদান দিয়া সকলৰ, আৰু ঊনৈশ শতিকা জুৰি ইংৰাজ শাসকৰ সঘনে মাটিৰ খাজানা, বিভিন্ন কৰ-কাটল লগোৱাৰ প্ৰতিবাদত অসমৰ কৃষকসকলে প্ৰতিবাদ কৰি পুলিচৰ গুলীত, ফাঁচীত, নিহত হোৱা, দ্বীপান্তৰ আৰু জেল-জৰিমনা ভোগাসকলৰ নাম আৰু আন্দোলনৰ সংক্ষিপ্ত বিৱৰণী, লগতে জাতীয় কংগ্ৰেছৰ ইতিহাসো সংক্ষিপ্তভাৱে 'প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ'ত থাকিব লাগে। এনে বিভিন্ন ধৰণৰ পৰামৰ্শৰ পৰিপ্ৰেক্ষিতত প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ এখন দুটা খণ্ডত ভাগ কৰি লিখাৰ যত্ন কৰা হৈছে। প্ৰথম খণ্ডত ঊনৈশ

শতিকাৰ মুক্তি-সংগ্ৰাম, কৃষক আন্দোলন, আৰু ১৯২০ চনলৈকে কংগ্ৰেছ মহাসভাৰ সংক্ষিপ্ত ইতিহাস। দ্বিতীয় খণ্ডত ১৯২১।২২ চনৰ অসহযোগ আন্দোলন, ১৯৩০।৩২ চনৰ আইন অমান্য আন্দোলন, ১৯৪২ চনৰ ৮ আগষ্টত আৰম্ভ হোৱা গণ-বিপ্লৱ আৰু প্ৰয়াত মুক্তি-যুঁজাৰুসকলৰ সংক্ষিপ্ত জীৱনী।

প্ৰয়াত মুক্তি-যুঁজাৰুসকলৰ সংক্ষিপ্ত জীৱনী আৰু যিমানদূৰ সম্ভৱ হয় সিসকলৰ ছবি সংগ্ৰহ কৰি পঠাবৰ কাৰণে প্ৰত্যেক জিলা মুক্তি-যুঁজাৰু সন্মিলন, কংগ্ৰেছ (আই), কংগ্ৰেছ (এছ) আৰু অন্যান্য ৰাজনৈতিক অনুষ্ঠানলৈ আৰু বহুতো বিশিষ্ট ব্যক্তিলৈ নিবেদন জনোৱা হয়। বৰাক উপত্যকাৰ বাহিৰে ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰায়ভাগ জিলাই সক্ৰিয় সহায়-সহযোগ আগবঢ়ায়। অৱশ্যে এইবোৰতো বিশেষ দুখন জিলাই সক্ৰিয় সহযোগ নকৰাত সেই জিলা দুখনৰ হয়তো বহুতো প্ৰয়াত মুক্তি-যুঁজাৰুৰ নাম বাদ পৰিছে। পেনচনপ্ৰাপ্ত ভাবে আমাৰ ফালৰ পৰাও কিছু সংগ্ৰহ কৰা হয়। আমাৰ অনুমান হৈছে যে, প্ৰতি জিলাৰ কিছু সংখ্যক প্ৰয়াত মুক্তি যুঁজাৰুৰ নাম বাদ পৰি গৈছে। বহু ক্ষেত্ৰত এনেও হৈছে যে, পুত্ৰ পৰিয়ালৰ লোক-কো কেৰাবাৰো লগ ধৰিও বহুতো প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনী সংগ্ৰহ কৰাটো সম্ভৱপৰ নহ'ল। ইয়াৰ বাবে আমি দুঃখিত। পৰৱৰ্তী খণ্ডত বা সংস্কৰণত সিসকল মহান ব্যক্তিৰ চমু জীৱনবৃত্তান্ত সন্নিবিষ্ট কৰাৰ প্ৰতিশ্ৰুতি কৰি সিসকলৰ পৰিয়ালবৰ্গ তথা সহকৰ্মী, বন্ধু-বান্ধৱৰ পৰা প্ৰামাণিক তথ্যপাতি যোগান ধৰাৰ কাৰণে মিনতি জনোৱা হ'ল।

উদ্‌যাপন সমিতিৰ সিদ্ধান্তক্ৰমে তিনিখন গ্ৰন্থ প্ৰকাশ কৰাৰ প্ৰস্তুতি চলোৱা হয়। প্ৰথমখন 'কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা আৰু তেওঁৰ ৰচনাৱলী'; সম্পাদনাৰ দায়িত্ব দিয়া হয় ডঃ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যদেৱক। দ্বিতীয় গ্ৰন্থখন ইংৰাজীত লিখা চন্দ্ৰনাথ শৰ্মাৰ এখন জীৱনী; সম্পাদনাৰ দায়িত্ব দিয়া হয় অধ্যাপক শ্ৰীঅজিতকুমাৰ শৰ্মাদেৱক। তৃতীয় গ্ৰন্থখন হৈছে 'অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰু'ৰ জীৱনীকোষ' এইখনৰ সম্পাদনাৰ দায়িত্ব দিয়া হয় অধ্যাপক শ্ৰীকনক চন্দ্ৰ ডেকাদেৱক আৰু ইয়াৰ বাবে এখন সম্পাদনা সমিতি গঠন কৰি দিয়া হয়।

গ্ৰন্থখনিৰ তথ্যপাতি সংগ্ৰহ কৰোতে 'অসম ৰাজ্যিক মুক্তি-যুঁজাৰু সন্মিলন'ৰ প্ৰতিখন জিলা কমিটিৰ সভাপতি, সম্পাদক তথা কৰ্মকৰ্তা-সকলে সক্ৰিয় সহযোগ আগবঢ়াইছে। শ্ৰীডেকাই এই গ্ৰন্থখনিৰ পাণ্ডুলিপি প্ৰস্তুত কৰি সম্পাদনা সমিতিৰ হাতত অৰ্পণ কৰাৰ পিছত ২৫।৯।৮৯ তাৰিখে কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত অসমৰ প্ৰতিখন জিলাৰ মুক্তি-যুঁজাৰু সমিতিৰ সভাপতি, সম্পাদক আৰু প্ৰতিনিধিসকলক নিমন্ত্ৰণ কৰি আনি তেখেতসকলৰ দ্বাৰা পাণ্ডুলিপিটো পৰীক্ষা কৰোৱাই অনুমোদনৰ পিছত প্ৰকাশৰ বাবে ছপা-শাললৈ পঠোৱা হয়। গতিকে তথ্যপাতি যোগান ধৰি লগতে পাণ্ডু-লিপি পৰীক্ষা কৰি শুদ্ধ-অশুদ্ধ চাই অনুমোদন কৰি দিয়া বাবে আমি বিশেষভাবে সেইসকল ব্যক্তিৰ ওচৰত ঋণী থাকিলো। কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাদেৱৰ বিষয়ে ওপৰত উল্লেখ কৰা তেখেতৰ জীৱনী আৰু প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ প্ৰকাশ কৰা বিষয়ত আমি তলত উল্লেখ কৰা ব্যক্তি আৰু অনুষ্ঠানৰ প্ৰতি ঋণ আৰু কৃতজ্ঞতা স্বীকাৰ কৰিছো ঃ

শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, সভাপতি, চন্দ্ৰনাথ শৰ্মা শতবাৰ্ষিকী উদ্‌-যাপন সমিতি। তেখেতে সকলো সময়তে আৱশ্যকীয় সহায় আৰু পৰামৰ্শ আগবঢ়াই আহিছে।

জননায়ক বিষ্ণুৰাম মেধী শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ ফালৰ পৰা আৰ্থিক সাহায্য দিয়াতহে 'প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ' সংগ্ৰহ আৰু প্ৰকাশ কৰাটো সম্ভৱ হৈ উঠিছে। আমি জননায়ক বিষ্ণুৰাম মেধী জন্ম শতবাৰ্ষিকী উদ্‌যাপন সমিতিৰ ওচৰত কৃতজ্ঞতা স্বীকাৰ কৰিছো।

ডক্টৰ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য আৰু অধ্যাপক শ্ৰীঅজিতকুমাৰ শৰ্মাদেৱে ওপৰত উল্লিখিত কিতাপ দুখন অকল ৰচনা কৰাই নহয়; ছপা কৰাৰো দায়িত্ব লোৱা বাবে আমি তেখেত দুজনৰ ওচৰত আমি কৃতজ্ঞ।

ডক্টৰ হেৰম্ব কুমাৰ বৰপুজাৰীদেৱে তেখেতৰ কামৰ ব্যস্ততাৰ মাজতো 'অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ'ৰ সংক্ষিপ্ত ইতিবৃত্তটো চকু ফুৰাই আৱশ্যকীয় পৰামৰ্শ দি সহায় কৰাত আমি তেখেতৰ ওচৰত ঋণী থাকিলো।

অধ্যাপক শ্ৰীকনকচন্দ্ৰ ডেকাই তেখেতৰ ব্যস্ততাপূৰ্ণ কৰ্মজীৱনৰ মাজতো বৃহৎ কলেৱৰৰ 'অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ' খনি প্ৰস্তুত আৰু সম্পাদনা কৰাৰ দায়িত্ব লোৱাৰ উপৰিও কিতাপখনি প্ৰকাশ কৰিবলৈ সন্তুৰপৰ কৰি দিয়া বাবে আমি তেখেতলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অসমৰ মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তদেৱে 'অসমৰ প্ৰয়াত মুক্তি-যুঁজাৰুৰ জীৱনীকোষ' প্ৰকাশৰ কাৰণে যি আৰ্থিক সাহায্য আগবঢ়াইছে তাৰ বাবে তেখেতৰ শলাগ লৈছো।

হেমকোষ ছপাশালৰ স্বত্বাধিকাৰ শ্ৰীপবিত্ৰ জীৱন বৰুৱাই গ্ৰন্থখন ছপা কৰিবলৈ আগবাঢ়ি অহি দায়িত্ব লোৱা বাবে তেখেতক ধন্যবাদ জনাইছো।

ইয়াৰ উপৰিও অসম ৰাজ্যিক মুক্তি-যুঁজাৰু 'সন্মিলন' আৰু জিলা মুক্তি-যুঁজাৰু সন্মিলনসমূহে তথ্যপাতি দি আৰু ভালেমান সদাশয় ব্যক্তিয়ে ব্যক্তিগতভাৱেও আমাৰ এই কাৰ্য সম্পাদনত নানাপ্ৰকাৰে সহায় কৰিছে। তেখেতসকলৰ প্ৰতিও আমি কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শ্ৰীৰবীন কাকতী
কাৰ্য্যকৰী সভাপতি,
কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা জন্ম-শতবাৰ্ষিকী
উদ্‌যাপন সমিতি, গুৱাহাটী

১ মাৰ্চ, ১৯৯০ চন

সংক্ষিপ্ত ইতিবৃত্ত

কোনো এটা জাতি, কোনো এখন দেশৰ বা কোনো এজন ব্যক্তিৰ উত্থান-পতন ইতিহাসৰ চিৰন্তন ৰীতি। জন্মৰ পাছতেই জীৱনৰ বিভিন্ন স্তৰ অতিক্ৰম কৰি বৃদ্ধত্ব, আৰু জড়তাপ্ৰাপ্ত হৈ মৃত্যুবৰণ কৰাৰ দৰে, এটা জাতিয়েও বিভিন্ন স্তৰ অতিক্ৰম কৰি গৌৰৱৰ স্বৰ্ণযুগ পায়। আলস্যপ্ৰিয়, কৰ্মবিমুখ, নৈতিক চৰিত্ৰহীন জাতি অন্ধকাৰময় যুগত আক্ৰান্ত হৈ ক্ৰমে ধ্বংসমুখী হৈ দাসত্বৰ শিকলিৰে নিজকে বান্ধি পেলায়। পুনৰ আকৌ নৱ-পুৰুষৰ আবিৰ্ভাৱত এখন দেশ বা এটা জাতি নতুন ৰূপত জয়যাত্ৰাৰ পথত আগবাঢ়ে।

অসমৰ ইতিহাসো উত্থান-পতনৰ ইতিহাস। বিভিন্ন জাতি, উপজাতি, গোষ্ঠীৰে পৰিপূৰ্ণ এইখন অসমত প্ৰাকৃতিক ধ্বংসাৱলী যেনেদৰে চলি আছে, তেনেদৰে ইয়াৰ বিভিন্ন গোষ্ঠীৰ দ্বন্দ্ব আৰু গোষ্ঠীগত সংঘৰ্ষও চলি আছে বা চলি থাকিব। অসমৰ ভৌগোলিক অৱস্থিতিৰ বাবে ইয়াৰ উত্তৰপূবত তিব্বতী জনগোষ্ঠী, মঙ্গোলীয় আদি বিভিন্ন গোষ্ঠীয়ে বসবাস কৰাৰ বহুশ বছৰ পিছত ভাৰতলৈ আৰ্যসকল আহিল। এটি নতুন শক্তিৰ জন্ম হ'ল।

অসম . উত্তৰ-পূবৰ পাটকাই পৰ্বতমালাৰ গিৰিপথেদি ১২২৮ চনত স্বৰ্গদেউ চুকাফা সদলবলে অসমত সোমাল। ব্ৰহ্মপুত্ৰৰ দুয়ো-পাৰে থকা বিভিন্ন গোষ্ঠীয় আদিবাসী ৰজাসকলৰ কিছুমানৰ লগত মিত্ৰতা কৰি আৰু কিছুমানৰ লগত সংঘৰ্ষত জয়লাভ কৰি প্ৰথমে চৰাইদেউত, পাছত ৰংপুৰত ৰাজধানী পাতিলে। কছাৰী সকলকে ধৰি অসমৰ চৌপাশে আৱৰি থকা বিভিন্ন ভৈয়াম আৰু পাহাৰী ৰাজ্যৰ ৰজাক যুদ্ধ নাইবা মিত্ৰতাৰে বশ কৰিলে। পশ্চিমে মানাহলৈকে সীমা বান্ধি ব্ৰহ্মপুত্ৰৰ দুই পাৰৰ বৃহৎ ভূমিখণ্ডৰ নাম হ'ল অসম। ছশ বছৰ আহোমসকলে ৰাজত্ব কৰা অসমখনক গোটেই ভাৰতৰ শাসনৰ বাগৰুৰী ধৰা মোগলসকলে পৰাভূত কৰিবলৈ বাৰে বাৰে চেষ্টা কৰিলে। বাৰে বাৰে পৰাজিত হৈ মোগল সৈন্যই অসম জয় কৰাৰ স্বপ্ন পৰিত্যাগ কৰিলে। জয় আৰু গৌৰৱৰ মালা পিন্ধিলে

লাচিত বৰফুকনে, অসমী আইৰ বীৰ-বীৰাঙ্গনাসকলে। "দেশতকৈ মোমাই ডাঙৰ নহয়" বুলি নিজৰ মোমায়েকৰ শিৰচ্ছেদ কৰা লাচতৰ দৰে বীৰৰ অসমৰ পশ্চিম অঞ্চলতো জন্ম হ'ল, মহাৰাজ ৰজা নৰনাৰায়ণ আৰু বিশ্ববীৰ চিলাৰায়। কোচবিহাৰত ৰাজধানী পাতি মহাৰাজ নৰনাৰায়ণ আৰু দেৱান চিলাৰায়ে স্থাপন কৰিলে শক্তিশালী কমতাপুৰ ৰাজ্য। সেই একে সময়তে ১৪৪৯ খ্ৰীঃত, অসমভূমিত বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক আৰু অসমীয়া জাতি আৰু সমাজ গঠনৰ অৱতাৰী মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱে জন্মগ্ৰহণ কৰিলে। অসমৰ সমাজ জীৱনত সোণালী যুগৰ সৃষ্টি কৰিলে সেইজনা মহাপুৰুষে। ইতিহাসৰ চিৰন্তন নীতি মানি কোচ আৰু আহোমৰ মাজত ক্ষমতাৰ যুঁজ আৰম্ভ হ'ল, দাসত্বৰ যুগ, অন্ধকাৰৰ যুগ, ধৰ্ম-বিপ্লৱৰ যুগ। ১৭১৪ চনত স্বৰ্গদেউ ৰুদ্ৰসিংহৰ পুত্ৰ শিৱসিংহ অসমৰ ৰাজপাটত বহে।

ৰাজজ্যোতিষীসকলে গণনা কৰি কলে, মহাৰাজৰ 'ছত্ৰভঙ্গ যোগ'। বিপদৰ পৰা ৰক্ষাৰ্থে তৰুণী ভাৰ্যা, পঞ্চমপত্নী, ঘোৰ শাক্তপন্থী ফুলেশ্বৰীকে ১৭২২ চনত বৰৰজা পাতিলে। দুৰ্গাপূজাৰ বিৰাট পয়োভৰ পাতি 'ৰজাৰ ধৰ্মই প্ৰজাৰ ধৰ্ম' হ'ব লাগে বুলি পূজাৰীসকলে দিয়া পৰামৰ্শমতে মহাপুৰুষীয়া আৰু ঠাকুৰীয়া মহন্তসকলক দুৰ্গাপূজালৈ নিমন্ত্ৰণ কৰি আনি বলেৰে বলিকটা ছাগলীৰ তেজৰ ফোঁট দিয়ালে, গোসাঁনীৰ প্ৰসাদ কটুৱাই, চুলি খুৰুাই বিভিন্ন ধৰণে তেওঁলোকক শাস্তি দিলে, অপমান কৰিলে।

মোৱামৰীয়া মহন্তসকলো অতি গোড়া আৰু প্ৰভাৱশালী আছিল। শিষ্যসকল আছিল ঘাইকৈ মটক, মৰাণ, কছাৰী, বৰাহী, কিছু সংখ্যক আহোম, কোচ, কলিতা আৰু অনুসূচীত জাতিৰ। তলে তলে এই অপমানৰ প্ৰতিশোধ লোৱাৰ ষড়যন্ত্ৰ আৰম্ভ হ'ল।

ৰাজেশ্বৰ সিংহৰ ৰাজত্বকালত (১৭৫১-৬৯) মোৱামৰীয়াসকলে ৰাজদ্ৰোহ কৰা দোষত অভিযুক্ত কৰি কিছুমান ৰৰমুৰীয়া মহন্ত আৰু শিষ্যক বধ কৰে। ফুলেশ্বৰী কুঁৱৰীয়ে কই-যোৱা বিহুতলিৰ ফল হিচাপে পঞ্চাশ বছৰীয়া গৃহযুদ্ধ আৰম্ভ হ'ল।

স্বৰ্গদেউ গৌৰীনাথ সিংহৰ (১৭৮০—১৭৯৫) ৰাজত্বৰ কালত মোৱামৰীয়াসকল অত্যাচাৰত জৰ্জৰিত হৈ পুনৰ বিদ্ৰোহী হৈ উঠে।

তেওঁলোকে ৰাজসৈন্যক পৰাজয় কৰি ৰংপুৰ দখল কৰি সিংহাসন অধিকাৰ কৰিলে।

স্বৰ্গদেউ গৌৰীনাথ সিংহ পলাই গৈ কলিকতাত থকা ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসকলৈ সাহায্যৰ আবেদন কৰাত ১৭৯২ চনত কোম্পানীয়ে কাপ্তান ওৱেলছৰ নেতৃত্বত এটা ফৌজ পঠায়। ১৭৯৪ চনত বিদ্ৰোহীৰ হাতৰ পৰা কোম্পানীৰ সৈন্যই ৰংপুৰ অধিকাৰ কৰে। ১৭৯৫ চনত কাপ্তান ওৱেলছে ধন-সোণ, বয়-বস্তু ভৰাই লৈ উভতি যায়। এই গৃহযুদ্ধত বিশেষকৈ গৌৰীনাথ সিংহৰ ৰাজত্বৰ সময়-ছোৱাত মণিৰাম দেৱানৰ লেখাৰ পৰা জনা যায় যে, মানুহৰ মৰাশ কাউৰী-শগুনেও নোখোৱা হৈছিল। নৈৰ পানী মৰা শ'বে ভৰি পৰিছিল। মানুহে ব্ৰহ্মপুত্ৰৰো পানী, মাছ আদি নোখোৱা হৈছিল। বহুতো পথাৰ বছৰৰ পিছত বছৰ ধৰি উছন্ন হৈ পৰি আছিল। আকাল আৰু মহামাৰীতো হেজাৰ হেজাৰ ল'ৰা-ছোৱালী আৰু মানুহৰ মৃত্যু হৈছিল। খাদ্যৰ অভাৱত মানুহে কলগছ, তুঁহ, বনৰীয়া আলু, কচু খাইছিল। আনকি জীৱন ৰক্ষাৰ হেতু কিছু ব্ৰাহ্মণেও গো-মাংস ভক্ষণ কৰিবলৈ বাধ্য হৈ পৰিছিল। একঠা চাউলৰ দাম এটা সোণৰ মোহৰ হৈছিল। ডাঃ সূৰ্যকুমাৰ ভূঞাই তেখেতৰ 'Anglo-Assamese Relation' কিতাপত লিখিছে যে, "স্বৰ্গদেউ গৌৰীনাথ সিংহৰ ৰাজত্বকালত এই বিদ্ৰোহত সাত লাখৰো অধিক লোকৰ এনে সংঘৰ্ষ, আকাল-মহামাৰীত মৃত্যু হয়।" অসমৰ সামৰিক শক্তি আৰু অৰ্থনৈতিক ক্ষেত্ৰত ডাঙৰ বিপৰ্যয় ঘটে—এই গৃহ-যুদ্ধত। কোম্পানীৰ সৈন্যই লগত লৈ আহিছিল কানি আৰু আফুগুটি। সেই সময়ত ইষ্ট ইণ্ডিয়া কোম্পানীৰ চীনত অতি লাভজনক কানিৰ বেপাৰ আছিল। বেঙ্গলৰ পৰা ক্ৰমে আফুখেতি অসম ব্যাপি পৰে। কানি ৰবিহে অৰ্থনৈতিক শোষণৰ উপৰি মানুহক পুৰুষত্বহীন, দুৰ্বল, কৰ্মবিমুখ, আৰু আলস্যপ্ৰিয়ক কৰিলে, অসমৰ মানুহক পূৰ্ণানন্দ বুঢ়াগোঁহাঞিৰ পৰা আৰম্ভ কৰি ১৮৫৭ চনলৈকে অসমৰ নেতৃস্থানীয় লোকসকলৰ আৰু ১৯২০/২১ চনৰ পৰা ১৯৪৭ চনলৈকে অসম কংগ্ৰেছে আছিল কানি বৰ্জন আন্দোলনত জোৰলৈ যোৱাটো এক প্ৰধান কাৰ্য্যসূচী।

মানৰ আক্ৰমণ

গৃহযুদ্ধৰ পাছত দেশত গঢ়ি উঠা অৰাজকতা দমন কৰি শান্তি আৰু শৃংখলা প্ৰতিষ্ঠা কৰিবলৈ নৌপাওঁতেই পূৰ্ণানন্দ বুঢ়াগোঁহাঞি আৰু গুৱাহাটীত থকা বদন বৰফুকনৰ মাজত গৃহ কন্দল আৰম্ভ হয়। বৰফুকনে ১৮১৫ চনৰ ২৬ চেপ্তেম্বৰত গুৱাহাটী এৰি কলিকতা হৈ ব্ৰহ্মদেশলৈ গৈ মান ৰজাৰ লগত চুক্তি কৰি প্ৰায় আঠ হাজাৰ মান সেনা লৈ ১৮১৭ চনৰ মাৰ্চ মাহত অসম সোমায়হি। যুদ্ধত বুঢ়াগোঁহাঞিৰ সৈন্য পৰাজয় হয়। পূৰ্ণানন্দ বুঢ়াগোঁহাঞিয়ে অন্তত হেনো আত্মহত্যা কৰিলে। মানসেনা বিনা প্ৰতিৰোধে ৰাজধানী যোৰহাট অধিকাৰ কৰিলে। চন্দ্ৰকান্ত সিংহকেই ৰজা ৰাখি, বদন বৰফুকনক প্ৰধানমন্ত্ৰী পাতি মান সেনাপতি গুচি যায়। বদন বৰফুকনে মনৰজালৈ 'হেমো' আইদেউ নামৰ এগৰাকী কুঁৱৰী, আৰু বহুতো ধন-সোণ, হাতী আৰু বিবিধ উপহাৰ দি পঠালে।

মানসৈন্য উভতি যোৱাৰ পিছত বদনচন্দ্ৰ উঠৰজা, মহিৰজা হ'ল। তেওঁ প্ৰথমে পূৰ্ণানন্দ বুঢ়াগোঁহাঞিৰ বতি-বংশ সকলো নাশ কৰাত লাগিল, লগে লগে প্ৰজাসাধাৰণৰ ওপৰত তেওঁৰ অত্যাচাৰ বঢ়িবলৈ ধৰিলে। এনেতে ৰাজমাৱে নিৰ্ভয় নাৰায়ণ বৰগোঁহাঞি আৰু ধনী বৰুৱাৰ লগত ষড়যন্ত্ৰ কৰি ৰূপচিং চুবেদাৰৰ হতুৱাই ১৮১৮ চনত বদনক হত্যা কৰিলে।

সেই সময়ত চন্দ্ৰকান্ত সিংহ ৰংপুৰত গৈ পলাই থকাত ব্ৰজনাথ সিংহৰ পুত্ৰ পুৰন্দৰ সিংহ (১৮১৮-১৯) প্ৰথমবাৰ ৰজা হয়। যাতে চন্দ্ৰকান্ত সিংহ পুনৰ ৰজা হ'ব নোৱাৰে তাৰ উপায় চিন্তা কৰি তেওঁৰ কাণ বিন্ধাই অঙ্গক্ষত কৰা হ'ল। চন্দ্ৰকান্ত সিংহই এই অপমানৰ পোতক তোলাৰ কাৰণে বদনৰ সতীৰ্থ কেইজনমানক ব্ৰহ্মদেশলৈ (মান দেশলৈ) পঠাই দি ঘটনাৰ সবিশেষ জনোৱাত মান-ৰজাই এইবাৰ আলুমিঙিৰ নেতৃত্বত এদল মানসেনা পুনৰ অসম আক্ৰমণ কৰিবলৈ পঠালে। দ্বিতীয়বাৰৰ মানৰ আক্ৰমণতো (১৮১৯ চনৰ ১৭ ফেব্ৰুৱাৰী) ফুলপানীছিগাৰ ৰণত আহোম সেনাৰ পৰাজয় ঘটিল। মানসেনাই চন্দ্ৰকান্তৰ শত্ৰুবোৰ বিচাৰি উলিয়াই যাকে পাতে পালে বধ কৰি চন্দ্ৰকান্ত সিংহক পুনৰ ৰজা পাতিলে। পুৰন্দৰ সিংহ আৰু ৰুচিনাথ বুঢ়াগোহাঞি পলাই গৈ বৃটিছৰ সহায় ভিক্ষা খুজি বিফল

মনোৰথ হ'ল। চন্দ্ৰকান্ত সিংহই ১৮১৯ খ্ৰীঃৰ পৰা ১৮২৪ খ্ৰীঃলৈ নামত ৰজা হৈ থাকিল। প্ৰকৃততে মানে অসম ৰাজ্য শাসন কৰিবলৈ ললে। মানৰ অত্যাচাৰ সহিব নোৱাৰি, মানসেনাপতি আলুমিঙ্গি ব্ৰহ্মদেশলৈ উভতি যোৱাত পতাল বৰবৰুৱাৰ দ্বাৰা অসমলৈ মান অহা পথ গড় মাৰি বন্ধ কৰি দিলে। এই উদ্দেশ্য পূৰণৰ কাৰণে চন্দ্ৰকান্ত সিংহই জয়পুৰত এটা দুৰ্গ আৰু পাটকাইৰ তৈৰবাটিতে গড় বন্ধাৰ আয়োজন কৰাৰ বাতৰি মানৰজাই পাবলৈ দেৰি নালাগিল। চন্দ্ৰকান্ত সিংহৰ এনে মানবিৰোধী কাৰ্যত খং উঠি মিঙ্গিমাহা তিলোৱাৰ নেতৃত্বত এটা বিৰাট ফৌজ আহি তৃতীয়বাৰ অসম আক্ৰমণ কৰিলে। চন্দ্ৰকান্ত সিংহই পলাই গৈ বৃটিছ ৰাজ্যৰ ৰংপুৰত আশ্ৰয় ললেগৈ। তেতিয়া মানে যোগেশ্বৰৰ পুতেক, হেমো আইদেউৰ ভায়েক কন্দৰ্পেশ্বৰ সিংহক ৰজা পাতিলে। চন্দ্ৰকান্ত সিংহই এটা ফৌজ গঠন কৰি ১৯২২ চনত পুনৰ গুৱাহাটী দখল কৰি যোৰহাটৰ ফালে আগবাঢ়ে। অসমত থকা মানসেনাক সহায়ৰ কাৰণে বিখ্যাত সেনাপতি মিঙ্গিমাহা বান্দুলাই কেবাহাজাৰো সৈন্য লৈ অসম সোমাইছি। ১৮২২ চনৰ ১৯ এপ্ৰিলত ম'হগড়ত চন্দ্ৰকান্ত সিংহ আৰু মানসেনাৰ মাজত যুদ্ধ হয়। মান ফৌজৰ হাতত চন্দ্ৰকান্ত সিংহ পৰাস্ত হৈ গোৱালপাৰালৈ পলাই যায়।

মানৰ পুনৰ অত্যাচাৰ, উৎপীড়ন, হত্যা, লুণ্ঠন কাৰ্য আদি আৰম্ভ হয়। এই অবৰ্ণনীয় অত্যাচাৰৰ পৰা কণ কণ ল'ৰা-ছোৱালীও ৰক্ষা পোৱা নাছিল। জুইত পুৰি মৰা, গৰ্ভৱতী নাৰীৰ পেট-ফালি সন্তানক হত্যা কৰা আদি অত্যাচাৰ চলিল। মানুহে জংঘলত আদিত লুকাইও ৰক্ষা পোৱা নাছিল। হেজাৰ বিজাৰ লোক মানগুগনিত দেশ এৰি গৈছিল।

ইষ্টইণ্ডিয়া কোম্পানী অধিকৃত আৰু কৰতলীয়া কাছাৰ, জয়ন্তীয়া, শ্ৰীহট্ট, চট্টগ্ৰামৰ ফালেও মানৰ দৃষ্টি পৰিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসকসকলে বিপদ গণিলে।

১৮২৪ চনত ইংৰাজে মানৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। এটা ফৌজ জাহাজেৰে ৰেঙ্গুণৰ ফালে যাত্ৰা কৰিলে। আন এটা ফৌজে জয়ন্তীয়াৰ ফালৰ পৰা কাপ্তান ডেভিডছন কটে গোৱালপাৰা ফালৰ পৰা কাপ্তান মেকমৰিনৰ ফৌজে মানক আক্ৰমণ কৰে। সুয়ো-

স্থানে প্ৰতিযুদ্ধত মান সেনা হাৰি পিছু হুহকি যাবলৈ ধৰে। ডেভিদ স্কটে জয়ন্তীয়া ইংদি কৰ্ণেল মেকমেৰিন সাহায্যৰ কাৰণে নগাঁও পায়হি। বাৰিষা অহাত ইংৰাজ সৈন্যই গুৱাহাটীতে কেঠ মাৰি ৰ'ল।

ইংৰাজৰ লগত যুদ্ধত হাৰি মানসৈন্য পলাই যাবলৈ ধৰে। উলটি যাওঁতে ঠায়ে ঠায়ে য'তে মানুহ থকা গম পাইছিল, ঘৰ সোমাই পুৰুষবিলাকক টুকুৰা-টুকুৰকৈ কাটি তিৰোতাবিলাকক অমানুষিক অত্যাচাৰ কৰিছিল।

১৮২৫ চনৰ ২৯ জানুৱাৰীত গৌৰীসাগৰৰ ওচৰত কোম্পানী ফৌজৰ লগত হোৱা যুদ্ধত মান সৈন্য সম্পূৰ্ণ পৰাস্ত হয়। ইংৰাজৰ লগত চুক্তি কৰি মান সৈন্যই অসম এৰে।

গৃহযুদ্ধ আৰু মানৰ আক্ৰমণৰ কথা চমুকৈ এই কাৰণে উল্লেখ কৰিবলগীয়া হ'ল যে, এখন শক্তিশালী, সম্পদশালী অসম কি কাৰণত ৰাজনৈতিক আৰু অৰ্থনৈতিক দাসত্বৰ নাগপাশত আবদ্ধ হ'ব লগা হ'ল। উজনি অসম আছিল এটা ঘন বসতিপূৰ্ণ অঞ্চল। গৃহযুদ্ধ আৰু মানৰ আক্ৰমণৰ ফলত লগতে আকালত কেবা লক্ষ লোকৰ মৃত্যু হয়। হেজাৰ হেজাৰ লোক নামনি অসমৰ গোৱালপাৰা আদিলৈ পলাই যায়। তদুপৰি বহু হেজাৰ লোকক মানে বন্দী কৰি নিয়ে। উজনি অসম শ্মশানত পৰিণত হ'ল। কোম্পানীৰ প্ৰথম পিয়লত অসম উপত্যকাৰ ৮ লাখ লোক পায়। গোটেই উজনি অসমত ২ লাখৰ অধিক লোক নাছিল। নগাঁও জিলাৰ পশ্চিম অংশ, দৰং, কামৰূপৰ গোৱালপাৰাত যি জনসংখ্যা অলপ বেছি আছিল ১৮৮৩ চনত গোৱালপাৰাত কলাজ্বৰ আৰম্ভ হৈ বৰপেটা, দৰং, উত্তৰ পশ্চিম নগাঁও, গোলাঘাটৰ হেজাৰ হেজাৰ লোকৰ মৃত্যু হয়। গোটেই উনৈশ শতিকাত অসমৰ জনসংখ্যা বঢ়া নাছিল

১৮৮১-৯১ চনৰ পিয়লত থলুৱা লোকৰ জনসংখ্যা ৫'৪ পড়ে শতকৰা কমে আৰু ১৮৯১-১৯০০ চনৰ পিয়লমতে থলুৱা লোকৰ সংখ্যা ৬৪ শতাংশ কমি যায় বুলি উল্লেখ কৰিছে। গোটেই উনৈশ শতিকাত অসম উপত্যকাৰ যি জনসংখ্যা বাঢ়িছিল, সি আছিল অন্য প্ৰদেশৰ পৰা অনা চুক্তিবদ্ধ চাহ শ্ৰমিক, আৰু অন্য প্ৰদেশৰ পৰা অহা বেপাৰী, সোকানী, ঠিকাদাৰ-মহলদাৰে অনা শ্ৰমিক, গোৰ্খা সৈন্যৰ

লগত অহা অওহী বওহী; যিসকল ম'হ, গৰু-পাজন আৰু খেতি আদি কৰি অসমত ৰৈ যায়।

ইয়াণ্ডাবু সন্ধি

ইংৰাজৰ সৈতে যুঁজি মান সৈন্য অসম, কাছাৰ, শ্ৰীহট্ট, আৰকানা, ৰেঙ্গুন সকলো যুদ্ধ ক্ষেত্ৰত হাৰি হুহকি যায়। ১৮২৬ চনৰ ২৬ ফেব্ৰুৱাৰীত ইয়াণ্ডাবু নামে ঠাইত ইংৰাজৰ লগত মানৰ এক চুক্তি হয়। এই সন্ধিমতে অসম, কাছাৰ, জয়ন্তীয়া, মণিপুৰ আদি ৰাজ্যৰ ওপৰত মানৰজাৰ দাবী প্ৰত্যাহাৰ কৰে, আৰু বৃটিছ অধিকৃত ৰাজ্য হিচাপে মানি লয়।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিশ্বাসঘাতকতা

কেপ্টেইন ডেভিদ স্কটে অসমৰ পৰা মান খেদিবলৈ ১৮২৪ চনৰ ৩০ মাৰ্চত কোম্পানীৰ সৈন্য লৈ অসম সোমায়ে ঘোষণা কৰি কৈছিল যে, কোম্পানীয়ে তেওঁলোকৰ ৰাজ্য বিস্তাৰৰ হাবিলাসত অসমলৈ অহা নাই; আহিছে তেওঁলোকৰ নিজৰ অধিকৃত অঞ্চল সুৰক্ষিত কৰিবৰ কাৰণে আৰু উভয়ৰে শত্ৰু মানক খেদিবৰ কাৰণে। জৰ্জ ছেৰিটনে, (ছেক্ৰেটাৰী স্কৰ গৱৰ্ণমেণ্ট অৱ ইণ্ডিয়া) ১৮২৪ চনৰ ২০ ফেব্ৰুৱাৰীত যি বাতৰি পঠাইছিল, তাত স্পষ্টভাৱে জনাইছিল যে, বৃটিছ গৱৰ্ণমেণ্টে অসমৰ কোনো অংশ বৃটিছৰ শাসনৰ অন্তৰ্ভুক্ত কৰাৰ কথা ভবা নাই। কিন্তু এই প্ৰতিশ্ৰুতি ভঙ্গ কৰি মিঃ ডেভিদ স্কটে ১৮২৬ চনৰ ১৫ এপ্ৰিলৰ গভৰ্ণৰ জেনেৰললৈ পঠোৱা এখন চিঠিত জনাইছিল যে বিশ্বনাথৰ পৰা নামনি অসমখণ্ড বৃটিছৰ হাতত ৰাখি আৰু উজনি খণ্ডৰ মটক ৰাজ্য, খামটি, চিংফৌ অঞ্চল স্বতন্ত্ৰ হিচাপে ৰাখি বাকী অঞ্চলসমূহ কৰতলীয়া ৰাজ্য হিচাপে ৰখাৰ ব্যৱস্থা কৰিব লাগে।

কলিকতাৰ উৰ্দ্ধতম কৰ্মকৰ্তাসকলে মটক অঞ্চলৰ বৰ সেনাপতিক কৰতলীয়া ৰাজ্য হিচাপে সাব্যস্ত দি খামটি, চিংফৌ অঞ্চল বাদ দি, উজনি অসমো বৃটিছৰ শাসনৰ তলালৈ অনাৰ সিদ্ধান্ত লয়।

প্ৰথম ৰাজ্য উদ্ধাৰৰ প্ৰচেষ্টা

কোম্পানীৰ শাসকসকলে প্ৰথমতে আগৰ ডা-ডাঙৰীয়া, বিষয়াসকলক ৰাজহ সংগ্ৰহ আৰু আন আন ঘি দায়িত্ব দিছিল, তাত ইংৰাজ বিষয়াসকল সন্তুষ্ট হ'ব নোৱাৰিলে। কাৰণ এইসকল লোকে বৃটিছে প্ৰবৰ্তন কৰা শাসন প্ৰণালীৰ লগত অভ্যস্ত নাছিল। বিশেষকৈ আগতে অসমত চলিছিল বস্তুৰ বিনিময়, কিন্তু কোম্পানীয়ে মুদ্ৰা প্ৰচলন নীতি প্ৰৱৰ্তন কৰাত জনসাধাৰণে কৰ-কাটল দিয়াত অসুবিধাত পৰে। অসমৰ বিষয়াসকলে ৰাজহ আদি সময় মতে দিয়া আৰু হিচাপ আদি ৰখা বা দিয়াত অসুবিধা হৈছিল। গতিকে বঙ্গদেশৰ পৰা জনা মানুহ আনি বিভিন্ন শাসনকাৰ্য্য, নিয়োগ নীতি আদি গ্ৰহণ কৰাত ডা-ডাঙৰীয়া-বিষয়া আদিৰ মাজত ভয়ানক অসন্তোষৰ ভাব জ্বলি উঠিব ধৰে। সাধাৰণ প্ৰজা ৰাজহ নিৰ্দ্ধাৰণ আৰু ৰাজহ সংগ্ৰহ কৰোতে বিভিন্ন ধৰণৰ অত্যাচাৰত জৰ্জৰিত হৈ পৰিল। ফলত পৰিস্থিতি ক্ৰমে উত্তপ্ত হৈ উঠে।

১৯২৮ চনত ধনঞ্জয় বৰগোহাঞিৰ নেতৃত্বত কিছু ডা-ডাঙৰীয়াৰ মাজত বৃটিছক খেদি আহোম ৰাজত্ব পুনৰ উদ্ধাৰৰ কথা আলোচনা হ'ব ধৰে। সেই সময়তে খাচিয়া পাহাৰত বিভিন্ন ফৈদৰ চীফ বা ৰজাসকলেও নংখলাৰ ৰাজ্যৰ চিয়েম বা ৰজা তীৰৎ সিংৰ নেতৃত্বত ইংৰাজক খেদাৰ কাৰণে যা-যোগাৰ আৰম্ভ কৰিছিল। খামটি, চিংফৌ সকলৰ ইংৰাজ বিদ্বেষী মনোভাববোৰ প্ৰবল হৈ উঠিছিল। গতিকে ধনঞ্জয় বৰগোঁহাঞিয়ে এনে পৰিস্থিতিত ইংৰাজক খেদাব পৰা হ'ব বুলি ভাবি যোৰহাটৰ 'বচন'ত আগৰ ৰাজবংশৰ গোমধৰ কোঁৱৰক আহোম স্বৰ্গদেউসকলৰ অভিষেক কৰা নিয়ম পদ্ধতি মতে ৰাজপাটত বহুৱায় ১৮২৮ চনৰ নবেম্বৰ মাহৰ শেষ ভাগত। গৰিয়নীৰ ওচৰত ইংৰাজ সৈন্যৰ লগত সংঘৰ্ষ হয় আৰু পৰাজিত হৈ গোমধাৰ আৰু মুখ্য নায়কসকল পলায়। কিছু সংখ্যক মুখ্য লোকক গ্ৰেপ্তাৰ কৰে। গোমধৰ কোঁৱৰে পলায়নৰ আগত জবানবন্দীত কয় যে, তেওঁ ইংৰাজ কোম্পানীৰ বিৰুদ্ধে কোনো ষড়যন্ত্ৰত লিপ্ত নাছিল। তেওঁক কৰতলীয়া ৰজা পাতিবৰ কাৰণে আবেদন কৰিবলৈ আহোতে, বিদ্ৰোহীসকলে তেওঁক ৰজা পাতে আৰু কোম্পানীৰ বিৰুদ্ধে যুঁজ দিবলৈ লগত লৈ আছে। বিচাৰত ধনঞ্জয়ৰ প্ৰাণদণ্ডৰ হুকুম হয়।

ধনঞ্জয় গোঁহাঞি আৰু কেইজনমানৰ সৈতে জেলৰ পৰা পলাই নগা পাহাৰলৈ যায় আৰু তাৰ পৰা মটক ৰাজ্যত সোমায়। গোমধৰ কোঁৱৰক ৭ বছৰ কাৰাদণ্ড বিহে আৰু অন্যান্য মুখ্য নায়কসকলৰ ফাটেক, সম্পত্তি বাজেয়াপ্ত কৰাৰ হুকুম হয়।

খাছীয়া ছিয়েম সকলৰ বিদ্ৰোহৰ আয়োজন

খাছীয়া পাহাৰৰ কিছু সংখ্যক ছিয়েমৰ ৰাজ্য বৃটিছে তেওঁলোকৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে মানৰ লগত যুদ্ধত জড়িত অভিযোগত।

খাছী পাহাৰৰ উত্তৰফালে পাহাৰৰ তলত থকা ভৈয়ামখণ্ড আহোম ৰজাৰ গুৱাহাটী শাসকৰ লগত এটা চুক্তি হৈছিল যে সেইখণ্ড ৯টা ভাগত ভাগ কৰি (ন দুৱাৰ) প্ৰতিখণ্ডৰ পৰা (দুৱাৰ) ছিয়েমসকলে ধান আদি খাদ্য সংগ্ৰহ কৰিবলৈ অধিকাৰ পাব, আৰু ইয়াৰ বাবে ছিয়েমসকলে বস্তু হিচাপে এটা কৰ দিব লাগিব। কিন্তু উজনি অসম ১৮২৪/২৬ত বৃটিছে দখল কৰাত ছিয়েমসকলৰ ভয় হ'ল যে, তেওঁলোকে আগৰ আহোম ৰজাৰ দৰে সেই ন দুৱাৰ অঞ্চলৰ পৰা ধান, খাদ্য আদি সংগ্ৰহ কৰা বন্ধ হ'ব। ইয়াৰ পিছত বৃটিছৰ লগত ছিয়েমসকলৰ এটা চুক্তি হৈছিল। যে, তেওঁলোকে ইংৰাজৰ কৰতলীয়া ৰাজ্য হিচাপে থাকিব আৰু প্ৰতি দুৱাৰৰ পৰা ধান আদি সংগ্ৰহৰ বাবে কৰ হিচাপে বস্তুৰ পৰিবৰ্তে মুদ্ৰা দিব লাগিব।

কিন্তু লাহে লাহে খাছী ছিয়েমসকলৰ মাজত এটা আশঙ্কাই দেখা দিলে যে, তেওঁলোকৰ বৃটিছে স্বাধীনতা হৰণ কৰি বৃটিছ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰিব। সম্ভাবিত বিপদৰ পৰা তেওঁলোকৰ স্বাধীনতা ৰক্ষাৰ কাৰণে ইংৰাজক খেদিবলৈ গুপ্তভাবে ছিয়েমসকলৰ আলোচনা চলিল আৰু নংখল ৰাজ্যৰ ছিয়েম তীৰৎ সিঙে এই বিদ্ৰোহৰ নেতৃত্ব লয়।*

তীৰৎ সিং

তীৰৎ সিং খাছীয়া পাহাৰৰ নংখল ৰাজ্যৰ ছিয়েম আছিল। উত্তৰ-পূব সীমান্তৰ গৱৰ্ণৰ জেনেৰেল এজেণ্ট ডেভিড স্কটে তীৰৎ সিঙক ৰাজ্য লৈ বিবাদত সহায় কৰাৰ বাবে ডেভিদ স্কটৰ লগত এখন চুক্তি হয়। সেই চুক্তিমতে নংখল ৰাজ্য বৃটিছৰ কৰতলীয়া

ৰাজ্য হয় আৰু তেওঁৰ ৰাজ্যৰ মাজেদি গুৱাহাটীৰ লগত ছিলেটক সংযোগ কৰি এটা ৰাস্তা বন্ধোৱাৰ অনুমতি আৰু বৃটিছ অক্ষম সৈনিকসকলক থকাৰ কাৰণে নংখলত এটা বঙলা সজাৰ অনুমতি দিয়ে।

তীৰৎ সিঙে বিদেশীক তেওঁৰ ৰাজ্যত সোমাবলৈ দি যি অদূৰদৰ্শী কাম কৰিলে, তৰবাবে অনুশোচনা কৰিলে; আৰু বৃটিছক খেদাৰ নেতৃত্ব ললে।

১৮২৯ চনৰ ৪ এপ্ৰিলৰ দিনা তীৰৎ সিঙৰ নেতৃত্বত খাছীয়াসকলে অতৰ্কিতে আক্ৰমণ চলোৱাৰ ফলত দুজন বৃটিছ বিষয়া লেফ্‌টানাণ্ট বেড্‌ডিং ফিল্ড, বাৰ্লটন আৰু আন ৬০ জন চিপাহীবে সৈতে নিহত হয়। নংখলত থকা বঙলা পুৰি পেলোৱা হ'ল। ৰাস্তাত কাম কৰিবলৈ লগোৱা 'অপৰাধী কয়দী'সকলক মুক্তি দিয়ে। ছিল্হেট আৰু অসম উপত্যকাৰ পৰা বৃটিছ সৈন্যদল খাছীয়া পাহাৰত প্ৰৱেশ কৰে, বিদ্ৰোহ দমনৰ অৰ্থে। তাৰ লগে লগে বিপ্লৱ আৰু আক্ৰমণ প্ৰতিৰোধৰ ধ্বনি প্ৰতিধ্বনিত পাহাৰ অঞ্চল মুখৰিত হৈ উঠিল। হেজাৰ হেজাৰ খাছীয়া ৰাইজে বিপ্লৱত যোগ দিলে। আন ছিয়েমসকলেও তীৰৎ সিঙক সহায় কৰিবলৈ আহিল। তীৰৎ সিঙৰ বাহিৰেও মালিয়েমৰ ছিয়েম, ৰৰমাণিক, তীৰৎ সিঙৰ সেনাপতি মনভুত আৰু মান সিঙে খাছিয়া সৈন্যদলৰ নেতৃত্ব কৰি বৃটিছক প্ৰতিৰোধ কৰাত অশেষ বীৰত্ব দেখুৱালে। কিন্তু উন্নত ধৰণৰ অস্ত্ৰেৰে 'সজ্জিত সুশিক্ষিত সৈন্যৰ সৈতে বেছিদিন যুদ্ধ চলাই থাকিবলৈ অক্ষম হৈ ক্ৰমে এজনৰ পাছত আনজন ছিয়েমে বৃটিছৰ হাতত আত্ম-সমৰ্পণ কৰে। তীৰৎ সিং আৰু তেওঁৰ বিশ্বাসী সেনাপতিসকলে উপায়ন্তৰ হৈ পৰ্বতৰ দুৰ্গম অঞ্চলত আশ্ৰয় ল'বলৈ বাধ্য হ'ল, আৰু তাতে পৰাই দুৰ্গম পাৰ্বত্য অঞ্চলৰ সুযোগ লৈ তীৰৎ সিঙে 'গৰিলা যুদ্ধ' চলাবলৈ ললে। সু-পৰিচালিত গোপন আৰু আকস্মিক আক্ৰমণত বৃটিছ সম্পূৰ্ণ ব্যতিব্যস্ত হৈ উঠিল। শেষত তেওঁলোকে মিত্ৰ ভাবাপন্ন খাইৰেমৰ ছিয়েম 'ছিংমাণিক'ক, এইবোৰ আক্ৰমণাত্মক কাৰ্যৰ ওৰ পেলাবলৈ তীৰৎ সিঙৰ লগত আপোচ মীমাংসা কৰিবলৈ নিয়োগ কৰিলে। সেই আপোচ আলোচনাৰ পাছত ১৮৩২ চনৰ আগষ্ট মাহত এটা সন্ধি হ'ল, আৰু তীৰৎ সিঙক দেখা কৰিবলৈ দুজন বৃটিছ প্ৰতিনিধি

তেওঁৰ গোপন আশ্ৰয় স্থানলৈ গ'ল। কিন্তু প্ৰস্তাবিত পথ নিৰ্মাণ বন্ধ কৰি তেওঁক ঘূৰাই নিদিলে; তীৰৎ সিং অস্ত্ৰ সম্বৰণ কৰিবলৈ অসন্মত হয়। সজাতি দুজনে এনে প্ৰস্তাৱত সন্মত হ'ব নোৱাৰিলে। যুদ্ধ পুনৰ আৰম্ভ হ'ল। কিন্তু তীৰৎ সিংৰ যোগানৰ সকলো পথ বন্ধ কৰি দিয়া হ'ল। তেওঁৰ দলৰ বহুতো মানুহ মৰিল। বহুতে দল এৰি পলোৱাত তেওঁৰ দলৰ সংখ্যা ক্ৰমে হ্ৰাস পাই আহিল। শাস্তিৰ ভয় দেখুৱাই আৰু প্ৰবোচনাৰে বৃটিছে তেওঁৰ মিত্ৰ ৰজা-সকলকো হাত কৰিলে। এনে অৱস্থাত তীৰৎ সিঙেও আৰু সৰহ দিন যুদ্ধ চলাই থাকিবলৈ অক্ষম হৈ পৰিল। ১৮৩৩ চনৰ ১৩ জানুৱাৰীত, প্ৰতিৰোধৰ সকলো আশা বিলীন হৈ যোৱাত, তেওঁ বৃটিছৰ ওচৰত আত্মসমৰ্পণ কৰে। ১৮৩৪ চনৰ ২৯ মাৰ্চত এই অসীম সাহসী খাছীয়া নেতাজনে ঢাকা জেলৰ এটা সৰু অন্ধকাৰ কোঠাত নিজ দেশৰ চৰম দুৰ্দশাৰ বেদনাত প্ৰাণ ত্যাগ কৰিলে।

বৃটিছৰ সাম্ৰাজ্য বিস্তাৰ

অসমত খোপনি-লৈ বৃটিছ শাসকসকলে গোটেই উনৈশ শতিকা ধৰি চল-চক্ৰান্ত কৰি পাহাৰী অঞ্চলৰ বিভিন্ন ফৈদৰ মাজত মনো-মালিন্য সৃষ্টি আৰু আৱশ্যক অনুসৰি আক্ৰমণ কৰি অতি নিষ্ঠুৰভাৱে গাঁও, শস্য আদিত জুই দি ভস্মীভূত কৰি বৃটিছৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰাত ব্যস্ত হৈ পৰিছিল আৰু এই যুদ্ধবিগ্ৰহৰ এটা বোজা অসমৰ দুখীয়া ৰাইজে বহন কৰিবলগীয়া হৈছিল।

উজনি অসম পুনৰ ইংৰাজৰ শাসনৰ তললৈ আহিল ১৮৩৩-৩৮

উজনি অসমত সঘনে বিদ্ৰোহ আৰু ৰজাদিনীয়া ডা-ডাঙৰীয়াৰ ইংৰাজ বিদ্বেষভাব দূৰ কৰিবৰ কাৰণে ১৮৩৩ চনত পুৰন্দৰ সিংহক পুনৰ উজনি খণ্ডৰ কৰতলীয়া ৰজা হিচাপে বহুৱালে। বছৰেকত ইংৰাজ চৰকাৰক ৫০,০০০ টকা নাজৰণা ৰূপে দিব। নিৰ্দ্ধাৰিত নাজৰণা দিবলৈ অক্ষম হোৱাত পুনৰ উজনিখণ্ড ১৮৩৮ চনত ইংৰাজৰ শাসনৰ তললৈ আনে।

শদিয়া বৃটিছে ললে ১৮৩৫

মটক ৰজা, বৰ সেনাপতি আৰু খামটি ৰজা শদিয়াখোৱা গোঁহাঞিৰ মাজত মনোমালিন্য দেখা দিয়ে. চৈখোৱা ওপৰত ১৮৩৪ চনত শদিয়াখোৱা গোঁহাঞে বলেৰে চৈখোৱা অধিকাৰ কৰাত বৃটিছে শদিয়াখোৱা গোঁহাঞিক বন্দী কৰে। চৈখোৱা আৰু শদিয়া অঞ্চল বৃটিছে অন্তৰ্ভুক্ত কৰি লয়।

খামটি সকলৰ বিদ্ৰোহ ১৮৩৯

১৮৩৯ চনত বৃটিছে তেওঁলোকৰ ৰাজ্য সুৰক্ষিত কৰিবৰ কাৰণে শদিয়াত এটা সৈন্যৰ কোঠ পাতিবৰ অৰ্থে সৈন্যদল এটা পঠায়। এইটোৱে খামটিসকলৰ মনত সন্দেহ জন্মায়। ১৮৩৯ চনৰ ২৮ জানুৱাৰীত প্ৰায় ৬০০ বো অধিক খামটি সংঘবদ্ধ হৈ শদিয়া কোঠ আক্ৰমণ কৰি যাক য'তে পায় হত্যা কৰে। মেজৰ হোৱাইটকো হত্যা কৰে। বৃটিছ সৈন্য গৈ খামটি সকলক যুদ্ধত পৰাজিত কৰে। বৃটিছ সৈন্য গৈ খামটিসকলক যুদ্ধত পৰাজিত কৰে। শ শ বিদ্ৰোহীৰ লগত প্ৰধান বিদ্ৰোহী নেতা বেনুৱা গোঁহাঞিৰ মৃত্যু হয় আৰু বহুতক বন্দী কৰা হয়। বহুতো খামটি গাঁও, ভড়াল আদি জুই লগাই ভস্মীভূত কৰে। খামটিসকলৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ আৰম্ভ হয়।

চিংফৌ বিদ্ৰোহ ১৮৪৩

ইংৰাজে চৈখোৱা, জয়পুৰ, দলি আদিত কেওঠ আদি পতাত চিংফৌসকল সন্দেহী হৈ উঠে। ১৮৪৩ চনৰ ১০ জানুৱাৰীত চিংফৌ বিসাকে বিছা আৰু নিঙৰু আক্ৰমণ কৰে। বিছাত বৃটিছ সৈন্যৰ জামাদাৰ, হাবিলদাৰ আদিক কাটি টুকুৰা-টুকুৰ কৰে। সৈন্যবিলাকক দাস হিচাপে বিক্ৰী কৰে। কিন্তু ইংৰাজ সৈন্যৰ হাতত বিছা আৰু নিনগ্ৰুলা গামে আত্মসমৰ্পণ কৰে। নিনগ্ৰুৰ ওচৰত যুদ্ধ হয়। তাত চিংফৌসকল পৰাজিত হয় আৰু ইংৰাজৰ বশ্যতা স্বীকাৰ কৰে।

মটক ৰাজ্য দখল ১৮৪০

বৰ সেনাপতিৰ সিনৰ পৰা বৃটিছৰ লগত ইংৰাজৰ এক্লেটীৰ মানোমালিন্য ঘটিছিল—কৰ আদি দাবী লৈ। তেওঁৰ মৃত্যুৰ পাছত

মাজু গোঁহাঞিক বছৰি দহ হেজাৰ টকা কৰ দাবী কৰে। মাজু গোঁহাঞে প্ৰজাৰ অৱস্থাৰ কথা কৈ অপাৰগতা দৰ্শায়। ইয়াৰ ভিতৰতে মটক মৰাণৰ মনোমালিন্য ঘটে। বৃটিছে ৰাজ্য দুফাল কৰা কথাত মাজু গোঁহাঞি অসন্তুষ্টি হয়। ইয়াকে চেলু লৈ মটক ৰাজ্য ইংৰাজে অন্তৰ্ভুক্ত কৰি লয় ১৮৪০ চনত।

মিলচৰ ৰিপ'ৰ্ট

১৮৫২ চনত বৰলাট লৰ্ড ডেলহাউচীয়ে সদৰ আদালতৰ জৰ্জ মিঃ মফট্ মিলচক অসমৰ আভ্যন্তৰীণ অৱস্থা, মানুহৰ অৱস্থা, শাসন ব্যৱস্থা ইত্যাদি অনুসন্ধান কৰি ৰিপ'ৰ্ট দিবৰ কাৰণে নিযুক্ত কৰিছিল। মণিৰাম দেৱানে ৺চন্দ্ৰকান্ত সিংহৰ পুতেক ঘনকান্ত সিংহৰ অনুমতি ক্ৰমে অসমৰ বিশেষকৈ উজনি অসমৰ সুবিধা-অসুবিধা, জনসাধাৰণৰ দুখ-কষ্ট, অসমৰ ডা-ডাঙৰীয়াসকলৰ সমস্যা আদি বিভিন্ন বিষয়ে লিখি এখন আবেদন মিলচ্ চাহাবক দিয়ে। আগৰ-দিনীয়া আৰু সেই সময়ৰ সাময়িক বহুতো কথা ইয়াৰ পৰা জানিব পাৰি। মণিৰাম দেৱানে পুৰন্দৰ সিংহৰ সলনি যুৱৰাজ ঘনকান্ত সিংহক ৰজা পাতিবলৈ প্ৰস্তাৱ দিছিল। ইয়াৰ উপৰিও এইকেইটা দাবী কৰিছিল—অনভিজ্ঞ ডেকা গোঁড়া চাহাবক জিলাধিপতি পাতিব নেলাগে, সৰু পঞ্চায়ত, বৰ পঞ্চায়ত আৰু চৰাচৰি পঞ্চায়তৰ দ্বাৰা বিচাৰ কাৰ্য চলাব লাগে। কুৰি বছৰৰ ভিতৰত কানি বৰবিহ গুচাব লাগে। পৰ্বতীয়া জাতিবিলাকৰ মাজত কন্দল লগোৱা নিয়মটো বন্ধ কৰিব লাগে। দেশত শিল্প বিদ্যা, বেহা-বেপাৰ, বাঢ়ৈ-খনিকৰী বিদ্যাৰ প্ৰসাৰ কৰাত উৎসাহ যোগাব লাগে।

১৮৫৭ চনৰ জাতীয় বিপ্লৱ

১৮৪৮ চনত লৰ্ড ডেলহাউচিৰ দেশীয় ৰাজ্যৰ স্বত্ববিলোপ নীতি'ত যিসকলে ৰাজ্য, বিষয়-বৃত্তি আদি হেৰুৱাইছিল, সেইসকলৰ মাজত বিদ্ৰোহৰ জুই জ্বলি আছিল। সুযোগ-সুবিধাৰ অপেক্ষাত থাকি তলে তলে যোগাযোগ চলাইছিল—একত্ৰিতভাৱে আক্ৰমণ কৰি বৃটিছক খেদাব কাৰণে।

এই জাতীয় স্বাধীন বিপ্লৱৰ নেতাসকল আছিল নানাচাহাব, ঝাঁচীৰ ৰাণী লক্ষ্মীবাঈ, কেঁৱৰ সিং আৰু সিংহাসনচ্যুত শেষ মোগল সম্ৰাট বাহাদুৰ শ্বাহ আদি। মানুহক বিদ্ৰোহী কৰি তোলা ডাঙৰ অহিলা আছিল জনৰৱ বা উৰাবাতৰি। বৃটিছৰ শাসন আৰু কাৰ্য্যৰ বিৰুদ্ধে নানা ধৰণৰ জনৰৱ উঠিছিল আৰু এই জনৰৱে ভাৰতীয় চিপাহী আৰু সৰ্বসাধাৰণ ৰাইজক বৃটিছৰ বিৰুদ্ধে জাগ্ৰত কৰি তুলিছিল।

১৮৫৭ চনৰ প্ৰথম ভাগত ভাৰতীয় চিপাহীবিলাকক 'এনফিল্ড ৰাইফল' নামে এবিধ নতুন ধৰণৰ ৰাইফল দিয়া হৈছিল। এই বন্দুকৰ টোটাবোৰ দাঁতেৰে কামুৰি বন্দুকৰ ভিতৰত ভৰোৱা হৈছিল। চিপাহীবিলাকৰ মাজত প্ৰচাৰ কৰা হ'ল যে, এই টোটাবিলাকত গৰু আৰু গাহৰিৰ চৰ্বি দিয়া আছে। হিন্দু আৰু মুছলমানৰ জাত মাৰিবলৈ সকলোকে খ্ৰীষ্টানধৰ্মী কৰাৰ এই ষড়যন্ত্ৰ। ফলত হিন্দু মুছলমান ভাৰতীয় সৈন্যৰ মাজত চাঞ্চল্য দেখা দিলে। বঙ্গদেশৰ বহমপুৰ, উত্তৰ প্ৰদেশৰ মিৰাট, লক্ষ্ণৌ, কানপুৰ আদিত বিপ্লৱৰ জুই জ্বলি উঠে। বিপ্লৱী নেতাসকলে বাহাদুৰ শ্বাহক সম্ৰাট হিচাপে অভিষেক কৰি দিল্লীৰ সিংহাসনত বহুৱালে। গোটেই ভাৰতত বিপ্লৱৰ জুই জ্বলি উঠিল।

মিলচ্ চাহাবৰ পৰা সুবিচাৰ নেপাই মণিৰাম দেৱানে কলিকতাৰ উচ্চতম শাসনকৰ্তাৰ ওচৰত আবেদন দিবৰ কাৰণে ১৮৫৭ চনৰ আগভাগত কলিকতা পাইলগৈ। তেওঁ বঙ্গদেশৰ লেফটেনেণ্ট গৱৰ্ণৰক দেখা কৰিবৰ যত্ন কৰিও বিফল হয় আৰু হতাশ হৈ পৰে। সেই সময়তে বিহাৰ, উত্তৰ প্ৰদেশ আদিত বিদ্ৰোহৰ জুই জ্বলি উঠিছিল। বৃটিছ শাসনৰ অৱসান ঘটাৰ পৰিস্থিতি হৈ উঠিল। গতিকে মণিৰাম দেৱানে এনে পৰিস্থিতিৰ সুযোগ লৈ অসমৰ পৰা ইংৰাজক খেদি পুনৰ আহোম ৰাজত্ব প্ৰতিষ্ঠা কৰাৰ সুবৰ্ণ সুযোগ বুলি ভাবে।

কামেশ্বৰ সিংহৰ পুতেক চাৰিং ৰজা কন্দৰ্পেশ্বৰ সিংহক ৰাজপাটত বহুৱাই (১৮২৭) আহোম ৰাজ্য পুনৰুদ্ধাৰৰ পৰিকল্পনা কৰি তেওঁ অসমৰ দুই-চাৰিজনলৈ গুপ্ত চিঠি আৰু 'মধুমল্লিক' নামে এজন লোকৰ হাতত কন্দৰ্পেশ্বৰ সিংহলৈ এখন চিঠি পঠালে, চিপাহী আৰু বিশ্বাসী ভা-ভাওৰীয়াসকলৰ লগত আলোচনা কৰি বৃটিছ ৰাজ্যৰ

আয়োজন কৰিবৰ কাৰণে। মধুমল্লিকে যোৰহাটত কন্দৰ্পেশ্বৰ সিংহক লগ ধৰি মণিৰাম দেৱানে কোৱামতে বিভিন্ন ডা-ডাঙৰীয়া-সকলৰ লগত যোগাযোগ কৰি যোৰহাটলৈ মাতি আনি মণিৰাম দেৱানে চিঠিত লেখামতে বিদ্ৰোহৰ কাৰণে আয়োজন কৰিবলৈ পৰামৰ্শ দিয়ে। কন্দৰ্পেশ্বৰ সিংহই শিৱসাগৰ, যোৰহাটৰ বিশিষ্ট লোকসকলৰ লগত যোগাযোগ কৰে আৰু যোৰহাট, গোলাঘাট, শিৱসাগৰ, ডিব্ৰুগড়ৰ হিন্দুস্থানী চিপাহী বাহিনীৰ জামাদাৰ আদিৰ লগত গুপ্তভাৱে যোগা-যোগ কৰি তেওঁলোকৰ সমৰ্থন আৰু বিশেষকৈ মুছলমানসকলৰ সহযোগিতাৰ কাৰণে প্ৰচেষ্টা চলায়। দেৱ-দেৱালয়, সত্ৰ আদিত পূজা-পাতল, ঘিউৰ চাকি দিয়া ইত্যাদি ব্যৱস্থা কৰিলে। পিয়লি, মধুমল্লিক, হেনচাওঁ বৰুৱা, কুমলা চাৰিঙিয়া বৰুৱা, বাহাদুৰ গাঁও-বুঢ়া, শেখ ফৰমুদ আলী আদিৰ সৈতে কন্দৰ্পেশ্বৰ সিংহৰ ঘৰত সঘনে বিদ্ৰোহৰ আলোচনা চলিল। হিন্দুস্থানী চিপাহীসকলৰ মাজত ফকিৰ, চিঠি, দুই এক বাতৰি কাকত আদিৰ নানা ধৰণৰ গুজবে হিন্দুস্থানী চিপাহীসকলৰ মাজত এটা বিশ্বাস আনিলে যে, উত্তৰ ভাৰতত বৃটিছ ৰাজত্ব শেষ, আৰু অসম বঙ্গ সোনকালে ইংৰাজে ত্যাগ কৰিব। গতিকে কন্দৰ্পেশ্বৰ সিংহক তেওঁলোকে সিংহাসন পুনৰ উদ্ধাৰ কৰা কাৰ্যত সহযোগ কৰিবলৈ আগবাঢ়ি আহিল।

দুৰ্গা পূজাৰ পাছত বিপ্লৱৰ জুই জ্বলোৱাৰ দিন স্থিৰ কৰিছে। থলুৱা চাহ শ্ৰমিকসকলৰ গতি-গোত্ৰ দেখি চাহ খেতিয়কসকল শঙ্কিত হৈ উঠিল। পাদুৰী চাহাব, মাৰোৱাৰী, মহাজন আদিৰ মাজত আতঙ্কৰ সৃষ্টি হ'ল। ডাৰোগা হৰনাথ বৰুৱাৰ জৰিয়তে বৃটিছ শাসকসকলে মণিৰাম দেৱানৰ চিঠি আৰু ষড়যন্ত্ৰৰ কথা জানিব পাৰিলে। হিন্দুস্থানী চিপাহীৰ ওপৰত নিৰ্ভৰ কৰাটো বিপদজনক ভাবি গোৰ্খা, জনজাতি লোক সংগঠিত ফৌজক সংগঠন কৰি আৰু কলিকতালৈ গোটেই পৰিস্থিতি জনাই সোনকালে বগা চিপাহী পঠাবৰ কাৰণে খবৰবাৰ্তা প্ৰেৰণ কৰিলে। গোৰ্খা শিখ ফৌজৰ সহায়ত বিদ্ৰোহী হিন্দুস্থানী চিপাহী আদিক নিৰস্ত্ৰ কৰে আৰু গ্ৰেপ্তাৰ কৰে। মণিৰাম দেৱানক কলিকতাতে গ্ৰেপ্তাৰ কৰে। কন্দৰ্পেশ্বৰ সিংহ, পিয়লী বৰুৱা, মধুমল্লিক, বাহাদুৰ গাঁওবুঢ়া, মধু কোচ, কমলা বৰুৱা, দুতিৰাম বৰুৱা, মৰঙীখোৱা গোঁহাঞি, ত্ৰিনয়ন, মায়াৰাম

নাজিৰ, শ্বেখ ফৰমুদ আলী আদি প্ৰমুখ্যে নেতাক গ্ৰেপ্তাৰ কৰে। বিপ্লৱত লিপ্ত হোৱা জমাদাৰ আৰু চুবেদাৰ প্ৰমুখ্যে চিপাহীসকলক সামৰিক আইনমতে বিচাৰ কৰি কিছুক কলীয়াপানীলৈ দ্বীপান্তৰ আৰু সৰহ সংখ্যকক দীঘলীয়া ফাটেক দিয়ে।

কন্দৰ্পেশ্বৰ সিংহক গ্ৰেপ্তাৰ কৰি কলিকতালৈ চালান দি আলিপুৰ জেলত বন্দী কৰি ৰাখে। মণিৰাম দেৱানক যোৰহাটলৈ আনি কাপ্টান হলৰইদ চাহাবে বিচাৰ কৰে। ডাবোগা হৰনাথ বৰুৱা আছিল প্ৰধান সহায়ক আৰু মুখ্য সাক্ষী—যাৰ পুৰস্কাৰ হিচাপে পাইছিল পদোন্নতি আৰু শিৱসাগৰ নগৰৰ ওচৰত এখন খাট। মণি শৰ্মা, গদ্ধিয়া বৰুৱা এই দুজন ষড়যন্ত্ৰ আলোচনা আদিতো ভাগ লোৱা লোক হ'ল সাক্ষী। কাপ্টান হলৰইদ চাহাবৰ মণিৰাম দেৱানৰ প্ৰতি আগৰে পৰা ভাল ভাব নাছিল। কোনো ধৰণৰ আত্মপক্ষ সমৰ্থনৰ কাকো সুবিধা নিদি কেৱল হৰনাথ পৰ্বতীয়া বৰুৱাৰ কাগজ-পত্ৰ আৰু অন্যান্য সাক্ষীৰ ওপৰত শুৰখেলাকৈ বিচাৰ কৰি মণিৰাম দেৱান আৰু পিয়লী বৰুৱাক ফাঁচীৰ হুকুম দিলে। আপীল আদিৰ সুবিধা নিদি লৰালৰিকৈ দুয়োকো বৰ্তমান যোৰহাট জেলৰ ওচৰত ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীত ফাঁচী দিয়া হয়। মধুমল্লিক, কমলা বৰুৱা, দুতিৰাম বৰুৱা, মৰঙীখোৱা গোঁহাঞি, ত্ৰিনয়ন, মায়াৰাম নাজিৰ, মধু কোঁছ, বাহাদুৰ গাঁওবুঢ়া, শ্বেখ ফৰমুদ আলী আদিৰ দ্বীপান্তৰৰ হুকুম হয়। অসমৰ দ্বিতীয় স্বাধীনতা প্ৰচেষ্টা এইদৰে সমাপ্ত পৰে।

বিদ্ৰোহ দমনৰ নামত অত্যাচাৰ-উৎপীড়ন আৰম্ভ হ'ল। ডিব্ৰুগড়ত ইংৰাজ নাবিক সৈন্যই মানুহক মাৰ-ধৰ, মানুহৰ গৰু-ছাগলী ধৰি আনিছিল। ঘৰ-দুৱাৰ পুৰি, সা-সম্পত্তি লুণ্ঠন আদি কৰে। এই বিষয়ে ১৮৫৮ চনৰ ২৫ ছেপ্তেম্বৰ সংখ্যাৰ মাদ্ৰাজৰ 'হিন্দু' কাকতত বাতৰি প্ৰকাশ পাইছিল ঃ

"It appears from their manners aud expressions that they, as if instrument of torture and cruelty, are employed to barb thc unbroken spirits of a newly acquired territory to the yoke of subjection—" (P. R. to Swaraj,—4)

মণিৰাম দেৱান আছিল কলিকতাত। গতিকে তেওঁ চিঠি আৰু কটকীযোগে পৰামৰ্শ, উদগনি দিছিল। কিন্তু পোনপটীয়াভাৱে বিদ্ৰো-

হব কাৰণে যিটো একত্ৰিতভাবে চিপাহীসকল, থলুৱা বাসিন্দা আৰু আনহাতে মটক, খামটি, চিংফৌ, জয়ন্তীয়া, কাছাৰ আদি ৰাজ্য হেৰুৱাই অসন্তোষৰ জুই উমি উমি জ্বলি থকা ৰজা, ডা-ডাঙৰীয়া, বিষয়া আদিৰ লগত যোগাযোগ কৰি পূব অঞ্চল সংগঠন কৰি তোলাটো অকলে কন্দৰ্পেশ্বৰ সিংহৰ কাৰণে সম্ভৱপৰ নাছিল। মণিৰাম দেৱানে যোৰহাটত থাকি কন্দৰ্পেশ্বৰ সিংহক লৈ প্ৰচেষ্টা কৰাহেঁতেন, হয়তো কিছু কৃতকাৰ্য হোৱা সম্ভৱপৰ হ'লহেঁতেন। আনফালে পদোন্নতি আদিৰ আশাত দাৰোগা হৰনাথ বৰুৱা প্ৰমুখ্যে কিছু লোক প্ৰভুভক্ত আৰু গোৰ্খা শিখ, অসম ৰাইফলছ বৃটিছৰ আজ্ঞাবাহী ভৃত্য হৈ থকাত মণিৰাম দেৱান আৰু কন্দৰ্পেশ্বৰ সিংহৰ অসম মুক্তিৰ প্ৰচেষ্টা ফলৱতী নহ'ল। আনহাতে প্ৰথম অৱস্থাত বিপ্লৱী সৈন্যসকলে যদিও দিল্লী, উত্তৰ প্ৰদেশ, বিহাৰ আদিত বৃটিছ সৈন্যক পৰাস্ত কৰিবলৈ সক্ষম হৈছিল; কিন্তু বৃটিছ শাসকে প্ৰধানতে গোৰ্খা, শিখ সৈন্য আৰু দেশীয় ৰাজ্য নিজাম, ইন্দোৰ আদি ৰাজ্যৰ সহযোগত এই জাতীয় বিপ্লৱ দমন কৰিবলৈ সক্ষম হয়। অতি নিৰ্দয় আৰু বৰ্বৰভাৱে বিপ্লৱী আৰু তেওঁলোকৰ সহযোগী ৰাইজৰ ওপৰত অত্যাচাৰ আৰম্ভ হয়। কিন্তু প্ৰধান বিপ্লৱী এলেকাত সৈন্য দল এৰি দিয়া হৈছিল—লুণ্ঠন, ধৰ্ষণ, ঘৰ-দুৱাৰ ভস্মীভূত কৰিবৰ কাৰণে। বহুতক মুকলিভাৱে গছত আঁৰি ফাঁচি দিয়া হৈছিল। এইদৰে ভাৰতীয় সৈন্য দেশীয় ৰজাবিলাকৰ ধন, সৈন্য সাহায্যৰ দ্বাৰাই ভাৰতৰ প্ৰথম জাতীয় বিপ্লৱ দমন কৰে।

কৃষক ৰাইজৰ বিদ্ৰোহৰ সূত্ৰপাত

অতীতৰ পৰাই অসমৰ জনসাধাৰণৰ মাজত বস্তুৰ সালসলনি বা বিনিময় প্ৰথা চলি আহিছিল। কিন্তু অসম অধিকৃত কৰাৰ পাছত সকলো স্তৰতে বস্তুৰ বিনিময়ৰ পৰিবৰ্তে মুদ্ৰাৰ প্ৰচলন প্ৰবৰ্তন কৰা হয়। মজলীয়া আৰু সাধাৰণ জনসাধাৰণৰ কাৰণে মুদ্ৰা এটা আপুৰুগীয়া বস্তু আছিল সেই দিনত।

আদুতীয়া বা পাহাৰী অঞ্চলৰ লোকে বস্তু হেচিহলে আৰু তেওঁলোকৰ আৱশ্যকীয় সামগ্ৰী নিমখ আদি হাটত বা ব্যক্তিগত ব্যৱসায়ীৰ দোকানৰ পৰা কিনিবলৈ বহু মাইল বাট খোজ কাঢ়ি যাব

লগা হৈছিল। কেতিয়াবা দুই তিনিদিন বা পাহাৰী অঞ্চলৰ মানুহৰ এসপ্তাহ পৰ্যন্ত অহা-যোৱাতে যায়। এফালে কামৰ ক্ষতি আৰু আনহাতে ব্যৱসায়ীয়ে যি মূল্য দিয়ে তাকে লৈ তাতেই আকৌ সেই বা তেনে অন্য বেপাৰীৰ পৰা নিমখ, কেৰাচিন, সূতা আদি বস্তুৰ যি দাম কয়, সেই দামতে কিনিবলগীয়া হয়। গৱৰ্ণমেণ্টৰ খাজনা, টেক্স, কানি আৰু খাবলৈ নোহোৱা সকলে মহাজন, বেপাৰী আদিৰ পৰা অতিৰিক্ত সূতত ঋণ বা ধাৰ কৰিব লগা হয়। ধাৰৰ সুত হিচাপে সাধাৰণ খেতিয়কসকলে সৰহকৈ ধান আদি দিব লগা হৈছিল। ফলত পুনৰ ধাৰ লাগে। বানপানীয়ে খেতি নষ্ট বা খৰাং বতৰৰ কাৰণে খেতি নহ'লে, মেলেৰীয়া আদি বেমাৰৰ কাৰণে খেতি কৰিব নোৱাৰিলে—মহাজন বা ধনী খেতিয়ক-ব্যৱসায়ী, ঠিকাদাৰ, মদ, কানিৰ মহলদাৰৰ পৰা অতিৰিক্ত সুদত ধান আদি ধাৰলৈ আনিবলৈ বাধ্য হৈ পৰে। আনহাতে মাটি নথকা সম্বলহীন খেতিয়কসকলে ধাৰৰ সুদ হিচাপে তেওঁলোকৰ শ্ৰম দিবলগা হয়। ইয়াৰ ফলত থলুৱা লোকক অন্য ৰাজ্যৰ পৰা অহা মহাজন, বেপাৰী, ব্যৱসায়ী, কানি, মদ, ভাঙৰ মহলদাৰসকলে অৰ্থনৈতিক নাগপাশেৰে বা দাসত্বৰ শিকলিৰে বান্ধি পেলায়। ইয়ে অসমৰ থলুৱা লোকৰ পুঁজি গঠনত ভাঙৰ অন্তৰায় হৈ পৰিল। সেইবাবে সম্পদেৰে ভৰা অসমত থলুৱা লোকৰ অৱস্থা বৰ দুখ লগা, ভাল-দৰিদ্ৰ অৱস্থা হৈ পৰে। আনহাতে এনে শোষণ নীতি আৰু কানি বিক্ৰি কৰি সংগ্ৰহ কৰা পুঁজিৰেই অসমত অন্য ৰাজ্যৰ মহাজন, ব্যৱসায়ী, কানি, মদৰ মহলদাৰ, ঠিকাদাৰ আদিয়ে তেওঁলোকৰ নিজ ব্যৱসায় বাণিজ্যৰ প্ৰভাৱতা বৃদ্ধি কৰি অৰ্থনৈতিক শোষণৰ জাল নগৰ, চহৰ, গাঁৱে-ভূঞে, পাহাৰে-পৰ্বতে বিস্তাৰিত কৰি ললে। পৰাধীন অসমৰ কুমাৰ, কমাৰ, সোণোৱাল আদি অসংখ্য কুটীৰ শিল্প আৰু অন্যান্য কামত নিয়োজিত থকা সকলো কৰ্মহীন হৈ খেতিকে জীৱিকাৰ পথ হিচাপে লয়। দুখীয়া জনসাধাৰণ শোষিত আৰু ঋণগ্ৰস্ত হৈ ব্যৱসায়ী, কানি মহলদাৰ আদিৰ ওচৰত ধাৰত বন্দী হৈ পৰিল। সৰহ সংখ্যক খেতিয়কে যি অৱলীয়া হিচাপে ধান-মাহ আদি উৎপাদন কৰিছিল, তাকো ব্যৱসায়ীয়ে নিৰ্দ্ধাৰণ কৰা দামত সৰহভাগ ঋণ, ঋণৰ সুদত দি পুনৰ ধাৰ কৰিবলৈ বাধ্য হয়। ইয়ে এফালে থলুৱা লোকৰ অৰ্থ-

নৈতিক বুনিয়াদ গঠনত বাধা দিলে আৰু অসমৰ এই শোষণকাৰী শ্ৰেণীয়েই অসমৰ অৰ্থনীতি ব্যৱস্থাৰ হৰ্তা-কৰ্তা হৈ উঠিল। এই ব্যৱসায়ী শ্ৰেণীটোৰ উদ্দেশ্য হ'ল, বৃটিছ চাহ খেতিয়কৰ দৰে লাভাংশ নিজ নিজ ৰাজ্যলৈ নি নিজ ৰাজ্যক সম্পদশালী কৰা। ইংৰাজ চাহ কোম্পানীয়ে চাহ শিল্পত লাভ হোৱা পুঁজিলৈ গৈছিল—যিদৰে আজিও বিৰলা, টাটা, গোৱেঙ্কা, খৈতান আদি পুঁজিপতিয়ে চাহবাগান, প্লাইউড আদিৰ পৰা লাভ হোৱা টকা অসমৰ পুঁজি গঠনত সহায় নকৰি নিজ বা অন্য ৰাজ্যৰ অন্য শিল্প প্ৰতিষ্ঠান বিস্তাৰিত কৰাত প্ৰয়োগ কৰিছে। মাৰোৱাৰী, বঙালীবাবু, মহজনদাৰ, ব্যৱসায়ীসকলে ঋণৰ বাবদ মাটি বন্ধকত ৰাখি বা মাটি নিজ নামত পট্টা কৰি পুনৰ সেই মাটিকে আধি খাবলৈ দি ধান বা অন্য শস্য লৈ আহিছিল। অসমত এই নতুন পদ্ধতিৰ এটা আধিখোৰ জমিদাৰীৰ শ্ৰেণীৰ সৃষ্টি হ'ল। ঋণৰ বোজাই থলুৱা বাসিন্দাৰ ৰাজহাড় কুঁজা কৰি উঠিব নোৱাৰা কৰিলে। মান গ'ল। নতুন মানৰ শোষণ, লুণ্ঠনৰ কবলত পৰিল থলুৱা অসমৰ ৰাইজ। যাৰ পৰা আজিও সম্পূৰ্ণভাৱে উদ্ধাৰ হ'ব পৰা নাই।

জয়ন্তীয়া ৰাইজৰ বিদ্ৰোহ

১৮৬০ চনত হাউচ টেক্স বহুৱাত জয়ন্তীয়া জনসাধাৰণ বিদ্ৰোহী হৈ উঠে। প্ৰতিবাদ হিচাপে জয়ন্তীয়াসকলে টেক্স সংগ্ৰহত বাধা দিয়ে। দমন নীতিৰে যদিও ইয়াক বন্ধ কৰিছিল, কিন্তু ১৮৬২ চনত যেতিয়া আয়কৰ বহুৱালে—তেতিয়া বিদ্ৰোহ পুনৰ আৰম্ভ হ'ল। ১৮৬২ চনৰ ১৭ জানুৱাৰীত জয়ন্তীয়াৰ সদৰ জোৱাইত থকা সৈন্য-কোঠ জনতাই আক্ৰমণ কৰি খ্ৰীষ্টান বস্তি এলেকা পুৰি পেলায়। ডেপুটি কমিচনাৰে সৈন্য বাহিনী লৈ বিদ্ৰোহীসকলৰ গাঁৱৰ ঘৰ, ধানৰ ভড়াল আদি পুৰি শান্তি প্ৰতিষ্ঠা কৰে যদিও—জিতকৰা অঞ্চলত বিদ্ৰোহী নেতা দলৈ আৰু চৰ্দাৰসকলক দমন কৰা কঠিন হৈ পৰে। ওকিয়াং নং ৰাহু ইয়াৰ প্ৰধান নেতা আছিল। বৃটিছ সৈন্যই বিদ্ৰোহীৰ অঞ্চল সৰহভাগেই যদিও দখল কৰিছিল, কিন্তু বিদ্ৰোহী নেতা ওকিয়াং নং ৰাহে যুদ্ধ চলাই থাকিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈ মুখৰন নামে গাঁৱত বাৰশ মুক্তি সৈন্য সমবেত হৈ ঘোষণা কৰে যে বৃটিছক খেদি

পুনৰ স্বাধীনতা লাভ নোহোৱা পর্যন্ত যুদ্ধ চলাই যাব। ৱটিছে ছিলেট, কাছাৰ, গুৱাহাটী আদিৰ পৰা সৈন্য নি বিদ্রোহীসকলক ঘেৰাও কৰি নির্মূল কৰিবলৈ অভিযান চলায়। বিদ্রোহী নেতা ওকিয়াং নং ৰাহক এজন গোৰ্খা চিপাহীৰ সহায়ত অনিপাবা নামে গাঁৱত বন্দী কৰে। ইয়াৰ পাছত যদিও কিছু কিছু অঞ্চলত খণ্ড যুদ্ধ চলি আছিল, ক্রমে ইটোৰ পাছতে সিটো কৈৰ বা দলৰ পতন হয়। এই বিদ্রোহত বহু সংখ্যক লোকৰ মৃত্যু আৰু জখম হয় আৰু বহুতক বন্দী কৰে। একক সংখ্যক লোকৰ বিচাৰত জেল-জৰিমনা, সম্পত্তি বাজেয়াপ্ত হয়। অতি নিষ্ঠুৰভাৱে মানুহক নির্যাতন দিয়াৰ উপৰি বিদ্রোহীসকলৰ গাঁৱৰ ঘৰ-দুৱাৰ, ভৰাল আদি পুৰি ভস্মীভূত কৰে। ১৮৬২ চনৰ ৩১ ডিচেম্বৰ তাৰিখে মুকলিভাৱে ৰাজদ্রোহৰ অপৰাধত ওকিয়াং নং ৰাহক ফাঁচী দিয়ে। জয়ন্তীয়াসকলৰ বিদ্রোহ এইদৰেই অন্ত পৰিল।

ফুলগুৰিৰ ধাৱা

১৮৫৮ চনত কামৰূপ, দৰং, নগাঁও আৰু পাৰ্বত্য অঞ্চল বাদ দি ডাকমাচুলৰ প্ৰৱৰ্তন কৰে। নৈ, বিল, খেৰ-বেতৰ আদি একোটা অঞ্চল কৰি ডাক কৰাৰ নিয়ম প্ৰৱৰ্তন কৰে।

১৮৬১ চনত আফু খেতি বন্ধ কৰি উত্তৰ প্ৰদেশ আদিৰ পৰা কানি আনি পাচহেজাৰ কানি মহলৰ যোগে বিক্ৰী কৰা আইন বলৱৎ কৰা হয়।

নগাঁৱত গৱৰ্ণমেণ্টে ঘৰমুৰি আৰু তামোলপান আদিৰ ওপৰতো টেক্স লগাব বুলি এটা গুজৱ প্ৰচাৰ হৈছিল। জয়ন্তীয়া ৰাজ্যৰ দৰে নগাঁৱতো আয়কৰৰ বহুৱা হ'ব বুলি প্ৰচাৰ হোৱা বাতৰিত ৰাইজ আতংকিত হৈছিল। অনহাতে আফুখেতি বন্ধ আৰু কানিৰ দোকান খোলাত নগাঁৱৰ জনজাতি লোক ক্ষুব্ধ হৈছিল। কাৰণ আফুখেতি কৰি নিজে খোৱাৰ উপৰিও তেওঁলোকে কানি বেচি উপাৰ্জন কৰি জীৱন নিৰ্বাহ কৰিছিল।

নগাঁৱৰ ফুলগুৰি অঞ্চল, নেলি, বহা, কটুহাট আদিৰ আশেপাশে থকা অঞ্চলৰ বিশেষকৈ নগাঁৱৰ দক্ষিণ অঞ্চলৰ লালুং, কছাৰি জনজাতি লোকসকল আফুখেতি বন্ধ কৰি অন্যান্য কাৰণত উত্তেজিত হৈ উঠে। তেওঁলোকে প্ৰায় পোন্ধৰশ মানুহ দলবান্ধি ১৮৬১ চনৰ ১৭

চেপ্টেম্বৰৰ দিনা নগাঁৱৰ জিলা মেজিষ্ট্ৰেটক লগ ধৰি আফু খেতি বন্ধ নকৰিবলৈ আৰু পান তামোলৰ ওপৰত কৰ নবহুৱাবলৈ অনুৰোধ জনাবলৈ যায়। জিলা অধিপতিজন অহঙ্কাৰী ধৰণৰ লোক আছিল। তেওঁৰ অমনোযোগিতাৰ ভাব দেখি ৰাইজৰ মুখিয়ালসকল তেওঁৰ কোঠালৈ সোমাই যায়। তাতে খং কৰি জিলা অধিপতিয়ে পুলিচ লগাই মানুহবিলাকক জোৰ কৰি বাহিৰ কৰি দিয়ে। মুখিয়াল সকলক গ্ৰেপ্তাৰ কৰি বন্ধ কৰি ৰাখে, আৰু কিছুক জৰিমনা কৰে।

নগাঁৱৰ গণ্য-মান্য লোকসকলৰ খাটনিত তেওঁলোকক গধূলি এৰি দিয়ে। ৰাইজ অপমানিত হৈ ১৫ অক্টোবৰত পাঁচদিনীয়া আলোচনাৰ কাৰ্যসূচী লৈ 'ৰাইজমেল' আহ্বান কৰে। এই আলোচনা পাঁচদিনীয়া কৰাৰ উদ্দেশ্য আছিল যাতে দূৰ অঞ্চলৰ ৰাইজে এই আলোচনাত যোগদান কৰিব পাৰে।

১৫ অক্টোবৰৰ দিনা বিভিন্ন দূৰ-দূৰণি অঞ্চলৰ পৰা প্ৰায় এহেজাৰমান মানুহ আহি সমবেত হয়হি। কিছুৱে হাতত দা-যাঠি আৰু ধেনু-কাঁড় লৈ আহিছিল। জিলাৰ অধিপতিয়ে খবৰ পাই ১৫ অক্টোবৰ তাৰিখে ৰাইজক খেদি পঠাবলৈ আৰু মুখিয়ালসকলক গ্ৰেপ্তাৰ কৰিবৰ কাৰণে এদল চিপাহী পঠায়। দাৰোগাই মানুহবোৰক আঁতৰি যাবলৈ হুকুম দিয়ে। কিন্তু গোটখোৱা ৰাইজে জৰুৰী সমস্যাৰ আলোচনা কৰিবলৈ গোট খাইছিল বুলি জনায়, আৰু আঁতৰি যাবলৈ অমান্তি হয়। দাৰোগাই উভতি গৈ বৰচাহাবক সকলো কথা জনাই ৰিপৰ্ট দিয়ে। ১৭ অক্টোবৰৰ দিনা পুলিচৰ দল এটা গৈ পুনৰ ৰাইজক ছত্ৰভঙ্গ কৰি কিছুমান মুখিয়ালক গ্ৰেপ্তাৰ কৰাত ৰাইজ উত্তেজিত হৈ পুলিচৰ হাতৰ পৰা গ্ৰেপ্তাৰ হোৱা লোকসকলক উদ্ধাৰ কৰে। ১৮ অক্টোবৰত পুনৰ চিঙ্গাৰ নামৰ এজন এচিষ্টেণ্ট কমিচনাৰে এটা ফৌজ লৈ ফুলগুৰিত উপস্থিত হয়গৈ। এজন মুখিয়াল লোকে ৰাইজৰ হৈ আফুখেতি বন্ধ কৰাৰ প্ৰতিবাদ কৰে আৰু তামোল-পানৰ ওপৰত কৰ নবহুৱাবলৈ অনুৰোধ কৰে। লগতে তেওঁলোকক জিলাৰ চাহাবে কৰা বেয়া ব্যৱহাৰৰ কথা উল্লেখ কৰি কয় যে, যদি জিলাত তেওঁলোকৰ প্ৰতিবাদৰ প্ৰতিকাৰ নেপায়, তেন্তে উচ্চ পৰ্য্যায়ৰ কৰ্তৃপক্ষৰ ওচৰ চাপিব। চিঙ্গাৰ চাহাবে মানুহৰ হাতত থকা বাঁহৰ টাঙোন পুলিচক চমজাই দি যাবলৈ কোৱাত

কিছু সংখ্যকে মান্তি হয়। সৰহভাগেই অমান্তি হোৱাত পুলিচক কাঢ়ি নিবলৈ নিৰ্দেশ দিয়ে। দুজন লোকক গ্ৰেপ্তাৰ কৰে। চিঙ্গাৰ চাহাবে নিজেও মৈৰাসিং নামৰ এজনৰ পৰা মাটি কাঢ়ি আনিব খোজাত জোটা-পুতি লাগে। অ.নহাতে হাত বান্ধি ৰখা কেইজনে তেওঁলোকক উদ্ধাৰ কৰিবৰ কাৰণে চিঞৰে। 'বাহু' নামৰ এজনে পাচক্কালৰ পৰা চিঙ্গাৰ চাহাবৰ মূৰত মাৰ দিয়াত চাহাব পৰি যোৱাত মাৰি কজং নৈত শ'টো পেলাই দিয়ে। পুলিচ ৰিপ'ৰ্ট মতে বাহু, কাটি লালুং, থমবা লালুং, যবু লালুং, কটিয়া লালুং, মুহি কোচ আৰু কলি ভেকাই চিঙ্গাৰ চাহাবক হত্যা কৰে।

এধুলি নগাঁৱত এই বাতৰিয়ে জিলা অধিপতিকে আদি কৰি সকলোৰে মাজত সন্ত্ৰাস সৃষ্টি কৰে। নগাঁও আক্ৰমণৰ ভয়ত ট্ৰেজাৰি আদিত পুলিচ আদি লৈ বৰ চাহাবে কোঠ মুৰি থাকে। দৰং জিলাৰ পৰা ফৌজ আহি পোৱাত ১৯ অক্টোবৰ তাৰিখে আন এটা সশস্ত্ৰ চিপাহীৰ দল ফুলগুৰিলৈ পঠায়। ৰাইজৰ লগত পুলিচৰ সংঘৰ্ষ হয়। পুলিচৰ গুলীত কেবাজনৰো মৃত্যু হয় আৰু বহুতো জখম হয়। পিছত ২৩ তাৰিখে কমিচনাৰ কৰ্ণেল হপকিন্সনৰ নেতৃত্বত গুৱাহাটী আৰু তেজপুৰৰ পৰা এটা ফৌজ নগাঁৱত উপস্থিত হয়। এই ফৌজ লৈ ডেপুটি কমিচনাৰে ফুলগুৰি, নেলী, কচুহাট, ৰহা আদি বিভিন্ন কেন্দ্ৰস্থানলৈ গৈ ৰাইজৰ ওপৰত চিঙ্গাৰ চাহাবৰ হত্যাৰ প্ৰতিশোধ লয়। অমানুষিক অত্যাচাৰ-উৎপীড়নৰ দ্বাৰা অৱস্থা আয়ত্ত্বা-ধীন কৰে। বাহু, কাটি লালুং, থমবা লালুং এই তিনিজনৰ ফাঁচিৰ হুকুম হয়। ৭ জনক কলীয়াপানীলৈ পঠায়। ৬০ জনক ১ বছৰৰ পৰা ১০ বছৰ পৰ্যন্ত ফাটেকত দিয়ে আৰু কিছুমান লোকক জৰিমনা কৰে। এইদৰেই সশস্ত্ৰ বাহিনী প্ৰয়োগ কৰি ফুলগুৰিকে প্ৰধান কৰি বিভিন্ন অঞ্চলত হোৱা আফুখেতি বন্ধ আৰু কৰ-কাটল বৃদ্ধিৰ প্ৰতিবাদতে কৰা আন্দোলনৰ পৰিসমাপ্তি ঘটায়।

১৮৬৫ চনৰ কৃষকৰ আন্দোলন

১৮৬৫ চনত ৰূপিত আৰু ফৰিঙতি মাটিৰ শতকৰা ২৫ৰ পৰা ৫০ ভাগ খাজনা বৃদ্ধি কৰাত বিভিন্ন অঞ্চলৰ ৰাইজে মেল পাতি ইয়াৰ প্ৰতিবাদ কৰে। মঙলদৈৰ পথৰুঘাটত এখন বিৰাট ৰাজহুৱা

মেলত বহি ইয়াৰ প্ৰতিবাদ কৰে। গণ্ডগোলৰ আশঙ্কা কৰি ডেপুটি কমিচনাৰ, পুলিচ চুপাৰিনটেনডেন্টৰ সৈতে চিপাহী লৈ পথৰুঘাটলৈ যায়। শ শ ৰাইজে ৰাতি তেওঁলোকৰ থকা বঙ্গলাঘৰ ঘেৰাও কৰে। ৰাইজে খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰে। কোনো সংঘৰ্ষ নঘটিল। ডেপুটি কমিচনাৰক আপত্তি জনাই ৰাইজ উভতি যায়।

আনহাতে উত্তৰ কামৰূপৰ গোবিন্দপুৰ, হাদিয়া, বজালীতো ৰাইজৰ সঘনে মেল বহিল খাজনা বৃদ্ধিৰ প্ৰতিবাদৰ অৰ্থে। জানুৱাৰী মাহৰ শেষ ভাগত বৰপেটাৰ মহকুমাধিপতিয়ে গোবিন্দপুৰত বিৰাট ৰাইজৰ মেল বহাৰ বাতৰি পায়। পুলিচ ইন্সপেক্টৰক এটা পুলিচৰ দলসহ পঠায় অনুসন্ধান কৰি মুখ্য নেতাসকলক ধৰিবৰ কাৰণে। কিন্তু হেজাৰ হেজাৰ লোক দেখি ইন্সপেক্টৰ ভয় খাই ঘূৰি আহি এটা আনুমানিক ৰিপৰ্ট মহকুমাধিপতিক দিয়েহি। ডেপুটি কমিচনাৰে ইন্সপেক্টৰৰ এনে কাৰ্যৰ বাবে তেওঁক শাস্তি দিহে। এনে ৰাইজমেল বহি খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰা অঞ্চলত পুলিচৰ দ্বাৰা নানা ধৰণৰ অত্যাচাৰ কৰি আতঙ্কৰ সৃষ্টি কৰাত ৰাইজ নিস্তব্ধ হৈ মাটি-বাৰী বন্ধক দি খাজনা দিবলৈ বাধ্য হৈ পৰে।

জাতীয় কংগ্ৰেছৰ জন্ম

১৮৭৭ চনত ব্যয়বাহুল্য কৰি দিল্লীত এখন দৰবাৰ পতা হৈছিল। বঙ্গদেশৰ সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে ইণ্ডিয়ান চিভিল চাৰ্ভিছৰ পৰা অৱসৰ লৈ ৰাজহুৱা কামত নিজকে আত্মনিয়োগ কৰিছিল। তেওঁ দিল্লীৰ দৰবাৰত গোটেই ভাৰতৰ ৰাজণ্যবৰ্গ, জমিদাৰ, ধনী, ব্যৱসায়ী সকলো শ্ৰেণীৰ বিৰাট সমাৰোহ দেখি তেনে ধৰণৰ জাতীয় পৰ্যায়ত ভাৰতৰ বিভিন্ন মুখিয়াল নেতা আৰু সেই সময়ত ভাৰতৰ বিভিন্ন ৰাজ্যত জিলা আৰু প্ৰাদেশিক পৰ্যায়ৰ প্ৰতিনিধিৰে এখন জাতীয় সন্মিলন পতা ভাৱৰ উদয় হয়, আৰু সেইবিষয়ে কলিকতা, বোম্বাই, মাদ্ৰাজৰ মুখিয়াল নেতাসকলৰ লগত আলোচনা চলায়। আনহাতে অৱসৰ পোৱা বৃটিছ উচ্চ বিষয়া এলেন হিউমে এফালে দুৰ্ভিক্ষপীড়িত ভাৰতৰ জনসাধাৰণ আৰু আনফালে দিল্লী দৰবাৰত ধনৰ অপব্যয়, আফগান যুদ্ধৰ ব্যয় ইত্যাদি বিষয়ে সমালোচনা কৰে। আৰু সেই সময়ৰ ভাৰতৰ কিছু বাতৰি কাকততো ইয়াৰ সমালোচনা ওলায়।

১৮৭৮ চনত ছপাখানা আইন আৰু এলবাৰ্ট বিলৰ বিষয়ে সমালোচনা হয়। ভাৰতৰ বিভিন্ন ঠাইত স্থানীয় সমস্যাৰ দাবী আদিৰ অৰ্থে প্ৰাদেশিক পৰ্য্যায়ৰ সন্মিলন আৰু জিলা পৰ্যায়ৰ বহুতো অনুষ্ঠান গঠিত হৈছিল। অসমতো জিলা পৰ্যায়ত কৃষক সংগঠন গঢ়ি উঠিছিল। 'শ্বিলং এচোছিয়েশ্যন', 'যোৰহাট সাৰ্বজনীন সভা', 'নগাঁও খেতিয়ক সভা', 'নগাঁও ৰায়ত সন্মিলন', 'উজনি অসম এচোছিয়েশ্যন' আদি বিভিন্ন অনুষ্ঠান আৰু ১৯০৪ চনত গঠিত হোৱা অসম এচোছিয়েশ্যন আদিৰ পৰাই ১৯২০ চন পৰ্যন্ত কংগ্ৰেছ মহাসভালৈ প্ৰতিনিধি নিৰ্বাচন কৰি পঠাইছিল। ১৯২১ চনৰ এপ্ৰিল মাহত অসম কংগ্ৰেছ গঠন হয়। ইয়াৰ আগত অসমত কংগ্ৰেছ সংগঠন নথকা কাৰণে অসমৰ প্ৰতিনিধিসকলে বঙ্গ কংগ্ৰেছৰ লগতে বহিছিল।

আনহাতে অৱসৰ হোৱা ইংৰাজ উচ্চ বিষয়া মিঃ এলেন হিউমে বম্বেত 'ভাৰতীয় জাতীয় সন্মিলন' নাম দি এটা অনুষ্ঠান প্ৰতিষ্ঠা কৰে ভাৰতৰ বিভিন্ন সমস্যাৰ আলোচনাৰ কাৰণে। তেওঁ এই অনুষ্ঠানকে কেন্দ্ৰ কৰি এখন সৰ্বভাৰতীয় অনুষ্ঠান গঢ়াৰ বিষয়ে বিভিন্ন লোকৰ লগত আলোচনা চলায়। ভাৰতৰ সেই সময়ৰ ভাইচৰয় লৰ্ড ডাফৰিণৰ লগতো আলোচনা কৰিছিল।

১৮৮৫ চনৰ ডিচেম্বৰ মাহৰ শেষ ভাগত হিউমে এখন সৰ্বভাৰতীয় জাতীয় অনুষ্ঠান গঠন কৰাৰ কাৰণে বম্বেত এখন সন্মিলন পতাৰ সিদ্ধান্ত কৰে। ভাৰতৰ বিভিন্ন নেতা, প্ৰাদেশিক জিলা পৰ্যায় অনুষ্ঠানৰ প্ৰতিনিধি এই সন্মিলনে পঠাবৰ কাৰণে চল্লিশজন উদ্যোক্তাৰ চহীৰে এখন জাননী পঠায়।

কংগ্ৰেছ বহিল

১৮৮৫ চনৰ ২৮ ডিচেম্বৰৰ দুপৰীয়া ১২ বজাত গকুল দাস তেজপাল সংস্কৃত কলেজৰ ভৱনত, ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশন বিখ্যাত ব্যাৰিষ্টাৰ উমেশ চন্দ্ৰ বেনাৰ্জীৰ সভাপতিত্বত বহে।

এই অধিবেশনলৈ অসমৰ কোনো প্ৰতিনিধি যোৱা নাছিল। কিন্তু আনন্দ মোহন বসুৰ সভাপতিত্বত বহা এখন ৰাজহুৱা সভাত গৃহীত হোৱা প্ৰস্তাৱত কংগ্ৰেছৰ উদ্দেশ্য সমৰ্থন কৰি সেই প্ৰস্তাৱটো তাঁৰযোগে বোম্বাই অধিবেশনৰ উদ্যোক্তাসকললৈ পঠোৱা হৈছিল।

এই বোম্বাই অধিবেশনেই আছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশন। বোম্বাইৰ অধিবেশনত মাদ্ৰাজৰ পৰাই বেছি সংখ্যক প্ৰতিনিধিয়ে যোগদান কৰিছিল। সেই একে সময়তে কলিকতাত ইণ্ডিয়ান নেচনেল কনফাৰেন্স হৈছিল।

লৰ্ড ডাফৰিণ আৰু কংগ্ৰেছ

কোনো কোনোৰ মতে ভাৰতৰ ভাইচৰয় লৰ্ড ডাফৰিণৰ লগত আলোচনা কৰি তেওঁৰ উপদেশিতে ভাৰতৰ ক্ৰমে গঢ়ি উঠা জাতীয় চেতনা বৃটিছ সাম্ৰাজ্যৰ বিৰুদ্ধে যাতে ধাৱিত নহয়, সেই হেতু মধ্যবিত্ত শ্ৰেণী, বুদ্ধিজীৱী আৰু প্ৰভাৱশালী লোকসকলে বৃটিছ শাসন সমৰ্থন কৰা এটা সংগঠনৰ আৱশ্যকতা অনুভৱ কৰিহে এলেন হিউমে এই অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল।

কংগ্ৰেছ সংগঠনৰ উদ্দেশ্য

ভাইচৰয় লৰ্ড ডাফৰিণ আৰু সেই সময়ৰ উচ্চ ইংৰাজ বিষয়াসকলৰ যিয়েই উদ্দেশ্য নাথাকক লাগিলে হিউম আৰু এই সম্মিলনৰ আন ভাৰতীয় উদ্যোক্তাসকলে সেই সময়ত বঙ্গ প্ৰদেশত গঢ়ি উঠা ইণ্ডিয়ান নেচনেল কনফাৰেন্স, হিউমে নিজে বোম্বাইত স্থাপন কৰা ভাৰতীয় জাতীয় সম্মিলন আৰু উত্তৰ দক্ষিণ ভাৰতৰ প্ৰাদেশিক আৰু আঞ্চলিক সম্মিলনবিলাক একত্ৰিত কৰি এনে এটা কেন্দ্ৰীয় অনুষ্ঠান গঠনৰ আৱশ্যকতা অনুভৱ কৰিলে, যি অনুষ্ঠানে ৰাষ্ট্ৰীয় পৰ্যায়ত বিভিন্ন জাতীয় সমস্যা আলোচনা সমালোচনা কৰিব পাৰিব। এই শিক্ষিত দলটোৰ গোপন আশা-আকাংক্ষা, সংহত আৰু সংগঠিত কৰা যাবে, ভাৰতবাসী সঁচাকৈয়ে হিউম আদি উদ্যোক্তাসকলৰ ওচৰত ঋণী। আৰম্ভণিতে কংগ্ৰেছ আছিল দেশৰ জনসাধাৰণৰ দাবী আৰু অভাৱ-অভিযোগসমূহ আবেদন-নিবেদনৰ দ্বাৰা চৰকাৰৰ ওচৰত উত্থাপন কৰা এটা অনুষ্ঠান। কিন্তু আবেদনৰ বাহ্যিক ৰূপটো যিয়েই নহওক, প্ৰাৰ্থনা, অনুৰোধ আদি যি নম্ৰ আৰু মাৰ্জিত ভাষাৰেই লিখা নহওক, প্ৰস্তাৱবিলাকৰ ৰচনা প্ৰণালী আৰু বাৰ্ষিক অধিবেশনসমূহৰ বক্তৃতাত তেজস্বিতা আৰু তীব্ৰতা সদায় পৰিলক্ষিত হৈছিল। এই বক্তৃতাসমূহত শোচনীয় অৰ্থনৈতিক বিসংগতি,

সামৰিক শিক্ষাৰ পৰা ভাৰতীয় লোকৰ বঞ্চিতকৰণ নীতি, বন্দুক আদি অস্ত্ৰ ৰখাৰ নিষেধাজ্ঞা, প্ৰশাসনৰ বিষয়বাবৰ পৰা ভাৰতীয় লোকক বিৰত ৰখাৰ ব্যৱস্থা আদিৰ সমালোচনা আৰু ভাৰতীয় লোকৰ অন্যান্য বহুতো সমস্যা বাস্তৱবাদী দৃষ্টিভঙ্গীৰে আলোচনা কৰা হৈছিল। সেই দিনৰ কংগ্ৰেছৰ বুৰঞ্জীলৈ উভতি চালে আমি এটা উল্লেখযোগ্য কথা দেখিবলৈ পাওঁ যে, স্বাধীনতাৰ দাবী উত্থাপন নকৰাকৈ, চৰমপন্থী বা বিপ্লৱী ধৰণৰ প্ৰস্তাৱ নোতোলাকৈ কংগ্ৰেছ অনুষ্ঠানৰ পৰিচালকসকলে সাংবিধানিক নিয়ম অনুসাৰে পূৰ্ণ পৰ্যায়ৰ স্বায়ত্ব শাসন বা স্বৰাজ লাভৰ অৰ্থে সংগ্ৰাম চলাই গৈছিল। ভাৰতৰ প্ৰধান ধৰ্ম বা সম্প্ৰদায়ৰ একো একোজন লোক যাতে পৰম্পৰাগতভাৱে কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হয়; সাধাৰণ সম্পাদক থকা সময়লৈকে হিউমে (১৯০৭) তেনেদৰে সভাপতি নিৰ্বাচন কৰিছিল।

হিউম

দেউতাক জোচেফ হিউমো ভাৰত চৰকাৰৰ এজন উচ্চ বিষয়া আছিল। হিউম ১৮৪৯ চনত চাকৰিত সোমায়। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ দিনত সুখ্যাতিৰে নিজৰ দায়িত্ব পালন কৰা বাবে তেওঁ পুৰস্কৃত হৈছিল। ১৮৭০ চনত তেওঁ ভাৰত চৰকাৰৰ কৃষি আৰু ৰাজহ দপ্তৰৰ চেক্ৰেটাৰী হয় (১৮৭০-১৮৭৯) ১৮৮২ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। ১৮৮৩ চনত তেওঁ 'ভাৰতীয় জাতীয় সন্মিলন' নাম দি এটা অনুষ্ঠান গঠন কৰে, যিটো ১৮৮৫ চনত জাতীয় কংগ্ৰেছলৈ ৰূপান্তৰিত হয়। তেওঁ ১৮৮৫ চনৰ পৰা ১৯০৬ চনলৈকে ইয়াৰ সাধাৰণ সম্পাদক আছিল যদিও তেওঁ কেতিয়াও সভাপতি হ'বলৈ ইচ্ছা কৰা নাছিল। ১৯০৭ চনত তেওঁ বিলাতলৈ ঘূৰি যায়। তাত গৈয়ো ১৯১২ চনত মৃত্যুৰ আগলৈকে ইণ্ডিয়ান কমিটিৰ কামত আত্মনিয়োগ কৰিছিল।

কংগ্ৰেছৰ প্ৰথম অৱস্থাত অসমৰ ভূমিকা

প্ৰথমৰে পৰাই কংগ্ৰেছৰ অধিবেশনবিলাকত অসমৰ প্ৰতিনিধি-সকলে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৮৮৬ চনৰ কংগ্ৰেছ অধি-

বেশনত চৰকাৰে ন্যায়িক বিচাৰত জুৰি পৰিবৰ্তন কৰিবলৈ চেষ্টা কৰে, জজ আৰু উচ্চ ন্যায়ালয়ক ক্ষমতা দিয়া নীতি সম্পৰ্কে তীব্ৰ বিতৰ্ক চলিছিল। অসমৰ দেবীচৰণ বৰুৱাই 'জুৰি' ব্যৱস্থা সম্পৰ্কে বক্তৃতা দি কৈছিল ঃ "তেওঁলোক (অসমৰ চাহ খেতিয়কৰ দল) সাধাৰণতে নিজেই এটা সুকীয়া শ্ৰেণী। তেওঁলোকৰ যে যথেষ্ট পৰিমাণে শিষ্টাচাৰবেই অভাৱ তেনে নহয়ঃ (ভাৰতীয়সকলৰ ক্ষেত্ৰত) তেওঁলোকৰ ন্যায় বিচাৰবো অভাৱ। এনে মনোবৃত্তি সকলো বৃটিছ লোকৰে স্বভাবগত বুলিও ভুল কৰিবলগীয়া হয়। তেওঁলোকৰ ৰায় সদায় সাক্ষী, প্ৰমাণ বা ন্যায় বিচাৰৰ ওপৰত ভিত্তি কৰি দিয়া নহৈছিল। মোৰ বিবেচনাৰে মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা কৈছো, 'জুৰি' ব্যৱস্থাই অসমৰ ক্ষতি সাধন কৰিছে, আৰু ইয়াৰ কাৰণেই অসমত দুখীয়া কুলিসকল নিৰ্যাতিত হৈছে।"

"অসমৰ দুয়ো উপত্যকাৰ চাহপ্ৰধান জিলাকেইখনত জুৰিত— চাহবাগানৰ মেনেজাৰসকলৰ সংখ্যায়েই বেছি আছিল। গতিকে বাগানবিলাকৰ মেনেজাৰ হত্যা, বলাৎকাৰ আদি গুৰুত্বপূৰ্ণ অভিযোগৰ সকলো চেষ্টা কৰ্টলৈ লৈ আহিছিল—সেই আচামীসকলক জুৰিৰ বিচাৰত খালাচ দিয়া হৈছিল নিৰ্দোষী বুলি। আনহাতে লোকেল বৰ্ডত বাগানবিলাকে বিশেষ কৰ নিদিয়া সত্ত্বেও, প্ৰতিনিধি সংখ্যা বেছি থকাত লোকেল বৰ্ডৰ বেছি টকা বাগানৰ আলি-পদূলি মেৰামতি আৰু যত্নোৰাত খৰছ কৰা হৈছিল। ১৮৮৮ চনত যোৰহাট লোকেল বৰ্ডত জাঁজী নৈৰ ভগা বান্ধ বন্ধ কৰিবৰ কাৰণে টকাৰ প্ৰয়োজন, হেজাৰ হেজাৰ বিঘা খেতিৰ মাটি ৰক্ষাৰ্থে কিন্তু তাত টকা খৰচ নকৰি ডেপুটি কমিচনাৰে চেয়াৰমেনৰ নিৰ্দেশত ৰায়তৰ পৰা তোলা কৰৰ টকা বাগানৰ আলি-পদূলি, দলং, নিমাতি-মৰিয়নি ৰেলপথ নিৰ্মাণত এলাখ টকা খৰছ কৰিছিল।

১৮৮৭ চনত পুনৰ অসম কংগ্ৰেছৰ প্ৰতিনিধি আৰু বঙ্গদেশৰ প্ৰতিনিধি লগ লাগি অসমৰ চাহশ্ৰমিকসকলৰ দুৰ্ভগীয়া অৱস্থাৰ বিষয়ে আলোচনাৰ কাৰণে যি প্ৰস্তাৱ তুলিছিল, উক্ত প্ৰস্তাৱ সভাপতিয়ে দাঙি ধৰিবলৈ নিদিলে।

বিধান সভা বিষয়ক সংস্কাৰ সম্পৰ্কে আৰু সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে কাউন্সিলৰ পৰিধি বৃদ্ধি কৰা আৰু ভাৰতীয় সদস্যৰ দ্বাৰা গঠন

কৰা জুৰি সম্পৰ্কে তোলা প্ৰস্তাৱৰ সমৰ্থনত ৺দেবীচৰণ বৰুৱাই কৈছিল, "প্ৰতিনিধিত্বৰ প্ৰশ্নত আমি সম্পূৰ্ণভাৱে আপোনালোকৰ লগত একমত হৈছো।" অসম প্ৰদেশৰ হৈয়ো মই এই কথা কৈছো। যি কোনো প্ৰকাৰৰ প্ৰতিনিধিৰ ব্যৱস্থা ভাৰতৰ আন সকলো প্ৰদেশৰ দৰে অসমতো প্ৰৱৰ্তন কৰা অতি জৰুৰী হৈ পৰিছে। প্ৰতিনিধিত্ব কৰা পদ্ধতি এটা প্ৰৱৰ্তিত নহ'লে দেশৰ প্ৰকৃত প্ৰয়োজনীয়তা পূৰণ কৰিব পৰা নহ'ব। বিভিন্ন সমস্যা আৰু অভাৱ সাধাৰণভাৱে নিৰ্বাচন কৰি দিয়া প্ৰতিনিধিয়ে দূৰ কৰিব পাৰে। (উচ্চ প্ৰশংসাৰ ধ্বনি) মই এই প্ৰস্তাৱটো আগ্ৰহেৰে সমগ্ৰ অসমীয়া ৰাইজৰ হৈ সমৰ্থন কৰিছো।"

১৮৯৬ চনত কলিকতাত বহা ভাৰতীয় জাতীয় কংগ্ৰেছে অসমৰ গিৰমিট্ৰীয়া চাহ শ্ৰমিক সম্বন্ধে শাস্তিমূলক ব্যৱস্থা থকা সকলোবিলাক আইন তুলি দিয়াৰ দাবী কৰি প্ৰস্তাৱ লয়। এই অধিবেশনৰ পাছৰ পৰা অসমৰ চুক্তিবদ্ধ চাহ শ্ৰমিকৰ সমস্যাৰ বিষয়ে আলোচনা প্ৰায়ে কংগ্ৰেছ অধিবেশনত হৈছিল।

অসমৰ বিভিন্ন অনুষ্ঠানৰ পৰা দুই চাৰিজন প্ৰতিনিধি প্ৰতিবছৰে বহা কংগ্ৰেছ অধিবেশনত যোগ দিবলৈ গৈছিল ১৯২০ চনলৈকে। ১৯২১ চনতহে অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি গঠন হয়। সুৰমা উপত্যকা বঙ্গ কংগ্ৰেছৰ লগতে থাকে। ১৮৮৭ চনৰ অধিবেশনলৈকে গৱৰ্ণৰ প্ৰমুখ্যে ইংৰাজৰ উচ্চ বিষয়াসকলেও কংগ্ৰেছ অধিবেশন বহাত সহায় আৰু যোগদান কৰিছিল। কিন্তু ১৮৮৮ চনত এলাহাবাদত কংগ্ৰেছৰ চতুৰ্থ অধিবেশনত উত্তৰ প্ৰদেশৰ গৱৰ্ণৰ, উচ্চ বিষয়াসকলে কংগ্ৰেছ বহা কাৰ্যত বিভিন্নভাৱে বাধা দিয়ে। আৰু লগতে মুছলিম সম্প্ৰদায়ৰ অন্যতম প্ৰধান নেতা চাৰ চৈয়দ আলি আৰু হাইদৰাবাদৰ নিজাম প্ৰমুখ্যে নেতাই মুছলমানসকলক কংগ্ৰেছ বৰ্জন কৰিবলৈ ফটোৱা জাৰি কৰে। কুৰি শতিকাৰ আৰম্ভণিলৈকে গতানুগতিকভাৱে বিভিন্ন প্ৰধান নগৰত কংগ্ৰেছ অধিবেশন বহিছিল। এই বিভিন্ন অধিবেশনত যোগ দিয়া অসম আৰু বঙ্গ প্ৰদেশৰ প্ৰতিনিধিসকলে চাহ শ্ৰমিকৰ শোচনীয় দুৰৱস্থা, মেনেজাৰসকলৰ বৰ্বৰতা, গিৰমিটীয়া দিয়া আইন বিষয়ে তুলিছিল; মজুৰি বৃদ্ধিৰ দাবী কৰিছিল, আনহাতে অসম কৃষক আন্দোলন, খাজনা বৃদ্ধি, চৰকাৰৰ দমন নীতিৰ বিষয়েও তুলিছিল।

ৰাজ্য উদ্ধাৰৰ দ্বিতীয় প্ৰচেষ্টা

আগতে উল্লেখ কৰি অহা হৈছে যে যে ধনঞ্জয় বুঢ়াগোঁহাই কেইজনমানৰ সৈতে জেলৰপৰা পলাই নগা পাহাৰলৈ যায়। তাৰ পাছত মোৱামৰীয়া ৰাজ্যত সোমায়। পুনৰ গোটেই উত্তৰ-পূব সীমান্ত অঞ্চলৰ মটক, খামটি, চিংফৌ, খাচী, গাৰো, নগা আদি বিভিন্ন ৰাজ্যৰ ৰজা আৰু চীফ সকললৈ গোপনে কটকী পঠায় আৰু একত্ৰিত ভাবে ইংৰাজক উত্তৰ-পূব অঞ্চলৰ পৰা খেদিবৰ কাৰণে সহায়-সহযোগ বিচাৰে। এনেতে বদন বৰফুকনৰ পুতেক পিয়লী বৰফুকনেও আহি তাত যোগ দিয়েহি।

১৮৩০ চনৰ মাঘৰ বিহুৰ পাছত ধনঞ্জয় বুঢ়াগোহাঁই সৈন্য সামন্ত লৈ ৰংপুৰ আক্ৰমণৰ সিদ্ধান্ত কৰে। বুকুখুমান হাকওৱানৰ নেতৃত্বত চিংফৌ সকলে অসমৰ বিদ্ৰোহী সকলৰ লগত সংযুক্ত আক্ৰমণৰ সম্বেদ পাই তাক প্ৰতিৰোধ কৰাৰ চেণ্টা কৰে। ইংৰাজে প্ৰথমতে চিংফৌ বিদ্ৰোহ দমনৰ অৰ্থে ফৌজ পঠায় আৰু ফেব্ৰুৱাৰী মাহৰ মাজ ভাগত চিংফৌ সকলৰ বিদ্ৰোহ নিষ্ঠুৰভাৱে দমন কৰে।

খামটি ৰজা শদিয়াখোৱা গোঁহায়ে বিশ্বাসঘাটকতা কৰি ১৮৩০ চনৰ ফেব্ৰুৱাৰীত ধনঞ্জয়ৰ পুত্ৰ-বিদ্ৰোহীসকলৰ অন্যতম নেতা হৰনাথক ইংৰাজৰ হাতত গটাই দিয়ে।

ধনঞ্জয় গোঁহাই হতাশ নহৈ চোপাবৰ, লাকুৱা, জয়পুৰ অঞ্চলৰ পৰা চাৰিশমান ডেকা সংগ্ৰহ কৰি এটা সৈন্য দল গঠন কৰে। ৰংপুৰত ৩০ টা মান চিপাহীৰ সৈতে এজন জমাদাৰৰ অধীনত খাৰ-ঘৰ ৰখীয়া এটা সৈন্যৰ দল আছিল। ১৮৩০ চনৰ ২৫ মাৰ্চৰ দিনা ৰংপুৰ অধিকাৰ কৰিবৰ কাৰণে দল বান্ধি ৪০ জনমান লোকে জিউৰাম দুলীয়া বৰুৱা, খামটি বুঢ়াগোঁহাই, ধনঞ্জয়, হৰনাথৰ নেতৃত্বত ৰংপুৰ অধিকাৰ কৰিবৰ কাৰণে আহে। চাকোলা পিয়লী বৰফুকন আহিছিল মানুহৰ কান্ধত উঠি। জিউৰামে শুকান নাহৰ গুড়িত জুই লগাই খাৰঘৰটোলৈ জাঁপ মাৰে। খাৰঘৰটোৰ চালত জুই লাগি সকলো ফালে পোহৰ হৈ উঠিল। কোম্পানীৰ চিপাহীয়ে খেদি যোৱাত এটাইবোৰ পলাই সাৰে। লোকৰ কান্ধত উঠি যোৱাত পিয়লী ফুকন পলাই সাৰিব নোৱাৰিলে।

পাছত কোম্পানীৰ ফৌজৰ লগত চৰাইদেউৰ ওচৰত খণ্ডযুদ্ধ

—৩

হয়। যুদ্ধত বহুতো মৰিল, কিছু ঘূণীয়া হ'ল আৰু বাকীবোৰ পলাল। হৰনাথ বৰগোঁহাই, জিউৰাম দুলীয়া বৰুৱা, ৰূপচন্দ্ৰ কোঁৱৰ, দেউৰাম দিহিঙীয়া ফুকন আৰু ব'ম চিংফৌক গ্ৰেপ্তাৰ কৰিলে।

ধনঞ্জয় বৰগোঁহাই পলাই গৈ নগাপাহাৰত সোমায়। হৰনাথ বৰগোঁহাই, জিউৰাম দুলীয়া বৰুৱা, ৰূপচন্দ্ৰ কোঁৱৰ, দেউৰাম দিহিংগীয়া ফুকন আৰু ব'ম চিংফৌক ধৰি আনি বিচাৰৰ নিমিত্তে বন্দী কৰি থলে। পিয়লী বৰফুকনক ধৰি কাপ্তান নৌৰিল চাহাবৰ আগত হাজিৰ কৰিলেহি। নৌৰিলে ফুকনক সুধিলে, ''তুমি বিদ্ৰোহাচৰণ কিয় কৰিছিলা ?''

ফুকনে উত্তৰ দিলে—''মই দেশ উদ্ধাৰ কৰিবলৈ অহা সচাঁ। দৰাচলতে কোনেও পৰাধীন হৈ থাকিবলৈ ভাল নাপায়। আমি মৰিম বুলি ভয় কৰি তোমালোকক খেদিবলৈ এৰা নাই।''

পিয়লীফুকনৰ বীৰোচিত বাক্য শুনি চাহাব মনে মনে থাকিল। জয়সাগৰৰ পুখুৰী পাৰত সদৰ দেৱানী পঞ্চায়তত বিচাৰৰ কাৰণে বিদ্ৰোহীসকলক পঠিয়াই দিয়া হ'ল। বিষয়া আৰু মেলুৱৈ সকলে সুধি পুচি সিবিলাকক ৰজাদিনীয়া নিয়মমতে ৰাজদ্ৰোহী বুলি সাব্যস্ত কৰিলে আৰু সেইমতে নানা লঘু-লাঞ্ছনা কৰি ফাঁচী দিবলৈ স্থিৰ কৰা হ'ল। কিন্তু পিয়লী আৰু জিউৰামৰহে অকল ফাঁচী হব লাগে বুলি অনুমোদনৰ বাবে কমিছনাৰ জেন্কিন্সৰ ওচৰলৈ পঠিওৱা হ'ল।

তেওঁৰ পৰা আদেশ আহি পোৱাত পলম হোৱা বাবে মেৰী চাহাবৰ নিৰ্দেশ অনুসৰি তেওঁলোক দুয়োজনকে শিৱসাগৰ বৰপুখুৰী পাৰৰ ঈশান কোণত ফাঁচী দিয়া হ'ল। দ্বিতীয়বাৰ ৰাজ্য উদ্ধাৰৰ প্ৰচেষ্টা এইদৰে কৃতকাৰ্য্য নহ'ল।

১৮৯২ চনৰ কৃষক আন্দোলন

১৮৯২ চনত মাটিৰ নতুন জৰীপ কৰি, মাটি শ্ৰেণীৰ ভাগ কৰি, মাটিৰ শ্ৰেণী অনুযায়ী খাজনা শতকৰা ৭০-৮০ৰ পৰা ১০০ শতাংশ ভাগ বৃদ্ধি কৰাত গোটেই অসমৰ খেতিয়ক আতংকিত হৈ পৰে। এনেদৰে সঘনে মাটি আৰু কামিৰ দাম বৃদ্ধি কৰাত, অসমবাসীয়ে আগৰ বৃদ্ধি খাজনা দিয়াতকৈ সৰহ সংখ্যক খেতিয়কে মহাজনী

ব্যৱসায়ীক তেওঁলোকে ধাৰ্য কৰা দামতে ধান-সৰিয়হ, মাছি-মাহ আদি বিক্ৰী বা কিছুৱে পথাৰতে শস্য বন্ধক দিব লগা হৈছিল।

খাজনা বৃদ্ধিৰ বিষয়ে উত্তৰ কামৰূপ, দৰং জিলাৰ খেতিয়কসকলৰ মাজত মেল বহি ইয়াৰ প্ৰতিবাদ আৰু বৰলাটলৈকো খাজনা বৃদ্ধি বন্ধ কৰিবলৈ আবেদন দিয়াৰ সিদ্ধান্ত কৰে। নগাঁও কৃষক সভা, যোৰহাটৰ সাৰ্বজনীন সভা, শিৱসাগৰ, লক্ষীমপুৰ ৰাইজেও খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰে। অসম চীফ্ কমিচনাৰ চাৰ উইলিয়াম ৱেৰ্ডেসৰ খৰালি কালিৰ ভ্ৰমণত বিভিন্ন অঞ্চলৰ ৰাইজে তেওঁক খাজনা বৃদ্ধিৰ পুনৰ বিবেচনা আৰু বৰলাটলৈ কৰা নিবেদনৰ বিচাৰ নোহোৱা পৰ্যন্ত বৃদ্ধি হাৰত খাজনা তোলাটো বন্ধ ৰাখিবৰ কাৰণে নিবেদন জনায়। কিন্তু চীফ্ কমিচনাৰৰ পৰা সুবিচাৰ নেপাই ৰাইজৰ মাজত আলোড়নৰ সৃষ্টি হয়।

১৮৯২ চনৰ ডিচেম্বৰ মাহত ৰঙীয়া, লাছিমা, দৰং জিলাৰ পথৰুঘাটত তহছিল ৰাইজে মেল বহি খাজনা নিদিয়াৰ সিদ্ধান্ত কৰে। বৰমা, বজালী, নম্বাৰী, পাতিদৰং, উপৰ বৰভাগ, সৰুক্ষেত্ৰী অঞ্চলৰ ৰাইজেও মেল বহি খাজনা নিদিয়াৰ সিদ্ধান্ত কৰে। খাজনা নিদিয়াৰ বাবদ মাটি নিলামত দিলে কোনোৱে যাতে নলয়, আৰু খাজনা দিয়া বা নিলামত মাটি লোৱা লোকক সমাজচ্যুত কৰাৰো সিদ্ধান্ত কৰে। দোকানী, মহাজন, ব্যৱসায়ীসকলৰ প্ৰতিও মানুহৰ খং আছিল। ধান-সৰিয়হ কম দামত লোৱা, সুদৰ হাৰ বছৰি বৃদ্ধি, তেওঁলোকৰ প্ৰয়োজনীয় বস্তুৰ দাম বৃদ্ধি, বাৰিষা কালত তেওঁলোকৰ পৰা কম দামত লোৱা ধান লুকুৱাই ৰাখি অতিৰিক্ত দামত পুনৰ বিক্ৰী কৰা ইত্যাদি। খাজনা বৃদ্ধি আৰু ব্যৱসায়ীসকলৰ ওপৰত উল্লেখ কৰা কাৰ্যৰ প্ৰতিবাদত ৰাইজে হাট-বজাৰ বৰ্জন কৰে। ১৮৯২ চনৰ ২৪ ডিচেম্বৰৰ পুৱা ৰঙিয়া বজাৰ লুটপাত হয়, আৰু আবেলি বজাৰৰ ঘৰ আদি কিছুমান লোকে পুৰি পেলায়। ৩০ ডিচেম্বৰত প্ৰায় তিনি হেজাৰ লোক ৰঙিয়াত গোট খায়। গোটেই ৰাতি শোভাযাত্ৰা আদি কৰি প্ৰতিবাদ জনায় আৰু ৰঙিয়া থানা আক্ৰমণ কৰাৰ ভয় দেখুৱায়; কিন্তু পুলিচ আহি পোৱাত বিশেষ ঘটনা নঘটিল। ১৮৯৩ চনৰ ৬ জানুৱাৰীত ডেপুটি কমিচনাৰে এটা সশস্ত্ৰ বাহিনী লৈ ৰঙিয়াত উপস্থিত হয়গৈ আৰু ২৪ ডিচেম্বৰ তাৰিখৰ ঘটনাত লিপ্ত কিছু

লোকক গ্ৰেপ্তাৰ কৰে। আগৰ সিদ্ধান্ত অনুযায়ী ১০ জানুৱাৰীত বৰ্তমান বজিয়া থানা আৰু কংগ্ৰেছ ভৱন থকা ঠাইত তিনি হেজাৰৰ অধিক ৰাইজ সমবেত হৈ গ্ৰেপ্তাৰ কৰা লোকসকলক মুক্তি দিবলৈ দাবী কৰে। আলোচনাত উত্তপ্ত পৰিৱেশৰ সৃষ্টি হোৱাত ৰাইজ অতিষ্ঠ হৈ উঠে। ৰাইজে গ্ৰেপ্তাৰ হোৱাসকলক খালাচ দিব লাগে বুলি চিঞৰ-বাখৰ কৰে আৰু ডেপুটি কমিচনাৰৰ বাধা সত্ত্বেও থানাৰ ফালে আগবাঢ়ি যায়। ৰাইজৰ ধ্বনি আছিল, "বৰ্দ্ধিত হাৰত খাজনা নিদিওঁ; গ্ৰেপ্তাৰ কৰি ৰখা সকলক এৰি দিয়ক।" গধুলি হোৱাৰ লগে লগে ৰাইজে এনে ধ্বনি দি গ্ৰেপ্তাৰ কৰি ৰখাসকলক মুক্ত কৰিবৰ অৰ্থে থানাৰ ওচৰৰ ঘৰ আদি দখল কৰি থানা আক্ৰমণ কৰিবলৈ আগবাঢ়ি যোৱাত ডেপুটি কমিচনাৰে গুলী চালনাৰ হুকুম দিয়ে। এই গুলী চালনাত কিমানৰ মৃত্যু হ'ল, কিমানৰ জখম হ'ল তাৰ কোনো চৰকাৰী ৰিপোৰ্ট পোৱা নাযায়। চৰকাৰী ৰিপোৰ্ট মতে কোনো লোকৰ মৃত্যু হোৱা নাই। স্থানীয় লোকৰ আৰু বিভিন্ন লোকৰ বিৱৰণী মতে, এই গুলী চালনাত জাতি, ধৰ্ম নিৰ্বিশেষে ২৭ জন লোক নিহত হয়। এই ঘটনা ঘটে ১৮৯৪ চনৰ ১০ জানুৱাৰীৰ সন্ধিয়া সময়ত। নিহত হোৱা হিন্দু-মুছলমান সকলোকে বৰ্তমান পুলিচ থানাৰ ওচৰতে ৰাতিৰ ভিতৰতে পুলিচে একেটা গাঁততে পুতি থয়।

এই ঘটনাৰ পাছত বজিয়াত সশস্ত্ৰ বাহিনী আৰু ভলণ্টিয়াৰ ফৌজ বাহিনী মকৰল কৰা হয়। বিনা অনুমতিত মেল পতা বন্ধ কৰা হুকুম জাৰি কৰে। বন্দুক আদি জব্দ কৰা হয়। মাৰ-ধৰ কৰি, জোৰ-জুলুম আৰু অত্যাচাৰ-উৎপীড়ন কৰি, মানুহৰ সম্পত্তি বাজেয়াপ্ত কৰি, গৰু, ম'হ, ছাগলী, কাঁহি-বাটি, অা-অলংকাৰ নিলাম কৰি ধাৰ্য কৰা ৯০,০০০ টকাৰ ভিতৰত প্ৰথম কিস্তিত বজিয়া অঞ্চলৰ পৰা ৬০,০০০ টকা তোলা হয়। উত্তৰ কামৰূপত বন্দুক জব্দ কৰা হয়। আৰু সকলো মুখীয়াল সম্ভ্ৰান্ত লোকক খাজনা আদায় আৰু শান্তি ৰক্ষাৰ কামত বিশেষ পুলিচ হিচাপে নিযুক্ত কৰে।

বজালী অঞ্চলত ইশান গাঁৱৰ পৰা সিধন গাঁৱলৈ ৰাইজৰ মেলৰ খাজুৰি নিবৰ কাৰণে পিয়ন নিযুক্ত কৰিছিল। সা-সম্পত্তি ক্ৰোক বা বাজেয়াপ্ত প্ৰতিৰোধ কৰিবৰ কাৰণে লাঠিয়ালৰ সংগঠনো কৰিছিল,

আৰু নিলাম কৰা বস্তু যাতে কোনোৱে নলয় তাৰ নিৰ্দেশ দিয়া হৈছিল।

১৮৯৪ চনৰ ২৭ জানুৱাৰীত সৰুক্ষেত্ৰী মৌজাৰ লছিমা অঞ্চলৰ 'কাপলা' গাঁৱত খাজনা তুলিবলৈ যাওঁতে মৌজাদাৰ আৰু মণ্ডলক মানুহে মাৰ-ধৰ কৰে। পুলিচ গৈ এই সংক্ৰান্তত ৭৫ জন মানুহক গ্ৰেপ্তাৰ কৰি থানাত আটক কৰে। পাছত হাজাৰ হাজাৰ মানুহে আহি, আটক কৰি ৰখা মানুহক বলেৰে মুক্ত কৰি লৈ যায়। এই বাতৰি পাই ডেপুটি কমিচনাৰ সশস্ত্ৰ বাহিনীৰ সৈতে ঘটনাস্থলীত উপস্থিত হয়গৈ আৰু ৫৭ জনৰ অধিক লোকক গ্ৰেপ্তাৰ কৰি অস্থায়ী শিবিৰত বন্দী কৰি ৰাখে। ২৫ তাৰিখে ৩/৪ হেজাৰৰো অধিক মানুহে সমবেত হৈ, গ্ৰেপ্তাৰ হোৱা সকলক মুক্তি দিবলৈ আৰু বৃদ্ধি হাৰত খাজনা তোলা বন্ধ কৰিবলৈ জিলা মেজিষ্ট্ৰেটৰ ওচৰত দাবী জনায়। ডেপুটি কমিচনাৰে তেওঁলোকৰ দাবী মানিবলৈ অস্বীকাৰ কৰাত, ৰাইজে ধ্বনি তুলি আগবাঢ়ি যোৱাত সশস্ত্ৰ বাহিনীয়ে লাঠিচালনা আৰু গুলী চালনাৰ দ্বাৰা ৰাইজক খেদি পঠিয়ায়। এই সংঘৰ্ষত আহত-নিহত হোৱা লোকৰ কোনো হিচাপ পোৱা নহ'ল।

পথৰুঘাটৰ ৰণ

উত্তৰ কামৰূপৰ আন্দোলনৰ লগে লগে পুনৰ পথৰুঘাট অঞ্চলত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বৰ্দ্ধিত হাৰত খাজনা নিদিয়া আৰু যিসকলে খাজনা দিব খোজে সেইসকলক বন্ধ কৰাৰ ব্যৱস্থা লোৱাৰ কাৰণে ১৮৯৪ চনৰ জানুৱাৰীত সপ্তাহ জুৰি ৰাইজৰ মেল বহিল। মেলত সিদ্ধান্ত হ'ল যে, খাজনা দিয়া বন্ধ কৰিব লাগে আৰু যিসকলে দিব তেওঁলোকক বৰ্জন আৰু জৰিমনা কৰিব লাগে।

১৮৯৪ চনৰ জানুৱাৰী মাহত পথৰুঘাটত সমগ্ৰ মঙলদৈ মহকুমাৰ ৰাইজে ইংৰাজ চৰকাৰৰ বিৰুদ্ধে বিদ্ৰোহ কৰি দেশৰ বাবে আত্মবলিদান দিয়ে। ১৮৪২ চনত দৰং জিলাৰ মাটি জৰীপ কৰা হয়। তাৰ ফলত আগৰ ৪১,৫০৬ টকা খাজনা বাঢ়ি গৈ ১,৩৫,৪৫৪ টকা হয়গৈ। পুনৰায় ১৮৬৩ চনৰ পিয়লত দৰং জিলাৰ খাজনা ৭,৪৩,৬৮৯ টকালৈ বৃদ্ধি হয়। বেছিভাগবোৰ ৰাইজে শান্তিপূৰ্ণভাবে চৰকাৰৰ ওচৰত ইয়াৰ প্ৰতিকাৰ বিচাৰিছিল, কিন্তু একো ফল নধৰাত অঞ্চলটোত মহকুমাৰ সকলো ৰাইজে মেল পাতি এটা নতুন

হাৰৰ বৰ্দ্ধিত খাজনা নিদিবলৈ সিদ্ধান্ত কৰে। পথৰুঘাটৰ তহচিল-দাৰে এই খবৰ চৰকাৰক জনালে। ডেপুটি কমিচনাৰ এণ্ডাৰছন, মহকুমাধিপতি মেমচন আৰু পুলিচ বিষয়া বেৰিংটন লগত কিছুমান চিপাহী লৈ ২৭ জানুৱাৰী তাৰিখে পথৰুঘাটলৈ আহে। ৰাইজে এই খবৰ আগৰপৰাই পাইছিল। সেইদিনা সমগ্ৰ মহকুমাৰ গাঁওসমূহৰ মুখীয়াল লোকসকলৰ সৈতে শ শ ৰাইজ এই ঠাইত সমবেত হয়হি। চাহাব আৰু চিপাহীবিলাক আহি উপস্থিত হোৱাত ৰাইজে ধ্বনি দি চৰকাৰী বিষয়াসকলক সম্বৰ্ধনা জনালে আৰু বৰ্দ্ধিত হাৰত খাজনা নিদিয়াৰ সিদ্ধান্ত জনায়। কিন্তু চাহাবহঁতে ৰাইজৰ সিদ্ধান্ত নমনাত দুয়োপক্ষৰ মাজত তৰ্ক বিতৰ্ক হয়। ৰাইজৰ মুখীয়ালসকলে চাহাবক পুনৰ বুজাই বঢ়াই অনুৰোধ কৰাৰ উদ্দেশ্যে আগবাঢ়ি যোৱাত চিপাহীবিলাকে বাধা দিয়ে আৰু বন্দুকৰ কুন্দাৰে খুন্দিয়াই দিয়ে। স্বাধীনচিতীয়া জনতাই আঘাত আৰু অপমানত ক্ষুব্ধ হৈ জীৱনৰ মমতা পাহৰি লাঠি-জোং লৈ খেদি যায়। চাহাবে পূৰ্ব পৰিকল্পিত-ভাৱে গুলী চলাবলৈ হুকুম দি পলাই গৈ বাংলাত সোমাই থাকে। গুলী খাই এদল ধৰাশায়ী হ'ল। পিছুত থকাসকলে ওচৰত থকা টাঙোন-বাঁহ যি পালে তাৰেই আক্ৰমণ কৰিলে। চিপাহীয়ে গুলী চলায়ে থাকিল। অৱশেষত গুলীৰ আঘাতত ৰাইজ তিষ্ঠিব নোৱাৰি ছত্ৰভঙ্গ দিলে। এই ঘটনাত ৰাইজৰ পক্ষৰ ২৫ জন লোকৰ মৃত্যু হ'ল। ৫০ জনতো অধিক লোক বিষমভাৱে আহত হ'ল। বহুতো লোকক গ্ৰেপ্তাৰ কৰিলে। কিছুমান আহত ব্যক্তিকো মঙ্গলদৈ জাটেকত বন্দী কৰিলেহি। এশতো অধিক মানুহৰ জাটেক জৰিমনা আদি হ'ল। গুলীত মৃত্যু হোৱা হিন্দু-মুছলমান শহীদসকলক একেটা গাঁততে পুতি থলে। এই বণৰ সকলো মৃত ব্যক্তিৰ নাম পোৱা কঠিন। কেইজনমান শহীদৰহে নাম পোৱা যায় মাথোন। তাৰে বিৱৰণ তলত দিয়া হ'ল।

(১) দোমহ শৰ্মা—বিয়াহপাৰা, (২) মঃ ৰবলিকিবা শেখ—মুছলিম জাপা (ৰবজ'বা), (৩) প্ৰাণহৰি শৰ্মা—দাঁহি, (৪) মঃ কাটো শেখ—ৰবকনীয়া জাৰি, (৫) মনদেউ শৰ্মা—আজীখাপাৰা, (৬) মঃ বাজি শেখ—ঘোপা, (৭) বকুল কোচ—ৰবমপুৰ, (৮) শিলেটকুছীয়া বুঢ়া—শিলেটকুছি, (৯) নাগৰু কোচ—ৰবমপুৰ, (১০) আঠিয়া কোচ—গাভি

দবং, (১১) শিওৰাম দাস, (১২) নয়ন কোঁছ, (১৩) বঙা শার্লৈ, (১৪) ভুবণ কোঁছ, (১৫) সৰুবাপু বেজ, (১৬) বতিৰন, (১৭) হৰি-ৰাম, (১৮) ভাতিৰাম পাওঁবুঢ়া, (১৯) তপধন ডেকা, (২০) বাগৰু কোঁছ, (২১) ৰিনা ৰাম, (২২) শম্ভু কোঁছ ; তিনিজনক চিনাক্ত ক'ৰিব নোৱাৰি বাটকৰা বুলি ৰিপোর্ট দিয়ে। চিপাহী আৰু খাজনা তোলাসকলৰ উৎপীড়ন, জোৰ-জুলুমত বাটজ পেপুৱা হ'ল।

অসমৰ এই কৃষক বিদ্রোহৰ সম্পৰ্কত ৰাসবিহাৰী বসুৱে গৱৰ্ণৰ জেনেৰেল আৰু কাউন্সিল অৱ ইণ্ডিয়াত বিভিন্ন ধৰণৰ প্ৰশ্ন তুলি ভাৰত চৰকাৰক প্ৰতিবাদ জনাইছিল।

ভাৰত চৰকাৰে খাজনাৰ বৃদ্ধিৰ হাৰ কমাই ৩২·৭ শতাংশ কৰে আৰু কৃষকৰ অৱস্থাৰ বুজ লবৰ কাৰণে ১৯০৩ চনত বয়েল কমিচন বহুৱায়। এনে উৎপীড়ন আৰু অত্যাচাৰেও অসমৰ কৃষকৰ সাহ-পিত মাৰিব নোৱাৰিলে। খাজনা বৃদ্ধি আৰু গ্ৰেজিং টেক্সৰ প্ৰতিবাদত তেওঁলোক বাৰে বাৰে জাগি উঠিছিল।

"অসমত কৃষকসকলৰ বিদ্রোহে অতি ভয়ানক ৰূপ ধাৰণ কৰিছিল। এই বিদ্রোহ দমনৰ ব্যৱস্থা তাতোকৈও ভয়ানক আছিল। অমৃতবাজাৰ পত্ৰিকাৰ মন্তব্য মতে বোধহয় এইটোৱেই চৰকাৰৰ বিৰুদ্ধে কৰা কৃষকসকলৰ প্ৰথম আৰু সৰ্ববৃহৎ বিদ্রোহ আছিল। দাক্ষিণাত্যত টকা ধাৰলৈ দিয়া লোকসকলৰ বিৰুদ্ধে বিদ্রোহ হৈছিল। বঙ্গদেশত ১৮৬০ চনত নীলবাগানৰ মালিকৰ বিৰুদ্ধে আৰু ১৮৭২ চনত পাবনাত জমিদাৰৰ বিৰুদ্ধে বিদ্রোহ হৈছিল। কিন্তু অসমত সেই সময়তে চৰকাৰৰ বিৰুদ্ধে কৰা প্ৰচণ্ড আৰু সন্মুখ বিদ্রোহ আছিল।" *

সৰ্থেবাৰী অঞ্চলৰ প্ৰজাবিদ্রোহ

সৰ্থেবাৰী অঞ্চলটো জনজাতন হোৱা বাবে খেতি-বাতি প্ৰায়েই নষ্টহৈছিল। সৰহসংখ্যক লোক আছিল কাঁহশিল্প আৰু বেহা-বেপাৰ কৰি খোৱা লোক। বহুকেইজনৰ অৱশ্যে খাজনাখিনি দিয়াটোও এটা সমস্যাৰ কথা হৈছিল। মণ্ডলবিলাকে চৰকাৰৰ খাজনা বৃদ্ধি কৰা দেখুৱাবলৈ যাবে তাবে প্ৰায়ত মাটিৰ পট্টা দিছিল। অনাহকত খাজনা বৃদ্ধি কৰা,

* ১৮৯৪ চনৰ ফেব্ৰুৱাৰী মাহৰ ১২ তাৰিখৰ 'অভিৰাম মোচন' কাকতৰ পৰা উদ্ধৃত।

অন্যায় আৰু অযথা জুলুমত ৰাইজ ভিতৰি ভিতৰি বৰ কষ্ট হৈ আছিল। দ্বিতীয়তে, নৈ-বিলৰ পলসুৱা অঞ্চলত খৰালি হলে খেতিয়ক-সকলে সৰিয়হ, মাটিমাহ খেতি কৰিছিল। এই খেতিয়কসকল বৰ্ত্তিয়া, নলবাৰী, চামতা, বেলশৰ আদি দূৰ ঠাই আৰু ওচৰৰ গাঁওবোৰৰ লোক আছিল। সমবায় পদ্ধতিৰে লগ হৈ জাৰকালি একোটা একোটা অঞ্চল কৰি দিহাদিহি গৈছিল। এই অঞ্চলবোৰৰ বাবে ব্যাসকুছি, ৰাছিলা, বনিয়াকুছি আদিৰ সত্ৰীয়া মহন্তসকলেও দেৱোত্তৰ, ধৰ্মোত্তৰ মাটিৰ বাবদ একোটা অংশ পাইছিল। মাজিসকলেও খৰালিৰ এই কৃষিকৰ্মত অংশ লৈছিল। পাছত এই সকলো কৃষকৰ ওপৰতে খাজনা লগাই দিয়া হ'ল। এই কামত কৃষকৰ উপৰিও গোঁসাই, মহন্ত আৰু সত্ৰীয়াসকলো ক্ষতিগ্ৰস্ত হ'ল। এই বিষয়ে আলোচনাৰ অৰ্থে পানাগাঁৱৰ টুপত (চাপৰিত) এখন ডাঙৰ মেল বহিল। সকলো চহুৱা, মাজি, সৰ্থেবাৰীৰ মুখীয়াল লোকসকল, সত্ৰীয়া, গোঁসাই, ব্ৰাহ্মণ আদি এই আলোচনা সভা বা মেলত যোগদান কৰিছিল। ব্যাসকুছি সত্ৰৰ অধিকাৰী ৺যোগেশ্বৰ গোস্বামী আছিল এই মেলৰ সভাপতি বা মুখ্য মেলুৱৈ। হলিৰাম মণ্ডলে এনে অন্যায়ভাবে মাটিৰ পট্টা দি জুলুমত পেলোৱা, আনহাতে তেওঁ পুলিচক ৰাইজৰ গুপ্ত আলোচনা আদিৰ খবৰ দি থকাৰ বাবে কেইজনমানে আলোচনাক্ৰমে তেওঁক মাৰধৰ কৰি অপমান কৰাৰ সিদ্ধান্ত কৰে।

মৌজাদাৰ দাসীৰাম চৌধাৰীকো, তেওঁ অনাহকত ৰাইজক অপমান কৰা আৰু বয়-বস্তু, গৰু-ছাগলী নিলামত দি খাজনা আদায় কৰাৰ বাবে তেওঁকো মাৰধৰ কৰি অপমান কৰাৰ সিদ্ধান্ত কৰে। দুয়োকো অপমান কৰাৰ ভাৰ পৰিল পুষ্প কঁহাৰ প্ৰমুখ্যে ডেকাদলৰ ওপৰত।

ৰাইজৰ সিদ্ধান্ত অনুসৰি মণ্ডল আৰু মৌজাদাৰ দুয়োকো ভালকৈ মাৰধৰ কৰি অপমান কৰা হয়। মৌজাদাৰে পুলিচ নহলে খাজনা তোলা সম্ভৱ নহ'ব বুলি আপত্তি কৰাত বৰপেটা মহকুমাধিপতি মাধৱচন্দ্ৰ বৰদলৈ স্বয়ং সৰ্থেবাৰীলৈ আহে। তেওঁ দিয়া জাননী অনুসৰি ৰাইজ সৰ্থেবাৰীত সমবেত হ'ল। হাকিমে ৰাইজক অতি কটু ভাষাত গালি-শপনি পাৰি খাজনা নিদিলে পুলিচ লগাই খাজনা তোলা হ'ব বুলি হুমকি দিলে আৰু সত্ৰীয়া, গোঁসাই, মহন্ত

আদিক 'ইহঁত' 'সিহঁত' বুলি তিৰস্কাৰ কৰাত পুষ্পৰাম কঁহাৰ আৰু কাণকটা মেলকি নামৰ দুজন ডেকাই উঠি তাৰ ঘোৰ প্ৰতিবাদ জনালে। তেওঁলোকে ক'লে, "হাকিম ঈশ্বৰ বৰ ডাঙৰ মানুহ হ'লেও প্ৰভু যোগেশ্বৰ গোস্বামী আদি সন্যাসী সত্ৰীয়া-মহন্তসকলক এনে তুচ্ছ ভাষা প্ৰয়োগ কৰি কথা কোৱাটো দোষৰ কথা হৈছে। আৰু হজুৰৰ ব্যৱহাৰৰ দ্বাৰা সকলোকে অপমান কৰা হৈছে, আপুনি হাকিম, ডাঙৰ মানুহ; আমি আপোনাক দণ্ড কৰিব নোৱাৰো। তথাপি গুৰু-গোঁসাই আৰু সমূহ ৰাইজক অপমান কৰাৰ বাবে আপুনি পাঁচটকা মাননি হিচাপে আগবঢ়াব লাগে।" ৰাইজে জয়ধ্বনি দি সমৰ্থন কৰাত পৰিস্থিতি বুজি হাকিমে, তামোল খোৱা বঁটাখনতে টকা পাঁচটি আগবঢ়াই ক্ষমা খুজি বিপদৰ পৰা ৰক্ষা পৰিল। হাকিমৰ অৱস্থা নিৰাপদ নহয় যেন দেখি হাগ্ৰা গাওঁবুঢ়াই ৰাতি গোপনে নাৱেৰে হাকিমক বৰপেটাত পলুৱাই থয়গৈ।

হাকিম বৰপেটা পায়ে সৰ্বেৰবীয়া প্ৰজাক এশিকনি দিবলৈ পাছদিনাই এটা সশস্ত্ৰ চিপাহী দল পঠাই দিলে। পানাগাঁৱত চিপা-হীয়ে চকী পাতি বহি ললে। আৰম্ভ হ'ল প্ৰজাৰ ওপৰত নিৰ্য্যাতন। পুলিচে যাকে তাকে সন্দেহ কৰি ধৰি নি, গৰু-ম'হৰ দৰে পথাৰে দুজন-দুজনকৈ সাঙুৰিলে। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সত্ৰীয়া-সজ্জন সকলোকে এইদৰে পশুৰ দৰে ব্যৱহাৰ কৰা হ'ল। পানাগাঁৱৰ বৰি মাটিত এই মানুহবিলাকক কান্ধত নাঙল, জুৱঁলী দি টানিবলৈ দিয়া হ'ল। আঠুকাঢ়ি নাঙল টানিব নুখুজিলে বা টানিব নোৱাৰিলে পুলিচৰ সৌকাৰ কোৰ চাট্‌কৰে পিঠিত পৰে। ৰাইজৰ মাজত ভীষণ আতঙ্কৰ সৃষ্টি হ'ল। তথাপি নিষ্ঠুৰ শাসকৰ ওচৰত সেও নমনা উগ্ৰ সাহসী ডেকা কিছুমানে এটা প্ৰতিৰোধকাৰী শক্তি তলে তলে গঠন কৰিলে। তেওঁলোকৰ ভিতৰত মুখ্য আছিল পুষ্পৰাম কঁহাৰ, মুলুং, কাণকটা মেলকি, অভয় মেলকি, মুটলে আৰু জানকী কঁহাৰ আদি। অংশ গ্ৰহণকাৰী আন মেলুকৈসকলৰ ভিতৰত আতাথেৰ ভবান (ভৱনাথ) সদাগৰ, তালুকদাৰথেৰ জিনা মণ্ডল, কাজিথেৰ সিজুমল বৰপাঠক, কাটিয়াথেৰ ভকতৰাম মেধৰ, বহতীয়াথেৰ নাৰায়ণমল জগমল পাটোৱাৰী আৰু আন আন বহুতো। ওচৰ-পাজৰৰ গাঁৱৰ পৰা যি সকলৰ নাম শুনা যায়, তাৰ ভিতৰত নাম্‌শদাৰ বিষ্টু পাটোৱাৰী

অনুঃখোৱাৰ লাম্মি মণ্ডল, চানা পণ্ডিত আৰু কালামণি সাবাহ, হালধিবাৰী গাঁৱৰ উকীল গোহাঁইৰ পিতৃ, ব্যাসকুছিৰ ৰামচন্দ্ৰ তালুকদাৰৰ পিতৃ, পাকাৰ নৱনাৰায়ণ গোস্বামীৰ পিতৃ, ন-সত্ৰৰ মধুৰাম অধিকাৰী, কাৰাকুছিৰ শম্ভু চৌধুৰীৰ পিতৃ সন্তাৰাম প্ৰধান। ইয়াৰ উপৰিও ৰামুন্দীৰ গোঁসাই, লছিমা, সত্ৰীয়া, পজাৰ গোঁসাই। গোমুৰা আদিৰ ফ্লাগৰ পৰাও ভলেণ্টিয়াৰ সহযোগী আছিল। মুছলমান পাৰাৰ লোকসকলেও এই বিদ্ৰোহত যোগদান কৰি বিপ্লৱক এক গণ-আন্দোলনত ৰূপ দিয়াত সহায় কৰিছিল। তেওঁলোকৰ ভিতৰত ধনঞ্জয় পাওঁবুঢ়া, নীলো ছুলীয়া, শ্বেৰ আলী ঠিকাদাৰ আদি। পানাগাঁৱৰ পুলিচ শিবিৰত মুখ্য লোক তথা বিদ্ৰোহীবিলাকৰ নাম-তালিকা প্ৰস্তুত হ'ল। দিনে-নিশাই চিপাহীয়ে ঘৰে ঘৰে বিদ্ৰোহীসকলক ধৰিবৰ কাৰণে খানতালাচ, নিৰ্য্যাতন কৰা অভিযান আৰম্ভ কৰিলে। দুখ-লাঞ্ছনাৰ পৰা হাত সাৰিবলৈ বহুতে ঘৰ এৰি দিহিঙে-দিপাঙে পলাই ফুৰিছিল। কিছুমানে অটন্য হাবি জংঘলত আশ্ৰয় লৈছিল।

গাঁৱৰ বাইজে গুপ্তভাৱে মাহমৰীয়া নাৱত গুপ্ত কৰি থকা সকলক খাদ্য যোগান ধৰিছিল, কিন্তু বাৰিষা অহাত গোটেই অঞ্চলত খাদ্যৰ অনাটন, আনহাতে পুলিচৰ অত্যাচাৰত ৰাইজ পেপুৱা হৈ পৰিল। গুপ্তকাৰী নেতা পুষ্প কঁহাৰকে ধৰি কেবাজনো নেতা বেমাৰত পৰিল। আনহাতে তেওঁলোকে ধৰা দিলে ৰাইজৰ, পুলিচৰ অত্যাচাৰৰ পৰা ৰক্ষা পৰিব—এনে বিভিন্ন কাৰণত পুষ্প কঁহাৰ, ঘুটমু, কাণকটা, গজেন চৌধুৰী, নাৰায়ণমল প্ৰমুখ্যে গুপ্তকাৰীসকলে ধৰা দিয়াৰ সিদ্ধান্ত কৰি থানাত গৈ আত্মসমৰ্পণ কৰে। লগে লগে প্ৰজা বিপ্লৱৰ সকলো সম্ভাৱনা অন্ত পৰিল।

বিচাৰত গজেন চৌধুৰী, নাৰায়ণমল চৌধুৰী আদি কেইবাজনো বিদ্ৰোহীৰ দুই, চাৰি, ছমাহকৈ জেল আৰু কাৰো কাৰো জৰিমনা হ'ল। কিছুমানক কেইদিনমান হাজোতত ৰাখি পাছত এৰি দিলে। পুষ্পৰাম কঁহাৰক হাকিমক অপমান কৰাৰ মুখ্য অপৰাধী হিচাপে দোষী সাব্যস্ত কৰা হ'ল। বিচাৰকে তেওঁক বাৰে বাৰে সুধিলে,

"তুমি হাকিমক অপমান কৰিছিলা? সঁচা কথা।"

"হয় হজুৰ, কৰিছিলো। মিছা ক'ম কিয়?"

"কিন্তু ভাবি চোৱা, ইয়াৰ বাবে ভীষণ শাস্তি হ'ব,... জেল-জৰিমনা হ'ব।"

"হুজুৰ সেইটো কি কথা! যি কৈছো এবাৰতে কৈছো, তাৰ বাবে জেল ফাঁচী যি হয় মোক দিব পাৰে। কিন্তু কথাটো মিছা হ'ব কেনেকৈ? মই বাইজৰ কাম কৰিছো ---।"

পুষ্প কঁহাৰৰ দুবছৰৰ সশ্ৰম কাৰাদণ্ডৰ হুকুম হ'ল। গুৱাহাটীৰ জেলত তেওঁক ৰখা হ'ল। পুষ্প কঁহাৰে গুৱাহাটী জেলত অন্য কোনো কাম কৰিবলৈ অমান্তি হোৱাত, তেওঁ কোৱামতে 'কঁহাৰকাম' কৰিবলৈ সা-সঁজুলি দিয়া হয়। বিভিন্ন ধৰণৰ সুন্দৰ সুন্দৰ বান-বাটি তৈয়াৰ কৰাত, কমিচনাৰ চাহাব কাম চাবলৈ আহে। কমিচনাৰে কাম দেখি সন্তুষ্ট হয় আৰু অন্য কি বস্তু তৈয়াৰ কৰিব পাৰে বুলি সোধাত পুষ্প কঁহাৰে "কামেৰে দেখুৱাব পৰা হ'ব" বুলি কয়। কেইমাহমানৰ মুৰত কমিচনাৰে পুনৰ আহি দেখিলে যে, কঁহাৰে এখন অদ্ভুত কাঁহী তৈয়াৰ কৰিছে। কাঁহীৰ চাৰিওফালে ধাতুৰ পুতলাবোৰে হাতে হাতে বাটি, পিৰিচ, খৰিকাদানী আদি কৰি বিভিন্ন গুৰীত থিয় দি আছে। চাহাব মোহিত হ'ল, আৰু এনে এজন শিল্পীক মুক্তিৰ কথা ঘোষণা কৰিলে। শুনা যায় এই কাঁহীখন ব্ৰিটিছ মিউজিয়ামত বৰ্তমানেও আছে। শিল্প-কৃতিত্বৰ বাবেই তেওঁৰ জেল দুবছৰৰ ঠাইত ছমাহতে শেষ হয়।

কানি অনুসন্ধান ৰয়েল কমিচন (১৮৯৩)

১৮৯৩ চনত অসমৰ বাহিৰে-ভিতৰে কানি প্ৰচলনৰ বিৰুদ্ধে শিক্ষিত মহলত সমালোচনা ক্ৰমে বৃদ্ধি আৰু কানি সম্পূৰ্ণভাৱে বন্ধ কৰিবলৈ চৰকাৰৰ ওপৰত হেঁচা পৰাত ১৮৯৩ চনত কানি সম্বন্ধে তদন্ত কৰিবৰ কাৰণে ৰয়েল কমিচন এটা নিযুক্ত কৰে।

১৮৯৩ চনৰ পৰা ১৯০০ চনলৈ প্ৰতিবছৰে বহা কংগ্ৰেছ অধি-বেশনত, গতানুগতিকভাৱে বিভিন্ন সমস্যাৰ আলোচনা আৰু প্ৰস্তাৱ গ্ৰহণ কৰি আহিছিল। ১৮৯৬ চনৰ কংগ্ৰেছ অধিবেশনত অসমৰ চুক্তিবদ্ধ চাহ শ্ৰমিকৰ ওপৰত মেনেজাৰসকলে কৰা বৰ্বৰ অত্যাচাৰ বন্ধ কৰা, এই সম্পৰ্কৰ আইন প্ৰত্যাহাৰ কৰিবৰ কাৰণে এটা প্ৰস্তাৱ দৈছিল অসম আৰু বঙ্গ প্ৰদেশৰ প্ৰতিনিধিসকলে।

১৮৯৬ চনৰ নগাঁৱৰ কৃষক আন্দোলন

১৮৯৬ চনত ভাৰতৰ বিভিন্ন অঞ্চলত কেবাবছৰো ধৰি খৰাং স্বৰূৰত খেতি নোহোৱাত, আনহাতে কিছু অঞ্চলত বানপানীয়ে খেতি নষ্ট কৰাত, ভাৰতব্যাপী ভীষণ আকাল হৈছিল। বহু লক্ষ লোক মৃত্যুমুখত পৰে।

সেই চনতে অসমৰ বিভিন্ন অঞ্চলত বিশেষকৈ নগাঁও জিলাত বানপানীয়ে খেতি নষ্ট কৰাত আকালত কিছু লোকৰ মৃত্যু হয়। এই সংক্ৰান্তত ৰাইজে ব্যৱসায়ীসকলক দায়ী কৰে; কাৰণ, এই ব্যৱসায়ীসকলে কাতি-আঘোণ মাহত অধিক মাটিৰ ধান আৰু তেওঁ-লোকৰ ঋণৰ সুদ মাৰি, কৃষকৰ পৰা কম মূল্যতে ধান লৈ আহিছিল আৰু দৰিদ্ৰ শ্ৰেণীৰ কৃষকে কাতি-আঘোণ মাহতে অভাৱত পৰি কম মূল্যত ধান আদি বিক্ৰী কৰে। দোকানী মহাজনে এই ধান পুনৰ অধিক দামত বাৰিষা খাবলৈ নোহোৱা মানুহক বিক্ৰী কৰে। বাৰিষা দিনত অন্যান্য বস্তুৰো অনাটনৰ সৃষ্টি কৰি দুগুণ তিনিগুণ দামত উক্ত বস্তুবিলাক চোৰাং বজাৰত বিক্ৰী কৰে। নগাঁও জিলাত বান-পানীয়ে খেতি নষ্ট কৰাত বেপাৰীয়ে এই সুযোগতে ধান লুকুৱাই অনাটনৰ সৃষ্টি কৰাত ৰাইজে চৰকাৰক লুকুৱাই ৰখা ধান আৰু বস্তু বজাৰত উলিয়াই দিবলৈ আবেদন নিবেদন কৰে। চৰকাৰৰ পক্ষৰ পৰা একো ব্যৱস্থা নকৰাত ৰাইজে বজাৰ-হাট, দোকান, গুদাম ঘৰ লুটপাত, অগ্নিসংযোগ কৰে। ডেপুটি কমিচনাৰে মিলিটেৰী সৈন্যৰ দ্বাৰা ৰাইজৰ এই আন্দোলন বন্ধ কৰে। কিছু সংখ্যক লোকক বিভিন্ন অভিযোগত বিচাৰ কৰি জেল জৰিমনা কৰে। অসমৰ ৰাইজৰ প্ৰতি খাজনা বৃদ্ধিৰ বিষয়ে প্ৰতিবাদ কৰি দিয়া আবেদনবিলাকত খাজনা বৃদ্ধিৰ লগতে মাৰোৱাৰীসকলে ঋণৰ সুদ বৃদ্ধি, বস্তুৰ মূল্য বৃদ্ধিৰ অন্য এক প্ৰধান অভিযোগ কৰি আহিছিল।

মণিপুৰী, গাৰো প্ৰজাৰ জমিদাৰৰ বিৰুদ্ধে বিদ্ৰোহ

জমিদাৰসকলে অতিৰিক্ত কৰ আদায় কৰাৰ বাবে চলোৱা অত্যাচাৰ-উৎপীড়নৰ বিৰুদ্ধে ১৯০০ চনত চিলেটৰ ভানবিল অঞ্চলৰ মণিপুৰীসকলে খিয় দিয়ে আৰু জমিদাৰৰ দুজন কৰ্মচাৰীক মাৰ-ধৰ কৰে। জিলাৰ সকলো মণিপুৰীয়ে এই হত্যাকাণ্ডৰ বাবে অভিযুক্ত

আচামীসকলৰ মুক্তিৰ কাৰণে টকা সংগ্ৰহ কৰে আৰু মোকৰ্দমাত জয়লাভ কৰে।

গাৰো পাহাৰৰ বিজনী জমিদাৰ অঞ্চলৰ ৰায়তে জমিদাৰৰ অতিৰিক্ত কৰৰ বিৰুদ্ধে আন্দোলন কৰি গৱৰ্ণমেণ্টৰ দৃষ্টি আকৰ্ষণ কৰি আছিল। জমিদাৰৰ কোপদৃষ্টিত পৰি মুখ্য নেতাসকলেও নিৰ্য্যাতন ভোগ কৰিবলগীয়া হৈছিল।

লৰ্ড কাৰ্জনৰ অসম ভ্ৰমণ

কূটনৈতিক উদ্দেশ্য লৈ ১৮৯৯ চনৰ মাৰ্চ মাহত লৰ্ড কাৰ্জন অসম আৰু উত্তৰ-পূব অঞ্চল ভ্ৰমণলৈ আহে।

গুৱাহাটীত অসমৰ ৰাইজৰ ফালৰ পৰা তেখেতক বিপুলভাৱে আদৰণি জনায় আৰু জগন্নাথ বৰুৱা, মানিকচন্দ্ৰ বৰুৱা প্ৰমুখ্যে অসমৰ ভালেকেইজন মুখ্য লোকৰ চহীৰে এখন স্মাৰকপত্ৰ দিয়ে। অসমৰ ৰেলপথ সম্পূৰ্ণ কৰা, মাটিৰ দীঘলীয়া পট্টা দিয়া, ইম্পিৰিয়েল কাউন্সিলত অসমৰ এজন প্ৰতিনিধি মনোনীত কৰা ইত্যাদি। অসমৰ বিভিন্ন অভাৱ-অভিযোগ দূৰ কৰিবৰ কাৰণে নিবেদন জনোৱা হয়। চাহবাগানৰ ফালৰ পৰাও এখন স্মাৰকপত্ৰ দি অসমৰ ৰেল আদি উন্নয়নৰ কাৰণে খৰতকীয়া ব্যৱস্থা, অসম পাহাৰ অঞ্চলৰ, খনিজ পদাৰ্থ আদিৰ অনুসন্ধান কৰা আদিৰ নিবেদনো কৰে। কিন্তু বৰলাটৰ উত্তৰ সন্তোষজনক নেপালে অসমীয়া ৰাইজে।

অসম এচোছিয়েশ্যনৰ জন্ম

১৯০৩ চনত ভাইচৰয়ৰ এক্সিকিউটিভ কাউন্সিলৰ অন্যতম প্ৰধান সদস্য 'ছাৰ ডেনজিল ইবেটছন' অসমলৈ আহিছিল। তেওঁক অসমৰ সমস্যাৰ বিষয়ে জনাবৰ কাৰণে গুৱাহাটীত অসমৰ প্ৰায় ৪০ জন মুখ্য লোক গোট খাইছিল। "অসম এচোছিয়েশ্যন" নাম দি এটা অনুষ্ঠান গঠন কৰাৰ সিদ্ধান্ত কৰে। ১৯০৫ চনত ডিব্ৰুগড়ত এই সন্মিলনৰ প্ৰথম অধিবেশন বহে। গৌৰীপুৰৰ ৰজা প্ৰভাতচন্দ্ৰ বৰুৱা—সভাপতি, জগন্নাথ বৰুৱা—উপসভাপতি আৰু মানিকচন্দ্ৰ বৰুৱা—প্ৰধান সম্পাদক হয়। এই অনুষ্ঠানেই অসমৰ প্ৰধান ৰাজনৈতিক অনুষ্ঠান হিচাপে ১৯২১ চনলৈকে কাম কৰি আহিছিল।

জন্ম হৈছেই বঙ্গ বিভাজন বিষয়ত মতামত দিবলগীয়া হয়। পদ্মনাথ গোঁহাঞিবৰুৱা প্ৰমুখ্যে সদস্যসকলে ভয় কৰিছিল—অসমৰ নামটো লোপ হোৱা, শ্বিলঙৰ পৰা ৰাজধানী অন্য ঠাইলৈ স্থানান্তৰিত হোৱা, অসমীয়া শিক্ষিত ডেকাৰ কাম পোৱাত বাধাপ্ৰাপ্ত হোৱা ইত্যাদি। গতিকে সৰহ সংখ্যক সদস্যই বিৰোধিতা কৰিছিল কিন্তু আনহাতে জগন্নাথ বৰুৱা, মানিকচন্দ্ৰ বৰুৱাই অসমীয়া ডেকাৰ চাকৰি সংৰক্ষণ আৰু অন্যান্য স্বাৰ্থ ৰক্ষণৰ দাবী কৰি বঙ্গ বিভাজন সমৰ্থন জনাইছিল। চাহ খেতিয়কসকলে যদিও সমৰ্থন জনাইছিল কিন্তু তেওঁলোকৰ এটা স্বত্ব আছিল—'অসম' নামটো যাতে থাকে। কাৰণ ইউৰোপ, আমেৰিকা, অসম চাহৰ সুনাম আৰু দাবীৰ পৰিপ্ৰেক্ষিতত। প্ৰথমতে পূৰ্ববঙ্গ আৰু অসমলৈ যি নতুন প্ৰদেশ গঠন কৰা হৈছিল তাৰ নাম দিছিল 'পূব প্ৰান্ত ভাৰত'। কিন্তু চাহ কোম্পানীসকলৰ অনুৰোধত 'পূৰ্ববঙ্গ আৰু অসম' কৰা হয়। ইয়াৰ জন্মৰপৰা ১৯১৫ চনলৈকে মানিকচন্দ্ৰ বৰুৱাদেৱেই এই অনুষ্ঠানৰ গুৰি ধৰি আছিল। তেওঁৰ মৃত্যুৰ পাছত ১৯১৬ চনৰ পৰা সহকাৰী সম্পাদক ৺কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাই নেতৃত্ব লয়।

বঙ্গ বিভাজন আৰু অসম

কংগ্ৰেছে ভাৰত জুৰি প্ৰতিবাদ কৰা সত্বেও ১৯০৫ চনত বঙ্গ বিচ্ছেদ হ'ল। অসমক সাঙুৰি দিয়া হ'ল পূৰ্ববঙ্গৰ লগত। অসমৰ নামটো বিলুপ্ত হোৱাৰ পৰা ৰক্ষা কৰিলে অসমৰ চাহে। পূৰ্ববঙ্গ আৰু অসম নামকৰণ কৰা হ'ল। এই নতুন প্ৰদেশৰ মুছলমানসকলক প্ৰিয়তম প্ৰজা বুলি লেফটেনেন্ট গৱৰ্ণৰ ফুল্লাৰ চাহাবে ঘোষণা কৰিলে আৰু তেওঁ পূৰ্ববঙ্গৰ ঘনবসতি অঞ্চলৰ বিশেষকৈ মৈমনচিং জিলাৰ মুছলমানসকলক অসমলৈ ঠেলি দি পূৰ্ববঙ্গৰ ঘনবসতি পাতল কৰা নীতি ঘোষণা কৰে। এই নতুন নীতি গ্ৰহণ কৰাৰ লগে লগে পূৰ্ববঙ্গৰ পমুৱাৰ সোঁত আৰম্ভ হ'ল। অসমলৈ আহিল এই এটা নতুন সমস্যা। যি ক্ৰমে হৈ পৰিল অসমৰ অতি জটিল সমস্যা।

১৯১২ চনত বঙ্গ বিচ্ছেদ সমস্যাৰ সমাধান হ'ল। কিন্তু অসমৰ বাবে এটা নতুন বিপদজনক সমস্যা আহিল। চিলেট জিলা পুনৰ

আৰেৌ অসমৰ লগত সাঙুৰি দি এখন চীফ কমিচনাৰ শাসিত প্ৰদেশ কৰা হ'ল। চিলেটৰ হিন্দু সভ্যসকলেও চৰকাৰৰ পমুত্তা নৈতিক সমৰ্থন কৰি আহিছিল, কাৰণ অসমত বঙালী ভাষাৰ গৰিষ্ঠতা দেখুৱাই অসমক বিশাল বঙভাষী উপনিবেশত পৰিণত কৰা।

"The line of Division in Assam Politics is primarily not between Hindu and Mahammedian on caste line, but between the inhabitants of Assam Valley and those of Surama Vally. Three-legged race in which no progress what ever is possible."

"The report of Dilimination Committee."

কংগ্ৰেছৰ ২২শ তম অধিৱেশন—১৯০৬ চন

বঙ্গপ্ৰদেশ বিভাজনত কলিকতা উত্তপ্ত হৈ উঠিছিল। কংগ্ৰেছ অধিৱেশনত গণ্ডগোলৰ আশংকা কৰি সৰ্বভাৰতীয় সন্মানিত নিৰপেক্ষ নেতা দাদাভাই নৌৰজীৰ নাম সভাপতিৰ কাৰণে নাম প্ৰস্তাৱ হয়। দাদাভাই নৌৰজীৰ সভাপতিত্বত কলিকতাত কংগ্ৰেছৰ ২২শ তম অধিৱেশন ডিচেম্বৰ মাহত বহে। দাদাভাই নৌৰজীয়ে ঔপনিবেশিক শোষণৰ বিষয়ে সমালোচনা কৰিছিল আৰু ভাৰতবাসীৰ ৰাজনৈতিক জাগৃত চেতনাৰ উল্লেখ কৰি কৈছিল, "স্বৰাজ আমাৰ জন্মস্বত্ব।" কংগ্ৰেছত বিভিন্ন প্ৰস্তাৱ আৰু আলোচনাত উগ্ৰপন্থী আৰু উদাৰ-পন্থীৰ বিভাজনবে প্ৰকট হৈ উঠে কলিকতাৰ অধিৱেশনত।

অসম আৰু স্বদেশী আন্দোলন

সুৰমা উপত্যকাত অতি ব্যাপকভাৱে বঙ্গ-বিচ্ছেদ আৰু স্বদেশী আন্দোলন গঢ়ি উঠে বিপিন চন্দ্ৰ পালৰ নেতৃত্বত। ফলত কলিকতাৰ কেন্দ্ৰটাও বিপ্লৱী অনুষ্ঠানৰ শাখা চিলেটত গঠন হয়।

অসম উপত্যকাতো বঙ্গ-বিচ্ছেদৰ বিভিন্ন অঞ্চলত প্ৰতিবাদ সভাৰ উপৰি গুৱাহাটীত গোবিন্দ লাহিড়ী আৰু অম্বিকা ৰায়চৌধুৰী, হিতেশা বৰুৱা প্ৰমুখ্যে ছাত্ৰই মনৰ দলে এটা বিপ্লৱী সংগঠন গঢ়ি তুলিবৰ কাৰণে যত্ন কৰিছিল। কলেজ আৰু স্কুলৰ ছাত্ৰ বিষ্ণুৰাম মেধি প্ৰমুখ্যে কিছু সংখ্যক ছাত্ৰই লেতাৰে 'কুলি' কাম কৰি যি মজুৰি পাইছিল, তাক স্বদেশী আন্দোলনৰ পুঁজিলৈ দান কৰিছিল।

সুৰাট অধিবেশন (১৯০৭)

এই কংগ্ৰেছ অধিবেশন হ'ব লগা আছিল নাগপুৰত। কিন্তু অভ্যৰ্থনা সমিতি উগ্ৰপন্থী লোকমান্য তিলকৰ আধিপত্যলৈ লক্ষ্য ৰাখি উদাৰপন্থীৰ ঘাটি অঞ্চল সুৰাটত অধিবেশন পতাৰ ব্যৱস্থা কৰে। ওৱৰ্কিং কমিটিয়ে ৰাসবিহাৰী ঘোষক ওৱৰ্কিং কমিটিৰ সভাপতি মনোনীত কৰে। এই লৈ উগ্ৰপন্থী লোকমান্য তিলকৰ দল, আনহাতে উদাৰপন্থী ছাৰ ফিৰোজ মেহতা আৰু মহামতি গোখলে দলৰ মাজত সভাত উত্তপ্ত পৰিস্থিতিয়ে দেখা দিয়ে। চকী আদি দলিয়াদলি, শাৰীৰিক আক্ৰমণ হোৱাত, পুলিচৰ হস্তক্ষেপত সংঘৰ্ষ বন্ধ হয়। উগ্ৰপন্থীসকলক বাদ দি অন্য ঠাইত কাৰ্যকৰী কমিটি বহি লোকমান্য তিলক আদিক কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰে। এই চনৰ ডিচেম্বৰ মাহতে পঞ্জাবকেশৰী আৰু অজিত সিংক কৃষক আন্দোলন সংক্ৰান্ত ৰাজদ্ৰোহৰ অভিযোগত গ্ৰেপ্তাৰ কৰে আৰু বৰ্মাৰ মান্দালয় জেললৈ স্থানান্তৰিত কৰে। ইয়াৰ পাছত ১৯০৮ চনৰ পৰা ১৯১৫ চনলৈকে কংগ্ৰেছ সম্পূৰ্ণভাৱে উদাৰপন্থীসকলৰ অনুষ্ঠান হৈ পৰে।

১৯০৮ চনৰ পৰা ১৯১৫ চন

মজফ্ফুৰ জিলাৰ অত্যাচাৰী জিলা জৰ্জ মিঃ কিংছফৰ্ডক হত্যা কৰিবলৈ তেওঁলৈ বুলি বোমা নিক্ষেপ কৰে; কিন্তু বোমা অন্য এখন গাড়ীত পৰাত দুগৰাকী ইংৰাজ মহিলাৰ মৃত্যু হয়। এই সংক্ৰান্তত খুদিৰাম বসু আৰু কেবাজনো যুৱকক গ্ৰেপ্তাৰ কৰে। খুদিৰামৰ ফাঁচি হয়। আনহাতে যুগান্তৰ দলৰ বহুতো ডেকাক গ্ৰেপ্তাৰ কৰে। এনে উগ্ৰপন্থী দলৰ কিছু সংখ্যক ধুবুৰী আৰু গুৱাহাটীৰ কামাখ্যা পাহাৰত গুপ্তভাৱে থাকি কাম কৰিছিলহি। ১৯০৮ চনৰ ১৩ জুলাইত লোকমান্য তিলকক ৰাজদ্ৰোহৰ অপৰাধত গ্ৰেপ্তাৰ কৰে আৰু ছবছৰ জেল দিয়ে। তেওঁক বৰ্মাৰ মান্দালয় জেললৈ পঠায়। আলিপুৰ আৰু মানিকতলাৰ বিপ্লৱী ষড়যন্ত্ৰ অপৰাধত বহুতো ডেকাক গ্ৰেপ্তাৰ কৰে। বিনা বিচাৰে কিছুক আলিপুৰ জেলত আৰু কিছুসংখ্যকক আন্দামানলৈ দ্বীপান্তৰ কৰে।

১৯১৫ চন। দক্ষিণ আফ্ৰিকাৰ পৰা ঘূৰি আহি গান্ধীজীয়ে

আহমদাবাদৰ এটা ভাড়াঘৰত সত্যাগ্ৰহী আশ্ৰম স্থাপন কৰে। মুছলিম লীগ আৰু কংগ্ৰেছৰ মাজত ভাৰতৰ স্বায়ত্ব শাসনৰ বাবে যুটীয়াভাৱে দাবী কৰা আৰু ইংলেণ্ডলৈ এটা যুটীয়া সঁজাতী দল পঠোৱা সম্পৰ্কে সিদ্ধান্ত হয়। দলেবলে লোকমান্য তিলকে পুনৰ কংগ্ৰেছত যোগ দিয়েহি।

১৯১৬ চন

১৯১৬ চনত পণ্ডিত মদনমোহন মালব্যই প্ৰতিষ্ঠা কৰা কাশী হিন্দু বিশ্ববিদ্যালয় উদ্বোধনী সভাত বৰলাটৰ নিৰাপত্তাৰ কাৰণে মিলিটেৰীয়ে যি কঠোৰ ব্যৱস্থা লৈছিল, ৰজাবিলাকে যি জাক-জমক পেছাক পিন্ধি সভালৈ আহিছিল, তাক অতি কঠোৰভাৱে সমালোচনা কৰি গান্ধীজীয়ে যি বক্তৃতা দিছিল, ই উচ্চ বিষয়াসকলক শঙ্কিত কৰি তোলে। আনহাতে ভাৰতবৰ্ষৰ শিক্ষিত ডেকাসকল গান্ধীজীৰ প্ৰতি আকৃষ্ট হৈ পৰে। বিজুলী তৰঙ্গৰ দৰে ভাৰতবৰ্ষৰ জনগণৰ মাজত ভয়ৰ ভাব এটা আঁতৰ কৰি নিৰ্ভয় আৰু সাহসৰ ভাবনা জাগ্ৰত কৰে, আৰু জনগণৰ মাজত এটা নতুন আশাৰ সঞ্চাৰ কৰে।

লক্ষ্ণৌত ডিচেম্বৰৰ ২৭-৩০ তাৰিখত অম্বিকাচৰণ মজুমদাৰৰ সভাপতিত্বত কংগ্ৰেছৰ ৩১ তম অধিবেশন বহে।

এই অধিবেশনত মুছলিম লীগৰ লগত হোৱা ভাৰতৰ স্বায়ত্ব শাসনৰ যুটীয়াভাৱে দাবী কৰা প্ৰস্তাৱৰ অনুমোদন জনায়। গান্ধী আৰু নেহৰুৰ প্ৰথমবাৰৰ কাৰণে দেখা সাক্ষাৎ হয়।

১৯১৭-১৮ চনত গান্ধীজীয়ে বিহাৰৰ চম্পাৰণ জিলাত য়ুৰোপীয়ান নীল খেতিয়ক জমিদাৰসকলে ৰায়তৰ ওপৰত কৰা অন্যায় শোষণৰ বিৰুদ্ধে সত্যাগ্ৰহ আন্দোলন কৰে।

খিলাফট্ আন্দোলন

প্ৰথমতে ভাৰতীয় মুছলমানসকলে যুদ্ধত সহায় কৰিবলৈ আগবাঢ়ি অহা নাছিল। কাৰণ যুদ্ধত তুৰ্কীৰ সম্ৰাট আৰু সমগ্ৰ মুছলমান সম্প্ৰদায়ৰ প্ৰধান ধৰ্মগুৰু খলিফা, জাৰ্মানৰ লগ লাগি বৃটিছৰ বিৰুদ্ধে যুদ্ধত লিপ্ত আছিল। মুছলমানসকলক সন্তুষ্ট ৰাখিবলৈ বৃটিছ প্ৰধানমন্ত্ৰীয়ে এটা প্ৰতিশ্ৰুতি দিছিল যে, যুদ্ধৰ পাছত তুৰ্কীৰ সম্ৰাট

খিলাফাৰ পদমৰ্যাদা আৰু শক্তি অক্ষুণ্ণ থাকিব। উগ্ৰপন্থীসকলৰ বাদে ভাৰতৰ প্ৰায় সকলোবোৰ ৰাজনৈতিক দল, সামাজিক অনুষ্ঠান, আনকি কংগ্ৰেছ, মুছলিম লীগেও বৃটিছ চৰকাৰৰ কথাত বিশ্বাস ৰাখি সহযোগ আগবঢ়াইছিল। মধ্য এচিয়াৰ যুদ্ধৰ সৈন্যৰ সচদপাতি যোগানৰ দায়িত্ব ভাৰতৰ ওপৰত পৰিছিল। ফ্ৰান্স আদি যুদ্ধক্ষেত্ৰলৈ যি ভাৰতীয় সৈন্য নিছিল—সেই সময়ত এইটো এটা অভিযোগ উঠিছিল যে, ভাৰতীয় সৈন্যসকলক যুদ্ধক্ষেত্ৰৰ ফ্ৰন্ট লাইনত দি জাৰ্মানৰ বন্দুক, বৰতোপৰ খাদ্য কৰা হৈছিল।

ভাৰত সচিব মণ্টেগুৰ ঘোষণা

১৯১৭ চনৰ ২০ আগষ্টত ভাৰত সচিব মন্টেগুৱে বৃটিছ মন্ত্ৰী-সভাৰ হৈ ঘোষণা কৰে যে, ভাৰতবৰ্ষত পূৰ্ণ পৰ্যায়ৰ স্বায়ত্ত্ব শাসন প্ৰৱৰ্তন কৰাই বৃটিছ গৱৰ্ণমেণ্টৰ লক্ষ্য।

কংগ্ৰেছৰ ৩২ তম অধিবেশন—১৯১৭

এনে ৰাজনৈতিক পৰিস্থিতিৰ মাজত কংগ্ৰেছৰ ৩২ তম অধি-বেশন ডাঃ এনি বেচান্তৰ সভাপতিত্বত কলিকতাত ১৯১৭ চনৰ ডিচেম্বৰ মাহৰ ২৭/২৯ তাৰিখত বহে। ভাৰত সচিব মণ্টেগুৰ ঘোষণা, খিলাফট সমস্যা, পঞ্জাব আদিত দমননীতি, বিলাতলৈ সঁজাতী দল পঠোৱা ইত্যাদি বিভিন্ন বিষয়ে আলোচনা আৰু প্ৰস্তাৱ লয়।

ভাৰতৰ সশস্ত্ৰ বিপ্লৱীৰ দল

আগতে উল্লেখ কৰি অহা হৈছে যে, বঙ্গ প্ৰদেশত বঙ্গ-বিচ্ছেদ প্ৰতিৰোধ আৰু দেশ স্বাধীন কৰিবলৈ কেবাটাও কলিকতাত বিপ্লৱী দল গঠন হৈছিল। আনহাতে য়ুৰোপ, আমেৰিকা যুক্তৰাষ্ট্ৰত থকা এদল ডেকাই য়ুৰোপৰ ইটালি, ৰাছিয়া, আয়াৰ্লেণ্ডৰ বিপ্লৱী দলৰ লৈতে সম্পৰ্কত আছিছিল। এওঁলোক 'ফৰাচী বিপ্লৱ,' আৰু ৰাচিয়াৰ ১৯০৫ চনৰ বলচেভিক দলৰ 'অকটোবৰ বিপ্লৱ,' আয়াৰলেণ্ডৰ বিপ্লৱী চিন্ ফিন্ দল আদিৰ পন্থা আৰু আদৰ্শৰদ্বাৰা উদ্বুদ্ধ হৈছিল। বিশেষকৈ

ইটালিৰ মেজিনি, ফ্ৰান্সৰ ৰুচো, ভল্টেয়াৰ, জাৰ্মানীৰ মাৰ্ক্স আদি বিপ্লৱী নেতাসকলৰ লিখনীৰ প্ৰতি আকৃষ্ট হৈ পৰে। বালগঙ্গাধৰ তিলক, লালা লাজপত ৰায়, সাভাৰকাৰ, বিপিনচন্দ্ৰ পাল, অৰবিন্দ ঘোষ প্ৰভৃতি লোকসকল এনে বিপ্লৱী চিন্তাধাৰাৰ অগ্ৰণী পুৰুষ আছিল।

যুক্তৰাষ্ট্ৰত ভাৰতীয় বিপ্লৱীসকলে বিশেষকৈ পঞ্জাবৰ ডেকাদলে এটাই 'গাদাৰ' নাম দি এটা গুপ্ত দল গঠন কৰিছিল আৰু এখন সাপ্তাহিক কাগজো উলিয়াইছিল। ভাৰত, যুক্তৰাষ্ট্ৰ, জাৰ্মানী আৰু ইংলণ্ড আদিত গঠিত হোৱা এই বিভিন্ন গুপ্ত দলবোৰৰ উদ্দেশ্য আছিল ভাৰতীয় সৈন্যৰ মাজত বিদ্ৰোহৰ ভাব জাগৃত কৰি দেশত বিপ্লৱৰ ঢৌ প্লাৱিত কৰি বৃটিছৰ কবলৰ পৰা দেশমাতৃক মুক্ত কৰা। যুক্তৰাষ্ট্ৰত ভূপেন্দ্ৰনাথ দত্ত, ৰামচন্দ্ৰ, মানবেন্দ্ৰনাথ ৰায়, ৰাজা মহেন্দ্ৰ প্ৰতাপ, ৰাসবিহাৰী ঘোষ (জাপান) বীৰ সাভাৰকাৰ ইত্যাদি প্ৰধান নেতা আছিল।

যুক্তৰাষ্ট্ৰ, আমেৰিকা, ফ্ৰান্স, বৃটেইনৰ বাহিৰেও আন এটা বিপ্লৱী দলৰ প্ৰধান ঘাটি আছিল বাৰ্লিন। বীৰেন্দ্ৰনাথ ভট্টাচাৰ্য (সৰোজিনী নাইডুৰ ভায়েক) আছিল এই দলৰ প্ৰধান নেতা। জাৰ্মান কূটনৈতিক দল এটাৰ লগত কেবাজনো বিশিষ্ট বিপ্লৱী নেতা আফগানিস্তানৰ ৰাজধানী কাবুললৈ আহি ১৯১৫ চনত কাবুলত এটা অস্থায়ী 'আজাদ হিন্দ চৰকাৰ' প্ৰতিষ্ঠাৰ কথা ১ ডিচেম্বৰ তাৰিখে ঘোষণা কৰে। এই চৰকাৰৰ ৰাষ্ট্ৰপতি ৰাজা মহেন্দ্ৰপ্ৰতাপ, প্ৰধানমন্ত্ৰী বৰকতুল্লা আৰু স্বৰাষ্ট্ৰমন্ত্ৰী ওবেদুল্লা।

পঞ্জাবকে কেন্দ্ৰ কৰি মহাৰাষ্ট্ৰ, বঙ্গ প্ৰদেশৰ বিপ্লৱী দলৰ লগতো য়ুৰোপৰ এই ভাৰতীয় বিপ্লৱী দলে যোগাযোগ কৰি অস্ত্ৰ আদি যোগানৰ ব্যৱস্থা আদিও কৰিছিল। ভাৰত চৰকাৰে এই ষড়যন্ত্ৰৰ গুপ্ত বাতৰি, লগতে আফগানিস্তানে ভাৰত আক্ৰমণৰ সম্ভাৱনা দেখি আতঙ্কিত হৈ পৰিছিল। পঞ্জাবত এফালে যুদ্ধলৈ অতিৰিক্তভাৱে যুদ্ধৰ পৰা বহুত সংগ্ৰহ, আনহাতে বঙ্গেৰে ডেকা ল'ৰাক সৈন্য বা বনুৱা দলত ভৰ্তিৰ অৰ্থে জোৰ-জুলুম কৰি সংগ্ৰহ কৰা কামত পঞ্জাৱৰ জনসাধাৰণ উত্তপ্ত হৈ পৰে। যুদ্ধত শ শ ভাৰতীয় সৈন্যৰ মৃত্যুৰ বাতৰি আহিল।

যোগদান আৰু যুদ্ধত জখম হৈ অক্ষম হোৱা বহুতো সৈন্য, খুৰি আহি ভাৰতীয় সৈন্যৰ ওপৰত কৰা জঘন্য ব্যৱহাৰ, অত্যাচাৰ, অতি বেয়া খাদ্য দিয়া ইত্যাদি বিভিন্ন অভিযোগৰ কথাই পঞ্জাব প্ৰদেশত বৃটিছৰ প্ৰতি এটা ঘৃণা ভাব গঢ়ি উঠিছিল।

ক্ৰমে পঞ্জাবকে কেন্দ্ৰ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত বিদ্ৰোহৰ ভাব উত্তপ্ত হৈ উঠাত, বৃটিছ শাসকে এই গঢ়ি উঠা বিদ্ৰোহৰ চিন্তাধাৰা মচিমুৰ কৰিবৰ অৰ্থে পঞ্জাব, বঙ্গ, মহাৰাষ্ট্ৰ আদিৰ প্ৰায় ২০০০ৰো অধিক ডেকা ল'ৰাক সন্দেহত গ্ৰেপ্তাৰ কৰি বিনা বিচাৰে জেলত আবদ্ধ কৰি ৰাখে।

দ্বিতীয়তে, এই কাল্পনিক বিদ্ৰোহ দমন কৰা বিষয়ে ভাৰত গৱৰ্ণমেণ্টক পৰামৰ্শ দিবৰ কাৰণে বিলাতৰ চাৰ ৰাওলাট নামে এজন বিচাৰকক চেয়াৰমেন কৰি এখন কমিটি গঠন কৰি দিয়ে। এই কমিটিয়ে পঞ্জাব আদি ঘূৰিমেলি এটা ৰিপোৰ্ট দাখিল কৰে। গৱৰ্ণমেণ্টে ৰাওলাট কমিটিৰ পৰামৰ্শ অনুযায়ী দুখন বিলৰ খছৰা কৰি ১৯১৯ চনৰ প্ৰথম জানুৱাৰীতে প্ৰকাশ কৰে।

ভাৰত সচিব মণ্টেগুৰ ভাৰত ভ্ৰমণ

ভাৰত সচিব মণ্টেগুৱে ভাৰতলৈ আহি বৰলাট চেমছফৰ্ডৰ সৈতে ভাৰতৰ প্ৰধান ৰাজনৈতিক দলবোৰৰ কাৰ্যকাৰক, ৰাজনৈতিক নেতা, জাতীয় অনুষ্ঠান, সাম্প্ৰদায়িক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত আলোচনা কৰি তেওঁলোকৰ মতামত লয়। কংগ্ৰেছ আৰু মুছলিম লীগে যুটীয়া ভাৱে বৃটিছ উপনিবেশ পৰ্য্যায়ৰ শাসন বিচাৰে। অক্টোবৰ মাহত নিখিল ভাৰত কংগ্ৰেছ কমিটি আৰু মুছলিম লীগ কাউন্সিলৰ পুনৰ জাতীয় বৈঠক বহি পূৰ্ণ স্বায়ত্ব শাসন প্ৰৱৰ্তন আৰু খিলাফৎ সমস্যা সম্পৰ্কে পৰিষ্কাৰ নীতিৰ ঘোষণাৰ দাবী জনায়।

৮ জুলাইত মণ্টেগু-চেমছফৰ্ডৰ ভাৰত শাসন সংস্কাৰৰ খছৰাৰ প্ৰাথমিক ৰিপৰ্ট প্ৰকাশ হয়। উদাৰপন্থীৰ বাহিৰে কংগ্ৰেছ লীগৰ নেতাসকলে হতাশজনক বুলি মত প্ৰকাশ কৰে। ১৯ জুলাইত ৰাওলাট কমিটিৰ ৰিপৰ্ট প্ৰকাশ হয়।

ৰাওলাট বিল

ৰাওলাট কমিটি বিপৰ্টৰ পৰামৰ্শ সন্নিবিষ্ট কৰি দুখন বিলৰ খচৰা প্ৰণয়ন কৰি ১৯১৯ চনৰ প্ৰথম দিনাই প্ৰকাশ কৰে।

(১) এখন বিলৰ দ্বাৰা যুদ্ধৰ সময়ত প্ৰবৰ্ত্তন কৰা 'ডিফেন্স ইণ্ডিয়া এক্ট এণ্ড ৰুলচ'ক স্থায়ীভাৱে ভাৰতত পুনৰ প্ৰবৰ্ত্তন কৰা আৰু, (২) দ্বিতীয়খন আইনৰ দ্বাৰা ভাৰতৰ দণ্ডবিধি আইনত এটা পৰিবৰ্ত্তন কৰি বিনা বিচাৰে ভাৰতীয় মানুহক সন্দেহৰ ওপৰত বন্দী কৰি ৰখা ক্ষমতা, বাতৰি কাকতৰ স্বাধীনতা হৰণ, মানুহৰ বাক্‌স্বাধীনতাত হস্তক্ষেপ কৰা আদিৰ ব্যৱস্থা কৰা হৈছিল। এই দুয়োখন বিল ১৯১৯ চনৰ ৬ ফেব্ৰুৱাৰীত ভাৰত জুৰি ইয়াৰ প্ৰতিবাদ হোৱা সত্ত্বেও ইম্পেৰিয়েল কাউন্সিলত উত্থাপিত হয়।

ৰাওলাট বিল আৰু গান্ধীজী

খেদা জিলাৰ সত্যাগ্ৰহ আন্দোলনৰ সময়ত গান্ধীজীৰ তেজগ্ৰহণী আৰম্ভ হয়। শয্যাগত অৱস্থাতে ৰাওলাট আইনৰ চমু বিৱৰণী পঢ়ি ইয়াৰ মৰ্ম বুজি তেওঁ উদ্বিগ্ন হৈ পৰিল। কাৰণ ই জাতীয়তাবাদী সকলৰ হাত-ভৰি, মুখ বন্ধ কৰাৰ উপৰিও বাতৰি কাকতৰ স্বাধীনতাত কুঠাৰাঘাত কৰাৰ এক বিৰাট ষড়যন্ত্ৰ। গান্ধীজীয়ে এই বিষয়ে বল্লভভাই পেটেল, তৈয়বজী, সৰোজিনী নাইডু আদিৰ লগত এনে আইনৰ প্ৰতিবাদ কৰি সত্যাগ্ৰহ কৰাৰ বিষয়ে আলোচনা কৰে। তেওঁ বৃটিছৰ ন্যায় আৰু সততাৰ ওপৰত যি এটা দৃঢ় বিশ্বাস আছিল, সেই বিশ্বাস ভাৰ চূৰ্ণবিচূৰ্ণ হৈ গ'ল।

১৯১৯ চনৰ ২৪ ফেব্ৰুৱাৰীত উক্ত আইনৰ প্ৰতিবাদত সত্যাগ্ৰহ কৰিবলৈ প্ৰস্তুত থকা সকলে সত্যাগ্ৰহ প্ৰতিশ্ৰুতি পত্ৰত চহী কৰিবলৈ কোৱাত চৰ্দাৰ বল্লভভাই পেটেল, তৈয়বজী, সৰোজিনী নাইডু, ওমৰ ছোবানী, শঙ্কৰলাল বেঙ্কাৰ, ইন্দুলাল আদি কৰি বহুতে চহী কৰে। সেই প্ৰতিজ্ঞা পত্ৰত লিখা আছিল—"১৯১৯ চনৰ ফৌজদাৰী আইনৰ সংশোধনী ১ নং আৰু ২ নং বিল আইনত পৰিণত হলে সেই আইন উঠি নোযোৱালৈকে প্ৰতিজ্ঞাপত্ৰত চহী কৰা সত্যাগ্ৰহীসকলে শান্তিপূৰ্ণ উপায়েৰে আইন অমান্য কৰিব।"

গান্ধীজী সুস্থ হোৱাৰ লগে লগে বোম্বাইলৈ গ'ল। তাতো হাজাৰ

হাজাৰ মানুহ প্ৰতিজ্ঞাপত্ৰত চহী কৰিবলৈ আগবাঢ়ি আহিল। বোম্বাইৰ পৰা গান্ধীজী মাদ্ৰাজ পালেগৈ। তাত ৰাজা গোপালাচাৰীৰ লগত তেখেতৰ পৰিচয় হ'ল। বিল দুখনৰ বিৰোধিতা কৰি ভাৰতজুৰি প্ৰতিবাদৰ ঢৌ উঠিল। কিন্তু চৰকাৰে দেশব্যাপী এনে প্ৰতিবাদ সত্বেও আৰু কাউন্সিলৰ ভিতৰত ভাৰতীয় সদস্যসকলৰ প্ৰতিবাদক আওকাণ কৰি ইংৰাজ সদস্যসকলৰ ভোটৰ বলেৰে প্ৰথম বিল গৃহীত কৰি আইনত পৰিণত কৰে। ১৯১৯ চনৰ ১৮ মাৰ্চত দ্বিতীয়খন বিলো ,গেজেটত প্ৰকাশ কৰি আইনত পৰিণত কৰে।

স্মৰণীয় হৰতাল

উক্ত আইনৰ প্ৰত্যাহাৰৰ দাবীত ৩০ মাৰ্চত ভাৰত জুৰি হৰতাল পালনৰ সিদ্ধান্ত কৰে। গান্ধীজী মাদ্ৰাজলৈ গৈ নেতাসকলৰ লগত আলোচনা কৰি ৬ এপ্ৰিললৈ হোৰ্হকাই নিয়াৰ ঠিক কৰিলে। কিন্তু দিল্লী, অমৃতসৰ আদি ঠাইত এই বাতৰি সময়মতে নোপোৱাত ৩০ মাৰ্চতেই হৰতাল, শোভাযাত্ৰা, ৰাজহুৱা সভা আদি হয়। দিল্লীত প্ৰায় ৩০ হাজাৰৰো ওপৰ বিৰাট জনতাৰ ওপৰত পুলিচে লাঠিচালনা কৰিলে। জনতাক ছত্ৰভংগ কৰিবলৈ অসমৰ্থ হৈ পুলিচে গুলীচালনা কৰে। গুলীত চাৰিজনৰ মৃত্যু হ'ল। শ শ মানুহ লাঠিৰ কোবত আহত হ'ল। তেতিয়া জনতাই পুলিচক আক্ৰমণ কৰিবলৈ উদ্যত হোৱাত, পুলিচেও বন্দুক কামান লৈ প্ৰস্তুত হ'ল। স্বামী শ্ৰদ্ধানন্দজীয়ে দুয়োদলৰ মাজত বুকু ফিন্দাই থিয় হ'ল। এটা ভয়ানক হত্যাকাণ্ডৰ পৰা ৰক্ষা পৰিল। অমৃতসৰতো আৰু পঞ্জাৱৰ অ'ত ত'ত সেইদিনা হৰতাল পালন কৰা হৈছিল। শোভাযাত্ৰাকাৰী সকলৰ ওপৰত পুলিচৰ লাঠিচালনা, গ্ৰেপ্তাৰ আৰু অত্যাচাৰ চলিছিল। কোনো কোনো ঠাইত অত্যাচাৰে চূড়ান্ত ৰূপ ধাৰণ কৰিছিল। ৬ এপ্ৰিলতো গোটেই ভাৰতত সফলতাৰে হৰতাল পালন কৰা হয়। প্ৰাৰ্থনা, উপবাস, হৰতাল, শোভাযাত্ৰা আদি সকলো ঠাইত পালন কৰাত, চৰকাৰে বাধা দিবলৈ কিছু ঠাইত লাঠিচালনা আৰু গুলীবৰ্ষণ কৰে। গোটেই ভাৰতত কুৰিজনৰো অধিক লোকৰ মৃত্যু আৰু বহুতো লোক গুলী আৰু লাঠিৰ আঘাতত জখম হয়। শ শ লোকক গ্ৰেপ্তাৰ কৰা হয়। অসমৰো গুৱাহাটীকে মুখ্য কৰি প্ৰতি নগৰতে, প্ৰতিবাদৰ সভা-

সমিতি আদি হৈছিল। এই হৰতালে গোটেই ভাৰতত এটা বিশদ জাগৰণ আনি দিলে।

জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে মাজত ঐক্য, সম্প্ৰীতি, সাহস আৰু প্ৰেৰণা আনি দিলে। পঞ্জাৱত পুলিচ-মিলিটেৰীৰ অত্যাচাৰ অনুসন্ধান কৰিবলৈ গান্ধীজীক বাধা দিয়া সত্ত্বেও গান্ধীজী যোৱাত তেওঁক বেআৰ পৰা নগাই পুনৰ অন্য এখন ৰেলত বোম্বাইলৈ নি তাত এৰি দিয়ে। গান্ধীজীৰ গ্ৰেপ্তাৰৰ বাতৰি পাই গোটেই ভাৰতজুৰি জুই জ্বলি উঠে। প্ৰতিবাদত সভা-সমিতি, হৰতাল, শোভাযাত্ৰা আদি হয়।

জনতাক ছত্ৰভঙ্গ কৰিবলৈ বোম্বাইলৈ অশ্বাৰোহী সৈন্য আনিবলগীয়া হ'ল। শ শ অশ্বাৰোহী সৈন্য জনতাৰ মাজত সোমাই মাৰ-ধৰ কৰি জনতাক ছেদেলি-ভেদেলি কৰিলে। আহমদাবাদতো জনতা আৰু বনুৱা ৰাইজ উত্তেজিত হৈ উঠিল। তাত শান্তি স্থাপনৰ কাৰণে গান্ধীজী নিজে তালৈ যাবলগা হ'ল। উন্মত্ত শ্ৰমিক জনতাৰ উত্তেজনা-পূৰ্ণ পৰিবেশৰ আৰু পুলিচৰ উৎপীড়নৰ বাতৰিয়ে গান্ধীজীক উদ্বিগ্ন কৰিলে। গান্ধীজীয়ে তেতিয়া অহিংসা সত্যাগ্ৰহৰ কাৰণে জনগণ প্ৰস্তুত হোৱা নাই বুলি সত্যাগ্ৰহ অস্থায়ীভাৱে বন্ধ কৰিলে।

জালিয়ানাবালাবাগৰ হত্যাকাণ্ড

অমৃতসৰত সামৰিক আইন বলবৎ কৰা ঘোষণা কৰি ১১ এপ্ৰিলৰ দিনা জেনেৰেল ও'ডায়াৰক অমৃতসৰৰ শাসনৰ দায়িত্বভাৰ অৰ্পণ কৰা হয়। সৈন্য আৰু চিপাহীৰ উৎপীড়ন আৰম্ভ হ'ল।

জেনেৰেল ও'ডায়াৰে ১৯১৯ চনৰ ১৩ এপ্ৰিলৰ দিনা অমৃতসৰৰ 'জালিয়ানাবালাবাগ' নামে ঠাইত এক বহুাগত হোৱা বৈশাখী মেলা উৎসৱ পাতনৰ কাৰণে সমবেত হোৱা জনতাৰ ওপৰত নিৰ্মমভাৱে গুলীচালনা কৰাত হাজাৰ মৃত্যু হয়। বহুতো উপায়হীন হৈ কুঁৱাত জাপ দি মৃত্যুবৰণ কৰে। আঠশৰো অধিক লোক সাংঘাতিকভাৱে জখম হয়। কাকো চিকিৎসা কৰিবলৈ বা পানী এটুপী দিবলৈ তালৈ যাব দিয়া হোৱা নাছিল। জীয়াই থকা আৰু বাটকৰাকো জালিয়ানাবালা-বাগৰ ওচৰেদি যোৱা ভাওৰ-সৰু বাটেদি পেট চোঁচৰাই আৰু আঁঠুকাঢ়ি যাবলৈ বাধ্য কৰা হৈছিল। দুই তিনিদিন ধৰি এনে ধৰণৰ অত্যাচাৰ চলিছিল। গোটেই ভাৰত জুৰি এই নৃশংস হত্যা-

কাণ্ডৰ প্ৰতিবাদ আৰু ন্যায়িক তদন্তৰ দাবী জনোৱা হ'ল। সামৰিক আইনত বিচাৰ কৰি বহুতো ভেকাক ৰাজদ্ৰোহৰ অপৰাধত ফাঁচী, দ্বীপান্তৰ আৰু কিছু সংখ্যকক দীঘলীয়া জেল দিয়ে। ফাঁচীৰ হুকুম হোৱা সকলক ফাঁচী নিদিবৰ কাৰণে ভাৰতজুৰি আবেদন নিবেদন কৰা সত্ত্বেও ফাঁচী দিয়া হয়।

অমৃতসৰ কংগ্ৰেছ--১৯১৯

ৰাওলাট বিল, পঞ্জাৱত দমননীতি, জালিয়ানাৱালাবাগৰ নিৰ্মম হত্যাকাণ্ড, মণ্টেগু-চেমছফৰ্ড শাসন সংস্কাৰ এনে বিভিন্ন সমস্যা লৈ সৃষ্টি হোৱা উত্তপ্ত পৰিস্থিতিৰ মাজত মতিলাল নেহৰুৰ সভাপতিত্বত ১৯১৯ চনৰ ২৬-৩১ ডিচেম্বৰত অমৃতসৰত কংগ্ৰেছৰ ৩৩ তম অধিবেশন বহে। জালিয়ানাৱালাবাগৰ হত্যাকাণ্ডৰ বাবে জেনেৰেল ওডায়াৰ আৰু পঞ্জাৱৰ গৱৰ্ণৰৰ বিচাৰৰ দাবী মণ্টেগু-চেমছফৰ্ড শাসন সংস্কাৰ অগ্ৰাহ্য, পঞ্জাৱত দমননীতি প্ৰত্যাহাৰ দাবী, সামৰিক আদালত, ফাঁচী-দ্বীপান্তৰ কৰা লোকক মুক্তি দিয়া আদি বিভিন্ন প্ৰস্তাৱ গ্ৰহণ কৰে। খিলাফৎ সমস্যা লৈ ভাৰতৰ মুছলমানসকলৰ মাজতো উত্তেজনাপূৰ্ণ পৰিস্থিতিয়ে দেখা দিয়ে।

মণ্টেগু চেমছফৰ্ড শাসন সংস্কাৰ আৰু অসম

বৃটিছ বিষয়া আৰু চাহ কোম্পানীৰ মালিকসকলে কুচক্ৰান্ত কৰি এই নতুন শাসন সংস্কাৰৰ পৰা অসমক স্বায়ত্ব শাসনৰ উপযোগী হোৱা নাই বুলি বাদ দি ৰাখিলে। অসম এচোছিয়েশ্যন আদি কৰি বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ নেতাসকলে প্ৰমাদ গণিলে। অসম এচো-ছিয়েশ্যানে নতুন শাসন সংস্কাৰেৰে অসমকো অন্তৰ্ভুক্ত কৰিবৰ কাৰণে বৃটিছ পাৰ্লিয়ামেণ্টৰ যুটীয়া কমিটিৰ আগত সাক্ষাৎ দিবৰ কাৰণে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু প্ৰসন্ন বৰুৱাক লৈ এটা সঁজাতী দল বিলাতলৈ পঠাবলৈ সিদ্ধান্ত কৰে। কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ অশেষ পৰিশ্ৰমেৰে অসম ঘুৰি ৮ হেজাৰ টকা সংগ্ৰহ কৰাত এই সঁজাতী দল বিলাতলৈ যোৱাটো সম্ভৱ হয়।

বিলাতত থকা সময়ছোৱাত নবীনচন্দ্ৰ বৰদলৈয়ে কেৰাধনো বৃটেইনৰ বনুবাদজে পতা সভাত যোগদান কৰিছিল। তেখেতে অসমৰ

চাহ বাগানৰ বনুৱাসকলৰ ওপৰত চলা য়ুৰোপীয়ান মেনেজাৰসকলৰ অত্যাচাৰ উৎপীড়নৰ কথা কৈছিল। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে তেখেতৰ স্বভাৱসুলভ ভাষাৰে কুচক্ৰান্তকাৰী ইংৰাজ বিষয়া আৰু চাহ খেতিয়কসকলক বিৰোধিতা কৰা সত্ত্বেও, অখণ্ড যুক্তিৰে পালিয়া-মেন্টৰ যুটীয়া কমিটি আৰু বৃটিছ চৰকাৰৰ মুৰব্বীসকলক পতিয়ন নিয়াবলৈ সক্ষম হ'ল যে, অসমক নতুন শাসন সংস্কাৰ প্ৰবৰ্ত্তন নকৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। বৰদলৈদেৱৰ যুক্তি আৰু তথ্য সম্বলিত কথা প্ৰসঙ্গত ভাৰত সচিব আৰু যুটীয়া পালিয়ামেন্ট কমিটিৰ সদস্যসকল পতিয়ন গ'ল আৰু অসমকো নতুন শাসন-সংস্কাৰৰ অন্তৰ্ভুক্ত এখন প্ৰদেশ হিচাপে গণ্য কৰা হ'ল।

অসহযোগ আন্দোলন

জুন মাহত খিলাফৎ কমিটিয়ে গৱৰ্ণমেণ্টৰ লগত অসহযোগ কৰাৰ সিদ্ধান্ত কৰে আৰু এখন চাৰিদফীয়া কাৰ্যসূচী প্ৰস্তুত কৰে— যিহেতু বৃটিছ প্ৰধানমন্ত্ৰীয়ে তুৰস্কৰ খলিফা সম্বন্ধে ভাৰতীয় মুছলমান-সকলক দিয়া প্ৰতিশ্ৰুতি নেৰাখিলে।

(১) চৰকাৰে দিয়া উপাধি আদি ত্যাগ

(২) চৰকাৰৰ কাম ইস্তফা দিয়া

(৩) মিলিটেৰী আদি পদত্যাগ কৰা

(৪) খাজনা, কৰ আদি দিয়া বন্ধ কৰা

গান্ধীজীয়ে খিলাফৎ সমিতিৰ চাৰিদফীয়া কাৰ্যসূচীৰ লগতে বিজাতী বস্ত্ৰ বৰ্জন, খদ্দৰৰ প্ৰচলন, মাদকদ্ৰব্য বৰ্জন, ইংৰাজী স্কুল-কলেজ বৰ্জন, আদালত বৰ্জন কৰা ইত্যাদি আৰু কেইটামান গঠনমূলক কাৰ্যসূচীত যোগ দি, অসহযোগ আন্দোলন কৰা এটা প্ৰস্তাৱ প্ৰস্তুত কৰে। ১৯২০ চনৰ ২০ জুলাইত বেনাৰছত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিত গান্ধীজীয়ে উক্ত অহিংসা অসহযোগ আন্দোলনৰ আলোচনা হয়। অক্টোবৰ মাহত কলিকতাত বিশেষ অধিবেশন পাতি, গান্ধীজীৰ অসহযোগ আন্দোলনৰ প্ৰস্তাৱৰ বিষয়ে আলোচনা কৰে। ৪ হেজাৰৰো অধিক প্ৰতিনিধিয়ে যোগদান কৰে। নৰমপন্থীৰ কথাই নাই, উগ্ৰপন্থী নেতা লোকমান্য তিলকে 'ৰাজনীতিত আধ্যাত্মিকতাৰ স্থান নাই'' বুলি গান্ধীজীৰ আন্দোলন সমৰ্থন কৰা নাছিল।

বঙ্গনেতা দেশবন্ধু চিত্তৰঞ্জন দাশ, ব্যোমকেশ চক্ৰবৰ্তী, অসমৰ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ প্ৰমুখ্যে সৰহ সংখ্যক নেতাই গান্ধীজীৰ অসহযোগ আঁচনিৰ বিৰোধিতা কৰে। কিন্তু অসমৰ কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা আৰু ডেকা প্ৰতিনিধিসকলে সমৰ্থন কৰে। মতিলাল নেহৰুৱে উক্ত প্ৰস্তাৱৰ লগত "স্বৰাজ লাভৰ উদ্দেশ্য" এই বাক্যটো সুমুৱাই দিয়ে। বিপুল ভোটত গান্ধীজীৰ প্ৰস্তাৱ গৃহীত হয়। পঞ্জাবকেশৰী লালা লাজপত ৰায়ে এই অধিবেশনত সভাপতিত্ব কৰিছিল। প্ৰস্তাৱ গৃহীত হ'ল যদিও এটা সাংবিধানিক প্ৰশ্ন উঠিল। যিহেতু এই প্ৰস্তাৱে কংগ্ৰেছৰ সংবিধানৰ মূল নীতিৰ পৰিবৰ্তন আনিব, গতিকে সাধাৰণ বছৰেকীয়া অধিবেশন আহ্বান কৰিব লাগে। সেই অনুসৰি নাগপুৰত ১৯২০ চনৰ ডিচেম্বৰ মাহত অধিবেশন বহে। দেশবন্ধু চিত্তৰঞ্জন দাশ, অসমৰ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ প্ৰমুখ্যে যিসকল নেতা কলিকতাত গান্ধীজীৰ প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল, সেইসকল হৈ পৰিল এইবাৰ গান্ধীজীৰ প্ৰধান সমৰ্থক। কংগ্ৰেছৰ গান্ধী-যুগ আৰম্ভ হ'ল।

অসম আৰু অসহযোগ আন্দোলন—চমু ইতিবৃত্ত

কংগ্ৰেছৰ অসহযোগ প্ৰস্তাৱৰ বিষয়ে আলোচনা কৰিবলৈ অসম এচোছিয়েশ্যনৰ এখন জৰুৰী অধিবেশন তেজপুৰত বহে। অধিক সংখ্যক সদস্যই অসহযোগ আন্দোলনৰ সমৰ্থন কৰাত নৰমপন্থীসকলে এচোছিয়েশ্যন ত্যাগ কৰে।

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাই সৰ্বপ্ৰথমৰ পৰাই অসহযোগ আন্দোলনৰ সমৰ্থন কৰি আহিছিল। তেওঁ দেশভক্ত তৰুণৰাম ফুকন প্ৰমুখ্যে আৰু গোটেই অসম উপত্যকা ঘূৰি উকীল আৰু ছাত্ৰনেতাসকলক অসহযোগ আন্দোলনত যোগ দিয়াৰ কাৰণে চেষ্টা চলায়। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, কুলধৰ চলিহা প্ৰমুখ্যে কেইগৰাকীমান নেতাৰ আপ্ৰাণ চেষ্টাৰ ফলত অসমতো অসহযোগ আন্দোলনৰ সূচনা হয়। চন্দ্ৰনাথ শৰ্মাৰ যত্নত বিভিন্ন জিলাৰ ১৫ জন উকীলে কৰ্ট বৰ্জন কৰি আন্দোলনত যোগ দিয়ে।

১৯২০ চনৰ অসম কাউন্সিল নিৰ্বাচনত অসমৰ কোনো কংগ্ৰেছী নেতা প্ৰাৰ্থী হোৱা নাছিল। কুমুদ চন্দ্ৰ বৰা সদস্য হৈও পদত্যাগ কৰে। কেম্বাজনেও নমিনেচন পেপাৰ দাখিল কৰিও উঠাই লৈছিল।

অসম কংগ্ৰেছ কমিটি গঠন

১৯২১ চনৰ ৫ জুনত নবীনচন্দ্ৰ বৰদলৈৰ ঘৰত অসমৰ বিভিন্ন জিলাৰ ৪০ জনমান কংগ্ৰেছ কৰ্মীৰ, কৃষ্ণকান্ত ভট্টাচাৰ্যৰ (যোৰহাট) সভাপতিত্বত এখন সভা বহে। কুলধৰ চলিহা—সভাপতি, নবীনচন্দ্ৰ বৰদলৈ—সম্পাদক হিচাপে নিৰ্বাচিত কৰি অসম প্ৰদেশ কংগ্ৰেছ কমিটি গঠন হয়। সুৰমা উপত্যকা বঙ্গ প্ৰদেশৰ লগতে থাকে। পাছত দেশভক্ত ফুকন সভাপতি হয়।

১৯২১ চনৰ জুলাই মাহৰ প্ৰথম সপ্তাহত বোম্বাইত নিখিল ভাৰত কংগ্ৰেছলৈ যাওঁতে তৰুণৰাম ফুকন, নবীনচন্দ্ৰ বৰদলৈ প্ৰমুখ্যে নেতাই মহাত্মা গান্ধীক অসমলৈ নিমন্ত্ৰণ কৰি আহে। গান্ধীজী ১৮ আগষ্টত অসম ভ্ৰমণৰ কাৰণে গোলোকগঞ্জ পায়হি। গোলোকগঞ্জতে তেখেতক নবীনচন্দ্ৰ বৰদলৈ প্ৰমুখ্যে নেতাই আগবঢ়াই আনে। প্ৰতি ষ্টেচনতে গান্ধীজীৰ দৰ্শনৰ কাৰণে হাজাৰ হাজাৰ মানুহ সমবেত হৈছিল। ১৯ তাৰিখে গুৱাহাটীত তৰুণৰাম ফুকনৰ ঘৰ পায়হি। এখন বিৰাট ৰাজহুৱা সভা আৰু বিলাতী বস্ত্ৰ পোৰা যজ্ঞ অনুষ্ঠিত হৈছিল তৰুণৰাম ফুকনৰ ঘৰৰ সন্মুখত থকা খুকলি পথাৰত। কামৰূপৰ বিভিন্ন অঞ্চলৰ বাহিৰেও মঙ্গলদৈ, তেজপুৰ, নগাঁও আদি বিভিন্ন অঞ্চলৰ পৰা ভলন্টিয়াৰসকলে দল বান্ধি আহি জাতীয় সঙ্গীত গায় আৰু শোভাযাত্ৰা কৰি গুৱাহাটীলৈ গান্ধীজীৰ দৰ্শনৰ কাৰণে আহে। গান্ধীজীয়ে গুৱাহাটীৰ পৰা তেজপুৰ, নগাঁও, যোৰহাট, ডিব্ৰুগড়লৈ যায়। প্ৰতি ষ্টেচনতে আৰু ৰাজহুৱা সভাত হাজাৰ হাজাৰ লোকে গান্ধীজীৰ দৰ্শন আৰু কথা শুনিবৰ কাৰণে সমবেত হৈছিল। প্ৰতি ঠাইতে মহিলাসকলে সভা পাতি গান্ধীজীক সম্বৰ্ধনা জনাইছিল। ডিব্ৰুগড়ত ৰাজহুৱা সভাৰ বাহিৰেও চাহ বাগানৰ মেনেজাৰসকলৰ এখন সভাতো গান্ধীজীয়ে ভাষণ দিয়ে। ২৬ তাৰিখে গান্ধীজী লামডিং হৈ কাছাৰ-ছিলেটলৈ যায়গৈ। গান্ধীজীৰ অসম ভ্ৰমণে জনগণৰ মাজত এক বিপুল জাগৰণৰ সৃষ্টি কৰি যায়। তেখেতে বিশেষকৈ কানি বৰ্জনৰ ওপৰত অসম কংগ্ৰেছক বিশেষ গুৰুত্ব দিবলৈ পৰামৰ্শ দিছিল।

যুৱৰাজৰ ভাৰত ভ্ৰমণ

১৯২১ চনত ইংলেণ্ডৰ যুৱৰাজ ভাৰতবৰ্ষলৈ অহাৰ প্ৰসংগত কংগ্ৰেছ আৰু মুছলিম লীগে সিদ্ধান্ত কৰিছিল যুৱৰাজৰ ভাৰত ভ্ৰমণ বৰ্জন কৰিবৰ কাৰণে। যুৱৰাজ ১৭ নবেম্বৰত বোম্বাইত পদাৰ্পণ কৰাৰ দিনা যুৱৰাজক সম্ভাষণ জনোৱা আৰু বৰ্জন কৰা দুটা দলৰ মাজত হোৱা সংঘৰ্ষত বহুতো লোকৰ মৃত্যু আৰু আহত হয়। লগতে কোটি কোটি টকাৰ ঘৰ-দুৱাৰ, সা-সম্পত্তি ধ্বংস হয়। পুলিচ মিলিটেৰীয়ে এই সংঘৰ্ষ বন্ধৰ কাৰণে বহুতো ঠাইত লাঠি আৰু গুলী চলাব লগা হৈছিল। লাঠিচালনা আৰু গুলীত বহু লোক জখম হয়"। এই সংক্ৰান্তত বহুতো লোকক বিভিন্ন অভিযোগত গ্ৰেপ্তাৰ কৰে।

গান্ধীজীয়ে এনে হিংসাত্মক ঘটনাৰ প্ৰায়শ্চিত্তৰ কাৰণে নিজে পাঁচদিন অনশন কৰে। যুৱৰাজ ভাৰতৰ বিভিন্ন চহৰবিলাকলৈ যাওঁতে সকলোতে তেওঁক ক'লা পতাকা দেখুৱা হৈছিল। পুলিচেও এনে শোভাযাত্ৰা বাধা দিবৰ কাৰণে লাঠিচালনা কৰিব লগা হৈছিল। ফলত বহুতো মানুহ জখম হৈছিল আৰু কিছু সংখ্যক লোকক গ্ৰেপ্তাৰ কৰা হৈছিল।

অসহযোগ আন্দোলন আৰু অসম

গান্ধীজীয়ে অসম এৰাৰ পাছত, অসমত কানি আন্দোলনৰ জুই জ্বলি উঠিল। অসম উপত্যকাৰ ৭৫ জন অসমীয়া উকীলৰ ভিতৰত ৫০ জনেই আদালত বৰ্জন কৰি নিজ নিজ জিলাৰ আন্দোলনৰ নেতৃত্ব ললে। কলিকতা, কটন কলেজ, হাইস্কুল বিলাকৰ একক সংখ্যক ছাত্ৰই স্কুল-কলেজ বৰ্জন কৰি পাঁৱে-ভুক্তে খিয়পি পৰিল। সভা-সমিতি, শোভাযাত্ৰা, বিলাতী বস্ত্ৰ পোৰা, কানি মহল, বিলাতী কাপোৰ বেচা দোকানত পিকেটিং, আনহাতে ধঁতৰ বিতৰণ, সূতাকটা আদি গঠনমূলক কাম ব্যাপকভাবে আৰম্ভ হ'ল। হিন্দু-মুছলমানৰ অপূৰ্ব মিলন। তিলক স্বৰাজ পুঁজিলৈ, সভ্যভুক্তি, সূতা আৰু খাদী উৎপাদন সম্বন্ধে কংগ্ৰেছ ওৱৰ্কিং কমিটিয়ে অসমৰ কাৰণে যি নিৰ্ধাৰণ কৰি দিছিল, অসমে তাৰ সীমা অতিক্ৰম কৰি দেখুৱাই ভাৰতীয় নেতাসকলক স্তম্ভিত কৰিছিল। বহু অঞ্চলৰ আশেপাশে

থকা চাহ বাগানৰ মেনেজাৰসকলে ভলণ্টিয়াৰসকলক অসৎ ব্যৱহাৰ আৰু বাগানৰ ভিতৰত থকা হাট-বজাৰলৈ ভলণ্টিয়াৰ সোমাবলৈ নিদিয়াৰ কাৰণে বহুতো ঠাইত বাগানৰ ভিতৰৰ হাট-বজাৰ বৰ্জন কৰি বাগানৰ বাহিৰত বজাৰ পাতিছিল, যাতে বনুৱাসকল বাগানৰ বাহিৰ হৈ আহিবলৈ বাধ্য হয়। কৰিমগঞ্জ, তেজপুৰ, ভুমডুমা, শিৱসাগৰ ইত্যাদি কিছু বাগানৰ শ্ৰমিকৰ মাজতো হাট-বজাৰত হোৱা সভা-সমিতিৰ বক্তৃতা আদি শুনি তেওঁলোকৰ মাজতে এক আন্দোলনৰ সৃষ্টি হৈছিল। বাগানৰ মেনেজাৰসকলে বস্তুৰ দাম বৃদ্ধি হোৱাৰ কাৰণে, তেওঁলোকৰ মজুৰি বৃদ্ধিৰ বাবে দাবী কৰিছিল। মেনেজাৰসকলে তেওঁলোকৰ দাবী মানি নোলোৱাৰ বাবে "মহাত্মা গান্ধী কি জয়" ধ্বনি দি উক্ত অঞ্চলবিলাকৰ বাগানৰ পৰা বহু হেজাৰ বনুৱাই পুনৰ নিজ নিজ জিলালৈ ওভোতাই পঠোৱা দাবী কৰি বাগান ত্যাগ কৰি ওলাই আহিছিল।

বাগানৰ চাহাবসকলে আন্দোলনৰ মূৰ্তি দেখি শঙ্কিত হৈ উঠে আৰু অসম চৰকাৰ, ভাৰত চৰকাৰক কঠোৰ দমননীতি লৈ আন্দোলন দমন কৰিবৰ কাৰণে হেঁচা দিয়ে। চাহ বাগানৰ হেঁচাত পৰি অসম ৰাজ্যিক চৰকাৰে অতি কঠোৰ দমন নীতি আৰম্ভ কৰে। কিছু কিছু চাহ বাগানৰ আশে পাশে ১৪৪ ধাৰা জাৰি কৰে। যাতে ভলণ্টিয়াৰসকলে বাগানৰ ওচৰতে হাট-বজাৰ, সভা-সমিতি পাতিব নোৱাৰে। আনহাতে বিলাতী কাপোৰৰ দোকানত, কানিৰ মহল আদিত পিকেটিং ব্যাপকভাৱে আৰম্ভ কৰি শ শ ভলণ্টিয়াৰে জেল আৰু কিছু অঞ্চলত পুলিচৰ মাৰ-ধৰ খাব লগা হয়। সিবিলাক অঞ্চলত ৰাইজে খাজনা বন্ধ কৰা আন্দোলনৰ কাৰ্যসূচী লৈছিল। সেই অঞ্চলবিলাকত পল্টন বাহিনীৰ শিবিৰ স্থাপন কৰি, জোৰ-জুলুম কৰি গৰু-ম'হ, সা-সম্পত্তি, মাটি আদি নীলামত দি খাজনা আৰু পাইকাৰী জৰিমনা আদায় কৰিছিল। যকোত এক পল্টন চিপাহীৰ শিবিৰ স্থাপন কৰি, তাৰ মুখীয়াল লোকসকলক ধৰি আনি পুহমহীয়া নৈৰ পানীত বান্ধি থৈছিল। কিছুমানক সূৰ্য্যৰ ফালে মুখ কৰি থিয় কৰাই বান্ধি ৰাখিছিল। বহা, যমুনামুখ, মজলদৈ, কাৰ্বিগাঁও, খিলা-ধাৰী, মৰলী, দেকগাঁও মৌজা, চওখাট, শিমলুগুৰি, টীয়ক, জাঁজি, উত্তৰ খাজমৰা অঞ্চলতো এক এক পল্টনকৈ চিপাহীৰ শিবিৰ পাতি

জোৰ-জুলুম কৰি খাজনা আৰু পাইকাৰী জৰিমনা আদায় কৰিছিল। গোৰ্খা সৈন্যৰ দল বাহিনী অসমৰ বিভিন্ন অঞ্চলত ফ্লেগ মাৰ্চ কৰাইছিল, মানুহৰ মাজত ভয়-আতঙ্ক সৃষ্টি কৰিবৰ কাৰণে। বিভিন্ন ঠাইত ১৪৪ ধাৰা ভঙ্গ কৰাৰ কাৰণে লাঠিচালনা কৰি বহুতো মানুহক জখম কৰিছিল। আনহাতে সুৰমা উপত্যকা, চিলেট, কছাৰ জিলাত বিশেষকৈ খিলাফৎ আন্দোলন উত্তপ্ত হৈ উঠাত কেবাঠাইতো পুলিচে জনসাধাৰণৰ ওপৰত গুলীচালনা কৰিছিল, আৰু ভালেমান মানুহৰ মৃত্যু হৈছিল। অসমব্যাপী নেতাসকলৰ উপৰিও প্ৰায় ৪ হাজাৰ লোক গ্ৰেপ্তাৰ হৈছিল। কিছু সংখ্যকক জৰিমনা, বেত দি আৰু অপমান কৰি এৰি দিছিল। ডেৰ হাজাৰৰো অধিক স্বেচ্ছাসেৱকক ৩ মাহ, ৬ মাহ, ১ বছৰ, আঠৈ বছৰ পৰ্যন্ত সশ্ৰম কাৰাদণ্ড দি জেলত ভৰাইছিল। জেলত অখাদ্য খাদ্য, ঘানি টনা, ঢেকি দিয়া আদি অতি কঠিন কাম কৰিবলৈ দিছিল।

অসমৰ মহিলাসকলেও সূতাকটা, খদ্দৰ উৎপন্ন কৰা, গঠনমূলক কামৰ প্ৰচাৰ কাৰ্যৰ কাৰণে সভা-সমিতি পাতি সংগঠন কামত আগভাগ লৈছিল। গান্ধীজীয়ে মহিলাসকলৰ এনে গঠনমূলক কামৰ প্ৰশংসা কৰিছিল।

শ শ ছাত্ৰই স্কুল-কলেজ বৰ্জন কৰি আন্দোলনত জপিয়াই পৰিছে। তেওঁলোকৰ ভৱিষ্যত জীৱনলৈও শিক্ষাৰ পথ বন্ধ হৈ গ'ল। অসংখ্য মেধাবী ছাত্ৰও ইয়াৰ ভিতৰত আছিল।

বাগানৰ বস্তিৰ বহুতো শ্ৰমিকে গাঁৱৰ ৰাইজৰ লগতে লগ লাগি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। অসহযোগ আন্দোলনৰ লগত খিলাফৎ আন্দোলন জড়িত থকাত শতকৰা ৭৫ জন মুছলমান লোক অসহযোগ আন্দোলনত জপিয়াই পৰিছিল। এই আন্দোলনৰ জৰিয়তে অসম হৈ পৰিছিল হিন্দু মুছলমানৰ এক অপূৰ্ব মিলন ক্ষেত্ৰ।

স্কুল বৰ্জন কৰি ওলাই অহা ছাত্ৰসকলৰ কাৰণে প্ৰতি জিলাতে জাতীয় স্কুল স্থাপন কৰা হৈছিল। কানি মহলত পিকেটিং আৰু প্ৰচাৰ কাৰ্যৰ ফলত ১৯১৯-২০ চনত ১,৫১৯ মোন কানি বিক্ৰীৰ ঠাইত ১৯২১-২২ চনত ৯০০ মোন কানিহে বিক্ৰী হোৱা গৱৰ্ণমেন্টৰ ৰিপৰ্টত প্ৰকাশ পাইছিল।

আহমদাবাদৰ ঘটনা

১৯২১ চনৰ ২৭-২৯ ডিচেম্বৰত আহমদাবাদত আন্দোলনৰ পৰিস্থিতিৰ বিষয়ে, আলোচনাৰ কাৰণে হাকিম আজমল খানৰ সভাপতিত্বত কংগ্ৰেছ বহে। অসমৰ প্ৰতিনিধি কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা, অমিয় কুমাৰ দাস প্ৰমুখ্যে গান্ধীজীক অসম চৰকাৰৰ কঠোৰ দমন কাৰ্যৰ বিষয়ে কোৱাত, গান্ধীজীয়ে ৰাজেন্দ্ৰপ্ৰসাদ আৰু পণ্ডিত মদনমোহন মালব্যক উক্ত বিষয়ে তদন্ত কৰি ১৫ দিনৰ ভিতৰত ৰিপৰ্ট দিবলৈ দায়িত্ব দিয়ে। দুয়ো অসমলৈ আহি বৰো আদি অঞ্চল ভ্ৰমণ কৰি এটা ৰিপৰ্ট কংগ্ৰেছ ওৱৰ্কিং কমিটিত দাখিল কৰিছিলহি।

চৌৰি-চৌৰাৰ ঘটনা

১৯২২ চনৰ ৫ ফেব্ৰুৱাৰীৰ দিনা যুক্ত প্ৰদেশৰ চৌৰি-চৌৰাৰ গাঁও অঞ্চলৰ বাইজে এটা শোভাযাত্ৰা কৰি যাওঁতে পুলিচৰ দলে এটাই গুলী চলায়। গুলীৰ শেষত জনতাই পুলিচ দলটোক আক্ৰমণ কৰাত পুলিচবোৰ থানাত সোমায়গৈ। জনতাই থানাৰ দুৱাৰ বন্ধ কৰি জুই লগাই দি বহুতো পুলিচক পুৰি মাৰে।

এই নিৰ্মম হত্যাকাণ্ডৰ কথা শুনি গান্ধীজী মৰ্মাহত হৈ পৰিল। 'দেশবাসী অসহযোগ আন্দোলনৰ বাবে উপযুক্ত হোৱা নাই' বুলি কৈ তেওঁ অসহযোগ আন্দোলন বন্ধ কৰে। গান্ধীজীয়ে এটা সাধাৰণ হিংসাত্মক ঘটনাৰ কাৰণতে আন্দোলন বন্ধ কৰাত জৱাহৰলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন দাশ প্ৰমুখ্যে নেতাসকলে তীব্ৰভাবে সমালোচনা কৰিছিল। কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা যক্ষ্মাৰোগত আক্ৰান্ত হৈ পুৰীত শয্যাগত হৈ থকা অৱস্থাতে গান্ধীজীলৈ আন্দোলন বন্ধ কৰা সম্পৰ্কে অতি কঠিন ভাষাৰে প্ৰতিবাদ কৰি চিঠি দিছিল।

অসহযোগ আন্দোলন বন্ধ কৰাত গোটেই ভাৰতবৰ্ষত এটা অৱসাদ আহি পৰে। সেই অৱসাদৰ চৌৱে অসমকো স্পৰ্শ কৰে।

অসহযোগ আন্দোলনৰ পাছত

১৯২২ চনৰ ১২ মাৰ্চত গান্ধীজীক গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত ৬ বছৰ জেল হয়। দেশজুৰি প্ৰতিবাদ হয়।

অসহযোগ আন্দোলন স্থগিত হোৱা পৰিপ্ৰেক্ষিতত দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ আলোচনাৰ কাৰণে ২২ জুনত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ এখন সভা আজমলখানৰ সভাপতিত্বত লক্ষৌত বহে, ৭ জন সভ্যৰে এখন আন্দোলন অনুসন্ধান কমিটি গঠন কৰি দিয়ে। লক্ষৌত গঠন কৰা কমিটিয়ে ৭ আগষ্টত অসমলৈ আহি তিনিটা দলত বিভক্ত হৈ তিনিদিন অসমৰ বিভিন্ন অঞ্চল ভ্ৰমণ কৰে। আৰু বিভিন্ন ঠাইৰ ৰাজহুৱা সভাত তেওঁলোকে অসমত হোৱা অমানুষিক অত্যাচাৰৰ কঠোৰ সমলোচনা কৰিছিল। ৰাজা গোপালাচাৰিয়ে উভতি গৈ 'ইয়ং ইণ্ডিয়া'ত অসমত হোৱা অমানুষিক অত্যাচাৰৰ বিৱৰণী দি এটা প্ৰবন্ধ লিখিছিল। তেখেতে মন্তব্য কৰিছিল:

"We had the privilege to meet and hear the views of some of the bravest and trusted of Gandhijis follower's--Young men holding high the torch of faith amidst cruelty and devastation of illegality and unrestrained repression, strong and cheerful inspite of darkness--and depression allround if india had such youths of courage and faith, serving the cause in all her provincess. There would be nodoubt of the eaily attainment cf such goal.

(P.H. VII-82 P.)

স্বৰাজ্য দল গঠন

দেশবন্ধু চিত্তৰঞ্জন দাসৰ ঘৰত ১৯২২ চনৰ নবেম্বৰ মাহৰ ২০ তাৰিখৰ পৰা ২৪ তাৰিখলৈ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ এখন সভা বহিছিল। অসমৰ পৰা শ্ৰীদেবেশ্বৰ শৰ্মা, ৰজনী বৰুৱা, অমিয় কুমাৰ দাসে যোগ দিছিল।

সভাত দুটা মত হয়। এটা দলে গঠনমূলক কামৰ যোগেদি পুনৰ সংগ্ৰামৰ কাৰণে জনসাধাৰণক প্ৰস্তুত কৰা, দ্বিতীয়টো দলে 'স্বৰাজ্য দল' নাম দি এটা দল গঠন কৰি, কেন্দ্ৰীয় আৰু প্ৰাদেশিক কাউন্সিল আদিৰ সভ্য নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰাই, ১৯১৯ চনৰ শাসন সংস্কাৰ অকাৰ্য্য কৰি তোলা অসমৰ সভ্যসকলে স্বৰাজ্য দল গঠন কৰাৰ বিৰোধিতা কৰিছিল।

১৯২৩ চনৰ ডিচেম্বৰ মাহৰ ২৬, ২৭, ২৮ তাৰিখে দেশবন্ধু

চিত্তৰঞ্জন দাশৰ সভাপতিত্বত গয়াত কংগ্ৰেছৰ ৩৪ তম অধিবেশন বহে। স্বৰাজ্য দল গঠন কৰা স্থি প্ৰস্তাৱ মতিলাল নেহৰু প্ৰমুখ্যে নেতাই দাঙি ধৰিছিল, সেই প্ৰস্তাৱ অগ্ৰাহ্য হয়। মতিলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন দাস, তৰুণ ফুকন প্ৰমুখ্যে নেতাই স্বৰাজ্য দল গঠন কৰে, আৰু কেন্দ্ৰীয় প্ৰাদেশিক কাউন্সিলৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত কৰে। কংগ্ৰেছৰ ভিতৰত দুটা দল বিভক্ত হৈ পৰে। মৌলানা আজাদে দিল্লীত এখন কংগ্ৰেছৰ সভা পাতি তেওঁৰ মধ্যস্থতাত স্বৰাজ্য দলে কংগ্ৰেছৰ এটা শাখা হিচাপে কাম কৰি যাব, আৰু আনহাতে গঠনমূলক কৰ্মীসকলেও তেওঁলোকৰ গঠনমূলক কামৰ যোগেদি কংগ্ৰেছৰ সংগঠন আৰু গঠনমূলক কামৰ দায়িত্বত থাকিব।

অসম কংগ্ৰেছত বিভাজন

অসমত তৰুণৰাম ফুকন সভাপতি, ৰোহিণী চৌধুৰী আৰু গোপীনাথ বৰদলৈক সাধাৰণ সম্পাদক হিচাপে লৈ এটা স্বৰাজ্য দল গঠন কৰে। আনহাতে কুলধৰ চলিহা সভাপতি, নবীনচন্দ্ৰ বৰদলৈক সম্পাদক পাতি অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি পুনৰ গঠন কৰা হয়। স্বৰাজ্য দলৰ অসমৰ সকলো বিধান সভাৰ সদস্যই পদত্যাগ কৰে। উপনিৰ্বাচনত পুনৰ তৰুণৰাম ফুকন ব্যৱস্থাপক সভালৈ আৰু ৰোহিনী কুমাৰ চৌধুৰী, গোপীনাথ বৰদলৈ বিধান সভালৈ উঠে। গোপীনাথ বৰদলৈ নিৰ্বাচনত পৰাজয় হয়।

১৯২৩ চনৰ ১৬ নবেম্বৰৰ পৰা এচেম্বলী আৰু প্ৰাদেশিক বিধান সভাবিলাকৰ নিৰ্বাচন পতা হয়। অসমৰ স্বৰাজ্য দলৰ ফালৰ পৰা তৰুণৰাম ফুকন কেন্দ্ৰীয় ব্যৱস্থাপক এচেম্বলীলৈ আৰু অসম কাউন্সিললৈ ১৯ জন প্ৰাৰ্থীৰ ভিতৰত ১৫ জন অসম স্বৰাজ্য দলৰ প্ৰাৰ্থী জয়ী হয়।

১৯২৩ চনত কোকোপানাদত মৌলানা মহম্মদ আলি, ১৯২৪ চনত বেলগাওঁত মহাত্মা গান্ধী আৰু ১৯২৫ চনত সৰোজিনী নাইডুৰ সভাপতিত্বত কানপুৰত কংগ্ৰেছৰ ৪০ তম অধিবেশন বহে। এই কানপুৰ কংগ্ৰেছতে ৰোহিনীকান্ত হাতীবৰুৱা আৰু কৃষ্ণনাথ শৰ্মাই অসমলৈ কংগ্ৰেছক নিমন্ত্ৰণ জনায়।

৪১ তম কংগ্ৰেছ অধিৱেশন—পাণ্ডু

গুৱাহাটীৰ পাণ্ডুত কংগ্ৰেছ অধিৱেশন পাতিবলৈ সিদ্ধান্ত কৰি দেশভক্ত তৰুণৰাম ফুকন সভাপতি আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈক সম্পাদক পাতি এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। ভাৰতৰ ভিতৰত এখন অতি সৰু নগৰত কংগ্ৰেছ অধিৱেশন পতাৰ ইয়েই আছিল প্ৰথম। সভাপতি নিৰ্বাচিত হৈছিল শ্ৰীনিবাস আয়েঙ্গাৰ।

"পাণ্ডু কংগ্ৰেছত কাম কৰিবলৈ গ'লে গৱৰ্ণমেণ্টে গ্ৰেপ্তাৰ কৰিব।"--এনে এটা বাতৰি প্ৰচাৰ হোৱাত, বনুৱা, নাপিত, ধোবা, আদিয়ে পাণ্ডু কংগ্ৰেছত কাম কৰিবলৈ নোযোৱাত ভলণ্টিয়াৰসকলে ৰাতি দিন কঠোৰ পৰিশ্ৰম কৰি হাবি-জংঘল কাটি, মাটি সমান কৰি নেতাসকলে থকা ঘৰ, প্ৰতিনিধিসকলে থকা শিবিৰ, সভামণ্ডপ সাজি উলিয়ায়। নেতাসকলৰ কাপোৰ ধোৱা, পায়খানা চাফা কৰা ইত্যাদি কাম ভলণ্টিয়াৰসকলে নিজে কৰিছিল.

ডিচেম্বৰ মাহৰ ২৬, ২৭, ২৮ তাৰিখে পাণ্ডুত কংগ্ৰেছৰ ৪১ তম অধিৱেশন বহে। এই অধিৱেশনৰ বিশেষত্ব হৈছে এয়ে যে, সম্পূৰ্ণ প্ৰধান সভাঘৰটো অসমৰ শিপিনীয়ে কটা সূতাৰে বোৱা শুদ্ধ খদ্দৰ কাপোৰেৰে সজোৱা হৈছিল আৰু নেতৃবৰ্গৰ কাৰণে সজা পঁজাত যি পৰ্দা আৰু কাপোৰ ব্যৱহাৰ কৰা হৈছিল, সেই সকলোবোৰ অসমত উৎপন্ন খদ্দৰ কাপোৰেৰে সজোৱা হৈছিল। ইয়াৰ বাবে মহাত্মা গান্ধীজীয়ে অসমৰ শিপিনীসকলক ভূৰি ভূৰি প্ৰশংসা কৰিছিল। কিন্তু বতৰ বেয়া হোৱাৰ কাৰণে আনহাতে কংগ্ৰেছলৈ গলে পুলিচে ভগ্নী কৰিব, ফাটেক দিব এনে ভয়তো মানুহৰ সমাগম কম হয়। দৰ্শকৰ পৰা যি টকা আশা কৰা হৈছিল তাৰ এক তৃতীয়াংশমানহে সংগ্ৰহ হৈছিল। অসম চৰকাৰে সকলো ধৰণৰ বাধাৰ সৃষ্টি কৰিছিল। বৃটেইনৰ বনুৱাদলৰ ফালৰ পৰা শুভাকাঙ্ক্ষী প্ৰতিনিধি মিঃ পেথিক লৰেন্স কংগ্ৰেছ অধিৱেশনত যোগ দিবৰ কাৰণে (যি ১৯৪৫ চনৰ বনুৱা গৱৰ্ণমেণ্টৰ ভাৰত সচিব হৈছিল) পৰিবাৰসহ আহিছিল। কিন্তু তেওঁক চাকিট হাউছত কমিচনাৰে থাকিবৰ কাৰণে অনুমতি দিয়া নাছিল। পাণ্ডু কংগ্ৰেছৰ অন্য এটা বিশেষত্ব আছিল যে, ডাঙৰ পুঁজিপতি আৰু ব্যৱসায়ীসকলে বিশেষ বৰঙণি নিদিয়াৰ কাৰণে জনসাধাৰণৰ পৰা ক্ষুদ্ৰ পুঁজি সংগ্ৰহ কৰিয়েই কংগ্ৰেছ অধিৱেশনৰ টকা সংগ্ৰহ কৰিছিল।

কংগ্ৰেছৰ ৪৩ তম্ অধিবেশন

১৯২৮ চনৰ ডিচেম্বৰ মাহত মতিলাল নেহৰুৰ সভাপতিত্বত কংগ্ৰেছৰ ৪৩ তম অধিবেশন কলিকতাত বহে।

ইয়াৰ আগতে সৰ্বদলীয় সন্মিলনত গৃহীত হোৱা 'ডমিনিয়ন পৰ্য্যায়ৰ' শাসন প্ৰতিষ্ঠাৰ দাবী কৰি যি প্ৰস্তাৱ লৈছিল, সেই প্ৰস্তাৱকে কাৰ্যকৰী কৰিবৰ কাৰণে কংগ্ৰেছৰ ফালৰ পৰাও দাবী জনায়। আৰু এবছৰৰ ভিতৰতে বৃটিছ গৱৰ্ণমেণ্টে ডমিনিয়ন পৰ্য্যায়ৰ শাসন ব্যৱস্থা প্ৰতিষ্ঠা যদি নকৰে তেন্তে, কংগ্ৰেছে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ ল'ব, আৰু ইয়াৰ লাভাৰ্থে অহিংসা সংগ্ৰাম চলাই যাব।

১৯২৯ চনত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত লাহোৰত কংগ্ৰেছৰ ৪৪ তম অধিবেশন বহে। কলিকতা কংগ্ৰেছত গৃহীত হোৱা প্ৰস্তাৱ অনুসৰি বৃটিছ গৱৰ্ণমেণ্টে ডমিনিয়ন পৰ্য্যায়ৰ শাসন ঘোষণা নকৰাত কংগ্ৰেছে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰে। গান্ধীজীক স্বাধীনতা সংগ্ৰাম পৰিচালনা কৰিবৰ কাৰণে নেতৃত্বৰ ভাৰ দিয়ে। ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনটো স্বাধীনতা দিৱস হিচাপে পালন আৰু স্বাধীনতা পতাকা উত্তোলন কৰি সংকল্প গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। কাউন্সিলৰ কেন্দ্ৰীয় আৰু প্ৰাদেশিক সদস্যসকলে বিধান সভা ত্যাগ কৰি ওলাই আহিবলৈ কংগ্ৰেছৰ সভ্যসকলক নিৰ্দেশ দিয়ে।

মীৰাট আৰু লাহোৰ ষড়যন্ত্ৰৰ মামলা

ভাৰতৰ বিভিন্ন অঞ্চলৰ প্ৰায় ৩০ জন বনুৱা নেতাক বিপ্লৱী পন্থী বুলি গৱৰ্ণমেণ্টে গ্ৰেপ্তাৰ কৰি মীৰাট জেলত আবদ্ধ কৰে। আনহাতে লাহোৰ জেলতো পঞ্জাব, বঙ্গ আদিৰ কিছুসংখ্যক ডেকাক ষড়যন্ত্ৰৰ অভিযোগত বিচাৰৰ কাৰণে আবদ্ধ কৰে। ইয়াৰ ভিতৰত ভগৎ সিং, ৰাজগুৰু আৰু যতীন সেনও আছিল।

স্বাধীনতা দিৱস পালন

১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধীনতা দিৱস আৰু পতাকা উত্তোলন পালন কৰিবৰ কাৰণে যদিও কংগ্ৰেছে প্ৰস্তাৱ লৈছিল, কিন্তু গুৱাহাটীত প্ৰাদেশিক আৰু জিলা কংগ্ৰেছ নিষ্ক্ৰিয় হৈ থকাত, সেই সময়ৰ জুবিলী বাগিছাত অ:স:এ যুৱক সংঘই পতাকা উত্তোলন কৰি

স্বাধীনতা সংকল্প গ্ৰহণ কৰে আৰু শোভাযাত্ৰাৰ আয়োজন কৰে। অসম যুৱক সংঘৰ সভাপতি তৰুণৰাম ফুকনে পতাকা উন্মোচন কৰে আৰু শোভাযাত্ৰাত যোগ দিয়ে। কটন কলেজৰ ছাত্ৰাবাসৰ শতকৰা ৯০ জনেই এই পতাকা উত্তোলন আৰু স্বাধীনতা দিৱসৰ উৎসৱত আগ ভাগ লৈছিল। অসমৰ জিলা কংগ্ৰেছবিলাক অতি দুৰ্বল থকাৰ কাৰণে স্বাধীনতা দিৱসত অতি কম সংখ্যক লোকেহে পতাকা উত্তোলনত যোগ দিছিল, আৰু বহু ঠাইত এই কাৰণে শোভাযাত্ৰা আদি কৰা হোৱা নাছিল।

অসম যুৱক সংঘৰ কথা

১৯২৯ চনত অসম ছাত্ৰ সন্মিলন গোলাঘাটত বহিছিল তৰুণৰাম ফুকনৰ সভাপতিত্বত। শঙ্কৰ বৰুৱাৰ প্ৰচেষ্টাত 'অসম যুৱক সংঘ' নাম দি এটা সংঘ স্থাপন কৰা হয়। দেশভক্ত ফুকন সভাপতি, শঙ্কৰ বৰুৱা, দেবেন্দ্ৰনাথ শৰ্মা আৰু ৰাধিকা ৰাম দাস সম্পাদক নিৰ্বাচিত হয়। এই যুৱক সংঘই গুৱাহাটী আৰু অইন অইন জিলাতো স্বাধীনতা দিৱস পালনত আগভাগ লৈছিল।

গান্ধীজীৰ ডাণ্ডি যাত্ৰা

গান্ধীজীয়ে আন্দোলনৰ প্ৰথম কাৰ্যসূচী হিচাপে লোণ আইন ভঙ্গ কৰাৰ উদ্দেশ্যে ১৯৩০ চনৰ ১২ মাৰ্চত সবৰমতী আশ্ৰমৰ পৰা ৭৫ জন সত্যাগ্ৰহী লৈ লোণ আইন ভঙ্গ কৰিবলৈ ডাণ্ডিলৈ যাত্ৰা কৰে। গান্ধীজীৰ ডাণ্ডি যাত্ৰাৰ আৰম্ভৰ লগে লগে দেশব্যাপী এটা বিৰাট উৎসাহ-উদ্দীপনাই দেশবাসীক জাগ্ৰত কৰি তোলে। ভাৰত জুৰি আইন অমান্য আন্দোলন আৰম্ভ হয়। গান্ধীজীক ৬ এপ্ৰিলৰ ৰাতি সতৰ্কতাৰে গ্ৰেপ্তাৰ কৰি এড়ৱাৰ্ডা জেলত আটক কৰে।

গান্ধীজীৰ গ্ৰেপ্তাৰৰ পাছৰ পৰাই ভাৰতত আইন অমান্য আন্দোলন আৰম্ভ হয়। অসমত বিহেতু তৰুণৰাম ফুকন, সভাপতি, সম্পাদক নবীনচন্দ্ৰ বৰদলৈ আৰু জিলাবিলাকৰ ১৯২১ চনৰ প্ৰায় নেতাবিলাকে আন্দোলনৰ নেতৃত্ব লবলৈ ওলাই নহাত অসম কংগ্ৰেছত এটা সংকটে দেখা দিয়ে।

বিষ্ণুৰাম মেধীক প্ৰাদেশিক কংগ্ৰেছৰ সভাপতি পাতি অসমত

আন্দোলন আৰম্ভ কৰাৰ প্ৰচেষ্টা চলায়। ইতিমধ্যে নগাঁও আদি জিলাত বিলাতী কাপোৰৰ দোকানত কানি মহলত পিকেটিং আৰু আন্দোলন আৰম্ভ হয়। গুৱাহাটীত কটন কলেজৰ ৩০/৪০ জন ছাত্ৰই কলেজ বৰ্জনে কৰি ওলাই আহে আৰু কটন কলেজ আৰু ফাঁচী বজাৰৰ বিলাতী কাপোৰৰ দোকানত পিকেটিং আৰম্ভ হয়।

অসমৰ শিক্ষা বিভাগৰ ডাইৰেক্টৰ কানিংহাম চাহাবে এখন চাৰ্কুলাৰ দিছিল যে, অষ্টমমানৰ পৰা পঢ়া ছাত্ৰসকলৰ অভিভাৱক-সকলে এখন প্ৰতিশ্ৰুতি পত্ৰত চহী কৰি দিব লাগিব যাতে তেওঁৰ ল'ৰাই আন্দোলনত যোগ নিদিয়ে। ইয়াৰ প্ৰতিবাদত বহু ছাত্ৰই স্কুল বৰ্জন কৰে আৰু পিকেটিং কলেজ কৰি জেললৈ যায়। অসমব্যাপী আইন অমান্য আন্দোলন নতুন এচাম ডেকাৰ নেতৃত্বত আৰম্ভ হ'ল। ১৪৪ ধাৰা ভংগ, স্কুল, কানি, মদ, বিলাতী কাপোৰৰ দোকানত পিকেটিং কৰি প্ৰায় এহেজাৰৰো ওপৰ ছাত্ৰ-ভলণ্টিয়াৰ জেললৈ যায়।

ঘূৰণীয়া মেজমেল

চাইমন কমিচনৰ অনুমোদন, আনহাতে কংগ্ৰেছৰ স্বাধীনতা দাবীৰ পৰিপ্ৰেক্ষিতত, উদাৰপন্থী, সাম্প্ৰদায়িক দল আৰু ৰাজন্যবৰ্গক সন্তোষ কৰিবৰ অৰ্থে ভাৰতৰ শাসন সংস্কাৰৰ বিষয়ে আলোচনাৰ কাৰণে ২০ অক্টোবৰত বিলাতত এখন ঘূৰণীয়া মেজ-মেল পতাৰ ঘোষণা কৰে। ঘূৰণীয়া মেজমেলৰ ৬৯ জন সভ্যৰ ভিতৰত অসমৰ চাহ খেতিয়ক চন্দ্ৰধৰ বৰুৱাও এজন আছিল। তেওঁ প্ৰথম ঘূৰণীয়া মেজমেললৈ যাওঁতে কংগ্ৰেছৰ কৰ্মীৰ পৰা পাণ্ডুত ক'লা পতাকা প্ৰদৰ্শন কৰি বিক্ষোভ প্ৰদৰ্শন কৰিছিল।

গান্ধী-আৰউইন চুক্তি

শ্ৰমিক দলৰ মন্ত্ৰীসভাৰ ভাৰতনীতি পৰিবৰ্তন, আনহাতে উদাৰ-পন্থী তেজ বাহাদুৰ ছাপ্ৰু, জয়াকাৰ প্ৰমুখ্যে নেতাই কংগ্ৰেছ আৰু গৱৰ্ণমেণ্টৰ মাজত এটা আপোচৰ প্ৰচেষ্টাৰ ফলত গৱৰ্ণমেণ্টে আলোচনাৰ সুবিধাৰ্থে জেলৰ পৰা গান্ধীজী আৰু ওৱৰ্কিং কমিটিৰ সদস্যসকলক মুক্ত কৰি দিয়ে। গান্ধীজী আৰু বৰলাটৰ ভিতৰত দীঘলীয়া আলোচনা চলে।

ৰক্ষণশীল উচ্চ বিষয়া, বিভিন্ন প্ৰতিবন্ধকতা সত্ত্বেও ১৯৩১ চনৰ ৩১ মাৰ্চত গান্ধীজী আৰু বৰলাটৰ মাজত এটা চুক্তি সাক্ষৰিত হয়, যিটো 'গান্ধী-আৰউইন চুক্তি' নামে জনাজাত। যদিও এই চুক্তিমতে আইন অমান্য আন্দোলনৰ সম্পৰ্কত জেলত দিয়া লোকসকলৰ মুক্তি দিয়া হয় কিন্তু ভগৎ সিং, ৰাজগুৰুৰ ফাঁচিৰ হুকুম ৰদ কৰিবলৈ ভাইচৰয় কোনোপধ্যে মান্তি হোৱা নাছিল; আৰু এই লৈ জৱাহৰলাল নেহৰু প্ৰমুখ্যে নেতা ডেকাদল ক্ষুব্ধ হৈ পৰিছিল।

কৰাচী কংগ্ৰেছ

ভাৰত জুৰি আবেদন-নিবেদন, প্ৰতিবাদ সত্ত্বেও ভগৎ সিং আৰু ৰাজগুৰু শুকদেৱক ২৩ মাৰ্চত ফাঁচি দিয়া হয়। ভাৰত শোকমগ্ন হৈ পৰে।

১৯৩১ চনৰ মাৰ্চ মাহৰ শেষত বহা কৰাচী কংগ্ৰেছতো গান্ধীজীক ডেকাসকলে ক'লা পতাকা প্ৰদৰ্শন কৰি বিক্ষোভ প্ৰদৰ্শন কৰিছিল। ইতিমধ্যে ১৯৩১ চনৰ ১৭ এপ্ৰিলত লৰ্ড উইলিংডন ভাৰতৰ বৰলাট হয়। গান্ধী-আৰউইন চুক্তি ভঙ্গ কৰি পুনৰ কংগ্ৰেছৰ নেতা-কৰ্মীক গ্ৰেপ্তাৰ কৰা আৰম্ভ কৰে। এই লৈ গান্ধীজী আৰু বৰলাটৰ মাজত চিঠিৰ আদান-প্ৰদান হয়।

গান্ধীজী আৰু ঘূৰণীয়া মেজমেল—১৯৩১ চন, ৩১ আগষ্ট

বিভিন্ন বৃটিছ আমোলাতন্ত্ৰৰ বাধাৰ সৃষ্টি সত্ত্বেও গান্ধীজীয়ে ১৯৩১ চনৰ ৩১ আগষ্টত বিলাতত ঘূৰণীয়া মেজমেলৰ দ্বিতীয় অধিবেশনত যোগদান কৰিবৰ কাৰণে যায়।

গান্ধীজীয়ে ঘূৰণীয়া মেজমেলত ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ দাবী জনায় আৰু আনহাতে বিভিন্ন ৰাজহুৱা অনুষ্ঠানতো গান্ধীজীয়ে কংগ্ৰেছৰ পূৰ্ণ স্বাধীনতা সমৰ্থনৰ কাৰণে বৃটিছ জনসাধাৰণক আহ্বান জনাইছিল।

১৯৩১ চনৰ ১৮ নৱেম্বৰত ঘূৰণীয়া মেজমেলৰ মূল সভা আহ্বান কৰি ১ ডিচেম্বৰত ঘূৰণীয়া মেজমেলৰ আলোচনা স্থগিত ৰখা কথা ঘোষণা কৰে। গান্ধীজীক শলাগৰ শৰাই আগবঢ়াবলৈ অনুৰোধ কৰাত তেওঁ কয়, "মই নেজানো, এতিয়া কোনদিশে মোৰ

পথ হ'ব---কিন্তু এই বিষয়ে মোৰ চিন্তা নাই--"।

হতাশ হৈ গান্ধীজী ভাৰতলৈ ঘূৰিল।

গান্ধীজী পুনৰ জেলত

গান্ধীজী ঘূৰি আহি আঠাইশ ডিচেম্বৰত বোম্বাই পালেহি। দেশ-ব্যাপী গ্ৰেপ্তাৰ, পুলিচৰ অত্যাচাৰৰ খা-খবৰ পায়। গান্ধীজীয়ে এনে পৰিস্থিতিৰ বিষয়ে আলোচনাৰ কাৰণে বৰলাটক দেখা কৰিবলৈ খোজে। কিন্তু বৰলাটে দেখা কৰিবলৈ অমান্তি হয়। আনহাতে অৰ্থ-নৈতিক বিপৰ্যয় দেখা দিয়াত বৃটেইনত জাতীয় গৱৰ্ণমেণ্ট প্ৰতিষ্ঠা হয় আৰু লগে লগে ভাৰতৰ নীতিও পুনৰ পৰিবৰ্তন হয়।

১৯৩২ চনৰ তিনি জানুৱাৰীত কংগ্ৰেছ ওৱৰ্কিং কমিটি বহি সিদ্ধান্ত কৰি পুনৰ আইন অমান্য আন্দোলন আৰু যত সম্ভৱ হয়, তেনে অঞ্চলত খাজনা বন্ধ আন্দোলন কৰিবলৈকো পৰামৰ্শ দিব। গৱৰ্ণমেণ্টৰ কংগ্ৰেছ অনুষ্ঠান বে-আইনী ঘোষণা কৰে, আৰু দেশ-ব্যাপী আন্দোলন দমন আৰম্ভ হয়। ভাৰত চৰকাৰে আগতীয়াকৈ নতুন নতুন অৰ্ডিনেন্স প্ৰস্তুত কৰি, প্ৰাদেশিক চৰকাৰলৈ সেই অৰ্ডি-নেন্সবিলাকৰ খচৰা ১৯৩১ চনৰ জুন মাহত পঠাইছিল। উদ্দেশ্য পুনৰ যদি আন্দোলন আৰম্ভ হয়, লগে লগে আন্দোলন অংকুৰতে মষিমূৰ কৰা হ'ব।

১৯৩২ চনৰ ৩ জানুৱাৰীৰ মাজৰাতি গান্ধীজীক গ্ৰেপ্তাৰ কৰি হায়দৰাবাদ জেলত আবদ্ধ কৰে। দেশব্যাপী পুনৰ আন্দোলন আৰম্ভ হ'ল।

মেকডনাল্ড এওৱাৰ্ড

১৯৩২ চনৰ ১৭ আগষ্টত বৃটিছ প্ৰধানমন্ত্ৰী মেকডনাল্ড এওৱাৰ্ডে তেওঁৰ সাম্প্ৰদায়িক ভাগ-বাটোৱাৰা ঘোষণা কৰে। ভাৰতৰ অনু-সূচীত আৰু হৰিজনসকলৰ কাৰণেও পৃথক বিধান সভাৰ আসন সংৰক্ষণ আৰু সমষ্টি গঠন ব্যৱস্থা কৰাৰ ঘোষণা কৰে।

গান্ধীজীয়ে অনুসূচীতসকলক হিন্দু সমাজৰ প্ৰধান সুঁতিৰ পৰা এইদৰে আঁতৰাই নিয়া ব্যৱস্থাৰ প্ৰতিবাদ কৰি ১৫ চেপ্তেম্বৰৰ পৰা আমৰণ অনশন আৰম্ভ কৰে।

পুণা চুক্তি

গান্ধীজীয়ে আমৰণ অনশন কৰাত ভাৰতবৰ্ষ ব্যাপী ই এক অভূত-পূৰ্ব আলোড়নৰ সৃষ্টি কৰে। সকলো দলৰ ফালৰ পৰা গান্ধীজীৰ প্ৰাণ ৰক্ষাৰ কাৰণে চেষ্টা কৰা হয়। সৰ্বদলীয় সন্মিলন বহি অনুসূচীত সকলৰ ব্যৱস্থাপক সভা আদিত আসন আৰু অন্যান্য সংৰক্ষণ, হিন্দু সমাজৰ মাই সুঁতিৰ মাজতে ৰাখিবৰ ব্যৱস্থা কৰে, আৰু বৃটিছ গৱৰ্ণমেণ্টেও মানি লোৱাত গান্ধীজীয়ে ২৬ ছেপ্তেম্বৰত অনশন ভঙ্গ কৰে।

কংগ্ৰেছৰ ৪৭ তম অধিবেশন—১৯৩২

দিল্লীত সৰ্বভাৰতীয় দিন হিচাপে ২৩/২৪ এপ্ৰিলত কংগ্ৰেছৰ ৪৭ তম অধিবেশন পতা হয়। সভাপতি ডাঃ আনাসাৰিক গ্ৰেপ্তাৰ কৰাত পণ্ডিত মদনমোহন মালব্যজীক সভাপতি মনোনীত কৰে। কিন্তু তেওঁকো দিল্লী পোৱাৰ আগতে গ্ৰেপ্তাৰ কৰে। বিভিন্ন প্ৰদেশৰ কংগ্ৰেছ প্ৰতিনিধিসকলক বাটতে গ্ৰেপ্তাৰ কৰে। কিন্তু বহুতো প্ৰতিনিধি বিভিন্ন ছদ্মবেশ ধৰি সভাৰ নিৰ্দিষ্ট ঠাইত উপস্থিত হৈ অধিবেশনৰ কাম সমাপ্ত কৰাৰ সময়ত পুলিচে গম পাই আহি লাঠি চালনা কৰি বহুতক জখম আৰু কিছুক গ্ৰেপ্তাৰ কৰে। অসমৰ বিভিন্ন ঠাইতো এই দিনটো জাতীয় দিৱস হিচাপে পালন কৰে, আৰু ভালেমান লোকক গ্ৰেপ্তাৰ কৰে।

কলিকতাত কংগ্ৰেছৰ ৪৮ তম অধিবেশন বহিল

১৯৩৩ চনৰ ৩১ মাৰ্চত কলিকতাত কংগ্ৰেছৰ বিশেষ অধিবেশন পতা হয়। নিৰ্বাচিত সভাপতি মদনমোহন মালব্যক আৰু বিভিন্ন প্ৰদেশৰ পৰা অহা বহুতো প্ৰতিনিধিক গ্ৰেপ্তাৰ কৰা সত্ত্বেও ১৯৩৩ চনৰ এক এপ্ৰিলত নিৰ্দিষ্ট ঠাইত শ শ প্ৰতিনিধি সমবেত হয়, আৰু নেলী সেনগুপ্তাৰ সভানেত্ৰীত্বত অধিবেশনৰ কাম আৰম্ভ কৰে। অশ্বাৰোহী গোৰা চিপাহীয়ে লাঠিচালনা কৰি সভা ভঙ্গ কৰিবলৈ যত্ন কৰে। বহুতো জখম হয় আৰু বহুতে গ্ৰেপ্তাৰ বৰণ কৰে। অসমৰ পৰা যোৱা প্ৰতিনিধিসকলক পাৰ্বতীপুৰ জংছনতে

গ্ৰেপ্তাৰ কৰে। অসমৰ পৰা নীলাধৰ বৰুৱা, হৰেশ্বৰ পণ্ডিত, নবীন শৰ্মা, পদ্মচন্দ্ৰ গগৈ, গোলক চন্দ্ৰ পাঠক, প্ৰবীণ ডেকা, লক্ষীধৰ বৰা, ভোলা বৰুৱা আৰু গোলাঘাটৰ দুগৰাকী মহিলা পাৰ্বতীপুৰ ষ্টেচনত গ্ৰেপ্তাৰ কৰি দিনাজপুৰ জেলত এসপ্তাহ ৰাখি এৰি দিয়ে।

১৯৩৩ চনৰ ৮ মাৰ্চত গান্ধীজীয়ে পুনৰ আত্মশুদ্ধিৰ কাৰণে ২১ দিনীয়া অনশন আৰম্ভ কৰে আৰু লগতে তেওঁ ১ মাহৰ কাৰণে অস্থায়ী হিচাপে আইন অমান্য আন্দোলন বন্ধ কৰা ঘোষণা কৰে। গান্ধীজীৰ অনশনৰ কাৰণবশতঃ মুক্তি দিয়াত ১৪ জুলাইত পুণাত এখন সন্মিলন বহে। কংগ্ৰেছ নেতা আৰু কৰ্মীৰ মাজত মতভেদ দেখা দিয়ে। কিছু সংখ্যকে আন্দোলন চলাই থকা আৰু একসংখ্যকে গৱৰ্ণমেণ্টৰ লগত আপোচ আলোচনা কৰাৰ মত প্ৰকাশ কৰে। আনহাতে ডাঃ আনাসাৰি প্ৰমুখ্যে একসংখ্যকে পুনৰ স্ব-ৰাজ্য দল গঠনৰ পোষকতা কৰে। গান্ধীজীয়ে ৰাজনৈতিক পৰিস্থিতিৰ বিষয়ে বৰলাটৰ লগত আলোচনা কৰা কাৰণে অনুৰোধ জনায়। বৰলাটে কোনো ধৰণৰ আলোচনা কৰিবলৈ অমান্তি হয় আনহাতে, আইন অমান্য আন্দোলনো পৰিহাৰ কৰা নহ'ল।

গান্ধীজীয়ে ব্যক্তিগত সত্যাগ্ৰহ কৰাৰ সিদ্ধান্ত কৰি ৩০ জুলাইত ৩০ জন সত্যাগ্ৰহীৰ সৈতে আহমদাবাদলৈ যাত্ৰা কৰে। তেওঁক গ্ৰেপ্তাৰ কৰি এবছৰ ফাটেক দিয়ে। ইয়াৰ পিছত গান্ধীজী জেলৰ ভিতৰৰ পৰা হৰিজনৰ বাবে কাম কৰাত আগৰ দৰে সা-সুবিধা দিবৰ কাৰণে অনুৰোধ জনাইছিল। গৱৰ্ণমেণ্টে মান্তি নোহোৱাত গান্ধীজীয়ে অনশন আৰম্ভ কৰাত, স্বাস্থ্যজনিত কাৰণত গান্ধীজীক মুক্তি দিয়ে। গান্ধীজীয়ে তেওঁৰ জেলৰ ম্যাদৰ বছৰটো ৰাজনীতিৰ পৰা আঁতৰি থাকি হৰিজন সেৱা সংগঠনৰ কামত ভাৰত ভ্ৰমণ আৰম্ভ কৰে।

১৯৩২ চনৰ আইন অমান্য আন্দোলনত অসম

অসম উপত্যকাত প্ৰায় এহেজাৰৰো অধিক লোক গ্ৰেপ্তাৰ হৈছিল, তাৰ ভিতৰত ১০০ গৰাকী মহিলা আছিল ; তাৰে ৪২ গৰাকী মহিলাৰ জেল হয়, আৰু খাজনা বা জৰিমনা আদায় কৰিবলৈ মানুহৰ সা-সম্পত্তি আদি বাজেয়াপ্ত কৰা হৈছিল। মাৰ্চি-বাৰী

নিলামত দিছিল, আৰু বিভিন্ন নতুন নতুন আইনত নানাভাৱে বাইজক অত্যাচাৰৰ দ্বাৰা আন্দোলন বন্ধ কৰিবলৈ প্ৰচেষ্টা চলাইছিল।

কংগ্ৰেছৰ ৪৯ তম অধিবেশন—লক্ষ্ণৌ—১৯৩৫

১৯৩৫ চনৰ ১ ফেব্ৰুৱাৰীত ভাৰত সংস্কাৰ আইন প্ৰকাশ হয়, আৰু এই লৈ বিতৰ্ক আৰম্ভ হয় ইতিমধ্যে কেন্দ্ৰীয় ব্যৱস্থাপক এচেম্বলীৰ সভা নিৰ্বাচন আৰম্ভ হয়। আৰু কংগ্ৰেছে বিশেষকৈ সাধাৰণ সমষ্টিবিলকাত বিশেষ কৃতকাৰ্যতা লাভ কৰে, আৰু ভোলাভাই দেশাই কংগ্ৰেছ দলৰ দলপতি নিৰ্বাচিত হয়।

১৯৩৫ চনৰ ২৭, ২৮ ডিচেম্বৰত ভাৰত জুৰি কংগ্ৰেছৰ সোণালী জয়ন্তী উৎসৱ বিপুল উৎসাহ-উদ্দীপনাৰে পালন কৰা হয়।

১৯৩৬ চনৰ ১৪ এপ্ৰিলত লক্ষ্ণৌত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত কংগ্ৰেছৰ ৪৯ তম অধিবেশন বহে। এই অধিবেশনত আলোচনাৰ প্ৰধান বিষয় আছিল—১৯৩৫ চনৰ শাসন-সংস্কাৰ অনুযায়ী প্ৰাদেশিক বিধান সভাবিলাকৰ নিৰ্বাচনত কংগ্ৰেছে অংশ গ্ৰহণ কৰিব নে নকৰে? আৰু যদি অংশগ্ৰহণ কৰে, তেন্তে মন্ত্ৰীসভা গঠন কৰিব নে নকৰে? এই বিষয় লৈ বহুতো আলোচনা, তৰ্ক-বিতৰ্কৰ মাজত কংগ্ৰেছে বিধান সভা নিৰ্বাচনত অংশগ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয়। মন্ত্ৰীত্বৰ বিষয়টো পিছলৈ থোৱা হয়। নিৰ্বাচনত প্ৰাৰ্থী মনোনয়ন আৰু নিৰ্বাচন পৰিচালনাৰ কাৰণে এখন বোৰ্ড গঠন কৰি দিয়ে।

কংগ্ৰেছৰ ৫০ তম অধিবেশন—ফৈয়জপুৰ—১৯৩৬

১৯৩৬ চনৰ ২৭/২৮ ডিচেম্বৰত জৱাহৰলাল নেহৰুৰ সভাপতিত্বত ফৈয়জপুৰত কংগ্ৰেছৰ ৫০ তম অধিবেশন বহে। তাত কংগ্ৰেছৰ ভিতৰত আলোচনাৰ বাক্-বিতণ্ডা চলিল—মন্ত্ৰীত্ব লোৱা-নোলোৱা বিষয়ত। এই সম্পৰ্কত গৱৰ্ণৰ আৰু মুখ্যমন্ত্ৰীৰ সম্বন্ধ, দায়িত্ব ইত্যাদি জটিল প্ৰশ্নও আহি পৰিছিল। আনহাতে বিভিন্ন প্ৰদেশত গৱৰ্ণৰসকলে সংখ্যালঘিষ্ঠ দল বিলাকক্লৈ গৱৰ্ণমেণ্ট প্ৰতিষ্ঠা কৰিবৰ কাৰণে চেষ্টা চলায়। বহু আলোচনাৰ পাছত কংগ্ৰেছগৰিষ্ঠ দল প্ৰদেশবিলাকত মন্ত্ৰীত্ব গ্ৰহণ কৰিবলৈ সিদ্ধান্ত কৰে। আনহাতে উত্তৰ সীমান্ততো

সংযুক্ত মন্ত্ৰীসভা গঠন হয়। বঙ্গপ্ৰদেশ আৰু সিন্ধুত মুছলিম লীগ মন্ত্ৰীসভা গঠন হয়। অসমত যদিও মুছলিম লীগ সংখ্যাগৰিষ্ঠ নাছিল কিন্তু মহম্মদ ছাদুল্লাই সৰু সৰু দলৰ লগত লগ লাগি মন্ত্ৰী-সভা গঠন কৰে। এই মন্ত্ৰীসভাই ১৯৩৮ চনত অনাস্থা প্ৰস্তাৱৰ পৰি-প্ৰেক্ষিতত পদত্যাগ কৰে। গোপীনাথ বৰদলৈৰ নেতৃত্বত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা অসমত গঠন হয়।

কংগ্ৰেছৰ ৫১ তম অধিবেশন—হৰিপুৰ—১৯৩৮

১৯৩৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ১৯, ২০, ২১ তাৰিখে হৰিপুৰ গাঁৱত সুভাষচন্দ্ৰ বসুৰ সভাপতিত্বত কংগ্ৰেছৰ ৫১তম অধিবেশন বহে।

এই অধিবেশনত মন্ত্ৰীসভাবিলাকৰ কাৰ্য্যকলাপ আৰু গৱৰ্ণৰসকলৰ মন্ত্ৰীসভাৰ কাৰ্য্যত হস্তক্ষেপ কৰা সমস্যা আদিৰ বিষয়ে আলোচনা কৰা হয়।

কংগ্ৰেছৰ ৫২ তম অধিবেশন (ত্ৰিপুৰী) ১৯৩৯

১৯৩৯ চনৰ মাৰ্চ মাহৰ ১০, ১১, ১২ তাৰিখে ত্ৰিপুৰীত কংগ্ৰেছৰ ৫২ তম অধিবেশন সুভাষ চন্দ্ৰ বসুৰ সভাপতিত্বত বহিছিল।

এই ত্ৰিপুৰী কংগ্ৰেছলৈ সুভাষচন্দ্ৰ বসুক পুনৰ সভাপতি নিৰ্বাচন হোৱাটো মহাত্মা গান্ধীয়ে সমৰ্থন কৰা নাছিল। এই লৈ কংগ্ৰেছৰ মাজত এটা সংকটে দেখা দিছিল। ১৯৩৮ চনৰ পিছত কলিকতাত নিখিল ভাৰত কংগ্ৰেছ কমিটি বহে। তাত সুভাষ বসুৱে পদত্যাগ কৰাত ৰাজেন্দ্ৰপ্ৰসাদক কংগ্ৰেছৰ সভাপতি নিৰ্বাচন কৰে।

কংগ্ৰেছ মন্ত্ৰীসভাৰ পদত্যাগ

১৯৩৯ চনৰ ৩ ছেপ্টেম্বৰত য়ুৰোপত দ্বিতীয় মহাসমৰ আৰম্ভ হয়। কোনো ৰাজনৈতিক দল বা কেন্দ্ৰীয় ব্যৱস্থাপক বা প্ৰাদেশিক মন্ত্ৰীসকলৰ লগত আলোচনা নকৰাকৈ ভাইছৰয়ে ভাৰতৰ হৈ জাৰ্মান ইটালিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। গৱৰ্ণৰবিলাকে মন্ত্ৰীসভাৰ লগত আলোচনা নকৰাকৈ ইংৰাজ উচ্চ বিষয়াৰ লগত গোপনগোপনভাৱে আলোচনা কৰি যুদ্ধ বিষয়ে কাম-কাজ কৰাত যি পৰিস্থিতিয়ে দেখা

দিছিল—সেই বিষয়ে কংগ্ৰেছে ৱৰলাটৰ লগত কৰা আলোচনা ব্যৰ্থ হোৱাত কংগ্ৰেছী মন্ত্ৰীসভাক ওৱৰ্কিং কমিটিয়ে পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। অন্য এটা প্ৰস্তাৱৰ যোগে পৰিষ্কাৰভাৱে যুদ্ধৰ উদ্দেশ্য ঘোষণা কৰিবলৈ বৃটিছ গৱৰ্ণমেণ্টক কংগ্ৰেছে আহ্বান জনায়।

ৰামগড় কংগ্ৰেছ—১৯৪০

১৯৪০ চনৰ ১৮ মাৰ্চত মৌলানা আজাদৰ সভাপতিত্বত ৰামগড়ত কংগ্ৰেছৰ ৫৩তম অধিবেশন বহে। এটা মাত্ৰ ৰাজনৈতিক প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। যি প্ৰস্তাৱৰ যোগেদি আন্তৰ্জাতিক পৰিস্থিতিৰ পৰ্যালোচনা, বৃটিছ গৱৰ্ণমেণ্টক পৰিষ্কাৰকৈ যুদ্ধৰ উদ্দেশ্য ঘোষণা কৰাৰ দাবী, ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ দাবী, সংবিধান ৰচনাৰ্থে গণ পৰিষদ গঠন আৰু কেন্দ্ৰত দায়িত্বপূৰ্ণ অন্তৰ্বৰ্তীকালীন চৰকাৰ প্ৰতিষ্ঠা দাবী আদি।

সেই বছৰৰে ১৮ মাৰ্চত জালিয়ানাৱালাবাগৰ হত্যাকাণ্ড ওডায়াৰক এজন ভাৰতীয় বিপ্লৱীয়ে লণ্ডনত গুলীয়াই হত্যা কৰে।

ব্যক্তিগত সত্যাগ্ৰহ

গান্ধীজী আৰু কংগ্ৰেছৰ ফালৰ পৰা মুছলিম লীগৰ নেতা জিন্নাৰ লগত এটা বুজা-পৰালৈ আহিবৰ কাৰণে যদিও বিভিন্ন ধৰণে চেষ্টা কৰিছিল; কিন্তু জিন্নাই মুছলমানসকলৰ কাৰণে এখন বেলেগ পাকিস্তান ৰাষ্ট্ৰ দাবী কৰিছিল। জিন্নাৰ এই আঁকোৰ-গোজালি মনোভাবৰ কাৰণে সকলো চেষ্টা ব্যৰ্থ হয়। আনহাতে কংগ্ৰেছৰ ভিতৰতো মতভেদ হৈছিল—যুদ্ধত সহযোগ কৰা প্ৰশ্ন লৈ। পণ্ডিত জৱাহৰলাল নেহৰু, মৌলানা আজাদ প্ৰমুখ্যে নেতাসকলে নাজিবাদ আৰু ফেছিষ্টবাদৰ বিৰুদ্ধে মিত্ৰপক্ষক সমৰ্থন কৰাটো উচিত বুলি ভাবিছিল। কাৰণ হিটলাৰৰ জয় মানেই পৃথিৱীৰ গণতন্ত্ৰৰ ধ্বংস।

আনহাতে গান্ধীজী আৰু তেওঁৰ বিশ্বাসী অনুগামীসকলে অহিংসা নীতিৰ ফালৰ পৰাই যুদ্ধত সহযোগ কৰাৰ বিৰোধী আছিল। প্ৰথমতে সমাজবাদী আৰু কমিউনিষ্টসকলে বৃটিছৰ বিপদৰ সুযোগ লৈ গণ-বিপ্লৱ কৰাৰ কাৰণে হেঁচা, আনহাতে গণ-আন্দোলন কৰি গণতান্ত্ৰিক শক্তিৰ বিৰুদ্ধাচাৰণ কৰাটো নেহৰু, আজাদ প্ৰমুখ্যে নেতাসকল

বিৰোধী আছিল। এনে পৰিস্থিতিত কংগ্ৰেছে কি কৰিব—সেই বৈ সম্বন্ধে ওৱৰ্কিং কমিটি আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটি বহিছিল। গান্ধীজীৰ এনে বিভিন্ন চিন্তাৰ পৰিপ্ৰেক্ষিতত নৈতিকভাৱে যুদ্ধৰ বিৰোধিতা হিচাপে ব্যক্তিগত সত্যাগ্ৰহ কৰাৰ পৰামৰ্শ কংগ্ৰেছে গ্ৰহণ কৰে, আৰু ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন পৰিচালনাৰ দায়িত্বভাৰ গান্ধীজীক দিয়ে। সেই হিচাপে গোটেই ভাৰতবৰ্ষত সত্যাগ্ৰহী প্ৰশিক্ষণৰ কাম আৰম্ভ হয়।

১৯৪০ চনৰ জুন মাহৰ প্ৰথম সপ্তাহত ভাইচৰয়ে কংগ্ৰেছ আৰু লীগৰ লগত যুদ্ধকালীন সময়ত কেন্দ্ৰৰ একজিকিউটিভ কাউন্সিলত কংগ্ৰেছ আৰু লীগৰ প্ৰতিনিধিৰে উক্ত কাউন্সিলৰ পৰিধি বৃদ্ধি কৰা বিষয়ে আলোচনা কৰিবৰ কাৰণে নিমন্ত্ৰণ জনায়; কিন্তু এই নতুন কাউন্সিলত যুদ্ধৰ পৰিচালনা প্ৰভৃতি আদি বিষয়ত ভাইচৰয় আৰু কমাণ্ডাৰৰ দায়িত্বত থাকিব। আনহাতে একজিকিউটিভ কাউন্সিলৰ যুদ্ধৰ বিষয়ৰ বাহিৰেও ভাইচৰয়ে কাউন্সিলৰ অন্যান্য সিদ্ধান্তত্তো হস্তক্ষেপ কৰাৰ পূৰ্ণ ক্ষমতা থাকিব।

এই আলোচনা বিশেষ ফলৱতী নহ'ল। আনহাতে যুদ্ধত ফ্ৰান্সৰ পতন আৰু মিত্ৰপক্ষৰ সঘনে বিভিন্ন ৰণক্ষেত্ৰত পৰাজয় হোৱাত নেহৰু, আৰু আজাদক চিন্তিত কৰি তোলে তেওঁলোকে গৃহীত গণতন্ত্ৰৰ এনে বিপদত নিস্ক্ৰিয় হৈ থকাটো উচিত নহয় বুলি ভাবি, যুদ্ধত কি প্ৰকাৰে মিত্ৰপক্ষৰ হৈ সহায় কৰিব পৰা হয়; সেই বিষয়ে ওৱৰ্কিং কমিটিত সঘনে আলোচনা হৈছিল।

আগতে গান্ধীজীৰ ব্যক্তিগত সত্যাগ্ৰহ আঁচনিমতে প্ৰতি প্ৰদেশ আৰু জিলা কংগ্ৰেছ কমিটিবিলাক সত্যাগ্ৰহ কমিটিলৈ ৰূপান্তৰিত কৰা হয়। অসমৰো বিভিন্ন জিলাত প্ৰায় দুহেজাৰৰো অধিক সত্যাগ্ৰহীক প্ৰশিক্ষণ দিয়া হয়।

বিনোবাজীৰ পাছত দ্বিতীয় সত্যাগ্ৰহী মনোনীত কৰিছিল জৱাহৰলাল নেহৰুক। বিনোবাজীয়ে অহিংস আৰু ব্যক্তিগত সত্যাগ্ৰহৰ আধ্যাত্মিক আৰু নৈতিক দিশটো দাঙি ধৰিব আৰু নেহৰুজীয়ে ৰাজনৈতিক দিশ ব্যাখ্যা কৰিব। বিনোবাজীৰ তিনি মাহ জেল হয়।

জৱাহৰলাল নেহৰুক গান্ধীজীৰ লগত আলোচনা কৰি উক্তি

যাওঁতে ৰাটতে গ্ৰেপ্তাৰ কৰে। বিচাৰত তেওঁক এবছৰ কাৰাদণ্ড দিয়ে। নেহৰুৱে আদালতত এটি দীঘলীয়া বিবৃতি দি বিপদজনক আন্তৰ্জাতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বৃটিছৰ ভাৰত নীতিৰ তীব্ৰ সমালোচনা কৰে। নেহৰুৰ এই বিবৃতিয়ে দেশত এটা আলোড়নৰ সৃষ্টি কৰে। এই বক্তৃতা লিথ্ কৰি বিতৰণ কৰা হৈছিল।

অসম আৰু ব্যক্তিগত সত্যাগ্ৰহ

প্ৰথম পৰ্যায়ৰ কাৰণে ১,৫৭৬ জন, ইয়াৰ ভিতৰত ১০ গৰাকী মহিলা আছিল। দ্বিতীয় পৰ্যায়ৰ কাৰণে ৭৩৮ জন; তৃতীয় পৰ্যায়ৰ কাৰণে ১,০২০ জনৰ নাম গান্ধীজীৰ অনুমোদনৰ কাৰণে পঠোৱা হয়।

প্ৰথম পৰ্যায়ত গোপীনাথ বৰদলৈ প্ৰমুখ্যে নেতা, এম এল এ আৰু জিলাবিলাকৰ মুখ্য দুই চাৰিজন কংগ্ৰেছ নেতাক গ্ৰেপ্তাৰ আৰু ৪৬ মাহ, এবছৰ পৰ্যন্ত কাৰাদণ্ড দিয়ে। বাকী সত্যাগ্ৰহীসকলৰ কিছুক গ্ৰেপ্তাৰ কৰি থানাত ৰাখি গধূলি এৰি দিছিল আৰু সৰহসংখ্যকক গ্ৰেপ্তাৰ কৰা নাছিল। আনহাতে অসমত কংগ্ৰেছ মন্ত্ৰীসভা পদত্যাগ কৰাৰ পাছত পুনৰ ছাদুল্লাই মন্ত্ৰীসভা গঠন কৰে। তেওঁৰ মাটি পট্টন নীতিৰ ফলত অসমত এটা বিপদ-সংকট পৰিস্থিতিয়ে দেখা দিয়ে। জনসাধাৰণে কংগ্ৰেছী এম এল এ সকলক পুনৰ সত্যাগ্ৰহ নকৰি ছাদুল্লা মন্ত্ৰীসভাৰ মাটি-নীতি প্ৰতিৰোধ কৰিবৰ কাৰণে হেঁচা দিয়ে; আৰু গান্ধীজীকো এইটো নিবেদন কৰিছিল—অসমৰ বিধায়কসকলৰ সত্যাগ্ৰহ কৰি জেললৈ যোৱা বন্ধ কৰিবলৈ।

গৱৰ্ণমেন্টে সত্যাগ্ৰহীসকলক গ্ৰেপ্তাৰ নকৰা আৰু মুক্তি দিয়া নীতি লোৱাত অন্য প্ৰদেশৰ দৰে অসমতো ব্যক্তিগত সত্যাগ্ৰহ ক্ৰমে উৎসাহ-উদ্দীপনা হীন হৈ আহিল, আৰু কংগ্ৰেছৰ মাজত এটা অৱসাদে দেখা দিলে। আনহাতে ১৯৪১ চনৰ জুলাই মাহত পুনৰ বৰলাটে তেওঁৰ একজিকিউটিভ কাউন্সিল, ভাৰতীয় লোকৰ দ্বাৰা সম্প্ৰসাৰণ আৰু এখন নেচনেল ডিফেন্স কাউন্সিল গঠন কৰাৰ সিদ্ধান্ত ঘোষণা কৰে আৰু জেলত থকা সত্যাগ্ৰহীসকলক মুক্তি দিয়ে। গান্ধীজীয়ে সত্যাগ্ৰহীৰ মুক্তি বা বৰলাটৰ এনে ঘোষণাৰ দ্বাৰা কংগ্ৰেছৰ দাবী পূৰণ কৰা হোৱা নাই বুলি মন্তব্য কৰে।

গুৱাহাটীত ছাত্ৰ জাগৰণ

গুৱাহাটীত যুদ্ধৰ সাহায্যৰ পুঁজি সংগ্ৰহৰ কাৰণে কটন কলেজত এখন বিজ্ঞান বিষয়ক প্ৰদৰ্শনী পাতিছিল। এই প্ৰদৰ্শনী বৰ্জন কৰাৰ কাৰণে কেইজনমান ছাত্ৰই বাইজক অনুৰোধ কৰাত এজন ছাত্ৰক মেনেজিং কমিটিৰ সদস্য ডাঃ জ্যোতিষচন্দ্ৰ দাসে চৰিয়াই অপমান কৰে। এই গহিত কাৰ্যৰ প্ৰতিবাদত ছাত্ৰসকলে এখন ৰাজহুৱা সভা পাতে। "সাম্ৰাজ্যবাদী যুদ্ধৰ কাৰণে এটা ফুটা কড়িও নিদিবা।" এনে ধ্বনি দি ছাত্ৰসকলে শোভাযাত্ৰা কৰি যাওঁতে কামৰূপৰ ডেপুটি কমিচনাৰে সশস্ত্ৰ পল্টন ফৌজ লৈ শোভাযাত্ৰীসকলক নিৰ্দয়ভাৱে মাৰধৰ কৰে। ৪০ জন ছাত্ৰ সাংঘাতিকভাৱে জখম হয় আৰু দুশৰো অধিক ছাত্ৰই লাঠিৰ কোব খায়। ইয়াৰ পিছত বিভিন্ন ঠাইত ছাত্ৰসকলে শোভাযাত্ৰা কৰি প্ৰতিবাদ জনায়।

ছাত্ৰসকলৰ এটা সঁজাতীসকলে অসম এচেম্বলীলৈ গৈ ডেপুটি কমি-চনাৰ আৰু পুলিচৰ গহিত কাৰ্যৰ প্ৰতিবাদ জনায়। গোপীনাথ বৰদলৈ আৰু এ, কে, চান্দ প্ৰমুখ্যে নেতাই ছাত্ৰৰ সঁজাতী দলক লগ ধৰে। সভা স্থগিত এটা প্ৰস্তাৱ বৰদলৈয়ে বিধান সভাত উত্থাপন কৰে। ৰোহিণী কুমাৰ চৌধুৰী এই ঘটনাৰ প্ৰতিবাদত তেওঁ মন্ত্ৰীপদ ইস্তফা দি 'জাতীয়তাবাদী' নাম দি এটা নতুন দল গঠন কৰে।

ছাদুল্লা মন্ত্ৰীসভাৰ ওপৰত অনাস্থা প্ৰস্তাৱ অনাৰ পৰিপ্ৰেক্ষিতত ছাদুল্লাই পদত্যাগ কৰে। গৱৰ্ণৰে একক সংখ্যাগৰিষ্ঠ দলৰ নেতা বৰদলৈক মন্ত্ৰীসভা গঠন কৰাৰ কাৰণে নিমন্ত্ৰণ জনায়। কিন্তু বৰদলৈয়ে নিজে মন্ত্ৰীসভা গঠন কৰিবলৈ অসমৰ্থতা প্ৰকাশ কৰি ৰোহিণী চৌধুৰীৰ দলক মন্ত্ৰীত্ব গঠন কৰিবলৈ দিবৰ কাৰণে গৱৰ্ণৰক পৰামৰ্শ দিয়ে।

বৰদলৈয়ে ৰোহিণী কুমাৰ চৌধুৰীক মন্ত্ৰীসভা গঠন কৰিবলৈ গৱৰ্ণৰ আৰু কংগ্ৰেছ সভাপতি আজাদলৈ টেলিগ্ৰাম কৰাৰ কথাতে গুৱাহা.ৰ কংগ্ৰেছ মহলত উত্তপ্ত পৰিস্থিতিয়ে দেখা দিয়ে। এই বিষয়লৈ আজাদে অসম কংগ্ৰেছ সভাপতি মহম্মদ তৈয়বুল্লা আৰু বৰদলৈক কলিকতালৈ মাতি নি প্ৰাদেশিক কংগ্ৰেছ কমিটি আহ্বান কৰি এটা সিদ্ধান্ত লবৰ কাৰণে পৰামৰ্শ দিয়ে।

অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে অসমৰ কংগ্ৰেছ বিধায়কসকলে

ৰোহিণী কুমাৰ চৌধুৰীক সমৰ্থন কৰা বিষয়ত তীব্ৰ সমালোচনা কৰে। অনহাতে গৱৰ্ণৰে ৰোহিণী চৌধুৰীক মন্ত্ৰীসভা গঠন কৰিবলৈ আহ্বান নকৰি নিজে শাসনৰ দায়িত্ব লয় ১৯৪১ চনৰ ডিচেম্বৰ মাহত।

১৯৪১ চনৰ জুন মাহত জাৰ্মানীয়ে অনাক্ৰমন চুক্তি ভঙ্গ কৰি ছোভিয়েট বাছিয়া, আৰু জাপানে ৭ ডিচেম্বৰত জাপানে প্ৰশান্ত মহাসাগৰৰ যুক্তৰাষ্ট্ৰৰ প্ৰধান সামৰিক নৌঘাটি পাৰ্ল পোতাশ্ৰয় আক্ৰমণ কৰে। যুক্তৰাষ্ট্ৰ যুদ্ধত অৱতীৰ্ণ হোৱাত, যুদ্ধ পৰিস্থিতিৰ আমূল পৰিবৰ্তন ঘটে। ভাৰতৰ কমিউনিষ্টসকলৰ আগৰ 'সাম্ৰাজ্যবাদী যুদ্ধ'ৰ শ্লোগানৰ পৰিবৰ্তন হ'ল—'জনযুদ্ধ'লৈ চৰকাৰৰ ধন আদি সাহায্য লৈ যুদ্ধত বৃটিছক ধনে জনে সহায় কৰা অৰ্থে প্ৰচাৰ কাৰ্য চলায়।

জাপানৰ অগ্ৰগতিত চিঙ্গাপুৰ, ব্ৰহ্মদেশৰ পৰা হাজাৰ হাজাৰ ভাৰতীয় ভগনীয়া মণিপুৰ আৰু পাটকাই পাহাৰৰ দুৰ্গম পথেদি আহি অসমত সোমায়হি। এই ভগনীয়াসকলক গৱৰ্ণমেণ্টৰ ফালৰ পৰা বিশেষ সা-সুবিধা আদিৰ ব্যৱস্থা নকৰাত অসম কংগ্ৰেছ আৰু বিভিন্ন ৰাজহুৱা অনুষ্ঠান, জিডু, মাৰ্ঘেৰিটা, তিনিচুকীয়া, ডিব্ৰুগড় ইত্যাদি বিভিন্ন শিবিৰত এই ভগনীয়া সকলৰ থাকা-মেলা, চিকিৎসা ইত্যাদি বিষয়ত আগভাগ লয়। অসমত মানুহৰ মাজত আতঙ্কৰ সৃষ্টিয়ে দেখা দিয়াত কংগ্ৰেছৰ ফালৰ পৰা গাঁওৰক্ষী বাহিনী, শান্তি সেনা গঠন ইত্যাদি কামত আত্মনিয়োগ কৰে।

গান্ধীজী, নেহৰু, আজাদ প্ৰমুখ্যে নেতাসকল বিশ্বৰ গণতন্ত্ৰৰ এনে মহান বিপদত, বিশেষকৈ চীনৰ বিপৰ্যয় আৰু ক্ৰমে জাপান অতি ক্ষীপ্ৰতাৰে ভাৰতৰ ওচৰ চাপি অহাত উদ্বিগ্ন হৈ পৰিছিল।

আজাদ্-হিন্দ ফৌজৰ কথা

ঘৰতে ইতিমধ্যে পুলিচ পহৰাত অন্তৰীণ কৰি ৰখাৰ পৰা সুভাষ বসুৱে ছদ্মবেশ ধৰি ঘৰৰ পৰা অন্তৰ্ধান হয় আৰু আফগানিস্থানৰ মাজেদি জাৰ্মানী পায়গৈ। জাৰ্মানীত অন্য ভাৰতীয় বিপ্লৱীৰ লগত লগ লাগি ভাৰতৰ মুক্তিৰ কাৰণে এটা ফৌজ গঠন কৰে। কিন্তু জাৰ্মানীৰ পৰা চাৰমেৰিনেদি জাপান পায়গৈ আৰু থাইলেণ্ড, চিঙ্গাপুৰ,

জাপানে দখল কৰাৰ পাছতে তেওঁ চিঙ্গাপুৰত জাপানে বন্দী কৰা ভাৰতীয় সৈন্য আদিক লৈ 'আজাদ-হিন্দ-ফৌজ' গঠন কৰে।

আন্তৰ্জাতিক পৰিস্থিতিৰ আলোচনাৰ কাৰণে ১৯৪১ চনৰ ২৩ ডিচেম্বৰৰ পৰা বৰদলৈ মন্ত্ৰীসভাৰ ৱাৰ্কিং কমিটি বহে। ৱাৰ্কিং কমিটিত যুদ্ধত এনে ভয়ানক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত গান্ধীজীৰ লগত ৱাৰ্কিং কমিটিৰ অহিংসা নীতি লৈ মতানৈক্য ঘটে। গান্ধীজীয়ে ৱাৰ্কিং কমিটিৰ সদস্য পদ ত্যাগ কৰে যাতে ৱাৰ্কিং কমিটিয়ে স্বতন্ত্ৰীয়াভাবে নিজস্ব সিদ্ধান্ত কৰিব পাৰে।

চাৰ ষ্টেফৰ্ড ক্ৰীপছ মিচন

যুদ্ধৰ সঙ্কটময় পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত চীনৰ ৰাষ্ট্ৰপতি চিয়াংকাইচেক আৰু যুক্তৰাষ্ট্ৰ আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰুজভেল্টে ভাৰতৰ যুদ্ধত সহযোগিতাৰ আৱশ্যকতা প্ৰয়োজন অনুভৱ কৰি, বৃটিছ গৱৰ্ণমেণ্টৰ ওপৰত হেঁচা দিয়াত আৰু আনহাতে বৃটেইনতো শ্ৰমিক দলৰ ডেপুটি প্ৰধান মন্ত্ৰীয়ে হেঁচা দিয়াত প্ৰধানমন্ত্ৰী চাৰ্চিলে কংগ্ৰেছ লীগ নেতাসকলৰ লগত আলোচনাৰ্থে বৃটিছ মন্ত্ৰীসভাই এটা নতুন প্ৰস্তাৱ দি চাৰ ষ্টেফৰ্ড ক্ৰীপছক ভাৰতলৈ পঠিয়ায়। যুক্তৰাষ্ট্ৰৰ প্ৰেছিডেণ্ট ৰুজভেল্টে উক্ত আলোচনা পৰ্যবেক্ষণ কৰিবলৈ মিঃ জেনচনক বিশেষ প্ৰতিনিধি হিচাপে পঠিয়াইছিল।

গান্ধীজীয়ে ক্ৰীপছৰ প্ৰস্তাৱটোৰ সম্পৰ্কে এনেদৰে মন্তব্য কৰিছিল, "THE PROPOSALS ARE, LIKE A BLANK CHEQUE ON A CRASHING BANK,"

ক্ৰীপছৰ লগত কংগ্ৰেছ প্ৰেছিডেণ্ট আজাদ বহু দীঘলীয়া আলোচনা চলাইছিল আৰু কংগ্ৰেছ ৱাৰ্কিং কমিটিৰ কালৰ পৰা বন্ধ কৰিছিল এটা গ্ৰহণযোগ্য সিদ্ধান্তত আহিবলৈ।

জিন্না, ৰাজন্যবৰ্গৰ প্ৰতিনিধি আৰু বিশেষকৈ বৃটিছ বক্ৰনীতি উচ্চ বিষয়াসকলৰ বিভিন্ন ধৰণৰ বাধাত কংগ্ৰেছ ৱাৰ্কিং কমিটিয়ে শেষত ক্ৰীপছৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিবলৈ বাধ্য হৈ পৰে।

ক্ৰীপছ মিছনৰ পাছত

মিঃ ক্ৰীপছৰ বিফলতাৰ পাছত কংগ্ৰেছী নেতাসকলৰ মাজত এটা অৱসাদে দেখা দিয়ে। জাপান আৰু আজাদ-হিন্দ-ফৌজৰ

অগ্ৰগতি, জাপানৰ সামৰিক বিমানে উজনি অসম, কলিকতা আদিত কৰা বোমাবৰ্ষণ, আনহাতে দেশব্যাপি হোৱা খাদ্য অনাটন, কলিকতাত খাদ্য অনাটনত বাটে-পথে শ শ লোকৰ মৃত্যু, গৱৰ্ণমেণ্টৰ উদাসীনতা, তাতে দেশৰ এনে বিপদসংকুল মেঘাচ্ছন্ন অস্থিৰ পৰিস্থিতিৰ মাজতে ভাৰত চৰকাৰৰ এখন গুপ্ত চাৰ্কুলাৰ প্ৰকাশ হৈ পৰাত দেশবাসী চাঞ্চল্য ভৰত আতঙ্কিত হৈ পৰিল। ভাৰত চৰকাৰে এনকালে কংগ্ৰেছৰ লগত আপোচ আলোচনাৰ দুৱাৰ বন্ধ কৰিয়ে ক্ষান্ত থকা নাছিল; কংগ্ৰেছে সংগঠন কৰিবলৈ লোৱা গাঁওৰক্ষী ফৌজ, খাদ্য কমিটি, পঞ্চায়ত আৰু সেৱাদল গঠনৰ কাৰ্য কংগ্ৰেছে সমান্তৰাল চৰকাৰ প্ৰতিষ্ঠা কৰা ই এক ষড়যন্ত্ৰ বুলি ধৰি লৈছিল। বহুতো নেতা কৰ্মীক ভাৰতীয় প্ৰতিৰক্ষা আইনমতে আটক কৰে। বঙ্গ, পঞ্জাব যুক্তপ্ৰদেশত শ শ ডেকাক সন্ত্ৰাসবাদী অভিযোগত বিনা বিচাৰে আটক কৰে। প্ৰেছ এক্ট প্ৰয়োগ কৰি জাতীয়তাবাদী প্ৰেছ বিলাকৰ মুখ বন্ধ কৰে।

দেশৰ শান্তি-শৃংখলা ৰক্ষা আৰু ভাৰত ৰক্ষাৰ নামত এনে দমন-নীতি প্ৰয়োগ, আনহাতে ওপৰত উল্লেখ কৰা গুপ্ত চাৰ্কুলাৰ— এই গুপ্ত চাৰ্কুলাৰৰ সাংকেতিক নাম আছিল 'অপাৰেচন এবো'

জাপানে চিঙ্গাপুৰ, বৰ্মা আৰু আন্দামান নিকোবৰ দখল কৰাত বৃটিছ সামৰিক বিশেষজ্ঞসকলে ভাবিছিল যে, জাপানে সৰ্বপ্ৰথমে কলিকতা আক্ৰমণ কৰিব। কলিকতা আক্ৰমণ হলে যিহেতু ৰক্ষা কৰা সম্ভৱ নহ'ব, গতিকে কলিকতা ত্যাগ কৰি পদ্মা নৈৰ পশ্চিম পাৰলৈ হুঁহকি যাব। তাত তিষ্ঠিব নোৱাৰিলে আনামজ, ঝাল্সিত এনে এটা সীমাবেষ্ঠাত প্ৰতিৰোধ কৰাৰ যত্ন কৰা হ'ব। তাতো বিফল হ'লে এলাহাবাদ, জবলপুৰ সীমাবেষ্ঠাত শেষ প্ৰতিৰোধ কৰাৰ আঁচনি কৰে। এনে আশংকাতে পূৰ্ববঙ্গৰ সৰু ডাঙৰ প্ৰায় দহ হেজাৰ নাও ধ্বংস কৰা হয়—জাপানী সৈন্যই ব্যৱহাৰ কৰাৰ ভয়ত।

এই নাওবিলাক পূৰ্ববঙ্গৰ প্ৰধান পৰিবহন আছিল। বহু হেজাৰ লোকৰ জীৱিকা আৰ্জনৰ পথ বন্ধ হ'ল। বহু অঞ্চলৰ যোগাযোগ একেবাৰে বিচ্ছিন্ন হৈ পৰিছিল। ১৯৪২-৪৩ চনত আৰম্ভ হোৱা ভয়ংকৰ দুৰ্ভিক্ষৰ ই ও এটা কাৰণ।

যুদ্ধ আৰু অসম

অসমত বস্তুৰ দাম অতিপাত বৃদ্ধি হ'ল। নিমখ, কেৰাচিনৰ

প্ৰতি সেৰত ৮/১০ টকালৈ বৃদ্ধি হ'ল। সূতা-কাপোৰ আদিৰ অতিপাত দাম বৃদ্ধি হোৱাত জনসাধাৰণৰ জীৱন নিৰ্বাহ অতি কষ্টকৰ হৈ পৰে। অসম হৈ পৰিছিল যুক্তৰাষ্ট্ৰৰ প্ৰধান সামৰিক ঘাটি। হাজাৰ হাজাৰ আমেৰিকান, নিগ্ৰো সৈন্য অসম আহি ভৰি পৰিল। অসমৰ সামাজিক জীৱন বিপন্ন হৈ উঠিছিল। মানুহৰ মাজত অভয়, শান্তি ইত্যাদি ৰক্ষাৰ কাৰণে গাঁৱে গাঁৱে গাঁওৰক্ষী ফৌজ, শান্তিসেনা গঠন কৰি পহৰাৰ ব্যৱস্থা কৰিছিল। অন্য ৰাজ্যৰ প্ৰায় সৰহসংখ্যক ব্যৱসায়ী আদিয়ে ভয়ত দলে বলে অসম ত্যাগ কৰিছিল। আনহাতে '৪২-৪৩ চনৰ বঙ্গ প্ৰদেশৰ আকালৰ কাৰণে হেজাৰ হেজাৰ লোক অসমলৈ আহে।

ভাৰত ত্যাগ প্ৰস্তাৱ

গান্ধীজীয়ে এনে পৰিস্থিতিত বৃটিছ গৱৰ্ণমেণ্টে ভাৰত ত্যাগ কৰি যোৱাটোৱেই একমাত্ৰ ভাৰতৰ নিৰাপত্তা ৰক্ষাৰ পথ বুলি মনত দৃঢ় বিশ্বাস হয়।

১৯৪২ চনৰ ৭ জুলাইত বহা কংগ্ৰেছ ৱাৰ্কিং কমিটিত 'ভাৰত ত্যাগ' প্ৰস্তাৱ দাঙি ধৰে। এই প্ৰস্তাৱ লৈ মৌলানা আজাদ, গান্ধীজীৰ মাজত মতভেদ হৈছিল। কাৰণ নেহৰু, আজাদে এনে প্ৰস্তাৱ লন্দে জাপানক ভাৰত আক্ৰমণ কৰাৰ কাৰণে আহ্বান কৰা কথাৰ দৰে হ'ব, এনে মন্তব্য কৰিছিল; কিন্তু দীঘলীয়া আলোচনাৰ পাছত ৱাৰ্কিং কমিটিয়ে গান্ধীজীৰ প্ৰস্তাৱ সমৰ্থন জনায়।

১৯৪২ চনৰ ৭, ৮ আগষ্টত নিখিল ভাৰত কংগ্ৰেছ কমিটি বোম্বাইত বহি 'ভাৰত ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰে।

গৱৰ্ণমেণ্টে আগতেই এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ লগে লগে কঠোৰ দমন নীতিৰ দ্বাৰা কলিতেই আন্দোলন দমন কৰিবৰ কাৰণে পৰিকল্পনা হাতত লৈ থৈছিল। বিভিন্ন ধৰণৰ অধ্যাদেশ আৰু প্ৰতি প্ৰদেশৰে প্ৰথম, দ্বিতীয় পৰ্যায়ৰ নেতাসকলক ভাগ কৰি গ্ৰেপ্তাৰ কৰিবলৈ প্ৰদেশৰ শাসনকৰ্তাসকলক গুপ্তভাৱে নিৰ্দেশ দি ৰখা হৈছিল। ৮ আগষ্টৰ ৰাতি 'ভাৰত ত্যাগ প্ৰস্তাৱ' কংগ্ৰেছে গ্ৰহণ কৰে। এই প্ৰস্তাৱ ভাইচৰয়লৈ পঠোৱা আৰু ভাইচৰয়ৰ উত্তৰ পালে কি ধৰণে আন্দোলন কৰা হ'ব, সেই বিষয়ে আলোচনা কৰিব

বুলি গান্ধীজীয়ে কৈছিল। কিন্তু ৯ আগষ্টৰ পুৱতি ৰাতিতে গান্ধীজী প্ৰমুখ্য কৰি ৱাৰ্কিং কমিটিৰ সভ্য, প্ৰাদেশিক নেতাসকলক বোম্বাইত গ্ৰেপ্তাৰ কৰাৰ বাহিৰেও বিভিন্ন প্ৰদেশত সেইদিনাই আগৰ তালিকা-মতে নেতাসকলক গ্ৰেপ্তাৰ কৰে।

দেশব্যাপি বিভিন্ন অধ্যাদেশ জাৰি কৰে। মিলিটেৰী, পুলিচ যুটীয়াভাবে আন্দোলন দমন কৰিবলৈ নিয়োগ কৰা হয়। জাপানৰ পৰা ভাৰত ৰক্ষাৰ দায়িত্ব যুক্তৰাষ্ট্ৰ আমেৰিকাৰ সৈন্যৰ ওপৰত দি ভাৰতৰ সকলো সামৰিক শক্তি প্ৰয়োগ কৰে আন্দোলন দমন কৰিবলৈ। স্বপ্ৰণোদিতভাৱে ভাৰতবৰ্ষৰ জনগণ জাগি উঠিল। বিভিন্ন ধৰণৰ হিংসাত্মক ঘটনা সংঘটিত হয়। ৰেললাইন তোলা, দলং, ঘৰ আদি ধ্বংস কৰা, মিলিটেৰী বয়-বস্তু যোগানত বাধা দিয়া; সমূহীয়া-ভাবে ক'ৰ্ট, কাছাৰী, থানাত পতাকা উত্তোলন কৰা, সমান্তৰাল গৱৰ্ণমেন্ট প্ৰতিষ্ঠা কৰা, এনে বিভিন্ন কাৰ্য্য নেতৃত্বহীন জনগণে স্ব-প্ৰণোদিত ভাবে ভাৰত ব্যাপি আৰম্ভ কৰে।

১৯৪২ চনৰ ৯ আগষ্টৰ পৰা ভাৰতবৰ্ষত যি জনবিপ্লৱ আৰম্ভ হৈছিল, তাক দমনৰ কাৰণে গৱৰ্ণমেন্টে যি কঠোৰভাবে দমন-নীতি ভাৰতব্যাপি আৰম্ভ কৰে, তাৰ ফলত দহ হেজাৰতো অধিক লোক গুলিত নিহত হয়। বহু হেজাৰ ঘুণীয়া হয়, এক লাখৰো অধিক লোক আটকবন্দী আৰু জেল হয়। পাইকাৰী জৰিমনা আদায়ৰ কাৰণে বিভিন্ন অঞ্চলত যি পুলিচ মিলিটেৰীৰ যুটীয়া অভিযান আৰম্ভ কৰিছিল, তাত হেজাৰ হেজাৰ পৰিয়াল সৰ্বস্বান্ত, গৃহহীন আনহাতে ছোৱালী তিৰোতা ধৰ্ষিতা হয়।

অসম আৰু ১৯৪২ৰ গণবিপ্লৱ

১৯৪২ চনৰ ৯ আগষ্টত বম্বেত নেতাসকলৰ গ্ৰেপ্তাৰৰ লগে লগে অসমৰ এ বি শ্ৰেণীৰ নেতাসকলক গ্ৰেপ্তাৰৰ অভিযান আৰম্ভ হয়। গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মা আৰু বৰিয়াৰ শ্ৰীকামিনী শৰ্মাও বম্বে কংগ্ৰেছ কমিটিৰ পৰা উভতি আহোঁতে তেওঁলোকক ধুবুৰীত গ্ৰেপ্তাৰ কৰে। লগত থকা শ্ৰীকামিনী শৰ্মাক ৰাটিতে থকা হাফপেণ্ট কামিজ পিন্ধাই জল টঙিয়াৰ পৰা অনা চাৰ্জুলাৰ আদি তেওঁৰ হাতত দিয়ে। কামিনী শৰ্মাই এ আই চি চিৰ প্ৰস্তাৱ, চাৰ্জুলাৰ আনি ত্যাগ-

বীৰ হেম বৰুৱাক দিয়েছি। সেই চাৰ্কুলাৰ গুপ্তভাৱে বিভিন্ন জিলা-বিলাকলৈ পঠায়। চাৰ্কুলাৰখনত খাজনা বন্ধ, ৰেললাইন, ডাকঘৰ, টেলিফোন, টেলিগ্ৰাফ লাইন ধ্বংস কৰা, মিলিটেৰী যোগান বন্ধ কৰা, থানা, ক'ৰ্ট আদিত জাতীয় পতাকা উত্তোলন, দখল কৰা আৰু সমান্তৰাল গৱৰ্ণমেন্ট স্থাপন কৰা ইত্যাদি আছিল। এই চাৰ্কুলাৰৰ কাম কেনেকৈ বাস্তৱত ৰূপান্তৰিত কৰিব পাৰি, সেই বিষয়ে কংগ্ৰেছ কৰ্মীসকল দোধোৰ মোধোৰত পৰিছিল। গান্ধীজীৰ আদৰ্শত বিশ্বাস-বান সকলে বিশেষকৈ অমিয় দাস, কৃষ্ণ শৰ্মা, আদিয়ে হিংসাত্মক কাৰ্যৰ বিৰোধিতা কৰিছিল। আনহাতে হিংসাত্মক বা ৰেললাইন, ডাকঘৰ, টেলিগ্ৰাফ, দলং ভঙা ইত্যাদি ধ্বংস কৰা বিষয়েও কংগ্ৰেছ কৰ্মীসকল অনভিজ্ঞ আছিল। সৰ্বপ্ৰথম বৰপেটাৰ সৰভোগত বিমান ঘাটি প্ৰতিষ্ঠা কৰিবলৈ আয়োজন কৰা, অস্থায়ী ঘৰ-দুৱাৰ, বয়-বস্তু ইত্যাদি সকলো নাট্যকাৰ ব্ৰজনাথ শৰ্মা আৰু গোলোক পাঠকৰ নেতৃত্বত হেজাৰ হেজাৰ লোকে জুই দি ধ্বংস কৰে ১৫ আগষ্টত। এইটোৱেই অসমত প্ৰথম পৰ্যায়ৰ ভাঙৰ ধ্বংসকাৰ্য।

ইয়াৰ পাছত বিভিন্ন জিলাত গৱৰ্ণমেন্ট ঘৰ পোৰা, দলং ভঙা, টেলিফোন লাইন ধ্বংস, থানা, ক'ৰ্টত পতাকা উত্তোলন, সমান্তৰাল গৱৰ্ণমেন্ট ইত্যাদি কাম আৰম্ভ হয় অসমব্যাপি। অসমৰ গণ-বিপ্লৱৰ বিষয়ে ত্যাগবীৰ হেম বৰুৱাই অমৃতবাজাৰ পত্ৰিকাত এটা প্ৰবন্ধ লিখিছিল সেইটো তলত দিয়া হ'ল। তাৰ পাছত কংগ্ৰেছৰ ফালৰ পৰা এটা তদন্ত কমিটি গঠন কৰি দিছিল ১৯৪২ চনত বিভিন্ন জিলাত হোৱা ঘটনাৰ তদন্তৰ কাৰণে। সেই তদন্ত কমিটিৰ কিছু অংশ তুলি দিয়া হ'ল। ইয়াত অসমৰ গণ-বিপ্লৱৰ চমু আভাস পোৱা যাব।

১৯৪২ চনৰ গণবিপ্লৱ আৰু অসম ত্যাগবীৰ হেম বৰুৱা

১৯৪২ চনৰ আন্দোলনটো ৰুৱাটী বিপ্লৱৰ দৰেই অতি ব্যাপক আৰু উৎসাহত অসম্য আছিল। যদিও এই আন্দোলনটোৰ সবিশেষ এতিয়াও সংগৃহীত হোৱা নাই, ৰুৱাটী বিপ্লৱৰ সম্পৰ্কে সেই কালৰ ভিক্টৰ হিউজে লিখাৰ দৰে ইয়ো ৰুৱাটী বিপ্লৱে সম পৰ্যায়ৰ

আছিল। ভাৰতীয় গণ আন্দোলনৰ বুৰঞ্জীত প্ৰতীক স্বৰূপ স্মৰণীয় চিপাহী বিদ্ৰোহৰ দিনৰে পৰা স্বেচ্ছাই আগবাঢ়ি আহি জাতীয় জীৱনত আলোড়ন সৃষ্টি কৰা এনে আন্দোলন ১৯৪২ চনৰ আগষ্ট মাহৰ আগতে ভাৰতত হোৱা নাছিল। আগষ্টৰ আন্দোলনটো জনসাধাৰণৰ আশা-আকাঙ্ক্ষাৰ জীৱন্ত প্ৰতীক। নিজৰ বুকুৰ তেজেৰে দেশপ্ৰেমৰ সৌধ হিচাপে এই আন্দোলন জনসাধাৰণে গঢ়ি তুলিছিল। স্বাধীনতাৰ হকে অৰ্দ্ধাহাৰী আৰু অৰ্দ্ধনগ্ন লোকে কৰা ই এটা আন্দোলন। মাৰ্ক্স-বেলৰ চতুৰতা আৰু টটেনহামৰ কংগ্ৰেছৰ দায়িত্ব সম্পৰ্কে ইংগিতৰ সন্মুখত ভাৰতৰ প্ৰকৃত শত্ৰুৰ বিপক্ষে কৰা ইয়েই জনসাধাৰণৰ এখন বাস্তৱ যুদ্ধ হিচাপে পৰিগণিত হৈ থাকিব।

অগ্নিস্ফুলিঙ্গ প্ৰজ্জ্বালন

কংগ্ৰেছৰ প্ৰতি আস্থাভাজন সকলৰ ১৯৪২ চনৰ আগষ্টত বম্বেত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনৰ ওপৰতে সকলোৱে আশা ৰাখিছিল আৰু বৃটিছ চৰকাৰে ষ্টেফৰ্ড ক্ৰীপ্‌চৰ যোগে তাৰিখ পাৰ হৈ যোৱা এখন চেক দি ভাৰতীয় জনসাধাৰণক ঠগিবলৈ চেষ্টা কৰিছে বুলি এটা বিতৃষ্ণাৰ ভাব আৰু জাতীয় চৰকাৰৰ অবিহনে অসহায়তাৰ ভাব গঢ়ি উঠিছিল। কংগ্ৰেছে বিদেশী আক্ৰমণৰ বিপক্ষে ৰাষ্ট্ৰৰ জনগণৰ একান্ত সমৰ্থন পাব বুলি সকলোৱে আশা কৰিছিল। বৃটিছে নিজৰ প্ৰতিজ্ঞা ভঙ্গ আৰু তেওঁলোকে প্ৰকৃত দৃষ্টিৰে ভাৰতৰ উচিত দাবী মানিবলৈ অমান্তি হোৱাৰ কাৰণে দেশখন বাৰুদৰ ঘৰৰ দৰে যি কোনো সময়তে, সামান্য আঘাততে অগ্নিশিখা জ্বলি উঠাকৈ প্ৰস্তুত হৈ আছিল। প্ৰয়োজনমতে ভাৰতৰ সকলো নেতাকে বন্দী কৰা কাৰ্য্যই আন্দোলনৰ এটা সুযোগ দিলে। সমৰ ভাৱৰৰ আৱৰণ যেতিয়া প্ৰদেশবোৰৰ আকাশত ঘনীভূত হ'ল, যদিও নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ কোনো অনুমতি নাছিল, সকলোৱে অবৰ্ণনীয়ভাবে প্ৰতিবাদ জনালে। বম্বেত নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ হুকুম দিয়াৰ সময়তেই অসমতো নেতা আৰু বহুতো নামজ্বলা লোকক গ্ৰেপ্তাৰ কৰিলে। ইয়াৰ ভিতৰতে মৌলানা তৈয়বুল্লা, বিষ্ণুৰাম মেধি, ফখৰুদ্দিন আলী আহমদ, দেবেশ্বৰ শৰ্মা আদিক ৯ আগষ্ট তাৰিখে বন্দী কৰিলে। গোপীনাথ বৰদলৈ আৰু সিদ্ধিনাথ

শৰ্মাক বন্ধৰ পৰা ঘূৰি আহোঁতে ধৰাবীত গ্ৰেপ্তাৰ কৰিলে। এই বন্দী কৰা কাৰ্য্যই আন্দোলনটো পশ্চাদগামী কৰাতকৈ অন্য প্ৰকাৰে জইত ঘিঁউ ঢলাৰ দৰেহে হ'ল। ১৬ আগষ্ট তাৰিখে অসম চৰকাৰৰ মুখ্য সচিবে অতি সন্তোষ মনেৰে প্ৰকাশ কৰিলে যে, বন্দী কৰাৰ পিছত দেশত শান্তি বিৰাজ কৰিছে। এই অৱস্থা যে ধুমুহাৰ আগৰ শান্ত অৱস্থা সেই কথা ভাবিবই পৰা নাছিল।

চৰকাৰৰ দমন নীতি, নেতাসকলক অপ্ৰয়োজনীয়ভাৱে বন্দী কৰা, চৰকাৰে ৰক্তপিপাসু নীতি গ্ৰহণ কৰি স্বাধীনতা বিচৰা জনমতক দমন কৰাৰ প্ৰতিক্ৰিয়া হিচাপে এই আন্দোলন হৈছিল। যি সময়ত ২য় মহাসমৰ চলি আছিল আৰু অতি প্ৰয়োজনীয় সময়তে নেতা-সকলক বন্দী কৰা হৈছিল।

"স্বাধীনতা আন্দোলন আৰম্ভ হ'ল যেতিয়া,
পিতাৰ পৰা পুত্ৰৰ হাত পৰিল তেতিয়া।"

এই বিপ্লৱৰ গৌৰৱময় ইতিহাস অসমৰো আছে। প্ৰদেশখনক যুদ্ধৰ বাতাবৰণে আৱৰি ৰাখিছিল আৰু প্ৰত্যেক ইঞ্চি মাটিকেই জাপানৰ বিপক্ষে যুঁজিবলৈ মিত্ৰপক্ষৰ সৈন্যই কব্জাত ৰাখিছিল। মেচিনগান, পিস্তল আৰু বুলেটক আওকাণ কৰি নিজৰ বিপ্লৱৰ পতাকা উৰুৱাই ভাৰতৰ মুক্তি যুঁজৰ বুৰঞ্জীত এক নতুন অধ্যায়ৰ সূচনা কৰিছিল। অসমী আইৰ পো-জী সকলে অতি সাহস আৰু বিশ্বাসেৰে স্বাধীনতা সংগ্ৰামত আগ ভাগ লোৱা কাৰ্যও সোণৰ আখৰেৰে লিখাৰ যোগ্য।

নেতাসকলক বন্দী কৰা কথা বনজুইৰ দৰে বিয়পি পৰিল আৰু "কৰিম বা মৰিম" এই বৈপ্লৱিক শ্লোগানেৰে জনসাধাৰণে ইয়াৰ প্ৰতিবিধান কৰিবলৈ বিচাৰিছিল। জনসাধাৰণৰ প্ৰধান লক্ষ্য আছিল পুলিচ থানা বা ষ্টেচনবোৰ আৰু গোলামি মনোবৃত্তি বাহাল ৰখা স্মৃতিচিহ্নৰ সকলো অনুষ্ঠান যেনে ন্যায়বিভাগ আদিৰ লগত সম্পৰ্ক ছেদ কৰাই আছিল জনসাধাৰণৰ মনোভাৱ। বিহালি, ঢেকিয়াজুলি, গহপুৰৰ থানাবোৰত কৰা অহিংস আক্ৰমণ আন্দোলনৰ এক জ্বলন্ত নিদৰ্শন আছিল। ৰাষ্ট্ৰৰ কাৰণে লজ্জাজনক এই স্মৃতিচিহ্ন প্ৰতীকবোৰৰ ওপৰত নিজৰ ক্ষমতা সাব্যস্ত কৰাৰ উদ্দেশ্যে থানাবোৰ অধিকাৰ কৰিবৰ কাৰণে ৰাইজে শাৰী পাতি পাতি শোভাযাত্ৰা কৰি গৈছিল।

লীগ চৰকাৰঃ

বিধান সভাৰ কংগ্ৰেছী সদস্যসকলক আটক কৰি যথাৰ পাছত অসম চৰকাৰৰ নেতৃত্ব বহন কৰিলে চতুৰ পুৰুষ চাৰ মহম্মদ ছাদুল্লাই। এই চৰকাৰে কংগ্ৰেছৰ আন্দোলন মষিমূৰ কৰিবৰ কাৰণে এক প্ৰতিক্ৰিয়াশীল ভূমিকা গ্ৰহণ কৰিছিল। এক আইন ৰক্ষক সকলৰ অত্যাচাৰ আৰু কাৰ্যই বুৰঞ্জীত ক'লা তেজৰ চেকা সানি গ'ল। আনৰ দুখত ৰূচিছ চৰকাৰে সুখ অনুভৱ কৰিছিল। ১৯৪২ চনৰ ১৫ আগষ্টত গোৱালপাৰাত এটা ছাত্ৰৰ শোভাযাত্ৰাৰ ওপৰত অমানুষিক লাঠি চালনা আৰু কনকলতা, খুলেশ্বৰী আৰু ভোগেশ্বৰীক নৃশংসভাবে হত্যা কৰাৰ উপৰিও যোৰহাট জেলত ১৯৪৩ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে কৰা লাঠি চালনাত ১৮১ জন ৰাজনৈতিক বন্দী ভীষণভাৱে আহত হোৱা কাৰ্যই বুৰ্জোৱাসকলৰ সহজাত আও কণীয়া স্বভাৱৰ বিষয়ে সাক্ষ্য দিয়ে।

আজিকালি কনকলতাৰ নাম ঘৰুৱা হৈ পৰিছে। সকলো মানুহৰ মাজত কনকলতাই মাৰ্গাৰেট কজিনৰ যুদ্ধৰ কাৰণে এটা হেতু এই কথাকে প্ৰমাণিত কৰিলে আৰু ভাৰতৰ মহিলাসকলে ইয়াত আশাতীত সঁহাৰি জনালে। তেওঁ এজনী ১৪/১৫ বছৰীয়া ছোৱালী আছিল। যেতিয়া এক বিৰাট শোভাযাত্ৰাই থানাৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰিবলৈ গৈছিল, তেতিয়া দৰং জিলাৰ গহপুৰ থানাত এই ঘটনা সংঘটিত হয়। কনকলতাই শোভাযাত্ৰাৰ নেতৃত্ব বহন কৰিছিল। শোভাযাত্ৰা থানা চৌহদৰ কাষ পাওঁতে থানাৰ ভাৰপ্ৰাপ্ত লিষয়াই, থানাৰ চৌহদলৈ এক খোজো আগনাবাঢ়িবলৈ ছোৱালীজনীক মানা কৰিলে। তাৰ উত্তৰত কনকলতাই ক'লে যে, থানাখন ৰাইজৰহে, চৰকাৰী বিষয়াসকল ৰাইজৰ সেৱক আৰু বিদেশীৰ তলত কাম কৰিবলৈ তেওঁলোকৰ কোনো নৈতিক অধিকাৰ নাই। সজিন আৰু পিস্তলৰ সমুখতো কনকলতাই ভাৰোগাক নিজ কৰ্তব্য পালন কৰিবলৈ সঁকিয়াই দিয়ে, আৰু জীৱনৰ বিনিময়তো নিজৰ কৰ্তব্য পালন কৰিব বুলি কয়। ভীৰুৱে কনকলতাৰ তিৰ-বিৰাই থকা চকুতে গুলিৰে আঘাত কৰিলে। তেজৰ ভোগাত তেওঁ বাগৰি পৰিল। মুকুন্দ কাকতি নামৰ এজন যুৱকে মৃত সঙ্গী কনক-লতাৰ হাতৰ পৰা পতাকাখন তুলি লৈ থানাৰ পিনে আগবাঢ়ি গ'ল।

পুলিচে বিষয়াই আকৌ গুলি চলায়। তেওঁ তাতেই বাগৰি পৰি মৃত্যু বৰণ কৰে।

জনসাধাৰণৰ উদ্যম অবিনশ্য। থানাৰ এই অমানুষিক ঘটনাত লিপ্ত থাকোঁতে অন্য ফালৰ পৰা বাইজে থানাৰ ওপৰত পতাকা উৰুৱালেগৈ। কনকলতাই যি উদ্দেশ্য সাধনৰ অৰ্থে আত্মাহুতি দিলে, তেওঁলোকে সেই উদ্দেশ্য সফলকামী কৰিলে।

থানাৰ সমীপৱৰ্তী চাহবাগানৰ মালিকসকলে পুলিচৰ লগত সম্পূৰ্ণ সহযোগিতা কৰিছিল। যেনিয়ে তেনিয়ে ঘূচি যোৱা শোভা-যাত্ৰীসকলক তেওঁলোকে যি বেয়া ব্যৱহাৰ কৰিছিল সেই কথা অতি পৈশাচিক। শোভাযাত্ৰীসকলক তেওঁলোকে এইদৰে চিক্ৰিছিল— যদিও বৃটিছসকলে গুণ্ডাৰাজৰ কথা নাজানে, তথাপি 'তহঁতি গুণ্ডা' বুলি কৈছিল।

ঢেকিয়াজুলি

তেজপুৰৰ পৰা ২২ মাইলমান পশ্চিমত অৱস্থিত, ঢেকিয়াজুলিত নিৰস্ত্ৰ জনতাৰ ওপৰত গুলি চালনা কৰাটো সমানেই দুখজনক আৰু তাৎপৰ্য্যপূৰ্ণ। গহপুৰৰ দৰেই ১৯৪৩ চনৰ ২০ ছেপ্তেম্বৰৰ দিনা ঢেকিয়াজুলি থানাত জাতীয় পতাকা উত্তোলন কৰাৰ কাৰণে ভালেমান লোক সদলবলে আগবাঢ়ি গৈছিল। পুলিচে গুলি চালনা কৰিলে, ১২ বছৰীয়া থুলেশ্বৰী নামৰ এজনী ছোৱালীকে ধৰি ২০ জন লোকৰ মৃত্যু হ'ল। সেই অঞ্চলত এতিয়াও ক্ষত-বিক্ষত হোৱা লোক আছে, যিসকলৰ মুখ, হাত, ভৰি, গাত সেই গৌৰৱপূৰ্ণ ঘটনাৰ চিন বিৰাজিত। সকলো চেৰাই গৈ যিটো ল'ৰাই থানাত পতাকা উত্তোলন কৰিছিল তেওঁকো গুলিয়াই মৰা হ'ল। যেতিয়া বঙ্গদেশৰ পৰা অনা মুছলমান গুণ্ডাবোৰ থানাৰ চৌহদৰ পৰা ওলাই আহি মহিলাসকলকে ধৰি সকলোৰে ওপৰত অত্যাচাৰ চলালে, অৱস্থা অতি বেয়াৰ দিনে চাল খালে।

সেইটো বজাৰৰ দিন আছিল। নগৰৰ পৰা আমদানি কৰা মিলিটেৰী পুলিচে বজাৰৰ মানুহবোৰকে কংগ্ৰেছ জনসমাজ বুলি ভাবি নিৰ্বিচাৰে গুলি কৰিবলৈ ধৰিলে। ভিৰোভাসকলক বেয়া আচৰণ কৰিলে। সেইদিনা মুঠ মৃত্যুৰ সংখ্যা ১৬ আৰু এশজনতো অধিক

আঘাতপ্ৰাপ্ত হ'ল। মৃতসকলৰ তিনিগৰাকী মহিলা, তাৰে এগৰাকী গৰ্ভৱতী আছিল।

ঢেকিয়াজুলি ডাক্তৰখানাত এজন বগা চাহাবে এজন ৰোগীক কংগ্ৰেছী লোক বুলি ভাবি বিভৎসভাৱে উলিয়াই বুকুত থৈ গুলি কৰিব খুজিছিল। যেনিবা সেই সময়তে ডাক্তৰ আহি মধ্যস্থতা কৰে।

গহপুৰ আৰু ঢেকিয়াজুলিত হোৱা পুলিচৰ অত্যাচাৰৰ প্ৰতিবাদ জনাবলৈ তেজপুৰৰ ময়দানত ২১ চেপ্তেম্বৰ তাৰিখে গোটখোৱা লোকসকলৰ ওপৰতো পুলিচে লাঠি চালনা কৰে। ইয়াত লাঠি আৰু সঙ্গিন মুক্তভাৱে ব্যৱহাৰ কৰা হৈছিল। এই কাৰ্যত ভালেমান লোক তেজেৰে লুতুৰি পুতুৰি হৈ ময়দানত পৰি গৈছিল। আঘাতপ্ৰাপ্ত লোকৰ সংখ্যা এশৰ কম নহ'ব।

নগাঁও

আতিশয্য আৰু ব্যাপকতাৰ ফালৰ পৰা নগাঁৱে এক স্পষ্ট নিদৰ্শন দাঙি ধৰে। প্ৰকৃততে বুৰ্জোৱা দমন নীতি কাৰ্যৰ নগাঁও-খনেই প্ৰধান দুৰ্ভাগ্যজনক লক্ষ্যস্থান বুলি ক'ব পাৰি। দুৰ্বাৰ বিদ্ৰোহ আৰু পুলিচ-মিলিটেৰী কাৰ্যই উদগ্ৰ অমানুসিকতাৰ নিদৰ্শন দাঙি ধৰিছিল। মুঠতে জিলাখনত অন্যায় অত্যাচাৰৰ ৰাজত্ব চলিছিল।

১৯৪২ চনৰ কুৰি আগষ্ট তাৰিখে সন্ধিয়া পৰত এদল যুৱকক বেবেজীয়া দলঙৰ ওচৰত তাৰ তলত লুকাই থকা কিছুমান মিলি-টেৰীয়ে আক্ৰমণ কৰি দুজন ডেকাক গুলীয়াই হত্যা কৰে। পিছদিনা ৰহা দলঙৰ ওচৰত আন এজন ডেকাক গুলীয়াই মৰা হয়। পুৰণি কালৰ হুণ আৰু টাৰ্টাৰবিলাকৰ দৰে মিলিটেৰীবিলাকক এইসকলৰ তেজে সান্ত্বনা দিব নোৱাৰাত, তেওঁলোকে নিশা অতৰ্কিতে বেবেজীয়া গাঁৱত নিশা সোমাই সহায়হীন মুনিহ-তিৰোতা, ল'ৰা-ছোৱালীভেদে সকলোৰে ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলোৱাত আন্দোলন অতি ভয়ানক হৈ উঠিল। পুৱা সিহঁতে প্ৰায় ৪০০ মান লোকক গোটাই প্ৰখৰ ৰ'দত বেবেজীয়াৰ পৰা নগাঁও থানালৈ সঙ্গিন আৰু লাঠিৰ ভয় দেখুৱাই লৈ গৈছিল।

পুলিচ আৰু মিলিটেৰীৰ নৃশংসতাই মানৱতাৰ সীমা চেৰাই গৈছিল। আনকি তিনি দিনৰ আগতে প্ৰসৱ হোৱা এগৰাকী মহিলাক

কেঁচুৱাটো লৈ লগত যাবলৈ বাধ্য কৰিছিল। সন্তানটোৰ বাটতে মৃত্যু হৈছিল, আৰু মহিলাগৰাকী বহুত দিন ধৰি অসুখত জীয়াতু ভুগিলে। জাৰ্মান ভাষাত কবৰ দৰে নগাঁও নৈশ শক্তিৰ প্ৰভাৱত আছিল।

মিলিটেৰীৰ নিষ্ঠুৰতা

বেবেজীয়া আৰু আন ঠাইবিলাকত মিলিটেৰী আৰু পুলিচে চোপ লৈ দোষীক চিকাৰ কৰিব খুজিছিল। গাঁওখনলৈ আগবাঢ়ি যোৱা মিলিটেৰীৰ খবৰটোৰ আগজাননী দিবলৈ গাঁৱৰ পহৰাদাৰী তিলক ডেকাই শিঙা বজাইছিল। পুনৰবাৰ শিঙা বজালে হত্যা কৰা হ'ব বুলি মিলিটেৰীয়ে ভয় দেখুৱাইছিল। যি কামত নিয়োজিত হৈছিল, তিলকে তাৰ বিশ্বাসঘাতকতা কৰিবলৈ আপত্তি দৰ্শালে। এই কথাত চাৰ্জেণ্টজনে নিচেই কাষৰ পৰা তিলকলৈ গুলি কৰিলে আৰু তেওঁৰ মূৰৰ খোলা ভাগি পৰি গ'ল।

এই বন্দুকৰ শব্দই গাঁৱৰ মানুহক সেই স্থানলৈ আমন্ত্ৰণ কৰিলে। গাঁৱৰ সকলো মানুহে হাতত টৰ্চ লাইট লৈ সেই ঠাইত উপস্থিত হ'ল আৰু মহিলাসকলে মৃত্যুবৰণ বা গ্ৰেপ্তাৰ হ'বলৈ প্ৰথমেই আগবাঢ়ি ওলাল। মিলিটেৰীয়ে পুনৰ গুলি চলোৱাত থিতাতে ৬ জন লোকৰ মৃত্যু হ'ল। বন্দুকলৈ কেৰেপ নকৰি বাইজে তিলকৰ ৰক্তপ্লাবিত দেহাটো সৎকাৰ কৰিবৰ কাৰণে সন্তৰ্মেৰে তুলি লৈ গ'ল। পিছদিনা পুৰা প্ৰায় ৩০০ তকৈ অধিক লোকক বন্দী কৰা হ'ল আৰু অমানুষিক ব্যৱহাৰ কৰা হ'ল।

এটা বগা কমাণ্ডাৰৰ নেতৃত্বত এটা শান্তি সেনাৰ শিবিৰ মিলিটেৰীয়ে আক্ৰমণ কৰে আৰু তাৰ সকলোকে আটক কৰি শান্তি সেনাসকলক কোবাবলৈ লগাই দিয়ে, আৰু ঘৰটোত জুই লগাই দিয়ে। এই মানৱ-পিশাচ সকলৰ কাৰ্যৰ প্ৰতিবাদ এজন সৰু ল'ৰাই কৰাত ল'ৰাটিক কমাণ্ডাৰে গোৰ মাৰি জুইৰ মাজত পেলাই দিছিল। কথমপি ল'ৰাটিয়ে বগুৰা বাই জুইৰ মাজৰ পৰা ৰক্ষা পাবলৈ সক্ষম হ'ল আৰু গাঁৱৰ মানুহে ল'ৰাটিক তাৰপৰা আঁতৰাই লৈ গ'ল।

ত্ৰিৰঙ্গ পতাকাখনেই এই বুৰ্জোৱা পশুসকলৰ একমাত্ৰ লক্ষ্য আছিল। বহা হাইস্কুলৰ ওপৰত চাৰি পাঁচ বছৰমান ত্ৰিৰঙ্গ পতাকা

উৰি আছিল। কোনোবা এজন বগা চাহাব সেইফালে যাওঁতে পতাকা-খন উৰি থকা দেখি স্কুলৰ সোমাই গ'ল, আৰু পতাকাখন নমাবলৈ ক'লে। স্কুলত ছাত্ৰ আহিবলৈ বন্ধ কৰাত তেতিয়া স্কুল খালী আছিল। এই অতি অসম্মানজনক কামটো কৰিবলৈ অমান্তি হোৱাত সেই মিলিটেৰী বিষয়াটোৱে শিক্ষকসকলৰ ওপৰত জপিয়াই পৰি গোৰ লাথি মৰাৰ উপৰিও কোবাবলৈ ধৰিলে।

ভোগেশ্বৰী ফুকননী

পুলিচ আৰু মিলিটেৰীৰ হিংসাত্মক কাৰ্যই চলি থকা সংঘৰ্ষৰ ওপৰত অন্ধকাৰৰ ছাঁ পেলালে। পুলিচৰ হাতত থকা বৰহমপুৰৰ কংগ্ৰেছ ভৱনত এটা ভোজ খোৱাৰ উদ্দেশ্যে সেই অঞ্চলৰ ল'ৰা, বুঢ়া, মহিলাসকলে ১৬ চেপ্তেম্বৰ তাৰিখে গোট খাইছিল। নগৰৰ পৰা ঠাইখন মাত্ৰ ৫ মাইল দূৰত। নগৰৰ ভালেমান লোকো তালৈ আহিছিল। পুলিচ আৰু মিলিটেৰীসকলে বৃটিছ সাম্ৰাজ্যৰ কাৰণে এই কাৰ্যত বিপদৰ গোন্ধ পাইছিল আৰু শীঘ্ৰে সেই ঠাইলৈ বন্দুক আৰু সঙ্গিন নিয়া হৈছিল। মিলিটেৰীয়ে কিছুমান ছোৱালীৰ হাতৰ পৰা জাতীয় পতাকাখন কাঢ়ি ল'বলৈ সক্ষম হ'ল।

ৰত্নমালা নামৰ এজনী ষোড়শী গাভৰুৰ লগত পতাকাখন কাঢ়ি নিয়ালৈ টনা-আঁজোৰা লাগিছিল। শেষত ছোৱালীজনী পৰি গ'ল আৰু পতাকাখনো কাঢ়ি নিলে। এই কথাত ৰত্নমালাৰ আইতাক ভোগেশ্বৰী ফুকননী বৰ উত্তেজিত হ'ল। তেওঁৰ হাতৰ পতাকাখন মাৰিডালেৰে বগা চাহাবৰ মুখত খোঁচ মাৰি দিলে, যিটোৱে বগা চাহাবক উত্তেজিত কৰিবলৈ যথেষ্ট আছিল। তেওঁ এটা গুলিৰে সেই বুঢ়ীগৰাকীক বগৰাই দিলে।

আৰু বহুতো মৰিল

তাৰ পাছতে প্ৰকাণ্ড চৌৰে অহা জোৱাৰৰ দৰে আগবাঢ়ি ছোৱালী-জনীক বচাবলৈ অহা জনতাৰ ওপৰত গুলি চলোৱা হ'ল। লক্ষিৰাম হাজৰিকা আৰু খানুৰাম সুত আৰু বলোৰাম সুত ওচৰতে নিৰ্জীৱ শিলামূৰ্তিৰ দৰে বৈ থকা অৱস্থাত গুলিত বাগৰি পৰে আৰু বহুতকে ঘূণীয়া কৰে। বাটজে গোটেই নিশা শক্তিটো বেৰি থাকে, ফুলেৰে

সজ্জিত কৰে, পুৰা ফটো লয় আৰু এটা বিৰাট শোভাযাত্ৰাৰে এই বীৰ বীৰাঙ্গনাসকলক শ্মশানলৈ লৈ যায়।

মহান নেপোলিয়নৰ ঘটনাৰ দৰে সৰু একোটা কথায়ো ইতিহাস ৰচনা কৰে। লখি হাজৰিকাই এটা স্মৰণীয় কথা আৰু ইতিহাস এৰি গৈছে। তেওঁৰ মৰণৰ লগত সংগ্ৰাম কৰি থকা অৱস্থাতে জেপত খেপিয়াই এটা এক অনীয়া আৰু ছয় পইচা উলিয়াই দেশৰ কাৰণে খৰছ কৰিবলৈ তেওঁক আৱৰি থকা লোকৰ হাতত দি গৈছে। তেজ আৰু মুদ্ৰাৰে এইটোৱেই দেশৰ স্বাৰ্থৰ কাৰণে দিয়া তেওঁৰ শেষ দান।

বুৰঞ্জীত এনে আত্মবলিদান আৰু ত্যাগৰ নিদৰ্শন নিচেই কম। ডেৰ শ বছৰ বৃটিছ শাসনাধীন হৈ থাকিও ভাৰতীয় জনসাধাৰণৰ মনত মহান ত্যাগৰ কাৰণে উন্গনি জনোৱা প্ৰকৃত উৎসাহ অব্যাহত আছিল।

এখন পূৰ্ণ ছবি

মিলিটেৰী আৰু পুলিচৰ অত্যাচাৰৰ এটা সম্পূৰ্ণ প্ৰতিচ্ছবি সেই সময়ত নগাঁও উকিল সন্থাই গ্ৰহণ কৰা এটা প্ৰস্তাৱৰ যোগে পোৱা যায়।

"এই সন্থাই দুখেৰে অনুভৱ কৰে যে, জিলাখনত প্ৰশাসন চলি থাকোঁতে জিলা মেজিষ্ট্ৰেটৰ বঙলাৰ মাত্ৰ দুই ফাৰ্লং আঁতৰত চৰকাৰী হাইস্কুলত ১৯৪২ চনৰ চেপ্টেম্বৰৰ ১৬ তাৰিখে অনেক লোকক, য'ত ডেকাসকলেই সংখ্যাধিক, গাঁও অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰি আনি থানালৈ নিয়াৰ আগতে মিলিটেৰীয়ে অতি নগ্নভাৱে অত্যাচাৰ আৰু দমন কৰিছে, জনসাধাৰণৰ ওপৰত অমানুষিক অত্যাচাৰ কৰিছে আৰু বেতন, গোৰ আদি নিৰ্দয়ভাৱে ব্যৱহাৰ কৰিছে।

এই গ্ৰেপ্তাৰ কৰা লোকসকলক থানালৈ বা আদালতৰ লক-আপত নিনি কিয় মিলিটেৰী থকা চৰকাৰী হাইস্কুললৈ নিয়া হ'ল, এই কথা সন্থাই বুজিবলৈ টান পাইছে। গাঁও অঞ্চলৰ লোকসকল কেনে-দৰে জীৱনৰ নিৰাপত্তা নোহোৱাকৈ অসহায় অৱস্থাত জীৱন নিৰ্বাহ কৰিব লগা হৈছে এই এটা উদাহৰণেই সন্থাক সজাগ কৰি তুলিছে।

এইটো জানিব পৰা গৈছে যে, কিছুমান ছাত্ৰক জাতীয় পতাকা উত্তোলন কৰিবলৈ যাওঁতে আটক কৰি নগাঁৱৰ মিলিটেৰী প্ৰধান

কাৰ্যালয় আৰু মিলিটেৰী বওজালৈ আনি নিৰ্দয়ভাবে বেত দিয়া আৰু গোৰ মৰা হৈছে। ১৯৪২ চনত ১০ চেপ্টেম্বৰ তাৰিখে এনে ধৰণৰ অমানৱীয় ব্যৱহাৰ জাগী, দৰঙীয়া গাঁৱৰ মানুহকো কৰা হৈছিল। কিছুমান লোকক শাৰী পাতি থকা মেলিটেৰীৰ মাজেদি যাবলৈ দিয়া হৈছিল—তেওঁলোকক লথিয়াবৰ আৰু অপমানিত কৰিবৰ কাৰণে। ইয়াৰ ফলত বহুত জখম হৈছিল। এইবোৰ মিলিটেৰীৰ নিৰ্দয়তা আৰু অপ্ৰয়োজনীয় দমনতাৰ আন আন নিদৰ্শন।

এই ঘটনা মুনিহ তিৰোতাক লৈ ভালেমান লোক আটক হোৱাৰ পাছত ঘটিছিল। তেওঁলোকক মিলিটেৰীৰ দুটা শাৰীৰ মাজেদি যাবলৈ দিয়া হৈছিল, আৰু মিলিটেৰীয়ে পাৰ হৈ যোৱা লোকক এটা এটাকৈ চৰিয়াইছিল। এই আটক হোৱা লোকসকলে এনে ব্যৱহাৰেই গ্ৰহণ কৰিব লগা হৈছিল। এই সন্থাই সেই কাৰণে মিলিটেৰীৰ এই আতিশয্যৰ বাবে আৰু তেওঁলোকে অমানুষিক ব্যৱহাৰ কৰাৰ ঘোৰ প্ৰতিবাদ জনায়, আৰু স্থানীয় কৰ্তৃপক্ষক আৰু অসম চৰকাৰক এনে দুখজনক ঘটনাৰ অৱসান ঘটাবলৈ অনুৰোধ জনায়।"

কামৰূপ ঃ

২৫ চেপ্টেম্বৰ তাৰিখে জালাহত হোৱা এখন সভাত যোগদান কৰি ঘূৰি আহোঁতে সাদেৰী গাঁৱৰ বাউতাৰাম দাস আৰু বজালী হাইস্কুলৰ ৮ম মান শ্ৰেণীৰ ছাত্ৰ মদন চন্দ্ৰ বৰ্মনক পাটাছাৰকুছি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই গুলি কৰি হত্যা কৰে।

কেইজনমান মানুহে সভাৰ পৰা আহি অলিকাস্থৰ এজোপা গছৰ তলত জিৰাওঁতে তেওঁ সিহঁতবিলাক যাবলৈ আদেশ দিয়ে। যিহেতুকে তেওঁলোকে তাত মিটিং কৰা নাছিল সেইকাৰণে সিহঁতবিলাক যাবলৈ অমান্তি হোৱাত পুলিচ বিষয়াই তেওঁলোকৰ ওপৰত গুলি চলায় আৰু দুজনক মৃত্যুমুখত পেলায়। ইয়াৰ পাছতে তেওঁ ঘূৰি আহোঁতে আন এটা দলক লগ পায় আৰু তেওঁলোকৰ ওপৰতো গুলিচালনা কৰি কেইজনমানক ঘুণীয়া কৰে।

বিধান সভাৰ মজিয়াত ৰোহিণী কুমাৰ চৌধুৰীয়ে প্ৰশ্ন কৰাত চাৰ মহম্মদে তলত দিয়াৰ দৰে উত্তৰ দিয়ে ঃ

"মই পিছৰ সিদ্ধান্তত এনেদৰে আহিব পাৰিছোঁ যে, সভা-সমিতি-শোভাযাত্ৰাৰ যোগেদি কংগ্ৰেছ দলৰ সন্মান বজাই ৰাখিবলৈ আৰু ক্ষমতা সাব্যস্ত কৰিবলৈ চেষ্টা চলোৱা হৈছে আৰু বৰ্তমানৰ শাসনাধিষ্ঠিত চৰকাৰৰ ঠাইত ঠায়ে ঠায়ে সমান্তৰাল চৰকাৰ গঠনৰ চেষ্টা চলোৱা হৈছে। মোৰ বন্ধুৱে বিধান সভাত উল্লেখ কৰা দৰঙৰ গহপুৰ আৰু ঢেকিয়াজুলি, নগাঁৱৰ বৰহমপুৰ আৰু কামৰূপৰ পাটাছাৰকুছিৰ দুৰ্ভগীয়া ঘটনা এই কাৰণেই সংঘটিত হৈছে।"

কামৰূপ জিলাৰ সৰভোগৰ আকাশী যানৰ ঘাটিৰ ঘটনাটো স্মৰণীয়। ১৯৪২ চনৰ ২৬ আগষ্টত এই ঘটনা ঘটিছিল। অতি গভীৰ বিপদৰ মাজতো জনতাই নিজকে সংগঠিত কৰিব পৰা আৰু শক্তি একত্ৰিত কৰি কাম কৰিব পৰা ই এটা উদাহৰণ। হেজাৰ হেজাৰ লোকে আকাশী যানৰ পথাৰ মুক্তভাবে আক্ৰমণ কৰাৰ ই নিদৰ্শন। যি সময়ত স্বাধীনতাৰ দাবী মানি নোলোৱাকৈ জনসাধাৰণে যুদ্ধৰ কোনো কাৰ্যতে সহায় নকৰিবৰ কাৰণে সংকল্প গ্ৰহণ কৰিছিল, তেনে সময়ত মিলিটেৰী, ঠিকাদাৰে জমা কৰি ৰখা খেৰ, বাঁহ, তিনিখন এম ই এছৰ গাড়ী, পৰিদৰ্শন বঙলা আৰু বহু এম ই এছৰ থকা ঘৰ জুই লগাই দি ভস্মীভূত কৰে। এই জুই অতি ওপৰলৈকে উঠিছিল আৰু ১৬ মাইলৰ আঁতৰত থকা বৰপেটাৰ মহকুমাধিপতিৰ চকুত পৰিছিলগৈ। নিজৰ গাড়ীৰে লৰালৰিকৈ তেওঁ ফেৰীঘাটলৈ গ'ল। কিন্তু ওপৰঞ্চি মিলিটেৰী যাব নোৱাৰাকৈ সকলো বাট পথ বিচ্ছিন্ন কৰি থোৱা হৈছিল। ইয়াৰ পৰা ইয়াকে বুজিবলৈ দিয়া হৈছিল যে, যিখন যুদ্ধলৈ ভাৰতবৰ্ষক আজুৰি নিয়া হৈছে সেইখন ভাৰতবৰ্ষৰ যুদ্ধ নহয়; এইখন হৈছে দুটা অতি নিম্নস্তৰৰ ৰাজতন্ত্ৰৰ মাজত হোৱা যুদ্ধ, য'ত তেওঁলোকৰ কোন ক্ষমতাশালী, তাক প্ৰমাণ কৰিবলৈ বিচৰা হৈছে। গতিৰ মহিলা সকলে পাঠশালাৰ থানাখন আক্ৰমণ কৰি এদিন অৱৰুদ্ধ কৰি ৰাখে।

পূৰ অসম

যোৰহাট আৰু শিৱসাগৰ মহকুমাত গাঁও অঞ্চলৰ ছাত্ৰ আৰু বাইজে চৰকাৰী কাৰ্যালয় আৰু কাছাৰীৰ আগত বিক্ষোভ প্ৰদৰ্শন কৰিছিল। বিদেশীৰ তলত কাম কৰি বিদেশী শাসন অব্যাহত ৰখাৰ

কাৰ্যত কৰ্মচাৰীসকলক বাধা দিয়াৰ কাৰণে ভাওৰ ভাওৰ শোভাযাত্ৰা উলিওৱা হৈছিল আৰু সভা-সমিতি পতা হৈছিল। যোৰহাটত কিছু-মান সৰু সৰু ল'ৰাক আটক কৰি গাৰীত ভৰাই নৈ নামঘৰ হাবিত বনৰীয়া জন্তুৰ খাদ্য হ'বৰ কাৰণে এৰি দিছিলগৈ।

এই জিলাবিলাকত গঠনমূলক কাম আৰু বাধাযুক্ত কাৰ্য দুয়োটাই অব্যাহতভাবে চলাই ৰখা হৈছিল। গঠনমূলক কামৰ হিচাপত প্ৰত্যেকখন গাঁওকে একোখন ৰাষ্ট্ৰলৈ পৰিণত কৰিবলৈ বিচৰা হৈছিল য'ত একোজন ৰাষ্ট্ৰপতিয়ে প্ৰতিনিধি হিচাপে প্ৰশাসনীয় কাম চলাব। সকলো ব্যৱস্থাৰে টিয়ক, চাৰিগাঁও, হাতীগড়ত এনে ধৰণৰ সৰু সৰু স্বাধীন ৰাষ্ট্ৰ গঠন হৈছিল।

আন বাধাযুক্ত প্ৰচেষ্টা আছিল মিলিটেৰীক খাদ্য সম্ভাৰ যোগান ধৰাটো বন্ধ কৰা। প্ৰকৃততে ৰাজ্যৰ ই আত্মনিৰ্ভৰশীল আঁচনি আছিল। এনে ব্যৱস্থা লোৱাৰ ফলত মিলিটেৰীক ছাগলী, জন্তু, কুকুৰা, ধান আদি দিয়া বন্ধ হৈছিল। ইয়াক কাৰ্যত প্ৰতিফলিত কৰিবলৈ যাওঁতে সাধাৰণতে পুলিচ মিলিটেৰীৰ লগত ৰাইজৰ সংঘৰ্ষ হৈছিল। লাঠি, সঙিন চালনা আৰু দলে দলে আটক কৰা কাম দৈনন্দিন ঘটা ঘটনাৰ দৰে হৈছিল।

যোৰহাটৰ টীয়কত হোৱা লাঠি চালনা অতি স্মৰণীয়। ইয়াতে বাধাদানৰ আঁচনি কৃতকাৰ্য হৈছিল। থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ কাৰণে এই কৃতকাৰ্যতা অসহনীয় হৈছিল, আৰু কংগ্ৰেছী লোকক এশিকনি দিয়াৰ বাবে প্ৰস্তুত হৈছিল। থানাৰ কাষতে থকা কংগ্ৰেছ অফিচত যেতিয়া প্ৰায় ৪০০ মান লোক লগ খাইছিল তেতিয়াই পুলিচৰ সেই শুভ ক্ষণ মিলিছিল। সেই ভীৰু পুলিচ বিষয়াই যোৰহাট টাউনৰ পৰা মিলিটেৰী নিয়াৰ বাবে অনুৰোধ পঠালে। চিকাৰৰ ওপৰত কৰাৰ দৰে পুলিচ আৰু মিলিটেৰীয়ে ৰাইজৰ ওপৰত জপিয়াই পৰিল, আৰু মুনিহ, তিৰোতা, ল'ৰা-ছোৱালীৰ ওপৰত সঙিন আৰু লাঠিৰে আক্ৰমণ চলালে। জাতীয় পতাকাখন মহিলাসকলৰ পৰা কাঢ়ি নিবৰ প্ৰয়াসেৰে সঙিন আৰু লাঠিৰে প্ৰহাৰ কৰিলে। এই কামত দুজন যেয়াকে মূৰ্চ্ছা হৈছিল। যোৰহাটৰ প্ৰবীণ কংগ্ৰেছ নেতা শশীধৰ মলিয়া বৰুৱা চিৰকাললৈ মূৰ্চ্ছা হ'ল।

শিৱসাগৰ

শিৱসাগৰ টাউনলৈ অহা সকলো বাটপথতে পুলিচ আৰু মিলি-টেৰীয়ে চোকা নজৰ ৰাখিছিল। তথাপি ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে প্ৰায় ১৫ হেজাৰ লোকৰ এটা সমাবেশ টাউনত হৈছিল আৰু দেশৰ স্বাধীনতা আৰু বৃটিছ শাসনৰ অৱসান। দাবীৰ ধ্বনি তুলি আলিবাটেদি শোভাযাত্ৰা কৰি আহিছিল। জয়সাগৰ আৰু পলি-টেকনিক স্কুলৰ কাষত পুলিচ আৰু মিলিটেৰীয়ে শোভাযাত্ৰাকাৰী-সকলৰ ওপৰত সঙিন ব্যৱহাৰ কৰিছিল। কুৰিজন লোক সেইদিনা জখম হয়।

মানুহৰ সহ্য কৰাৰ এটা সীমা আছে। চৰকাৰে দমনৰ বাবে লোৱা ব্যৱস্থাৰ কাৰণে আন্দোলনটো সংগোপনে চলোৱা হ'ল। স্বাভা-ৱিকতে জনসাধাৰণৰ মনত বিদ্ৰোহাত্মক ভাব সুদৃঢ় হ'ল। তেওঁ-লোকে চৰকাৰৰ হিংসাত্মক কাৰ্যৰ প্ৰতিবিধান কৰিবলৈ সাজু হ'ল, আৰু জনসাধাৰণে হোৰা-চোৰোকাকৈ কৰা ধ্বংসাত্মক কাৰ্যই চৰকাৰৰ সকলো কাৰ্যকে তল পেলালে। ১৯৪২ চনৰ চেপ্তেম্বৰ আৰু ১৯৪৩ চনৰ ফেব্ৰুৱাৰী মাহৰ ভিতৰত বৈপ্লৱিক বিচাৰধাৰাৰ অনেক প্ৰচাৰ পত্ৰ প্ৰকাশ হ'ল। এই প্ৰচাৰপত্ৰ বিলাকে ৰেললাইন উঠোৱা আৰু টেলিফোন, টেলিগ্ৰাফ আদৰ তাঁৰ কাটুৰী আৰু চৰকাৰী কাৰ্যালয়ৰ লগত থকা যোগাযোগৰ ব্যৱস্থাসমূহ বিচ্ছিন্ন কৰিবলৈ উদ্‌গণি দিছিল। এই তলে তলে চলোৱা আন্দোলনটোৱে যুৱকসকলৰ বৈপ্লৱিক মনোভাবৰ পৰা শক্তি আহৰণ কৰিছিল। তেওঁলোকে বৃটিছ শক্তিৰ প্ৰতীকবিলাক ধ্বংস কৰাৰ কথা ভাবিছিল, আৰু কৃতকাৰ্যও হৈছিল। বাস্তৱ পথেদি বিপ্লৱী ধাৰা অনুসৰণ কৰিবলৈ মৃত্যুবাহিনী গঠন কৰিছিল। নৱেম্বৰ মাহৰ পৰা পিছলৈ আন্দোলনটোৰ ই এটা গতানুগতিক ধাৰা হৈ পৰিল।

আমাক দিয়া পুলিচৰ ৰিপৰ্ট মতে ৬খন ৰেলগাড়ী বগৰোৱা ঘটনা হৈছিল। তাৰে দুটা বেয়াকৈ হৈছিল আৰু ভালেমানৰ প্ৰাণনাশ হৈছিল। ৰঙিয়াৰ ওচৰত হাতীখলা দলঙত এখন মিলিটেৰী ফৌজ অনা গাড়ী বগৰোৱা হৈছিল। ১৯৪৪ চনৰ ফেব্ৰুৱাৰী মাহত শিৱ-সাগৰৰ ডাকুৱাত এখন যাত্ৰীবাহী ৰেলগাড়ী বগৰাইছিল। সৰু-

পথাৰত বগৰেৱাৰাখন মিলিটেৰীৰ বস্তুবাহী অনা গাড়ী আছিল। তদুপৰি টেলিগ্ৰাফ অফিচ, কলেজ আৰু ৰেলষ্টেচনৰ প্লেটফৰ্মত কুচাৰলৈ কিছুমান কেঁচা বোমা তৈয়াৰ কৰিছিল। এনে ধৰণৰ আন্দোলন মহাত্মা গান্ধীয়ে আগা-খাঁ প্ৰাসাদৰ পৰা ভাইচৰয়লৈ লিখা চিঠিৰ পৰাই বন্ধ হয়।

আন্দোলনটো জুইৰ ফিৰিঙতিৰে এটা আগ্নেয়গিৰিৰ দৰে উত্তপ্ত আছিল। চাৰি মাহৰ কাৰণে অসামৰিক প্ৰশাসন একেবাৰে অচল হৈ পৰিছিল আৰু অসমৰ পুলিচসকলক গণ্ডগোলীয়া অঞ্চলত খোৱাই চৰকাৰৰ কাম আছিল।

—ত্যাগবীৰ হেমবৰুৱাই লিখা "অমৃত বাজাৰ পত্ৰিকা'ৰ প্ৰথম স্বাধীনতা সংখ্যাত প্ৰকাশ হোৱা "১৯৪২ চনৰ গণবিপ্লৱ"ৰ একাংশ।

অসমত '৪২ চনৰ আগষ্ট মাহৰ পৰা আৰম্ভ হোৱা গণ-বিপ্লৱৰ কালত পুলিচ-মিলিটেৰীয়ে কৰা অমানুষিক অত্যাচাৰৰ তদন্ত কমিটিৰ ৰিপ'টৰ একাংশ তলত উদ্ধৃত কৰা হৈছে।

অমানুষিক অত্যাচাৰৰ কাহিনী

লাঠি প্ৰহাৰ হোৱা প্ৰায় ক্ষেত্ৰতেই পুলিচক অসম ৰাইফলচৰ সেনাই সহায় কৰিছিল। পাটকাৰী জৰিমনা আদিৰ ক্ষেত্ৰত স্বেচ্ছা-সেৱক বাহিনী শিবিৰত মিলিটাৰীয়ে জনসাধাৰণৰ ওপৰত অত্যাচাৰ কৰা দেখা গৈছিল। উত্তৰ লক্ষীমপুৰ নগৰ, চন্দ্ৰপুৰ, বিহপুৰীয়া, দিখৌঘাট, তেজপুৰ, বিহালী, বৰপেটা, শিৱসাগৰ, নিতাইপুখুৰী, টিয়ক, ডেৰগাঁও, গোলাঘাট, গোৱালপাৰা, নগাঁও, চতিয়াল আদি ঠাইত পুলিচে ব্যাপকভাৱে লাঠি ব্যৱহাৰ কৰিছিল। বহুত ঠাইত সমবেত হোৱা জনতাক ছত্ৰভঙ্গ দিয়াৰ বাবে সতৰ্ক কৰি দিয়া হোৱা নাছিল। য'ত সতৰ্ক কৰি দিছিল তাতো জনতাই ছত্ৰভঙ্গ দিয়াৰ পাছত খেদি খেদি বুটজোতা, বন্দুকৰ কুন্দা আদিৰে প্ৰহাৰ কৰিছিল। অনেকে সঙ্গীনৰ আঘাতো পাইছিল। উল্লেখযোগ্য যে এনে ক্ষেত্ৰত চন্দ্ৰপুৰত সিন্ধুৰাম খাউণ্ড আৰু সোমেশ্বৰ গগৈ সাংঘাতিক আঘাত-প্ৰাপ্ত হৈছিল। উত্তৰ লক্ষীমপুৰত কমেও ১৫ জন লোকে এইদৰে

আঘাত পাইছিল। তেওঁলোকৰ ভিতৰত মণিৰাম বৰা, পদ্মৰাম দলৈ, সুৰেশ চক্ৰৱৰ্তী আদি সাংঘাতিকভাৱে ঘূণীয়া হৈছিল। চতিয়াৰ ঘটনাত গুণাৰাম বৰা, ৰবীন্দ্ৰ বেনাৰ্জী, দীন শইকীয়া সঙিনৰ খোঁচ খাইছিল। মুঠতে প্ৰায় ৫০ জন লোকে সঙিনৰ আঘাত পাইছিল বুলি জনা গৈছিল। বিহপুৰীয়া আৰক্ষী চকীত উমাকান্ত ৰাজখোৱা আৰু বোসেশ্বৰ বৰাক ধৰাশায়ী কৰি অত্যাচাৰ কৰিছিল। যুৱকসকলক নখৰ তলত গজাল মাৰি শাস্তি দিছিল। আনকি দুজন ডেকাক একেলগে হাতকেৰেয়া নংগাই এঘণ্টা সময় এটা চাকিত ওলোমাই ৰাখিছিল। নিতাইপুখুৰী আৰু লক্ষীমপুৰত হালে হালে সাঙুৰি উত্তপ্ত বেলিৰ পিনে চাই থাকিব দিছিল। ভিমৌ শুকান পুখুৰীৰ হৰিনাথ গোহাঞিক বিচাৰি পুলিচ-মিলিটেৰীয়ে অতি জঘন্য-ভাৱে ঘৰ লুটপাত কৰি মানুহক মাৰধৰৰ উপৰিও গাভৰু ছোৱালীৰ ওপৰত বৰ্বৰ অত্যাচাৰ কৰে। লক্ষ্মী শৰ্মাক যেনেদৰে শুৱিয়াই ধৰাশায়ী কৰিছিল আৰু অজ্ঞান কৰিছিল সেইটো অতি মৰ্মান্তিক ঘটনা।

পুলিচৰ অত্যাচাৰৰ কথা বেবেজীয়া, বহা, চলপুৰ, বিহপুৰীয়া, পানীগাঁও, বংচাঙি, চৰিয়া, জঠমুণ্ডৰি, বিহগুৰি সৰভোগ, ধূপধৰা, তিয়ক, খৰিকটীয়া, নিতাই পুখুৰী, শুকান পুখুৰী, গোৱালপাৰা, ছয়-গাঁৱৰ লোকসকলে কেতিয়াও পাহৰিব নোৱাৰে। দেখা যায় প্ৰায় ঠাইতেই পুলিচে হিতাহিত বিবেচনা হেৰুৱাই অমানুষিক অত্যাচাৰ কৰিছিল। সঠিক হিচাপত উলিয়াব পৰা নগ'ল যদিও কমেও দুহেজাৰ লোকক অত্যাচাৰ কৰিছিল আৰু পাঁচশ জন লোক পুলিচৰ লাঠিৰ কোবত ঘূণীয়া হৈছিল।

লুটপাত

পুলিচে গৃহস্থৰ অনুপস্থিতিতো কোনো সাক্ষীবাদী নোহোৱাকৈ ঘৰ, কেতিয়াবা গাঁও ঘেৰাও কৰি খানাতালাচ কৰিছিল আৰু মূল্যবান বস্তু-পাতি লৈ গৈছিল। বিহপুৰীয়া, চলপুৰ, বংচাঙি, ভিৰ, বিশ্বনাথ, চতিয়া, জামুগুৰি, মণিতাৰী, দৰিপাৰা, বকো, ছয়গাঁও, সৰভোগ, সেকবাঁত, বহা, কেয়াবাৰী, বেবেজীয়া, হাতীচোং, গোলাঘাট, গোৱাল-পাৰা, তিয়ক আদিত লুটপাত কৰি মূল্যবান বস্তু পুলিচে লৈ গৈছিল।

চিহ্নকত মাগজোগ শইকীয়াৰ পৰিয়ালৰ কাপৰ পৰা কাণফুলি কাঢ়ি লৈ যায়। শিবসাগৰৰ শুকানপুখুৰীত এঘৰ মানুহৰ ভঁৰালঘৰৰ তলা-চাবি মাৰি এবছৰলৈ গৃহস্থক খোৱাৰ পৰা বিৰত কৰিছিল। এই লুটপাত সাধাৰণতে পাইকাৰী জৰিমনা আদায়ৰ সময়ত কৰিছিল। সাধাৰণতে টকা সামগ্ৰী বা গৰু-গাই জৰিমনাৰ বাবদ নিলে ৰচিদ দিয়াৰ নিয়ম নাছিল। কিছু ক্ষেত্ৰত যিমান বস্তু নিছিল তাৰ এক অংশৰহে ৰচিদ দিছিল।

পুলিচে বহুতকে ভয় দেখুৱাইছিল, যে টকা নিদিলে অধিক হাৰত পাইকাৰী জৰিমনা লগাব আৰু দোষী সাব্যস্ত কৰিব। হাঁহ, পাৰ, ছাগলী, শাক-পাছলি জোৰ কৰি লৈ গৈছিল। বৰহমপুৰ গাঁৱৰ মাজেদি মিলিটেৰী পাৰ হৈ যাওঁতে কুঁহিয়াৰ বাৰীত সোমাই ধ্বংস কৰিছিল। জিলাধিপতিক এই বিষয়ে জনোৱাতো কোনো প্ৰতিকাৰ নহ'ল বা ক্ষতিপূৰণ দিয়া নহ'ল। তেজপুৰতো তেনে উদাহৰণ আছিল। জাপিসজিয়া, এলাৰখোৱা, ঢলপুৰ, লোণপুৰীয়া, চয়াল, জামুগুৰি আদিত অনুষ্ঠিত স্বেচ্ছাসেৱক শিবিৰবোৰ ভাঙি পেলাইছিল বা জুই লগাই দি তাৰ বস্তু-বাহানি, পইচা-পাতি কাঢ়ি নিছিল। মুঠতে ১৯৪২ চনত ৰাজ্যখনত অৰাজকতা চলিছিল। সেই সময়ত থকা ছাদুল্লা চৰকাৰ অন্যায় কামৰ বাবে নিৰ্বিকাৰ আছিল।

বলবৎ শ্ৰম

১৯৪২ চনত মানুহক শ্ৰম কৰিবলৈ বাধ্য কৰা হৈছিল। ৰেল আলিৰ কাষৰ মানুহক কোনো পাৰিশ্ৰমিক নিদিয়াকৈ আৰু কাপোৰ আনকি জাৰৰ কাপোৰ নিদিয়াকৈ, লেম্প আদি যোগান নধৰাকৈ ৰাতি ৰেলআলিৰ পহৰা দিবলৈ বাধ্য কৰোৱা হৈছিল। টেলিগ্ৰাফৰ লাইন ৰক্ষাৰ বাবেও এনে ব্যৱস্থা লোৱা হৈছিল। কোনো লোকে এনে শ্ৰমৰ বাবে অমান্তি হলে তেওঁক জৰিমনা কৰা হৈছিল বা জেলত দিয়া হৈছিল। উদাহৰণস্বৰূপে গোৱালপাৰাৰ হৰিপ্ৰসাদ বসু, খগেন বসু, উমেশ চক্ৰবৰ্তী, ভৱানীপ্ৰসাদ সিংৰ নাম উল্লেখযোগ্য। এখন উৰাজাহাজ পৰাৰ বাবে চন্দ্ৰপুৰত পানী আনিবলৈ যোৱা লোকক ধৰি মিলিটাৰীৰ বাবে ঘৰ সজা কামত খটুৱাইছিল। নকবিলে টেলিগ্ৰাফৰ তাৰ বিচ্ছিন্ন কৰা বুলি সন্দেহ কৰি ছাত্ৰসকলক বেতেৰে কোবাই-

ছিল। খলিহামাৰীত এবছৰকাল বিনা পৰিশ্ৰমেৰে টেলিগ্ৰাফ তাঁৰ ৰক্ষাৰ বাবে মানুহ নিয়োগ কৰিছিল। চতিয়া, সৰভোগ, বেৰেঙীয়াত বাজেয়াপ্ত কৰা সম্পত্তি কঢ়িওৱাৰ কামত মানুহক বিনা পাৰিশ্ৰমিকেৰে লগাইছিল। ৰেললাইন উঠোৱা ঘটনা ঘটা অঞ্চলত ৰেল লাইনৰ দাঁতিৰ গাঁৱৰ ৰাইজক ৰেললাইন পহৰা দিয়া কাৰ্য কৰিবলৈ বাধ্য কৰা হৈছিল।

পাইকাৰী জৰিমনা

জনসাধাৰণক দমন কৰাৰ এটা সহজ উপায় হৈছে পাইকাৰী কৰ বহুৱা। চৰকাৰৰ সম্পত্তি যিমান ধ্বংস হয় তাৰ তুলনাত কৰৰ পৰিমাণ বেছিকৈ ধাৰ্য কৰা হৈছিল। কৰ ধাৰ্যৰ কোনো নীতি নাছিল। মহকুমাধিপতি, চব ডেপুটি কালেক্টৰ বা পুলিচ বিষয়াই যি ভাবে ধাৰ্য কৰে সিয়েই নিৰিখ আছিল। বহুত সময়ত অনেক বস্তুৰ বিনিময়ত সামান্য বস্তুৰ ৰচিদ দিছিল। শিৱসাগৰ, উত্তৰ লক্ষীমপুৰ, নগাঁৱত প্ৰকৃত বাজেয়াপ্ত কৰা সামগ্ৰীৰ ৰচিদ দিচাৰোতে প্ৰতিশোধমূলক ব্যৱস্থা লোৱা হৈছিল। সম্পত্তি বাজেয়াপ্ত কৰি নীলামত দিছিল। আনকি পিন্ধা কাপোৰ আৰু দৈনন্দিন ব্যৱহাৰ কৰা কাঁহীবাটিও এৰা নাছিল। জৰিমনা আদায় দিব নোৱাৰাসকলৰ ওপৰত যি অত্যাচাৰ কৰিছিল তাৰ ভয়ত মানুহে ঘৰ-দুৱাৰ এৰি পলাইছিল।

বকো আৰু ছয়গাঁৱত পাইকাৰী জৰিমনা আদায়ৰ বাবে মিলিটেৰী আৰু পুলিচৰ যৌথ অভিযান চলাত মানুহৰ সা-সম্পত্তি, তিৰোতাৰ অা-অলঙ্কাৰ, গৰু-ম'হ আদি লৈ আহিছিল। ডেপুটি কমিচনাৰে নিজে স্বীকাৰ কৰি কৈছিল—

"We went to every house, searched it seized cash wherever found or Properties I do not know how to make it more drastic or effective."

গৱৰ্ণমেণ্টে এইসবে লুণ্ঠন আৰু বাজেয়াপ্ত কৰা বস্তু লৈ আহি নীলামত দিয়াত গাঁৱৰ কোনো মানুহে ডাক দি সেই সম্পত্তি নোলোৱাত চৰকাৰী কৰ্মচাৰী, উপস্থিত বিষয়া বা আন্দোলনবিৰোধী মানুহে আধা মূল্যত কিনি লৈছিল। কোনো বিশেষ অপৰাধত অভিযুক্ত নোহোৱা মানুহৰ ঘৰতো পুলিচে শ্ৰেৰাও কৰি ঘৰ তালাচ

কৰিছিল আৰু কিছুক মাৰধৰ, কিছুক হেণ্ডকাপ দি কেৱল কঁকালতে জৰি লগাই নহয়, ডিঙিত গৰু বন্ধা দি বান্ধি টানি থানালৈ লৈ গৈছিল।

১৯৪২ চনৰ আগষ্টৰ পৰা ১৯৪৩ চনৰ ভিতৰত চৰকাৰী ৰিপ'ৰ্টমতে অসমৰ বিভিন্ন জিলাত লগোৱা জৰিমনা আৰু আদায়ৰ পৰিমাণ (টকাৰ হিচাপত) তলত দিয়া হ'ল ঃ

	লগোৱা কৰ
লক্ষীমপুৰ	১০,০০০
দৰং	৮২,২০০
নগাঁও	৯২,৫০০
কামৰূপ	৭২,৫১১
গোৱালপাৰা	২৬,৭৫০
শিৱসাগৰ	১,৩৭৭০০

চৰকাৰী ৰিপ'ৰ্টত যি পৰিমাণৰ টকা লগোৱা আৰু আদায় কৰা দেখুৱা হৈছে তাত কৰি সংখ্যা অনেক গুণ বেছি আছিল। কৰ লগোৱা টকাৰ লিষ্টৰ উপৰিও পুলিচে লিষ্ট নথকা কিছু সংখ্যক মানুহৰ পৰাও লিষ্টত থকা বুলি ভয় প্ৰদৰ্শন কৰি পাঁচ, দশ, বিশ টকা আদয় কৰিছিল। হাঁহ, ছাগলী, বঙালাও লৈ গৈছিল। যিমানৰ টকা আদায় কৰিছিল তাত কৰি কম টকা আদায় কৰা দেখুৱাইছিল।

ইয়াৰ বাহিৰে মানুহে অনেক প্ৰকাৰে লোকচানৰ সন্মুখীন হৈছিল। চাইকেলৰ মান্ন জকাটোহে মালিকে ঘূৰাই পাইছিল। যোৰহাটৰ টিয়ক অঞ্চলৰ কংগ্ৰেছ কৰ্মীসকলৰ প্ৰায়বোৰ চাইকেল নিয়াৰ পাছত পুলিচে ঘূৰাই নিদিলে। কিছুমানক বন্দুক ঘূৰাই দিয়া নহ'ল।

গ্ৰেপ্তাৰ আৰু দোষী সাব্যস্তকৰণ

চৰকাৰে প্ৰথমতে নেতাসকলক, তাৰপিছত কৰ্মীসকলক আৰু শেষত নিৰ্বিচাৰে মানুহক গ্ৰেপ্তাৰ কৰি আন্দোলনটো মষিমূৰ কৰিবলৈ চেষ্টা চলাইছিল। আনকি কমিউনিষ্টৰ যিসকলে জন আন্দোলনৰ ওপৰত বিশ্বাস থকাৰ কথা ঘোষণা কৰিছিল আৰু আন্দোলনৰ বিৰোধিতা কৰিছিল, তেওঁলোকৰ কিছুক গ্ৰেপ্তাৰ কৰিছিল। সন্দেহৰ ওপৰতে অনেকক গ্ৰেপ্তাৰ কৰিছিল আৰু অনেক দিনৰ কাৰণে নিৰাপত্তা বন্দী হিচাপে ৰাখিছিল। কংগ্ৰেছ সংগঠনৰ লগত জড়িত নথকা

লোকক গ্ৰেপ্তাৰ কৰি বিচাৰ নকৰাকৈ বিচৰাধীন হিচাপে জেলত ৰাখিছিল। সাক্ষী প্ৰমাণৰ অভাৱত কিছু লোকক এদিন জেল বা জৰিমনা কৰি এৰি দিছিল। অনেকক ডি-আই-আৰৰ ২৬ ধাৰা মতে নিৰাপত্তা বন্দী কৰি ৰাখিছিল। কিছুমান লোকক জেলৰ ম্যাদৰ শেষৰ পিছতো নিৰাপত্তা বন্দী হিচাপে জেলত ভৰাইছিল। শিৱসাগৰ আৰু উত্তৰ লক্ষীমপুৰতে এনে ঘটনা ব্যাপক আছিল। কিমান মানুহ আৰু মহিলাৰ ওপৰত বিভিন্ন ধৰণৰ অত্যাচাৰ চলাইছিল তাৰ প্ৰকৃত হিচাপ দিয়া টান। জৰিমনাৰ ক্ষেত্ৰত একোজন ব্যক্তিক নগাঁৱত এহেজাৰ টকালৈকে কৰিছিল। চৰকাৰী ৰিপৰ্ট মতে বহু সংখ্যক লোকৰ জৰিমনা আদায়ৰ কাৰণে সা-সম্পত্তি, মাটি-বাৰী, নিলামত দি জৰিমনাৰ টকা আদায় কৰিছিল। তেজপুৰৰ গহনচন্দ্ৰ গোস্বামীৰ ৭৯ বিঘা মাটি, কাঁহ-পিতল-তামৰ সকলো বাচন-বৰ্তন আৰু এগোহালি গৰু নিলাম কৰে। ঘৰ সন্ধানে তালাচী চলাই সত্ৰৰ বহুতো পুৰণি সম্পত্তি নষ্ট কৰে।

অসমৰ বিভিন্ন জিলাত গ্ৰেপ্তাৰৰ সংখ্যা, শাস্তি পোৱাৰ সংখ্যা, আৰু নিৰাপত্তা বন্দীৰ হিচাপ তলত দিয়া হ'ল ঃ

জিলা	গ্ৰেপ্তাৰৰ জিলা	শাস্তি পোৱাৰ সংখ্যা	নিৰাপত্তা বন্দী
গুৱাহাটী	৪০৭	১৩২	৩১
বৰপেটা	২৭০	৭০	২১
তেজপুৰ	৪২৫	১৫০	২১
মঙ্গলদৈ	১১	১১	—
উত্তৰ লক্ষীমপুৰ	৯০	৮৪	৬
গোলাঘাট	৩৫০	৫০	২১
যোৰহাট	২৪০	৬৫	৩৮
শিৱসাগৰ	২৯৫	১৮৯	৪৩
ডিব্ৰুগড়	৫০	৪৩	৭
নগাঁও	১৬০০	১২০০	৬০
গোৱালপাৰা	৬০	৫০	১১
শ্বিলং	৫	২	১
ধুবুৰী	৪০	৩০	৫

ইয়াত পুলিচ মিলিটাৰীয়ে ধৰি আটক কৰি মাৰ-কিল কৰি এৰি দিয়া ইত্যাদি বহু সংখ্যকৰ নাম ইয়াৰ ভিতৰত পৰা। অসমৰ বিভিন্ন জিলাত এহেজাৰৰো অধিক ডেকা আৰু মহিলা কৰ্মীয়ে গ্ৰেপ্তাৰ নহৈ কাম কৰিছিল গুপ্ত ভাবে, বিভিন্ন প্ৰকাৰে।

গুলিবৰ্ষণ

পুলিচৰ দ্বাৰা নগাঁও, তেজপুৰ, গোৱালপাৰা আৰু বৰপেটা মহকুমাত ব্যাপকভাবে গুলি চলোৱা হৈছিল। আনকি মহিলা, সৰু ছোৱালী, এগৰাকী গৰ্ভৱতী তিৰোতা আৰু গ'ৰাৰ ওপৰতো গুলি চলোৱা হৈছিল। ঢেকিয়াজুলিৰ বাটত মৰা শ কেইবাদিনলৈ পৰি থকা দেখা গৈছিল। গুলি চালনাত আতঙ্কিত হৈ দৌৰ মৰা মানুহকো বনৰীয়া পহু খেদি মৰা দি মাৰিছিল। বিশেষ কৰি পুলিচে নিযুক্ত কৰা গুণ্ডাৰ দ্বাৰা মাৰ-ধৰ কৰা হৈছিল। বৰপেটাত তুলাৰাম কেওঁট নামৰ এজন পুলিচ বিষয়াই নিৰ্বিকাৰে বাটত গুলি কৰি আনন্দোল্লাস কৰা দেখা গৈছিল। গোৱালপাৰাৰ নিধানু ৰাজবংশীক মহকুমাধিপতি শ্ৰীচন্দ্ৰ কুমাৰ ভুঞাৰ চকুৰ আগতে ঘৰৰ ভিতৰত নিশা বন্দুকেৰে গুলিয়াই থকা সৰকা কৰি হত্যা আৰু সঙ্গিনেৰে আধামৰা অৱস্থাত খুচি খুচি মৰাটো অতি মৰ্মস্পৰ্শী আছিল।

বিভিন্ন জিলাত হোৱা গুলি চালনাত মৃত্যু আৰু আঘাত হোৱাৰ সংখ্যা—

ঢেকিয়াজুলি

১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে চতিয়া, বৰবিল, নাহৰবাৰী জহামাৰী আদি গাঁৱৰ ৫।৬ হেজাৰ লোক সমবেত হৈ ঢেকিয়াজুলি পুলিচ থানাত জাতীয় পতাকা তুলিবলৈ আহিছিল। থানাৰ ভাৰপ্ৰাপ্ত বিষয়াই এই কথা শুনি সশস্ত্ৰ পুলিচ মজুত কৰি ৰাখিছিল। পুলিচ বিষয়াই সমদল যাত্ৰাৰ উদ্দেশ্যে জানিব পাৰি প্ৰথমেই লাঠি চালনা কৰিবলৈ হুকুম দিয়ে। হুলস্থূলৰ মাজতে গোলোক নেওগ আৰু মনবৰ নাথ পুলিচ থানাৰ চৌহদলৈ কেনেবাকৈ সোমাই থানাৰ ওপৰত জাতীয় পতাকা উত্তোলন কৰিলে। পুলিচে তৎক্ষণাত গুলি চালনা কৰি মনবৰ নাথক আঘাত কৰি বাটলৈ উলিয়াই পেলাই দিলে।

নগৰে গোলোক নেওগক মাকে গুলিৰ পৰা ৰক্ষা কৰাৰ উদ্দেশ্যে আবৰি ধৰোতে এটা গুলি মাকৰ গাতো লগাত বাগৰি পৰিল। মহীৰাম কোঁচ নামৰ এজনে থানাৰ চৌহদৰ ভিতৰত পৰি থকা পতাকাখন আনিবলৈ যাওঁতে তেওঁকো গুলিয়াই নিহত কৰা হ'ল। নিৰ্বিচাৰে গুলি কৰিবলৈ ধৰাত মানুহ যেনিয়ে তেনিয়ে পলাবলৈ ধৰিলে। থানাৰ পূবফালে এখন দলং আছিল আৰু সেই বাটটোৱেই একমাত্র খোলা আছিল। পলাই যোৱা মানুহবিলাকক সেই দলংখনৰ তলত লুকাই থকা ভেৰেঙীয়া ময়মনচিঙীয়া কিছুমানে অমানুষিকভাবে মাৰধৰ কৰে মুঠতে সেই সময়ত ২৯ জাই গুলি এৰা হৈছিল।

সেইদিনা মৃত্যু হোৱা লোকসকল হ'ল :

(১) মনবৰ নাথ—আনিবাটত মৰিল। (২) মণি কছাৰী—থানাৰ কাষতে গুলিৰ আঘাত পায়। (৩) ৰতন কছাৰী—এগৰাকী লোকক লাঠিৰ প্রহাৰৰ পৰা ৰক্ষা কৰোতে। (৪) তিলেশ্বৰী কোঁচ, গুলি লাগে কিন্তু নন্দিৰাম ভূঞাই বোকোচাত কৰি লৈ যাওঁতে ময়নমচিঙীয়াই মাৰধৰ কৰে। (৪) নুমলি নাথ, পুতেকক বচাবলৈ আবৰি ধৰোতে গুলি লাগে। (৬) মহিৰাম কোঁচ—পতাকাখন থানাৰ চৌহদৰ পৰা আনিবলৈ যাওঁতে গুলি লাগে। (৭) মঙল কুৰ্মী—থানাৰ পৰা এমাইলমান দূৰৈত ৪ দিনৰ মূৰত মৃত অৱস্থাত পোৱা যায়। (৮) খহিলী নাথ। (৯) দয়াল পানিকা। (১০) সোমনাথ চুতীয়া। (১১) এজন সাধু (১২) এজন ভিক্ষাৰী (৩) লেৰেলা কছাৰী।

গুলিৰ আঘাত পোৱা লোকসকল হৈছে :

(১) মণিৰাম কছাৰী (২) কণ্ঠা কছাৰী (৩) ভোলা নাথ (৪) ভোগী নাথিনী (৫) কলীদৈ নাথিনী (৬) মেদিৰ নাথিনী (৭) গোলাপী নাথিনী (৮) তুলাই নাথিনী (৯) চন্দ্ৰনাথ (১০) দখিকী নাথিনী (১১) হেবাং ৰঙো (১২) ৰাজেন্দ্ৰপ্ৰসাদ বসুমতাৰী (১৩) ভোগাই নাথ (১৪) গোপী কোঁচ (১৫) জয়ৰাম নাথ (১৬) কমলাকান্ত দাস (১৭) মায়া-কিশোৰ ঠাকুৰীয়া (১৮) নবেশ্বৰ পিল্লন (১৯) গোবৰধন দাস (২০১) দয়াৰাম নাথ (২১) মইনা কছাৰী (২২) ৰামচৰণ গোৱাল (২৩) ৰাম ভূঞা।

[এই তালিকাত দিয়াতকৈ আৰু অধিক লোক হতাহত হৈছিল। কিন্তু সকলোৰে নাম ঠিকনা দিয়া কঠিন হ'ল কাৰণ ঠাই লৈ অনু- সন্ধান কৰাৰ সুবিধা নহ'ল]

বৰহমপুৰৰ গুলি চালনা :

১৯৪২ চনৰ ১৮ চেপ্তেম্বৰ তাৰিখে বৰহমপুৰৰ ৰাইজে পুলিচৰ হাতৰ পৰা শান্তিসেনা শিবিৰটো কাঢ়ি ললে আৰু দিনটো উদ্‌যাপনৰ কাৰণে এটা ভোজ পাতিলে। ভোজ খোৱাৰ ঠিক সময়তেই মিলিটেৰীৰ দল এটা উপস্থিত হ'লহি। বিশেষ মেজিষ্ট্ৰেট মিঃ ডি এইচ কজে আই-চি-এছৰ প্ৰতাপ চন্দ্ৰ শৰ্মা বি-এলদেৱে বুজাই কলে যে ৰাইজে প্ৰসাদ খোৱা শেষ হলেই তাৰপৰা শান্তিপূৰ্ণভাৱে সকলো গুচি যাব। মিঃ কজেই কিছু সময় কেপ্তেইন ক্লিনিচৰ লগত কথা পতাৰ পিছ- তেই প্ৰতাপ শৰ্মাকে ধৰি এঘাৰজনক গ্ৰেপ্তাৰ কৰি এখন মিলিটেৰী ট্ৰেনত তুলি আঁতৰালৈ লৈ গ'ল। তাৰ পিছতে তাত থকা মানুহৰ ওপৰত গোৰ লাঠিৰে প্ৰহাৰ কৰিবলৈ ধৰিলে, প্ৰসাদ লণ্ড-ভণ্ড কৰিলে। মানুহৰ মন ক্ষুণ্ণ হ'ল। তেওঁলোকে 'বন্দে মাতৰম' ধ্বনি তুলিলে।

বন্দে মাতৰম ধ্বনি শুনি ওচৰৰ গাঁৱৰ পৰা মানুহ আহিবলৈ ধৰিলে। শ্ৰীমতী বজ্ৰাবালাই হাতত জাতীয় পতাকা লৈ নেতৃত্ব বহন কৰিছিল, লগত আছিল মাক ভোগেশ্বৰী ফুকননী। মিলিটেৰীয়ে সমূহটোক বাধা দিবৰ কাৰণে আগবাঢ়ি গ'ল। ভীষণ টনা-আঁজোৰা কৰি বজ্ৰাবালাৰ পৰা পতাকাখন মিঃ ক্লিনিচে কাঢ়ি লৈ জনতাৰ ওপৰত বিভৎসভাৱে উলিয়াই গুলি চলাবলৈ ধৰিলে। গুলি চালনাত নিহত আৰু আহত হোৱা সকলৰ নাম তলত দিয়া হ'ল :

নিহতসকল : (১) লক্ষীকান্ত হাজৰিকা (২) ঠগীৰাম সুত (৩) বলোৰাম সুত (৪) ভোগেশ্বৰী ফুকননী।

আহতসকল : (১) হলিৰাম হাজৰিকা (২) চকিৰাম নাথ (৩) ভয়ধৰ বৰুৱা (৪) ভেলেউৰাম নাথ।

[সাধাৰণ আঘাত পোৱা লোকৰ সংখ্যা ৯২ জনমান হ'ব বুলি চিকিৎসক দলে ৰিপৰ্ট দিছিল।]

বেবেজীয়াত গুলি চালনা :

১৯৪২ চনৰ ২৫ আগষ্ট তাৰিখে ৰাতি বেলমোৰা অটিমাৰি লোকে বেবেজিয়াৰ দলঙৰ কিছুমান কাঠৰ পাত গুৰি পেলায়।

পিছদিনা দুপৰীয়া এদল পুলিচ আৰু মিলিটেৰীয়ে সেই গাঁৱত উপস্থিত হৈ আক্ৰমণ কৰিলে। এই আক্ৰমণে অনেকৰ ঘৰৰ বেৰা-দুৱাৰ ধ্বংস কৰিলে আৰু বাসিন্দাসকলৰ ওপৰত অমানুষিক অত্যাচাৰ চলালে। আনকি এটা মিলিটেৰীয়ে বন্দুকৰ আগত থকা সজিনেৰে বেৰাত খোঁচ দিওঁতে ভকত দাস নামৰ গিৰিহঁতৰ পেটত সুমায়। শেহত প্ৰায় চাৰিশ লোকক গ্ৰেপ্তাৰ কৰে। আনকি তিনি দিনৰ আগতে প্ৰসৱ হোৱা ৰোহিণী নামৰ এগৰাকী মহিলায়ো এই গ্ৰেপ্তাৰৰ পৰা হাত সাৰিব নোৱাৰিলে। আনকি পঞ্চানন শৰ্মাৰ ৮০ বছৰীয়া বৃদ্ধ শয্যাশায়ী ককায়েককো এৰি নিদিলে। শুদা গাৰে পথাৰত কাম কৰি থকা লোকক গা ঢাকি কাপোৰ এখন লবলৈও সময় নিদিলে। এইদৰেই সকলোকে পশুৰ দৰে খেদি নিয়াৰ দৰে নগৰলৈ লৈ গ'ল। মৰ্মভেদ কাহিনী এই যে প্ৰসৱ বেদনাক্লিষ্ট বলোৰাম শৰ্মাৰ পত্নীক খেদি লৈ যাওঁতে তেওঁৰ আনৰ লগত সমানে যাব নোৱাৰাৰ কাৰণে অপমান সহ্য কৰিব লগাত পৰিছিল। পাঁচ মাইল বাট এইদৰে আকপাতি নিয়াৰ পিছত বীভ দলঙৰ কাষত তাৰে ৯৮ জনক এৰি দিয়ে। সেইদিনা গোটেই দিনে-নিশাই এটা খুদকণ আৰু এটোপা পানী নিদিয়াকৈয়ে তেওঁলোকক আটক কৰি থৈছিল। অনেক অনুৰোধ কৰা সত্ত্বেও উপায়ুক্ত মিঃ ৰাধাৰঞ্জন ধৰে কোনো সহায় কৰিবলৈ অমান্তি হৈছিল। পিছদিনা ইয়াৰে ত্ৰিশজনক জেললৈ পঠায় বাকীসকলক এৰি দিয়ে।

এই অমানুষিক অত্যাচাৰৰ বাতৰি পাই পিছদিনা ওচৰৰ গাঁৱৰ অনেক লোক নগৰলৈ সোঁত কৰলৈ ধৰিলে। এই নিৰপৰাধী শান্তি-প্ৰিয় লোকসকলৰ ওপৰতো দলঙৰ তলত লুকাই থাকি মিলিটেৰীয়ে গুলি চলালে। ফলত দুজন লোকৰ থিতাতে মৃত্যু হ'ল আৰু ৬ জন লোক আহত হ'ল। সেইসকল হৈছে ঃ

মৃতকসকল (১) বলাই কোঁচ (জুমাৰ গাঁও), (২) হেমকান্ত বৰুৱা (হাতীগড়)।

আহতসকল (১) প্ৰদীপ শইকীয়া (ছাত্ৰ), (২) ৰাজেন্দ্ৰনাথ কলিতা, (৩) নাহৰ নাথ (৪) মোহনচন্দ্ৰ নাথ (৫) ৰূপাইৰাম ডেকা (৬) ফাজিসিং ৰাজবংশী (পিছত যক্ষ্মাৰোগত ভুগি ১৯৪৬ চনত মৃত্যু হয়)।

জোঙালবলহু গড়ৰ গুলি চালনা

বেৰেজিয়াৰ নৃশংস গুলিচালনাৰ কথা জিলাখনৰ চাৰিওফালে বিয়পি পৰিল আৰু সকলোৰে মাজত প্ৰচাৰ হ'ল যে নগাঁৱলৈ আৰু মিলিটেৰী অনাৰ ব্যৱস্থা চলিছে যাতে কংগ্ৰেছৰ আন্দোলনৰ মষিমৰ কৰিব পাৰি। এনে বাতৰি শুনি সকলো আতঙ্কিত হ'ল আৰু বিমোৰত পৰিল। আগন্তুক বিপদৰ পৰা হাত সৰাৰ উদ্দেশ্যে যাতে গুৱাহাটীৰ পৰা অত্যাধিক মিলিটেৰী আনিব নোৱাৰে তাৰ বাবে নগাঁৱৰ পৰা ১৬ মাইল পশ্চিমত নগাঁও-গুৱাহাটী ৰাস্তাৰ জোঙালবলহু গড়ৰ ওচৰত দলংখন ভাঙি দিয়াৰ বাবে ৰাইজ সমবেত হ'ল। তেওঁলোক কামত লাগি থাকোতেই কিছুমান মিলিটেৰী তাত উপস্থিত হ'লহি আৰু কোনো জাননী নিদিয়াকৈ তেওঁলোকৰ ওপৰত গুলি চলোৱাৰ ফলত খিতাতে দুজনৰ মৃত্যু হ'ল। তেওঁলোক হৈছে—(১) হেমোৰাম পাতৰ (বাৰপুজীয়া)। (২) গুণাভিৰাম বৰদলৈ (দৰগীয়াগাঁও)। আৰু আহত লোকসকল হৈছে—(১) গোলোক চন্দ্ৰ ভুঞা (২) বনাই লালুং (৩) মোহন চন্দ্ৰ ডেকা।

বাৰপুজীয়াৰ গুলি চালনা

জোঙালবলহু গড়ৰ ঘটনাৰ দিনাই নিশালৈ চৰকাৰী নথি-পত্ৰৰ সৈতে বহাৰ চাৰ্কোল অফিচটো অগ্নি সংযোগ কৰি ভস্মীভূত কৰে। এই কাৰ্যটি জুইত ঘিঁউ চলাৰ দৰে হ'ল। পুলিচে বাৰপুজীয়াৰ মানুহকে এই কাৰ্যত লিপ্ত থকা বুলি ভাবিলে। ২৬ আগষ্টৰ নিশা এজন পুলিচ উপ-অধীক্ষকৰ তত্ত্বাৱধানত গাঁওখন আক্ৰমণ কৰে।

গাঁওখনলৈ বাহিৰৰ পৰা কোনো অনিষ্ট চিন্তাকাৰী লোক যোৱা বন্ধ কৰিবৰ কাৰণে এটা শান্তিসেনাৰ দল গঠন কৰিছিল আৰু এই দলে গাঁওখনৰ প্ৰধান বাটত অনবৰত পহৰা দি আছিল। সেই ৰাতি তিলক ডেকাৰ ওপৰত পহৰা দিয়াৰ ভাৰ পৰিছিল। নিশা এককাম বজাত গাঁও আক্ৰমণ কৰা মিলিটেৰীৰ দল এটা উপস্থিত হ'ল। তিলক ডেকাই তেওঁলোকক প্ৰত্যাহ্বান জনালে। তেওঁক তাতে গুলি কৰি হত্যা কৰা হ'ল। তেওঁৰ মূৰটো চেঁচেলা হৈ যোৱা অৱস্থাত আৰু গাত অনেক সঙ্গীনেৰে খোচা দাগ পোৱা গৈছিল। এনেদৰেই

এক্তা কৰ্তব্যৰত অমায়িক ভেকাৰ গৌৰৱময় জীৱনৰ অৱসান ঘটিল। বাৰপূজীয়াত আৰম্ভ হ'ল পুলিচ মিলিটেৰীৰ অত্যাচাৰ।

১৯৪২ চনৰ গণ-বিপ্লৱ আৰু অসমৰ জীয়ৰী-বোৱাৰীৰ অৱদান

১৯২১, ১৯৩০, ১৯৩২ চনৰ আন্দোলনৰ দৰেই অসমৰ জীয়ৰী, বোৱাৰী সকলো আগবাঢ়ি আহিছিল। সভা-সমিতি, শোভাযাত্ৰা, থানাত পতাকা উত্তোলন আদি কাৰ্যত অংশভাগ লৈছিল। থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে গহপুৰত কনকলতা বৰুৱা আৰু ঢেকিয়াজুলিত থুলেশ্বৰী নাথ, তিলেশ্বৰী কোঁচ, নুমলী নাথ, খুহুলী নাথ পুলিচৰ গুলিত নিহত হয়। তাৰ উপৰি বহুতো আহত হৈছিল। বেবেজিয়াত ভোগেশ্বৰী ফুকননীকো পুলিচে গুলিয়াই হত্যা কৰিছিল।

পাটকাৰি জৰিমনা আদায় আৰু বিশেষকৈ গুপ্ত হৈ থকা কৰ্মীসকলক আশ্ৰয় দিয়াৰ সন্দেহত পুলিচৰ অমানুষিক অত্যাচাৰৰ বলি হৈছিল অনেক। বিশেষকৈ ৰাজনৈতিক কৰ্মীসকলৰ পত্নী, জীয়ৰী আদিৰ ওপৰত অত্যাচাৰ বেছি হৈছিল।

বেবেজিয়াৰ যশোদা কেওঁটনী, সুমলা সন্দিকৈ, আৰু বলোৰাম শৰ্মাৰ পত্নী। উত্তৰ লক্ষীমপুৰত—বুদ্ধেশ্বৰী, সোণেশ্বৰী, নন্দেশ্বৰী ফুকন, লাজা নেওগনী, লোকেশ্বৰী চুতীয়া ইত্যাদি। নগাঁৱৰ—ৰোহিণী দেৱী, স্ফটিক চন্দ্ৰ ভূঞাৰ পত্নী আৰু জীয়ৰী, টঙ্কেশ্বৰী বৰা। তিয়কৰ—ৰাজেশ্বৰী, ননীবালা শইকীয়া, উমাকান্তি ৰায়বৰুৱা, গোলাঘাটৰ—বেলিয়া চুতীয়া, মাণিৰাম বৰাৰ জীয়েক আৰু বোৱাৰীয়েক। তেজপুৰৰ তনুৰাম শইকীয়াৰ পত্নী, দণ্ডিৰামৰ পত্নী, সোমেশ্বৰী কছাৰী, বেণুধৰ হাজৰিকাৰ পত্নী। বৰপেটা-বজালীৰ—চন্দ্ৰপ্ৰভা শইকীয়ানী আৰু ভুবনেশ্বৰী দেৱী।

নগাঁৱত এনে অত্যাচাৰ প্ৰতি দিনেই সাধাৰণ ঘটনাৰ দৰে হৈ পৰিছিল। এনে অত্যাচাৰ-নিৰ্যাতনৰ বাহিৰেও ধৰ্ষিতা হোৱা বোৱাৰী জীয়াৰীৰ সংখ্যা নগাঁৱতে আটাইতকৈ বেছি আছিল। ৭০ গৰাকীৰ নাম পোৱা গৈছিল। আত্মসন্মান আৰু লোকনিন্দাৰ পৰা হাত সাৰিবলৈ এনে অত্যাচাৰৰ গৰাহত পৰা অনেক মহিলাই নাম প্ৰকাশ কৰা নাছিল। গোলাঘাটত আত্মসন্মান ৰক্ষাৰ্থে মহিলাসকলক দেশাৰ,

লাঠিচালনা ইত্যাদি প্ৰশিক্ষণ দিছিল শংকৰ বৰুৱাই, তেওঁৰ পত্নী অন্নদা বৰুৱাই অশেষ নিৰ্যাতন ভোগ কৰিব লগীয়া হৈছিল।

অসমৰ ৰণথলি :

(১)

চৰকাৰী ৰিপৰ্টতো স্বীকাৰ কৰা হৈছিল যে, আন্দোলন আৰম্ভণিৰ পৰা বহুদিনলৈকে চতিয়া, জামুগুৰি আৰু গহপুৰত প্ৰজাৰাজ চলিছিল। আনকি পুলিচ, মিলিটেৰীও তালৈকে যাবলৈ ভয় কৰিছিল। অসমৰ প্ৰধান-মন্ত্ৰী ছাদুল্লা চাহাবে এচেম্বলীত চতিয়াক দৰং জিলাৰ 'প্লেগ' মহামাৰী অঞ্চল বুলি আখ্যা দিছিল। সংগ্ৰামী সকলে পাঁচটা বন্দুক হস্তগত কৰিবলৈ সক্ষম হৈছিল আৰু সকলো চৰকাৰী ঘৰ, অফিচ, প্ৰধান পথৰ দলং ধ্বংস কৰা সিদ্ধান্ত কৰি বহুতো চৰকাৰী ঘৰ, অফিচ ভস্মীভূত কৰে। ভ্ৰাম্যমান পুলিচ আৰু পুলিচক বাতৰি দিয়া লোকৰো ঘৰ পোৰা হয়। মঙলদৈৰ পৰা জীউৰাম ডেকাই মঙলদৈৰ ডিক্টেটৰক নিয়মিত সংগ্ৰামৰ বাতৰি দি বুলেটিন প্ৰকাশ কৰিছিল। পুলিচ, মিলিটেৰীৰ যৌথ অভিযান আৰম্ভ হ'ল। পাইকাৰী জৰিমনা আদায় আৰু গুপ্ত কৰ্মী, ছুৰি-বন্দুক বিচৰাৰ অজুহাতত অত্যাচাৰ উৎপীড়নত সংগ্ৰামী গাঁওবিলাক জৰ্জৰিত হৈ পৰিল। শেষ পৰো অধিক গুপ্ত হৈ থকা কৰ্মীক গ্ৰেপ্তাৰ—জ্যোতিপ্ৰসাদ আগৰৱালাই স্বাস্থ্যজনিত কাৰণত তেজপুৰ ত্যাগ কৰাত গহনচন্দ্ৰ গোস্বামী প্ৰমুখ্যে প্ৰধান গুপ্ত আন্দোলন নেতাৰ গ্ৰেপ্তাৰত দৰং জিলাত আন্দোলনৰ গতি কমি আহিছিল। কিন্তু চতিয়া, বিহালী, জমুগুৰি অঞ্চলত আন্দোলন হেগা-চোৰোকাকৈ হ'লেও ১৯৪৫ চনৰ শেষভাগলৈকে চলি আছিল।

(২)

উত্তৰ কামৰূপৰ ছিহু, পাঠশালা, বজালী, ছাতাহ এই গোটেই অঞ্চল বিলাকত প্ৰায় তিনিমাহ ধৰি সমান্তৰাল গৱৰ্ণমেণ্ট চলিছিল। গাঁৱে গাঁৱে শান্তিসেনাই 'ৰাইজৰ' শান্তি ৰক্ষা কৰা, পঞ্চায়তে গাঁৱলীয়া মা-মোকৰ্দ্দমা আদি বিচাৰ, গাঁও পহৰা, গাঁৱৰ মানুহে বিনা অনুমতিত ধান, আদি বস্তু বেচা বন্ধ, মিলিটেৰী যোগান বন্ধ, মহকুমাধিপতি

নিয়োগ কৰি আদালত, জেল আদি প্ৰতিষ্ঠা কৰা হৈছিল। প্ৰায় তিনিমাহ খাজনা তুলিবলৈ মৌজাদাৰে, মহৰি, টেকেলা যাবলৈ সাহস কৰা নাছিল। আনকি বাতৰি অনা-নিয়াৰ কাৰণে নিয়মিতভাৱে ডাকোৱালো নিয়োগ কৰা হৈছিল। বা-বাতৰি প্ৰচাৰৰ কাৰণে নিয়মিতভাৱে লিথু কৰি সংবাদপত্ৰ উলিওৱাইছিল। মিলিটেৰী যোগান বন্ধ কৰিবৰ কাৰণে শান্তিসেনাৰ দ্বাৰা বাটত বন্দী চকী স্থাপন কৰা হৈছিল। মানুহৰ অতি আৱশ্যকীয় নিমখ, কেৰাচিন তেল যোগানৰ ব্যৱস্থা কৰা হৈছিল। পুলিচ-মিলিটেৰীৰ যৌথ অভিযানৰ উৎপীড়নত ৰাইজে মুৰ দাঙিব পৰা নাছিল। কিন্তু সাহসেৰে মানুহে এই অত্যাচাৰ-উৎপীড়নৰ মাজেদি আন্দোলন পৰিচালনা কৰি গৈছিল।

জয়প্ৰকাশ নাৰায়ণ আৰু বিয়াল্লিছৰ বিপ্লৱ :

গান্ধীজীয়ে অনশনৰ পাছত আন্দোলন পৰিচালনা কৰি থকা নেতৃবৃন্দৰ মাজত আদৰ্শ আৰু নীতিগত পাৰ্থক্যই দেখা দিয়ে। গান্ধী আদৰ্শবাদী সকলে গুপ্তভাৱে আন্দোলন পৰিচালনা কৰা পথ পৰিহাৰ কৰে। আনহাতে সমাজবাদী নেতা জয়প্ৰকাশ নাৰায়ণে জেলৰ পৰা পলাই অন্য সমাজবাদী নেতা অৰুণা আছফ আলী প্ৰমুখ্যে নেতাসকলৰ সৈতে কলিকতাত গুপ্ত আন্দোলনৰ কেন্দ্ৰ স্থাপন কৰে। এওঁলোক 'আগাষ্টীয়া' নামে জনাজাত। কলিকতাৰ পৰা অসমকে আদি কৰি বিভিন্ন প্ৰদেশৰ গুপ্ত আন্দোলনকাৰী নেতাসকলৰ লগত যোগাযোগ কৰি পুনৰ আন্দোলন সক্ৰিয় কৰিবৰ কাৰণে প্ৰচেষ্টা চলাইছিল ।

অৰুণা আছফ আলী ছদ্মবেশ ধৰি অসমলৈ আহিছিল। সেই সময়ত গুপ্ত হৈ থকা শঙ্কৰ বৰুৱা প্ৰমুখ্যে নেতা আদিৰ লগত যোগাযোগ কৰিছিল, পুনৰ অসমত আন্দোলন সক্ৰিয় আৰু আনহাতে আজাদ হিন্দ ফৌজৰ লগত সম্বন্ধ স্থাপনৰ কাৰণে। কিন্তু ১৯৪৫ চনত যুদ্ধত মিত্ৰপক্ষ জয়ী হোৱাত ৰাজনৈতিক পৰিস্থিতিৰ আমুল পৰিবৰ্তন ঘটে। এনে ৰাজনৈতিক ঘাত-প্ৰতিঘাতৰ মাজেদি ১৯৪৭ চনৰ তিনি জুনত ভাৰতবৰ্ষ বিভাজন হৈ হিন্দুস্তান আৰু পাকিস্তান দুখন ডমিনিয়ন ৰাষ্ট্ৰ গঠন হয়, আৰু ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই বিপুল সমাৰোহেৰে স্বাধীনতা উৎসৱ পালন কৰে।

১৯৫০ চনৰ ২৬ জানুৱাৰীত গণ পৰিষদে ৰচনা কৰা স্বাধীন ভাৰতৰ সংবিধান গ্ৰহণ আৰু ভাৰত এখন গণতন্ত্ৰ ৰাষ্ট্ৰ হিচাপে ঘোষিত হয়।

জননায়ক জয়প্ৰকাশে ৪২ চনৰ বিপ্লৱৰ ব্যৰ্থতাৰ বিষয়ে তলত দিয়া ধৰণৰ মন্তব্য প্ৰকাশ কৰিছিল।

জননেতা জয়প্ৰকাশৰ ১৯৪২ চনৰ বিপ্লৱৰ বিষয়ে মন্তব্য :

১৯৪২ চনৰ গণ-বিপ্লৱৰ বিষয়ে জয়প্ৰকাশ নাৰায়ণে কৈছিল যে গণবিপ্লৱৰ পাছত কোনো সু-শৃঙ্খলিত কাৰ্যদক্ষ অনুষ্ঠান নাছিল, যি গণ-বিপ্লৱক বাস্তৱত ৰূপায়িত কৰিবলৈ সক্ষম। কংগ্ৰেছ অনুষ্ঠান যদিও আকাৰত ডাঙৰ আছিল কিন্তু ই গণ-বিপ্লৱৰ পাছত তাক বাস্তৱত পৰিণত কৰিবলৈ যি বিৰাট সংগঠনৰ কামৰ দায়িত্ব আছিছিল তাৰ কাৰণে অনুষ্ঠান প্ৰস্তুত নাছিল। বহু কংগ্ৰেছ নেতাই এনে গণ-বিপ্লৱ যে হ'ব অনুভৱ কৰিব পৰা নাছিল। বহুতো কংগ্ৰেছ নেতাৰ গণ-বিপ্লৱৰ ক্ষণতো মানসিক পৰিবৰ্তন হৈছিল। ভাৰতৰ এই শেষ স্বাধীনতা সংগ্ৰামত মহাত্মা গান্ধী, ৰাজেন্দ্ৰপ্ৰসাদ, নেহৰুজী, আজাদ, পেটেলৰ যি দৃঢ় মনোভাৱ আছিল, বহুতো কেংগ্ৰেছ নেতাৰ সেই মনোভাৱৰ অভাৱ দেখা গৈছিল।

প্ৰথম পৰ্যায়ৰ গণ-বিপ্লৱৰ পাছত দ্বিতীয় পৰ্যায়ৰ কোনো কাৰ্য-সূচী জনতাৰ আগত দাঙি ধৰা হোৱা নাছিল। জনতাই প্ৰথম পৰ্যায়ত বৃটিছ শাসন বহু অঞ্চলত অৱসান ঘটাই কিছু কিছু অঞ্চলত যদিও সমান্তৰাল চৰকাৰ প্ৰতিষ্ঠা কৰিছিল; কিন্তু পাছত দ্বিতীয় পৰ্যায়ৰ গণ-বিপ্লৱৰ কাৰ্যসূচী দাঙি নধৰাত জনতাই ভাবিছিল যে, বৃটিছ শাসনৰ অৱসান ঘটোৱাই তেওঁলোকৰ কাম। গতিকে নিজ নিজ অঞ্চলত বৃটিছ শাসনৰ অৱসান ঘটাই তেওঁলোক নীৰৱ হৈ পৰিছিল। আমি কোনো কাৰ্যসূচী দাঙি ধৰিব নোৱাৰাটো আমাৰেই দোষ। গতিকে গণ-বিপ্লৱত যদিও বহু অঞ্চলত বৃটিছ ৰাজ সমাপ্ত হৈছিল কিন্তু নেতৃত্বৰ অভাৱত বৃটিছ সামৰিক বাহিনী অহাৰ আগতে সেই অঞ্চলবিলাকত জনতাৰ আন্দোলন নিস্তেজ হৈ পৰিছিল।

বিপ্লৱ মানে কেৱল ধ্বংসাত্মক কাৰ্যকেই নুবুজায়, সংগঠনৰ কামো আৰম্ভ কৰি যাব লাগে। কোনো বিপ্লৱ কৃতকাৰ্য হ'বলৈ

হ'লে ধ্বংসৰ লগে লগেই তাৰ পৰিৱৰ্তিত ব্যৱস্থা হ'ব লাগে। যিবিলাক অঞ্চলত জনগণে বৃটিছ শাসনৰ অৱসান ঘটাইছিল, তাত বৈপ্লৱিক শাসন প্ৰতিষ্ঠা কৰি পুলিচ, সামৰিক বাহিনী গঠন কৰি শাসনৰ দায়িত্ব ল'ব লাগিছিল। আৰু এইটো কৰাহেঁতেন, এনে এটা শক্তিৰ আবিৰ্ভাৱ হলহেঁতেন, যি বিৰাট সংগঠনৰ অৰিহণা যোগাই ১৯৪২ চনৰ বিপ্লৱক আৰু উচ্চ পৰ্যায়লৈ লৈ গ'লহেঁতেন। আনহাতে কিছু কিছু অঞ্চলতহে জনতাই বৃটিছ শাসনৰ অৱসান ঘটাবলৈ সক্ষম হৈছিল। গতিকে বৃটিছে সেই অঞ্চলত তেওঁলোকৰ সকলো সামৰিক শক্তি প্ৰয়োগ কৰি বিপ্লৱী জনতাক অবৰ্ণনীয় উৎপীড়ন কৰি মুখ বন্ধ কৰিবলৈ সক্ষম হৈছিল। কিন্তু যদি একেলগে গোটেই ভাৰতব্যাপি বিপ্লৱ হ'লহেঁতেন, তেতিয়া বৃটিছ শাসনৰ ৰাজহাড় ভাগি পৰিলহেঁতেন আৰু জনগণৰ শাসন প্ৰতিষ্ঠা হোৱাটো সম্ভৱ হৈ পৰিলহেঁতেন।

উদ্ধৃত গ্ৰন্থ-পঞ্জী

প্ৰয়াত মুক্তিযুঁজাৰু গ্ৰন্থৰ প্ৰথম ভাগ যুগুত কৰোঁতে নিম্নলিখিত কিতাপ, স্মৃতিগ্ৰন্থ আদিৰ সহায় লোৱা হৈছে।

১। জননায়ক অমিয় কুমাৰ দাসে স্বাধীনতা আন্দোলন সম্বন্ধে লিখা বিভিন্ন কিতাপ, প্ৰবন্ধ আদি।
২। শ্বহীদ স্মৃতি-গ্ৰন্থ।
৩। 'প্লেন্টাৰ ৰাজ টু স্বৰাজ'—ডঃ অমলেন্দু গুহ।
৪। স্বাধীনতা আন্দোলনৰ বিষয়ে লিখা বিভিন্ন জিলা অঞ্চলৰ পুস্তিকা আৰু প্ৰবন্ধ আদি।
৫। বিভিন্ন লেখকৰ অসম বুৰঞ্জী।
৬। বেণুধৰ শৰ্মাদেৱৰ 'পিয়লী ফুকন' আৰু 'মণিৰাম দেৱান'।
৭। পলিটিকেল হিষ্টৰী অব আসাম।
৮। ডঃ কেশৱ নাৰায়ণ দত্ত লিখিত প্ৰবন্ধ-কিতাপ আদি।
৯। অধ্যাপক কনকচন্দ্ৰ ডেকা ৰচিত—অসমৰ প্ৰসিদ্ধ মুক্তিযুঁজাৰু।

গুৱাহাটী

বৃহত্তৰ গুৱাহাটী আৰু তাৰ আশে-পাশে থকা অঞ্চলৰ প্ৰয়াত মুক্তিযুঁজাৰুসকলৰ বৰ্ণানুক্ৰমে জীৱনটোকা :

অতুল শইকীয়া :

জন্ম ১৩ আগষ্ট ১৯২২ চন। চন্দ্ৰপ্ৰভা শইকীয়ানীৰ একমাত্ৰ পুত্ৰ অতুল শইকীয়া। চন্দ্ৰপ্ৰভাৰ মহান আদৰ্শৰে অনুপ্ৰাণিত অতুল শইকীয়া সৰুকালৰে পৰা এক মহান আদৰ্শৰ সেৱক আছিল আৰু অন্যতকৈ কিছু বেলেগ আছিল। কিন্তু সকলো ক্ষেত্ৰতে এইটো দেখা গৈছিল যে তেওঁ অদ্ভুতভাবে অনুসন্ধিৎসু আৰু জ্ঞান পিপাসু আছিল। কলেজীয়া জীৱনত গান-বাজনা, থিয়েটাৰ, চিনেমা অভিনয় সকলোতে প্ৰবল ধাউতি আছিল। তেওঁ মেজিকো শিকিছিল।

কটন কলেজৰ পৰা স্নাতক হৈ কলিকতাত এম এ পঢ়িবলৈ লয়। স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ আগতেই তেওঁ কলেজীয়া শিক্ষা শেষ কৰি কলিকতাৰ এখন বঙালী কাকতৰ সম্পাদক হ'ল। তাৰ পিছত গুৱাহাটীলৈ আহি সংবাদসেৱী হিচাপে জীৱন আৰম্ভ কৰিলে। 'নতুন অসমীয়া' কাকতত চাব-এডিটৰ হিচাপে কাম কৰিবলৈ ললে। ইয়াৰ পিছত তেওঁ শ্ৰমিক আন্দোলনৰ লগত জড়িত হৈ পৰিল। ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ লগত তেওঁ প্ৰায় জন্মলগ্নৰ পৰা জড়িত। ১৯৫৬ চনৰ আগৰে পৰা তেওঁ ৰাজ্যিক পৰিবহন কৰ্মচাৰী সন্থাৰ লগত জড়িত হৈ পৰে। ট্ৰেড ইউনিয়নৰ কৰ্মী হিচাপেও তেওঁ এজন লেখত ল'বলগীয়া কৰ্মী আছিল।

অতুল শইকীয়া এইবোৰ আন্দোলনৰ যোগে বহুতবাৰ বিদেশলৈ গৈছে। আমেৰিকা, ইংলণ্ড, ৰাচিয়া, মালয়েছিয়া, জাপান আদি পৃথিৱীৰ বহু ঠাই ভ্ৰমণ কৰে। এই ব্যক্তিজনৰ জ্ঞানৰ পৰিধি যিমান বিশাল সিমান গভীৰ। এজন বন্ধু হিচাপে তেওঁ আছিল লগৰী, পৰামৰ্শদাতা আৰু পথ প্ৰদৰ্শক।

শইকীয়া ১৯৭২ চনৰ পৰা ১৯৭৮ চনলৈ অসম বিধান সভাৰে সদস্য আছিল। শইকীয়া পথ পৰিবহন, চাহ শ্ৰমিক, বেংক কৰ্মী সংস্থা, ৰাজ্যিক চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ বহুতো কমিটিৰ লগত জড়িত আছিল। ১৯৮২ চনৰ ১ জুনত তেওঁৰ মৃত্যু হয়।

অচ্যুত পাঠক :

দোকুচি নগৰবেৰা, ১৯২১ চনত আন্দোলন কৰাৰ কাৰণে সূৰ্যৰ কালে মুখ কৰি দ পানীত বান্ধি শাস্তি দিছিল। ১৯২১ চনৰ আন্দোলনত বকো, ছয়গাঁও, পলাশবাৰী অঞ্চলটোত খাজনা বন্ধ আন্দোলনৰ কাৰণে সংগঠন কৰা হৈছিল আৰু কংগ্ৰেছৰ কালৰ পৰা সেই হিচাপে বিভিন্ন অঞ্চলত কমিটি গঠন কৰি সংগঠন কৰা হৈছিল। এই আন্দোলনত প্ৰধান ভুমিকা লোৱাভালে কেইজন মুখিয়াল লোকক নৈৰ পানীত বেলিৰ কালে বান্ধি থোৱা হৈছিল। তাৰে ভিতৰ এজন আছিল অচ্যুত পাঠক। তেওঁ অতি দৃঢ়প্ৰতিজ্ঞৰ লোক আছিল। তেওঁ সেই অঞ্চলৰ এজন মুখিয়াল লোক আছিল।

অৱনীকান্ত বৰুৱা :

জন্মস্থান উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত। 'ভাৰত ত্যাগ' গণ আন্দোলনত অংশ গ্ৰহণ কৰি তিনি মাহ কাৰাদণ্ডৰ হুকুম লৈ গুৱাহাটী কাৰাগাৰত সোমায়। পিছত শিৱসাগৰ জিলাৰ বৰহাট চাহ বাগানৰ কেৰাণীৰ কামত সোমায়। বৰহাটৰ বহুতো স্থানীয় উন্নয়নমূলক কামত, নেতৃত্ব দি সেই বাগানৰ হেড ক্লাৰ্ক হিচাপে অৱসৰ লৈ জীৱনৰ শেষ কাল উত্তৰ গুৱাহাটীৰ নিজ ঘৰত কটায়।

অপুৰ্ব বৰদলৈ :

পিতা নবীনচন্দ্ৰ বৰদলৈ। গুৱাহাটীত ১৯২১ চনত পঢ়া এৰি আন্দোলনত যোগ দিয়ে। দুমাহ কাৰাদণ্ড হয়। বিলাতত ইঞ্জিনীয়াৰিং পঢ়িবলৈ যায়। ডেকা বয়সতে তেওঁৰ মৃত্যু হয়।

অলাৰাম বড়ো :

সিন্দুৰীঘোপাত ঘৰ। ১৯২১ চনৰ আন্দোলনত যোগদান কৰিছিল। পুলিচৰ দ্বাৰা জুলুম হৈছিল আৰু পাইকাৰী জৰিমনা ভৰিছিল।

আকিমুদ্দিন আহমেদ :

খিলাফট্ আৰু অসহযোগ আন্দোলনৰ প্ৰধান কৰ্মী আছিল। ১৯২২ চনত তিনিমাহ কাৰাদণ্ড হয়।

উপেন্দ্ৰনাথ ঠাকুৰীয়া :

বকো সিংৰাৰ ভেকাৰপাৰত ঘৰ। ১৯২১ চনত কানিৰ দোকানত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰে। এওঁ বকো অঞ্চলৰ খাজনা বন্ধ আন্দোলনৰ লগত জড়িত আছিল। পুলিচ মিলিটেৰিয়ে বিভিন্ন যন্ত্ৰণা দিছিল আৰু পাইকাৰী জৰিমনা আদায় কৰিছিল।

উমাকান্ত কলিতা :

জন্মস্থান গুৱালকুছি (সকসন্ন গুৱালকুছি) ১৯২১ চন আন্দোলনত যোগ দিয়ে। তিনিমাহ শ্ৰাটেক খাটে।

উমাচৰণ দাস :

বকোৰ শাখাতিত জন্ম হয়। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড ভোগ কৰে। মণ্ডলৰ চাকৰি এৰি সক্ৰিয় আন্দোলনত অংশ গ্ৰহণ কৰাৰ কাৰণে গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ শ্ৰাটেক খাটে। পুলিচ মিলিটেৰিৰ দ্বাৰা পৰিয়ালবৰ্গ নিৰ্য্যাতিত হৈছিল। তেওঁ বকো অঞ্চলৰ এজন মুখিয়াল লোক আছিল আৰু বিভিন্ন উন্নয়নমূলক কামৰ লগত জড়িত আছিল।

উমেশ বৰদলৈ :

পিতা কৰ্মবীৰ নবীন বৰদলৈ। ঘৰ উজান বজাৰত। ১৯৩০ চনত চাৰিমাহ কাৰাদণ্ড হয়। ১৯২১ চনত স্কুল বৰ্জন কৰি পিকেটিং কৰা বাবে তিনিমাহ জেল হয়। ৫০ টকা জৰিমনা হয় আৰু অনাদায়ত ২ মাহ জেল হয়। ইয়াৰ পিছত ডাক্তৰী পাছ কৰি ইংলণ্ডলৈ যায় আৰু অৱসৰ লৈ ১৯৮০ চনত গুৱাহাটীত মৃত্যু বৰণ কৰে।

উপেন্দ্ৰ-নাথ নবীশ :

১৯৪২ চনত ৩ মাহ কাৰাদণ্ড ভোগে গুৱাহাটী কাৰাগাৰত।

উমাকান্ত শৰ্মা :

১৯৪২ চনত ১০ মাহৰ কাৰাদণ্ড হোৱাত গুৱাহাটীৰ কাৰাগাৰত আছিল। ভেটিয়াৰ স্কুলবোৰ্ড বলকৰ আদৰ্শবাদী নেতা আছিল। ১৯৮৯ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে সত্তৰ বয়সত মৃত্যু বৰণ কৰে।

একিম শ্বাহ ঃ

ঘৰ বকোত। ১৯২১ চনত শিক্ষকতা বাদ দি আন্দোলনত যোগ দিয়ে। বকো অঞ্চলৰ পুলিচ মিলিটেৰীৰ অত্যাচাৰত কষ্ট ভোগ কৰিবলগা হৈছিল। খিলাফট আৰু অসহযোগ আন্দোলনত যোগ দিয়ে। গ্ৰেপ্তাৰ হৈছিল যদিও হাজতেক খটা নাছিল।

ওৱাজেদ আলী ঃ

খিল্যাফট আন্দোলনৰ লগত জড়িত আছিল। ১৯২১ চনৰ আন্দোলনত যোগ দিয়ে। ১৯২১ চনত খিলাফট আৰু কংগ্ৰেছ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল। তেওঁ ওকালতি কৰিছিল আৰু কংগ্ৰেছৰ পৰা পিছত আঁতৰি যায়। ১৯৮৪ চনত তেওঁৰ মৃত্যু হয়।

কালীপ্ৰসাদ বৰুৱা ঃ

উজান বজাৰ, গুৱাহাটী। পিতৃৰ নাম লক্ষ্মীপ্ৰসাদ বৰুৱা। ১৯২১ চনত ৬ মাহ আৰু ১৯২২ চনত নমাহ কাৰাদণ্ড হয়। ১৯৩২ চনত গুপ্তভাৱে কংগ্ৰেছৰ কাম কৰি থাকে।

কৃষ্ণকান্ত বৰুৱা ঃ

পিতৃৰ নাম নীলকান্ত বৰুৱা। ১৯২১ চনত কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। তিনিমাহ জেল আৰু পঞ্চাশ টকা জৰিমনা অনাদায়ত দুমাহ হাজতেক খাটে। ১৯২১ চনত আন্দোলনত কংগ্ৰেছৰ সক্ৰিয় কৰ্মী হিচাপে সহযোগ কৰা নাছিল যদিও কংগ্ৰেছৰ প্ৰতি সহানুভূতিশীল আছিল। ১৯৭৮ চনত তেওঁৰ মৃত্যু হয়।

কান্তিধৰ মেধি ঃ

জানৰপাৰৰ গুৱালকুছিত তেওঁৰ জন্ম হয়। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে আৰু ৯ দিন কাৰাবাস খাটে। ১৯৩০ চনত তিনিমাহ আৰু ১৯৪২ চনত দহমাহ কাৰাবৰণ ভোগ কৰে। অঞ্চলটোৰ এজন সুদক্ষ কংগ্ৰেছ কৰ্মী আছিল। মেধি এজন ভাল সংগঠক আছিল। তেওঁ জীৱনজুৰি নদীৰ কামৰ প্ৰতি বিশেষ মনযোগ দিছিল।

কমলা কলিতা :

চমৰিয়াৰ বকো অঞ্চলত তেওঁৰ জন্ম হয়। ১৯২১ চনত দুশ টকা জামিনতী লিখি নিদিয়াৰ কাৰণে এবছৰ কাৰাদণ্ড হয়। কংগ্ৰেছৰ অসহযোগ আন্দোলনৰ বকো অঞ্চলৰ এজন প্ৰধান সংগঠক আছিল। আন্দোলনত যোগ নিদিওঁ বুলি লিখি নিদিয়াত তেওঁৰ পৰা ২০০ টকা বিচাৰে আৰু দিবলৈ অমান্তি হোৱাত এবছৰ ফাটেক হয়। ১৯৩০-৩২ চনৰ আন্দোলনতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কালীচৰণ কলিতা :

জন্মস্থান ছয়গাঁও। ১৯২২ চনৰ আন্দোলনত দুমাহ কাৰাদণ্ড আৰু ৫0 টকা জৰিমনা হয়। সেই অঞ্চলৰ খাজনা বন্ধ আন্দোলনৰ সংগঠন কৰিছিল।

কালীচৰণ ৰাভা :

জন্মস্থান বকো। এওঁ এজন ১৯২১ চনৰ বকো অঞ্চলৰ খাজনা বন্ধ আন্দোলনৰ নায়ক আছিল। ১৯২২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু তিনিমাহ জেল হয়। তেওঁৰ ঘৰ খানাতালাচ আৰু পুলিচে জোৰ জুলুম কৰিছিল।

কমলাকান্ত ডেকা :

১৯২২ চনত তিনিমাহ সশ্ৰম কাৰাদণ্ড হয়।

কৃষ্ণকান্ত গোস্বামী :

জন্মস্থান পলাশবাৰী। পিতৃৰ নাম মাধৱচন্দ্ৰ গোস্বামী। স্কুল বৰ্জন কৰি পিকেটিং কৰিছিল। ১৯২১ চনত প্ৰচেচনত যোৱা বাবে ১৫ টকা জৰিমনা আৰু ৭ দিন ফাটেক হয়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত সকলো প্ৰকাৰে সহযোগ কৰিছিল আৰু কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী আছিল।

কালিৰাম শইকীয়া :

পিতৃৰ নাম ধেবল শইকীয়া। ঘৰ লটামুৰীয়াত। ১৯২২ চনত ৯ মাহ ফাটেক হয়।

কৃষ্ণকান্ত শাদৈ :

১৯২২ চনৰ আন্দোলনত তেখেতৰ দুমাহ ফাটেক আৰু ৫০ টকা জৰিমনা হয়।

কন্দৰ্প বৰুৱা :

ঘৰ গুৱাহাটীত। ১৯২২ চনত তিনিমাহ কাৰাদণ্ড হয়। ১৯২১ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱী প্ৰতিজ্ঞা পত্ৰত চহী কৰি সভ্য হয়। স্বেচ্ছাসেৱী সংগঠনক বেআইনী ঘোষণা কৰা বাবে ৬ মাহ জেল হয়। কংগ্ৰেছৰ আন্দোলনত অংশ গ্ৰহণ কৰা নাছিল যদিও কংগ্ৰেছৰ সকলো কামত সহযোগ আগবঢ়াইছিল। ১৯৭৫ চনত এখেতৰ মৃত্যু হয়।

কালিৰাম দাস :

সদিলাপুৰৰ পলাশবাৰীত জন্ম। ১৯৩০ চনত ৬ মাহ আৰু ১৯৪০ চনত সত্যাগ্ৰহ কৰাৰ কাৰণে চাৰিমাহ কাৰাদণ্ড হয়। অসম বিধান সভাৰ বিধায়ক আছিল।

১৯৩০ চনৰ ২৬ জানুৱাৰীত সুতুলি গাৰ্ডেনত কটন কলেজৰ ছাত্ৰাবাসৰ ল'ৰাসকলৰ স্বাধীনতা দিৱস পালনত মুখ্য ভুমিকা লৈছিল।

১৯৩০ চনৰ কটন কলেজ বৰ্জন কাৰ্য্যক্ৰমত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪০ চনত ৰাজদ্ৰোহী বক্তৃতাৰ বাবে ৬ মাহ ফাটেক দিয়ে। ১৯৪২ চনৰ গণ আন্দোলনত পলাতক কৰ্মী হিচাপে বিশেষ ভুমিকা পালন কৰে। ওকালতি পাছ কৰাৰ পিছত বিধান সভাৰ সদস্য হোৱাৰ উপৰিও লোকসভাৰ সদস্য হয়। ১৯৬০ চনত তেওঁৰ মৃত্যু হয়।

কালীচৰণ দাস (মেজিচিয়ান) :

হাজোৰ গণেশটোলাত ঘৰ। পিতৃ বুদ্ধিৰাম দাস। ১৯২১ চনত দুমাহ আৰু ১৯৪২ চনত দুমাহ আৰু তিনিমাহ কাৰাবৰণ কৰে। তেখেতে আজীৱন কংগ্ৰেছৰ অনুষ্ঠানৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিল।

ডাঃ কালীচৰণ দাস :

গুৱাহাটী। ১৯৩০ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। ডাঃ দাসৰ সতি-সন্ততি নাই। তেওঁ কালাপাহাৰত এখন নাৰ্চিং হোম খোলে।

কুমুদৰাম বৰা :

জন্মস্থান উত্তৰ গুৱাহাটীত। ১৯২১ চনত ওকালতিত যোগ দিয়ে। ১৯৩০ চনত মঙ্গলদৈত এবছৰ কাৰাদণ্ড হয়।

কৃষ্ণকান্ত বৰুৱা :

গুৱাহাটী। ১৯২১ চনত কলেজৰ শিক্ষা বাদ দি আন্দোলন কৰাত তিনিমাহ জেল আৰু ৫০ টকা জৰিমনা হয়। অনাদায়ে আৰু ২ মাহ জেল হয়।

কৃষ্ণকান্ত বৰুৱা :

১৯২১ চনত পুলিচৰ চাকৰি এৰি আন্দোলনত যোগ দিয়ে।

কীৰ্তিৰাম বৰুৱা :

গুৱাহাটী। ১৯৩০ চনত পঢ়া এৰি আন্দোলনত যোগ দিয়াত ছমাহ স্কাটেক হয়। নিচেই দুখীয়া অৱস্থাৰ পৰা কষ্ট কৰি পঢ়া শুনা কৰি ঢাকাত গৈ এটা পৰিয়ালৰ আশ্ৰয়ত থাকি মেডিকেল স্কুলত পঢ়িছিল। গুৱাহাটীলৈ আহি ডাঃ ভুবনেশ্বৰ বৰুৱাৰ লগত কাম কৰিছিল। ১৯৪০ চনত সত্যাগ্ৰহ কৰিছিল। '৪২ চনৰ গণ আন্দোলনত কংগ্ৰেছৰ লগত সক্ৰিয় অংশ গ্ৰহণ কৰে। তেখেতে যদিও জেল খটা নাছিল তথাপি কংগ্ৰেছৰ সকলো কামত আগ ভাগ লৈছিল। ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

কেশৱ চন্দ্ৰ বৰুৱা :

কামৰূপ জিলাৰ হাজো অঞ্চলৰ ঢোলগুৰি গাঁৱত ১৯০৪ চনত কেশৱচন্দ্ৰ বৰুৱাৰ জন্ম হয়। পিতৃৰ নাম সন্তৰাম বৰুৱা। ১৯২১ চনৰ অসহযোগ আন্দোলনত স্কুল বৰ্জন কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাত তিনিমাহ সশ্ৰম কাৰাদণ্ড হয়। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগদান দিয়ে আৰু ১৯৪২ চনত 'ভাৰত ত্যাগ' গণ আন্দোলনত নামি তিনিমাহ কাৰাবাস খাটে।

খৰ্গেশ্বৰ গোস্বামী :

উজানবজাৰ, গুৱাহাটী। পিতা মহেশ্বৰ গোস্বামী। ১৯২১ চনত স্কুল বৰ্জন কৰে আৰু অসহযোগ আন্দোলনত যোগদান কৰি পিকেটিং

কৰা বাবে ৬ মাহ জেল হয়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত সক্ৰিয়-ভাবে সহযোগ কৰে। ১৯৩২ চনৰ আন্দোলনতো সহযোগ কৰিছিল যদিও জেললৈ যোৱা নাই। আজীৱন কংগ্ৰেছৰ সদস্য আছিল। ১৯৮০ চনত মৃত্যু হয়।

খগেন্দ্ৰনাথ কোঁৱৰ :

ঘৰ বাইহাটা বসনপুৰ অঞ্চলত। ১৯৪২ চনত ৬ মাহ গুৱাহাটী কাৰাগাৰত আছিল।

গৌৰীচৰণ ডাউকা :

ঘৰ বাটাকুছি শান্তিপুৰত। ১৯২১ চনত মণ্ডৰ চাকৰি এৰি অসহযোগ আন্দোলনত যোগ দিয়ে। তেতিয়া গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ কাৰাদণ্ড ভোগে। ১৯৩০-৩২ চনৰ আন্দোলনতো তেওঁ জড়িত আছিল। ১৯৪১ চনৰ ব্যক্তিগত সত্যাগ্ৰহতো তেওঁ যোগদান কৰিছিল। '৪২ৰ গণ আন্দোলনতো তেওঁ সহযোগ কৰিছিল।

গোপীকান্ত শৰ্মা :

এওঁৰ ঘৰ কেন্দুৰাত। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড হয়।

গিৰিশ চন্দ্ৰ শৰ্মা :

১৯২২ চনত তিনিমাহ কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয়। ১৯২১ চনৰ আন্দোলনত যোগ দি গ্ৰেপ্তাৰ বৰণ কৰে আৰু ৫০ টকা জৰিমনা হয়। অনাদায়ে দুমাহ জেল হয়। ইয়াৰ পিছত তেওঁ কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী হিচাপে কাম কৰি আছিছে।

গজেন তালুকদাৰ :

ঘৰ নগৰবেৰাত। ১৯২১ চনত আন্দোলনত যোগ দিয়ে। পুলিচে দ পানীত বেলিমুৰা কৰি বান্ধি থয়।

গোপাল চন্দ্ৰ গোস্বামী :

১৯২১ চনত এমাহ ফাটেক হয়। জন্ম নলবাৰী অঞ্চলত। ১৯৪২ চনত ১ দিন জেইললৈ যায়।

গোপাল নাৰায়ণ বৰুৱা ঃ

১৯২২ চনত এমাহ কাৰাদণ্ড হয়।

গিৰীশ বৰা ঃ

ঘৰ চমৰীয়া সত্ৰত। ১৯২১ চনত ছমাহ কাৰাদণ্ড হয়।

গজেন ঠাকুৰীয়া ঃ

ঘৰ নগৰবেৰাত। এওঁ নগৰবেৰা অঞ্চলৰ এজন মুখিয়াল লোক আছিল। খাজনা বন্ধ আন্দোলনৰ সংগঠনৰ কামত জড়িত আছিল। এওঁক ডিঙিলৈকে জনজলীৰ পাৰত পুমহীয়া জাৰত বান্ধি থৈছিল। পুলিচে অশেষ নিৰ্য্যাতন দিছিল। পাইকাৰী জৰিমনা আদায় কৰিছিল।

গিৰীন্দ্ৰ নাথ চৌধুৰী ঃ

পিতৃৰ নাম জীৱন চৌধুৰী। উত্তৰ গুৱাহাটীত জন্ম হয়। কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে ১৯৩০ চনত কটন কলেজৰ পৰা শিক্ষা এৰি কলেজত পিকেটিং কৰাৰ কাৰণে ছমাহ কাৰাদণ্ড ভোগ কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত লোকেল বোৰ্ডৰ চাকৰি ইস্তফা দিয়ে। সৰুপথাৰৰ ৰেল বগৰোৱাৰ ঘটনাৰ লগত তেখেত প্ৰত্যক্ষভাবে জড়িত আছিল। অসমৰ বিদেশী আন্দোলনৰ ওপৰত তদন্ত কৰা মেহতা আয়োগৰ এজন উদ্যোক্তা আছিল। তেওঁ অসমৰ এজন প্ৰাক্তন মন্ত্ৰী আৰু কংগ্ৰেছৰ আজীৱন সভ্য আছিল। গুৱাহাটীৰ বহুতো সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত তেখেত জড়িত আছিল। ১৯৮৬ চনত গুৱাহাটীৰ আমবাৰীৰ নিজ বাসভৱনত মৃত্যু হয়।

গফুৰ আলী ঃ

জন্ম বকো পেইবংগাত। ১৯২১ চনত বন বিভাগৰ চাকৰি এৰি আন্দোলনত যোগ দিয়ে। তেওঁ বনবিভাগৰ চাকৰিয়াল আছিল। খিলাফট আৰু অসহযোগ আন্দোলনত যোগদান কৰিছিল। পুলিচ আৰু মিলিটাৰীৰ অত্যাচাৰ ভোগ কৰিবলগা হৈছিল। কেইবছৰমান আগতে তেওঁৰ মৃত্যু হৈছে।

গংগাৰাম চৌধুৰী :

১৯২২ চনত তিনিমাহ কাৰাদণ্ড হয়। ১৪৪ ধাৰা ভংগ কৰি ২ মাহ জেল আৰু ৫০ টকা জৰিমনা অনাদায়ত আৰু এমাহ স্কাটেক। কলেজত পুনঃ যোগদান কৰে। ওকালতি কৰে আৰু কংগ্ৰেছৰ এজন মুখ্য কৰ্মী হিচাপে আন্দোলনত পূৰ্ণ সহযোগ কৰিছিল। ১৯৮৩ চনত তেওঁ মৃত্যুবৰণ কৰে।

বৃত্তিধাৰী মেধাবি ছাত্ৰ/কটন কলেজৰ ছাত্ৰ :

গোপীনাথ বৰদলৈ :

১৮৯০ চনৰ ৬ জুন তাৰিখে ইতিহাসপ্ৰসিদ্ধ গুৱাহাটীত জন্মগ্ৰহণ। দেউতাক বুদ্ধেশ্বৰ বৰদলৈ তেতিয়া বৰপেটাৰ চিকিৎসালয়ৰ ডাক্তৰ। ১৯০৭ চনত প্ৰবেশিকা, ১৯০৯ চনত আই-এ, ১৯১১ চনত বি-এ, ১৯১৪ চনত এম-এ আৰু ১৯১৪ চনতে বি-এল পাচ কৰে। ১৯১৭ চনত ওকালতি আৰম্ভ। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান। ১৯২১ চনত আহমেদাবাদত কংগ্ৰেছত যোগদান কৰি অসমৰ গাঁৱত খাদী প্ৰচলনৰ প্ৰচেষ্টা। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত অসম সমস্যা সম্পৰ্কে আলোচনা। পাণ্ডু কংগ্ৰেছত খাদী তোৰণ নিৰ্মাণ। অসহযোগ আন্দোলনত গুৱাহাটীৰ পৰা তেজপুৰ জেললৈ চালান।

১৯৩৬ চনত অসম প্ৰাদেশিক বিধানসভা নিৰ্বাচনত ১০৮ খন আসনৰ ভিতৰত ৩৮ খন আসনত জয়লাভ কৰি কংগ্ৰেছ সৰ্বপ্ৰধান বিৰোধী দল বুলি স্বীকৃত হয় আৰু বৰদলৈ দলৰ নেতা নিৰ্বাচিত হয়। ১৯৩৮ চনত চাদুল্লা মন্ত্ৰীসভাৰ পতনৰ পিছত বৰদলৈৰ নেতৃত্বত সংযুক্ত মন্ত্ৰীসভা গঠন হয়। বৰদলৈ মন্ত্ৰীসভাই পৰ্বত ভৈয়াম জনজাতীয় লোকৰ শ্ৰদ্ধাৰ পাত্ৰ হয়। প্ৰশাসনীয় কাৰ্যদক্ষতা, গাঢ় স্বদেশ প্ৰেম আৰু জাতীয় স্বাৰ্থত আত্মবলিদান দিয়া বাবে বৰদলৈ ডাঙৰীয়াই আগশাৰীৰ দলনেতাৰ সন্মান লাভ কৰি লোকপ্ৰিয় উপাধিৰে বিভূষিত হয়। ১৯৩৯ চনৰ ১০ ডিচেম্বৰৰ দিনা বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত গুৱাহাটীৰ কাছাৰীৰ চোতালত সত্যাগ্ৰহ আৰম্ভ হয়। উল্লেখযোগ্য যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ অসমৰ প্ৰথম সত্যা-

গ্ৰহীজন আছিল বৰদলৈ ভাওৰীয়া। ফলত তেখেতক গ্ৰেপ্তাৰ কৰি ১ বছৰ কাৰাদণ্ড দিয়ে। আৰু ১৯৪১ চনৰ মে মাহত খালাচ হয়। ১৯৪২ চনৰ ৭,৮ আগষ্টত বোম্বেত কংগ্ৰেছ অধিবেশনত 'ভাৰত-ত্যাগ' আন্দোলনৰ প্ৰস্তাৱ অনুযায়ী বৰদলৈ ভাওৰীয়া আৰু সিদ্ধিনাথ শৰ্মাক অধিবেশনৰ পৰা উভতি আহোতে ধুবুৰীত গ্ৰেপ্তাৰ কৰে। শাৰীৰিক অসুস্থতাৰ কাৰণে ১৯৪৪ চনৰ ২৬ আগষ্টত বৰদলৈৰ মুক্তি। ইংলেণ্ডত এটলি প্ৰধানমন্ত্ৰী হোৱাৰ সময়ত অসমত ১০৮ খন আসনৰ ভিতৰত ৬১ খন আসন লাভ কৰি বৰদলৈৰ নেতৃত্বত ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত মন্ত্ৰীসভা গঠন হয়। বৰদলৈদেৱৰ অনুৰোধ ৰক্ষা কৰি মহাত্মা গান্ধীজীয়ে আঞ্চলিক গোটৰ পৰা অসমক বচাবলৈ পৰামৰ্শ আৰু প্ৰেৰণা যোগাইছিল। ১৯৫০ চনৰ ৫ আগষ্টৰ দিনা দেহৰ অৱসান হয়। বৰদলৈদেৱ এজন বিচক্ষণ ৰাজনীতিবিদ হোৱাৰ উপৰিও আছিল এজন সুপিতৃ, সুবক্তা, সুসাহিত্যিক, সু-অভিনেতা, খেলুৱৈ, চিকাৰী, সুগায়ক আৰু সমাজ সংস্কাৰক।

গৌৰীকান্ত তালুকদাৰ ঃ

জন্ম নলবাৰীৰ চামতা গাঁৱত ১৮৮৫ চনত। পিতৃ বীৰদত্ত তালুকদাৰ, মাতৃ গান্ধাৰী দেৱী। ১৯০২ চনত ছাত্ৰবৃত্তি পৰীক্ষা পাছ কৰি গুৱাহাটী কটন কলেজিয়েট স্কুলত নাম ভৰ্তি কৰে। ১৯০৬ চনত বৃত্তিসহ এণ্ট্ৰেন্স পাছ কৰে। ১৯০৮ চনত কটন কলেজৰ পৰা এফ এ পাছ কৰে। লাবণ্যপ্ৰভাৰ লগত তেওঁৰ ১৯০৮ চনত বিয়া হয়। ১৯২১ চনৰ ৭ ডিচেম্বৰত তেওঁ ওকালতি এৰি অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাবে ৯ মাহ কাৰাদণ্ড বিহে। ১৫-১১-৪০ তাৰিখে নলবাৰীত ব্যক্তিগত সত্যাগ্ৰহ কৰি তালুকদাৰে গ্ৰেপ্তাৰ বৰণ কৰে। যোৰহাট জেলত ৪ মাহ কাৰাদণ্ড ভুগি ২২-৪-৪১ত মুক্তি পায়। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনৰ সময়তো তেওঁ ক্ৰমে গুৱাহাটী, শিলচৰ আৰু তেজপুৰ জেলত থাকিব লগা হয়।

গৌৰীকান্ত তালুকদাৰ দুবাৰো কংগ্ৰেছ এম এল এ হিচাপে নলবাৰী সমষ্টিৰ পৰা নিৰ্বাচিত হয়। ১৯৩৭ আৰু ১৯৪৬ চনত তেওঁ বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ৰাজনীতি, সমাজসেৱা আৰু সাংবাদি-

কৰ্তা তিনিওটাৰে সমন্বয় পুৰুষ আছিল গৌৰীকান্ত তালুকদাৰ। অসম হৰিজন সেৱক সংঘৰ তেওঁ বহুদিন ধৰি সভাপতি হৈ আছিল। মানুহক সভা-সমিতি পাতি কানি, ভাং, মদ বৰ্জন কৰিবলৈ উপদেশ দিছিল। চিনেমা হলত ধূমপান নিষেধ আইন তালুকদাৰৰ অহো-পুৰুষাৰ্থৰ ফল।

তালুকদাৰ একেৰাহে এজন প্ৰবীণ মুক্তি যুঁজাৰু, ৰাজনীতিবিদ সমাজ সংস্কাৰক, সাহিত্যিক, সাংবাদিক, বিদ্যোৎসাহী আৰু শিক্ষানুৰাগী ব্যক্তি আছিল। তেখেতে কামৰূপ একাডেমী, চামতা হাইস্কুল, নলবাৰী ছোৱালী হাইস্কুল, নলবাৰী কলেজ, চামতা ছোৱালী হাইস্কুল, সন্দিকৈ ছোৱালী কলেজ, বি বৰুৱা কলেজ, গুৱাহাটী বিশ্ববিদ্যালয় আদি অনুষ্ঠান পতাত পূৰ্ণ সহযোগ আগবঢ়াইছিল। তালুকদাৰৰ উদ্যোগত ধৰ্মপুৰত 'ধৰ্মপুৰ শিক্ষা বিস্তাৰ সমিতি'ৰ জন্ম হৈছিল।

তালুকদাৰ এজন সৃষ্টিধৰ্মী লিখক আছিল। ধৰ্মানুষ্ঠান পদ্ধতি, ব্ৰহ্মচৰ্য্য, জাতীয় সমস্যা, অসমীয়া খেতিয়কক লাগে কি? ভাগৱত, গীতা, হিন্দুৰ দৃষ্টিত জীৱনৰ লক্ষ্য, পুৰণি কামৰূপৰ ক্ষত্ৰিয় জাতি, কলিকতাৰ ব্ৰতোদ্ধাৰৰ আৱশ্যকতা, বৰ্ণ শিক্ষা আদি ভালেমান পুথিৰ তেওঁ প্ৰণেতা আছিল। তদুপৰি 'দীপক' নামৰ শিশু আলোচনীখনি ১৯৫৪ চনত আৰম্ভ কৰি মৃত্যুৰ আগমুহূৰ্তলৈকে চলাই আছিল। 'লাৱণ্য প্ৰেছ' নামৰ এটি প্ৰতিষ্ঠানো তেখেতে প্ৰতিষ্ঠা কৰি থৈ গৈছে। বেংক উদ্যোগীকৰণতো তালুকদাৰে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। গুৱাহাটী বেংকৰে উদ্যোক্তা হোৱাৰ উপৰিও ১৯২৬ চনত এই বেংক স্থাপিত হোৱাৰ পৰা ১৯৩৭ চনলৈ তেখেতে মেনেজিং ডিৰেক্টৰ আছিল। সুদীৰ্ঘ চাৰিকুৰি বছৰ নিৰোগী স্বাস্থ্য লৈ দেশ আৰু দহৰ মংগল চিন্তা কৰি ১৯৬৬ চনৰ ২১ অক্টোবৰৰ নিশা তালুকদাৰদেৱে মৃত্যুক সাবটি লয়।

ঘনকান্তি ফুকননী :

সৰু কালতে জীৱন সংগ্ৰাম আৰম্ভ হয়। স্বাধীনতা আন্দোলনত লাগি থাকোতে ছাত্ৰনেতা শ্ৰীগজেন ফুকনৰ লগত তেওঁৰ পৰিচয় ঘটে। ১৯৪৩ চনত জেলৰ পৰা মুক্ত হৈ দুয়োজনে বিবাহপাশত আবদ্ধ হয়। ১৯৪৫ চনত তেওঁ কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্টৰ কামলৈ

হেজাৰৰো অধিক মহিলা গোট খাই "অসম মহিলা সমিতি" নামৰ অনুষ্ঠানৰ জন্ম দিছিল। ১৯২৫ চনত ধুবুৰীত অসম মহিলা সমিতিৰ প্ৰথম অধিবেশন বহে। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে সম্পাদিকাৰ দায়িত্ব লৈ একেৰাহে ৭ বছৰ সেই দায়িত্বত থাকি অসম মহিলা সমিতিক পূৰ্ণাঙ্গ ৰূপ দিয়ে। উল্লেখযোগ্য তেওঁ সেই সময়তে চাইকেলত উঠি গাঁৱে গাঁৱে ঘূৰি ফুৰিছিল। সেই সময়ত অসমীয়া মহিলাই চাইকেলত উঠি পুৰুষ তিৰোতাৰ ভেদাভেদ নাৰাখি পৰ্বতে ভৈয়ামে ঘূৰি ফুৰাটো আচৰিত যেন লাগে।

চন্দ্ৰপ্ৰভা শইকীয়ানী এনেকুৱা বিপ্লৱী নাৰী আৰু নিষ্ঠাৱতী সংগঠিকা আছিল যে বহুতো সময়ত পুৰুষেও তেওঁৰ লগত ফেৰ মাৰিব নোৱাৰিছিল। চন্দ্ৰপ্ৰভা শইকীয়ানী ১৯২৩, ১৯৪২, আৰু ১৯৪৩ চনত মুঠতে তিনিবাৰ কাৰাবৰণ কৰিছিল। ১৯৪৩ চনত পুতেক অতুল শইকীয়াৰ লগত ৰাজবন্দী হৈ আছিল। তেখেতৰ প্ৰকাশিত উপন্যাস গ্ৰন্থ 'পিতৃ উঠা'। তেখেতে ৰচনা কৰা বহুতো প্ৰবন্ধ, কবিতা, ৰচনা অপ্ৰকাশিত অৱস্থাত আছে। অসম প্ৰাদেশিক মহিলা সমিতিৰ মুখপত্ৰ 'অভিযাত্ৰী'ৰ তেখেত সম্পাদিকা আছিল।

১৯২১ চনৰ ২০ আগষ্টৰ দিনা গান্ধীজী তেজপুৰলৈ আহোতে চন্দ্ৰপ্ৰভাই দেশৰ কাৰণে নিজক উছৰ্গা কৰাৰ পণ কৰিছিল আৰু মৃত্যু পৰ্যন্ত তাক পালন কৰিছিল। ১৯৬২ চনত ভূদানৰ কাৰ্যসূচী ৰূপায়ণ কৰাত বিনোবাজীক সহায় কৰিছিল। চন্দ্ৰপ্ৰভাৰ দেশ আৰু সমাজৰ প্ৰতি কৰা অৱদানৰ স্বাক্ষৰ স্বৰূপে ভাৰত চৰকাৰে তেওঁক 'পদ্মশ্ৰী' উপাধি প্ৰদান কৰিছিল।

১৯৭২ চনৰ ১৬ মাৰ্চত জন্মদিনটোতে অসমৰ নাৰীমুক্তি আন্দোলন, স্ত্ৰীশিক্ষা প্ৰবৰ্তন, পৰ্দা প্ৰথা উচ্ছেদ, বাল্যবিবাহ বন্ধ, অসবৰ্ণ বিবাহত উৎসাহ, অস্পৃশ্যতা বৰ্জন, নিঃসহায় নাৰীক সহায়, কানি বৰবিহ বিদায় দিয়া সুকন্যা, অসমৰ লক্ষ্মীবাইৰ বিদেহী আত্মাই চিৰশান্তি ধামলৈ গতি কৰিলে।

চেগম আলী ঃ

চমৰীয়াৰ। ১৯২১ চনত ছমাহ কাৰাদণ্ড হয়। ১৯২২ চনত গৱৰ্ণমেণ্টৰ নিৰ্দেশ অমান্য কৰি মিটিং কৰাৰ বাবে তেওঁ আৰু লগৰ তিনিজনক গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত দুমাহ ফাটেক হয়।

চন্দ্ৰকান্ত দাস ঃ

দেউতাক থানুৰাম ভৰালী। জন্ম হয় ৰামদিয়াত। ১৯২১ চনত স্কুলৰ শিক্ষা বৰ্জন কৰি আন্দোলনত যোগদান কৰে। ৬ মাহ কাৰাবৰণ কৰে।

চঞ্চলৰাম বড়ো ঃ

দক্ষিণ ঘিলামাৰী, শিংৰা। ১৯২১ চনত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পুলিচে জুলুম আৰু বিভিন্ন ধৰণৰ অত্যাচাৰ কৰিছিল।

চেখ বাঠৌক ঃ

চলপুৰ চেখ কলা বাৰউনিগাঁও। ১৯২১ চনত ৬ মাহ ফাটেক হয়।

চেখ বাহাদুৰ ঃ

পিতাৰ নাম লাম্বু চেখ। নিজা বনদুৱাৰ। তেওঁৰ ১৯২১ চনত ৬ মাহ ফাটেক হয়।

চেখ মহম্মদ ঃ

পিতৃৰ নাম চাহাদৎ চেখ হাজৰী। ১৯২২ চনত ৬ মাহ জেল হয়।

চৈয়দ মহম্মদ হানেফ ঃ

ৰঙিয়াত ঘৰ। ১৯২১ চনত তিনিমাহ ফাটেক হয়। এওঁ এজন খিলাফট্ আন্দোলনৰ কৰ্মী আছিল।

চেগম আলী ঃ

ৰঙিয়াত ঘৰ। ১৯২১ চনত তিনিমাহ ফাটেক হয়।

চন্দ্ৰনাথ বৰুৱা ঃ

গুৱাহাটীত ঘৰ। ১৯২১ চনত এমাহ কাৰাদণ্ড হয়। চৰকাৰে ৩০ টকা জৰিমনা কৰিছিল। অনাদায়ে এমাহ জেলৰ হুকুম হৈছিল।

চন্দ্ৰকান্ত ভূঞা ঃ

গুৱাহাটীত ঘৰ। ১৯২১ চনত তিনিমাহ কাৰাদণ্ড হয়। পিকে-টিঙত অংশ গ্ৰহণ কৰে। পিছত কংগ্ৰেছৰ বিভিন্ন কাম কৰিছিল।

১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আছিল। আজীৱন কংগ্ৰেছ সদস্য আছিল।

চন্দ্ৰকান্ত দাস ঃ

গুৱাহাটীৰ। ১৯২২ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। তিনিমাহ কাৰাদণ্ড হয়। হাজো এলেকাত ১৯৪২ চনত বিপ্লৱী আন্দোলনত যোগদান কৰিছিল।

চন্দ্ৰকান্ত দাস ঃ

ৰামদিয়াত জন্ম গ্ৰহণ কৰে। দেউতাকৰ নাম থানুৰাম দাস। ১৯২১ চনত স্কুলৰ শিক্ষা বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ৬ মাহ কাৰাবৰণ কৰে।

জয়চন্দ্ৰ চৌধুৰী ঃ

নলবাৰী জিলাৰ কৈঠালকুছি গাঁৱৰ এটি মধ্যবিত্ত খেতিয়ক পৰিয়ালত ১৮৯৮ চনৰ ২২ এপ্ৰিলৰ দিনা জয়চন্দ্ৰ চৌধুৰীৰ জন্ম হয়। পিতৃ ৰাধানাথ চৌধুৰী আৰু মাতৃ আদেৰীপ্ৰিয়া। নদলা প্ৰাইমাৰী স্কুলত বিদ্যাৰম্ভ হয়। ১৯১৩ চনত নলবাৰী মজলীয়া বিদ্যালয়ত নাম লগায় আৰু ১৯১৬ চনত গুৱাহাটী কটন কলেজিয়েট বিদ্যালয়ত পঢ়িবলৈ লয়। ১৯১৮ চনত প্ৰথম বিভাগত প্ৰবেশিকা পাছ কৰি কটনৰ বিজ্ঞান শাখাত নাম লিখে। আই-এছ-চি পাছ কৰি বি এ পঢ়িবৰ সময়তে অসহযোগ আন্দোলনত নামে। লোকমান্য তিলক পুঁজিৰ ধন সংগ্ৰহ কৰা সময়ত তেওঁ মহাত্মা গান্ধীৰ ৰাজ-নৈতিক দৰ্শনৰ গ্ৰন্থসমূহ মনোযোগেৰে পঢ়ে। মহাত্মা গান্ধীয়ে অসহ-যোগ আন্দোলনৰ কাৰ্যসূচী স্থগিত ৰখাৰ সময়ত ছাত্ৰ-ছাত্ৰীসকলে নিজ নিজ কৰ্মক্ষেত্ৰত যোগ দিয়ে যদিও চৌধুৰীয়ে পুনৰ কলেজলৈ ঘূৰি নাহি ডিব্ৰুগড়লৈ গৈ চন্দ্ৰকুমাৰ আগৰৱালা প্ৰতিষ্ঠিত সাদিনীয়া অসমীয়াৰ সহকাৰী সম্পাদক ৰূপে কাৰ্যভাৰ গ্ৰহণ কৰে। ১৯২৩ চনত গুৱালকুছি মজলীয়া বিদ্যালয়ত প্ৰধান শিক্ষকৰ কামত নিযুক্তি হ'ল। ১৯২৬ চনত ডিষ্টিংচনসহ বি এ পাছ কৰে। ১৯২৯ চনত আইনৰ শেষ পৰীক্ষাত বিশেষ খ্যাতিৰে উত্তীৰ্ণ হৈ গুৱাহাটীত ওকালতি আৰম্ভ কৰে। ১৯৩৪ চনত চৌধুৰী ধৰ্মপুৰ বৰক্ষেত্ৰী অঞ্চলৰ পৰা লোকেল বৰ্ডৰ সদস্য নিৰ্বাচিত হয়। চৌধুৰীয়ে '৪২ চনৰ ২০

চেপেতম্বৰত গ্ৰেপ্তাৰ বৰণ কৰে। নাট্যকাৰ হিচাপেও তেখেতৰ নাম জনাজাত। চৌধুৰীৰ পৃষ্ঠপোষকতাত 'ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজ'ৰ জন্ম হয়। এই অনুষ্ঠানৰ লগত তেখেতে ২৪ বছৰ ঘনিষ্ঠ-ভাৱে জড়িত হৈ থাকে।

চৌধুৰী এজন বিশিষ্ট সমাজকৰ্মীও আছিল। গুৱাহাটীৰ জে বি ল কলেজ, বি বৰুৱা কলেজ, সন্দিকৈ ছোৱালী কলেজ আদিৰ প্ৰতি-ষ্ঠাপক সদস্য আৰু উদ্যোক্তা হিচাপে থাকি সক্ৰিয় সহায় আগ বঢ়াইছিল। তদুপৰি নিজৰ জন্মস্থান কৈঠালকুছি, চামতা আদি অঞ্চ-লৰ স্কুল, মহাবিদ্যালয় আদি স্থাপন কাৰ্যত জয়চন্দ্ৰ চৌধুৰীৰ উল্লেখ-যোগ্য বৰঙণি আছে।

এনেহেন প্ৰধান অধিবক্তা, সুঅভিনেতা, বিশিষ্ট সমাজকৰ্মী, চৌধুৰী দেৱৰ ১৯৮৮ চনৰ ১৫ ফেব্ৰুৱাৰী তাৰিখে গুৱাহাটীৰ আমবাৰীৰ নিজা বাসভৱনত মৃত্যু হয়। মৃত্যুৰ সময়ত পত্নী শ্ৰীমতী পাৰ্বতী চৌধুৰী, পাঁচগৰাকী বিবাহিতা কন্যা আৰু অধিবক্তা শ্ৰীযতীন চৌধুৰী প্ৰমখ্যে তিনিজন পুত্ৰ এৰি থৈ গৈছে।

জগন্নাথ বৰদলৈ :

গুৱাহাটী। ১৯৩০ চনত ৬ মাহ কাৰাদণ্ড হয়। স্কুল এৰি পিকেটিং কৰি ছমাহ জেল হয়। তেওঁ কংগ্ৰেছৰ বিভিন্ন অনুষ্ঠানৰ লগত যোগাযোগ কৰিছিল। ১৯৭৮ চনত মৃত্যু হয়।

জয়চন্দ্ৰ পাটোৱাৰী :

এওঁৰ ঘৰ বেকেলিৰ সিংৰা অঞ্চলত। ১৯২১ চনত মণ্ডল চাকৰি ইস্তফা দিয়ে। আন্দোলনত সম্পূৰ্ণ সহযোগ কৰাৰ ফলত পুলিচে নিৰ্যাতন দিছিল আৰু পাইকাৰী জৰিমনা ভৰিব লাগিছিল। পুলিচৰ ভয়ত পলাই ফুৰিব লগা হৈছিল। ১৯৬০ চনত মৃত্যু হয়।

জাহাদ শেখ :

এওঁৰ ঘৰ সিংৰা অঞ্চলত। ১৯২১ চনত সাত মাহ কাৰাদণ্ড হয়।

ডঃ জগদীশ চন্দ্ৰ মেধী :

জন্ম স্থান বৰপেটাত। ১৯২১ চনৰ অসহযোগ আন্দোলনত স্কুল

বৰ্জন কৰি কংগ্ৰেছৰ স্বেচ্ছাসেৱক হৈ কামৰূপ জিলাৰ উত্তৰ অঞ্চলত কংগ্ৰেছৰ চাৰিজনীয়া প্ৰাথমিক সদস্য ভৰ্তি আৰু লোকমান্য তিলক পুঁজিৰ ধন সংগ্ৰহৰ কামত ব্যস্ত হৈছিল। চৌৰি-চৌৰাৰ ঘটনাৰ পিছত আন্দোলনৰ বিৰতিৰ পিছত ১৯৩০-৩১ চনত আকৌ সত্যাগ্ৰহ আৰু আইন অমান্য আন্দোলন আৰম্ভ হোৱাত তাত অংশ গ্ৰহণ কৰে। ১৯৩০ চনৰ কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে ছাত্ৰ আন্দোলনত দলে দলে ছাত্ৰ আৰু স্বেচ্ছাসেৱক কাৰাগাৰত সোমাব লগীয়া হোৱাত মেধী চেঙা, সৰ্থেবাৰী আদি ঠাইত স্বেচ্ছাসেৱক সংগঠনত লাগিছিল।

কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত আন্দোলনত বৰপেটাত জাতীয়তাবাদী শিক্ষানুষ্ঠান 'বৰপেটা বিদ্যাপীঠ হাইস্কুল' প্ৰতিষ্ঠা হয় আৰু এই স্কুলৰ প্ৰথম প্ৰধান শিক্ষক ৰূপে নিযুক্ত হয়। মেধীয়ে কলিকতালৈ গৈ কলিকতা বিশ্ববিদ্যালয়ৰ চিণ্ডিকেট সদস্যসকলৰ ঘৰে ঘৰে গৈ স্কুলখনৰ স্বীকৃতি আনে। ১৯৪০ চনত মহাত্মা গান্ধীৰ দ্বাৰা অনুমোদিত ব্যক্তিগত সত্যাগ্ৰহৰ বাবে নলবাৰীৰ ওচৰৰ বেল-শৰত সত্যাগ্ৰহ কৰিবলৈ যোৱাত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু এবছৰ কাৰাদণ্ড ভোগ কৰে। ১৯৪২ চনৰ গণ আন্দোলনতো যোৰহাটৰ জেলত ডেৰ বছৰ থাকে। কাৰাগাৰৰ পৰা ওলোৱাৰ পিছত মেধীক অন্তৰীণ কৰি ৰাখিছিল।

এম এ, বি এল, বাৰ এট ল পাছ কৰা আইন বিষয়ত ডক্টৰেট লাভ কৰা অসমৰ এজন লব্ধপ্ৰতিষ্ঠ আইন ব্যৱসায়ী আছিল।

দেশভক্ত তৰুণৰাম ফুকন ঃ

জন্ম ১৮৭৭ চন। পিতৃ বলোৰাম ফুকন আৰু মাতৃ ভাগিৰথী দেৱী। গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ প্ৰেচিডেন্সি কলেজত ভৰ্তি হয়। তাৰপৰা এফ এ পাছ কৰি বিলাতত বেৰিষ্টাৰ কৰি কলিকতাত আইন ব্যৱসায় কৰে (১৯০৪ চনত)। ১৯০৫ বংগভংগ আন্দোলনত যোগদান। অসম কংগ্ৰেছৰ সভাপতি ১৯৩৩ চনলৈ। ১৯২১ চনৰ ১৮ আগষ্ট তাৰিখে মহাত্মা গান্ধী গুৱা-হাটীলৈ আহি ফুকনৰ ঘৰত আলহী থাকে। লগত মহম্মদ আলী ভাতৃদ্বয়ো আছে। ফুকনে মহাত্মা গান্ধীক অসমৰ বিভিন্ন ঠাইলৈ অসহ-যোগৰ আন্দোলনৰ কামত লৈ যায় আৰু মহাত্মাই দিয়া হিন্দী ভাষণ অসমীয়াত তৰ্জমা কৰি দিয়ে। ১৯২১ চনত ফুকনক এবছৰ কাৰাবাস

দি শিলচৰ জেললৈ পঠিয়ায়। ১৯২৭ চনত ভাৰতীয় কংগ্ৰেছ মহা-সভাৰ কাৰ্যনিৰ্বাহক কমিটিৰ এজন সদস্য নিৰ্বাচিত হয়। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পূৰ্ণ স্বাধীনতাৰ দাবীত গুৱাহাটীৰ জুবিলী বাগিচাত দেশভক্ত তৰুণৰাম ফুকনে জাতীয় পতাকা উৰুৱাই ৰাইজক উৎসাহিত কৰে। ১৯৩০ চনত অসহযোগ আন্দোলনৰ পৰা বিৰতি আৰু ১৯৩২ চনত আন্দোলনত পুনৰ যোগদান। ১৯৩০ চনত কংগ্ৰেছ ত্যাগ কৰি স্বৰাজ দলত যোগ দিয়ে। ১৯৩৪ চনত স্বৰাজ দলৰ প্ৰাৰ্থী হিচাপে নিৰ্বাচনত উঠি হাৰে যদিও ১৯৩৮ চনত বৰদলৈৰ নেতৃত্বাধীন সংযুক্ত মন্ত্ৰীসভা গঠন কৰাত কংগ্ৰেছ দলক সমৰ্থন কৰে।

ফুকন পাকৈত খেলুৱৈ, বিখ্যাত চিকাৰি আৰু ব্যায়ামবীৰ আছিল। নাওখেল, ঘোৰাদৌৰ, সাতোঁৰ আদি অভ্যাস কৰিবলৈ ছাত্ৰসকলক উদ্গনি দিছিল। ১৯২৮ চনত কলিকতাত বহা কংগ্ৰেছ অধিবেশনৰ আগে আগে মতিলাল নেহৰু আৰু ফুকনৰ চহীত সংবিধান কমিটিৰ প্ৰতিবেদন দাখিল কৰা হয়।

ফুকনৰ সাহিত্য কৃতিও কম নাছিল। অধ্যাপক অতুল চন্দ্ৰ হাজৰিকাই লিখিছে, "সকলো সজ গুণকে সামৰি দেশবাসীয়ে ফুকনদেৱক দেশভক্ত উপাধিৰে বিভূষিত কৰিছিল।" স্তুতিমালা, যৌনতত্ত্ব, চিকাৰ কাহিনী, নিংনি ভাৰতীয়াৰ গীত আদি অসমীয়া সাহিত্য ভঁৰাললৈ তেখেতৰ বহুমূলীয়া বৰঙণি।

"তৰিলে দেশ মৰিলে স্বৰ্গ" এই বীজমন্ত্ৰ তৰুণৰাম ফুকনে দেশবাসীক দি গৈছে। তেওঁ আছিল এজন প্ৰকৃত বন্ধু, নিভাঁজ ভদ্ৰলোক আৰু অকপট দেশহিতৈষী পুৰুষ। ১৯৩৯ চনৰ ২৬ জুলাই তাৰিখে অসম মাতৃৰ এই গৰাকী সুসন্তানৰ পৰলোক প্ৰাপ্তি ঘটে।

তাৰিণী চৰণ দাস ঃ

ঘৰ গুৱাহাটীত। ১৯২১ চনত কাৰাদণ্ড আৰু ২৩ টকা জৰিমনা হয়।

ত্ৰিগুণা বৰুৱা ঃ

উত্তৰ গুৱাহাটী ৰজাদুৱাৰত ঘৰ। ১৯২১ চনত সোনাৰাম ফুকনৰ শিক্ষকতা কৰি আন্দোলনত যোগ দিয়ে। এবছৰ কাৰাদণ্ড ভোগে।

১৯০৬ চনত বঙ্গ বিভাজন আৰু স্বদেশী আন্দোলনত গুৱাহাটীৰ কিছুমান ছাত্ৰৰ লগ লাগি ৰেল, জাহাজত মজুৰী কৰি যি পইচা পাইছিল তাক স্বদেশী আন্দোলনৰ বাবে দিছিল আৰু প্ৰখ্যাত বিপ্লৱী সকলৰ লগত সংযোগ স্থাপন কৰিছিল আৰু তেওঁলোকক গুপ্তভাৱে ৰখাত সহায় কৰিছিল। ১৯২২ চনৰ জেলৰ পৰা ওলাই আহি স্কুলত শিক্ষকতা কৰে। এবছৰ কাৰাদণ্ড ভোগ কৰে। শেষত সন্ন্যাস ব্ৰত লৈ তেওঁ নিৰুদ্দেশ হয়।

তাহেৰউদ্দিন আহমেদ ঃ

তেওঁৰ ঘৰ মান্দাকাটাত। ১৯২১ চনত গ্ৰেপ্তাৰ হয়। হাজো তত ৰাখে যদিও প্ৰমাণৰ অভাৱত খালাচ পায়। আকৌ ১৯২২ চনত গ্ৰেপ্তাৰ হয় আৰু তিনিমাহ জেল হয়।

দেৱীসিং পাটোৱাৰী ঃ

ঘৰ খলিহা, মাজপাৰাত। পাটোৱাৰীক কেবাবাৰো আটক কৰিছিল কিন্তু, প্ৰমাণৰ অভাৱত জেল নহ'ল। পাইকাৰী জৰিমনা ভৰিছিল।

দেৱীৰাম সাউদ ঃ

এওঁ ১৯২১ চনত ৬ মাহ ফাটেক খাটে।

দুৰ্গেশ্বৰ বুজৰবৰুৱা ঃ

১৯২১ চনত তিনিমাহ কাৰাদণ্ড হয়। ঘৰ গুৱাহাটীত।

দীননাথ মেধী ঃ

হাজো অঞ্চলৰ ৰামদিয়াত জন্ম। ১৯২১ চনৰ আইন অমান্য আন্দোলনত স্কুল বৰ্জন কৰি 'বিদেশী বস্ত্ৰ বৰ্জন' আন্দোলনত স্বেচ্ছা-সেৱক হিচাপে আত্মনিয়োগ কৰে। পিছত ওকালতি পাছ কৰি গুৱাহাটীত আইন ব্যৱসায় আৰম্ভ কৰে। ১৯৩০ চনত আইন অমান্য আন্দোলনত ওকালতি বাদ দি আন্দোলনৰ কামত যোগ দিয়ে। ১৯৪২ চনৰ 'ভাৰত ত্যাগ' গণ আন্দোলনত এবছৰ এমাহ কাৰাদণ্ডৰ হুকুম লৈ গুৱাহাটী কাৰাগাৰত সোমায়। গান্ধীবাদী কংগ্ৰেছৰ এজন একনিষ্ঠ কৰ্মী আছিল। ৮।১২।৪২ত জেলতে গৈ চিকিউৰিটি প্ৰিজনাৰ

হিচাপে থাকে। ১৯৪৩ চনৰ ২৫ জানুৱাৰীত খালাচ পায়। কিন্তু গুৱাহাটী নগৰতে থকাৰ হুকুম দিয়ে।

দেবেন্দ্ৰ চন্দ্ৰ দাস ঃ

হাজোৰ গণেশটোলাত ঘৰ। ১৯৪০ চনত সত্যাগ্ৰহ আন্দোলনত অংশ লয়। ১৯৪২ চনৰ আন্দোলনত যোগ দিয়াত তিনিমাহ কাৰাদণ্ড হয়। তেওঁ হোমিওপেথিক চিকিৎসক আছিল। ডেকা বয়সতে মৃত্যু বৰণ কৰে।

দেৱপাল দাস ঃ

১৯২১ চনত পঢ়া এৰি আন্দোলনত যোগ দিয়ে। ১৯২১ চনত ৫ মাহ কাৰাদণ্ড হয়। ১৯৪৩ চনত আটক বন্দী কৰি ৰাখে। আজীৱন কংগ্ৰেছৰ সদস্য আছিল। স্বেচ্ছাসেৱক হিচাপে কাৰ্য্য কৰিছিল। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ যদিও আন্দোলনে যোৱা নাছিল চিকিউৰিটি প্ৰিজনাৰ হিচাপে অৱৰুদ্ধ কৰি ৰাখিছিল। নৱগ্ৰহ শ্মশান কমিটিকে ধৰি বহুতো সমাজ হিতকৰ কামত জড়িত আছিল। ১৯৭৮ চনত মৃত্যুবৰণ কৰে।

ধনেশ্বৰ দাস ঃ

ঘৰ গুৱাহাটীকুছিত। ১৯৪২ চনত ৯ মাহ কাৰাদণ্ড হয়। শেহৰ ফালে মৌমান আশ্ৰমত তাঁতী শিল্পী হিচাপে থাকে।

নৰনাৰায়ণ গোস্বামী ঃ

জন্ম ১৯০২, ২ নবেম্বৰ, মুগবীয়া গাঁও, পাটাচাৰকুছি। পিতৃ আত্মাৰাম দেৱ গোস্বামী, মাতৃ মধুপ্ৰিয়া। গোস্বামীৰ ঘৰখন আছিল সভাস্থলী, ধৰ্মস্থলী আৰু শিক্ষাস্থলী। ১৯১৯ চনত বৰপেটা চৰকাৰী হাইস্কুলৰ পৰা গোস্বামীদেৱে প্ৰথম বিভাগত প্ৰবেশিকা পাছ কৰে আৰু সংস্কৃতত লেটাৰ পায়। প্ৰবেশিকা পাছ কৰি গোস্বামীয়ে গুৱাহাটী কটন কলেজৰ পৰা ১৯২৬ চনত আই এ আৰু ১৯২৮ চনত বি এ পাছ কৰে। আইন পঢ়ি থাকোতে ১৯৩০ চনৰ আইন অমান্য আন্দোলনত গোস্বামীয়ে যোগদান কৰে। ১৯৩০ চনৰ ১৭ অক্টোবৰত গোস্বামীয়ে সশ্ৰম কাৰাদণ্ড ভোগ কৰিবলগীয়া হয়। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত গোস্বামীদেৱ এজন দায়িত্বশীল আৰু চৰিত্ৰবান স্বেচ্ছাসেৱক বুলি খ্যাত হৈ পৰে। ১৯৪২ চনৰ ভাৰত

ত্যাগ আন্দোলনতো গোস্বামী জপিয়াই পৰিছিল। ১৯৪২ চনৰ ৮ অক্টোবৰৰ তাৰিখে টিহুৰ এখন বিৰাট ৰাজহুৱা সভাত বক্তৃতা দিয়া অপৰাধত তেখেতক ৬ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। তেখেত অন্যায়, অবিচাৰ আৰু দুৰ্নীতিৰ পৰা সদায় আঁতৰত আছিল। ১৯৫২ চনত নিজ সমষ্টি পাটাচাৰকুছিৰ পৰা এম এল এ নিৰ্বাচিত হৈছিল। ১৯৫৯ চনত জিলা কংগ্ৰেছৰ সভাপতি, গুৱাহাটী উকীল সন্থাৰ সভাপতি, গুৱাহাটী লোকেল বোৰ্ডৰো সভাপতি আছিল। তেখেতে আইনৰ লগতে ধৰ্ম আৰু সাহিত্য চৰ্চাও কৰিছিল। তেখেতৰ সম্পাদিত গ্ৰন্থসমূহ হ'ল দামোদৰ ব্যাখ্যান, দেৱ দামোদৰ গুৰু দৰ্শন, গোপাল মিশ্ৰ কবিৰত্ন বিৰচিত ঘোষাৰত্ন আদি। তদুপৰি তেখেতৰ পৃষ্ঠপোষকতাত 'দামোদৰদেৱ গুৰু' পুথি প্ৰকাশন সমিতি নামৰ প্ৰতিষ্ঠান এটাৰ জন্ম হয়। তেখেতৰ সম্পাদনাত গোপালমিশ্ৰৰ ঘোষাৰত্ন খনি ইংৰাজীত তৰ্জমা কৰি ১৯৭৬ চনত প্ৰকাশ কৰা হৈছে।

গোস্বামীয়ে চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু মুক্তি যুঁজাৰু সন্মানসূচক পেঞ্চন পাইছিল। ক্ষমতাৰ প্ৰতি লোভ নথকা গোস্বামীদেৱে জীৱনৰ চাৰিকুৰি তিনিটা বছৰ আইন চৰ্চা, দেশসেৱা, সমাজসেৱা, ধৰ্ম আৰু সাহিত্য চৰ্চা কৰি ১৯৮৫ চনৰ ১ এপ্ৰিল তাৰিখে গুৱাহাটীৰ মণিপুৰী বস্তিৰ নিজা বাসভৱনত ইহলীলা সম্বৰণ কৰে। মৃত্যুৰ সময়ত তিনিজন সুযোগ্য পুত্ৰ--যতীন, দেবেন, বিজয় আৰু তিনি গৰাকী কন্যা চন্দ্ৰপ্ৰভা, সৰোজ আৰু নীলিমাক এৰি থৈ যায়। গোস্বামীদেৱে নিয়মিতভাৱে দিনলিপি লিখিছিল।

নাৰায়ণ চন্দ্ৰ দাস:

১৯৪২ চনত কাৰাবাস ভুগিছিল গুৱাহাটী কাৰাগাৰত। বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ আদৰ্শবাদত বিশ্বাসী আছিল।

নিধিৰাম দাস:

হাজো অঞ্চলৰ বৰদধি গাঁৱত ১৮৯৫ চনত জন্ম গ্ৰহণ কৰে। ১৯২০ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ শিক্ষকতা কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনত চাকৰি এৰি আন্দোলনত যোগ দি এবছৰ তিনিমাহ কাৰাবৰণ ভুগে। ১৯৪২ চনতো আন্দোলনত 'সক্ৰিয় অংশ লয়। এখেতৰ সূতা কটাত বিশেষ ধাউতি আছিল। এড়ি সূতা

কাটিব পৰা এটা বিশেষ ধৰণৰ যঁতৰ উলিয়াইছিল। এই যঁতৰটোৱে মহাত্মা গান্ধীৰ বিশেষ দৃষ্টি আকৰ্ষণ কৰিছিল। আৰু 'নিধিৰাম চৰকা' নামেৰে যঁতৰটো প্ৰখ্যাত হৈ পৰিছিল।

নগেন্দ্ৰ নাথ শৰ্মা ঃ

ঘৰ বামদিয়াত। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতি-বাদত স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ছমাহ কাৰাবৰণ ভোগে। এওঁ গৌৰীনাথ শৰ্মাৰ পুত্ৰ। ইয়াৰ পিছত তেওঁ ৰামদিয়াৰ খাদীৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৮৮ চনত মৃত্যু হয়।

নৰপতি শৰ্মা ঃ

ঘৰ গুৱালকুছিত। ১৯২১ চন- আন্দোলন কৰাৰ হেতু পাঁচ বেত সৌকাৰৰ কোব দিয়ে। ১৯৪২ চন দুটা ধাৰাত ক্ৰমে ৮ মাহ আৰু ১০ মাহ কাৰাদণ্ড হয়। দুয়োটা কাৰাদণ্ড একেলগে চলাত দহ মাহ কাৰাবাস খাটে।

নবীন শইকীয়া ঃ

এখেতৰ ঘৰ দদ্‌ৰাত। ১৯২১ চনত ৩ মাহ কাৰাদণ্ড হয়। ১৯২১ চনত তেওঁ ডুমডুমাত মদৰ দোকানত পিকেটিং কৰা বাবে তিনিমাহ ডিব্ৰুগড়ত জেল হয়। তাৰ পিছত তেওঁ তাতেই ব্যৱসায় কৰি কংগ্ৰেছৰ ১৯৩০ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল ১৯৮০ চনত মৃত্যু হয়।

নবীন চন্দ্ৰ ভাউকা ঃ

গুৱাহাটীৰ উলুবাৰীত ঘৰ। ১৯২১ চনত কংগ্ৰেছ আন্দোলনত যোগ দিয়ে। ১৯২২ চনত ৩ মাহ জেল হয় পিকেটিং কৰাৰ বাবে। ১৯২২ চনত গয়া কংগ্ৰেছত যোগদান কৰিছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪০-৪২ চনৰ আন্দো-লনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ ঃ

জন্ম—১৮৭৫ চনৰ ৩ নৱেম্বৰ, উত্তৰ গুৱাহাটীত। পিতৃ—মাধৱ বৰদলৈ, মাতৃ—সোমেশ্বৰী। মাতৃদত্তা দৈহিক ঐশ্বৰ্য আৰু নিৰ্মল চৰিত্ৰ,

পিতৃদত্ত মহৎগুণ আৰু স্বোপাৰ্জিত জ্ঞান বিজ্ঞানে নবীনচন্দ্ৰক প্ৰকৃত মানুহ হিচাপে গঢ়ি তুলিছিল। ছাত্ৰ নবীনচন্দ্ৰ তেজপুৰ লিটাৰেৰী ক্লাবৰ সম্পাদক আছিল। ছাত্ৰ অৱস্থাতে নবীনচন্দ্ৰই অসমীয়া ভাষাৰ হকে দাবী তুলি কাকতে-পত্ৰে লিখিছিল। ইংৰাজ চৰকাৰৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰিছিল। বৰদলৈয়ে কলিকতাৰ চেণ্ট জেভিয়াৰ্চ কলেজৰ পৰা আই এ আৰু প্ৰেচিডেন্সী কলেজৰ পৰা বি এ পাছ কৰে। তাৰ পিছত ল পাছ কৰি শিক্ষা জীৱন সিমানতে সমাপ্ত কৰে।

বৰদলৈয়ে ১৯০০ চনত আইন পাছ কৰি গুৱাহাটীত ওকালতি আৰম্ভ কৰে। কেইবছৰমান পিছতে কলিকতা উচ্চ ন্যায়ালয়লৈ যায় আৰু ১৯০৮ চনৰ পৰা একেৰাহে ১৯১৮ চনলৈ তাত আইন ব্যৱসায় কৰি অসহযোগ আন্দোলনৰ আগে আগে পুনৰ গুৱাহাটীলৈ আহে। তাৰ পিছত অসম এচোচিয়েচনৰ লগত ঘনিষ্ঠভাবে জড়িত হৈ পৰি অসমৰ স্বায়ত্ব শাসন সম্পৰ্কে ইংৰাজ চৰকাৰৰ ওচৰত নথী পেচ কৰে। ১৯২০ চনত মহাত্মা গান্ধীৰ লগত সাক্ষাত হয়। মহাত্মা গান্ধীয়ে বৰদলৈৰ বিচক্ষণ বুদ্ধিৰ পৰিচয় পাই কংগ্ৰেছৰ সংবিধান সংশোধন কৰা দুজনীয়া কমিটিৰ বৰদলৈক সদস্য পাতে। প্ৰথম দৰ্শনতেই মহাত্মাই ডেকা নবীনচন্দ্ৰ বৰদলৈৰ সম্পৰ্কত যি উচ্চ ধাৰণা লৈছিল নবীনচন্দ্ৰই তাক ৰক্ষা কৰিবলৈ প্ৰাণপনে চেষ্টা কৰিছিল। পৰিণতি স্বৰূপে বৰদলৈয়ে এদিন সৰ্বভাৰতীয় নেতাৰ আগ শাৰীত বহি কৰ্মবীৰ উপাধি লাভ কৰিছিল।

মহাত্মা গান্ধীৰ আহ্বানক্ৰমে বৰদলৈয়ে ওকালতি এৰি আন্দোলনত আত্মানিয়োগ কৰে। ১৯২১ চনত মহাত্মাই অসম ভ্ৰমণ কৰাৰ পিছত উসটি গৈ লাভলি আসাম' শিৰোনামাত বৰদলৈৰ নাম উল্লেখ কৰিছিল। আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি বৰদলৈ গ্ৰেপ্তাৰ হয় আৰু সেই যাত্ৰাত ১৮ মাহ কাৰাদণ্ড ভোগে। ১৯৩২ চনত বৰদলৈ গুৱাহাটী জিলা কংগ্ৰেছ কমিটিৰ সভাপতি আছিল। বৰদলৈ এগৰাকী সৰ্বভাৰতীয় ৰাজনীতিবিদ হোৱাৰ উপৰিও প্ৰথম শ্ৰেণীৰ উকীল, প্ৰবীণ কবি সাহিত্যিক আৰু গায়ক আৰু গীতিকাৰ আছিল। বৰদলৈ বহুভাষী লোক আছিল।

পুৰাৰাম পাটোৱাৰী ঃ

বকো অঞ্চলৰ ভটিপাৰাত ঘৰ। ১৯২১ চনত তেওঁ বকো অঞ্চলৰ খাজনা বন্ধ আন্দোলনৰ প্ৰচাৰ কাৰ্য চলাইছিল। তেওঁক পুলিচে ঘৰ খানাতালাচ কৰি আৰু বিভিন্ন অত্যাচাৰ কৰিছিল। কংগ্ৰেছৰ আন্দোলনত সদায় সহযোগ কৰি আহিছিল। ১৯৫৪ চনত মৃত্যু হয়।

পয়োধৰ বৰুৱা ঃ

ঘৰ আৰু জন্ম উত্তৰ গুৱাহাটীত।

১০৯১ চনত কংগ্ৰেছত যোগদান কৰে আৰু উত্তৰ গুৱাহাটীত প্ৰাথমিক কংগ্ৰেছ গঠন কৰে আৰু তাৰ সভাপতি হয়। ১৯২১ চনত ৯ মাহ কাৰাদণ্ড হয়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩২ চনৰ আন্দোলনত স্বেচ্ছাসেৱক সংগঠন আৰু গঠনমূলক কামত আত্মনিয়োগ কৰে। পুলিচৰ গ্ৰেপ্তাৰ পৰোৱানা জাৰি হোৱাত তেওঁ আত্মগোপন কৰে। গান্ধী আৰু আইন যুদ্ধৰ পিছত পুনৰ কংগ্ৰেছৰ কাৰ্যত লাগে। ১৯৪১ চনত সত্যাগ্ৰহত তেওঁ গ্ৰেপ্তাৰ হোৱা নাছিল। অসমৰ পলাতক কংগ্ৰেছৰ কৰ্মীসকলক তেওঁ গুপুতে আশ্ৰয় দি ৰাখিছিল। ১৯৫৮ চনত তেওঁৰ মৃত্যু হয়।

পমুউদ্দিন আহমেদ ঃ

১৯২২ চনত ৪ মাহ জেল খাইছিল। খিলাফট্‌ আন্দোলনৰ এজন প্ৰধান হোতা আছিল। ৰাষ্ট্ৰীয় ঐক্যৰ হকে অনেক কাম কৰিছিল।

ডাঃ প্ৰিয়নাথ শৰ্মা ঃ

পিতৃৰ নাম দেৱ শৰ্মা, মাতৃ কমলা দেৱী। ইং ১৯১২ চনত বজালী অঞ্চলৰ ভোগপুৰ গাঁৱত জন্মগ্ৰহণ কৰে। ১৯৩০ চনত কুখ্যাত কানিংহাম চাৰ্কুলাৰ উপেক্ষা কৰি অসহযোগ আন্দোলনত যোগ দিয়াত তিনিমাহ কাৰাদণ্ড হয়। ১৯৩৭ চনত কলিকতাৰ হোমিঅ'-প্যাথিক কলেজৰ পৰা পাছ কৰি হোমিঅ'প্যাথিক চিকিৎসা ব্যৱসায় আৰম্ভ কৰে।

সত্যাগ্ৰহত অংশ গ্ৰহণ কৰাৰ কাৰণে ১৮।১।৪১ তাৰিখে গ্ৰেপ্তাৰ হৈ ছমাহ কাৰাদণ্ড ভোগে। তাৰ পাছত ডিব্ৰুগড়ৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত ৯।৮।৪১ তাৰিখে সত্যাগ্ৰহ কৰাৰ কাৰণে তেখেতক

গ্ৰেপ্তাৰ কৰি হ্যবিৰ মাজত এৰি দিয়েগৈ। পুনৰ ডিব্ৰুগড়ত সত্যাগ্ৰহ কৰাৰ কাৰণে ১১।১।৪১ তাৰিখে এবছৰ কাৰাদণ্ড হয়। ১৯৪২ চনত 'ভাৰত ত্যাগ' গণ আন্দোলনত ৭।৯।৪২ তাৰিখে তেখেতে গ্ৰেপ্তাৰ হৈ গুৱাহাটী কাৰাগাৰত সোমায় আৰু নিৰাপত্তা বন্দী হিচাপে দুবছৰ তিনিমাহ কাৰাবাস খাটে।

সৰভোগৰ পৰা চাৰি মাইল উত্তৰে কমাৰ গাঁৱত মোহনচন্দ্ৰ ভকত নামৰ এজন যুক্তি যুঁজাৰুৱে ১২ বিঘা মাটি দান দিয়াত বৰপেটা জিলা কংগ্ৰেছৰ উদ্যোগত তাত এখন 'গান্ধী আশ্ৰম' নামেৰে সৰ্বোদয় আশ্ৰম স্থাপিত হোৱাত ডাঃ প্ৰিয়নাথ শৰ্মা ১৯৪৫ চনৰ পৰা ১৯৫০ চন পৰ্যন্ত সেই আশ্ৰমত অধ্যক্ষ স্বৰূপে থাকে। অৱশেষত ১৯৬৩ চনত ৫১ বছৰ বয়সত ডাঃ শৰ্মাৰ পৰলোকপ্ৰাপ্তি ঘটে।

পদ্মচন্দ্ৰ গগৈ ঃ

জন্মস্থান গুৱাহাটীত। ১৯৩০ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। ১৯৩২ চনত সাতমাহ কাৰাদণ্ড হয়। কলিকতাত বহা কংগ্ৰেছলৈ যোৱাৰ পথত গ্ৰেপ্তাৰ হৈ দিনাজপুৰ জেলত ৭ দিন আটক কৰি ৰাখে। এখেতে গুৱাহাটি কাছাৰী ঘৰৰ ওপৰৰ পৰা ইউনিয়ন জেক পতাকা নমাই আনিছিল। গুৱাহাটী পাণবজাৰত ঘড়ীৰ ব্যৱসায় আৰম্ভ কৰি প্ৰসিদ্ধ হৈ পৰে।

প্ৰফুল্লচন্দ্ৰ দাস ঃ

ঘৰ হাজোৰ ভৰালী টোলাত। পিতৃৰ নাম ভেলেকা দাস। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়াত তিনিমাহ ফাটেক হয়। ১৩।৯।৪২ত কাৰাবৰণ কৰে আৰু ১৫।১২।৪২ অত জেলৰ পৰা মুক্তি পায়।

ফখৰুদ্দিন আলী আহমেদ ঃ

১৯০৫ চনৰ ১৩ মে, দিল্লীত জন্ম হয়। পিতৃ কৰ্ণেল জালনুৰ আলি। উত্তৰ প্ৰদেশৰ গোণ্ডা আৰু দিল্লীৰ চৰকাৰী বিদ্যালয়ত পঢ়াশলীয়া শিক্ষা লাভ কৰি পঞ্জাৱ বিশ্ববিদ্যালয়ৰ পৰা ১৯২১ চনত প্ৰৱেশিকা পাছ কৰে। বিলাতৰ চেন্ট কেথাৰিণ কলেজৰ পৰা বি এ পাছ কৰে। আইনৰ স্নাতক হৈ 'ইনাৰ টেম্পল'ত নিযুক্তি লাভ কৰে। বিলাতৰ পৰা উভতি আহি প্ৰথমে পঞ্জাৱ উচ্চ ন্যায়ালয়ত

আইন ব্যৱসায় আৰম্ভ কৰি ১৯২৮ চনত অসমলৈ আহে। মহাত্মা গান্ধীৰ আদৰ্শত অটল বিশ্বাস স্থাপন কৰি ১৯৩১ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য পদ লাভ। ১৯৩৭ চনত অসমৰ শীৰ্ষস্থানীয় কংগ্ৰেছ নেতাৰ লগ হৈ মুছলিম লীগৰ বিৰোধিতা কৰে। ১৯৩৭ চনত আলী আহমেদ অসম বিধান সভালৈ নিৰ্বাচিত। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্ৰহত যোগ দি ১৪ ডিচেম্বৰ তাৰিখে ঘগ্ৰাপাৰত গ্ৰেপ্তাৰ বৰণ কৰি এবছৰ কাৰাবাস খাটে। তেখেতক তেজপুৰ জেললৈ বদলি কৰে আৰু ১৯৪১ চনৰ ১৩ ডিচেম্বৰ তাৰিখে মুক্তি দিয়ে। ১৯৪২ চনৰ ৯ আগষ্ট তাৰিখে ভাৰত প্ৰতিৰক্ষা আইনৰ বলত গ্ৰেপ্তাৰ কৰি প্ৰথমে যোৰহাট জেলত ৰাখি ২৯ আগষ্ট তাৰিখে তেজপুৰ জেললৈ বদলি কৰে। সেইবাৰত তেখেতক দুবছৰ কাৰা-বাস দিয়ে। ১৯৪৬ চনত ফখৰুউদ্দিন আলী আহমদ অসম হাই-কোৰ্টৰ এডভোকেট জেনেৰেল হয়। ১৯৫২-৫৩ চনত ৰাজ্যসভালৈ নিৰ্বাচিত হয়। ১৯৫৭ চনত মেধী মন্ত্ৰীসভাৰ জলসিঞ্চন আৰু শিক্ষা মন্ত্ৰীৰ দপ্তৰ লৈ নিষ্ঠাসহকাৰে পালন কৰে।

১৯৬৭ চনত বৰপেটা সমষ্টিৰ পৰা লোক সভালৈ নিৰ্বাচিত। সেই বছৰত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ উদ্যোগ আৰু কোম্পানী বিষয়ৰ দপ্তৰ গ্ৰহণ কৰে। ১৯৭০ চনৰ ২৭ জুন তাৰিখে খাদ্য আৰু কৃষি দপ্তৰৰ মন্ত্ৰীত্ব পদ গ্ৰহণ কৰে। ১৯৫৫ চনত ভাৰতীয় আইন ব্যৱসায়ীৰ প্ৰতিনিধি হৈ ৰাচিয়ালৈ যায়। ১৯৫৭ চনত ৰাষ্ট্ৰসংঘত ভাৰতক প্ৰতিনিধিত্ব কৰি আমেৰিকালৈ যায়। ভাৰত চৰকাৰৰ প্ৰতিনিধি হিচাপে ১৯৬৫ চনত মালয়েচিয়াৰ স্বাধীনতা উৎসৱত যোগদান কৰে। ১৯৭৩ চনত অষ্ট্ৰেলিয়ালৈ যায় আৰু বিশ্বখাদ্য আৰু কৃষি সম্মিলনত যোগ দিয়ে। নিপুন খেলুৱৈ হিচাপে অসম ফুটবল আৰু ক্ৰিকেট এচোচিয়েচনৰ সভাপতি আছিল। ১৯৭৪ চনৰ আগষ্ট মাহত ফখৰুদ্দিন আলি আহমেদ ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হয়। মৈত্ৰী, সংহতি আৰু সম্প্ৰীতি স্থাপনৰ উদ্দেশ্যে তেওঁ বহুতো দেশ ভ্ৰমণ কৰে। ১৯৭৭ চনৰ ১১ ফেব্ৰুৱাৰীত হৃদৰোগত আক্ৰান্ত হৈ ভাৰতৰ পঞ্চম ৰাষ্ট্ৰপতি আলি আহমদৰ ৰাষ্ট্ৰপতি ভৱনতে পৰলোক প্ৰাপ্তি ঘটে।

বছিৰুদ্দিন ঃ

বৰকোৰ পানেৰীত জন্ম। ১৯২১ চনত মণ্ডল চাকৰি ত্যাগ কৰি

অসহযোগ আন্দোলনত যোগ দিয়ে। তেওঁ এজন প্ৰধান খিলাফৎ কৰ্মীও আছিল আৰু নিৰ্যাতিত হৈছিল। ঘৰ খানাতালাচ কৰি গ্ৰেপ্তাৰ কৰি ছমাহ জেল দিয়ে। জেলৰ পৰা মুক্ত হৈ কিছুদিন কংগ্ৰেছৰ কাম কৰিছিল। সেই অঞ্চলৰ এজন লেখত লব লগীয়া কংগ্ৰেছ কৰ্মী হিচাপে বিভিন্ন উন্নয়নমূলক কামত আগভাগ লৈছিল। ১৯৮৬ চনত মৃত্যু হয়।

বসন্ত ৰাম দাস:

জন্ম হাজোৰ গণেশটোলাত। ১৯৩০ চনত স্কুল এৰি আন্দোলনত যোগ দিয়াৰ কাৰণে তিনিমাহ কাৰাদণ্ড ভোগে।

বীৰদত্ত মেধী:

মেধীৰ জন্ম হাজোৰ ভবানীটোলাত। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়াৰ কাৰণে তিনিমাহ স্কাটেক হয়। পিছত এম বি বি এছ পাছ কৰি চৰকাৰী চিকিৎসকৰ পদত নিযুক্তি পায়।

বিষ্ণুৰাম মেধি:

জন্ম ৪ এপ্ৰিল ১৮৮৮; মৃত্যু ২৩ এপ্ৰিল ১৯৮০। হাজোত জন্ম লাভ কৰি গুৱাহাটী কলেজিয়েট হাইস্কুলৰ পৰা ১৯০৩ চনত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ। ১৯০৭ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্নাতক আৰু ১৯১১ চনত ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ৰসায়ন বিভাগত স্নাতকোত্তৰ উপাধি লাভ। ১৯১৪ চনত আইনৰ স্নাতক পৰীক্ষা লাভ কৰি গুৱাহাটীত ওকালতি আৰম্ভ। ১৯০৫ চনৰ বংগ ভংগ আন্দোলনৰ সময়ৰ পৰা দেশপ্ৰেমত উদ্বুদ্ধ হৈ ১৯২১ চনৰ সময়ত অসহযোগ আন্দোলনত যোগদান। ৩১ ডিচেম্বৰত গ্ৰেপ্তাৰ বৰণ কৰি চিলেট জেলত ১৯২২ চনৰ ২৫ ডিচেম্বৰলৈ কাৰাবৰণ। ১৯৩০ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি নিৰ্বাচিত। ১৯৩০ চনৰ আন্দোলনত ১৫ চেপ্তেম্বৰত গ্ৰেপ্তাৰ বৰণ আৰু ছমাহ সশ্ৰম কাৰাদণ্ড আৰু ২০০ টকা জৰিমনাৰে দণ্ডিত। ১৯৩১ চনত কলিকতা অধিবেশনলৈ যোৱাৰ পথত পাৰ্বতীপুৰ ৰেলষ্টেচনত গ্ৰেপ্তাৰ আৰু স্থানীয় জেলত এসপ্তাহলৈ বন্দী। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলনৰ সন্দৰ্ভত এসপ্তাহলৈ বন্দী। ১৯৪০ চনৰ ১৩ ডিচেম্বৰত গ্ৰেপ্তাৰ আৰু এবছৰ বিনা সশ্ৰম কাৰাদণ্ড। বিয়াল্লিছৰ আন্দোলনত

৯ আগষ্টত গ্ৰেপ্তাৰ আৰু দুবছৰ কাল আটকবন্দী হিচাপে থকাৰ পিছত মুক্তি লাভ।

মেধি অসমৰ অন্যতম খ্যাতিসম্পন্ন অধিবক্তা। ১৯৩৭ চনত গুৱাহাটী লোকেল বোৰ্ডৰ প্ৰথম কংগ্ৰেছী চেয়াৰমেন। ১৯৩৮ চনত অসম বিধান সভালৈ কমলপুৰ সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী হিচাপে নিৰ্বাচিত আৰু বৰদলৈ মন্ত্ৰীসভাৰ ৰাজহ আৰু বিত্ত বিভাগৰ মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ। বৰদলৈৰ মৃত্যুৰ পিছত ১৯৫০ চনত অসমৰ মুখ্য-মন্ত্ৰীৰ পদ গ্ৰহণ। ১৯৫৭ চনৰ ডিচেম্বৰ মাহত মুখ্যমন্ত্ৰী পদৰ পৰা পদত্যাগ আৰু মাদ্ৰাজ তথা তামিলনাডুত ৰাজ্যপাল নিযুক্ত। মাদ্ৰাজত সুখ্যাতিৰে ৰাজ্যপালৰ দায়িত্ব গ্ৰহণৰ পিছত ১৯৬২ চনত পুনৰ অসম বিধান সভালৈ নিৰ্বাচিত। ১৯৬৭ চনৰ পৰা ৰাজনীতিৰ পৰা অব্যাহতি।

সুদৃঢ়মনা মেধি অসমৰ কংগ্ৰেছৰ আগশাৰীৰ নেতা। অসমৰ ভূমিনীতি, ৰাজ্য পুনৰ গঠন আৰু পাৰ্বত্য সমস্যা সমাধানৰ বলিষ্ঠ নেতৃত্ব। তেওঁৰ মৃত্যুৰ পূৰ্বে তেওঁৰ গুৱাহাটীৰ বাসভৱন আৰু হাজোৰ নিজা ঘৰৰ সম্পত্তি শিশুকল্যাণৰ কামৰ কাৰণে দান। গুৱা-হাটীৰ বাসভৱনত তেওঁ আৰু পত্নী নিৰ্মলা মেধিৰ নামত 'বিষ্ণু-নিৰ্মলা মেধি' নামৰ ভৱিষ্যতে শিশু পাঠাগাৰত পৰিণত। অসম চৰকাৰে এই পাঠাগাৰ অধিগ্ৰহণ কৰি চৰকাৰৰ তত্বাৱধানত পৰিচালনা কৰিছে। ১৯৮৮ চনত তেওঁৰ জন্ম শতবাৰ্ষিকী পালন কৰা হয়। ভাৰত চৰকাৰে তেওঁৰ স্মৃতিত ডাক টিকট প্ৰচাৰ কৰে।

বক্তিৰাম ভৰালী :

জন্ম ৰামদিয়াত। ১৯৩০ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। তিনিমাহ কাৰাবৰণ ভোগ কৰে। চাকৰিৰ অৱসৰৰ পিছত মৃত্যু বৰণ কৰে।

বিপিনচন্দ্ৰ ভাউকা :

খাটলপাৰা বকো অঞ্চলত ঘৰ। ১৯২১ চনৰ খাজনা বন্ধ আন্দোলনৰ এজন সক্ৰিয় সংগঠক আছিল। পুলিচে গ্ৰেপ্তাৰ কৰি ৮ টকা জৰিমনা কৰে অনাদায়ে এসপ্তাহ জেল হয়। বিভিন্ন পুলিচ মিলিটেৰীৰ দ্বাৰা নিৰ্য্যাতিত হৈছিল। ১৯৩০-৩২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। বিভিন্ন গঠনমূলক কামত আগভাগ লৈছিল।

লোকবন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱা ঃ

জন্ম ১৮৯৩, ১৮ ভাদ, ডিব্ৰুগড়ৰ খলিহামাৰীত। পিতৃ জীৱেশ্বৰ বৰুৱা আৰু মাতৃ গিৰিজা বৰুৱা। তেওঁ দহ বছৰলৈ স্কুললৈ যোৱা নাছিল। পিছত গুৱাহাটীৰ ৰবিনাৰায়ণ বৰাৰ ঘৰত থাকি পঢ়া-শুনা কৰিলে। তাৰ পাছত ডিব্ৰুগড়লৈ গৈ তাতে কুঞ্জলাল বৰুৱাৰ যত্নত পঢ়িবলৈ ললে। ১৯১৪ চনত আই এচ চি দ্বিতীয় বিভাগত পাছ কৰি সহকাৰী স্কুল পৰিদৰ্শক হ'ল।

ডাঃ বৰুৱা তুৰাত থাকোতে তেওঁক মিঃ স্মল চাহাবে প্ৰমোচন দিব খোজাত বৰুৱাই কলিকতাত ডাক্তৰী পঢ়াৰ সুবিধা কৰি দিবলৈ অনুৰোধ জনালে। সেইমতে কলিকতাত ডাক্তৰী পাছ কৰি ডিব্ৰু-গড়লৈ আহি অসহযোগ আন্দোলনত নামি গ'ল। তেখেতে ডাঃ বিধান চন্দ্ৰ ৰায়ৰ কৃতী ছাত্ৰ আছিল। দৰিদ্ৰ, নিষ্পেষিত, নিৰাশ্ৰয়ৰ কাৰণে ডাঃ ভুবনেশ্বৰ বৰুৱা আছিল নৰৰূপী নাৰায়ণ। সংসাৰক্ষেত্ৰত ডাঃ বৰুৱা আদৰ্শ স্বামী, আদৰ্শ পিতৃ আৰু আদৰ্শ চুবুৰীয়া আছিল। ডাক্তৰ বৰুৱাৰ নাচ-গান, থিয়েটাৰ-চিনেমা, চাৰ্কাচ আদি চোৱাত নিচা আছিল। ডাক্তৰ বৰুৱাৰ অন্তৰ শিশুৰ দৰে কোমল আছিল। তেখেতৰ গান্ধীবাদত অসীম আৰু দৃঢ় আস্থা আছিল। পুৱা আৰু গধূলি নিয়মীয়াকৈ সূতা কাটিছিল। চৰকাৰৰ পৰা বৃত্তি লৈ ডাক্তৰী পাছ কৰা কাৰণে প্ৰতিশ্ৰুতিবদ্ধ হৈ ডাঃ বৰুৱা ডিব্ৰুগড়, মঙ্গলদৈ, বৰপেটা আদিত কিছুদিন চাকৰি কৰিব লগা হৈছিল। প্ৰকৃততে তেখেতৰ দুই নাওত দুই ভৰি আছিল। একালে মুক্তি যুদ্ধ আনফালে প্ৰতিশ্ৰুতিবদ্ধ। ডাঃ বৰুৱা বহুবাৰ জেললৈ যাবলগীয়া হৈছিল যদিও কোনোবাৰতে বেছিদিন জেলত থাকিবলগা নহৈছিল। ১৯২১ চনত তেখেতে চৰকাৰী চাকৰি বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগ দিয়ে। জালিয়ানৱালাবাগ প্ৰতিবাদ দিবসত বক্তৃতা দি ১৯৩২ চনৰ ২৫ এপ্ৰিল তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি তিনিমাহ সশ্ৰম কাৰাবাস খাটে আৰু এশ টকা জৰিমনা কৰে। জৰিমনা অনাদায়ে অধিক এমাহ জেল খাটে। শিলচৰ জেললৈ বদলি কৰে। ১৯৩৯ চনৰ পৰা ১৯৫৬ চনলৈ গুৱাহাটী জিলা কংগ্ৰেছৰ সভাপতি হৈ থাকে। ১৯৪১ চনত ভজিগত সত্যাগ্ৰহত ২১ ফেব্ৰুৱাৰী পৰা ২৮ ফেব্ৰুৱাৰীলৈকে

যোগ দিয়ে আৰু শেষৰ দিনা জিয়াকুৰত প্ৰেপ্তাৰ বৰণ কৰে। তাত তেখেতৰ ৫ মাহ জেল আৰু পাঁচশ টকা জৰিমনা হয়। ১৯৪২ চনৰ ৮ অক্টোবৰৰ দিনা চিহৃত বক্তৃতা দিয়া অপৰাধত ৪ মাহ কাৰাদণ্ড ভোগে। তেখেত মন্ত্ৰী হোৱাৰ যোগ্য হৈও কিয় মন্ত্ৰী হ'ব খোজা নাছিল তাৰ যুক্তি দি কৈছিল, "তেওঁলোকৰ ওপৰত থাকি কামবোৰ কৰিবলৈহে সুষ্ট আছো। দলত থাকিলে সাহসেৰে কথা কোৱাৰ সুবিধা নাথাকে। বাহিৰত থাকি মন্ত্ৰী, এম এল এৰ ভুলবোৰ আঙুলিয়াই দি তাক সংশোধন কৰাত মোৰ শক্তি খৰচ কৰিম।"

নিচুৰ কালে ১৯৫৬ চনৰ ২৫ চেপ্তেম্বৰৰ দিনা মাত্ৰ তিনিকুৰি বছৰ বয়সত তেখেতক হৰি নিলে। তেখেতৰ স্মৃতিত ডাঃ ভুবনেশ্বৰ বৰুৱা কেন্সাৰ হস্পিতাল স্থাপিত হৈছে।

ভবেন্দ্ৰ চৌধুৰী ঃ

পিতৃ কালীৰাম চৌধুৰী। ঘৰ গুৱাহাটীত। ১৯৩০ চনত ৩ মাহ কাৰাদণ্ড হয়। ভবলুমুখত জন্ম। ১৯২১ চনত কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত যোগদান কৰে। গুৱাহাটী, আজৰা, ধাৰাপুৰ, গাৰীগাঁও আদিত কংগ্ৰেছৰ সাংগঠনিক কাম কৰে। ১৯২২ চনত তিনিমাহ জেল হয়। তেওঁ পুনৰ কলেজত ভৰ্তি হৈ বি এল পাছ কৰি ওকালতি কৰে। পিছত জিলা চেচন জাজ হয়। ১৯৮০ চনত মৃত্যু বৰণ কৰে।

ভুবনেশ্বৰ ডেকা ঃ

তেওঁ প্ৰথমতে এজন গাঁৱলীয়া দোকানী আছিল। কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈয়ে পদযাত্ৰা কৰি গাঁৱে গাঁৱে প্ৰচাৰ কাৰ্য কৰি ৰাতি বৰঘুণত তেওঁ গাঁৱৰ দোকানখনলৈ যায় আৰু দুৱাৰ খুলি নিদি কহাৰ বুঢ়াই (ভুবনেশ্বৰ ডেকা) জিওৰৰ পৰা "কৰ ভলন্টিয়াৰ আহিছু" বুলি ভৰ্ৎসনা কৰে। বৰদলৈয়ে বুজোৱা সত্বেও তেওঁ দুৱাৰ খুলি নিদিয়াত বৰদলৈ গুচি আহে। পিছদিনা সেইজন বৰদলৈ বুলি গম পাই তেওঁৰ ওচৰলৈ আহি ক্ষমা প্ৰাৰ্থনা বিচাৰে আৰু ইয়াৰ পাছত তেওঁ কংগ্ৰেছৰ স্বেচ্ছাসেৱক হৈ কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰে। তেওঁ তৰুণৰাম ফুকন আৰু বৰদলৈ দেৱৰ প্ৰিয়পাত্ৰ হয়। ১৯৩০ চনত শিৱিৰত তেওঁ নগৰ আৰু গাঁৱৰ পৰা ভিক্ষা কৰি আনি শাক-

পাচনি-চাউল আদিৰ যোগান ধৰিছিল। শেষ বয়সলৈকে বিভিন্ন সেৱাৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৪৮ চনত তেওঁৰ মৃত্যু হয়।

ভুবন দাস ঃ

১৯৪২ চনত তেওঁক বৰপেটাৰ পৰা কৰায়ত্ব কৰি গুৱাহাটী জেলত এবছৰকাল সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। ১৯৪২ চনত গোপীনাথ বৰদলৈৰ প্ৰেৰণাৰে তেওঁ প্ৰাকৃতিক চিকিৎসক মথুৰানাথ মহন্তৰ লগত অকলে আহি নিগাজীকৈ থাকিব লয়। পোনতে মৌমান আশ্ৰমক হৰিজন আশ্ৰম নাম দি আৰম্ভ কৰা হৈছিল যদিও পিছলৈ ই গঠনমূলক কামৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি উঠে। ১৯৮৩ চনৰ ২৫ আগষ্টৰ দিনা দাসৰ কৰ্মময় জীৱনৰ অৱসান ঘটে।

ভুবন দাস ঃ

বৰপেটা সত্ৰত জন্ম ১৯১৮ চনৰ ২৫ চেপ্তেম্বৰত। পিতাকৰ নাম ৰবিৰাম দাস আৰু মাকৰ নাম সোনেশ্বৰী দেৱী। সৰুকালতে পিতৃমাতৃক হেৰুৱায়। খুৰাক গোপাল দাসে লালন-পালন কৰে। ১৯২৯ চনত হাইস্কুলত ভৰ্তি হয়। স্কুলীয়া শিক্ষা শেষ কৰি তেওঁ গান্ধীজীৰ গঠনমূলক কামত ব্ৰতী হয়। ১৯৬৫ চনত লোকপ্ৰিয় গোপীনাথ বৰদলৈ ৰাষ্ট্ৰীয় সংস্থা নাম দি হিন্দী বিদ্যালয়ৰ সম্পাদক হিচাপে তেওঁ ১৯৮৩ চনলৈকে কাম চলায়। ১৯৪৪ চনতে ৰকোৰ মৌমান সেৱাশ্ৰম স্থাপিত হয় আৰু তেতিয়াৰ পৰা দাসে এই জনজাতীয় অঞ্চলৰ সেৱাৰ কাম কৰি থাকে। দাসে বহুতো সংগঠনমূলক কাম আৰু ধৰ্মীয় সংগঠনৰ লগত জড়িত হৈ পৰে। যেনে অসম মুক্তি যুঁজাৰু সংস্থা, অসম গো-সেৱা সমিতি, অসম সৰ্বোদয় মণ্ডল, অসম ভূদান বোৰ্ড, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, প্ৰাকৃতিক চিকিৎসা, শ্ৰীমন্ত শঙ্কৰ মিচন ইত্যাদি।

তেওঁ সেৱাশ্ৰমত কাম কৰি থকা কালতে বৰপেটা আমবাৰী হাটীৰ জীয়ৰী শ্ৰীপ্ৰফুল্ল বালা দাসক বিয়া কৰায়। বিয়াৰ পিছতে তেওঁ ১৯৪৯ চনত তেওঁৰ পত্নীক ৱাৰ্দ্ধাৰ সেৱাশ্ৰমত নয়ী তালিম প্ৰশিক্ষণ কেন্দ্ৰত প্ৰশিক্ষণ দিয়ে। বৰ্তমানেও তেওঁৰ পত্নীয়ে স্বামীৰ ধ্যান-ধাৰণাৰে কাম কৰি আছে।

অসমত বিনোবাজীৰ পদযাত্ৰাৰ সময়ত তেওঁ বিনোবাজীৰ কাৰ্য-ক্ৰম সফল কৰিবলৈ দেহে কেহে যত্ন কৰিছিল আৰু অসমৰ বহুতো ঠাইত পদব্ৰজে ভ্ৰমণ কৰিছিল।

ভোলানাথ কলিতা :

জন্ম বামদিয়াত। ১৯৩০ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। পলাশবাৰীত পিকেটিং কৰি গ্ৰেপ্তাৰ হয় আৰু ২ মাহ জেল খাটে। কংগ্ৰেছৰ গঠনমূলক কামত যোগদান কৰে। ১৯৪২ চনৰ আন্দোলনত সম্পূৰ্ণভাবে সহযোগ কৰিছিল। বামদিয়া অঞ্চলৰ বিভিন্ন গঠনমূলক কামৰ লগত জড়িত আছিল। অবসৰৰ পিছত ১৯৮৫ চনত মৃত্যু হয়।

মৌলানা তৈয়বউল্লা ঃ

গোলাঘাট বেজবৰুৱা হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰি ১৯০৯ চনত কলিকতা বিশ্ববিদ্যালয়ৰ শেষ এণ্ট্ৰেন্স পৰীক্ষাত অসমৰ ভিতৰত প্ৰথম হৈ উত্তীৰ্ণ হয়। কটন কলেজত পঢ়িছিল, পাছত আইন পৰীক্ষা পাছ কৰি ১৯১৯ চনত ওকালতি আৰম্ভ কৰে। ১৯২১ চনত অসহযোগ আন্দোলনৰ সময়ত অসমৰ ৰাজনীতিত যোগদান। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ সম্পাদক আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰো সাধাৰণ সম্পাদক। ১৯৪০ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি। ১৯৪১ চনত বৰপেটা জেলত কাৰাবৰণ। '৪২ ৰ আন্দোলনত ৯ আগষ্টৰ দিনা গ্ৰেপ্তাৰ হৈ ১৯৪৫ চনৰ ২৭ মাৰ্চ পৰ্যন্ত কাৰাবাস। ১৯৪৭ চনৰ ১৪ আগষ্টৰ অসম ৰাজপত্ৰৰ ঘোষণা অনুসৰি তৈয়বউল্লা দৰং সমষ্টিৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হয় আৰু ১৯৪৮ চনৰ ৫ মাৰ্চ তাৰিখে মন্ত্ৰীত্বৰ শপত গ্ৰহণ কৰি আবকাৰী প্ৰচাৰ আৰু জেইল বিভাগৰ দায়িত্ব লয়। ১৯৫০ চনৰ ২০ জানুৱাৰী তাৰিখে মন্ত্ৰীপদ ইস্তফা দি অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ধনভৰালী হয়। ১৯৫২ আৰু ১৯৫৭ চনত একেৰাহে ৰাজ্যসভাৰ সদস্য মনোনীত হৈ নিস্বাৰ্থভাৱে অসমৰ স্বাৰ্থৰ হকে কাম কৰে।

অসমৰ হিন্দু-মুছলমানৰ মাজত স্থায়ী সম্প্ৰীতি সমন্বয় স্থাপন কৰাৰ পথত এইজন উদাৰমনা পুৰুষে বহুতো কাম কৰি থৈ গৈছে।

তৈয়বউল্লাৰ পূৰ্বপুৰুষ আৰু উত্তৰ পুৰুষৰ বেছিভাগৰাকী গো-জীৱ অসমীয়া উচ্চবৰ্ণৰ হিন্দু গো-জীৱৰ লগত বৈবাহিক সম্পৰ্ক স্থাপিত হৈ একাষৰেবাধৰ বাজোনেৰে সাঙোৰ খাই আছে। তেখেতৰ জ্যেষ্ঠ কন্যা বেগম মীৰা জেলিল এগৰাকী উচ্চমনা বিদুষী সাহিত্যিকা বুলি অসম সমাজত খ্যাত।

এইজন মহান অসম প্ৰাণ ব্যক্তি ১৯৬০ চনৰ ৩০ অক্টোবৰ তাৰিখে ৭০ বছৰ বয়সত মৃত্যুমুখত পৰে। তেখেতৰ আত্মজীৱনী 'কাৰাগাৰৰ চিঠি' ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিশেষকৈ অসমৰ ৰাজনৈতিক ক্ষেত্ৰৰ মূল্যবান গ্ৰন্থ।

মহম্মদ হানেফ :

ঘৰ বঙিয়াত। ১৯২১ চনত তিনিমাহ ফাটেক হয়। এওঁ এজন খিলাফৎ আন্দোলনৰ কৰ্মী আছিল।

মামক দাস :

জন্ম হাজোৰ বৰ চাপৰিত। ১৯৩০ চনত স্কুল এৰি আন্দোলনত যোগ দিয়াৰ কাৰণে তিনিমাহ কাৰাদণ্ড হয়।

মহেন্দ্ৰনাথ ডেকা :

ঘৰ গুৱাহাটীত। ১৯২১ চনত কানিৰ দোকানত পিকেটিং কৰাৰ কাৰণে ৪ মাহ আৰু ১৯৪২ চনত এবছৰ কাৰাদণ্ড হয়। অসমৰ এজন প্ৰাক্তন বিধায়ক।

মহীধৰ বৰুৱা :

১৯২১ চনত স্কুল বৰ্জন আন্দোলনত যোগ দিয়ে আৰু ছমাহ ফাটেক হয়।

মহেশ্বৰ বৰুৱা :

১৯২২ চনত বৰপেটাত পুলিচৰ অত্যাচাৰৰ সময়ত সুন্দৰদিয়াৰ কীৰ্তন ঘৰৰ ভিতৰত পুলিচ জোতাৰে সোমাই বিভিন্ন প্ৰকাৰৰ অধৰ্মীয় কাৰ্য কৰা বুলি সাদিনীয়া অসমত এটা বাতৰি প্ৰচাৰ কৰাৰ অভিযোগত তিনিমাহ ফাটেক আৰু এহেজাৰ টকা জৰিমনা কৰে। তাৰ পিছৰ পৰা তেওঁ এজন কংগ্ৰেছৰ সহানুভূতিশীল সাংবাদিক হিচাপে কাম কৰিছিল আৰু কংগ্ৰেছৰ সকলো কামতে সহায় কৰিছিল।

মাধৱ চন্দ্ৰ অধিকাৰী :

কইবামাৰী সত্ৰ। ১৯২১ চনত দুশ টকাৰ কবুলতি লিখি নিদিয়াৰ ফলত এবছৰ কাৰাদণ্ড হয়। ১৯২১ চনত অসহযোগ আন্দোলনত কংগ্ৰেছ সংগঠনৰ কাম কৰাৰ কাৰণে ১০৭ ধাৰাত গ্ৰেপ্তাৰ কৰি ভৱিষ্যতলৈ আন্দোলনত সহযোগ নকৰিম বুলি প্ৰতিশ্ৰুতি দি ২০০ টকা জৰিমনা দিলে মুক্তি পাব। জৰিমনা দিবলৈ অসন্মতি হোৱাত তেওঁক এবছৰ ফাটেকত দিয়ে। তেখেতে জেলৰ পৰা ওলাই কংগ্ৰেছৰ গঠনমূলক কামত যোগদান কৰে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত সহযোগ কৰে। কংগ্ৰেছৰ স্বেচ্ছাসেৱীসকলৰ পৰিচালনাৰ কামত সহযোগ কৰিছিল। ১৯৬০ চনত মৃত্যু হয়।

মকবুল আলী :

গাড়ীগাঁও। ১৯২২ চনত ৪ মাহ কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয়। ১৯২১ চনৰ অসহযোগ আৰু কংগ্ৰেছ আন্দোলনত যোগ দিয়ে। ১০৭ ধাৰাত গ্ৰেপ্তাৰ কৰি ৪ মাহ জেল আৰু ৫০ টকা জৰিমনা কৰে। অনাদায়ে আৰু এমাহ জেল।

মুক্তাপ্ৰভা আগৰৱালা :

১৯৩০ চনৰ ১০ জুলাইত কটন কলেজৰ সন্মুখত পিকেটিং কৰা প্ৰথম মহিলা দলটোৰ ভিতৰত এগৰাকী। গান্ধীজী অসমলৈ আহোতে ১৯২১ চনত মহিলা সংগঠনৰ আৰু সূতাকটা কামত আত্মনিয়োগ কৰিছিল। পিকেটিঙত এগৰাকী বিশিষ্ট মহিলা বাপে জনাজাত আছিল। ১৯৪৫ চনত মৃত্যু বৰণ কৰে।

মহিবুদ্দিন আহমেদ :

গুৱাহাটী। ১৯২১ চনত সোণাৰাম স্কুলৰ শিক্ষকতা বাদ দি আন্দোলনত যোগ দিয়ে। ৬ মাহ কাৰাদণ্ড হয়। তাৰপাছত তেওঁ খিলাফৎ আন্দোলনৰ এজন নেতা আছিল। গুৱাহাটীত স্বেচ্ছাসেৱকৰ সংগঠন কৰিছিল। ১৯২২ চনত তেওঁৰ ছমাহ জেল হয়। ১৯২১ চনত গান্ধীজী অসমলৈ আহোতে তেখেতে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৩১-৩২ চনত জেললৈ যোৱা নাছিল যদিও তেওঁ কংগ্ৰেছৰ সকলো কামতে সহায় কৰিছিল। তেওঁ প্ৰকৃততে এজন

গান্ধীবাদী আছিল আৰু হিন্দু মুছলীম একতাৰ বাবে অশেষ যত্ন কৰিছিল। ১৯৫৮ চনত তেওঁৰ মৃত্যু হয়।

মহেশ্বৰ দাস ঃ

জন্ম বামুন্দিত। ১৯২১ চনত স্কুল বৰ্জন আন্দোলনত তিনিমাহ কাৰাবৰণ ভোগ কৰে।

মেহেৰ আলী ঃ

ঘৰ হেংগেচাত। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড হয়। তেওঁ খিলাফৎ আৰু অসহযোগ আন্দোলনত যোগদান কৰিছিল। পিছত কংগ্ৰেছৰ পৰা আঁতৰি যায়।

মহোৰাম পাটগিৰী ঃ

ঘৰ সিংৰাত। ১৯২১ চনৰ আন্দোলনত কংগ্ৰেছত যোগ দিছিল। আৰু খাজনা বন্ধ আন্দোলনৰ সংগঠক আছিল। তেওঁক গ্ৰেপ্তাৰ কৰি ৬ মাহ ফাটেক দিছিল। আৰু পুলিচ মেলেটাৰীয়ে ঘৰ খানা-তালাচ কৰি লণ্ডভণ্ড কৰিছিল।

মুস্তাফা হক ঃ

গুৱাহাটীৰ ইছলামপুৰত ঘৰ। তেওঁ বেলগৰীয়া ভেটেৰিনাৰী কলেজত পঢ়িছিল। চৰকাৰী বৃত্তি লৈ কলেজ বৰ্জন কৰি ওলাই আহে আৰু গুৱাহাটীত অসহযোগ আন্দোলনত যোগদান কৰিছিল।

মধু শইকীয়া ঃ

পিতৃৰ নাম চন্দন শইকীয়া। মায়াঙৰ বেলগুৰিত এওঁৰ ঘৰ। এওঁ ১৯৪২ চনৰ বিখ্যাত পানীখাইতি বেল দুৰ্ঘটনাত সক্ৰিয় হিচাপে অংশ গ্ৰহণ কৰি অন্যতম পলাতক কৰ্মী হিচাপে ১৯৪৫ চনলৈকে আছিল। ১৯৭২ চনত তেওঁৰ মৃত্যু হয়।

যোগেন্দ্ৰ নাথ ফুকন ঃ

পিতৃৰ নাম লক্ষী ফুকন। ১৯২১ চনত কলেজ এৰি আন্দোলনত যোগদান কৰে। গ্ৰেপ্তাৰ হোৱাৰ পিছত ১০০ টকা জৰিমনা হয় আৰু ২ মাহ ফাটেক হয়। এজন আজীৱন কংগ্ৰেছ কৰ্মী আছিল। ১৯৫৮ চনত তেওঁৰ মৃত্যু হয়।

বিহগী কবি ৰঘুনাথ চৌধাৰী ঃ

জন্ম ১৮৭৮ লাওপাৰা গাঁও, গণেশ চতুৰ্থী তিথি। পিতৃ ভোলানাথ চৌধাৰী।

১৮৯৬ চনত কটন কলেজিয়েট স্কুলত পঢ়িবলৈ লৈছিল যদিও সপ্তম মান শ্ৰেণীতে শিক্ষাৰ সামৰণিৰ পিছত স্কুলত শিক্ষক হিচাপে নিযুক্তি হয়। সংস্কৃত আৰু বৈষ্ণৱ সাহিত্য অধ্যয়ন আৰু অসমীয়া সাহিত্যৰ নৱন্যাস যুগৰ এজন শ্ৰেষ্ঠ কবি হোৱাৰ উপৰিও এজন প্ৰসিদ্ধ খেতিয়ক, সুগায়ক, প্ৰধান গদ্যশিল্পী, নিৰ্ভীক সাংবাদিক, সমাজ সংস্কাৰক আৰু স্বাধীনতা সংগ্ৰামৰ অক্লান্ত যুঁজাৰু ৰূপে প্ৰসিদ্ধ লাভ কৰে। অসমীয়া ৰাজ্যভাষা আন্দোলন, শোধনাগাৰ আন্দোলনত তেখেতৰ বাসভৱন আছিল আন্দোলনৰ ঘাই কেন্দ্ৰ। এইদৰে প্ৰতিটো মুহূৰ্ত সাহিত্য চৰ্চা আৰু দেশৰ মঙ্গল চিন্তা কৰি ১৯৬৭ চনৰ ১৮ নৱেম্বৰত ইহলীলা সম্বৰন কৰে।

চৌধাৰীৰ ৰচিত কাব্য সাদৰী, দহিকতৰা, কেতেকী, নৱমল্লিকা আৰু পচটীয়া গদ্য ৰচনা। কবি চৌধাৰীৰ কাব্য প্ৰতিভাৰ প্ৰতি সন্মান জনাই "নলবাৰী সংস্কৃত সঞ্জীৱনী" সভাই "কবিৰত্ন" উপাধি প্ৰদান কৰে। চৌধাৰীয়ে সুৰভি আৰু জয়ন্তী নামৰ আলোচনী দুখন সম্পাদনা কৰিছিল। ১৯৩৬ চনৰ তেজপুৰত বহা অসম সাহিত্য সভাৰ ষোড়শ অধিবেশনৰ সভাপতি। উল্লেখযোগ্য যে কলিকতাত বহা বিশ্বশান্তি সন্মিলনৰ পৌৰোহিত্য কৰি 'বিশ্বৰ এজন প্ৰথম শ্ৰেণীৰ শান্তিদূত'ৰ সন্মান লাভ কৰে।

সকলো পৰা চৌধাৰীয়ে পৰাধীনতাক ঘৃণ কৰিছিল আৰু প্ৰপীড়িত নিষ্পেষিত লোকৰ মুক্তিৰ কাৰণে অহৰহ যুঁজ কৰিছিল। ১৯২১ চনৰ ১৬ ডিচেম্বৰত চৌধাৰী গ্ৰেপ্তাৰ হয়। এবছৰ সশ্ৰম কাৰাদণ্ড ভুগি ১৯২২ চনৰ ২ ফেব্ৰুৱাৰী তাৰিখে মুক্তি লাভ কৰে। চৌধাৰীয়ে মদবিলাত কানিৰ দোকানত পিকেটিং কৰিছিল আৰু ইংৰাজ চৰকাৰৰ খাজনা নিদিবলৈ খেতিয়কসকলৰ মাজত প্ৰচাৰ কাৰ্য চলাইছিল। ল'ৰা কয়দী তিনিজনক বেত দিয়া বাবে চৌধাৰীয়ে দুৰ্যোৰ প্ৰতিবাদ জনাই অনশন ধৰ্মঘট কৰিছিল।

কবি চৌধাৰীয়ে লকআপত থকাৰ বৰ্ণনা এনে ধৰণে দিছে: "আধ আপ যোজোতে গৰু-ম'হ খোৱাৰত দি ৰখাৰ নিচিনা জোহাৰ বেখৰ

এখন খোৱাৰ। কি অপূৰ্ব দৃশ্য। শৌচ পেচাবৰ অপূৰ্ব সমন্বয়ৰ কি এক গোন্ধৰ সম্ভুৰা। পুতি গন্ধময় নৰকৰ কল্পনাটোও এই নৰকৰ ওচৰত হাৰ মানিব। মহ, ডাহ, মাখি উৰহৰ কি সুন্দৰ সহ অৱস্থান। এইবোৰৰ লগতে মযো লকআপৰ সুখ উপভোগ কৰিলো।"

ৰোহিণী কুমাৰ চৌধুৰী ঃ

জন্ম ১২ নবেম্বৰ ১৮৮৯ নগাঁৱত। পিতৃ কালিৰাম চৌধুৰী। ৰোহিণী চৌধুৰীয়ে জলপানীসহ এণ্ট্ৰেন্স পাছ কৰি কলিকতাৰ স্কটিছ চাৰ্চ কলেজত পঢ়িছিল। কলিকতাত থাকিয়েই তেওঁ বি এ আৰু আইন পাছ কৰে। ৰোহিণী কুমাৰ চৌধুৰীয়ে ১৯২৭ চনৰ চেপ্তেম্বৰ মাহত বহা আসাম কাউন্সিলৰ সভাত বোথাম চাহাবৰ নাৰী নিন্দাক প্ৰতিবাদ জনাইছিল। ১৯২৭ চনৰ চেপ্তেম্বৰ মাহত তেতিয়াৰ ৰাজধানী খ্বিলঙত অসম কাউন্সিলৰ অধিবেশনত তেখেতে বিশেষ ভূমিকা লৈছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়তো চৌধুৰীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল।

স্বৰাজ দলে অসমৰ ৰাজনীতিত প্ৰবেশ কৰা সময়ৰে পৰা 'অসম কাউন্সিল'ত বিশেষ অধিকাৰ লাভ কৰি আছিল আৰু এই বিৰোধী দলটোৰ নেতৃত্ব দিছিল ৰোহিণী কুমাৰ চৌধুৰীয়ে। ১৯২৮-২৯ চনত কাউন্সিলৰ সভাতো তেখেতে কেইবাটাও গুৰুত্বপূৰ্ণ আলোচনা দাঙি ধৰিছিল। ছাদুল্লাৰ মন্ত্ৰীসভাত চৌধুৰীয়ে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। তেখেতে ছাদুল্লা মন্ত্ৰীসভাৰ শিক্ষা দপ্তৰৰ দায়িত্বত আছিল যদিও ছাদুল্লাৰ নীতিক ভাল নাপাই তেখেতে ছাদুল্লা মন্ত্ৰীসভাৰ পৰা ইস্তফা দিয়ে।

১৯৪২-৪৩ চনত সমগ্ৰ ভাৰত ব্যাপি যি অভুতপূৰ্ব আন্দোলন লগতে এশান্তিৰ সৃষ্টি হৈছিল, তাৰবাবে জাতীয় কংগ্ৰেছ বা মহাত্মা গান্ধী নিশ্চয় জগৰীয়া নাছিল। ইয়াৰ বাবে দায়ী আছিল বৃটিছ চৰকাৰ আৰু এই কথা অতি সাহস আৰু স্পষ্টভাৱে ৰোহিণী কুমাৰ চৌধুৰীয়ে অসম বিধান সভাত দাঙি ধৰিছিল। ১৯৪৫ চনৰ অক্টোবৰ মাহত ৰোহিণী কুমাৰ চৌধুৰীয়ে অসম কংগ্ৰেছৰ মনোনয়ন লাভ কৰি বিনা প্ৰতিদ্বন্দ্বিতাই এমপি নিৰ্বাচিত হ'ল। চৌধুৰীৰ ৰাজনৈতিক জীৱনৰ উল্লেখযোগ্য সময়খিনি আছিল ১৯৪৫-৫৫ চন। লোক সভাৰ

প্ৰথম শাৰীৰ সদস্য হোৱাৰ উপৰিও তেখেতে সংবিধান প্ৰভৃতি সমি-তিৰো সদস্য আছিল। অসমৰ বিভিন্ন সমস্যাৱলীক লৈ চৌধুৰী সিংহনাদ কৰি যুঁজিছিল। এইজন ক্ষণজন্মা অসম মাতৃৰ সুসন্তানে একুৰি চৈধ্য বছৰ কাল অসম তথা ভাৰতৰ ৰাজনীতিৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি যোগাই ১৯৫৫ চনৰ ১৬ ডিচেম্বৰ তাৰিখে গুৱা-হাটীৰ ভৰলুমুখৰ বাসভৱনত মৃত্যু বৰণ কৰে। মৃত্যুৰ সময়ত তেখেতে ছয় গৰাকী সুপুত্ৰ এৰি থৈ যায়।

ৰজনীকান্ত গোস্বামী :

জন্ম ১৯০৩ চনত হালধিবাৰীৰ ওচৰৰ পদ্মা গাঁওত। ১৯২৭ চনত গুৱাহাটী কটন কলেজৰ পৰা স্নাতক উপাধি লাভ কৰে। তাৰ পিছত আৰ্ল ল কলেজৰ পৰা আইনৰ উপাধি লাভ কৰি আইন ব্যৱ-সায়ত যোগ দিয়ে। আইনৰ শিক্ষা লাভ কৰি থকা সময়তে ১৯২৭ চনত অসম ছাত্ৰ সন্মিলনৰ গুৱাহাটী অধিবেশনত ৰজনীকান্ত গোস্বামীয়ে তেজোদীপ্ত ভাষণ দি এজন ছাত্ৰনেতা হিচাপে স্বীকৃতি লাভ কৰে। ৰজনীকান্ত গোস্বামী এগৰাকী বিচক্ষণ বুদ্ধিৰ নৰমপন্থী ছাত্ৰনেতা আছিল। গান্ধীবাদত সম্পূৰ্ণ আস্থাভাজন গোস্বামীয়ে ছাত্ৰ সমাজ আৰু জনসাধাৰণৰ পৰা পূৰ্ণ সমৰ্থন আৰু সক্ৰিয় সহযোগ লাভ কৰিছিল, ফলত তেওঁ আগশাৰীৰ নেতা হিচাপে স্বীকৃতি লাভ কৰিছিল ।

অসম ছাত্ৰ সন্মিলনৰ প্ৰাণ প্ৰতিষ্ঠাতা অক্লান্ত মুক্তিযুঁজাৰু ৰজনী-কান্ত গোস্বামী কমেও তিনিবাৰ কাৰাবাস বৰণ কৰিছিল। ১৯৩২ চনৰ ২৫ এপ্ৰিলৰ দিনা গ্ৰেপ্তাৰ হয় আৰু চাৰিমাহ সশ্ৰম কাৰাদণ্ড হয়। গোস্বামী অকল সুদক্ষ ছাত্ৰনেতা আৰু প্ৰসিদ্ধ মুক্তি যুঁজাৰুৱেই নাছিল, লগতে আছিল প্ৰখ্যাত আইনবিদ, সুসাহিত্যিক, সুবক্তা, সমাজ সংস্কাৰক আৰু নিঃস্বাৰ্থ সমাজসেৱী। তেখেতৰ মানত উচ্চ-নীচৰ প্ৰভেদ নাছিল। গীতাধৰ্মী গোস্বামীদেৱে হৰ্ষ-বিষাদ, সুখ-দুখ, জন্ম-মৃত্যু সকলোকে সমজ্ঞান কৰি চলিছিল ।

'পথৰ সন্ধান' গোস্বামীদেৱৰ ৰাজনৈতিক ভিত্তিত লিখা উপন্যাস। উপন্যাসখনত তেখেতে অসমৰ এচাম দুৰ্নীতিপৰায়ণ মন্ত্ৰী-বিধায়কৰ কুকাৰ্যৰ কথা উল্লেখ কৰিছে। একান্ত গান্ধীবাদী গোস্বামীদেৱে

মহাত্মা গান্ধীৰ পৰিকল্পিত ৰামৰাজ্যৰ ঠাইত দানৱৰ কাৰ্যকলাপ চলিবলৈ ধৰাত হৃদয়ৰ দুখ অনুভৱ কৰি তাক পাতলাবৰ কাৰণে এই উপন্যাসখনিৰ আশ্ৰয় লোৱা যেন অনুমান হয়।

দেশ স্বাধীন হোৱাৰ পিছতো গোস্বামীদেৱে স্বাধীন ব্যৱসায় আইন চৰ্চাতে একনিষ্ঠভাৱে ব্ৰতী হৈ আছিল। ১৯৫৬ চনৰ পৰা তেখেতে চৰকাৰী চিনিয়ৰ এডভোকেট হিচাপে কাম কৰিছিল। ইণ্ডিয়ান ল ৰিপোৰ্টত অসম গোটৰ তেখেত যোগ্য সম্পাদক আছিল। মুক্তি যুঁজাৰু আৰু স্বতন্ত্ৰ সৈনিকৰ সন্মানসূচক তাম্ৰপত্ৰ লাভ কৰা গোস্বামীদেৱক গুৱাহাটী উকিল সন্থাই সম্ভাষণ জনাইছিল। ১৯৮৬ চনৰ ডিচেম্বৰ মাহৰ ১৬ তাৰিখে ৮৩ বছৰ বয়সত গোস্বামী দেৱৰ পৰলোক প্ৰাপ্তি ঘটে। গোস্বামী এজন আদৰ্শ পিতৃ আছিল। মৃত্যুৰ সময়ত ৭ জন পুত্ৰ আৰু এজনী কন্যা এৰি থৈ গৈছে। সংসদী সদস্য দীনেশ গোস্বামী তেখেতৰ পুত্ৰ।

ডাঃ ৰুদ্ৰকান্ত শৰ্মা:

কামৰূপ জিলাৰ হাজো অঞ্চলৰ মানুহ আছিল। ১৯২১ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগদান কৰে। ফলত দুবছৰ আঠ-মাহ কাৰাবৰণ হয়। শেষলৈ তেখেতে গুৱাহাটীত বসতি কৰে হোমিঅ'পেথিক চিকিৎসা কৰিছিল আৰু এই চিকিৎসাত সুনাম অৰ্জন কৰিছিল। তেখেত আজীৱন কংগ্ৰেছ কৰ্মী আছিল। ১৯৫৩ চনত তেখেতৰ মৃত্যু হয়।

ৰাধা মোহন বৰদলৈ:

বজা দুৱাৰ, উত্তৰ গুৱাহাটীৰ। ১৯২১ চনত স্কুল বৰ্জন কৰি অসহযোগ আন্দোলনত যোগদান কৰে। পুলিচে গ্ৰেপ্তাৰ কৰি দুমাহ খাটেক দিয়ে। গুৱাহাটীৰ এজন বিশিষ্ট কৰ্মী হিচাপে সংগঠনৰ কামত আত্মনিয়োগ কৰে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ স্বেচ্ছা-সেৱক বাহিনীৰ সংগঠনৰ দায়িত্বত আছিল। ১৯৩০-৩২ ৰ আন্দো-লনত এজন প্ৰধান সংগঠক হিচাপে স্বেচ্ছাসেৱী সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৪২ চনত উজনি অসমৰ বিভিন্ন জিলাত কংগ্ৰেছৰ গুপ্ত সংগঠক হিচাপে কাম কৰিছিল। ১৯৬০ চনত তেওঁৰ মৃত্যু হয়।

ৰমেশচন্দ্ৰ বৰকাকতি ঃ

ঘৰ উত্তৰ গুৱাহাটীৰ ৰজাদুৱাৰত। পিতৃৰ নাম হৰিচন্দ্ৰ কাকতি। ১৯২১ চনত তিনিমাহ শ্ৰাটেক হয়। ১৯৪২ চনৰ নৱেম্বৰ মাহত গ্ৰেপ্তাৰ বৰণ কৰে। কিছুদিন হাজোতত ৰখাৰ পিছত প্ৰমাণৰ অভাৱত খালাচ দিয়ে।

ৰত্ন বালা বৰা ঃ

বৰাৰ ঘৰ গুৱাহাটীত। ১৯৩০ চনত আন্দোলনত যোগ দিয়া প্ৰথম মহিলা কেইগৰাকীৰ ভিতৰৰ এগৰাকী। তেখেতে নিজে এৰিধ যঁতৰ উলিয়াইছিল। স্বামীৰ নাম চন্দ্ৰধৰ বৰা। ১৯২৩ চনত প্ৰথম মহিলা দলে কটন কলেজত ১০ জুনৰ পৰা ১৯ জুলাইলৈ পিকেটিং কৰিছিল। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। এগৰাকী গঠনমূলক কৰ্মী আছিল। ১৯৪২ চনৰ গণ বিপ্লৱৰ সময়ত অমলপ্ৰভা দাসৰ লগত অসমৰ বিভিন্ন জিলালৈ গৈ বিভিন্ন মহিলা সংগঠনৰ লগত জড়িত আছিল। ১৯৭৫ চনত মৃত্যু হয়।

ৰাজেন্দ্ৰনাথ ডেকা ঃ

ঘৰ শুৱালকুছিত। ১৯৩০ চনৰ আন্দোলনত যোগ দিয়াৰ ফলত ৩ মাহ কাৰাদণ্ড হয়। গান্ধীজী যেতিয়া শুৱালকুছিলৈ গৈছিল তেতিয়া তেওঁ গান্ধীজীৰ প্ৰতিকৃতি কাপোৰত তুলি দেখুৱাইছিল। পিছলৈ খাদীৰ এজন ভাল কৰ্মী বুলি জনাজাত আছিল। পিছৰ জীৱনত বয়ন শিল্পকেই জীৱিকা হিচাপে গ্ৰহণ কৰি মৃত্যু বৰণ কৰে।

ৰজনী কান্ত কলিতা ঃ

জন্ম শুৱালকুছিৰ নাৰুটিপাৰাত। পিতৃৰ নাম ভকতৰাম কলিতা। ১৯৩০ চনত পিকেটিং কৰাৰ কাৰণে গ্ৰেপ্তাৰ হৈছিল আৰু কেইদিন মান শ্ৰাটেক হয়। ১৯৪২ চনত পুনা যাত্ৰা কৰি আঠাদা জেলৰ সন্মুখত গ্ৰেপ্তাৰ হয় আৰু তিনিমাহ কাৰাদণ্ড ভোগে। অসমৰ পৰা যোৱা দলৰ তেখেতে নেতৃত্ব কৰিছিল। বহু কলটৰ মাজেৰে যুৰি আহিব লগা হৈছিল। আজীৱন কংগ্ৰেছ কৰ্মী আছিল। আৰু গান্ধীজীৰ গঠনমূলক কাম কৰি জীৱন অতিবাহিত কৰিছিল।

ৰামহৰি পাঠক ঃ

পিতা পূৰ্ণ পাঠক। জন্ম চমৰীয়া সত্ৰ, তেওঁ শাৰীৰিকভাৱে বিকলাঙ্গ আছিল। ১৯৪২ চনৰ আন্দোলনত গুপ্ত কাগজ আৰু নিৰ্দেশ আদি পঠোৱাৰ বাহক হিচাপে কাম কৰিছিল। পুলিচে তেওঁক কাগজসহ গ্ৰেপ্তাৰ কৰে আৰু চিকিউৰিটি প্ৰিজনাৰ হিচাপে জেলত ৰাখে। ২৬-২-৪৪ত মুক্তি লাভ কৰে যদিও ২-৮-৪৪ত অন্তৰীণ কৰে। অসম গান্ধী স্মাৰক নিধিয়ে তেওঁক বৃত্তি দিছিল।

ৰজত চন্দ্ৰ দাস ঃ

ইং ১৮৯৮ চনৰ শাওণ মাহত পলাশবাৰীত ৰজত চন্দ্ৰ দাসৰ জন্ম হয়। তেখেতৰ পিতৃৰ নাম বলোৰাম দাস আৰু মাতৃৰ নাম ভাটি। তেখেতৰ পিতৃয়ে স্থায়ীভাবে বামুন্দীত বসতি কৰি গৰু-ম'হৰ ব্যৱসায় কৰে। ১৯১৯ চনত গুৱাহাটী সোণাৰাম হাইস্কুলৰ পৰা প্ৰথম বিভাগত এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। তেখেতে চাকৰি নকৰি ব্যৱসায় আদিত আত্মনিয়োগ কৰে আৰু গাঁও সংগঠন আদিৰ কামত মনোনিবেশ কৰে।

১৯২১ চনত কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন, বিষ্ণুৰাম মেধি আদি ব্যক্তিৰ প্ৰচেষ্টাত গুৱাহাটীত স্বাধীনতাৰ সেনানী কৰ্মীদল গঠন হয় আৰু ৰজত চন্দ্ৰ দাস সিসকলৰ অন্যতম। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰে আৰু স্বাস্থ্যজনিত কাৰণত এমাহৰ পিছতে মুক্তি লাভ কৰে।

১৯২২ চনত কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন আদিৰ সন্মিলিত শক্তিৰে আৰু উত্তৰ কামৰূপ, দক্ষিণ কামৰূপৰ জালেমান গাঁওৰ নেতৃস্থানীয় ব্যক্তিৰ সহযোগত দাসৰ সেৱাৰ জৰিয়তে বামুন্দীত ৰাজহুৱা সভা পাতি জনমত জগাই তোলাত কৃতকাৰ্য্যতা লাভ কৰে।

১৯৩০ চনত হোৱা আন্দোলন আৰু ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলনত দাসৰ বলিষ্ঠ সমৰ্থন আছিল। সেই সময়ত দাসৰ ঘৰটো কৰ্মীসকলৰ আশ্ৰয় শিবিৰ আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেখেতে ১০৫ দিন কাৰাবৰণ কৰে। ১৯২১ চনৰ

পৰা ১৯৪২ চনৰ স্বাধীনতা পৰ্যন্ত দাস আছিল এগৰাকী নিষ্ঠাবান কংগ্ৰেছ কৰ্মী। ১৯৮৪ চনৰ কৃষ্ণ দ্বাদশী তিথিত এই গৰাকী পুণ্যাত্মাই ইহলীলা সম্বৰণ কৰে।

লক্ষ্মীনাথ শৰ্মা ঃ

ৰামদিয়া সত্ৰৰ গাঁৱত জন্ম। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। দুমাহ কাৰাবৰণ হয়। ডেকা বয়সতে মৃত্যু বৰণ কৰে।

লক্ষীধৰ বৰা ঃ

জন্ম ১৯০৩ চন, ২৭ চেপ্তেম্বৰ গুৱাহাটীত। কৰ্মবীৰ লক্ষীধৰ বৰা আইন পৰীক্ষাত উত্তীৰ্ণ হৈ ওকালতিত প্ৰবেশ কৰিও ওকালতি কৰা নহ'ল। ইংৰাজীত স্নাতকোত্তৰ শ্ৰেণীত ভৰ্তি হৈও অধ্যয়ন কৰা নহ'ল। ভাৰতৰ স্বাধীনতা যুদ্ধৰ আহ্বানত সকলো এৰি আত্মনিয়োগ কৰিলে এই যুঁজত। পৰ্যায়ৰ পিছত পৰ্যায়ক্ৰমে লিপ্ত হোৱা যুঁজত তেওঁ কাৰাবৰণ কৰিব লগা হ'ল।

কৰ্মপ্ৰাণ লক্ষীধৰ বৰা আছিল কংগ্ৰেছ সংগঠনৰ অন্যতম গুৰি ধৰোতা। তেওঁ গুৱাহাটী জিলা কংগ্ৰেছৰ প্ৰধান সম্পাদক, পিছত সভাপতি, অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক আৰু তদনান্তিন সেৱাদলৰ জিলা অধিনায়ক পদত অধিষ্ঠিত আছিল। কংগ্ৰেছ সংগঠনৰ বিভিন্ন দায়িত্ব পালন কৰি স্বাধীনতা যুঁজত জনশক্তি জাগ্ৰত কৰাত তেওঁ যি অৱদান আগ বঢ়াইছিল আৰু সংগঠন ক্ষমতাৰ যি পৰিচয় দিছিল সি কংগ্ৰেছৰ বুৰঞ্জীত স্মৰণীয় হৈ ৰ'ব। তেওঁ এগৰাকী গান্ধীবাদী সমাজকৰ্মী আৰু ৰাজনীতিজ্ঞ হিচাপে তেওঁৰ নিষ্ঠা, সততা আৰু ঐকান্তিকতা স্মৰণীয় আৰু সমাদৃত।

নিজক অপ্ৰকাশিত ৰাখি, সাংগঠনিক, ৰাজনৈতিক আৰু সামাজিক কৰ্মক্ষেত্ৰত নিজকে যিভাবে আত্মনিয়োগ কৰিছিল, তাৰ তুলনা বিৰল। লক্ষীধৰ বৰা এগৰাকী সৎ, নিষ্ঠাবান আৰু কৰ্মঠ মুক্তি যুঁজাৰু আছিল।

কংগ্ৰেছ অনুষ্ঠানটোৰ লগত লক্ষীধৰ বৰা প্ৰকৃতপক্ষে ১৯৩০ চনত নিবিড়ভাবে জড়িত হৈ পৰি দেশ স্বাধীন হোৱা দিনলৈকে সক্ৰিয়ভাবে

কাম কৰি গৈছিল। সেই সময়ছোৱাত আগশাৰীৰ নেতাসকলে কংগ্ৰেছ সংগঠনটোৰ যিকোনো দায়িত্ব বৰাৰ ওপৰত দি সম্পূৰ্ণ নিশ্চিন্ত হ'ব পাৰিছিল। বৰা ডাঙৰীয়াৰ গাত সংগঠক এজনৰ গাত থাকিব-লগীয়া প্ৰায়বোৰ গুণৰ সমাৱেশ ঘটিছিল। ১৯৫৫ চনত ভাৰত চৰকাৰৰ নীতি অনুসৰি অসমৰ নিৰ্যাতিত মুক্তি যুঁজাৰুসকলক সাহায্য দিয়াৰ এখনি আঁচনি হাতত লোৱা হৈছিল। এই আঁচনি ৰূপায়ণৰ দায়িত্ব পৰিছিল স্বাৰ্থত্যাগী, সাম্যবাদী আৰু কষ্টসহিষ্ণু ব্যক্তি বৰাদেৱৰ ওপৰত।

১৯৮৩ চনৰ ১৬ অক্টোবৰত চাৰিকুৰি বছৰ বয়সত লক্ষীধৰ বৰাৰ পৰলোকপ্ৰাপ্তি ঘটে।

লক্ষী দাস :

জন্ম ফুলবাৰী। পিতৃ ভোলানাথ দাস। তেওঁ কটন কলেজৰ ফিজিক্স বিভাগৰ ডেমনষ্ট্ৰেটৰ আছিল। ১৯২১ চনত চাকৰি এৰি অসহযোগ আন্দোলনত যোগদান কৰে। তেওঁ এটা সূতা কটা কল উলিয়াইছিল। তেওঁ যদিও জেললৈ যোৱা নাছিল কিন্তু সকলো আন্দোলনতে অংশ গ্ৰহণ কৰিছিল। ১৯৮০ চনত তেওঁৰ মৃত্যু হয়।

লীলাধৰ বৰুৱা :

এখেতে ১৯০৮ চনৰ মাৰ্চৰ ৮ তাৰিখে উত্তৰ গুৱাহাটীত জন্ম লাভ কৰে। এখেতৰ পিতৃ আছিল গিৰিধৰ বৰুৱা। কলিকতাৰ বংগবাসী কলেজ আৰু চিটি কলেজত থাকোঁতে তেওঁ ১৯২১ চনত গান্ধীজীৰ অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৩০ চনত দাণ্ডি যাত্ৰা সত্যাগ্ৰহত যোগ দিয়ে। ৰাজনৈতিক বন্দী হিচাপে চাৰিবাৰ জেললৈ যায়। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সদস্য ১৯৩১-৪৬ চনলৈ। ১৯৩৪ চনত গুৱাহাটী হৰিজন আশ্ৰম স্থাপন কৰে। ১৯৪৬-৫১ চনলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ গঠনমূলক কামৰ চেক্ৰেটাৰী হিচাপে কাম কৰিছিল। গুৱাহাটী জিলা কংগ্ৰেছ কমিটিৰো তেওঁ একেৰাহে ৮ বছৰ সদস্য হিচাপে কাম কৰিছিল। বাইহাটাত প্ৰতিষ্ঠিত খাদী অনুষ্ঠানৰ তেওঁ মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। খাদী গ্ৰামোদ্যোগ খেতিৰো তেওঁ উপাধ্যক্ষ হিচাপে কাম কৰিছিল। ১৯৫৮

চনৰ গুৱাহাটীৰ প্ৰাগজ্যোতিষপুৰ কংগ্ৰেছ অধিবেশনৰ খাদী গ্ৰামো-দ্যোগ প্ৰদৰ্শনীৰ চেক্ৰেটাৰী। ১৯৬০ চনত ৰাজ্যসভাৰ মেম্বাৰ হয়। তেওঁ গুৱাহাটী সেৱা মন্দিৰৰো দায়িত্বত থাকে।

গান্ধী শতবাৰ্ষিকী উদযাপনৰ সময়ত অসমত লীলাধৰ বৰুৱাই অসম গান্ধী শতবাৰ্ষিকী উদযাপন সমিতিৰ চেক্ৰেটাৰী হিচাপে কাম চলায়। অসমৰ বিভিন্ন জিলাত শতবাৰ্ষিকী সমিতিৰ জৰিয়তে সভা সমিতি শিবিৰ আদি অনুষ্ঠিত হৈছিল আৰু বৰুৱাই এই কামত যথেষ্ট বৰঙণি আগ বঢ়াইছিল।

১৯৭২ চনত তেখেতৰ মৃত্যু হয়।

শিশিৰ কুমাৰ বৰুৱা ঃ

উজান বজাৰ গুৱাহাটী। ১৯২২ চনত ১ বছৰ কাৰাদণ্ড হয়।

সুধীৰ কুমাৰ চৌধুৰী ঃ

গুৱাহাটীৰ পল্টন বজাৰত জন্ম। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ছমাহ জেল হয়। তেওঁ পুনৰ জেলৰ পৰা ঘূৰি আহি স্কুলত নাম লগায় আৰু ব্যৱসায়ত যোগ দিয়ে। কংগ্ৰেছৰ সকলো কামতে পূৰ্ণ সহযোগিতা আগ-বঢ়াইছিল। ১৯৮৫ চনত মৃত্যু হয়।

সতীশচন্দ্ৰ বৰুৱা ঃ

পিতৃৰ নাম হাতীৰাম বৰুৱা, জন্মস্থান হাজো ধোপৰ গুৰি। ১৯২১ চনত স্কুল বৰ্জন আন্দোলনত যোগ দিয়াৰ কাৰণে তিনিমাহ স্কাটেক হয়। মৃত্যুৰ পিছত তিনিজন পুত্ৰ এৰি থৈ যায়। ১৯৩০ চনত তিনিমাহ কাৰাবৰণ কৰে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত স্বেচ্ছাসেৱক হিচাপে যোগদান কৰিছিল।

সতীশচন্দ্ৰ বৰুৱা (কলিতা) ঃ

ধোপৰ গুৰিত ঘৰ, জন্ম হাজোৰ গণেশটোলাত। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগ দিয়ে। আৰু তিনিমাহ কাৰাবৰণ ভোগ কৰে। পিছলৈ সমবায় বিভাগত চাকৰি কৰি অৱসৰ লোৱাৰ পিছত মৃত্যু বৰণ কৰে।

সিদ্ধিনাথ শৰ্মা :

জন্ম ১৮৯১ চনৰ ১৮ মে। পিতৃ দণ্ডীনাথ শৰ্মা। তেওঁ কটন কলেজিয়েট হাইস্কুলৰ পৰা প্ৰৱেশিকা, কটন কলেজৰ পৰা বি এচ চি, আৰু গুৱাহাটী আৰ্ল ল কলেজৰ পৰা আইন পৰীক্ষা পাছ কৰে। ১৯২৪ চনৰ ৪ ফেব্ৰুৱাৰীত গুৱাহাটীত ওকালতি আৰম্ভ। ১৯২১ চনতে বনবিভাগৰ চাকৰি ইস্তফা দি অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯২৬ চনৰ পৰা ১৯৩৭ চনলৈ গুৱাহাটী জিলা কংগ্ৰেছৰ সম্পাদক হৈ থাকে। ১৯৩৭ চনত অসম প্ৰদেশ কংগ্ৰেছৰ সম্পাদক পদত নিৰ্বাচিত হয় আৰু একেৰাহে ১৪ বছৰ সেই দায়িত্ব পালন কৰি সভাপতিৰ দায়িত্বও পালন কৰে। ১৯৫০-৫২ চনলৈ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ব্যৱস্থাপক সভাৰ সদস্য আছিল। ১৯২৪ৰ পৰা ৫২ চনলৈ মাত্ৰ এবছৰৰ বাহিৰে গুৱাহাটী লোকেল বোৰ্ডৰ সক্ৰিয় সদস্য আছিল, লোকেল বোৰ্ডৰ তেখেতে দুবাৰো সভাপতি হয়। গুৱাহাটী পৌৰ সভাৰো এজন বিশিষ্ট সদস্য আছিল। শৰ্মা ১৯৫৭ চনৰ পৰা ১৯৬৬ চনৰ ১৮ মেলৈ অসম বিধান সভাৰ সদস্য আছিল। তেখেতে ১৯৩৭ চনৰ পৰা ১৯৪৬ চনলৈ অসম বিধান সভাৰ কংগ্ৰেছ দলৰ উপ-সভাপতি আছিল। বিভিন্ন সময়ত পৰিবহন, গড়কাপ্তানি, খাদ্য জলসিঞ্চন, বনবিভাগ, সমবায়, ৰাজহ আদি বিভাগ কৃতিত্বৰে চলাইছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দি ন মাহ জেল খাটে। ১৯৩২ চনত পুনৰ গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৪০ চনৰ ১৮ ডিচেম্বৰ তাৰিখে চিহ্নিত সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ বৰণ কৰে আৰু ছমাহ কাৰাদণ্ড হয়। পুণাত বহা ভাৰতীয় কংগ্ৰেছৰ অধিবেশনত যোগ দি উভতি অহাৰ বাটত ধুবুৰীত ১৫।৮।৪২ তাৰিখে গ্ৰেপ্তাৰ কৰি প্ৰায় তিনিবছৰ আটক বন্দী কৰি ৰাখে। শৰ্মা আছিল আজীৱন গান্ধীবাদী, নিবিড় মুক্তি যুঁজাৰু আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সৰ্বময় কৰ্তা। অসমত দেখা দিয়া খাদ্য সংকট, বানপানী, বিপ্লৱ, বহিৰাগত সমস্যা আদিত তেখেত ব্যস্ত আছিল আৰু, সমাধানৰ পথত নিজৰ সুস্থিৰ মন্তব্য দাঙি ধৰিছিল। প্ৰশাসনৰ ক্ষেত্ৰত তেখেত আছিল নিষ্ঠা আৰু নিষ্ঠাবান। ব্যৱহাৰত তেখেত আছিল সদায় অমায়িক, সৰল আৰু অৱমিয়াল। দুখীয়াৰ তেখেত আছিল পৰম মিত্ৰ।

শৰ্মাক এজন ব্যক্তি বুলি নকৈ এটা অনুষ্ঠান বুলি কোৱা উচিত।

১৯২১ চনত অসহযোগ আন্দোলনৰ কাৰ্যসূচী ৰূপ দিবলৈ তেখেতে গাঁৱে-ভূঞে, নগৰে-চহৰে খদ্দৰ কাপোৰ বিক্ৰী কৰিছিল আৰু লগতে মানুহক কপাহ খেতি কৰা, সূতা কটা, কাপোৰ বোৱা আদি কামৰ প্ৰতি প্ৰেৰণা যোগাইছিল। ১৯২৬ চনত বহা পাণ্ডু কংগ্ৰেছত তেখেত ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰিছিল। ১৯৪২ চনত অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যালয়ত সূতাকটাৰ প্ৰতিযোগিতা হৈছিল আৰু সেই প্ৰতি-যোগিতাৰ অন্যতম এগৰাকী প্ৰতিযোগী আছিল সিদ্ধিনাথ শৰ্মা। ১৯৬৬ চনৰ ১৭ মে তাৰিখে তেখেতৰ পৰলোক প্ৰাপ্তি ঘটে।

হৰেশ্বৰ পাঠক :

ছমৰীয়া মৌজাৰ নগৰবেৰা অঞ্চলৰ। ১৯২১ চনত বকো অঞ্চলত খাজনা বন্ধ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। চৰকাৰে তেওঁলোকৰ বিৰুদ্ধে কাম নকৰিবলৈ ২০০ টকা জামিন দিবলৈ অমান্তি হোৱাত এবছৰ ফাটেক খাটে। পুলিচ মিলিটেৰীৰ দ্বাৰা পৰিয়ালবৰ্গ নিৰ্যাতিত হয়। বকো অঞ্চলৰ এজন মুখিয়াল লোক আছিল আৰু আজীৱন কংগ্ৰেছ কৰ্মী আছিল।

ডাঃ হৰিকৃষ্ণ দাস :

জন্ম ১৮৭৫ চনৰ চ'ত মাহৰ পূৰ্ণিমা ৰাতি। পিতৃ জুৰোৰাম দাস। হৰিকৃষ্ণ দাস ১৪ বছৰ বয়সত এন্ট্ৰেন্স পাছ কৰি প্ৰেচিডেন্সী কলেজৰ পৰা এফ এ আৰু ১৯০০ চনত কলিকতা মেডিকেল কলেজৰ পৰা এম বি পৰীক্ষা পাছ কৰে। ডাঃ হৰিকৃষ্ণ দাসে পোনে পোনে ডিব্ৰুগড় বেৰিহোৱাইট মেডিকেল কলেজত অস্ত্ৰোপচাৰৰ শিক্ষক হিচাপে নিযুক্তি পালে। ১৯০৬ চনত হেমপ্ৰভাৰ লগত তেওঁৰ বিয়া হয়। ডাঃ দাসৰ স্বকীয় প্ৰতিভা, নিৰ্মল চৰিত্ৰ আৰু বিনয় ব্যৱহাৰৰ কাৰণে শিক্ষক, ছাত্ৰ, ৰোগী সকলোৰে পৰা শ্ৰদ্ধা পাইছিল। ১৯২৭ চনত তেখেতে চৰকাৰী চাকৰি বাদ দি ঘৰতে অস্ত্ৰোপচাৰৰ ক্লিনিক এটা খোলে। অসহযোগ আন্দোলনৰ সময়ৰ পৰা ডাঃ দাসৰ ঘৰ কংগ্ৰেছীসকলৰ আড্ডা আছিল। অসমত সেই সময়ত কংগ্ৰেছৰ অফিচ ঘৰ নাছিল বাবে ১৯৩১ চনত ডাঃ দাসে 'হেমপ্ৰভালজ' বোলা বাটৰ সোঁমাজে থকা ঠাইডোখৰ কংগ্ৰেছক মাগনাত সম্প্ৰদান কৰি দিয়ে। ১৯৪২ চনত ভাৰত ত্যাগ আন্দোলনৰ সময়ত ডাঃ দাসক

গ্ৰেপ্তাৰ কৰি ২ বছৰ ৪ মাহ কাৰাদণ্ড দিয়ে। ১৯৪৬ চনৰ জানুৱাৰী মাহত মহাত্মা গান্ধী শেষ বাৰৰ কাৰণে অসমলৈ অহা সময়ত ডাঃ দাসৰ উদ্যোগত শৰণীয়া পাহাৰত থকা তেখেতৰ ভূমিখণ্ডত ৰাষ্ট্ৰমাতা কস্তুৰবাৰ স্মৃতিত 'কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্ট' গঠন কৰে। তাত থকা ঘৰ মাটি সকলো তেখেতৰ দান। ১৯৩৪ চনত হৰিজন আন্দোলনৰ কাৰ্যসূচী লৈ মহাত্মা গান্ধী অসমলৈ অহা সময়ত ডাঃ দাসক লৈ এখন আদৰণি সমিতি গঠন কৰা হৈছিল। ডাঃ দাসে মহাত্মা গান্ধী থকাৰ কাৰণে এটা কোঠালি নিৰ্মাণ কৰি দিছিল। ১৯৩৯ চনত বৰডেকপাৰ গাঁৱত ডাঃ দাসৰ সভাপতিত্বত গুৱাহাটী জিলা কংগ্ৰেছৰ প্ৰথম ৰাজনৈতিক সন্মিলন বহিছিল। ১৯৪০-৪২ চনত ডাঃ দাসৰ ঘৰতে শান্তিসেনা শিবিৰ মুকলি কৰি প্ৰদেশখনত এটি শান্তিৰ বাতাবৰণ তৈয়াৰ কৰাৰ চেষ্টা কৰা হৈছিল। ডাঃ দাসে 'সৰ্বোদয় ট্ৰাষ্ট' খুলি জীৱনৰ সৰ্বস্ব জাতিৰ কল্যাণাৰ্থে দান দি থৈ গ'ল। নিজৰ দুগৰাকী কন্যা তিলোত্তমা ৰায়চৌধুৰী আৰু চিৰকুমাৰী অমলপ্ৰভা দাসক দেশসেৱাৰ মহান ব্ৰতত ব্ৰতী কৰালে। ব্যক্তিগত জীৱনত দাস আছিল সৰল জীৱন যাপন আৰু উচ্চচিন্তাৰ প্ৰতীক। তেখেত আছিল মানৱ দৰদী। ১৯৫৮ চনৰ ২ ডিচেম্বৰৰ দিনা তেখেতৰ পৰলোক প্ৰাপ্তি হয়। তেখেতৰ পৰলোক প্ৰাপ্তিৰ পিছতো কন্যাদ্বয়ে শেষ পিতৃভিটা আৰু বাসস্থানটো 'হৰিকৃষ্ণ দাস সোঁৱৰণী পুথিভঁৰাল' হিচাপে ৰাইজৰ সেৱাত অৰ্পণ কৰে।

হৰেশ্বৰ গোস্বামী ঃ

জন্ম ১৯১৮ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখে। পিতৃ কুমুদেশ্বৰ গোস্বামী আৰু মাতৃ কিৰণবালা। প্ৰবেশিকা পৰীক্ষা পাছ কৰি কলেজত আই-এচ-চিৰ ছাত্ৰ হিচাপে ভৰ্তি হৈ আই এচ চি পাছ কৰি বি এছ চি নপঢ়ি ১৯৩৭ চনত অৰ্থনীতিৰ অনাৰ্চসহ বি এ পাছ কৰে। গোস্বামী সু-অভিনেতা আৰু নাট্যকাৰ আছিল। 'অপৰাজিতা' তেখেতৰ ৰচিত সামাজিক নাট আৰু 'ৰাজসিংহ' বুৰঞ্জীমূলক নাট। খেলুৱৈ হিচাপে হকি, টেনিচ, ঘোঁৰাদৌৰ আদিত নিপুণ আছিল। ছাত্ৰ হিচাপে ইংৰাজী, অসমীয়া আৰু বুৰঞ্জীত কৃতিত্ব দেখুৱাইছিল। বি এ পাছ কৰি ব্যৰিষ্টাৰী পঢ়িবলৈ বিলাতলৈ যোৱা সময়ত মাকৰ ওচৰত

তিনিটা প্ৰতিজ্ঞা কৰিছিল। মদ, ছিগাৰেট নোখোৱা আৰু বিলাতী মেম বিয়া নকৰাওঁ বুলি আখৰে আখৰে পালন কৰে। ১৯৩০ চনৰ কানিংহাম চাৰ্কুলাৰ বিৰোধিতা কৰি ছসপ্তাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

গোস্বামীয়ে কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ পৰা ১৯৪০ চনৰ ২১ ফেব্ৰু-ৱাৰীত বাৰ-এট-ল উপাধি লাভ কৰে। মহাত্মাৰ আদৰ্শৰ প্ৰতি অনু-প্ৰাণিত হৈ তেওঁ বিলাতী সাজ-পোছাক বৰ্জন কৰি খদ্দৰ পিন্ধিবলৈ লয়। ১৯৪১ চনৰ ২৩ নবেম্বৰত সত্যৱতীৰ লগত শুভবিবাহ সম্পন্ন। স্বাধীনতা আন্দোলনত বিপ্লৱী ভূমিকা লোৱা অভিযোগত ১৯৪১ চনত জুলাই মাহত তিনিমাহ সশ্ৰম কাৰাদণ্ড বিহি যোৰহাট জেলত ৰাখি-ছিল। বিবাহৰ ঠিক পিছতেই ভাৰতত্যাগ আন্দোলনত জপিয়াই পৰি ১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰি শিলচৰ জেলত কাৰাবাস খাটে। ইয়াৰ পিছত তেওঁ দিল্লী আৰু কলিকতাত ওকালতি কৰে। 'হিন্দ-কিষাণ পঞ্চায়ত' গঠন কৰি কৃষক মজদুৰৰ দুৰ্ভাগ্য মোচনৰ প্ৰচেষ্টা। অসমীয়া ৰাজ্যভাষা আন্দোলন, ব্ৰহ্মপুত্ৰ দলং, ৰেল আন্দোলন, তেল শোধনাগাৰ আন্দোলন, চিলঙৰ পৰা ৰাজধানী গুৱাহাটীলৈ স্থানান্তৰ আদিত তেওঁৰ বৰঙণি অশেষ। ১৯৬৪ চনত হৰেশ্বৰ গোস্বামীয়ে কংগ্ৰেছত যোগ দি ১৯৬৭ চনত বিপুল ভোটাধিক্যত জয়লাভ কৰি অসম বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হয়। ১৯৬৮ চনৰ ৯ মে তাৰিখে তেখেতৰ মৃত্যু হয়। হৰেশ্বৰ গোস্বামীয়ে লিংকন ইনৰ সৰ্বশ্ৰেষ্ঠ ছাত্ৰ হিচাপে স্বীকৃতি লাভ কৰি ১৯৩৯ চনৰ ৩১ অক্টোবৰৰ দিনা 'বুজনন' পুৰস্কাৰ লাভ কৰি অসম তথা ভাৰতৰ গৌৰৱ বঢ়ায়।

হৰেন্দ্ৰনাথ বৰুৱা ঃ

জন্ম ১৯০৯ চনত, গোলাঘাটৰ এটা নিম্ন মধ্যবিত্ত পৰিয়ালত। মৃত্যু ১৯৮৭ চনৰ ৩১ আগষ্ট। হৰেন্দ্ৰনাথ বৰুৱা কেৱল সাংবা-দিকেই নাছিল, তেওঁ আছিল এজন আগশাৰীৰ মুক্তি যুঁজাৰু। অসম আৰু অসমীয়া জাতিৰ সংকটকালৰ পৰম বন্ধু বৰুৱাদেৱে ১৯৩৪ চনৰ পৰা অসমৰ প্ৰতিটো সমস্যাৰ সমাধান সূত্ৰ বিচাৰি 'নতুন অসমীয়াৰ জৰিয়তে নিজৰ নিৰ্ভীক আৰু সুস্পষ্ট মত ব্যক্ত কৰাৰ

লগতে সমগ্ৰ অসমীয়া জাতিটোক জগাই তুলিছিল।

গোলাঘাট চহৰৰ পৰা প্ৰবেশিকা পাছ কৰি গুৱাহাটীৰ কটন কলেজৰ পৰা ১৯৩০ চনত স্নাতক উপাধি লাভ কৰে। গুৱাহাটীৰ আৰ্ল ল কলেজৰ পৰা আইনৰ বি এল উপাধি লাভ কৰি চাৰি বছৰমান ওকালতি কৰে। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগ দি গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৪১ চনৰ ১০ মাৰ্চৰ দিনা ব্যক্তিগত সত্যাগ্ৰহ কৰি তিনিসপ্তাহ সশ্ৰম কাৰাদণ্ড ভোগে। তাৰ পাছত যুদ্ধবিৰোধী প্ৰচাৰ কাৰ্য চলোৱা অপৰাধত ভাৰতীয় প্ৰতিৰক্ষা আইনৰ ধাৰামতে ১৯৪৩ চনৰ পহিলা জানুৱাৰীৰ দিনা বৰুৱাক গ্ৰেপ্তাৰ কৰি তেজপুৰ জেলত ৰাখি এবছৰ পিছত ১৯৪৪ চনৰ ১৩ জানুৱাৰীৰ দিনা খালাচ দিয়ে। কংগ্ৰেছৰ লগত একমত হ'ব নোৱাৰি তেওঁ ১৯৫২ চনত কিষাণ মজদুৰ প্ৰজা পাৰ্টিত যোগ দিয়ে।

তেখেতে মুক্তি যুঁজাৰুৰ ৰাষ্ট্ৰীয় সন্মানসূচক তাম্ৰপত্ৰ আৰু 'স্বতন্ত্ৰ সৈনিক সন্মান বৃত্তি' লাভ কৰিছিল। এই সন্মান তেখেতে ৰাজ অনুগ্ৰহ বুলি নলৈ মাতৃপূজাৰ আশীষ নিৰ্মাল্য বুলিহে গ্ৰহণ কৰিছিল। ১৯৫৫ চনৰ পৰা একেৰাহে কুৰি বছৰৰো অধিককাল খ্যাতি আৰু মৰ্যাদাৰে অসমীয়া সংবাদপত্ৰৰ ক্ষেত্ৰত এক অভিলেখ স্থাপন কৰি ১৯৭৩ চনত তেখেতে অৱসৰ গ্ৰহণ কৰে। ১৯৮১ চনত জন্ম লাভ কৰা 'ভিনিদিনীয়া বাতৰি' নামৰ আন এখন সংবাদপত্ৰৰ বৰুৱা মুখ্য উপদেষ্টা আছিল। তেখেতে তিনিখন অসমীয়া গ্ৰন্থ আৰু অসমৰ সমস্যাবোৰ অসমৰ বাহিৰৰ লোকক জনাবলৈ ইংৰাজীত সময়ে সময়ে পুস্তিকা, প্ৰচাৰ পত্ৰ আদি লিখিছে।

হৰেন্দ্ৰনাথ বৰুৱা এগৰাকী প্ৰসিদ্ধ মুক্তিযুঁজাৰু, আগশাৰীৰ সাংবাদিক, চিন্তাশীল লেখক হোৱাৰ উপৰিও গুৱাহাটীৰ প্ৰায়বোৰ শিক্ষানুষ্ঠান, সাহিত্য সংস্কৃতিৰ অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত আছিল। তেখেত অসম প্ৰকাশন পৰিষদৰ উপ সভাপতি আৰু গুৱাহাটী হাইকোৰ্টৰ সদস্য আছিল। তেখেতৰ আকস্মিক বিয়োগত সাংবাদিকতাৰ ক্ষেত্ৰত এক অপূৰণীয় ক্ষতি হ'ল। কিন্তু যোৱা পাঁচটা দশকত সততা, নিৰ্ভীকতা, নিস্বাৰ্থ আৰু পৰম নিষ্ঠাৰে অসমৰ সাংবাদিক জগতত তেখেতে দিয়া সেৱা কৰি গ'ল সি যুগৰ ইতিহাসত স্বৰ্ণাক্ষৰেৰে লিখা থাকিব।

হৰেশ্বৰ শৰ্মা ঃ

এখেতৰ ঘৰ পানীটৈমাৰ চেপটিত। ১৯৩০ চনত এল পি স্কুলৰ শিক্ষকতা বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। পিকেটিং কৰাৰ বাবদ ৩ মাহ জেল হয়। ১৯৩২ চনত পুনৰ তিনিমাহ জেল হয়। ১৯৩৩ চনত কলিকতাৰ কংগ্ৰেছলৈ যাওঁতে পাৰ্বতীপুৰ ষ্টেচনত গ্ৰেপ্তাৰ হয় আৰু ৭ দিন দিনাজপুৰ জেলত আবদ্ধ থাকে। ১৯৪২ চনত সত্যাগ্ৰহ কৰিছিল যদিও গ্ৰেপ্তাৰ হোৱা নাছিল। ১৯৪২ চনত গ্ৰেপ্তাৰৰ পৰোৱানা ওলোৱাৰ পিছত ১৯৫০ চনলৈকে পলাতক হিচাপে আছিল। দেশ স্বাধীন হোৱাৰ পিছত এজন গঠনমূলক কৰ্মী হিচাপে কাম কৰিছিল। চৰকাৰক আবেদন কৰা সত্বেও পেঞ্চন নেপালে। শয্যাগত অৱস্থাত থাকি ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

হৰিশ কাকতি ঃ

পিতৃৰ নাম মিঠাইখোৱা কাকতি, ঘৰ গুৱালকুছিত। ১৯২১ চনত স্কুল বৰ্জন কৰে। ১৯৪২ চনৰ আন্দোলনত আঠমাহ কাৰাদণ্ড হয়। ২৯-১১-৪২ ত কাৰাবৰণ কৰে আৰু তিনিমাহ পিছত খালাচ পায় আকৌ ৬।৪।৪৩ ত চিকিউৰিটি প্ৰিজনাৰ ক্লাচ চুতকানি অন্তৰীণ কৰি খালাচ দিয়ে। ১৯৪২ চনৰ ১ জানুৱাৰীত অন্তৰীণ নিৰ্দেশ তুলি লয়। কংগ্ৰেছৰ এজন গঠনমূলক কৰ্মী আছিল আৰু গান্ধীজীৰ আদৰ্শক সমাজত ৰূপ দিবলৈ যত্ন কৰিছিল।

হৰেশ্বৰ কলিতা ঃ

ঘৰ হুমৰীয়া বৰকোত। ১৯২১ চনত দুশ টকাৰ ধৰ্ম লিখি নিদিয়াৰ কাৰণে এবছৰ কাৰাদণ্ড হয়। ১৯২১ চনত বৰকো অঞ্চলত খাজনা বন্ধ আন্দোলনৰ এজন সংগঠক আছিল। পুলিচ মিলিটেৰিৰ দ্বাৰা এওঁৰ পৰিয়ালবৰ্গ নিৰ্যাতিত হৈছিল। সেই অঞ্চলৰ এজন মুখিয়াল লোক আছিল আৰু আজীৱন কংগ্ৰেছৰ কাম কৰিছিল।

হৰিচন্দ্ৰ ভৰালী ঃ

জন্ম হাজোৰ ভৰালীটোলাত। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়াৰ বাবে ১৭।৯।৪২ ত জেললৈ যায়। তিনি মাহ কাটৈকীৰ

পিছত প্ৰমাণৰ অভাৱত ১৭।১২।৪২ত খালাচ পায়। পিছত শিক্ষক হিচাপে কাম কৰে। অৱসৰৰ পিছত মৃত্যু হয়।

হৰমোহন দাস :

পিতৃ পালিৰাম মহাজন। জন্ম হাজোৰ ভাগইটোলাত। ১৯৪০ চনত সত্যাগ্ৰহত যোগদান কৰে। ১৯৪২ চনত তিনিমাহ কাৰাবৰণ হয়। হাজো অঞ্চলৰ এজন বিখ্যাত কংগ্ৰেছ কৰ্মী আছিল।

হৰকান্ত দাস :

জন্ম হাজোৰ ভবালীটোলাত। ১৯২১ চনত পঢ়া এৰি আন্দোলনত যোগ দিয়ে। তিনিমাহ কাৰাদণ্ড হয়। এম এ, বি এল পাছ কৰি তেজপুৰৰ স্থানীয় বাসিন্দা হৈ তাতে আইন ব্যৱসায় কৰে আৰু কামৰূপীয় সনাতন নামঘৰ তেজপুৰত নিৰ্মাণ কৰাত আগভাগ লৈ একশৰণ নাম ধৰ্মৰ পৃষ্ঠপোষকতা কৰে।

জীৱকান্ত বৰুৱা :

জামুগুৰিৰ তেজপুৰত জন্ম হয়। পুলিচ বিভাগত চাকৰি কৰি থকা অৱস্থাত তেখেতৰ ভাতৃ ত্যাগবীৰ হেম বৰুৱাক গ্ৰেপ্তাৰ কৰিবলৈ হুকুম দিয়াত "মহাত্মা গান্ধী কি জয়" ধ্বনি দি কহাৰী ৰবৰ পৰা চাকৰি বাদ দি ওলাই আহে। ১৫ টকা জৰিমনাও ভৰে।

বৰপেটা

অম্বিকাগিৰী ৰায়চৌধুৰী :

জন্ম ১৮৮৫ চনৰ পুহ মাহৰ ৪ তাৰিখে। পিতৃ কৃষ্ণৰাম, মাতৃ দৈৱকী দেৱী। সাতবছৰ বয়সত মাইনৰ স্কুল পাছ কৰি গুৱাহাটীত পঢ়িছিল যদিও বংগ ভংগ আন্দোলনৰ সময়ত পঢ়া-শুনা বাদ দি আন্দোলনত জপিয়াই পৰে। মাত্ৰ ১৯-২০ বছৰ বয়সতে তেখেতে বৰপেটাত নজৰবন্দী হৈ থাকে। ৰায়চৌধুৰীৰ উদ্যোগত বৰপেটাৰ সনাতন সমাজৰ জন্ম হয়। মাধৱদেৱৰ তিৰোভাৱ তিথিত তেখেতৰ ৰচিত 'জয়দ্ৰথ বধ' আৰু 'ভক্ত গৌৰৱ' নাটক অসমৰ সকলো ঠাইতে অভিনীত হৈছিল। ১৯২৭ চনত তেখেতে গুৱাহাটীৰ পান-বজাৰত 'কামৰূপী সংগীত বিদ্যালয়' স্থাপন কৰে। ৰায়চৌধুৰীৰ সংগীত ১৯২৬ চনৰ পাণ্ডুত বহা ভাৰতীয় কংগ্ৰেছ অধিবেশনত বিশেষ খ্যাতি অৰ্জন কৰিছিল। ৰায়চৌধুৰী ৰচিত "আজি বন্দো কি ছন্দেৰে সমাগত বিৰাট নৰনাৰায়ণ ৰূপ" আৰু "কাৰ কি আৱহন" এই গীত দুটিৰে দুদিন উদ্বোধন কৰা হৈছিল। 'অসম বান্ধৱ' আলোচনীত ৰায়চৌধুৰী সহকাৰী সম্পাদক নিযুক্ত হ'ল। তেওঁ 'অৰুণা প্ৰেছ' গুৱাহাটীত স্হাপন কৰালে। 'চেতনা' নামৰ মাহেকীয়া আলোচনীৰ তৃতীয়া সম্পাদনা ১৯১৯। ১৯৩৬ চনৰ ২২ জুলাইৰ পৰা 'ডেকা অসম' মুখপত্ৰ হিচাপে ওলাইছিল। এই কাকতৰ জৰিয়তে পৰ্বত-ভৈয়াম, হিন্দু-মুছলমান, পমুৱা-বহিৰাগত, বংগালী-মাৰোৱাৰী আদি সমাজ গোষ্ঠীৰ লোকৰ সন্মুখত এক মহান আদৰ্শ দাঙি ধৰা হৈছিল।

ৰায়চৌধুৰীৰ ৰচিত কাব্যসমূহ বীণা, অনুভূতি স্থাপন কৰ, স্থাপন কৰ, জয়দ্ৰথ বধ, ভক্ত গৌৰৱ কল্যাণময়ী, শতধাৰ, আহুতি, অসমীয়া স্বৰাজ, স্বাধীন পঞ্চায়ত ৰা.গানৰ আঁচনি, জগতৰ শেষ আদৰ্শ আৰু বিশ্ব শান্তি স্থাপনৰ পথ।

ভাৰতৰ স্বাধীনতা আন্দোলনত তেখেতে কেবাবাৰো সশ্ৰম কাৰা-দণ্ড ভোগে। ১৯২১ চনত ডেৰবছৰ সশ্ৰম কাৰাদণ্ড, ১৯০৮ৰ পৰা ১৯১৫ চনলৈ নজৰবন্দী হৈ থাকে। ১৯৪৪ চনত শিৱসাগৰত বহা অসম সাহিত্য সভাৰ সংগীত শাখাৰ সভাপতি। ১৯৬০ চনত ১১, ১২ মাৰ্চত মাৰ্ঘেৰিটাত বহা একবিংশ অধিবেশনৰ সভাপতি।

অসমৰ 'লৌহ মানৱ' অম্বিকাগিৰী ৰায়চৌধুৰীৰ পঞ্চভৌতিক দেহ ৮৩ বছৰ বয়সত ১৯৬৭ চনৰ ২ জানুৱাৰী তাৰিখে পঞ্চভূতত বিলীন হ'ল। কিন্তু তেখেতৰ বেদনাৰ উল্কাবোৰে অসমৰ আকাশত আজিও অতৃপ্ত বাসনা লৈ যেন উৰি ফুৰিছে। সন্দেহ নাই, এই গৰাকী স্বদেশ প্ৰেমিকৰ আত্মাই অসমৰ ডেকা-গাভৰুক যুগ যুগান্তৰলৈ অসমৰ স্বাৰ্থ ৰক্ষাৰ সংগ্ৰাম কৰি যাবলৈ মনত উৎসাহ, শৰীৰত শক্তি আৰু হৃদয়ত নিভাজ দেশপ্ৰেম দি থাকিব।

অক্ষয় কুমাৰ দাস ঃ

জন্ম ১৮৯৯ চনৰ ১ চ'ত। বৰপেটা আমবাৰীহাটী। অক্ষয় কুমাৰ দাস মানুহজন সত্যৰ প্ৰতীক, ন্যায়ৰ প্ৰতীক আৰু এই সত্য আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবেই তেখেত আছিল ভয়ংকৰ বিপ্লৱী। অক্ষয় দাসৰ পিতৃ মনোহৰি দাস আৰু মাতৃ বৃন্দাবনী। আদৰ্শ পিতৃ-মাতৃ আৰু পৰম ধাৰ্মিক লোক আছিল। দাসে ১৯১৭ চনত বৰপেটা হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা, ১৯১৯ চনত কটন কলেজৰ পৰা আই এ আৰু ১৯২১ চনত ইংৰাজীত অনাৰ্চসহ বি এ পাছ কৰে। তাৰ পাছত কলিকতাৰ প্ৰেচিডেন্সী কলেজত ইংৰাজী বিষয়ত এম এ পঢ়ি থাকোঁতে দেশৰ ৰাজনৈতিক অৱস্থাৰ প্ৰতি আকৃষ্ট হয় আৰু অসহযোগ আন্দোলনত যোগ দিয়ে। অক্ষয় কুমাৰ দাসে গুৱাহাটীৰ আৰ্ল ল কলেজৰ পৰা ১৯২৫ চনত বি এল উপাধি লাভ কৰি বৰপেটাত ওকালতি আৰম্ভ কৰে। ওকালতিতকৈ ৰাজনীতিত তেখেতৰ আগ্ৰহ বেছি আছিল। ১৯২১ চনতে তেখেতে চিটি কংগ্ৰেছ কমিটিৰ সম্পাদক আৰু বৰপেটা জিলা কংগ্ৰেছ কমিটিৰ সহকাৰী সম্পাদক নিৰ্বাচিত হৈ দক্ষতাৰে পৰিচয় দিছিল। ১৯২৮ চনত দাসদেৱে বৰপেটা কংগ্ৰেছ কমিটিৰ সম্পাদক নিৰ্বাচিত হয়। ১৯৩০ চনত আইন অমান্য আন্দোলনত ২৬ জানুৱাৰীত বৰপেটাৰ কীৰ্তন ঘৰ প্ৰাংগণত জাতীয় পতাকা উত্তোলন কৰা অভিযোগত দোষী সাব্যস্ত কৰি ছমাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯২৯ চনত অসম কংগ্ৰেছ কমিটিৰ সদস্য নিৰ্বাচিত হয়। ১৯৩৪ চনত বৰপেটা লোকেলবোৰ্ডৰ সভাপতি হয়। ১৯৪৩ চনত দাসে ওকালতি বাদ দিলে। ১৯৪২ চনত বৰপেটা কংগ্ৰেছ কমিটিৰ সভাপতি হয়। মহাত্মাজীৰ পৰামৰ্শক্ৰমে

আঁচনিৰ কাম কৰিবলৈ তেখেতে বেছি জোৰ দিছিল। ১৯৪২ চনৰ ২৭ নৱেম্বৰত গ্ৰেপ্তাৰ হৈ দাসে এবছৰ সশ্ৰম কাৰাদণ্ড ভোগে। দাসৰ চেষ্টাত বৰপেটাত এটা শক্তিশালী শান্তি বাহিনী গঠন হৈছিল। ১৯৪৫ চনত তেখেতে লোকেল বোৰ্ডৰ সভাপতি হয়। ১৯৫২ আৰু ১৯৬২ চনত কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে সৰভোগ সমষ্টিৰ পৰা দুবাৰো অসম বিধান সভালৈ নিৰ্বাচিত হয়। তেখেতৰ ৰাজনৈতিক জীৱনৰ শেষ পদবী হিচাপে ১৯৬৭ চনত বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি পদত পুনৰ নিৰ্বাচিত হৈছিল।

ৰাজনৈতিক জীৱনেই হওক, সামাজিক জীৱনেই হওক, দাস ডাঙৰীয়াই সত্য, অহিংসা, প্ৰেম আৰু সাম্য মৈত্ৰী ভাৱক আগস্থান দিছিল। তেখেতৰ কথা আৰু কামৰ মাজত কোনো ৰকমৰ প্ৰভেদ নাছিল। তেখেতে অসম চৰকাৰৰ পঞ্চায়ত তদন্ত সমিতি আৰু কেন্দ্ৰীয় চৰকাৰৰ মৰাপাট কমিটিৰো সভাপতি আছিল। সৰুপেটাৰ গিৰীশ বিদ্যাপীঠৰ সভাপতি আৰু পাবলিক একাউণ্টস কমিটিৰ তেখেত সদস্য আছিল। এই মহান ব্যক্তিজন ৮১ বছৰ বয়সত ১৯৮০ চনৰ ২১ পুহত পৰলোক প্ৰাপ্তি ঘটে।

অপূৰ্ব কুমাৰ ভুঞা ঃ

মেটুৰাকুছি, বৰপেটা। অসহযোগ আন্দোলনত এমাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা।

অচ্যুতানন্দ দাস ঃ

বৰহাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা।

অৰ্জুন চন্দ্ৰ ৰায় ঃ

চেঙা। পিতা যমোৰাম ৰায়। সত্যাগ্ৰহী আৰু গণ-আন্দোলনত কাৰাবাস। জন্ম ১৯০২। মৃত্যু ১৯৬৮।

অৰুণ চন্দ্ৰ ভুঞা ঃ

[illegible]। জন্ম ১৮৯৯, মৃত্যু ১৯৭৪। পিতা [illegible] ভুঞা। গণ-আন্দোলনত কাৰাবাস খাটিছিল।

ডাঃ অনন্ত মোহন দাস ঃ

ভোটেপোৰা ৰবী, বাৰম্মৰা বজাৰ। পিতা মাধব চন্দ্ৰ দাস। জন্ম ২।৯।১৭, মৃত্যু ১২।৯।৮৯। গণ আন্দোলনত বজালীত বিশেষ অংশ গ্ৰহণ কৰিছিল। তেওঁ চৰকাৰী চাকৰি ত্যাগ কৰিছিল।

অভয় শৰ্মা ঃ

গনাগাঁও, তিতকা। গণ আন্দোলনত পুলিচৰ গুলি খায় আৰু গ্ৰেপ্তাৰ হয়।

অনন্তমোহন শৰ্মা ঃ

পাঠশালা। পিতৃ মাধব দেৱশৰ্মা। জন্ম ১৮৯৭, মৃত্যু ১৯৮৮। গণ আন্দোলনত কাৰাবাস খাটিছিল।

অম্বিকাচৰণ পাঠক ঃ

গান্ধীনগৰ, বৰপেটা। জন্ম ১৯২৪, মৃত্যু ১৯৮৪। পিতা মোহন পাঠক। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

অবদলা কছাৰী ঃ

হামাৰগাঁও, ভাকুৰা, উদৈকুৰি। ১৯২২ চনত ১ বছৰ কাৰাবাস খাটিছিল।

অখিনী কছাৰী ঃ

১৯২২ চনত ১ বছৰ কাৰাবাস খাটিছিল।

আউবাম মেধী ঃ

বাহবি। জন্ম ১৮৩৬, মৃত্যু ১৯৪৬। সত্যাগ্ৰহী আৰু গণ আন্দোলনত কাৰাৰুদ্ধ।

আদি ৰাম দাস ঃ

পিতা চেকিৰাম দাস, পাঠশালা। জন্ম ১৯২১, মৃত্যু ১৯৮৯। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবাস খাটে।

আহিমা কছাৰী ঃ

ৰবনগৰ। ১৯২২ চনত ১ বছৰ কাৰাদণ্ড।

আৰেণা কছাৰী :

বৰনগৰ। ১৯২২ চনত ১ বছৰ কাৰাদণ্ড ভোগ কৰে।

উমেশ চন্দ্ৰ ব্ৰহ্মচাৰী :

১৮৬৮ চনত বৰপেটাৰ এটা অভিজাত পৰিয়ালত উমেশচন্দ্ৰ ব্ৰহ্মচাৰীৰ জন্ম হৈছিল। তেওঁৰ পিতৃৰ নাম আছিল ৰামদাস উকীল। উমেশচন্দ্ৰ ব্ৰহ্মচাৰী প্ৰথমতে উমেশচন্দ্ৰ দাস আছিল। পিছত ব্ৰহ্মচাৰী হয়। বৰপেটা লোকেল বৰ্ডৰ চাৰ্ভেয়াৰ হিচাপে তেওঁ চাকৰি আৰম্ভ কৰিছিল। আৰু সম্পূৰ্ণ চাহাবী পোছাক পৰিহিত লোক আছিল।

১৯২০ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সদস্য ভৰ্তি হৈ বৰপেটাত জিলা কংগ্ৰেছ সমিতি সংগঠন কৰাত তেওঁকে বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি নিৰ্বাচন কৰে আৰু ধনীৰাম তালুকদাৰ প্ৰথম সম্পাদক হয়। ১৯২০ চনৰ কংগ্ৰেছ অধিবেশনত প্ৰতিনিধিত্ব কৰিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়াৰ লগে লগে লোকেল বোৰ্ডৰ ছাৰ্ভেয়াৰৰ পদ ইস্তফা দিয়ে আৰু নিজৰ চাহাবী পোছাক বৰ্জন কৰি বিলাতী বস্ত্ৰ বৰ্জন অভিযানত আগভাগ লৈ কীৰ্তন ঘৰৰ সন্মুখত বিলাতী বস্ত্ৰ বৰ্জন কৰে। তাৰ পিছৰ পৰা সূতা কাটি খদ্দৰ কপোৰ পৰিধান কৰে।

পিতৃৰ পৰলোকৰ পিছত স্মৃতি ৰক্ষাৰ্থে 'ৰামদাস মাইনৰ স্কুল' নামেৰে এখন স্কুল ১৯১১ চনত নিজৰ মাটিতে বৰপেটাত স্থাপন কৰিছিল আৰু প্ৰায় প্ৰতি বছৰে স্কুলখনৰ পৰা বৃত্তি পোৱাত চৰকাৰী সাহায্যও পাইছিল। ১৯২১ চনত অসহযোগ আন্দোলনত ছাত্ৰ-ছাত্ৰীয়ে স্কুল বৰ্জন কৰাত, পিতৃৰ নামৰ স্কুলখনো উঠাই দিলে।

নিজৰ আন উপাৰ্জন নাই কিন্তু কংগ্ৰেছৰ সংগঠনৰ বাবেই নিজৰ মা-সম্পত্তি বিক্ৰী কৰি নিঃশেষ হৈ পৰিল। অৱশেষত দুৰাৰোগ্য ৰোগত ভুগি ১৯৩৮ চনত কলিকতাত শেষ নিশ্বাস ত্যাগ কৰে।

উপেন নাথ দাস :

কলেজ ৰোড, বৰপেটা। পিতা জগবন্ধু দাস। জন্ম ১৯০৫, মৃত্যু ১৯৮৮। গণ আন্দোলনত ১২।২।৪৩ তাৰিখৰ পৰা ৪।১।৪৪ লৈ

কাৰাবাস খাটে। সত্যাগ্ৰহ আন্দোলনত ভাগ লৈছিল। তেওঁ জিলা কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সভাপতিও আছিল। তেওঁ 'বাবুলাল উকীল' নামে সমাজত জনাজাত আছিল।

উপেন্দ্ৰ নাথ দাস :

মোৰামৰাহাটী, বৰপেটা। অসহযোগ আন্দোলনত ৫০ টকা জৰিমনা ভৰিছিল।

উমাকান্ত দাস :

কহাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা হয়।

উমেশ চন্দ্ৰ দাস :

বৰপেটা। অসহযোগ আন্দোলনৰ 'আজীৱন মুক্তি আন্দোলন'ত অংশ গ্ৰহণ কৰিছিল।

উত্তম চন্দ্ৰ দাস :

গলিয়াহাটী, বৰপেটা। গণ আন্দোলনত ৪ মাহ কাৰাদণ্ড ভোগ কৰিছিল।

উপেন্দ্ৰ চন্দ্ৰ পাঠক :

পালাংদিহাটী, বৰপেটা। আইন অমান্য আন্দোলনত দুমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

উমেশ চন্দ্ৰ কলিতা :

পিতৃ সন্তোৰাম কলিতা, ভালাগুৰি, সৰুপেটা। গণ আন্দোলনত ৩ মাহ কাৰাবাস হয়।

উমাকান্ত দাস :

পিতৃ দাসীৰাম দাস। চাপৰবড়ি, সৰুপেটা। গণ আন্দোলনত ৩ মাহ কাৰাবৰণ কৰে।

উদয় নাথ :

মাদুলিজাৰ। গণ আন্দোলনত কাৰাবাস খাটে।

ডাঃ কেশৱ চন্দ্ৰ দাস ঃ

বজালীৰ ৰতনপুৰ গাঁওত ১৯০২ চনত ডাঃ কেশৱ চন্দ্ৰ দাসৰ জন্ম হয়। শৈশৱ কালতেই পিতাক জয়চন্দ্ৰ দাসৰ পৰলোক প্ৰাপ্তি ঘটে। ১৯১৮ চনত নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা মেট্ৰিকুলেচন পাছ কৰি ডিব্ৰুগড়ৰ বেৰীহোৱাইটলৈ এল এম পি পঢ়িবলৈ যায়। ১৯২১ চনৰ অসহযোগ আন্দোলনত পঢ়া-শুনা বাদ দি স্বাধীনতাৰ আন্দোলনত নামি তিনি মাহ কাৰাদণ্ড ভোগ কৰিছিল। কাৰাগাৰৰ পৰা ওলাই পুনৰ বেৰীহোৱাইটলৈ এল এম পি পঢ়িবলৈ নগৈ কলিকতালৈ গৈ হোমিঅ'প্যাথিক মহাবিদ্যালয়ৰ পৰা হোমিঅ'প্যাথিক চিকিৎসাৰ স্নাতক হৈ উভতি আহি চিকিৎসা ব্যৱসায় আৰম্ভ কৰে। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলনত নিত্যানন্দৰ পৰা সত্যাগ্ৰহ কৰি পুনৰ কাৰাবৰণ কৰে। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত যেতিয়া অধিকাংশ নেতা কৰ্মী কাৰাগাৰলৈ গৈছিল, ডাঃ কেশৱচন্দ্ৰ দাসে ধৰা নিদি আত্মগোপন কৰি আন্দোলন জীয়াই ৰাখিছিল। স্বাধীনতা আন্দোলনৰ কৰ্ম পৰিষদে তেওঁক ডিক্টেটৰ হিচাপে নিৰ্বাচিত কৰিছিল। ১৯৪৩ চনত পুলিচৰ হাতত ধৰা পৰি পুনৰ কাৰাবাস খাটে। বজালী অঞ্চলৰ প্ৰায়বোৰ সামাজিক সাংস্কৃতিক আৰু শিক্ষানুষ্ঠানৰ লগত জড়িত আছিল। ১৯৭২ চনত ৭০ বছৰ বয়সত তেখেতৰ পৰলোক প্ৰাপ্তি হয়।

কেশৱ চৌধুৰী ঃ

ভৱানীপুৰ গাঁও। জন্ম ১৯১৪, মৃত্যু ১৯৭৪। পিতৃ খৰ্গেশ্বৰ চৌধুৰী। গণ আন্দোলনত ১ মাহ কাৰাবাস হয়।

কাশীনাথ গোস্বামী ঃ

কালজিৰাপাৰা। পিতৃ কৃষ্ণ চন্দ্ৰ। জন্ম ১৮৭১, মৃত্যু ১৯৪৪। গণ আন্দোলনৰ সময়ত বজালীত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। আৰু বজালীৰ কেন্দ্ৰীয় পঞ্চায়তৰ সভাপতি আছিল।

কাশীকান্ত কলিতা (গাঁওবুঢ়া) ঃ

বালিপাৰা। গণ আন্দোলনত কাৰাবাস খাটে।

কামেশ্বৰ মেধী :

টুপলাই পানবাৰী। জন্ম ১৮৮৬, মৃত্যু ১৯৭৩। পিতৃ বিৰহ মেধী। ১৯২১ চনৰ অসহযোগ আন্দোলনত ১০০ টকা জৰিমনা হয়।

কালিচৰণ দাস :

কমাৰগাঁও, ডকুৱা। ১৯২১ চনত ৩ মাহ কাৰাবাস আৰু ১৯৪২ চনত ৫ বছৰ সশ্ৰম কাৰাবাস।

কাচিৰাম কছাৰী :

হামাৰগাঁও, ডাকুৱা, উমৰকুৰি। ১ বছৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয় ১৯২২ চনত।

কীৰ্ত্তিনাথ শৰ্মা :

বিহালকুৰি গাঁও। ১৯২১ চনৰ আন্দোলনত ৩০ টকা জৰিমনা হয়। লগতে ঘৰৰ মূল্যবান আচবাব আৰু দেড় মোন ওজনৰ বাচনবৰ্তন ক্ৰোক কৰা হয়।

কুমুদ চন্দ্ৰ দাস (ভকত) :

নহাটী বৰপেটা। অসহযোগ, আইন অমান্য সত্যাগ্ৰহ আৰু গণ আন্দোলনত অংশ গ্ৰহণ কৰে।

কৃষ্ণকান্ত চাও :

সৰভোগ। ১৯২১ চনত ৩ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয়।

কেশৱ ৰাম দাস :

হাউলি। আইন অমান্য, সত্যাগ্ৰহ আৰু গণ আন্দোলনত অংশ লৈছিল।

কেশৱ চন্দ্ৰ গোস্বামী :

কালজিৰাপাৰা। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

কন্দৰ্প কুমাৰ বৰুৱা :

নখান্দাপাৰ, বৰপেটা। অসহযোগ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

কৰ্ণৰাম দাস :

দহাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা হয়।

কন্দৰ্প কুমাৰ দাস :

মাজৰহাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

কল্যাণ বৰ্মণ :

চেঙা। পিতৃ চানাৰাম বৰ্মণ। জন্ম ১৯১৮, মৃত্যু ১৯৮৩। গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কমলেশ্বৰ মজুমদাৰ :

পুঠিমাৰী, কমলপুৰি। জন্ম ১৮৯৭, মৃত্যু ১৯৬৩। পিতৃ পদ্মনাথ মজুমদাৰ। গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কমলাকান্ত দাস :

কাহিতামা। পিতৃ কালিচৰণ দাস। ১৯৪২ চনত কাহিতামাৰ ফৰেষ্ট বীট অফিচটো জ্বলোৱাৰ অপৰাধত পিতৃ কাশীচৰণ দাসৰ লগত একেলগে পাঁচবছৰ জেলৰ হুকুম অনুসৰি কাৰাবাস খাটিছিল।

কালীকান্ত চৌধুৰী :

পিপলা। জন্ম ১৮৯৮, মৃত্যু ১৯৫৮। পিতা ভগীৰথ চৌধুৰী। ১৯২১ চনত তিনিমাহ কাৰাবাস খাটিছিল। তেখেত মৌজাদাৰ আছিল।

কান্তেশ্বৰ দেবচৌধুৰী :

জন্ম ১৮৯০, মৃত্যু ১৯৫১। পাটাচাৰকুছি। পিতৃ ঘামেশ্বৰ চৌধুৰী। ১৯২১ চনত ৩ মাহ কাৰাবাস খাটিছিল।

কালীকান্ত কলিতা :

ভালুকী। তিনিমাহ কাৰাবাস খাটিছিল।

কাশীনাথ দাস :

পাঠশালা। পিতৃ বুদ্ধিৰাম দাস। জন্ম ১৯০১, মৃত্যু ১৯৭৫। গণ আন্দোলনত কাৰাবাস খাটে।

কামেশ্বৰ দাস :

জন্ম বজালীৰ অন্তৰ্গত বামাখাটা গাঁৱত। পিতৃ বাণেশ্বৰ দাস, মাতৃ ৰতিপ্ৰিয়া। কামেশ্বৰ দাসে ভাবোল প্ৰমোচন লৈ কমদিনৰ ভিতৰতে প্ৰাইমাৰী শিক্ষা শেষ কৰি চৌখুটী মাইনৰ হাইস্কুলত নাম ভৰ্তি কৰি যথা সময়ত বৃত্তিসহ এম ভি আৰু এম ই পৰীক্ষাত উত্তীৰ্ণ হৈ বৰপেটা হাইস্কুলত পঢ়ে। ১৯১০ চনত দাসে প্ৰবেশিকা প্ৰথম বিভাগত পাছ কৰে। তেওঁ প্ৰতিভামূলক বৃত্তি আৰু পদকো লাভ কৰে। কটন কলেজৰ পৰা আই এছ চি আৰু ১৯১৪ চনত ঢাকা বিশ্ববিদ্যালয়ৰ পৰা বি এচ চি পাছ কৰে। ১৯১৬ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সোণৰ পদকসহ প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰে। এম এচ চি পৰীক্ষাৰ পিছত এল এল বিও সুখ্যাতিৰে পাছ কৰে। তেখেতে কেবা বছৰ ধৰি কলিকতা 'মেথমেটিকেল চোচাইটি'ৰ সদস্য আছিল। বৰপেটাত অটন ব্যৱসায় কৰি তেওঁ বিশেষ খ্যাতি অৰ্জন কৰে। কামেশ্বৰ বাবুৰ উদ্যমত বৰপেটা বজালী অঞ্চলত কেবাখনো উচ্চ বিদ্যালয় স্থাপন হয়। ১৯৫৫ চনৰ ১৫ আগষ্টত পাঠশালাত বজালী কলেজ স্থাপন হয় কামেশ্বৰ বাবুৰ অধ্যক্ষতাত।

কামেশ্বৰ দাস বহুমুখী প্ৰতিভাসম্পন্ন আৰু গুণী পুৰুষ আছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামতো কামেশ্বৰ দাসৰ অবদান আছে। ১৯২১ চনত অসহযোগ আন্দোলনত জপিয়াই পৰি তেওঁ কাৰাবৰণ কৰে। ১৯২৯ চনত কাৰাবৰণ কৰি গুৱাহাটী জেলত থাকে। ১৯৪০ চনত পাঠশালা অঞ্চলত সত্যাগ্ৰহীৰ নেতৃত্ব লোৱা বাবে দাসক গ্ৰেপ্তাৰ কৰি তিনিমাহ আটকবন্দী কৰি ৰাখে। ১৯৪২ চনতো তেখেতক অন্তৰীণ বন্দী কৰি ৰাখে। কামেশ্বৰ দাসৰ ৰাজনৈতিক দৰ্শন গান্ধীবাদৰ ওপৰত প্ৰতিষ্ঠিত আছিল।

অসমৰ ৰাজনৈতিক ক্ষেত্ৰতো কামেশ্বৰ দাসে বিশেষ স্থান অধিকাৰ কৰি কৰিছিল। ১৯২৬ আৰু ১৯২৯ চনত তেখেতে দুবাৰো অসম বিধান সভাৰ সদস্য মনোনীত হয়। ১৯৩৭ চনৰ পৰা ভাৰত স্বাধীন হোৱালৈ একেৰাহে দহ বছৰ অসম বিধান সভাৰ সদস্য হৈ থাকে। ১৯৪৭ চনত অসম লোকসেৱা আয়োগৰ প্ৰথম সভাপতি। স্বৰ্গীয় দাসৰ প্ৰচেষ্টাত বৰপেটাৰ মাধৱ চৌধুৰী কলেজখন স্থাপিত হয়। এজন সাধাৰণ ঘৰৰ ল'ৰা কামেশ্বৰ দাসে স্বকীয় প্ৰতিভা আৰু অধ্যৱসায়ৰ জৰিয়তে উদ্ভাষিত হৈ অকল অবিভক্ত কামৰূপ জিলাৰে নহয় সমগ্ৰ অসমৰ গৌৰৱৰ স্থল হৈ আছে। কামেশ্বৰ দাসক সৰ্বজনে সন্মানসূচক 'কামেশ্বৰ বাবু' বুলিহে সম্বোধন কৰিছিল।

খগেন্দ্ৰনাথ পাঠক:

চেঙা। পিতৃ ৰাপুৰাম পাঠক। জন্ম ১৮৯৯, মৃত্যু ১৯৫৩ গণ আন্দোলনত যোগ দিয়ে আৰু কাৰাবাস হয়।

খগেশ্বৰ টৌটলা:

ৰিহাবাৰী। গণ আন্দোলনত কাৰাবাস খাটিছিল।

খৰ্গেশ্বৰ কলিতা:

কহাৰপাৰা, সৰুপেটা। পিতৃ বাপহ কলিতা। সত্যাগ্ৰহী আৰু গণ আন্দোলনত কাৰাবাস খাটে।

খালৈ কছাৰী:

বৰ নগৰ। ১৯২২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

গনেশনাথ চৌধুৰী:

কৈহাটী, বৰপেটা। অসহযোগ আন্দোলনত এবছৰৰো অধিক কাল কাৰাবাস ভোগে।

গৰ্গনাৰায়ণ দাস:

বিলৰতাৰী হাটী, বৰপেটা। অসহযোগ আন্দোলনত ৫০ টকা জৰিমনা হয়।

গজেন্দ্ৰনাথ ডেকা :

চেঙা। জন্ম ১৯১৪, মৃত্যু ১৯৭৫। পিতৃ লক্ষীকান্ত ডেকা গণ আন্দোলনত কাৰাবাস খাটে।

গঙ্গাৰাম চৌধুৰী :

চৌধুৰীপাৰা। জন্ম ১৮৯৪, মৃত্যু ১৯৫৮। ১৯২১ চনত ৩ মাহ কাৰাবাস আৰু ৫০ টকা জৰিমনা।

গঙ্গাৰাম তালুকদাৰ :

পাঠশালা। জন্ম ১৯২৫, মৃত্যু ১৯৪৪। পিতৃ বলীৰাজ তালুকদাৰ। গণ আন্দোলনত পুলিচৰ অত্যাচাৰত মৃত্যু হয়।

গৰ্গনাৰায়ণ চৌধুৰী :

পাঠশালা। জন্ম ১৯২৩, মৃত্যু ১৯৬৮। পিতৃ ৰামনাথ চৌধুৰী। গণ আন্দোলনত কাৰাবাস খাটে।

গৰ্গেশ্বৰ কাকতি :

মুণ্ডৰীয়া। জন্ম ১৯২৬, মৃত্যু ১৯৮৬। পিতৃ ৰবিৰাজ কাকতি। গণ আন্দোলনত কাৰাবাস খাটে।

গয়া দাস :

কহাৰপাৰা। মহিলা সংগঠনত আগভাগ লয় আৰু পুলিচৰ অত্যাচাৰ উৎপীড়ন ভোগে।

গৰ্গেশ্বৰ নাথ :

ৰামপুৰ। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাবাস হয়।

গজেন্দ্ৰ চন্দ্ৰ দাস :

উত্তৰ গণকগুৰী, সৰভোগ। ১৯৪২ চনত ইউ,টি,পি ৬ মাহ।

গজেন্দ্ৰ চন্দ্ৰ দাস :

বৰ্ধৰাপাৰা, সৰভোগ। ১৯৪২ চনত ৭ মাহ হাজোতত।

গণসিং মেকাৰ :

সৰভোগ। ৮।৯।১৯৪২ ৰ পৰা ৪ মাহ গুৱাহাটী জেলত ইউ টি পি হিচাপে আছিল।

গিৰিধাৰীলাল দাস :

মাজৰহাটী, বৰপেটা। অসহযোগ আন্দোলনত যোগ দি আজীৱন স্বাধীনতাৰ সংগ্ৰামত লাগি থাকে।

গিৰিশ চন্দ্ৰ শৰ্মা :

নহাটী, বৰপেটা। অসহযোগ আন্দোলনত ছয় মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা।

গিৰীশ চন্দ্ৰ চৌধুৰী :

কাহাৰপাৰা। জন্ম ১৯২৩, মৃত্যু ১৯৫৪। পিতৃ ধনেশ্বৰ চৌধুৰী। ১৯৪২ চনৰ আন্দোলনত কাৰাবাস।

নীৰাজ বড়ো :

সৰু হৰিদ। স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা লয়।

গুণেশ্বৰ দাস :

চৈৰাৰী। ১৯৪২ চনৰ আন্দোলনত বিশেষ ভূমিকা লয় আৰু কৰ্ম পৰিষদৰ সদস্য হয়।

গুৰুপ্ৰসাদ দাস :

বিলৰটাৰী হাটী, বৰপেটা। অসহযোগ আন্দোলনত শিক্ষা অনুষ্ঠান চিৰদিনৰ কাৰণে ত্যাগ কৰি আন্দোলনত অংশ লয়। এমাহ সশ্ৰম কাৰাবাস আৰু ২০ টকা জৰিমনা হয়।

গৈথাছা কছাৰী :

বৰ নগৰ। গাঁওবুঢ়া পদ ইস্তফা দিবলৈ বাধ্য কৰাইছিল।

গোলোক চন্দ্ৰ পাঠক :

চেঙা। জন্ম ১৮৯৭, মৃত্যু ১৯৭১। পিতৃ বহ্নিম পাঠক। অসহযোগ

আন্দোলনৰ সময়ৰ পৰা গণ বিপ্লবৰ অংশ লয়। গণ আন্দোলনত দেড় বছৰ কাৰাৰুদ্ধ হয়।

গোলচান্দ কাদেৰ বৰুৱা :

চেঙ্গা। পিতৃ সাগৰ আলি। জন্ম, ১৯১৩, মৃত্যু ১৯৭২। সত্যাগ্ৰহী হিচাপে কাৰাবৰণ কৰে। কংগ্ৰেছত যোগ দিয়াৰ বাবে সেই সময়ৰ স্থানীয় মুছলিম সমাজে ৫ বছৰকাল বৰ্জন কৰে।

গোলোক চন্দ্ৰ পাঠক :

অকীয়া গাঁও। জন্ম ১৯০৪, মৃত্যু ১৯৮৪। পিতৃ ৰাঙা বায়ন। অসহযোগ আন্দোলনত ৩ মাহ কাৰাবাস।

গোপীনাথ ডেকা :

হেলেনা গাঁও। জন্ম ১৮৮২, মৃত্যু ১৯৫৯। পিতা দানপতি ডেকা। অসহযোগ আন্দোলনত ৩ মাহ কাৰাবাস।

গোপীনাথ দত্ত :

পঠশালা। জন্ম ১৯১৯, মৃত্যু ১৯৪৪। পিতৃ কাশীচৰণ দত্ত। গণ আন্দোলনত কাৰাবাস খাটে।

গোপীনাথ চৌধুৰী :

ভবানীপুৰ। জন্ম ১৮৯৪, মৃত্যু ১৯৪৪। পিতৃ হৰিৰাম চৌধুৰী। ১৯২১ চনত ১ বছৰ কাৰাবাস খাটে।

গোপাল দৰ্জী :

দক্ষিণ গণকগাৰী, সৰভোগ। গুৱাহাটী জেলত ইউ টি পি হৈ থাকে।

ঘনশ্যাম দাস (কবিৰাজ) :

দৰিনহাটী, বৰপেটা। আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গণ বিপ্লৱ আৰু সত্যাগ্ৰহ আন্দোলনত কাৰাবাস খাটে।

ঘনশ্যাম চৌধুৰী :

বিহাবাৰী। জন্ম ১৮৯০, মৃত্যু ১৯৫০। পিতৃ জেতৰু চৌধুৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড হয়।

ঘুনচা দাস :

হোকাৰ টুপ। জন্ম ১৯৩০, মৃত্যু ১৯৮১। মহিলা সংগঠনত আগভাগ লয় আৰু পুলিচৰ অত্যাচাৰ উৎপীড়ন ভোগ কৰে।

চন্দ্ৰ কান্ত ওজা :

ফটাহাটী, বৰপেটা। আইন অমান্য আন্দোলনত ২ মাহ সশ্ৰম কাৰাদণ্ড।

চন্দ্ৰকান্ত চৌধুৰী :

চেঙা। জন্ম ১৯০৮, মৃত্যু ১৯৬৮। পিতৃ বহিৰাম চৌধুৰী। সত্যাগ্ৰহী আৰু গণ আন্দোলনত কাৰাবাস।

চক্ৰধৰ গোস্বামী :

বনগাঁও। ১৯২১ চনত ৩০ টকা জৰিমনা হয়।

চতুৰাম নাথ :

সৰভোগ। ১৯৪২ চনত ৩ মাহ বিচাৰাধীন বন্দী হৈ আছিল।

চান্দৰাম নাথ :

বাৰেগাঁও, সৰভোগ। ১৯৩০ চনত ৪ মাহ সশ্ৰম কাৰাদণ্ড।

চিতো দাস :

বহা। স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা লয়।

চিবুল শৰ্মা :

ৰামপুৰ। গণ আন্দোলনত কাৰাবাস খাটে।

জগদীশ চন্দ্ৰ মেধি :

গলিয়াহাটী, বৰপেটা। অসহযোগ আন্দোলনৰ পৰাই অগ্ৰণী ভূমিকা গ্ৰহণ কৰে আৰু গণ আন্দোলনত দুই বছৰকাল 'চিকিউৰিটি প্ৰিজনাৰ' আছিল।

জগন্নাথ দাস :

গণককুচি। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড ভোগে আৰু ২০ টকা জৰিমনা হয়।

জনাৰ্দন বাস :

আমবাৰী। ১৯২১ চনৰ আন্দোলনত ৩০ টকা জৰিমনা হয়।

জগবন্ধু দাস :

আমবাৰী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ১০ টকা জৰিমনা হয়।

জগন্নাথ দাস :

বিলবটাৰীহাটী, বৰপেটা। অসহযোগ আন্দোলনত ওকালতি এৰি সক্ৰিয়ভাৱে আন্দোলনত যোগদান কৰে।

জগন্নাথ দাস :

বৰপেটা। অসহযোগ আন্দোলনৰ পৰা আজীৱন মুক্তি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

জলেশ্বৰ তালুকদাৰ :

বৈৰাগী। তিনিমাহ কাৰাবাস।

জগন্নাথ শৰ্মা :

তিতকা। জন্ম ১৯২১, মৃত্যু ১৯৮৯। পিতৃ সোণেশ্বৰ শৰ্মা। গণ আন্দোলনত কাৰাবাস খাটে।

জয়ৰাম পাটগিৰী :

বামাখাটা। জন্ম ১৮৯২, মৃত্যু ১৯৬৪। পিতৃ যজ্ঞোৰাম পাটগিৰি। ১৯৪২ চনত আন্দোলনৰ সময়ত বিশেষ ভূমিকা লয়।

জন্মিৰাম মেধী :

ভকতৰ চিঠা। জন্ম ১৯০১, মৃত্যু ১৯৮৭। পিতৃ ৰাজেন মেধী। গণআন্দোলনত উল্লেখযোগ্য ভূমিকা লয়।

জীৱন চন্দ্ৰ কলিতা :

বহা। ১৯৩১ চনৰ আন্দোলনত কাৰাবাস।

জন্মেজয় দাস :

সৰভোগ। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাৰুদ্ধ।

জয় ৰাম বড়ো ঃ

দালুৱা, সৰভোগ। ১৯৪২ চনত ৭ মাহ সশ্ৰম কাৰাদণ্ড আৰু ডেৰমাহ জেল হাজোত বাস।

জনাৰ্দন দাস ঃ

সৰভোগ। ১৯২২ চনত ৩০০ টকা জৰিমনা আৰু কাৰাদণ্ড হয়।

জগদীশ দাস ঃ

সৰভোগ। ১০।৫।২২ তাৰিখত ১৫০ টকা জৰিমনা।

ডাঃ জীনাৰাম দাস ঃ

বজালীৰ চৌখুটি গাঁৱত ১৮৮৬ চনত জীনাৰাম দাসৰ জন্ম হয়। পিতৃ লোকন কলিতা। বৰপেটা চৰকাৰী হাইস্কুলৰ পৰা এন্ট্ৰেন্স পৰীক্ষা পাছ কৰে। ডিব্ৰুগড়ৰ বেৰীহোৱাইট মেডিকেল স্কুলৰ পৰা এল এম পি পাছ কৰি চৰকাৰী ডাক্তৰৰ চাকৰিত সোমায়। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত চৰকাৰী চাকৰি ইস্তফা দি জন্মস্থান বজালীলৈ আহি স্বাধীনতা আন্দোলনত আত্মনিয়োগ কৰে। ১৯৩৮ চনত বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হয়। ১৯৪০ চনৰ সত্যাগ্ৰহত আন্দোলনৰ সময়ত বৰপেটা অঞ্চলৰ প্ৰায়বোৰ নেতা গ্ৰেপ্তাৰ হৈ জেলত সোমোৱাত ডাঃ দাসে সত্যাগ্ৰহ আন্দোলন পৰিচালনাৰ গুৰি ধৰে। ডাঃ জীনাৰাম দাসৰ সত্যাগ্ৰহৰ নিৰ্ধাৰিত তাৰিখৰ দিনাখন নিচেই পুৱাতে তেওঁৰ পাঠশালা টাউনৰ বাসভৱন পুলিচে ঘেৰাও কৰি খানাতালাচ কৰি তেওঁক গ্ৰেপ্তাৰ কৰে আৰু তেওঁৰ লাইচেন্স থকা বন্দুকটো জব্দ কৰে। তাৰ পিছদিনা বিচাৰত তেওঁৰ ডেৰ বছৰ কাৰাদণ্ডৰ হুকুম হয়। ১৯৪১ চনৰ শেষ ভাগত কাৰাগাৰৰ পৰা ওলাই বজালী অঞ্চলত শান্তিসেনা গঠণত লাগে। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাত ৩ মাহ কাৰাদণ্ড হয়। স্বাধীনতাৰ পিছত বৰপেটা উত্তৰ সমষ্টিৰ পৰা কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে বিনা প্ৰতিদ্বন্দ্বিতাই বিধানসভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৫৩ চনৰ জানুৱাৰী মাহত ৬৭ বছৰ বয়সত তেখেতৰ পৰলোক প্ৰাপ্তি ঘটে।

টিকেন্দ্রজিত চৌধুৰী :

ভবানীপুৰ। জন্ম ১৯০৯, মৃত্যু ১৯৮৮। পিতৃ তনুৰাম চৌধুৰী। গণআন্দোলনত ১ মাহ কাৰাবাস খাটিছিল। তেওঁ হাইস্কুলৰ প্ৰধান শিক্ষক আছিল।

টেঙুলু নাথ :

সৰুহৰিদ। স্বাধীনতা আন্দোলনত কাৰাবাস খাটিছিল।

ডাঃ তৰুণ চন্দ্ৰ গোস্বামী :

মুগুৰীয়া। জন্ম ১৯১৯, মৃত্যু ১৯৭৩। পিতৃ আত্মাৰাম গোস্বামী। গণ আন্দোলনত কাৰাবাস খাটে।

তাৰক চন্দ্ৰ শৰ্মা :

বামুণকুছি। অসহযোগ আন্দোলনত ৩ মাহ কাৰাবাস খাটে।

তাৰিণী শৰ্মা :

বহা। স্বাধীনতা আন্দোলনত কাৰাবাস খাটিছিল।

তাৰিণী মহৰি :

বাৰেগাঁও। আইন অমান্য আন্দোলনত কাৰাৰুদ্ধ।

তাৰিণী চৰণ পাটোৱাৰী :

চকচকা। ১৯২১ চনত ৯ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

থানেশ্বৰ দাস :

বজালী। জন্ম ১৯০৩, মৃত্যু ১৯২৩। ১৯২১ চনত নলবাৰীত গ্ৰেপ্তাৰ হয় আৰু তিনিমাহ কাৰাবাস হয়।

দশৰথ পাঠক :

অকয়া গাঁও। জন্ম ১৯০৬, মৃত্যু ১৯৮২। পিতৃ পুৰাৰাম পাঠক। ১৯২১ চনত ৩ মাহ কাৰাবাস।

দাৰজ আলি চৰকাৰ :

হাউলী। আইন অমান্য, সত্যাগ্ৰহ আৰু গণ আন্দোলনত ভাগ লৈছিল।

দীনেশ চন্দ্ৰ বায়ন :

দক্ষিণহাটী, বৰপেটা। আইন অমান্য আন্দোলনত ২ মাহ সশ্ৰম কাৰাদণ্ড হয়।

দীনবন্ধু দাস :

বৰহাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা হয়।

দীননাথ চৌধুৰী :

ভবানীপুৰ গাঁও। জন্ম ১৯০৪, মৃত্যু ১৯৮৪। পিতা মাধৱ চৌধুৰী। গণ আন্দোলনত ৯ মাহ কাৰাবাস।

দুৰ্গেশ্বৰ দাস :

নুনতোলা। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাৰুদ্ধ হৈছিল। তেওঁ শান্তি সেনা বাহিনীৰ অধিনায়কো আছিল।

ডাঃ দেৱকুমাৰ শৰ্মা :

বামুণকুছি। জন্ম ১৮৯৫, মৃত্যু ১৯৮৮। অসহযোগ আন্দোলনত ৩ মাহ কাৰাবাস খাটে।

দেৱেন্দ্ৰনাথ উজীৰ :

১৮৯৬ চনত দেৱেন্দ্ৰনাথ উজীৰৰ বৰপেটাত জন্ম হয়। পিতৃ অভয়চন্দ্ৰ উজীৰ। চৰকাৰী হাইস্কুলৰ পৰা ১৯১১ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰি কলিকতাৰ বংগবাসী চৰকাৰী কলেজৰ পৰা ১৯১৪ চনত আই এ পাছ কৰে। ১৯১৬ চনত গুৱাহাটী কটন কলেজৰ পৰা বি এ পাছ কৰি আৰ্ল ল কলেজৰ পৰা বি এল ডিগ্ৰী লৈ প্ৰথমতে গুৱাহাটীত আইন ব্যৱসায় আৰম্ভ কৰে। চৰকাৰে উপযাচি দিয়া অতিৰিক্ত সহকাৰী আয়ুক্তৰ পদ প্ৰত্যাখ্যান কৰি শেষত বৰপেটালৈ আহি স্থায়ীভাৱে আইন ব্যৱসায়ত লাগে।

নবীনচন্দ্ৰ বৰদলৈৰ অতি বিশ্বাসী আৰু অনুগামী দেৱেন্দ্ৰনাথ উজীৰে ১৯২১ চনত আদালত বৰ্জন কৰি আইন ব্যৱসায় এৰি স্বাধীনতাৰ আন্দোলনত আত্মনিয়োগ কৰে। তেখেতৰ ওপৰত চিহু, নগৰবাৰী, বৰমা, বৰভিয়া আদি ঠাইত সংগঠনৰ ভাৰ পৰিছিল।

১৯২১ চনত নলবাৰীত দেৱেন্দ্ৰনাথ উজীৰে গ্ৰেপ্তাৰ বৰণ কৰে আৰু বৰপেটাৰ পৰা গ্ৰেপ্তাৰ হোৱা ধনীৰাম তালুকদাৰ, হৰিপ্ৰসাদ ব্ৰহ্মচাৰীৰ সৈতে গুৱাহাটী কাৰাগাৰ পায়। ৯ মাহ কাৰাদণ্ডৰ হুকুম দি উজীৰক তেজপুৰ কাৰাগাৰলৈ বদলি কৰে আৰু তাত অম্বিকাগিৰী ৰায়চৌধুৰীক লগ পায়।

মহাত্মা গান্ধীৰ আদৰ্শৰে দেৱেন্দ্ৰ নাথ উজীৰে হৰিজন সম্প্ৰদায়ৰ মংগলকামী আছিল আৰু বৰপেটা হৰিজন সংঘৰ তেওঁ সভাপতি আছিল। বহুত শিক্ষানুষ্ঠানৰ জন্মদাতা হিচাপে, কেবাটাও সাংস্কৃতিক আৰু সামাজিক কল্যাণমূলক অনুষ্ঠানৰ লগত জড়িত থাকি ১৯৮৩ চনৰ ১৮ ডিচেম্বৰত ৯৭ বছৰ বয়সত পৰলোকপ্ৰাপ্তি হয়।

দেৱেন্দ্ৰনাথ শৰ্মা :

বামুণকুছি। জন্ম ১৯২৩ ইং, মৃত্যু ১৯৪৮। পিতৃ লক্ষী শৰ্মা। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবাস খাটে।

দেনোৰাম বৰ্মন :

মাদুলীঝাৰ, সৰভোগ, চকচকা। ১৯৪২ চনত আন্দোলনত অংশ গ্ৰহণ কৰে।

দেব কছাৰী :

হামাৰ গাঁও, ডাকুৱা। ১৯২২ চনত ১ বছৰ কাৰাদণ্ড ভোগ কৰে।

দেৱেন্দ্ৰ চন্দ্ৰ সিংহ :

জালাহ। পিতৃ বান দাকাদৰি সিংহ। ১৯৩০ চনত ১ মাহ কাৰাবাস খাটে।

দোনা কছাৰী :

বৰনগৰ। ১৯২২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ধনীৰাম চৌধুৰী :

ভৱানীপুৰ। ১৯২১ চনত ৩ মাহ কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয়।

ধৰ্মেশ্বৰ কছাৰী :

হামাৰা গাঁও, ভাকুৰা, উমেকুৰি। ১৯২২ চনত ১ বছৰ কাৰাদণ্ড হয়।

ধনী মৰল :

আমগুৰি, সৰভোগ। ১৯৪২ চনত তিনিমাহ বিচাৰাধীন বন্দী হৈ থাকে।

ধৰ্মেশ্বৰ শৰ্মা :

ৰামপুৰ, সৰভোগ। ১৯৪২ চনত বিচৰাধীন বন্দী হয়।

ধনীৰাম পাঠক :

চাপড়ি বড়ি, সৰুপেটা। পিতৃ ওজাৰাম পাঠক। গণ আন্দোলনত কাৰাৰুদ্ধ হৈছিল।

ধনীৰাম তালুকদাৰ :

জন্ম ১৮৮৮ চনৰ ২ মে তাৰিখে চেঙা মৌজাৰ চেনিমাৰী গাঁৱত। পিতৃ সম্বৰুৰাম, মাতৃ মৰিচি। প্ৰাথমিক শিক্ষা শেষ কৰি বৰপেটাৰ চৰকাৰী বিদ্যালয়ত পঢ়া আৰম্ভ কৰে। ডিব্ৰুগড় জৰ্জ ইনষ্টিটিউৰ পৰা ১৯০৯ চনত প্ৰবেশিকা পাছ কৰে। কটন কলেজৰ পৰা ১৯১৩ চনত প্ৰথম বিভাগত বি এচ চি পাছ কৰি গুৱাহাটীৰ আইন কলেজৰ পৰা আইনৰ পৰীক্ষাও পাছ কৰে।

ধনীৰাম তালুকদাৰ বৰপেটাৰ এগৰাকী প্ৰসিদ্ধ উকীল হোৱাৰ উপৰিও বৰপেটা লোকেলবোৰ্ডৰ একেৰাহে ১৬ বছৰ সভাপতি হিচাপে আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত তালুকদাৰে বিদেশী বস্ত্ৰ, কানি, ভাং, মদ আদি বৰ্জনৰ কাৰণে বক্তৃতা দি ফুৰা বাবে তেখেতৰ ১৫ মাহ কাৰাদণ্ড হয়।

ধনীৰাম তালুকদাৰ নিৰ্ভীক, স্পষ্টবাদী, সুবক্তা আৰু দুৰ্ঘোৰ অসমপ্ৰেমী আছিল এনে নহয়, তেখেতৰ আত্মসন্মানবোধ বৰ উচ্চ খাপৰ আছিল আৰু যিটোক ন্যায় আৰু সত্য বুলি জানিছিল তাৰ পৰা চুলি এডালৰ সমানো লৰচৰ নকৰি আপোচহীন ভাৱে বৈ আছিল।

আজীৱন সমাজকৰ্মী, প্ৰসিদ্ধ মুক্তিযুঁজাৰু ধনীৰাম তালুকদাৰৰ

—১৩

ৰাজনৈতিক ক্ষমতাৰ প্ৰতি লোভ নাছিল। তেখেতে বৰপেটা চেঙা অঞ্চলৰ প্ৰায়বোৰ শিক্ষা, সাংস্কৃতিক, উন্নয়নমূলক অনুষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত আছিল। জয়কৃষ্ণ সংগীত বিদ্যালয়ৰ তেখেত উদ্যোক্তা আৰু প্ৰতিষ্ঠাতা সভাপতি। বৰপেটা বিদ্যাপীঠ স্কুলৰ পৰিচালনা সমিতিৰ তেখেত সভাপতি। চেঙা ঐক্য সন্মিলন ১৯৩৪ অনুষ্ঠানত তেখেত উদ্যোক্তা আৰু সভাপতি।

এই গৰাকী সিংহ পুৰুষৰ বৰপেটাৰ নিজা বাস ভৱনত ৮২ বছৰ বয়সত ১৯৭১ চনৰ ২৪ জানুৱাৰী তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে। আনন্দৰ কথা ১৯৮৮ চনৰ ২ মে তাৰিখে তেখেতৰ জন্মস্থান চেঙাত তেখেতৰ জন্ম শতবাৰ্ষিকী উৎসৱ যথাযোগ্য পয়োভৰেৰে পালিত হৈছে।

ধৰ্মকান্ত দাস ঃ

বিলতাৰীহাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা।

ধৰণীধৰ খাটনিয়াৰ ঃ

নহাটী, বৰপেটা। অসহযোগ আন্দোলনত স্কুল এৰি আজীৱন স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি থাকে।

ধৰণীধৰ বায়ন ঃ

চেঙা। জন্ম ১৯০৯, মৃত্যু ১৯৭৪। পিতা মুন বায়ন। সত্যাগ্ৰহী আৰু গণ আন্দোলনত কাৰাৰুদ্ধ হয়।

ধৰ্মকান্ত শৰ্মা ঃ

ভোগপুৰ গাঁও। জন্ম ১৮৯৭, মৃত্যু ১৯৫৮। পিতা টাবৰু শৰ্মা। ১৯২১ চনত ২ মাহ কাৰাবাস আৰু ৫০ টকা জৰিমনা হয়।

ধৰ্মকান্ত চৌধুৰী ঃ

বৰবাঙ্গ। জন্ম ১৯০৮, মৃত্যু ১৯৮৭। পিতৃ গঙ্গাধৰ চৌধুৰী। সত্যাগ্ৰহী আৰু বিয়াল্লিছৰ আন্দোলনত কাৰাবাস।

ধৰ্মেশ্বৰ বসুমতাৰী ঃ

পশ্চিম বিহাবাৰী। সত্যাগ্ৰহী আৰু গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

ধৰণীধৰ চৌধুৰী ঃ

ভবানীপুৰ গাঁও। জন্ম ১৯১০, মৃত্যু ১৯৭৮। পিতৃ আনন্দ চৌধুৰী। সত্যাগ্ৰহী আৰু '৪২ ৰ গণ আন্দোলনত কাৰাবাস।

নাৰদ চন্দ্ৰ তালুকদাৰ ঃ

পাঠশালা। জন্ম ১৯২৩, মৃত্যু ১৯৪৪। পিতৃ ৰামনাথ তালুকদাৰ। ১৯৪২ চনৰ গণ আন্দোলনত পুলিচৰ অত্যাচাৰত মৃত্যু হয়।

নিধিৰাম দাস ঃ

মাদুলীজৰী। আইন অমান্য আন্দোলনত কাৰাৰুদ্ধ।

নীলকান্ত ভুঞা ঃ

পাঠশালা। জন্ম ১৯২৫, মৃত্যু ১৯৭৭। পিতৃ জিনাৰাম দাস। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবাস খাটে।

নীলকান্ত পাঠক ঃ

চাপৰবড়ি, সৰুপেটা। পিতৃ ধনেশ্বৰ পাঠক। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবাস হৈছিল।

নবীন চন্দ্ৰ দাস ঃ

বিলাৰতাৰীহাটী, বৰপেটা। অসহযোগ আন্দোলনত ৫০ টকা জৰিমনা।

নন্দলাল দাস ঃ

বৰহাটী, বৰপেটা। অসহযোগ আন্দোলনত ৫০ টকা জৰিমনা।

নৃপেন্দ্ৰ নাথ শৰ্মা ঃ

ৰতনপুৰ। জন্ম ১৯২২, মৃত্যু ১৯৪৮। পিতৃ সৰ্বানন্দ শৰ্মা। বিয়াল্লিছৰ আন্দোলনত ২৫ চেপ্তেম্বৰত পুলিচৰ গুলি খায়।

নগেন্দ্ৰনাথ শৰ্মা ঃ

মুগুৰীয়া। জন্ম ১৯২৩, মৃত্যু ১৯৮৩। পিতৃ ভুবনেশ্বৰ শৰ্মা। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবাস খাটে।

নৰেন্দ্ৰনাথ শৰ্মা ঃ

মুগুৰীয়া। পিতৃ কেশৱ চন্দ্ৰ শৰ্মা। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবাস খাটে।

নবীনচন্দ্ৰ তালুকদাৰ ঃ

বৰপেটা। অসহযোগ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড।

নগেন বড়ো ঃ

উ.মকৰি। পিতা গাম্বু গাঁওবুঢ়া। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাৰুদ্ধ হয়। শান্তি সেনাৰ অধিনায়ক আছিল।

নন্দমোহন মজুমদাৰ ঃ

১৮৬৫ চনৰ ৩ আগষ্ট তাৰিখে বৰনগৰৰ দক্ষিণ গণকগাড়ী গাঁৱত এটি কৃষক পৰিয়ালত নন্দমোহন মজুমদাৰৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম নকুল দাস আৰু মাতৃ নাউফুলি ওজা আছিল। নন্দমোহন মজুমদাৰ বুদ্ধি বৃত্তিত বৰ চোকা লোক আছিল আৰু প্ৰাথমিক বিদ্যালয়ৰ বৃত্তি পৰীক্ষাত বৃত্তি লাভ কৰিছিল। কিন্তু আৰ্থিক দুৰৱস্থা আৰু সেই অঞ্চলত উচ্চ শিক্ষাৰ কোনো সুবিধা নথকাত তেওঁতে গুৱাহাটীৰ পৰা গুৰু ট্ৰেইনিং পাছ কৰি মাহিলি সাত টকা দৰমহাত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা আৰম্ভ কৰে।

শিক্ষকতাৰ কামৰ লগতে তেখেতে বৰনগৰ অঞ্চলত বিবিধ উন্নয়নমূলক কামত আত্মনিয়োগ কৰে আৰু ইংৰাজী শিক্ষাৰ অনুষ্ঠান এটাৰ নিতান্ত প্ৰয়োজন বুলি বৰনগৰৰ কেতেহীবাৰী গাঁৱত বৰনগৰ মাধ্যমিক ইংৰাজী মজলীয়া (M.E.School) স্কুল এখন আৰম্ভ কৰি সম্পাদকৰ দায়িত্বত থাকে।

১৯২০ চনত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু দেশভক্ত তৰুণ ৰাম ফুকন বৰনগৰলৈ আহি প্ৰথম কংগ্ৰেছ কমিটি গঠন কৰে আৰু বৰনগৰ কংগ্ৰেছ কমিটিৰ সভাপতি হিচাবে নন্দমোহন মজুমদাৰ নিৰ্বাচিত হয়। ১৯২১ চনৰ অসহযোগ আন্দোলনত মজুমদাৰে এক-মাত্ৰ জীৱিকাৰ পথ শিক্ষকতাৰ কামটো বাদ দি আন্দোলনত সম্পূৰ্ণ-ৰূপে অংশ গ্ৰহণ কৰে। নন্দমোহন মজুমদাৰৰ উদ্যোগত বৰনগৰৰ কানিয়াৰ বাধানত বিদেশী বস্ত্ৰৰ অগ্নিদাহ এটা প্ৰসিদ্ধ ঘটনা। ১৯২১ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হৈ ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। কাৰাগাৰৰ ভিতৰত অম্বিকাগিৰি ৰায়চৌধুৰী, উমেশ বৰদলৈ, হেম বৰুৱা আদিৰ লগ পায়।

কাৰাগাৰৰ পৰা ওলাই আহি জীৱিকা নিৰ্বাহৰ আন উপায়

নথৰ্কাত তেখেতে নিজে হাল বাই খেতি কৰা আৰম্ভ কৰে। কৃষি কৰ্মৰ দ্বাৰা জীৱিকা চলাই থাকিও মহাত্মা গান্ধীৰ গঠনমূলক আঁচনি গাঁওবোৰত প্ৰচাৰ কৰিছিল, নিজে সূতা কাটি খদ্দৰ বৈ কাপোৰ পিন্ধিছিল। মজুমদাৰৰ নেতৃত্বত ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনৰ প্ৰভাৱ বৰনগৰত দকৈ পৰিছিল। ১৯৪০ চনৰ ৰামগড় কংগ্ৰেছ অধিবেশনত তেওঁ বৰনগৰৰ পৰা প্ৰতিনিধিত্ব কৰিছিল। তাৰ পৰা ঘূৰি আহিয়েই বৰনগৰৰ পৰা ব্যক্তিগত সত্যাগ্ৰহ আঁচনিত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ গণ আন্দোলনত মজুমদাৰে ৬ মাহ কাৰাবাস খাটে। ১৯৭২ চনত তেওঁ তাম্ৰপত্ৰ পাইছিল। ১৯৭৩ চনৰ ১৩ নবেম্বৰত ১০৮ বছৰ বয়সত তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে।

পাহাৰুৰাম নাথ :

চকচকা। ১৯২১ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড।

ডাঃ প্ৰিয়নাথ শৰ্মা :

ভোগপুৰ। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত গুৱাহাটীত পিকেটিং কৰাৰ অপৰাধত ৩ মাহ কাৰাবাস।

পীতাম্বৰ শৰ্মা :

ভালুকী। ১৯২১ চনত অসহযোগ আন্দোলনত কাৰাবাস খাটে।

পুৰন্দৰ সিংহ :

চাপৰিবড়ি, সৰুপেটা। গণ আন্দোলনত ১ মাহ কাৰাবাস খাটে।

পুষ্প চন্দ্ৰ শৰ্মা :

ভালুকী। ১৯২১ চনৰ অসহযোগ আন্দোলনত কাৰাবাস খাটে।

পুষ্প পাঠক :

বহা। স্বাধীনতা আন্দোলনত কাৰাবাস খাটে।

পুৰ্ণ কছাৰী :

কমাৰ গাঁও, ডাকুৱা, উন্নেকুৰি। ১৯২২ চনত ১ বছৰ কাৰাদণ্ড ভোগ কৰে।

প্ৰাণেশ্বৰ দাস :

দক্ষিণহাটী, বৰপেটা। পিতৃ মাধৱ দাস। অসহযোগ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

প্ৰভাত চন্দ্ৰ শৰ্মা :

বামুণকুছি। জন্ম ১৯১৮, মৃত্যু ১৯৬২। পিতৃ দুৰ্গা শৰ্মা। গণ আন্দোলনত কাৰাবৰণ খাটে।

পদ্মনাথ বায়ন :

নহাটী, বৰপেটা। অসহযোগ আন্দোলনত কাৰাবাস খাটে।

সৰ্বানন্দ পাঠক :

বৰহাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

পদ্মনাথ কাকতি :

বাটিকুৰিহা। জন্ম ১৯০৭, মৃত্যু ১৯৭১। পিতৃ পুৰ্বানন্দ কাকতি। গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু আইন অমান্য আন্দোলনত কাৰাবাস খাটে।

পৰ্বানন্দ দাস :

কেওঁটকুছি। জন্ম ১৯০৯, মৃত্যু ১৯৮০। পিতৃ কাশীৰাম দাস। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবাস। শিক্ষকতা কৰিছিল।

পৃথুৰাম ৰায় :

ভকতৰ ভিঠা। গণ আন্দোলনত উল্লেখযোগ্য ভূমিকা লয়।

পদ্মাৱতী পাটগিৰী :

পাঠশালা। জন্ম ১৮৯৮, মৃত্যু ১৯৮৪। স্বামী মুকুন্দ পাটগিৰী। মহিলা সংগঠনত আগভাগ লৈছিল আৰু পুলিচৰ অত্যাচাৰ উৎপীড়ন ভোগ কৰে।

পানীমল বেপাৰী :

অকয়া। পিতৃ ভুগীৰাম বায়ন। ১৯২১ চনৰ আন্দোলনত ৩ মাহ কাৰাবাস খাটে।

পাদুৰী কছাৰী :

কমাৰগাঁও ডাকুৰা, উমৈকুৰি। ১৯২২ চনত ১ বছৰ কাৰাদণ্ড।

ফটিক চন্দ্ৰ ডেকা :

জালাহ। সত্যাগ্ৰহী আৰু বিয়াল্লিছৰ আন্দোলনত বজালীত উল্লেখযোগ্য অংশ গ্ৰহণ কৰিছিল।

ফটিক চন্দ্ৰ তালুকদাৰ :

ভবানীপুৰ গাঁও। জন্ম ১৯১৪, মৃত্যু ১৯৮৬। পিতৃ ধনাৰাম তালুকদাৰ। সত্যাগ্ৰহ আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰে।

ফণীন্দ্ৰ চৌধুৰী :

ভবানীপুৰ। আইন অমান্য আন্দোলনত ২ মাহ কাৰাবাস খাটে।

বসন্ত কুমাৰ ওজা :

জগ্নাহাটী, বৰপেটা। পিতৃ হৃহিৰাম ওজা। অসহযোগ আন্দোলনত স্কুল ত্যাগ কৰে। তেওঁৰ কাৰাদণ্ড আৰু ২৫ টকা জৰিমনা হয়। আইন অমান্য আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়।

বসন্ত চৌধুৰী :

ভবানীপুৰ। জন্ম ১৯০৮, মৃত্যু ১৯৮৫। পিতা কাশীনাথ চৌধুৰী। গণ আন্দোলনত ৯ মাহ কাৰাবাস হয়।

বনমালী বৰ্মন :

আহোম পাথৰি। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাৰুদ্ধ হয়।

বলৰাম প্ৰমাণিক :

সৰভোগ। ১৯৪২ চনৰ গণ আন্দোলনত পাঁচ বছৰ সশ্ৰম কাৰাদণ্ড হৈছিল আৰু ডেৰ বছৰ কাল জেলত আছিল।

বাসুদেৱ দাস :

বৃন্দাবনহাটী, বৰপেটা। অসহযোগ আন্দোলনত ৬ মাহ কাৰাদণ্ড ভোগ কৰে।

বাপুৰাম কলিতা :

ডুমুৰীয়া। সত্যাগ্ৰহী আৰু গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

বালা প্ৰিয়া :

পাঠশালা। স্বামী পুৰাৰাম। মহিলা সংগঠনত আগভাগ লয় আৰু পুলিচৰ অত্যাচাৰ উৎপীড়ন ভোগে।

বাপুৰাম দাস :

ৰহা। স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰে।

বাপুৰাম কলিতা :

ৰহা। স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰে।

বৈকুণ্ঠনাথ শৰ্মা :

কেওঁটকুছি। জন্ম ১৯০১, মৃত্যু ১৯৭০। পিতা মহিৰাম শৰ্মা। গণ আন্দোলনত কাৰাবাস খাটে।

বাছি দাস :

নুনতোলা। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাৰুদ্ধ হয়।

বিশ্বনাথ দাস :

হাউলী, বৰপেটা। পিতা ধনীৰাম দাস। অসহযোগ, আইন অমান্য, সত্যাগ্ৰহ আৰু গণ আন্দোলনত ভাগ লৈছিল।

বিষ্ণুৰাম পাঠক :

কেওঁটকুছি। পিতা হৰিৰাম পাঠক। জন্ম ১৯১৯, মৃত্যু ১৯৮৪। সত্যাগ্ৰহ আন্দোলনত কাৰাবৰণ।

বিপিন চন্দ্ৰ দাস :

ভকতৰ ভিঠা। জন্ম ১৯১৮, মৃত্যু ১৯৮৪। পিতৃ সোনেশ্বৰ দাস। শিক্ষকতা কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবাস খাটে।

বিত্তিৰাম পাঠক :

সৰুপেটা। জন্ম ১৯০৮, মৃত্যু ১৯৮৪। পিতৃ দয়াৰাম পাঠক। গণ আন্দোলনত ১ মাহ কাৰাবাস খাটে।

বিত্তমণি কছাৰী :

১৯২২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

বুদ্ধ কছাৰী :

কমাৰ গাঁও, ডাকুৰা উমেকুৰি। ১৯২২ চনত ১ বছৰ কাৰাদণ্ড ভোগ কৰে।

বংশীধৰ চৌধুৰী:

ভবানীপুৰ। জন্ম ১৯০৭, মৃত্যু ১৯৮৫। পিতা তনু চৌধুৰী। ১৯৪০ চনত সত্যাগ্ৰহী '৪২ চনৰ আন্দোলনত ১ বছৰ কাৰাদণ্ড ভোগ কৰে।

বেণুধৰ ৰায় :

জন্ম ১৯২১, মৃত্যু ১৯৮৪। পিতা সম্ভাৰাম ৰায়। সত্যাগ্ৰহ আৰু গণ আন্দোলনত কাৰাবাস খাটে।

বালেক চন্দ্ৰ বাৰ্মা:

বালেক চন্দ্ৰ বাৰ্মাৰ ঘৰ ধৰ্মপুৰ মৌজাৰ ৰূপীয়াবাথান গাঁৱত। তেখেত স্বেচ্ছাসেৱক আছিল। নলবাৰীত গ্ৰেপ্তাৰ হৈছিল আৰু ১৫।২।৪৩ তাৰিখে এদিন জেল খাটিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনতো যোগ দি দোষী সাব্যস্ত হৈছিল।

ব্ৰজনাথ শৰ্মা :

বৰপেটাৰ শিলা গাঁৱত ১৮৯৪ চনৰ চেপ্তেম্বৰ মাহত ব্ৰজ শৰ্মাৰ জন্ম হয়। ভোল্লা প্ৰাইমাৰী স্কুলত বিদ্যাৰম্ভ কৰে। প্ৰাথমিক শিক্ষা সাং কৰি গৌৰীপুৰ চতুষ্পাঠীত সংস্কৃত শিকিবলৈ লয়। ১৯১৫ চনত শৰ্মাই বেঙ্গল ৰেজিমেণ্টত নাম ভৰ্তি কৰি সৈনিক হয়। সৈনিক জীৱনত তেখেতে মেছোপটেমিয়া, বাগদাদ, কেনিয়া, কুটআমৰা, বাকু প্ৰভৃতি বহুতো দেশ ভ্ৰমণ কৰি নানা অভিজ্ঞতাৰ লগতে যুদ্ধৰ বহুতো কূট-কৌশল শিকিছিল। ১৯১৭ চনৰ পৰা ১৯২১ চনলৈ বেণ্ট বেংগল ড্ৰামাটিক ক্লাবৰ জৰিয়তে শৰ্মাই অভিনেতা হিচাবে নিজক প্ৰতিষ্ঠিত কৰিছিল। শৰ্মাই এইবাৰ নিজৰ গাঁৱত শিলা কালিকা অপেৰা পাৰ্টিৰ জন্ম দি নিজে গায়ক, গীতিকাৰ, অভিনেতা, পৰিচালকৰ দায়িত্ব গ্ৰহণ কৰিলে। সেই সময়ৰ দলৰ জনপ্ৰিয় নাটক দুখন আছিল 'বাজীৰাও' আৰু 'ৰাণা প্ৰতাপ'। ইয়াৰ পিচত শৰ্মাই গণকগাড়ী গাঁৱলৈ গৈ নিগাজীকৈ বাসস্থান পাতিলে। এইবাৰ দক্ষিণ

গণকগাড়ী 'অপেৰা পাৰ্টি' নামৰ এটা যাত্ৰা পাৰ্টিৰ দল খোলা হ'ল। এই দলৰ নাটকবোৰ আছিল ৰণজিৎ সিংহ, অবজ্ঞা, ধাত্ৰী পান্না, কালাপাহাৰ আৰু বাচস্পতি। এই নাটককেইখনে সমগ্ৰ অসমতে অভূতপূৰ্ব সমাদৰ লাভ কৰিছিল। ১৯৩০ চনত শৰ্মাই কোহিনুৰ অপেৰা পাৰ্টিৰ জন্ম দিয়ে। কোহিনুৰ অপেৰা পাৰ্টিয়ে শৰ্মাক অসমৰ বিপ্লৱী শিল্পী, অভিনেতা আৰু নিপুণ পৰিচালকৰ মৰ্য্যদা আনি দিলে। তেখেতে নাটকত মহিলাক অভিনেত্ৰীৰ ভাওত নমাবলৈ বিপ্লৱৰ সূচনা কৰিছিল। শেষত ১৯৩৩ চনত কেইবাজনীও ছোৱালী সংৰক্ষণশীল সমাজৰ কটু নিন্দাৰ প্ৰতি কাণসাৰ নকৰি ব্ৰজ শৰ্মাৰ কোহিনুৰ যাত্ৰাত যোগ দিছিল।

ব্ৰজ শৰ্মাৰ বিপ্লৱী ভূমিকাই অসমৰ কলা সংস্কৃতিৰ পথাৰত তিনিটা সুদক্ষ পদক্ষেপ আগবঢ়ালে। (১) অসমৰ নাট্যমঞ্চত সহ-অভিনয়ৰ শুভাৰম্ভ, (২) অসমৰ যাত্ৰাভিনয়ত উল্লেখযোগ্য অগ্ৰগতি, (৩) কলিকতাৰ যাত্ৰাদলে অসমৰ ৰংগমঞ্চত চলোৱা আধিপত্যৰ পৰিসমাপ্তি। শৰ্মাৰ স্বৰচিত কেইখনমান নাট হ'ল বৰ্জিতা, পতিতা, উৰ্বশী, আৰু মনোমতী।

১৯৩৫ চনত শৰ্মাই কংগ্ৰেছ দলত নাম ভৰ্তি কৰিছিল যদিও ১৯৩৭ চনৰ পৰাহে দেহমন ঢালি দেশ স্বাধীন কৰাৰ কামত লাগিছিল। প্ৰবল পৰাক্ৰমী বৃটিছ শক্তিৰ লগত যুঁজ দি ব্ৰজনাথ শৰ্মাই ভাৰতৰ স্বাধীনতা যুদ্ধৰ ইতিহাসত নিজৰ নামৰ লগতে অসমৰ নাম ৰক্তাক্ষৰেৰে লিখি ৰাখিলে।

জীৱনবন্তী নুমাও নুমাও অৱস্থাত গুৱাহাটী সাহিত্য সভাই (১৯৫৮) আৰু তেজপুৰৰ ৰাইজে (১৯৫৯) শৰ্মাক সম্বৰ্দ্ধনা জনাই তেখেতৰ বহুমুখী প্ৰতিভা আৰু দেশপ্ৰেমৰ স্বীকৃতি প্ৰদান কৰিছিল।

ভদ্ৰেন্দ্ৰ নাথ দাস :

ভকতপাৰা, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা।

ভবানন্দ তালুকদাৰ :

ইন্দ্ৰাপুৰহাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা।

ভদ্ৰেশ্বৰ দাস :

জালাহ। জন্ম ১৯০৪, মৃত্যু ১৯৮৬। পিতৃ নিকান্দা বায়ন। আইন অমান্য আন্দোলনত আৰু বিয়াল্লিছৰ আন্দোলনত কাৰাবৰণ হয়।

ভক্তিৰাম চৌধুৰী :

বামাখাটা। জন্ম ১৮৯৫, মৃত্যু ১৯৫৪। পিতৃ পিথুৰাম চৌধুৰী। সত্যাগ্ৰহী আৰু বিয়াল্লিছৰ আন্দোলনত কাৰাবাস খাটে।

ভবানন্দ দত্ত এম, এ :

ৰতনপুৰ। জন্ম ১৯১৬, মৃত্যু ১৯৬৫। পিতৃ সৰ্বানন্দ দত্ত। গণ আন্দোলনত বজালীৰ স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক আৰু কৰ্ম পৰিষদৰ সদস্য আছিল, বিশিষ্ট কবি সাহিত্যিক।

ভগৱান চৌধুৰী :

সৰুপেটা। পিতৃ বিশ্বনাথ চৌধুৰী। ১৯২১ চনত কাৰাবাস খাটিছিল।

ভবেন্দ্ৰ নাথ পাঠক :

চাপাৰবড়ি, সৰুপেটা। পিতৃ কমলাকান্ত পাঠক। গণ আন্দোলনত কাৰাবাস খাটিছিল।

ভবেন দাস :

ৰহা। স্বাধীনতা আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰে।

ভবেন দাস :

মাদুলীজাৰ। আইন অমান্য আন্দোলনত কাৰাবাস খাটে।

ভাটোৰাম মিস্ত্ৰি :

মাদুলীজাৰ। গণ আন্দোলনত কাৰাবাস খাটে।

ভকত মজুমদাৰ :

আমগুৰি। গণ আন্দোলনত কাৰাবাস।

ভবেন দাস :

কমাৰগাঁও। ১৯৪২ চনত গণ আন্দোলনৰ সময়ত দীৰ্ঘদিন কাৰাবাস।

ভাৰত চন্দ্ৰ পাঠক :

বহৰি। জন্ম ১৮৯৩, মৃত্যু ১৯৬৪ । পিতৃ পিতমন্ন পাঠক ; সত্যাগ্ৰহী আৰু গণ আন্দোলনত কাৰাবাস।

ভাৰত চন্দ্ৰ ঠাকুৰীয়া :

পাঠশালা। জন্ম ১৮৮৯, মৃত্যু ১৯৫৩। পিতৃ মাধৱ ঠাকুৰীয়া। ১৯২১ চনত ২ মাহ কাৰাবাস।

ভাৰত চন্দ্ৰ শৰ্মা :

মুণ্ডৰীয়া। জন্ম ১৯২৫, মৃত্যু ১৯৫০। পিতৃ ভুৱনেশ্বৰ শৰ্মা। গণ আন্দোলনত কাৰাবাস।

ভুপেন্দ্ৰ নাথ চৌধুৰী :

চৌধুৰীপাৰা। জন্ম ১৯১৯, মৃত্যু ১৯৭৩। পিতৃ জনাৰ্দন চৌধুৰী। গণ আন্দোলনত কাৰাবাস খাটে।

ভুৱনেশ্বৰী দেৱী :

জন্ম ১৯০১, মৃত্যু ১৯৮৪। স্বামী দীননাথ শৰ্মা। বিয়াল্লিছৰ আন্দোলনত মহিলা সংগঠনৰ নেতৃত্ব লয় আৰু পুলিচৰ হাতত অশেষ নিৰ্যাতন ভোগে।

ভোগ ৰাম মেধি :

জন্ম ১৯১৮, মৃত্যু ১৯৮৪ । পিতৃ গোবিন্দ মেধি। সত্যাগ্ৰহী আৰু গণ আন্দোলনত কাৰাবাস খাটে।

মহাৰথ চৌধুৰী :

দলাগাঁও। অসহযোগ আন্দোলনত কাৰাবাস, সত্যাগ্ৰহ আৰু গণ আন্দোলনত সক্ৰিয় অংশ লয়।

মধুসূদন দাস :

সুন্দৰীদিয়া, বৰপেটা। গণ আন্দোলনৰ সময়ত ১ বছৰৰো অধিক কাল কাৰাবাস খাটে। আইন ব্যৱসায়ী আছিল।

মনোৰঞ্জন দাস :

বৰপেটা। সত্যাগ্ৰহী আৰু গণ আন্দোলনৰ গান্ধীবাদী কৰ্মী।

মজাৰাম দাস :

মাজপাৰা, বৰনগৰ। গণ আন্দোলনত পাঁচবছৰ সশ্ৰম কাৰাদণ্ড হৈছিল আৰু ডেৰ বছৰ কাল জেলত আছিল।

মহেশ্বৰ দাস :

নুনতলা, সৰভোগ। ৮।৯।৪২ ত গুৱাহাটী জেলত বিচাৰাধীন বন্দী হিচাপে আছিল।

মহোদৰ দাস :

চকাবাউসী, সৰভোগ। ১৯৩০ চনত ৪ মাহ সশ্ৰম কাৰাদণ্ড হয়।

মাধৱ চন্দ্ৰ তালুকদাৰ :

চেঙা। জন্ম ১৯১২, মৃত্যু ১৯৮৪। পিতৃ ফাগুনা তালুকদাৰ। সত্যাগ্ৰহী আৰু গণ আন্দোলনত কাৰাবাস।

মাণিক চন্দ্ৰ তালুকদাৰ :

বামাখাটা। জন্ম ১৮৯৩, মৃত্যু ১৯৭৫। পিতৃ বিক্ৰাৰাম তালুকদাৰ। বিল্লাল্লিছৰ আন্দোলনত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে আৰু বজালী কেন্দ্ৰীয় পঞ্চায়তৰ সদস্য আছিল।

মাধৱ চন্দ্ৰ শৰ্মা :

তিত্‌কা। জন্ম ১৯১৩, মৃত্যু ১৯৫৪। পিতৃ পৰশুৰাম শৰ্মা। শিক্ষক আছিল। গণ আন্দোলনৰ সময়ত বজালীত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল আৰু মোছিগ্না গোষ্ঠীত বিশ্বাস কৰিছিল।

মাধৱ চন্দ্ৰ শৰ্মা :

কটহকুছি। জন্ম ১৯২৪, মৃত্যু ১৯৮২। গণ আন্দোলনত পুলিচৰ হাতত অশেষ নিৰ্যাতন ভুগিছিল।

মাণিক চন্দ্ৰ তালুকদাৰ :

বামাখাটা। জন্ম ১৮৯৭, মৃত্যু ১৯৭৯। পিতৃ দাসৰাম তালুকদাৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত কাৰাবাস খাটে।

মাণিক চন্দ্ৰ নাথ :

সৰভোগ। ১৯৪২ চনত তিনি মাহ বিচৰাধীন বন্দী হয়।

মিঠাৰাম দাস গাওঁবুঢ়া :

কমাৰগাঁও। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাৰুদ্ধ হয়।

মিঠাৰাম দাস :

কমাৰগাঁও। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাৰুদ্ধ হয় আৰু শান্তি সেনাৰ অধিনায়ক আছিল।

মেলেক চন্দ্ৰ মিস্ত্ৰি :

গলিয়াহাটী, বৰপেটা। আইন অমান্য আন্দোলনত ৪ মাহ কাৰাদণ্ড।

মেঘো কছাৰী :

বৰনগৰ। ১৯২২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড হয়।

মোহন চন্দ্ৰ ভকত :

কমাৰগাঁও। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাদণ্ড হয়।

মোহিনী শৰ্মা :

গনাগাঁও, তিতাবৰ। জন্ম ১৯০৩, মৃত্যু ১৯৩৪। পিতৃ ঘনশ্যাম শৰ্মা। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত গুৱাহাটীত পিকেটিং কৰাৰ অপৰাধত তিনিমাহ কাৰাবাস হয়।

মণিকান্ত স্বৰ্গীয়াৰী :

মাণিকপুৰ মৌজাৰ পশ্চিম বিহাবাৰী গাঁৱত ১৯০২ চনত এক কৃষক পৰিয়ালত মণিকান্ত স্বৰ্গীয়াৰীৰ জন্ম হয়। পিতৃ আনন্দ স্বৰ্গীয়াৰী (গাঁওবুঢ়া)। স্থানীয় প্ৰাথমিক বিদ্যালয় আৰু চৌখুটী মধ্য ইংৰাজী স্কুলৰ পৰা পঢ়া শেষ কৰি বৰপেটা চৰকাৰী হাইস্কুলত ৯ম মান শ্ৰেণী পাওঁতেই ১৯২১ চনৰ অসহযোগ আন্দোলন আৰম্ভ হোৱাত স্কুল বৰ্জন কৰি আহি বজালী অঞ্চলৰ 'বিলাতী দ্ৰব্য বৰ্জন' আন্দোলনত অংশ গ্ৰহণ কৰে। আবকাৰী দোকানৰ সন্মুখত পিকেটিং কৰিলে। আন্দোলন শাম কটাত অধিক সংখ্যক ছাত্ৰই পুনৰ স্কুললৈ গ'ল। কিন্তু মণিকান্ত স্বৰ্গীয়াৰীয়ে তাতেই পঢ়া বাদ দি পিছপৰা জনজাতীয় অঞ্চলত মহাত্মা গান্ধীৰ বাণি প্ৰচাৰত আত্মনিয়োগ কৰিলে। জনজাতীয় গাঁওবোৰৰ পৰা মাদকদ্ৰব্য, অন্ধবিশ্বাস, কুসংস্কাৰ, নিৰক্ষৰতা, আৰ্থিক দুৰৱস্থা আঁতৰ কৰি মুল জন সমাজৰ মাই স্মৃতিৰ

লগত মিলাই নিবলৈ এক সবল সংস্কাৰধৰ্মী আন্দোলনৰ সৃষ্টি কৰিছিল আৰু এই ক্ষেত্ৰত যথেষ্ট পৰিমাণে সাফল্য লাভ কৰিছিল। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহৰ আঁচনিত আঁচনিত তেওঁৰো যোগদান কৰিছিল। ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনত বজালী অঞ্চলৰ প্ৰায়বোৰ নেতা, গণনেতা আৰু কৰ্মীবৃন্দ গ্ৰেপ্তাৰ হৈ কাৰাগাৰত সোমোৱাত তেখেত আত্মগোপন কৰি থাকি আন্দোলন জীয়াই ৰাখিছিল। পুলিচে বহু চেষ্টা কৰিও গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাছিল। ১৯৪৫ চনৰ পৰাই তেখেতে একাংগী ৰোগত ভোগী ১৯৬২ চনৰ ১৫ চেপ্তেম্বৰত পৰলোক প্ৰাপ্তি হয়।

মহেন্দ্ৰ নাথ দাস :

বজালী অঞ্চলৰ নিত্যানন্দ কাহাৰ পাৰা গাঁৱৰ এটি সম্ভ্ৰান্ত কৃষক পৰিয়ালত ১৯০৩ চনত মহেন্দ্ৰনাথ দাসৰ জন্ম হৈছিল। নিত্যানন্দত প্ৰাথমিক শিক্ষা শেষ কৰি উত্তৰ গুৱাহাটীৰ পৰা প্ৰথম বিভাগত মেট্ৰিকুলেচন পাছ কৰি কলেজীয়া শিক্ষাৰ বাবে কলিকতালৈ যায়। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ স্বেচ্ছাসেৱক হিচাপে প্ৰায় এবছৰ কাল কাম কৰিছিল। চৌৰিচৌৰাৰ ঘটনাৰ পিছত গান্ধীজীয়ে অসহযোগ আন্দোলন প্ৰত্যাহাৰ কৰাত লগৰ আন কিছুমান ল'ৰাৰ লগত পুনৰ কলিকতালৈ গৈ কলেজত ভৰ্তি হৈ বি এ পাছ কৰি বেনাৰসৰ পৰা আইন পৰীক্ষাত উত্তীৰ্ণ হৈ প্ৰথমতে গুৱাহাটীত ওকালতি আৰম্ভ কৰে। পিছত বৰপেটাত স্থায়ীভাৱে বসবাস কৰি আইন ব্যৱসায় কৰে।

১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনত ছয়গাঁৱ, বকো অঞ্চলত তেওঁ সংগঠনৰ কাম কৰিছিল। আৰু ছমাহ কাৰাবাস ভোগ কৰিছিল। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনৰ আঁচনি মতে তেওঁ আইন ব্যৱসায় বাদ দি বজালী কৰ্ম পৰিষদৰ নিৰ্দেশমতে আন্দোলনৰ কাৰ্যসূচী বিশেষকৈ গতিমূলক কামত আত্মনিয়োগ কৰিছিল। দাসৰ সাহিত্যত প্ৰতিভা আছিল। এসময়ত তেখেত বৰপেটা সাহিত্য সভাৰ সভাপতি আছিল। ১৯৭২ চনৰ ১৫ আগষ্টত বৰপেটা স্বাধীনতা ৰূপালী জয়ন্তী উৎসৱ সমিতিৰ তৰফৰ পৰা তেখেতক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হৈছিল। ১৯৮১ চনৰ ৭৮ বছৰ বয়সত মহেন্দ্ৰনাথ দাসৰ পৰলোকপ্ৰাপ্তি ঘটে।

মহেন্দ্ৰ মোহন চৌধুৰী ঃ

জন্ম ১৯০৮ চনৰ ১২ এপ্ৰিল তাৰিখে বৰপেটাৰ নগাঁৱত। পিতৃ দণ্ডীৰাম চৌধুৰী আৰু মাতৃ ভাগিৰথী দেৱী। ১৯৪৬-৫৬ লৈ অসম বিধান সভাৰ সদস্য, ১৯৪৭ চনত পালিয়ামেন্টৰী চেক্ৰেটাৰী, ১৯৫১-৫৫ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি আৰু অসম বিধান সভাৰ অধ্যক্ষ, ১৯৬৭ চনত কেবিনেট মন্ত্ৰী, ১৯৭০-৭২ত মুখ্যমন্ত্ৰী, ১৯৭৩-৭৭ত পঞ্জাবৰ ৰাজ্যপাল। তেখেতৰ বহুতো জনকল্যাণমূলক অনুষ্ঠানৰ লগত সম্পৰ্ক আছিল যেনে—হৰিজন সেৱক সংঘ, ভাৰত সেৱক সংঘ, গান্ধী স্মাৰক নিধি, শ্বহীদ স্মৃতি ট্ৰাষ্ট, অসম প্ৰদেশ কংগ্ৰেছ কমিটি, লোকপ্ৰিয় গোপীনাথ বৰদলৈ টি বি হস্পিতাল, গুৱাহাটীৰ গীতা সমাজ, ডাঃ ভুবনেশ্বৰ বৰুৱা কেন্সাৰ হস্পিতাল, অসম সাহায্য সমিতি, গান্ধীমাৰ্গ, গান্ধীমণ্ডপ, গীতা মন্দিৰ, গোসেৱা সমিতি, শ্ৰীমন্ত শঙ্কৰ মিচন, চুইমিং পুল, মধুপুৰ সত্ৰ সমিতি, পুৰী জগন্নাথ শঙ্কৰদেৱ সংস্কৃতি সমাজ। বৈষ্ণৱ প্ৰাণ মহেন্দ্ৰ মোহন চৌধুৰীয়ে অসমীয়া বৈষ্ণৱ ধৰ্ম আৰু সংস্কৃতিৰ অতি অতুলনীয় অৱদান দি থৈ গৈছে।

সাহিত্য চৰ্চা আৰু সংবাদ পত্ৰ সেৱাতো চৌধুৰীৰ ৰাপ আছিল। ইষ্টাৰ্ণ চেন্টিনেল আৰু নৱদিগন্ত আলোচনীৰ পৃষ্ঠপোষক আছিল। গুৰু লীলা চৰিত পুথি, মহাত্মা গান্ধীৰ জীৱনী আৰু বিনোবাজীৰ জীৱনী সংকলন কৰিছিল।

তেখেতে জাপান, চীন, আইলেণ্ড, ব্ৰহ্মদেশ ভ্ৰমণ কৰে। অসম চৰকাৰৰ প্ৰতিনিধি হিচাপে পশ্চিম জাৰ্মানী, ফ্ৰান্স, ইংলণ্ড, যুগোশ্লাভিয়া, চুইজাৰলেণ্ড আৰু ইটালীলৈ যায়। ১৯২৬ চনত কংগ্ৰেছ অধিবেশনত স্বেচ্ছাসেৱক হিচাপে কাম কৰি কৰ্মতৎপৰতা, একনিষ্ঠতা আৰু সাহসিকতাৰ পৰিচয় দিয়ে। ১৯৩০ চনত কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে জনমত গঢ়ি তোলে। ১৯৩৭ চনৰ পৰা ১৯৩৯ চনলৈ তেখেতে ওকালতি কৰিছিল যদিও ১৯৩৯ চনত ওকালতি এৰি পূৰ্ণোদ্যমে স্বাধীনতা আন্দোলনত ব্ৰতী হৈ আন্দোলনত জপিয়াই পৰি ১৯৩২, ১৯৪১ আৰু ১৯৪২ চনত তিনিবাৰ গ্ৰেপ্তাৰ হৈ ৪ বছৰ কাৰাবাস খাটিছিল। ১৯৪৬ চনত ঘোৰ সঙ্কটৰ পৰা অসমক ৰক্ষা কৰিবলৈ গোপীনাথ বৰদলৈৰ পৰামৰ্শ মতে চৌধুৰী আৰু বিজয়চন্দ্ৰ ভাগৱতীয়ে মহাত্মাক সাক্ষাৎ কৰে আৰু তাত কৃতকাৰ্য হয়।

১৯৫৬-৫৭ চনত অখিল ভাৰত কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক নিযুক্ত হয়। ১৯৭৪ চনত চৌধুৰী পঞ্জাবৰ ৰাজ্যপাল হৈ থাকোতে তাৰ মুখ্যমন্ত্ৰী গিয়ানী জেইল সিঙৰ সহায়ত বিশেষ ৰেল-গাড়ীৰ যোগে অসমৰ বানপানীত দুৰ্দশাগ্ৰস্ত ৰাইজলৈ চাউল, গম, শুৰি গাখীৰ, কম্বল, ঔষধ প্ৰভৃতি সামগ্ৰী বিশেষ ৰেলযোগে পঠাইছিল। মহেন্দ্ৰমোহন চৌধুৰীৰ চেষ্টাৰ ফলত 'পলিটিকেল হিষ্ট্ৰি অৱ অসম' ১৯২৬—৪৭ লৈ তিনিটা খণ্ডত প্ৰকাশ কৰি উলিওৱা হয়। তেখেতৰ স্মৃতিত গুৱাহাটীৰ পানবজাৰত থকা মেডিকেল কলেজ হস্পিতালখন 'মহেন্দ্ৰমোহন চৌধুৰী হস্পিতাল' নামে নামাংকিত কৰা হয়। ১৯৮২ চনৰ ২৬ ডিচেম্বৰত তেখেতৰ পৰলোকপ্ৰাপ্তি ঘটে। পঞ্জাবৰ ৰাজ্যপাল হিচাপে তেওঁ ইমানেই জনপ্ৰিয় আছিল যে পঞ্জাবৰ ৰাজ্যিক চিৰিয়াখানা তেখেতৰ নামত নামাংকিত হৈছে।

শ্বহীদ মদন চন্দ্ৰ বৰ্মন:

উত্তৰ বজালী মৌজাৰ ভোগপুৰ (দখলা) গাঁৱত ইং ১৯২৭ চনৰ ১৪ ফেব্ৰুৱাৰী তাৰিখে মদন চন্দ্ৰ বৰ্মনৰ জন্ম হৈছিল। পিতৃ বনিৰাম বৰ্মন আৰু মাতৃ আদেৰি বৰ্মন। পিতৃ-মাতৃৰ একমাত্ৰ সন্তান মদনে গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সাং কৰি বজালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ভৰ্তি হৈ ৬ষ্ঠ মান শ্ৰেণী পাওঁতেই স্কুল ত্যাগ কৰি আন্দোলনৰ স্বেচ্ছাসেৱক দলত ভৰ্তি হৈছিল। ২৫ চেপ্তেম্বৰৰ দিনা তেওঁ স্বেচ্ছাসেৱক হিচাপে 'নগাঁৱ প্ৰতিবাদ দিৱস'ত যোগদান কৰি উভতি-বৰ সময়ত বৃটিছ পুলিচৰ গুলিত প্ৰাণ দি শ্বহীদ হয়।

যাদব চন্দ্ৰ দাস:

দক্ষিণহাটী, বৰপেটা। অসহযোগ আন্দোলনৰ সময়ত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ১০ টকা জৰিমনা হয়।

যাদব চন্দ্ৰ দাস:

বৰহাতী, বৰপেটা। পিতৃ মাধৱ দাস। জন্ম ১৮০৯ শক, মৃত্যু ১৮৮৭ শক। অসহযোগ আন্দোলনৰ 'পৰা আজীৱন মুক্তি আন্দোলনৰ অংশ গ্ৰহণ কৰে।

—১৪

যাদৱ চন্দ্ৰ নাথ :

মাদুলীজাৰ। সত্যাগ্ৰহী আৰু গণ আন্দোলনৰ সময়ত কাৰাবাস খাটে।

যামিনী মোহন শৰ্মা :

বামাখাটা। জন্ম ১৯১৬, মৃত্যু ১৯৭৬। পিতৃ নবেশ্বৰ শৰ্মা। গণ আন্দোলনত অশেষ নিৰ্যাতন ভোগে।

যোগেশ চন্দ্ৰ দাস :

দক্ষিণহাটী, বৰপেটা। সশ্ৰম কাৰাদণ্ড আৰু ১০ টকা জৰিমনা।

যোগেন্দ্ৰ গোস্বামী :

হালধীবাৰী। জন্ম ১৯১১, মৃত্যু ১৯৬১। পিতৃ -হৰিগোবিন্দ গোস্বামী। গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

যোগেন্দ্ৰ তালুকদাৰ :

ভৱানীপুৰ গাঁৱ। গণ আন্দোলনৰ সময়ত সক্ৰিয় অংশ গ্ৰহণ কৰে।

যোগেন্দ্ৰ চন্দ্ৰ :

সৰভোগ। ১৯৪২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

শ্বহীদ ৰাউতা ৰাম কোঁচ :

উত্তৰ বজালী মৌজাৰ বৰসাদেৰী গাঁৱৰ এটি দৰিদ্ৰ কৃষক পৰিয়ালত ১৯১৪ চনৰ ১২ এপ্ৰিলত ৰাউতা ৰাম কোঁচৰ জন্ম হয়। পিতৃ কেহোঁৰাম কোঁচ আৰু মাতৃ ভাবে কোঁচ। দুখীয়া অৱস্থাৰ বাবে লিখা-পঢ়াৰ সুবিধা নোহোৱাত নিৰক্ষৰ কোঁচে খেতি-বাতিৰ কাম কৰি পেট প্ৰবৰ্তাইছিল। ১৯৪২ চনৰ ২৫ চেপ্তেম্বৰৰ দিনা নিত্যানন্দৰ সভাত যোগদান কৰি আন আন মজদুৰৰ লগত বিহাৰাৰীলৈ গৈছিল। তাতে পুলিচৰ গুলিত তেখেতৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতে মৈণীয়েক গাঠুৰী আৰু এটি কন্যা সন্তান মোক্ষদাক এৰি থৈ যায়।

ৰামনাথ শৰ্মা :

১৮৯৯ চনৰ ২৫ ডিচেম্বৰত বজালী অঞ্চলৰ গাড়ীসত্ৰ গাঁৱত ৰামনাথ শৰ্মাৰ জন্ম হয়। পিতৃ ৰঘুনাথ শৰ্মা, মাতৃ লক্ষ্মীপ্ৰিয়া দেৱী। স্থানীয় প্ৰাথমিক বিদ্যালয়ত শিক্ষা শেষ কৰি বজালী অঞ্চলত তেতিয়া হাইস্কুল নথকাত নলবাৰী গৰ্ডন হাইস্কুলত নাম ভৰ্তি কৰি দশম মান শ্ৰেণী পাওঁতে ১৯২১ চনৰ অসহযোগ আন্দোলন আৰম্ভ হয় আৰু তেতিয়া স্কুল বৰ্জন কৰি নিজ গাঁৱলৈ আহি 'বিলাতী দ্ৰব্য বৰ্জন' আন্দোলনৰ স্বেচ্ছাসেৱক হয় আৰু গাড়ীসত্ৰ গাঁৱৰ পৰিহৰেশ্বৰ দেৱালয়ৰ সন্মুখত দেশভক্ত তৰুণৰাম ফুকনৰ নিৰ্দেশত বিলাতী দ্ৰব্যৰ অগ্নিদাহত আগভাগ লয়। মদ, কানি আৰু গাজাৰ মহলত পিকেটিং কৰাৰ বাবে ৰামনাথ শৰ্মাৰ তেতিয়া ৩ মাহ কাৰাদণ্ড হয়।

১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্ৰহৰ সময়তো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত লোৱা বৈপ্লৱিক ভূমিকাৰ বাবে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু এবছৰ ছমাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম দিয়ে। হৃদৰোগত আক্ৰান্ত হৈ ১৯৭০ চনত এখেতৰ পৰলোক প্ৰাপ্তি ঘটে।

ৰমেশ চন্দ্ৰ দাস :

বৰপেটা। জন্ম ১৯১১, মৃত্যু ১৯৮৮। পিতৃ ৰজনী দাস। অসহযোগ আন্দোলনত স্কুল এৰি আন্দোলনত অংশ লয় আৰু ২০ টকা জৰিমনা ভৰে।

ৰজনী কান্ত শৰ্মা :

টঙাবপুৰ। জন্ম ২৩।৩।১৬, মৃত্যু ২৭।১।৮৪। পিতৃ তনুৰাম শৰ্মা। বিয়াল্লিছৰ আন্দোলনত কাৰাবাস।

ৰমেশ চন্দ্ৰ শৰ্মা :

গনাগাঁৱ, তিতকা। জন্ম ১৯২০, মৃত্যু ১৯৫৯। পিতৃ নৰেন্দ্ৰনাথ শৰ্মা। গণ আন্দোলনত বজালীত বিশেষ অংশ গ্ৰহণ কৰিছিল।

ৰতি কান্ত দাস :

চাপৰবঁড়ি, সৰুপেটা। পিতৃ পুৰন্দৰ দাস। গণ আন্দোলনত ৩ মাহ কাৰাবাস হয়।

ৰবিৰাম দাস :

বদনকুছি। জন্ম ১৮৯৫, মৃত্যু ১৯৮৩। পিতৃ ৰামোৰাম দাস। সত্যাগ্ৰহী আৰু গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

ৰমেশ শৰ্মা :

মাদুলীজাৰ। গণ আন্দোলনত কাৰাবাস হয়।

ৰত্নকান্ত দাস :

বাৰেগাঁৱ। গণ আন্দোলনত অংশ গ্ৰহণ আৰু কাৰাবাস।

ৰজনীকান্ত দেবচৌধুৰী :

পাঠশালা। পিতৃ সন্তৰাম দেবচৌধুৰী। সত্যাগ্ৰহী আৰু বিয়াল্লিছৰ আন্দোলনত কাৰাবাস।

ৰাজেন্দ্ৰনাথ তালুকদাৰ :

গায়নহাটী, বৰপেটা। অসহযোগ আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা।

ৰামচৰণ চৌধুৰী :

বহৰি। জন্ম ১৮৫৬, মৃত্যু ১৯৫১। পিতৃ হৰিমল চৌধুৰী। ১৯৩২ চনত মণ্ডল চাকৰি এৰি স্বাধীনতা আন্দোলনত যোগ দিয়ে। সত্যাগ্ৰহ আৰু গণ আন্দোলনত কাৰাবাস খাটে।

ৰামেশ্বৰ শীল :

ভেলাশীলা। জন্ম ১৮৯৩, মৃত্যু ১৯৫৪। আইন অমান্য আন্দোলনত কাৰাবাস খাটে।

ৰজনীপ্ৰসাদ দাস :

বহৰি। জন্ম ১৯২০, মৃত্যু ১৯৭৭। পিতৃ হৰিচৰণ দাস। গণ আন্দোলনত কাৰাবাস খাটে।

ৰাজেন্দ্ৰনাথ ডেকা :

আমৃখোৰা। জন্ম ১৯০৯, মৃত্যু ১৯৮০। পিতৃ গোবিন্দ ডেকা। সত্যাগ্ৰহ আন্দোলনত ৬ মাহ কাৰাবাস খাটে আৰু গণ আন্দোলনত বিশেষ অংশ গ্ৰহণ কৰে।

ৰামচৰণ তালুকদাৰ ঃ

বৰবাং। জন্ম ১৮৭৬, মৃত্যু ১৯৫৮। পিতৃ খৰ্গেশ্বৰ তালুকদাৰ। বিয়াল্লিছৰ আন্দোলনত বিশেষ ভূমিকা লয় আৰু কৰ্মী পৰিষদৰ সদস্য আছিল।

ৰাজেন্দ্ৰনাথ চৌধুৰী ঃ

ভৱানীপুৰ গাঁৱ। জন্ম ১৯২১, মৃত্যু ১৯৮১। পিতৃ গোপী চৌধুৰী। সত্যাগ্ৰহী গণ আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰে।

ৰামচৰণ ডেকা ঃ

ভৱানীপুৰ। জন্ম ১৯০৪, মৃত্যু ১৯৭৮। পিতৃ অনামি ডেকা। শিক্ষকতা কৰিছিল। গণ আন্দোলনত ১ মাহ কাৰাবাস খাটে।

ৰামগোপাল দাস ঃ

কলবাৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৩ মাহ কাৰাবাস আৰু ৫০ টকা জৰিমনা হয়।

ৰাজ্য কছাৰী ঃ

১৯২২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ৰামসিং কছাৰী ঃ

১৯২২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ৰাতিৰাম কছাৰী ঃ

কয়দী আছিল।

শ্ৰীৰামচন্দ্ৰ দাস ঃ

আমবাৰীহাটী, বৰপেটা। অসহযোগ আন্দোলনত ২ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা হয়।

শ্ৰীৰাম বায়ন ঃ

অকয়া। পিতৃ কৃষ্ণ বায়ন। গণ আন্দোলনত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে।

লক্ষীকান্ত পাঠক ঃ

অকন্না। পিতৃ চানাৰাম পাঠক। ১৯২১ চনৰ আন্দোলনত ৩ মাহ কাৰাবাস খাটে।

লক্ষীকান্ত তালুকদাৰ ঃ

পাঠশালা। জন্ম ১৯০৬, মৃত্যু ১৯৬৭। পিতৃ চিবো তালুকদাৰ সত্যাগ্ৰহী আৰু '৪২ ৰ আন্দোলনত কাৰাবাস খাটে।

লক্ষীমোহন দত্ত ঃ

সাদেৰী। জন্ম ১৮৯৩, মৃত্যু ১৯৪৫। পিতৃ মোমলু দত্ত। গণ আন্দোলনত বিশেষ ভূমিকা গ্ৰহণ কৰে। পুলিচ থানা অবৰোধত মহিলা সংগঠনৰ নেতৃত্ব লয়।

লক্ষীকান্ত দাস ঃ

ভোগপুৰ গাঁও। জন্ম ১৮৯০, মৃত্যু ১৯৬৯। পিতৃ হলিৰাম দাস। কংগ্ৰেজীয়া জীৱন চিৰদিনৰ বাবে ত্যাগ কৰি স্বাধীনতা আন্দোলনত জপিয়াই পৰে।

লক্ষেশ্বৰ শৰ্মা ঃ

মাদুলীজাৰ। সত্যাগ্ৰহ আৰু গণ আন্দোলনত কাৰাবাস খাটে।

লক্ষেশ্বৰ পাটগিৰি ঃ

পাঠশালা। জন্ম ১৯২৬, মৃত্যু ১৯৮৬। পিতৃ মুকুন্দ পাটগিৰি। গণ আন্দোলনত কাৰাবাস খাটে।

লাচিত বসুমতাৰী ঃ

পশ্চিম ৰিহাবাৰী। স্কুল বৰ্জন কৰি গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

লিখাৰাম নাথ ঃ

চকচকা। ১৯২১ চনত সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

লেত্ৰা ভুটিয়া ঃ

১৯২১ চনত এবছৰ সশ্ৰম কাৰাদণ্ড ভোগে।

লোহিত চন্দ্ৰ পাঠক :

কাহাৰপাৰ, সৰুপেটা। পিতৃ হলিৰাম পাঠক। গণ আন্দোলনত তিনি মাহ কাৰাবাস খাটে।

লোহিত চন্দ্ৰ কাকতি :

মুগুৰীয়া, হুগুৰী গাঁও। জন্ম ১৯১৪, মৃত্যু ১৯৪২। পিতৃ চেনিৰাম কাকতি। সত্যাগ্ৰহ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

ডাঃ শঙ্কৰাৰণ পাটোৱাৰী :

কাকতিহাটী, বৰপেটা। আইন অমান্য আন্দোলনত ২ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

শৰৎ চন্দ্ৰ বৰ্মন :

পাঠশালা। জন্ম ১৯০৮, মৃত্যু ১৯৫৯। পিতৃ অৰিথা বৰ্মন। ১৯৪০ চনৰ আন্দোলনত সত্যাগ্ৰহী আছিল।

শিৱ ঠাকুৰীয়া :

বাগাখাটা। জন্ম ১৯০৬, মৃত্যু ১৯৬০। পিতৃ কাতিৰাম ঠাকুৰীয়া। গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

শিলো ভকত :

দক্ষিণ গণকগাৰি। আইন অমান্য আন্দোলনত কাৰাবাস খাটে।

শুকুৰা ৰাম দাস :

বৰপেটা। অসহযোগ আৰু মুক্তি আন্দোলনত আজীৱন সক্ৰিয় অংশ গ্ৰহণ কৰে।

সুৰেপ্ৰিয়া খাটনীয়াৰ :

কুৰুবাহা। মহিলা সংগঠনৰ আগভাগ লয় আৰু পুলিচৰ অত্যাচাৰ উৎপীড়ন ভোগে।

সুন্দৰীবালা দাস :

পাঠশালা। স্বামী ডাঃ জিনাৰাম দাস। মহিলা সংগঠনৰ আগভাগ লয় আৰু পুলিচৰ অত্যাচাৰ, উৎপীড়ন ভোগে।

সুৰেন্দ্ৰনাথ দাস ঃ

ভৱানীপুৰ গাঁৱৰ। ১৯৪২ চনত তিনিমাহ কাৰাবাস হয়।

সোণাৰাম চৌধুৰী ঃ

সৰুপেটা। পিতৃ বিশ্বনাথ চৌধুৰী। স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰে।

সোণাৰাম নাথ ঃ

পশ্চিম গণকগুৰি। গণ আন্দোলনত কাৰাবাস হৈছিল।

সূৰ্য্যকান্ত বায়ন ঃ

বিলৰতাৰি হাটী, বৰপেটা। অসহযোগ আন্দোলনত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২০ টকা জৰিমনা হয়।

সুৰেন্দ্ৰনাথ দাস ঃ

গলিয়াহাটী, বৰপেটা। আইন অমান্য আন্দোলনত পিকেটিং কৰি ২ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

সুখনা ৰাম দাস ঃ

ভবলা গাঁও। জন্ম ১৮৬৬, মৃত্যু ১৯৪৪। পিতৃ ছায়াৰাম দাস। ১৯২১ চনৰ অসহযোগ আন্দোলনত তিনিমাহ কাৰাবাস খাটে।

সুখনাৰাম বায়ন ঃ

অকয়া। পিতৃ ভৃগীৰাম বায়ন। ১৯২১ চনৰ আন্দোলনত তিনি মাহ কাৰাবাস।

সুৰেন্দ্ৰনাথ শৰ্মা ঃ

মাগুৰীয়া গাঁও। জন্ম ১৯০৯, মৃত্যু ১৯৮৬। পিতৃ দেৱেন্দ্ৰনাথ শৰ্মা। কিছুদিনৰ বাবে ১৯৩০ চনত কাৰাবাস খাটে।

সূৰ্য্যকুমাৰ চৌধুৰী ঃ

চৌধুৰীপাৰা। গণ আন্দোলনত বজালীত অগ্ৰণী ভূমিকা গ্ৰহণ কৰে আৰু কৰ্ম পৰিষদৰ সদস্য আছিল।

সদানন্দ দাস ঃ

বৃন্দাবনহাটী, বৰপেটা। আইন অমান্য আন্দোলনত পিকেটিং কৰি দুই মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

সৰ্ব্বেশ্বৰ পাটগিৰি ঃ

জন্ম ১৯১১, মৃত্যু ১৯৭১। পিতৃ মুকুন্দ পাটগিৰী। সত্যাগ্ৰহী আৰু বিয়াল্লিছৰ আন্দোলনত কাৰাবাস খাটে।

সদানন্দ চৌধুৰী ঃ

বামাখাটা। জন্ম ১৮৯৪, মৃত্যু ১৯৮২। পিতৃ ব্ৰজনাথ চৌধুৰী। বিয়াল্লিছৰ আন্দোলনত বিশেষ ভূমিকা লয় আৰু কৰ্ম পৰিষদৰ সদস্য আছিল।

সৰ্ব্বেশ্বৰ দাস ঃ

মাদুলীজাৰ। ১৯৩১ চনৰ আন্দোলনত কাৰাবাস খাটে।

সায়াতী কলিতা ঃ

চৌখুটি। মহিলা সংগঠনত আগভাগ লয় আৰু পুলিচৰ অত্যাচাৰ উৎপীড়ন ভোগ কৰে।

সিদ্ধিৰাম পাটগিৰি ঃ

বামাখাটা। জন্ম ১৮৯৮, মৃত্যু ১৯৫৬। পিতৃ গোৰাৰাম পাটগিৰী। বিয়াল্লিছৰ আন্দোলনত বিশেষ ভূমিকা লয় আৰু কৰ্ম পৰিষদৰ সদস্য আছিল।

সীতানাথ দাস ঃ

আমবাৰীহাটী, বৰপেটা। অসহযোগ আন্দোলনত ৫০ টকা জৰিমনা হয়।

হৰিপ্ৰসাদ ব্ৰহ্মচাৰী ঃ

বৰপেটাৰ অৱসৰপ্ৰাপ্ত ডি আই মহীকান্ত দাসৰ পুত্ৰ হৰিপ্ৰসাদ দাস। জীৱনৰ বিয়লিবেলাত হৰিপ্ৰসাদ ব্ৰহ্মচাৰী নামেৰে খ্যাত হৈ পৰে। শেষলৈ আশ্ৰমবাসী হৈ আধ্যাত্মিক জীৱন আৰম্ভ কৰে। পিছলৈ তেখেত ভাল্লিমবাবু বুলিহে সমাজত জনাজাত হৈ পৰে। হৰিপ্ৰসাদ

ব্ৰহ্মচাৰীয়ে বি-এ পাছ কৰি প্ৰথমতে ধুবুৰী চৰকাৰী হাইস্কুলত আৰু পিছত কটন কলেজিয়েট হাইস্কুলত শিক্ষকতা কৰাৰ পিছত ১৯০৮ চনত বৃটিছ চৰকাৰৰ চাব ডেপুটি কালেক্টৰৰ পদ পায়। প্ৰায় ১৩ বছৰ এই কাম সুখ্যাতিৰে চলোৱাৰ পিছত ১৯২১ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰি এবছৰ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩০ চনত বৰপেটা জিলা কংগ্ৰেছৰ সভাপতি হৈ থাকোতে অসহযোগ আন্দোলনত ছমাহৰ বাবে কাৰাবাস খাটে।

বিদেশী বস্তু আৰু বিদেশী শিক্ষা বৰ্জনৰ আন্দোলনৰ গুৰি ধৰি জাতীয় বিদ্যালয় পতাৰ ব্যৱস্থা কৰে। ভাৰতীয় লোকক গোলামী শিক্ষাৰ পৰা বিৰত কৰাৰ অভিযানত সক্ৰিয় ভূমিকা লৈ নিজৰ চেমনীয়া হ'ৰা দুজনক ইংৰাজী স্কুলৰ পৰা একেবাৰে লাহোৰৰ জাতীয় বিদ্যালয়ৰ গুৰুকুলত ভৰ্তি কৰি দিবলৈ লৈ গৈছিল। জীৱনৰ শেষ ফালে জনজাতীয় অঞ্চলৰ উন্নয়নমূলক কামৰ আঁচনিক সৰভোগ আৰু টিহুৰ উত্তৰে 'সত্য সনাতন ধৰ্ম আশ্ৰম' স্থাপন কৰি আধ্যাত্মিক সাধনাৰ মাজেৰে অনুন্নত সম্প্ৰদায়ৰ মাজত সংগঠন আৰম্ভ কৰিছিল। ১৯৪৩ চনত আধ্যাত্মিক আদৰ্শৰে অনুপ্ৰাণিত এই মুক্তিযুঁজাৰু আৰু সমাজকৰ্মীজনৰ পৰলোকপ্ৰাপ্তি ঘটে।

হৰেশ্বৰ দাস:

নিজ চমকা, সৰভোগ। ১৯৪২ চনত গ্ৰেপ্তাৰ হয়।

হংসনাথ কলিতা:

ৰহা। ১৯৩১ চনৰ আন্দোলনত কাৰাবাস খাটিছিল।

হৃদয়নন্দ চৌধুৰী:

নগাঁও, বৰপেটা। আইন অমান্য সত্যাগ্ৰহ আৰু গণ আন্দোলনত দীৰ্ঘদিন কাৰাবাস হয়।

হৃদয় শৰ্মা:

বামুণকুছি। গণ আন্দোলনৰ সময়ত গ্ৰেপ্তাৰ হয়।

হৰকান্ত তালুকদাৰ:

বামাখাটা। জন্ম ১৮৮৮, মৃত্যু ১৯৪৫। পিতৃ চিৎৰাম তালুকদাৰ। অসহযোগ আন্দোলনত কাৰাবাস হয়। জৰিমনা নিদিয়াত ঘৰৰ

সা-সম্পত্তি ক্রোকত যায়। তেওঁ আজীৱন স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰে।

হলিৰাম দাস :

গুকলিয়াপাৰ, বামাখাটা। জন্ম ১৮৯৬, মৃত্যু ১৯৮৪। পিতৃ কেথাৰাম দাস। ১৯২১ চনৰ অসহযোগ আন্দোলনত তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

হৰিমোহন দাস :

সৰু মাণিকপুৰ। ২ মাহ কাৰাবাস হয়।

হৰেকৃষ্ণ পাঠক :

চাপৰিবড়ি, সৰুপেটা। পিতৃ শৰৎ পাঠক। গণ আন্দোলনত কাৰাবাস খাটিছিল।

হৰমোহন দাস :

কাজীজাৰাপাৰা। গণ আন্দোলনত সক্রিয় অংশ গ্ৰহণ কৰিছিল।

হলিৰাম মহন্ত ঠাকুৰীয়া :

চকা বাউসী। আইন অমান্য আন্দোলনত কাৰাবাস হৈছিল।

হৰেশ্বৰ বৰ্মণ :

কমাৰগাওঁ। ১৯৪২ চনৰ গণ আন্দোলনত দীৰ্ঘদিন কাৰাৰুদ্ধ হৈছিল।

ডাঃ হোমেশ্বৰ দেৱ চৌধুৰী :

১৯১১ চনত বজালীৰ সৰিহ চাকলা গাৱঁত ডাঃ হোমেশ্বৰ দেৱ চৌধুৰীৰ জন্ম হয়। পিতৃ সৰ্বেশ্বৰ দেৱচৌধুৰী। ১৯৩০ চনত গুৱাহাটীৰ কটন কলেজিয়েট হাইস্কুলৰ পৰা সুখ্যাতিৰে প্ৰবেশিকা পাছ কৰাৰ পিছত সেউতাকে বেৰিহোৱাইট মেডিকেল কলেজলৈ ডাক্তৰী পঢ়িবলৈ পঠায়। ১৯৩৪ চনত ডাক্তৰী পাছ কৰি ঘৰলৈ আহে। ডাঃ চৌধুৰী বৰপেটা লোকেল বোৰ্ডৰ জনস্বাস্থ্য বিভাগত যোগ দি পিতৃৰ ইচ্ছা পূৰণ কৰি মানৱসেৱাৰ কামত ব্ৰতী হ'ল। পিতৃৰ অনুমতি আৰু ধনীৰাম তালুকদাৰৰ পৰামৰ্শক্ৰমে তেখেতে মণিপুৰ ষ্টেট চাৰ্জিচৰ

স্বাস্থ্যসেৱা বিভাগত যোগ দিয়ে। মানৱ দৰদী, স্বাধীনতাপ্ৰেমী, অভিনয়-প্ৰাণ ডাঃ চৌধুৰী অলপ দিনৰ ভিতৰতে মণিপুৰী, কুকী আদি লোকসকলৰ আপোন হৈ পৰে। তেখেত মণিপুৰত 'মণিপুৰ মৰ্টম' নামে কাকতো উলিয়াইছিল আৰু সেইখন কাকতে ১৯৩৭ চনৰ পৰা ১৯৪০ চনলৈ ৰাইজৰ সেৱা আগবঢ়াইছিল। যেতিয়া ইম্ফল, কোহিমা, ডিমাপুৰত জাপানী যুঁজাৰু বিমানে বোমা পেলাব ধৰিলে তেতিয়া ডাঃ চৌধুৰী ঘৰলৈ উভতি আহি পাটাছাৰকুছিত স্বাস্থ্যকেন্দ্ৰ খুলি জনতাৰ সেৱাত পুনৰ ব্ৰতী হ'ল। '৪২ৰ আন্দোলনত পূৰ্ণোদ্যমে অংশ গ্ৰহণ কৰিলে ১৯৪২ চনৰ ৩ চেপ্তেম্বৰত চৌধুৰীক পুলিচে গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিলে। চৌধুৰীক চিলং, চিলেট আদি জেলৰ পৰা ঘূৰাই আনি গুৱাহাটী জেলত থলে। ১৯৪৪ চনৰ ২০ মেত জেলৰ পৰা মুক্তি দি পুনৰ গ্ৰেপ্তাৰ কৰি অন্তৰীণ কৰি ৰাখিলে।

ডাঃ চৌধুৰী অসমৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, শৈক্ষিক তথা সামাজিক উন্নতিৰ প্ৰতি সদায় যত্নপৰ আছিল। চৌধুৰীয়ে ৰাজ্যভাষা আন্দোলন, ব্ৰহ্মপুত্ৰৰ দলং, বিশ্ববিদ্যালয়, তেল শোধনাগাৰ আদি প্ৰতিটো আন্দোলনতে অংশ গ্ৰহণ কৰিছিল। ১৯৭৯ চনৰ বিদেশী বহিষ্কাৰ আন্দোলনত চৌধুৰীয়ে উল্লেখযোগ্য ভূমিকা লৈছিল। তেখেতৰ উল্লেখযোগ্য আন এটি অবদান হ'ল উত্তৰ বংগৰ পৰা ভগনীয়া হৈ অহা অসমীয়া ভগনীয়াসকললৈ আগবঢ়োৱা সহায় সহযোগ। ১৯৫২ চনত প্ৰজা চোচিয়েলিষ্ট দলৰ টিকেট লৈ তেখেতে অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হৈছিল। ডাঃ চৌধুৰী জীৱনত প্ৰসিদ্ধি লাভ কৰিছিল অসমীয়া কলা-কৃষ্টিৰ সাধকৰূপে। চৌধুৰী একেৰাহে এজন সু-লেখক, প্ৰাবন্ধিক, নাট্যকাৰ, সাংবাদিক, অভিনেতা আৰু সুপৰিচালক আছিল। 'গাঁৱলীয়া ডাক্তৰৰ বিপৰ্যয়', 'স্বৰ্গ বিজয়', 'চিপাহী বিদ্ৰোহ' চৌধুৰীদেৱৰ স্বৰচিত নাট। তেখেতৰ দ্বাৰা পৰি-চালিত আৰু অভিনীত নাটসমূহ হ'ল বেউলা, সাবিত্ৰী, বামুণিকোঁৱৰ আৰু চিপাহী বিদ্ৰোহ। তেখেতে লিখা বহুতো প্ৰবন্ধ জয়ন্তী, সুৰভি, আৱাহন, মণিদীপ আদিত প্ৰকাশ পাইছে। ১৯৮৮ চনৰ ১০ মেত তেওঁ মৃত্যু বৰণ কৰে।

যোৰহাট

অৰুণ চন্দ্ৰ বৰা :

টীয়ক পৰ্বতীয়া গাৱঁৰ অৰুণ চন্দ্ৰ বৰুৱাই ১৯৩২ চনত আইন অমান্য আন্দোলনত যোগদান কৰি ৩ মাহ কাৰাবৰণ কৰে আৰু তেতিয়াৰ পৰাই স্বাধীনতা আন্দোলনত সক্ৰিয়ভাবে লাগি থাকি ভালেখিনি জনহিতকৰ কাম কৰে। বিশেষকৈ গোজাতিৰ উন্নয়নৰ বাবে গো-পথাৰবিলাক বেদখলীৰ হাতৰ পৰা উদ্ধাৰ কৰাত অহো-পুৰুষাৰ্থ কৰে। তেখেতে ১৯৪১ চনৰ সত্যাগ্ৰহ আন্দোলন আৰু ১৯৪২ চনৰ গণ আন্দোলনতো যোগদান কৰে। ৭৮ বছৰ বয়সত তেখেতে মৃত্যু বৰণ কৰে।

অৰুণ চন্দ্ৰ বৰা :

চাওঁখাট মৌজাৰ ভৰলুৱা গাঁৱত ১৯০০ চনত তেখেতৰ জন্ম হয়। তেখেতৰ পিতৃ ভোলোক বৰা আৰু মাতৃ সেন্দুৰী বৰা। ১৯৪২ চনৰ গণ বিপ্লৱত সভা, শোভাযাত্ৰা, পিকেটিং আদিত যোগ দিয়ে। যোৰহাট নগৰত পুলিচ অফিচৰ আগত পিকেটিং কৰোতে পুলিচৰ লাঠি চালনাত হাত ভাগে। ভৰলুৱা গাঁৱৰ শান্তি সেনা দলৰ তেখেত নায়ক আছিল। খাদীৰ কাম কৰিছিল আৰু আজীৱন গাঁৱৰ গঠনমূলক কামত লিপ্ত আছিল। ১৯৭৯ চনৰ ২৫ জুলাইত ৭৯ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

আনন্দ শৰ্মা :

গাখীৰখোৱা মৌজাৰ সাছমুৰী গাঁৱত আনন্দ শৰ্মাৰ ঘৰ। ১৯৪২ চনত কলেজৰ শিক্ষা ত্যাগ কৰি আন্দোলনত যোগ দিয়ে আৰু কাৰাবাস খাটে। যোৰহাট জেলত বহুদিন আবদ্ধ হৈ আছিল। জেলৰ পৰা ওলাই তেওঁ এম এ পাছ কৰে আৰু টীয়ক কলেজৰ অধ্যাপক হয়।

অশ্বিনী বৰা :

ঢেকিয়াখোৱা গাঁৱত জন্ম হয়। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী।

আইদেউ বাজখোৱা :

১৯২১ চনৰ খাদী কৰ্মী আছিল।

আধিৰাম শইকীয়াঃ

দেৱান ভৰলুৱা। ১৯২১—৪২ চনৰ মুক্তি যুঁজাৰু।

আয়ুব আলী শেখঃ

ৰজাবাহাৰ, চীয়ক। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী।

৺ইন্দ্ৰেশ্বৰ শৰ্মাঃ

শিক্ষকতা ত্যাগ কৰি ১৯২১ চনৰ আন্দোলনত যোগদান। সেলেং কংগ্ৰেছ যোগে হাতীগড় মৌজাক নেতৃত্ব দিয়ে। কংগ্ৰেছ কাৰ্য্যালয়ৰ সম্মুখত তেওঁ সদায় বক্তৃতা দিছিল। জীৱনত তেওঁ আৰু চাকৰি নকৰিলে। '৪২ত হাতীগড় মৌজা 'স্বাধীন ৰাষ্ট্ৰ' ঘোষণা কৰোঁতে ৺শৰ্মাক 'প্ৰধান মন্ত্ৰী'ৰ বাব দিয়া হয়। কিন্তু ১৯৩৪ চনৰ হৰিজন আন্দোলনৰ তেওঁ বিৰোধীতা কৰে। এই লৈ কংগ্ৰেছ সেৱকসকলৰ লগত তুমুল বিতৰ্ক হলেও তেওঁ নিজৰ মতত অলৰ-অচৰ আছিল। 'জাগতিক ধৰ্ম প্ৰাকৃতিক প্ৰবাহ' আৰু 'পৃথিবীৰ মাধ্যাকৰ্ষণ নহয়, জলাকৰ্ষণ' নামৰ দুখন কিতাপ লেখি ইংৰাজীলৈ অনুবাদ কৰিবলৈ চেষ্টা কৰি ব্যৰ্থ হয় আৰু অপ্ৰকাশিত হৈ ৰয়, জীৱনত তেওঁৰ খং উঠা কোনেও প্ৰত্যক্ষ কৰা নাছিল।

এচ, কে দৌলতাদ্দিনঃ কাকজান, মাজুলী।

এয়োধৰ হাজৰিকাঃ

খংগীয়া মৌজাৰ ঠিলিকিআমৰ সৰুহুজত ঘৰ। ১৯২১ চনৰ কৰ্মী। ১৯৩৩ চনৰ অসম ৰায়ত সভাৰ প্ৰথম অধিৱেশনৰ এজন উদ্যোক্তা। ৰায়ত সভাৰ কৃতকাৰ্যতাৰ পাছত তেখেতক 'হাজৰিকা' উপাধি অভ্যৰ্থনা সমিতিয়ে দান কৰে। ৯০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

কুশদেৱ গোস্বামীঃ

যোৰহাট জিলাৰ তশমগুৰি মৌজাত বামুণ পুখুৰী ৰত্নাকৰ সত্ৰত ১৮৯৪ চনত জন্ম হয়। তেওঁ ১৯২১ চনত অসহযোগ আন্দোলনৰ গুৰি ধৰিছিল। ভলণ্টিয়াৰ সংগঠন কৰি কেম্পত নাম গাই থাকোতে সেই সময়ৰ দাৰোগাই কেম্পটো ভাগি পেলায় আৰু গোস্বামীক গ্ৰেপ্তাৰ

কৰে। তেখেত বামুণ পুখুৰী কংগ্ৰেছৰ সভাপতি আছিল। ১৯২১-২২ চনৰ আন্দোলনত কাৰাবাস খাটে। ১৯২৬ চনত মাত্ৰ ৩২ বছৰ বয়সত মৃত্যু হয়। তেখেতৰ পত্নী চন্দ্ৰপ্ৰভা গোস্বামী বৰ্তমান জীৱিত আৰু তেখেতৰ বয়স বৰ্তমান ৮৫ বছৰ।

কৃষ্ণনাথ শৰ্মা:

১৯০৯ চনত পিতৃ বিয়োগৰ পিছত কৃষ্ণ শৰ্মা চবুটকত থাকিবলৈ লয়। সেই বছৰতে শৰ্মাই মেট্ৰিক পাছ কৰে আৰু ১৯১১ চনত কটন কলেজৰ পৰা আই-এছ-চি আৰু ১৯১৩ চনত বি-এছ-চি পাছ কৰে। ১৯১২ চনত স্বৰ্ণলতাৰ লগত তেওঁৰ বিয়া হয়।

কৃষ্ণ শৰ্মাই ১৯১৬ চনত আইন পৰীক্ষা পাছ কৰি ১৯১৭ চনত যোৰহাট কাছাৰীত ওকালতি আৰম্ভ কৰে। তেওঁ খাদী আন্দোলনত লাগি ক্ৰমে কানি, মদ, ভাং বৰ্জন অভিযান চলায়। অসহযোগ আন্দোলনত শৰ্মা যোৰহাট জেলত এবছৰ বিনাশ্ৰমে কাৰাবাস খাটে। কৃষ্ণ শৰ্মা হিন্দু-মুছলমানৰ ভ্ৰাতৃত্বৰ হেতু আছিল। ১৯২২ চনৰ ১৯ ডিচেম্বৰত মুক্তি লাভ কৰে। শৰ্মাই এচাম কৰ্মীৰ সহায়ত গাঁৱে-ভূঞে নাট, ভাওনা, বিয়ানাম আদিৰ যোগেদি প্ৰচাৰৰ কামত লাগিছিল।

কৃষ্ণনাথ শৰ্মাই ওকালতি এৰি দি দৰিদ্ৰতাক সাৱটি ললে। ১৯২৩ চনত অসম প্ৰাদেশিক খাদী বোৰ্ড স্থাপন কৰে। কৃষ্ণনাথ শৰ্মা একেবাৰে এজন আদৰ্শবান সমাজকৰ্মী, স্বদেশ প্ৰেমিক, স্বাৰ্থত্যাগী আৰু ধাৰ্মিক লোক আছিল। তেখেতে ভাৰত তীৰ্থ ভ্ৰমণ কৰি প্ৰাচীন ভাৰতৰ কলা-কৃষ্টিৰ অনেক জ্ঞান লাভ কৰিছিল। শৰ্মাই অসহযোগ আন্দোলনৰ পৰা প্ৰায়বোৰ কংগ্ৰেছ অধিবেশনত যোগদান কৰিছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছ অধিবেশনত শৰ্মা এজন প্ৰধান কৰ্মী আছিল। অধিবেশনত খাদী কাপোৰৰ তোৰণ সজাৰ ভাৰ শৰ্মাৰ ওপৰত পৰিছিল।

অস্পৃশ্যতা দূৰীকৰণ অভিযানৰ উজনি অসমৰ গুৰিয়াল আছিল কৃষ্ণ শৰ্মা। তেখেত বহুমুখী প্ৰতিভাৰ লোক আছিল। স্বাধীনতা আন্দোলনৰ অক্লান্ত কৰ্মী হৈ মহাত্মা গান্ধীৰ আদৰ্শৰ বাহক হিচাপে ওৰে জীৱন কাম কৰিছিল। অসম খাদী সংঘ, অসম প্ৰাদেশিক ৰাষ্ট্ৰীয় সন্মিলন, জাতী হাইস্কুল, অসম ৰায়ত সভা, অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি, ৰাগীয়াল বস্তু বৰ্জন সমিতি, প্ৰাদেশিক শান্তি তদন্ত

সমিতি, যোৰহাট খেতিয়ক সমিতি আদিৰ লগত তেওঁ ওতঃপ্ৰোতভাৱে জড়িত আছিল।

স্বদেশৰ মংগলৰ কাৰণে নিঃস্বাৰ্থভাৱে আত্ম বলিদান দিয়া ব্যক্তিসকলৰ ভিতৰত কৃষ্ণনাথ শৰ্মা আছিল অন্যতম। কৃষ্ণ শৰ্মা অসম বিধান সভাৰ সদস্য আছিল। তেখেতে ১৯৪২ চনৰ গণ বিপ্লৱত যোগ দি নিৰাপত্তাৰ বাবে বন্দী হিচাপে কাৰাবাস খাটিছিল।

কাচিম আলী :

৩১।১০।২২

কালিমালীয়া বৰুৱা :

চেকীয়াখোৱা। ১৯২১ চনৰ কৰ্মী।

কীৰ্ত্তিনাথ ভট্টাচাৰ্য্য :

চেকীয়াখোৱা। ১৯২১ চনত কাৰাবাস খাটে।

কেতেশ্বৰ বৰুৱা :

২০।১২।২১ তাৰিখে গ্ৰেপ্তাৰ হয়। ২৩।১২।২১ তাৰিখে ৬ মাহ জেল হয়।

কৃষ্ণকান্ত ভট্টাচাৰ্য্য :

তৰাজান। চাকৰি এৰি স্বাধীনতা সংগ্ৰামত লাগে।

কেশৱৰাম বৰা :

শালমৰা গাঁও, মাজুলী। ১০২১ চনৰ আন্দোলনত ৩ মাহ জেল হয় আৰু ৩০।৩।২২ ত ১ বছৰ জেল হয়। ৩১।৩।২৩ত মুক্তি পায়।

কামাখ্যা বৰঠাকুৰ :

চৰাইবন্ধা, যোৰহাট। ৩।১০।৪২ চনত ৬ মাহ জেল, ২১।৬।৪৩ তাৰিখে জেলৰ পৰা মুক্তি পায়।

কেৰ্কেটুৱা চুতীয়া :

লোকাং বেবেজীয়া, তিতাবৰ। ১৯২২ চনত তিতাবৰত ৬ মাহ জেল হয়। ৯।২।২৩ চনত মুক্তি পায়।

কমল চন্দ্ৰ দত্ত :

ধাৰিগাঁও। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে।

কুলাই দাস :

বৰহুজ গাঁও, দহোতীয়া। আন্দোলনত ১ মাহ জেল হয়।

কানিৰাম দাস :

বৰহুজ গাঁও, দহোতীয়া। আন্দোলনত ১ মাহ জেল হয়।

কমল চন্দ্ৰ দত্ত :

৫।৬।২২ চনত তিনি মাহ জেল হয় আৰু ৩০।১০।২৩ তাৰিখে মুক্তি পায়।

কনক গোস্বামী :

কাঠগাঁও, ১৯২১ চনত আন্দোলনত যোগ দিয়ে।

কানুৰাম হাজৰিকা :

১ নং বামুণগাওঁ। ১৯৪২ চনৰ আন্দোলনৰ এজন আণ্ডাৰ গ্ৰাউণ্ড কৰ্মী।

কৃষ্ণৰাম সন্দিকৈ :

গঠংগাহাতী চুংগীয়া গাওঁ। ১৯২১ৰ পৰা ১৯৩০ লৈ আন্দোলনত যোগ দিয়ে।

কেদাৰ নাথ হাজৰিকা :

আন্দোলনত ৪ মাহ জেল হয়।

কৃপাল কটকী :

বামুণগাওঁ। ১৯২১ৰ পৰা ১৯৩০ লৈ আন্দোলনত যোগ দিয়ে।

কমল চন্দ্ৰ কটকী :

চিনাতলীয়া গাওঁ, ৰতনপুৰ। ২৪।৪।২২ত ৩ মাহ জেল আৰু ২৩।৭।২২ চনত মুক্তি।

কমল কটকী :

মাজুলী। ১৯২১ চনৰ আন্দোলনত ফাটেক হয়।

কুশৰাম লাহন :

আৰাজ্ঞৰা, যোৰহাট। ১৯২১ ৰ পৰা ১৯৪২ চনলৈ আন্দোলনত যোগ দিয়ে।

কালিভকত সেনাপতি :

জেটুৱালগাওঁ, ১৯২১ ৰ পৰা ১৯৪২ চনৰ মুক্তি যুঁজাৰু।

কনকেশ্বৰ শৰ্মা :

নেহৰু পাৰ্ক, সহকৰ্মীৰ অংশীদাৰ।

কৃষ্ণকান্ত শৰ্মা :

পাখীমৰা গাওঁ। ১৯২০ চনৰ ডিচেম্বৰ মাহৰ ২৬ তাৰিখে তেজপুৰত অসম এচোচিয়েচনৰ সভা হৈছিল য'ত সহযোগিতা কৰা দলে সমৰ্থন কৰিছিল।

কেশৱ চন্দ্ৰ শৰ্মা :

শৰ্মাৰ জন্ম ১৯১২ চনত। ১৯৩০ চনৰ আন্দোলনত তেখেতক জয়সাগৰ প্ৰাথমিক বিদ্যালয়ৰ পৰা খেদাই দিয়ে। কংগ্ৰেছ সংগঠনৰ কামত আত্মনিয়োগ কৰি সংগঠনৰ কাম, বিদ্যালয় স্থাপন, খাদী আশ্ৰম, সমাজ সংগঠন, কানি নিবাৰণ আদি সমাজৰ উন্নয়নমূলক কামত আত্মনিয়োগ কৰে। মাৰিকানাথ ফুকন, কুল গোস্বামী, কুনধৰ শইকীয়া, বিমলা দলে, আনন্দ দত্ত, জয়নাথ গগৈ, শৈল বৰা, কুঞ্জ দাস, ৰবিন দত্ত, ভম্বৰু চেতীয়া, কেশৱ গোঁহাই প্ৰমুখ্যে কৰ্মী সকলৰ লগত ১৯৪২ চনত শান্তি সেনা বাহিনীৰ সংগঠনৰ কাম কৰি ঘূৰি ফুৰোতে কমলাবাৰীৰ পুলিচৰ হাতত আটক হৈ যোৰহাট জেলত ২ দিন ফাটেক খাটিব লগীয়া হয়।

স্বাধীনতা আন্দোলনত জড়িত হৈ পলাতক অৱস্থাত থকাৰ কাৰণে শিক্ষাৰ উপৰিও ঘৰৰ সকলো সা-সম্পত্তি হেৰুৱাব লগা হৈছিল। স্বাধীনতাৰ পিছত কংগ্ৰেছৰ জিলা সমিতিৰ সদস্য, পঞ্চায়ত সমবায়ৰ সভাপতি হৈ সামাজিক উন্নয়নমূলক কামত আত্মনিয়োগ কৰে।

শৰ্মাই বিভিন্ন ৰাজহুৱা অনুষ্ঠান প্ৰতিষ্ঠান আদিৰ লগতো ওতঃপ্ৰোত-ভাৱে জড়িত আছিল। ১৯৮৮ চনৰ ২১ জুনত ৰক্তচাপত আক্ৰান্ত হৈ ৭৭ বছৰ বয়সত মৃত্যু বৰণ কৰে।

কৃষ্ণ প্ৰসাদ দত্ত :

যোৰহাট জিলাৰ চাৰিগাঁৱত ১৯১৬ চনত কৃষ্ণপ্ৰসাদ দত্তৰ জন্ম হয়। তেওঁ সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষা পাছ কৰি কাৰিকৰী শিক্ষাৰ ডিপ্লোমা পৰীক্ষা উত্তীৰ্ণ হৈও চৰকাৰী চাকৰি নললে। স্বাধীনচিতিয়া দত্তই মহাত্মা গান্ধীৰ গঠনমূলক কামৰ আদৰ্শত আকৃষ্ট হৈ সেৱা-গ্ৰামত শিক্ষা লাভ কৰে। স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰি দুবছৰৰো অধিককাল কাৰাবাস খাটে। বিজ্ঞানসন্মতভাৱে মৌপালনৰ প্ৰশিক্ষণ আৰম্ভ কৰি এই বিষয়ে তিনিখন মূল্যবান কিতাপ লিখে। খাদী কমিচনে দত্তৰ কামত সন্তুষ্ট হৈ তেওঁক খাদী গ্ৰামোদ্যোগৰ পৰা অনুদান দি প্ৰশিক্ষণ সফল কৰি তোলে। তেওঁ ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু মুক্তি যুঁজাৰু পেঞ্চন পাইছিল। ১৯৭৫ চনত তেওঁৰ মৃত্যু হয়।

কৃষ্ণৰাম গগৈ :

১৯২১ চনৰ পৰা ১৯৪২ চনলৈকে ২১ বছৰ নিৰন্তৰ কংগ্ৰেছৰ সেৱা কৰা যিসকল লোক আছিল তাৰ ভিতৰত গগৈদেৱো এজন। '২১, '৩১, '৪০, '৪২ এই চাৰিওটা আন্দোলনতে তেওঁ সক্ৰিয়ভাৱে সেৱা আগবঢ়াইছিল। আন্দোলনৰ সংক্ৰান্তত সকলো শিবিৰতে তেওঁ সেৱা কাৰ্য্য কৰিছিল। তেওঁ কিন্তু পেঞ্চন পোৱা নাছিল। ৭৩ বছৰ বয়সত তেওঁৰ পৰলোক হয়।

কেশৱৰাম বৰা :

শালমৰা মৌজাৰ শালমৰা গাঁৱত জন্মগ্ৰহণ কৰে। ১৯২১ চনত ভাৰতৰ মুক্তি যুঁজত অংশ গ্ৰহণ কৰি ছমাহ কাৰাদণ্ড ভোগ কৰে। কেশৱৰাম বৰা বি.এচ-ছি পাছ কৰি মাজুলীত প্ৰথম শিক্ষাৰ গোহৰ পোলায়। ইংৰাজ চৰকাৰে পুলিচৰ দাৰোগা চাকৰিত মকৰল কৰা সত্বেও সেই চাকৰি প্ৰত্যাখ্যান কৰি শালমৰা গাঁৱৰ পৰা কমলাবাৰীলৈ উঠি আহি উচ্চ ইংৰাজী বিদ্যালয় প্ৰতিষ্ঠা কৰে লগতে মাজুলীত কমন

হল নাম দি এটি ৰংগমঞ্চও প্ৰতিষ্ঠা কৰে আৰু মাজুলী মহাবিদ্যালয়-খনিও প্ৰতিষ্ঠা কৰি মৃত্যু বৰণ কৰে।

কমলচন্দ্ৰ কটকী :

শামমৰা মৌজাৰ চিনাতলী গাঁৱত জন্ম গ্ৰহণ কৰে। কেশৱৰাম ৰবাৰ লগতে মুক্তি সংগ্ৰামত অংশ গ্ৰহণ কৰাৰ অপৰাধত ১৯২১ চনত যোৰহাট জেলত ৬ মাহ কাৰাদণ্ড ভোগ কৰে। ১৯৪৪ চনত তেখেতে মৃত্যু বৰণ কৰে।

কমলচন্দ্ৰ ভাগৱতী :

গড়মূৰ সত্ৰৰ ভাগৱতী আছিল। শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ আজ্ঞা পাই ১৯৪২ চনৰ গণ আন্দোলনত যোগ দিয়াৰ অপৰাধত যোৰহাট জেলত ৬ মাহ কাৰাবৰণ কৰে। ১৯৭৭ চনত তেখেতৰ মৃত্যু হয়।

খৰ্গেশ্বৰ গগৈ :

খৰ্গেশ্বৰ গগৈ ১৯২১ চনৰ পৰা কংগ্ৰেছৰ সমৰ্থক আছিল। ১৯৪২ চনৰ গণ আন্দোলনত তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত কিছুদিন ৰাখে। আকাৰত তেখেত ভীমসদৃশ ওখ-শকত লোক আছিল। সেইমতে অত্যন্ত শাৰীৰিক পৰিশ্ৰমো কৰিব পাৰিছিল। অসমত আহোম সকলে প্ৰতিপত্তি বিস্তাৰ কৰাৰ সময়ত গগৈয়ে আহোম সভাৰ যোগে কংগ্ৰেছ অনুষ্ঠানক শক্তিশালী কৰি তুলিছিল।

খৰ্গেশ্বৰ অধিকাৰী :

১৯২১ চনৰ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

খৰ্গেশ্বৰ হাজৰিকা :

খৰ্গেশ্বৰ হাজৰিকাৰ যোৰহাট জিলাৰ টীয়ক মৌজাৰ ঢেকিয়াখনা ভুবলুৱা গাঁৱত ১৯১২ চনত জন্ম হয়। তেখেত প্ৰশিক্ষণ প্ৰাপ্ত কংগ্ৰেছৰ শান্তি সেনা আছিল। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গাঁৱে-ভূঞে সংগঠনৰ কাম কৰিছিল। ১৯৪২ চনৰ গণবিপ্লৱত জপিয়াই পৰি ৭ মাহ কাৰাবাস খাটে। স্বাধীনোত্তৰ কালত পঞ্চায়ত সংগঠনত আত্মনিয়োগ কৰি ৰাইজৰ দ্বাৰা কেইবাবাৰো নিৰ্বাচিত হয়। তেখেতে ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেঞ্চন

পাইছিল। ১৯৮২ চনৰ মে মাহত ৭০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

গোলাপ চন্দ্ৰ শইকীয়া :

যোৰহাট জিলাৰ হোলোঙাপাৰ মৌজাৰ এজন প্ৰবীণ কংগ্ৰেছ কৰ্মী আছিল। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলনৰ পৰাই সক্ৰিয় ভাবে ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত জপিয়াই পৰি দুবাৰ কাৰাবাস খাটে। যোৰহাট জেলত থাকোতে শইকীয়াই কাৰাগাৰৰ ৰাজনৈতিক বন্দীসকলক শংকৰী কলাকৃষ্টি প্ৰদৰ্শন কৰি মোহিত কৰিছিল। প্ৰধান কংগ্ৰেছ নেতা লোকপ্ৰিয় গোপীনাথ বৰদলৈ আৰু অন্যান্য নেতৃবৃন্দৰ সান্নিধ্যলৈ আহি তেখেতে গঠনমূলক কামত আত্মনিয়োগ কৰিবলৈ দৃঢ়প্ৰতিজ্ঞ হৈছিল। ১৯০১ চনত জন্ম গ্ৰহণ কৰি ১৯৬৯ চনত মৃত্যু বৰণ কৰে। তেখেতে ৰাজ্যিক চৰকাৰৰ মুক্তি যুঁজাৰু পেঞ্চন লাভ কৰিছিল।

খৰ্দ্দেশ্বৰ খাউণ্ড :

যোৰহাট জিলাৰ শিমলগুৰি মৌজাৰ খৰ্দ্দেশ্বৰ খাউণ্ড আছিল এজন বিপ্লৱী কৰ্মী। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰি ১৯২২ চনত তিনিমাহ ফাটেক খাটে। তেওঁ শিমলগুৰি মৌজাৰ প্ৰথম জেলখোৱা কৰ্মী। তেখেতে ৰাজ্যিক চৰকাৰৰ পেঞ্চন পাইছিল। ১৯৮৩ চনত তেখেতৰ মৃত্যু হয়। তেখেতৰ পৰিবাৰ শ্ৰীযুতা পূৰ্ণেশ্বৰী খাউণ্ড বৰ্তমান জীৱিত।

গোপাল শৰ্মা :

পৰ্বতীয়া মৌজাৰ টিলিকী আম অঞ্চলত গোপাল শৰ্মাৰ ঘৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আন্দোলনৰ পিছত চাকৰি কৰিছিল আৰু যোৰহাট নগৰৰ চোলাধৰা অঞ্চলত বসতি কৰিছিল। তেওঁৰ বৃদ্ধ অৱস্থাত মৃত্যু হয়।

গোবিন্দ চন্দ্ৰ বৰুৱা :

যোৰহাট জিলাৰ টীয়কৰ খটীয়া বৰুৱা বংশৰ গোবিন্দ চন্দ্ৰ বৰুৱাই স্বাধীনতা আন্দোলনত যোগ দি ১৯৩২ চনত কাৰাবৰণ কৰে। তেতিয়াৰ পৰাই বৰুৱাই সক্ৰিয় অংশ গ্ৰহণ কৰি স্বাধীনতা

আন্দোলনত সকলো দিশতে আন্দোলনৰ নেতৃত্ব দিয়ে। বিশেষকৈ মহাত্মাজীৰ গঠনমূলক আঁচনি আৰু হৰিজন আন্দোলনত আত্মনিয়োগ কৰে আৰু সেই কাৰণেই তেখেতক মানুহে 'হৰিজন' বুলি মাতিছিল।

১৯৪১ চনত তেখেতৰ সহধৰ্মিনী আইদেউ বৰুৱাই স্বামীৰ লগতে সত্যাগ্ৰহ কৰি কাৰাবৰণ কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি সুদীৰ্ঘ কাল কাৰাবাসত কটায়। জেলৰ ভিতৰতে নীলমণি ফুকনৰ লগত চীয়ক সেৱাশ্ৰম স্থাপনৰ আঁচনিৰ কথা ভাবে আৰু জেলৰ পৰা ওলাই আহি তাক কাৰ্যকৰী কৰাত আত্মনিয়োগ কৰে। ৮৬ বছৰ বয়সত বাৰ্দ্ধক্যজনিত কাৰণত নিজ বাস ভৱনত তেখেতৰ মৃত্যু হয়। তেখেতে বৃদ্ধা মুক্তিযোদ্ধা পত্নিবাৰ, ৩ জন পুত্ৰ আৰু এটি কন্যা সন্তান এৰি থৈ যায়।

গোলাপ শৰ্মা :

এখেতৰ ঘৰ আছিল খতীয়া মৌজাৰ আজান গাঁৱত। ১৯২১ চনৰ আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী আছিল। ১৯৩৩ চনত যোৰহাটৰ টিলিকী আমত বহা অসম ৰাস্ত্ৰৰ সভাৰ অভ্যৰ্থনা সমিতিৰ এজন সক্ৰিয় কৰ্মী আছিল।

গোলাপ চন্দ্ৰ দত্ত :

১৯৪২ চনৰ গণ আন্দোলনত যোৰহাট জিলাৰ চাৰিগাঁও মৌজাই এক নতুন বিপ্লৱৰ সূচনা কৰি চাৰিগাঁৱক স্বাধীন ৰাষ্ট্ৰ ঘোষণা কৰি বিপ্লৱী বীৰ শ্ৰীযুত লক্ষেশ্বৰ বৰুৱা ৰাষ্ট্ৰপতি হয়। মন্ত্ৰীসভা গঠন কৰি গোলাপ চন্দ্ৰ দত্তক শিক্ষামন্ত্ৰীৰ বাব দিলে। বৃটিছ চৰকাৰৰ নজৰত পৰিলত ৰাষ্ট্ৰপতি আৰু মন্ত্ৰীসভাৰ সদস্যসকল বন্দী হয়। গোলাপ দত্তই ১৯১৫ চনত জন্ম গ্ৰহণ কৰি ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। যোৰহাট জেলত কুশল কোঁৱৰৰ লগত সম্বন্ধ বাঢ়ে। 'মুক্তি' নামৰ এখন নাটক লিখি জেলতে মঞ্চস্থ কৰি সকলোৰে শলাগ পায়। কাৰাগাৰৰ পৰা ওলাই আহি তেওঁ আৰু চৰকাৰী চাকৰি নকৰিলে। ১৩ জন ছাত্ৰ লৈ বাহনা হাইস্কুল প্ৰতিষ্ঠা কৰি অসমৰ ভিতৰতে এইখনক নামজ্বলা শিক্ষানুষ্ঠানলৈ পৰিণত কৰি তাৰ পৰা অৱসৰ লয়। কেন্দ্ৰীয় চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেঞ্চন পাইছিল। ১৯৮৬ চনত ৭১ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

গোপাল চন্দ্ৰ বৰুৱা :

সুদীৰ্ঘ স্বাধীনতাৰ সংগ্ৰামৰ কালছোৱাত এনে কিছুমান লোক আছিল যে কংগ্ৰেছৰ সভ্যও নহয় স্বাধীনতা সংগ্ৰামীও নহয়, কিন্তু আঁৰৰ নায়ক স্বৰূপে সংগ্ৰাম পৰিচালনাত প্ৰভুত সহায় কৰে। তেনে এজন স্মৰণীয় লোক হাতীগড় চাহ বাগিছাৰ মেনেজাৰ গোপাল চন্দ্ৰ বৰুৱা। তেওঁ প্ৰসিদ্ধ চাহ খেতিয়ক ৰোষেশ্বৰ বৰুৱাৰ পুত্ৰ।

শিবিৰত যেতিয়া প্ৰয়োজন হয় দিনেই হওক বা দুপৰ ৰাতিয়েই হওক, গোপাল বৰুৱাই সদায় প্ৰয়োজনতকৈ অধিক দিয়াৰ অভ্যাস। কেতিয়াও কংগ্ৰেছ সেৱকক বিমুখ নকৰে। এনে উদাৰতা আৰু বদান্যতাৰ বাবেই শিবিৰত কংগ্ৰেছ সেৱকসকল লঘোণে নাথাকে, মুক্তি ৰণত থমকিব লগা নহয়, গ্ৰেপ্তাৰ এৰাই চলাসকল বিপদত নপৰে। গোপাল বৰুৱাই এই কাৰণেই স্মৰণীয় আৰু বৰণীয়। মুক্তি যুঁজাৰু নহৈও মুক্তি যুঁজৰ গুৰি বঠাৰ গৰাকী।

ঘন হাজৰিকা :

শিমলুগুৰি মৌজা, যোৰহাট। ১৯৩০ চনত এই কংগ্ৰেছ কৰ্মীজনে দেশৰ মুক্তি সংগ্ৰামত যোগদান দিয়ে। এখেত অঞ্চলটোৰ এজন নেতৃস্থানীয় ব্যক্তি আছিল। হাজৰিকাই সত্যাগ্ৰহত আন্দোলনত যোগদান কৰিছিল আৰু ১৯৪২ চনৰ গণ আন্দোলনত কাৰাবৰণ কৰিছিল। জেলৰ পৰা ওলাই আহি কংগ্ৰেছৰ সক্ৰিয় দায়িত্ব বহন কৰিছিল। ১৯৬০ চনৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি হিচাপে সমাজৰ ভালেখিনি গঠনমূলক কাম কৰিছিল। ১৯৮৭ চনত ৭৬ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

ঘনশ্যাম দত্ত :

তিতাবৰ চাৰিআলিত দত্তৰ ঘৰ। ১৯২১ চনৰ পাৰ ১৯৩২ চনলৈকে তেখেতে তিতাবৰ অঞ্চলত সক্ৰিয়ভাৱে কংগ্ৰেছৰ কাম কৰিছিল। মৃত্যু হৈছে যদিও তিতাবৰ অঞ্চলত তেখেতৰ সক্ৰিয়তা এতিয়াও আছে।

চেনেহী ভুঞা :

তিনিকুৰীয়া। ১৯২১ চনৰ এজন কৰ্মী।

চতাই বৰা :

পাকামৰা, যোৰহাট-৪। ১৯২১ চনত ৭ মাহ জেল।

চিত্ৰনাথ ভৰালী :

চাওখাট মৌজাৰ ধাৰি গাঁৱত তেখেতৰ ১৮৯০ চনত জন্ম হয়। তেখেতৰ পিতৃ মণিৰাম ভৰালী, মাতৃ কেতেকী ভৰালী আছিল। চিত্ৰনাথ ভৰালীয়ে ৮ নং ধাৰিগাঁৱৰ স্কুলত প্ৰাথমিক শিক্ষা লাভ কৰি মেলেং ভাওৰীয়া টোলত আৰম্ভ হোৱা মধ্য ইংৰাজী স্কুলত পঢ়ে। তাৰপৰা সুখ্যাতিৰে পাছ কৰি কিছু দিন ঘৰতে থকাৰ পিছত মাৰ্ঘেৰিটাৰ কয়লা খনিত মহৰী কাম কৰে। ইতিমধ্যে ১৯২১ চনৰ অসহযোগ আন্দোলন আৰম্ভ হোৱাত চাকৰি ইস্তফা দি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

১৯২৬ চনত কৃষ্ণনাথ শৰ্মাৰ নেতৃত্বত পাণ্ডুত হোৱা কংগ্ৰেছ অধিবেশনত সভা মণ্ডপৰ বাবে খদ্দৰ কাপোৰ তৈয়াৰ কৰা অভিযানত তেখেতে সক্ৰিয়ভাবে লাগি গাঁৱত যঁতৰ নেওঠনী, কপাহ যোগান ধৰি কাপোৰ তৈয়াৰ কৰি দিছিল আৰু নিজে স্বেচ্ছাসেৱক দলত ভৰ্তি হৈ শ্ৰীযুত দেৱেশ্বৰ শৰ্মাৰ নেতৃত্বত কংগ্ৰেছ অধিবেশনত কাম কৰে। ১৯৪২ চনৰ গণ বিপ্লৱতো সক্ৰিয় সহযোগী আছিল। ১৯৬০ চনত তেখেতৰ মৃত্যু হয়।

চেনিৰাম শৰ্মা :

শিমলিগুৰি মৌজাৰ চেনীজানৰ চেনীৰাম শৰ্মা ১৯২১ চনৰ কংগ্ৰেছ কৰ্মী আছিল। আন্দোলনত পুলিচে গ্ৰেপ্তাৰ কৰি তিনিমাহ কাৰাগাৰত ৰাখে। জেলৰ পৰা ওলাই আহি বিয়া পাতে যদিও শান্তি লবলৈ নৌপাওঁতেই ২৮ বছৰ বয়সত মৃত্যু হয়।

চেনিচন্দ্ৰ কটকী শাস্ত্ৰী :

সাধাৰণ নিৰ্বাচন বিলাকত কংগ্ৰেছ প্ৰাৰ্থীৰ জয়লাভৰ নিশ্চিত শক্তি। জীৱনৰ বিয়লি বেলা লক্ষীমপুৰলৈ উঠি যায়।

জেকুৰা বড়া :

১৯২১ চনৰ অসহযোগ আন্দোলনৰ ভলন্টিয়াৰসকলৰ ভিতৰত জেকুৰা বড়া এজন ত্যাগী কৰ্মী আছিল। তেওঁ বামুণ পুখুৰী অঞ্চলৰ

চৰাইমুৰীয়াত জন্ম গ্ৰহণ কৰিছিল। ৬০ বছৰ বয়সত তেওঁ মৃত্যু বৰণ কৰে।

জগন্নাথ বৰুৱা :

'২১ চনৰ প্ৰসিদ্ধ মুক্তিযোদ্ধা ৰত্নেশ্বৰ বৰুৱাৰ পুত্ৰ। ১৯৪২ চনত ঘোষণা কৰা হাতীগড় মৌজা 'স্বাধীন ৰাষ্ট্ৰ'ৰ এজন মন্ত্ৰী।

টংকেশ্বৰ বৰুৱা :

ঢেকীয়াখোৱা, তিনচুকীয়া। ১৯২১ চনত ১ দিন ফাটেক খাটে।

টংকেশ্বৰ ভট্টাচাৰ্য্য :

ঢেকীয়াখোৱা। ১৯২১ চনৰ আন্দোলনৰ এজন কৰ্মী।

ডিম্বেশ্বৰ গোস্বামী :

কঠগাঁও, কাকজান, ১৯২১ চনৰ কৰ্মী।

ডিম্বেশ্বৰ বৰুৱা :

অসম প্ৰেছ, যোৰহাট।

ডিম্বেশ্বৰ বৰদলৈ :

যোৰহাট জিলাৰ টীয়ক জখলাবন্ধা অঞ্চলৰ ডিম্বেশ্বৰ বৰদলৈয়ে ১৯৩২ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি তিনিমাহ সশ্ৰম কাৰাবাস খাটে। তেওঁ এজন অত্যন্ত সাহসী মুক্তি-যুঁজাৰু আছিল। সাহসিকতাৰে লিডু কলিয়বীত কাম কৰি পৰি-চালকৰ পদ লাভ কৰিছিল। তেওঁ নিঃসন্তান আছিল। তেখেতৰ সহধৰ্মিনী কিৰণ বৰদলৈয়ে এতিয়াও সমাজৰ কাম কৰি আছে আৰু মুক্তি যোদ্ধাৰ পেঞ্চন পাইছে।

ডিম্বেশ্বৰ শইকীয়া :

যোৰহাট জিলাৰ শিমলুগুৰি মৌজাৰ বামুণপুখুৰী অঞ্চলৰ ডিম্বেশ্বৰ শইকীয়াই হাইস্কুলত পঢ়ি থাকোতেই মুক্তি সংগ্ৰামত ১৯৪২ চনত যোগদান কৰে। তেওঁ প্ৰায় দুবছৰ জেলত কাৰাবৰণ কৰে। জেলত থাকোতে ডিম্বেশ্বৰ শইকীয়াই বিভিন্ন শাৰীৰিক কৌশল আৰু মেজিক প্ৰদৰ্শন কৰি কাৰাগাৰৰ বন্দীসকলক আনন্দ দি আছিল। তেওঁ

সকলোৰে বৰ মৰমৰ আছিল বাবে তেওঁক সকলোৱে এটা উপনামেৰে 'চাকু' বুলি মাতিছিল। জেলৰ পৰা ওলাই আহি সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ডেকা কালতে আকস্মিক দুৰ্ঘটনাত তেওঁৰ মৃত্যু হয়।

তুলসী চন্দ্ৰ বৰদলৈ :

টীয়ক মৌজাৰ জগদুৱাৰ সোণাৰী গাঁৱত ১৮৯২ চনৰ জানুৱাৰী মাহত তুলসীচন্দ্ৰ বৰদলৈৰ জন্ম হয়। পিতৃ বৈদ্যনাথ বৰদলৈ আৰু মাতৃ সাদৰী বৰদলৈ। ১৯২১ চনৰ আন্দোলনৰ সক্ৰিয় সহযোগী আছিল। ১৯২৪ চনত নকছাৰী মৌজা, গাখীৰখোৱা লাহিং, হোলোদ্দাপাৰা, টীয়ক, শিমলুগুৰি, চাওখাট আৰু হাতীগড় এই আঠটা মৌজাৰ কংগ্ৰেছ কৰ্মীসকলে কাকজান কংগ্ৰেছ নাম দি এখন কংগ্ৰেছ সমিতি গঠন কৰিছিল। এই সমিতি গঠন কাৰ্যত বৰদলৈদেৱৰ বৰঙণি অশেষ। এই সমিতিৰ সভাপতি মহেশ্বৰ বৰকটকী আৰু সম্পাদক শশীধৰ মালীয়া বৰুৱা আছিল।

১৯৪২ চনৰ গণ বিপ্লৱত পিকেটিং কৰা অপৰাধত তেখেতৰ ৩ মাহ সশ্ৰম কাৰাদণ্ড হয়। গাঁও অঞ্চলত নানা গঠনমূলক কামত তেখেত লিপ্ত আছিল। আশে পাশে থকা গাঁও সমূহত আৰু নিজ গাঁৱত প্ৰাথমিক বিদ্যালয় স্থাপনত তেখেতৰ বৰঙণি অশেষ। ১৯৭৩ চনৰ মাৰ্চ মাহত তেখেতৰ মৃত্যু হয়।

তোষেশ্বৰ শৰ্মা :

শিমলুগুৰি মৌজা, বামুণপুখুৰী যোৰহাট। ১৯৪২ চনৰ মুক্তি সংগ্ৰামত হাইস্কুলৰ শিক্ষা বৰ্জন কৰি তোষেশ্বৰ শৰ্মাই আন্দোলনত জপিয়াই পৰে আৰু দুবছৰকাল যোৰহাট জেলত আটক হৈ থাকে। এই যুৱক কৰ্মীজন বৰ খুহুতীয়া আৰু ৰসিক আছিল। ৰসিকতাৰ কথা কৈ কাৰাগাৰৰ আন বন্দীসকলক আনন্দ দি আছিল। জেলৰ পৰা ওলাই আহি প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকতা কৰিছিল। কৰ্কট ৰোগত আক্ৰান্ত হৈ কেবাটিও নাবালক সন্তান আৰু পৰিবাৰক এৰি অকালতে মৃত্যু বৰণ কৰে।

তুলসী দেৱী : দলৈগাঁও।

তেহেৰ আলী বৰুৱা :

তিলাই হাজৰিকা :

হাতীগড় মৌজাৰ বালিচাপৰি নিবাসী হাজৰিকা ১৯২১ চনৰে পৰা কংগ্ৰেছ কৰ্মী। নিৰ্বাচনসমূহত কংগ্ৰেছৰ নিৰ্ভৰশীল আশ্ৰয়। অন্যান্য ৰ জহৰা কামত ব্ৰতী। বালিচাপৰি নামঘৰত অনুষ্ঠিত অবিচ্ছেদ্য পালনামৰ মৃত্যুৰ আগলৈকে সম্পাদক।

ত্ৰৈলোকেশ্বৰ শইকীয়া :

যোৰহাট জিলাৰ পুৰণা তিতাবৰ অঞ্চলত ১৯২৫ চনত শইকীয়াৰ জন্ম হয়। ছাত্ৰ অৱস্থাতে ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। মিলিটেৰীৰ খাদ্য সামগ্ৰী যোগানত বাধা দি পিকেটিং কৰাত পুলিচে গ্ৰেপ্তাৰ কৰি জেললৈ পঠায়। উল্লেখযোগ্য যে জ্যেষ্ঠ ভ্ৰাতৃ শ্ৰীযুত চন্দ্ৰেশ্বৰ শইকীয়া আৰু মাজুককায়েক শ্ৰীযুত ভুবনেশ্বৰ শই-কীয়াইও আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবাস খাটে।

শইকীয়াই কাৰাগাৰৰ পৰা ওলাই আহি শিক্ষা সাং কৰি ৰেলৱে বিভাগত চাকৰি কৰে। অৱসৰ পোৱাৰ পিছতে ৬২ বছৰ বয়সত ১৯৮৭ চনত মৃত্যু বৰণ কৰে।

থানেশ্বৰ লাহন :

আবাঙ্কৰা, ১৯২১ চনৰ এজন সক্ৰিয় কৰ্মী।

থানেশ্বৰ শৰ্মা :

দলেগাঁও। ১৯২১-৩০ চনলৈ আন্দোলনত যোগ দিয়ে।

থানেশ্বৰ শৰ্মা (পুজাৰী) :

হাতীগড়ৰ দ ব্ৰাহ্মণ গাঁৱৰ পুজাৰী থানেশ্বৰ শৰ্মা ১৯২১ চনতে গান্ধীভলন্টিয়াৰ হয়। আন্দোলন শাম কটাৰ পাছত তেওঁ পুজাৰী হৈ জীৱন নিৰ্বাহ কৰে নিৰ্বাচনসমূহত কংগ্ৰেছৰ নিৰ্ভৰযোগ্য আশ্ৰয়।

থিৰেশ্বৰ পাঠক :

হাতীগড় মৌজাৰ বালিচাপৰি নিবাসী পাঠকে মহাত্মাজীৰ গঠনমূলক কামৰ জৰিয়তে কংগ্ৰেছৰ সেৱা কৰে।

দয়াৰাম হাজৰিকা ঃ

ন-কছাৰী মৌজাৰ দয়াৰাম হাজৰিকাই ১৯২১ চনৰ পৰা আটাই-কেইটা আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰিছিল। ১৯৪০ চনত তেখেতৰ ঘৰৰ ওচৰৰ পুঠি নৈ শান্তি সেনা শিবিৰত সক্ৰিয়ভাৱে যোগদান কৰিছিল আৰু কংগ্ৰেছৰ কাম কৰি গাঁওবিলাকত ঘূৰিছিল। ন-কছাৰী মৌজাৰ অসহযোগ আৰু আইন অমান্য আন্দোলনত গোটেই মৌজাটোৰ ৰাইজক নেতৃত্ব দিছিল। ১৯৪২ চনৰ গণ আন্দোলনত পুলিচে তেখেতক আটক কৰি যোৰহাট জেলত ৰাখিছিল।

দীননাথ বড়া ঃ

টীয়ক দুলীয়া গাৱঁৰ দীন বড়া এজন অমায়িক আৰু গঠনমূলক কামৰ কংগ্ৰেছ কৰ্মী আছিল। তেওঁ মৌজা কংগ্ৰেছৰ নেতৃত্ব দিয়ে আৰু ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি সুদীৰ্ঘ কাল কাৰাবৰণ কৰে। জেলৰ পৰা ওলাই আহি গঠনমূলক কামত আত্মনিয়োগ কৰে। স্বাধীন চৰকাৰৰ পঞ্চায়ত সংগঠনত সম্পাদকৰ দায়িত্ব দক্ষতাৰে পালন কৰে। পৰিয়ালৰ ভৰণ পোষণৰ বাবে উত্তৰ লক্ষীমপুৰৰ নাৰায়ণপুৰলৈ উঠি যায় আৰু তাতে ৬৮ বছৰ বয়সত মৃত্যু বৰণ কৰে।

দেৰাজুদ্দিন আহমেদ ঃ

দাশিৰাম চুতীয়া ঃ

তিতাবৰ। আন্দোলনত ৬।৪।২২ত গ্ৰেপ্তাৰ হয়।

দেবেশ্বৰ শৰ্মা ঃ

নেহৰু পাৰ্ক। সহকৰ্মী হিচাপে ১৯২১, ৩০, ৩২, ৪২ চনৰ আন্দোলনত ফাটেক খাটে।

দণ্ডেশ্বৰ শইকীয়া ঃ

মুদৈজান ভৰলুৱা। ১৯২১ৰ পৰা ১৯৪২ চনৰ মুক্তি যুঁজাৰু।

দ্যুতিৰাম শৰ্মা ঃ

শৰ্মাই শতাধিক বছৰ পৰমায়ু ভোগ কৰিছিল। ১৯২২ চনত তিনিমাহ জেল হয়। এজন কংগ্ৰেছ সংগঠক আছিল। ১৯৩০

চনৰ ২৫ জানুৱাৰীৰ স্বাধীনতা পতাকা উত্তোলন আৰু আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ বহুগাঁওকে কেন্দ্ৰ কৰি গোটেই অঞ্চলৰ কংগ্ৰেছৰ ধৰণী স্বৰূপ আছিল। ১৯৪০ চনত তেখেতৰ মৃত্যু হয়।

দেৱেন্দ্ৰ চক্ৰবৰ্তী :

যোৰহাট নগৰৰ তৰাজানত ১৯০২ চনৰ ৭ আহিনত জন্ম। পিতৃ ৰাধানাথ আৰু মাথ জয়ন্তী চক্ৰবৰ্তী। ১৯২১ চনৰ আন্দোলনত কংগ্ৰেছত যোগদান। তেতিয়াৰ পৰা আজীৱন কংগ্ৰেছৰ একনিষ্ঠ সেৱক। পাৰিবাৰিক প্ৰতিকূল পৰিস্থিতিৰ মাজতো অবিচলিতভাৱে গঠনমূলক কামত ব্ৰতী।

চক্ৰবৰ্তী কবি, সাহিত্যিক, চিত্ৰশিল্পী, সংগীতজ্ঞ, নাট্যকাৰ আৰু অভিনেতা আছিল। ৬ খন পুথি জীৱনকালত প্ৰকাশ কৰে আৰু হাতেলিখা অৱস্থাত কেবাখনো এৰি যায়। তৰাজান মিলন মন্দিৰৰ প্ৰতিষ্ঠাতাসকলৰ চক্ৰৱৰ্তী অন্যতম। ৰক্ষণশীল পৰিয়ালৰ ব্যক্তি হৈও ১৯০৪ চনত হৰিজন আন্দোলনত যোগদান, দৰিদ্ৰতা চক্ৰ-বৰ্তীৰ জীৱনৰ লগৰী হোৱা সত্বেও আদৰ্শচ্যুত হোৱা নাছিল। সমাজত সততাৰ আহি ভাঙি ধৰি ১৯-৭-৬৫ তাৰিখে ৬৩ বছৰ বয়সতে মৃত্যুক আঁকোৱালি লয়।

দ্যুতিৰাম ভূঞা :

হাতীগড় মৌজাৰ অসয়ৰাৰীত ঘৰ। আজীৱন কংগ্ৰেছৰ সক্ৰিয় সভ্য। নিৰ্বাচন বিলাকত কংগ্ৰেছৰ শক্তিৰ উৎস।

দেওৰাম শৰ্মা :

দেওদিআটিত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰাৰ অপৰাধত যোৰহাট জেলত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰি ১৯৬৫ চনত তেখেতৰ মৃত্যু হয়।

বাগ্মীবৰ নীলমণি ফুকন :

নীলমণি ফুকনৰ জন্ম হৈছিল ১৮৮০ চনৰ ২২ জুন তাৰিখে ডিব্ৰুগড়ত। পিতৃ লম্বোদৰ ফুকন। ১৯০০ চনত ডিব্ৰুগড় হাইস্কুলৰ পৰা কৃতিত্ব সহকাৰে এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰি কলিকতালৈ গৈ

প্ৰেচিডেন্সি কলেজত নাম ভৰ্তি কৰে। এনেতে ১৯০৯ চনত গুৱাহাটীত কটন কলেজ স্থাপিত হোৱাত কলিকতাৰ পৰা উভতি আহি কটন কলেজতে নাম লগায়। ১৯০৭ চনত কোচবিহাৰৰ পৰা বি এ পাছ কৰাৰ পিছত আইনৰ ছাত্ৰ হ'ল যদিও আইনৰ উপাধি লাভ কৰা নহ'ল।

শিক্ষানীতি, সমাজনীতি, ৰাজনীতি, ধৰ্মনীতি, অৰ্থনীতি, সাহিত্য চৰ্চা প্ৰতিটো বিষয়তে তেখেতৰ গভীৰ অধ্যয়ন আৰু দখল আছিল। গুৱাহাটী ভগৱতী প্ৰসাদ বৰুৱা হলত ককাই 'মহাপুৰুষীয়া ধৰ্ম—ইয়াৰ অতীত, বৰ্তমান আৰু ভৱিষ্যত' সম্পৰ্কত ৫ ঘন্টা নেৰানেপেৰাকৈ বক্তৃতা দিছিল কাৰণেই তেখেতক বাগ্মীবৰ বুলি কোৱা হৈছিল। তেখেতে কৈছিল, "মোৰ গুৰু চাৰিজন—শঙ্কৰ, মাধৱ, গান্ধীজী আৰু বিনোবাজী।" ১৯২১ চনত ফুকনে সক্ৰিয় ৰাজনীতিত যোগ দিছিল। অসম কাউন্সিল আৰু অসম বিধান সভাত তেখেতে কেবাবাৰো সদস্য নিৰ্বাচিত হৈছিল।

পিতামহ ভীষ্মৰ দৰে ফুকনদেৱ চিৰ কোমাৰ্যব্ৰতী হলেও সন্যাসী নাছিল। বিশ্বৰ ল'ৰা-ছোৱালীবিলাকক নাতিপুতি জ্ঞান কৰিছিল। গোলাঘাটৰ 'মিতুৰ আশ্ৰম', লক্ষীমপুৰৰ 'মৈত্ৰী আশ্ৰম' তেখেতৰ একক প্ৰচেষ্টাৰ ফলশ্ৰুতি। 'মৈত্ৰী আশ্ৰমৰ' উদ্দেশ্য আছিল বিশ্ব মৈত্ৰী স্থাপন কৰা। তেখেত 'অসম মাদক দ্ৰব্য নিবাৰণ সমিতি, আৰু 'অসম সদাচাৰ সমিতি'ৰো সভাপতি আছিল।

দেশৰ প্ৰতি, বিশ্ব মানৱৰ প্ৰতি ফুকনে কৰা ত্যাগৰ স্বীকৃতি স্বৰূপে ভাৰত চৰকাৰে তেখেতক 'পদ্মশ্ৰী' উপাধি আৰু ৰাষ্ট্ৰীয় সাহিত্য একাডেমী পুৰস্কাৰ আগ বঢ়াইছিল। পদ্মশ্ৰী সন্মান তেখেতে গ্ৰহণ নকৰিলে। তেওঁ মুক্তি যুঁজাৰুৰ সন্মানৰ তাম্ৰপত্ৰ লাভ কৰিছিল আৰু গুৱাহাটী বিশ্ববিদ্যালয়ে ডি-লিট উপাধি প্ৰদান কৰিছিল। ফুকন বিশ্বধৰ্ম সমন্বয়ৰ প্ৰতীক আছিল। তেখেত এজন চিন্তাশীল লিখক, কবি আৰু বিশিষ্ট সাংবাদিক আছিল। তেখেতে একেৰাহে 'আলোচনী', 'বাতৰি', 'দৈনিক বাতৰি' আদি সংবাদ পত্ৰৰ আৰু 'ন-জোন' আলোচনীৰ সম্পাদক আছিল। তেখেতৰ কবিতাপুথি জ্যোতিকণা, মানসী, গুটিমালী, জিজিৰি আৰু সন্ধানী। গদ্যগ্ৰন্থ সাহিত্য কলা, জীয়াতীৰ্থ, চিন্তামণি আৰু মহাপুৰুষীয়া ধৰ্ম আদি। ৰচনাসমূহ

সতধাৰা, মৰ্মবাণী, জুঁইপাত, জগৎগুৰু শংকৰদেৱ, কীৰ্ত্তনত্ৰ জ্বৰণ ইত্যাদি।

নবীন গোস্বামী :

হাতীগড় মৌজাৰ ডিফলুৰ বত্নাকৰ সত্ৰৰ নবীন গোস্বামী প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰি ১৯৩৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পৰা কংগ্ৰেছ প্ৰাৰ্থীৰ কাৰণে অশেষ কষ্ট কৰি ৰাজহুৱা জীৱনৰ পৰা অৱসৰ নোলোৱাকৈয়ে জীৱন অতিবাহিত কৰে।

নাৰায়ণ চন্দ্ৰ ভৰালী :

গড়মূৰ সত্ৰত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনৰ গণ-আন্দোলনত যোগ দিয়াত ২ বছৰ কাল যোৰহাট জেলত সশ্ৰম কাৰাদণ্ড ভোগ কৰি ১৯৬৬ চনত মৃত্যু বৰণ কৰে।

প্ৰেমধৰ বৰুৱা :

খংগিয়া মৌজাৰ পকামূৰা অঞ্চলৰ এটা সম্ভ্ৰান্ত পৰিয়ালত বৰুৱাৰ জন্ম হয়। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দি চাং-হোৰা চাহবাগিছাৰ কৰ্মচাৰীৰ চাকৰি ত্যাগ কৰি স্বাধীনতা সংগ্ৰামত জপিয়াই পৰে। তেখেতৰ অনুপ্ৰেৰণাত ভতিজাক শ্ৰীসৰ্বেশ্বৰ বৰদলৈ আৰু ভায়েক নগেন্দ্ৰনাথ বৰুৱাই মুক্তি সংগ্ৰামত যোগ দিয়ে। তেখেত আছিল খদ্দৰৰ ধুতি-পাঞ্জাবী আৰু বগা পাগুৰীৰে এজন সম্ভাগুৱনী আৰু প্ৰভাৱশালী লোক। তেখেত জেললৈ যোৱা নাছিল যদিও ১৯৩০ চনৰে পৰা স্বাধীনতা আন্দোলনত যোগ্যতাৰে নেতৃত্ব দি আছিছিল। ১৯৩৪ চনৰ হৰিজন আন্দোলনত যোগ দিয়াৰ কাৰণে কেবাবছৰো সমাজচ্যুত হৈ আছিল।

পানীৰাম দুৱৰা :

তিতাবৰ মৌজাৰ পুৰণা তিতাবৰত পানীৰাম দুৱৰাৰ ঘৰ। '৪২ চনৰ গণ আন্দোলনত তেখেতে বহুদিন যোৰহাট জেলত আবদ্ধ হৈ আছিল। জেললৈ যোৱাৰ আগতেই তেখেতৰ বিয়া হৈছিল আৰু প্ৰথম সন্তানৰ জন্ম হৈছিল। তেখেতৰ ঘৰৰ সন্মুখতে তিতাবৰ কংগ্ৰেছৰ অফিচ আছিল। বৃদ্ধ অৱস্থা নাপাওঁতেই পানীৰাম দুৱৰাৰ মৃত্যু হয়।

গোৱাল চন্দ্ৰ শইকীয়া :

যোৰহাট জিলাৰ টীয়ক দুলীয়া গাঁৱত গোৱাল চন্দ্ৰ শইকীয়াৰ জন্ম হয়। তেখেত এজন আদৰ্শবান শিক্ষক আছিল। ১৯৪১ চনত আৰু তাৰ পিছতো সত্যাগ্ৰহ আন্দোলনত যোগ দিয়ে। ১৯৪২ চনৰ গণ আন্দোলনত সুদীৰ্ঘ কাল কাৰাবৰণ কৰে। তেখেতে ধৰ্মান্ধতা দূৰীকৰণৰ বাবে অস্পৃশ্যতা বৰ্জনত জোৰ দিছিল। মৃত্যুৰ সময়লৈকে সমাজ সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ৮০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

পুণ্যধৰ লাহন :

ন-কছাৰী মৌজাৰ কালিমৰা গাঁৱত তেখেতৰ ঘৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ন-কছাৰী মৌজাৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰা কম সংখ্যক কৰ্মীৰ মাজত তেখেত এজন। বহুদিন আগতেই তেখেতৰ মৃত্যু হয়।

পুনাৰাম চুতীয়া (গাঁওবুঢ়া) :

যোৰহাটৰ পূবে অৱস্থিত গাখীৰখোৱা মৌজাত ১৯২১ চনৰ আন্দোলনতে যিকেইজন পৰাশলীয়াই জীৱন ত্যাগ কৰি অংশ গ্ৰহণ কৰিছিল সেইসকলৰ ভিতৰত পুনাৰাম চুতীয়া অন্যতম। যোৰহাটৰ মাধ্যমিক বিদ্যালয়ৰ দশম শ্ৰেণীৰ পৰা আন্দোলনত জপিয়াই পৰিছিল। মটন৷ শইকীয়া বৰমেধি-তেওঁৰ সকলো কামতে সহচৰ আৰু সহযোগী আছিল। ১৯৩১ চনত তেওঁ বলমাত এখন 'জাতীয় হাইস্কুল' প্ৰতিষ্ঠা কৰে আৰু সেই স্কুলত কিছুদিন শিক্ষকতাও কৰে। চন্দ্ৰকমল বেজ-বৰুৱা তেওঁৰ প্ৰেৰণাদাতা আছিল। কৰ্কট ৰোগত আক্ৰান্ত হৈ ৬২ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

পূৰ্ণ গগৈ :

হাতীগড় মৌজাৰ লাদৈগড়ত ঘৰ। ১৯২১ চনতে অসহযোগ আন্দোলনত ভলণ্টিয়াৰ হৈ কংগ্ৰেছৰ জৰিয়তে ৰাইজৰ সেৱাত জীৱন অতিবাহিত কৰে।

পূৰ্ণকান্ত ৰাজকুমাৰ :

আজীৱন সক্ৰিয় সভ্য হৈ কংগ্ৰেছৰ সেৱাই জীৱনৰ ব্ৰত আছিল।

পীতাম্বৰ দেৱগোস্বামী :

জন্ম ১৮৮৫ চনৰ ১০ জুনত গড়মূৰ সত্ৰত। মাত্ৰ ৫ বছৰ বয়সতে তেওঁ সত্ৰাধিকাৰ হয়। ১৯১৪ত আনুষ্ঠানিক সত্ৰাধিকাৰ পদ গ্ৰহণ কৰে। ১৯২০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি গাঁৱত খাদী প্ৰচলন, মাদক দ্ৰব্য বৰ্জন, বিদেশী বস্ত্ৰ বৰ্জন অভিযান চলায়। ১৯২২ চনৰ ৩০ মাৰ্চত গোষ্ঠৰ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

পীতাম্বৰ দেৱ গোস্বামী এজন বিজ্ঞ সংস্কৃত পণ্ডিত আছিল। ১৯১৭ চনত শ্ৰীহট্টত অনুষ্ঠিত অসম সংস্কৃত বোৰ্ডৰ অধিবেশনত পৌৰোহিত্য কৰিছিল। শাস্ত্ৰীয় সংগীত, ব্যায়ামচৰ্চা, বিধি শিল্প কলা, কৃষি প্ৰণালী আৰু আনকি হাতী চিকাৰ, বাঘ চিকাৰ আদিতো গোস্বামীদেৱ পাৰ্গত আছিল। ধান, কুঁহিয়াৰ খেতি, হাতীৰ মহল, ম'হৰ বাথান আদি পতাত তেখেতৰ বিশেষ ৰাপ আছিল। সমবায় আন্দোলন, সমাজ সংস্কাৰ, সত্ৰ সংস্কাৰ বিবিধ পশুপক্ষী পালন, শিক্ষা বিস্তাৰ আদি সমাজ হিতকৰ বহুত কামত তেওঁ নিবিড়ভাৱে জড়িত আছিল। চাৰিসত্ৰীয়া মান মৰ্যাদা অটুট ৰাখি বৈষ্ণৱ আদৰ্শৰে তেখেতে হৰিজন মান আৰু সমাজৰ পিছপৰা লোকসকলক আঁকোৱালি লৈছিল। ১৯৩০ চনত গোলাঘাটত বহা কৈৱৰ্ত্ত সন্মিলনৰ তেখেত সভাপতি আছিল। ১৯৩২ চনত অসম ছাত্ৰ সন্থাৰ সপ্তদশ অধিবেশনত পৌৰোহিত্য কৰিছিল। মিচিংসকলৰ সভাত পৌৰোহিত্য কৰা, খ্ৰীষ্টান, মুছলমান আদি ধৰ্মলৈ ধৰ্মান্তৰিত হোৱা কিছুমান পুৰুষ মহিলাক দীক্ষিত কৰা, বিধবা বিবাহ প্ৰচলন কৰা, বাল্যবিবাহ বন্ধ কৰা আদি অনেক কাম গোস্বামীদেৱ কৰিছিল।

নাট্যাভিনয়, সাহিত্য চৰ্চা এই দুটা বিষয়ত মহাপুৰুষ দুজনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ গোস্বামীদেৱে উল্লেখযোগ্য বৰঙণি আগবঢ়াই থৈ গৈছে। তেখেত এজন নাট্যকাৰো আছিল। সত্ৰৰ চাৰিবেৰৰ ভিতৰৰ পৰা বঙালী নাটক আঁতৰাই তাৰ ঠাইত অসমীয়া নাটকেৰে পুৰোৱাৰ উদ্দেশ্যে গোস্বামীদেৱে নাট ৰচনা কৰি মঞ্চস্থ কৰিছিল। তেখেতৰ প্ৰকাশিত মূল গ্ৰন্থকেইখন হ'ল শ্ৰবণ-ভজন, ধৰ্ম শিক্ষা, সমাজ ৰক্ষা, অসমীয়া লক্ষ্মী উৰাল, ধৰ্মবাণী, শ্ৰীকৃষ্ণৰ মহা লীলা আদি। গোস্বামী দেৱে অসমীয়া জাতিৰ স্বাৰ্থৰ হকে ওৰে জীৱন যুঁজ কৰিছিল। দেশ

স্বাধীন হোৱাৰ পিছৰে পৰা পীতাম্বৰ দেৱগোস্বামী প্ৰসমৰু পৰ্বত-ভেন্নাম্বৰ অনুমত লোকসকলৰ উদ্ধৃত কৰাৰ প্ৰয়াস কৰিছিল। ১৯৬২ চনৰ কুৰি অক্টোবৰ তাৰিখে শনিবাৰে কৃষ্ণাষ্টমীত ব্ৰহ্ম মুহূৰ্ততে তেখেত স্বৰ্গগামী হয়।

পুৰ্বেশ্বৰী দলৈ :

যোৰহাট জিলাৰ টীয়ক মৌজাৰ এখন পিছপৰা গাঁৱত পুৰ্বেশ্বৰী দলৈৰ জন্ম হয়। ১৯৩৯ চনত সত্যাগ্ৰহ আন্দোলনৰ শান্তি সেনা গঠনত, মহিলা সংগঠনত আৰু খাদী প্ৰচলনত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ মুক্তি সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰি সেই চনৰে ৫ নৱেম্বৰত কেইবাহাজাৰো মহিলাৰ শোভাযাত্ৰা পৰিচালনা কৰি আগত জাতীয় পতাকা লৈ থানালৈ আগবাঢ়ি যাওঁতে পুলিচ, মিলিটেৰীৰ সন্মুখীন হয়। এই শোভাযাত্ৰা ভংগ কৰি দিবলৈ কেইবাগৰাকী মহিলাক পুলিচে আঘাত কৰে। সেইদিনাৰ পৰা ঘৰ-বাৰী এৰি হৰি নাৰায়ণ বৰুৱাৰ সান্নিধ্যলৈ আহি মহিলা সংগঠন শক্তিশালী কৰণত আত্ম-নিয়োগ কৰে। মহিলাসকলক লৈ টীয়কৰ পৰা গাঁৱৰ মাজেৰে খোজ-কাঢ়ি যোৰহাটলৈ আহি মহিলা সমিতিসমূহ গঠন কৰে। ১৯৪২ চনত পুলিচে পাইকাৰী জৰিমনা আদায় কৰিবলৈ যাওঁতে বাধা দিয়াত ঘৰৰ কঁহি-বাতি লৈ যায়। পুলিচ দাৰোগাক এনে হীন কাৰ্য কৰাত দলৈয়ে কটুবাক্য প্ৰয়োগ কৰে আৰু তেতিয়া তেওঁক মাৰিবলৈ উদ্যত হওঁতে মিলিটেৰী কমাণ্ডাৰে বাধা দিয়ে। এই পাইকাৰী জৰিমনা সংগ্ৰহত বাধা দান কৰা বাবে তেখেতৰ একমাত্ৰ পুত্ৰ প্ৰবেশিকা পৰীক্ষাৰ্থী শ্ৰীদেৱেশ্বৰ দলৈক গ্ৰেপ্তাৰ কৰি জেললৈ চালান দিয়ে। এই বিদুষী মহিলা মুক্তিযুঁজাৰুগৰাকীয়ে ১৯৮৩ চনৰ আহিন মাহত ৯০ বছৰ বয়সত মৃত্যু বৰণ কৰে।

ফাগু গোৱালা :

ফজলুৰ ৰহমান :

শ্ৰীহট্ট জেলৰ পৰা ৮।১২।২২ তাৰিখে মুক্তি পায়।

ফাতুৰা মুক্তিয়াৰ :

চেকীয়াখোৱা গাঁও। ১৯২১ চনৰ পৰা ১৯৩০ চনলৈ আন্দোলনত যোগ দিয়ে।

ফণিধৰ ফুকন (শৰ্মা) :

১।৬।২২ তাৰিখে গ্ৰেপ্তাৰ হয়। ৩।৯।২২ত ৪ মাহৰ বাবে কাৰাবাস হয়।

বজো চুতীয়া :

ঘৰ খংগিয়া মৌজাৰ টেকলা গাঁৱত। ১৯২১ চনত সেই অঞ্চলৰ যিকেইজন মুষ্টিমেয় মানুহে আন্দোলনত যোগ দিছিল সেইসকলৰ ভিতৰত বজো চুতীয়া অন্যতম। চাৰি কুৰি বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

বাসন্তী বৰদলৈ :

খংগীয়া মৌজাৰ পকামূৰত ঘৰ। ভাৰত ত্যাগ আন্দোলনত এখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পানীচকুৱাৰ পৰা সাতমাইল বাট শোভাযাত্ৰা কৰি কেইবাবাৰো যোৰহাটলৈ আহোতে পুলিচ আৰু মিলিটাৰীয়ে বাধা দিছিল। গাঁৱত ভাৰত ত্যাগ আন্দোলনৰ সভা সমিতি পাতি সংগঠন কৰিছিল। তেওঁৰ স্বামী সুদীৰ্ঘকাল জেলত থাকোতে মনবল অটুট ৰাখিছিল। ঘৰৰ দায়িত্ব লৈ ঘৰ চলাইছিল। যোৰহাট জিলা মহিলা সমিতিৰ তিনিবছৰ সম্পাদিকা আছিল আৰু অসম মহিলা সমিতি যোৰহাটত বহোতে অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদিকা আছিল। কেইবাখনো মহিলা সভাত সুখ্যাতিৰে সভানেত্ৰীৰ দায়িত্ব পালন কৰিছিল। চৰকাৰৰ ক্ষুদ্ৰ সঞ্চয় আঁচনিৰ এগৰাকী এজেন্ট আছিল। ১৮৮৫ চনৰ এপ্ৰিল মাহত ৬৪ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

বিশ্বনাথ বৰপূজাৰী :

যোৰহাট জিলাৰ টীয়ক ব্ৰাহ্মণ গাঁৱৰ বিশ্বনাথ বৰপূজাৰীয়ে ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰে। কটন কলেজৰ পৰা ওলাই আহি স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰে। যোৰহাটত তেওঁ এজন নেতৃস্থানীয় ব্যক্তি আছিল। যোৰহাট কংগ্ৰেছ কৰ্মীসকলৰ ওপৰত তেওঁৰ যথেষ্ট প্ৰভাৱ আছিল। প্ৰতিবাৰৰ স্বাধীনতা আন্দোলনত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু কাৰাগাৰলৈ নগৈ গাঁৱৰ গঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

বিষ্ণুৰাম বৰা :

চাওখাট মৌজাৰ কাঠগাঁৱত ১৯১৬ চনত জন্ম হয়। পিতৃৰ নাম যোগেশ্বৰ বৰা আৰু মাতৃ ভদ্ৰেশ্বৰী বৰা। ১৯৮১ চনৰ ১০ জানুৱাৰীত গুৱাহাটী নগৰীত বাছৰ খুন্দাত মৃত্যু হয়। আজীৱন বিপ্লবী, ছাত্ৰ নেতা বৰাৰ ১৯৩২ চনৰ আইন অমান্য আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড হয়। জগন্নাথ বৰুৱা মহাবিদ্যালয়ত পঢ়ি থাকোতে ১৯৩২ চনত কলেজ বৰ্জন কৰে। ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ এজন নেতৃস্থানীয় লোক আছিল। শ্ৰমিক কৃষকৰ উন্নয়ণৰ কাৰণে আজীৱন কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি কাম কৰিছিল।

বুধৰাম হাজৰিকা :

গুৱাহাটীৰ জাতীয় কংগ্ৰেছৰ অধিবেশনত তেওঁ ভলণ্টিয়াৰ আৰু ১৯২৩ চনলৈ কৰ্মী আছিল।

বিদ্যাধৰ শৰ্মা :

১৮৯৮ চনৰ ৯ আগষ্ট তাৰিখে যোৰহাটৰ তৰাজানত জন্ম গ্ৰহণ কৰি অতি কম বয়সতে পিতৃ-মাতৃক হেৰুৱাই বিদ্যাধৰ শৰ্মা ককাই-দেৰেক পণ্ডিত লক্ষ্মীনাথ শৰ্মাৰ তত্বাৱধানত ডাঙৰ-দীঘল হয়। ১৯২১ চনত মহাত্মা গান্ধীৰ আহ্বানত কলেজ ত্যাগ কৰি যি কেইজন ছাত্ৰ ওলাই আহিছিল আৰু অসহযোগ আন্দোলনত জপিয়াই পৰি কাৰাবৰণ কৰিছিল সেইসকলৰ ভিতৰত বিদ্যাধৰ শৰ্মা আছিল অন্যতম। ১৯২১ চনত তেখেতে স্নাতক মহলাৰ চতুৰ্থ বাৰ্ষিকৰ ছাত্ৰ আছিল। নাগপুৰত বহা নিখিল ভাৰত কংগ্ৰেছ আৰু নিখিল ভাৰত ছাত্ৰ সন্মিলনত আসাম বিলাসিনীৰ প্ৰতিনিধি আৰু কটন কলেজৰ প্ৰতিনিধি স্বৰূপে যোগ দিছিল।

শিক্ষা জীৱনৰ সিমানতে সাং কৰি কংগ্ৰেছৰ কামত তেওঁ জীৱন পাত কৰিলে। ভাৰত সেৱক সমাজৰ লগত তেওঁ নিবিড়ভাৱে জড়িত আছিল। কংগ্ৰেছৰ সাংগঠনিক কামত গাঁৱে গাঁৱে ঘূৰি কংগ্ৰেছৰ সেৱাত আত্মনিয়োগ কৰিছিল।

শৰ্মাৰ সাহিত্য সেৱা আৰু কবি প্ৰতিভা প্ৰণিধানযোগ্য। 'সংগ্ৰহ বৰ্জন' 'জিলিকণি', 'অগ্নিশিখা', 'মনোৰাম' তেওঁৰ প্ৰকাশিত পুথি আৰু বহুতো লেখা অপ্ৰকাশিত হৈ পৰি আছে। 'অগ্নিশিখা'ৰ কবিতা-

সমূহৰ অনুপ্ৰাস বৈশিষ্ট্যপূৰ্ণ। শৰ্মা এজন বিদ্যোৎসাহী পুৰুষ আছিল। তেওঁৰ চেষ্টাৰ ফলত যোৰহাটত দুখনকৈ হাইস্কুল প্ৰতিষ্ঠিত হয়। তেখেতে দুখীয়া ছাত্ৰক শিক্ষা আহৰণৰ ক্ষেত্ৰত সহায় কৰিছিল আৰু তেওঁ লোকৰ পথ প্ৰদৰ্শক আছিল। ১৯৫৬ চনৰ ৩ ডিচেম্বৰ তাৰিখে তামিলনাডুৰ ভেলোৰ হস্পিতালত শৰ্মাই শেষ নিশ্বাস ত্যাগ কৰে।

বেদনাথ বৰঠাকুৰ :

যোৰহাট জিলা কংগ্ৰেছ কমিটিৰ সম্পাদক আছিল। আন্দোলনত ২৩।৩।২২ তাৰিখে ৯ মাহ জেল হয়।

বাসন্তী মালিয়া বৰুৱা :

চেকীয়াখোৱা গাঁও। ১৯২১ চনৰ কংগ্ৰেছৰ ভলণ্টিয়াৰ আছিল।

বদন চন্দ্ৰ বৰুৱা :

মালেং, চৌখাট। ১৯২১-২২ত আন্দোলনত ভৰ্তি হয়।

বংশীধৰ বৰুৱা :

বেণুধৰ বাঘৰৰা :

বওহাৰ, চুক চুঙি। ১৯২১ চনত পিকেটিঙত অংশ গ্ৰহণ কৰে।

বদন চন্দ্ৰ বৰুৱা :

হাতগড়। ১৯২১ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে।

বালী দত্ত : বৰখেলিয়া গাঁও।

বচমতী দেৱী শৰ্মা : পাদ্মিমৰা, পোঃ অঃ চৌখাট।

বৈকুণ্ঠ নাথ গোস্বামী : বনগাঁও, কাকজান। ১৯২১ চনৰ কৰ্মী।

বগাৰাম পগৈ :

লুজানিয়া গাঁও, বাগানৰ চাকৰি এৰি ১৯২১ চনৰ আন্দোলনত যোগ দিয়ে।

ব্ৰাপিৰাম গোহাঁই :

মোহাঁটগাঁও, তিতাবৰ। ১৯২২ চনত ৩ মাহ জেল হয়। ৭।১০।২২ত মুক্তি পায়।

বিপিন চন্দ্ৰ বৰুৱা :

চাওখাট মৌজাৰ চেকীয়াখোৱা গাঁৱত দগাৰ চুকতে তেখেতৰ ১৯১৬ চনত জন্ম হয়। তেখেতৰ পিতৃৰ নাম প্ৰেমধৰ বৰুৱা আৰু মাতৃ ইন্দ্ৰানী বৰুৱা। ১৯৩০ চনৰ আন্দোলনত তেখেতে স্কুলত পঢ়ি থাকোতেই যোগ দিয়ে। ১।৩।৩০ তাৰিখে তেখেতক গ্ৰেপ্তাৰ কৰি নগাঁও জেলত থয় আৰু ৩০।৫।৩০ তাৰিখে মুক্তি পায়। '৪২ ৰ গণ বিপ্লৱত তেখেতে ডিব্ৰুগড়ত সক্ৰিয় সহযোগী আছিল। ১৯৭৮ চনত তেখেতৰ থকা ঘৰ, মাটি-বাৰী মেলেং গাঁও উন্নয়ন সমিতিক দান কৰে। বৰ্ত্তমান সেই মাটিতে বিপিন বৰুৱা সেৱাশ্ৰম, চেকীয়াখোৱা খাদী গ্ৰাম উদ্যোগ কেন্দ্ৰৰ কাম চলি আছে। তেখেত এজন নাট্য-শিল্পীও আছিল। ১৯৮৫ চনৰ ৪ জুলাইত ৬৯ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

বিপিন চন্দ্ৰ বৰুৱা :

উচ্চ পদস্থ চৰকাৰী চাকৰি পৰিত্যাগ কৰি যি কেইজন ব্যক্তিয়ে ১৯২১ চনত অসহযোগ আন্দোলনত জপিয়াই পৰি কাৰাবৰণ কৰিছিল সেই সকলৰ ভিতৰত বিপিন চন্দ্ৰ বৰুৱাও এজন। যোৰহাট ৰজা-মৈদামৰ খ্যাতনামা গোলাপ চন্দ্ৰ বৰুৱাৰ বৰপুত্ৰ বিপিন চন্দ্ৰ বৰুৱাৰ জন্ম ১৮৯৪ চনত। কলিকতাৰ বিপন কলেজৰ পৰা স্নাতক মহলাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ শিক্ষা বিভাগত সহকাৰী পৰিদৰ্শকৰ পদত নিযুক্তি পায়। মহাত্মাৰ আহ্বানত সেই চাকৰি ত্যাগ কৰি কংগ্ৰেছৰ সংগঠনৰ কামত ব্ৰতী হয়। কাৰাবাসত থাকোতেই ৰৰ আই ওলোৱাত মুক্তি পায়। কথমপি জীৱন ৰক্ষা পৰে। তাৰ পাছৰে পৰা কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰি জীৱিকাৰ কাৰণে শাক-পাচলিৰ কাৰবাৰ কৰি শ্ৰমৰ মৰ্যাদাৰ আদৰ্শ দাঙি ধৰে।

স্বাধীনতা সংগ্ৰামত আৰু স্বাধীন ব্যৱসায় উভয়তে মনোনিৱেশ কৰি ১৯২৯ চনত 'এচিয়াটিক প্ৰেছ' প্ৰতিষ্ঠা কৰে। ১৯৬০ চনৰ ভাষা আন্দোলনতো বৰুৱা এজন দুৰ্বাৰ গতিৰ নায়ক আছিল। বৰুৱাই সাহিত্য সেৱাত ব্ৰতী হৈ 'ভ্ৰমৰংগ', 'ভেনিচৰ সাউদ', 'ৰাণা প্ৰতাপ', 'ধ্ৰুৱ', 'প্ৰহলাদ' আদি নাটক আৰু শিশু সাহিত্য প্ৰকাশ কৰে। বৰুৱা এজন সফল অভিনেতাও আছিল। ১৯৬১ চনৰ বুদ্ধ পূৰ্ণিমাৰ দিনা সান্নিপাত ৰোগত তেখেতৰ মৃত্যু হয়।

বীৰেন শৰ্মা :

যোৰহাট জিলাৰ শিমলুগুৰি মৌজাৰ দ-গাঁৱৰ বীৰেন শৰ্মা নামে এজন চেমনীয়া যুৱক ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰে আৰু পুলিচে গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত ৰাখে। জেলৰ ভিতৰত তেওঁ সকলোৰে মৰমৰ আৰু আদৰৰ আছিল। জেলৰ পৰা মুক্তি লাভ কৰাৰ পিছত জীৱিকাৰ সন্ধানত তেওঁ বাহিৰলৈ যায় আৰু তাতেই মৃত্যুমুখত পৰে।

বুদুৰাম বাৰিক :

বুদুৰাম বাৰিকৰ ঘৰ ববহোলাৰ নেঘেৰি গাঁৱত। তেওঁ অঞ্চল-টোৰ এজন নেতৃস্থানীয় লোক আছিল। তেখেত জেললৈ যোৱা নাছিল যদিও স্বাধীনতা সংগ্ৰামৰ এজন সক্ৰিয় কৰ্মী আছিল। বাৰিক সমবায় আন্দোলনৰ এজন সক্ৰিয় কৰ্মীও আছিল।

বিমান পাচনি:

বামুণপুখুৰী, শিমলুগুৰি মৌজা। বিমান পাঁচনিয়ে ছাত্ৰ অৱস্থাতে দেশৰ মুক্তি সংগ্ৰামত যোগদান কৰি কাৰাবৰণ কৰে। স্বাধীনতাৰ আগৰ কেইবছৰ বিমান পাঁচনিয়ে স্থানীয় কংগ্ৰেছৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। স্বাধীনতাৰ পাছত তেওঁ যোৰহাট নগৰত থাকিবলৈ লয়। যোৰহাট জেলত থকা কালছোৱাত তেওঁ ইমান সক্ৰিয় আছিল যে সহকৰ্মীসকলে তেখেতক 'বন কুকুৰা' বুলি মাতিছিল। স্বাধীনোত্তৰ কালত তেখেত এজন লেখতলবলগীয়া সমালোচক আছিল। সমালোচনামূলক প্ৰবন্ধ কেইবাটাও ছপা হৈ প্ৰকাশ পাইছে। এই নিৰ্ভীক যুৱ নেতাজনে ৰক্তচাপ ৰোগত ভুগি অকালতে মৃত্যুবৰণ কৰে।

বংশীধৰ দত্ত :

খংগীয়া মৌজাৰ অজানা গাঁৱৰ চৌকটা গুৱৰ এজন উদীয়মান আৰু অক্লান্ত মুক্তিযোদ্ধা আছিল। ১৯৩৭ চনৰ প্ৰথম সাধাৰণ নিৰ্বা-চনত কংগ্ৰেছ প্ৰাৰ্থী শ্ৰীদেবেশ্বৰ শৰ্মাৰ পক্ষে দুৰ্বাৰ গতিত প্ৰচাৰ কাৰ্য চলাইছিল। তেওঁ এজন সুঠাম, সুশ্ৰী আৰু চালে চকুৰোৱা স্বাস্থ্যৰ যুৱক আছিল। নিৰ্বাচনৰ কঠোৰ পৰিশ্ৰমৰ পিছতে সান্নিপাত ৰোগত তেওঁৰ মৃত্যু হয়। স্থানীয় যুৱকসকলে তেওঁৰ স্মৃতিত পৰিয়ালৰ

লোকে প্ৰদান কৰা এখন ফুটবল খিল্ড প্ৰতিযোগিতা প্ৰতিবছৰে অনুষ্ঠিত কৰে।

বিমলা ভুঞা :

টীয়ক মৌজাৰ জগদুৱাৰ পাঁচনি গাঁৱত তেখেতৰ ১৮৮২ চনত জন্ম হয়। পিতৃ কণ্ডিৰাম কাকতী। চাওখাট মৌজাৰ তিনিকুৰীয়া গাঁৱৰ বাপুতি ভুঞাই তেখেতক বিয়া কৰাইছিল। ১৯৫২ চনৰ ২ অক্টোবৰত তেখেতৰ মৃত্যু হয়।

১৯৪২ চনৰ আৰম্ভণিতে চাওখাট মৌজাৰ ১০ খন গাঁৱৰ ভিতৰত এখন বিপ্লৱী মহিলা সমিতি গঠন কৰা হৈছিল। সেই সমিতিৰ সভানেত্ৰী আছিল বিমলা ভুঞা, সহ সভানেত্ৰী শ্ৰীযুতা টকেশ্বৰী বৰদলৈ আৰু সম্পাদিকা শ্ৰীযুতা ধনলতা ভুঞা (কাকতি) আছিল। '৪২ৰ ৫ অক্টোবৰত মহিলা দিবসত গোটেই দেশৰে কাছাৰী, থানা আৰু অফিচ বিল্ডিংত মহিলাসকলে জাতীয় পতাকা উত্তোলন কৰিবলৈ নিৰ্দেশ আছিল। চাওখুটা মৌজাৰ অধিনায়ক ভদ্ৰনাথ বৰদলৈয়ে এক অভিনয় উপায় উদ্ভাৱন কৰিলে যে মহিলাসকলে হাতত ফুলৰ মালা লৈ যাব আৰু পুলিচৰ বন্দুক আৰু লাঠিত 'জয় মহাত্মা গান্ধীৰ জয়' ধ্বনি কৰি পিন্ধাই দিব। গাঁৱৰে নামঘৰৰ মুখৰ পৰা গোটেই মৌজাৰ বছা বছা ২০ গৰাকী মহিলাই হাতত ফুলৰ মালা লৈ শোভাযাত্ৰা কৰি টীয়ক থানালৈ গ'ল। সভানেত্ৰীয়ে হাতত জাতীয় পতাকা লৈ গৈছিল। পতাকাখন ইনচাৰ্জে কাঢ়ি ললে। সকলোৱে জয়ধ্বনি কৰি পুলিচৰ লাঠি আৰু বন্দুকত মালা পিন্ধাই ঘূৰি আহিল। পুলিচে লাঠি চাৰ্জ কৰা দূৰত থাওক, বেয়া কথা এষাৰ পৰ্যন্ত কোৱা নাছিল। এয়ে অহিংস নীতিৰ আধ্যাত্মিক প্ৰভাব। তেখেত কেইবাবছৰো মৌজা মহিলা সমিতিৰ সভানেত্ৰী আছিল। সূতা কটাৰ প্ৰচাৰ কৰিছিল।

বকুল চন্দ্ৰ বৰদলৈ :

১৯২২ চনত জন্ম। ১৯৪৪ চন প্ৰবেশিকা, ১৯৫৫ চনত আই এ, আৰু ১৯৬৭ চনত স্নাতক হয়। জন্মস্থান যোৰহাটৰ নজাজি চেকিয়া ফুলিৰে তিতাবাম বৰদলৈ উচ্চ মাধ্যমিক বালিকা বিদ্যালয়ত শিক্ষকতা কৰি ১৯৮৪ চনত অৱসৰ লয়। ছাত্ৰাৱস্থাতে ১৯৪২ ৰ গণ আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰে। ১৯৭২ চনত তাম্ৰপত্ৰ

লাভ কৰে। আজীৱন সমাজসেৱী। অকালতে পত্নীবিয়োগ হয়। অৱশেষত ১৬।৭।৮৮ তাৰিখে মাত্ৰ ৬৭ বছৰ বয়সতে পৰলোকপ্ৰাপ্তি ঘটে। ৰৰদলৈৰ স্মৃতি বিজড়িত অনেক অনুষ্ঠানৰ জন্মদাতা।

বাপুৰাম বৰা :

হাঁতীগড় মৌজাৰ পাখিমৰা গাঁৱৰ ঘৰ। ১৯২১ চনত ৩ মাহ কাৰাদণ্ড হয়। মৃত্যুৰ আগমুহূৰ্তলৈকে তেওঁ সমাজৰ কাম কৰে। মহাত্মাজীৰ আশ্ৰমৰ আসিত তেওঁ নিতৌ একাদশব্ৰত, গীতাৰ স্থিতপ্ৰজ্ঞ লক্ষণ শ্লোক আবৃত্তি কৰি সৰ্বধৰ্ম প্ৰাৰ্থনা কৰিছিল। তেওঁ গাঁওবুঢ়া হৈও কংগ্ৰেছৰ কাম অবিৰতভাৱে কৰিছিল।

বগাৰাম কাকতি :

গড়মূৰ সত্ৰৰ এই উদীয়মান যুৱকজনে ১৯৪২ চনত ভাৰতীয় গণ আন্দোলনত অংশ গ্ৰহণ কৰি যোৰহাট জেলত ৬ মাহ কাল কাৰাদণ্ড ভোগ কৰে। ১৯৭৪ চনত অতি কম বয়সতে যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে।

ভৱচন্দ্ৰ বৰবৰুৱা : সোণাৰী গাঁও।

ভগৱতী দেৱী : দলৈ গাঁও।

ভাবিৰাম দত্ত : চাৰিয়াগাঁও।

ভুবন চন্দ্ৰ সন্দিকৈ :

পাখিমৰা। ১৯২১, ১৯৩০-৩২ চনৰ আন্দোলনত যোগ দিয়ে।

ভোগৰাম ফুকন :

বননিপিঠাগুৰি। ১৯২১ চনৰ আন্দোলনৰ মুক্তি যুঁজাৰু।

ভেবেলা শইকীয়া :

চেকিয়াখোঁৱা। ১৯৩২ চনৰ আন্দোলনত ৩ মাহ জেলৰ হয়।

ভুবন সোণোৱাল :

বৰহোলা, মেৰ্বৰিগাঁও। ১৯২১-৩০ আৰু '৩২ চনৰ আন্দোলনৰ কৰ্মী।

ভদ্ৰনাথ বৰুৱা :

হাতীগড় মৌজাৰ খাঁলিচানৰিত ঘৰ। বৰুৱা ছাত্ৰাৱস্থাৰেপৰা কংগ্ৰেছ কৰ্মী আছিল। প্ৰতি নিৰ্বাচনতে কংগ্ৰেছৰ লাটখুটা আছিল। '৪২ত হাতীগড় 'স্বাধীন ৰাষ্ট্ৰ'ৰ এজন কৰ্মী।

ভাৰত চন্দ্ৰ বৰা :

গড়মূৰ সত্ৰৰ ভাৰত চন্দ্ৰ বৰা ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰা অপৰাধত ২ বছৰ যোৰহাট জেলত সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৭৮ চনত তেখেতৰ মৃত্যু হয়।

ভোলাৰাম কাকতি :

গড়মূৰ সত্ৰত জন্মগ্ৰহণ কৰে। ১৯৪২ চনত তেখেতে গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৭৬ চনত তেখেতৰ মৃত্যু হয়।

মোহন চন্দ্ৰ মহন্ত

টীয়ক কমাৰ ফাটোৱাল গাঁৱৰ মোহনচন্দ্ৰ মহন্তই ছাত্ৰ অৱস্থাতে ১৯৪২ চনৰ গণ-আন্দোলনত অংশ গ্ৰহণ কৰি দীৰ্ঘদিন কাৰাবাস খাটে। জেলৰ ভিতৰত বৰগীত গাই আৰু ঘোষা কীৰ্ত্তন পাঠ কৰি বন্দী মুক্তি যুঁজাৰুসকলক আনন্দ দিছিল ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ আন্দোলনত যোগদান কৰে। তেওঁ অসম গড়কাপ্তানী মজদুৰ সংঘৰ বহুকাল ধৰি সাধাৰণ সম্পাদক আছিল। তেওঁ সমবায় আন্দোলনৰো এজন সক্ৰিয় কৰ্মী আছিল।

কৰ্মক্ষেত্ৰ বৃদ্ধি পোৱাৰ লগে লগে তেওঁ টীয়কৰ পৰা যোৰহাটত স্থায়ীভাৱে থাকিবলৈ লয়। যোৰহাট জিলা মুক্তি যুঁজাৰু সন্মিলনৰো কিছুকাল সম্পাদক আছিল। তেওঁ ৰাজনীতিত অংশ গ্ৰহণ কৰি বিধান সভালৈকে প্ৰতিদ্বন্দ্বিতা কৰিছিল। ১৯৮৫ চনত কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে।

মোহন চন্দ্ৰ বৰুৱা :

মোহনচন্দ্ৰ বৰুৱা টীয়কৰ সম্ভ্ৰান্ত খটীয়া বৰুৱা বংশৰ এজন মুক্তি যোদ্ধা। ১৯৪২ চনত ছাত্ৰাৱস্থাতেই কাৰাৰুদ্ধ হৈ যোৰহাট জেলত ভালেদিন থাকিবলগীয়া হয়। স্বাধীনতা লাভৰ পাছত শিক্ষকতা কৰি জীৱন নিৰ্বাহ কৰিছিল। কেইবাটিও নাবালক সন্তান আৰু পত্নীক এৰি তেওঁ অকালতে মৃত্যুবৰণ কৰে।

মহেশ্বৰ বৰকটকী :

১৮৯০ চনৰ জুন মাহত জন্ম। কটন কলেজৰ পৰা এফ এ পৰীক্ষাত উত্তীৰ্ণ হৈ নাজিৰা হাইস্কুলত শিক্ষকতা কৰি থাকোতে ১৯২১ চনৰ আন্দোলনত যোগদান কৰি ডেৰমাহ ফাটেক খাটে। ১৯২৪ চনত কানি নিবাৰণ কমিটিৰ সদস্য হয়। এই কামত কেইবাবাৰো গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৩৮ চনত যোৰহাটৰ হোলোঙা পাৰ মৌজাৰ পৰা লোকেল বোৰ্ডৰ সদস্য নিৰ্বাচিত হয়। ১৯৪০ চনত পীড়াকটা, নকচাৰী আৰু যোৰহাট নগৰত তিনিবাৰ সত্যাগ্ৰহ কৰি প্ৰতিবাৰতে এদিনকৈ ফাটেক খাটে। অত্যাধিক পৰিশ্ৰমত হাঁপানী ৰোগত আক্ৰান্ত হয়। ১৯৪২ চনত তেওঁ আটকবন্দী হয়। আহাৰ খাব নোৱাৰা অৱস্থাত তেওঁক বিনাচৰ্তে মুক্তি দিয়ে।

মুহিকান্ত শৰ্মা :

১৯২১ চনৰে কংগ্ৰেছ কৰ্মী। ঘৰ ক্ৰোক কৰি গোৰ্খা চিপাহীয়ে সকলো সম্পত্তিৰ লগতে যি টকা-পইচা আছিল তাকো লৈ যায়। দৰিদ্ৰতাৰ লগত সহ-অৱস্থান কৰি পতি-পত্নী উভয়ে পৰলোক হয়।

মাধৱ চন্দ্ৰ শইকীয়া :

মাজুলীৰ দেওদিআটী গাঁৱত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰাত ৬ মাহ যোৰহাট জেলত কাৰাদণ্ড ভোগ কৰে। ১৯৬২ চনত তেখেতৰ মৃত্যু হয়।

মানিক হাজৰিকা :

গড়মূৰ সত্ৰত ঘৰ। ১৯৪২ চনত দেশজুৰি হোৱা গণ-আন্দোলনত যোৰহাট জেলত ৬ মাহ কাৰাদণ্ড ভোগ কৰিব লগা হয়। ১৯৫২ চনত তেখেতৰ মৃত্যু হয়।

যোগানন্দ ভুঞা :

শিমলুগুৰি মৌজা, যোৰহাট বনাইৰ যোগানন্দ ভুঞা এজন উদীয়মান, স্বাস্থ্যবান, সভাশুৱনি যুৱক আছিল। ১৯৩৯ চনত বৰ্মা দেশৰ পৰা ভাৰতীয় ভগনীয়া সকলক শুশ্ৰূষাৰ কাৰণে ডিমাপুৰত খোলা শিবিৰত যোৰহাট জিলা কংগ্ৰেছৰ স্বেচ্ছাসেৱক হিচাপে কাম কৰে। ১৯৪০-৪১ চনত সত্যাগ্ৰহী আছিল। ১৯৪২ চনৰ পৰা ১৯৪৫ চনলৈকে যোৰহাট

জেলত মুক্তি সংগ্ৰামত সহযোগ কৰা বাবে কাৰাবৰণ কৰে। জেলৰ পৰা ওলাই আহি গঠনমূলক কামত আত্মনিয়োগ কৰে আৰু ১৯৫০-৬০ চনত পূব যোৰহাট আঞ্চলিক পঞ্চায়তৰ উপসভাপতি হিচাপে কাৰ্য-নিৰ্বাহ কৰে। ৰাজহুৱা কামত সম্পূৰ্ণৰূপে সহযোগ কৰি থাকোতেই কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে।

যজ্ঞেশ্বৰ বৰদলৈ :

যজ্ঞেশ্বৰ বৰদলৈ যোৰহাট লুককীহাটত ১৯০৪ চনৰ ৪ মাৰ্চত জন্ম গ্ৰহণ কৰে। পিতৃ গদাধৰ বৰদলৈ, মাতৃ ধনদা বৰদলৈ। তেখেত যোৰহাট বেজবৰুৱা স্কুলত প্ৰবেশিকা মহলালৈকে পঢ়ি জীৱিকা নিৰ্বাহৰ বাবে ডিব্ৰুগড়ৰ এখন চাহ বাগিচাত কেৰাণী চাকৰিত সোমায়। সেই সময়ত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলন অসমত বিয়পি পৰাত 'বৃটিছৰ তলত চাকৰি নকৰো' বুলি ঘৰলৈ ঘূৰি আহে আৰু অসহযোগ আন্দোলনত জপিয়াই পৰে।

চাৰিগাঁৱত স্বতন্ত্ৰ চৰকাৰ গঠন কৰি লক্ষেশ্বৰ বৰুৱাক ৰাষ্ট্ৰপতি, গোলাপ দত্ত, কৃষ্ণ দত্ত আৰু নিজেও মন্ত্ৰী পদ লৈ চাৰিগাঁওক স্বাধীন ৰাষ্ট্ৰ ঘোষণা কৰি পতাকা উত্তোলন কৰাৰ দিনা ৰাতি ঘৰ ঘেৰাও কৰি পুলিচে আটক কৰে আৰু যোৰহাট কাৰাগাৰত ২ বছৰ ৫ মাহ কাৰাবাস দিয়ে। কাৰাগাৰতে তেওঁ সৰ্বেশ্বৰ বৰদলৈ, গোপীনাথ বৰদলৈৰ লগত পৰিচিত হয়। কাৰাগাৰৰ পৰা ঘূৰি আহি সমাজ গঠনত তেওঁ মনোযোগ দিয়ে। মণ্ডল কংগ্ৰেছ কমিটিৰ সভাপতি আৰু সদস্যৰূপে থাকে। তেখেত এজন ধৰ্মপৰায়ণ আৰু সকলোৰে প্ৰিয়ভাজন আছিল। ১৯৮৫ চনৰ ৭ আগষ্টত পুৱা ৭-১৫ মিনিটত নিজ ঘৰ লুৰকী গাঁৱত ইহলীলা সম্বৰণ কৰে।

যোগেশ্বৰ বৰকোচ : মইনাপৰীয়া।

যোগধৰ বৰা : ১৯২২ চনত গ্ৰেপ্তাৰ হয়।

ৰূপেশ্বৰ পাঠক :

বৰহোলা অঞ্চলৰ ৰূপেশ্বৰ পাঠক এজন নেতা আছিল। বৰহোলা অঞ্চলত নগাসকলে বাইজৰ মাজত উৎপীড়ন চলোৱাৰ প্ৰতিবাদকল্পে ৰূপেশ্বৰ পাঠকে এটা লাঠিয়াল যুৱকৰ দল সংগঠন কৰে। এই

যুৱকসকলক উপযুক্তভাৱে লাঠি ব্যৱহাৰ কৰিবলৈ এজন উপযুক্ত প্ৰশিক্ষকৰ হতুৱাই প্ৰশিক্ষণ দিয়া হৈছিল। দক্ষিণ হেঙেৰা হাটলৈ সক কিনিবলৈ বহুত নগা লোকৰ সমাগম হৈছিল। এই প্ৰশিক্ষণ-প্ৰাপ্ত যুৱকসকল ৰাগেশ্বৰ পাঠকৰ নেতৃত্বত এখন বাহুত সৈ দক্ষিণ হেঙেৰা হাটত নগাসকলক আক্ৰমণ কৰে। গোলাঘাটৰ পুলিচে বাহুত থকা সকলো কৰ্মীকে গ্ৰেপ্তাৰ কৰি গোলাঘাট জেলত সুমুৱাই থয়। পাঠকে সকলো যুৱকক নাখাবলৈ অনুমতি দি “ ৰাজৰ দলত মই একো নাখাওঁ” বুলি তিনিদিন অনশন কৰি থকাৰ পিছত গোলাঘাট জেলৰ পৰা সকলোকে মুক্তি দিয়ে। তাৰ পিছৰ পৰাই ৰৰহোলা অঞ্চলত নগাৰ উৎপাত নাইকিয়া হয়।

পাঠকে মাৰয়নি হাইস্কুল, মৰিয়নি কলেজ আৰু কেইটামান জলসিঞ্চন প্ৰকল্পত উদাৰ মনেৰে আৰু মুক্তহস্তেৰে দান ৰৰঙণি আগবঢ়ায়। তেখেতৰ বৃদ্ধ বয়সত স্থানীয় ৰাইজে তেখেতক জাক-জমকেৰে শোভাযাত্ৰা কৰি আনি ৰৰহোলা হাইস্কুল প্ৰাংগণত এখন বিৰাট ৰাজহুৱা সভা পাতি সম্বৰ্দ্ধনা জনায়। ৮৫ বছৰ বয়সত ১৯৮৫ চনত তেখেতৰ মৃত্যু হয়।

বোমেশ্বৰ বাজখোৱা :

শিমলুগুৰি মৌজা যোৰহাট ভগামুখ চাৰিঙিয়া গাঁৱত ঘৰ। বোমেশ্বৰ বাজখোৱা যোৰহাট জিলাৰ এজন প্ৰবীণ কংগ্ৰেছ কৰ্মী আছিল। শিমলুগুৰি মৌজাত তেখেত এজন সামাজিক নেতা হিচাপে জনাজাত। বাজখোৱাই ৪০-৪১ চনত সত্যাগ্ৰহ আন্দোলনত যোগ দিয়ে আৰু ১৯৪২ চনত মুক্তি আন্দোলনত এজন বিপ্লৱী বীৰ হিচাপে গণ্য হয়। তেওঁৰ নেতৃত্বত মুক্তি আন্দোলনে চূড়ান্ত ৰূপ লয় আৰু শেষত পুলিচৰ হাতত বন্দী হৈ প্ৰায় আঢ়ৈ বছৰ কাল কাৰাবৰণ কৰে। জেলৰপৰা ওলাই অহাৰ পিছত তেখেতে স্থানীয় উন্নয়নমূলক কামত আত্মনিয়োগ কৰে। ৭৮ বছৰ বয়সত বাৰ্দ্ধক্যজনিত কাৰণত তেখেতৰ মৃত্যু হয়।

বোমেশ্বৰ বৰুৱা :

টীয়ক মকৰা গাঁৱৰ বোমেশ্বৰ বৰুৱা এজন নীৰৱ কংগ্ৰেছ কৰ্মী আছিল। ১৯৪২ চনৰ গণ-আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি

কাৰাবৰণ কৰে। এই সৰবৰহী কৰ্মীজনে জীৱিকা নিৰ্বাহৰ কাৰণে সামান্য কাৰবাৰ কৰি চলিছিল আৰু গাঁৱেদেশ্বেই সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ৬৯. বছৰ বয়সতে এই নীৰৱ কৰ্মীজনে মৃত্যু বৰণ কৰে।

ৰামেশ্বৰ ভট্টাচাৰ্য্য :

ঘৰ জাঁজীৰ চুড়ামণি হাঁহচৰাত। জন্ম ১৯০১। পিতৃ খৰ্গেশ্বৰ ভট্টাচাৰ্য। প্ৰথম বিভাগত ক্ৰমে মেট্ৰিকুলেচন আৰু আই এচ-ছি পাছ কৰি কটন কলেজত তৃতীয় বাৰ্ষিকত পঢ়ি থাকোতে ১৯২০ চনত স্বাধীনতা আন্দোলনতত কলেজ এৰি আন্দোলনত জপিয়াই পৰে আৰু স্বাধীনতা লাভ নোহোৱালৈকে মুক্তি সংগ্ৰামত লাগি থাকে। প্ৰথমে কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ সান্নিধ্যত থাকি নামনি অসমত আৰু পিছত নিজ ঘৰলৈ আহি আন্দোলনৰ কামত ব্ৰতী হয়। উজনি অসমত আন্দোলনৰ উদ্দেশ্যে সংগঠন কৰাত আৰু বিশেষকৈ বামুণ-পুখুৰী অঞ্চলত প্ৰবল আন্দোলন গঢ়ি তোলাৰ লগতে গাঁৱে গাঁৱে কানি বৰবিহ বৰ্জনৰ অভিযানত বিশেষ ভূমিকা লয়। ১৯২০ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হয় আৰু পুলিচ-মিলিটাৰীয়ে গৈ ঘৰ খানা-তালাচ কৰি সোণৰ অলংকাৰ (এতিয়াৰ দামত ২৫।৩০ হাজাৰ মান টকা হ'ব) লৈ আহে আৰু বলেৰে নগদ ৫০ টকা জৰিমনা আদায় কৰে। আন্দোলন শেষ হওঁতে পুনৰ গ্ৰেপ্তাৰ কৰি তিনিমাহমান কাছাৰীলৈ অহা-যোৱা কৰাই গোচৰৰ পৰা মুক্তি দিয়ে। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ লৈ গড়মূৰৰ সত্ৰাধিকাৰ শ্ৰীশ্ৰীপিতাম্বৰ দেৱগোস্বামীক আন্দোলনত জড়িত কৰি নতুন গতিবেগ সঞ্চাৰ কৰাত আগভাগ লয়। সেই আন্দোলনত ভট্টাচাৰ্যৰ দুমাহ জেল হয়। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্ৰহলৈও তেখেত আগবাঢ়ি আহিছিল। কিন্তু পাল পৰাৰ আগতে সত্যাগ্ৰহ প্ৰত্যাহাৰ হয়। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয়ভাৱে যোগ দিয়াত সেই চনৰ ১ নবেম্বৰত গ্ৰেপ্তাৰ হয় আৰু ছাব্বিশ মাহ (১৯৪২-৪৫) জেলত আটকবন্দী হৈ থাকে।

ৰামচন্দ্ৰ সোণোৱাল :

আমগুৰি খৰিকটীয়া মৌজাৰ সেই সময়ত অতি পিছপৰা অঞ্চল ৰৰাহোজাৰ নেমেৰি গাঁৱত ৰামচন্দ্ৰ সোণোৱালৰ ঘৰ। স্বাধীনতা

আন্দোলনৰ এজন অতি নিষ্ঠাবান আৰু সক্ৰিয় কৰ্মী আছিল। তেখেতে বৰহোলা অঞ্চলত এখন আশ্ৰম স্থাপন কৰিছিল। কিন্তু বৰহোলা অঞ্চলত স্বাধীনতা সংগ্ৰামত প্ৰথমে কাম কৰা কৰ্মী হিচাপে তেখেতৰ নাম এতিয়াও সকলোৱে জানে।

ৰত্নেশ্বৰ শইকীয়া :

তিতাবৰ মৌজাৰ তিতাবৰ অঞ্চলত ধোদৰ আলিৰ কাষত ৰত্নেশ্বৰ শইকীয়াৰ ঘৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত তেওঁ সক্ৰিয়-ভাৱে কাম কৰিছিল আৰু পুলিচে গ্ৰেপ্তাৰ কৰিছিল। ১৯৩০-৩২ চনৰ আন্দোলনতো শইকীয়াই যোগদান কৰিছিল। তিতাবৰ অঞ্চলত কংগ্ৰেছৰ কাম কৰিবলৈ গলে কৰ্মীসকলে তেখেতৰ ঘৰতে আশ্ৰয় লৈছিল।

ৰজনী কটকী :

যোৰহাট জিলাৰ শিমলুগুৰি মৌজাৰ লাহোৱাল গাঁৱৰ ৰজনী কটকী ১৯৪০ চনত সত্যাগ্ৰহ প্ৰশিক্ষণ কেন্দ্ৰত ন-কছাৰী মৌজাৰ পুথিনৈৰ কেম্পত স্বেচ্ছাসেৱক হিচাপে যোগদান কৰিছিল। সমাজকৰ্মী হিচাপে তেওঁ গাঁৱত সংগঠনৰ কাম কৰি ফুৰিছিল। আনকি মৃত্যুৰ আগলৈকে গাঁৱৰ মাজত কেম্পৰ সংগঠনৰ যোগেদি বক্তৃতা দি ফুৰিছিল। প্ৰশিক্ষণ শিবিৰত তেওঁৰ অসুখ বেছি হোৱা কাৰণে তেওঁৰ আত্মীয় এজনৰ ঘৰলৈ স্থানান্তৰ কৰা হয় যদিও সান্নিপাত ৰোগত তেওঁৰ অকালতে মৃত্যু হয়।

ৰত্নেশ্বৰ শৰ্মা :

ৰত্নেশ্বৰ শৰ্মা আৰু ইন্দ্ৰেশ্বৰ বৰমেধি যদিও দুঘৰৰ দুজন, বাস্তৱ ক্ষেত্ৰত সহোদৰ ভাই-ককাইৰ দৰে। ইজন আনজনৰ পৰিপূৰক। সেই কাৰণে দুয়োজনৰ স্মৃতি স্বাধীনতা আন্দোলনৰ দিনতে নহয় স্বাধীনোত্তৰ কালতো যুগ্মভাৱে উচ্চাৰিত হয়। দুয়োজনৰে ঘৰ যোৰহাটৰ দক্ষিণ পশ্চিম ফালে অৱস্থিত চুণী অঞ্চলৰ ঠেঙাল মৌজাত। শৰ্মাৰ ঘৰমলীয়া গাঁৱত আৰু বৰমেধিৰ ঘৰ তামোলবাৰী গাঁৱত। দুয়ো ঘৰৰে ব্যৱধান পোন বাটেদি এক কিলোমিটাৰ। বয়সত দুয়ো-জন সমসাময়িক। জন্মৰ সঠিক তাৰিখ জনা নাযায় যদিও ১৯২১ চনত উভয়ৰে বয়স দুকুৰিৰ ওপৰ আছিল। পাৰ্থক্য এটা দিশতে

আছিল---শৰ্মা দুখীয়া কংগ্ৰেছ কৰ্মী, বৰমেধি আউনিআটী সত্ৰৰ ঠেঙাল চহৰৰ বৰমেধি। মধ্যম অৱস্থাৰ নামজ্বলা সত্ৰৰ ডাঙৰ বিষয়া পোৱা প্ৰতাপী লোক। বৰমেধিক কংগ্ৰেছলৈ অনাটো শৰ্মাৰ কৃতিত্ব। উভয়ৰে অপ্ৰাণ চেষ্টাত সমগ্ৰ ঠেঙাল মৌজাৰ লোকে কংগ্ৰেছত যোগ দিলে। শৰ্মাই ১৯২০ চনত কংগ্ৰেছত যোগ দি ১৯২১ চনত কাৰাৰুদ্ধ হ'ল। তেতিয়াৰ পৰাই মূৰত গান্ধীটুপী আৰু হাতে কটা সূতাৰ খাদী কাপোৰ পিন্ধি তেওঁৰ চিৰ লগৰী চাইকেলখনেৰে কংগ্ৰেছৰ সংগঠনৰ কাম কৰিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত যোৰহাটৰ বিষ্ণুৰাম বৰুৱা হলৰ সন্মুখত জাতীয় পতাকা উত্তোলন কৰিবলৈ অহা মুষ্টিমেয় কংগ্ৰেছ কৰ্মীৰ ভিতৰত তেওঁ এজন আছিল।

শৰ্মা আৰু বৰমেধি দুয়োজনেই কংগ্ৰেছৰ বিৰাট শক্তি আছিল। এই দুজন পুৰুষৰ আপ্ৰাণ ঐকান্তিক প্ৰচেষ্টাত চুবীত প্ৰতি বছৰে একোখন স্বৰাজ মেলা পয়োভৰেৰে অনুষ্ঠিত হৈছিল। এই মেলাত মুকলি অধিবেশন, মহিলা সমিতি, যুৱক সন্মিলন আদি পৃথকে পৃথকে হৈছিল আৰু ৰাতিলৈ জাক-জমকভাৱে ভাওনা পাতিছিল। এই স্বৰাজ মেলা ইমান ডাঙৰকৈ পাতিছিল যে ইয়াৰ পয়োভৰ আৰু সমাৰোহ দেখি পানবাৰী মৌজাৰ ইংৰাজ মেনেজাৰজনেও যোগ দিছিল। আনকি তেওঁ সা-সঁজুলি আৰু টকা-পইচাৰেও সহায় কৰিছিল। সেই সময়ত যোৰহাট কংগ্ৰেছৰ আটাইতকৈ শক্তিশালী কৰ্মীৰ দল ঠেঙালতে আছিল। ১৯৩০ চনৰ আন্দোলনত চুবীৰ কংগ্ৰেছ ডাঙৰ শক্তি আছিল।

ৰত্নধৰ বৰদলৈ ঃ

যোৰহাট জিলাৰ চাওখাট মৌজাৰ কাকজান সোণাৰী গাঁৱত ৰত্নধৰ বৰদলৈৰ ১৯২০ চনত জন্ম হয়। ১৯৪০ চনতে পঢ়া শেষ কৰি কংগ্ৰেছৰ সক্ৰিয় সভ্য হয় আৰু গোটেই মৌজাতে কংগ্ৰেছৰ সহ সম্পাদক হিচাপে শান্তিসেনা বাহিনী গঠনত আত্মনিয়োগ কৰে।

১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি স্বেচ্ছাসেৱক প্ৰশিক্ষণ শিবিৰ পৰিচালনা কৰি কেইবাবাৰো পুলিচৰ সন্মুখীন হয়। আত্মগোপন কৰি এই বিপ্লৱী যুৱকে এক আলোড়নৰ সৃষ্টি কৰে আৰু গাঁৱে-ভূঞে আন্দোলন শক্তিশালী কৰি তোলাত অৰিহণা

যোগায়। ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ পিছত স্বাধীন ব্যৱসায় কৰি গাঁৱৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৮৯২ চনত ৬২ বছৰ বয়সত মৃত্যু বৰণ কৰে।'

ৰত্নেশ্বৰ বৰুৱা :

বিখ্যাত চাহ খেতিয়ক ৰোমেশ্বৰ বৰুৱাৰ নাতি আৰু জীৱেশ্বৰ বৰুৱাৰ পুতেক হৈও ১৯২১ চনৰ আন্দোলনত জপিয়াই পৰে। পূৰ্বৰ ঘৰ হাতীগড় পূজাৰী চুকত, এতিয়া লাদৈগড় বৰগুৰিত। দুৰ্দান্ত সাহিসিকতাৰে তেওঁ ইংৰাজ চাহ মালিকৰ মেলেংহাট ভাঙি নতুন হাট পতা, মেলেঙত প্ৰকাণ্ড স্বৰাজ-সবাহ ভাৱনা পতা, পঞ্চায়ত পাতি গোচৰ আদি নিষ্পত্তি কৰি কাছাৰীলৈ যোৱা বন্ধ কৰা, মেলেং কানি-ভাণ্ডৰ মহলত পিকেটিং কৰা আনকি ১৯২২ চনতে খাজনা বন্ধ আন্দোলনৰ নেতৃত্ব বহন কৰে। সেলেং বৰগুৰিত থকা তেওঁৰ দোকান গোৰ্খা চিপাহীয়ে ক্ৰোক কৰি টকাৰ বাকচ পৰ্যন্ত লৈ যায়। বৰুৱাৰ পত্নী মোহিনী দেৱীয়েও কংগ্ৰেছত যোগ দি সংগঠন আৰু সূতা কটা ব্যাপক কৰাত সহায় কৰিছিল। বৰুৱাৰ নুমলীয়া পুতেক দেৱেশ্বৰ বৰুৱা ১৯৪২ ৰ আন্দোলনত কাৰাবাস খাটি তাম্ৰপত্ৰ লাভ কৰে।

ৰাধানাথ বৰুৱা আৰু শিৱনাথ বৰুৱা :

এই বৰুৱাদ্বয় সহোদৰ। উভয়ে শিক্ষকতা কৰিছিল। ১৯২১ চনত দুয়ো চাকৰি এৰি আন্দোলনত লাগে। বিষ্ণুপ্ৰসাদ বৰুৱাই খোলা লাহিঙৰ উইভিং কাৰখানাত দুয়ো কাম কৰে। বহু বছৰৰ পাছত দুয়ো শিক্ষকতাৰ পদ পুনৰ পাই সামাজিক কাম আৰু শিক্ষ-কতা দুয়োটাকে নিষ্ঠাৰে পালন কৰে।

ৰোহিত চন্দ্ৰ বৰদলৈ :

টীয়ক মৌজাৰ জগদুৱাৰ সোণাৰী গাঁৱত তেখেতে ১৯১৭ চনৰ অক্টোবৰ মাহত জন্ম গ্ৰহণ কৰে। পিতৃ বৈদ্যনাথ বৰদলৈ, মাতৃ সুমিত্ৰা বৰদলৈ। ১৯৩২ চনৰ আন্দোলনত অষ্টম মান শ্ৰেণীত পঢ়ি থাকোতেই স্কুল বৰ্জন কৰে আৰু জীৱনৰ কাৰণে শিক্ষা সাং হয়। ১৯৩২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰে। যোৰহাট নগৰত

পিকেটিং কৰোতে কেইবাবাৰো পুলিচে গ্ৰেপ্তাৰ কৰি নি মৰিয়নি হাবিৰ মাজত এৰিছিল। জগদুৱাৰ ৰাস্তাৰ কাঠৰ দলং জ্বলোৱা অপৰাধত তেখেতক ঘৰৰ পৰা পুলিচে গ্ৰেপ্তাৰ কৰি নি ১।১২।৪২ তাৰিখে জেলত আটক বন্দীৰূপে ৰাখিছিল। ২৪।২।৪৩ তাৰিখত জেলত হোৱা লাঠি চালনাত তেখেতৰ মূৰত লাঠিৰ কোব পৰিছিল আৰু আজীৱন ঘূৰ্ণীয়া হৈ ৰৈছিল। ১৯৭৭ চনৰ ১২ নবেম্বৰত তেখেতৰ মৃত্যু হয়।

লীলাকান্ত বৰা :

তিনিকি আম। পঢ়া বাদ দি আন্দোলনত লাগে।

লক্ষীধৰ নেওগ :

খংগীয়া মৌজাৰ পানীচকুৱা গাঁৱৰ এওঁ এজন নেতৃস্থানীয় লোক আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯২২ চনত পশ্চিম যোৰহাটৰ আজান গাঁৱৰ পথাৰত এদিনীয়া বিৰাট স্বৰাজ মেলা তেখেতে আয়োজন কৰিছিল।

ললিতচন্দ্ৰ বুঢ়াগোহাঁই :

স্কুল ত্যাগ কৰি কংগ্ৰেছত যোগ দি ১৯২১ চনতে ৩ মাহ কাৰাবাস খাটে। হাতীগড় ডাঙৰীয়া টোলৰ ঘৰ আৰু আন আন আন্দোলনকাৰীৰ ঘৰ ক্ৰোক কৰি বস্তু-বাহানি বুঢ়াগোহাঁইৰ কান্ধত সাঙী-ভাৰ দি নিয়া হয়। গোলাঘাটৰ কোনো ঠাইলৈ স্থানান্তৰ হৈ তাতেই মৃত্যু হয়।

শৰৎ সন্দিকৈ :

হাতীগড় মৌজাৰ ভিতৰতে এখেতসকল স্বচ্ছল অৱস্থাৰ পৰিয়াল আছিল। কংগ্ৰেছ সেৱকসকলক খুৱাই-বোৱাই পৰিচৰ্য্যা কৰি অসীম তৃপ্তি আৰু সন্তুষ্টি লাভ কৰিছিল। আতিথ্যকে কংগ্ৰেছৰ সেৱা জ্ঞান কৰি জীৱন কটালে।

শিৱকান্ত ভট্টাচাৰ্য্য : অসম প্ৰেছ, যোৰহাট।

শশীপ্ৰভা দত্ত ঃ

ৰজামৈদাম। ১৯২১ চনৰ আন্দোলনত যোগ দি পুলিচৰ লাঠিৰ আঘাতত জখম হয়।

শিৱচন্দ্ৰ গোস্বামী ঃ

কাৰচুং সত্ৰ, ৰতনপুৰ, নগাঁও। ১৯২১ চনৰ কৰ্মী।

শশীধৰ শৰ্মা ঃ

চিলেট জেলৰ পৰা ৫।১২।২২ চনত মুক্তি লাভ।

শিৱৰাম বড়া ঃ

ঘৰ বামুণ পুখুৰীত। শিৱৰাম বড়া শিমলুগুড়ি মৌজাৰ এজন প্ৰধান কংগ্ৰেছ কৰ্মী আছিল। ১৯৩২ চনৰ পৰাই স্বাধীনতা আন্দোলনত যোগদান কৰে আৰু মৌজা কংগ্ৰেছৰ বহু বছৰ সম্পাদকৰ দায়িত্ব পালন কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সুদীৰ্ঘ কাল কাৰাবৰণ কৰে। মৃত্যুৰ আগ মুহূৰ্তলৈকে তেখেত পঞ্চায়ত সংগঠনৰ এজন সক্ৰিয় কৰ্মী আছিল আৰু সম্পাদকৰ দায়িত্ব বহন কৰি বহুত উন্নয়নমূলক কাম কৰি থৈ যায়। ২৪-২-৪৩ চনত যোৰহাট জেলৰ লাঠি চাৰ্জত বড়া জীৱনলৈ ঘৃণীয়া হয়।

শশীধৰ মালিয়া বৰুৱা ঃ

চাওখাট মৌজাৰ ঢেকিয়াখোৱা গাঁৱত শশীধৰ মালিয়া বৰুৱা ১৯০১ চনৰ নবেম্বৰ মাহত জন্ম গ্ৰহণ কৰে। পিতৃ ৰামচৰণ মালিয়া এজন সাধু, সন্ত, বৈষ্ণৱ আছিল। যোৰহাট জিলাৰ মুক্তি যুঁজাৰু সকলৰ ভিতৰত এখেত এজন আগশাৰীৰ নেতা আছিল। ১৯০৭ চনত ১৫ নং ঢেকীয়াখোৱা প্ৰাথমিক বিদ্যালয়ত নাম ভৰ্তি কৰে। কাকজান চৰকাৰী মধ্য ইংৰাজী স্কুলৰ পৰা উত্তীৰ্ণ হৈ যোৰহাট বেজবৰুৱা উচ্চ ইংৰাজী স্কুলৰ ১৯২১ চনত দশম মান শ্ৰেণীত পঢ়ি থাকোতেই অসহযোগ আন্দোলনত জপিয়াই পৰে। পুলিচে গ্ৰেপ্তাৰ কৰি ৩ মাহ সশ্ৰম কাৰাদণ্ড বিহে। তাৰ পাছত তেখেতে আন্দোলনৰ কামত লিপ্ত হৈ পৰিল। যোৰহাট জিলা কংগ্ৰেছৰ এজন বিশিষ্ট সংগঠক আৰু সম্পাদক হিচাপে অসম কানি নিবাৰণ তদন্ত কমিটিৰ সভ্য নিৰ্বাচিত হয়। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ কামত আত্মনিয়োগ

কৰে। ১৯৩২ চনৰ আন্দোলনত শোভাযাত্ৰা কৰি আইন অমান্য কৰাৰ অপৰাধত ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়।

১৯৩৪ চনত হৰিজন আন্দোলনত গান্ধীজীৰ সহকৰ্মী হয়। লগে লগেই বিমলা প্ৰসাদ চলিহাদেৱে নিখিল ভাৰত শিপিনী সংঘৰ চাওখাট শাখা তেখেতৰ ঘৰৰ কাষতে আৰম্ভ কৰে। যঁতৰ, নেওঠনী, আৰু মধ্যম পিঞ্জাৰখিনি তেখেতে বগীৰাম মিস্ত্ৰীৰ দ্বাৰা সজাইছিল। তেখেতৰ আপ্ৰাণ চেষ্টাৰ ফলত এই খাদী কেন্দ্ৰৰ শিপিনী আৰু বোৱতীসকল চাওখাট মৌজাৰ সকলো গাঁৱৰ পৰা আহিছিল। ১৯৩৫ চনত অসম ৰাষ্ট্ৰীয় সন্মিলনখন ৭ দিনীয়াকৈ তেখেতৰ ঘৰৰ আগৰ পথাৰখনত পাতিছিল আৰু অভ্যৰ্থনা সমিতিৰ তেখেত সভাপতি আছিল।

১৯৩৮ চনত তেখেতে যোৰহাট জিলা কংগ্ৰেছৰ সম্পাদক নিৰ্বাচিত হয় আৰু যোৰহাট লোকেল বৰ্ডৰ সৰ্বাধিক ভোট পাই সদস্য নিৰ্বাচিত হয়।

১৯৪২ চনৰ ১০ চেপ্তেম্বৰত টীয়কত পুলিচে মাৰ-পিট কৰি জেললৈ নিয়ে। ৭ মাহ হাজোতৰ পিছত ২ বছৰ জেল হয়। ১৯৪৩ চনৰ ২৪ ফেব্ৰুৱাৰীত পুলিচৰ লাঠি চালনাত তেখেতৰ মুৰ ফাটে ফলত চকুৰ দৃষ্টিশক্তি হেৰুৱায়। ১৯৫৮ চনৰ জুন মাহত তেখেতৰ মৃত্যু হয়।

শিবনাথ ভট্টাচাৰ্য্য :

যোৰহাট জিলাৰ শিমলিগুৰি মৌজাৰ বামুণপুখুৰী চূড়ামণি গাঁৱত ১৮৭৪ চনত শিৱনাথ ভট্টাচাৰ্যদেৱৰ জন্ম হয়। শিৱসাগৰত নৱম মান শ্ৰেণীলৈকে পঢ়ি ঘৰ চলাবলগীয়া হোৱাত সৰু চাকৰি কৰিছিল। ১৯২১ চনত মহাত্মাজীৰ আহ্বানত চাকৰি এৰি অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। অসমৰ পৰা কানি নিৰ্মূল কৰাৰ কাৰণে সেই সময়ৰ জিলা কংগ্ৰেছৰ সভাপতি দেশনেতা কুলধৰ চলিহাৰ নেতৃত্বত চলা আন্দোলনতো ভট্টাচাৰ্য্যক মদ নিবাৰণী সমিতিৰ সভাপতি পাতিছিল। বৃটিছ চৰকাৰৰ দ্বাৰা প্ৰতিষ্ঠা কৰা আদালত বৰ্জনৰ আহ্বানত শিমলিগুৰিত গণ আন্দোলন গঠন কৰি ভট্টাচাৰ্য্যক বিচাৰক নিয়োগ কৰিছিল। এইদৰে ১৯২১ চনৰ পৰা ১৯৪২ চনৰ মুক্তি আন্দোলনলৈকে অশেষ ত্যাগ কৰিছিল। ১৯৪২ চনত তেখেতৰ ঘৰ

খানাতালাচ কৰি বহুত বয়বস্তু নষ্ট কৰিছিল। ১৯৭১ চনত ৯৭ বছৰত তেখেতৰ মৃত্যু হয়।

সৰ্বেশ্বৰ বৰচেতিয়া :

যোৰহাটৰ টিলিকিয়ামত ১৯০১ চনত সৰ্বেশ্বৰ বৰচেতিয়াৰ জন্ম হয়। ১৯২১ চনত কটন কলেজত ৩য় বাৰ্ষিকৰ পৰা কলেজ ত্যাগ কৰি আন্দোলনত যোগদান কৰি এবছৰ ফাটেকত থাকে। যোৰহাটত কংগ্ৰেছ সংগঠনত আজীৱন আত্মনিয়োগ কৰে। বৰ-চেতিয়া অধ্যয়নপুষ্ট, মেধাসম্পন্ন লোক আছিল। হিন্দু বিবাহ আইনৰ প্ৰতিবাদ কৰি শাস্ত্ৰৰ উদ্ধৃতিৰে ইংৰাজীত এখন কিতাপ লেখি নিজৰ মাটি বেচা টকাৰে প্ৰকাশ কৰি ভাৰতৰ নেতৃবৃন্দ আৰু সংসদ সদস্যৰ মাজত বিনামূল্যে বিতৰণ কৰিছিল। ৰজাঘৰ, গুৰু ঘৰৰ উপৰিও ৰাইজেও বিশিষ্ট ব্যক্তিক উপাধি প্ৰদান প্ৰথা প্ৰচলিত কৰিছিল।

সৰ্বেশ্বৰ বৰুৱা :

সৰ্বেশ্বৰ বৰুৱা জগদুৱাৰ নাৰেং পাচনী গাঁৱৰ এজন স্বাধীন-চিতীয়া মুক্তিযুঁজাৰু আছিল। ১৯৪২ চনৰ গণ আন্দোলনত যোগ-দান কৰি যোৰহাট জেলত বহুদিন কটাবলগীয়া হয়। তেওঁ নিজে ১০ বিঘা মাটিত চাহখেতি কৰি গোটেই ঘৰখন চলোৱাৰ উপৰিও ল'ৰা-ছোৱালীৰ পঢ়া খৰচ যোগান ধৰিছিল। তেখেতৰ ১৯৭৯ চনত ৭৫ বছৰ বয়সত মৃত্যু হয়।

সুথিল শইকীয়া :

১৯২১ চনৰ অসহযোগ আন্দোলনত খজিয়া মৌজাৰ পকামুৰা অঞ্চলৰ পৰা সক্ৰিয়ভাৱে যোগ দিছিল। খাদী পোছাক আৰু গান্ধী টুপী পিন্ধা গুৰ যোগনীয়া গাঁৱৰ সেইকালৰ একমাত্ৰ ভলণ্টিয়াৰ আছিল। ১৯৩৪ চনত মৃত্যু হয়।

সোমেশ্বৰ হাজৰিকা :

হাতীগড় মৌজাৰ মেলেং সুদামুৰা গাঁৱত তেখেতৰ ১৮৯২ চনত জন্ম হয়। পিতৃ ভোলাই হাজৰিকা, মাতৃ কলি হাজৰিকা। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছতে স্বেচ্ছাসেৱক হিচাপে যোগ দিছিল। ১৯৩০-৩২

চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় সহযোগ কৰিছিল। ১৯৪২ চনৰ গণবিপ্লৱত যোৰহাট নগৰ পিকেটিঙত পুলিচে কেবাদিনো গ্ৰেপ্তাৰ কৰি মৰিয়নি হাবিত এৰি দিছিল। এদিন গ্ৰেপ্তাৰ কৰি নি কাজিৰঙা বিজাৰ্ভত এৰি দিছিল। মেলেং অঞ্চলৰ কেবাখনো গাঁৱত এল পি স্কুল, মেলেং এম-ভি স্কুল, মেলেং হাইস্কুল স্থাপন কৰি তেখেতে বিশেষ বৰঙণি যোগাইছিল। মেলেং গাঁও উন্নয়ণ সমিতি আৰু খাদী গ্ৰাম উদ্যোগ কেন্দ্ৰ স্থাপন কৰি তেখেতে সক্ৰিয় সহযোগ কৰিছিল। ১৯৭৬ চনৰ জানুৱাৰী মাহত ৮৪ বছৰ বয়সত এখেতৰ অপুত্ৰক অৱস্থাত মৃত্যু হয়।

সুৰেন্দ্ৰনাথ ভৰালী ঃ

১৯০৮ চনৰ ৮ ডিচেম্বৰত চাৰিগাঁৱত জন্ম। ১৯২৪-চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯২৮ চনত কটন কলেজৰ পৰা বিজ্ঞানৰ স্নাতক হয়। ১৯৩১ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা আইনৰ স্নাতক হৈ যোৰহাটত আইন ব্যৱসায় আৰম্ভ কৰে।

দেশনেতা কুলধৰ চলিহাৰ প্ৰভাৱত ১৯৩৭ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহ কৰি ৪ মাহ ফাটেক হয়। ১৯৪২ ৰ গণ আন্দোলনত যোৰহাট কাৰাগাৰত আটক বন্দী হয়। কুশল কোঁৱৰৰ জীৱন ৰক্ষাৰ হেতু যাৱতীয় ব্যৱস্থা লবলৈ সহবন্দীসকলে ভৰালীকে দায়িত্ব দিয়ে। তেওঁ ৰামনাথ দাসক অধিবক্তাৰ দায়িত্ব ন্যস্ত কৰে। ১৯৪৫ চনৰ ৯ জুনত যোৰহাট লোকেল বোৰ্ডৰ সদস্য নিৰ্বাচিত হয়। ৮ আগষ্টত চেয়াৰমেন হয়। ১৯৬৩ লৈকে সেই পদত থাকে। ১৯৪৮-৬৩ লৈ শিক্ষা বোৰ্ডৰ চেয়াৰমেন। এই উভয় দায়িত্বৰ কালছোৱাত যোৰহাট জিলাত প্ৰভূত উন্নয়ণমূলক কামে ভৰালীৰ কীৰ্তি স্থায়ী কৰি ৰাখিছে। চাহ বাগিচাৰ মাটিৰ ওপৰত খাজনা বৃদ্ধি আৰু স্থানীয় কৰ লোৱা প্ৰথা প্ৰচলনত তেখেতৰ উদ্যম উল্লেখনীয়। ১৯৪৬ চনত যোৰহাট জিলা কংগ্ৰেছৰ সম্পাদক নিৰ্বাচিত হয়। সেই বছৰতে অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত কংগ্ৰেছৰ জয়লাভৰ কৃতিত্ব অৰ্জন কৰে। কৰ্মব্যস্ততাৰ মাজতো তেওঁ এজন সফল আৰু প্ৰসিদ্ধ অধিবক্তা, অধিবক্তা সন্থাৰ কৰ্মকৰ্ত্তা, গণতন্ত্ৰৰ সদাসতৰ্ক প্ৰহৰী। যোৰহাটৰ পৰা ১৯৮৮ চনৰ মে মাহত গুৱাহাটীৰ

ৰাধাগোবিন্দ বৰুৱা পথৰ ঘৰলৈ আহি ৯ অকটোবৰত পৰলোক হয়।

সোমনাথ বুঢ়াগোহাঁই :

কলেজৰ শিক্ষা এৰি ১৯২১ চনত কংগ্ৰেছ আন্দোলনত যোগ দিয়ে। আন্দোলনৰ পাছত চৰকাৰী চাকৰি কৰে। বৰ্তমান ঘৰ কেন্দুগুৰিত।

সোমেশ্বৰ হাজৰিকা :

১৯২১ চনৰ পৰা কংগ্ৰেছ [কৰ্মী। হাতীগড় মৌজাত অনুষ্ঠিত ৰায়ত সভাসমূহৰ অক্লান্ত কৰ্মী। আজীৱন সমাজ সেৱক।

সুনন্দ ভূঞা :

কমলাবাৰী সত্ৰৰ এজ। গুণী শিল্পী। শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামীৰ লগতে ভাৰতৰ গণ আন্দোলনত জপিয়াই পৰি যোৰহাট জেলত ৬ মাহ বিনাশ্ৰম কাৰাদণ্ড ভোগ কৰে। বায়ন ১০৩ বছৰ জীৱিত থাকি ১৯৮৮ চনত মৃত্যু বৰণ কৰে।

হৰনাথ বুঢ়াগোহাঁই :

হাতীগড় মৌজাৰ অগ্ৰণী মুক্তিযোদ্ধা। ১৯২১ চনতে কংগ্ৰেছত যোগ দিয়ে। প্ৰকৃত অৰ্থত বুঢ়াগোহাঁই 'ডাঙৰীয়া' আছিল। ডাঙৰীয়া টোলত তেওঁৰ ঘৰ। কাকজানত চৰকাৰী মাইনৰ স্কুলৰ আগতে বসন্ত কুমাৰ সন্দিকৈয়ে খোলা মাইনৰ স্কুলত তেওঁ পঢ়িছিল। ১৯২১ চনতে তেওঁৰ ঘৰ ক্ৰোক কৰি সকলো স্থাৱৰ সম্পত্তিৰ লগতে হাঁহ-ছাগলীও গোৰ্খা চিপাহীয়ে লৈ যায়। শ্ৰীপদ্মেশ্বৰ গোস্বামীয়ে হাতীগড় মৌজাক ১৯৪২ চনত 'স্বাধীন ৰাষ্ট্ৰ' ঘোষণা কৰি বুঢ়াগোহাঁই ডাঙৰীয়াক 'ৰাষ্ট্ৰপতি' পাতে। তেওঁ শাস্ত্ৰজ্ঞ, দীক্ষিত পুৰুষ আছিল।

হৰেশ্বৰ ভট্টাচাৰ্য্য :

হাতীগড় মৌজাৰ লাদৈগড় বাগিছাত ঘৰ। ১৯২১ চনৰে পৰা কংগ্ৰেছৰ সেৱক। ১৯৩৭ চনৰ নিৰ্বাচনত গাঠিৰ ধনেৰে কংগ্ৰেছ কাৰ্যালয় পাতি প্ৰচাৰকাৰ্য কৰে। কংগ্ৰেছৰ সেৱা কাৰ্যতে উপান্ত হৈ শেষ বয়সত দাৰুণ দাৰিদ্ৰৰ কবলত অকালতে পত্নী-পুত্ৰক হেৰুৱাব লগা হয়।

হীৰানাথ বৰুৱা :

যোৰহাটৰ টীয়ক দুলীয়া গাঁৱত বিখ্যাত খতীয়া বৰুৱা বংশৰ হীৰানাথ বৰুৱা এজন নামজ্বলা কংগ্ৰেছ কৰ্মী আছিল। বৰুৱাৰ বেছি পঢ়া-শুনা নাছিল যদিও নেতৃত্ব দিব পৰা শক্তি তেওঁৰ যথেষ্ট আছিল। ১৯৩২ চনৰ আইন অমান্য আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰে।

১৯৪০-৪২ চনৰ আন্দোলনত তেওঁ আৰু তেওঁৰ পত্নী শ্ৰীমতী দেৱযানী বৰুৱাই সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনত সুদীৰ্ঘকাল কাৰা-বাস হয়। টীয়ক ৰাজাবৰীত সেৱাশ্ৰম স্থাপনত তেওঁ আগভাগ লৈছিল। অসমৰ সৰ্বপ্ৰথম বাৰেঙ্গ পঞ্চায়তৰ ১৯৪৮ চনত সভাপতি নিৰ্ব্বাচিত হৈছিল। ১৯৫৯ চনৰ আঞ্চলিক পঞ্চায়তৰ সংগঠনটোকে লাগি থাকি গাঁও উন্নয়নৰ বহুত কাম কৰি যায়। ৮৩ বছৰ বয়সত বাৰ্ধক্যজনিত কাৰণত ১৯৮৭ চনত মৃত্যু হয়।

নগাঁও

"নগাঁও জিলাৰ প্ৰয়াত মুক্তিযুঁজাৰু সকলৰ জীৱনী সংগ্ৰহৰ বিষয়ে একাষাৰ"

নগাঁও মুক্তি সংগ্ৰামৰ এখন প্ৰসিদ্ধ জিলা। অতীতৰ ইতিহাসৰ ঘটনাৱলী বাদ দিও উনৈশ শতিকা জুৰি বৃটিছৰ শাসন, শোষণৰ বিৰুদ্ধে নগাঁৱৰ ৰাইজে বিপ্লৱৰ পতাকা উৰুৱাইছিল। পুলিচ-মিলিটেৰীৰ গুলীত বহুতো নিধন হ'ল, দ্বীপান্তৰ হ'ল, ঘূণীয়া হ'ল, জেল জৰিমনা হ'ল, সা-সম্পত্তি বাজেয়াপ্ত হ'ল।

১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ গণ বিপ্লৱত নগাঁও জিলাৰ ৰাইজৰ বীৰত্ব আৰু ত্যাগ আছিল অতুলনীয়। নগাঁৱৰ ৰাইজে নিষ্ঠুৰ বৃটিছ শাসকৰ পুলিচ মিলিটেৰীৰ অতি নিৰ্মম অত্যাচাৰৰ বলি হৈছিল। বঙ্গ প্ৰদেশৰ মেদিনীপুৰ জিলাৰ দৰে নগাঁৱৰো বহুতো গাভৰু, বোৱাৰী পুলিচ মিলিটেৰীৰ দ্বাৰা ধৰ্ষিতা হৈছিল। অকল ১৯৪২ চনৰ গণ আন্দোলনতে দুহেজাৰৰো অধিক গ্ৰেপ্তাৰ হৈছিল। তাৰ ভিতৰত ১২০০ জনৰ জেল হৈছিল। ৬১ জনক আটকবন্দী, ১১ জনে পুলিচৰ গুলিত মৃত্যু বৰণ কৰে। বহুতো শ লোক পুলিচৰ গুলী আৰু লাঠিৰ কোবত জখম হৈছিল।

কিন্তু দুখৰ কথা, আমাৰ ফালৰ পৰা যত্ন কৰা সত্ত্বেও নগাঁও জিলাৰ সম্পূৰ্ণ প্ৰয়াত মুক্তিযুজাৰুসকলৰ সংক্ষিপ্ত জীৱনী সংগ্ৰহ কৰা সম্পূৰ্ণ নহ'ল; আনকি শ্বহীদ সকলৰো বহুতৰে সংক্ষিপ্ত জীৱনী দিব পৰা নহ'ল। জিলা মুক্তি যুঁজাৰু সন্মিলনৰ বাহিৰেও, জিলা আই আৰু এছুৰ কংগ্ৰেছ, ২৫ জন বিভিন্ন ৰাজনৈতিক আৰু মুক্তি যোদ্ধালৈ চিঠি দিয়া হৈছিল। কাৰ্যকৰী সভাপতি শ্ৰীসৰ্বেশ্বৰ বৰদলৈ, সম্পাদক শ্ৰীলোকনাথ ভৰালী আৰু সদস্য শ্ৰীভাৰত চন্দ্ৰ গোস্বামী নগাঁও জিলালৈ গৈ মুক্তি যুঁজাৰু সন্মিলনৰ কাৰ্যকাৰক আৰু বিশিষ্ট ব্যক্তিক অনুৰোধ কৰা সত্ত্বেও আশানুৰূপ সঁহাৰি পোৱা নগ'ল। শ্ৰীবেণুধৰ কলিতাই সম্পাদক হিচাপে নহয়, ব্যক্তিগতভাবে এখন তালিকা

পঠাইছিল আৰু শ্ৰীশশী গোস্বামীয়ে ২০ জনৰ নাম পঠাইছে। শ্ৰীলক্ষেশ্বৰ হাজৰিকা আৰু শ্ৰীক্ষীৰ শৰ্মাই কেইজনমানৰ নাম পঠাইছিল।

জিলা মুক্তি যুঁজাৰু সন্মিলনৰ কাৰ্যকাৰকসকলৰ পৰা আংশিক-ভাৱে সঁহাৰি পোৱা হয়। বিভিন্ন পুস্তিকা, বাতৰি কাকতৰ পৰা অধিক সংখ্যকৰ নাম সংগ্ৰহ কৰা হয়। এই তালিকা ১৫।৯।৮৯ তাৰিখৰ সভাত যোগ দিয়া নগাঁৱৰ প্ৰতিনিধিসকলে চাই-চিটি অনুমোদন কৰি দিয়ে। আমাৰ অনুমান, এটা বুজন সংখ্যক প্ৰয়াত মুক্তি যুঁজাৰুৰ নাম বাদ পৰি গৈছে—তাৰ বাবে আমি দুঃখিত।

অৰুণ শইকীয়া :

পুৰণি গুদাম। পিতৃ কালিৰাম শইকীয়া। আইন অমান্য আন্দোলনত যোগদান দিয়া বাবে তিনিমাহ হাজোতত ৰাখিছিল। ১৯৪২ চনৰ আন্দোলনত যোগ দিয়াত পুনৰ গ্ৰেপ্তাৰ কৰি ১ দিন ফাটেকত ৰাখি মুক্তি দিয়ে। তেওঁ নগাঁৱত স্বেচ্ছাসেৱক বাহিনীত যোগ দিয়ে। ১৯৪২ চনত তেওঁ মৃত্যু বাহিনীত যোগদান কৰি পলাতক হিচাপে আছিল। সেইবাবে পুলিচে তেওঁৰ ঘৰৰ মানুহক নিৰ্যাতন কৰিছিল।

অভিৰাম ভূঞা :

জখলাবন্ধা (কলিয়াবৰ)। পিতা মাখন ভূঞা। ১৯২১ চনত তেওঁ জখলাবন্ধা অঞ্চলৰ কংগ্ৰেছত যোগদান কৰা অন্যতম বিশিষ্ট কৰ্মী আছিল। ১৯২১ চনত গান্ধীজী অসমলৈ আহোঁতে তেজপুৰৰ পৰা নগাঁওলৈ অহা বাটত শিলঘাটত গান্ধীজীক দলে বলে সম্বৰ্দ্ধনা জ্ঞাপন কৰিছিল। ১৯২১ চনৰ আইন অমান্য আন্দোলনত তেওঁৰ ৭ মাহ কাৰাদণ্ড হৈছিল। গান্ধীজী অসম এৰাৰ পাছত বিদেশী বস্ত্ৰ বৰ্জন, কানি নিবাৰণ আৰু তিলক স্বৰাজ ফাণ্ডলৈ ধন সংগ্ৰহ ইত্যাদি কামত আত্মনিয়োগ কৰিছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত খাদী উৎপাদন কামতে আত্মনিয়োগ কৰিছিল। ১৯৩০, '৩২, '৪০ আৰু

'৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু তাৰ বাবে পুলিচৰ দ্বাৰা নিৰ্যাতিত হ'ব লগা হৈছিল।

অমূল্য কটকী ঃ

আমোলাপট্টি, নগাঁও। পিতৃ যোগেন্দ্ৰ কটকী। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰাৰ বাবে ২৪।১।৪৩ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি কাৰাগাৰত সোমায়। ১০।৩।৪৩ তাৰিখে নিৰাপত্তা বন্দী হিচাপে কাৰাবাসৰ হুকুম হোৱাত প্ৰায় ৭ মাহ কাৰাবাস ভোগ কৰি ৩১।৮।৪৩ তাৰিখে মুক্ত হয়। শান্তিসেনা বাহিনীৰ অন্যতম কৰ্মী আছিল।

অৰুণ সূত্ৰধাৰী ঃ

চৰাইহাগী, কামপুৰ। পিতৃ মোহন সূত্ৰধাৰী। ২৫।৮।৪২ তাৰিখে কামপুৰত বিৰাট শোভাযাত্ৰাত অংশ গ্ৰহণ কৰি ১৪৪ ধাৰা ভঙ্গ কৰাত আগভাগ লয়। ১৯৪০ চনত ১৫ মাহ কাৰাদণ্ড ভোগ কৰে। তেওঁ এজন সাধাৰণ গাঁৱলীয়া লোক আছিল। পুলিচৰ বেষ্টনী ভাঙি আগুৱাই গৈ নিজৰ সাহসৰ পৰিচয় দিছিল।

অশ্বিনী কুমাৰ বৰকাকতি ঃ

টিং, আঠগাঁও। পিতৃ কমলা বৰকাকতি। ১৯৩০ চনৰ আন্দোলনত যোগদান দি স্কুল এৰে আৰু ২৫।১০।৩০ তাৰিখে তিনি মাহৰ কাৰাদণ্ডৰ হুকুম হয়। পাছত আকৌ ৬।২।৩১ তাৰিখে গ্ৰেপ্তাৰ হোৱাত এমাহ কাৰাবাস খটাৰ পিছত গান্ধী আৰুউইন চুক্তি মতে মুক্তি লভে। পিছত এম এ পাছ কৰি কটন কলেজৰ অধ্যাপক আৰু পিছত অসম মাধ্যমিক শিক্ষা পৰিষদৰ সভাপতি হয়।

অৰুণি হাজৰিকা ঃ

টিং, আঠগাঁও। পিতৃ জয়নাথ হাজৰিকা। ১৯৪২ চনত ১ বছৰ কাৰাদণ্ড ভোগ কৰে। তেওঁ মৃত্যু বাহিনীত যোগদান কৰিছিল আৰু বিপ্লৱী আন্দোলনৰ লগত জড়িত আছিল। জেলৰ পৰা ওলাই বিভিন্ন গঠনমূলক কামত লিপ্ত আছিল।

অমল বৰা :

চিং, আঠগাঁও। পিতৃ নন্দীনাথ বৰা। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। ২৯।৮।৪২ তাৰিখে গ্ৰেপ্তাৰ হোৱাৰ পাছত তেওঁৰ এবছৰ শ্ৰাটেক হয়। তেওঁ জেলৰ পৰা ওলাই পুনৰ স্কুলত যোগ দিয়াৰ অলপ দিনৰ পাছতে মৃত্যু হয়। তেওঁ চিং অঞ্চলৰ মুখিয়াল কংগ্ৰেছ কৰ্মী চন্দ্ৰকান্ত বৰকাকতি আৰু অশ্বিনী বৰকাকতিৰ ভাগিনীয়েক আছিল। সৰুকালতে পিতৃ বিয়োগ হোৱাত মোমায়েক-হঁতৰ লগতে থাকি পঢ়া শুনা কৰিছিল।

আনন্দ ৰাম ভুঞা :

তেতেলিসৰা, কামপুৰ। পিতৃ ঘনশ্যাম ভুঞা। ১৯৪২ চনত কংগ্ৰেছত যোগদান কৰে। আনন্দৰাম ভূঞাই মৃত্যু বাহিনীত যোগ দিয়ে। ২।১০।৪২ ৰ পৰা ২১।৩।৪৩ লৈ ছমাহ কাল আটক বন্দী হৈ থাকে। তেওঁ এজন পলাতক কৰ্মী হিচাপে কাম কৰিছিল। পাছত জনস্বাস্থ্য বিভাগৰ স্বাস্থ্য বিষয়া হিচাপে মৃত্যুৰ আগলৈকে কাম কৰি আছিল।

আদিৰাম কলিতা :

১৯৪২ চনত তিনিমাহ নগাঁও জেলত আটকধীন বন্দী আছিল। ১৯৬৪ চনত মৃত্যু হয়।

আৰ্বলি মেধি :

বিলমৰা, নগাঁও। স্বামী বুদু মেধি। এওঁ এগৰাকী কংগ্ৰেছৰ মহিলা সংগঠক আছিল। ১৯৩০ চনৰ পৰা সংগঠনৰ বিভিন্ন দিশত কাম কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পলাতক কৰ্মীসকলক সহায় কৰা বাবে ঘৰ খানাতালাচ কৰে আৰু পুলিচৰ বৰ্বৰ অত্যাচাৰৰ কবলত পৰি ১৫ দিনৰ ভিতৰতে তেওঁ মৃত্যু বৰণ কৰে।

আত্মা চিং বেদী :

১৯২১ চনত মহাত্মাৰ আহ্বানত নগাঁও গৱৰ্ণমেন্ট হাইস্কুলৰ পৰা শিক্ষকতা বৰ্জন কৰে। তেওঁ কিছুকাল কংগ্ৰেছৰ আনুষ্ঠানিক কামত

লিগত থাকি পুনৰ বেচৰকাৰী স্কুলত শিক্ষকতা কৰে। নগাঁও 'ভচন' হাইস্কুলৰ পৰা প্ৰধান শিক্ষক হিচাপে অৱসৰ পোৱাৰ পিছত তেওঁৰ মৃত্যু হয়।

ইচলাম খাঁ :

ফৌজদাৰী পট্টি, নগাঁও। পিতৃ মঃ মিটালি শেখ খান। ১৯২০ চনত খিলাফৎ আন্দোলনত যোগ দিয়ে। ১৯২১ চনৰ পৰা তেওঁ একনিষ্ঠ কংগ্ৰেছ কৰ্মী আছিল। ১৯২১ চনত তেওঁ অসহযোগ আন্দোলনত যোগ দিয়ে আৰু ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। হিন্দু আৰু মুছলমানৰ মাজত ঐক্য আৰু ৰাষ্ট্ৰীয় একতাৰ হকে কাম কৰিছিল। ১৯২৬ চনত নগাঁও কংগ্ৰেছৰ খাদী উৎপাদনৰ কামত সহায় কৰি পাণ্ডু কংগ্ৰেছলৈ অশেষ বৰঙণি যোগাইছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত ৩ মাহ জেল খটাৰ পিছত মুক্তি দি আকৌ গ্ৰেপ্তাৰ কৰি ৭ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। আজীৱন কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰিছিল। তেওঁ কিছুদিন নগাঁও শান্তিসেনা বাহিনীৰ অধিনায়ক আছিল। কংগ্ৰেছৰ কামত লাগি থকা বাবে তেখেতৰ আৰ্থিক অৱস্থা অতি শোচনীয় হৈ পৰে। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

শেখ ইচাহক :

পাখিমৰীয়া গাঁও, নগাঁও। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড হয়। মুছলমান সম্প্ৰদায়ৰ ভিতৰত এজন সুসংগঠক আছিল। তেওঁ খিলাফৎ আন্দোলনত আৰু স্বাধীনতা সংগ্ৰামৰ এজন মুখীয়াল লোক আছিল আৰু সদায় ৰাষ্ট্ৰীয় একতাৰ হকে কাম কৰিছিল। ১৯৩০-৩২ চনৰ আন্দোলনত তেওঁ জেললৈ যোৱা নাছিল যদিও এজন গঠনমূলক কৰ্মী হিচাপে কাম কৰিছিল।

ইশ্বৰ হাজৰিকা :

সোণাৰীগাঁও, কলিয়াবৰ। জন্ম ১৮৮৬, মৃত্যু ১৯৬৬ মাৰ্চ। পিতৃ ভেবোলা হাজৰিকা। ১৯৩০ চনত এওঁ কলিয়াবৰ অঞ্চলত কংগ্ৰেছত স্বেচ্ছাসেৱক হিচাপে যোগ দিয়ে। কানিংহাম চাৰ্কুলাৰৰ

প্ৰতিবাদত ছাত্ৰসকলৰ মাজত পিকেটিং আদিত তেওঁ নেতৃত্ব কৰিছিল। ১৯৪২ চনত ৩ মাহ কাৰাবৰণ ভোগ কৰাৰ পাছত অন্তৰীণ বন্দী কৰি যোৰহাট জেললৈ পঠায়। যোৰহাট জেলত ৰাজনৈতিক বন্দী-সকলৰ ওপৰত লাঠি চলোৱাত হাজৰিকা আহত হয়। ১৯৪২ চনত তেওঁ মুক্তি বাহিনীৰ সদস্য আছিল। নগাঁও কলিয়াবৰ অঞ্চলত ধ্বংসাত্মক কাৰ্যত লিপ্ত থকা বুলি সন্দেহ কৰি পলাতক অৱস্থাত গ্ৰেপ্তাৰ কৰে। তেওঁৰ ২ মাহ জেল হয়। সন্ত্ৰাসবাদী কাৰ্য-কৰ্ম সাক্ষী প্ৰমাণৰ অভাৱত মুক্তি হয়। তেওঁ মুক্তি পোৱাৰ পাছতে পুনৰ আটক বন্দী কৰে। ১৯৬৬ চনত তেওঁৰ মৃত্যু হয়।

মহম্মদ ইছমাইল :

ৰূপহী, নগাঁও। পিতৃ ৰছিদ। ১৯২২ চনত ৭ মাহ কাৰাদণ্ড ভোগ কৰে। তেওঁ খিলাফৎ আন্দোলনত এজন মুখ্য কৰ্মী আছিল আৰু সদায় ৰাষ্ট্ৰীয় সংহতিৰ হকে কাম কৰিছিল। নগাঁও জিলাৰ এজন উচ্চ মনোভাবৰ জাতীয়তাবাদী কৰ্মী আছিল।

ঈশ্বেশ্বৰ গোহাঁই :

জখলাবন্ধা। পিতৃ কলাই গোহাঁই। ১৯২১ চনত তেওঁ অসহ-যোগ আন্দোলনত যোগদান কৰে। ১৯২১ চনত গান্ধীজী তেজপুৰৰ পৰা আহোঁতে শিলঘাটত অভ্যৰ্থনাৰ আয়োজন কৰিছিল আৰু সেই হিচাপে কংগ্ৰেছ সংগঠন আদিৰ কাম কৰিছিল। ১৯২১ চনৰ ১৯ ডিচেম্বৰত তেওঁ গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ ফাটেক হয়। পাছতো তেওঁ কংগ্ৰেছৰ সংগঠনৰ কামত আছিল। জখলাবন্ধা অঞ্চলৰ এজন প্ৰধান কংগ্ৰেছ নেতাও আছিল। ১৯৩০, ১৯৩২ আৰু ১৯৪১-৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল।

উত্তম ডেকা :

বৰকোলা, নগাঁও। পিতৃ গন্ধ ডেকা। ১৯২১ চনৰ আন্দোলনত যোগদান কৰে। ১৯৪২ চনত গ্ৰেপ্তাৰ হয়। ১৯৪৩ চনত এবছৰ কাৰাবাস হয়। এজন সাহসী কংগ্ৰেছ কৰ্মী আছিল। তেওঁক সাহসী কৰ্মী হিচাপে স্বীকৃতি দি প্ৰয়াত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে নতুন দিল্লীত তাম্ৰপত্ৰ প্ৰদান কৰে।

গঠনমূলক কৰ্মী হিচাপে কাম কৰিছিল। পিছত তেওঁ মৃত্যু বাহিনীত যোগদান কৰে। পলাতক হৈ থাকোতে গ্ৰেপ্তাৰ হয় আৰু '৪২ চনত ৬ মাহ জেল হয়। জেলৰ পৰা মুক্ত হৈ পুনৰ পলাতক কৰ্মী হিচাপে কাম কৰে।

গুণেশ্বৰী দেৱী (বৰঠাকুৰ) :

গুণেশ্বৰী দেৱী কলিয়াবৰৰ বৰভগীয়াত জন্ম গ্ৰহণ কৰে। স্বামী গণেশ বৰঠাকুৰ। মহাত্মা গান্ধীৰ বাণীত অনুপ্ৰাণিত হৈ ১৯৩০ চনত আইন অমান্য কৰাৰ অপৰাধত ৬ মাহ কাৰাবাস খাটে। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ হয়। তেখেত অসমৰ প্ৰথম কাৰাদণ্ড ভোগ কৰা মহিলা।

গুণনাথ বৰা :

ভোটাইগাঁও। পিতা হৰনাথ বৰা। ১৯৪২ চনত শান্তি সেনা বাহিনীৰ এজন নিষ্ঠাবান সেনা আছিল। ১৯৪২ চনৰ অকটোবৰ মাহত ৬ মাহ কাৰাদণ্ড হয়। কাৰাগাৰৰ পৰা মুক্তি পোৱাৰ কিছুদিন পাছতে এই উদীয়মান ডেকা কৰ্মীজনক অকাল মৃত্যুৱে গ্ৰাস কৰে।

গোলোক চন্দ্ৰ ভূঞা :

বাৰপুজীয়া, দৰদিয়াল গাঁও। এওঁ এজন মুক্তি বাহিনীৰ সক্ৰিয় সদস্য আছিল আৰু বাৰপুজীয়াৰ স্বেচ্ছাসেৱী সংগঠনৰ মুখ্য ভূমিকা লৈছিল। তেওঁ বাৰপুজীয়া শোভাযাত্ৰাত গুলী চলোৱা বাবে আঘাত-প্ৰাপ্ত হৈ বিকলাঙ্গ হৈ পৰে।

গোজৰ মুদৈ :

হাতীয়নী ভোটা, নগাঁও। ১৯২১, ১৯৩০ আৰু ১৯৪২ চনৰ আন্দোলনত ভাগ লৈছিল। '৪২ চনত ১ মাহ নগাঁও জেলত বন্দী আছিল।

গোপীনাথ শইকীয়া :

ভোটাইগাঁও, নগাঁও। পিতা দয়াৰাম শইকীয়া। ১৯৪২ চনত শান্তি সেনা হিচাপে কাম কৰোতে গ্ৰেপ্তাৰ হৈ ৬ মাহ যোৰহাট জেলত কটায়। তেওঁ কেন্দ্ৰীয় পেঞ্চনাৰ আছিল। ১৯৮৫ চনত মৃত্যু হয়।

পণ্ডিত কনক চন্দ্ৰ শৰ্মা ঃ

নগাঁৱৰ বহলো গাঁৱত পণ্ডিত কনক চন্দ্ৰ শৰ্মাৰ ১৮৮৩ চনত জন্ম হয়। গুৱাহাটীৰ নৰ্মাল স্কুলৰ পৰা নৰ্মাল পাছ কৰি কলিকতালৈ সংস্কৃত পঢ়িবলৈ যায়। তেখেতে 'কাব্যতীৰ্থ' উপাধি লাভ কৰি ইংৰাজী ভাষা শিকে আৰু এন্ট্ৰেন্স পাছ কৰে। কনক চন্দ্ৰ শৰ্মাই ১৯২০ চনত নাগপুৰ কংগ্ৰেছ অধিবেশনত যোগদান কৰে আৰু তেতিয়াই তেওঁ খাদীৰ প্ৰতি আকৃষ্ট হয়। তেখেতৰ প্ৰচেষ্টাত নগাঁও জিলাত বিদেশী দ্ৰব্য বৰ্জন, মাদক দ্ৰব্য নিবাৰণ, অস্পৃশ্যতা বৰ্জন, স্বদেশী বস্ত্ৰ পৰিধান আদি আঁচনি তুৰন্তে ৰূপ দিয়া হৈছিল।

১৯২২ চনত গয়াত বহা কংগ্ৰেছ অধিবেশনতো কনক চন্দ্ৰ শৰ্মাই যোগদান কৰে। ১৯২১ চনত এবছৰ ৩ মাহ যোৰহাট জেলত কাৰাবাস খাটে। ১৯২৩ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সাধাৰণ সম্পাদক ৰূপে নিৰ্বাচিত হয়। ১৯৩০ চনত নগাঁও কংগ্ৰেছ কমিটীৰ সভাপতি হৈ থাকোঁতে শৰ্মাক পুনৰ গ্ৰেপ্তাৰ কৰি জেললৈ নিয়ে। [১৯৩০-৩২]। এইবাৰত চাৰিমাহ সশ্ৰম কাৰাদণ্ড ভোগে আৰু কাৰাগাৰত 'গান্ধীচৰিত' নামৰ পুথিখনি লিখে। ১৯৩১ চনত গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্যমন্দিৰত অনুষ্ঠিত হোৱা অসম ছাত্ৰ সন্থাৰ বছৰেকীয়া অধিবেশনৰ পৌৰোহিত্য কৰে কনক চন্দ্ৰ শৰ্মাই। মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ ঘৰে ঘৰে কপাহ খেতি, সূতাকটা, তাঁতবোৱা আদি শিল্প উদ্যোগত মানুহে তেওঁৰ নেতৃত্বত মন দিছিল। ১৯৩৯ চনত হিন্দু মহাসভাৰ অসম শাখাৰ সম্পাদক আছিল। ৰহা অাৰু বেবেজীয়া শৰ্মাৰ মহৎ অৱদান।

পণ্ডিত শৰ্মা একেৰাহে ৰাজনীতিবিদ, শিক্ষক, সমাজসেৱী আৰু সাহিত্যিক আছিল। সংস্কৃত ভাষাক পুনৰুদ্ধাৰ কৰা আৰু ৰাষ্ট্ৰীয় ভাষাৰ মৰ্যাদা দিয়া চিন্তাও শৰ্মাই কৰিছিল। জীৱনৰ শেষছোৱাত তেখেতে ধৰ্মীয় শাস্ত্ৰ অধ্যয়ন কৰাত সময় কটাইছিল। 'কুন্তীচৰিত' তেখেতৰ গ্ৰন্থ।

এইজন অসম মাতৃৰ সন্তানে ৭৭ বছৰ বয়সত ১৯৫৯ চনৰ জুলাই মাহৰ ৭ তাৰিখে শ্বিলঙৰ বাসভৱনত ইহলীলা সম্বৰণ কৰে। পণ্ডিত শৰ্মা এজন ত্যাগী পুৰুষ আছিল। গোটেই জিলাখনত তেওঁ কেৰাবাৰো সুদা ভৰিৰে খোজ কাঢ়ি ফুৰিছিল। পৰ্বতে-পাহাৰে জিলাৰ

চুকে-কোণে কানি, ভাং, মদ নিবাৰণ আদি কাম কৰাই তেওঁৰ ধৰ্ম আছিল।

কমল মহন্ত :

কলি সত্ৰ, কলিয়াবৰ। পিতৃ ৰবিকান্ত মহন্ত। ১৯৪২ চনত আন্দোলনৰ স্বেচ্ছাসেৱক আছিল। আন্দোলন চলি থকা কালত গান্ধী টুপী পিন্ধি চাইকেলেৰে আহি থকা অৱস্থাত পাই মিলিটেৰীৰ কমাণ্ডাৰ ফ্ৰিংস বেয়াকৈ মাৰ-ধৰ কৰাত গা বিষত পৰি থাকিব লগা অৱস্থা হয়। তেওঁ ১২।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ৬ মাহ কাৰাদণ্ড ভোগ কৰে। জেলৰ পৰা মুক্তিৰ পিছত তেওঁক আকৌ গ্ৰেপ্তাৰ কৰি ২ মাহ হাজোতত ৰাখি প্ৰমাণৰ অভাৱত খালাচ দিয়ে। জেলৰ পৰা মুক্ত হৈ গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। অসুখীয়া গাৰে কিছু কাম কৰি ১৯৭২ চনত তেওঁৰ মৃত্যু হয়।

কমল চন্দ্ৰ ভুঞা :

পুবথৰীয়া, কলিয়াবৰ। ১৯২১ চনত ৬ মাহ কাৰাবাস খাটে। কংগ্ৰেছৰ এজন কৰ্মী হিচাপে সকলো সময়তে যোগাযোগ কৰি আছিল। তেওঁ ১৯২৬ চনত বহা পাণ্ডু কংগ্ৰেছৰ খাদী উৎপাদনৰ কামত জড়িত আছিল।

কমলানন্দ ভট্টাচাৰ্য্য :

আমোলাপট্টি, নগাঁও। ১৯২১ চনত চৰকাৰী ইংৰাজী স্কুলৰ শিক্ষকতা এৰি আন্দোলনত যোগ দিয়ে। তেওঁৰ সেই চনত ৯ মাহ আৰু ১৯৪৩ চনত ৬ মাহ জেল হয়। তেজপুৰ জেলৰ পৰা মুক্ত হৈ গান্ধীজীৰ গঠনমূলক কামত জড়িত হয়।

কমলা বৰা :

বৰ টিংগাঁও। পিতৃ মিলক ভৰালী। ১৯৪২ চনত ১ বছৰ কাৰাদণ্ড ভোগ কৰে। মৃত্যু বাহিনীৰ সভ্য হৈছিল আৰু পলাতক হিচাপে আছিল। পুলিচে গ্ৰেপ্তাৰ কৰি জোৰজুলুম কৰিছিল। এজন ভাল কংগ্ৰেছ কৰ্মী আছিল।

কামেশ্বৰ বৰদলৈ :

চৰ ইবাহী, নগাঁও। পিতৃ চন্দ্ৰ বৰদলৈ। ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ আন্দোলনত যোগদান কৰি পূৰ্ণ সমৰ্থন আগবঢ়াইছিল। কামেশ্বৰ বৰদলৈ খাদী বোৰ্ডৰ এজন ভাল সংগঠক আছিল। ১৯৪০ চনত তেওঁ ব্যক্তিগত সত্যাগ্ৰহত যোগদান কৰিছিল। ১৯৪৩ চনত পানীখইতি ৰেল দুৰ্ঘটনা সংক্ৰান্তত জড়িত থকা বুলি সন্দেহ কৰি তেওঁক গ্ৰেপ্তাৰ কৰি ১ মাহ ৭ দিন হাজোতত ৰাখি শেষত প্ৰমাণৰ অভাৱত খালাচ দিয়ে। তেওঁ গোপনীয়ভাৱে কাম কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত তেওঁ খাদীৰ মুখ্য কৰ্মী হিচাপে শেষলৈ কাম কৰিছিল। বিনোবাজীৰ ভূদান, গ্ৰামদান আন্দোলনতো তেওঁ সহযোগ কৰিছিল। ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।

কালিৰাম শইকীয়া :

আঠগাঁও, ধিং। পিতৃ ভোলাই শইকীয়া। ১৯২১ চনত কালিৰাম শইকীয়াই কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনীত যোগ দিয়ে। লতাইমাৰি অঞ্চলত কংগ্ৰেছৰ সংগঠন, পুঁজি সংগ্ৰহ, বিশেষকৈ খাদী সূতা কটা, মহিলা সংগঠন গঢ়ি তুলিছিল। ১৯২৬ চনত তেওঁ পাণ্ডু কংগ্ৰেছৰ খাদী উৎপাদনৰ কামত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। মাদক দ্ৰব্য বৰ্জন আৰু কানি নিবাৰণৰ কাৰ্যক্ৰম কৰোঁতে পুলিচে তেওঁক ২৪।১।৩০ তাৰিখে গ্ৰেপ্তাৰ কৰে। তেখেতৰ ৩ মাহ জেল হয়। ১৯৪২ চনৰ আন্দোলনতো যোগদান কৰিছিল যদিও তেওঁ জেললৈ যোৱা নাছিল। প্ৰতিটো আন্দোলনতে সহযোগ কৰিছিল। তেওঁ পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল।

কানলুৰ আলি :

জাজৰি, নগাঁও। পিতৃ আলিম আলি। ১৯২১ চনত তেওঁ অসহযোগ আন্দোলনত যোগ দিয়ে আৰু খিলাফৎ আন্দোলনৰ প্ৰচাৰ কাৰ্য চলায়। ২৬।১।২২ তাৰিখে তেওঁৰ ৬ মাহৰ কাৰাদণ্ডৰ হুকুম হয়। কিন্তু ৩ মাহ কাৰাবাস ভোগ কৰাৰ পিছত মুক্তি দিয়ে। তেওঁ ১৯৩০-৩২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কালীমোহন বৰুৱা :

ফৌজদাৰ পট্টি, নগাঁও। পিতৃ মহেশ বৰুৱা। ১৯২১ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন আৰু শোভাযাত্ৰাত আগভাগ লৈছিল। তেওঁ নগাঁৱৰ ছাত্ৰ আন্দোলন আৰু মহিলা আন্দোলনত সহায় কৰিছিল। ১৯৩১ চনত ৩ মাহ কাৰাদণ্ড হয়। সদায় কংগ্ৰেছৰ লগত সহযোগ কৰিছিল। ১৯৪১, ৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কৰিম বক্স :

মৰিচেলেং, নগাঁও। পিতা ইবে বক্স। ১৯৩০ চনত ৬ মাহ কাৰাদণ্ড হয়। ৮।১২।৩০ তাৰিখে নগাঁও জেলৰ পৰা মুক্তি পায়। খিলাফৎ আন্দোলনৰ এজন সমৰ্থক আছিল আৰু হিন্দু-মুছলিম ঐক্যৰ বাবে সদায় যত্নপৰ আছিল।

কনমাই দাস :

হয়বৰগাঁও, নগাঁও। পিতৃ নন্দলাল দাস। ১৯৩০ চনত ৪ মাহ কাৰাদণ্ড ভোগ কৰে। তেওঁ কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত পিকেটিং কৰিছিল। দাসদেৱ এজন নগাঁও অঞ্চলৰ নিষ্ঠাবান কংগ্ৰেছ কৰ্মী আছিল।

কালীনাথ ভূঞা :

ভোলাগুৰি। পিতৃ দণ্ডিৰাম ভূঞা। ১৯২১ চনত তেওঁ ভোলাগুৰি অঞ্চলত কংগ্ৰেছ সংগঠন, অসহযোগ আন্দোলন, খাদী উৎপাদন, প্ৰচাৰ কাৰ্য আদিৰ কামত আত্মনিয়োগ কৰিছিল। গান্ধীজী নগাঁওলৈ অহোঁতে দলে বলে গান্ধীজীৰ দৰ্শনৰ কাৰণে শোভাযাত্ৰা কৰি আহিছিল। গান্ধীজীৰ মিটিঙৰ ঠাই চফা কৰা কামতো তেওঁ যোগদান কৰিছিল। কানিৰ দোকানত পিকেটিং কৰা বাবে ১৯২১ চনৰ ১৫ ডিচেম্বৰত তেওঁৰ ৯ মাহ কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয়। তাৰপিছত তেওঁ খাদী আৰু গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৩০-৩২ চনৰ আন্দোলনতো তেওঁ সহায় কৰিছিল। ১৯৪০-৪২ চনৰ আন্দোলনতো তেওঁ অংশ গ্ৰহণ কৰিছিল। পলাতক কৰ্মীক

আশ্ৰয় দিয়া বাবে তেওঁৰ ঘৰ খানাতালাচ আৰু নির্য্যাতিত হ'ব লগা হৈছিল। ১৯৮২ চনত তেওঁৰ মৃত্যু হয়।

কেৰমন কাকতি :

ভোটাইগাঁও, নগাঁও। ১৯৪২ চনৰ নবেম্বৰ মাহত গ্ৰেপ্তাৰ হয়। ১৫ দিন জেল হাজোতত থাকে। বিচাৰত ১ দিন জেল আৰু ৩০ টকা জৰিমনা ভৰে। ১৯৭৮ চনত মৃত্যু হয়।

কেশবানন্দ ভট্টাচাৰ্য্য :

আমোলাপট্টি নগাঁও। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড হয়। পাছলৈকে কংগ্ৰেছৰ লগত যোগাযোগ ৰক্ষা কৰিছিল। তেওঁ কংগ্ৰেছৰ বিভিন্ন গঠনমূলক কামৰ লগত জড়িত আছিল। তেওঁ ১৯৩০, ১৯৪১ আৰু ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

শ্বহীদ কলাই কোচ :

নগাঁও চহৰৰ নিকটবৰ্তী শেনচোৱাৰ কুমাৰ গাঁৱত ১৯১৭ চনৰ চেপ্তেম্বৰ মাহত শ্বহীদ কলাই কোচৰ জন্ম হয়। তেওঁ এজন কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰিছিল। ২৬।৮।৪২ তাৰিখে বেবেজীয়াত পুলিচ মিলিটেৰীয়ে কৰা অত্যাচাৰৰ খবৰ কৰিবলৈ আহোঁতে বেবেজীয়া দলঙৰ তলৰ পৰা পুলিচে গুলী কৰাত মৃত্যু বৰণ কৰে।

খগেন্দ্ৰ নাথ শৰ্মা :

চিং, আঠগাঁও। পিতা নৰহৰি শৰ্মা। ১৯৪২ চনত ১৮ মাহ কাৰাদণ্ড হয়। এজন ডেকা উৎসাহী কৰ্মী আছিল। তেওঁৰ অকালতে মৃত্যু হোৱাত অঞ্চলটোৰ ক্ষতি হয়।

খগেন্দ্ৰপ্ৰিয়া বৰুৱানী :

নগাঁও। স্বামী মহীকান্ত বৰুৱা। এওঁ ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। মহিলা প্ৰশিক্ষণ আৰু সূতাকটা আদি গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। নগাঁও মহিলা সমিতিৰ প্ৰথম সভানেত্ৰী। ১৯৪২ চনত পলাতক কৰ্মীক আশ্ৰয় দিয়া বাবে তেওঁৰ ঘৰ খানাতালাচ কৰা হৈছিল। নগাঁৱৰ একনিষ্ঠ কংগ্ৰেছ কৰ্মী গিৰিকান্ত বৰুৱাৰ মাতৃ।

খৰ্গেশ্বৰ বড়া :

ফৌজদাৰী পট্টি। পিতৃ মোলাৰাম বড়া। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড হয়। আজীৱন কংগ্ৰেছ কামত লিপ্ত আছিল। এওঁ কংগ্ৰেছৰ বিভিন্ন আন্দোলন আৰু বিভিন্ন সংগঠনত সক্ৰিয় সহযোগ আগবঢ়াইছিল।

খগেন্দ্ৰ নাথ ডেকা :

হাতীচোং, নগাঁও। পিতৃ সতৰাম ডেকা। ১৯৪১ চনত সত্যাগ্ৰহ কৰি চাৰিমাহ কাৰাৰুদ্ধ হয়। ১৯৪২ চনত ছমাহ কাৰাদণ্ড আৰু ১০০ টকা জৰিমনা অনাদায়ত আৰু ৪২ দিন কাৰাৰুদ্ধ হয়। আজীৱন অবিবাহিত হৈ কংগ্ৰেছৰ কামতে থাকি ইহলীলা সম্বৰণ কৰে।

গগন চন্দ্ৰ খাউণ্ড :

জখলাবন্ধা। ১৯২১ চনত ৬ মাহ কাৰাবৰণ কৰে। জখলাবন্ধা অঞ্চলৰ এজন বিশিষ্ট কৰ্মী। গগনচন্দ্ৰ খাউণ্ডে কানি বৰ্জন, বিদেশী বস্ত্ৰ বৰ্জনৰ নেতৃত্ব কৰাত তেওঁক গ্ৰেপ্তাৰ কৰি ফাটেক দিয়ে। তেওঁ কংগ্ৰেছৰ বিভিন্ন আন্দোলনৰ লগত জড়িত আছিল। ১৯৩০-৩২, ১৯৪০-৪১ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

গৰ্গ ভৰালী :

ভকতগাঁও। পিতৃ গৌৰী ভৰালী। তেওঁ ১৯২০ চনত জালিৱানাৱালাবাগৰ হত্যাকাণ্ডৰ প্ৰতিবাদত সভাত বক্তৃতা দিছিল। গৌৰী ভৰালীক অসমৰ ভিতৰত সৰ্বপ্ৰথম কানি বৰ্জন আন্দোলনৰ পিকেটিঙৰ বাবে ৩ মাহ ফাটেক আৰু ৫০ টকা জৰিমনা কৰে। ১৯৩০ চনৰ আৰু ১৯৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰে। '৪২ চনত পলাতক কৰ্মীক আশ্ৰয় দি নিজেও বিভিন্ন প্ৰকাৰে আন্দোলনত ভাগ লৈছিল। তেওঁ জীৱনৰ শেষলৈকে গান্ধীজীৰ গঠনমূলক কামত লিপ্ত আছিল।

গণেশ বৰঠাকুৰ :

জখলাবন্ধা, কলিয়াবৰ। জন্ম ১৮৮৫, মৃত্যু ১৯৬২। পিতৃ ধাতুৰাম শৰ্মা। গণেশ বৰঠাকুৰে ১৯২১ চনত কংগ্ৰেছৰ কামত আত্ম-

নিয়োগ কৰে। ১৯২১ চনত ৭ মাহ, ১৯৩০ চনত ৩ মাহ আৰু ১৯৪২ চনত ৩ মাহ সশ্রম কাৰাবৰণ কৰে। তেখেতৰ পত্নী গুণেশ্বৰী দেৱীও জেল খাটে। বৰঠাকুৰক ১০০০ টকা জৰিমনা অনাদায়ৰ বাবে আকৌ ৩ মাহ ফাটেক দিয়াৰ উপৰিও পুলিচৰ নানান ধৰণৰ নির্যাতন ভোগ কৰে। ১৯৬২ চনত তেখেতৰ মৃত্যু হয়।

গিৰিকান্ত বৰুৱা ঃ

ফৌজদাৰি পটি, নগাঁও টাউন। পিতৃ মুহিকান্ত বৰুৱা। এজন নীৰৱ কংগ্রেছ কর্মী আছিল। ১৯৩০ চনত চাৰি মাহ ১৯৪২ চনত ১ বছৰ কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা হয়। পিছত ১৯৪৩ চনত কিছুদিনৰ বাবে আটকবন্দী হৈ আছি ১৩।১১।৪৩ তাৰিখে মুক্তি পায়।

শ্বহীদ গুনাভি বৰদলৈ ঃ

১৯১০ চনত নগাঁৱৰ ভালুকমাৰি দৰঙীয়া গাঁৱত ১০ মার্চত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনৰ ২৬ আগষ্টৰ দিনা বহাৰ জোঙালনেহ গড়ৰ ওচৰত বাজ আনিয়েদি মিলিটেৰীৰ গাড়ী অহাৰ ব্যাঘাত জন্মোৱাৰ প্ৰচেষ্টা কৰি থকা অৱস্থাতে মিলিটেৰীৰ পহৰাদাৰৰ গুলিত মৃত্যু বৰণ কৰে।

গুণাৰাম শইকীয়া ঃ

ভোটাইগাঁও, নগাঁও। তেখেতে ১৯২১ চনৰ লোকেল বোর্ডৰ এম ভি স্কুলৰ চাকৰি ইস্তফা দি আন্দোলনত নামে। নিকামুল শাখা কংগ্রেছ কমিটিৰ সম্পাদক হিচাপে কার্যনির্বাহ কৰিছিল। ১৯৩০ চনত গ্রেপ্তাৰ হৈ মুক্তি পায়। ১৯৪২ চনৰ নৱেম্বৰ মাহত গ্ৰেপ্তাৰ হৈ এমাহ জেল আৰু ৩০.০০ টকা জৰিমনা হয়। ১৯৪৫ চনৰ মে মাহত মৃত্যু হয়।

গুণকান্ত মহন্ত ঃ

ৰাইদঙীয়া, নগাঁও। পিতৃ দীননাথ মহন্ত। ১৯৩০ চনত তেওঁ কংগ্ৰেছত যোগদান কৰে। ২৬ জানুৱাৰীৰ পতাকা উত্তোলন, স্বাধীনতাৰ সংকল্প গ্রহণ, শোভাযাত্রা আদিত অংশ গ্ৰহণ কৰিছিল।

উত্তম চন্দ্ৰ বৰা :

বাঘৰচুক, পুবথৰীয়া, কলিয়াবৰ। পিতৃ ঋষেশ্বৰ বৰা। ১৯২১ চনত ৭ মাহ কাৰাদণ্ড ভোগ কৰে। ৪।১।২২ চনত ৭ মাহ জেল হয়। তেওঁ আজীৱন কংগ্ৰেছৰ কামত লিপ্ত আছিল। ১৯৩০ আৰু ১৯৪১-৪২ চনৰ আন্দোলনতো সক্ৰিয় সহযোগ আগবঢ়াইছিল আৰু পুলিচে কেবাৰো ঘৰ খানাতালাচ কৰি জুলুম কৰিছিল।

উমা কান্ত বৰা :

যমুনামুখ। পিতৃ শুকুৰাম বৰা। ১৯২১ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। তেওঁ এজন বিশেষ কংগ্ৰেছ সংগঠক আছিল। পাণ্ডু কংগ্ৰেছৰ খাদী উৎপাদন কামত তেওঁ জড়িত আছিল। ১৯৩০, ১৯৩২, ১৯৪১-৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কণ চন্দ্ৰ লস্কৰ :

ভলভলীয়া গাঁও, কামপুৰ। পিতা কেৰু লস্কৰ। ১৯৪২ চনত ১৫ মাহ কাৰাদণ্ড ভোগ কৰে। কামৰূপত ১৯৪২ চনৰ আগষ্ট মাহত ১৪৪ ধাৰা জাৰি কৰে। কামপুৰক কেন্দ্ৰ কৰি চৌপাশে থকা গাঁৱৰ কংগ্ৰেছৰ যুৱকবৃন্দই ১৪৪ ধাৰা ভঙ্গ কৰিবলৈ ১৯ আগষ্টত সিদ্ধান্ত কৰে। সেই হিচাপে তেওঁলোকে বিভিন্ন গাঁৱৰ সমদল কেন্দ্ৰ-স্থলত উপস্থিত হৈ শোভাযাত্ৰা কৰি যাওঁতে এচ ডি চি অফিচ, অন্য অফিচ আৰু ৰেলষ্টেচন আক্ৰমণ কৰে। পুলিচৰ লোককো তেওঁ-লোকে আক্ৰমণ কৰে। ৰাতি তেওঁলোকক গ্ৰেপ্তাৰ কৰি ৬ মাহ জেল দিয়ে।

কনক কলিতা :

দক্ষিণ চাংচকী, কামপুৰ। পিতৃ গণক কলিতা। ১৯৪২ চনত ১৫ মাহ কাৰাদণ্ড ভোগ কৰে। তেওঁ মৃত্যু বাহিনীৰ নায়ক হিচাপে কাম কৰিছিল। নগাঁৱৰ বিভিন্ন ধ্বংসাত্মক কামত জড়িত থকা অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু অনেক পুলিচী জুলুম সহ্য কৰিব লগা হৈছিল।

গোলোক বৰুৱা :

কুঁৱৰীটোল, নগাঁও। ১৯৪২ চনৰ আন্দোলনত যোগদান দিয়া বাবে পুলিচে গ্ৰেপ্তাৰ কৰি ভীষণভাৱে মাৰধৰ কৰে। ৪ মাহ হাজোতত ৰখাই পিছত ১৯৪৫ চনত মুক্তি দিয়ে।

গোলোক বৰঠাকুৰ :

বৰভগীয়া, কলিয়াবৰ। পিতৃ মহেশ্বৰ বৰঠাকুৰ। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। পিছত কলিয়াবৰ অঞ্চলত কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনীৰ সংগঠন কৰিছিল। গোলোক বৰঠাকুৰ মৃত্যু বাহিনীৰো সদস্য আছিল। আৰু কলিয়াবৰ অঞ্চলৰ ধ্বংসাত্মক কাম কৰা সন্দেহত ১৯৪৩ চনৰ এপ্ৰিল মাহত তেওঁক গ্ৰেপ্তাৰ কৰি ১৯৪৪ চনৰ জুন মাহলৈ আটক বন্দী হিচাপে জেলত ৰাখে। ১৯৪৪ চনৰ জুলাই মাহত তেওঁ মুক্তি পায় যদিও ঘৰত নজৰবন্দী হিচাপে থকাৰ নিৰ্দেশ দিয়ে। ১৯৪৪ চনৰ ডিচেম্বৰ মাহত উক্ত আদেশ প্ৰত্যাহাৰ কৰে। তেওঁ পুনৰ কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰে আৰু আজীৱন সমাজকৰ্মী হিচাপে কাম কৰি যায়।

গোলোক চন্দ্ৰ গোস্বামী :

আমোলাপট্টি। পিতৃ চন্দ্ৰধ্বজ গোস্বামী। ১৯২১ চনত ৯ মাহ কাৰাদণ্ড হয়। এজন বিশিষ্ট কৰ্মী হিচাপে কংগ্ৰেছৰ বিভিন্ন গঠনমূলক আন্দোলনত যোগদান কৰিছিল।

গোলাপ চন্দ্ৰ বৰুৱা :

বৰুৱাচুক। তেওঁ ১৯২১ চনত কংগ্ৰেছৰ আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ খাদী প্ৰচলন, প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন, কানি বৰ্জন আৰু গান্ধীজীৰ গঠনমূলক কামক ৰূপায়িত কৰিছিল। ১৯২১ চনত গান্ধীজী নগাঁৱলৈ যাওঁতে উপায়ুক্ত ৰাজহুৱা পথাৰত মিটিং কৰিবলৈ নিদিয়াত এওঁ এজন লোক আছিল যিজনে ৰাতিৰ ভিতৰতে এখন বহল বাৰী চাফা কৰি মিটিঙৰ কাৰণে প্ৰস্তুত কৰি তুলিছিল। তেওঁ ১৯২১ চনত গ্ৰেপ্তাৰ হয় আৰু বিচাৰত ৬ মাহ ফাটেক হয়।

গোলোক ভূঞা :

তেতেলিপাৰা, কামপুৰ। পিতৃ হৰি ভূঞা। তেওঁ কলিয়াবৰ অঞ্চলৰ এজন মুখ্য কংগ্ৰেছ কৰ্মী আছিল। ১৯৩০ আৰু ১৯৩২ চনৰ আন্দোলনত সহযোগ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত তেওঁ বিভিন্ন গুপ্ত দলৰ লগত ধ্বংসাত্মক কাৰ্যত লিপ্ত হোৱা অপৰাধত গ্ৰেপ্তাৰ হয়। বন্দুক জব্দ কৰে আৰু বিচাৰত ১৫ মাহ জেল হয়। তেওঁ নগাঁও অঞ্চলৰ এজন বিশিষ্ট চিকাৰী আৰু ৰাজহুৱা অনুষ্ঠান-সমূহত আগভাগ লোৱা আগৰণুৱা লোক আছিল।

গোপাল চন্দ্ৰ হাজৰিকা :

শিলঘাট। পিতৃ বাগিৰাম হাজৰিকা। ১৯২১ চনত তেওঁ অসহযোগ আন্দোলনত যোগদান কৰে। কামধৰা অঞ্চলত কংগ্ৰেছ কমিটি গঠন, সভ্য ভৰ্তি, নেতাসকলৰ বাবে সভা সমিতিৰ আয়োজন আদি কাৰ্য কৰিছিল। ১৯২১ চনত গান্ধীজী অসমলৈ অহাৰ সময়ত তেওঁলোকে সমদল কৰি কামধৰাৰ পৰা সদলবলে মিটিঙত যোগদান কৰিবলৈ আহিছিল। কানি বৰ্জন পিকেটিঙৰ নেতৃত্ব কৰাৰ কাৰণে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু ১৯।১২।২১ তাৰিখে ৬ মাহৰ কাৰাদণ্ডৰ হুকুম দিয়ে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছ অধিবেশনৰ কাৰণে খাদী উৎপন্নৰ অভিযানত খাদীৰ কামত আত্মনিয়োগ কৰে। ১৯৩০-৩২ চনৰ আন্দোলনতো তেওঁ সহযোগ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত পলাতক কৰ্মীক আশ্ৰয় দিয়া বাবে ঘৰ খানাতালাচ হৈছিল। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

গোপাল ডেকা :

চুৰাতৰ বৰী, হেকোদাং বৰী। পিতৃ বালিৰাম ডেকা। ১৯৪২ চনৰ আন্দোলনত ২ মাহ ১০ দিন হাটেক হয়।

ঘনশ্যাম কাকতি :

মৰিকলং। ৮।১।৪৩ তাৰিখে গ্ৰেপ্তাৰ হয়। ৪ মাহ হাজোতত থকাৰ পিছত মুক্তি পায়।

ঘনশ্যাম কাকতি :

সক হয়বৰগাঁও। পিতৃ দুৰ্লভ কাকতি। তেওঁ ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। স্বেচ্ছাসেৱকৰ সংগঠন কৰে আৰু ১৯৩০-৩২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। যদিও জেললৈ যোৱা নাছিল তেওঁ গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৪২ চনত ঘনশ্যাম কাকতি নগাঁৱৰ মৃত্যু বাহিনীৰ সদস্য হয়। ১৯৪৩ চনৰ জানুৱাৰী মাহত তেওঁক গ্ৰেপ্তাৰ কৰি ১ মাহ ১০ দিন জেল দিয়ে। মুক্তিৰ পিছত জেলৰ গেটতে পুনৰ গ্ৰেপ্তাৰ কৰি পুনৰ ১ মাহ ১৮ দিন জেলত ৰাখে। পিছত তেওঁ পলাতক কৰ্মী হিচাপে কাম কৰিছিল।

ঘনকান্ত ৰজা :

আইভেটি, ৰাইদঙিয়া। এজন বিশিষ্ট কৰ্মী আছিল। পলাতক হিচাপে থাকি ধ্বংসাত্মক কামত লিপ্ত আছিল। পুলিচে ঘৰ খানা-তালাচ কৰি তেওঁক নেপাই মাককে মাৰধৰ কৰিলে। ঘনকান্ত ৰজাই মাকৰ লাঞ্ছনা তেওঁবিলাকৰ ৰাজবংশৰ অপমান বুলি ভাবি প্ৰতিজ্ঞাবদ্ধ হৈ বহুদিনলৈ গাত চোলা পিন্ধা নাছিল।

মঃ চৰিফ :

ফৌজদাৰি গাঁও, নগাঁও। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড হয়। নগাঁও মুছলমান সম্প্ৰদায়ৰ ভিতৰত এজন সুসংগঠক আছিল। মহঃ চৰিফে খিলাফৎ আন্দোলনত যোগদান কৰি হিন্দু-মুছলমানৰ ঐক্য আৰু ৰাষ্ট্ৰীয় একতাৰ হকে কাম কৰিছিল। ১৯৩০, ১৯৪১, ১৯৪২ চনৰ আন্দোলনতো তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

চন্দ্ৰকান্ত শৰ্মা :

জাজৰি। ১৯৪২ চনত পাঁচ মাহ কাৰাদণ্ড হয়। এজন স্বাধীন-চিতিয়া লোক আছিল। শেষত এজন সমাজসেৱী হিচাপে জীৱন যাপন কৰিছিল।

চন্দ্ৰ বৰকাকতি :

চিং, আঠগাঁও। পিতৃ কমলা বৰকাকতি। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। ফলত তেওঁৰ ৬ মাহ জেল হয়।

১৯৪২ চনতো আটকবন্দী হৈ থাকে। বৰকাকতিদেৱে আজীৱন সাংগঠনিক কামত ব্যস্ত আছিল। একেৰাহে কেবাবাৰো চিং অঞ্চলত নগাঁৱৰ লোকেল বোৰ্ডৰ সভ্য নিৰ্বাচিত হয়।

চিনাৰাম ডেকাৰজা :

বাৰপূজীয়া। ১৯২১ চন আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ এজন কংগ্ৰেছ কৰ্মী আছিল। ১৯৪২ চনৰ আগতে তেখেতৰ মৃত্যু হয়।

চুম্বক বৰুৱা :

বড়মপুৰ। ৮।১।৪৩ তাৰিখে গ্ৰেপ্তাৰ হয়। ৪ মাহ হাজোতত আৰু ৬ মাহ আটক বন্দী হৈ থাকে।

জগমোহন শৰ্মা :

আমোলাপট্টি, নগাঁও। পিতৃ দিবাকৰ শৰ্মা। সকলো সময়তে কংগ্ৰেছৰ লগত যোগাযোগ কৰি আছিল। ১৯২১ চনৰ আন্দোলনত পিকেটিং কৰাৰ বাবে ৬ মাহ ফাটেক হয়। মুক্তি পোৱাৰ পিছত পৰিয়ালৰ ভৰণ-পোষণৰ কাৰণে যদিও তেওঁ চাকৰিত সোমাইছিল তথাপিও কংগ্ৰেছৰ গঠনমূলক কামত সদায় সহযোগ কৰিছিল।

জয়কান্ত শৰ্মা :

উৰিয়াগাঁও। ১৯৩০ চনৰ আন্দোলনত নাবালক হিচাপে ২৫।১১।৩০ তাৰিখে জয়কান্ত শৰ্মাৰ মাত্ৰ এদিনৰ বাবে সশ্ৰম কাৰা-দণ্ডৰ হুকুম হৈছিল। ১৯৪২ চনৰ গণ-আন্দোলনত কাৰাগাৰলৈ নগৈ আত্মগোপন কৰি সংগঠনৰ মাজেৰে আন্দোলন জীয়াই ৰাখিবলৈ চেষ্টা কৰিছিল।

জাতিৰাম আহোম :

ভৰালীচুক, কলিয়াবৰ। পিতৃ সোনানাথ আহোম। তেওঁ ১৯৩০ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক হয় আৰু সক্ৰিয় হিচাপে ১৯৩২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। জাতিৰাম আহোম নগাঁৱৰ মৃত্যু বাহিনীৰ সদস্য হৈছিল। ১৯৪২ চনৰ ২৩ চেপ্তেম্বৰত গ্ৰেপ্তাৰ

হয় আৰু ৫ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৪৩ চনত মুক্ত হৈ গঠনাত্মক কৰ্মী হিচাপে কাম কৰিছিল।

জগমোহন শৰ্মা :

চাপৰমুখ। পিতৃ চক্ৰা শৰ্মা। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰি ৩ মাহ কাৰাদণ্ড ভোগ কৰে। ইয়াৰ পিছত তেওঁ চাপৰমুখ অঞ্চলৰ গঠনমূলক কামত জড়িত আছিল।

টুনীৰাম বৰুৱা :

পতিয়াপাম, কামপুৰ। পিতৃ বলোৰাম বৰুৱা। এজন নীৰৱ কৰ্মী। ১৯২১ চনত ৬ মাহ, ১৯৩১ চনত ৩ মাহ কাৰাবাস হয়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছ অধিবেশনৰ কাৰণে খদ্দৰ কাপোৰ যোগান ধৰাৰ দায়িত্বত আছিল। ১৯৩৩ চনত অসমৰ বাহিৰলৈ যায় আৰু তেতিয়াৰ পৰা নিৰুদ্দেশ হয়। শুনামতে সীমান্ত গান্ধী, চৰ্দাৰ পেটেল এওঁলোকৰ লগত থাকেগৈ। পিছত মৃত্যু হয়।

শ্বহীদ ঠগীৰাম সুত :

শিঙিয়া পোটনি, নগাঁও। বড়মপুৰৰ বৰচাপৰিত বৰভোজৰ শুভ যাত্ৰাত অংশ গ্ৰহণ কৰাত মিলিটেৰীৰ গুলিত ১৮।৯।৪২ তাৰিখে মৃত্যু বৰণ কৰে। মৃত্যুৰ সময়ত বয়স আছিল ১৮ বছৰ। ১৯৪২ চনত শ্ৰীযুত মহেন্দ্ৰনাথ হাজৰিকাই এটা মুক্তি বাহিনী গঠন কৰিছিল। মুক্তি বাহিনীত যোগদান কৰাসকলৰ উদ্দেশ্য আছিল 'কৰিম কিম্বা মৰিম'। এনে উদ্দেশ্য আগত ৰাখিয়েই ঠগী সুতে সকল্প গ্ৰহণ কৰি মিলিটেৰীৰ গুলীত প্ৰাণ হেৰুৱায়।

তৰুণ লস্কৰ :

নিজ কামপুৰ। পিতৃ ভবক লস্কৰ। কামপুৰত ১৯৪২ চনৰ আন্দোলন অতি তীব্ৰ হৈ উঠিছিল। কলেজৰ এচাম ছাত্ৰই বিপ্লৱী কাৰ্যত জড়িত আছিল। ১৯৪২ চনৰ ১৮ আগষ্টত ১৪৪ ধাৰা ভঙ্গ কৰি ৰাইজে শোভাযাত্ৰা কৰি পোষ্ট অফিচ আৰু অন্যান্য চৰকাৰী অফিচ ধ্বংস কৰাৰ উপৰিও ৰেল ষ্টেচন আক্ৰমণ কৰিছিল আৰু পুলিচৰ আক্ৰমণক বাধা দিছিল। তেওঁক ৰাতি গ্ৰেপ্তাৰ কৰে। বিচাৰত ১৫ মাহ কাৰাদণ্ড বিহে।

শ্বহীদ তিলক ডেকা :

মৰিগাঁও মহকুমাৰ চৰাইবাহী গাঁৱৰ মণিৰাম ডেকাৰ পুত্ৰ। জন্ম ১৯২৪, মৃত্যু ১৯৪২ চনৰ ২৮ আগষ্ট। ১৯৪২ চনৰ ২৮ আগষ্ট তাৰিখে ৰাতি বাৰপুজীয়া গাঁৱত শান্তিসেনা পহৰা দি থাকোতে গাঁৱলৈ মিলিটেৰী সোমোৱাত শিঙা ফুকি ৰাইজক জাননী দিয়াত মিলিটেৰীয়ে তেওঁৰ মূৰত গুলি কৰে আৰু সঙ্গীনেৰে শৰীৰত খুচি ক্ষত-বিক্ষত কৰে। সেই পহৰাদাৰী অৱস্থাতে তেওঁৰ মৃত্যু হয়।

তুৰাকান্ত গোস্বামী মহন্ত :

পুৰাভেটী সত্ৰ, জখলাবন্ধা। পিতৃ শ্ৰীমান চন্দ্ৰ মহন্ত। জখলা-বন্ধা অঞ্চলৰ এজন বিশিষ্ট কৰ্মী। ১৯৪২ চনৰ আন্দোলনত ১০।৪।৪৩ তাৰিখে গ্ৰেপ্তাৰ হৈ ২২ দিন বিচাৰাধীন বন্দী হিচাপে কাৰাবাস খটাৰ পিছত ২১।৩।৪৩ তাৰিখে খালাচ হয়। তেওঁৰ সত্ৰৰ ঘৰ থানাতালাচ কৰিছিল আৰু কেবাবাৰো পুলিচৰ জোৰ-জুলুম চলিছিল। জখলাবন্ধাত বিপ্লৱী কাৰ্যৰ মুখ্য ঘাটি আছিল জখলাবন্ধা সত্ৰ।

তুলসী গগৈ :

ৰহা। ১৯৩০ চনত লীডুৰ কয়লা কোম্পানীৰ চাকৰি এৰি আহে। ১৯৪২ চনত আঢ়ৈ বছৰ কাৰাদণ্ড হয়। এজন গান্ধী কৰ্মী আৰু সৰ্বোদয় কৰ্মী আছিল। ১৯৪২ চনৰ মৃত্যু বাহিনীৰ সংগঠনতো তেওঁ নায়ক আছিল। ৰহা, চাপৰমুখ আদি অঞ্চলৰ ধ্বংসাত্মক কামৰ নেতৃত্ব কৰা অভিযোগত গ্ৰেপ্তাৰ কৰি দুমাহ হাজোতত ৰাখি দেড় বছৰ কাৰাদণ্ড বিহে। জেলৰ পৰা ওলাই আহি তেওঁ ১৯৪৪ চনলৈ পলাতক কৰ্মী হিচাপে আছিল। ৰহা বুনিয়াদী বিদ্যালয়ৰ প্ৰতিষ্ঠা কামত আৰু গান্ধীজীৰ অন্যান্যবিভিন্ন গঠনমূলক কামত তেওঁৰ বিশেষ ৰাপ আছিল। তেওঁ অসম গান্ধী স্মাৰক নিধিৰ তেতেলিয়া কেন্দ্ৰত প্ৰশিক্ষণৰ কামত লিপ্ত আছিল। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

থানুৰাম ভূঞা :

জন্ম ৯।৮।১৯০১, মৃত্যু ১১।৯।১৯৭৯। পিতৃ উমাৰাম ভূঞা, মাতৃ মুহিলা ভূঞা। ১৯২০ চনত হাইস্কুলৰ শেষ পৰীক্ষা বৰ্জন

কৰি আইন অমান্য আন্দোলনত যোগ দিয়ে। ১৯২০ চনৰ পৰা ১৯৪৭, ১৯২১ চনৰ পৰা ১৯৪২ চনলৈকে মুঠতে সাতবাৰ তেখেতক বৃটিছ চৰকাৰে গ্ৰেপ্তাৰ কৰে আৰু মুঠতে ৯ বছৰকাল বন্দী জীৱন যাপন কৰিছিল। ১৯৪২ চনত তিনি বছৰৰ অধিক কাল কাৰাগাৰত কটায়। ১৯৪২ চনৰ ১১ আগষ্টৰ দিনা দিন দুপৰতে শিলঘাটৰ যুদ্ধৰ ঘাটি এটাত জুই জ্বলাই দি ধ্বংস কৰে। এই অগ্নিকাণ্ডত এহেজাৰবো ওপৰ মৃত্যু বাহিনীৰ দল এটাৰো ভূঞাই নেতৃত্ব দিছিল। ১৯৭২ চনত দিল্লীত যি কেইজন মুক্তি যুঁজাৰুক ভাৰত চৰকাৰে তাম্ৰপত্ৰ প্ৰদান কৰিছিল, তাৰ ভিতৰত থানুৰাম ভূঞা অন্যতম এখেতৰ এখন ডাঙৰ দোকান ১৯৪২ চনত ধ্বংস হৈছিল। ১৯৭৯ চনৰ ১১ ছেপ্তেম্বৰত নগাঁও শৈলা চিকিৎসালয়ত শেষ নিশ্বাস এৰে। জীৱনৰ শেষৰ ফালে তেখেতে চছিয়েলিষ্ট পাৰ্টিত যোগ দিছিল।

থুলেশ্বৰ ভূঞা :

নিজ নাগিফলী, কামৰূপ। পিতৃ বস্ত ভূঞা। ১৯৪২ চনত ৫ মাহ ফাটেক খাটে। কামৰূপৰ ৰেল লাইনচ্যুত অপৰাধত বহুতো লোক গ্ৰেপ্তাৰ হৈছিল। তাৰ ভিতৰত ভাৰেমান হাজোতত ৰাখি প্ৰমাণৰ অভাৱত খালাচ দিয়ে যদিও তাৰে ভিতৰতে এওঁ এজন আছিল। কাৰাগাৰৰ পৰা ওলোৱাৰ পিছতো বহুদিন পুলিচৰ নজৰ বন্দীত থাকিব লগীয়া হৈছিল।

থুলেশ্বৰ বৰা :

বগাজান, কুঁৱৰীতল। পিতৃ কান্তিৰাম বৰা। ১৯৪২ চনৰ গণ-আন্দোলনত সক্ৰিয়ভাবে আত্মনিয়োগ কৰিছিল। কংগ্ৰেছৰ কামত ঘূৰি থাকোঁতে তেওঁ ক্ষতিগ্ৰস্ত হৈছিল।

দণ্ডিৰাম কাকতি :

ভেটাইগাঁও, নগাঁও। ১৯৪২ চনত শান্তি সেনা হিচাপে কাম কৰে। ৬ মাহ যোৰহাট জেলত আটক হৈ থাকে। ১৯৮৭ চনত মৃত্যু হয়। তেওঁ কেন্দ্ৰীয় পেঞ্চনাৰ আছিল।

দধিছিং বৰা :

বাৰপুজীয়া পিতৃ বিহুসিংহ ৰজা। এজন পুৰণা নিষ্ঠাবান কৰ্মী। ১৯২১ চনত পণ্ডিত কনক চন্দ্ৰ শৰ্মাৰ তত্ত্বাৱধানত বাৰ

পূজীয়াত বিলাতী কাপোৰ আৰু মাদক দ্ৰব্য বৰ্জনৰ প্ৰচাৰ চলায়। ১৯২১ চনত দুমাহ আৰু ১৯৪২ চনত ৯ মাহ কাৰাদণ্ড হয়। আজীৱন সংগঠন কামতে লিপ্ত থাকি মৃত্যু বৰণ কৰে।

দাস্যাৰাম বৰুৱা ঃ

এজন মেধাৱী আৰু বৃত্তিধাৰী ছাত্ৰ আছিল। তেওঁ ১৯২১ চনৰ আন্দোলনত কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিয়ে আৰু তিনি মাহ ফাটেক হয়। ১৯৩০ আৰু ১৯৩২ চনৰ আন্দোলনতো তেওঁ সহযোগ কৰিছিল। সাদিনীয়া অসমৰ সহকাৰী সম্পাদক হিচাপে আন্দোলনৰ প্ৰচাৰ কাৰ্য চলাইছিল। ১৯৪০-৪২ চনতো কাগজৰ যোগেদি তেওঁ কংগ্ৰেছৰ প্ৰচাৰকাৰ্য চলাইছিল। ১৯৮৬ চনত তেওঁৰ মৃত্যু হয়।

দাসীৰাম ভুঞা ঃ

তেতেলিসৰা, কামপুৰ। এজন গান্ধীবাদী প্ৰবীণ কংগ্ৰেছ কৰ্মী। ১৯৪২ চনত ডেৰমাহ ফাটেক খাটে।

দেৱকান্ত বৰা ঃ

তনতুলীয়া গাঁও, কামপুৰ। পিতৃ জালিৰাম বৰা। আন্দোলনত ১৯৪২ চনত নানাতো যুৱক ছাত্ৰই বিভিন্ন ধ্বংসাত্মক কাৰ্য—ৰেল লাইন-চ্যুত, অফিচত অগ্নিসংযোগ আদি কাম চলাইছিল। তাতে লিপ্ত থকা বুলি ২৩।৯।৪২ তাৰিখে তেওঁক গ্ৰেপ্তাৰ কৰি দুদিন হাজোতত ৰখাৰ পাছত ২৫।৯।৪২ তাৰিখে জামিনত খালাচ দিয়ে।

দেৱেন্দ্ৰ নাথ বৰা ঃ

ফৌজদাৰি পট্টি, নগাঁও। ১৯৪২ চনত নিজ গাঁও বৰঙ্গাবাৰী মৰিগাঁৱত আন্দোলনৰ সংগঠন কামত লিপ্ত আছিল। এবছৰ কাৰাদণ্ড হয়। পাছত এম এ, বি এল পাছ কৰি ভাৰতীয় আৰক্ষী সেৱাৰ (আই পি এছ) উচ্চ পদৰ পৰা অৱসৰ লয়।

দেৱেন্দ্ৰ নাথ বৰা ঃ

উৰিগাঁও, চামগুৰি। পিতৃ ৰুদ্ৰ বৰা। ১৯৪২ চনত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাবাবে তেওঁ গ্ৰেপ্তাৰ হয় আৰু ৫ মাহ জেল হয়।

দেৱেন্দ্ৰ নাথ বৰা :

হাতীচুং, কুজিদাহ। পিতৃ ধলাৰাম বৰা। নিজৰ দাৰিদ্ৰতাক আওকাণ কৰি ১৯৩০ চনৰে পৰা কংগ্ৰেছৰ কামত লিপ্ত থাকে। ১৯৩০ চনত তিনিমাহ আৰু ১৯৪২ চনত ছমাহ কাৰাদণ্ড হয়।

দেহীৰাম কলিতা :

কামৰূপ। ১৯২১ চনত তেওঁ কংগ্ৰেছৰ আন্দোলনত যোগদান কৰে। তেওঁ কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য আছিল। কানিৰ দোকানত পিকেটিং কৰা অপৰাধত আৰু বিদেশী বস্ত্ৰ বৰ্জনৰ বাবে দিয়া আবেদনৰ অপৰাধত তেওঁক গ্ৰেপ্তাৰ কৰে আৰু ৭ মাহ কাটেক হয়। ১৯৩০, ১৯৪০, ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

ধনপুৰ লস্কৰ :

কামৰূপ। শান্তিসেনা হিচাপে কাম কৰিছিল। ১৯৪২ চনৰ শেষভাগত পানীখাইতিৰ ৰেল দুৰ্ঘটনাৰ বাবে গ্ৰেপ্তাৰ হয়। আটকাধীন বন্দী হিচাপে ৬ মাহ জেলত কটায়।

ধনপুৰ লস্কৰ :

ন দেউৰীগাঁও, কামৰূপ। পিতৃ ভোটোক লস্কৰ। ১৯৪২ চনৰ ৮ আগষ্টত মহাত্মা গান্ধী আৰু অন্যান্য নেতৃবৰ্গৰ গ্ৰেপ্তাৰ হোৱা কামৰূপৰ শোভাযাত্ৰাত যাওঁতে শোভাযাত্ৰীসকলে ডাকঘৰ, ৰেলষ্টেচন আৰু অন্যান্য চৰকাৰী অফিচ ধ্বংস কৰা অপৰাধত আৰু পুলিচক আক্ৰমণ কৰা কাৰণে গ্ৰেপ্তাৰ হয়। ১৫ মাহ জেল হয়। ১৯৪৩ চনত তেওঁক গ্ৰেপ্তাৰ কৰি আটকবন্দী হিচাপে ৰাখি ১৯৪৪ চনত মুক্তি দিয়ে। তেওঁ পানীখাইতি ৰেল লাইনচ্যুত অপৰাধতো লিপ্ত আছিল।

ধনীৰাম চৌধুৰী :

চৰাইহাটী, কামৰূপ। পিতৃ মেথন চৌধৰী। ১৯৪২ চনত গান্ধী আৰু অন্যান্য কংগ্ৰেছী নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ পাছত ২৯ আগষ্টত পালন কৰা শোভাযাত্ৰাত ৰামপুৰ অঞ্চলত পোষ্ট অফিচ, ৰেল ষ্টেচন আদি আক্ৰমণ কৰা অপৰাধত শ্ৰীধনীৰাম চৌধুৰী

গ্ৰেপ্তাৰ হয়। বিচাৰত ১৫ মাহ কাৰাদণ্ড হয়। এৰি দিয়াৰ পিছত প্ৰতি সপ্তাহত থানাত হাজিৰ হবলৈ নিৰ্দেশ দিছিল।

ধৰ্মনাথ বৰঠাকুৰ :

জাগীচকা, বাঘজাপ। জন্ম ১৪।১।১৮৮৬, মৃত্যু ২৬।১।১৯৭৭। পিতৃ কাশীনাথ বৰঠাকুৰ, মাতৃ বিচিত্ৰা দেৱী। ধৰ্মনাথ বৰঠাকুৰ নগাঁও জিলাৰ এজন বিশিষ্ট কৰ্মী আছিল। চৰকাৰী মজলীয়া স্কুলৰ শিক্ষক হিচাপে গুৱাহাটীত কৰ্মজীৱন আৰম্ভ কৰে। কিছুকালৰ মূৰত নগাঁও চৰকাৰী হাইস্কুলত শিক্ষকতা কৰে। ১৯২১ চনত আন্দোলনত যোগ দি চাকৰি ইস্তফা দিয়ে। পণ্ডিত কনকচন্দ্ৰ শৰ্মাৰ সহযোগত তেতিয়াৰে পৰা সাংগঠনিক কাম আৰম্ভ কৰি আজীৱন সেই কামতে আত্মনিয়োগ কৰে। ১৯২১ চনত ন মাহ কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা হয়। ১৯৪২ চনত দেড় বছৰ কাৰাবাস খাটে। এখেত এজন নিঃস্বাৰ্থ কৰ্মী, শিক্ষাবিদ, সাহিত্যিক আৰু অভিনেতা আছিল। এখেতৰ যত্নতে জাগী অঞ্চলত হাইস্কুল, ডাক্তৰখানা আদি স্থাপন হয়। তেখেতৰ নিজৰ মাটিতে এখন ছোৱালী হাইস্কুল স্থাপন কৰে।

ধৰণীধৰ মজুমদাৰ :

জখলাবন্ধা। পিতৃ শান্তিৰাম মজুমদাৰ। ১৯২১ চনত তেওঁ অসহযোগ আন্দোলনত যোগ দিছিল। জখলাবন্ধাত কংগ্ৰেছৰ সংগঠনৰ কামত তেওঁ জড়িত আছিল। মহাত্মা গান্ধী অসমলৈ অাহোঁতে শিলঘাটত গান্ধী দৰ্শনৰ কাৰণে এটা বিৰাট সমাবেশৰ সংগঠন কৰিছিল। তেওঁ লোকৰ এটা দল নগাঁওলৈ গান্ধীজীৰ বক্তৃতা শুনিবলৈ আহিছিল। তেওঁ কানি, মদ নিবাৰণ আন্দোলন কৰা বাবে গ্ৰেপ্তাৰ কৰি ৬ মাহ কাৰাবৰণ কৰে। ইয়াৰ পিছতো তেখেতে সংগঠনৰ কামত জড়িত আছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ খাদী কাৰ্যক্ৰমৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ ১৯৪২ চনতো পলাতক কৰ্মীসকলক আশ্ৰয় দিছিল।

নন্দৰাম ডেকা :

জাগীৰোড। পিতৃ আচন্দা ডেকা। ১৯২১ চনত জাগী অঞ্চলত

অসহযোগ আন্দোলনৰ সময়ত মহিলা সংগঠন, কানি বৰ্জন, সূতা কটা কেন্দ্ৰ স্থাপন আদি কাৰ্যত লিপ্ত আছিল। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড আৰু ২৫ টকা জৰিমনা হয়। তিলক স্বৰাজ্য পুঁজিৰ কামতো তেওঁ বিশেষ ভূমিকা গ্ৰহণ কৰে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ খাদী উৎপাদন কামতো তেওঁ এজন মুখ্য কৰ্মী আছিল। ১৯৩০ চনত ২৬ জানুৱাৰীত পতাকা উত্তোলন, শোভাযাত্ৰা আদি কামত অংশ গ্ৰহণ কৰে। ১৯৪০-৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰে। তেওঁ আজীৱন কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰিছিল।

নন্দেশ্বৰ বৰা ঃ

ভোলাগুৰি সত্ৰ। পিতৃ জোনাৰাম বৰা। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কানি আৰু অন্যান্য মাদক দ্ৰব্যৰ বৰ্জন সংক্ৰান্তত পিকেটিং কৰি গ্ৰেপ্তাৰ হয়। ৬ মাহ কাৰাদণ্ড ভোগ কৰে। তেওঁ তিলকৰ স্বৰাজ্য পুঁজিলৈ ধন সংগ্ৰহ কৰিছিল। গান্ধীজী নগাঁৱলৈ অহাঁতে তাত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ উপৰিও গান্ধীজীৰ সকলো গঠনমূলক কাৰ্যতে তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ খাদী কাৰ্যক্ৰমতো তেওঁ অংশ গ্ৰহণ কৰিছিল। ভোলাগুৰি অঞ্চলৰ এজন মুখিয়াল লোক আছিল।

নৰেন শৰ্মা ঃ

টিং, আঠগাঁও। পিতৃ ৰূপণ শৰ্মা। ১৯৪২ চনত ১ বছৰ কাৰাদণ্ড ভোগ কৰিছিল। তেওঁ এজন কংগ্ৰেছ কৰ্মী আছিল আৰু পিছলৈও কংগ্ৰেছৰ গঠনমূলক কামৰ লগত জড়িত আছিল। প্ৰথমে মৃত্যু বাহিনীত যোগদান কৰিছিল।

নালিয়া বৰা ঃ

মৰিগাঁও, গছৰগুৰি। পিতৃ দশাই বৰা। ১৯৩০ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক হৈছিল। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰি ৩ মাহ ফাটেক খাটে। ১৯৮৪ চনত তেওঁৰ মৃত্যু হয়।

নৰেন্দ্ৰ নাথ হাজৰিকা (শৰ্মা) ঃ

পুৰণিগুদাম। জন্ম ১৮৯৬, মৃত্যু ১৯৬৪। পিতৃ যজ্ঞৰাম শৰ্মা, মাতৃ কেতেকী দেৱী। নগাঁৱৰ পুৰণি গুদামত নৰেন্দ্ৰনাথ হাজৰিকা

(শৰ্মাৰ) জন্ম হয়। কলেজত পঢ়ি থকাৰ সময়তে ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৯ মাহ কাৰাবৰণ ভোগ কৰে। তাৰ পিছত ১৯২৩ চনত পাটনা কংগ্ৰেছত যোগ দিয়ে। ১৯৩০ চনত অসম গভৰ্ণৰ 'চাৰ ছানিব হেমেন' উজনি অসমলৈ যোৱাৰ পথত ক'লা পতাকা দেখুৱাৰ কাৰণে নগৰ কৰ্মীসহ পুলিচে আটক কৰি অসহনীয়ভাৱে মাৰপিট কৰে আৰু জেলত দিয়ে। ১৯৩২ চনতো পুনৰ ৯ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰাৰ পাছত ১০০ টকা জৰিমনা নিদিয়াৰ কাৰণে পুনৰ ৩ মাহ সশ্ৰম কাৰাদণ্ড হয়। ১৯৪২ চনতো ৬ মাহ জেল হয় আৰু ১০০ টকা জৰিমনা কৰে। জৰিমনা অনাদায়ৰ কাৰণত ৪১ দিন জেল দিয়ে। ১৯৬৪ চনৰ ২৯ এপ্ৰিলত নিজ বাসভৱনতে মৃত্যু হয়।

নৰেন্দ্ৰ নাথ শৰ্মা :

চাংচকা। পিতৃ ঘনকান্ত শৰ্মা। ১৯৩০ চনত ছাত্ৰ অৱস্থাতে কংগ্ৰেছত যোগদান কৰে। পিছত শিক্ষা লাভ কৰি শিক্ষকতা কৰে। ১৯৪২ চনত গণ বিপ্লৱত যোগ দি মৃত্যু বাহিনীৰ লগ লাগি নানা ধৰণৰ সংগঠনৰ কামত লাগিছিল। তেওঁক ৰাতি ঘেৰাও কৰি পুলিচে গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত ১৫ মাহ কাৰাদণ্ড হয়।

নবীন চৌধুৰী :

কামপুৰ। পিতৃ ফেডেলা চৌধুৰী। ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ সক্ৰিয় সদস্য আছিল। ১৯৪২ চনৰ ২৯ আগষ্টত গান্ধীজী আৰু অন্যান্য নেতাসকলক গ্ৰেপ্তাৰৰ প্ৰতিবাদত চৰকাৰৰ ১৪৪ ধাৰা ভঙ্গ কৰি শোভাযাত্ৰা কৰা অপৰাধত জড়িত কৰি নবীন চৌধুৰীক গ্ৰেপ্তাৰ কৰে আৰু ১৫ মাহ ফাটেক হয়।

নৰনাথ ভুঞা :

কামপুৰ। এওঁ ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন, শোভাযাত্ৰা আদিত অংশ গ্ৰহণ কৰিছিল। ১৯৩০ আৰু ১৯৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল যদিও ফাটেকৰ বিবৰণী পোৱা নাযায়। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি পুলিচৰ মাৰত আঘাত পাইছিল। ১৯৮৪ চনত তেওঁৰ মৃত্যু হয়।

নৰেন্দ্ৰ নাথ বৰা ঃ

বৰজহা, নগাঁও। পিতৃ জি আৰ বৰা। ১৯৪২ চনত পড়া এৰি আন্দোলনত যোগ দিয়ে। ১৪৪ ধাৰা ভঙ্গৰ অপৰাধত ৪।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ কাৰাদণ্ড ভোগ কৰে।

নলিনী কান্ত গোহাঁই ঃ

জখলাবন্ধা। পিতৃ ফটিক গোহাঁই। ১৯২১ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। তেওঁ জখলাবন্ধা অঞ্চলৰ কংগ্ৰেছ কমিটিৰ সংগঠনৰ কাম, খাদী গ্ৰামোদ্যোগৰ প্ৰচলন, স্বেচ্ছাসেৱক বাহিনী গঠন আদি কামত দেহে কেহে আত্মনিয়োগ কৰিছিল। ১৯২১ চনৰ ৬ মাহ জেলৰ পাছত অৱসাদ আহে যদিও জখলাবন্ধাৰ কৰ্মীসকলৰ লগ লাগি তেখেতে বিভিন্ন সংগঠনৰ কামত লাগিছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত খাদী উৎপাদনৰ কামত তেওঁ সহযোগ কৰিছিল। কৃষক আন্দোলনত আৰু ১৯৪২ চনৰ অসহযোগ আন্দোলনৰ এজন ডাঙৰ সমৰ্থক আছিল। লগতে বিভিন্ন ৰাজহুৱা কামতো আগভাগ লৈছিল। ১৯৮২ চনত তেওঁৰ মৃত্যু হয়।

নিশাৰাম নাথ ঃ

মটুৰাগাঁও। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। তেওঁ ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন, শোভাযাত্ৰা আদিত অংশ গ্ৰহণ কৰিছিল। কানি বৰ্জন, বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনত অংশ গ্ৰহণ কৰা বাবে পুলিচে গ্ৰেপ্তাৰ কৰি তিনি মাহ জেল দিয়ে। তেওঁ ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিবেশনৰ খাদী উৎপাদনৰ কামত নটুৱা গাঁও অঞ্চলৰ সংগঠনৰ কাম কৰিছিল। ১৯৪০-৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। আজীৱন এজন কংগ্ৰেছ কৰ্মী আৰু সমাজ সেৱক আছিল।

নীলকান্ত মহন্ত ঃ

ভোটাইগাঁও। পিতৃ পীতাম্বৰ মহন্ত। ১৯৩০ চনত জাতীয় পতাকা উত্তোলন, শোভাযাত্ৰা আদি কাৰ্যক্ৰম কৰোতে ২ মাহ জেল হয়। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰে আৰু ১৯৪৩ চনত ৬ মাহ জেল হয়। জেলৰ পৰা মুক্তি পোৱাৰ পিছত জেলৰ গেটতে

পুনৰ গ্ৰেপ্তাৰ কৰি কিছুদিন জেলত আবদ্ধ কৰি ৰাখি ১৯৪৩ চনতে মুক্তি দিয়ে। তেওঁ আত্মগোপনকাৰী কৰ্মী হিচাপে ১৯৪৪ চনলৈ কাম কৰিছিল। দেশ স্বাধীন হোৱাৰ পিছত তেওঁ আজীৱন কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰিছিল।

নৃপেন পাতৰ :

বৰঙাবাৰী। পিতা বংশী পাতৰ। ১১।২।৪৩ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰে আৰু ২১।৪।৪৩ তাৰিখে ৪ মাহ কাৰাদণ্ড ভোগে। জনজাতি লোকৰ ভিতৰত এজন বিশিষ্ট কৰ্মী আছিল। বৰঙাবাৰী অঞ্চলত কংগ্ৰেছৰ সংগঠনৰ আৰু সকলো ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল।

পদ্ম হাজৰিকা :

কুঁৱৰীটোল, নগাঁও। ১৯৪২ চনৰ মুক্তি আন্দোলনত শান্তি সেনা হিচাপে কাম কৰাত ৬ মাহ যোৰহাট জেলত আবদ্ধ হৈ থাকে। তেওঁ কেন্দ্ৰীয় মুক্তি-যোদ্ধাৰ পেঞ্চন পাইছিল।

পদ্ম নাৰায়ণ অধিকাৰী :

ৰূপহী। পিতৃ হৰিশ্চন্দ্ৰ অধিকাৰী। তেওঁ ১৯২১ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰে। ১৯২২ চনত গ্ৰেপ্তাৰ হয় আৰু বিচাৰত ৬ মাহ জেল হয়। জেলৰ পৰা মুক্তি লাভ কৰি পদ্মনাৰায়ণ অধিকাৰীয়ে খেতিত মনোযোগ দিয়ে। কংগ্ৰেছৰ এজন মুখ্য সমৰ্থক আছিল। ১৯৩০, ১৯৩২ আৰু ১৯৪০-৪২ চনৰ আন্দোলনত সহায় সহযোগ আগবঢ়াইছিল। ৰূপহী অঞ্চলৰ বিভিন্ন ৰাজহুৱা উন্নয়ন কামত আগ ভাগ লৈছিল। দেশ স্বাধীন হোৱাৰ পিছত পঞ্চায়ত, সমবায় আদি বিভিন্ন অনুষ্ঠানৰ দায়িত্ব বহন কৰিছিল। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

পৰমানন্দ ওজা :

নগাঁও টাউন। পিতৃ ৰামদাস ওজা। ১৯৪২ চনত ৫ মাহ কাৰাবৰণ কৰে। এজন কংগ্ৰেছ কৰ্মী আছিল। তেওঁৰ এখন আয়ুৰ্বেদিক ঔষধালয় আছিল।

পদ্মৰাম জামাদাৰ :

ভোটাইগাঁও, নগাঁও। পিতৃ বুদু (ভদৰাম) জামাদাৰ। ১৯২১ চনত কংগ্ৰেছৰ আন্দোলনত যোগদান কৰে। তিলক স্বৰাজ্য ফাণ্ড আৰু কানি বৰ্জন আৰু বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনৰ লগত জড়িত আছিল। ১৯৪২ চনত তেওঁৰ ৬ মাহৰ কাৰাদণ্ড হৈছিল। এজন কংগ্ৰেছ কৰ্মী হিচাপে বিভিন্ন গঠনমূলক কামৰ লগত জড়িত আছিল।

পীৰজান আলী :

সুতাৰগাঁও। পিতৃ বামছেদ আলী। ১৯২১ চনত খিলাফৎ আৰু কংগ্ৰেছৰ আন্দোলনত যোগ দি সংগঠনৰ কামত লাগে। তেওঁ হিন্দু মুছলমানৰ ঐক্যৰ হকে কাম কৰিছিল। ১৯২২ চনত তেওঁক গ্ৰেপ্তাৰ কৰি তিনিমাহ জেল দিয়ে। জেলৰ পৰা ওলাই ৰাষ্ট্ৰীয় ঐক্য আৰু গঠনমূলক কামৰ লগতে অন্যান্য কামো কৰিছিল। ১৯৩০ চনত জাতীয় পতাকা উত্তোলন আৰু শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ এজন মুখিয়াল লোক আছিল।

পুষ্পকান্ত শইকীয়া :

গড়মৰ, পূৰণিগুদাম। ৮।১।৪৩ তাৰিখে গ্ৰেপ্তাৰ হয়। ৪ মাহ হাজোতত ৰখাৰ পাছত ৮।৫।৪৩ তাৰিখৰ পৰা ৬ মাহ আটক বন্দী হৈ থাকে। তেখেত কেন্দ্ৰীয় পেঞ্চনাৰ আছিল।

পুহিৰাম কলিতা :

জখলাবন্ধা। ১৯২১ চনত তেওঁ অসহযোগ আন্দোলনত যোগদান কৰিছিল। গান্ধীজী ১৯২১ চনত নগাঁওলৈ যাওঁতে এওঁলোকে শিলঘাটৰ জাহাজঘাটত বহুতো স্বেচ্ছাসেৱক লগত লৈ গান্ধীজীক দৰ্শন কৰিবলৈ গৈছিল। কানিৰ দোকানত পিকেটিং কৰা অপৰাধত তেওঁক গ্ৰেপ্তাৰ কৰি ৬ মাহ ফাটেক দিয়ে। তেওঁ গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। ১৯৩১-৩২ চনৰ আন্দোলনত তেওঁ সহযোগ কৰি নিৰ্যাতিত হৈছিল। ১৯৪২ চনত পলাতক কংগ্ৰেছ কৰ্মীক আশ্ৰয় দিয়া অভিযোগত ঘৰ খানাতালাচ কৰে আৰু অত্যাচাৰ চলে।

পদ্মকান্ত ডেকা ঃ

বাৰপুজীয়া। পিতৃ কুশৰাম ডেকা। ২০।১১।৪২ তাৰিখে ১ বছৰ ৬ মাহ আৰু পাছত ১ বছৰ কাৰাদণ্ড ভোগ কৰে। তেওঁ ২৬।৬।৪৪ তাৰিখলৈ নজৰবন্দী হৈ থাকে। বাৰপুজীয়া অঞ্চলৰ এজন গান্ধীবাদী লোক আছিল।

পোহিৰাম শইকীয়া ঃ

চতিয়াল্লি, কলিয়াবৰ। পিতৃ মুহিৰাম শইকীয়া। ১৯২১ চনত পোহিৰাম শইকীয়াই অসহযোগ আন্দোলনত যোগ দিয়ে। তাৰ পিছত ১৯২২ চনৰ জুলাই মাহত গ্ৰেপ্তাৰ কৰি বিচাৰত তেওঁক ৬ মাহ ফাটেক দিয়ে। মুক্তিৰ পাছত তেওঁ কংগ্ৰেছৰ গঠনমূলক কামত অংশ গ্ৰহণ কৰে। ১৯৩০ আৰু ১৯৪০ চনত যদিও সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল তথাপি সকলোতে সহযোগ আগবঢ়াইছিল। কলিয়াবৰৰ এজন মুখ্য লোক আছিল। '৪২ চনত পলাতক কৰ্মীক সহায় কৰা বাবে পুলিচে তেওঁক হাৰাশাস্তি কৰে। ১৯৭২ চনত তেওঁৰ মৃত্যু হয়।

পোৱাল বৰা ঃ

হেকোদাংবৰী। পিতৃ ধনী বৰা। পোৱাল বৰা শান্তিসেনাৰ এজন সংগঠক আছিল। চৰকাৰে শান্তিসেনা সংগঠনক বেআইনী ঘোষণা কৰাত গ্ৰেপ্তাৰ হৈ ১৯৪৩ চনত ২ মাহ ২৪ দিন কাৰাবাস খাটে।

পূৰ্ণ চন্দ্ৰ শৰ্মা ঃ

আমোলাপট্টি, নগাঁও। পিতৃ বিষ্ণু শৰ্মা। ১৯২১ চনত আইনৰ পৰীক্ষা বাদ দি আন্দোলনত যোগ দিয়ে। নগাঁও জিলাত কংগ্ৰেছৰ সংগঠনৰ কামত লাগে। ওকালতি পাছ কৰি ১৯২৯ চনৰ পৰা একেৰাহে কংগ্ৰেছৰ সংগঠনৰ শুৰি ধৰিছিল। ১৯৪২ চনত নগাঁও জিলাৰ শান্তি সেনাৰ অধিনায়ক আছিল। পূৰ্ণচন্দ্ৰ শৰ্মাই ১৯২১ চনত ২৫ দিন, ১৯৩১ চনত ৬ মাহ আৰু ১৯৩২ চনত ১ বছৰ কাৰাবৰণ ভোগ কৰে। ২৩।৮।৪২ ৰ পৰা ১৫।৫।৪৫ লৈ আটক বন্দী হৈ থাকে। ১৯৩৭ ৰ পৰা ১৯৫২ চনলৈ একেৰাহে ১৫ বছৰ অসম বিধান সভাৰ সদস্য আৰু ১৯৫৬ চনৰ পৰা ১৯৬২ চনলৈ ৰাজ্য সভাৰ সদস্য আছিল।

পূর্ণ কান্ত শইকীয়া ঃ

লতাইমাৰী। পিতৃ ভেবেলা শইকীয়া। পূর্ণকান্ত শইকীয়াক ১৯২১ চনত বিদেশী বস্ত্র বর্জন আৰু কানি নিবাৰণ কামত লগাৰ বাবে পুলিচে গ্রেপ্তাৰ কৰি ৬ মাহ কাৰাদণ্ড বিহে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন কৰা, শোভাযাত্রা উলিওৱা আৰু সভা-সমিতি পতা অপৰাধত গ্রেপ্তাৰ কৰি ৬ মাহ জেল দিয়ে। ১৯৪২ চনৰ গণ-আন্দোলনতো তেওঁ মৃত্যু বাহিনীত যোগদান কৰি পলাতক হিচাপে কাম কৰি থকা অপৰাধত গ্রেপ্তাৰ কৰি ৬ মাহ কাৰাদণ্ড বিহে। আজীৱন সক্রিয় কংগ্রেছ কর্মী আছিল।

পূর্ণ চন্দ্র বৈষ্ণৱ ঃ

টোপাকুচি, ৰহা। পিতৃ সৰুৰাম। ১৯৪২ চনত 'ভাৰত ত্যাগ' গণ-আন্দোলনৰ গাঁৱে গাঁৱে শান্তি সেনা সংগঠনত তেওঁ আত্মনিয়োগ কৰে। এই শান্তিসেনা সংগঠনটোৱে ভাৰতৰ গণ-আন্দোলনৰ এটা শক্তিশালী আহিলা হিচাপে পৰিগণিত হোৱাত বৃটিচ চৰকাৰে তাক বে-আইনী ঘোষণা কৰি, শান্তি সেনা সংগঠন আৰু ইয়াৰ প্রশিক্ষক-সকলক গ্রেপ্তাৰ কৰি শাস্তি বিহিছিল। ১৯।৮।৪২ তাৰিখে পূর্ণচন্দ্র বৈষ্ণৱ গ্রেপ্তাৰ হয় আৰু বিচাৰত তিনিটা ধাৰাত ক্রমে ১ বছৰ, ৬ মাহ আৰু ১ বছৰৰ উপৰিও ১০০ টকা জৰিমনা হয়। দণ্ডাদেশ একেলগে কার্যকৰী হোৱাৰ নির্দেশ দিয়াত মুঠতে ২ বছৰ কাৰাবাস হৈছিল। পিছৰ জীৱনতো কংগ্রেছৰ আদর্শত সমাজ সেৱাত লিপ্ত আছিল।

প্রতাপ চন্দ্র শর্মা ঃ

আমোলাপট্টি, নগাঁও টাউন। পিতৃ সূর্য দত্ত। ১৯৪২ চনত কাৰাদণ্ড হয়। জেলৰ পৰা মুক্তি পোৱাৰ পিছত ভালেদিনলৈ ওকালতি বর্জন কৰিছিল। তেখেতৰ ঘৰখন সেই সময়ত পলাতক কর্মীসকলৰ আৰু জেলৰপৰা মুক্তি পোৱা ৰোগগ্রস্ত কর্মীসকলৰ আশ্রয়ৰ থল আছিল। শর্মাৰ পত্নী পদ্মাৱতী দেৱীয়ে সেইসকলক আনন্দমনেৰে সেৱা শুশ্রূষা কৰিছিল। তেওঁ এসময়ৰ অসম বিধান সভাৰ সদস্য আছিল।

প্ৰবোধ গগৈ :

বহাচকী। পিতৃ কেশৱ গগৈ। ১৯৪২ চনত চৰকাৰী কাৰ্যালয় আদি দখল কৰা কামত লিপ্ত আছিল। দুবছৰ কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত আৰু কিছুদিনৰ বাবে কাৰাদণ্ড হয়। পাছত গান্ধীবাদী সমাজসেৱক হিচাপে আত্মপ্ৰতিষ্ঠা কৰিছিল।

প্ৰেমকান্ত বৰুৱা :

ভেবেঙ্গাআটী, কামপুৰ। পিতৃ লক্ষেশ্বৰ বৰুৱা। প্ৰেমকান্ত বৰুৱাই ১৯৪২ চনৰ গণ-আন্দোলনত মৃত্যু বাহিনীত যোগদান কৰি পলাতক অৱস্থাত থাকোঁতে পুলিচে গ্ৰেপ্তাৰ কৰি ৬ মাহ জেল দিয়ে। তেওঁ নগাঁও লোকেল বোৰ্ডৰ এজন সক্ৰিয় সদস্য হিচাপে কাম কৰিছিল আৰু অন্যান্য গঠনমূলক বিভিন্ন সামাজিক অনুষ্ঠান, প্ৰতিষ্ঠান আদিৰ লগত জড়িত আছিল।

প্ৰেমধৰ গোস্বামী :

ন'নৈ। পিতৃ হলধৰ গোস্বামী। ১৯৩০ চনত তেওঁ ছাত্ৰ আন্দোলনৰ লগত জড়িত আছিল। আইন অমান্য আন্দোলনৰ পিছত তেওঁ পুনৰ শিক্ষা গ্ৰহণ কৰি শিক্ষকতা কাম কৰে আৰু ১৯৪২ চনৰ গণ-আন্দোলনত চাকৰি ত্যাগ কৰি গাঁৱত সংগঠনৰ কামত আত্ম-নিয়োগ কৰে। তেওঁৰ ঘৰ ঘেৰাও কৰি তেওঁক পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ১৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ফটিক চন্দ্ৰ বৰা :

চতিয়াল। ১৯২১ চনত চতিয়াল অঞ্চলত তেওঁ কংগ্ৰেছ সংগঠন, স্বেচ্ছাসেৱক সংগঠন আৰু খাদী গ্ৰামোদ্যোগত আত্মনিয়োগ কৰে। কানি দোকানত পিকেটিং কৰা বাবে ১৯২১ চনত ৬ মাহ ফাটেক খাটে। ১৯২১ চনত নগাঁৱত গান্ধীজী আহোঁতে গান্ধী দৰ্শনৰ কাৰণে এটা দল লৈ যায় আৰু হাবি জংঘল কাটি অন্য স্বেচ্ছাসেৱীৰ লগতে মহাত্মা গান্ধীৰ মিটিঙৰ কাৰণে ঠাই উলিয়াইছিল। তিলক স্বৰাজ পুঁজিলৈও টকা সংগ্ৰহ কৰিছিল। ফটিক চন্দ্ৰ বৰাই ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছলৈ খাদী যোগোৱা কাৰ্যক্ৰমত সক্ৰিয় অংশ গ্ৰহণ কৰি-

ছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা অভিনন্দন, শোভাযাত্ৰা, ৰাজহুৱা সভা আদিত আগভাগ লৈছিল। প্ৰতিটো আন্দোলনতে তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল লগতে পুলিচৰ দ্বাৰা নিৰ্যাতিতও হৈছিল।

ফনীন্দ্ৰ নাথ বৰা :

পতিয়াগ্ৰাম, কামপুৰ। ফনীন্দ্ৰনাথ বৰা ১৯২১ চনত কামপুৰৰ কংগ্ৰেছ সংগঠনত জড়িত আছিল। কামপুৰৰ গাঁৱে-ভূঞে স্বেচ্ছাসেৱী সংগঠন, সুতাকটা কেন্দ্ৰ, কানি বৰ্জন, বিদেশী বস্ত্ৰ বৰ্জন আদি কাৰ্যৰ বাবে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু ৭ মাহ কাৰাদণ্ড দিয়ে। পাছলৈ তেওঁ কংগ্ৰেছৰ সকলো গঠনমূলক কামতে সহযোগ কৰে।

ফটিক ডেকা :

ঢেকেনাবাংৰী। মিৰিল ভেটা শাখা কংগ্ৰেছৰ সম্পাদক আছিল। ১৯৪২ চনত গুপুতে থাকি আন্দোলনত সহায় কৰিছিল। তেওঁ শান্তি সেনা সংগঠন কৰি শিবিৰ আদি স্থাপন কৰিছিল। আৰু পলাতক হিচাপে কাম কৰিবলগীয়া হৈছিল। গুপ্ত সংগঠনত থকা বুলি পুলিচে জোৰ জুলুম কৰিছিল। ঘৰ খানাত লাঠি মাৰি শাস্তি দিছিল।

বদন চন্দ্ৰ বৰদলৈ :

১৯১০ চনৰ এপ্ৰিল মাহত কলিয়াবৰৰ ফুলগুৰিটোল ভড়ালীচুকত বদনচন্দ্ৰ বৰদলৈয়ে জন্মগ্ৰহণ কৰে। পিতৃ বুদুৰাম বৰদলৈ। ১৮২৮ চনত উচ্চ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈয়েই মহাত্মা গান্ধীৰ নেতৃত্বত চলি থকা স্বাধীনতা আন্দোলন দেখি পঢ়া-শুনা বাদ দি ১৯২৯ চনত জখলাবন্ধাত থকা ভলণ্টিয়াৰ শিবিৰত নাম ভৰ্তি কৰি আন্দোলনত নামি পৰে।

১৯৩০ চনত মদ আৰু কানিৰ দোকানত পিকেটিং কৰোঁতে চিকনি বাগানৰ মেনেজাৰে বনুৱা লগাই কোবাওঁতে গুৰুতৰভাবে আহত হয়। সেই বছৰতে এনে কাৰ্যৰ বাবে জখলাবন্ধাত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ কাৰাদণ্ড বিহে। ১৯৩১ চনৰ চেপ্তেম্বৰ মাহত যোৰহাটত বহা ৰাষ্ট্ৰীয় সন্মিলনত যোগ দিয়ে। ১৯৩২ চনত নগাঁও সেৱাদলত যোগদান কৰি প্ৰশিক্ষণ লয়। ১৯৩৩ চনৰ মে' মাহত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত ৩ মাহ কাৰাদণ্ড বিহে।

১৯৩৯ চনত কলিয়াবৰত সত্যাগ্ৰহ আন্দোলনৰ নেতৃত্ব দিয়ে। নিজে চামগুৰিত হেজাৰ মানুহৰ মাজত সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ বৰণ কৰে আৰু বিচাৰত ৬ মাহ কাৰাদণ্ড হয়। ১৯৪২ চনৰ আন্দোলনতো গ্ৰেপ্তাৰ হয় আৰু ২৭।১০।৪২ তাৰিখে ১ বছৰ সশ্ৰম কাৰাদণ্ডৰ হুকুম হয়। তাৰ পিছতো ২২।১২।৪৪ তাৰিখে আটকবন্দী হিচাপে জেলত ৰাখে। ১৯৭২ চনৰ জুলাই মাহৰ ২১ তাৰিখে ডিব্ৰুগড়ৰ এখন নাৰ্চিং হোমত হাড়ৰ কেন্সাৰ ৰোগত ভুগি মৃত্যুৰ মুখত পৰে।

বাপাৰাম বৰা ঃ

পোটনী। পিতৃ সুতাই বৰা। কংগ্ৰেছৰ এজন নিষ্ঠাবান সংগঠক আৰু সমাজ সেৱক আছিল। ১৯৪২ চনত আঠ মাহ কাৰাদণ্ড হয়।

বলোৰাম ভূঞা ঃ

কলিয়াবৰ পুৰথখীয়া। গান্ধীবাদী কংগ্ৰেছৰ আশাশুধীয়া কৰ্মী আছিল। ২৬।৬।৪০ তাৰিখে কলিয়াবৰ অঞ্চলৰ উলুগণি গাঁৱত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত যোগ দিয়াৰ ফলত দুবাৰ গ্ৰেপ্তাৰ হৈ মুঠতে ৬ মাহ ১৫ দিন কাৰাবাস খাটে। বলোৰাম ভূঞাই শান্তিসেনা শিবিৰত প্ৰশিক্ষণ দিছিল। চৰকাৰে শান্তিসেনা বে-আইনী ঘোষণা কৰি তেওঁক শাস্তি দিছিল। তেওঁ এজন মুখ্য সংগঠক হিচাপে কাম কৰিছিল।

বিনোদ শইকীয়া ঃ

ৰূপহী, মণিটমাৰী। পিতৃ পুনাৰাম শইকীয়া। বিনোদ শইকীয়া ১৯০১ চনত জন্ম গ্ৰহণ কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি ৰূপহী বজাৰত কানি দোকানত পিকেটিং কৰাৰ কাৰণে পুলিচে অতি বেয়াকৈ মাৰধৰ কৰি তেখেতৰ শৰীৰ ঘূণীয়া কৰে আৰু ৬ মাহ কাৰাদণ্ড দিয়ে। তেওঁ ৰূপহী আঞ্চলিক কংগ্ৰেছৰ সম্পাদক আৰু শঙ্কৰ সংঘৰ প্ৰতিষ্ঠাপক হিচাপে থাকি ১৯৬৭ চনৰ ২৩ নৱেম্বৰত মৃত্যুমুখত পৰে।

বসন্ত কুমাৰ ভট্টাচাৰ্য্য ঃ

চাপৰমুখ। পিতৃ শম্ভু ভট্টাচাৰ্য। ১৯৪২ চনত তেওঁ কংগ্ৰেছৰ মৃত্যু বাহিনীত যোগদান কৰি পলাতক অৱস্থাত থাকি বেল বগাবোৱা

আৰু অন্যান্য অপৰাধত গ্ৰেপ্তাৰ হয় আৰু ডেৰ বছৰ জেলত থাকি মুক্তি পোৱাৰ পিছত কংগ্ৰেছৰ গঠনমূলক কামত আত্মনিয়োগ কৰি আজীৱন এজন সমাজসেৱী হিচাপে কাম কৰে।

বসুদেৱ বৰঠাকুৰ :

নগাঁৱ। পিতৃ ভদ্ৰকান্ত বৰঠাকুৰ। বসুদেৱ বৰঠাকুৰ এজন একনিষ্ঠ কৰ্মী আছিল। ১৯৩২ চনত ৬ মাহ ফাটেক আৰু ১০০ টকা জৰিমনা হয়। অনাদায়ে আৰু দুমাহ ফাটেক হয়। ১৯৪৩ চনত ৬ মাহ কাৰাদণ্ড হয়। পাছত জেলৰ পৰা মুক্তি হোৱাত পুনৰ গ্ৰেপ্তাৰ কৰি আটক বন্দী কৰি ৰাখে।

বিৰাজ কান্ত গোস্বামী :

তেওঁ ভেৰভেৰি অঞ্চলৰ এজন কংগ্ৰেছ কৰ্মী-আছিল। ১৯৪২ চনত গোস্বামী শান্তি সেনাৰ সংগঠক আছিল। শান্তিসেনা বেআইনী ঘোষণা কৰাত তেওঁক গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ কাৰাদণ্ডৰ হুকুম হয়।

বিনোদ হাজৰিকা :

কলিয়াবৰৰ সোণাৰীগাঁৱত ১৯২৭ চনত জন্ম গ্ৰহণ কৰে। পিতাৰ নাম নন্দৰাম হাজৰিকা। ১৯৪২ চনত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু ৬ মাহ জেল হয়। ১৯৭৮ চনৰ ১ জুনত মৃত্যু হয়।

বীৰচিং ডেকা :

বাৰপূজীয়া। পিতৃ সোণাধৰ ডেকা। ১৯৪২ চনত শোভাযাত্ৰা, সভা-সমিতি পাতি গাঁও সংগঠনত লিপ্ত আছিল। ১৯৪২ চনত তেওঁ শান্তিসেনা সংগঠনত লিপ্ত থকা বাবে তাক বেআইনী ঘোষণা কৰি তেওঁক গ্ৰেপ্তাৰ কৰে আৰু ১ বছৰ জেলত ৰাখে।

বীৰচিং নাথ :

নটুৱাগাঁও, জাগীৰোড। পিতৃ অভিৰাম নাথ। বীৰচিং নাথে ১৯২১ চনত কানি বৰ্জন আৰু বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনত যোগ দিয়ে। তিলক স্বৰাজ্য পুঁজিৰ কামত তেওঁ যোগদান কৰে। কানি

বৰ্জন অপৰাধত তেওঁক গ্ৰেপ্তাৰ কৰি ৩ মাহ কাৰাদণ্ড দিয়ে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ খাদী উৎপাদনৰ কামৰ এজন আগৰণুৱা কৰ্মী আছিল। ১৯৪২ চনৰ গণ-আন্দোলনতো তেওঁ অংশ গ্ৰহণ কৰিছিল। তেওঁ আজীৱন এজন কংগ্ৰেছৰ নিষ্ঠাবান কৰ্মী আছিল।

বেণু শইকীয়া :

শুৱলাগাঁও, কামপুৰ। ১৯৪২ চনত হাইস্কুলৰ শিক্ষা বাদ দি আন্দোলনত লাগে। তেওঁ শান্তি সেনা আৰু শোভাযাত্ৰা আদিত যোগদান কৰা কাৰণে বেআইনী ঘোষণা কৰি গ্ৰেপ্তাৰ কৰে আৰু ২ মাহ জেল দিয়ে।

বুধিৰাম বৰদলৈ :

মনহা মৌজা, কোঁৱৰ গাঁও। পিতৃ মঞ্জু বৰদলৈ। এওঁ এজন নিষ্ঠাবান কংগ্ৰেছ কৰ্মী আছিল। তেওঁ মৃত্যু বাহিনীৰ সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ বিখ্যাত পানীখাইতি ৰেল লাইনচ্যুত অপৰাধত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ যত্ন কৰিও পলাতক হিচাপে থকা বাবে গ্ৰেপ্তাৰ কৰিব নোৱাৰি পৰিয়ালৰ ওপৰত অত্যাচাৰ কৰে। ১৯৬০ চনত তেওঁৰ মৃত্যু হয়।

বেথাৰাম বৰা :

হাতীচুং, কামপুৰ। পিতৃ শুকমল বৰা। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। কামপুৰ অঞ্চলৰ স্বেচ্ছাসেৱী সংগঠন আদিৰ কামৰ লগতে তিলক স্বৰাজ্য পুঁজিলৈ ধন সংগ্ৰহৰ কামো কৰিছিল। কানিৰ দোকানত পিকেটিং কৰা আৰু মাদকদ্ৰব্য নিবাৰণৰ অপৰাধত তেওঁক গ্ৰেপ্তাৰ কৰি ৬ মাহ জেল দিয়ে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

বেণুধৰ লস্কৰ :

কামপুৰ। পিতৃ বালিৰাম লস্কৰ। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। তেওঁ মাদকদ্ৰব্য নিবাৰণ আৰু কানিৰ দোকানত পিকেটিং কৰা অপৰাধত গ্ৰেপ্তাৰ হয় আৰু ৭ মাহ ফাটেক হয়। বেণুধৰ লস্কৰে কামপুৰ অঞ্চলৰ কংগ্ৰেছৰ সংগঠন, স্বেচ্ছাসেৱী

সংগঠন আৰু বিদেশী কাপোৰ বৰ্জন আৰু খাদী প্ৰচলনৰ কামত আত্মনিয়োগ কৰিছিল। তেওঁ কামপুৰ অঞ্চলৰ কংগ্ৰেছৰ এজন মুখ্য সংগঠক আছিল। ১৯৪০-৪২ চনৰ গণ-আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

বেণুধৰ ডেকা :

কপাহএৰা। পিতৃ ভোগবৰ ডেকা। ১।৩।৪৩ তাৰিখে ছমাহ কাৰাদণ্ড হয়। আৰু পাছলৈ আটক বন্দী হৈ থাকে। মুঠতে দুবছৰ সাতমাহ কাৰাৰুদ্ধ হৈ থাকে। সেই অঞ্চলৰ এজন বিশিষ্ট কংগ্ৰেছ কৰ্মী আছিল। তেওঁ শান্তি সেনাৰ এজন প্ৰধান সংগঠকো আছিল।

ভোগেশ্বৰী ফুকননী :

ইতিহাসপ্ৰসিদ্ধ আহোম বংশোদ্ভৱ আত্মাৰাম বুঢ়াগোহাঁইৰ পত্নী নীলেশ্বৰীৰ পাঁচটি গৰ্ভজাত সন্তানৰ ভিতৰত দ্বিতীয়টিৰ নাম আছিল ভোগেশ্বৰী। ভোগালী বিহুৰ ভোগ বিলাসৰ উৎসৱৰ দিনত জন্মগ্ৰহণ কৰা সাৰ্থকনামা ভোগেশ্বৰী গোহাঁইয়ে স্বামীও বাছি ললে স্বনামা—ভোগেশ্বৰ ফুকনক। স্বদেশপ্ৰেমী আদৰ্শ মহিলা, ছটা পুত্ৰ আৰু দুগৰাকী কন্যাৰ মাতৃ হৈও ষাঠি বছৰ বয়সত বিয়াল্লিছৰ গণ-আন্দোলনত জপিয়াই পৰিল ভোগেশ্বৰ। বঢ়মপুৰত হোৱা আন্দোলনৰ অধিনায়িকা আছিল ফুকননী।

নগাঁৱৰ বঢ়মপুৰত স্বেচ্ছাসেৱীসকলৰ প্ৰশিক্ষণ শিবিৰত হঠাৎ পুলিচৰ আক্ৰমণ চলিল। ১৬ চেপ্তেম্বৰ তাৰিখে পুলিচে প্ৰশিক্ষণ শিবিৰৰ কৰ্মীসকলক গ্ৰেপ্তাৰ কৰিলে। ৰাইজে সিদ্ধান্ত ললে ১৮ চেপ্তেম্বৰত তলা ভাঙি শিবিৰ মুকলি কৰা হ'ব। প্ৰায় আঠৈশমান পুৰুষ মহিলাৰ দল এটি প্ৰত্যেকে হাতত পতাকা লৈ বন্দেমাতৰম ধ্বনি দি ওলাই আহিল শান্তিপূৰ্ণভাৱে। জনতাই সমস্বৰে ধ্বনি তুলিলে, 'ভাৰত মাতা কি জয়'। কামাণ্ডাৰ আৰু পুলিচৰ বিষয়াই শোভাযাত্ৰীৰ দলটিক আগভেটি ধৰিলে আৰু ক'লে 'ঝাণ্ডা গিৰাও'। ভোগেশ্বৰী ফুকনৰ জীয়ৰী ৰত্নমালাই ক'লে 'বন্দে মাতৰম্'। পুলিচ বিষয়াই এইবাৰ বিকট চিঞৰ মাৰি ক'লে, ঝাণ্ডা গিৰাও।' ৰত্নমালাই আকৌ ক'লে, 'মহাত্মা গান্ধী কি জয়'। লগে লগে ৰত্নমালাক হাতৰ পৰা

পতাকা কাঢ়ি লবলৈ টনা-আঁজোৰা লগালে। জনতাই সমস্বৰে ধ্বনি তুলিলে, 'ভাৰত মাতাকি জয়'। বত্নমালাই কোনোপধ্যে পতাকা এৰি নিদিলে। ভোগেশ্বৰী আইতাই আৰু সহ্য কৰে কেনেকৈ? নিজৰ হাতত থকা পতাকাখনৰ মাৰিডাল দুহাতেৰে ধৰি সজোৰে মিঃ ফ্লাবৰ মূৰত টঙনিয়ালে। ক্ষন্তেকৰ বাবে পুলিচ বিষয়া ফ্লাবে সৰিয়হ ফুল দেখা যেন পালে। পিছ মূহূৰ্ততে ঘোৰ অপমানত ব্যাথিত হৈ আইতা ভোগেশ্বৰী ফুকননীৰ মূৰৰ খোলা পুলিচে উকৰাই দিলে। পতাকাৰ সন্মান ৰক্ষা কৰি ভোগেশ্বৰী আইতা জীয়ৰী বত্নমালাৰ কোলাত ঢলি পৰিল। দুদিন মৃত্যু যন্ত্ৰণাত চটফটাই থাকি ২০ চেপ্তে-ম্বৰৰ দিনা ভেবভেৰী গাঁৱৰ নিজা বাসভৱনত আইতাই ইহলীলা সম্বৰণ কৰি বিশ্ব শ্বহীদৰ নভোমণ্ডলত এটি উজ্জ্বল তৰা হৈ জিলিকি থাকিল।

ভদ্ৰ হাজৰিকা :

উৰিয়াগাঁও, নগাঁও। ভদ্ৰ হাজৰিকা ১৯৪২ চনত আন্দোলনত মৃত্যু বাহিনীৰ কামত লিপ্ত আছিল। প্ৰায় ডেড় বছৰৰ অধিক কাল কাৰাবৰণ কৰিছিল।

ভগীৰথ ভূঞা :

আলীচুক কুঁৱৰীটোলা। পিতৃ মণিৰাম ভূঞা। ১৯২১ চনৰ আন্দোলনত যোগ দি ৬ মাহ কাৰাদণ্ড ভোগে। তেওঁ আন্দোলন স্থগিত হোৱাত নিজৰ ব্যৱসায় আৰম্ভ কৰে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত কৃষ্ণ শৰ্মা, কনক শৰ্মা আদি কৰ্মীক নগাঁৱৰ খাদী উৎপাদনৰ কামত সহায় কৰিছিল আৰু কংগ্ৰেছৰ বিভিন্ন কামত জড়িত আছিল। ১৯৩০, ১৯৩২, ১৯৪০, ১৯৪২ চনৰ আন্দোলনতো সকলোপ্ৰকাৰে সহায় আগবঢ়াইছিল। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

ভদ্ৰ হাজৰিকা :

মৰিগাঁও। পিতৃ নীলকান্ত হাজৰিকা। নগাঁৱৰ প্ৰবীণ নেতা মহেন্দ্ৰনাথ হাজৰিকাৰ নেতৃত্বত ১৯৪২ চনৰ গণ-আন্দোলনত কিছু-মান পশ্চাৎঘাতী কামৰ বাবে বন্দুক আৰু চাইকেল চুৰিৰ অভিযান চলোৱা হৈছিল। এই বন্দুক চুৰি অভিযোগত তেওঁ ১৬।২।৪৩ তাৰিখে গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ কাৰাদণ্ড হয়। তাৰ পাছত ৮।৯।৪৪

তাৰিখৰ পৰা ১৬৷৯৷৪৫ তাৰিখলৈ এবছৰ আটকবন্দী হিচাপে থাকিব লগীয়া হয়।

ভুবন চন্দ্ৰ বৰা :

পিতৃ দুৰ্গাৰাম বৰা। ভুবনচন্দ্ৰ বৰাই, ১৯২১ চনত কংগ্ৰেছত যোগদান কৰি পুবথৰীয়া অঞ্চলৰ কংগ্ৰেছৰ সংগঠন, বিদেশী বস্তু বৰ্জন, কানি নিবাৰণ আদি কাম কৰে। তিলক স্বৰাজ পুঁজিৰ ধনো সংগ্ৰহ কৰিছিল। কানিৰ দোকানত পিকেটিং কৰা অপৰাধত ৬ মাহ জেল হয়। জেলৰ পৰা ওলাই তেওঁ সংগঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

১৯৩০, ১৯৩২, ১৯৪০, ১৯৫২ চনৰ আন্দোলনত সহযোগ আগ-বঢ়াইছিল আৰু কংগ্ৰেছৰ সংগঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

ভুবন ভূঞা :

ভলভলীয়া, কামপুৰ। পিতৃ আঘোণা ভূঞা। ১৯৪২ চনৰ গণ-আন্দোলনত যোগদান কৰাৰ কাৰণে ৩১৷৩৷৪৩ তাৰিখে গ্ৰেপ্তাৰ হয় আৰু এমাহ কাৰাদণ্ড ভোগ কৰে।

ভুবন চন্দ্ৰ বায়ন :

মুগাচুঙিয়া গাঁও, কামপুৰ। পিতৃ মহৎ বায়ন। ১৪৪ ধাৰাৰ নিষেধাজ্ঞা ভঙ্গ কৰি ২৫৷৮৷৪২ তাৰিখে কামপুৰত বিৰাট শোভাযাত্ৰা বাহিৰ কৰি চৰকাৰী কাৰ্যালয় আৰু সা-সম্পত্তি ধ্বংস কৰাৰ বাবে ১২৷১০৷৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। ১০০ টকা জৰিমনা অনাদায়ে ৪২ দিনৰ কাৰাদণ্ড হয়। কাৰাদণ্ডৰ হুকুম বিহি নগাঁও জেলৰ পৰা চিলেট জেললৈ বদলি কৰিছিল।

ভোগেশ্বৰ ৰাজখোৱা :

দক্ষিণপাট, কামপুৰ। পিতৃ চণ্ডী ৰাজখোৱা। ১৯৩০ চনৰ পৰা তেওঁ এজন কংগ্ৰেছ কৰ্মী আছিল। কামপুৰৰ দক্ষিণ গাঁৱত স্বেচ্ছাসেৱক আৰু শান্তিসেনা সংগঠন কৰিছিল। ১৯৪২ চনত ৪ মাহ আটক বন্দী হয়।

ভোলাৰাম শইকীয়া :

শিলঘাট। পিতৃ সীতাৰাম শইকীয়া। ১৯৪২ চনৰ ভাৰত ত্যাগ গণ-আন্দোলনত যোগ দান কৰা বাবে ১৬৷১৷৪৩ তাৰিখে

গ্ৰেপ্তাৰ হয় আৰু ২৬ দিন বিচাৰাধীন অপৰাধী হিচাপে কাৰাগাৰত থকাৰ পিছত খালাচ দিয়ে।

মতিৰাম বৰা :

জন্ম ১৮৮৭ চনত নগাঁও জিলাৰ বনভাবাৰীত। পিতৃ বুদ্ধৰাম আৰু মাতৃ ৰূপহী বৰা। গাঁৱৰ স্কুলত প্ৰাথমিক শিক্ষা শেষ কৰি নগাঁও চৰকাৰী হাইস্কুলৰ পৰা ১৯১৭ চনত প্ৰথম বিভাগত প্ৰবেশিকা পাছ কৰে। কটন কলেজৰ পৰা বি এ পাছ কৰি প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰি কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ইতিহাসৰ এম এ পাছ আৰু আইনৰ উপাধিও পাছ কৰে। ১৯২৫ চনত নগাঁও আদালতত ওকালতি আৰম্ভ কৰে। ১৯২৫-২৬ চনত লোকেল বোৰ্ডৰ সদস্য নিৰ্বাচিত হয়। ১৯৫০ চনলৈ লোকেল বোৰ্ডৰ সদস্য থাকি কালক্ৰমত ভাইচ চেয়াৰমেন আৰু চেয়াৰমেন হয়। ১৯৩০ চনত আইন অমান্য আন্দোলনত কাৰাবৰণ কৰে। ১৯৪২ চনত ১৮ মাহ কাৰাদণ্ড আৰু পঁচিশ টকা জৰিমনা অনাদায়ত পুনৰ ৪ মাহ জেল হয়। ১৯৪৪ চনত জেলৰ পৰা ওলাই নগাঁও কলেজ স্থাপন কৰে। ১৯৪৪ চনৰ ১৫ আগষ্ট তাৰিখে পুনৰ আটকবন্দী হৈ ১৮।৫।৪৫ তাৰিখে মুক্তি লাভ কৰে।

১৯৪৬-৪৭ চনত অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৫০ চনত গোপীনাথ বৰদলৈ মন্ত্ৰীসভাৰ কেবিনেট কাৰ্যালয়ৰ মন্ত্ৰী। পিছত শিক্ষা, ৰাজহ আৰু বিত্ত বিভাগৰ দায়িত্ব গ্ৰহণ কৰে। মেধি মন্ত্ৰীসভাত ৭ বছৰ কাল থাকি নিষ্ঠাৰে আৰু সততাৰে অতি গুৰুত্বপূৰ্ণ বিত্ত আৰু ৰাজহ বিভাগ পৰিচালনা কৰে। বৰা এজন নিৰ্ভীক, স্পষ্টবাদী, মৰমিয়াল আৰু পৰোপকাৰী ব্যক্তি আছিল।

গুৱাহাটীৰ শ্ৰীমন্ত শঙ্কৰ কৃষ্টি বিভাগ সমিতি, পুৰীৰ শঙ্কৰ সমাজ আৰু মধ্যপুৰ সত্ৰ সমাজৰ তেখেত উদ্যোক্তা। তেখেতৰ প্ৰেৰণাত নগাঁও জিলাত বহুতো নামঘৰ, কীৰ্তনঘৰ আৰু সাংস্কৃতিক অনুষ্ঠানৰ জন্ম হয়। নগাঁও শ্বহীদ ভৱন, নগাঁও কংগ্ৰেছ ভৱন, লোকপ্ৰিয় বৰদলৈ হল, নবীনচন্দ্ৰ বৰদলৈ ভকেচনেল ইনষ্টিটিউট আদি বৰাৰ আশাশুধীয়া চেষ্টাৰ ফল। বৰাৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত নগাঁৱৰ শ্ৰীমন্ত শঙ্কৰ মিচন, বৰদোৱা সত্ৰ পুনৰ নিৰ্মাণ হয়। শ্ৰীমৎ

স্বামী কৃষ্ণপ্ৰসাদ ব্ৰহ্মচাৰীৰ উদ্যোগত প্ৰতিষ্ঠিত মৰিগাঁও নীতা সত্ৰৰ বৰাদেউ অন্যতম নিৰ্মাতা। ১৯৬২ চনৰ ১১ এপ্ৰিল তাৰিখে বৰা ডাঙৰীয়াৰ পৰলোকপ্ৰাপ্তি ঘটে।

মহীচন্দ্ৰ বৰা ঃ

নগাঁও জিলাৰ কলং কপিলিৰ উৰ্বৰা ভূমি দেৱনাৰিকৰি গাঁৱত ১৮৯৪ চনত মহীচন্দ্ৰ বৰাই জন্ম গ্ৰহণ কৰে। পিতৃ মলাৰাম বৰা আৰু মাতৃ লাহেশ্বৰী বৰা।

বৰাদেৱে প্ৰাইমাৰীৰ পৰা ল পৰীক্ষালৈ কৃতিত্ব অৰ্জন কৰিছিল। ১৯১৪ চনৰ প্ৰৱেশিকা পৰীক্ষাত তেখেতে অসম উপত্যকাৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰিছিল। কলিকতাৰ বৃটিছ কলেজৰ পৰা বি এল পৰীক্ষাত প্ৰথম শ্ৰেণী লাভ কৰিছিল। ১৯২৫ চনৰ পৰা একেৰাহে আইন ব্যৱসায় কৰি তাত কৃতিত্ব অৰ্জন কৰিছিল। ভাৰতৰ মুক্তি সংগ্ৰামত তেখেতে তিনিবাৰ কাৰাবৰণ কৰিছিল। নগাঁৱৰ শ্ৰীমন্ত শংকৰ মিচন, গুৱাহাটী বিশ্ববিদ্যালয়, অসম সাহিত্য সভা, নগাঁও উকীল সন্থা, নগাঁও স্পোৰ্টচ ক্লাব আদি বহুতো অনুষ্ঠানৰ উদ্যোক্তা আৰু একনিষ্ঠ কৰ্মী হিচাপে বৰাদেৱে কাম কৰিছিল। বৰা দীৰ্ঘ-দিন অসম ব্যৱস্থাপক সভাৰ কৰ্মঠ সদস্য হৈ থকাৰ উপৰিও নগাঁও লোকেল বোৰ্ডৰ সভাপতি আছিল।

বহুমুখী প্ৰতিভাসম্পন্ন বৰাদেৱে কবিতাৰ মাজেৰে সাহিত্যিক জীৱনৰ পাতনি মেলিছিল। তেখেতৰ কবিতা সংকলন 'শান্তিশংক', 'মাণিক'; মাণিক চন্দ্ৰ বৰুৱাৰ জীৱনী অসমীয়া সাহিত্যলৈ বিশিষ্ট অৱদান। গল্পকাৰ হিচাপেও বৰাই অসমীয়া সাহিত্যত বিশেষ স্থান অধিকাৰ কৰিছিল। উষা, বাঁহী, আসাম বান্ধৱ, আৱাহন, বৰদৈচিলা, ভ্ৰমৰ, অঞ্জলি, ৰামধেনু, নতুন অসমীয়া, জন্মভূমি, অসমবাণী আদি আলোচনী আৰু সংবাদ পত্ৰত বৰাৰ বহুসংখ্যক গল্প, কবিতা আৰু প্ৰবন্ধ সিচৰতি হৈ আছে।

মহোৰাম নাথ ঃ

চৰাইবাহী। ১৯৪২ চনত ৪ মাহ কাৰাদণ্ডৰ পাছত ৫।২।৪৪ তাৰিখলৈ আটকবন্দী হৈ থাকে। অঞ্চলটোৰ এজন গঠনমূলক কৰ্মী আছিল।

মহেশ কটকী :

হেকোদাংবৰী। পিতৃ পৰমানন্দ কটকী। অঞ্চলৰ এজন বিশিষ্ট কৰ্মী আছিল। ১৯৪২ চনত গ্ৰেপ্তাৰ হয়। আন্দোলনৰ সময়ত অঞ্চলটোৰ এজন বাৰ্তাবাহক হিচাপে কাম কৰিছিল।

মানিক মহন্ত :

কলিয়াবৰ। পিতৃ নিৰ্মল মহন্ত। তেওঁ ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে আৰু কলিয়াবৰ অঞ্চলত কংগ্ৰেছ কমিটি গঠন আদি বিভিন্ন কামত আত্মনিয়োগ কৰিছিল। গান্ধীজী তেজপুৰৰ পৰা নগাঁৱলৈ শিলঘাটেদি পাৰ হোৱা সময়ত নেতৃত্ব দিয়া এজন প্ৰধান কৰ্মী আছিল। কানি দোকানত পিকেটিং কৰা অপৰাধত গ্ৰেপ্তাৰ কৰি ৭ মাহ ফাটেক দিয়ে। আন্দোলনত স্থগিত হোৱাত তেওঁ গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৩০-৩২ চনৰ আন্দোলনত সভা শোভাযাত্ৰা আদিত অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ অসহযোগ আন্দোলনৰ পলাতক কৰ্মীসকলক সহায় সহযোগ আগবঢ়াইছিল।

মনপুৰ বৰা :

কামপুৰ। ১৯২১ চনত তেওঁ কংগ্ৰেছৰ আন্দোলনত যোগদান কৰে। তেওঁ মাদক দ্ৰব্য নিবাৰণ আৰু বিদেশী বস্ত্ৰ বৰ্জনৰ পিকেটিং কৰা অপৰাধত গ্ৰেপ্তাৰ হৈ ৬ মাহ জেল খাটে। ১৯৩০ আৰু ১৯৪২ চনৰ আন্দোলনতো তেওঁ অংশ গ্ৰহণ কৰিছিল।

মইনা বৰা :

মাজৰআটী। পিতা ভোগপুৰ। ১৯৩০ চনত তেওঁ কংগ্ৰেছত সক্ৰিয় হিচাপে কাম কৰে। ১৯৩০ চনৰ ২৬ জানুৱাৰী পালনৰ শোভাযাত্ৰা, পতাকা উত্তোলন আদি কাৰ্যক্ৰমত যোগদান কৰিছিল। তেওঁক গ্ৰেপ্তাৰ কৰি ৪ মাহ জেল দিয়ে। ১৯৩১ চনতো তেওঁ কংগ্ৰেছ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। '৪১ চনৰ ব্যক্তিগত সত্যাগ্ৰহ আৰু ১৯৪২ চনৰ গণ আন্দোলনতো তেওঁ অংশ গ্ৰহণ কৰিছিল। তেওঁ আজীৱন কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰিছিল।

মঙ্গলেশ্বৰ গগৈ ঃ

চাপানলা, নগাঁও। জন্ম ১৯০১, মৃত্যু ৯।২।৬৭। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগদান কৰা কানিৰ দোকানত পিকেটিং কৰাৰ বাবে পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ জেল হয়। ১৯৪২ চনৰ গণ-আন্দোলনতো মঙ্গলেশ্বৰ গগৈয়ে সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪৩ চনত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ কাৰাদণ্ড দিয়ে। ৬ মাহ কাৰাবাসৰ পাছত পুনৰ গ্ৰেপ্তাৰ কৰি আটক বন্দী কৰি ৰাখি ১৯৪৫ চনত মুক্তি দিয়ে।

চৈয়দ মহবুব আলী ঃ

কুঁৰবীতল, কলিয়াবৰ। পিতৃ চৈয়দ ইছমাইল। মুছলমান সম্প্ৰদায়ৰ এজন কৰ্মী হিচাপে পৰিগণিত আছিল। কলিয়াবৰ কুঁৰবীতল অঞ্চলৰ এজন অসহযোগ আন্দোলন আৰু খিলাফৎ আন্দোলনৰ প্ৰধান কৰ্মী আছিল। তেওঁ গাঁৱে গাঁৱে ৰাইজৰ মাজত প্ৰচাৰকাৰ্য চলাইছিল আৰু হিন্দু-মুছলিম ঐক্যৰ বাবে কাম কৰিছিল। ১৯৩২ চনত তেওঁৰ ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়।

মহেশ্বৰ ৰজা ঃ

কামপুৰ। পিতৃ দুৰ্গা ৰজা। ১৯৪২ চনত মহাত্মা গান্ধী আৰু অন্যান্য বিশিষ্ট নেতৃবৰ্গৰ গ্ৰেপ্তাৰৰ পাছত ৯ আগষ্ট পালন কৰাৰ সময়ত কামপুৰত এটা শোভাযাত্ৰা দলে থানা আৰু ৰেলষ্টেচন আদি ধ্বংস কৰে। সেই অপৰাধত মহেশ্বৰ ৰজাক বিচাৰত গ্ৰেপ্তাৰ কৰিব খোজাত তেওঁ পলাতক অৱস্থাত থাকে। ৪।১০।৪২ তাৰিখে তেওঁক গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখে। ৮।২।৪৩ তাৰিখে ১৫ মাহ জেল হয়।

মহেন্দ্ৰ নাথ দাস ঃ

কেঞ্চাপট্টি, নগাঁও। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুলত পিকেটিং কৰে। গ্ৰেপ্তাৰ কৰি ৬ মাহ কাৰাদণ্ড বিহে। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰে। তেখেতে পলাতক কৰ্মীসকলক গুপুতে সহায় কৰিছিল।

মহেন্দ্ৰ নাথ বৰুৱা ঃ

ফৌজদাৰি পট্টি। পিতৃ মহেশ বৰুৱা। ১৯২১ চনত ৬ মাহ কাৰাবৰণ কৰে। তেওঁ কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আছিল। তেওঁ গান্ধীজীৰ বিভিন্ন গঠনমূলক কামত জড়িত আছিল।

মলিন বৰা ঃ

ফৌজদাৰি পট্টি। জন্ম ১৯০৬, মৃত্যু ৮।১২।১৯৬২। পিতৃ বিলাস বৰা। ১৯৪২ চনত ৬ মাহ কাৰাদণ্ড হয়। এজন কবি আৰু গীতিকাৰ আছিল। তেওঁ গান্ধীজী আৰু অসহযোগ আন্দোলনৰ ওপৰত কবিতা ৰচনা কৰিছিল; সেইবোৰ বৰ জনপ্ৰিয় হৈ উঠিছিল।

মহবুব আলী ঃ

নগাঁও। পিতৃ চমফুল গাঁওবুঢ়া। ১৯২১ চনত বৃত্তি পাই কটন কলেজত পঢ়া অৱস্থাতে আন্দোলনত যোগ দিয়ে আৰু কলেজীয়া শিক্ষা সমাপ্ত হয়। মহবুব আলী খিলাফৎ আন্দোলনৰ এজন প্ৰধান সমৰ্থক আছিল আৰু নগাঁৱত খিলাফৎ আন্দোলনৰ প্ৰচাৰকাৰ্য চলাই-ছিল। ১৯২১ চনৰ ডিচেম্বৰ মাহত তেওঁ গ্ৰেপ্তাৰ হয় আৰু ৬ মাহৰ বাবে ফাটেক হয়। ইতিমধ্যে আন্দোলন স্থগিত হোৱাত তেওঁ নিজৰ ব্যৱসায়ত আত্মনিয়োগ কৰে যদিও ১৯৩০-৩২ চনৰ আন্দো-লনতো সহযোগ কৰিছিল।

মলৌ সুত ঃ

চেলচেলি, বামুণগাঁও। পিতৃ মানু সুত। ১৯৩০ চনত কানিং-হাম চাৰ্কুলাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি স্কুল বৰ্জন কৰি পিকেটিং কৰা বাবে ৬ মাহ হাজোতত ৰাখি এৰি দিয়ে। তাৰ পাছত তেওঁ কংগ্ৰেছৰ ১৯৩২ আৰু ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

মঙ্গলা মহন্ত ঃ

জাজৰী। গান্ধীজীৰ গঠনমূলক কাম কৰিছিল। শান্তিসেনা সংগঠনৰ কামত লিপ্ত থকা বাবে সংগঠনটোক বেআইনী ঘোষণা কৰি ২০।১।৪৩ তাৰিখে তেওঁক গ্ৰেপ্তাৰ কৰে আৰু ২ মাহ ৪ দিন বিচাৰাধীন বন্দী হিচাপে কাৰাগাৰত ৰাখি থালাচ দিয়ে।

মিলাৰাম বৰুৱা ঃ

পতিয়াপাম, কামপুৰ। পিতৃ সোণাধৰ বৰুৱা। ১৯৪২ চনত ছাত্ৰ অৱস্থাতে আন্দোলনত যোগ দিয়ে। তেওঁ শান্তি সেনা বাহিনীৰ সদস্য আছিল। পুলিচে কামপুৰৰ শান্তি বাহিনীৰ কেন্দ্ৰ ভঙ্গ কৰি তাত থকা অন্যান্য ছাত্ৰ সকলৰ লগতে মিলাৰাম বৰুৱাকো গ্ৰেপ্তাৰ কৰে। কামপুৰৰ ধ্বংসাত্মক কাৰ্যত লিপ্ত থকা অপৰাধত তেওঁৰ ১৫ মাহ ফাটেক হয়।

মুকুতা ডেকা ঃ

জাগীভকত গাঁও। পিতৃ সত্য ডেকা। কানি দোকানত পিকেটিং কৰা বাবে ১৯২১ চনত জাগীৰোডৰ পৰা গ্ৰেপ্তাৰ হয়। তেখেতে ১৯৩০ চনৰ ২৬ জানুৱাৰীত জাতীয় পতাকা উত্তোলন আৰু শোভাযাত্ৰাত অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য আৰু আজীৱন গঠনমূলক কৰ্মী আছিল।

মোহন চন্দ্ৰ গুণ ঃ

ইটাচালী। পিতৃ মহিমচন্দ্ৰ গুণ। ১৯২১ চনত মোহনচন্দ্ৰ গুণে স্কুল বৰ্জন কৰি আন্দোলনত নামে। নগাঁৱত কংগ্ৰেছৰ সংগঠন আৰু গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯২১ চনৰ ডিচেম্বৰ মাহত তেওঁ গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ জেল হয়। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ তেখেতে নায়ক আছিল। ১৯৩০ চনত তেওঁৰ তিনিমাহ জেল হয়। ১৯৩২ আৰু ১৯৪২ চনৰ গণ-আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

মোহন চন্দ্ৰ লালুং ঃ

বামুণকটা গাঁও, জাগীৰোড। পিতৃ থোলোক লালুং। ১৯২১ চনত জাগীৰোডৰ জাগিভকত গাঁৱত প্ৰথমতে অসমৰ কানি দোকানত পিকেটিং কৰি স্বেচ্ছাসেৱক হিচাপে গ্ৰেপ্তাৰ হয়। আৰু ৭ মাহ ফাটেক লগতে ২৫ টকা জৰিমনা হয়। অনাদায়ে আৰু ১ মাহ ফাটেক হয়। পিছত তেওঁ জাগীৰোড অঞ্চলৰ এজন মুখ্য কংগ্ৰেছ কৰ্মী হিচাপে বিভিন্ন কংগ্ৰেছৰ সংগঠনৰ লগত জড়িত আছিল। ১৯৮৬ চনত মৃত্যু হয়।

মোহন চন্দ্ৰ হাজৰিকা :

কলিয়াবৰৰ সোণাৰীগাঁৱৰ মোহনচন্দ্ৰ হাজৰিকাৰ ১৯২০ চনত জন্ম হয়। পিতৃ মহেশ্বৰ হাজৰিকা। মাইনৰ স্কুলত পঢ়ি থকা অৱস্থাতে কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনত মৃত্যু বাহিনীত যোগ দি ৬ মাহ কাৰাৰুদ্ধ হৈ আছিল। ১৯৭২ চনত মৃত্যু হয়।

মোহিনী বালা গোহাঁয়নী :

জখলাবান্ধা, কলিয়াবৰৰ মোহিনীবালা গোহাঁয়নীৰ স্বামীৰ নাম হৰকান্ত গোহাঁই। তেখেতে জখলাবান্ধা অঞ্চলৰ গুণেশ্বৰী দেৱীৰ নেতৃত্বত মহিলা সংগঠনৰ কাম কৰিছিল। ১৯৩১ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। কানি বৰ্জন, বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনত যোগ দিয়া বাবে বহুবাৰ নিৰ্যাতিত হৈছিল। তেখেতে গান্ধী-অৰউইন চুক্তিমতে মুক্তি লাভ কৰে। ১৯৩০ চনত নগাঁৱত হোৱা মহিলা শোভাযাত্ৰাত গুণেশ্বৰী দেৱীৰ লগত এখেতেও নেতৃত্ব লৈছিল। সেই সময়ত এগৰাকী বিপ্লৱী মহিলা আছিল। আত্মগোপন কৰা কৰ্মীসকলক সহায় কৰা বাবে তেওঁ বহুবাৰ নিৰ্যাতিত হৈছিল।

মোহন চন্দ্ৰ শৰ্মা :

বেবেজীয়া, নগাঁও। পিতৃ ঘনশ্যাম শৰ্মা। ১৯২১ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক সংগঠন আৰু তিলক স্বৰাজ্য পুঁজিলৈ অৰ্থ সংগ্ৰহ কৰিছিল। ১৯২১ চনৰ ডিচেম্বৰ মাহত পুলিচে গ্ৰেপ্তাৰ কৰি ৬ মাহ ফাটেক দিয়ে। মুক্তিৰ পিছত তেখেতে গঠনমূলক কামত যোগদান কৰে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত লগা খাদী উৎপাদনৰ কামত বেবেজীয়া অঞ্চলৰ খাদী উৎপাদনৰ তেখেত মুখ্য সহায়ক আছিল। ১৯৩০ আৰু ১৯৪২ চনৰ গণ-আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বেবেজীয়া অঞ্চলৰ সকলো উন্নয়নমূলক কামত তেওঁ অংশ গ্ৰহণ কৰিছিল। ১৯৮০ চনত তেওঁৰ মৃত্যু হয়।

যোগেশ্বৰ বৰা :

গদাবৰবৰী, হাতীচুঙৰ যোগেশ্বৰ বৰাৰ পিতাৰ নাম বাপুটি বৰা। ১৯৪২ চনত শিক্ষকতা এৰি আন্দোলনত যোগ দিয়াৰ বাবে ৬ মাহ কাৰাদণ্ড হয়। শেষলৈকে কংগ্ৰেছৰ কামত লিপ্ত আছিল।

যমুনী নাথ ঃ

হাতীয়নীভেটা, বড়মপুৰ। যমুনী নাথে ১৯৪২ চনত মহিলা স্বেচ্ছাসেৱক বাহিনী গঠন কৰিছিল। নিজে মৃত্যু বাহিনীৰ এজন কৰ্মী আছিল আৰু মিলিটাৰী পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল। তেখেতসকলে পলাতক কৰ্মীসকলক লুকাই ৰখা কাম কৰিছিল।

ৰমাকান্ত ভূঞা ঃ

পুৰণিগুদাম। ১৯২১ চনত ছমাহ ফাটেক খাটিছিল

ৰত্নকান্ত মহন্ত ঃ

ভোটাইগাঁও। পিতৃ কৃষ্ণকান্ত মহন্ত। ১৯২১ চনৰ পৰা কংগ্ৰেছৰ স্বেচ্ছাসেৱক আছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত যোগ দিছিল। নগাঁৱত খাদী উৎপাদনৰ কামত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত তেওঁ পতাকা উত্তোলন, শোভাযাত্ৰাত যোগদান কৰিছিল। ১৯৪০-৪২ চনৰ আন্দোলনতো সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। তেখেত গঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

ৰমাকান্ত মুক্তিয়াৰ ঃ

ৰমাকান্ত মুক্তিয়াৰৰ পিতাৰ নাম হলধৰ মহন্ত। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন আৰু শোভাযাত্ৰা আদিত অংশ গ্ৰহণ কৰিছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত খাদী উৎপাদনৰ কামত নগাঁৱত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৪০-৪২ চনতো তেওঁ আন্দোলনত যোগ দিয়ে। এজন গঠনমূলক কৰ্মী আছিল।

ৰহমত আলি ঃ

জালুগুটি। পিতৃ ভুটীয়া আলি। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড ভোগে। অঞ্চলটোৰ মুছলমান লোকসকলৰ ভিতৰত এজন সুকৰ্মী আছিল। তেখেতে খিলাফৎ আন্দোলনৰ এজন মুখ্য কৰ্মী আৰু কংগ্ৰেছৰ গঠনমূলক কামৰ এজন প্ৰধান পৃষ্ঠপোষক আছিল। সদায় ৰাষ্ট্ৰীয় ঐক্যৰ হকে কাম কৰিছিল।

ৰবিচৰণ বৰা ঃ

কামপুৰ। পিতৃ কুঞ্জ বৰা। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰি সংগঠনত আত্মনিয়োগ কৰে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ প্ৰয়োজনীয় খাদী কাপোৰৰ উৎপাদনৰ দায়িত্ব নগাঁও জিলাৰ ওপৰত পৰাত তেখেতে কৃষ্ণ শৰ্মাৰ লগত খাদী উৎপাদনৰ কাম আৰম্ভ কৰিছিল। ১৯৪২ চনৰ গণ-আন্দোলনত তেখেতৰ ৬ মাহ ফাটেক হয়।

ৰামেশ্বৰ বৰদলৈ ঃ

জাগীকোঁৱৰ গাঁও। পিতৃ সাধন বৰদলৈ। স্কুলীয়া ছাত্ৰাৱস্থাতে ১৯৪১ চনৰ আন্দোলনত যোগ দিয়ে আৰু চাৰি মাহ সশ্ৰম কাৰাদণ্ড ভোগে। পাছত জেলৰ পৰা ওলাই পঢ়াশুনা কৰি খণ্ড উন্নয়ন বিষয়াৰ চাকৰি কৰিছিল। কিছুদিন আগতে মটৰ দুৰ্ঘটনাত মৃত্যু হয়।

ৰামেশ্বৰ হাজৰিকা ঃ

সোণাৰীগাঁও, কলিয়াবৰ। জন্ম ১০।১।১৯০৫, মৃত্যু ১৯৭২ চন। পিতৃ ৰঘুনাথ হাজৰিকা। ১৯৩০ চনত কানি দোকানত পিকেটিং কৰা বাবে পুলিচে মাৰ-ধৰ কৰে আৰু ৬ মাহ কাৰাদণ্ড বিহে। ১৯৪২ চনতো পুলিচৰ মাৰত আহত হয় আৰু ১ বছৰ ৬ মাহ কাৰাদণ্ড হয়।

ৰাধিকা বৰুৱা ঃ

নগাঁও। পিতৃ বিমল বৰুৱা। ছাত্ৰাৱস্থাত ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ বিৰোধিতা কৰাত তিনিমাহ কাৰাদণ্ড হয়। পাছতো কংগ্ৰেছৰ সকলো কামত সহযোগ কৰিছিল।

ৰাজেন্দ্ৰ নাথ বৰা ঃ

ভোটাই গাঁও। পিতৃ গদাধৰ বৰা। ১৯৪২ চনত ৬মাহ কাৰাদণ্ড হয়। পাছলৈকো কংগ্ৰেছৰ কামৰ লগতে অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক কামত আত্মনিয়োগ কৰিছিল।

ৰামকৃষ্ণ ফুকন ঃ

চাংচকী, কামপুৰ। তেখেত এজন সুসংগঠক আছিল। ১৯৪২ চনৰ আন্দোলনত তিনিমাহ ফাটেক হয়।

ৰূপৰাম সুত :

কপাহএৰা, নগাঁও টাউন। পিতাকৰ নাম সকপাই সুত। ১৯৪২ চনত ছাত্ৰাৱস্থাতে আন্দোলনত যোগ দিয়ে। পানীখাইতি ৰেল দুৰ্ঘটনাত লিপ্ত আছিল। ১৯।৩।৪৩ ৰ পৰা ১৬।৯।৪৫ তাৰিখলৈ আটক বন্দী আছিল। তেখেত অসম বিধান সভাৰ সদস্য আছিল।

ৰুদ্ৰ শইকীয়া :

পুৰণিগুদাম। পিতৃ বাপুৰাম শইকীয়া। তেখেতে ১৯৩০ চনত কলেজ এৰি আন্দোলনত যোগ দিয়ে। পুলিচে হাজোতত ৰাখি পিছত এৰি দিয়ে। তেখেতে ১৯৩০-৩২ আৰু ১৯৪০-৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

শ্বহীদ লক্ষীৰাম হাজৰিকা :

১৯০৭ চনত সিঙ্গিয়া পোতনী মৌজাত লক্ষী হাজৰিকাৰ জন্ম হয়। ১৮।৯।৪২ তাৰিখে বৰ্হমপুৰৰ বৰভোজৰ শোভাযাত্ৰাত মিলিটেৰীৰ গুলিত প্ৰাণ বলি দিয়ে।

লক্ষীকান্ত শইকীয়া :

লতাইমাৰী। জন্ম ১৯০১, মৃত্যু ৯।৮।১৯৬৮ চন। পিতৃ মিঠাৰাম শইকীয়া। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় সহযোগ কৰিছিল। কানিৰ দোকানত 'পিকেটিং কৰাত গ্ৰেপ্তাৰ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত যোগদান কৰি ঘূৰি আহোঁতে পুলিচৰ লাঠিৰ কোবত শৰীৰ ঘূণীয়া হয়। ১৯৩০ চনত আইন অমান্য কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰি ৬ মাহ জেল দিয়ে। পুনৰ ১৯৩২ চনত গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ জেল হয়। ১৯৪২ চনৰ গণ-আন্দোলনত স্বেচ্ছাসেৱক বাহিনী গঠন কৰি আন্দোলন চলাওঁতে গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। শইকীয়া এজন সমাজকৰ্মী আছিল।

লক্ষীকান্ত বৰকাকতি :

শেনচোৱা। পিতৃ গোবিন্দচন্দ্ৰ কাকতি। তেখেত ১৯২১ চনৰ আন্দোলনত শেনচোৱা অঞ্চলৰ সৰ্বপ্ৰথম কংগ্ৰেছ সংগঠনৰ কাম

আৰম্ভ কৰে। কংগ্ৰেছ স্বেচ্ছাসেৱক হিচাপে কংগ্ৰেছৰ স্বৰাজ আন্দোলন, মাদকদ্ৰব্য নিবাৰণ, বিদেশী বস্ত্ৰ বৰ্জন আদি প্ৰচাৰ কাৰ্য্য চলাইছিল। গাঁৱলীয়া মহিলা সমিতিক কঁপাহৰ যোগান ধৰিছিল। ১৯২১ চনত গান্ধীজী নগাঁওলৈ যাওঁতে উপায়ুক্তই যেতিয়া মিটিং কৰা বন্ধ কৰিলে, তেতিয়া শেনচোৱা আদি বিভিন্ন গাঁৱৰ পৰা বহুতো স্বেচ্ছাসেৱী দল সমবেত হৈ এখন বাৰীৰ হাবি জংঘল চাফা কৰি ফিল্ড তৈয়াৰ কৰিছিল য'ত বিৰাট ৰাজহুৱা মিটিং হৈছিল। ৩।১।২২ তাৰিখে তেওঁৰ ৭ মাহ কাৰাদণ্ড হৈছিল। ১৯৩০-৩২, ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

ললিত চন্দ্ৰ শইকীয়া ঃ

হাতীচুং। পিতৃৰ নাম গাঠিয়া শইকীয়া। ১৯৪২ চনৰ গণ-আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আজীৱন কংগ্ৰেছৰ কামত লিপ্ত আছিল।

ললিত চন্দ্ৰ শইকীয়া ঃ

লতাইমাৰী। ১৯২১ চনত ৬ মাহ কাৰাৰুদ্ধ হয়। এজন সমাজকৰ্মী আছিল।

লাল মহম্মদ ঃ

শিলঘাট, শেনচোৱা। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। মুছলমান ছাত্ৰসকলৰ ভিতৰত এজন আগশাৰীৰ কৰ্মী আছিল।

লীলাকান্ত বৰা ঃ

কলিয়াবৰ, শাকমুঠি। পিতাকৰ নাম দীননাথ বৰা। আইন পৰীক্ষা শেষ কৰি ১৯৪২ চনত আন্দোলনত যোগ দি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল ১৯৪৩ চনত। তাৰ পাছত ১৯৪৫ চনলৈকে আটক বন্দী হিচাপে থাকিবলগীয়া হয়। এসময়ৰ নগাঁও কংগ্ৰেছৰ প্ৰধান কৰ্মকৰ্তা আৰু বিধান সভাৰ সদস্য আছিল। পাছলৈ তেওঁ চৰকাৰৰ গ্ৰাম উন্নয়ন বিষয়া হৈছিল। শিলঘাটৰ মৰাপাট কল প্ৰতিষ্ঠাৰ কামত তেখেতে আগভাগ লৈছিল আৰু কেইবাবছৰ ধৰি সভাপতি হিচাপে কাম কৰিছিল। ১৯৮৪ চনত তেখেতৰ মৃত্যু হয়।

লুটফুৰ ৰহমান :

জাজৰি। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। তেখেত কংগ্ৰেছ আন্দোলন আৰু খিলাফৎ আন্দোলনৰ এজন আগশাৰীৰ কৰ্মী আছিল। হিন্দু আৰু মুছলমানৰ মাজত ঐক্য বজাই ৰখাৰ হকে কাম কৰিছিল। ১৯২১ চনৰ আন্দোলনত জাজৰিত ১০।১।২২ তাৰিখে ৰাজহুৱা সভা আয়োজন কৰাৰ অপৰাধত তেওঁৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা বাহিৰ হোৱাত পলাতক হয়। পিছত ২৮।১।২২ তাৰিখে থানাত আত্মসমৰ্পণ কৰাত ৭।২।২২ তাৰিখৰ হুকুমত ৬ মাহ কাৰাদণ্ড আৰু ২৫ টকা জৰিমনা হয়। অনাদায়ে আকৌ ১ মাহ জেল হয়।

লোকেন্দ্ৰ নাথ শৰ্মা :

হাতীচুং। পিতাক কিনাৰাম শৰ্মা। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰি বিভিন্ন গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৪২ চনত জেল খাটিছিল। তেখেত এজন কৰ্মী আছিল।

শশী কাকতি :

হকোদাংবৰী। পিতৃ পঞ্চানন কাকতি। ১৯৩০ চনত কানি দোকানত পিকেটিং কৰা অপৰাধত পুলিচে মাৰ-ধৰ কৰে আৰু গ্ৰেপ্তাৰ কৰে।

শিশুৰাম ভূঞা :

তেতেলিসৰা, কামপুৰ। পিতৃ বাঞ্চাৰাম ভূঞা। ১৯৪২ চনত কামপুৰৰ ধ্বংসাত্মক কামত লিপ্ত আৰু অন্যান্য সন্ত্ৰাসবাদী কামত জড়িত থকা বুলি পুলিচে ঘৰ খানাতালাচ কৰে আৰু নিৰ্যাতন দিয়ে। ইয়াৰ পাছত তেখেতৰ বিচাৰ কৰি গুপ্ত আন্দোলনৰ লগত জড়িত অভিযোগত ১৫ মাহ কাৰাদণ্ড দিয়ে।

শিৱৰাম বৰা :

ভোটাইগাঁও। পিতৃ মামীৰাম বৰা। ১৯৪২ চনত শান্তি সেনা হিচাপে কাম কৰিছিল। ৬ মাহ যোৰহাট জেলত আটকবন্দী আছিল। তেওঁ কেন্দ্ৰীয় পেঞ্চনাৰ আছিল। ১৯৮৫ চনত মৃত্যু হয়।

শিশুৰাম বৰুৱা :

শিয়ালখোৱা বিহাৰী গাঁও। পিতৃ জিনাই কেওঁট। ১৯৪২ চনৰ গণ-আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ২৭।৯।৪২ তাৰিখে পোটনী গাঁৱত গ্ৰেপ্তাৰ হয় আৰু ২০।২।৪৩ তাৰিখৰ পৰা প্ৰায় ৬ মাহ কাৰাদণ্ড হয়। ৩১।৭।৪৩ তাৰিখে খালাচ পোৱাৰ পাছতো অনিৰ্দিষ্ট কাললৈ আটকবন্দী হিচাপে ৰাখে। প্ৰায় এবছৰকাল আটকবন্দী হৈ থকাৰ পাছত স্বাস্থ্যজনিত কাৰণত কাৰাগাৰৰ পৰা মুক্তি দি নিজ গাঁও পোটনিত কিছুদিনৰ বাবে অন্তৰীণ কৰি ৰাখিছিল।

সজ্জন গগৈ :

দেউৰী গাঁও, কামপুৰ। পিতৃ ধীমন গগৈ। এওঁ এজন অসমৰ বন বিভাগৰ অৱসৰপ্ৰাপ্ত চাকৰিয়াল আছিল। অৱসৰ লোৱাৰ পাছত ১৯৪২ চনৰ ৯ আগষ্টত গান্ধীজী আৰু অন্যান্য নেতা সকলক গেপ্তাৰ কৰাৰ প্ৰতিবাদত শোভাযাত্ৰীসকলে ডাকঘৰ, ৰেলষ্টেচন আদি ধ্বংস কৰা অপৰাধত ৫।১০।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। ৮।২।৪২ তাৰিখে ১৫ মাহ জেল দিয়ে। তেওঁ আজীৱন কংগ্ৰেছ কৰ্মী আছিল।

সাৰদা কান্ত বৰদলৈ :

হয়বৰগাঁৱত ১৯০২ চনত জন্ম। ১৯২১ চনত স্কুল বৰ্জন কৰি স্বেচ্ছাসেৱক হয়। তেখেত এজন সুগায়ক আছিল। গাঁৱৰ প্ৰচাৰ কাৰ্য্যত সঙ্গীতৰ যোগেদি তেখেতে যুৱকসকলক সংগঠন কৰিছিল। ১৯২৬ চনত পাণ্ডুত কংগ্ৰেছ অধিৱেশন পতাত তেখেতে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৩০-৩২ চনত পোনপটীয়াভাৱে জেললৈ নগলেও তেখেতে ছাত্ৰ আন্দোলন আৰু মহিলা আন্দোলনত সহায় কৰিছিল। তেখেতে বহুতো দেশ প্ৰেমমূলক সঙ্গীত ৰচনা কৰাৰ উপৰিও বহুতো নাট্যাভিনয় পৰিচালনা কৰিছিল।

সীতাৰাম শইকীয়া :

লতাইমাৰী। ১৯২১ চনত ৬ মাহ কাৰাবৰণ কৰিছিল।

সুমিত্ৰা ভূঞা :

স্বামীৰ নাম ধানুৰাম ভূঞা। এখেতে ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ খাদী সংগঠনৰ কাম কৰিছিল। তেখেতে অসহযোগ আন্দোলনৰ

—২১

উপৰিও বিভিন্ন সভা-সমিতিৰ যোগে মহিলা সংগঠনৰ কাম কৰিছিল। ১৯৪২ চনত স্বামীক পলাতক কৰ্মীক আশ্ৰয় দিয়া অভিযোগত কেবা-বাৰো ঘৰ খানাতালাচ কৰিছিল আৰু অতি অমানুষিক অত্যাচাৰ কৰিছিল। ১৯৫৫ চনত তেখেতৰ মৃত্যু হয়।

সুৰেন্দ্ৰনাথ হাজৰিকা বি, এস :

আমোলাপট্টি, নগাঁও। পিতৃ যোগেন্দ্ৰ নাথ হাজৰিকা। ১৯৪২ চনৰ অান্দোলনত ৬ মাহ কাৰাদণ্ড ভুগিছিল।

সুধাংশু ভূষণ বন্দোপাধ্যায় :

জন্ম ১৮৮৫ চন। পিতৃ ঈশান চন্দ্ৰ বন্দোপাধ্যায়। ১৯৩০ চনৰ আন্দোলনত তেখেতক ২৯।১১।৩০ তাৰিখে গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত ৬ মাহ জেল হয়। ১৯৪২ চনত কাছাৰী ঘৰত জাতীয় পতাকা উত্তোলনৰ কাৰণে অন্য কাকো নেপাই নিজৰ ১২।১৪ বছৰীয়া ছোৱালী দুজনীক লগত লৈ নগাঁও কাছাৰী ঘৰত জাতীয় পতাকা উত্তোলন কৰিবলৈ যাওঁতে তেখেতক আৰু ছোৱালী দুজনীক গ্ৰেপ্তাৰ কৰে। ছোৱালী দুজনীক এৰি দি তেখেতক জেলত ৰাখে। বিচাৰত ৬ মাহ জেল আৰু ১০০ টকা জৰিমনা কৰে। অনাদায়ত আৰু ৬ সপ্তাহ জেল হয়। তেখেতৰ 'বেভিয়ানী এণ্ড কোং' নামে চাকাই-পট্টিত এখন কাপোৰৰ দোকান আছিল। বিদেশী বস্ত্ৰ বৰ্জন আন্দো-লনৰ সময়ত তেখেতৰ দোকানত থকা ৫০০ টকাৰ বিদেশী বস্ত্ৰ দোকানৰ সন্মুখত জুই লগাই দিয়ে। পাছত এখন খাদী কাপোৰৰ দোকান দিয়ে কিন্তু চৰকাৰে এই দোকানখনো বাজেয়াপ্ত কৰে, তেখেতে গান্ধীবাণী প্ৰচাৰ কৰিছিল। বন্দোপাধ্যায় এজন স্বাধীন-চিতিয়া লোক আছিল। আইন অমান্য আৰু দাণ্ডী যাত্ৰাত অংশ গ্ৰহণ কৰিছিল। তেখেতে স্বৰচিত গান গাই কংগ্ৰেছৰ সাংগঠনিক কামত সহায় কৰিছিল আৰু চাঁদা তুলিছিল। ২২।৩।১৯৪৬ তাৰিখে তেওঁৰ মৃত্যু হয়।

সুলভ চন্দ্ৰ বৰা :

বহা। পিতৃ সুকোমল বৰা। ১৯২১ চনত তেখেতে কংগ্ৰেছত যোগদান কৰি বহা অঞ্চলত অসহযোগ আন্দোলনৰ প্ৰচাৰ, তিতাৰ

স্বৰাজ পুঁজি গঠন আদি কামত লিপ্ত আছিল। বিশেষকৈ মদৰ দোকানত পিকেটিং কৰা, কানি নিবাৰণ আৰু বিদেশী বস্ত্ৰ বৰ্জন অপৰাধত গ্ৰেপ্তাৰ হৈ ৬ মাহ হ্ৰাটেক হয়। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছলৈ পঠোৱা খাদী উৎপাদনৰ নগাঁও বহা অঞ্চলৰ তেখেত প্ৰধান সংগঠক আছিল। পাছৰ আন্দোলনবিলাকতো তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু বহা অঞ্চলৰ এজন বিশিষ্ট সমাজসেৱী হিচাপে কাম কৰিছিল।

সোমনাথ বৰা :

দণ্ডুৱা। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত জাতীয় পতাকা উত্তোলন, শোভাযাত্ৰা কৰাৰ তেখেতে নেতৃত্ব কৰিছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ বাবে খাদী উৎপাদনৰ কামত আৰু নগাঁৱৰ দণ্ডুৱা অঞ্চলৰ খাদী উৎপাদনত তেখেতে বিশেষকৈ নেতৃত্ব কৰিছিল। ১৯৪০-৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু অঞ্চলটোৰ এজন প্ৰধান কৰ্মী আছিল।

সত্যহাস গোস্বামী :

আমোলাপট্টি, নগাঁও। ১৯২১ চনত ৬ মাহ কাৰাদণ্ড হয়। পাছত তেখেতে গান্ধীজীৰ গঠনমূলক কামত মনোযোগ দিয়ে।

সতীন্দ্ৰনাথ শৰ্মা :

হাতীচুং। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে আৰু ২৬ জানুৱাৰীৰ পতাকা উত্তোলনত অংশ গ্ৰহণ কৰে। তেখেত কানিংহাম চাৰ্কুলাৰৰ বিৰোধ কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪১ চনত ব্যক্তিগত সত্যাগ্ৰহী আৰু ১৯৪২ চনত মৃত্যু বাহিনীৰ এজন প্ৰধান নায়ক আছিল। পলাতক কৰ্মী হিচাপে বিভিন্ন ধ্বংসাত্মক কাৰ্যত তেখেত জড়িত আছিল। সতীন্দ্ৰনাথ শৰ্মাই দুবাৰ সশ্ৰম কাৰাদণ্ড ভুগিছিল।

লোক সেৱক হলধৰ ভূঞা :

১৮৯১ চনৰ ২৮ চেপ্তেম্বৰত তেতেলিসৰা গাঁৱত হলধৰ ভূঞাৰ জন্ম হয়। গাঁৱৰে প্ৰাথমিক বিদ্যালয়ত শিক্ষা সমাপ্ত কৰি আই এ

শ্ৰেণীলৈ পঢ়ি সিমানতে আনুষ্ঠানিক শিক্ষা বিসৰ্জন দি খেতি, ব্যৱসায় আৰু সমাজসেৱাৰ কামত নিমগ্ন হয়। তেখেতে স্বাস্থ্য বিভাগত কেৰাণী চাকৰি এটা পাইছিল যদিও ১৯২১ চনত চাকৰি এৰি ৰাজনীতিত সোমায়। অসমীয়া, বঙালী, হিন্দুস্থানী, নেপালী, লালুং, কছাৰী আদি সকলোৰে ভূঞাক শ্ৰদ্ধা কৰিছিল। অসমীয়া বনৌষধি বিজ্ঞানত তেখেত সিদ্ধহস্ত আছিল। লোকৰ বিশ্বাস যে ভূঞাৰ দৰৱ বেমাৰীয়ে খালে ৰোগ নিৰাময় হয়, বন্ধ্যাও পুত্ৰৱতী আৰু অন্ধইও বাট দেখে। লাহৰিঘাট সমষ্টিৰ পৰা ভূঞাই বিনা প্ৰতিদ্বন্দ্বিতাৰে বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। তেখেত আছিল নিৰাশ্ৰয়ৰ আশ্ৰয়, ভোকাতুৰৰ ভাত, তৃষ্ণাতুৰৰ পানী, দুৰ্বলৰ বল আৰু ভয়াতুৰৰ অভয় মুদ্ৰা। মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শত জনকল্যাণমূলক অনুষ্ঠান হিচাপে তেওঁৰ হাতৰ পৰশতে ১৯৫০ চনত শ্ৰীমন্ত শঙ্কৰ মিচন আৰু ১৯২৫ চনত শঙ্কৰদেৱ সংঘৰ জন্ম হৈছিল। ভূঞাৰ ত্যাগ আৰু ব্যক্তিত্ব অনুষ্ঠানসমূহৰ যোগে প্ৰকাশ পাইছে।

১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি এবছৰ তিনি মাহ সশ্ৰম কাৰাবাস খাটে। ৯।২।৩০ তাৰিখে মহাত্মা গান্ধীৰ দাণ্ডী যাত্ৰাৰ সমৰ্থনত কামপুৰত পতাকা উত্তোলন কৰে। ৮।৪।৩০ তাৰিখে ফুলগুৰি বজাৰত পিকেটিং কৰি তিনিমাহ সশ্ৰম কাৰাবাস ভোগে। ১৯৪০-৪১ চনৰ সত্যাগ্ৰহত যোগ দি ছমাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সত্যাগ্ৰহ কৰি দুবছৰ সশ্ৰম কাৰাদণ্ড আৰু এহেজাৰ টকা জৰিমনা হয়। টকা আদায় নিদি পুনৰ ছমাহ সশ্ৰম কাৰাদণ্ড ভোগে। আটক বন্দী হিচাপে তেজপুৰ জেললৈ বদলি কৰে।

ভূঞা নগাঁও সেৱা মিচন (১৯১৮), আৰু গ্ৰাম্য মংগল সমিতিৰ (১৯৪৭) সভাপতি আছিল। ১৯২১ চনৰ পৰা একেৰাহে ডেৰকুৰি বছৰ অসমৰ ৰাজনীতিত অৰিহণা যোগাই ১৯৫১ চনলৈ, ১৫ বছৰ কাল অসম বিধান সভাৰ সদস্য ৰূপে সেৱা আগবঢ়ায়। ১৯৫২ চনৰ পৰা জীৱনৰ শেষ ভোখৰলৈকে তেখেতে কৃষক, মজদুৰ প্ৰজা পাৰ্টি আৰু পিছত প্ৰজা চোচিয়েলিষ্ট দলত যোগ দিয়ে। এইদৰে হলধৰ ভূঞাই দেশ আৰু সমাজৰ প্ৰতি নিস্বাৰ্থ সেৱা আগবঢ়াই ৭৮ বছৰ বয়সত ১৯৬৮ চনৰ ২৮ মাৰ্চ তাৰিখে নগাঁৱৰ নিজা ঘৰত

ধৰাধাম এৰিলে। তেখেতৰ মৃত্যুত অসমে এজন মুক্তিযোদ্ধা, অবিসম্বাদী নেতা, মহান ত্যাগী কৰ্মযোগী, জনতাৰ সেৱক, সমাজ সংস্কাৰক, বিশিষ্ট গঠনমূলক কৰ্মী, অতুলনীয় দেশপ্ৰেমিক, সৰ্বৰহী জননেতা হেৰুৱালে।

হৰিশ খাউণ্ড :

পুৰণিগুদাম। ১৯২১ চনত ৬ মাহ ফাটেক খাটে। পিছলৈ তেখেতে সক্ৰিয় কৰ্মী নাছিল যদিও কংগ্ৰেছ কৰ্মীসকলক সহায় কৰিছিল। তেখেতে ১৯২১ চনৰ আগতে এণ্ট্ৰেন্স পাছ কৰিছিল যদিও আন্দোলনত লগাত কোনো চাকৰি নকৰিলে।

হিতৰাম বৰা :

জাগিয়াল, ফুলগুৰি। হিতৰাম বৰা নগাঁৱৰ এজন পুৰণি কৰ্মী। ১৯৩০ চনৰ আন্দোলনত ৪ মাহ জেল খাটে। আজীৱন কংগ্ৰেছৰ কামত ব্যস্ত আছিল। ১৯৩২ চনত কংগ্ৰেছক বেআইনী অনুষ্ঠান হিচাপে বৃটিচ চৰকাৰে ঘোষণা কৰে। কলিকতাত বঙ্গদেশৰ নেতা যতীন্দ্ৰমোহন সেনগুপ্তৰ পত্নী নেলী সেনগুপ্তাৰ সভানেত্ৰীত্বত কলিকতাত কংগ্ৰেছ অধিবেশন বহিছিল। উক্ত কংগ্ৰেছত যোগদান কৰিবলৈ যাওঁতে অসমৰ প্ৰতিনিধিসকলক পাৰ্বতীপুৰ জংচনত গ্ৰেপ্তাৰ কৰি বিভিন্ন জেলত কাৰাৰুদ্ধ কৰি ৰাখে। হিতৰাম বৰাকো গ্ৰেপ্তাৰ কৰি কলিকতাৰ দমদম জেলত এমাহ কাৰাৰুদ্ধ কৰি ৰাখে। ১৯৪২ চনত তেখেতে পলাতক কৰ্মী হিচাপে কাম কৰিছিল।

শ্বহীদ হেমৰাম বৰা :

নগাঁৱৰ হাতীগড় গাঁৱত হেমৰাম বৰাৰ ১৯০০ চনৰ ১৫ অক্টোবৰত জন্ম হয়। পিতাকৰ নাম আছিল হকোদৰ গাঁওবুঢ়া। ২৬।৮।৪২ তাৰিখে নগাঁৱৰ বেবেজীয়া অঞ্চলৰ কেবাখনো গাঁৱৰ মানুহ, মুনিহ-তিৰোতা, বুঢ়া-বুঢ়ী নিৰ্বিশেষে ৰাজআলি অচল কৰা অজুহাত দেখুৱাই আটক কৰি আনি নগাঁৱৰ থানাৰ বাৰুৰণীলৈ লৈ আহে। তাৰে খবৰ কৰিবলৈ আহোঁতে বেবেজীয়া দলগুৰ তলত লুকাই থকা মিলিটেৰীয়ে গুলী কৰাত থিতাতে মৃত্যু হয়।

শ্বহীদ হেমৰাম পাতৰ :

বাৰপূজীয়াত ১৯২৩ চনত জন্ম গ্ৰহণ কৰে। পিতৃ লুদুৰ পাতৰ। ১৯৪২ চনৰ ২৬ আগষ্টৰ দিনা জোঙাল বলহু গড়ৰ ওচৰৰ সৰু দলং এখন ভাঙি যাতায়তৰ ব্যাঘাত কৰিবলৈ চেষ্টা কৰি থাকোঁতে পহৰাদাৰৰ গুলিত মৃত্যুবৰণ কৰে।

ক্ষিৰোদ চৌধুৰী :

ক্ষিৰোদ চৌধুৰীৰ পিতাকৰ নাম সাৰদা চৌধুৰী। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত মাদক দ্ৰব্য বৰ্জন, বিদেশী বস্তু বৰ্জন কৰা আদি অপৰাধত গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ জেল আৰু ৩০ টকা জৰিমনা হয়। ১৯৪২ চনৰ আন্দোলনতো তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

ক্ষিতীশ দাস :

ৰহা। ক্ষিতীশ দাস কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰি আন্দোলনত যোগদান কৰে। ৰহা আৰু মৰিগাঁও অঞ্চলৰ খাদী কেন্দ্ৰ স্থাপনৰ কামত লিপ্ত আছিল। ১৯৪২ চনত তেখেত ৰহা অঞ্চলৰ মৃত্যু বাহিনীৰ নায়ক আছিল। বিভিন্ন অপৰাধত গ্ৰেপ্তাৰ কৰি ১৯৪২ চনত তেখেতক এবছৰ ফাটেক দিয়ে। গান্ধীজীৰ গঠনমূলক আঁচনিত বিশেষ ৰাপ আছিল।

শোণিতপুর

শোণিতপুৰ জিলাৰ প্ৰয়াত মুক্তিযুঁজাৰুৰ জীৱনী সংগ্ৰহ বিষয়ে একাষাৰ

বৰ্তমানৰ শোণিতপুৰ জিলা অতীতৰ পৰাই এখন মুক্তি সংগ্ৰামৰ বুৰঞ্জীপ্ৰসিদ্ধ জিলা। ১৯২১ চনৰ আন্দোলনত অসমৰ সৰ্বপ্ৰথম নেতৃত্ব দিছিল প্ৰকৃততে তেজপুৰেই। ১৯৩০-৩২ আৰু ১৯৪২ চনৰ গণ-বিপ্লৱত গহপুৰ, ঢেকিয়াজুলি শ্বহীদৰ তেজেৰে ৰাঙলি হৈছিল।

শোণিতপুৰ জিলাৰ প্ৰয়াত মুক্তি যুঁজাৰুসকলৰ জীৱনী সংগ্ৰহ কাৰ্যত সহায় কৰিবৰ কাৰণে মুক্তিযুঁজাৰু সন্মিলন, কংগ্ৰেছ (আই), (এছ) আদি ৰাজনৈতিক দল দুই চাৰিক তদুপৰি আমি জনা অনুষ্ঠানৰ উপৰিও কেবাজনো বিশিষ্ট মুক্তিযুঁজাৰুলৈ চিঠি দি সহায় আগবঢ়াবলৈ নিবেদন জনোৱা হৈছিল। মুক্তিযুঁজাৰু সন্মিলন আৰু বিহগুৰি, ছয়দুৱাৰ আঞ্চলিক অনুষ্ঠানৰ পৰা সহায় আগবঢ়ায় তদুপৰি ব্যক্তি হিচাপে শোণিতপুৰ জিলা কংগ্ৰেছৰ প্ৰাক্তন সভাপতি শ্ৰীশ্ৰীকান্ত শৰ্মাই এক বুজন সংখ্যক প্ৰয়াত মুক্তিযুঁজাৰুৰ জীৱনী সংগ্ৰহ কৰি পঠায়। ঢেকিয়াজুলিৰ কেবাজনো বিশিষ্ট ব্যক্তিলৈ ঢেকিয়াজুলিৰ শ্বহীদ আৰু প্ৰয়াত মুক্তিযুঁজাৰুৰ জীৱনী সংগ্ৰহ কৰি পঠাবৰ কাৰণে অনুৰোধ কৰা সত্বেও কাৰোপৰা উত্তৰ পোৱা নহ'ল।

লোকনায়ক প্ৰয়াত অমিয়া কুমাৰ দাসৰ স্মৃতিগ্ৰন্থ, প্ৰবন্ধ আদিৰ সহায় লৈ শোণিতপুৰ জিলাৰ প্ৰয়াত মুক্তিযুঁজাৰুৰ তালিকা প্ৰস্তুত কৰা হৈছে। কিন্তু ইয়াক সম্পূৰ্ণ তালিকা বুলি ক'ব নোৱাৰি। আমাৰ অনুমান যে ইয়াৰ বাহিৰেও বিশেষকৈ আওহতীয়া গাঁৱৰ নিষ্ঠাবান নিৰ্যাতিত প্ৰয়াত মুক্তিযুঁজাৰুৰ নাম বাদ পৰি গৈছে।

ঢেকিয়াজুলিৰ শ্বহীদসকলৰ আৰু মুক্তিযুঁজাৰুসকলৰ চমু পৰিচয় আমি বেলেগে দিয়াৰ যত্ন কৰিছো।

লোকনায়ক অমিয় কুমাৰ দাস :

১৮৯৫ চনৰ ৫ মেত তেওঁৰ জন্ম হয়। পিতৃ উদয়ৰাম দাস আৰু মাতৃ সৰজা দেৱী। পিতৃৰ অকাল বিয়োগ হোৱাত ককা-

দেউতাকৰ সহযোগত শিশু অমিয়ই ৰামায়ণ, মহাভাৰত, পুৰাণ, ভাগৱত আদিৰ কথাবোৰ মৌ পিয়াদি পিছিল। পাঁচ-ছয় বছৰীয়া শিশু অমিয়ই খেল-ধেমালিৰ মাজেদি ককাদেউতাকৰ পৰা মোহনদাস কৰমচাঁদ গান্ধীৰ নামটো শুনি মহাত্মা গান্ধীৰ নাম স্মৰণ কৰি প্ৰতিযোগিতাত জয়ী হৈছিল। গান্ধী নামৰ এই মহামন্ত্ৰই শেষলৈকে অমিয় কুমাৰ দাস নামটি ধন্য কৰিলে। অসমৰ গান্ধীবাদী নেতাসকলৰ ভিতৰত তেখেতেই প্ৰথমে গান্ধীজীৰ আত্মজীৱনী ‘মোৰ সত্য অন্বেষণৰ কাহিনী’ অনুবাদ কৰে। অমিয় কুমাৰ দাস সৰুৰে পৰা চিন্তাশীল, ধৈৰ্যশীল, পৰিপাটি, কৰ্তব্যপৰায়ণ, সত্যবাদী আৰু নিষ্ঠাবান আছিল। ১৯১২ চনত প্ৰবেশিকা পাছ কৰি কটন কলেজত ভৰ্তি হয়। কলিকতাৰ চিটি কলেজৰ পৰা আই এ পাছ কৰি বি এ পঢ়িবলৈ লয়। ১৯১৮ চনত আইন কলেজত ভৰ্তি হয়। আইনৰ তৃতীয় বাৰ্ষিকত পঢ়ি থাকোঁতে অসহযোগ আন্দোলন আৰম্ভ হোৱাত কলেজ এৰি আন্দোলনত জপিয়াই পৰে আৰু সিমানতে শিক্ষা জীৱনৰ অন্ত পৰে।

তেখেতে ৪৭ বছৰ বয়সত অন্যতমা প্ৰসিদ্ধ মুক্তি সেনানী পুষ্পলতা দাসক বিয়া কৰায়। ১৯২১ চনত অমিয়কুমাৰ দাসে ল পঢ়া বাদ দি পোনে পোনে গান্ধী ভলণ্টিয়াৰ হৈ গাঁৱে গাঁৱে ঘূৰি ফুৰিছিল। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছ অধিবেশনত দাসে অভ্যৰ্থনা সমিতিৰ যোগে অভ্যাগতসকলৰ সেৱা শুশ্ৰূষা কৰে। উল্লেখযোগ্য যে সেই সময়ছোৱাত অমিয় কুমাৰ দাসৰ সম্পাদনাত ‘সাপ্তাহিক অসমীয়া’ কাকতখন প্ৰকাশ পাইছিল আৰু কংগ্ৰেছ অধিবেশনৰ আটাইকেইদিন পেণ্ডেলৰ তলতে কাকতৰ যোগান ধৰাৰ ব্যৱস্থা কৰা হৈছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ সময়ছোৱাত অসম ছাত্ৰ সন্মিলনৰ অধিবেশন পাণবজাৰ হৰিসভাত অনুষ্ঠিত হয় আৰু দাসক সন্মিলনৰ সভাপতি নিৰ্বাচন কৰে। কানিংহাম চাৰ্কুলাৰৰ তীব্ৰ প্ৰতিবাদ কৰি তেখেতে কৈছিল “কানিংহাম চাহাব বৃটিছ সাম্ৰাজ্যবাদৰ পুতলা মাত্ৰ।” ১৯৩০ চনত অমিয় কুমাৰ দাসে গ্ৰেপ্তাৰবৰণ কৰি ছমাহ কাৰাদণ্ড ভোগে। লোকনায়ক অমিয় কুমাৰ দাসে ১৯২১, ১৯৩০, ১৯৩২, ১৯৩৩, ১৯৪০ আৰু ১৯৪২ চনত ছবাৰ কাৰাবৰণ কৰিছিল। ৰাজনীতিৰ লগে লগে সাহিত্যচৰ্চা আৰু সংবাদসেৱাও কৰিছিল।

তেখেতে ১৯৩৭ চনৰ পৰা ১৯৪৬ চনলৈ এম এল এ আৰু ১৯৪৬ চনৰ পৰা ১৯৫২ চনলৈকে অসমৰ শিক্ষামন্ত্ৰী আছিল। ১৯৭৫ চনৰ ২৩ জানুৱাৰী তাৰিখে তেখেতৰ পৰলোক প্ৰাপ্তি ঘটে।

অন্নদাচৰণ দত্ত :

বেদেতি। অন্নদাচৰণ দত্ত পূৰ্বৰ পোৰবন্দৰৰ লোক আছিল। ১৯৪০ চনত কংগ্ৰেছৰ গঠনমূলক কামত মোলান শৰ্মাক সহায় কৰিছিল। ১৯৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰি ৬ মাহৰ কাৰণে জেলত ৰাখে। গান্ধীজীৰ ১৯ দফীয়া আঁচনিক কাৰ্যকৰী কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। তেখেতে নিজে দৈনিক সূতা কটাৰ উপৰিও খাদী আৰু গ্ৰামোদ্যোগৰ প্ৰচাৰৰ বাবে গাঁৱে গাঁৱে ঘূৰি ফুৰিছিল। মহিলাৰ উন্নতি, হৰিজন সেৱা আৰু অস্পৃশ্যতা নিবাৰণ আদি কাৰ্য কৰিছিল। তদুপৰি মহিলাসকলৰ জৰিয়তে মদৰ দোকানৰ আগত পিকেটিং আদিও কৰিছিল। গাঁৱক স্বাৱলম্বী আৰু আত্মনিৰ্ভৰশীল কৰিবলৈ যত্ন কৰিছিল। ১৯৭১ চনত দত্তৰ মৃত্যু হয়।

অৰ্জুন ঘাটোৱাৰ :

১৯২১ চনত মহাত্মা গান্ধী তেজপুৰলৈ আহোঁতে চাহ বাগিছাৰ বহুতো বনুৱাই গান্ধীৰ ৰাজহুৱা সভাত যোগদান কৰিছিল আৰু কানি, ভাং, মদ আদি প্ৰচলনত বাধা দিছিল। সেই সকলৰ নেতা আছিল ডিব্ৰু চাহ বাগিছাৰ চৰ্দাৰ অৰ্জুন ঘাটোৱাৰ। ঘাটোৱাৰক পুলিচে বেআইনী কাম কৰাৰ বাবে গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত ৬ মাহ জেল হয়। জেলৰ পৰা মুক্তি পোৱাৰ কিছুদিন পিছতেই ঘাটোৱাৰৰ মৃত্যু হয়। ঘাটোৱাৰ এজন আগশাৰীৰ মুক্তিযুঁজাৰু আছিল। গান্ধীজীৰ গঠনমূলক কামক ৰূপ দিবলৈ গাঁৱে-ভূঞে ঘূৰি ফুৰি অনেক কাম কৰিছিল। লোকনায়ক অমিয় কুমাৰ দাসে বৰহলা চাহ মজদুৰ সংঘই দিয়া ১০ হাজাৰ টকাৰে 'অৰ্জুন ঘাটোৱাৰ ন্যাস' এটা গঠন কৰে। উদ্দেশ্য চাহ মজদুৰৰ ল'ৰা-ছোৱালীৰ শিক্ষা আদিত বৃত্তি আদি প্ৰদান কৰা।

অনিনাথ মহাজন : লিখক গাঁও, আন্দোলনৰ কৰ্মী।

আনন্দ চন্দ্ৰ বড়া :

পিঠাখোৱা। জন্ম ১৯২০, মৃত্যু ১৯৭৪। ১৯৩৮ চনত স্কুল পৰিত্যাগ কৰি সেৱাদলত যোগদান কৰে। ১৯৪০-৪১ চনত সত্যাগ্ৰহ কৰিছিল কিন্তু গ্ৰেপ্তাৰ হোৱা নাছিল। ১৯৪২ চনত গুপ্ত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু তিনিমাহ হাজোতত ৰাখে। প্ৰমাণৰ অভাৱত খালাচ পাই গুপ্তভাৱে কাম কৰি আছিল। গাঁৱৰ বিভিন্ন অনুষ্ঠানত আগভাগ লৈছিল। প্ৰাইমেৰী কংগ্ৰেছৰ সম্পাদক আছিল। ১৯৭৪ চনত মৃত্যু হয়।

আনন্দি নাথ :

জমিদাৰীচুক, জামুগুৰি, জন্ম ১৯২৮, মৃত্যু ১৯৮২। ১৯৩০-৩২ চনত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। তেখেতে অঞ্চলটোৰ গাঁৱে গাঁৱে ঘূৰি গান্ধীজীৰ গঠনমূলক কামক ৰাইজৰ মাজত ৰূপায়িত কৰিবলৈ অশেষ চেষ্টা কৰিছিল। বিশেষ কৰি কৃষক সংগঠনত তেওঁ আত্মনিয়োগ কৰিছিল। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচে মাৰধৰ কৰি গ্ৰেপ্তাৰ কৰি চাৰি মাহ হাজোতত ৰাখি প্ৰমাণৰ অভাৱত এৰি দিয়ে।

আনন্দি বড়া :

১৯৪২ চনৰ কৰ্মী। দুবাৰত মুঠ ৬ মাহ জেল খাটে। ১৯৮১ চনত তেখেতৰ মৃত্যু হয়।

ইন্দ্ৰেশ্বৰ কাকতি :

১৯৪২ চনৰ গণ বিপ্লৱৰ শোভাযাত্ৰাত অংশ গ্ৰহণ কৰি পুলিচৰ চৰ অত্যাচাৰৰ সন্মুখীন হয়।

ইন্দ্ৰেশ্বৰ কলিতা :

মেকনৰ চুবুৰী। কলিতাই ১৯৪২ চনত ভলন্টিয়াৰৰ কাম কৰিছিল। শোভাযাত্ৰাত পুলিচৰ মাৰ খায়। ৰাতি থানাত থাকি খালাচ পায়। প্ৰায় ৪১ বছৰত মৃত্যু হয়।

ঈজেশ্বৰ কলিতা :

কেতেকীবাৰী, তেজপুৰ। মৃত্যু ১৬ জানুৱাৰী ১৯৫৬ চন। পিতৃ পানীৰাম কলিতা। ১৯৩৪ চনত কংগ্ৰেছত যোগদান কৰে। '৪২ৰ গণবিপ্লৱত অংশ গ্ৰহণ কৰি ৩ মাহ কাৰাবাস খাটে।

উমাৰাম শইকীয়া :

কলিতাগাঁও। শইকীয়াৰ ১৯৪২ চনৰ পিকেটিং আইন মতে সশ্ৰম কাৰাদণ্ড হয়। তেখেতৰ অকাল মৃত্যু হয়। পৰিবাৰে পেঞ্চন ভোগ কৰি আছে।

উপেন কটকী :

হোলাকান গাঁও, শোণিতপুৰ। ১৯৩০ চনত স্কুল ত্যাগ কৰি কানি বৰ্জন আন্দোলনত যোগদান কৰি গ্ৰেপ্তাৰ আৰু নিৰ্যাতিত হয়।

উমাৰাম বৰুৱা :

১৯৪২ চনৰ গণ বিপ্লৱৰ সক্ৰিয় কৰ্মী। শান্তিসেনা শিবিৰত প্ৰশিক্ষণ লয়।

উপেন কটকী :

চৈবাৰী। '৪২ৰ আন্দোলনত যোগ দি ছয়মাহ কাৰাবৰণ কৰে। ভাৰত চৰকাৰৰ ৰাজনৈতিক পেঞ্চনভোগী আছিল।

শ্বহীদ কনকলতা :

কনকলতা বৰুৱাই গহপুৰ অঞ্চলৰ বৰঙাবাৰী গাঁৱৰ এটি মধ্যবিত্ত পৰিয়ালত জন্ম গ্ৰহণ কৰে। বিয়াল্লিছৰ আন্দোলনত চৈধ্য বছৰীয়া কনকলতা বৰুৱা আছিল এগৰাকী পাটগাভৰু। মাতৃভূমিক স্বাধীন কৰাৰ কাৰণে মৃত্যুক আগ কৰি লৈছিল। অসমত আজি কনকলতা এটি সৰ্বজনবিদিত, সৰ্বজন প্ৰিয় নাম।

১৯৪২ চনৰ কথা। ৰাইজে সিদ্ধান্ত কৰিলে যে ২০ চেপ্তেম্বৰৰ দিনা গহপুৰ পুলিচ থানাৰ সন্মুখত জাতীয় পতাকা উত্তোলন কৰা হ'ব। কনকলতাই শোভাযাত্ৰাৰ নেতৃত্ব বহন কৰি হাতত জাতীয় পতাকা লৈ মৰণপথৰ যাত্ৰী হৈ আগবাঢ়িছে। কলাবাৰী আৰু

বৰঙাবাৰীৰ পৰা অহা প্ৰায় আঠহেজাৰ শোভাযাত্ৰাকাৰী সন্মুখ সমৰত প্ৰাণ দিবলৈ আহি আছে।

থানাত থকা পুলিচৰ দলটোৱে হাতত লাঠি বন্দুক লৈ প্ৰস্তুত। শোভাযাত্ৰীসকল লাহে লাহে থানাৰ সন্মুখত শান্তিপূৰ্ণভাৱে অৱস্থান কৰিলে। বীৰাংগনা কনকলতাৰ দলটো আহি "বন্দে মাতৰম্", "ভাৰত মাতাকী জয়", "মহাত্মা গান্ধীকী জয়" ধ্বনি তুলি গেটৰ সন্মুখত ৰ'লহি। কনকলতাৰ চকুত দৃঢ়তাৰ চিন, উজ্জ্বল মুখমণ্ডল, হাতত ছয়ফুট দীঘল জাতীয় পতাকা। কনকলতাই জীৱনৰ শেষ গীতটিৰ সুৰ টানিলে। সমদল যাত্ৰীসকলে সমস্বৰে গালে,

"ডেকা গাভৰুৰ দল, বীৰ বীৰাংগনাৰ দল
খোজৰ ভৰত ৰাঙলী ৰূপহী কৰহি ধৰণী তল।"

লগে লগে হিলৈ বন্দুকধাৰী সশস্ত্ৰ পুলিচ বাহিনীৰ সন্মুখত গহপুৰ থানাৰ প্ৰাংগণত বীৰাংগনা কনকলতাই স্বাধীনতাৰ পতাকা উৰাবলৈ উদ্যত হ'ল আৰু তৎমুহূৰ্তে পুলিচৰ গুলীৰ নিৰ্মম আঘাতত কনকলতাৰ সুকোমল তনু ভূমিত লুটি খাই পৰিল। কনকলতা শ্বহীদ হ'ল।

কমলা প্ৰসাদ আগৰৱালা ঃ

তেজপুৰৰ স্বনামধন্য আগৰৱালা বংশৰ পৰমানন্দ আগৰৱালাৰ পুত্ৰ কমলাপ্ৰসাদ আগৰৱালাৰ জন্ম ১৯০৭ চনৰ ৪ আগষ্টত। কটন কলেজৰ পৰা তেওঁ স্নাতক ডিগ্ৰী লৈ তেজপুৰ একাডেমী স্কুলত শিক্ষকতা কৰে। কলিকতাৰ পৰা বি এল ডিগ্ৰী লৈ কিছুকাল ওকালতি কৰি ভোলাগুৰি চাহ বাগিচাৰ পৰিচালনাৰ দায়িত্ব লয়।

১৯৪০ চনত লেজিছলেটিভ কাউন্সিলৰ নিৰ্বাচনত জয়লাভ কৰি ১৯৪৭ চনলৈ উক্ত দায়িত্ব পালন কৰে। নানা ৰাজহুৱা সামাজিক অনুষ্ঠানৰ লগত জড়িত আগৰৱালাই ১৯৪৮ চনৰ পৰা ১৯৬০ লৈ প্ৰায় বাৰ বছৰ পৌৰসভাৰ সভাপতি আছিল।

১৯৫২ চনৰ দেশৰ প্ৰথম সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীৰূপে জয়লাভ কৰি ১৯৬৭ চনলৈ বিধান সভাৰ সদস্য আছিল। ১৯৭১ চনত লোকসভালৈ নিৰ্বাচিত হৈ ১৯৭৭ লৈ লোকসভাৰ সদস্য হৈ থাকে। তেখেতৰ সৰবৰহিতা, ৰাজনৈতিক আদৰ্শ আৰু নিষ্ঠাৰ কাৰণে জনাজাত

আছিল। তেওঁখেত দীৰ্ঘদিন ধৰি ৰাজনৈতিক অনুষ্ঠানৰ জগত জড়িত আছিল। ১৯৮০ চনৰ ২৫ ফেব্ৰুৱাৰীত তেওঁৰ মৃত্যু হয়।

কমল চন্দ্ৰ শইকীয়া :

১৯১৭ চনত আজগাঁও হাটভগা চুবুৰীত কমলচন্দ্ৰ শইকীয়াৰ জন্ম হয়। তেওঁখেতৰ দেউতাকৰ নাম আছিল হেমকান্ত শইকীয়া। ১৯৪২ চনত মৃত্যু বাহিনীত যোগদান কৰি মৃত্যু বাহিনীৰ কাম কৰি গৈছিল।

কনক বৰা :

সলা গাঁও, চতিয়া। জন্ম ১৯১১, মৃত্যু ১৯৭৮। পিতৃ মতিৰাম বৰা আৰু মাতৃ অশ্ৰদ্ধা বৰা। এজন আগশাৰীৰ সত্যাগ্ৰহী আছিল।

কনক বৰা :

গহিৰি আলিপুখুৰী। জন্ম ১৮৮৪, মৃত্যু ১৯৬৭ চন। ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি কিছুকাল জেলত কটায়। ১৯৩২ চনৰ চামৰি বাকৰীৰ ৰাগ্ধত সভাৰ উপৰিও '৪২ ৰ গণবিপ্লৱত সক্ৰিয় অংশ লয়।

কনক বৰা :

সাংগিক মাজৰ চুক। '৪২ ৰ আন্দোলনত যোগ দি ৬ মাহ কাৰাবৰণ কৰে। ভাৰত চৰকাৰৰ ৰাজনৈতিক পেঞ্চনভোগী আছিল।

কমল চন্দ্ৰ শইকীয়া :

মাজগাঁও, তেজপুৰ। জন্ম ১৯১৭ চন। পিতৃ হেমকান্ত শইকীয়া। ১৯৪২ চনৰ আন্দোলনৰ মৃত্যুবাহিনীৰ সভ্য আছিল।

কীৰ্ত্তিপ্ৰসাদ উপাধ্যায় : ডেকাচুক গাঁও। পিতৃ চন্দ্ৰনাথ ভট্টাচাৰ্য। স্বাধীনতাৰ সংগ্ৰামত অংশ গ্ৰহণ কৰি ৬ মাহৰো অধিককাল ফাটেক খাটে। ১৯৩১ চনত লোণ আইনত ভাঙিবলৈ সমদলত যোগ দিয়ে।

কুঞ্জ বৰা :

বমুণচুবুৰী, ঢিপোটা। ১৯৪০ চনত মদ নিবাৰণৰ শিক্ষা লৈ '৪২ ৰ গণ বিপ্লৱত মৃত্যু বাহিনীত যোগ দিয়ে।

কপাহী দেৱী :

মেকনৰ চুবুৰী। আন্দোলনত আগভাগ লোৱা ১৯৩২ চনৰ অতি সাহসী মহিলা আছিল।

কণিকা দেৱী :

মেকনৰ চুবুৰী। ১৯৩২ চনৰ আন্দোলনত আগভাগ লোৱা এজন সাহসী মহিলা আছিল।

কমলেশ্বৰী দেৱী :

কলিতাগাঁও। ১৯২১ চনৰ আন্দোলনৰ মহিলা কৰ্মী।

কুশৰাম ডেকা :

কলিতাগাঁও। ১৯৩২ চনৰ প্ৰধান কৰ্মী। বিহগুৰী বাঁহবাৰী ৰায়ত সভা গাঁৱে গাঁৱে পতাত আগভাগ লৈছিল। কাৰাদণ্ড হোৱা নাই। প্ৰায় ৫০ বছৰ জীয়াই আছিল।

কেশকান্ত শৰ্মা :

নিজ বিহগুৰী। ১৯৪২ চনৰ আন্দোলনৰ কেম্প পৰিদৰ্শক আৰু চতুৰ লোক আছিল। প্ৰায় ৬৬ বছৰ বয়সতে মৃত্যু হয়। তেখেতে ৰাজ্য চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

কেমাই কলিতা :

কলিতাগাঁও। ১৯৪২ চনৰ ভলন্টিয়াৰ শোভাযাত্ৰাত ভাগ লয়। ২১ চেপ্তেম্বৰৰ শোভাযাত্ৰাত পুলিচৰ মাৰ খায়। এৰাতি হাজোত খাটে।

কেশৰাম শৰ্মা :

চিঙ্গা চুবুৰী। ১৯৩০-৩২ চনৰ আন্দোলনৰ কৰ্মী আছিল। তেখেত ৰায়ত সভাৰ সহ সম্পাদক আছিল।

কেকমন নাথ :

কলিখুটি। আন্দোলনৰ সহযোগী কৰ্মী হিচাপে সদায় লাগি আছিল।

কীৰ্তি ভট্টাচাৰ্য :

নন্দিকেশ্বৰ দেবালয়, জামুগুৰিহাট। জন্ম ১৯০২, মৃত্যু ১৯৬৭। ভট্টাচাৰ্যই ১৯২১ চনত হাইস্কুলৰ শিক্ষা বাদ দি মহাত্মা গান্ধীৰ আন্দোলনত যোগদান কৰে। এই আন্দোলনত এবছৰ জেল হয়। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ৰায়ত সভা সংগঠনত বিশেষভাৱে আগ ভাগ লৈছিল। দেশ স্বাধীন হোৱাৰ পাছত কংগ্ৰেছ চৰকাৰৰ বিভিন্ন গাঁও উন্নয়নমূলক কামত আত্মনিয়োগ কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো গুপ্তঘাতী কাম কৰিছিল। পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ জেল হয়। ভট্টাচাৰ্যই গান্ধীজীৰ গঠনমূলক কামক ৰূপ দিবলৈ গাঁৱে গাঁৱে ঘূৰি ফুৰিছিল। খাদী-গ্ৰামোদ্যোগৰ প্ৰচাৰ, উন্নত খেতি, উন্নত গোসেৱা, মহিলা জাগৰণ, মদ নিবাৰণ আদি গঠনমূলক কাম কৰিছিল। ১৯৬৭ চনত তেখেতৰ মৃত্যু হয়।

কেশৰাম কোচ :

১৯৩২ চনৰ ভলন্টিয়াৰ পিকেটিং কৰি ৩ মাহ কাৰাদণ্ড ভোগে। গান্ধীদৰ্শনৰ প্ৰতি বিশেষ আকৰ্ষণ থকা বাবে গান্ধীজীৰ গঠনমূলক কামক প্ৰকৃত ৰূপ দিবলৈ অহোপুৰুষাৰ্থ কৰিছিল।

কোমল কলিতা :

চিঙ্গা চুবুৰী। ১৯৩২-৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰে। তেওঁ প্ৰায় ৫০ বছৰ কাল জীয়াই আছিল।

কোমল চন্দ্ৰ নাথ ৰায়ন :

কমাৰচুবুৰী। এজন প্ৰধান কৰ্মী আছিল। বিভিন্ন গঠনমূলক কামত অৰিহণা যোগাইছিল। তেখেতৰ ১৯৬০ চনত মৃত্যু হয়।

কমলা কান্ত ভূঞা :

চাৰিআলি, দগাঁও। পিতৃ মধুৰাই ভূঞা, মাতৃ শাতোলা ভূঞা। ভূঞাই ১৯৩৮ চনত কংগ্ৰেছৰ সেৱাদলত যোগদান কৰে। ১৯৪২ চনত গুপ্ত আন্দোলনত যোগদান কৰাৰ কাৰণে পুলিচে গ্ৰেপ্তাৰ কৰে

আৰু ৩ মাহ জেল হয়। দেশ স্বাধীন হোৱাৰ পিছত পাতে অঞ্চলত বাইজৰ সহযোগত ডিচপেনচাৰি, হাইস্কুল, বহুতো ৰাস্তা আৰু অন্যান্য বাজহৰা কাম কৰি পিছপৰা অঞ্চলটোক আগবঢ়াই অনাত সহায় কৰিছিল। লগতে গান্ধীজীৰ গঠনমূলক কামবোৰো কৰিছিল। ১৯৭৭ চনত মৃত্যু হয়।

কালীৰাম মেধী :

ৰাজিপাৰা। মেধীয়ে ১৯২১ চনত কংগ্ৰেছৰ অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ সকলোবোৰ আন্দোলনতেই যোগদান কৰি ১৯৪২ চনত তেজপুৰ কাছাৰী ঘৰত পতাকা উত্তোলন কৰিবলৈ আহোঁতে গ্ৰেপ্তাৰ হয় আৰু ৩ মাহ জেল হাজোতত থাকে। ১৯৬০ চনত মেধিৰ মৃত্যু হয়।

কনক বৰা :

১৯২১ চনৰ পৰা আন্দোলনত আছিল। আন্দোলনৰ কালছোৱাত তেখেতেৰ ৬ মাহৰ ওপৰ জেল হৈছিল। তেখেত ভাৰত চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল।

কামাখ্যা প্ৰসাদ ত্ৰিপাঠী :

তেজপুৰ টাউন।. পিতৃ বলোভদ্ৰ ত্ৰিপাঠী। ত্ৰিপাঠী উত্তৰ প্ৰদেশৰ লোক। তেওঁৰ ককা তেজপুৰলৈ আহে। মানুহজন পূজাৰী আছিল। ত্ৰিপাঠীৰ পিতৃ বলভদ্ৰ তেৱাৰী পুলিচৰ কামত সোমায়। ত্ৰিপাঠী বৰ চোকা বুদ্ধিৰ ছাত্ৰ আছিল। তেওঁ কলিকতাত এম এ আৰু আইনৰ পৰীক্ষা পাছ কৰে। সেইতাক চৰকাৰী চাকৰি কৰিছিল যদিও ১৯৩৮ চনত ত্ৰিপাঠীয়ে কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনৰ ১৬ আগষ্টত পুলিচে আটক কৰে আৰু তিনিবছৰ কাৰাদণ্ড হয়। জেলৰ পৰা ওলাই তেজপুৰত দৰং কলেজ নামৰ শিক্ষা অনুষ্ঠানটি প্ৰতিষ্ঠা কৰে আৰু নিজে সেই কলেজৰ প্ৰতিষ্ঠাপক অধ্যক্ষ হয়। তেখেতৰ অধ্যক্ষতাত অতি কম দিনৰ ভিতৰতে দৰং কলেজ অসমৰ ভিতৰতে আগত ভিজিকা লৈ পৰে।

১৯৫২ চনৰ প্ৰথম লোক সভাৰ নিৰ্বাচনত অধ্যক্ষ পদ ত্যাগ কৰি কংগ্ৰেছ প্ৰাৰ্থী হিচাপে তেজপুৰ সমষ্টিৰ পৰা নিৰ্বাচিত হয়।

ইয়াৰ আগতে ১৯৪৭-৪৮ চনত ভাৰতীয় জাতীয় মজদুৰ সংঘৰ সভাপতি নিৰ্বাচিত হৈছিল। মন্ত্ৰী হৈ থকা সময়খিনিৰ বাহিৰে ত্ৰিপাঠী আই এন টি ইউ চিৰ সভাপতি হৈয়ে আছিল। তেখেত তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতিও আছিল। ১৯৫৮ চনৰ পৰা ১৯৭২ চনলৈ অসম বিধান সভাৰ সদস্য তথা মন্ত্ৰী হৈছিল। বিত্ত মন্ত্ৰী, বনুৱা বিভাগৰ মন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰী হিচাপে অসমখনক আগবঢ়াই নিবৰ কাৰণে যথেষ্ট চেষ্টা কৰিছিল। ১৯৭৭ চনত জনতা পাৰ্টিত যোগ-দান কৰে আৰু ১৯৭৮ চনত বিশ্বনাথ সমষ্টিৰ পৰা নিৰ্বাচনত থিয় হৈ কংগ্ৰেছ প্ৰাৰ্থীৰ হাতত পৰাজিত হয়। পিছত আকৌ কংগ্ৰেছ দলত যোগদান কৰে আৰু ১৯৮০ চনত লোকসভাৰ মনোনয়ন পায় কিন্তু অসমৰ ছাত্ৰ আন্দোলন চলি থকা বাবে নিৰ্বাচন নহ'ল। মৃত্যুৰ শেষ মুহূৰ্তলৈকে তেওঁ ৭ম আই এন টি ইউ চিৰ সভাপতি আছিল। ১৯৮৩ চনত লক্ষ্ণৌত তেখেতৰ মৃত্যু হয়।

কেমাই কলিতা :

কলিতাগাঁও। ১৯৪২ চনৰ আন্দোলনত শোভাযাত্ৰাত ভাগ লয়।

কেশৱ চন্দ্ৰ বৰা :

ভেকাবগাঁও চুবুৰী, তেজপুৰ। পিতৃ চেনাই বৰা। ১৯৪০ চনত সেৱাদলত শিক্ষা লৈ ভেকাৰ গাঁৱৰ নায়ক হয়। ১৯৪২ চনত পুলিচৰ গুলিত আঘাত পায়। বহুদিন কষ্ট ভোগ কৰাৰ পাছত মৃত্যু হয়।

কেশকান্ত শৰ্মা :

১৯৩২ চনত চাৰিদুৱাৰ কংগ্ৰেছ কেম্পত ভলণ্টিয়াৰ হৈ থাকোতে পুলিচৰ হাতত গ্ৰেপ্তাৰ হয়।

কেশৰাম শৰ্মা :

চিৰা চুবুৰী। ১৯৩০-৩২ চনৰ কৰ্মী। ৰায়ত সভাৰ সংগঠক।

কেকমান নাথ : বালিখুটি। আন্দোলনৰ কৰ্মী।

কুজাৰাম ভেকা :

কলিতা গাঁও। ১৯৩২ চনৰ আন্দোলনৰ কৰ্মী। ৰায়ত সভাৰ সংগঠনত লাগে।

কুমুদ শইকীয়া :

ডিপোটা। পিতৃ পৰম শইকীয়া। ১৯৩৬ চনত কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰে। ১৯৪২ চনত ৬ মাহ ১০ দিন সশ্ৰম কাৰাদণ্ড ভোগে।

কুঞ্জ বড়া :

ডিপোটা, বামুণচুবুৰী। পিতৃ মাণিক বড়া। ১৯৪২ চনত মৃত্যু বাহিনী যোগ দি ৬ মাহৰ ওপৰ কাল পলাতক হিচাপে থাকে। ১৯৪৩ চনত আত্মপ্ৰকাশ কৰে।

কুলধৰ হাজৰিকা :

হাজৰিকাৰ চতিয়া থানাৰ শলাল গাঁৱত ১৯১৮ চনত জন্ম হয়। পিতৃ ডম্বৰু হাজৰিকা। ১৯৪২ চনৰ গণ আন্দোলনত শিক্ষকতা বৰ্জন কৰি আন্দোলনৰ কামত লাগে।

কুমুদ চন্দ্ৰ শইকীয়া :

ডিপোটা। ১৯৪১ চনত স্কুল পৰিত্যাগ কৰি সেৱাদলত যোগ দিয়ে। ১৯৪২ চনত ২১ চেপ্তেম্বৰত তেজপুৰ কাছাৰী ঘৰত পতাকা উত্তোলন কৰিবলৈ আহোতে পুলিচে গ্ৰেপ্তাৰ কৰে আৰু তিনি মাহ কাৰাদণ্ড ভুগিবলগীয়া হয়। ১৯৭১ চনত সেই গাঁৱৰে এজন লোকে তেখেতক গুলিয়াই হত্যা কৰে।

কুমুদ চন্দ্ৰ শৰ্মা :

বিহালী। ১৯৩৮ চনত স্কুল পৰিত্যাগ কৰি সেৱাদলত যোগদান কৰে। ১৯৪০ চনৰ সত্যাগ্ৰহ আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগদান কৰে আৰু তিনিমাহ সশ্ৰম কাৰাদণ্ড হয়। তেখেত নেপালী সম্প্ৰদায়ৰ লোক আছিল যদিও সকলো সম্প্ৰদায়ৰ প্ৰতি সমান আদৰ ৰাখিছিল আৰু সদায় জাতি, ধৰ্ম, সম্প্ৰদায়ৰ উৰ্দ্ধত থাকি কাম কৰিছিল। সত্য আৰু অহিংসাত তেওঁৰ অগাধ বিশ্বাস আছিল। কংগ্ৰেছ দলৰ আৰু গান্ধীজীৰ গঠনমূলক কাম তেওঁ নিষ্ঠা সহকাৰে পালন কৰিবলৈ যত্ন কৰিছিল। ১৯৭৯ চনত শৰ্মাৰ মৃত্যু হয়।

কুমলী নেওগ :

স্বামী পোহৰ নেওগ। চেকীয়াজুলি থানাত পতাকা উত্তোলনৰ শোভাযাত্ৰাত সাহসেৰে যোগদান কৰে। পুলিচৰ গুলিৰ পৰা নিজ পুত্ৰক ৰক্ষা কৰিবলৈ গৈ নিজে গুলি বুকু পাতি লয়। পুতেক গোলোক নেওগ আকস্মিকভাৱে মৰে।

কোষেশ্বৰী দেৱী :

বগলীবাৰী। জন্ম ১৯০৮, মৃত্যু ১৯৫১ চন। স্বামী নবীনচন্দ্ৰ শৰ্মা। শিক্ষয়িত্ৰীৰ চাকৰি বাদ দি ১৯৩২ চনৰ পৰা ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে।

কোমল চন্দ্ৰ নাথ :

কমাৰচুবুৰী। এজন সক্ৰিয় কৰ্মী আছিল। ১৯৫০ত মৃত্যু হয়।

কুমুদ চন্দ্ৰ শৰ্মা :

বামুণগাঁও, তেজপুৰ। এখেত পঢ়া-শুনাত অতি মেধাবী ছাত্ৰ আছিল। ১৯২১ চনত কটন কলেজত ৪ৰ্থ বাৰ্ষিকৰ ছাত্ৰ থকা অৱস্থাত গান্ধীজীৰ আহ্বানত কটন কলেজৰ পৰা ওলাই আহি আন্দোলনত যোগ দিয়ে। সেই চনতে কলাবাৰী, গহপুৰ, বৰঙাবাৰী অঞ্চলত কংগ্ৰেছৰ প্ৰচাৰকাৰ্য্য চলায়। শৰ্মাই চোলা পিন্ধা নাছিল, খৰম পিন্ধিছিল আৰু মৃতত জাতিৰ পৰিবৰ্তে জাপি লৈছিল। আন্দোলনত তেখেতৰ ৬ মাহ জেল হয়। তেজপুৰ চহৰত থকা অসমীয়া এম ই স্কুলৰ হেডমাষ্টৰ আছিল আৰু শেষত ১৯৩৬ চনত এম ই আৰু তেজপুৰ একাডেমী একত্ৰীকৰণ হোৱাত হাইস্কুলৰ সহকাৰী হেডমাষ্টৰ হয়। দেশ স্বাধীন হোৱাৰ পিছত কেইবা বছৰো গ্ৰাম উন্নয়ন বিষয়া হৈ আছিল। অৱসৰ লোৱাৰ পিছত জ্যোতি কলা কেন্দ্ৰত অধ্যক্ষ হিচাপে সোমায়। ১৯৬১ চনত তেজপুৰ পলিটেকনিক ওচৰৰ নিজা বাসস্থানত তেখেতৰ মৃত্যু হয়।

খৰ্গেশ্বৰ নাথ :

কটকী চুবুৰী। ১৯৩২ চনৰ আন্দোলনত ৩ মাহ জেল হয়। তেখেত ভলন্টিয়াৰ আছিল। নাথে চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

খগেন্দ্ৰ নাথ শৰ্মাবৰকটকী :

মাণ্ডৰমৰা। জন্ম ১৯১৩, মৃত্যু ১৯৬১ চন। পিতৃ গঙ্গানাথ শৰ্মা বৰকটকী। প্ৰাথমিক স্কুলৰ শিক্ষক শৰ্মা বৰকটকীয়ে ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ লোৱাত পুলিচে গ্ৰেপ্তাৰ কৰি ৬ মাহ জেলত থয়।

খগেন্দ্ৰ নাথ শৰ্মা :

খনাগুৰি, চতিয়া। খগেন্দ্ৰ নাথ শৰ্মাৰ ঘৰখনৰ প্ৰায় সকলো মানুহ জেললৈ গৈছিল। ১৯৪২ চনত তেওঁ অসহযোগ আন্দোলনত যোগদান কৰে আৰু তিনিমাহ জেল খাটে। দেশ স্বাধীন হোৱাৰ পিছত সমবায় আন্দোলনত যোগ দি ৬ মাহ তেজপুৰত গৈ সমবায়ৰ প্ৰশিক্ষণ লয়। তেওঁ অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল। ১৯৬১ চনত তেজপুৰ হস্পিতালত তেখেতৰ মৃত্যু হয়।

গহন চন্দ্ৰ গোস্বামী :

গহনচন্দ্ৰ গোস্বামীৰ ১৯০০ চনৰ ৪ এপ্ৰিলত তেজপুৰৰ নিকামুল সত্ৰত জন্ম হয়। পিতৃ মঙ্গলচন্দ্ৰ আৰু মাতৃ ডিম্বেশ্বৰী। পিতৃ বিয়োগত ৯ বছৰ বয়সত সত্ৰাধিকাৰীৰ দায়িত্ব বহন কৰে। তেজপুৰ চৰকাৰী হাইস্কুলত কেইবছৰমান অধ্যয়ন কৰাৰ পাছত সংস্কৃত শিক্ষাৰ বাবে নবদ্বীপলৈ গৈ তাত তিনি বছৰ থাকি 'কবিৰত্ন' সম্মানেৰে বিভূষিত হৈ সত্ৰলৈ ঘূৰি আহে। সংগীতৰ প্ৰতি থকা গভীৰ অনুৰাগৰ ফলত পৰম্পৰাগত সত্ৰীয়া সংগীতৰ উপৰিও আধুনিক সংগীতৰো অনুশীলন কৰে। ১৯৩০ চনত তেজপুৰ চিপাহী সত্ৰৰ জীয়ৰী পুষ্পলতাৰ সৈতে তেওঁৰ বিবাহ হয়।

সেই সময়ত সমগ্ৰ দেশতে স্বাধীনতাৰ জাগৰণৰ ঢৌ উঠিছিল। ১৯২১ চনৰ ২৩ আগষ্টৰ দিনা নগাঁৱত মহাত্মা গান্ধীৰ অমৃতবৰষা ভাষণ শুনি সত্ৰৰ দায়িত্ব পৰিত্যাগ কৰি খদ্দৰৰ বস্ত্ৰ গ্ৰহণ কৰি স্বাধীনতা আন্দোলনত জপিয়াই পৰে। ১৯৩১ চনৰ পৰা ১৯৪২ চনলৈ এই কালছোৱাত তেওঁ ৫ বছৰ সশ্ৰম কাৰাদণ্ড ভোগে। '৪২ ৰ গণ বিপ্লৱত বৃটিছৰ শাস্তি স্বৰূপে সত্ৰৰ ৭৯ বিঘা মাটি, কাঁহ-পিতল, তামৰ সকলো বাচন-বৰ্তন নিলামত যায়। তেওঁৰ আত্মগোপনৰ সুযোগ লৈ পুলিচে সত্ৰৰ বিমান সম্পত্তি নষ্ট কৰিছিল সি

বৰ্ণনাতীত। অসমৰ ৰাজনৈতিক নেতাসকল আটকাধীন হৈ থকা অৱস্থাত গোস্বামীয়ে মৃত্যু বাহিনী সংগঠন কৰি নিজে তাৰ নেতৃত্ব লৈছিল। জ্যোতিপ্ৰসাদৰ জেত উতলুৱা গীতে তেওঁক বৰকৈ উদ্বুদ্ধ কৰিছিল। গান্ধীজীৰ ১৯৩৪ চনৰ অস্পৃশ্যতা বৰ্জন আন্দোলনত অসমৰ অনুসূচীত জাতি, জনজাতিৰ ন্যায্য দাবীৰ হকে তেওঁ মাত মাতিছিল।

নিষ্কলঙ্ক ব্যক্তিত্বৰ অধিকাৰী গহন চন্দ্ৰ গোস্বামী আছিল এগৰাকী মানৱতাবাদী জননেতা, পৰ্বত-ভৈয়ামৰ সমন্বয়ৰ প্ৰতীক আৰু সু-অভিনেতা।

পঞ্চাশৰ দশকৰ ভূমিকম্পৰ ফলত সৃষ্টি হোৱা ব্ৰহ্মপুত্ৰ-শোৱন-শিৰিৰ প্ৰলয়ঙ্কাৰী বানত বানবিধ্বস্ত উত্তৰ লক্ষীমপুৰৰ ঘিলামৰা, বৰদলনি আদি ঠাইত তিনিমাহকাল শংকৰ মিছনৰ জৰিয়তে সেৱা আগবঢ়ায়। পৰ্বত ভৈয়ামৰ সমন্বয়ৰ সেতু গোস্বামীয়ে তিনিকুৰি বছৰত অৰুণাচলৰ টিৰাং, কামেং আদি পাহাৰে পাহাৰে ঘূৰি নামঘৰ প্ৰতিষ্ঠা কৰাৰ উপৰিও বহুতো পৰ্বতীয়া সম্প্ৰদায়ৰ ছাত্ৰক সত্ৰত ৰাখি প্ৰশিক্ষণ দি গতিশীল জীৱন গঢ়াৰ আদৰ্শ দাঙি ধৰিছিল। ১৯৫০ চনত শংকৰদেৱৰ অংকীয়া নাট 'কেলি গোপাল'ৰ অনাতাঁৰ অভি-যোজনা প্ৰচাৰত অৰু ১৯৭১ চনত দিল্লীত মঞ্চস্থ কৰা 'পাৰিজাত হৰণ' নাটকৰ জৰিয়তে এজন সু-অভিনেতা হিচাপে নিজকে দাঙি ধৰিছিল।

স্বাধীনোত্তৰ কালত গহপুৰ বিধানসভাৰ সদস্য হিচাপে প্ৰতি-নিধিত্ব কৰা গোস্বামী বিভিন্ন সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত। ধৰ্মশীল গোস্বামীয়ে ৰাজহুৱা স্বীকৃতি হিচাপে ৰাজ্যপালৰ অসম বিলিফ বঁটা (১৯৫৪), মুক্তি যুঁজাৰুৰ তাম্ৰপত্ৰ (১৯৭১), সংগীত নাটক অকাডেমীৰ ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় বঁটা (১৯৬০) লাভ কৰে। ইয়াৰ উপৰিও অসম সাহিত্য সভাৰ বৰপেটা অধিৱেশনৰ সাংস্কৃতিক সন্মিলনৰ সভাপতি আছিল। এইজন প্ৰতিভাশালী ব্যক্তিত্বৰ অধিকাৰী গহনচন্দ্ৰ গোস্বামীৰ ১৯৭৯ চনত পৰলোকপ্ৰাপ্তি হয়।

গংগানাথ বৰুৱা :

ভেকাসুন্দৰী গাওঁ ১৯২০ চনৰ নৱগঠিত কংগ্ৰেছৰ কাৰ্য্যকৰী সভাৰ সদস্য আছিল। ১৯২১ চনত পুলিচে গ্ৰেপ্তাৰ কৰি জেলত ৰাখে।

গগন শৰ্মা :

মেকনৰ চুবুৰী। ১৯৩২ চনৰ আন্দোলনত ৬ মাহ কাৰাবৰণ কৰে।

গগন চন্দ্ৰ শইকীয়া :

হলেশ্বৰ মৌজাৰ ভেকাৰ গাঁৱৰ জীলাৰাম শইকীয়াৰ পুত্ৰ। ১৯৩২ চনত মাদকদ্ৰব্য নিবাৰণ আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰে।

গংগাৰাম ভূঞা :

মাজগাঁও, ভৈৰৱপদ মৌজা। ১৯৪২ চনৰ গণ আন্দোলনত শোণিতপুৰত হোৱা কেন্দ্ৰীয় শিবিৰত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। এজন আগশাৰীৰ সত্যাগ্ৰহী।

গহীৰাম কোচ :

১৯২১ চনৰ পৰা কংগ্ৰেছ কেম্পত থাকি কাম কৰে। ১৯৪২ চনত ঢেকীয়াজুলি থানাত পতাকা উত্তোলন কৰিব গৈছিল। পলাতক অৱস্থাত প্ৰায় ৮ মাহ কাল খোৱা হৈ আছিল। তেওঁ জেল খাটিছিল। জেলৰ পৰা মুক্তি পাই গান্ধীজীৰ গঠনমূলক কামবোৰ কৰিছিল।

গণেশ প্ৰসাদ তেৱাৰী :

তেজপুৰ টাউন। সূৰ্যলাল তেৱাৰীৰ প্ৰথম সন্তান। এওঁলোক বহুতে আগতে যুক্ত প্ৰদেশৰ পৰা অহা। বৰ্তমানে হাড়ে হিমজুৱে অসমীয়া। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰ অমান্য কৰি স্কুল ত্যাগ কৰে আৰু জীৱনৰ শেষলৈ কংগ্ৰেছৰ কামত লাগি থাকে। বহু বছৰ জিলা কংগ্ৰেছত কাম কৰিছিল। অসম চৰকাৰ ৰাজনৈতিক পেঞ্চন পাইছিল। ১৯৬৮ চনত তেৱাৰীৰ মৃত্যু হয়।

গজেন বৰুৱা :

জামুগুৰিহাট। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি তেজপুৰৰ চৰকাৰী হাইস্কুলৰ পৰা ওলাই আহি তেজপুৰ একাডেমী প্ৰতিষ্ঠা হোৱাত সেই স্কুলৰ পৰা মেট্ৰিক পাছ কৰে ১৯৩৪ চনত। ১৯৪২ চনত তিনিমাহ জেল হয়। বৰুৱা সৰুৰে পৰা শিল্পী আছিল। সেই সময়ত অৰুণাচলত লোকসকলক গ্ৰাম্য শঙ্কৰী কলা কৃষ্টি প্ৰচাৰ কৰিছিল। ১৯৭৬ চনৰ মাঘ মাহত ভেখেতৰ মৃত্যু হয়।

গন শৰ্মা :

মেকনৰ চুবুৰী। ১৯৩২ চনত সক্ৰিয় অংশ গ্ৰহণ কৰি প্ৰায় ৬ মাহ কাল কাৰাবৰণ খাটে। শৰ্মাই পেঞ্চন ভোগ কৰিছিল।

গিৰীশ চন্দ্ৰ শইকীয়া :

ৰঙামাটি। শইকীয়া ১৯৩০ চনৰ এজন কৰ্মী আছিল। কানিৰ পট্টা পোৰা মোকৰ্দমাত জৰিত হৈ জেল খাটে। তেখেত ৰাজ্য চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

গিৰিধৰ নাথ :

ভালুকখোৱা। ১৯৩০-৩২ চনৰ কানি ভাং বৰ্জন আন্দোলনৰ প্ৰধান কৰ্মী আছিল। তেওঁ গাঁৱে গাঁৱে প্ৰচাৰকাৰ্য কৰি সংগঠনৰ কাম কৰিছিল।

গিৰীশচন্দ্ৰ শইকীয়া :

বিহগুৰী। শইকীয়াই ১৯৩২ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰে। ১৯৪২ চনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৪ মাহ জেল খাটে। তেখেতে গাঁৱে-ভুঞে গান্ধীজীৰ গঠনমূলক কাম কৰি কাৰ্যত ৰূপ দিবলৈ চেষ্টা কৰিছিল। খাদী গ্ৰামোদ্যোগৰ উপৰিও চুৰি, গো সেৱা, মহিলা জাগৰণ, মদ নিবাৰণ আদি কাম কৰিছিল। ১৯৬৫ চনত তেখেতৰ মৃত্যু হয়।

গুণাভিৰাম শৰ্মা :

জামুগুৰীহাট। ১৯৩৮ চনত কংগ্ৰেছৰ সেৱা দলত যোগ দান কৰে। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰি পলাই থাকোতে পুলিচে ধৰি তিনি মাহ জেলত ভৰাই ৰাখে। তেখেত ৰাজনৈতিক পেঞ্চনভোগী আছিল। ১৯৭৬ চনত মৃত্যু হয়।

গুণাকান্ত শইকীয়া :

স্বাধীনতা আন্দোলনৰ এজন আগশাৰীৰ সত্যাগ্ৰহী আছিল।

গুণাৰাম ভুঞা :

মাধৱগাঁও। পিতৃ জাতিৰাম ভুঞা। চাহ বাগিছাৰ চাকৰিয়াল আছিল। কানি আৰু মদ নিবাৰণৰ কামত লাগি গ্ৰেপ্তাৰ বৰণ কৰে। সূতা কটাৰ উন্নত যঁতৰৰ আহি উলিয়াইছিল।

গুণেশ্বৰী দেৱী :

পিঠাখোৱা। ১৯৩২ চনৰ আন্দোলনৰ মহিলা সম্পাদিকা আছিল।

গুপীৰাম বৰুৱা :

ভেকাৰগাঁও, তেজপুৰ। পিতৃ আপাৰাম বৰুৱা। ১৯২১ চনত গান্ধীজীৰ আহ্বানক্ৰমে অসহযোগ আন্দোলনত যোগদান কৰা অপ-ৰাধত ৬ মাহৰো অধিককাল জেলত কটায়।

গুণচন্দ্ৰ পটংগীয়া :

তেজপুৰ। ১৯২৪ চনৰ পৰা ১৯৪৭ চনলৈ তেজপুৰ অঞ্চলৰ স্বাধীনতা আন্দোলনৰ এজন অক্লান্ত কৰ্মী আছিল।

গুণাকান্ত শইকীয়া :

ভেকাৰগাঁও, মৌজা হলেশ্বৰ। পিতৃ ভকতৰাম শইকীয়া ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত অংশ গ্ৰহণ কৰে। ৬ মাহ জেলত কটায়।

গুণনাথ ভাগৱতী :

গহপুৰ। ভাগৱতীয়ে ১৯৩২ চনত কংগ্ৰেছ যোগদান কৰিছিল। ১৯৪২ চনত আন্দোলনৰ সময়ত ৪ মাহ কাৰাবাস খাটে। তেখেতৰ ১৯৬১ চনত মৃত্যু হয়।

গুণাভি শৰ্মা :

পাতালৰ চুক। ১৯৪২ চনৰ আন্দোলনত চতিয়া থানাত পতাকা উত্তোলন কৰিব আহোঁতে পুলিচৰ হাতত মাৰ খায় আৰু তিনি চাৰি মাহ হাজোতত খাবিবলগীয়া হয়।

গোবৰ্দ্ধন দাস :

আজীৱন কংগ্ৰেছ কৰ্মী গোবৰ্দ্ধন দাস ১৯৪২ চনত পুলিচৰ হাতত ধৰা পৰি জেললৈ যায়। তেওঁ অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

গোলোক কোচ :

কোঁচ গাঁওবুঢ়া আছিল। ১৯২১ চনত গাঁওবুঢ়া কাম ইস্তাফা দি আন্দোলনত অংশ গ্ৰহণ কৰে।

গোলোক চন্দ্ৰ বৰা :

জামুগুৰিহাট। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। তেঁও তেতিয়া ছিলাবন্ধা মৌজাৰ মৌজাদাৰ আছিল। ১৯৩০ চনত কংগ্ৰেছৰ আন্দোলনত যোগদান কৰে। ১৯৪২ চনৰ আন্দোলনত ৪ মাহ জেল খাটে। দেশ স্বাধীন হোৱাৰ পিছত মৃত্যু হয়।

গোপাল দাস :

বিহগুৰি। ১৯৪২ চনত কংগ্ৰেছত যোগদান কৰে। আন্দোলনত তেওঁৰ ৩ মাহ সশ্ৰম কাৰাদণ্ড হয়। অসম চৰকাৰৰ পেঞ্চনভোগী আছিল। ১৯৬৫ চনত তেখেতৰ মৃত্যু হয়।

গোলোক ভূঞা :

জামুগুৰিহাট। ভূঞাই ১৯৪২ চনত গণ আন্দোলনত যোগদান কৰাৰ পিছতেই ৬ মাহ জেলত থাকে। এজন গান্ধীজীৰ বিশ্বাসী কৰ্মী আছিল। ১৯৬৬ চনত তেখেতৰ মৃত্যু হয়।

গোপাল হাজৰিকা :

গহপুৰ। গোটেই জীৱন কংগ্ৰেছৰ সেৱা কৰিছিল। ১৯৪২ চনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। গান্ধীজীৰ গঠনমূলক কামৰ প্ৰতি তেওঁৰ বিশেষ ৰাপ আছিল। সেই বাবে গাঁৱে-ভুঞে ঘূৰি খাদী গ্ৰামোদ্যোগ, মহিলা জাগৰণ, গো-সেৱা, মাদকদ্ৰব্য নিবাৰণ, প্ৰৌঢ় শিক্ষা আদি কাম কৰিছিল। ১৯৫০ চনত গহপুৰত হোৱা জিলা ৰাষ্ট্ৰীয় সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। ১৯৬০ চনত তেখেতৰ মৃত্যু হয়।

গোলাপ বৰুৱা :

ডেকা সুন্দৰ গাঁও। স্বৰুৱা কামৰ লগেত কংগ্ৰেছৰ সকলো কাৰ্যসূচীতে যোগদান কৰিছিল।

গোপাল চন্দ্ৰ শইকীয়া :

ঘৰ বৰহমপুৰত। দেউভাক চাহ বাগিচাত চাকৰি কৰা অৱস্থাত বিহালীত ঘৰবাৰী কৰি তাত থাকিবলৈ লয়। শইকীয়াই মৃত্যু বাহিনীত যোগ দিছিল। পুলিচৰ মাৰ-কিলত বেয়াকৈ আঘাত প্ৰাপ্ত হয়। কেইবাবাৰো গ্ৰেপ্তাৰ হৈ জেল খাটে।

গোপাল কাকতি :

মেৰুনৰ চুবুৰী। ১৯৩০-৩২ চনৰ আন্দোলনত দুবাৰ জেললৈ গৈ ৪ মাহ কাৰাবৰণ কৰে।

গোবাল চন্দ্ৰ বৰা :

১৮৫১ চনত নিজ বিহালীত জন্ম গ্ৰহণ কৰে। পিতৃ লম্বোৰাম বৰা। ১৯২১ চনৰ স্বাধীনতা আন্দোলনত যোগ দি ৬ মাহ কাৰাবাস খাটে। ১৯৩৮ চনত মৃত্যু বৰণ কৰে।

গোলোক চন্দ্ৰ শইকীয়া :

১৯০৩ চনত কছাৰীগাঁৱত জন্ম গ্ৰহণ কৰে। পিতৃ লক্ষেশ্বৰ শইকীয়া। কলিকতাত সংগীত চৰ্চা কৰিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

গোলোক চন্দ্ৰ নাথ :

মৰণাকুছি। জন্ম ১৮৭৮, মৃত্যু ১৯৫৭ চন। পিতৃ ঘিনাৰাম বৰা। মৌজাদাৰ বৰাই মৌজা হেৰুৱাই কংগ্ৰেছত যোগদান কৰি '৪২ৰ গণ বিপ্লৱত কেবাবছৰো গ্ৰেপ্তাৰ বৰণ কৰে।

গোলোক চন্দ্ৰ ভূঞা :

মাধৱগাঁৱ। ১৯৩০ চনত কলেজ ত্যাগ কৰি কংগ্ৰেছত যোগ দি গ্ৰেপ্তাৰ বৰণ কৰে।

গোপীৰাম বৰুৱা :

ডেকাৰগাঁও। পিতৃ আনাৰাম বৰুৱা। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰি ৬ মাহৰো অধিককাল কাৰাগাৰত কটায়।

গোলাপ চন্দ্ৰ দেৱ (শইকীয়া) :

খলাগুৰি গাঁও, চতিয়া। পিতৃ বাপীমল শইকীয়া। চাহ বাগিছাৰ চাকৰি এৰি ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

গঙ্গাৰাম শৰ্মা : মাওৰমাৰা গাঁও, চতিয়া।

গোলোক চন্দ্ৰ দেৱ : সনাসৰি।

ঘনকান্ত নাথ :

১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনৰ ভলণ্টিয়াৰ আছিল। অকালতে এখেতৰ মৃত্যু হয়।

ঘনশ্যাম নাথ :

ভালুকখোৱা। ১৯৩২ চনৰ আন্দোলনৰ কৰ্মী। ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়।

ঘনকান্ত কলিতা :

ডিপোটা, তেজপুৰ। পিতৃ হৰিপদ কলিতা। ১৯৪২ চনৰ আন্দোলনত ৬ মাহৰো অধিককাল আত্মগোপন কৰি মৃত্যু বাহিনীৰ সংগঠন কৰে।

ঘনশ্যাম বৰা :

ডেকাৰগাঁও। জন্ম ১৮৮৮ চন। পিতৃ বগীৰাম কেওঁট। এগৰাকী সুনিপুণ কাঠমিস্ত্ৰী আৰু খনিকৰ বৰাই ১৯২০ চনৰ পৰা কংগ্ৰেছৰ সক্ৰিয় কৰ্মী।

ঘটাই নাথ :

ভালুকেখোৱা। ১৯৩০-৩২ চনৰ এজন কৰ্মী আছিল। তেওঁ চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

ঘুগুলা বণিয়া :

ছাগলী চুবুৰী। ১৯৩২ চনত ভলণ্টিয়াৰ হৈ কেম্পত যোগ দিয়ে। আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি পুলিচৰ নিৰ্যাতন ভোগ কৰে।

ঘন কান্ত দাস :

হলেশ্বৰ। ১৯৩৮ চনত স্কুল পৰিত্যাগ কৰি সেৱাদলত যোগদান কৰে। ১৯৪২ চনত পলাতক হিচাপে প্ৰায় ৯ মাহ ঘূৰি ফুৰে। গান্ধীজীৰ গঠনমূলক কামবিলাক বাস্তৱত ৰূপ দিবলৈ বৰ যত্ন কৰিছিল। খাদী গ্ৰামোদ্যোগ, গোসেৱা, মাদকদ্ৰব্য নিবাৰণ আদি কামত আত্মনিয়োগ কৰিছিল। তেওঁ অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল। ১৯৬০ চনত তেখেতৰ মৃত্যু হয়।

কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মা :

তেজপুৰৰ বিহগুৰি অঞ্চলৰ দুখীয়া ব্ৰাহ্মণ পৰিয়ালত এটিত চন্দ্ৰনাথ শৰ্মাই জন্মগ্ৰহণ কৰিছিল। তেখেতৰ পিতৃ দণ্ডীনাথ শৰ্মা চন্দ্ৰনাথ শৰ্মা অতি তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। ছাত্ৰ অৱস্থাতে তেখেতে 'চেতনা', 'সেউতী' আদি হাতেলিখা আলোচনী সম্পাদনা কৰিছিল। পদ্মনাথ গোহাঁইবৰুৱাৰ তেখেত বৰ প্ৰিয় ছাত্ৰ আছিল। এম ভি, এম ই স্কুলত পঢ়ি থাকোতে শৰ্মাৰ বাকপটুতা ওলাই পৰিছিল।

কালিপ্ৰসাদ বৰুৱাৰ ১১ বছৰীয়া কন্যা ভুবনেশ্বৰীৰ লগত তেওঁৰ বিয়া হয়। বিয়াৰ পিছত শহুৰেকৰ প্ৰেৰণাত তেওঁ বি এ পাছ কৰে আৰু ল পৰীক্ষাত উত্তীৰ্ণ হৈ উকীল হয়। অসহযোগ আন্দোলনৰ সময়ত ওকালতি এৰি দিয়ে। উল্লেখযোগ্য যে ওকালতি এৰাৰ লগে লগে ডেৰকুৰি মক্কেলৰ কেচৰ টকা তেওঁ ঘূৰাই দিছিল। আইন ব্যৱসায়ী এজনৰ বাবে এনে মহান আদৰ্শ অতুলনীয়। পবিত্ৰ জীৱন যাপন কৰি আঠুমূৰীয়া ধুতি, গাত ফটুৱৈ চোলা আৰু কান্ধলতিত শতৰঞ্চি এখন লৈ সদা ভৰিৰে গোটেই দেশ ভ্ৰমণ কৰি ফুৰিছিল।

জাতিভেদ, অস্পৃশ্যতা আদি সামাজিক ব্যাধিবোৰ নিৰ্মূল কৰাত শৰ্মা আগৰণুৱা আছিল। শৰ্মাৰ প্ৰতিটো কাম আৰু কথাৰ মাজত তেখেতৰ দেশপ্ৰেম, উদাৰমন, নিঃস্বাৰ্থতা, নিৰ্ভীকতা আৰু স্পষ্টবাদিতাৰ পৰিচয় পোৱা যায়। চন্দ্ৰনাথ শৰ্মাৰ আন এটি বিশেষ উল্লেখযোগ্য বৰঙণি আছিল 'তিলক স্বৰাজ ফাণ্ড'। তেখেত অকল অসহযোগ আন্দোলনৰ কৰ্মীয়েই নাছিল, অসম সাহিত্য সভা, অসম অনুসন্ধান সমিতি আদিৰো কটকটীয়া কৰ্মী আছিল। ১৯১৭ চনৰ ডিচেম্বৰ মাহত শিৱসাগৰ চহৰত চন্দ্ৰনাথ শৰ্মাৰ উদ্যোগত অসম এচোচিয়েচনৰ সভা বহে। ১৯২০ চনত তেজপুৰত অসম সাহিত্য সভাৰ চতুৰ্থ অধিবেশন অনুষ্ঠিত হয়। সেই সময়ত শৰ্মা অসম সাহিত্য সভাৰ সম্পাদক থকাৰ উপৰিও অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। 'মাণিক চন্দ্ৰ বৰুৱা স্মৃতি পুঁথি'ৰো উদ্যোক্তা আৰু নিষ্ঠাবান কৰ্মী আছিল চন্দ্ৰনাথ শৰ্মা।

চন্দ্ৰনাথ শৰ্মাৰ আন কিছুমান মূল্যবান ভাষণ আৰু ৰচনা হ'ল ছাত্ৰ সাহিত্য সন্মিলনৰ অভ্যৰ্থনা সমিতিৰ ভাষণ, বিদ্যাসাগৰ, বঙলা

ভাষা আৰু আনন্দৰাম বৰুৱা, অসমীয়া সাহিত্য আৰু দীনেশ চন্দ্ৰ সেন, বিদ্যাসাগৰৰ চৰিত্ৰত মাতৃশিক্ষা, অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ ওপৰত মতামত, বাঁহীৰ সম্পাদকৰ চিঠিৰ উত্তৰ, কোচ-বিহাৰৰ মহাৰজা নৃপেন্দ্ৰনাৰায়ণ, অসহযোগ আন্দোলন আৰু মধ্য-পন্থী, জাতীয় বিদ্যালয় আঁচনি আদি।

চন্দ্ৰনাথ শৰ্মা আছিল একেবাৰে সমাজকৰ্মী, সমাজ সংস্কাৰক, ছাত্ৰনেতা, মুক্তিযুঁজাৰু, সাহিত্য সমালোচক, সাংবাদিক, শিক্ষা বিপ্লৱী আৰু এজন সুনিপুণ অনুবাদ সাহিত্যিক। শৰ্মাই 'বচাফুল' আৰু 'বচাফুলৰ কৰণি' নামৰ মূল্যবান গ্ৰন্থ সংকলন কৰিছিল।

চন্দ্ৰকান্ত বৰদলৈ :

ব্ৰাহ্মণ গাঁও, হাবাজান। বৰদলৈ এজন আগশাৰীৰ মুক্তিযুঁজাৰু আছিল। ১৯৪২ চনত কলাবাৰী গহপুৰ অঞ্চলত পুষ্পলতা দাস আৰু গহনচন্দ্ৰ গোস্বামীৰ সৈতে বৃটিছৰ বিৰুদ্ধে জনতাক জগাই তুলিছিল। ১৯৪২ চনত গণ আন্দোলনত যোগ দিয়ে ফলত ৬ মাহ জেল খাটে। তেখেত চৰকাৰৰ পেঞ্চনভোগী আছিল। ১৯৭০ চনত তেখেতৰ মৃত্যু হয়।

চন্দ্ৰধৰ বৰুৱা :

বৰুৱাই ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি তেজপুৰ একাডেমিত পঢ়িব লয়। তেতিয়াৰে পৰা ১৯৪২ চনলৈ কংগ্ৰেছৰ সকলোবোৰ কামত পূৰ্ণ সহযোগিতা কৰে। এসময়ত কংগ্ৰেছৰ মনোনীত লোকেল বোৰ্ডৰ সভাপতি আছিল। তেওঁ বিশ্বনাথত কেবাটাও ৰাজহুৱা অনুষ্ঠান কৰিছিল।

চন্দ্ৰকুমাৰ নাথ :

বেহেৰীয়া গাঁও। ১৯০৫ চনত বঙ্গভঙ্গ আন্দোলনত যোগ দিয়ে। সেই সময়ৰ পৰা তেখেতক চৰকাৰে নজৰ দিছিল। ১৯২১ আৰু ৩০-৩২ চনৰ সকলো আন্দোলনত যোগ দিছিল আৰু জেল খাটিছিল। চন্দ্ৰকুমাৰ নাথ সমগ্ৰ অঞ্চলৰ এজন মুখীয়াল নেতা আছিল। ১৯৫৯ চনত এখেতৰ মৃত্যু হয়।

চণ্ডী কটকী :

বিহজবী। ১৯২১ চনত কটকীয়ে কংগ্ৰেছত যোগ দান কৰে। ১৯৪২ চনত তিনিমাহ জেল খাটে। এখেতে অসম চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন ভোগ কৰিছিল। ১৯৬৭ চনত মৃত্যু হয়।

চন্দ্ৰ কটকী :

জামুগুৰীহাট। ১৯৩৩ চনত আন্দোলনত যোগ দান কৰে। ১৯৪২ চনৰ গণ আন্দোলনত জেল খাটে। ৰাজনৈতিক পেঞ্চনভোগী আছিল। ১৯৬০ চনত তেখেত স্বৰ্গগামী হয়।

চন্দ্ৰ শৰ্মা :

উজৰে চুক। কংগ্ৰেছৰ এই কৰ্মীজনে '৪২ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহ জেল খাটিছিল। ভাৰত চৰকাৰৰ ৰাজনৈতিক পেঞ্চন ভোগ কৰিছিল ।

চন্দ্ৰমোহন কায়স্থ :

বেলগুৰি, কলিতা গাঁও। এজন আজ্ঞাবহ কৰ্মী আছিল। বস্তা কান্ধত বৈ ভিক্ষা কৰি আনি কেম্পত খোৱা বস্তুৰ যোগান ধৰিছিল। তেওঁ বিয়াল্লিছৰ আন্দোলনত বিশেষ অংশ গ্ৰহণ কৰিছিল।

চণ্ডী কটকী :

ময়লা গাঁও। ১৯২১ চনৰ কৰ্মী আছিল। প্ৰত্যেক আন্দোলনতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ২১ চেপ্তেম্বৰৰ শোভাযাত্ৰাৰ অংশ গ্ৰহণ কৰাত পুলিচে মাৰ-পিট কৰে। তেওঁৰ জেল হোৱা নাছিল। পিছত পুলিচে বিচৰাত মৰাভেটি দেখুৱাই সাৰিলে।

চেনীৰাম দাস :

বিশ্বনাথ। ১৯২১ চনত তেজপুৰ চৰকাৰী হাইস্কুলত নৱম মান শ্ৰেণীত পঢ়ি থাকোতে অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৩০ ৰ পৰা ১৯৪২ চনলৈ পলাই থাকি গুপ্ত অনুচৰ হৈ থাকে। কংগ্ৰেছ মহাসভা বেআইনী হোৱাত গোটেই অসমতে বায়ত সভাৰ ব্যৱস্থা কৰা হয়। দাসে সেই ৰায়ত সভাত খেতিয়ক ৰাইজক চৰকাৰী বিৰোধী কৰাৰ কাৰণে পুলিচে গ্ৰেপ্তাৰ কৰে। বিচাৰত সাক্ষীৰ অভাৱত মুক্তি লাভ কৰে।

দেশ স্বাধীন হোৱাৰ পিছত দাস ডাঙৰীয়া তেজপুৰ লোকেল বোৰ্ডৰ ভাইচ চেয়াৰমেন আৰু পিছত চেয়াৰমেনো হৈছিল। তেওঁৰ দিনতে তেজপুৰ লোকেল বোৰ্ডৰ 'লজ' এটা তৈয়াৰ কৰা হয়। ইয়াৰ বাহিৰে বিশ্বনাথ কলেজ আৰু অন্যান্য ৰাজহুৱা অনুষ্ঠান আদিত আগ ভাগ লৈছিল। তেওঁ পেঞ্চনভোগী আছিল। বহুদিন বেমাৰত ভুগী তেখেতৰ মৃত্যু হয়।

চেনীৰাম বৰুৱা :

বৰাচুক, কলাবাৰী। বৰুৱাই ১৯৩৮ চনত সেৱাদলত যোগদান কৰে আৰু শিক্ষা পৰিত্যাগ কৰে। তেতিয়াৰে পৰা মহাত্মা গান্ধীৰ বাণী প্ৰচাৰ কৰি গাঁৱে গাঁৱে ঘূৰি ফুৰিছিল আৰু গান্ধীজীৰ গঠন-মূলক কামবোৰ বাস্তৱত ৰূপ দিবৰ বাবে দেহে কেহে লাগিছিল। জ্যোতিপ্ৰসাদ আগৰৱালাৰ তত্বাৱধানত আৰু মহীকান্ত দাসৰ নিৰ্দেশত গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ ২০ চেপ্তেম্বৰৰ দিনাখন ৰাইজক শোভাযাত্ৰা কৰি উলিয়াই লৈ আহে। সেইদিনাখন পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰি ৮ মাহকাল জেলত ৰাখে। বৰুৱা একসময়ত লোকেল বোৰ্ডৰ সভাপতি আছিল। তেওঁ অসম চৰকাৰৰ পেঞ্চন-ভোগী আছিল। ১৯৮২ চনত উচ্চ ৰক্তচাপত তেওঁ মৃত্যুমুখত পৰে।

চেনাইৰাম কলিতা :

মাজগাঁও, মৌজা ভৈৰৱপদ। পিতৃ লক্ষীৰাম কলিতা। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ ভৈৰৱপদ মৌজাৰ কংগ্ৰেছৰ অধি-নায়ক আছিল।

চেনিৰাম কলিতা :

কলিতা গাঁও। '৪২ চনৰ ভলণ্টিয়াৰ আছিল।

ছবিলাল উপাধ্যায় :

জন্ম শোণিতপুৰ জিলাৰ বিশ্বনাথ মৌজাৰ বালিপুখুৰী গাঁৱত। পিতৃ কাশীনাথ উপাধ্যায়। হাতীবন্ধা বিদ্যালয়ত বিদ্যা আৰম্ভ হয়। ১৯১৮ চনত ছবিলালে 'অসম এচোচিয়েচন'ত ভৰ্তি হয়। ১৯২০ চনত অসম এচোচিয়েচনৰ যোৰহাটত বহা অধিবেশনে অসহযোগ

আন্দোলনক সমৰ্থন দিবলৈ অক্ষম হোৱাত তুমুল বাকবিতণ্ডাৰ অন্তত 'অসম প্ৰদেশ কংগ্ৰেছ কমিটি'ৰ জন্ম হয়। উল্লেখযোগ্য যে সভাপতিৰ আসনৰ পৰা তেখেতে অসহযোগ আন্দোলনক পূৰ্ণ সমৰ্থন কৰে আৰু অসম এচোচিয়েচনৰ চেষ্টাত প্ৰদেশ কংগ্ৰেছ কমিটি হিচাপে ৰূপ দিয়াত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ছবিলালে জেলৰ পৰা ওলাই আহিয়েই সামাজিক কামত মনোনিবেশ কৰে। হাতীবন্ধা অঞ্চলত কেবাখনো প্ৰাইমাৰী আৰু মজলীয়া স্কুল স্থাপন কৰাৰ উপৰিও ১৯৪১ চনত তেখেতৰ উদ্যোগত বিহালী হাইস্কুলৰ জন্ম হয়। অসমীয়া মাধ্যমৰ এই হাইস্কুলখনে বিহালী অঞ্চলটোত জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ ল'ৰা-ছোৱালী মিলি অসমীয়া সংস্কৃতিৰ ঘাই সুঁতিটোৰ লগত মিলি গৈ হাড়ে-হিমজুৱে অসমীয়া হৈ পৰে। এই স্কুলৰ হলঘৰ আৰু ৰঙ্গমঞ্চৰ কাৰণে উপাধ্যায়ে চল্লিশ হাজাৰ টকা দান কৰে।

ছবিলাল উপাধ্যায় একেধাৰে ব্যৱসায়ী, সমাজকৰ্মী, মুক্তিযুঁজাৰু, শিক্ষা সাহিত্য আৰু সংস্কৃতিপ্ৰেমী আছিল। বিশ্বনাথ চাৰিআলি কলেজত দুজন মেধাবী ছাত্ৰক প্ৰতিবছৰে জলপানি দিয়াৰ বাবে তেত্ৰিশ হাজাৰ টকাৰ এটা ন্যাস পুঁজিৰ ধন ছবিলাল উপাধ্যায়ে দান কৰে।

অসহযোগ আন্দোলনত নমাৰে পৰা দেশ স্বাধীন হোৱালৈকে ছবিলাল উপাধ্যায়ে এজন অতন্দ্ৰ প্ৰহৰীৰ দৰে দেশৰ হকে কাম কৰি যায়। ১৯৪২ চনত তিনিমাহৰো অধিক কাল কাৰাবৰণ কৰে। ১৯৪৭ চনত তেজপুৰত বহা গোৰ্খা লীগৰ বছৰেকীয়া অধিবেশনত উপাধ্যায়ে সমষ্টি গঠনৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি লোকপ্ৰিয় গোপীনাথ বৰদলৈক পূৰ্ণ সমৰ্থন জনায়। পাকিস্তানৰ ভাবী গৰাহৰ পৰা অসমক বচাবলৈ অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰে। কাজিৰঙা বিজাৰ্ভত কুৰি হাজাৰৰো অধিক অনুপ্ৰৱেশকাৰীক পাট্টি পট্টন দিবলৈ ওলোৱা কাৰ্যক ছবিলাল উপাধ্যায়ে প্ৰতিবাদ জনায় আৰু সেই কাৰ্যত ফলৱতী হয়। দেশৰ স্বাৰ্থৰ কাৰণে নিজৰ অওহী বওহীৰ স্বাৰ্থক তুচ্ছ জ্ঞান কৰি ৰাজনীতি অথবা সমাজসেৱা কৰা মানুহ ছবিলাল উপাধ্যায়ৰ দৰে আমাৰ সমাজত তেনেই বিৰল। তেজপুৰৰ লোকেল বোৰ্ডৰ সদস্য হোৱাৰ উপৰিও তেখেত কাজিৰঙা অভয়াৰণ্যৰ

বনবিষয়া আছিল। এই বীৰ বিপ্লৱী সমন্বয়ৰ সেতুস্বৰূপ মহান ব্যক্তি জনাৰ ১৯৮০ চনৰ ২৬ জানুৱাৰীৰ দিনা ৯৮ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে।

জয়ৰাম শইকীয়া :

দুবিয়া এলেঙি সত্ৰ। আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল।

জয়নাথ বৰা :

বৰফলীয়া গাঁও। জন্ম ১৮৮৯, মৃত্যু ১৯৭৫ চন। পিতাকৰ মৃত্যুৰ পিছত গাঁওবুঢ়া হয়। ১৯২১ চনত গাঁওবুঢ়াৰ চাকৰি ইস্তফা দি আন্দোলনত যোগ দিয়ে। গান্ধীজীৰ গঠনমূলক কামৰ প্ৰতি বিশেষ আগ্ৰহ আছিল।

জয়ৰাম নাথ :

১৯২১ চনত শিক্ষানুষ্ঠান ত্যাগ কৰি আন্দোলনত নামে। ১৯৩৪-৩৫ চনত কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰে। '৪২ৰ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে আৰু ৬ মাহ জেল হয়। ভাৰত চৰকাৰৰ ৰাজনৈতিক পেঞ্চন ভোগ কৰিছিল।

জয়ৰাম শইকীয়া :

কলাবাৰী। জন্ম ১৮৯৮, মৃত্যু ১৯৪০ চন। ১৯২১ চনৰ আন্দোলনত যোগদান কৰে। কিছুকাল আত্মগোপন কৰাৰ পিছত ১৯২৩ চনত কিছুকাল জেলত আৰু পিছত গৃহবন্দী হয়। কংগ্ৰেছৰ সংগঠনত ভ্ৰুবোতে ভালুকৰ আক্ৰমণত মৃত্যু হয়।

জালি কলিতা :

বেবেজিয়া। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা চতিয়া থানাত পতাকা উত্তোলন কৰিব গৈছিল। পুলিচৰ মাৰ খায়। ৩/৪ মাহ জেল খাটে।

জিউৰাম কোচ :

১৯৩১-৩২ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনত স্বাধীনতা আন্দোলনত আগ ভাগ লৈছিল। অসম চৰকাৰৰ পৰা পেঞ্চন ভোগ কৰিছিল।

জুৱেলা প্ৰসাদ আগৰৱালা :

বিশ্বনাথ ঘাট। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। কানি, ভাং, মদ আদিৰ দোকানত পিকেটিং কৰি ভিতৰুৱাভাৱে আন্দোলনত জড়িত হয়। এখেত ৰামপ্ৰসাদ আগৰৱালাৰ ভায়েক। তেখেতসকলৰ বৈশিষ্ট্য আছিল এইটোৱে যে তেওঁলোক বেপাৰী হৈও গান্ধীজীৰ অসহযোগ আন্দোলনত হাড়ে-হিমজুৰে খাটিছিল। গান্ধীজীৰ মহিলা জাগৰণ, মদ নিবাৰণ, কানি নিবাৰণৰ বাবে অহোপুৰুষাৰ্থ যত্ন কৰিছিল।

জ্যোতিপ্ৰসাদ আগৰৱালা :

জন্ম ১৯০৩ চন, তামোলবাৰী চাহবাগিছা। দেউতাক পৰমানন্দ আৰু মাক কিৰণময়ী আগৰৱালা। জ্যোতিপ্ৰসাদ ডিব্ৰুগড় চৰকাৰী হাইস্কুল, জৰ্জ স্কুল আদিত পঢ়ি ১৯২১ চনত তেজপুৰ হাইস্কুলৰ পৰা প্ৰৱেশিকাৰ বাছনি পৰীক্ষাত উত্তীৰ্ণ হয়। কলিকতাত প্ৰৱেশিকা পাছ কৰি নেশ্যনেল কলেজত আই এ দ্বিতীয় বাৰ্ষিকলৈ পঢ়ি অসহযোগ আন্দোলনত নামে। ১৯২৬ চনত এডিনবৰা বিশ্ববিদ্যালয়ত চৰ্ত সাপেক্ষে এম এত নাম ভৰ্তি কৰে। তাত অৰ্থনীতি, সংস্কৃত, পাব্লিক ল, দৰ্শন, ইতিহাস আদি বিষয় অধ্যয়ন কৰে। পুৰ জাৰ্মানীত ফিল্ম শিল্পৰ প্ৰশিক্ষণ লয়। তাৰ পিছত মধ্যপ্ৰাচ্যলৈ যায়। এনেতে মহাত্মাজীৰ নেতৃত্বত আইন অমান্য আন্দোলন আৰম্ভ হোৱাত জ্যোতি-প্ৰসাদে নিজ দেশলৈ উভতি আহি আন্দোলনত অংশগ্ৰহণ কৰে। অসমৰ আকাশে বতাহে জ্যোতিপ্ৰসাদৰ "লুইতৰ পাৰৰে আমি ডেকা ল'ৰা, মৰিবলৈ ভয় নাই", "উঠ উঠ উঠ অভ্ৰভেদি উঠ", "আজি জাগা মোৰ মাতৃ", "সাজু হবৰে হ'ল" আদি গীতে ধ্বনি তুলি অসমীয়া ডেকা-গাভৰুক ৰণোন্মত্ত কৰি তুলিছিল। মাতৃপূজাৰ বেদীত স্বহস্ত সেৱাৰে জীৱন পণ কৰিবলৈ উদগণি দিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত জ্যোতিপ্ৰসাদে যোগদান কৰি স্বেচ্ছাসেৱক বাহি-নীৰ নেতৃত্ব দিয়ে। ১৯৩২ চনৰ ৩ মাৰ্চ তাৰিখে তেখেতক গ্ৰেপ্তাৰ কৰি ১৭ মাৰ্চ তাৰিখে ১৫ মাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম দিয়ে আৰু পাঁচশ টকা জৰিমনা, অনাদায়ে অধিক ছমাহ সশ্ৰম কাৰাদণ্ড বিহে। সেই বছৰৰে ২২ মাৰ্চ তাৰিখে আগৰৱালাক শিলচৰ জেললৈ বদলি কৰা হয়। ১৯৪২ চনৰ আন্দোলনত তেখেতে আত্মগোপন কৰি

কলিকতাত থাকি তাৰপৰাই গোপনে অসমৰ আন্দোলনকাৰীসকলক দিহা পৰামৰ্শ দিয়ে। ১৯৪১ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনী গঠনত মনযোগ দিয়ে। বাছকবনীয়া সেৱাদল গঠন কৰি জ্যোতি-প্ৰসাদ তাৰ সৰ্বাধিনায়ক হ'ল। গুৱাহাটী বিশ্ববিদ্যালয় স্থাপনতো জ্যোতিপ্ৰসাদে সক্ৰিয় ভূমিকা লৈছিল। ১৯৫১ চনৰ ১৭ জানুৱাৰী তাৰিখে ৪৮ বছৰ বয়সত এই উজ্জ্বল নক্ষত্ৰটি কোনোবা কক্ষপথত হেৰাই থাকিল।

জ্যোতিপ্ৰসাদৰ আদৰ্শ তেখেতৰ মূল্যবান ৰচনাৱলী, অসমীয়া জাতিৰ সাহিত্য সংস্কৃতি, স্বদেশপ্ৰেমৰ অপূৰ্ব ভাণ্ডাৰ থাকি গ'ল। জ্যোতিপ্ৰসাদৰ ৰচনাসমূহ নাটক, গল্প, উপন্যাস, গীত, প্ৰবন্ধ, কবিতা আৰু শিশু সাহিত্যত ভগাব পাৰি। তেখেতৰ নাটক কেইখন হ'ল শোণিত কুঁৱৰী, কাৰেঙৰ লিগিৰী, ৰূপালীম, নিমাতি কন্যা, সোণ-পখিলী, লভিতা, খনিকৰ। কনকলতা আৰু সুন্দৰকোঁৱৰ অসমাপ্ত নাটক। জ্যোতিপ্ৰসাদৰ গল্প আৰু ৰচনাসমূহ হ'ল ৰূপহী, বগীতৰা, সোণতৰা, সোণটিৰ অভিমান, যুঁজাৰু সতীৰ সোঁৱৰণী, সন্ধ্যা, প্ৰত্ন-তাত্ত্বিকৰ কল্পাঘুমটি, আমাৰ গাঁও। তেখেতৰ গধুৰ প্ৰবন্ধবোৰৰ ভিতৰত আছে মহাত্মা গান্ধীৰ জীৱন সোঁৱৰণী, শিল্পীৰ পৃথিৱী, নতুন দিনৰ কৃষ্টি, নতুনৰ পূজা, অসমীয়া সংস্কৃতি, অসমীয়া সঙ্গীতৰ ধাৰা, অসমীয়া ফিল্ম শিল্প গঢ়াত অসমীয়াৰ দায়িত্ব, প্ৰাগজ্যোতিকা, বেজ-বৰুৱা প্ৰতিভা, তৰুণ তৰ্পন, বিয়াল্লিছৰ কাহিনী আদিয়েই প্ৰধান। ১৯৩৬ চনত তেখেতৰ দেবযানী ভূঞাৰ লগত বিয়া হয় আৰু ফল-স্বৰূপে দুজন পুত্ৰ আৰু তিনিগৰাকী কন্যাৰত্ন এৰি থৈ যায়। ১৯৩৫ চনত ১০ মাৰ্চত কলিকতা ৰাউনাক মহল চিনেমা হলত প্ৰথম অস-মীয়া কথাছবি জয়মতী মুক্তি লাভ কৰি অসমীয়া চিনেমা জগতত অভিলেশ স্থাপন কৰিছিল।

জোনাৰাম নাথ :

বৰডেকা। ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ কামত লাগি থকা এজন প্ৰধান কৰ্মী আছিল। তেওঁ সেই সময়ত খবৰ-বাৰ্তা কঢ়িওৱা কাম কৰিছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি-ছিল। তেওঁ চৰকাৰৰ পৰা পেঞ্চন ভোগ কৰিছিল। প্ৰা ৭০ বছৰ বয়সত মৃত্যু হয়।

জয়ৰাম নাথ :

হাইস্কুলীয়া শিক্ষা ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। কংগ্ৰেছৰ সক্ৰিয় কৰ্মী।

টঙ্কেশ্বৰ শৰ্মা :

দাধৰা, তেজপুৰ। ১৯৩৬ চনৰ পৰা কংগ্ৰেছত যোগ দি সমাজ সেৱাত আত্মনিয়োগ কৰে। ১৯৪২ চনত সমাজ সংগঠক আৰু গনাতক কৰ্মী আছিল। তেওঁ এজন সুবক্তাও আছিল।

টঙ্কেশ্বৰ শইকীয়া :

পিতৃ ভোলানাথ শৰ্মা। ১৯৩৬ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনত আত্মগোপন কৰি আন্দোলন চলাই আছিল।

টঙ্কেশ্বৰ শৰ্মা :

মাজগাঁও। শৰ্মাই কানিংহাম চাৰ্কুলাৰ অমান্য কৰি নতুনকৈ খোলা তেজপুৰ একাডেমীত নাম ভৰ্তি কৰে আৰু তাৰপৰা মেট্ৰিক পাছ কৰে। ১৯৩০ চনৰ পৰা '৪২ চনলৈ কংগ্ৰেছৰ সেৱা কৰিছিল। পিছত তেওঁ এখন প্ৰাইভেট এম ই স্কুলত শিক্ষকতা কৰে। শৰ্মাই স্কুলত থাকিও গান্ধীজীৰ গঠনমূলক কামবোৰ কৰিছিল। খাদী গ্ৰামোদ্যোগ, মহিলা জাগৰণ, মদ নিবাৰণ আদি কামবোৰত আত্ম-নিয়োগ কৰিছিল। ১৯৭৫ চনত তেওঁৰ মৃত্যু হয়।

টিকাৰাম শৰ্মা :

খলিহামাৰী। শৰ্মা এজন আগশাৰীৰ কৰ্মী আছিল। ১৯৪২ চনত চতিয়া থানাত ২০ চেপ্তেম্বৰত পতাকা উত্তোলন কৰিব যাওঁতে পুলিচৰ হাতত মাৰ খায় আৰু ৩-৪ মাহ জেলত থাকিবলগীয়া হয়। জেলৰ পৰা ওলাই শৰ্মাই গান্ধীজীৰ গঠনমূলক কামত আগভাগ লয়।

ঠগীৰাম ওজা :

বাঁহবৰীয়া গাঁও। ১৯২১ চনত কানি বৰ্জন আৰু খাদী প্ৰচলনত যোগ দিয়ে। ১৯৩৯ চনত ব্যক্তিগত সত্যাগ্ৰহৰ উপৰিও '৪২ চনৰ গণবিপ্লৱতো অংশ লয়।

ঠগীৰাম বৰা :

বৰাচুক, কলাবাৰী। ঠগীৰাম বৰা কলাবাৰী অঞ্চলৰ এজন বৰ ভাল কংগ্ৰেছ কৰ্মী আছিল। ১৯৩৮ চনত কংগ্ৰেছৰ সেৱা দলত যোগদান কৰে। ১৯৪২ চনত ৰাইজৰ মাজত কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰে। গহপুৰ থানাত পতাকা উত্তোলন কৰিব যাওঁতে পুলিচে গ্ৰেপ্তাৰ কৰে আৰু তেজপুৰ জেলত প্ৰায় ৮ মাহ ৰাখি থয়। তেওঁ আজীৱন গান্ধীজীৰ গঠনমূলক কামবোৰ কৰিছিল। গোসেৱা, মাদকদ্ৰব্য নিবাৰণ, মহিলা জাগৰণ, যৌতুক প্ৰথা নিৰ্মূল আদি কামত আগ ভাগ লৈছিল।

ডম্বৰু গোস্বামী :

ৰঙামাটি। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী আছিল। তেওঁ অকালতে মৃত্যু বৰণ কৰে।

ডম্বৰু গায়ন :

পিঠাখোৱা। ১৯৩০-৩২ চনৰ প্ৰধান কৰ্মী আছিল।

ডম্বৰুধৰ হাজৰিকা :

লেহুগাঁও, চাৰিআলি। হাজৰিকাই ১৯২১ চনত গান্ধীজীৰ আহ্বানত সঁহাৰি জনাই চাহ বাগিছাৰ চাকৰি ত্যাগ কৰি আন্দোলনত যোগদান কৰে। তেওঁ যদিও কাৰাবাস খটা নাছিল কিন্তু পূৰ্ণ সহযোগিতাৰে দেশৰ কামত অবিহণা যোগাইছিল। বহু বছৰ ধৰি মণ্ডল কংগ্ৰেছৰ সম্পাদক হৈ কাৰ্যনিৰ্বাহ কৰি আছিল। ১৯৭০ চনত মৃত্যু বৰণ কৰে।

ডালিম কলিতা :

জন্ম বাঁহবাৰী মৌজাৰ মাৰিগাঁৱত। পিতৃ ফুকুলাই কলিতা। ১৯৪২ চনৰ আন্দোলনত পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল।

ডিম্বেশ্বৰ নাথ :

ৰঙামাটি। ১৯৩২ চনৰ আন্দোলনত কানি পট্টা পোৰা মোকৰ্দমাত পৰি ফাটেক খাটে।

তিত্বেশ্বৰ শইকীয়া :

দেউৰী গাঁও। পিতৃ তিলক শইকীয়া। ১৯৪১ চনত সেৱাদলত যোগদান কৰে। ১৯৪২ চনত আত্মগোপন কৰে। এই চনৰে ২১ চেপ্তম্বৰ তাৰিখে মিলিটাৰীৰ দ্বাৰা নির্যাতন।

তৰণী হাজৰিকা :

ৰঙামাটি। ১৯৪২ চনৰ ২১ চেপ্তেম্বৰ তাৰিখে মৃত্যু বাহিনীৰ সৈনিক হৈ পতাকা উত্তোলন কৰিবলৈ যায়। পুলিচৰ হাতত আটক হয়।

তজুৰাম গগৈ :

দুবিয়া দগাঁও। জন্ম ১৯০১, মৃত্যু ১৯৭৩ চন। পিতৃ যাদুৰাম গগৈ। চাৰি বছৰ প্রাথমিক পঢ়াশালীৰ শিক্ষকতাৰ চাকৰি কৰাৰ পাছত ১৯২১ চনৰ অসহযোগ আন্দোলনত চাকৰি এৰি সক্রিয় অংশ গ্রহণ কৰে আৰু ফাটেক খাটে।

তৰনী চৰণ শর্মা :

১৯৩২ চনত চাৰিদুৱাৰ কেম্পৰ ভলন্টিয়াৰ আছিল। উক্ত কেম্পটো পুলিচৰ হাতত পৰাত তেওঁ গ্রেপ্তাৰ হয়। ফলত শর্মা এৰাতি হাজোত খাটিবলগীয়া হয়।

তিলিকী সুত :

পিঠাখোৱা। ১৯৪২ চনৰ গণ বিপ্লৱৰ শোভাযাত্রাৰ আগ ভাগ লোৱা মহিলা কর্মী আছিল।

তিলক কাকতী :

মাতলচুক গাঁও। পিতৃ ভেকীৰাম কাকতি। ছাত্রাৱস্থাত ছাত্র সংগঠনৰ নেতৃত্ব লয়। গ্রেপ্তাৰী পৰোৱানা অহাত আত্মগোপন কৰে। পুলিচে ঘৰ-দুৱাৰ লণ্ডভণ্ড কৰে।

তিলক চন্দ্র শর্মা :

চতিয়া। জন্ম ১৯০০, মৃত্যু ১৯৭০ চন। পিতৃ মহিৰাম শর্মা। কটন কলেজৰ ছাত্র শর্মাই কলেজ ত্যাগ কৰি স্বাধীনতা আন্দোলনত যোগ দিয়ে। কিছুদিন 'টাইমচ অৱ আসাম'ৰ সম্পাদকৰ কাম কৰা অৱস্থাত কেবাবাৰো জেললৈ গৈছিল।

তুলসী হাতীবৰুৱা :

জন্ম ১৮৮৭, মৃত্যু ১৯৬৭ চন। পিতৃ মহীধৰ হাতীবৰুৱা। মাতৃ নুমলী আইদেউ। চাহবাগিচাৰ চাকৰি বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত যোগদান কৰে। ১৯৩৩ চনত কলিকতাৰ কংগ্ৰেছলৈ যাওঁতে বাটতে গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৪২ চনৰ গণ বিপ্লৱত ৬ মাহৰো অধিককাল কাৰাগাৰত থাকে।

তুলাৰাম দাস :

ৰাঙাপাৰা। দাসে ১৯৩৮ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰা বাবে তিনি মাহ জেল খাটে। তেওঁ মণ্ডল চাকৰি ইস্তফা দি দেশ স্বাধীন হোৱাৰ পিছত লোকেল বোৰ্ডৰ সদস্য হৈছিল। গান্ধীজীৰ গঠনমূলক কামত লাগিছিল। ১৯৬৫ চনত তেখেতৰ মৃত্যু হয়।

তিলক চন্দ্ৰ শৰ্মা :

হেলেম। ১৯২১ চনত তিলক চন্দ্ৰ শৰ্মাই কটন কলেজত ৪ৰ্থ বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰ থকা অৱস্থাতে আইন অমান্য আন্দোলনত যোগদান কৰাৰ অপৰাধত এবছৰ জেল হয়। তাৰ পাছৰ অন্যান্য আন্দোলনত জড়িত নাছিল। দেশ স্বাধীন হোৱাৰ পিছত তেওঁ ছয়-দুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হয়। ১৯৬৫ চনত শৰ্মাৰ মৃত্যু হয়।

তুলেশ্বৰ ভুঞা :

বাঁহবৰীয়া গাঁও। ১৯২১-৪৭ চনলৈ স্বাধীনতাৰ সংগ্ৰামত অংশ গ্ৰহণ কৰে। কলাজ্বৰ নিৰোধ আৰু শিক্ষা প্ৰচাৰত জড়িত আছিল।

তুৰাৰাম শইকীয়া :

দেউৰীগাঁও। পিতৃ তিলক শইকীয়া। ১৯৪২ চনত মৃত্যু বাহিনীত যোগ দি ৬ মাহ আত্মগোপন আৰু এই চনৰে ২১ চেপ্তেম্বৰত পুলিচে কৰা লাঠি চালনাত বেয়া ধৰণে আহত হয়।

তুলাই নাথ :

মেৰুনৰ চুবুৰী। ১৯৩০-৩২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ শোভাযাত্ৰাত নেতা আছিল। পিকেটিং কৰোতে পুলিচৰ হাতত মাৰ খায়। তেওঁৰ জেল হোৱা নাছিল।

তুলসী বড়া :

বেলগুৰি কলিতাগাঁও। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰে। ২১ চেপ্তেম্বৰত পুলিচৰ হাতত মাৰ খায়। থানাত এদিন হাজোত খাটে। বড়া পিছত মিলিটেৰীত চাকৰি কৰিছিল।

তেলেই দেৱী :

ছাগলী চুবুৰী। ১৯২১ চনৰ চেপ্তেম্বৰত শোভাযাত্ৰাত ভাগ লোৱা প্ৰধান মহিলা সংগঠিকা আছিল।

থানু তামুলী :

চিঙাচুবুৰী। ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

থানুৰাম বৰুৱা :

ডুবিয়া দ গাঁও। জন্ম ১৮৭৬, মৃত্যু ১৯৬৮ চন। ১৯২১—৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। '৪২ ৰ আন্দোলনত পুলিচৰ দ্বাৰা নিৰ্যাতিত হয়।

থানুৰাম নাথ (বায়ন) :

মেকনৰ চুবুৰী। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গাঁৱে গাঁৱে কমিটি পাতি কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য চলাইছিল।

থানু পণ্ডিত :

চিঙা চুবুৰী। ১৯৩০ চনৰ বায়ত সভাৰ কৰ্মী আছিল। প্ৰায় ৭২ বছৰ বয়সত মৃত্যু হয়।

থিৰেশ্বৰ গগৈ :

নাগশঙ্কৰ। ১৯৩২ চনত গগৈয়ে কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনত স্বাধীনতাৰ শেষ সংগ্ৰামত পুনৰ আন্দোলনত যোগদান কৰে আৰু ৩ মাহ জেল হয়। দেশ স্বাধীন হোৱাৰ পিছত এবাৰ লোকেল বোৰ্ডৰ সদস্য নিৰ্বাচিত হৈছিল। বৰ নম্ৰ স্বভাৱৰ লোক আছিল। গান্ধীজীৰ গঠনমূলক কামবোৰ বৰ আগ্ৰহেৰে কৰিছিল। ১৯৬১ চনত পৰলোক প্ৰাপ্তি হয়।

দত্তৰাম দাস:

বাংচালি, বিহালী। ১৯৩০ চনত আন্দোলনত যোগদান কৰে। ১৯৪২ চনৰ আন্দোলনত তিনি মাহ কাৰাবৰণ খাটিব লগীয়া হয়। বৃদ্ধ অৱস্থাত মৃত্যু হয়।

দীন চন্দ্ৰ বৰুৱা:

গবৈমাৰী। বৰুৱাই ১৯৩৮ চনত কংগ্ৰেছৰ সেৱাদলত প্ৰশিক্ষণ লয়। ১৯৪২ চনত তেজপুৰ কোৰ্টত পতাকা তুলিবলৈ আহোঁতে পুলিচৰ হাতত মাৰ-ধৰ খাই ঘূণীয়া হয়। অসম চৰকাৰৰ পৰা মুক্তি যুঁজাৰু পেঞ্চন পাইছিল। ১৯৬০ চনত মৃত্যু হয়।

দানেশ্বৰ নাথ:

বৰুৱা দলনী। '৪২ৰ আন্দোলনত কংগ্ৰেছৰ শিবিৰৰ নায়ক আছিল।

দিনাই কোঁচ:

স্বাধীনতা আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

দুতিৰাম হাজৰিকা:

বৰঙাবাৰী, শোণিতপুৰ। জন্ম ১৯০২, মৃত্যু ১৯৭০ চন। পিতৃ উমাৰাম হাজৰিকা। দৰং জিলালৈ আহি পুলিচৰ চকুত ধূলি দি চাকৰি কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ২০ চেপ্তেম্বৰৰ দিনা গহপুৰ থানালৈ শোভাযাত্ৰাত গৈ ৬ মাহ জেলত থাকে।

দুলাল চন্দ্ৰ বৰা:

যোগোৰা চুবুৰী, ডিপোটা। পিতৃ পূৰ্ণকান্ত বৰা। ১৯৩৬ চনত কংগ্ৰেছৰ সেৱাদলত যোগদান কৰে। ১৯৪২ চনত মৃত্যু বাহিনীত যোগ দি আত্মগোপন কৰে।

দুলাল চন্দ্ৰ শইকীয়া:

তিনিআলি, বেবেজীয়া। ১৯৪২ চনৰ আন্দোলনত মৃত্যুবাহিনীৰ সদস্য থকাৰ উপৰিও ৫ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

দেহীৰাম কলিতা :

১৯৩২ চনৰ আন্দোলনত ৬ মাহ কাৰাবাস খাটে। পাছত আকৌ গ্ৰেপ্তাৰ হয় আৰু ত্ৰিশ টকা জৰিমনা ভৰে।

দুৰ্গা পটঙ্গীয়া :

সোনামৰা। আন্দোলন এজন কৰ্মী।

দিনাই নাথ :

চামৰাগাঁও, গবৈমাৰী। মৃত্যুবাহিনীৰ সদস্য আছিল। ১৯৪৪ চনত মৃত্যু হয়।

দেহী কলিতা :

মাহৰ চুক। ১৯৪২ চনত চতিয়া থানাত পতাকা উত্তোলন কৰিব যাওঁতে পুলিচে মাৰধৰ কৰে আৰু গ্ৰেপ্তাৰ কৰে। তিনি চাৰি মাহ মান জেল হয়।

দেৱেন্দ্ৰ নাথ শৰ্মা :

হেলেম। ১৯৩০ চনত স্কুলৰ শিক্ষা ত্যাগ কৰি মাদক দ্ৰব্য বৰ্জনৰ আন্দোলনত ভাগ লয়। ১৯৪২ চনত পলাই ফুৰে। দেশ স্বাধীন হোৱাৰ পিছত তেজপুৰ লোকেল বোৰ্ডৰ সদস্য নিৰ্বাচিত হৈছিল। ১৯৬০ চনত মৃত্যু হয়।

দেৱ দাস :

তিনি আলি। ১৯৪২ চনত কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ৩ মাহ জেল হৈছিল। ১৯৭০ চনত তেখেতৰ মৃত্যু হয়।

দুৰ্গেশ্বৰ শৰ্মা :

মেকনবচুক, বিহগুৰী। ১৯৩৮ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪০-৪১ আৰু ১৯৪২ চনৰ শেষ সংগ্ৰামতো যোগদান দি কাৰাবৰণ কৰে। জেলৰ পৰা ওলাই আহি বিহগুৰীৰ বিজয় শৰ্মাৰ লগত তেজপুৰত থকা হিন্দী স্কুলৰ পৰা বিষাৰদ উপাধি লৈ শেষ বয়সলৈ বিহগুৰী হাইস্কুলত শিক্ষকতা কৰে। ১৯৬৫ চনত মৃত্যু হয়। তেখেতে অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল। শিক্ষক হৈ আছিল যদিও তেখেতে

গান্ধীজীৰ গঠনমূলক কামক বাস্তৱত ৰূপ দিবলৈ দেহেকেহে যত্ন কৰিছিল।

দেবেন বৰা :

বটলাগড়, গমিৰি। জন্ম ১৮৯৪, মৃত্যু ১৯৬০ চন। ১৯২১ চনত মাদকদ্ৰব্য বৰ্জন আন্দোলনত সহযোগ কৰে। '৪২ ৰ গণ আন্দোলনত যোগ দি মুঠ ৬ মাহ কাৰাবাস খাটে।

দেবেন্দ্ৰ নাথ বৰা :

গোসাঁই চুক। শিক্ষকতা ত্যাগ কৰি '৪২ ৰ গণ বিপ্লৱত যোগদান কৰিছিল। শান্তিসেনাৰ সদস্য আছিল।

দুৰ্গেশ্বৰ শৰ্মা :

কলিতা গাঁও। কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ ভতিজাক। ১৯৩০-৩২ চনৰ আন্দোলনৰ প্ৰধান সক্ৰিয় কৰ্মীজনে দেড় বছৰ জেল খাটে। যোৰহাট জেলৰ পৰা খালাচ হৈ পুনৰ সক্ৰিয়ভাৱে সত্যাগ্ৰহ আন্দোলন পৰিচালনা কৰে। ১৯৪২ চনৰ আন্দোলনৰ চাবিদুৱাৰ অঞ্চলৰ অৰ্গেনাইজাৰ হিচাপে কাম কৰে। পুলিচৰ ভয়ত ঘৰৰ পৰা পলাই থাকে। এক সময়ত মৌজা কংগ্ৰেছৰ সম্পাদক আৰু সভাপতি, বিহগুৰি বাঁহবাৰী কেন্দ্ৰীয় কংগ্ৰেছৰ সম্পাদক, লোকেল বৰ্ডৰ পঞ্চায়ত মাটি-বাৰী বিতৰণ কমিটিৰ সদস্য, জিলা কংগ্ৰেছৰ কাৰ্যকৰী সদস্য, আৰু বিহগুৰী অঞ্চলৰ বিভিন্ন গঠনমূলক কামৰ ভাগ লয়। তাম্ৰপত্ৰ পায়। ১৯৭৫ চনৰ ১৪ আগষ্টত মৃত্যু হয়।

ধনিৰাম কোছ :

চিঙা চুবুৰী। ১৯৩০-৩২ চনৰ প্ৰধান কৰ্মী। গাঁৱে গাঁৱে প্ৰচাৰ কাৰ্য চলাইছিল। প্ৰায় ৫৫ বছৰ বয়সত মৃত্যু হয়।

ধনীৰাম হাজৰিকা :

প্ৰাদেশিক অফিচত স্বেচ্ছাসেৱক ৰূপে কংগ্ৰেছৰ কাৰ্যত লাগি থাকোতেই বিহাৰৰ ফালে হিন্দী শিকিবলৈ পঠায়। তাতে পঢ়ি আহি নানা ঠাইত চৰকাৰী হাইস্কুলত হিন্দী শিক্ষকৰূপে কাম কৰে। ১৯৩০ চনত কানিৰ দোকানত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰে।

ধৰ্মেশ্বৰ বৰকাকতী :

জন্ম ১৮৮৫, মৃত্যু ১৯৫৩ চন। স্বাধীনতা আন্দোলনৰ আগ শাৰীৰ কৰ্মী।

নবীন ফুকন :

সদিয়া চুক। ১৯৩৯-৪৭ চনলৈ স্বাধীনতা সংগ্ৰামত যোগ দিয়ে। চতিয়া থানাত পতাকা উত্তোলন শোভাযাত্ৰাত অংশ লোৱাৰ উপৰিও কানি বৰ্জন আন্দোলনত আগ ভাগ লৈ বিভিন্ন সময়ত আত্ম-গোপন কৰে। ১৯৮৬ চনত তেওঁৰ মৃত্যু হয়।

নবীন ডেকা :

ডেকাৰগাঁও, মৌজা হলেশ্বৰ। পিতৃ গণো ডেকা। ১৯৩২ চনত কাৰাগাৰত কটায়। ১৯৩৪ চনত বজ্ৰপাত পৰি মৃত্যু হয়।

নন্দী শইকীয়া :

ঘৰ বৰহমপুৰত। ১৯৪২ চনত শান্তিসেনাৰ প্ৰশিক্ষণ লৈ গাঁৱৰ শান্তিসেনাৰ নায়ক হয়। ১৯৪২ চনৰ আন্দোলনত কমাণ্ডাৰ হৰকান্ত ৰায়ভুঞাৰ সহকাৰী ৰূপে কাম কৰে। মুক্তি বাহিনীৰ যোগেদি মিছামাৰী আদিৰ কাৰ্যসূচীত যোগ দিয়ে। নেতাসকল গ্ৰেপ্তাৰ হোৱাৰ পাছত আন্দোলন জীয়াই ৰাখিবলৈ পলাতক হৈ কাম কৰি গৈছিল।

নৰেন্দ্ৰ নাথ গোস্বামী :

১৯২১ চনৰ অসহযোগ আন্দোলনৰ প্ৰধান কৰ্মী। তিলক স্বৰাজ ফাণ্ডৰ বাবে ধন সংগ্ৰহ কৰে আৰু ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছ অধি-বেশনত ভলণ্টিয়াৰ হিচাপে যোগ দিয়ে। '৪২ ৰ আন্দোলনত ৩ মাহ কাৰাবাসত কটায়। ১৯৮১ চনৰ ১২ জুলাইত ৮৩ বছৰ বয়সত মৃত্যু হয়।

নন্দিৰাম ৰবা :

পিঠাখোৱা। আগশাৰীৰ কংগ্ৰেছ কৰ্মী। পুলিচৰ অত্যাচাৰ ভোগে।

নন্দেশ্বৰ কোচ্‌ :

কটকী চুবুৰী। ১৯৩২ চনত ভলন্টিয়াৰ হিচাপে জেল হৈছিল। বৰ্ত্তমান পত্নীয়ে পেঞ্চন পাইছে।

নন্দেশ্বৰ বৰা :

কলিতা গাঁও। ১৯৪২ চনৰ ভলন্টিয়াৰ আছিল। শোভাযাত্ৰাত ভাগ লয়। ২১ চেপ্তেম্বৰৰ শোভাযাত্ৰাত পুলিচৰ মাৰ খায় আৰু এৰাতি হাজোতত থাকিবলগীয়া হয়।

নগেন শৰ্মা :

চিলা চুবুৰী। আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কেম্পত যোগ দিয়ে।

নিৰ্মল সুত :

পিঠাখোৱা। সত্যাগ্ৰহ কৰাত ২ মাহ জেল হয়। পেঞ্চন ভোগ কৰিছিল।

শ্ৰীনাথ ডেকা :

ডেকাৰগাঁও, মৌজা হলেশ্বৰ। পিতৃ মানিক ডেকা। ১৯৩২ চনত ৬ মাহ জেলত কটায়।

নবীন চন্দ্ৰ দাস :

পিতৃ যজ্ঞোৰাম দাস। ১৯৪০ চনত কংগ্ৰেছ সেৱা দলত যোগ-দান কৰাৰ উপৰিও '৪২ ৰ গণ বিপ্লৱত ২১ চেপ্তেম্বৰত তেজপুৰত হোৱা লাঠি চালনাত মূৰত আঘাত পায়। মৃত্যু বাহিনীত যোগদান কৰি আত্মগোপন কৰি থকা সময়ত ঘৰৰ যথাসৰ্বস্ব হেৰুৱায়। কোনো চৰকাৰী সাহায্য পোৱা নাই।

নবীন চন্দ্ৰ বৰদলৈ :

ভাগৱতী চুক। পিতৃ ভোলাই বৰদলৈ। ১৯৪২ৰ পৰা ১৯৪৫ চনলৈ গ্ৰেপ্তাৰী পৰোৱানা থকাত আত্মগোপন কৰে। ফলত পুলিচে সকলো সা-সম্পত্তি বাজেয়াপ্ত কৰে। ১৯৮২ চনত তেখেতৰ মৃত্যু হয়।

নিবোদবৰন দাস ঃ

হাবাজান। পূৰ্ব্বৰ গোৱালপাৰা জিলাৰ পচনীড় গাঁৱৰ পৰা অহা। ১৯৩০ চনত সৰুপেটাত আছিল আৰু বৰপেটা জিলা কংগ্ৰেছৰ সহকাৰী সম্পাদক হয়। তাৰপৰা তেজপুৰলৈ আহি বিশ্বনাথত থাকে আৰু তাতেই বিয়া কৰায়। তাৰপৰা কলাবাৰীৰ হাবাজানত গৈ কংগ্ৰেছৰ গঠনমূলক কাম কৰি থাকে। ১৯৪২ চনত গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ আহে আৰু তাৰ পৰা পলাই যায়। বহুদিন পলাতক অৱস্থাত থকাৰ পিছত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু তেজপুৰ জেলত ৩ বছৰ কাৰাবাস হয়। জেলৰ পৰা ওলাই পুনৰ গাঁও সংগঠনৰ কামত লাগে। দাসে হাবাজান হাইস্কুল, থানা, এম ভি স্কুল, বাট-ঘাট, নাট্যমন্দিৰ আদি নিৰ্মাণ কৰে। ১৯৬৩ চনত তেজপুৰ জিলা কংগ্ৰেছৰ সহকাৰী সভাপতি নিৰ্বাচিত হয়। ১৯৬৭ চনত কংগ্ৰেছৰ মনোনয়ন নোপোৱাত কংগ্ৰেছৰ বিৰুদ্ধে থিয় হয় আৰু পৰাজয় বৰণ কৰে। আকৌ ১৯৭২ চনতো নিৰ্দলীয় প্ৰাৰ্থী হিচাপে কংগ্ৰেছৰ বিৰুদ্ধে থিয় হৈ পৰাজয় বৰণ কৰে। ইয়াৰ আগতে ৪ বছৰ ছয়দুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি নিৰ্বাচিত হৈছিল আৰু দুবাৰ প্ৰদেশ কংগ্ৰেছৰ সদস্য নিৰ্বাচিত হৈছিল। ১৯৭৪ চনত কেন্সাৰ বেমাৰত দাসৰ মৃত্যু হয়। তেজপুৰীয়া ৰাইজে দাসক সীমান্ত গান্ধী নামেৰে সম্বোধন কৰিছিল। তেখেতে পেঞ্চন পোৱা নাছিল।

নিত্যানন্দ বৰদলৈ ঃ

বৰদলৈয়ে ১৯০৪ চনত ডিপোটা গাঁৱত জন্ম গ্ৰহণ কৰে। ১৯২১ চনত তেজপুৰৰ চৰকাৰী হাইস্কুল পৰিত্যাগ কৰি অসহযোগ আন্দোলনত যোগদান কৰে। লগতে লম্বোদৰ কলিতা, নেত্ৰ শইকীয়াও অসহযোগ আন্দোলনত যোগদান কৰিছিল। আন্দোলনত যোগ দিয়া কাৰণে পুলিচে ১০৭ ধাৰাত গ্ৰেপ্তাৰ কৰি ১ বছৰ জেল দিয়ে। জেলৰ পৰা ওলাই অহাৰ পাছত তেজপুৰ সমবায় সমিতি, গুৱাহাটী প্ৰেছ আৰু শেষত গুৱাহাটী অনাথাৰ কেন্দ্ৰত কাম কৰি অৱসৰ লয়। ১৯৭৩ চনৰ মাৰ্চ মাহত তেখেতৰ মৃত্যু হয়।

নীলকান্ত বৰুৱা ঃ

১৯২১ চনত জিলাৰ দ্বাৰা নিয়োজিত সংগঠক বগিৰাম শইকীয়া, চোনৰাম দাস আদিৰ লগত বৰভগীয়াত পতা প্ৰধান কংগ্ৰেছ শিবিৰত প্ৰশিক্ষণ লয়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত জামুগুৰি সেৱাদলৰ নেতৃত্ব কৰিছিল।

নোমল চন্দ্ৰ শইকীয়া ঃ

সদিয়া, মাড়ৰচুক গাঁও। স্কুলৰ চাকৰি এৰি মৃত্যু বাহিনীত যোগ দিয়ে। পুলিচৰ অত্যাচাৰত আঘাতপ্ৰাপ্ত হয় আৰু কাৰাগাৰলৈ যাবলগীয়া হয়। ৯ মাহ হাজোত বাস কৰে। জেলৰ পৰা ওলাই আহি অকালতে মৃত্যুমুখত পৰে।

পৰমানন্দ আগৰৱালা ঃ

হৰিবিলাস আগৰৱালাৰ তৃতীয় পুত্ৰ পৰমানন্দ আগৰৱালাৰ জন্ম ১৮৬৯ চনত গমিৰিত। মাতৃ মলমা আগৰৱালা। তেজপুৰৰ পঢ়াশালিত কিছুকাল শিক্ষা লৈ কলিকতাৰ চিটি স্কুলত দশম মানলৈ পঢ়ে। সংগীতপ্ৰিয় পৰমানন্দই চেতাৰ, বেহেলা আদি বজাবলৈ শিকিছিল। বিয়াই সবাহে গীত গাইছিল। সঙ্গীতাচাৰ্য লক্ষ্মীৰাম বৰুৱাৰ সৈতে তেওঁ বাণ ৰঙ্গমঞ্চত বিভিন্ন কাৰ্যসূচীত ভাগ লৈছিল। বিনয়ী স্বভাৱৰ পৰমানন্দ আগৰৱালা বৰ ধাৰ্মিক লোক আছিল। তেওঁ এজন সাহিত্যানুৰাগী ব্যক্তিও আছিল। পাণিনিৰ বস্নমালা ব্যাকৰণ ছপাই তেওঁ প্ৰকাশ কৰিছিল। স্বদেশপ্ৰেমিক আগৰৱালাই বিদেশী বস্ত্ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ এজন নিষ্ঠাবান কংগ্ৰেছ কৰ্মী আছিল। আহমেদাবাদ কংগ্ৰেছ অধিবেশনত তেওঁ যোগদান কৰিছিল।

পমিলা দেৱী ঃ

ছাগলী চুবুৰী। ১৯২১ চনৰ চেপ্তেম্বৰত শোভাযাত্ৰাত ভাগ লোৱা প্ৰধান মহিলা সংগঠিকা আছিল।

পদুমী দেৱী ঃ

পিঠাখোৱা। ১৯৪২ চনৰ গণ বিপ্লৱৰ শোভাযাত্ৰাত আগ ভাগ লোৱা মহিলা কৰ্মী আছিল।

পদ্মকান্ত বৰুৱা :

খোলাগাঁও। তেজপুৰ হাইস্কুলত পঢ়ি থকা বৰুৱাই স্কুল এৰি কংগ্ৰেছত যোগ দিয়ে। ১৯৩০-৩১ চনত চিকৰাই কানি পিকেটিঙত অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ বৰণ কৰে।

পদ্ম দাস :

হাগলী চুবুৰী। দাস শিক্ষিত চোকা বুদ্ধিৰ যুৱক আছিল। ১৯৩০-৩২ চনৰ কংগ্ৰেছ কৰ্মী আৰু সংগঠক আছিল। তেখেতে ৰাইজত সভা গঠনত যথেষ্ট সহায় কৰিছিল। বিহগুৰী বনিয়া সম্প্ৰদায়ক নানা ধৰণে আগবঢ়াই নিবলৈ যত্ন কৰিছিল। তেখেতৰ মৃত্যু ৰহস্যজনক। মৃতদেহ ব্ৰহ্মপুত্ৰৰ পানীত পোৱা গৈছিল।

পমিলা সুত :

পিঠাখোৱা। ১৯৪২ চনৰ গণ বিপ্লৱৰ শোভাযাত্ৰাত আগ ভাগ লোৱা মহিলা কৰ্মী আছিল।

পদ্মকান্ত গোস্বামী :

মাগনি গাঁও। পিতৃ নিত্যানন্দ গোস্বামী। ১৯২১ চনৰ অসহ-যোগ আন্দোলনৰ উপৰিও ১৯৩২ চনৰ বালিজান কংগ্ৰেছ সেৱা দল সংগঠনৰ কামত ঘূৰোঁতে পুলিচৰ হাতত ধৰা পৰি ২ বছৰ কাৰাটেকত কটায়। '৪২ৰ গণ বিপ্লৱতো তেওঁৰ ভূমিকা আছিল অসীম।

পদ্মমী দেৱী :

১৯৩০ চনত মহাত্মা গান্ধীৰ নেতৃত্বত ভলণ্টিয়াৰ প্ৰশিক্ষণ লয়। বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত গণ আন্দোলনত পতাকা উত্তোলন কৰিবলৈ যোৱাত পুলিচে মাৰ-ধৰ কৰি নৰ্দমাত পেলাই দিয়ে। এই আঘাততে ৰুগীয়া হয় আৰু ১৯৪৫ চনত মৃত্যু হয়।

পদ্মনাথ গোস্বামী :

বৰগুৱাবাৰী, মৌজা কলংপুৰ। জন্ম ১৮৯৬, মৃত্যু ১৯৬৩। পিতৃ ৰাপচন্দ্ৰ গোস্বামী। ১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩২ চনৰ গমিৰিত বহা ছন্নদুৱাৰ ৰাইজত সভাৰ সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ জাবণীশ্ৰম সত্ৰত গোপন সভা পাতি

শান্তি সেনা আৰু কংগ্ৰেছ স্বেচ্ছাসেৱকক লৈ ২৩ চেপ্তেম্বৰৰ দিনা গহপুৰ পুলিচ থানালৈ জাতীয় পতাকা উত্তোলনৰ বাবে নেতৃত্ব লৈছিল।

পদ্মৰাম শইকীয়া :

চতিয়া। ১৯৪২ চনত স্কুল বৰ্জন কৰি গণ আন্দোলনত যোগদান কৰিছিল। আন্দোলনৰ কামত বহুদিন ধৰি পলাই আছিল। দেশ স্বাধীন হোৱাৰ পাছত মণ্ডল কংগ্ৰেছৰ সম্পাদক আৰু সভাপতি নিৰ্বাচিত হৈছিল। বিভিন্ন ৰাজহুৱা কামত আত্মনিয়োগ কৰে। ১৯৮৯ চনত মৃত্যু হয়।

পৰাম চন্দ্ৰ দাস :

বান্দৰমাৰী। জনজাতীয় ৰাইজৰ নেতা দাসে ১৯৩২ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহ কাৰাবাস খাটিবলগীয়া হয়। ১৯৪২ চনৰ গণ বিপ্লৱতো অংশ গ্ৰহণ কৰি জেল খাটে। তেতিয়াৰ জিলা কংগ্ৰেছৰ সভাপতি শ্ৰীকান্ত শৰ্মাৰ সক্ৰিয় সহযোগত বান্দৰমাৰীত লোকনায়ক অমিয় কুমাৰ দাস জীয়াই থাকোতেই এখন হাইস্কুল প্ৰতিষ্ঠা কৰে। তেখেত এক সময়ত লোকেল বোৰ্ডৰ সদস্যও আছিল। ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু ৰাজনৈতিক পেঞ্চন পাইছিল। ১৯৭৬ চনত তেখেতৰ মৃত্যু হয়।

প্ৰাণেশ্বৰ সুত :

পিঠাখোৱা। ১৯৪২ চনৰ কৰ্মী আছিল। ১৯৩০-৩২ চনত ভলণ্টিয়াৰৰ নায়ক আছিল ; ৬ মাহ জেল হয়। ভাৰত চৰকাৰে তাম্ৰপত্ৰ প্ৰদান কৰে। ১৯৭৫ চনৰ ১৮ আগষ্টত মৃত্যু হয়।

পানীৰাম ভূঞা :

পাতালচুক গাঁও। স্কুল ত্যাগ কৰি নিজ গাঁৱতে নীলকান্ত বৰুৱাৰ অধীনত স্বেচ্ছাসেৱক হয়। বিলাতী বস্ত্ৰ বৰ্জন, কানি বৰ্জন, খাদী প্ৰচলনৰ বাবে গাঁৱে গাঁৱে প্ৰচাৰ কৰিছিল। ১৯৩২ চনত কানি পিকেটিং কৰা বাবে গ্ৰেপ্তাৰ হয়। পাছত পলাই গৈ ভোগদৈ পাৰৰ গড়মূৰীয়া গোসাঁইৰ বাহৰৰ গোপন সদৌ অসম কৰ্মী সভাত তেজপুৰৰ প্ৰতিনিধিত্ব কৰিছিল। ১৯৪২ চনত যোৰহাট জেলত ৬ মাহ কাৰাবাস খাটিছিল। ভাৰত চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল।

পানীৰাম কাকতি :

মুচাদল গাঁও। ১৯৩২ চনত কানি পিকেটিং কৰা অপৰাধত জেল হয়। কংগ্ৰেছৰ এজন একনিষ্ঠ কৰ্মী আছিল। বহুসময়ত কংগ্ৰেছৰ কাৰ্যকৰী সদস্য আছিল আৰু অঞ্চলটোক প্ৰতিনিধিত্ব কৰিছিল। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ কাৰাবাস খাটে। ভাৰত চৰকাৰৰ ৰাজনৈতিক পেঞ্চনাৰ আছিল।

পুনাই নাথ :

জেকৰ চুবুৰি। গঠনমূলক কামৰ সক্ৰিয় কৰ্মী। ১৯৮০ চনত মৃত্যু হয়।

পিতাম্বৰ নেওগ :

মোৰামাৰী। ১৯২১ চনত চাহ বাগিছাৰ কাম ত্যাগ কৰি অসহযোগ আন্দোলনত যোগদান কৰে। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ সকলোবোৰ আন্দোলনত সক্ৰিয় সহযোগ আগবঢ়ায় আৰু গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। লোকনায়ক অমিয় কুমাৰ দাসৰ লগ লাগি এখন বাঁহবাৰী আশ্ৰম খুলিছিল। দেশ স্বাধীন হোৱাৰ পিছত ত্ৰিপাঠী ভাগৱতী আদিৰ লগত বাগিছাসমূহত মজদুৰৰ মাজত সংগঠনৰ কাম কৰিছিল। অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল। ১৯৬৫ চনত তেখেতৰ মৃত্যু হয়।

পুনাই কোচ :

১৯৩২ চনত পিকেটিং কৰোতে ১ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

পুনুৰা কোচ :

কলিতা গাঁও। ১৯৩২ চনৰ আন্দোলনত পিকেটিং কৰোতে ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

পুষ্পৰাম শইকীয়া :

ৰাঙাপাৰা। শইকীয়া নগাঁওৰ পৰা উঠি আহি ৰাঙাপাৰাত বাস কৰিবলৈ লয়। ১৯৪২ চনত ভাৰতৰ স্বাধীনতা আন্দোলনত যোগদান কৰে আৰু ৪ মাহ জেল হয়। স্বাধীনতা লাভৰ পাছত সমবায়, পঞ্চায়ত আদি উন্নয়নমূলক কামত আত্মনিয়োগ কৰে। ১৯৬৩ চনত মৃত্যু হয়।

পূৰ্ণ শৰ্মা :

বগামাটি। ১৯৪২ চনৰ কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আছিল। গান্ধীজীৰ গঠনমূলক কামক গাঁৱে ভূঞে ৰূপ দিবলৈ চেষ্টা কৰিছিল। খাদী গ্ৰামোদ্যোগৰ প্ৰচাৰ, কৃষি সেৱাৰ উন্নতি, স্ত্ৰী শক্তিৰ জাগৃতি, মদ নিবাৰণ, হৰিজন সেৱা, অস্পৃশ্যতা নিবাৰণ আদিৰ কাম কৰিছিল। ২১ চেপ্তেম্বৰত ঢেকীয়াজুলিত পুলিচৰ মাৰ খায় আৰু গ্ৰেপ্তাৰ হৈ পিছত খালাচ পায়।

পূৰ্ণ শৰ্মা :

বগামাটি। ১৯৪২ চনৰ ২১ চেপ্তেম্বৰৰ দিনা তেজপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ গৈ পুলিচৰ মাৰ খায়।

পূৰ্ণকান্ত দাস :

দাস সৰুভগীয়া গাঁৱৰ ভকতৰাম দাসৰ পুত্ৰ। ১৯২১ চনলৈ তেজপুৰ হাইস্কুলত জ্যোতিপ্ৰসাদৰ সহপাঠী আছিল। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। তেতিয়াৰ পৰা একেধাৰে ১৯৪৭ চনলৈকে মৌজা আৰু কেন্দ্ৰীয় কংগ্ৰেছৰ সকলো সময়তে সদস্য আছিল। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্ৰহৰ সত্যাগ্ৰহী আছিল। ১৯৩০-৩১ চনত পলাতক হৈ শিৱসাগৰ জিলাৰ ঢেৰগাঁও অঞ্চলত বহুদিন থাকে। ১৯৩১ চনত যোৰহাটত বহা প্ৰদেশ কংগ্ৰেছৰ কৰ্মী সন্মিলনত যোগ দিয়ে।

পূৰ্ণ মহন্ত :

কাঁহদল। মহন্তই ১৯৩০ চনত কংগ্ৰেছৰ অসহযোগ আন্দোলনত যোগদান কৰে। ১৯৪২ চনত ২১ চেপ্তেম্বৰত তেজপুৰত পতাকা উত্তোলন কৰিবলৈ আহোঁতে গ্ৰেপ্তাৰ হয় আৰু তিনি মাহ জেল হয়। অসম চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল। ১৯৬১ চনত মৃত্যু হয়।

প্ৰবীন ডেকা :

১৯৩০ চনত আইন অমান্য আন্দোলনত যোগদান কৰি ৬ মাহ জেল খাটে। তেওঁ হৰিজন সেৱাৰ কাম কৰিছিল। ১৯৮৭ চনত তেওঁৰ মৃত্যু হয়।

প্ৰভাৰ্ত্ত বৰা :

জামুগুৰিহাট। পিতৃ গোলকচন্দ্ৰ বৰা। ১৯৬০ চনৰ আইন অমান্য আন্দোলনৰ উপৰিও ১৯৪২ চনৰ আন্দোলনত ভাগ লয়। '৪২ ৰ আন্দোলনত ৯ মাহ পলাতক হৈ থাকি গুপ্তভাৱে আন্দোলন চলায়। ১৯৬৮ চনত তেওঁৰ মৃত্যু হয়।

প্ৰজাপতি বিজাক :

গোৰ্খা সম্প্ৰদায়ৰ লোক বিজাকে ১৯৩৫ চনত কংগ্ৰেছত যোগ দি '৪২ ৰ গণ আন্দোলনত গ্ৰেপ্তাৰী পৰোৱানা অহাত পলাই থাকে। ১৯৬৮ চনত তেওঁৰ মৃত্যু হয়।

পোনাৰাম নাথ :

চন্দ্ৰনাথ শৰ্মাৰ অদৰ্শত অনুপ্ৰাণিত পোনাৰামে '৪২ ৰ ভাৰত ত্যাগ আন্দোলনত প্ৰধান শিক্ষকৰ পদ ইস্তফা দি সক্ৰিয় অংশ গ্ৰহণ কৰে। এইজন আদৰ্শবান ব্যক্তি বিভিন্ন ৰাজহুৱা সামাজিক অনুষ্ঠানৰ লগত বিশেষভাৱে জড়িত আছিল। ৭২ বছৰ বয়সত তেখেতৰ পৰলোক-প্ৰাপ্তি ঘটে।

পোৱালচন্দ্ৰ বৰা :

নিজ বিহালী। জন্ম ১৮৫১, মৃত্যু ১৯৩৮। পিতৃ লবোৰাম বৰা। ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি ৬ মাহ কাৰা-গাৰত কটায়।

পোৱাল নাথ :

ছাগলী চুবুৰী। গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত নাথ স্বাধীনতা সংগ্ৰামৰ সক্ৰিয় কৰ্মী আছিল।

ফটিকমান বিশ্বকৰ্মা :

পুঠিমাৰী। আন্দোলনৰ কৰ্মী।

ফেদুৱা ডেকা :

কলিতাগাঁও। ১৯৩২ চনত কানিৰ দোকানত পিকেটিং কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

যদু বাহবৰীয়া :

ভেকাৰ গাঁও, শইকীয়া চুবুৰী। ১৯২১ চনৰ পৰা ৪৭ চনলৈ স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল।

ৰঙিৰাম নাথ :

পিঠাখোৱা। ১৯৩২ চনৰ প্ৰধান কৰ্মী আৰু সংগঠক।

ৰঙীৰাম বৰুৱা :

গেৰেলুৱা চুক গাঁও। জন্ম ১৮৯৬। জামুগুৰিৰ প্ৰথম কংগ্ৰেছ শিবিৰত ৰঙীৰাম শইকীয়া, চেনীৰাম শইকীয়া আদিৰ লগত প্ৰধান সহায়ক স্বেচ্ছাসেৱক ৰূপে যোগ দি গোটেই জীৱন কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰে। সকলো সময়তে লগত টাকুৰী পাজি লৈ যতে বহে তাতে সূতা কটা অভ্যাস আছিল।

ৰঙীৰাম শইকীয়া কবিৰাজ :

বাঁহবাৰী, বিহালী। জন্ম ১৮৯৭ চন। পিতৃ কেৰকেতু শইকীয়া। শইকীয়াই ১৯১৯ চনত প্ৰবেশিকা পৰীক্ষা কৃতিত্বৰে উত্তীৰ্ণ হৈ কটন কলেজত ভৰ্তি হয়। দেশৰ আহ্বানত কলেজ ত্যাগ কৰি স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জড়িত হৈ পৰে। সমগ্ৰ শোণিতপুৰ জিলাতে মাদকদ্ৰব্য বৰ্জন, বিলাতী বস্ত্ৰ পৰিত্যাগৰ আহ্বান জনায়। কংগ্ৰেছৰ পুঁজিৰ ধন সংগ্ৰহ কৰি ফুৰোতে ৩ মাহ জেলত থাকিবলগীয়া হয়। পিছত নিজে স্থাপন কৰা বিদ্যালয়ত শিক্ষকতা কৰে। আনহাতে কলিকতাৰ আয়ুৰ্বেদিক কলেজৰ পৰা আয়ুৰ্বেদিক পৰীক্ষাত উত্তীৰ্ণ হৈ আহি স্বাধীনভাৱে আয়ুৰ্বেদিক চিকিৎসা কৰিবলৈ লয়। '৪২ ৰ গণ বিপ্লৱতো বিশেষ ভূমিকা লয়। ফলত ৪ মাহ কাৰাগাৰত কটায়। তেওঁ জাতীয় চৰকাৰৰ পৰা মুক্তিযোদ্ধাৰ সন্মান পায়।

ৰকুলচন্দ্ৰ হাজৰিকা :

মৃচাদল গাঁও। পিতৃ শম্ভুৰাম হাজৰিকা। ১৯২১ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক হয়। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছ অধিৱেশনলৈ স্বেচ্ছাসেৱক হিচাপে যায়। কানি বৰ্জন আন্দোলনত যোগ দি ১৯৩০-৩২ চনত কেইবাবাৰো গ্ৰেপ্তাৰ হয়। ১৯৪১ চনত সত্যাগ্ৰহ কৰোতে পুলিচে ধৰি নি পিছত এৰি দিয়ে। শান্তি সেনা সমিতিত যোগ দিছিল। ১৯৭৬ চনত তেওঁৰ মৃত্যু হয়।

ৰঙীৰাম শইকীয়া :

গাংমোথান, বিহালী। শইকীয়াই ১৯২১ চনত কটন কলেজৰ ২য় বাৰ্ষিক শ্ৰেণীৰ পৰা কলেজ বৰ্জন কৰি লোকনায়ক অমিয় কুমাৰ দাস, চন্দ্ৰ শৰ্মা আৰু কুমুদ চন্দ্ৰ শৰ্মাৰ সংগত কংগ্ৰেছৰ অসহযোগ আন্দোলনত যোগদান কৰে। সেই চনতে তেখেতৰ এবছৰ জেল হয়। জেলৰ পৰা ওলাই আহি পুনৰ পঢ়াৰ ইচ্ছা আছিল আৰু পণ্ডিত মদনমোহন মালব্য তেজপুৰলৈ আহোতে মালব্যজীয়ে হিন্দু বিশ্ববিদ্যালয়ত বিনা খৰছে পঢ়াৰ ব্যৱস্থা কৰি দিছিল। কিন্তু মাক-দেউতাকে বহুত দূৰত গৈ পঢ়া শুনা কৰাত আপত্তি কৰাত পঢ়া শুনা বাদ দি তেখেতে কলিকতাত হোমিঅ'পেথিক পঢ়াৰ ব্যৱস্থা কৰে। কংগ্ৰেছৰ প্ৰত্যেকটো আন্দোলনতে যোগদান কৰিছিল আৰু জেললৈ যাবলগীয়া হৈছিল। ১৯২১ চনত চতিয়াত জাতীয় স্কুল স্থাপন হোৱাত তাত শিক্ষকতাও কৰিছিল। তেখেতে ১৯৪২ চনত আন্দোলনত যোগদান কৰে আৰু এবছৰ জেল হয়। শইকীয়াই ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু ভাৰত আৰু অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল। শেষ বয়সলৈ চাইকেলত উঠি ফুৰিছিল। ১৯৮৩ চনত শইকীয়াৰ মৃত্যু হয়।

বিষ্ণুৰাম নাথ :

১৯৩০-৩২ চনৰ আন্দোলনত কানি পট্টা পুৰি ২১ দিন কাৰা-গাৰত থাকে।

বিজয় চন্দ্ৰ শৰ্মা :

১৯৩০-৩২ চনৰ আন্দোলনত কানিৰ পট্টা পোৰাৰ কাৰণে পুলিচৰ আটকাধীন হৈ ২১ দিন কাৰাগাৰত কটায়। হিন্দী শিক্ষক হিচাপে অৱসৰ গ্ৰহণ কৰি ১৯৬৯ চনত ৬৬ বছৰ বয়সত মৃত্যু হয়।

বুদ্ধিৰাম শইকীয়া :

তৰাজান কুমাৰ গাঁও। পিতৃ ভদাই শইকীয়া। ১৯৩৬ চনৰ সমাজকৰ্মী, সংগঠক, প্ৰচাৰক, জনজাতি অঞ্চলৰ সংগঠক আছিল। তেখেতে বহুতো নিৰ্যাতন ভোগ কৰিছিল। ১৯৪২ চনৰ মৃত্যু বাহিনীৰ পদাতিক সেনা আছিল।

বেদধৰ দাস :

ভেকাৰগাঁও, পতিয়া চুবুৰী। পিতৃ সোমেশ্বৰ দাস। কংগ্ৰেছৰ আহ্বান ক্ৰমে কটন কলেজৰ ৩য় বাৰ্ষিকৰ পৰা শিক্ষা ত্যাগ কৰি স্বাধীনতা আন্দোলনত যোগ দিয়ে।

বেদানন্দ শৰ্মা :

বেদানন্দ শৰ্মাৰ ১৯১৫ চনত পৰ্বতীয়া গাঁৱত জন্ম হয়। পিতৃ জয়দেৱ পণ্ডিত। মহাদেৱ শৰ্মাৰ সৰু ভাই। তেওঁ ১৯৩০ চনত চৰকাৰী হাইস্কুলৰ পৰা কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল এৰে আৰু আন্দোলনত জপিয়াই পৰে। শৰ্মাৰ ১৯৩০ চনত ৬ মাহৰ কাৰণে কাৰাবাস খাটিবলগীয়া হয়। ১৯৪২ চনত পুনৰ আন্দোলনত যোগদান কৰে আৰু ২ বছৰ জেল হয়। তেজপুৰ জেলত থাকোতে জেলৰ ঘৰত জুই লগাই দিছিল। তাৰ বাবেও শাস্তি ভোগ কৰিব-লগীয়া হয়। তেখেতে গান্ধীজীৰ গঠনমূলক কামক গাঁৱত ৰূপ দিবলৈ চেষ্টা কৰিছিল। সেইবাবে খাদী-গ্ৰামোদ্যোগ, কৃষি, গোসেৱা, মহিলা জাগৰণ, মদ নিবাৰণ আদিৰ কাম কৰিছিল। ১৯৮২ চনত মৃত্যু হয়।

বলাইৰাম বায়ন :

নাহৰবাৰী মৌজাৰ এজন বৰ পুৰণি কৰ্মী। ১৯৩০-৩১ চনত এবাৰ তিনি মাহ জেল হয় আৰু ১৯৪২ চনত ৪ মাহ জেল খাটিব-লগীয়া হয়। ১৯৬৬ চনত বায়নৰ মৃত্যু হয়। তেখেতে অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

বগাইৰাম দাস (গাওঁবুঢ়া) :

বান্দৰমাৰী। এই জনজাতীয় বাইজৰ নেতাজনে ১৯৩২ চনত মদৰ দোকানত পিকেটিং কৰি ৬ মাহৰ বাবে জেললৈ যায়। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰি ৩ মাহ কাৰাবৰণ কৰে। জনজাতীয় বাইজৰ মাজত প্ৰচলিত বেয়া অভ্যাসবোৰ গুচাবৰ কাৰণে তেখেতে বৰ যত্ন কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত গাঁওবুঢ়া পদত নিযুক্ত হয়। ১৯৬৬ চনত মৃত্যু হয়।

বকুলী সুত :

পিঠাখোৱা। ১৯৪২ চনৰ আন্দোলনৰ শোভাযাত্ৰাত মহিলা কৰ্মী হিচাপে সাহসেৰে আগ ভাগ লয়।

বগীৰাম হাজৰিকা :

১৯২১ চনত স্কুল বৰ্জন কৰি দেশৰ কামত লাগে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছলৈ যোৱা দলৰ সদস্য হিচাপে যায়।

বলো মুদৈ :

চতিয়াবৰবতী গাঁও। পিতৃ গণচন্দ্ৰ বৰমুদৈ। ১৯৩৯ চনত চতিয়া থানাত পতাকা উত্তোলন কৰা অভিযোগত গ্ৰেপ্তাৰ হয় আৰু ১৮ মাহ কাৰাবাস হয়।

বাণেশ্বৰ বৰা :

চেউনি চুক। তেজপুৰ হাইস্কুলৰ চাকৰি ত্যাগ কৰি কংগ্ৰেছৰ বিভিন্ন সভাত পদবীধাৰী আছিল। স্বাধীনতা আন্দোলনত যোগদান কৰিছিল।

বাপীৰাম শইকীয়া:

চাহ বাগিচাত চাকৰি কৰিছিল। চাকৰি এৰি ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। অসমীয়া ভাষাক পুনৰ প্ৰতিষ্ঠাৰ কামতো লাগিছিল।

বাপীৰাম হাজৰিকা:

১৯২১ চনত মজলীয়া স্কুল বৰ্জন কৰি কংগ্ৰেছৰ স্বেচ্ছাসেৱক হয়। ১৯২৬ চনত স্বেচ্ছাসেৱক হিচাপে পাণ্ডু কংগ্ৰেছত জিলাক প্ৰতিনিধিত্ব কৰে। ১৯৩০-৩১ চনত কানি বৰ্জন আন্দোলনত লাগে। ১৯৩৯ চনত ব্যক্তিগত সত্যাগ্ৰহত যোগ দি গ্ৰেপ্তাৰ হয়।

বাবু ৰাম গগৈ:

নিষ্ঠাবান কংগ্ৰেছ কৰ্মী আছিল। কানি বৰ্জন আন্দোলনত যোগ দি ৩ মাহ কাৰাবাস ভোগে। ৬৮ বছৰ বয়সত মৃত্যু হয়।

বাপীৰাম হাজৰিকা :

উজাবচুক। ১৯২১ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহৰ অধিক কাল জেল খাটিবলগীয়া হয়। এজন আজীৱন কংগ্ৰেছ কৰ্মী

আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। কৃষক সংগঠন আৰু গ্ৰাম্যজীৱৰ গঠনমূলক কামত সৰ্বতোভাৱে আত্ম নিয়োগ কৰিছিল। ১৯৪১ চনত সত্যাগ্ৰহ আৰু '৪২ চনৰ গণ বিপ্লবতো অংশ গ্ৰহণ কৰিছিল আৰু পাইকাৰী জৰিমনা ভৰিছিল। তেখেতে ৰাজনৈতিক পেন্সন পাইছিল। ১৯৮০ চনত মৃত্যু হয়।

বাপুৰাম কছাৰী ঃ

১৯২১ চনৰ পৰা কংগ্ৰেছত যোগদান কৰে। ১৯৩০ চনত ৬ মাহ জেল হয়। আৰু গান্ধী আৰউইন চুক্তিমতে খালাচ পায়। ১৯৪২ চনৰ গণ আন্দোলনত সহযোগ কৰিছিল। পাইকাৰী জৰিমনা ভৰিবলগীয়া হয়। বিভিন্ন গাঁও উন্নয়নমূলক কামত আগ ভাগ লৈছিল। ১৯৮২ চনত মৃত্যু হয়।

বাপুতিচৰণ মেধি ঃ

১৯৩১ চনত কংগ্ৰেছৰ সেৱাদলত যোগদান কৰে। ১৯৩২ চনত পিকেটিং কৰা কাৰণত ৬ মাহ কাৰাবৰণ কৰে। জেলৰ পৰা মুক্ত হৈ কৃষক সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৪১ চনত সত্যাগ্ৰহত অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ গণ আন্দোলনতো বিশেষভাৱে অংশ গ্ৰহণ কৰে। এজন পলাতক কৰ্মী হিচাপে কাম কৰিছিল। অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল। ১৯৬৭ চনত মৃত্যু হয়।

বানেশ্বৰ বৰা ঃ

মৰণাকুৰি। ১৯৪২ চনত গণ আন্দোলনত যোগদান কৰিছিল। ৬ মাহ জেল হয়। তেখেতে অসম চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল। ১৯৬৫ চনত মৃত্যু হয়।

বাবু কলিতা ঃ

কলিতাগাঁও। সহজ সৰল লোক আছিল। তেওঁ কাৰাদণ্ড ভোগ কৰে। প্ৰায় ৬০ বছৰ বয়সত মৃত্যু হয়।

বাপিৰাম সুত ঃ

পিঠাখোৱা। প্ৰধান কৰ্মী সংগঠক আৰু প্ৰচাৰক। ১৯৩২ চনত খোজকাঢ়ি গৈ লক্ষীমপুৰত সত্যাগ্ৰহ কৰে। ১ মাহ জেল হয়।

বিমল ভট্টাচাৰ্য্য :

তেজপুৰ। ভট্টাচাৰ্যই ১৯৩০, ১৯৩২ আৰু ১৯৪২ চনৰ আন্দোলনত যোগদান কৰে। ১৯৪২ চনত তেওঁৰ ৬ মাহ জেল হয়। ১৯৫৮ চনত মৃত্যু হয়।

বিনোদ ভুঞা :

চেকেৰী গাঁও। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা চতিয়া থানাত পতাকা তুলিবলৈ গৈ পুলিচৰ হাতত মাৰধৰ খায় আৰু ৩/৪ মাহ হাজোত খাটিবলগীয়া হয়।

বিনন্দ নাথ :

নিজ বিহগুৰী। ১৯৩০ চনৰ কৰ্মী। ১৯৩২ চনত চাৰি মাহ সশ্ৰম কাৰাদণ্ড হয় আৰু ত্ৰিশ টকা জৰিমনা আদায় দিয়ে। নিষ্ঠাবান কংগ্ৰেছ কৰ্মী আছিল। ৰাজ্য চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

বিদুৰ কাকতি :

মেকনৰ চুবুৰী। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গাঁৱে গাঁৱে কমিটি পাতি কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য চলাইছিল।

বুদাই কোচ :

কলিতা গাঁও। ১৯৩২ চনৰ প্ৰধান কৰ্মী। প্ৰত্যেক গাঁৱতে কমিটিত যোগ দিয়াৰ উপৰিও কেম্পৰ খোৱা-বোৱাত চকু ৰাখিছিল। জেল খটা নাই। ৬০ বছৰ বয়সত মৃত্যু হয়।

ভগীৰথ দাস :

ফল্লাবাৰী কোচ গাঁও। জন্ম ১৮৯৭, মৃত্যু ১৯৮৭ চন। পিতৃ চন্দ্ৰ কেওঁট। ১৯৩২ চনত জ্যোতিপ্ৰসাদ আগৰৱালাৰ সহযোগত ছয়দুৱাৰ ৰায়ত সভাত যোগদান কৰে। সেৱা দলৰ নায়কৰূপে অংশ লৈ পুলিচৰ হাতত বন্দী হয় আৰু ৬ মাহ জেলত কটায়। ৫০ টকা জৰিমনা ভৰিছিল যদিও আদায় নিদিলে। '৪২ৰ আন্দোলনতো অংশ লয়।

ভদ্ৰেশ্বৰ হাজৰিকা :

১৯১৩ চনত চতিয়াৰ সলাল গাঁৱত জন্ম হয়। পিতৃ ধনীৰাম হাজৰিকা আৰু মাতৃ ধনেশ্বৰী হাজৰিকা। এখেত এগৰাকী বৰেণ্য পুৰুষ আছিল। চতিয়াৰ পতিয়া গাঁও প্ৰাথমিক বিদ্যালয়ত সুখ্যাতিৰে ২৩ বছৰ শিক্ষকতা কৰি অৱসৰ লয়।

ভাগীৰাম দাস :

ছাগলী চুবুৰী। আন্দোলনত অংশ লয়।

ভাবিৰাম কাকতি :

পাতনা চুক। ১৯২০ চনত গঠিত প্ৰথম কংগ্ৰেছ কমিটিৰ এগৰাকী কাৰ্যকৰী সদস্য আছিল। জামুগুৰিত ৰাইজৰ সভা, বাৰে চহৰীয়া ভাওনাৰো অন্যতম নেতা। ভাল অভিনেতা আৰু শঙ্কৰী গীত-মাত-বাদ্যবিদ আছিল। জামুগুৰিৰ সকলো ধৰণৰ ৰাজহুৱা কামৰ অন্যতম নেতা আছিল।

ভাবিৰাম নাথ :

১৯২১ চনত প্ৰায় ৩৬/৩৭ বছৰ বয়সত কংগ্ৰেছৰ কৰ্মীৰূপে স্বাধীনতা আন্দোলনত যোগ দিয়ে। গংগাৰাম বৰুৱাৰ লগত গ্ৰেপ্তাৰ বৰণ কৰে। ৬ মাহ জেল হৈছিল। অসম চৰকাৰৰ পেঞ্চন ভোগ কৰিছিল।

ভদ্ৰেশ্বৰ চৌধুৰী :

১৯২১ চনত কংগ্ৰেছত যোগদান দিয়ে। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ পাছৰ পৰা পৰিয়ালৰ উপাৰ্জনৰ লগতে স্থানীয় কংগ্ৰেছৰ এজন প্ৰধান নেতা আছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধীনতা পতাকা উত্তোলন, ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলন, কৃষক সংগঠন, বিভিন্ন ৰাজহুৱা কামত আত্মনিয়োগ কৰিছিল। বৃদ্ধ অৱস্থাতো ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৪ মাহ জেল হয়। স্বাধীনতাৰ পাছত ৰাজ্যিক চৰকাৰৰ বিভিন্ন গাঁৱে উন্নয়নমূলক কামতে আগভাগ লৈছিল। ১৯৬৪ চনত মৃত্যু হয়।

ভুমিধৰ হাজৰিকা :

হেৰাবেলগ্না। হাজৰিকাই ১৯২১ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহ কাল জেল খাটিব লগীয়া হৈছিল। এজন আজীৱন কংগ্ৰেছী লোক আছিল। কংগ্ৰেছৰ স্থানীয় সংগঠন, ৰাজহুৱা কামতো আগভাগ লৈছিল। ১৯৩০।৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩৪ চনৰ পৰা অস্পৃশ্যতা নিবাৰণ, কৃষক সংগঠন আদি কামত যোগদান দিছিল। ১৯৪০-৪১ চনৰ এজন সত্যাগ্ৰহী আছিল। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰাৰ বাবে পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল। স্বাস্থ্য ভংগ হৈ শয্যাগত হয় আৰু ১৯৬০ চনত মৃত্যু হয়। তেখেতে ভাৰত চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল।

ভুমিধৰ বৰদলৈ :

চতিয়া। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে আৰু স্বেচ্ছাসেৱক বাহিনীৰ প্ৰশিক্ষণ লয়। প্ৰশিক্ষণ লৈ থকাসকলৰ ভিতৰত কোনে জীৱন বিপন্ন কৰি কাছাৰী ঘৰত জাতীয় পতাকা উত্তোলন কৰিব পাৰিব বুলি অধিনায়ক জ্যোতিপ্ৰসাদ আগৰৱালাই সোধাত ভুমিধৰ বৰদলৈ আগবাঢ়ি আহে। সেইদিনাই খোজকাঢ়ি চতিয়ালৈ গৈ ঘৰৰ পৰিয়ালবৰ্গৰ পৰা বিদায় লৈ ভায়েকসহ পুৰা ঘুৰি আহি সময়মতে পাঠশালৰ পৰা ইউনিয়ন জেক নমাই ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰিছিল। ১৯৪২ চনতো বৰদলৈৰ ৬ মাহৰ বাবে কাৰাদণ্ড হৈছিল। ১৯৬৬ চনত মৃত্যু হয়।

ভুৰাম শইকীয়া :

মুচাদল গাঁও। ১৯২১ চনত কংগ্ৰেছত যোগ দি স্বেচ্ছাসেৱক বাহিনীত সোমায়। ১৯৩০-৩১ চনত কানি বৰ্জন আন্দোলনত লাগে আৰু খাদী প্ৰচাৰৰ কামো কৰে। ১৯৩৯ চনত ব্যক্তিগত সত্যা-গ্ৰহত যোগদান কৰে। পুলিচৰ দ্বাৰা নিৰ্যাতিত হয়।

ভুমিধৰ বৰযুৈৱে :

১৯২২ চনত চতিয়া কাৰণি গাঁৱত জন্ম গ্ৰহণ কৰে। স্কুলত পঢ়ি থকা সময়তেই তেখেতে স্বাধীনতা আন্দোলনত জপিয়াই পৰে

১৯৪২ চনত শান্তিসেনা বাহিনীৰ নায়ক আছিল। মিলিটাৰীৰ যোগানদাৰ এজনৰ খেৰৰ মেজি জ্বলোৱা অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰে। ৪২ দিন হাজোতত থকাৰ পিছত বিচাৰত তেখেতৰ ১ বছৰ ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ে আৰু ৬ মাহ জেল হয়। জেলৰ পৰা ওলাই আহি পুনৰ আন্দোলনত নামে। জীৱিকাৰ বাবে ব্যৱসায় কৰে। জীৱনৰ বাকী কালছোৱাত বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৭২ চনত তাম্ৰপত্ৰ আৰু মুক্তি যুঁজাৰু পেঞ্চন পাইছিল। ১৯৭৯ চনত নিজা বাসভৱনত মৃত্যু হয়।

ভুমিধৰ শৰ্মা :

ভুমিধৰ শৰ্মাৰ জন্ম কমতা চুক গাঁৱত। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈকে একেৰাহে কংগ্ৰেছৰ ভলণ্টিয়াৰৰ কাম কৰে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছলৈ জিলাৰ স্বেচ্ছাসেৱক বাহিনীত গৈছিল। একাধিকবাৰ গ্ৰেপ্তাৰ আৰু জেল হৈছিল। ১৯৯৭ চনত মৃত্যু হয়।

ভেদেলী সুত :

পিঠাখোৱা। ১৯৪২ চনৰ গণ বিপ্লৱৰ শোভাযাত্ৰাত আগভাগ লোৱা মহিলা কৰ্মী আছিল।

ভুষণ চন্দ্ৰ বৰুৱা :

বৰহমপুৰ, জামুগুৰি মৌজা। জন্ম ১৮৯৬ চন। পিতৃ খুলি গাঁওবুঢ়া। কংগ্ৰেছৰ এগৰাকী সক্ৰিয় সদস্য। তেল কোম্পানীৰ চাকৰিয়াল, পিছত মাইনৰ স্কুলৰ ইংৰাজী শিক্ষক বৰুৱাই পিছত সনাতন ধৰ্মত দীক্ষিত হৈ অইন সমাজসেৱাৰ পৰা আঁতৰি যায়।

ভুবন হাজৰিকা :

১৯২৬ চনত ৩ মাহ হাজোতত থাকে। ১৯৩০ চনতো গ্ৰেপ্তাৰ হয়। অঞ্চলটোত খাদী কামত নানা উপায়ে মহিলাসকলক সহায় কৰে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত জিলাৰ অঞ্চলৰ পৰা ভলণ্টিয়াৰ হিচাপে যায়।

ভোগৰাম নাথ :

কমাৰচুবুৰী। আন্দোলনত সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰা বাবে পুলিচে গ্ৰেপ্তাৰ কৰি আৰু হাজোতত ৰাখে। ১৯৭২ চনত মৃত্যু হয়।

ভোলাৰাম নাথ :

ভালুকেখোৱা। ১৯৩০-৩২ চনৰ কানি ভাং বৰ্জন কৰা আন্দোলনৰ এজন প্ৰধান কৰ্মী আছিল। গাঁৱে গাঁৱে প্ৰচাৰ কাৰ্য আৰু সংগঠনৰ কাম কৰিছিল।

ভোগেশ্বৰী বৰা :

কলিতা পাওঁ। ১৯২১ চনৰ আন্দোলনত মহিলা কৰ্মী আছিল।

ভুৰাম বড়া :

চিঙা চুবুৰী। ১৯৩০-৩২ চনৰ প্ৰধান কৰ্মী আছিল। বাঁহবাৰী বিহগুৰী ৰায়ত সভাৰ ধনভৰালী আছিল। প্ৰায় ৭০ বছৰ বয়সত মৃত্যু হয়।

মহেশ্বৰ শৰ্মা :

বৰডুবিয়া। এজন নিষ্ঠাবান কংগ্ৰেছ কৰ্মী আছিল। ১৯২১ চনৰ আন্দোলনত ১ মাহ ফাটেক খাটে।

মলীয়া সুত :

পিঠাখোৱা। ১৯৩০—৩২ চনৰ আন্দোলনৰ এজন প্ৰধান কৰ্মী আছিল।

মদন চন্দ্ৰ শইকীয়া :

মাজগাঁও, হাটভগা চুবুৰী। ভৈৰৱপদ মৌজা। পিতৃ ভোলক বায়ন শইকীয়া। ১৯২১—৪৭ চনলৈ স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰে।

মহিম চন্দ্ৰ সিংহ :

বিশ্বনাথ চাৰিআলি। জন্ম ১৮৭৩। পিতৃ দুৰ্গেশ্বৰ সিংহ। বিশ্বনাথ হাইস্কুলত পঢ়ি থাকোতে গান্ধীজীৰ আহ্বানক্ৰমে ১৯২১ চনৰ অসহযোগ আন্দোলনত স্কুল ত্যাগ কৰি অংশ গ্ৰহণ কৰে। ৰায়ত সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল।

মহেন্দ্ৰ নাথ শৰ্মা ঃ

জন্ম ১৯২১, মৃত্যু ১৯৭৬ চন। পিতৃ পদ্মেশ্বৰ শৰ্মা। ১৯৪০ চনত সেৱাদল সংগঠনত আত্মনিয়োগ কৰে। তেখেত তেজপুৰ সেৱাদলৰ উপমুখ্য অধিনায়ক আছিল। ১৯৭৬ চনলৈ পঞ্চায়তৰ সভাপতি আৰু বিভিন্ন সামাজিক কামত জড়িত আছিল।

মহীশ চন্দ্ৰ বৰকাকতী ঃ

১৮৮৮ চনৰ ১৫ জানুৱাৰীত জন্ম হয়। ভাৰত স্বাধীন হোৱাৰ পাছত কংগ্ৰেছৰ নিৰ্যাতিত কৰ্মী হিচাপে ৫০ টকাকৈ পেঞ্চন লাভ কৰিছিল।

মহীৰাম শইকীয়া ঃ

কলিতা গাঁও। ১৯৩২ চনৰ প্ৰধান কৰ্মী। গাঁৱে গাঁৱে ৰাইজত সভা পতাত আগভাগ লৈছিল। জেল খটা নাই। প্ৰায় ৭০ বছৰ বয়সত মৃত্যু হয়।

মহীধৰ নাথ ঃ

মেকনৰ চুবুৰী। ১৯৩২ চনৰ ভলণ্টিয়াৰ আছিল। পুলিচে ধৰি নি পিহত এৰি দিয়ে। প্ৰায় ৪৫ বছৰ বয়সত মৃত্যু হয়।

মাধৱ ৰাম দাস ঃ

কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনীত যোগ দিয়ে। তেজপুৰ কাছাৰীত সত্যাগ্ৰহ কৰি জেল খাটে।

মহেশ্বৰ বৰুৱা ঃ

চিলাবন্ধা মৌজাৰ বৰচুক গাঁৱৰ মহেশ্বৰ বৰুৱাই তেজপুৰ একাডেমি হাইস্কুলত পঢ়ি থাকোতে কংগ্ৰেছৰ প্ৰতি আকৰ্ষিত হয়। ১৯৩৫ চনত প্ৰৱেশিকা পাছ কৰি কংগ্ৰেছত যোগ দিয়ে। ১৯৩৯-৪০ চনত ব্যক্তিগত সত্যাগ্ৰহত অংশ গ্ৰহণ কৰে। সত্যাগ্ৰহী শিবিৰ পৰিচালক তথা আলোচনা চক্ৰৰ সঞ্চালক হয়। ১৯৪১ চনত তেজপুৰ জিলা কংগ্ৰেছৰ অফিচ চেক্ৰেটাৰীৰ দায়িত্ব লয়। ১৯৪২ চনত সকলো নেতা গ্ৰেপ্তাৰ হোৱাৰ পাছত জিলা অফিচ জামুগুৰিলৈ আহে। তেজপুৰ বেবেজীয়াত এটা শাখা পতা হয়। তেখেতে সেই

—২৫

অফিচৰ দায়িত্বত থাকি কাম কৰে। আন্দোলন শাম কটাত নিজ ঠাইলৈ আহি তেতিয়াৰ পৰা কংগ্ৰেছৰ সম্পাদকৰ দায়িত্বত দীৰ্ঘদিন থাকে।

মহানন্দ বৰুৱা :

ডেকাসুন্দৰ গাঁও। ছাত্ৰ অৱস্থাৰে পৰা এজন ভাল ফুটবল খেলুৱৈ আছিল। ১৯৪২ চনত চতিয়া হাইস্কুলৰ পৰা স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। গাঁৱৰ শান্তি সেনা বাহিনীৰ কমাণ্ডাৰৰূপে কাম চলায়। ১৯৪২ চনত মৃত্যু বাহিনী তথা মুক্তি বাহিনীত যোগ দিয়ে। ৰেলৰ লাইন, দলং আদি ধ্বংস কৰা কাৰ্যত অংশ গ্ৰহণ কৰে। চতিয়া থানাৰ অ'চি হলিৰাম ডেকা এইজন কৰ্মীৰ মুৰৰ কামোৰণীৰ কাৰণ হৈ পৰিছিল। ১৯৪০ চনত নবগঠিত পুব বৰভগীয়া প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক নিৰ্বাচিত হয়। স্বাধীনতাৰ পাছত কৃষি বিভাগত চাকৰি কৰি থকা কালতে অকালতে মৃত্যুমুখত পৰে। বৰুৱা স্থানীয় বিভিন্ন অনুষ্ঠান, সভা-সমিতি আদিৰ উদ্যোক্তা আছিল।

মহিকান্ত দাস :

১৯০৩ চনৰ ১৭ অক্টোবৰত নিজ হলেশ্বৰ গাঁৱত মহিকান্ত দাসৰ জন্ম হয়। পিতৃ বাপীৰাম দাস আৰু মাতৃ পুহিতা দাস। হলেশ্বৰ প্ৰাইমাৰী বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি তেজপুৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯২২ চনত প্ৰবেশিকা পাছ কৰে। ১৯২৬ত কটন কলেজৰ পৰা সংস্কৃতত অনাৰ্চ সহ বি এ পাছ কৰে। বি এ পাছ কৰি ১৯২৮ চনত কলিকতাৰ হাৰ্ডিঞ্জ কলেজৰ পৰা এম এ পাছ কৰে। ১৯২৯ চনত দাসে আইনৰ শেষ পৰীক্ষাত উত্তীৰ্ণ হয়। মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা শেষ কৰি পৰম নিষ্ঠা আৰু সততাৰে আইন ব্যৱসায় আৰম্ভ কৰে। ১৯৪৮ চনত গুৱাহাটী হাইকোৰ্টৰ অধিবক্তা হিচাপে যোগদান কৰে।

১৯৪০ চনত তেখেতে সক্ৰিয় ৰাজনীতিত যোগ দিছিল। তেখেত হাড়ে হিমজুৱে গান্ধীবাদী আছিল। ১৯৪১ চনৰ ৩০ জুলাই তাৰিখে নিৰ্ধাৰিত সময়সূচী মতে বিহপুৰীয়াত সত্যাগ্ৰহ আৰম্ভ কৰে। লগে লগে দাসক গ্ৰেপ্তাৰ কৰি ৩১ জুলাইত আদালতত বিচাৰ কৰি ৪ মাহ জেল আৰু ১০০ টকা জৰিমনা কৰে। ১৯৪২ চনৰ ভাৰতত্যাগ

আন্দোলনত অংশ গ্ৰহণ কৰা বাবে ১৫ আগষ্ট তাৰিখে ৰাতি পুলিচে দাসৰ ঘৰ ঘেৰাও কৰি ১৬ তাৰিখে তেজপুৰ জেললৈ নিয়ে। তাৰ পাছত যোৰহাট জেললৈ বদলি কৰে। যোৰহাট জেলৰ পৰা ১৯-১-৪৩ তাৰিখে পুনৰ তেজপুৰ জেললৈ আহে। ১৯৪৪ চনৰ ১৩ মাৰ্চ তাৰিখে মহিকান্ত দাসৰ জেলৰ পৰা মুক্তি হয়। প্ৰথমে মণ্ডল কংগ্ৰেছৰ পৰা আৰম্ভ কৰি বহু বছৰ ধৰি তেজপুৰ জিলা কংগ্ৰেছৰ সম্পাদক আছিল। ১৯৫৮ চনৰ পৰা ১৯৬৩ চনলৈ তেজপুৰ জিলা কংগ্ৰেছৰ সভাপতি হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। ১৯৬০ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ উপ সভাপতি হয়। ১৯৭৩ চনলৈ অসম প্ৰদেশ কংগ্ৰেছ কমিটি আৰু অখিল ভাৰত কংগ্ৰেছ কমিটিৰ কাৰ্যনিৰ্বাহক সভাৰ সদস্য আছিল। মেধি মন্ত্ৰীসভাত মুখ্য সচেতক আৰু পিছত অসম বিধান সভাৰ উপাধ্যক্ষ আৰু অধ্যক্ষৰ পদ অলংকৃত কৰিছিল। সামাজিক জীৱনত প্ৰতিটো সাংস্কৃতিক, শৈক্ষিক আৰু উন্নয়নমূলক কামত তেখেতে সক্ৰিয়ভাৱে জড়িত আছিল। এই গৰাকী অসম প্ৰাণ ব্যক্তিৰ ১৯৮৮ চনৰ ১৬ আগষ্ট তাৰিখে পৰলোক প্ৰাপ্তি ঘটে।

মণিৰাম বসুমতাৰী :

জন্ম নতুন ঘটুৱা গাঁৱত। ১৯৩৫ চনত স্বাধীনতা আন্দোলনৰ বাবে কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

মণিৰাম নাথ :

বেহেৰীয়া গাঁও। ১৯৩০ চনত কংগ্ৰেছত যোগ দি ১৯৪২ চনৰ গণবিপ্লৱত তেজপুৰৰ কাচাৰীত পতাকা উৰুৱাবলৈ গৈ পুলিচৰ অত্যাচাৰত ঘূণীয়া হৈ শেষত মৃত্যুমুখত পৰে।

মহিম চন্দ্ৰ বৰকাকতি :

জন্ম ১৮৮৮ চনৰ ১৫ জানুৱাৰীত। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল।

মদন কোচ :

ময়লাগাঁও। '৪২ ৰ ভলণ্টিয়াৰ আৰু এজন সুদক্ষ কৰ্মী আছিল।

মহোৰাম বৰা ঃ

গহপুৰ অঞ্চলৰ এজন বিশিষ্ট কংগ্ৰেছ কৰ্মী আছিল। ১৯৩৮ চনত কংগ্ৰেছৰ সেৱাদল শিবিৰত যোগদান কৰি প্ৰশিক্ষণ লয়। ১৯৪২ চনত ২০ চেপ্তেম্বৰত গহপুৰ থানাত পতাকা উত্তোলন কৰিবৰ কাৰণে ৰাইজক লগত লৈ আহে। পিছত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ৪ মাহ কাৰাদণ্ড হয়। তেখেতে গহপুৰ অঞ্চলত গান্ধীজীৰ গঠনমূলক কামক ৰূপ দিবলৈ যথপৰোনাস্তি চেষ্টা চলাইছিল। গাঁৱৰ প্ৰগতিৰ পথত আগবঢ়াবলৈ উন্নত খেতি, গোসেৱা আৰু খাদী গ্ৰামোদ্যোগ আদি প্ৰচাৰ কৰাৰ উপৰিও মহিলা জাগৰণ আৰু মদ নিবাৰণ আদি কাম কৰিছিল। ১৯৭০ চনত বৰাৰ মৃত্যু হয়।

মোলান চন্দ্ৰ বৰা ঃ

'৪২ ৰ গণ বিপ্লৱৰ শান্তি সেনা বাহিনীৰ এজন নিৰ্ভৰযোগ্য সৈনিক আছিল।

মহেশ্বৰ বৰা ঃ

জামুগুৰীহাট। জামুগুৰী এম ই স্কুলত শিক্ষা লাভ কৰাৰ পিছত আৰু শিক্ষা লোৱা নহ'ল। ১৯৩৮ চনত সেৱাদলত যোগদান কৰে। তাৰ পাছত তেজপুৰ জিলা কংগ্ৰেছত অফিচ সম্পাদক হিচাপে নিয়োগ হয়। এই কামতেই ১৯৪৩ চনলৈ আছিল। ১৯৪২ চনত পলাতক অৱস্থাত আছিল। বৰাই জিলা কংগ্ৰেছৰ অফিচটো লগতে লৈ ফুৰিছিল। তেওঁ নদুৱাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি হৈছিল। এক সময়ত জিলা কংগ্ৰেছৰ সহকাৰী সম্পাদকো হৈছিল। তেখেতে মুক্তিযুঁজাৰুৰ পেঞ্চন পাইছিল। ১৯৭৭ চনত বৰাৰ মৃত্যু হয়।

মহেন্দ্ৰ নাথ শৰ্মা ঃ

ডেকাৰগাঁও। জন্ম ১৯২১, মৃত্যু ১৯৬৯ চন। ১৯৪১ চনত স্কুল ত্যাগ কৰি সেৱাদলত যোগদান কৰে। সেই চনতে পলাতক হিচাপে থকাত বহুতো সম্পত্তি নষ্ট হয়। তেজপুৰ জিলা কংগ্ৰেছৰ সেৱাদলৰ অধিনায়ক হিচাপে বহুতো দিন কাৰ্যনিৰ্বাহ কৰিছিল।

এক সময়ত তেজপুৰ জিলা কংগ্ৰেছৰ সহকাৰী সম্পাদকো আছিল। অসম চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল। হুনেশ্বৰ মণ্ডল কংগ্ৰেছৰ সভাপতিৰ দায়িত্বতো বহুদিন আছিল।

মহেন্দ্ৰ বৰুৱা ঃ

ডেকাসুন্দৰ। ১৯২১ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহৰ ওপৰ কাল জেল খাটিব লগা হৈছিল। ১৯৪২ চনৰ আন্দোলনতো যোগদান কৰিছিল। বৰুৱাই ভাৰত চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

মকুণ্ড কাকতি ঃ

ব্ৰহ্মজান। ১৯১৯ চনত কাকতিৰ পূৰ্বৰ কামৰূপ জিলাৰ সোণবালি গাঁৱত জন্ম হয়। পিতৃ মধুৰাম কাকতি, মাতৃ দীনবালা কাকতি। তেওঁ ককায়েকৰ লগত ব্ৰহ্মজানতে আছিল। ১৯৪২ চনত কাকতি চফল ডেকা ল'ৰা। তেওঁ বৰঙাবাৰীত প্ৰশিক্ষণ লৈছিল। মকুণ্ড কাকতি ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে কনকলতাৰ পিছতেই থিয় হৈ শোভাযাত্ৰা কৰি গহপুৰ থানালৈ গৈছিল। কনক-লতাই পতাকা লৈ আগবাঢ়ি যাওঁতেই পুলিচে গুলিয়াই দিয়ে আৰু থিতাতেই মৃত্যু হয়। তাৰ লগে লগে মকুণ্ড কাকতিয়ে পতাকাখন মাটিত পৰিব নিদিয়াকৈ দাঙি ধৰে আৰু কাকতিকো পুলিচে গুলিয়াই মাটিত বগৰাই দিয়ে। পুলিচে তেওঁক আধামৰা অৱস্থাত বাগানৰ ডাক্তৰখানালৈ লৈ যায় আৰু তাতেই তেওঁৰ মৃত্যু হয়।

মকুণ্ড কাকতিৰ নামত হেলেম মৌজাৰ স্থানীয় ৰাইজে ১৯৬৪ চনত এখন হাইস্কুল স্থাপন কৰিছিল। আৰু এই হাইস্কুলখন তেতিয়াৰ শিক্ষামন্ত্ৰী দেৱকান্ত বৰুৱা আৰু জিলা কংগ্ৰেছৰ সভাপতি শ্ৰীশ্ৰীকান্ত শৰ্মাৰ নেতৃত্বত সম্পূৰ্ণ হৈ উঠে।

মাধৱ চন্দ্ৰ দাস ঃ

জন্ম ১৯০৬, মৃত্যু ৫।৪।১৯৮৭ চন। ১৯৩৩ চনৰ পৰা আন্দোলনৰ কাৰ্যসূচীবিলাক সফল কৰাত যথেষ্ট কষ্ট কৰিছিল। বৃটিছ চৰকাৰে স্থাপন কৰা স্কুল ঘৰ, অফিচ ঘৰ আদি ধ্বংস কৰা কামত নিজে যোগদান কৰিছিল। তেওঁৰ একমাত্ৰ ঘৰটো শান্তি সেনাৰ অফিচ ঘৰ হিচাপে এৰি দিয়ে। পুলিচে কেইবাবাৰো তেওঁক বিচাৰি নাপাই ঘৰটোও ভাঙি দিয়ে। অৰুণ যাত্ৰা পাৰ্টিৰ সদস্য আছিল,

বাদ্যযন্ত্ৰ লগতে গীতমাতত তেওঁৰ বিশেষ দখল আছিল। জামুগুৰী হাটৰ বাৰেচহৰীয়া ভাওনাত কেইবাবাৰো বায়ন কাম কৰিছিল। ৰাজ্যিক চৰকাৰৰ পেঞ্চন লাভ কৰিছিল।

মাহোৰাম বৰুৱা :

১৮৯৪ চনত জন্ম হয়। প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কৰাৰ পাছত ১৯২১ চনত গান্ধীজীৰ আহ্বানত অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগ দি ৬ মাহ কাৰাবাস খাটে।

মাধৰাম গগৈ :

ডুবিয়া। ১৯৪০ চনত কংগ্ৰেছত যোগদান কৰে। ডুবিয়া অঞ্চলত কংগ্ৰেছৰ কাম কৰিছিল। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ যোৱা সমদলত যাওঁতে গ্ৰেপ্তাৰ কৰে আৰু তিনি মাহ জেল হয়। দেশ স্বাধীন হোৱাৰ পাছত ডুবিয়াত এখন হাইস্কুল, পশু চিকিৎসালয় আৰু অন্যান্য ৰাজহুৱা কামত লাগি আছিল। অসম চৰকাৰৰ পৰা পেঞ্চন পাই-ছিল। ১৯৭৭ চনত গগৈৰ মৃত্যু হয়।

মায়াৰাম বৰা :

সৰা শিমলু, গহপুৰ। জন্ম ১৯০৭। ফটিক ৰাজবংশী ওৰফে মায়াৰাম বৰাই ছদ্মবেশ ধৰি পুলিচৰ চকুত ধূলি মাৰি অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৩১ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰি ৭ মাহ জেলত কটায়। '৪২ ৰ গণ আন্দোলনতো তেওঁৰ ভূমিকা আছিল অশেষ।

মাধিৰাম বৰা :

বৰঙাবাৰী অঞ্চলৰ এজন মুখীয়াল কংগ্ৰেছৰ নেতা আছিল। ১৯৪২ চনত গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ গাঁৱৰ ৰাইজক লগত লৈ গৈছিল। পিছত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত ৪ মাহ জেল হয়। মৃত্যুৰ আগলৈকে কংগ্ৰেছৰ অনুষ্ঠানত কাম কৰি আছিল। ১৯৭১ চনত মৃত্যু বৰণ কৰে।

মাধৱ শৰ্মা :

উজাবচুক। ১৯২১ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহৰ ওপৰ কাল জেলত সোমাইছিল। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। শৰ্মাই ভাৰত চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল।

মাধৰাম বৰুৱা :

হাটিঙা। ১৯২১ চনত আন্দোলনত যোগদান কৰাৰ ফলত বৰুৱাৰ ৬ মাহৰো ওপৰকাল জেল হয়। তেখেতে ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেখেতে ভাৰত চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল।

মাধৱ দাস :

গৰ্ঠাইমৰা। ১৯২১ চনৰ আন্দোলনত সহযোগ কৰাৰ বাবে তেখেতৰ ৬ মাহৰো ওপৰকাল জেল হয়। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰিছিল। দাসে ভাৰত চৰকাৰৰ পৰা ৰাজ-নৈতিক পেঞ্চন পাইছিল।

মহেশ্বৰ বৰা :

১৯৩৬ চনত প্ৰৱেশিকা পাছ কৰি বৰাই কংগ্ৰেছত যোগ দিয়ে। তদুপৰি ১৯৩৯/৪০ চনত ব্যক্তিগত সত্যাগ্ৰহত অংশ গ্ৰহণ কৰে। '৪২ৰ গণ বিপ্লৱত বিশেষ ভূমিকা পালন কৰে।

মিঠুৰাম কছাৰী :

১৯৩২ চনত কংগ্ৰেছত যোগদান দিয়ে। কানিৰ দোকানত পিকেটিং কৰাৰ বাবে ৬ মাহ জেল হয়। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। গাঁৱৰ এজন জনপ্ৰিয় আৰু সমাজসেৱী আছিল। সমাজৰ পৰা কানি, মদ, ভাং উঠাবলৈ যত্ন কৰিছিল। গাঁৱত সূতা কটা, ক্ষুদ্ৰ শিল্প আদি প্ৰতিষ্ঠা কৰিছিল। ১৯৪৪ চনত মৃত্যু হয়।

মিলন কলিতা :

চিঙা চুবুৰী। ১৯৩০-৩২ চনৰ প্ৰধান কৰ্মী আছিল। ভলণ্টিয়াৰৰ নায়ক আছিল। প্ৰায় ৪৫ বছৰ বয়সত মৃত্যু হয়।

মিনাৰাম নাথ ঃ

ভালুকেখোৱা। ১৯৩০-৩২ চনৰ কানি ভাং বৰ্জন আন্দোলনৰ প্ৰধান কৰ্মী আছিল। গাঁৱে গাঁৱে প্ৰচাৰ কাৰ্য কৰি সংগঠনৰ কাম কৰিছিল।

মিহিৰাম ডেকা ঃ

ডেকাৰ গাঁও, শইকীয়া চুবুৰী। ১৯২১-৪৭ চনলৈ স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ লয়। পুলিচৰ দ্বাৰা নিৰ্যাতিত হয়।

মুণীন্দ্ৰ চাকি ঃ

১৯২১ চনতে কংগ্ৰেছৰ ভলণ্টিয়াৰ দলৰ নায়ক বাপে নীলকান্ত বৰুৱাৰ সহযোগী পৰিচালক হয়। চাকি এগৰাকী ভাল অভিনেতা হিচাপে অৰুণ যাত্ৰা পাৰ্টিৰ মুখ্য সদস্য আছিল। ১৯৩২ চনত যোৰহাটলৈ গৈ ভোগদৈ পাৰৰ কংগ্ৰেছ কৰ্মী সভাত যোগ দিয়ে। তাৰ পাছত ডিব্ৰুগড় চহৰত কানি নিবাৰণত পিকেটিং কৰি জেল খাটে।

মুৰুলী বৰুৱা ঃ

মলয়া গাঁও। ভলণ্টিয়াৰ হিচাপে আন্দোলনত অৰিহণা যোগাইছিল। অকালতে মৃত্যু হয়।

মুক্তাৰাম নাথ ঃ

সৰুভনীয়া। ১৯২১ চনত স্কুল পৰিত্যাগ কৰি অসহযোগ আন্দোলনত যোগদান কৰে। গোটেইকেইটা আন্দোলনতে অংশ গ্ৰহণ কৰি কেইবাৰাৰো কাৰাবৰণ কৰে। ১৯৬১ চনত মৃত্যু হয়।

মোহোৰাম বৰা ঃ

মোৱামৰা। ১৯৩০ চনৰ ৰায়ত সভাৰ বিশিষ্ট কৰ্মী আছিল।

মোলান শৰ্মা ঃ

বিহালী, বৰালীমাৰা। জন্ম ১৯০৫ চন। ১৯২১ চনৰ অসহযোগ আন্দোলনত হাইস্কুল ত্যাগ কৰি অংশ গ্ৰহণ কৰে। আনহাতে '৪২ৰ গণ বিপ্লৱত অংশ গ্ৰহণ কৰি ৬ মাহ কাৰাগাৰত কটায়।

মোহন শৰ্মা :

ভীৰু গাঁও, বিশ্বনাথ। জন্ম ১৮৯০, মৃত্যু ১৯ চন। ১৯২১ চনৰ অসহযোগ আন্দোলনত কাৰাবৰণ কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতো বিশেষ ভূমিকা লয়।

মোচাই নাথ :

১৯৩০-৩২ চনৰ আন্দোলনৰ প্ৰধান কৰ্মী। কাৰাবাস খাটে।

মোহন শৰ্মা :

বিহালী, বৰালীমাৰা। ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি ৬ মাহ জেলত কটায়।

মোলান বৰা :

হাটিগাঁও। ১৯৩২ চনত স্কুল বৰ্জন কৰি সেৱাদলত যোগদান কৰে আৰু ৩ মাহ জেল হয়। ১৯৬০ চনত তেখেতৰ মৃত্যু হয়।

মোলান বৰা :

মৰলাকুৰি। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত চতিয়া থানাত পতাকা উত্তোলন কৰিবলৈ যায়। পুলিচে মাৰধৰ কৰে আৰু ৩/৪ মাহ হাজোতত থাকিবলগীয়া হয়।

যদুৰাম শইকীয়া :

মোৱামাৰী। ১৯২১ চনত বাগিছাৰ কাম বাদ দি আন্দোলনত যোগদান কৰে। ১৯২১ৰ পৰা ৪২ চনলৈ স্থানীয় কংগ্ৰেছৰ সম্পাদক হয়। দেশ স্বাধীন হোৱাৰ পিছত বনুৱা আন্দোলনত যোগ দান কৰি বনুৱা সংগঠন গঢ়ি তোলে। শইকীয়া অসম চৰকাৰৰ পেঞ্চনভোগী আছিল। ১৯৬৮ চনত তেখেতৰ মৃত্যু হয়।

যতীন হাজৰীকা :

গহপুৰ। আজীৱন কংগ্ৰেছ কৰ্মী আছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৮৮ চনত তেওঁ স্বৰ্গগামী হয়।

যোগেন ভূঞা :

১৯২১ চনত বাঁহবৰীয়া গাঁৱত যোগেন ভূঞাৰ জন্ম হয়। পিতৃ তুলেশ্বৰ ভূঞা। ১৯৩৭ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰে। ভূঞা সাংস্কৃতিক কৰ্মী হিচাপেও বিখ্যাত আছিল। আধুনিক গীত, বিহু গীত, বিয়ানাম, জোৰানাম আদিত ব্যুৎপত্তি আছিল।

যোজ্ঞ কোচ :

স্বাধীনতা আন্দোলনৰ এজন সাহসী সক্ৰিয় কৰ্মী আছিল। ৬ মাহ কাৰাবৰণ কৰিছিল।

যদুৰাম বৰা :

গমিৰি গাঁও, মৌজা হেলেম। জন্ম ১৮৮৬, মৃত্যু ১৯৩৭ চন। পিতৃ হৰিচৰণ বৰা সাহিত্যিক লম্বোদৰ বৰাৰ খুৰাক আছিল। মাতৃ নুমুলী বৰা। ১৯২১ চনত মহাত্মা গান্ধীৰ আহ্বান ক্ৰমে বিদেশী বস্ত্ৰ বৰ্জন, খদ্দৰ প্ৰচলন, কানি মদৰ দোকানত পিকেটিং, স্বেচ্ছাসেৱক বাহিনী গঠন আদি কামত আগভাগ লৈছিল। ১৯৩১ চনত গমিৰিত ছয়দুৱাৰ ৰায়ত সভাৰ অধিবেশন সাফল্যমণ্ডিত কৰি তোলাত বৰাৰ ত্যাগ আছিল অসীম।

যোগীৰাম বৰুৱা

গেৰেলুৱাচুক গাঁও। জন্ম ১৮৯৫। তেওঁ খদ্দৰৰ বস্ত্ৰ প্ৰচলনত আগভাগ লৈছিল। কংগ্ৰেছৰ এগৰাকী সক্ৰিয় কৰ্মী আছিল।

যোগেশ্বৰ শৰ্মা :

কলিতাগাঁও। কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ ককায়েক। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ উপৰিও ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ দৰ্শক প্ৰতিনিধি আছিল। ১৯৩০ চনৰ বিহগুৰি মৌজাৰ ৰায়ত সভাৰ আদালতৰ প্ৰধান বিচাৰক আছিল। ১৯৩০ চনৰ বিদেশী বস্ত্ৰ বৰ্জন, কানি নিবাৰণ আদি আন্দোলনত ভাগ লৈ গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৫৭ চনত ৭৭ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

যোগেশ্বৰ সুত :

পিঠাখোৱা। প্ৰধান কৰ্মী আছিল। সত্যাগ্ৰহ কৰাত ৩ মাহ জেল হয়। তেখেতে পেঞ্চন ভোগ কৰিছিল।

যোগেশ্বৰ সুত :

ভালুকেখোৱা। ১৯৪০ চনত সত্যাগ্ৰহ কৰি ৩ মাহ জেল হয়। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। কংগ্ৰেছ আৰু ৰাজহুৱা কামত অংশ গ্ৰহণ কৰিছিল।

ৰবিৰাম শইকীয়া :

পিতৃ লক্ষীৰাম শইকীয়া। ১৯৪২ চনত পতাকা উত্তোলন কৰা বাবে চাকৰিৰ পৰা বৰ্খাস্ত হয়। ইয়াৰ পাছত কংগ্ৰেছৰ সেৱাত আত্ম-নিয়োগ কৰে।

ৰত্নকান্ত সিংহ :

ছয়দুৱাৰ। '৪২ ৰ গণ বিপ্লৱৰ আগশাৰীৰ সত্যাগ্ৰহী আছিল।

ৰবিধৰ নাথ :

১৯২১ চনৰ আন্দোলনৰ কৰ্মী।

ৰত্নেশ্বৰ ৰায় ভুঞা :

চতিয়া। ১৯৩০ চনৰ অসহযোগ আন্দোলনত ভাগ লয়। ১৯৩২ চনত ৬ মাহ জেল খাটে। ১৯৪২ ৰ শেষ সংগ্ৰামতো তেওঁৰ ৬ মাহ জেল হয়। ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেঞ্চন পাইছিল। ১৯৬৫ চনত তেওঁৰ মৃত্যু হয়।

ৰত্নেশ্বৰ হাজৰিকা :

ঘোঁৰামাৰী। ১৯৩০ চনত বাগানৰ চাকৰি ইস্তফা দি আন্দোলনত যোগ দিয়ে। ১৯৪২ চনত তেওঁ ৬ মাহ পলাতক হৈ থকাৰ পিছত পুলিচৰ হাতত ধৰা পৰে। বিচাৰত সাক্ষীবাদী নোহোৱাত খালাচ পায়। তেওঁ অসম চৰকাৰৰ পেঞ্চনভোগী আছিল। ১৯৬১ চনত তেওঁৰ পৰলোকপ্ৰাপ্তি হয়।

ৰত্নেশ্বৰ নাথ :

বেহেৰীয়া। ১৯৪০ চনত বেহেৰীয়াত হোৱা সেৱাদল শিবিৰত প্ৰশিক্ষণ লয়। ১৯৪২ চনত তেজপুৰত পতাকা তুলিবলৈ অহাত

বিশেষ অংশ গ্ৰহণ কৰে। তিনিমাহ জেল হয়। ১৯৬১ চনত তেওঁ স্বৰ্গী হয়।

ৰতিৰাম বৰা :

পাতালচুক গাঁও। জন্ম ১৮৯০ চন। ১৯২০ চনত জামুগুৰি কংগ্ৰেছৰ প্ৰথম কাৰ্যকৰী সভাৰ অন্যতম সদস্য হিচাপে যোগ দি আজীৱন কংগ্ৰেছৰ কামত সহযোগ কৰিছিল। জামুগুৰিৰ ৰায়ত সভা, কংগ্ৰেছ কমিটি, বাৰেচহৰীয়া ভাওনা আদি সকলোতে অপৰিহাৰ্য ব্যক্তি আছিল। বিভিন্ন ঠাইত সভা-সমিতি পাতি খোজকাঢ়ি ঘূৰি ফুৰিছিল। ১৯২১ চনৰ পৰা ১৯৫২ চনলৈ একেলেথাৰিয়ে বিভিন্ন ৰাজহুৱা কামত জড়িত আছিল।

ৰঙাই গগৈ :

বেঙাবাৰী, মৌজা কমলপুৰ। জন্ম ১৮৭০, মৃত্যু ১৯৩৫। অহিংস অসহযোগ আন্দোলনত (১৯২১)ত ওজাদেউ ৰঙাই গগৈয়ে বিশেষ ভূমিকা লয়।

ৰবীন্দ্ৰ হাজৰিকা :

চতিয়া। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰিছিল। ১৯৪২ চনত তেওঁ তিনি মাহ ফাটেক খাটিছিল। স্বাধীনতাৰ পিছত কাছাৰীত উকিলৰ মহৰী হৈ জীৱন নিৰ্বাহ কৰিছিল। তেওঁ অসম চৰকাৰৰ ৰাজনৈতিক পেঞ্চনভোগী আছিল। ১৯৬৫ চনত ইহলীলা সম্বৰণ কৰে।

ৰবি বড়া :

কলিতা গাঁও। ১৯৪২ চনৰ ভলন্টিয়াৰ শোভাযাত্ৰাত ভাগ লয়। ২১ চেপ্তেম্বৰৰ শোভাযাত্ৰাত পুলিচৰ মাৰ খাই এৰাতি হাজোত খাটিবলগীয়া হৈছিল।

ৰবিধৰ নাথ :

জেঙৰ চুবুৰী। ১৯২১ চনত কংগ্ৰেছৰ সকলো কামতে আৰু আন্দোলনত অংশ গ্ৰহণ কৰিছিল। এজন গঠনমূলক কৰ্মী আছিল। ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

ৰজী সুত :

পিঠাখোৱা। আন্দোলনৰ সময়ত মিলিটেৰীয়ে আন্দোলনকাৰীৰ বিচৰাত হাতত দা এখন লৈ খেদি অহাত মিলিটেৰীসকল হাঁহি হাঁহি আঁতৰ হয়।

ৰেৱতী সুত :

পিঠাখোৱা। ১৯৪২ চনৰ গণ বিপ্লৱৰ শোভাযাত্ৰাত আগভাগ লোৱা মহিলা কৰ্মী আছিল।

ৰামেশ্বৰ মহন্ত :

ৰঙামাটি। অতি সাহসী লোক আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি হাজোত খাটে। ১৯৩২ চনত মৃত্যু হয়।

ৰাজকৃষ্ণ ভট্টাচাৰ্য্য :

১৯০৮ চনত ডেকাবচুক গাঁৱত ৰাজকৃষ্ণ ভট্টাচাৰ্যৰ জন্ম হয়। পিতৃ হৰনাথ ভট্টাচাৰ্য। ১৯২০ চনত প্ৰবেশিকাত উত্তীৰ্ণ হৈ ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। আন্দোলন কমাত প্ৰাইমাৰী স্কুলৰ শিক্ষকতা কৰে। ১৯৩১ চনত জামুগুৰিৰ যুৱক সংঘৰ সভাপতি হয়। পাছত চাকৰি এৰি দি ১৯৩১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৪২ চনৰ কংগ্ৰেছ কৰ্মশালাসমূহত যোগ দিয়ে। মুক্তি যুঁজাৰু পেঞ্চন পাইছিল। ১৯৬২ চনত মৃত্যু হয়।

ৰামপ্ৰসাদ আগৰৱালা :

বিশ্বনাথ। ১৯৩২ চনত কংগ্ৰেছত যোগ দি ১৯৪২ চনলৈ তেওঁ সকলো আন্দোলনত অংশ গ্ৰহণ কৰি কংগ্ৰেছ অনুষ্ঠানক সকলো প্ৰকাৰে সহায় কৰিছিল। এজন ব্যৱসায়ী হৈও গোটেই পৰিয়ালটো আৰু ঘৰখন কংগ্ৰেছৰ অফিচত পৰিণত কৰিছিল। যাৰ ফলত তেওঁ অশেষ কষ্ট ভোগ কৰিছিল। আগৰৱালাই অসম চৰকাৰৰ পৰা পেঞ্চন ভোগ কৰিছিল।

ৰামেশ্বৰ বৰা :

ওপৰ ঘাট। ব্ৰহ্মজান মৌজাৰ ৰাইজক লৈ শোভাযাত্ৰা কৰি ১৯৩২ চনত গহপুৰত পতাকা উত্তোলন কৰিবলৈ গৈছিল। পিছত

পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰে অৰু ৬ মাহ জেল দিয়ে। স্বাধীনতাৰ পিছত চাহ বাগিচাৰ মজদুৰসকলৰ সংগঠনৰ কামত লাগিছিল। বৰাই অসম চৰকাৰৰ পেঞ্চনভোগী আছিল। ১৯৭৭ চনত তেওঁৰ মৃত্যু হয়।

ৰামপতি ৰাজখোৱা :

কলাবাৰী, বৰচুক। ৰাজখোৱাই ১৯৪০ চনত সেৱাদলত যোগ-দান কৰে। পঢ়া-শুনাত বিশেষ নাছিল। স্থানীয় কংগ্ৰেছ কৰ্মী গোলোক পূজাৰীৰ লগত একেলগে কাম কৰিছিল। ১৯৪২ চনত গহপুৰ থানাত পতাকা উত্তোলন কৰিবলৈ সমদল বান্ধি কলাবাৰীৰ পৰা গহপুৰলৈ খোজকাঢ়ি আহি থানাৰ পিছফালেদি জখলাৰে উঠি থান্যত পতাকা উত্তোলন কৰে। পিছত পুলিচে ৰাজখোৱাক ধৰি বিনা বিচাৰত তিনি মাহ জেলত ৰাখে। তেখেতে গহপুৰ-ডাকঘৰত সাধাৰণ চাকৰি কৰিছিল। অসম চৰকাৰৰ পেঞ্চনভোগী আছিল। ১৯৮৮ চনত ৮০ বছৰ বয়সত তেওঁ স্বৰ্গী হয়।

ৰুদ্ৰকান্ত বৰা :

বাৰহলিয়া, তেজপুৰ। পিতৃ মাধৱ বৰা। ১৯২১ চনত তেজপুৰ চৰকাৰী হাইস্কুল বৰ্জন কৰে আৰু কংগ্ৰেছৰ কামত লোকনায়ক অমিয় কুমাৰ দাসৰ সহযোগী কৰ্মী আছিল। ১৯৩০ চনত মদ আৰু কানিৰ দোকানত পিকেটিং কৰা বাবে ৬ মাহ জেল হয়। ১৯৪২ চনত গুপ্তচৰ হিচাপে কংগ্ৰেছৰ কাগজ-পত্ৰ দিয়া কামত লিপ্ত আছিল। দেশ স্বাধীন হোৱাৰ পিছত মজদুৰ আন্দোলনত জড়িত হয়। বৰা এসময়ত তেজপুৰ জিলা কংগ্ৰেছৰ সহকাৰী সম্পাদকো আছিল। ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল। বৰা অবিবাহিত আছিল। এজন নিষ্ঠাবান কৰ্মী হিচাপে গান্ধীজীৰ গঠনমূলক কামত অহোপুৰুষাৰ্থ কৰিছিল। ১৯৭৮ চনৰ ১ জানুৱাৰীত তেখেতৰ মৃত্যু হয়।

ৰূপেশ্বৰ কাকতি :

দ পৰ্বতীয়া, সাউদৰ চুবুৰী। পিতৃ ধনাই কাকতী। তেজপুৰৰ বিশিষ্ট মুক্তিযুঁজাৰু আৰু আজীৱন সমাজকৰ্মী কাকতীয়ে ১৯৩৫ চনত কংগ্ৰেছৰ কামত যোগ দিছিল। ১৯৩২ চনৰ অসহযোগ

আন্দোলনত যোগ দি ৬ মাহ কাৰাদণ্ড ভোগে। ১৯৮৬ চনৰ ৩ মাৰ্চত মৃত্যু হয়।

ৰূপধৰ্ম্ম বৰুৱা :

বেদেতি। বৰুৱাই ১৯৪১ চনত সেৱাদলত যোগদান কৰিছিল। ১৯৪২ চনত মুক্তিযুঁজাৰু মোলান শৰ্মা, বাণীৰাম শইকীয়া আদি কংগ্ৰেছ কৰ্মীৰ সহযোগী আছিল। ১৯৪২ চনত গ্ৰেপ্তাৰ হয় আৰু ১ বছৰ জেল খাটে। জেলৰ পৰা ওলাই আহি তেজপুৰ জিলা কং-গ্ৰেছৰ অফিচত কাম কৰিছিল। তেখেতে সাহিত্য আদিও চৰ্চা কৰি-ছিল। ১৯৭২ চনত ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু ভাৰত চৰকাৰ আৰু অসম চৰকাৰ দুয়োটা পেঞ্চন পাইছিল। ১৯৮৮ চনত কৰ্কট ৰোগত মৃত্যু বৰণ কৰে।

লক্ষীনাথ কাকতি :

পাতলিচুক। স্কুলৰ শিক্ষকতাৰ চাকৰি বাদ দি স্বাধীনতাৰ আন্দোলনত যোগ দিয়ে। ভাতৃ তিলক কাকতিক বিচাৰি ঘৰ-দুৱাৰ পুলিচে নষ্ট কৰাৰ উপৰিও তেওঁকো মাৰধৰ কৰে। তেজপুৰ কাছাৰীত সত্যাগ্ৰহ কৰি ৮ মাহৰো অধিক কাল ফাটেক খাটে।

লয়ো নাথ :

মেকনৰ চুবুৰী। গীতৰ জৰিয়তে সকলোকে মুগ্ধ কৰিছিল। স্বাধীনতা আন্দোলনত ৪ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল।

লক্ষীনাথ বৰুৱা :

লক্ষীনাথ বৰুৱাই কংগ্ৰেছৰ সদস্য ভৰ্তি হৈ কংগ্ৰেছৰ ২১ দফীয়া কাৰ্যসূচী ৰূপায়ণত ব্ৰত হয় আৰু স্বেচ্ছাসেৱক বাহিনী গঠন কৰে। শোভাযাত্ৰা উলিয়ায়, কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰে আৰু সংগঠনৰ কাম কৰে।

লক্ষীকান্ত গোস্বামী :

হজৰাপাৰ, তেজপুৰ। পিতৃ হৰেশ্বৰ গোস্বামী। ১৯৩৫ চনত কংগ্ৰেছৰ যোগেদি সমাজ সেৱাত আত্মনিয়োগ কৰিছিল। তেখেত সংগঠক, প্ৰচাৰক আৰু মৃত্যু বাহিনীৰ সদস্য আছিল। ৬ মাহৰো অধিক কাল পলাতক হিচাপে আছিল।

লালোৰাম ডেকা :

ডেকাৰ গাঁও। পিতৃ বগী ডেকা। ১৯২১ চনত সেৱাদলত যোগ দিয়ে। তেখেতে ৬ মাহ ১৫ দিন সশ্রম কাৰাদণ্ড ভুগিছিল।

লক্ষীকান্ত শৰ্মা :

পাতাল চুক গাঁও। ১৯৩০-৩১ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে। কানি পিকেটিঙত পুলিচে গ্রেপ্তাৰ কৰি নি চতিয়া থানাৰ পৰা এৰি দিয়ে। সমদলত যোগ দি গ্রেপ্তাৰ হয়। তাৰপৰা মুক্ত হৈ উজনি অসমলৈ গৈ নানা ঠাইত ঘূৰি ফুৰে। ৫/৬ মাহমান ঘূৰি ফুৰি উত্তৰ লক্ষীমপুৰৰ বিহপুৰীয়াত স্থায়ীভাৱে থাকিবলৈ লয়। ১৯৪২ চনত গ্রেপ্তাৰ হৈ তেজপুৰত জেলত থাকে। স্বাধীনতাৰ পিছত চতিয়ালৈ অহা যোৱা এখনত ঘূৰি যোৱাৰ পথত মটৰত জুই লগাৰ ফলত অগ্নিদগ্ধ হৈ অকালতে মৃত্যু বৰণ কৰে।

ললিত চন্দ্ৰ কাথহাজৰিকা :

বিলতীয়া, কলংপুৰ মৌজা। কাথহাজৰিকাই ১৯২১ চনত কলেজীয়া শিক্ষা বাদ দি আন্দোলনত যোগ দিয়ে। ১৯৩০ আৰু '৪২ত অসহযোগ আন্দোলনৰ সময়ত তিনি মাহ জেল খাটে। স্বাধীনতাৰ পিছত সমাজবাদী দলত যোগদান কৰে। ১৯৬৪ চনত তেওঁ স্বৰ্গগামী হয়।

লক্ষীপ্রসাদ গোস্বামী :

গহপুৰ। ১৯৪২ চনত সক্রিয় অংশ গ্রহণ কৰিছিল। দেশ স্বাধীন হোৱাৰ পিছত চাহ বাগিছাৰ কৰ্মচাৰীসকলৰ সভাপতি হৈছিল। ১৯৫৫ চনত তেওঁৰ মৃত্যু হয়।

লক্ষীৰাম বৰুৱা :

চতিয়া। ১৯২১ চনত কংগ্রেছৰ আন্দোলনত যোগদান কৰে। ১৯৩০ আৰু '৪২ চনৰ আন্দোলনত যোগদান কৰি মুঠ এবছৰ কাৰাবাস খাটে। ১৯৬৬ চনত মৃত্যু হয়।

লম্বোদৰ কলিতা :

তেজপুৰ। ১৯২১ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰ ৮ম মান শ্রেণীৰ পৰা স্কুল বৰ্জন কৰে। সেই চনতে মহাত্মা গান্ধী আহোঁতে

তেজপুৰৰ পৰা গুৱাহাটীলৈ খোজ কাঢ়ি গৈছিল। কলিতাই ঢেকিয়াজুলি, বৰছলা, বিহগুৰী, বাঁহবাৰী আদি ঠাইত কংগ্ৰেছৰ প্ৰচাৰ্য কাৰ্য চলাইছিল। ১৯২১ চনৰ আন্দোলনৰ পিছত স্বাধীন ব্যৱসায় হিচাপে কাছাৰীঘৰত উকিলৰ মহৰী হিচাপে কাম কৰিছিল। তেওঁ বিভিন্ন নামঘৰ আদিৰ যোগে শঙ্কৰদেৱৰ ধৰ্ম প্ৰচাৰৰ কাম কৰিছিল। এজন আধ্যাত্মিক লোক আছিল। ১৯৬২ চনত মৃত্যু বৰণ কৰে।

লয়ো নাথ :

ভালুকে খোৱা। ১৯৩০-৩২ চনৰ কানি, ভাং বৰ্জন আন্দোলনৰ এজন প্ৰধান কৰ্মী আছিল। গাঁৱে গাঁৱে প্ৰচাৰকাৰ্য কৰি সংগঠনৰ কাম কৰিছিল।

লীলাম্বৰ দাস :

বৰডুবীয়া। কংগ্ৰেছৰ কৰ্মী আছিল। শিক্ষকতা কৰিছিল।

লুহুৰী দেৱী :

মেকনৰ ঢুবুৰী। আন্দোলনত ভাগ লোৱা ১৯৩২ চনৰ অতি সাহসী মহিলা কৰ্মী আছিল।

লোমাইৰাম নাথ (বায়ন) :

ছাগলী ঢুবুৰী। অতি চতুৰ আৰু সাহসী কৰ্মী। ৰাজহুৱা সভা সমিতি আহ্বান কৰিছিল। কানিৰ পট্টা পোৱা মোকৰ্দমাত হাজোত খাটিবলগীয়া হৈছিল। ১৯৩০—৪২ চনৰ আন্দোলনত কাম কৰে। প্ৰায় ৭০ বছৰ বয়সত মৃত্যু বৰণ কৰে।

লাম্ভাৰাম কছাৰী :

১৯২১ চনত কংগ্ৰেছত যোগ দান কৰি আজীৱন কংগ্ৰেছৰ কাম কৰি যায়।

লীলাম্বৰ দাস :

ছাগলী ঢুবুৰী। '৪২ৰ বিশ্বাসী সত্যাগ্ৰহী।

লোকনাথ শৰ্মা :

বেঙাবাৰী, মৌজা কলংপুৰ। পিতৃ ভদ্ৰকধৰ শৰ্মা। ১৯২১ চনৰ অসহযোগ আন্দোলন আৰু বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনত যোগদান কৰে। ১৯৩১ চনত পুলিচে গ্ৰেপ্তাৰ কৰে। ১৯৩২ চনত ছয়দুৱাৰত ৰায়তসভা অনুষ্ঠিত কৰাত বিশেষ ভূমিকা লয়।

লোকনাথ নাথ :

বেহেৰীয়া। ১৯৪০ চনত সত্যাগ্ৰহ আন্দোলনত যোগ দিয়ে। আজীৱন কংগ্ৰেছৰ গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। ১৯৮০ চনত মৃত্যু হয়।

শৰৎ কুমাৰ বৰুৱা :

বৰুৱাৰ জন্ম উত্তৰ লক্ষীমপুৰত। কংগ্ৰেছৰ কামত ঘৰ এৰি আহি চিলাবন্ধা মৌজাৰ গোলকচন্দ্ৰ বৰুৱাৰ ঘৰত আশ্ৰয় লয়। চিলাবন্ধা মৌজাদাৰৰ কন্যাক বিয়া কৰায় আৰু সেই গাঁৱতে থাকিবলৈ লয়। তেওঁ স্থানীয় কংগ্ৰেছৰ এগৰাকী প্ৰধান কৰ্মী আছিল। কংগ্ৰেছৰ সদস্য, সভাপতি, সম্পাদক ৰূপে কাম কৰিছিল। ১৯৪২ চনত বিচাৰ সভাৰ সম্পাদক, গাঁও পঞ্চায়তৰ সভাপতিৰ দায়িত্বত থ.কে। ১৯৬২ চনত মৃত্যু হয়।

শনিৰাম কলিতা :

মাজগাঁও। ১৯৩৮ চনত কংগ্ৰেছৰ সেৱাদলত যোগদান কৰে। ১৯৪২ চনৰ ২১ চেপ্তেম্বৰৰ দিনা তেজপুৰত জাতীয় পতাকা উত্তোলন কৰিবলৈ আহোতে পুলিচৰ মাৰ খাই ভৰি এখন ঘূণীয়া হয় আৰু এমাহ কাল জেল খাটে। অসম চৰকাৰৰ পৰা ৰাজনৈতিক পেঞ্চন পাইছিল। ১৯৬৫ চনত তেওঁৰ মৃত্যু হয়।

শৰৎ চন্দ্ৰ ভাগৱতী :

টুপীয়া। ১৯৪২ চনত ভাৰতীয় কংগ্ৰেছ আন্দোলনত যোগদান কৰে। এওঁ কেইবামাহো পলাতক অৱস্থাত আছিল। ১৯৮১ চনত মৃত্যু হয়।

শৰৎ চন্দ্ৰ বৰুৱা :

মুড়াদল। ১৯৩০-৩২ চনৰ আন্দোলনত যোগদান কৰিছিল। ১৯৪০-৪১ চনত সত্যাগ্ৰহ কৰোতে পুলিচে নধৰাত খোজকাঢ়ি উত্তৰ লক্ষীমপুৰলৈ যায় আৰু তাত পুলিচৰ হাতত ধৰা পৰে। স্বাধীনতাৰ পিছতো কংগ্ৰেছৰ কাম কৰি আছিল। মুড়াদলৰ মণ্ডল কংগ্ৰেছৰ সভাপতি আছিল। তেখেতে ৰাজনৈতিক পেঞ্চন পাইছিল। ১৯৬৫ চনত বৰুৱাৰ মৃত্যু হয়।

শিৱপ্ৰসাদ দাস :

সৰুভগীয়া। ১৯৩০ চনত স্কুল এৰি ভলণ্টিয়াৰ দলত যোগ দি কানি পিকেটিং আৰু খাদীৰ কামত লাগি থাকে। অৰুণ যাত্ৰা পাৰ্টিৰ এগৰাকী বিশিষ্ট অভিনেতা আছিল। ১৯৩৯ চনত ব্যক্তিগত সত্যাগ্ৰহত যোগ দিয়ে। ১৯৪২ চনত শান্তি সেনাৰ প্ৰশিক্ষণ লয়। তেজপুৰলৈ গৈ প্ৰথমে ব্লক কমাণ্ডাৰ পাছত সহকাৰী কমাণ্ডাৰ হয়। মুক্তি বাহিনী, মৃত্যু বাহিনীত যোগ দি নেতৃত্ব দিয়ে। বিভিন্ন ঠাইত কাম কৰি গ্ৰেপ্তাৰ হয়।

শিৱপ্ৰসাদ আগৰৱালা :

বিশ্বনাথ ঘাট। ১৯২১ চনত কটন কলেজৰ শিক্ষা এৰি আহি আন্দোলনত যোগদান কৰে। ১৯২২ চনত এবছৰ ফাটেক খাটিব লগীয়া হয়। ইয়াৰ পাছত জ্যোতিপ্ৰসাদ আগৰৱালাৰ ভনীয়েকক বিয়া কৰায় আৰু বিলাতলৈ গৈ বেৰিষ্টাৰী পাছ কৰি আহি কলিকতা হাইকোৰ্টত ওকালতি কৰে। তেখেতে কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনী সংগঠনৰ কাম কৰিছিল। ১৯৭০ চনত তেখেতে কলিকতাত থাকোতে মৃত্যু বৰণ কৰে।

শিৱ বৰুৱা :

১৯৩২ চনৰ পিকেটিং আইনত গ্ৰেপ্তাৰ হৈ ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। কেন্দ্ৰীয় চৰকাৰৰ পৰা পেঞ্চন আৰু তাম্ৰপত্ৰ পাইছিল।

শ্ৰেণীধৰ দাস :

চতিয়া। ১৯৪২ চনৰ এজন আগৰণুৱা কৰ্মী আছিল। গুপ্ত আন্দোলনত ধৰা পৰি দুমাহ জেল হয়। ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ পাইছিল। ১৯৮৪ চনত মৃত্যু হয়।

সৰুৰাম নাথ :

বাঁহবৰীয়া। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত চতিয়া থানাত পতাকা তুলিবলৈ গৈ পুলিচৰ হাতত মাৰ খায় আৰু ৩/৪ মাহ জেল খাটিবলগীয়া হয়।

সহোৰাম বৰুৱা :

সোনালীবাৰী, গহপুৰ। জন্ম ১৮৯৪, মৃত্যু ১৯৬৬ চন। পিতৃ কৰ্মলু বৰুৱা। ১৯২৩ চনত প্ৰাথমিক স্কুলৰ শিক্ষকতাৰ চাকৰি বাদ দি কংগ্ৰেছত ভৰ্তি হয়। '৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ লয় আৰু ৬ মাহ ষ্টেক খাটে।

সভাৰাম শইকীয়া :

তৰাজান কুমাৰ গাঁও। পিতৃ ভোগোৰাম শইকীয়া। অঞ্চলটোৰ ১৯৩৬ চনৰ সংগঠক প্ৰচাৰক। ১৯৪২ চনত ৩ মাহ কাৰাদণ্ড ভোগ কৰি বেমাৰত মুক্তি পায়।

সভাৰাম কাকতি :

গটঙা। ১৯৩০ চনত কানি বৰ্জন আন্দোলনত যোগদান কৰে। ১৯৪২ চনৰ আন্দোলনতো যোগ দিয়া বাবে ৩ মাহ জেল হয়। ১৯৫৭ চনত তেখেতৰ মৃত্যু হয়।

সৰুৰাম সুত :

পিঠাখোৱা। ১৯৪২ চনত লক্ষীমপুৰলৈ খোজকাঢ়ি গৈ সত্যাগ্ৰহ কৰে। ১ মাহ হাজোত থাটে।

সৰ্বেশ্বৰ কাকতি :

মেধনৰ চুবুৰী। আন্দোলনৰ প্ৰধান সমৰ্থক হিচাপে বাইজৰ মাজত প্ৰচাৰকাৰ্য চলাইছিল।

সাৰদা চৰণ দাস :

বেদেতি। সাৰদাচৰণ দাস মুক্তিযুঁজাৰু অন্নদা বাবুৰ সহোদৰ আছিল। ককায়েকৰ লগতে দাসেও কংগ্ৰেছত যোগদান কৰিছিল। ১৯৪২ চনৰ আন্দোলনত তেখেতৰ তিনি মাহ জেল হয়। ১৯৭৮ চনত মৃত্যু হয়।

সাধিৰাম নাথ (সুত্ৰধৰ) :

নিজ বিহগুৰী। ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈ সক্ৰিয় কৰ্মী আছিল। এটা কেম্পৰ নায়ক আছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ২১ চেপ্তেম্বৰত শোভাযাত্ৰাত পুলিচৰ হাতত গ্ৰেপ্তাৰ হৈ খালাচ পায়। ৰাজ্য চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

সুনন্দ পটঙ্গীয়া :

মোৰামাৰী। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী আছিল। ১ মাহ কাৰাবৰণ কৰে।

সুৰেশ চন্দ্ৰ ভট্টাচাৰ্য্য :

তেজপুৰ। ১৯২১ চনত কংগ্ৰেছৰ অসহযোগ আন্দোলনত যোগ দিয়াৰ ফলত ৩ বছৰ কাল জেল খাটিবলগীয়া হয়। ডঃ ৰাজেন্দ্ৰ প্ৰসাদ অসমলৈ আহোঁতে ভট্টাচাৰ্য্যই ১৯২১ চনত গৰু গাড়ীত উঠি বকো অঞ্চলত খাদী প্ৰচলনৰ আন্দোলন কৰিছিল। জেলৰ পৰা ওলাই ভট্টাচাৰ্য্যই ৰেঙ্গুনলৈ পলাই যায় আৰু তাত এখন খবৰৰ কাগজ উলিয়ায়। জাপানে ৰেঙ্গুন অধিকাৰ কৰাৰ সময়ত ১৯৪১ চনত অসমলৈ পলাই আহে। বৰদলৈ প্ৰধান মন্ত্ৰী হওঁতে ১৯৪৮ চনত তেখেতক বিষয়া পাতিছিল। তেখেতে ভাৰত চৰকাৰৰ পৰা পেঞ্চন পাইছিল। ১৯৭৫ চনত লক্ষ্ণৌত তেখেত পৰলোকগামী হয়।

সুন্দৰ চন্দ্ৰ বৰা :

গহপুৰ। জন্ম ১৮৯৩, মৃত্যু ১৯৭৭ চন। পিতৃ পোহৰ বৰা। বৰা যোৰহাটৰ লোক আছিল। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনত গহনচন্দ্ৰ গোস্বামী আদি নেতাসকলৰ লগত গাঁৱে গাঁৱে ঘূৰি ২০ চেপ্তেম্বৰৰ কাৰণে ৰাইজক সাজু কৰি তোলে। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা এটা শোভাযাত্ৰাৰ দল পৰিচালনা

কৰি গহপুৰ থানালৈ আহে। পুলিচে যেতিয়া কনকলতা আৰু মকুণ্ড কাকতিক গুলিয়াই মাৰিলে আৰু ৰাইজৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰিলে তেতিয়া সকলো ৰাইজ ছত্ৰভঙ্গ দিয়ে। পুলিচে ৰবাক ক্ৰবায়ত্ত্ব কৰি ৫ মাহ কাৰাদণ্ড দিয়ে।

সোণাৰাম দাস :

উত্তৰচুক গাঁও। ১৯২১ চনত হাইস্কুলীয়া শিক্ষা ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। তেতিয়াৰ পৰা ১৯৪৭ চনলৈকে কংগ্ৰেছৰ বিভিন্ন দায়িত্বত থাকি সেৱা আগবঢ়াইছিল। আন্দোলন শাম কটাত স্বাধীন ব্যৱসায়ত লাগে। অল্পভাষী, নিৰহংকাৰী এই ব্যক্তিজন সকলোৰে মৰমৰ আছিল।

সোণাৰাম পটঙ্গীয়া :

গটঙা, কাঁহদল। ১৯২১ চনৰ আন্দোলনত প্ৰচাৰক, সংগঠক, অক্লান্ত সমাজ কৰ্মী আছিল। অসহযোগ আন্দোলনৰ এজন আগ-শাৰীৰ নেতা আছিল। ত্যাগী আৰু সেৱক প্ৰচাৰক হিচাপে প্ৰখ্যাত আছিল। পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল আৰু ৬ মাহ জেল খাটে।

সোণাৰাম বৰা :

বাঁহবৰীয়া গাঁও। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ সকলো পৰ্যায়ৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। আৰম্ভণীতে তেখেতৰ ঘৰ পাঁচিগাঁৱত থকাৰ বাবে তাতো বাপুৰাম ভুঞা আৰু মিনাৰাম বৰাৰ সহযোগী কৰ্মী আছিল। কংগ্ৰেছত যোগ দিয়া বাবে স্থানীয় মৌজাদাৰে মাটি নিলামত দিছিল ফলত শেষৰ ফালে আৰ্থিক সঙ্কটত পৰিছিল। ১৯৩১ চনত পুলিচৰ অত্যাচৰত পলাই গৈ যোৰহাটৰ আৰু ভোগদৈপৰীয়া গড়মূৰীয়া সত্ৰাধিকাৰৰ সদৌ অসম কংগ্ৰেছ কৰ্মীৰ গোপন সভাত যোগ দিয়ে। পাছত উত্তৰ লক্ষীমপুৰ হৈ গাঁৱৰ মাজে মাজে পলাই নিজ গাঁও পোৱাৰ আগতে উত্তৰ লক্ষীমপুৰত পুলিচে আটক কৰে।

সোণাৰাম পটঙ্গীয়া :

ডিপোটা। পটঙ্গীয়াই ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনলৈ সকলো আন্দোলনত সোমাই পৰে। তেওঁ জেল খাটি-ছিল। ১৯৭০ চনত তেখেতৰ মৃত্যু হয়।

সোণাৰাম দাস ঃ

ৰঙাচকুৱা। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত চতিয়া থানাত পতাকা উত্তোলন কৰিবলৈ গৈছিল। পুলিচৰ হাতত মাৰ-ধৰ খায়। ৩/৪ মাহ জেল খাটিবলগীয়া হৈছিল।

হৰনাথ হাজৰিকা ঃ

লেহুগাঁও, চাৰিআলি। ১৯২১ চনত চাহ বাগিছাৰ কাম ত্যাগ কৰি অসহযোগ আন্দোলনত যোগদান কৰে। মহাত্মা গান্ধীৰ অহিংস বাণী প্ৰচাৰ কৰে। ১৯৪২ চনৰ আন্দোলনতো গুপ্ত কামত নিয়োজিত হৈছিল আৰু পুলিচৰ হাতত ধৰা দিয়া নাছিল। হাজৰিকা গাঁও পঞ্চায়তৰ সম্পাদক, সভাপতি হিচাপেও বহুদিন কাম কৰিছিল। স্থানীয় হাইস্কুল আৰু কলেজ নিৰ্মাণ কৰাত আগভাগ লৈছিল। কেষ্ট-বাটাও সমবায় অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮৮ চনত তেখেতৰ মৃত্যু হয়।

হৰাই ডেকা ঃ

কলিতা গাঁও। স্বাধীনতা আন্দোলনত ৩ মাহ জেল হয়।

হৰিসিং পাটগিৰি ঃ

পুঠিমাৰী। ১৯২১ চনৰ আন্দোলনৰ যুৱক কৰ্মী আছিল।

হলিৰাম ডেকা ঃ

ডেকাৰ গাঁও, মৌজা হলেশ্বৰ। পিতৃ হাবিয়াল ডেকা। ১৯৩২ চনত ৬ মাহ জেলত কটায়। স্বাধীনতা সংগ্ৰামৰ আগৰণুৱা কৰ্মী।

হংসীৰাম দাস ঃ

মাজগাঁও হাটভঙা চুবুৰী, মৌজা ভৈৰৱপদ। পিতৃ ৰুপাই মেধি দাস। ১৯২১—৪২ চনলৈ স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰে।

হৰিপ্ৰসাদ উপাধ্যায় ঃ

মৌখাল, বিহালী। জন্ম ১৮৮৭, মৃত্যু ১৯৫২ চন। পিতৃ কাশীনাথ উপাধ্যায়। বিশিষ্ট মুক্তিযুঁজাৰু ছবিলাল উপাধ্যায়ৰ

কনিষ্ঠ ভাতৃ। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৩ মাহ বিনাশ্ৰম কাৰাদণ্ড ভোগ কৰে।

হৰেণ শইকীয়া ঃ

মাজগাঁও। পিতৃ সোনাৰাম শইকীয়া। সমগ্ৰ দৰং জিলাৰ গাঁও অঞ্চলৰ কৰ্মী নেতাসকলক জেললৈ নিয়াৰ পাছত দেশ মাতৃকাৰ মুক্তি সংগ্ৰামেই জীৱনৰ ব্ৰত হিচাপে লোৱাত দেউতাকে ত্যাজ্য-পুত্ৰ বুলি ঘোষণা কৰে। এই সিদ্ধান্তক হাঁহি মুখে গ্ৰহণ কৰি দেশৰ কামত লাগিছিল। বৃটিছৰ দমন নীতিৰ বিৰুদ্ধে গাঁও অঞ্চলত প্ৰচাৰ কাৰ্য চলাইছিল। ১৯৪২ চনৰ আন্দোলনত যোগ দি ১ বছৰ চাৰি মাহ কাৰাদণ্ড ভোগে। ১৯৭৬ চনত তেওঁৰ মৃত্যু হয়।

হৰকান্ত শৰ্মা ঃ

কলিতা গাঁও। ১৯৩২ চনৰ পৰা কংগ্ৰেছৰ কামত লাগি থাকে। ১৯৪২ চনৰ শোভাযাত্ৰাত যোগ দি পুলিচৰ মাৰ খায় আৰু গ্ৰেপ্তাৰ হৈ এৰাতি থানাত থাকে।

ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা ঃ

তেজপুৰ। জন্ম ২৫ এপ্ৰিল, ১৮৯৩ চন। পিতৃ গোৱাল বৰুৱা। ১৯১৫ চনত মেট্ৰিকুলেচন পাছ কৰি ১৯১৯ চনত অনাৰ্চ লৈ বি-এ পাছ কৰে। ১৯১৮ চনত তেওঁ কটন কলেজৰ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক আছিল। ১৯২১ চনত হেম বৰুৱাই ল কলেজৰ ছাত্ৰ আৰু অসম ছাত্ৰ সম্মিলনৰ সম্পাদক আছিল। ধুবুৰীৰ সভাত হেম বৰুৱা অসহযোগ আন্দোলনত লিপ্ত হয় আৰু কৰাবাৰণ কৰিব লগা হ'ল। পাছত জেলৰ পৰা ওলাই আহি ল পাছ কৰি ওকালতি আৰম্ভ কৰে।

হেমচন্দ্ৰ বৰুৱা এজন প্ৰবীণ চিন্তাশীল সাহিত্যিক আছিল। ইংৰাজী সাহিত্যৰ গভীৰ অধ্যয়নপুষ্ট বৰুৱাই ৰুচ সাহিত্যৰ ৰস আস্বাদন কৰিছিল। সেই সময়ৰ 'বাঁহী' আলোচনীত তেখেতে গোৰ্কীৰ 'কমৰেড ভণ্টয়েভস্কি', 'ক্ৰাইম এণ্ড পানিচমেণ্ট', 'ফাদাৰ এণ্ড চনচ' প্ৰভৃতি উপন্যাসৰ সংক্ষিপ্ত বিৱৰণ নিজৰ মন্তব্যসহ প্ৰকাশ কৰিছিল। 'বাঁহী'ত তেওঁৰ অনেক প্ৰবন্ধ প্ৰকাশ পাইছিল। হেম বৰুৱাৰ প্ৰকা-

শিত পুস্তিকা কেইখনমান হ'ল—কংগ্ৰেছৰ বুৰঞ্জী, দেশৰ আয় ব্যয়ত ভুমুকি, ভাৰতৰ ৰাজকীয় ঋণ, বিলাতত মহাত্মা, মেজমেণ্টত মহাত্মা ইত্যাদি। হেম বৰুৱাৰ নেতৃত্বত গুৱাহাটীত কামৰূপ একাডেমী, আৰু তেজপুৰ একাডেমী জাতীয়তাবাদী স্কুল হিচাপে জন্ম লাভ কৰে। ১৯২১ চনত হেম বৰুৱাক গ্ৰেপ্তাৰ কৰি পাঁচমাহ সশ্ৰম কাৰাদণ্ড বিহিছিল।

জেলৰ পৰা ওলাই আহি হেম বৰুৱাই অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ ক্ৰমে সম্পাদক আৰু সভাপতি হৈ কেবাবছৰো কাম চলায়। হেম বৰুৱাই সংসদী ৰাজনীতি নকৰি বিপ্লৱী প্ৰত্যাহৰণমূলক আন্দোলনমুখী ৰাজনীতিত নামিছিল। বিপ্লৱী হলেও হেমবৰুৱা আছিল গঠনমূলক বিপ্লৱী, বিদ্ৰোহী, ৰাজনীতিবিদ হলেও সংস্কাৰধৰ্মী।

দেশ স্বাধীন হ'বলৈ দুবছৰ বাকী থাকোতে হেম বৰুৱাৰ স্বাস্থ্য ভাগি পৰিল। ডাঃ ভুবনেশ্বৰ বৰুৱাই তেখেতক নিজৰ তত্ত্বাৱধানত ৰাখিছিল। দেশৰ পৰিস্থিতিত কি কৰিব লাগিব সেই সম্পৰ্কে হেমবৰুৱাই পিতামহ ভীষ্মৰ দৰে ৰোগশয্যাত থাকিয়ে পৰামৰ্শ দি আছিল। ছাত্ৰ, কৃষক, বনুৱা, নাৰীশক্তি সকলো অনুষ্ঠানে হেম বৰুৱাৰ পৰা আশীৰ্বাদ আৰু উপদেশ পাইছিল। চিৰ কৌমাৰ্যব্ৰতী ত্যাগবীৰে এইদৰে মাতৃভূমিৰ উদ্ধাৰৰ বাবে জীৱন পূৰ্ণাহুতি দিলে।

হেমকান্ত শৰ্মা :

নিজ বিহগুৰী। ১৯২১ চনৰ কৰ্মী আছিল। সেই সময়ত মৌজা কংগ্ৰেছৰ সভাপতি আছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত অংশ গ্ৰহণ কৰিছিল।

হেমন্ত কুমাৰ কাকতি :

পিঠাখোৱা। ১৯২১ চনৰ কৰ্মী আছিল। ১৯৩০-৩২ চনত ভলণ্টিয়াৰৰ নায়ক আছিল। ৬ মাহ জেল হয়। প্ৰায় ৫০ বছৰ বয়সত মৃত্যু হয়।

হেমকান্ত শৰ্মা বৰঠাকুৰ :

নিজ বিহগুৰী। অসহযোগ আন্দোলনৰ সক্ৰিয় কৰ্মী। পাণ্ডু কংগ্ৰেছত অংশ গ্ৰহণ কৰিছিল।

হেমকান্ত ভুঞা :

বালিজান চাবিখেলীয়া গাঁও। জন্ম ১৮৮৯, মৃত্যু ১৯৫৭ চন। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ উপৰিও ১৯৩২ চনত ছয়দুৱাৰ ৰায়ত সভাত অংশ লৈ থাকোতে পুলিচৰ হাতত গ্ৰেপ্তাৰ হৈ ডেৰ বছৰৰো অধিক কাল জেলত কটায়। '৪২ ৰ গণ বিপ্লৱতো ভাগ লয়।

হেমকান্ত বৰদলৈ :

হাবাজান। ১৯৪২ চনত বৰদলৈয়ে পুলিচৰ চাকৰি ইস্তফা দি স্বাধীনতা আন্দোলনত জপিয়াই পৰে। ফলস্বৰূপে ৬ মাহ কাৰাবাস হয়।

হেমৰাম শৰ্মা :

পৰ্বতীয়া। শৰ্মাদেৱ আগতে নগাওঁৰ লোক আছিল। তেখেতে তেজপুৰলৈ আহি পৰ্বতীয়াত স্থায়ীভাৱে কাম কৰে। ১৯৪২ চনত শিক্ষকতা কাম বাদ দি শৰ্মাদেৱে আন্দোলনত যোগদান কৰে। তেখেতে অসম চৰকাৰৰ পৰা ৰাজনৈতিক পেন্সন পাইছিল। ১৯৫০ চনত মৃত্যু হয়।

হেমৰাম শৰ্মা :

হাজৰাপৰ। শৰ্মাদেৱে ১৯৪২ চনত গণ-আন্দোলনত যোগদান কৰে। ১৯৪২ চনৰ ২১ চেপ্তেম্বৰত তেজপুৰত জাতীয় পতাকা উত্তোলন কৰিবলৈ যোৱাত পুলিচে গ্ৰেপ্তাৰ কৰাত তিনিমাহ জেল খাটিব-লগীয়া হয়। তেখেতে অসম চৰকাৰৰ পৰা মুক্তি যুঁজাৰু পেন্সন পাইছিল। কিছুদিন আগতে মৃত্যু হয়।

হেমৰাম নাথ :

হেমৰাম নাথে ১৯৩০-৩১ চনত কংগ্ৰেছৰ ভলণ্টিয়াৰ হৈ ১৯৩২ চনত জেল খাটে। জেলৰ ভিতৰতে গ্ৰহণী ৰোগ হয় আৰু জেলৰ পৰা মুক্তি পায়। কিছুদিন থকাৰ পিছত নাথৰ মৃত্যু হয়।

শোণিতপুৰৰ ছয়দুৱাৰ অঞ্চলৰ মুক্তিযুঁজাৰুসকলৰ বিশেষ চমু বিবৰণী নোপোৱাত নাম ঠিকনা উল্লেখ কৰা হ'ল :

মুহিধৰ মেধি :

পমুৱা গাঁও, কলংপুৰ। ১৯৪২ চনত স্বাধীনতা আন্দোলনত সহযোগ কৰা বাবে ৬ মাহ হাজোত খাটিছিল।

ভোলানাথ ভৰালী বৰুৱা :

মৰণাবাৰী। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা গহপুৰ থানাৰ গুলি চালনাত আহত হৈছিল।

তিলেশ্বৰ বৰা :

তেলিয়াচুক। ১৯৪২ চনত স্বাধীনতা আন্দোলনত সক্রিয় সহযোগ কৰা বাবে কেবামাহ হাজোত বাস কৰিছিল।

তিলোৰাম বৰদলৈ :

মৰণাবাৰী। ১৯৪২ চনত কল্যাণপুৰ শান্তিসেনা শিবিৰত প্ৰশিক্ষণ লৈ সকলো কাৰ্যসূচীত অংশ গ্ৰহণ কৰিছিল।

ভূমিধৰ বৰদলৈ : ডোমৰপুখুৰী।
স্ফটিক বৰদলৈ : কথালনীবাৰী।
খগেশ্বৰ বৰুৱা : মৰণাবাৰী।
তিলক বৰঠাকুৰ : চাৰেঙীয়া।
বাপাৰাম ফুকন, চাৰেঙীয়া।
বেণুধৰ দত্ত (মৌজাদাৰ), ডিপথা।
থুলেন্দ্ৰ মহন্ত, দোপাবৰ।
মহেশ্বৰ ভূঞা, চাৰেঙীয়া।
টঙ্কেশ্বৰ হাজৰিকা, বৰুৱাপথাৰ।
গুপীকান্ত হাজৰিকা, আমগুৰি।
হৰিপ্ৰসাদ বৰা, মিছামাৰী।
বিৰোচন সন্দিকৈ, ঘাঁহিগাঁও।

দেবেশ্বৰ শৰ্মা, ঘাঁহগাঁও।
উমাৰাম বৰুৱা, বৰভাৰাৰী, কলংপুৰ।
মহেশ্বৰ শৰ্মা, বিলতীয়া, কলংপুৰ।
কৃষ্ণকান্ত গোস্বামী, মাগলি, কলংপুৰ।
মহেন্দ্ৰ নাথ সিংহ, মাগলি, কলংপুৰ।
মধু ৰাজবংশী, তেতোৰবাৰী, ব্ৰহ্মজান।
পুটু বৰাইক, সহগাজাৰ।
মধুৰাম বৰা, গমিৰি, হেলেম।
হৰেন্দ্ৰনাথ শইকীয়া, বৰুৱাপথাৰ।
নৰেন বৰা, গমিৰি।
সোমেশ্বৰ বৰদলৈ, কাউৰী পথাৰ।
কেশৱ কাকতি, কাৰীগাৰাজ।
হেমেশ্বৰ লাহন, গবৈমাৰী, ব্ৰহ্মজান মৌজা।
খৰ্গেশ্বৰ বৰা, বামুণবাৰী, ব্ৰহ্মজান মৌজা।
হেমবতী বৰা, ”
চাকিৰাম নাথ, বৰাণীপথাৰ, ব্ৰহ্মজান মৌজা।
দধিৰাম নাথ ”
ৰাধাকান্ত মহন্ত ”
সোনাৰাম বৰুৱা, হুকাজান, ব্ৰহ্মজান মৌজা।
নৰেন্দ্ৰ মহন্ত, কঠালনীবাৰী, কলংপুৰ।
গিৰিশচন্দ্ৰ গোস্বামী, হাতীবন্ধা, কলংপুৰ।
পূৰ্ণকান্ত হাজৰিকা, বিলতীয়া, কলংপুৰ।
পদ্মেশ্বৰ বৰুৱা, বৰালীমৰা, বিহালী।
পুণ্যধৰ বৰা, নিজ বিহালী।
কুলধৰ দত্ত, হাতীবন্ধা, বিহালী।
কনক দাস, বৰগাং, বিহালী।
ভাৰত দাস, ৰাংচালী, বিহালী।
বঙ্কাকান্ত সিংহ ” ”
গোলাপ বৰা, জামুগুৰি, বিহালী।
বুধেশ্বৰ বৰা, নিজ বিহালী।

বিয়াল্লিছৰ মুক্তি সংগ্ৰাম—ঢেকিয়াজুলি

ভাৰতৰ স্বাধীনতা আন্দোলনত ঢেকিয়াজুলিয়ে এটি বিশেষ স্থান অধিকাৰ কৰিছে। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা ঢেকিয়াজুলি থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ আহি থিতাতে এঘাৰ জন শ্বহীদ হয়। বহু সংখ্যক লোক জখম হৈ পিছত মৃত্যুক আঁকোৱালি লয়। বহুতো চিৰ জীৱনৰ বাবে ঘূণীয়া হয় লগতে বহুতৰ জেল হয়। কেৱল অসমতেই নহয়, ভাৰতৰ ভিতৰত এনেদৰে থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে কতো ইমান সংখ্যক লোকৰ মৃত্যু হোৱা নাছিল। সেই ঐতিহাসিক সমদলত যোগ দি শ্বহীদ হোৱা আৰু অঞ্চলটোৰ অন্যান্য মুক্তিযুঁজাৰুৰ সংক্ষিপ্ত পৰিচয়, আমি পোৱা মতে বৰ্ণানুক্ৰমিকভাৱে দাঙি ধৰিবলৈ প্ৰয়াস কৰিছো মাথোন। —সম্পাদক।

উমাকান্ত ভুঞা :

নাহৰবাৰী। জন্ম ১৯০৫, মৃত্যু ১৯৬১। ১৯৩০ চনৰ পৰা ভাৰতৰ স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰি ১৯৩২ চনত ক্ৰাটেক খাটে। ১৯৪২ চনৰ পশ্চিম ঢেকিয়াজুলি সমদলৰ সংগঠক আছিল।

কমলাকান্ত দাস :

জহামাৰী। পিতৃ নন্দিৰাম সুত। ১৯৩৫ চনত কংগ্ৰেছত অংশ গ্ৰহণ কৰি সেৱাদল পৰিচালনা কৰে। ১৯৪২ চনত ঢেকিয়াজুলিত গণবিপ্লৱত দলপতি নিৰ্বাচিত হৈ বিপ্লৱী জনতা পৰিচালনা কৰিবলৈ গৈ পুলিচৰ বেনেটত বেয়াকৈ ঘাইল হয়। আদালতৰ বিচাৰত তেৰ বছৰ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৬০ চনত মৃত্যু হয়।

কুমলী দেৱী :

কুমলী দেৱী নাহৰবাৰী মৌজাৰ গাভৰুপাৰ গাঁৱৰ ভুলিৰাম নাথৰ পত্নী আমোলীনাথৰ গৰ্ভত ১৮৭৪ চনৰ নবেম্বৰ মাহত জন্ম

গ্ৰহণ কৰি ১৫ বছৰ বয়সত গাভৰু পাৰ গাঁৱৰ গোবৰ নেওগৰ লগত বিয়া হয়। সাধাৰণ খেতি বাতি কৰি জীৱিকা নিৰ্বাহ কৰিছিল। ঘৰুৱা আৰ্থিক অৱস্থা ভাল নাছিল। তেওঁ ৪টা ল'ৰা আৰু দুজনী ছোৱালীৰ মাতৃ হৈ ১৯৪২ চনত ঢেকিয়াজুলি গণ বিপ্লৱত যোগ দি মৃত্যুমুখত পতিত হয়।

কুণ্ডু কছাৰী :

১৯৪২ চনৰ ঢেকিয়াজুলি বিপ্লৱত পুলিচৰ ৰাইফলৰ গুলিত সোঁ ভৰিৰ উৰু ভাগি যায়। কিছুদিন পঙ্গু হৈ জীয়াই থাকি এওঁৰ মৃত্যু হয়। এওঁৰ স্বদেশ প্ৰেম অতুলনীয়।

খহুলী দেৱী :

নগাঁও জিলাৰ দুমদুমীয়া গাৱত জন্ম হয়। পিতৃ পোনাৰাম নাথ। পঢ়াশালীৰ শিক্ষা একেবাৰে নাছিল। ১৮ বছৰমান বয়সতে উত্তৰ পাৰলৈ আহি তেজপুৰ মহকুমাৰ নাহৰবাৰী মৌজাৰ কাটনি গাঁৱৰ পোনাৰাম নাথৰ লগত বিয়া সোমায়। তেওঁলোকৰ পুত্ৰ সন্তান নাছিল। পৰিয়ালৰ উত্তৰাধিকাৰী মাত্ৰ দুজনী জীয়েক আছিল। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখে ঢেকিয়াজুলি পতাকা অভিযানত সস্ত্ৰীক পোনাৰাম নাথে যোগ দিছিল। পুলিচৰ নিৰ্বিচাৰ বেপৰোৱা গুলি চালনাত থানাৰ ওচৰতে গুলি লাগি খহুলী দেৱীৰ মৃত্যু হয়।

গঙ্গাৰাম কোচ :

'৪২ৰ ঢেকিয়াজুলি গণ আন্দোলনত যোগ দি প্ৰায় আঠমাহ আটকাধীন হৈ থাকে।

গোপীৰাম কোচ :

১৯৪২ চনৰ ঢেকিয়াজুলি বিপ্লৱত যোগদান কৰি পুলিচৰ গুলিত আহত হৈ অৱশেষত মৃত্যুমুখত পৰে।

গোলাপী দেৱী :

১৯৪২ চনৰ ২০ চেপ্তেম্বৰত ঢেকিয়াজুলি থানাত পতাকা উত্তো-লন কৰিবৰ কাৰণে মহিলাসকলৰ নেতৃত্ব দিছিল। পুলিচে যেমন-

টিঙীয়া গুণ্ডা লগাই লাঠিৰে কোবাই সকলোবোৰ মানুহক আহত কৰে। কিছুদিন থকাৰ পিছত এখেতৰ মৃত্যু হয়।

চন্দ্ৰৰাম নাথ :

১৯৩১-৩২ চনৰ পৰা ভাৰতৰ স্বাধীনতা সংগ্ৰামত যোগ দি '৪২ ৰ ঢেকিয়াজুলি বিপ্লৱত পুলিচৰ হাতত বেয়াকৈ মাৰ খায়। জেল খাটে।

জংঠাৰ কছাৰী :

মাদুৰী বিল। ১৯৪২ চনত ঢেকিয়াজুলিত থানাৰ ওপৰত পতাকা উত্তোলন কৰিব আহোঁতে পুলিচে গ্ৰেপ্তাৰ কৰি ৪ মাহৰ কাৰণে জেলত দিয়ে। তেওঁ গাঁওবুঢ়া পদ ত্যাগ কৰিছিল। গান্ধীজীৰ গঠনমূলক কাম যেনে, খাদী গ্ৰামোদ্যোগৰ প্ৰচাৰ, কৃষি, গোসেৱা, মহিলা জাগৰণ আদি কামত আত্মনিয়োগ কৰিছিল।

জালুকী কছাৰণী :

১৯৪২ চনত বন্দুকৰ গুলী লাগি হাত এখন নষ্ট হয়। অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল। ১৯৬৪ চনত মৃত্যু হয়।

জীউৰাম কোছ :

মাদকদ্ৰব্য বৰ্জন আন্দোলনত যোগদান কৰাৰ উপৰিও '৪২ ৰ ঢেকিয়াজুলি গণ বিপ্লৱত অংশ গ্ৰহণ কৰি কেৰাৰ আছিল।

জেতুকী দেৱী :

১৯৪২ চনত ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ অহা মহিলাসকলক নেতৃত্ব দিছিল। পুলিচে মৈমনচিঙীয়া মানুহ লগাই মাৰধৰ কৰাত তেখেত আহত হয়। কিছুদিন থকাৰ পিছত জেতুকী দেৱীৰ মৃত্যু হয়।

ডালিমা দেৱী :

১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা ঢেকিয়াজুলিত পতাকা উত্তোলন কৰিবলৈ অহা মহিলা দলৰ নেত্ৰী আছিল। পুলিচে মৈমনচিঙীয়া মানুহ লগাই মাৰ-পিট কৰাত তেখেত আহত হয়। কিছুদিন থকাৰ পিছত তেওঁৰ মৃত্যু হয়।

তিলেশ্বৰী বৰুৱা :

১৯৩০ চনত বৰগাঁও মৌজাৰ নিজ বৰগাঁৱত জন্ম হয়। পিতৃ ভবকান্ত বৰুৱা। এওঁ সৰুৰে পৰাই ওচৰৰ ভলণ্টিয়াৰ শিক্ষা শিবিৰ বিলাকলৈ গৈ জাতীয় সঙ্গীত আৰু পেৰেড কৰা চাই আনন্দ পাইছিল। তেওঁলোকৰ ঘৰুৱা অৱস্থা মধ্যমীয়া আছিল। তেৰেঁই ঘৰৰ জ্যেষ্ঠ সন্তান বাবে সকলোৰে মৰমত ডাঙৰ দীঘল কৰিছিল। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰ তাৰিখৰ প্ৰায় ১২-৩০ মিনিট মান হোৱাৰ সময়ত প্ৰায় ৬/৭ হাজাৰ জনতা থানাৰ সন্মুখত হাজিৰ হ'ল, তিলেশ্বৰী বৰুৱায়ো (১২ বছৰীয়া ছোৱালী) সমদলত যোগ দি ঢেকিয়াজুলিলৈ গৈছিল। থানা ৰক্ষাকাৰী সশস্ত্ৰ পুলিচৰ লগত নিৰস্ত্ৰ জনতাৰ হতাহতি সংঘৰ্ষ আৰম্ভ হ'ল। দাৰোগাই পুলিচক গুলি কৰ বুলি জোৰ হুকুম দি চিঞৰিবলৈ ধৰিলে। মৃত্যু বাহিনীৰ মনবৰ নাথ আৰু চন্দ্ৰকান্ত নাথে পতাকা দাঙি ধৰিলে। পুলিচৰ হাতৰ ৰাইফল গৰ্জি উঠিল। মনবৰ নাথ, কুমলী দেৱী, মহীৰাম কোঁচ থানা ফিল্ডতে পুলিচৰ গুলিত জীৱন উচৰ্গা কৰিলে। থানাৰ বাহিৰতে বহুতো বজাৰ কৰিবলৈ যোৱা নিৰপৰাধ মানুহৰ গাত গুলি লাগি মূৰ, পিঠি, কঁকাল, হাত-ভৰি ভাগি আহত হ'ল। তিলেশ্বৰী বৰুৱাৰো ৰাস্তাৰ ওপৰত গুলি লাগিছিল। তেওঁক পৰি থকা অৱস্থাত পাই মোমায়েক নন্দিৰাম ভূঞাই পিঠিত তুলি লৈ আহোঁতে গুণ্ডা দলে আগুৰি ধৰি মাৰিয়াই মোমায়েকৰ পিঠিৰ পৰা বগৰাই দিলে। তাতেই তিলেশ্বৰীৰ প্ৰাণ পক্ষী ওলাই গ'ল। এনে নিষ্ঠুৰতা কল্পনাই কৰিব নোৱাৰি।

তুলাই দেৱী :

১৯৪২ চনৰ ২০ চেপ্তেম্বৰত ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ আহোঁতে মৈমনচিঙীয়া গুণ্ডাৰ হাতত মাৰ খাই আহত হয়। কিছুদিন থকাৰ পিছত তেখেতৰ মৃত্যু হয়।

দয়াল দাস পানীকা :

এওঁ নাহৰবাৰী মৌজাৰ কাঠনীবাৰী গাঁৱত বাস কৰা অৱসৰি বাগান বনুৱা শ্ৰেণীৰ মানুহ। মিজিকাবাৰী বাগানৰ পৰা ওলাই আহি

(ঢেকিয়াজুলিৰ শেষাংশ ৪৯৩ পৃষ্ঠাত চাওক)

শিবসাগর

অৰক্ষিত গণ নায়ক

হালোৱাটিং বস্তিৱালা বসুৱা গাঁৱৰ এজন মুখ্য লোক আছিল। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ স্বাধীনতা আন্দোলনত সহযোগ কৰি কানি মদ নিবাৰণৰ কাৰণে যত্ন কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনৰ গুপ্ত ভাবে থাকি কাম কৰা কৰ্মীসকলক আশ্ৰয় দি ৰাখিছিল। মৃত্যু সময়লৈকে কংগ্ৰেছ আৰু বিবিন্ন ৰাজহুৱা কামত আত্মনিয়োগ কৰিছিল। তেওঁৰ ১৯৮৫ চনত মৃত্যু হয়।

অশ্বিনী বৰুৱা

১৯২১ চনত শিৱসাগৰ নগৰত জন্ম হয়। পিতৃৰ নাম আছিল তুলসী কুমাৰ বৰুৱা।

১৯৪২ চনৰ আন্দোলনত গুপ্ত ভাবে অংশ গ্ৰহণ কৰাৰ বাবে তেওঁক স্পেছিয়েল পুলিচ নিযুক্ত কৰাত তেওঁ অমান্তি হোৱাত, গ্ৰেপ্তাৰ কৰি ৩ মাহ ফাটেক দিয়ে। বৰুৱাই বি, এ, পাছ কৰি এচ, ডি, ছি কামত ভৰ্তি হয়।

১৯৭৮ চনত মৃত্যু হয়।

অম্বেশ্বৰ ভূঞা

এওঁৰ ঘৰ আছিল শিৱসাগৰ দিছিয়াল গাঁৱত। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে।

১৯৩০।৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩৬ চনত ৺ বিমলাপ্ৰসাদ চলিহাই ন'-কটানীত স্থাপন কৰা খাদি কেন্দ্ৰৰ দায়িত্ব দিছিল। ১৯৪১ চনত সত্যাগ্ৰহত ভুক্ত হৈছিল; কিন্তু খাদি কৰ্মী হিচাবে তেখেতক সত্যাগ্ৰহ কৰিবলৈ অনুমতি দিয়া নাছিল।

১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পুলিচে গ্ৰেপ্তাৰ কৰিবলৈ বিচৰাত তেওঁ পলাতক কৰ্মী হিচাপে কাম কৰে। বিভিন্ন গঠন মূলক কামত জড়িত আছিল।

১৯৮৫ চনত মৃত্যু হয়।

অৱেশ্বৰ বৰুৱা

১৯১২ চনত বৰুতাত জন্ম গ্ৰহণ কৰে। পিতৃ সুখেশ্বৰ বৰুৱা। ১৯৩০ চনত স্কুল বৰ্জন কৰে। ১৯৩০।৩২ চনৰ আন্দোলনত যোগ দিছিল। প্ৰাথমিক কংগ্ৰেছ কমিটী গঠন, সভ্য ভৰ্ত্তি, ভলন্টিয়াৰ সংগ্ৰহ আদি কামত আত্মনিয়োগ কৰিছিল।

১৯৩৮ চনত কানি খোৱা গভৰ্মেণ্টে বন্ধ কৰা।কানিয়া প্ৰধান অঞ্চল বৰুতা গাঁৱৰ পৰা কানিয়া সকলক চিকিৎসা কেন্দ্ৰলৈ আনি চিকিৎসাৰ ব্যৱস্থা কামত আত্মনিয়োগ কৰিছিল। গাঁৱৰ গঠন মূলক খাদি কেন্দ্ৰ খোলা কাম কৰিছিল।

১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ জেল হয়। আজীৱন খাদি, ভূদান, অস্পৃশ্যতা নিবাৰণ, সৰ্বোদয় কামত আত্ম নিয়োগ কৰিছিল। ১৯৭০ চনত মৃত্যু হয়।

অযোধ্যা বৈৰাগী

পিতৃ-- ত্ৰাহীৰাম বৈৰাগী, গাড়িগাওঁ— কোৱৰপুৰ।

এখেতে ১৯০৮ চনত জন্ম গ্ৰহণ কৰে। ১৯২১ চনৰ পৰাই কংগ্ৰেছৰ ভলন্টিয়াৰ আৰু পাছত কংগ্ৰেছ আৰু কোৱৰপুৰ কৃষক সংগঠনৰ কামত জড়িত আছিল। ১৯৩০।৩২ আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। মৃত্যুৰ সময়লৈকে কংগ্ৰেছ আৰু বিভিন্ন ৰাজহুৱা কামত লাগি ফুৰিছিল। ১৯৮৭ চনত এখেতে শেষ নিশ্বাস ত্যাগ কৰে।

আদিৰাম বৰুৱা

মৰা বজাৰ মৌজা—জাজী বৰুৱা গাওঁ।

এখেতে ১৮৯১ চনত জন্ম গ্ৰহণ কৰে। এখেতৰ পিতৃৰ নাম গুণাই বৰুৱা আৰু মাতৃ চণ্ডী বৰুৱা। ১৯৩০ চনৰ পৰা কংগ্ৰেছত যোগ দিছিল। ১৯৪১ চনত এখেতে সত্যাগ্ৰহ কৰিছিল আৰু ৰাজহুৱা কামত তথা কংগ্ৰেছৰ প্ৰচাৰ কামত জড়িত আছিল। অসম চৰকাৰৰ পৰা মুক্তি যোদ্ধা হিচাপে পেঞ্চন পাইছিল। এখেতে ১৯৬৮ চনত স্বৰ্গগামী হয়।

অম্বিকাচৰণ বৰুৱা

১৮৯৮ চনত অম্বিকা চৰণ বৰুৱাৰ শিৱসাগৰ নগৰত জন্ম হয়। ১৯২১ চনৰ অসহযোগ আন্দোলনত গাঁৱে গাঁৱে কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য্য আৰু সংগঠনৰ কামত আত্ম নিয়োগ কৰিছিল। পুলিচে গ্ৰেপ্তাৰ কৰি তিনিমাহ জেল দিয়ে। জেলৰ পৰা মুক্তি লাভ কৰি স্বাভাৱিক জীৱন জাপনৰ কাৰণে স্বাধীন ব্যৱসায় আৰম্ভ কৰে । পিছত ১৯৩০, ৩২ আৰু ৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল যদিও সহায় সহানভূতি আগ বঢ়াইছিল । ১৯৬০ চনত তেওঁৰ মত্যু হয়।

আনন্দ বেজবৰুৱা

১৯২১ চনত কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। আন্দোলন বন্ধ হোৱাত পুনৰ পঢ়িবলৈ যায়। ওকালতি পাছ কৰি শিৱসাগৰত ওকালতি কৰে যদিও কংগ্ৰেছৰ সাংগঠনিক কাম, সভা-সমিতি পতা আৰু বিভিন্ন আন্দোলনত সহায় সহযোগ আগবঢ়াই আহিছিল। শিৱসাগৰ মিউনিচিপালিটিত কংগ্ৰেছৰ ফালৰ পৰা চেযাৰমেন হৈছিল আৰু ১৯৫২ চনত নাজিৰা সমষ্টিত কংগ্ৰেছ পাৰ্টিৰ হিচাবে বিধান সভালৈ নিৰ্বাচিত হয়। শিৱসাগৰৰ বহুতো ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮৩ চনত এখেতে ইহলীলা সম্বৰণ কৰে।

আশাধৰ ফুকন

টেঁঙাপুখুৰী ১৯২১ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। ১৯৩০-৩২ চনত আৰু ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেখেত এজন জাতীয়তাবাদী কৰ্মী আছিল। গাঁৱে গাঁৱে কংগ্ৰেছ সংগঠনত বাহিৰেও কানি বন্ধ কৰিবৰ কাৰণে সমাজক সংঘবদ্ধ কৰিছিল। টেঁঙা পুখুৰীৰ খোপাধৰ অঞ্চলত কংগ্ৰেছৰ এজন ধৰণী স্বৰূপ আছিল। বহু বছৰ ধৰি জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী সদস্য আছিল । ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত এজন সেৱাদলৰ কৰ্মী আছিল। ১৯৭৮ চনত এখেতে দেহত্যাগ কৰে।

ইন্দ্ৰ গগৈ

মাধৱগাওঁ ১৯৩০।৩২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল। কংগ্ৰেছৰ গঠন মূলক কামত আত্মনিয়োগ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনৰ এজন পলাতক সক্ৰিয় কৰ্মী আছিল। অঞ্চলৰ বিভিন্ন সংগঠন আৰু ৰাজহুৱা সভা-সমিতিত আগ ভাগ লোৱা ব্যক্তি আছিল। ১৯৭৫ চনত মৃত্যু হয়।

ইন্দ্ৰনাথ কাকতি

পলিয়াঘাট শিৱসাগৰ ১৮৯৯ চনত এখেতৰ জন্ম হয়। ১৯২০ চনত বি, এ পাছ কৰি বেজবৰুৱা হাইস্কুলত শিক্ষক কামত সোমায়। ১৯২১ চনত চাকৰি বৰ্জন কৰি অসহযোগ আন্দোলনত যোগদান কৰে। অসহযোগ আন্দোলন বন্ধ হোৱাত কলিকতালৈ গৈ নেতাজী বসুৱে সহায় কৰাত কলিকতাৰ আন জাতীয়তাবাদী কাকতত সোমাই লগতে আইন কলেজত পঢ়ি পুনৰ শিৱ-সাগৰলৈ ঘূৰি আহি ওকালতি আৰম্ভ কৰে।

১৯৩০।৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত ৫০ টকা পাইকাৰী জৰিমনা ভৰে। কংগ্ৰেছ আৰু বিভিন্ন ৰাজহুৱা কামত জড়িত আছিল। ১৯৮৫ চনত এখেতৰ মৃত্যু হয়। অসম চৰকাৰৰ পৰা মুক্তি যোদ্ধা হিচাপে ৫০০শ টকাৰ এক কালিন মালনী পাইছিল।

ইন্দিবৰ কোঁৱৰ

১৯৩০ চনৰ কানি নিবাৰণী আন্দোলন আৰু ১৯৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দিয়াত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কাম মৃত্যু ১৯৮০।

ইন্দিবৰ বৰুৱা

আমগুৰি বমুন গাওঁ ১৯৩১।৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত পলাতক হিচাপে সক্ৰিয় ভাৱে কৰিছিল।

১৯৬৮ চনত এখেতে ইহলীলা সম্বৰণ কৰে।

ইন্দ্ৰেশ্বৰ চুতীয়া

কহাৰ গাওঁ ১৮৯৮ চনত এখেতে জন্ম গ্ৰহণ কৰে। এখেতৰ পিতৃৰ নাম আছিল গীৰাম চুটীয়া। ১৯২১ চনত কটন কলেজৰ ৪ৰ্থ বাৰ্ষিকৰ পৰা কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। শিৱসাগৰৰ বিভিন্ন অঞ্চলত কংগ্ৰেছৰ সংগঠন আৰু মহাত্মা গান্ধীৰ বাণী প্ৰচাৰ কৰিছিল। পুলিচে গ্ৰেপ্তাৰ কৰি ১ মাহ জেলত ৰাখি পিচত এৰি দিয়ে। ১৯২৪ চনত ভুবন চন্দ্ৰ গগৈয়ে স্থাপন কৰা অসম পলিটেকনিকেল স্কুলৰ হেড-মাষ্টাৰ হয়। কংগ্ৰেছৰ বিভিন্ন আন্দোলনৰ সংগঠনৰ কামত আগ ভাগ লৈ আছিছিল। কালুগাওঁ বৰপাত্ৰ পুখুৰী পাৰত স্কুল স্থাপন কৰাৰ লগতে অন্যান্য ৰাজহুৱা কামতো আত্ম নিয়োগ কৰিছিল। ১৯৮২ চনত এখেতে ইহলীলা সম্বৰণ কৰে।

ইন্দ্ৰেশ্বৰ গগৈ

১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু এবছৰ জেল হয়।

১৯৩০।৩২ চনৰ আন্দোলনৰ সক্ৰীয় কৰ্মী আছিল। আজীৱন কংগ্ৰেছ আৰু গাওঁ উন্নয়নৰ কামত আত্ম নিয়োগ কৰিছিল।১৯৮২ চনত এখেতৰ মৃত্যু হয়।

ইন্দ্ৰেশ্বৰ শইকীয়া

জকাইচুক মৌজা— তামুলিছিগা— চাৰিঙীয়া। পিতৃ— গোপা শইকীয়া মাতৃ— বগী শইকীয়া

এখেতে ১৯০০ চনত জন্ম লাভ কৰে। ১৯২১ চনত কংগ্ৰেছৰ এজন সক্ৰিয় ভলন্টিয়াৰ আছিল আৰু সেই চনৰ পৰাই কংগ্ৰেছৰ সকলো সংগঠন আৰু আন্দোলনত অংশ গ্ৰহণ কৰি আহিছিল। কানি বৰ্জ্জন আন্দো-লনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত গণ বিপ্লৱত পলাতক কৰ্মী সকলক আশ্ৰয় দি সহায় কৰিছিল আৰু পাইকাৰী জৰিমনা ভৰিছিল। ১৯৫৫ চনত এখেত অমৰধামলৈ গতি কৰিলে।

ইন্দ্ৰেশ্বৰ নেওঁগ

টোপৰতল, কোঙৰপুৰ। ১৯১৬ চনত এখেতে জন্ম লাভ কৰে।

১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰি পিকেটিং কৰাত ৬ মাহ জেল হয়। জেলত ঘানি, চেকী আদি কামত অহৰহ লাগি থাকিব লগীয়া হোৱাত তেজ গ্ৰহণী হৈছিল।ভগ্ন স্বাস্থ্য লৈ মুক্তি লাভ কৰে। কিন্তু প্ৰায়ে শয্যাগত অৱস্থাত থাকি পুনৰ তেজ গ্ৰহণী হৈ ১৯৩৬ চনত তেওঁখেতৰ মৃত্যু হয়।

উমাধৰ ভৰালী

১৮৯৭ চনত এখেতে জন্ম লাভ কৰে শিৱসাগৰৰ বেতবাৰী মৌজাত। পিতৃ দামোদৰ ভৰালী। ছাত্ৰকালতে দেউতাকৰ মৃত্যু হোৱাত হাইস্কুলৰ ভৰালীয়ে শিক্ষা শেষ কৰি ঘৰুৱা কামত ব্যস্ত হ'বলগীয়া হয়।

ইংৰাজৰ বিৰুদ্ধে গঢ়ি উঠা জনজাগৰণৰ প্ৰতি আকৃষ্ট হয় আৰু ১৯৩৮ চনত এখেত জিলা কংগ্ৰেছৰ সক্ৰিয় কৰ্মী হয়।

ভুবন চন্দ্ৰ গগৈদেৱে প্ৰতিষ্ঠা কৰা শিৱসাগৰৰ পলিটেকনিক হাইস্কুলত তেওঁ অলপ দিনৰ বাবে শিক্ষকতা কৰিছিল।

১৯৪২ চনৰ স্বাধীনতা আন্দোলনতো সক্ৰিয ভূমিকা গ্ৰহণ কৰিছিল। ১৯৪২ চনত সাপে খাটি আৰু বৰহাটৰ মাজৰ ৰেল লাইনৰ ফিছপ্লেট উঠাই ৰেল গাড়ী পেলোৱাৰ এজন অন্যতম কৰ্মী আছিল। তাৰোপৰি শিৱসাগৰৰ বিভিন্ন ঠাইত সভা সমিতি পাতি তেখেতে দেশৰ হকে ৰাইজক আহ্বান জনাইছিল। ১৯৪২ চন আৰু ১৯৪৩ চনত দুবাৰ শিৱসাগৰ আৰু যোৰহাট জেলত জেল খাটিব লগা হৈছিল। শিৱসাগৰ জিলা কংগ্ৰেছ কমিটিৰ তেখেত যুটীয়া সম্পাদক আছিল। স্বাধীনতাৰ পাছতো শিৱসাগৰ জিলা কংগ্ৰেছ কমিটিৰ সম্পাদক পদলৈ মনোনিত হৈছিল। ইয়াৰ পাছত উপ সভাপতিৰ পদলৈও নিৰ্ব্বাচিত হৈছিল।

১৯৫০ চনত ভৰালীদেৱে শিৱসাগৰ জিলা কংগ্ৰেছৰ উপ-সভাপতি হিচাবে কাৰ্য্যভাৰ চলাই থাকোতে হঠাতে তেওঁ শ্ৰৱণ শক্তি হেৰুৱাব লগত পৰে। ফলস্বৰূপে তেখেতৰ ৰাজনীতি জীৱনৰ সমাপ্তি ঘটে।

ইংৰাজী ১৯৮০ চনৰ ২০ মাৰ্চত মেটেকাৰ নিজা ঘৰত ইহলীলা সম্বৰণ কৰে।

কনক চন্দ্ৰ বৰগোহাই

কনক চন্দ্ৰ বৰগোহাঁই শিৱসাগৰ জিলাৰ বকতা মৌজাব বাম গোহাঁই গাৱত ১৯০২ চনত জন্ম গ্ৰহণ কৰে। পিতৃৰ নাম মহিবাম বৰগোহাঁই। ১৯২১ চনত নাজিৰা হাইস্কুলৰ পৰা অসহযোগ আন্দোলনত স্কুল বৰ্জন কৰে।

১৯২১ চনত ভলন্টিয়াৰ হিচাপে বিদেশী বস্ত্ৰ বৰ্জন, কানি নিবাৰণী আন্দোলনত লাগিছিল। ১৯৩০ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল, ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

১৯২১ চনৰ আন্দোলনত ৯ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

১৯৬৫ চনত মৃত্যু বৰণ কৰে।

কনক চন্দ্ৰ চেতীয়া, মহমৰা গাওঁ

১৯২১ চনত অন্য ছাত্ৰৰ লগতে কনকচন্দ্ৰ চেতীয়াইয়ো কলেজ ত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। তেখেত এজন মেধাবী ছাত্ৰ আছিল। আঞ্চলিক পঞ্চায়ত স্থাপন কৰি বিচাৰৰ লগতে খাজনা বন্ধ আন্দোলন কৰাত চেতীয়াৰ ঘৰ দুৱাৰ হাতীৰে ভঙাই পেলাইছিল। ১৯২১ চনৰ ২১ ডিচেম্বৰত গ্ৰেপ্তাৰ কৰি এবছৰ জেল দিয়ে। তেওঁক ছিলেট জেললৈ স্থানান্তৰিত কৰিছিল। ১৯৩০।৩২ আৰু ৪২ চনৰ আন্দোলনত সহযোগ কৰিছিল।

জেলৰ পৰা মুক্ত হৈ আহি মাহমৰা মৌজাৰ ডিপ্লিংত এখন জাতীয়তাবাদী স্কুল আৰম্ভ কৰে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছলৈ এদল ভলন্টিয়াৰ সংগ্ৰহ কৰি লৈ গৈছিল। ১৯৩১।৩২ আৰু ৪২ চনৰ গণ আন্দোলনত যদিও সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল কিন্তু গুপ্তভাৱে আন্দোলনকাৰীক আশ্ৰয় আৰু দিহা পৰামৰ্শ দি সহায় কৰিছিল। মাহমৰা মৌজাৰ বিভিন্ন উন্নয়নমূলক কামত আগ ভাগ লৈছিল। কিছুদিন শয্যাগত থাকি ১৯৬৮ চনত মৃত্যু হয়।

কনকলতা কাকতী,

বলিয়া ঘাট, শিৱসাগৰ ১৮৯৭ চনত কনকলত কাকতীৰ জন্ম হয়। পিতৃ ৰঘুনাথ কাকতী। মাতৃৰ নাম সৰস্বীত কাকতি। ১৯২১ চনৰ পঞ্চাই আন্দোলন, মহিলা সভা, সুতা কটা সংঘ স্থাপন কৰা কামত আগ ভাগ লৈছিল।

১৯৩০।৩১ আৰু ১৯৩২ চনৰ আন্দোলনত স্থানীয় মহিলা সভাৰ সভা-নেত্ৰী আছিল। শিৱসাগৰ জিলাৰ প্ৰথম মহিলা ভলন্টিয়াৰ দল হিচাবে গৌৰী সাগৰত অন্য দুগৰাকী সহ কানি দোকানত পিকেটিং কৰে। তেওঁলোকক গৌৰী সাগৰৰ পৰা খোজ কঢ়াই ৯ মাইল বাট আমগুৰি খানালৈ নিয়ে। ৰাতি খানাত ৰাখি পাছদিনা শিৱসাগৰলৈ হাত কেৰেয়া লগাই নিয়ে, বিচাৰত ৬ মাহ জেল হয়। জেলত ধান বনা আদি কঠোৰ পৰিশ্ৰম আৰু তেজ গ্ৰহণীত স্বাস্থ্য ভঙ্গ হয়। জেলৰ পৰা ওলাই গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰাৰ বাবে ৫০ টকা পাইকাৰী জৰিমনা আদায় কৰে। কৰ্কট ৰোগত বহু দিন আক্ৰান্ত হৈ ১৯৬৮ চনত মৃত্যু হয়।

কনজান আলি

১৮৯৪ চনত শিৱসাগৰৰ কোৱাৰপুৰ মৌজাৰ বিৰিয়া গাৱত জন্ম হয়। ১৯২১ চনৰ পৰাই কংগ্ৰেছৰ সক্ৰিয় কৰ্মী। ১৯২১ চনৰ আন্দোলনত গুৱাহাটী জেলত ৫ মাহ ১৯৪২ চনত শিৱসাগৰ জেলত ১ মাহ আৰু যোৰহাট জেলত আটক বন্দী হিচাবে আছিল। কংগ্ৰেছৰ কামত ঘূৰি ফুৰোতে ঘৰুৱা অৱস্থা বৰ বেয়া হৈ পৰে। কেবাবছৰো খাজানা নিদিয়াত মাটি নীলামত যায়। দেশ স্বাধীন হোৱাত ৰাজহী বিভাগত চৰকাৰে মাটি দিয়াত তালৈ উঠি যায়। ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ আৰু পেঞ্চন পাইছিল। মৃত্যু হয় ২২।১১।৭৯ চনত, ৰাঙলি টৰাণী পথাৰ গাঁৱত।

কঠিৰাম শইকীয়া

১৯০১ চনত বৰবামত জন্ম হয়। ১৯২১ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। কানি বন্ধ কামত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ কাৰণে ৩ মাহ জেল হয়।

১৯২৬ চনত পাণ্ডু কংগ্ৰেছতো ভলন্টিয়াৰ হৈছিল। ১৯৩০।৩২ চনৰ আন্দোলন, ১৯৩৪ চনৰ হৰিজনৰ আন্দোলন, ১৯৩৮ চনৰ কানি বন্ধ আৰু ১৯৪২ চনৰ গণ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। ১৯৭৩ চনত মৃত্যু হয়।

কষ্ঠিৰাম খঙ্গীয়া

পিতৃৰ নাম ঠানুৰাম খঙ্গীয়া আৰু মাতৃৰ নাম কুন্তী খঙ্গীয়া। মৌজা, জকাইচুক, ঘৰহাঁহী গাঁৱত। এওঁৰ জন্ম ১৮৯৮ চনত। ১৯২১ চনৰ পৰাই এজন কংগ্ৰেছী ভলন্টিয়াৰ আছিল। ১৯৩০ চনত শিক্ষকতা ত্যাগ কৰি কংগ্ৰেছৰ সংগঠন আৰু বিভিন্ন ৰাজহুৱা কামত আগভাগ লৈছিল। পুলিচৰ বিভিন্ন ধৰণৰ নিৰ্য্যাতন ভোগ কৰিবলগীয়া হৈছিল। ১৯৪২ চনত এজন পলাতক কৰ্মী হিচাপে কাম কৰিছিল। জাতীৰ ডাক বওলা পোৰা সংক্ৰান্তত তেওঁৰ পৰিয়ালে পাইকাৰী জৰিমনা ভৰিব লগা হৈছিল। কংগ্ৰেছৰ গঠন মূলক কাম আৰু ৰাজহুৱা কামত আগভাগ লৈছিল। ১৯৭৮ চনত মৃত্যু হয়।

কনক চন্দ্ৰ শইকীয়া

ন'কটানি গাঁৱত ১৯১৪ চনত জন্ম হয়। পিতৃৰ নাম বঙ্গাই শইকীয়া।

৩।১০।৪২ তাৰিখে পিকেটিং কৰাৰ কাৰণে গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ জেল হয়।

পুনৰ ১১।৮।৪৩ তাৰিখে গ্ৰেপ্তাৰ কৰি তিনি মাহ জেল হয়। ১৯৮০ চনত মৃত্যু হয়।

কালিৰাম গগৈ

কালিৰাম গগৈৰ ঘৰ সুন্দৰ পুখুৰীত। পিতৃৰ নাম মধন গগৈ। ১৯৩০। ৩২ চনত ছমাহ জেল হয়। ১৯৪২ চনত পলাতক কৰ্মী হিচাবে কাম কৰিছিল। ১৯৮৬ চনত মৃত্যু হয়।

কনকেশ্বৰ গগৈ

কণকেশ্বৰ গগৈ ঘৰ জকাইচুক মৌজাৰ টিপমীয়া গাওঁত। জন্ম ১৯০০ চনত। পিতৃৰ নাম দন্দি গগৈ আৰু মাতৃৰ নাম আইটি গগৈ। ১৮৩৮ চনত কংগ্ৰেছত যোগ দিছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল, আৰু তিনিদিন জেলত আছিল। ১৯৪২ চনত তেওঁ এজন পলাতক সক্ৰিয় কৰ্মী হিচাবে আছিল। ১৯৮২ চনত এওঁৰ মৃত্যু হয়।

কেশবানন্দ চলিহা

কেশবানন্দ চলিহা ১৯১১ চনত শিৱসাগৰত জন্ম হয়। পিতৃৰ নাম দেৱনান্দ চলিহা। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে আৰু তিনিমাহ জেল হয়।

১৯৪২ চনৰ গণ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। পুলিচে শিৱসাগৰ নগৰত হোৱা ধ্বংস কাৰ্য্যত লিপ্ত থকা বুলি সন্দেহ কৰি ২৩।৫।৪৩ তাৰিখে গ্ৰেপ্তাৰ কৰি এমাহ জেলত ৰাখি প্ৰমাণৰ অভাৱত খালাচ দিয়ে। মুক্তি লাভ কৰি গুপ্তভাবে আন্দোলনৰ কাম কৰিছিল। এজন আজীৱন কংগ্ৰেছ কৰ্মী আছিল। ১৯৭৪ চনত মৃত্যু হয়।

কণ্ঠীৰাম মহন

ঘৰ খালৈঘোগৰা মৌজাৰ বৰ চহকী গাওঁৰ। ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। প্ৰায় বিলাক পলাতকক তেখেতৰ ঘৰত ৰাখিছিল। কানি, ভাং, মদ খোৱা মানুহক বুজনি দি বৰ্জন কৰাইছিল।

নিজে টাকুৰীত সূতা কাটিছিল। সেই সূতাৰেই কাপোৰ তৈয়াৰ কৰাই পিন্ধিছিল। প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল। ১৯৪২।৪৩ চনত সেই অঞ্চলৰ যথেষ্ট অফিচ জুই দিয়া আদি বিভিন্ন ধ্বংসাত্মক ঘটনাৰ এজন অন্যতম কৰ্মী আছিল। ১৯৮০ চনত মৃত্যু হয়।

কণ্ঠীৰাম দত্ত

পিতৃৰ নাম জগৰা দত্ত। গাওঁ মেৰামৰা সন্দিকৈ। ১৯২১ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। এজন কংগ্ৰেছৰ কৰ্মী হিচাবে গাওঁ সংগঠন আৰু কংগ্ৰেছ সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৩০।৩২ আৰু আৰু ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ সংগঠন আৰু গঠন মূলক কামৰ বাহিৰেও স্থানীয় বিভিন্ন উন্নয়ন মূলক কামত আগ ভাগ লৈছিল। ১৯৮৬ চনত মৃত্যু হয়।

কমল মহন

গাওঁ-বৰচহকী ১৯২১ চনত শিক্ষানুষ্ঠান বৰ্জন কৰি অসহযোগ আন্দোলনত যোগদান কৰে। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ গণ বিপ্লৱত তেওঁ অংশ গ্ৰহণ কৰিছিল। কানি, ভাং, মদৰ দোকানত পিকেটিং কৰিছিল। এখেত প্ৰাথমিক কংগ্ৰেছৰ সভাপতি আছিল।

মহনৰ ঘৰখন আছিল কংগ্ৰেছ কৰ্মী সকলৰ আশ্ৰয় স্থল। আহোম সভাৰ কেন্দ্ৰস্থল খালৈঘোগৰা গাহৰঘৰা, মৌজাৰ ভিতৰত শিৱসাগৰৰ প্ৰায় বিলাক আন্দোলনত যোগদান কৰা নেতা কৰ্মী সকলে মহনৰ ঘৰত কেন্দ্ৰ কৰি সেই অঞ্চলৰ কাম কৰিছিল। সকলো আন্দোলনকাৰীৰেই আছিল এখন নিৰাপদ ঘৰ। মহন দেৱে বহুতো ৰাজহুৱা উন্নয়ন মূলক কাম কৰাৰ উপৰিও মাইনৰ স্কুল আদি পতা উন্নয়নমূলক কামৰ সেই অঞ্চলৰ এজন গুৰিয়াল লোক আছিল। ১৯৬৯ চনত মৃত্যু হয়।

কমলা কাকতি

পিতৃৰ নাম কালি প্ৰসাদ চলিহা। মেলাচকৰ বাসিন্দা। ১৯৩০ চনত ছয়মাহ জেল হয়। সমাজ সেৱা কামত আত্মনিয়োগ কৰিছিল। জেউতি নামে এখন মহিলা মাহেকীয়া আলোচনী প্ৰকাশ কৰিছিল।

কংগ্ৰেছ মহিলা সমিতিৰ গুৰি ধৰোতা আৰু প্ৰতিষ্ঠাতা আছিল। ১৯৩৮ চনত মৃত্যু হয়।

করুণা কান্ত গগৈ

গগৈৰ জন্ম ১৯১০ চনত। ১৮-৩-৪৩ তাংঅত ২৪০নং ধাৰাৰ ১৫ জাঃ হুকুমত, ১৯-২-৪৪ তাংত ২৬ (১) (বি) ধাৰাগত আৰু ভাৰতীয় পেনেল কোদৰ ৪৩৬ উপধাৰাত আটক কৰে। ২০-২-৪৪ তাংত ভাৰত প্ৰতিৰক্ষা আইনৰ ৫ উপধাৰা মতে আটক কৰি ২৭-৫-৪৪ তাংত যোৰহাট জেললৈ পঠায়। ২০৮ নং হুকুম মতে ২২-১-৪৫ তাংৰ জাননী মতে অন্তৰীণ বন্দী কৰি মুক্তি দিয়ে। গ্ৰেপ্তাৰ হোৱাৰ আগ মুহূৰ্তত উজনী অসমৰ মৃত্যু বাহিনীৰ অধিনায়ক হিচাবে আন্দোলন পৰিচালনা কৰি আত্ম গোপন কৰি আছিল। লাকুৱা চক্ৰাইৰ মাজৰ ৰেল লাইন চ্যুত কৰি

মিলিটেৰীগাড়ী বগবোৰা ঘটনাৰ এজন প্ৰধান নায়ক আছিল। ছেলপদৰ মৌজাৰ টিকুত আন্নাৰ স্কুল নাম দি এটা হাইস্কুল প্ৰতিষ্ঠা কৰে। ১৯৬৭ চনত বিধানসভা হয়।

১৯৮৭ চনত মৃত্যু হয়।

কালিৰাম গগৈ

তেখেতৰ ঘৰ সুন্দৰ পুখুৰীত। পিতৃৰ নাম মধন গগৈ। ১৯৩০।৩২ চনত ৬ মাহ জেল হয়। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল জেল হোৱা নাছিল। কানি বন্ধ কৰা আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। স্থানীয় বিভিন্ন উন্নয়ন আৰু গঠনমূলক কামত আত্ম নিয়োগ কৰিছিল। ১৯৪২ চনৰ গণ-আন্দোলনত এজন সক্ৰিয় পলাতক কৰ্মী আছিল। ১৯৮৬ চনত মৃত্যু হয়।

কাশী নাথ কাকতি

শিৱসাগৰ জিলাৰ মৰা বজাৰ মৌজাৰ চাৰিং গুণা কটিয়া গাওঁত এখেতৰ জন্ম হয়। পিতৃ ভোগচন্দ্ৰ কাকতি আৰু মাতৃ ধৰ্মেশ্বৰী কাকতি। শিৱসাগৰৰ চৰকাৰী হাইস্কুলত পঢ়িছিল কিন্তু ঘৰুৱা সমস্যাৰ বাবে সিমানতে শিক্ষাৰ সমাপ্তি ঘটে। চাহ বাগিচাত চাকৰী জীৱন আৰম্ভ কৰে। ১৯৩০ চনত আনৰ গোলামী নকৰো বুলি একেবাৰে ইস্তফা দি ওলাই আহি আইন অমান্য আন্দোলনত যোগ দিয়ে আৰু কংগ্ৰেছৰ সংগঠনৰ কামত আত্ম নিয়োগ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত যোৰহাট জেলত ২০-১-৪৩ তাৰিখৰ পৰা ২২-৯-৪৩ তাৰিখলৈ আটক বন্দী হিচাবে ৰাখে। ফাটেকত থাকোতেই আমগুৰি ৰেলৰ লাইন উঠোৱাৰ অভিযোগত তেওঁৰ ঘৰৰ পৰা পাইকাৰী জৰিমনা নিদিয়াৰ বাবে ঘৰ ক্ৰোক কৰি সোন ৰূপ ভালে কেইপদ বস্তু লৈ যায়।

তেওঁ জেলত থাকোতেই পৰিবাৰে চাৰিজনী ছোৱালী আৰু দুটি নাবালক লৰাৰে সৈতে অশেষ কষ্টৰ মাজেদি জীৱন অতিবাহিত কৰিছিল। মথুৰা চাহ বাগিছা চৰকাৰে অধিগ্ৰহণ কৰাৰ পাছত সমবায় সমিতি গঠন মাটিত গঠন কৰি নিজে সম্পাদকৰ দায়িত্ব লৈ গাওঁ অঞ্চলৰ ভালেমান দুখীয়া লোকক মাটি পোৱাৰ ব্যৱস্থা কৰি দিছিল। ১৯৭৯ চনৰ ২১ অক্টোবৰত স্বৰ্গী হয়।

কাশী নাথ ডেকা

ডিব্ৰুগড়-মৰাণ ১৯১৪ চনত কামৰূপ জিলা টিহৰ নামমালাগাৱত জন্ম হয়। পিতৃৰ নাম মহাৰথ ডেকা। শিৱসাগৰৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগ দিয়ে। কেদাৰ গোস্বামীৰ লগত তেওঁ বনুৱা সংগঠন কামত আত্ম নিয়োগ কৰে আৰু বিখ্যাত এ, আৰ টি, কোম্পানীৰ জাহাজ, বনুৱা সকলে কেদাৰ নাথ গোস্বামীৰ নেতৃত্বত ধৰ্মঘট কৰিছিল। তেওঁ এজন প্ৰধান সহকাৰী কৰ্মী আছিল গোস্বামীদেৱৰ। ডিগবৈৰ তেল কোম্পানীৰ ১৯৩৮-৩৯ চনৰ শ্ৰমিক ধৰ্মঘটৰ এজন সক্ৰিয় কৰ্মী আছিল। তেওঁ ৰেডিকেল পাৰ্টিৰ সংগঠক আছিল। ১৯৪২ চনৰ চেপ্টেম্বৰ মাহত গ্ৰেপ্তাৰ হয়। তিনিমাহ জেল হয়। জেলৰ গেটৰ মুখতে আকৌ আটক কৰি নজৰ বন্দী হিচাবে আৱদ্ধ ৰাখে। ১৯৪৪ চনত মুক্তি দিয়ে। ১৯৮৫ চনৰ মাৰ্চ মাহত মৃত্যু হয়।

কাশীৰাম শইকীয়া

জকাইচুক মৌজা, পেকমনীয়া গাওঁ। ১৮৩৪ চনত কাশীৰাম শইকীয়া জন্ম গ্ৰহণ কৰে। এখেতৰ পিতৃ সুন্দৰ শইকীয়া। আৰু মাতৃ ৰাধিকা শইকীয়া ১৯২১ চনত কংগ্ৰেছৰ এজন প্ৰধান নেতা কংগ্ৰেছৰ সংগঠন আৰু ৰাজহুৱা কাম কাজত সক্ৰিয় আছিল। ভাবে আগভাগ লৈছিল। জাজী টিয়ক অঞ্চলত যি খাজনা বন্ধ কৰা আঁচনি লোৱা হৈছিল—তাৰ এজন অন্যতম সংগঠক কৰ্মী আছিল। ১৯৩২ চনত তেওঁ কানি আইন অমান্য আন্দোলনত এমাহ কাৰাবৰণ খাটিছিল। মুক্তি যোদ্ধা হিচাবে কোনো সাহায্য পোৱা নাছিল। ১৯৪০ চনত এখেতৰ মৃত্যু হয়।

কিনাৰাম বৰা

১৯০০ চনত এখেতে জন্ম লাভ কৰে। ১৯৩০ চনৰ পৰা স্বাধীনতা আন্দোলনত লাগে। এখেতৰ ৬ মাহ জেল হয়। ১৯৪৯ চনত সত্যাগ্ৰহ কৰিছিল কিন্তু গ্ৰেপ্তাৰ কৰা নাছিল। ১৯৪২ চনৰ আন্দোলনত যোৰহাট জেলত আটক বন্দী হৈ ৭-৬-৪৪ৰ পৰা এবছৰো অধিক কাল আছিল।

জেলৰ পৰা মুক্ত হৈ পুনৰ কংগ্ৰেছৰ বিভিন্ন সংগঠন কামত আত্ম নিয়োগ কৰে আহাতে পৰিয়ালৰ ভৰণ পোষণৰ কাৰণে খেতি আদিতো খাটিব লগীয়া হৈছিল। পঞ্চায়ত গাওঁৰক্ষী বাহিনী সমবায় ইত্যাদি বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮১ চনত এখেতৰ মৃত্যু হয়।

কিমটাই শইকীয়া

১৯৩১।৩২ আৰু ১৯৪২ চনৰ আন্দোলনত কৰিছিল। স্বেচ্ছাসেৱক সংগঠন আদি বিভিন্ন কংগ্ৰেছ অনুষ্ঠানত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৮৪ চনত এখেতৰ মৃত্যু হয়।

কীৰ্ত্তীনাথ কটকী

চাৰিঙত কিৰ্ত্তীনাথ কটকীয়ে ১৯০৯ চনৰ আঘোন মাহৰ ১৩ তাৰিখে জন্ম লাভ কৰে। এখেতৰ পিতৃ ভোলানাথ কটকী আৰু মাতৃ ভৱানী কটকী। কটকীযে জাজী হাইস্কুলত অষ্টম মান শ্ৰেণীলৈকে পঢ়ি ১৯২১ চনত স্কুল ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। আন্দোলন বন্ধ হোৱাত বাই চাইকেলৰ মেৰামতি দোকান খুল সামাজিক আৰু সাংস্কৃতিক সকলো দিশতে ভাগ লৈ স্থানীয় সকলো কামতে নিজক জড়িত কৰিছিল। তেওঁ এজন অভিনেতাও ভাল আছিল। কটকীয়ে দূৰ দূৰণীলৈও অভিনয়ৰ কাৰণে নিমন্ত্ৰণ পাইছিল আৰু খ্যাতি লাভ কৰিবলৈ সমৰ্থ হৈছিল। এসময়ত তেওঁ চাৰিং কংগ্ৰেছৰ সম্পাদকৰ কাৰ্য্য নিৰ্বাহ কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেওঁ এজন আত্মগোপনকাৰী কৰ্মী আছিল। ১৯৭৫ চনত তেওঁ স্বৰ্গগামী হয়।

কৃষ্ণ শৰ্মা

পিতা— ৰুদ্ৰৰাম শৰ্মা আমগুৰি ব্ৰাহ্মন গাওঁ।

১৯২১ চনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আমগুৰি অঞ্চলৰ আন্দোলন পৰিচালনাৰ সম্পাদক আছিল। গ্ৰেপ্তাৰ কৰি পাছত এৰি দিয়ে।

১৯২১ চনৰ পৰাই কংগ্ৰেছৰ সংগঠন, কংগ্ৰেছ প্ৰাৰ্থী নিৰ্বাচনত সক্ৰিয় অংশ গ্ৰহণ আৰু অঞ্চলৰ বিভিন্ন উন্নয়ন, ৰাজহুৱা কামত অংশ গ্ৰহণ কৰিছিল। তেওঁ আজীৱন এজন কংগ্ৰেছ কৰ্মী আছিল। ১৯৪১ চনত মৃত্যু হয়।

কীৰ্তিনাথ মহন্ত

পিতা-কমলেশ্বৰ মহন্ত। ১৯২১, ১৯৩০, ১৯৩২ আৰু ১৯৪২ চনতে সক্ৰিয় কৰ্মী আছিল। তেখেতে ডেকা চামক সততে সাহস দি প্ৰেৰণা যোগাইছিল। ১৯৪২ চনৰ ২৭ চেপ্তেম্বৰৰ দিনা পুলিচে গ্ৰেপ্তাৰ কৰে। ১ মাহ হাজোতত ৰাখি পিছত মুক্তি দিয়ে। মুক্তি হৈ তেওঁ গোটেই জীৱন কংগ্ৰেছৰ কামত আত্ম নিয়োগ কৰে। তেখেতৰ ১৯৮০ চনত মৃত্যু হয়।

কুন্দাই সাউদ

বলিয়াঘাট সাউদকুচি, ১৯২১ চনৰ অসহযোগ আন্দোলনত ভলাণ্টিয়াৰ দলত যোগ দিয়ে। তেওঁৰ দৃঢ় বিশ্বাস আছিল যে, গান্ধীজী ভগৱানৰ অৱতাৰ স্লেচক খেদি, ভাৰতত সত্য যুগ প্ৰবৰ্তনৰ কাৰণে অৱতাৰ হৈছে। এই হিচাবে বিভিন্ন গাৱত ৰাইজৰ মাজত প্ৰচাৰ কৰিছিল। কংগ্ৰেছৰ সভা সমিতিৰ কাৰণে ৰাইজক নিমন্ত্ৰণ জনোৱা আৰু কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য্য অতি নিষ্ঠাসহ কৰিছিল। কিন্তু ১৯৩২ চনত শিৱসাগৰত ১৪৪ ধাৰা ভংগ কৰিবলৈ অন্য সকলৰ লগত গৈছিল।

১৯৪২ চনৰ আন্দোলনত বিভিন্ন গুপ্ত কেন্দ্ৰৰ যোগাযোগ ৰক্ষা তেওঁৰ প্ৰধান কৰ্ম আছিল। কংগ্ৰেছৰ কামত ঘূৰি ফুৰোতে ঘৰুৱা অৱস্থা বেয়া হৈ পৰে। দুখ কষ্টৰ মাজত ১৯৫৮ চনত মৃত্যু হয়।

কুমুদ গগৈ

নামতি দল। ১৯৪২ চনত কলেজবৰ্জন কৰি স্বাধীনতা যুজত অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাত আত্মগোপন কৰি আছিল। ১৯৮৮ মৃত্যু হয়।

কুলধৰ গগৈ

ছুটিয়াকাৰি— শিৱসাগৰ, সোণাৰী— শিৱসাগৰ, পিতা— মালো গগৈ

১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা সংগ্ৰামত সক্ৰিয়অংশ গ্ৰহণ কৰি মদ, ভাং, কানি বৰ্জন কৰিবলৈ গাঁৱৰ মাজত সোমাই উপদেশ দিওঁতে অনেক কষ্ট ভুগিব লগা হৈছিল।

গাভিফাটি, বৰুৱাছালি সমিতি, কংগ্ৰেছ কমিটি বিলাক গঠন কৰাত আগ ভাগ লৈছিল। ১৯৪২ চনৰ ২৩ ডিচেম্বৰত গ্ৰেপ্তাৰ কৰে ৷

সাক্ষীৰ অভাৱত ২৩ জানুৱাৰীত মুক্তি দিয়ে। ৰৰহাট, অঞ্চলত টাকুৰী সূতা কাটিবলৈ কৰ্মী সকলক আহ্বান জনাই গাঁৱৰ ৰাইজৰ মাজত প্ৰচাৰ কৰি কঁপাহ খেতি কৰাইছিল। সভা সমিতি পাতি বিদেশী কাপোৰ বৰ্জন কৰিবলৈ উদগনি দিছিল। পুনৰ ২৩ জানুৱাৰীত আটক বন্দী কৰে। ১২।৬।৪৩ তাৰিখত মুক্তি লাভ কৰি পুনৰ পলাতক কৰ্মী হিচাবে কাম কৰি আছিল ১৯৪৬ চন পৰ্য্যন্ত। ১৯৮০চনত মৃত্যু হয়।

কুশৰাম দত্ত, ওৰফে ধনাই মুক্তিয়াৰ

পিতা—ধৰ্মেশ্বৰ দত্ত, হাতীধুলি জকাইচুক।

১৯২১ চনত কংগ্ৰেছ ভলন্টিয়াৰ দলত ভুক্ত হয়। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছলৈ এজন ভলন্টিয়াৰ নায়ক হৈ যোগদান কৰে। ১৯৩২ চনত শিৱসাগৰৰ ১৪৪ ধাৰা ভংগ কৰাৰ কাৰণে ৬ মাহ কাৰাদণ্ড হয়। লোকেল ব'ৰ্ডৰ কংগ্ৰেছ সদ হয় সদস্য। ৪১ চনত সত্যাগ্ৰহ কৰিছিল, কিন্তু জেল হোৱা নাছিল। ২৮।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ কৰি ২ বছৰ সশ্ৰম কাৰাদণ্ড হয়। ১৯৫০ চনৰ পৰা ১৯৫২ চনলৈকে হাতীধুলি প্ৰাথমিক কংগ্ৰেছ সভাপতি জিলা কংগ্ৰেছৰ এজন প্ৰধান সংগঠক আছিল।

জকাইচুক মৌজাৰ এজন মুখ্য লোক আছিল আৰু বিভিন্ন উন্নয়নমূলক কামত আত্ম নিযোগ কৰিছিল। বিভিন্ন সময়ত শিৱসাগৰ মৌজাত হোৱা বানপানীত চাউল আদি সংগ্ৰহ কৰি নিজে গাওঁ লৈ দুৰ্দশাগ্ৰস্ত ৰাইজৰ মাজত খাদ্য বিতৰণ কৰিছিল। ১৯৪৭ চনত মৃত্যু হয়।

কেদাৰ বৰকটকী,

জকাইচুক মৌজা, ডিকুৱাল চাউদাং গাওঁ—জাঁজ।

১৯০০ চনত এখেতে জন্ম লাভ কৰে এওঁ কংগ্ৰেছৰ এজন সক্ৰিয় সক্ৰিয় সংগঠক আৰু ৰাজহুৱা কামত আগ ভাগ লৈছিল। অসম চৰকাৰৰ মুক্তি যোদ্ধা হিচটাবে পেঞ্চন পাইছিল। ১৯৭৯ চনত এখেতৰ মৃত্যু হয়।

কৃষ্ণকান্ত নেওঁগ,

পুষণী মেলিয়া।

১ আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰি-

কোঙা আছিল। এখন চাপৰ কাঠৰ গাড়ীত এজন

লাগে। এজন গান্ধীজীৰ গঠনমূলক কামত আত্ম নিয়োগ

কৰিছিল। স্থানীয় জিলা কংগ্ৰেছৰ বা অন্যান্য ৰাজহুৱা সভ সমিতি প্ৰায় উপস্থিত আছিল। যদিয়ো জেললৈ যোৱা নাছিল! কিন্তু আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ কাৰণে পুলিছৰ দ্বাৰা নিৰ্য্যাতিত হৈছিল

কৃষ্ণ নাথ শৰ্মা,

জকাইচুক মৌজা মৰাণ গাওঁ।

১৮৯১ চনত এখেতে জন্ম লাভ কৰে। পিতৃ দীননাথ শৰ্মা আৰু অংশ গ্ৰহণ কৰিছিল তিনি মাহ কটাবাদণ্ড হয়। কংগ্ৰেছৰ সংগঠন আৰু বিভিন্ন ৰাজহুৱা কামত সক্ৰিভাৱে অংশ গ্ৰহণ কৰিছিল

১৯৪২ চনৰ গণ আন্দোলনত ১৬ মাহ কাৰাগাৰ হয়। তেওঁ জাঁজী অঞ্চলৰ ৰাজহুৱা উন্নয়ন মূলক সকলো কামতে যোগ দিছিল আৰু কংগ্ৰেছৰ সংগঠনত জড়িত আছিল। অসম চৰকাৰ পৰা মুক্তি যোদ্ধা হিচাবে। পেঞ্চন পাইছিল। ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

খগেশ্বৰ দত্ত, জৰাবাৰী—শিৱসাগৰ।

অঞ্চলৰ জৰাবাৰীত ঘৰ। ১৯৪২ চনৰ আন্দোলনত এজন পলাতক সক্ৰিয় কৰ্মী। পাইকাৰী জৰিমনা আদায়ৰ কাৰণে সা-সম্পত্তি পুলিচে ক্ৰোক কৰি আনি নিলাম আদায় কৰে। তেখেত এজন নিষ্ঠাবান সংগঠক আছিল। দেশ স্বাধীনতাৰ পাছত পঞ্চায়ত সমবায় আদি বিভিন্ন কামত অংশ গ্ৰহণ কৰিছিল। ১৯৮৩ চনত এখেতৰ মৃত্যু হয়।

খৰ্গেশ্বৰ বৰা, দোলদৰ।

১৯৩০ চনত স্কুল বৰ্জন কৰে। ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনত ৬ মাহ কাৰাবৰণ হৈছিল। ১৯৪২ চনৰ গণ আন্দোলনৰ এজন পলাতক কৰ্মী হিচাবে কাম কৰিছিল তেখেতে সেই অঞ্চলৰ এজন নিষ্ঠাবান কংগ্ৰেছ কৰ্মী আছিল। বহুতো ৰাজহুৱা উন্নয়ন মূলক কামত লাগি থাকি ১৯৮২ চনত মৃত্যু হয়।

ভদ্ৰ ফুকন, খাটৈ যোগোৱা, মৌজা—লাইচচ গাওঁ।

এখেতে ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা সংগ্ৰামত একেৰাহে লাগি আছিল।

মাদক দ্ৰব্য নিবাৰণত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

১৯৪২ চনৰ ১৬ চেপ্তেম্বৰ তাৰিখত সোনাৰী থানাত জাতীয় পতাক

উত্তোলনৰ সমদলত যাওতে পুলিচৰ গাৰ কিল খায়। ১৯৪৫ চনলৈ গুপ্ত আন্দোলনকাৰীৰ লগত লগ লাগি বিভিন্ন অঞ্চলত হোৱা ধ্বংসাত্মক কাৰ্য্য সংঘটিত কৰিছিল। ১৯৮২ চনত এখেতৰ মৃত্যু হয়।

থিৰোদ গগৈ, বেতবাৰী।

১৯২১ চনৰ পৰা কংগ্ৰেছৰ কামত লাগে। ১৯৩০ চনত পিকেটিং কৰাৰ কাৰণে গ্ৰেপ্তাৰ আৰু তিনিমাহ জেল হয়। এজন কংগ্ৰেছৰ গঠনমূলক কৰ্মী আছিল। ১৯৪৭ চনত মৃত্যু হয়।

খগেন্দ্ৰ নাথ বৰবৰুৱা,

পিতৃ—মুহিধৰ বৰুৱা, ৰবহিবাৰী— নমতি।

৩৮ (১) (এ) (৫) ধাৰাত অপৰাধী সাব্যস্ত কৰি ১৫-১০-৪২ তাৰিখে গ্ৰেপ্তাৰ কৰে। ১৫-১২-৪২ তাৰিখৰ পৰা ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। ২৫-১২-৪২ তাৰিখে নগাওঁ কাৰাগাৰলৈ পঠিয়াই। ১৭-৪-৪৩ তাৰিখে মুক্তি হয়।

এখেত শিৱসাগৰ আৰ, চি, পি আইৰ দলৰ প্ৰধান নেতা আৰু ১৯৪৯।৫০ চনত আৰ, চি, আইৰ দ্বাৰা যি হিংসাত্মক ঘটনা সংঘটিত হৈছিল, তাৰ প্ৰধান নেতা আছিল। নিজে আত্মসমৰ্পণ কৰে বিচাৰত প্ৰমাণৰ অভাৱত মুক্তি লাভ কৰে। দুবাৰ অসম বিধান সভাৰ সদস্য হৈছিল। ১৯৮১ চনত মৃত্যু হয়।

খগেন্দ্ৰ নাথ বৰুৱা

মাহমৰা মৌজা—মৰাণ জান গাওঁ।

বৰুৱা ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কানি বৰ্জনৰ কামত লিপ্ত আছিল। টাকুৰীত সূতা কটা প্ৰত্যেক ঘৰে এক অপৰিহাৰ্য্য কৰ্তব্য হিচাবে পালন কৰিছিল। কাকতিবাৰী কেম্পত কানি নিবাৰণীত সহযোগ কৰিছিল। মাহমৰা মৌজাতে প্ৰাইমেৰী কংগ্ৰেছ কমিটী বিলাক পতাত আগ ভাগ লৈছিল। কাকতিবাৰী অঞ্চলত সেৱাদল সংগঠন কৰিছিল।

১৯৪২ চনৰ গণ আন্দোলনৰ সক্ৰিয় অন্যতম এজন কৰ্মী আছিল সোণাৰী থানা অঞ্চলৰ। ১৯৭৭ চনত মৃত্যু হয়।

গকুল বৰুৱা,

পিতৃ—বৰুৱা কমলচন্দ্ৰ । গকুল বৰুৱা শিৱসাগৰত ১৯০৩ চনত জন্ম গ্ৰহণ কৰে। পিতৃৰ নাম কমল চন্দ্ৰ বৰুৱা । ১৯২১ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। তিনিমাহ খাটেক হয় । পৰিয়ালত ধৰ্মেশ্বৰ বৰুৱা, বিপ্লৱী বীৰ শঙ্কৰ বৰুৱা একে লগে তিনি ভাই ককায়েকে স্কুল বৰ্জন কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি নিৰ্য্যাতিত হৈছিল। ধৰ্মেশ্বৰ বৰুৱা ডিগবৈত ১৯৩৮।৩৯ চনৰ ধৰ্মঘটৰ সময়ত শ্ৰমিক সংঘৰ সভাপতি আছিল। ধৰ্মঘট কাৰণত চাকৰি যায়। গকুল চন্দ্ৰ বৰুৱা, ধৰ্মেশ্বৰ বৰুৱা, শঙ্কৰ চন্দ্ৰ বৰুৱাতিনিও ককাই-ভায়ে একেলগে স্কুল বৰ্জন কৰি ১৯৮২ চনত মৃত্যু হয় ।

গংগাৰাম কোঁৱৰ,

কলিপৰা ১৯০৯ চনত এখেতে জন্ম লাভ কৰে। কোঁৱৰ ১৯৩২ চনৰ আইন অমান্য আন্দোলনত যোগদান কৰিছিল। ১৯৪২ চনৰ স্বাধীনতা যুজত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৫১ চনত এখেত স্বৰ্গগামী হয়।

গংগাৰাম হাজৰিকা,

পিতা— দীনৰাম হাজৰিকা আমগুৰি, ছিলৈদাৰী গওঁ । ১৯৩১।৩২ আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পাইকাৰী জৰিমনা আদায় কৰি নিয়ে। সেৱা দল সংগঠন, প্ৰাইমেৰী কংগ্ৰেছ কমিটি গঠন,ইত্যাদি গঠনমূলক কামৰ কেন্দ্ৰ স্থান আদিত আগ ভাগ লৈছিল। হমগাৰ্ডত ভুক্ত হৈছিল। ১৯৮৫ চনত মৃত্যু হয় ।

গজেন্দ্ৰ নাথ বৰুৱা,

সেমদাৰ— নামতি, পিতৃ— সোনাৰাম বৰুৱা ।

১৯৩০ আৰু ১৯৪২ চনত সক্ৰিয় ভাবে যোগ দিছিল। পলাতক হিচাবে কাম কৰিছিল। পাইকাৰী জৰিমনা আদায় কৰি নিয়ে। কংগ্ৰেছৰ বিভিন্ন উন্নয়ন মূলক কামত আত্ম নিয়োগ কৰিছিল তেখেতৰ ১৯৭৫ চনত মৃত্যু হয় ।

গুৰু প্ৰসাদ চলিহা

শিৱসাগৰ টাউন। ১৯০৬ চনত গুৰু প্ৰসাদ চলিহাৰ জন্ম হয়। এখেতৰ দেউতাকৰ নাম আছিল কালিপ্ৰসাদ চলিহা। সৰুৰে পৰা জাতীয় ভাৱাপন্ন আছিল। ১৯২১ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনত ছমাহ জেল হয়। এখেত আজীৱন কংগ্ৰেছী লোক আছিল। ১৯৫২ এখেতে দেহত্যাগ কৰে।

গোবিন গওঁবুঢ়া

মহখুটি গোবিন গাওঁবুঢ়া মহখুটি অঞ্চলৰ এজন প্ৰভাৱশালী লোক আছিল। কানি মদ দুয়োবিধৰ আসক্ত আছিল। ১৯২১ চনত ভৰনিটিয়াৰ গাৱঁতে নামঘৰত সভা অনুষ্ঠিত হ'ল। গাওঁবুঢ়া দলে দলে আহিল। সমাভাৰ মাজতে গাওঁবুঢ়া উঠি গৈ কানি খোৱা সজুলি বাহৰ চাবি পোচাঁ হোকা লৈ আহি খাপনাৰ ফালে দীঘল দি পৰি সেৱা জনাই "আজিৰ পৰা এই ববিহ ত্যাগ কৰিলোঁ" বুলি প্ৰতিজ্ঞা কৰে। গাওঁ বুঢ়াৰ নিৰ্দেশ ক্ৰমে এশৰো অধিক কানিয়াৰ কানি পান কৰা হোকা আনি নাম ঘৰত জ্বলাই দিলে।

বুঢ়াৰ হাগনি গ্ৰহণী হ'ল। অৱস্থা সংকট দেখি পৰিয়াল বৰ্গৰ বাহিৰেও অঞ্চলৰ প্ৰধান লোকে জীৱন ৰক্ষাৰ বাবে পুনৰ কানি খাবলৈ দিয়াত গাওঁবুঢ়াই দলিয়াই পেলাই দি "এবাৰ যেতিয়া এই ববিহ নেখাও বুলি নামঘৰত শপত খাইচো তাক আৰু নেখাও মৰিলে মৰিম"। বুঢ়া ক্ৰমে ভালৰ পিনলৈ আহিল। গাওবুঢ়াৰ এই মহান আদৰ্শ লৈ সেই অঞ্চলৰ বহুতো কানি খাবলৈ এৰে। ১৯২৫ চনত তেখেতৰ মৃত্যু হয়।

গোলাপ ফুকন

নিজ খালৈ যোগোৱা। ১৯৪২ চনৰ গণ বিপ্লৱত বাগানৰ চাকৰি ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। ১৯৪২ চনত গ্ৰেপ্তাৰ হৈছিল—সাক্ষী অভাৱত খালাছ পায় পলাতক কৰ্মী হিচাবে শংকৰ বৰুৱাৰ লগত যোগদান দি সেই অঞ্চলত বিভিন্ন উন্নয়নমূলক কামত জড়িত হৈ পৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত বিভিন্ন গঠনমূলক কামত আত্ম নিয়োগ কৰে। ১৯৮০ চনত এখেতৰ মৃত্যু হয়।

গোলাপ চন্দ্ৰ চেতীয়া

. নামতি ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত নাজিৰা হাইস্কুলৰ অষ্টমমান শ্ৰেণীৰ পৰা শিক্ষা বাদ দি স্কুল। এৰে। ১৯৩০।৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩২ চনত ভাৰত ত্যাগ আন্দোলনত পূৰ্ণ অংশ গ্ৰহণ কৰি ভাৰত প্ৰতিৰক্ষা আইনৰ ৩৮ (খ) ধাৰাত কুচন গগৈৰে সৈতে অন্য ৬জনৰ লগত ৬ মাহ সশ্ৰম কাৰাদণ্ড হৈছিল। ১৯৪৩ চনৰ ৩১ মে'ৰ পৰা ৩০ নৱেম্বৰলৈ। ১৯৪৩ চনত টংকেশ্বৰ চেতীয়াৰ জামিনদাৰ হৈছিল। ১৯৪২ চনৰ ২৭।৯।৪২ U|5379,375 IPC, 122 Rly Act ৰ গোছৰত আৰু উক্ত গোছৰৰ ৰায় দানৰ দিনা চেতীয়াই আত্ম গোপন কৰা বাবে জামিনদাৰত ৫০০.০০ টকা জৰিমনা কৰি আচামীক শীঘ্ৰে হাজিৰ কৰাৰ আদেশ পায়।

ঘনশ্যাম গগৈ,

জকাইচুক মৌজা সাউৎ গাওঁ। ১৯০৭ চনত জন্ম লাভ কৰে। পিতৃ বিৰাই গগৈ আৰু মাতৃ দাউকী গগৈ ১৯৩২ চনত পুলিচ বিভাগৰ চিপাহী কাম ত্যাগ কৰিলে আৰু কংগ্ৰেছত যোগ দিছিল।

১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ এজন পলাতক কৰ্মী আছিল। ৰাজহুৱা তথা কংগ্ৰেছৰ কাম কাজত আগ ভাগ লৈছিল। পেন্সন পোৱা নাছিল। ১৯৬০ চনত মৃত্যু হয়।

চন্দ্ৰ শৰ্মা

জকাইচুক মৌজা—বামুন মৰাণ গাওঁ। ১৮৯৩ চনত জন্ম লাভ কৰে। পিতৃ বংশীধৰ শৰ্মা আৰু মাতৃ ৰূপহীদেৱী। ১৯৪২ চনৰ গণ বিপ্লৱত তিনি মাহ জেল হয়। এওঁ ৰাজহুৱা কামত জড়িত আছিল আৰু কংগ্ৰেছৰ সপক্ষে প্ৰচাৰ কৰি ফুৰিছিল। এওঁ অসম চৰকাৰৰ পৰা মুক্তি যোদ্ধাৰ পেঞ্চন পাইছিল। ১৯৭৪ চনত স্বৰ্গগামী হয়।

চেনিৰাম হাজৰিকা, ধেপৰ গাওঁ।

১৯৪২ চনৰ স্বাধীনতা যুঁজত শিৱসাগৰ কাছাৰীত পতাকা উত্তোলন কৰা সমদলত যোগ দিয়াত পুলিচৰ মাৰ খাইছিল। গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰাত পলাতক হিচাবে থাকি কাম কৰিছিল। ১৯৮৩ চনত মৃত্যু হয়।

চুণু ঘাটোৱাৰ, পিতা—বিচুন ঘাটোৱাৰ চাকি মুল

এওঁ চাকিমুল অঞ্চলৰ বস্তিবালা বনুৱা গাঁৱৰ প্ৰধান লোক আছিল। বনুৱা সকলৰ মাজত কানি প্ৰচলন বন্ধ কৰিবৰ বাবে প্ৰচাৰ কাৰ্য্য চলাই-ছিল। আশে পাশে থকা বাগানৰ মেনেজাৰৰ হেচাত—১০৭ ধাৰাত গ্ৰেপ্তাৰ কৰি ছমাহ জেল দিয়ে। গান্ধীজীৰ হৰিজন আন্দোলনত যোগ দিয়ে। এখন প্ৰাথমিক স্কুল স্থাপন কৰিছিল। আজীৱন এজন কংগ্ৰেছ সেৱক আছিল। ১৯৭৮ চনত মৃত্যু হয়।

৺চুচন চন্দ্ৰ গগৈ, আঠখেল মৌজা—গেলেকি, জালিমজীয়া

১৯৩০ চনত কানিংহাম চাৰ্কুলাৰ প্ৰতিবাদত স্কুল বৰ্জন কৰি আইন অমান্য আন্দোলনত যোগ দিয়ে। ১৯৩২ চনত তিনি মাহ জেল হয়। অস্পৃশ্যতা আন্দোলন, আৰু গঠনমূলক কামত আত্ম নিয়োগ কৰে। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল যদিও গ্ৰেপ্তাৰ কৰা নাছিল।

১৯৪২ চনত টেলিগ্ৰাফৰ তাৰ কটা আদি অভিযোগত গ্ৰেপ্তাৰ কৰি ছমাহ ফাটেক দিয়ে। জেলৰ পৰা ওলাই পুনৰ পলাতক কৰ্মী হিচাবে ৺ কৰুণা গগৈ প্ৰমুখ্যেৰ লগত লগ লাগি ৰেল লাইন উঠোৱা আদি কামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। দেশ স্বাধীনতাৰ পাছত আঠখেল মৌজাৰ বিভিন্ন আৰু অনুষ্ঠান আৰু উন্নয়ন কামত আত্মনিয়োগ কৰিছিল। ১৯৮৯ চনত মৃত্যু হয়।

চেনিৰাম কলিতা, লোনপুৰীয়

১৯২১ চনত কংগ্ৰেছৰ ভলণ্টিয়াৰ হয়। ১৯৩২ চনত ছমাহ জেল হয়। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰাত ৩৮(১) অধিনিয়ম মতে ১-১২-৪২ আটক হয়। ২৫-১-৪৩ত মুক্তি পায়। এখেত প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল বহু বছৰ। গঠনমূলক কামত আত্ম নিয়োগ কৰি ১৯৮২ চনত মৃত্যু হয়।

টিপুৰাম শইকীয়া, আমগুৰি শ্ৰীশ্ৰী বেঙেনা আটি সত্ৰ।

তেখেতে ১৯০৬ চনত জন্ম গ্ৰহণ কৰিছিল। ১৯৩০ চনৰ পৰা কংগ্ৰেছ কৰ্মী হিচাবে কাম কৰি আহিছিল। পিকেটিং কৰি গ্ৰেপ্তাৰ হৈছিল। ১৯৪০ চনত সত্যাগ্ৰহ কৰিছিল।

১৯৪২ চনৰ আন্দোলনত আটকবন্দী হৈ যোৰহাট জেলত এবছৰ আছিল। জেলৰ পৰা মুক্তি হয় যদিও, পৰিয়ালৰ ভৰণ পোষণৰ কাৰণে খেতি আদিত লাগিবলগীয়া হৈছিল। কিন্তু মৃত্যুৰ সময়লৈকে কংগ্ৰেছৰ সকলো কামত আগ ভাগ লৈছিল। ১৯৭৮ চনত তেখেত অমৰাধামলৈ গতি কৰে।

টিপেশ্বৰ সন্দিকৈ, কাড়িগাওঁ কোৰৰ পুৰ মৌজা।

১৯১৮ চনত জন্ম গ্ৰহণ কৰে। ১৯৩০ চনত কান্দিহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি স্কুল ত্যাগ কৰে। ১৯৩২ চনত গৌৰীসাগৰ কানিৰ দোকানত পিকেটিং কৰি ছমাহ জেল খাটে। কৃষক সভা, কংগ্ৰেছ সংগঠন খাদী আদি কামত আত্মনিয়োগ কৰিছিল। ১৯৪২ চনত পলাতক কৰ্মী হিচাপে কাম কৰিছিল। কংগ্ৰেছৰ স্বেচ্ছাসেৱক দল গঠন কৰিছিল আৰু স্থানীয় বিভিন্ন কামত মৃত্যুৰ সময়লৈকে লাগি আছিল। ১৯৮৮ চনত তেখেতে মৃত্যু বৰন কৰে।

টংঙ্গেৰ মহন্ত,

পিতৃ—হৰিপ্ৰসাদ মহন্ত, মাতৃ—তিলেশ্বৰী মহন্ত, জন্ম—১৮৯২ চন মৃত্যু—১৯৪৫।

১৮৯২ চনত নাজিৰাৰ চকীমুখ গাৱত টংকেশ্বৰ মহন্তদেৱৰ জন্ম হয়। পিতৃ হৰিপ্ৰসাদ মহন্ত। আৰু মাতৃৰ নাম তিলেশ্বৰী মহন্তা। ১৯২১ চনৰ আন্দোলনৰ পৰা ১৯৪২ চনৰ গণ আন্দোলনলৈকে নিৰ্দলীয় কংগ্ৰেছৰ গঠন মূলক আৰু আন্দোলনত সহযোগ কৰি আহিছিল। গাৱে গাৱে সভা সমিতি পাতি সমাজৰ পৰা কানি নিৰ্মূল কৰিবলৈ সংগঠনৰ কাম কৰিছিল। অস্পৃশ্যতা নিবাৰণ কাৰ্য্যত সহযোগ আগবঢ়াইছিল। অঞ্চলৰ বিভিন্ন ৰাজহুৱা কামত আগবঢ়ুৱা এজন মুখ্য লোক আছিল। ১৯৪৫ চনত মৃত্যু হয়।

তোৰেশ্বৰ ঢেকীয়া ফুকন,

১৯৩০ গৰ্ব্বৰ্ণমেন্ট চাকৰি ত্যাগ কৰি আইন অমান্য আন্দোলনত যোগ দিয়ে। ১৯৩২ চনৰ আইন অমান্য আন্দোলন, ১৯৩৪ চনৰ হৰিজন আন্দোলন, ১৯৩৮ চনৰ কানি বন্ধ আন্দোলনত সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিছিল। শান্তি সেনা সংগঠন, গাওঁৰক্ষী মৌজা আদি গঠন কৰিছিল। ১৯৮৪ চনত মৃত্যু হয়।

টৌলন চন্দ্ৰ বৰুৱা,

১৮৯৮ চনত বৰুৱাৰ মাজগাঁৱা গাঁৱত জন্ম হয়। ১৯২১ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। কংগ্ৰেছ কমিটি গঠন, গঠনমূলক কাম আদিত আত্ম নিয়োগ কৰিছিল। ১৯৩০।৩২ চনৰ সহযোগ আগ বঢ়াইছিল। ১৯৩৮ চনত শিৱসাগৰত কানি বন্ধ কৰাত আগ ভাগ লৈছিল। এজন গঠন মূলক কৰ্মী আছিল। ১৯৭২ চনত মৃত্যু হয়।

টৌৰেশ্বৰ মহন্ত,

১৯০১ চনত খিতাই পুখুৰীৰ কটকী কোছ গাঁৱত জন্ম হয়। পিতৃৰ নাম কনক চন্দ্ৰ মহন্ত। ১৯২১ চনৰ অসহযোগ আন্দোলনত বিশেষ ভাবে অংশ গ্ৰহণ কৰিছিল। লগত ভকত লৈ ধৰ্মীয় প্ৰচটীৰৰ ক্ৰমত যোৱাৰ দৰে গাৱে গাৱে কানি বন্ধ, কংগ্ৰেছ কমিটি গঠন কাৰ্য্যত আত্ম নিয়োগ কৰিছিল। পাণ্ডু কংগ্ৰেছলৈ গৈছিল। ১৯৩০ চনৰ আন্দোলন সহযোতগ কৰিছিল। ১৯৩২ চনৰ অস্পৃশ্যতা নিবাৰণৰ কামত সহযোগ কৰিছিল। ১৯৩৮ চনত কানি বন্ধ কামত বিশেষ ভাৱে খাটিছিল। ১৯৪২ চনৰ গণ আন্দোলনত গুপ্ত ভাৱে কাম কৰা কৰ্মী সকলক থকাৰ ব্যৱস্থা কৰি দি সহায় কৰিছিল। অঞ্চলৰ ৰাজহুৱা উন্নয়নৰ কামৰ এজন মুখ্য অটাগ ভাগ লোৱা লোক আছিল। ১৯৮২ চনত মৃত্যু হয়।

জগন্নাথ ভূঞা :

পিতা—ভোলা ভূঞা, আমগুৰি ভূঞা গাওঁ ।

১৯৩০ চনৰ অমান্য আইন আন্দোলনৰ সময়ত কংগ্ৰেছত যোগ দিয়ে ১৯৩১ চনৰ আন্দোলনত পিকেটিং কৰিছিল। ১৯৩৪২ চনৰ আন্দোলনৰ লেখত নবলগীয়া পলাতক কৰ্মী আছিল। কংগ্ৰেছৰ কৃষক সংগঠনত আগ ভাগ লৈ কৃষক সভা আদি সংগঠন কৰিছিল। তেওঁ এজন আজীৱন কংগ্ৰেছী লোক আছিল। ১৯৮৭৮ চনত তেওঁ মৃত্যু মৃত্যু বৰণ কৰে।

জয়নাথ হাজৰিকা ঘৰ আমগুৰিৰ ধুনীয়া গাওঁত। জন্ম ১৯০৮ চনত। পিতৃৰ নাম বগাই হাজৰিকা। ১৯৩০ চনত কংগ্ৰেছৰ আন্দোলনত যোগ দিয়ে। কংগ্ৰেছৰ গঠন মূলক কামত আত্ম নিয়োগ কৰে। ১৯৪০ চনৰ সত্যাগ্ৰহত অংশ গ্ৰহণ কৰিছিল।

১৯৪২ চনৰ আন্দোলনত আটক বন্দী হিচাবে দেড় বছৰতকৈ অধিক কাল যোৰহাটৰ জেলত আছিল। জেলৰ পৰা ওলোৱাৰ পাচৰে পৰা তেওঁ আজীৱন কংগ্ৰেছ কৰ্মী আছিল। এজন নিষ্ঠাবান গান্ধীবাদী আছিল। ১৯৮৯ চনত পৰলোক হয়।

জয়ৰাম গগৈ, :
ডিব্ৰুৱাল গাওঁ ।

১৯৩০ চনত স্কুল বৰ্জন কৰি কংগ্ৰেছৰ আইন অমান্য আন্দোলনত যোগ দিয়ে। ১৯৩২ চনত গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখি এৰি দিছিল।

কৃষক সংগঠনত আত্ম নিয়োগ কৰাৰ উপৰিও কংগ্ৰেছৰ গঠনমূলক কাম আৰু স্বেচ্ছাসেৱক দলৰো নায়ক আছিল। ১৯৪০। ৪১ চনত সত্যাগ্ৰহীৰ তালিকাত নাম আছিল। ১৯৪২ চনত পলাতক হিচাবে কাম কৰি থাকোতে পুলিচে হিংসাত্মক কামত জড়িত থকা সন্দেহত ১৯-২-৪৪ তাৰিখত গ্ৰেপ্তাৰ কৰি কিন্তু প্ৰমাণৰ অভাৱত এৰি দিয়ে। ১৯৭৮ চনত এখেতে শেষ নিশ্বাস ত্যাগ কৰে।

জীৱকান্ত বৰুৱা, পুৰণি চৰুমাই ।

তেখেতে ১৯১৪ চনত জন্ম গ্ৰহণ কৰিছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনত কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। ১৯৪২ চনৰ স্বাধীনতা যুজত সক্ৰীয় অংশ লোৱাত ভাৰত প্ৰতিৰক্ষা আইনৰ ৩৮।১।কে ধাৰা অনু-সৰি গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। ১৯৪২ চনৰ ডিচেম্বৰ মাহৰ পৰা ৩ বছৰ আত্ম গোপন কৰিছিল। তেখেতৰ ১৯৮৬ চনৰ ৮ অক্টোবৰত মৃত্যু হয়।

জীৱকান্ত গোহাঁই : স্থান— মাদুৰী গোহাই গাওঁ ।

১৯৩০ চনৰ পৰা এজন সক্ৰিয় কংগ্ৰেছ কৰ্মী আছিল। মাদুৰীত প্ৰাথমিক কংগ্ৰেছ কমিটি স্থাপন কৰি বহু বছৰ সম্পাদক পদত অধিষ্ঠিত আছিল। ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৫০ চনত শিৱসাগৰত আৰ, চি পি আই আৰ্যাৰ হিংসাত্মক কাৰ্য্যৰ বিৰোধিতা কৰাৰ কাৰণে তেওঁক গুলিয়াই হত্যা কৰে।

জীউৰাম সোকাধৰ : লেনপুৰীয়া ।

৫৪২১ চনতে কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। ১৯৩২ চনৰ আন্দোলনত ৬ মাহ ফাটেক খাটিছিল। ১৯৪২ চনত ৩৮(১) ধাৰা মতে ১-১২-৪২ ৪-২-৪৩ তাৰিখে মুক্তি দিয়ে। তেওঁ আ-জীৱন কংগ্ৰেছৰ সংগঠন আৰু গঠনমূলক কামত আত্ম নিযোগ কৰিছিল। ১৯৭০ চনত মৃত্যু হয়।

টংকেশ্বৰ কোৱঁৰঃ

তেখেতৰ ১৯০০ চনত শিৱসাগৰ জিলাৰ বেতবাৰী মৌজাৰ ২ নং কোঁৱৰ গাঁৱত জন্ম গ্ৰহণ কৰে। ১৯২১ চনত কংগ্ৰেছৰ অনুষ্ঠানৰ লগত জড়িত হয়। বেতবাৰী মৌজাৰ কোঁৱৰে কানিৰ বিৰুদ্ধে অবিৰাম সংগ্ৰাম চলাইছিল। কানি দোকানত পিকেটিং আদি অভিনয় চলাই নেতৃত্ব কৰিছিল। সামপ্ৰদায়িক শক্তিৰ বিৰুদ্ধেও তেখেতে যুজ দিব লগাত পৰিছিল। ৪২ৰ গণ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। শিৱসাগৰৰ গুপ্ত আন্দোলনৰ নেতা ৮ দুৰ্গাধৰ বৰুৱাৰ পৰামৰ্শ মতে গুপ্ত কেন্দ্ৰৰ কৰ্মীৰ লগত যোগাযোগ ৰক্ষা কৰিছিল। তেওঁ কানি চোৰং ব্যৱসায়ী কেবাজনকো ধৰাই দিয়া কাৰণে চোৰাং কানি বেপাৰীয়ে ষড়-যন্ত্ৰ কৰি ৰাতি ১০মান বজাত কংগ্ৰেছৰ অফিছৰ পৰা ঘৰলৈ চাইকেলেৰে গৈ থাকোতে ট্ৰাকেৰে খুন্দিয়াই পেলাই গৈ যায়। পিচত শিৱসাগৰৰ হস্পিতাললৈ লৈ যায় যদিও তাত তেখেতৰ মৃত্যু হয়। মানুহে সন্দেহ কৰে শিৱসাগৰৰ এজন বিখ্যাত কানি ব্যৱসায়ি এই ঘটনাৰ ৰবে জগৰীয়া।

ডিম্বেশ্বৰ চলিহা

১৮৯৫ চনত শিৱসাগৰৰ চাৰিঙত জন্ম হয়। পিতৃৰ নাম সুৰথ চলিহা। তেখেতে শিৱসাগৰৰ চৰকাৰী হাইস্কুলত পঢ়িছিল। ১৯২১ চনত স্কুল বৰ্জন কৰি তেওঁ সক্ৰিয় কৰ্মী হিচাবে অসহযোগ আন্দোলনত যোগ দিয়ে।

তেওঁ ক্ৰমে চাৰিং আঞ্চলিক কংগ্ৰেছৰ সম্পাদক ১৯২৬ চনৰ পাণ্ডুত বহা কংগ্ৰেছৰ, শিৱসাগৰ জিলা কংগ্ৰেছৰ প্ৰতিনিধি আছিল। ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

১৯৪১ চনত সত্যাগ্ৰহ প্ৰশিক্ষণ লৈ সত্যাগ্ৰহ কৰিছিল কিন্তু গ্ৰেপ্তাৰ হোৱা নাছিল। ১৯৪৩ চনৰ ১২ মে তাৰিখে পলাই ফুৰা অৱস্থাত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু এবছৰ সশ্ৰম কাৰাদণ্ড বিহে। ১৯৪৪ চনত তেওঁ জেলৰ পৰা ভগ্ন স্বাস্থ্য লৈ ওলাই আহে।

দেশ স্বাধীনতাৰ পিছত তেওঁ সামাজিক আৰু গান্ধীজীৰ আদৰ্শত গঠন মূলক কামত আত্ম নিয়োগ কৰিছিল। বয়সৰ লগে লগে মহাপুৰুষৰ শঙ্কৰ দেৱৰ মহাপুৰুষীয়া ধৰ্মৰ প্ৰতি আকৃষ্ট হয়। ভাগৱত পাঠ কৰা তেখেতৰ দৈনন্দিন কাৰ্য্যসূচীৰ ভিতৰত আছিল।

তেখেত ৭৮ বছৰ বয়সত ১৯৭৩ চনৰ পহিলা ডিচেম্বৰ তাৰিখে ডিব্ৰুগড় মেডিকেল কলেজত মৃত্যু হয়।

ডিম্বেশ্বৰ ভুঞা

১৮৯৮ চনত জানুৱাৰী মাহত কালুগাৱত জন্ম হয়। মেধাবী ছাত্ৰ আছিল। ১৯২১ চনত মেট্ৰিক পৰীক্ষা নিদি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। পিকেটিং কৰাৰ কাৰণে গ্ৰেপ্তাৰ কৰি হাজোতত কেবা দিনো ৰাখি তিনিমাহ জেল হয়। ১৯৩১ ১৯৩১।৩২ আৰু ৪২ চনৰ গণ আন্দোলনত সহযোগ কৰিছিল। ১।৮।৪৩ তাৰিখে গ্ৰেপ্তাৰ কৰে। ১৭।৮।৪৩ তাৰিখে প্ৰমাণৰ অভাৱত এৰি দিয়ে। শিৱসাগৰ চেন্ট্ৰেল বেঙ্কৰ চুপাৰ ভাইজাৰ, তাৰ পাছত শিৱসাগৰ এপেক্স বেঙ্কৰ মেনেজাৰ হৈছিল। আজীৱন এজন কংগ্ৰেছী লোক আছিল। ১৯৬১ চনত মৃত্যু হয়।

ডোৰৰ বাইলুং

১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। হাতে সূতা কটা কামটো প্ৰায় সকলো কংগ্ৰেছ কৰ্মীৰে কৰ্তব্যত পৰিণত হৈছিল। গঠনমূলক কামত তেওঁ আগ ভাগ লৈছিল।

ডোৰৰ বাইলুং আৰু পানীৰাম গগৈৰ ঘৰ ওচৰা ওচৰি। দুয়ো একে লগে স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ চেপ্তেম্বৰ মাহত শোভাযাত্ৰা কৰি সোণাৰী পুলিচে থানাত জাতীয় পতাকা

উত্তোলন কৰিবলৈ যাওঁতে অতি নিষ্ঠুৰ ভাবে মাৰধৰ কৰে আৰু গ্ৰেপ্তাৰ কৰি নানা ধৰণৰ অসৎ ব্যৱহাৰ কৰি এৰি দিয়ে।

স্বাধীনতাৰ পাছত অঞ্চলৰ উন্নয়নমূলক কামত আত্ম নিয়োগ কৰে। ১৯৮০ চনত মৃত্যু হয়।

তৰুণ চন্দ্ৰ বৰুৱা

জন্ম ১৯০৬ চন, ফেব্ৰুৱাৰী মাহৰ ১৫ তাৰিখ জন্ম। পিতৃ ৰামেশ্বৰ বৰুৱা, মাতৃ বিশ্বেশ্বৰী বৰুৱা।

প্ৰথমে নেমুগুৰি স্কুলত পঢ়িছিল যদিও তেখেতে ৺ ভুবনচন্দ্ৰ গগৈদেৱৰ চুনাশুৰা পাছত শিৱসাগৰৰ পলিটেক্‌নিকেল ইনষ্টিটিউটত পঢ়ে। ৺ প্ৰাক্তন কংগ্ৰেছ নেতা ৺ ভুবন চন্দ্ৰ গগৈদেৱে তেখেতৰ অসম পলিটেক্‌নিকেল স্কুলৰ পৰা ১৯১৬ চনত পাণ্ডু কংগ্ৰেছলৈ ছাত্ৰৰ সেৱাদল লৈ আহিল। ৺ তৰুণ বৰুৱা সেইদলৰ অন্যতম এজন নায়ক আছিল।

প্ৰথম দৰ্শনতে গান্ধীজীৰ প্ৰতি আকৃষ্ট হৈছিল। ১৯২৭ চনত পলিটেক্‌নিকেল ইনষ্টিটিউটৰ পৰা শিক্ষা শেষ কৰি শিক্ষকতা কৰিলে আৰু লাহে লাহে কংগ্ৰেছৰ সক্ৰিয় সদস্য হ'ল। ১৯২৮ চনত তেওঁ কলিকতাৰ কংগ্ৰেছ অধিবেশনত যোগদান কৰে। ১৯৩০।৩২ চনৰ আইন অমান্য আন্দোলনত তেখেতে যোগদান কৰে। বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনত তেখেত নাজিৰা থানাত আটক হয়, আৰু বিকাৰত ৬ মাহ কাৰাদণ্ড ভোগ কৰে। ১৯৩৬ চনত তেখেতে ৱাৰ্দ্ধাত স্থাপিত হোৱা খাদী গ্ৰামোদ্যোগ বিদ্যালয়ৰ প্ৰশিক্ষণ লবলৈ যায়। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহ আন্দোলনত তেখেতে যোগদান কৰিবলৈ বিচাৰিছিল যদিও গঠনমূলক কৰ্মী হোৱা বাবে অনুমতি নাপালে।

১৯৪২ চনৰ আঠ আগষ্টত "ভাৰত ত্যাগ" আন্দোলনৰ সময়ত বৰুৱাই বকতা মৌজাদাৰৰ অফিচৰ আগত জাতীয় পতাকা উত্তোলন কৰে। মহখুটি বজাৰত বিদেশীবস্ত্ৰ বৰ্জন আন্দোলনত বৰুৱাদেৱে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। দুবছৰ পৰ্য্যন্ত আত্মগোপন কৰি থাকি শেষত তৰুণ বৰুৱা আৰু ১১জন আটক হয়। তৰুণ বৰুৱা দেৱৰ ডেৰ বছৰ সশ্ৰম কাৰাদণ্ড হয়। ১৯৪৯ চনত বৰুৱাদেৱে কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ট্ৰাষ্টৰ শাখা এনে তেখেতৰ বাস ভৱনৰ লগতে স্থাপন কৰে। ১৯৫০ চনত

উৰিষ্যাৰ সৰ্বভাৰতীয় সৰ্বোদয় সন্মিলনত যোগদান কৰে। ১৯৫৪ চনত অখিল ভাৰতীয় বৌধগয়া সৰ্বোদয় সন্মিলনতো তেখেতে যোগদান কৰিছিল।

১৯৬০ চনত কাশীত শ্ৰীনাৰায়ণ দেশাইৰ নেতৃত্বত হোৱা শান্তিসেনা প্ৰশিক্ষণত যোগদান কৰিছিল। ১৯৬১ চনত পূজ্য বিনোৱাজী অসমলৈ অহাৰ সময়ত ওঠৰমাহ কাল বিনোৱাজীৰ পদযাত্ৰাত যোগদান কৰিছিল। তেখেতে অসম সৰ্বোদয় মণ্ডলত থাকি ভূদান গ্ৰামদানৰ কামত সক্ৰিয় বৰঙনি যোগাইছিল। তেখেতে "ভাৰত চীন মৈত্ৰী যাত্ৰা"তো যোগদান কৰিছিল। নিজ গাঁৱত কুসংস্কাৰ, অন্ধবিশ্বাস, মদ কানি বন্ধ কৰিবলৈ সংগ্ৰাম কৰি বহুদূৰ কৃতকাৰ্য্যতা লাভ কৰিছিল। তেওঁৰ ঘৰখন হৈ পৰিছিল এখন আশ্ৰম।

১৯৭২ চনৰ ১৭ ছেপ্টেম্বৰত তেখেতে ইহলীলা সম্বৰণ কৰে।

তাৰা প্ৰসাদ সিং

১৮৯৬ চনত শিৱসাগৰত জন্ম গ্ৰহণ কৰে। পিতৃৰ নাম অন্নদা প্ৰসাদ সিংহ। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। শোভাযাত্ৰাত জাতীয় সঙ্গীত খোল আদি বজোৱা এজন প্ৰধান আছিল। তিনিমাহ জেল হয়। এবাৰ শোভাযাত্ৰাত পুলিচৰ বেনেটৰ খোচ খাব লগা হৈছিল। ১৯৩০।৩২ আৰু ৪২অৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪৭ চনত শিৱসাগৰত ৰাষ্ট্ৰীয় মজদুৰ সংগঠনৰ কামত অংশ গ্ৰহণ কৰিছিল। শিৱসাগৰ নগৰৰ নাট্য মন্দিৰৰ এজন মুখ্য পৰিচালক আছিল। ১৯৮৯ চনৰ ফেব্ৰুৱাৰী মাহত মৃত্যু হয়।

তনুশ্যাম গোস্বামী

১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰি ১৯৩০।৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দিছিল কৃষক আৰু বনুৱা সংগঠনৰ কামতো জড়িত আছিল। তেওঁ উগ্ৰপন্থী চিন্তা ধাৰা৷ৰ্ষিত হৈ আৰ-চি-আই দলত যোগ দিয়ে

১৯৪২ চনত মাহমৰা, খালৈ যোগৰা, অঞ্চলত গুপ্ত বিপ্লৱী দল গঠন কৰি ফৰেষ্ট ঘৰ, দলং ধ্বংস, ৰেল লাইন তোলা আদি কামত আগ ভাগ লৈছিল। পলাতক অৱস্থাত থাকি ১৯৪৩ চনত গ্ৰেপ্তাৰ হয় আৰু এবছৰ জেল হয়। তেখেতৰ ১৯৮০ চনত মৃত্যু হয়।

তীৰ্থ মহন্ত

তেখেত এজন সেই অঞ্চলৰ কংগ্ৰেছৰপ্ৰধান লোক আছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। উক্ত সত্ৰ আন্দোলনৰ এটা প্ৰধান ঘাটি হৈ পৰিছিল।

তেওঁ কংগ্ৰেছৰ সংগঠনৰ গাওঁ উন্নয়ন পঞ্চায়ত, কৃষক সংগঠন আদি বিভিন্ন কামত জড়িত আছিল তেখেতৰ ১৯৮০ চনত মৃত্যু হয।

তুলসী ফুকন

১৯২১ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। এখেত সকলৰ ঘৰত খালৈ যোগোৰা মৌজাৰ সকলো স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা লোক সকলে কোনে কি কাম কৰিব সেই মতে ঠায়ে ঠায়ে পঠাই কানি, ভাং, মদৰ দোকানত পিকেটিং কৰোৱাইছিল। কণক চন্দ্ৰ চেতীয়াৰ নিৰ্দেশমতে কাম কৰিছিল।

শিৱসাগৰৰ অন্যতম বিশিষ্ট কৰ্মী শংকৰ বৰুৱা ১৯৪২ চনৰ গণ আন্দোলনত পলাতক থাকোতে বহুবাৰ এখেত সকলৰ ঘৰত আছিল। আৰু গুপ্ত আন্দোলনৰ কৰ্মী সকলক লগ এৰি কামত দিহা পৰামৰ্শ দিছিল।

১৯৪২ চনৰ ১৬ চেপ্তেম্বৰ দিনা সোনাৰী থানা দখল কৰিবলৈ যাওঁতে পুলিচৰ লাঠিৰ কোবত আঘাত প্ৰাপ্ত হয। এখেতে নিজে যঁতৰত সূতা কাটি কাপোৰ তৈয়াৰ কৰি পিন্ধিছিল। এখেত ১৯৮৬ ফেব্ৰুৱাৰীত মৃত্যু হয়।

ত্ৰাহিৰাম কোঁৱৰ

কোঁৱৰপুৰ মৌজাৰ মৌজাদাৰ আছিল। কেবা বছৰো একেৰাহে বান পানী হোৱাত, খাজনা সবহ সংখ্যক ৰাইজে দিবলৈ অসমৰ্থ হোৱাত, গবৰ্ণমেণ্টে মৌজাদাৰৰ দায়িত্বৰ পৰা একৰায় আৰু জামিনত থকা মাটি বাজেয়াপ্ত কৰে। কোঁৱৰপুৰ মৌজা হিত সাধিনী সভা সংগঠন কৰে।

১৯২১ চনত অসহযোগ আন্দোলনত সক্ৰিয়ভাৱে যোগ দিয়ে। তেখেতে কৌঁৰৰপুৰ মৌজা কংগ্ৰেছ কমিটিৰ আৰু পঞ্চায়ত সভাৰ সভাপতি আছিল। চৰকাৰক বছৰৰ পাছত বছৰ ধৰি আবেদন কৰা সত্বেও কৌঁৰৰ পুৰ মৌজা বানপানীৰ পৰা ৰক্ষাৰ্থে ব্ৰহ্মপুত্ৰৰ মথাউৰি বান্ধি নিদিয়াত ১৯২৯ চনত ৰাইজক সংগঠন কৰি দিচাং মুখৰ পৰা দিখৌ মুখলৈ ৯ মাইল দীঘল এটা মথাউৰি মৰা কাম আৰম্ভ কৰে। হেজাৰ হেজাৰ ৰাইজে উৎসাহ উদ্দীপনাৰে মথাউৰি বন্ধা কামত দিন ৰাতি লাগে। কিন্তু বানপানীয়ে আধাবন্ধা মথাউৰি খহাঁই নিয়াত হতাশ হৈ পৰে। কিন্তু বৈৰাগী হতাশ নহৈ পুনৰ ৰাইজক সংগঠন কৰিবলৈ যত্ন কৰি বিশেষ কৃতকাৰ্য্য নহ'ল। চৰকাৰে পাছত কামটো সম্পূৰ্ণ কৰে।

কংগ্ৰেছৰ বিভিন্ন আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কৌঁৰৰ পুৰ হাইস্কুল স্থাপন, ডিছপেন্সাৰী স্থাপন তেখেতৰ চেষ্টাতে হয়। তেখেত অসম এচোছিয়েশ্যনৰ এজন সক্ৰিয় সভ্য আছিল। ১৯৬৫ চনত এখেতৰ মৃত্যু হয়।

থানেশ্বৰ থংগায়া বৰুৱা

১৯৩০ চনত ডিগবৈৰ তেল কোম্পানীৰ চাকৰি ত্যাগ কৰি আৰু কংগ্ৰেছত যোগ দিয়ে। ১৯৩২ চনৰ আন্দোলনত ছমাহ জেল হয়। জেলত তেজ গ্ৰহণীত আক্ৰান্ত হয়। মুক্তিৰ পিছত পুনৰ তেজ গ্ৰহণী আৰু বিভিন্ন ৰোগত আক্ৰান্ত হৈ শয্যাগত হৈ ঘৰতে আবদ্ধ থকাৰ অৱস্থা হয়। এখেত আজীৱন কংগ্ৰেছ সেৱক আছিল। ১৯৪২ চনৰ গণ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাবে পাইকাৰী জৰিমনা দিব লগা হয় পৰিয়ালে। এখেতৰ ১৯৪৬ চনত মৃত্যু হয়।

দামোদৰ শইকীয়া

জকাইচুক মৌজা, দোববীয়া গাওঁ, পিতৃ—নাৰী ইইকীয়া মাতৃ—টিপালনী শইকীয়া ।

এখেতে ১৯৭৬ চনত জন্ম গ্ৰহণ কৰে। এখেতে ১৯২১ চনত কংগ্ৰেছৰ যোগ দিয়ে। এওঁ কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিছিল আৰু ৰাজহুৱা কাম কাজত আগ ভাগ লৈছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছলৈ গৈছিল।

কংগ্ৰেছলৈ এওঁ বহুত দান, বৰঙণি আগবঢাইছিল। মুক্তি যোদ্ধাৰ পেন্সন নাপালে। ১৯৩০।৩২ আৰু ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। পাইকাৰী জৰিমনা ভৰিব লগা হৈছিল। ১৯৬১ চনত এখেতে মৃত্যু বৰণ কৰে।

দীননাথ বৰুৱা

গাওঁ—নকঠানি, জন্ম—১৮৯০ লাভ কৰে।

১৯২১ চনৰ কংগ্ৰেছত যোগ দিছিল আৰু তাৰ উপৰিও সেই অঞ্চলৰ এজন আগৰণুৱা কংগ্ৰেছৰ কাম কৰা লোক আছিল। নকঠানি খাদী কেন্দ্ৰ স্থাপন সেৱাদল সংগঠন, প্ৰশিক্ষণ কেন্দ্ৰ পৰিচলনা, বোকাবিলত জিলা ৰাষ্ট্ৰীয় সন্মিলনত পতাত এজন উদ্যোগকাৰী আছিল। কংগ্ৰেছৰ সকলো আন্দোলনতে সহযোগ কৰিছিল। ১৯৪২ চনত পচিশ টকা পাইকাৰী জৰিমনা দিব লগা হৈছিল। ১৯৬১ চনত এখেতৰ মৃত্যু হয়।

দীননাথ কাকতি

১৮৯৬ চনত খেতবাৰী কাকতি গাওঁত এখেতে জন্ম লাভ কৰিছিল। এখেতৰ দেউতাকৰ নাম দয়াৰাম কাকতি অসহযোগ আন্দোলনত ছমাহ সশ্ৰম কাৰাদণ্ড খাটে। ১৯২১ চনৰ পৰা আৰম্ভ কৰি কংগ্ৰেছৰ সকলোবোৰ কাম আৰু আন্দোলন বোৰ কামত এখেতে সম্পূৰ্ণৰূপে সহযোগ কৰি আহিছিল। এখেত বেতাবাৰী কংগ্ৰেছ কমিটিৰ বহুবছৰ সভাপতি পদত অধিষ্ঠিত আছিল। ১৯৬৮ চনত এই গৰাকী পুৰুষৰ স্বৰ্গগামী হয়।

দীননাথ চলিহা

চলিহাৰ জন্ম ১৯১২ চনত চাৰিঙত। পিতৃ পুতুল চলিহা। ১৯৩০। ৩২ চনৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী ১৯৪১ চনত সত্যাগ্ৰহৰ প্ৰশিক্ষণ লৈ সত্যাগ্ৰহ কৰিছিল কিন্তু গ্ৰেপ্তাৰ হোৱা।

১৯৪৩ চনৰ মে' মাহত গ্ৰেপ্তাৰ হয় কিন্তু প্ৰমাণৰ অভাৱত খালাচ পায়। ২৩।৯।৪৩ তাৰিখে পুনৰ ঘৰ খেৰাওঁ কৰি নাজালাছ কৰি ১।৫।৪৪ কৰি ২০।১০।৪৪ তাৰিখলৈকে জেলত আবদ্ধ কৰি ৰাখে। আজীৱন কংগ্ৰেছ কৰ্মী আছিল। ১৯৭৮ চনত এওঁৰ মৃত্যু হয়।

শ্ৰীনাথ কাকতী

১৯০০ চনত শিৱসাগৰৰ বলিয়াঘাটত জন্ম গ্ৰহণ কৰে। পিতৃৰ নাম প্ৰাণনাথ কাকতি। এল, পি স্কুলৰ শিক্ষকতা বৰ্জন কৰি ১৯২১ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

আন্দোলনত সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰাত বৃটিছ চৰকাৰে ৬০ টকা জৰিমনা কৰি অন্তৰীণ কৰি ঘৰত ৰাখিছিল।

১৯৩২ চনৰ স্বাধীনতা আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰে। পুলিচে গ্ৰেপ্তাৰ কৰি লকাপত ৰাখি এৰি দিয়ে। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪৩ চনত মৃত্যু হয়।

নেউলা দুৱৰা

এখেতৰ ঘৰ ফটোৱাগাওঁত আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত ভলন্টিয়াৰ হিচাবে কাম কৰিছিল। ১৯৩০।৩২ চনত আইন অমান্য আন্দোলনত যোগ দিয়াত গ্ৰেপ্তাৰ কৰে ৬ মাহ জেল হয়। ১৯৪২ চনৰ স্বাধীনতা যুজতো সক্ৰিয় অসহযোগ আৰু এজন পলাতক কৰ্মী হিচাবে কাম কৰে স্বাধীনতাৰ পাছত পঞ্চায়ত গাওঁ সংগঠনৰ কামত আত্ম নিয়োগ কৰিছিল। ১৯৭০ চনত মৃত্যু হয়।

দুৰ্গাধৰ বৰুৱা

১৮৯২ চনত এখেতে জন্ম লাভ কৰিছিল। ১৯২১ চনত কটন কলেজতৰ অন্য ছাত্ৰৰ লগতে শ্ৰেণী বৰ্জন কৰি অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ৬ মাহ জেল হয়। জেলৰ পৰা মুক্তি লাভ কৰি গঠন মূলক কামত আত্মনিয়োগ কৰে। তেওঁ কংগ্ৰেছৰ কোনো বিষয়বাব লোৱা নাছিল। এখেত অবিবাহিত আছিল।

১৯২১ চনতে তেওঁৰ মাটিতে সজা কংগ্ৰেছ অফিচ। মিলিটেৰীয়ে জুই লগাই ভস্মীভূত কৰাৰ পাছত তেওঁৰ ঘৰটিয়ে হৈ পৰিছিল গাঁৱৰ ভলন্টিয়াৰ সকলৰ আশ্ৰম স্থল।

১৯৩০ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল ত্যাগ কৰি অহা ছাত্ৰ সকলৰ কাৰণে যাদব প্ৰসাদ চলিহা সোণাৰাম দত্তৰ লৈতে শিৱসাগৰ বিদ্যাপীঠ প্ৰতিষ্ঠা কৰে।

১৯৩২ চনত ছমাহ ফাটেক হয়। জেলৰ পৰা ওলাই গঠনমূলক কামত আত্মনিয়োগ কৰে। তেওঁ বিধান সভাৰ সদস্য বা অইন কোনো পদ পদবি বিচৰা নাছিল। নিষ্ঠা ভাৱে গান্ধীজীৰ গঠনমূলক কাম কৰি গৈছিল।

১৯৪২ চনত শিৱসাগৰত গুপ্তভাবে গণ বিপ্লৱ পৰিচাল না কৰা তেওঁ অন্যতম নায়ক আছিল। তেওঁৰ পোচাক আছিল অতি সাধাৰণ। সেই কাৰণে শিৱসাগৰত মানুহে তেখেতক "গান্ধী" বুলি মাতিছিল।

দেশ স্বাধীন হোৱাৰ পাছত নিজে ঔষধ প্ৰস্তুত কৰি এখন আয়ুৰ্বেদিৰ দোকান খোলে। ১৯৭৫ চনত তেখেতৰ মৃত্যু হয়।

দুৰ্গাপ্ৰসাদ বৰুৱা

পিতৃ: গোলাপ চন্দ্ৰ বৰঠাকুৰ

১৯০৮ চনত হাঁহচৰা মৌজাৰ কুজিবালিত জন্ম গ্ৰহণ কৰে ১৯২১ চনত ওকালতি ব্যৱসায় বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে জিলা কংগ্ৰেছৰ সভাপতি হয়। ২০।১২।২১ তাৰিখে গ্ৰেপ্তাৰ কৰে, আৰু ওকালতি কৰে।

১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ কামতো আত্ম নিয়োগ কৰিছিল। ১৯৩১। ৩২ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল। যদিও আন্দোলনৰ সকলো কামতে সহযোগ আগবঢ়াইছিল।

১৯৩৮ চনত শিৱসাগৰ লোকেল ব'ৰ্ডৰ চেয়াৰমেন হয়। ১৯৪২ চনৰ গণ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। শিৱসাগৰ নগৰৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠানত জড়িত আছিল। আনহাতে শিৱসাগৰ বিশেষকৈ লাহচৰা মৌজাৰো উন্নয়নমূলক কামত আগ ভাগ লৈছিল। ১৯৭২ চনত মৃত্যু হয়।

দুৰ্গানন্দ কাকতি

পিতা— গোপনাথ কাকতি, মাতৃ— সুন্দৰী কাকতি।

১৮৯৮ চনত জন্ম গ্ৰহণ কৰে। ১৯২১ চনত বাগানৰ চাকৰি এৰি অসহযোগ আন্দোলনত নিষ্ঠাসহ আত্মনিয়োগ কৰে। তেখেতৰ ঘৰখন আছিল কংগ্ৰেছ কৰ্মী সকলৰ শিবিৰৰ দৰে। তেখেতৰ মাতৃ সুন্দৰী কাকতিও এগৰাকী সংগঠিকা আছিল। কংগ্ৰেছৰ প্ৰতিটো আন্দোলনতে

সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত তেখেতে পলাতক কৰ্মী হিচাবে থকাত কেইবাবাৰো পুলিচে ঘৰ তালাছি কৰি ছিল আৰু পুলিচৰ হাতত মাতৃ, পত্নী সকলোও অপমানিত হ'ব লগাত পৰিছিল। তেখেতৰ ১৯৪২ চনত ৮ মাহ জেল হৈছিল। গান্ধীৰ আদৰ্শক নিষ্ঠাবান ভাৱে মানি লৈ গঠনমূলক কৰ্মী হিচাবে জীৱনৰ শেষ মুহূৰ্তলৈ কংগ্ৰেছৰ কাম কৰিছিল ১৯৮৪ চনত এইজনা ব্যক্তি স্বৰ্গগামী হয়।

দুৰ্গেশ্বৰ দত্ত

শিৱসাগৰৰ মেটেকা নগৰ মহল মৌজাত ১৮৯৯ চনত দৰ্গেশ্বৰ দত্তৰ জন্ম হয়। তেওঁ ১৯২১ চনত কংগ্ৰেছৰ ভলন্টিয়াৰৰ দলত যোগ দিয়ে। আন্দোলন বন্ধ হোৱাত ব্যৱসায়ত লাগে। পুনৰ ১৯৩০।৩২ চনৰ আন্দোলনত যোগ দিয়ে। ১৯৩৪ চনত অস্পৃশ্যতা নিবাৰণৰ প্ৰচাৰ কাৰ্য্য সংগঠনৰ লাগে। ১৯৩৬ চনৰ পৰা কংগ্ৰেছ কমিটি গঠন আদি কামত আত্ম নিয়োগ কৰে। ১৯৩৮ চনত কানি বন্ধ কানিয়া শিবিৰত সেৱা কামত আত্ম নিয়োগ কৰে। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল —গ্ৰেপ্তাৰ হোৱা নাছিল। ১৯৪২ চনত দিখৌ শুকান পুখুৰীত মিলিটেৰীৰ দ্বাৰা নিৰ্য্যাতিত হয়। তেওঁৰ থকুৱা অৱস্থা বেয়া হৈ পৰাত শুকান পুখুৰীতে খেতি বাতিত আত্ম নিয়োগ কৰে। ১৯৭২ চনত মৃত্যু হয়।

দেওবৰ গগৈ

পিতা—কাশীৰাম গগৈ, বলিয়াঘাট।

এখেতে ১৯১৪ চনত জন্ম গ্ৰহণ কৰে। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ এজন ভলন্টিয়াৰ হিচাবে প্ৰশিক্ষণ লয়। ১৯৩২ চনত ৬ মাহ জেল হয়। জেলৰ পৰা মুক্তি হোৱাৰ পিছত গাওঁত গঠনমূলক কামত আত্ম নিয়োগ কৰিছিল। ১৯৪০-৪১ চনত সত্যাগ্ৰহ আন্দোলনত কেইবাবাৰো সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনত গণ আন্দোলনত এজন পলাতক কৰ্মী হিচাবে কাম কৰিছিল। দেশ স্বাধীন হোৱাৰ পিছত খাদি কামত কামত আত্ম নিয়োগ কৰিছিল আৰু ১৯৬৮ চনত মৃত্যু হয়।

দুৰ্গা প্ৰসাদ বৰুৱা

১৯০১ চনত শিৱসাগৰৰ অৰ্জুনগুৰিত জন্ম হয়। পিতৃ ৰতিকন্তা বৰপূজাৰী। ১৯২১ চনত স্কুল বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। পিকেটিং কৰাৰ বাবদ গ্ৰেপ্তাৰ কৰি তিনিমাহ ফাটেক দিয়ে। অসহযোগ আন্দোলন বন্ধ হোৱাত পৰিয়ালৰ ভৰন পোষণৰ কাৰণে ব্যৱসায়ত আত্ম নিয়োগ কৰে। কিন্তু কংগ্ৰেছৰ সংগঠন আৰু আন্দোলনত সদায় সহায় কৰি আহিছিল। ১৯৮২ চনত মৃত্যু হয়।

দেবেন বেজবৰুৱা

১৯২১ চনৰ পৰাই এজন কংগ্ৰেছ কৰ্মী ১৯৩০।৩২ চনৰ আন্দোলনত সক্ৰিয়ভাৱে ঘৰুৱা কাৰণত অংশ ল'ব পৰা নাছিল। বিভিন্ন অঞ্চলৰ ৰাজহুৱা কামত আগ ভাগ লৈ আহিছিল। ১৯৪২ চনৰ ৫ ডিচেম্বৰ পুলিচক দায়িত্ব পালন নকৰিবলৈ উচতনি দিয়া অভিযোগত গ্ৰেপ্তাৰ কৰি ৬ মাহ ফাটেক দিয়ে কিন্তু ম্যাদ শেষ হোৱাৰ লগে লগে আটক বন্দী হিচাবে জেলত আবদ্ধ কৰি এবছৰ কাল ৰাখে। ১৯৭৫ চনত মৃত্যু বৰণ কৰে।

ধনেশ্বৰ বৰুৱা

মৌজা—শিলাকুটি, মৰাণ গাওঁ।

এখেতে ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা লোক। এখেতে শিলাকুটি মৌজাত কানি ধৰি মাদক দ্ৰব্য বৰ্জনেই প্ৰথম আৰু মাই কাৰ্য্যসূচী লৈছিল। ১৯২৬ চনত গুৱাহাটী কংগ্ৰেছত এজন কৰ্মী হিচাবে যোগ দিছিল।

সভা সমিতিত বিদেশী কাপোৰ জ্বলোৱাটোও এটা কৰ্তব্যৰ ভিতৰত ধৰি লৈছিল।

ওচৰৰ গাওঁ বিলাকত কংগ্ৰেছৰ সভা কৰি প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰিছিল।

ধনেশ্বৰ হাজৰিকা

১৯৪২ চনত ২৬ চেপ্তেম্বৰত শিৱসাগৰৰ কাছাৰীত জাতীয় পতাকা উত্তোলন কৰিবলৈ যোৱা সমদলত যোগ দিয়াত গ্ৰেপ্তাৰী পৰোৱানা কৰি লৈছিল। ১৯৬৮ চনত মৃত্যু হয়।

ধনেশ্বৰ গগৈ

. জাপি সজীয়া গাওঁ ।

১৯৩০ চনত স্কুল বৰ্জন কৰি আইন অমান্য আন্দোলনৰ সংগঠন আৰু প্ৰচাৰ কাৰ্য্যত আত্ম-নিয়োগ কৰে। ১৯৩২ চনত ৩ মাহ জেল হয়। ১৯৩৪ চনত অস্পৃশ্যতা দূৰীকৰণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩৮ চনত ৱাৰ্দ্ধাত কুটীৰ শিল্পৰ প্ৰশিক্ষণ লৈ আহি গেলেকীত কাগজ তৈয়াৰ কৰা এটা কেন্দ্ৰ স্থাপন কৰে। ১৯৪২ চনৰ গণ-আন্দোলনত পুলিচৰ গ্ৰেপ্তাৰী পৰোৱানা ওলোৱাত আত্ম গোপন কৰি কাম কৰে।

১৯৪৫ চনৰ পৰা পুনৰ কাগজ তৈয়াৰ কৰা, মৌ পোহা আদি কেন্দ্ৰ স্থাপন কৰে। ১৯৮৪ চনত মৃত্যু হয়।

নন্দা ৰাম হাজৰিকা

আমগুৰি হিলৈদাৰী গাওঁ ।

১৯৩১।৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ভলন্টিয়াৰ সংগঠনত আগ ভাগ লৈছিল।

১৯৪০ চনত সক্ৰিয়ভাৱে আন্দোলনত অংশ গ্ৰহণ কৰিছিল। গুপ্ত ভাৱে সেই অঞ্চলত হোৱা বিভিন্ন ধ্বংসাত্মক ঘটনাৰ লগত জড়িত আছিল। ১৯৭২ চনত এখেতে মৃত্যু বৰণ কৰে।

নগেন শইকীয়া

পিতৃ— মকৰা, হিলৈদাৰী গাওঁ ।

১৯০৫ চনত এখেতে জন্ম জন্ম গ্ৰহণ কৰিছিল। ১৯৩১ চনত চাকৰি এৰি কংগ্ৰেছত যোগ দিয়ে। ১৯৩২ চনৰ আন্দোলনত ছমাহ জেল খাটে। জেলত ভেলৰ সকলো ধৰণৰ শাস্তি ভোগ কৰিব লগা হৈছিল। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পলাতক কৰ্মী হিচাবে ৰেল লাইন উঠোৱা আদি কাম কৰিছিল।

শংকৰ বৰুৱাৰ নেতৃত্বত গুপ্তভাবে থাকি কাম কৰিছিল। গুপ্তভাৱে সেই অঞ্চলত হোৱা বিভিন্ন ধ্বংসাত্মক ঘটনাত জড়িত আছিল। ১৯৬০ চনত মৃত্যু হয়।

নাৰায়ণ শৰ্ম্মা

পিতা— পোজাৰ শৰ্মা, ব্ৰাহ্মণ গাওঁ।

১৯৪০ চনত জন্ম গ্ৰহণ কৰে। ১৯৩১।৩২ চনত ছমাহ জেল জেলৰ পৰা মুক্তি লাভৰ পাছত জীৱন নিৰ্বাহৰ কাৰণে খেতি আৰু ব্যৱ সায়ত লাগে।

নিৰ্ম্মল বৰা

বলীয়া ঘাট, পিতা— চেনীৰাম বৰা।

এখেতে ১৯১৯ চনত জন্ম গ্ৰহণ কৰে। ১৯৩০ চনত স্কুল বৰ্জন কৰি আন্দোলনত সক্ৰিয় হিচাবে কামত আগ ভাগ লৈছিল।

পুলিচে গ্ৰেপ্তাৰ কৰি বিচাৰত কম বয়সীয়াল বাবে কৰ্‌া বেত দি এৰি দিয়ে। গঠনমূলক কামত আত্ম নিয়োগ আৰু কংগ্ৰেছৰ সংগঠন কামত জড়িত আছিল। ১৯৪২ চনত তেখেতে গুপ্তকৰ্মী হিচাবে আন্দোলনৰ: কাম কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত গাওঁ ৰক্ষা বাহিনী কামত: আত্ম নিয়োগ কৰে। ১৯৮২ চনৰ পৰা হৃদয় ৰোগৰ আক্ৰান্ত হৈ ১৯৮৭ মৃত্যু বৰণ কৰে।

নীল গগৈ

মহমৰা মৌজা, কাকতিবাৰী।

১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে নীল গগৈয়ে স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। সূতা কাটিবলৈ ঘৰে ঘৰে কপাহ খেতি কৰিবলৈ সূতা কাটি কাপোৰ তৈয়াৰ কৰি পিন্ধিবলৈ কানিয়াক কানি এৰুৱাবলৈ ভঙোৱাক ভাং এৰুৱাবলৈ মদাহীক মদ এৰুৱাবলৈ অশেষ কষ্ট কৰি কাম কৰিছিল। শিৱসাগৰ জিলা কংগ্ৰেছ স্বেচ্ছাসেৱক বাহিনীৰ উপ-অধিনায়ক আছিল।

সোণাৰী থানা ১৯৪২ চনৰ ১৬ চেপ্তেম্বৰ দিনা দখল কৰিবলৈ যাবৰ দিনা পুলিছে মাৰ কিল কৰি গ্ৰেপ্তাৰ কৰে। তিনি মাহ জেল হয়। জেলৰ পৰা মুক্তি লাভ কৰি পলাতক কৰ্মী হিচাবে ৰেল লাইন চ্যুত আদি কাৰ্য্য লিপ্ত হৈ পৰে।

দেশ স্বাধীনতাৰ পাছত হমগাৰ্ড বাহিনীৰত যোগদান কৰে। ১৯৮০ চনত মৃত্যু হয়।

পদ্মনাথ কাকতি, আমগুৰি ।

১৯২১ চনত কংগ্ৰেছৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাত চৰকাৰে ৬০ টকা জৰিমনা কৰে আৰু অন্তৰিন কৰি ৰাখে। দোকানৰ ব্যৱসাইয়ো বন্ধ হয় আৰু আৰ্থিক অৱস্থাও শোচনীয় হয়। কংগ্ৰেছৰ অফিচ ঘৰ সজাৰ কাৰণে এডোখৰ মাটি দান দিছিল।

১৯৩০।৩২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰি পুলিচ হাজোতত থাকিব লগীয়া হৈছিল। ১৯৪২ চনত ঘৰ ক্ৰোক কৰি পাইকাৰী জৰিমনা বাবত সোণৰ গহণা আদি নিছিল।

চৰকাৰে প্ৰকাশ কৰা মুক্তি যুঁজাৰুৰ নথি পত্ৰত, "বাপু কাকতি" বুলিছে আছে।

পৰশুৰাম বৰুৱা

মেলাচক, পিতৃ—লক্ষীৰাম বৰুৱা।

এখেত জীৱন কংগ্ৰেছী লোক, নাট্যকাৰ আৰু জয়মতী চিনেমাত গদাধৰ হৈছিল। ৪।৪।৪৪ তাৰিখে ৰাজদ্ৰোহ অপৰাধত গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত আটক বন্দী হিচাপে ৰাখি ৮-১-৪৫ তাৰিখত মুক্তি দিয়ে। কৰ্কট ৰোগত আক্ৰান্ত হৈ ১৯৮১ চনত স্বৰ্গগামী হয়।

পানীৰাম কুকন

১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছ স্বেচ্ছাসেৱক বাহিনীৰ এজন প্ৰধান কৰ্মী আছিল।

১৯৩২ চনত তিনিমাহ জেল হয়। মাদক দ্ৰব্য বৰ্জন কৰাৰ কামত আগবাঢ়ি গৈ কানিয়াক কানি এৰুৱাবলৈ দাহীক মদ এৰুৱাবলৈ যত্ন কৰিছিল। প্ৰাথমিক কংগ্ৰেছৰ কমিটি খিলাফ গঠন কৰাৰ আগ ভাগ লৈ কাম কৰাইছিল।

১৯৪২ চনৰ গণ আন্দোলনত পলাতক কৰ্মী হিচাপে শঙ্কৰ বৰুৱাৰ লগত তেওঁ গাৰক্ষী হিচাপে কাম কৰিছিল। ১৯৮২ চনত মৃত্যু হয়।

পানীৰাম গগৈ

এখেতে ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

পুন মাহমৰাত কানি, মদ, ভাং এৰুৱাবলৈ অনেক যত্ন কৰিছিল। মাহ মৰা মৌজাত কংগ্ৰেছ কমিটি গঠন কৰাত আগ ভাগ লৈছিল। সোণাৰী থানা দখল কৰিবলৈ যাওঁতে এখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পুলিচৰ লাঠিৰ কোব খায়। পুলিচে গ্ৰেপ্তাৰ কৰে আৰু তিনি মাহ জেল দিয়ে।

পদ্মধৰ চলিহা

১৯২১ চনত কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। কংগ্ৰেছৰ সংগঠন আৰু কানি বন্ধ কৰা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আন্দোলন স্থগিত হোৱাত পুনৰ পঢ়া আৰম্ভ কৰে। ওকালতি পৰীক্ষা দি শিৱসাগৰত ওকালতি আৰম্ভ কৰে। স্বৰাজ সংগীতে বহুতো ৰচনা কৰি পুস্তিকা হিচাবে প্ৰকাশ কৰে।

১৯৩০।৩২ চনৰ আন্দোলনতো অংশগ্ৰহণ কৰিছিল। শিৱসাগৰ নগৰৰ বিভিন্ন ৰাজহুৱা বিশেষকৈ নাট্য মন্দিৰ কামত জড়িত আছিল।

১৯৪২ আগষ্ট মাহত গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত আটক বন্দী হিচাবে মাহ ৰাখি মুক্তি দিয়ে। কিছুদিন অসমীয়া কাকতৰ সম্পাদক আছিল। শিৱসাগৰ কলেজ স্থাপন কৰে, আৰু মৃত্যুৰ সময়লৈকে তাৰ অধ্যক্ষ হিচাবে কাম কৰি ১৯৭৮ চনত মৃত্যু হয়।

পুষ্পধৰ চলিহা

১৯০৫ চনত এখেতে শিৱসাগৰ নগৰত জন্ম লাভ কৰে। ১৯৩০ চনত কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিছিল। তিনি মাহ জেল হয়। ১৯৩২ চনত ৬ মাহ জেল আৰু ২০০ টকা জৰিমনা হয়। অনাদায়ত এমাহ অধিক জেল খাটে। মুক্ত হৈ কংগ্ৰেছৰ বিভিন্ন সংগঠনত আত্ম নিয়োগ কৰিছিল। ১৯৪১ চনৰ সত্যাগ্ৰহ যোগ দিয়ে। দেশ স্বাধীনতা লাভ কৰাৰ পাছত শিৱসাগৰৰ মিউনিচিপেল বৰ্ডৰ চেয়াৰমেন আছিল। বিধান সভাৰো এখেত সদস্য আছিল। আজীৱন এজন কংগ্ৰেছী আছিল। বিভিন্ন ৰাজহুৱা কামত আগ ভাগ লৈছিল। ১৯৭৫ চনত এখেত স্বৰ্গগামী হয়।

পুণ্যধৰ চলিহা

১৮৯৭ চনত শিৱসাগৰ নগৰত এখেতৰ জন্ম হয়।১৯২৪ চনত স্কুল ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। তিনি মাহ জেল তেখেত আজীৱন কংগ্ৰেছী আছিল। ১৯৪৬ চনত মৃত্যু বৰণ কৰে।

পূৰ্ণানন্দ চেত্তীয়া

শিৱসাগৰ জিলাৰ বেতবাৰী মৌজাৰ মেৰ বিল গাৱঁত ২২ ফেব্ৰুৱাৰী ১৯০৭ চনত জন্ম হয়।

শিক্ষা শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰ পৰা ১৯২৬ চনত মেট্ৰিক পাছ কৰে। গুৱাহাটী কটন কলেজৰ পৰা ১৯৩১ চনত বি,এ পাছ্ কৰো। সেই চনতে আৰ্ল "ল'" কলেজত ভৰ্তি হয় কিন্তু ১৯৩৪ চনত কোনো "ল'" পৰীক্ষা নিদিয়াকৈ সিমানতে শিক্ষা সাং কৰে।

১৯৩৪ চনৰ ডিচেম্বৰ মাহত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সভ্য হয়। ১৯৩৭ চনৰ পৰা শিৱসাগৰ জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী কমিটিৰ সভ্য নিৰ্বাচিত হয়। ১৯৩৯ চনত শিৱসাগৰ জিলা কংগ্ৰেছৰ সম্পাদক নিৰ্বাচিত হয় আৰু সেই দায়িত্ব ১৯৪৬ চনলৈকে বহন কৰে। সত্যাগ্ৰহ কৰাৰ বাবে ১৯৪০ চনৰ ১ ডিচেম্বৰত গ্ৰেপ্তাৰ কৰি ১৭ ডিচেম্বৰত জেল হাজোতত ৰাখে। বিচাৰত পাচ টকা জৰিমনা কৰে। জৰিমনা আদায়ত এমাহ ফাটেক।

৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ১৫ চেপ্টেম্বৰত গ্ৰেপ্তাৰ কৰি যোৰহাট জেলৰ পৰা চিলেট জেললৈ চালন দিয়ে। ১৯৪৪ চনৰ ২৮ মে' তাৰিখে মুক্তি দিয়ে।

পূৰ্ণৰাম গগৈ

১৮৯৯ চনত জন্ম গ্ৰহণ কৰে। ১৯২১ চনৰ আন্দোলনত কলেজ বৰ্জন কৰি কংগ্ৰেছৰ কামত আত্ম নিয়োগ কৰে। এজন কংগ্ৰেছৰ ভাল সংগঠক আছিল। তিলক স্বৰাজ পুঁজি সংগ্ৰহৰ দায়িত্বত আছিল আৰু নিজে এখন স্বৰাজ নামে কিতাপ লেখি প্ৰকাশ কৰিছিল। ১৯২১ চনত এবছৰ জেল হয়। কংগ্ৰেছৰ সকলো কাম আৰু আন্দোলনত আগ ভাগ লয় যদিও জেললৈ যোৱা নাছিল। এজন জাতীয়বাদী আৰু স্বাধীনতা সংগ্ৰামত আগৰনুৱা সৈনিক আছিল। তেওঁৰ ১৯৫৫ চনত মৃত্যু হৰণ কৰে।

প্ৰিয়নাথ বৰুৱা

১৯০২ চনত ম'বাৰজাৰ মৌজাৰ বলনিয়া বৰুৱা গাঁৱত জন্ম হয়। পিতৃৰ নাম ধৰ্মেশ্বৰ বৰুৱা।

জাঁজী হাইস্কুলৰ পৰা ১৯২১ চনত মেট্ৰিক পাছ কৰি কটন কলেজত নাম লগাই। কিন্তু মহাত্মা গান্ধীৰ আহ্বানত কটন কলেজৰ একক সংখ্যক ছাত্ৰৰ লগতে কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। সেইতাকে বাগানত কাম কৰিছিল। ভয়ত ঘৰলৈ যোৱা নাছিল। অন্য সহকৰ্মীৰ লগত ঘূৰি ফুৰি কংগ্ৰেছৰ সংগঠন কাম কৰিছিল। কানি দোকানত পিকেটিং কৰাত ৩ মাহ জেল হয়। জেলৰ পৰা ওলাই পুনৰ কংগ্ৰেছৰ সংগঠন কামত লাগিছিল। কিন্তু কংগ্ৰেছ কৰ্ম নিষ্ক্ৰিয় হৈ পৰাত অ'ত ত'ত ঘূৰি ফুৰি কৰ্মযোগী ভুবনচন্দ্ৰ গগৈদেৱে শিৱসাগৰ নগৰত ১৯২৪ চনত স্থাপন কৰা অসম পলিটেকনিকেল স্কুলত শিক্ষক কামত সোমায়। শিৱসাগৰৰ পৰা তেখেতক পাট সাঁকো স্কুলখন পুনৰ সংগঠন কৰিবৰ কাৰণে পঠায়।

১৯৩০ চনত আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰি ১৯৩২ চনত শিৱসাগৰ নগৰৰ ১৪৪ ধাৰা ভঙ্গ কৰাত ৬ মাহ জেল হয়। পুনৰ স্কুলত কাম কৰাৰ লগতে কংগ্ৰেছৰ সংগঠন কামো কৰিছিল।

১৯৩৭ চনৰ বিধান সভাৰ নিৰ্বাচনত জিলা কংগ্ৰেছৰ প্ৰচাৰ বিভাগত দায়িত্বত আছিল। ১৯৩৯ চনত জিলা কংগ্ৰেছৰ অন্যতম সম্পাদক হয়।

১৯৪১ চনত সত্যাগ্ৰহ কৰাত তিনিমাহ জেল আৰু ৫০ টকা জৰিমনা অনাদায়ত এমাহ ফাটেক। পুনৰ ১৯৪২ চনৰ গণ আন্দোলনত ২ বছৰ কাল আটক বন্দী হিচাবে যোৰহাট জেলত আবদ্ধ থাকে।

১৯৪৪ চনত জেলৰ পৰা ওলাই কংগ্ৰেছ গঠনমূলক কামত আত্ম নিয়োগ কৰে। ১৯৪৮ চনত গাওঁ উন্নয়ন বিষয়া হয়। কামৰ পৰা অৱসৰ পোৱাৰ পাছত পুনৰ গঠনমূলক কামত আত্মনিয়োগ কৰে।

১৯৭৮ চনত শিৱসাগৰ জনতা পাৰ্টিৰ সভাপতি হয়।

১৯৮৯ চনৰ ২ অক্টোবৰত এই অক্লান্ত কৰ্মীজনৰ মৃত্যু হয়।

প্ৰফুল্ল চন্দ্ৰ বৰুৱা

জন্ম ১৯০০ খৃষ্টাব্দৰ মাৰ্চ মাহত। পিতৃ লক্ষীৰাম বৰুৱা। মাতৃ জলহৰী তেজপুৰ আৰু গুৱাহাটীত প্ৰাথমিক পৰ্য্যায়ৰ শিক্ষা শেষ কৰি মংগলদৈ হাইস্কুলত নাম ভৰ্ত্তি কৰে। ১৯১৮ চনত প্ৰথম বিভাগত অসমৰ ভিতৰত ৬ষ্ঠ স্থান লাভ কৰি কলিকতা কিশু বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পাছ কৰি

কলিকতাৰ ৰিপণ কলেজত তৃতীয় বাৰ্ষিক শ্ৰেণীলৈ বি, এছ, চি পঢ়ি থকা সময়তে আনুষ্ঠানিক শিক্ষা ত্যাগ কৰি গান্ধীজীৰ আদৰ্শত ব্ৰতী হৈ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰে। তেখেতে মংগলদৈক কৰ্মক্ষেত্ৰ হিচাবে বাচি লৈ জিলা কংগ্ৰেছৰ সভাপতি হোৱাৰ উপৰিও স্বেচ্ছাসেৱক বাহিনীৰ অধিনায়ক ৰূপে কাম কৰিছিল। এইদৰে অসহযোগ আন্দোলনত বলিষ্ঠ ভূমিকা লৈ দুমপিচকীত গ্ৰেপ্তাৰ বৰণ কৰি তেজপুৰত ৬ মাহ কাৰাদণ্ড ভোগে। ১৯৩০ চনৰ পৰা ১৯৩৯ চনলৈ কেবাবাৰো বৰুৱা চৰকাৰৰ নজৰ বন্দী হৈ থাকে। ১৯৪০ চনত ইংৰাজ মিলিটাৰীয়ে গ্ৰেপ্তাৰ কৰি চাৰিমাহ কাৰাৰুদ্ধ কৰি ৰাখে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগ দি বৰুৱাই ছমাহ সশ্ৰম কাৰাদণ্ড, নমাহ চিকিউৰিটি বন্দী, ডেৰ বছৰ অসমৰ পৰা বহিস্কাৰ আৰু এবছৰ চিলঙত অন্তৰীপ বন্দী হিচাপে শাস্তি ভুগিব লগা হৈছিল। বৰুৱাই শেষত মংগলদৈৰ পৰা শিৱসাগৰলৈ গৈ তাতো স্থায়ীভাবে বসতি কৰে আৰু শিৱসাগৰৰ জিলা কংগ্ৰেছৰ সভাপতি হয়।

বৰুৱাদেৱ এগৰাকী সুঅভিনেতাও আছিল। জ্যোতিপ্ৰসাদৰ জয়মতী চলচিত্ৰত বৰুৱাই বৰগোহাঁইৰ আৰু তেওঁৰ শিশু পুত্ৰ ৰঞ্জিত আৰু জয়ন্তই লাই, লেচাইৰ অভিনয় কৰিছিল। বৰুৱাদেৱ শিক্ষা, সাহিত্য, উদ্যোগ, সংস্কৃতি, ৰাজনীতি আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত আছিল। টি বোৰ্ডৰ উপ সভাপতি ৰূপেও তেওঁ কাৰ্য্যভাৰ গ্ৰহণ কৰিছিল। অসম সাহিত্য সভা অনুষ্ঠানটি প্ৰাণসম ভালপোৱা বাবে তেখেতে পিতৃৰ স্মৃতি যুগমীয়া কৰিবৰ কাৰণে গুৱাহাটীৰ সংগীতাচাৰ্য্য লক্ষীৰাম বৰুৱা সদন নিৰ্মাণৰ বাবে উল্লেখযোগ্য বৰঙণি আগবঢ়ায়। ১৯৬০ চনত সন্তাবিনোৱাজী ভূদান আন্দোলন সম্পৰ্কত অসমলৈ আহোতে অসমীয়াৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ দান ১০০০ বিঘা মাটি দান কৰি অভিলেখ স্থাপন কৰিছিল। বৰুৱাদেৱ শিৱসাগৰ কলেজৰ অন্যতম দাতা প্ৰতিষ্ঠাপক আৰু কেবা বছৰো সভাপতি হৈছিল। বৰুৱাদেৱ ১৯৫৭ আৰু ১৯৬০ চনত লোকসভাৰ সদস্য নিৰ্বাচিত হৈছিল। ১৯৮৬ চনৰ ২ মাৰ্চত এই গৰাকী মহান লোকৰ পৰলোক প্ৰাপ্তি ঘটে।

প্ৰেমেশ্বৰ শইকীয়া

১৯২৬ চনত শিৱসাগৰৰ নকাটনি গাৱঁত জন্ম হয়। কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩৭ চনত খাদী আৰু গ্ৰাম্য উদ্যোগ

প্ৰশিক্ষণ ল'ব। নিখিল ভাৰত নিখিল সংঘৰ নকট নকটনি কেন্দ্ৰৰ দায়িত্ব দিয়া হয়। নকটানি শিৱসাগৰৰ জিলাৰ স্বেচ্ছাসেৱক বাহিনীৰ পশিক্ষণ শিবিৰ সম্পাদক। ১৯৩৮ চনত গোকাবিল হোৱা শিৱসাগৰ জিলাৰ ৰাষ্ট্ৰীয় সন্মিলনৰ অন্যতম সম্পাদক আছিল আৰু ১৯৪৮ চনত চনত সত্যাগ্ৰহৰ প্ৰশিক্ষণ সেৱী সংঘৰ কৰ্মী হিচাবে সত্যাগ্ৰহ কৰিবলৈ দিয়া নহ'ল। ১৯৪২ চনৰ গণবিপ্লৱত গুপ্ত ভাৱে সক্ৰিস্থ অংশ গ্ৰহণ কৰিছিল। আন্দোলনৰ পাচত ৰহাৰ খাদী কেন্দ্ৰত কাম কৰে। ১৯৭৬ চনত ৰেল লাইন পাৰ হওঁতে ৰেলৰ খুন্দত গুৱাহাটীত মৃত্যু হয়।

ফটিক কাকতি

পিতৃ যজ্ঞেশ্বৰ কাকতি। ত্ৰটিক চন্দ্ৰ কাকতিয়ে জাঁজী হাইস্কুলত সপ্তম মান শ্ৰেণীত পঢ়ি থাকোতেই কানিহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল ত্যাগ কৰি কংগ্ৰেছৰ আন্দোলনত যোগ দিয়ে।

১৯৩০ চনত অসহযোগ আন্দোলনত বিলাতী কাপোৰৰ দোকানত পিকেটিং কৰাৰ বাবে কাকতিক ৯ আগতত গ্ৰেপ্তাৰ কৰে আৰু তিনি মাহৰ বাবে জেল হয়। ৩ মাহ ফাটেকৰ মুৰত ১৯৩০ চনৰ ডিচেম্বৰ মাহত মুক্তি লাভ কৰে। এওক নিজ গাৱৰ ৰাইজে ফাটেক খোৱাৰ বাবে ভোজ ৰ সবাহত শাৰীৰ মুৰত খাবলৈ দিছিল। ১৯৪২ চনৰ গণ আন্দোলনৰ এজনা সক্ৰিয় কৰ্মী আছিল।

মাজে মাজে এও জিলা ' ংছু ৰ কাৰ্য্যালয়ৰ সম্পাদক ৰূপেও কাম কৰিছিল। ীৱনৰ শেষ চোৱাৰ শাৰীৰি অসুস্থতাৰ বাবে পৰিয়ালৰ ভৰণ পোষণৰ বাবে কঠোৰ শ্ৰম কৰিব লগা হৈছিল। দুখ কষ্ট ভোগী ১৯৫৫ চনত স্বৰ্গগামী হয়।

ফটিক চলিহা

১৯৩০ চনৰ আইন অমান্য আন্দোলনত কাছাৰীত পিকেটিং কৰা কাৰণে গ্ৰেপ্তাৰ আৰু তিনিমাহ ফাটেক হয়। এজন আজীৱন কংগ্ৰেছী লোক আছিল। ১৯৮৪ চনত মৃত্যু হয়।

ফটিক চন্দ্ৰ ভুঞা

ভূঞাগাওঁ আমগুৰি। পিতা বস্ত ভুঞা। এখেতে ১৯০৮ চনত জন্ম লাভ কৰিছিল। ১৯৩০ চনৰ আন্দোলনত যোগ দিছিল। ১৯৩১।৩২ চনত ছমাহ জেল হয়।

১৯৩২ চনৰ পৰা কংগ্ৰেছৰ সংগঠনৰ কামত আশা সুধীয়া হিচাবে কামত লাগে। এজন ভাল গায়ক আছিল, তেওঁ সংগঠন কামত সহায়ক হৈছিল।

১৯৪২ চনৰ আন্দোলনত আটক বন্দী হৈ যোৰহাট জেলত এবছৰ আছিল। মুক্ত হৈ কংগ্ৰেছ সেৱাদল সংগঠন আৰু হ'মগাৰ্ড কামত যোগ দিছিল। ১৯৬৮ চনত তেখেত স্বৰ্গগামী হয়।

ফণীধৰ গগৈ ওৰফে আলিচ: শিৱসাগৰ ভটিয়াপাৰ

জকাইচুক মৌজা, ২নং মাউগাওঁ। এখেতে ১৯০৬ চনত জন্ম লাভ কৰে। এখেতৰ পিতা সোনাই গগৈ. মাতৃ অকণ গগৈ। ১৯৩৮ চনত এখেতে কংগ্ৰেছত যোগ দিছিল। ১৯৪০ চনত সেৱাদল প্ৰশিক্ষণ লৈছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল। এৰাতি জেলত থাকিব লগীয়া হৈছিল।

১৯৪২ চনৰ আন্দোলনতো সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। অঞ্চলৰ সকলো ৰাজহুৱা কাম কাজত আগ ভাগ লৈছিল। ভাৰত চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

ফটিক চন্দ্ৰ ফুকন

১৯১৭ চনত শিৱসাগৰৰ ভাটিয়াপাৰত জন্ম হয়। ১৯৩০।৩২ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল। কিন্তু গ্ৰেপ্তাৰ কৰা নাছিল। ১৯৪১ চনৰ শিৱসাগৰ উপনিৰ্বাচনত কংগ্ৰেছ প্ৰাৰ্থীৰ কাৰণে প্ৰচাৰ কাৰ্য্য কৰোতে মটৰ দুৰ্ঘটনাত মৃত্যু বৰণ কৰে।

বলোৰাম চলিহা

জন্ম ১৯০০ চন। মৃত্যু ১৯৮৩ চন। শিৱসাগৰ চাৰিং অঞ্চলত জন্ম হয়। শিক্ষা জীৱন সাং কৰাৰ পাছত চাবুৱা বাগানত কামত সোমায়। পাছত ক্ৰমান্বয়ে চাৰিং হাইস্কুলত আৰু গুৰিং ডাক ঘৰত পোষ্ট মাষ্টৰ হিচাবে চাকৰি কৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত ১৯২১ চনৰ পৰা ১৯৪২ চনলৈকে তেখেতে সক্ৰিয় বিপ্লৱী কৰ্মী হিচাবে কাম কৰিছিল।

তেখেতে শঙ্কৰ সংঘৰ চাবিং অঞ্চলৰ প্ৰতি ১৯৭৯ চনৰ পৰা মৃত্যুৰ আগমুহূৰ্তলৈকে চাবিং আঞ্চলিক কংগ্ৰেছৰ সভাপতি আছিল। ১৯৩০ চনত ৩ মাহ আৰু ১৯৩২ চনত ছমাহ জেল হয়।

১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ৯ মাহ জেল হয়। জেলত থকা অৱস্থাতে পুলিচে ঘৰৰ বস্তু আদি লুটপাত কৰি ঘৰখন লণ্ড-ভণ্ড কৰি পেলাইছিল। অনেক কৰিও নিজৰ কৰ্তব্য এৰি দিয়া নাছিল। ১৯৮৩ চনত মৃত্যু হয়।

বগাই নাথ

চাবিংথা গাওঁ ম'বাজবজাৰ। মবাবজাৰ মৌজাৰ চাবিংগা গাওঁত গাই নাথৰ ১৯১৮ চন জানুৱাৰীত জন্ম হয়। পিতৃৰ নাম কমলা নাথ। সৰুকালত স্থানীয় প্ৰাইমেৰী স্কুলত শিক্ষা লাভ কৰে। ৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সহাৰি জনাই তেওঁৰ পৰিয়ালৰ ভোগ কৰা তিনি পুৰুষীয়া গাওঁবুঢ়া পদ ইস্তফা দি আন্দোলনত সক্ৰিয় সহযোগ কৰে। পলাতক অৱস্থাত থকাত তেওঁৰ ঘৰত থকা লোকে সঘনে পুলিচৰ উপদ্ৰৱ ভোগ কৰিব লগা হৈছিল। পাইকাৰী জৰিমনা আদি বলেৰে আদায় কৰি নিছিল। মৃত্যুৰ সময়লৈকে কংগ্ৰেছৰ এজন গঠন মূলক কৰ্মী হিচাবে নিজ গাওঁত কাম কৰি ৰাইজৰ প্ৰিয় ভাজন হৈ পৰিছিল। ১৯৬০ চনৰ তিনি এপ্ৰিল তাৰিখে মৃত্যু হয়।

বগাই গগৈ

পিতা বুধৰ গগৈ, বলিয়াঘাট। জন্ম ১৯১৪। ১৯৩২ চনত কানি মহলত পিকেটিং কৰাৰ কাৰণে ৬ মাহ জেল হৈছিল। আজীৱন কংগ্ৰেছৰ হৈ কাম কৰিছিল। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল আন্দোলনত তেওঁ গ্ৰেপ্তাৰ হোৱা নাছিল। ১৯৮০ চনত তেওঁৰ মৃত্যু হয়।

বগাৰাম থনিকৰ

মৌজা শিলাকুটি। গাওঁ থনিকৰ। এখেতে ১৯২১ চন স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

মহিলা সকলক কলৰ সুতাৰ কাপোৰ বৰ্জন কৰাইছিল। নিজে টাকুৰিত সুতাও কাটিছিল আৰু মহিলা সকলক শিকাইছিল। ১৯৩০।৩২ আৰু ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় ভাৱে জড়িত আছিল। মৌজাৰ বিভিন্ন উন্নয়নমূলক কামত আগ ভাগ লৈছিল। ১৯৫৫ চনত মৃত্যু হয়।

বদন চন্দ্ৰ বৰুৱা

১৯৫২ চনৰ গণ বিপ্লৱত ভাৰত প্ৰতিৰক্ষা আইনৰ ১২৯ ধাৰা মতে ১২।১।৪১ তাৰিখত মুক্তি হয়। ৬-৮-৪১ত ৩৮ নং ধাৰা মতে পুনৰ আটক কৰে। ২৮-৮-৪১ত মুক্তি দিয়ে।

বদন চন্দ্ৰ বৰগোঁহাই

১৯৩০ চনত চৰকাৰী পিয়নৰ চাকৰি ত্যাগ আৰু কংগ্ৰেছৰপ্ৰচাৰ কাৰ্য্য আৰম্ভ কৰে। ১৯৩৯ চনত কানি নিবাৰণ অভিযানত যোগ দিয়ে।

৪২ চনত ভাৰত ত্যাগ আন্দোলনত স্বেচ্ছাসেৱক দলত যোগ দিয়ে। ১৯৪২ চনৰ ১০ ছেপ্টেম্বৰত সোণাৰী থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচৰ নিৰ্য্যাতন ভোগ কৰে। ১৯৪২ চনৰ ২৬ ছেপ্টেম্বৰত শিৱসাগৰৰ থানা আৰু কৰ্টত পতাকা উত্তোলন কৰি যোৱা সমদলৰ ওপৰত বিভিন্ন পথত স-শস্ত্ৰ পুলিচে লাঠি চালনাৰ উপৰি বন্দুক নলী বেনেটেৰে খুচি খুচি বহুতক জখম কৰে। বৰগোঁহাই বিশেষভাবে আঘাত পায়, ঘুণীয়া হয়।

১৯৪৮ চনত এই দেশ প্ৰেমিকজনৰ মৃত্যু হয় দুখ কষ্ট ভোগ কৰি।

বাপু কছাৰী

এওঁ ভাত গাজ অঞ্চলত ১৯৩০ চনতে স্ব-প্ৰণোদিত ভাবে কংগ্ৰেছৰ সংগঠন কাম আৰম্ভ কৰে। ভলন্টিয়াৰ আৰু ১৯৩২ চনত পিকেটিং কৰিছিল।

১৯৩৬ চনত কৃষক সভা সংগঠন আৰু ১৯৩৮ চনত কানিবন্ধ কামত বিশেষভাবে অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাত গ্ৰেপ্তাৰ কৰি ছমাহ জেল দিয়ে।

বিষ্ণুৰাম বৰুৱা

১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। ১৯২৮ চনত চাইমন কমিচনকলৈ ভাৰত জুৰি হৰতাল হোৱাত শিৱসাগৰতো সংগঠন, হৰতাল, শোভাযাত্ৰা কৰিছিল। ১৯৩০ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৩২ চনৰ আন্দোলনত তেওঁৰ ৬ মাহ জেল হয়। ১৯৪৪।৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৬৮ চনত মৃত্যু হয়।

বেনু হাজৰীকা

১৯১৮ চনত মাহমৰা মৌজাৰ কাকতি বাৰী গাওঁত জন্ম গ্ৰহণ কৰে। ১৯৪২ চনত স্কুল বৰ্জন কৰি গণ আন্দোলনত যোগ দি পলাতক কৰ্মী হিচাবে সোণাৰী আৰু মৰাণ খানাৰ অন্তৰ্গত অগ্নি সংযোগ আৰু ৰেল লাইনচ্যুত দুৰ্ঘটনাত জড়িত আছিল। গ্ৰেপ্তাৰ কৰি এমাহৰ বেচি দিন হাজোতত ৰাখি সাক্ষীৰ অভাৱত খালাচ দিয়ে।

১৯৪২ চনৰ ২০ চেপ্টেম্বৰত কাকতীবাৰীৰ পৰা সোণাৰী খানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচে অতি নিষ্ঠুৰ ভাৱে মাৰপিট কৰে।

১৯৪৬ চনত বনুৱা সংগঠনৰ লগত জড়িত হয় আৰু ডিব্ৰুগড় চাহ মজদুৰ সংঘৰ সম্পাদক হয়। ১৯৭৬ চনত ৰাতি ঘৰলৈ যাওঁতে মটৰৰে খুন্দিয়াই হত্যা কৰে।

বিমলাচৰণ শৰ্ম্মা (খাটনিয়াৰ)

ঘৰ শিৱসাগৰ নগৰৰ আমোলাপট্টিৰ হেমচন্দ্ৰ পথত। ১৯১১ চনৰ ১৭ জানুৱাৰীত জন্ম গ্ৰহণ কৰে। পিতৃ দুৰ্গাচৰণ শৰ্মা (খাটনিয়াৰ)।

১৯৩০ চনত বিমলাচৰণ শৰ্মাই কানিংহাম চাৰ্কুলাৰ প্ৰতিবাদত শিৱসাগৰত ছাত্ৰ সংগঠনত আগ ভাগ লৈ নিজেও ২৪ জুলাইত আৰু তিনিজন সহকৰ্মীৰ সৈতে পিকেটিং কৰাত গ্ৰেপ্তাৰ হয় আৰু ছয়মাহ জেল হয় শৰ্মাই শিৱসাগৰ আৰু শিলচৰ কাৰাগাৰত মুঠতে ছয় মাহ ফাটেক খাব লগা হৈছিল। তেখেতে শিৱসাগৰ জেলৰ পৰা ম্যাদ শেষ হোৱাত খালাচ হয়। ১৯৩২।৪১।৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। গুপ্ত ভাবে বিপ্লৱী সকলক সহায় কৰিছিল। আজীৱন কংগ্ৰেছ কৰ্মী আছিল। ১৯৮২ চনৰ ৩ জুলাইত মৃত্যু হয়।

বসন্ত চেতীয়া

জন্ম-১৮৯৪। মৃত্যু--১৯৬৭। ১৯৩৮।৩৯ চনৰ ডিগবৈ গুতেল শোধনাগাৰৰ ধৰ্মঘটত অংশ গ্ৰহণ কৰাত চাকৰি যায়। ১৯৪২ চনৰ গণ গণ বিপ্লৱত সক্ৰিয় অংশ লৈছিল। এজন পলাতক কৰ্মী হিচাবে সেই অঞ্চলত হোৱা বিভিন্ন ধ্বংসাত্মক কামত বিশেষ কৰি ৰেল বগৰোৱা আদি কাৰ্য্যত লিপ্ত আছিল।

বসন্ত বৰঠাকুৰ

পিতা--চন্দ্ৰনাথ বৰঠাকুৰ। আমগুৰি, ব্ৰাহ্মণ গাওঁ। জন্ম--১৯১০ মৃত্যু-১৯৬৮। ১৯৩০ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ দলত ভুক্ত হয় ১৯৩২ চনত শিৱসাগৰত ১৪৪ ধাৰা ভঙ্গ কৰিবলৈ যোৱা সমদলত যোৱাত গ্ৰেপ্তাৰ কৰে আৰু ছয়মাহ জেল হয়। ১৯৪২ চনৰ এজন সক্ৰিয় কৰ্মী আছিল। সেৱাদল আৰু হমগাৰ্ডত যোগ দিছিল। ১৯৬৮ চনত মৃত্যু হয়।

বলোৰাম গগৈ

১৮৯৬ চনৰ পহিলা বহাগত বলোৰাম গগৈৰ জন্ম হয়, শিৱসাগৰ জিলাৰ দিগাং খেৰ দীঘল সৰিয়নী গাৱত। পিতৃৰ নাম গংগাধৰ। ১৯২০ চনত শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰয় পৰা তেওঁ প্ৰথম বিভাগত জলপানী সহ প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। কিন্তু কলেজত পঢ়িবলৈ গগৈ ১৯২০।২১ চনৰ স্বাধীনতা আন্দোলনত যোগদান কৰে। বলোৰম গগৈদেৱৰ তিনিমাহ জেল হয়। ১৯৩০।৩২ চনৰ আইন অমান্য আন্দোলনত মুঠতে ৯ মাহ জেল হৈছিল। গগৈদেৱে গোটেই জীৱন কাল চোৱা স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। অসমৰ পিচপৰা জনজাতি লোক সকলৰ উন্নতিৰ কাৰণে তেখেতে জীৱনৰ অন্তিম কাললৈকে দেহেকেহে চেষ্টা চলাই আহিছিল। মিচিং, মিৰি জনজাতি সম্প্ৰদায়ৰ মাজত শিক্ষা বিস্তাৰ কৰি তেওঁলোকক উন্নত কৰিবৰ মানসেৰে তেওঁ ১৯৩৬-৩৭ চনত চাবুৱা থানাৰ মাটমৰা অঞ্চললৈ যায় আৰু তাত এখন এম, ই স্কুল স্থাপন কৰে। বৰ্ত্তমান ইয়াতে মাতমৰা চৰকাৰী হাই-স্কুল। গগৈদেৱৰ আৰু মিচিং জনসাধাৰণৰ মাজত গঠনমূলক কামত সোহাত স্বৰূপে সহায় কৰিছিল তেওঁৰ বন্ধু বেথাৰাম পেগুয়ে, তেখেত এজন নিভাজ সমাজ আৰু দেশ কৰ্মী আছিল। গগৈ দেৱৰ স্কুল স্থাপন আৰু আন আন উন্নতিৰ কামবোৰৰ কাৰণে ধন সংগ্ৰহৰ কাৰণে বহাগ বিহুৰ সময়ত বিহু হুচুৰীৰ দল গঠন কৰি ধন সংগ্ৰহৰ কাৰণে তেওঁ শিৱ-সাগৰৰ লক্ষীমপুৰত হুচৰী গাই ধন সংগ্ৰহ কৰিছিল। গগৈদেৱ এজন স্বভাৱ সুলভ কবি আছিল। তেখেতে অনেক গীত কবিতা লিখি থৈ যায়। তেখেতৰ কবিতা সমূহত বিশেষকৈ স্বাধীন চিতিয়া মনোভাৱ প্ৰকাশ পাইছিল। তেওঁ সৰু ল'ৰা ছোৱালীৰ মাজত গীত গোৱাৰ শিক্ষা দিছিল। ১৯৪৭-৪৮ চনত মধ্যপ্ৰদেশৰ ৱাৰ্দ্ধাত এবছৰীয়া বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণ গ্ৰহণ কৰে।

মাটমৰা স্কুলতে শিক্ষকতাৰ কাম কৰি থাকোতে গগৈদেৱ তেজ গ্ৰহণী অসুখত আক্ৰান্ত হয়। চিকিৎসাৰ কাৰণে ঘৰলৈ অনা হয় কিন্তু ১৯৫০ চনৰ আহাৰ মাহত ইহলীলা সম্বৰণ কৰে।

বিনন্দ চন্দ্ৰ বৰা

বলিয়াঘাট। পিতা--ভোগানন্দ বৰা। এখেতে ১৯১৬ চনত জন্ম গ্ৰহণ কৰে। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩২ চনত কানি দোকানত পিকেটিং কৰাৰ বাবে ৬ মাহ জেল হয়। জেলৰ পৰা মুক্ত হৈ গঠনমূলক কামত আত্ম নিয়োগ কৰে। ১৯৪০ চনত সত্যাগ্ৰহ কৰাত গ্ৰেপ্তাৰ কৰে যদিও এৰি দিয়ে। ১৯৪২ চনত আন্দোলনত সক্ৰিয় পলাতক কৰ্মী হিচাবে কাম কৰিছিল। ১৯৪৮ চনত বলিয়া ঘাটৰ পৰা গৈ মৰিয়ণী ষ্টেচনত এখন চাহৰ দোকানলৈ কাৰবাৰ আৰম্ভ কৰে। মৰিয়ণী অঞ্চলত শিক্ষা, হাইস্কুল, কলেজ, স্থাপন ইত্যাদি। অনুষ্ঠানৰ সংগঠনত আগ ভাগ লৈছিল। ১৯৮৫ চনত তেখেতৰ মৃত্যু হয়।

বিষ্ণু বৰা

পিতা--আনন্দি বৰা। ১৯১৬ চনত এখেতে জন্ম লাভ কৰে বলিয়াঘাটগাওঁত। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩২ চনত কানি দোকানত পিকেটিং কৰাত গ্ৰেপ্তাৰ কৰি এৰি দিয়ে আৰু ১৯৩২ চনত শিৱসাগৰৰ নগৰৰ ১৪৪ ধাৰা ভংগ কৰিবলৈ যোৱাত পুলিচে গ্ৰেপ্তাৰ কৰি ৰাতি মথুৰাপুৰ আঞ্চলত এৰি দিয়ে। ১৯৪২ চনৰ আন্দোলনৰ এজন পলাতক কৰ্মী আছিল। দেশে স্বাধীনতা পোৱাৰ পিছত বলিয়াঘাট প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আৰু অন্যান্য ৰাজহুৱা কামত আগ ভাগ লৈছিল। ১৯৮৬ চনত তেখেতে মৃত্যু বৰণ কৰে।

বিষ্ণু প্ৰসাদ চলিহা

বিষ্ণু প্ৰসাদ চলিহাৰ জন্ম, ১৮৯৩ চনত। গোলাঘাটৰ ঢেকিয়ালৰ বেতিয়নী কাকতী গাওঁৰ পূৰ্ণানন্দ চলিহাৰ ৩য় পুত্ৰ আছিল। যোৰহাটৰ কেওঃগুৰীত থাকি ছাত্ৰ জীৱনৰ পাতনি মেলে। ১৯১২ চনত বিখ্যাত অসমীয়া ব্যৱসায়ী ভোলানাথ বৰুৱাৰ ব্যৱসায়ৰ লগত জড়িত হৈ বিহাৰৰ ঝাৰিয়াত কিছুদিন কাম কৰাৰ পিছত চাহ বাগিছাৰ মেনেজাৰ কাম কৰে। ১৯২১ চনৰ পৰাই কংগ্ৰেছভাবাপন্ন আছিল। ১৯৩৬ চনৰ পৰা সক্ৰিয় ভাবে কংগ্ৰেছত যোগ দিয়ে। শিৱসাগৰ জিলা কংগ্ৰেছ বিভিন্ন সময়ত বিভিন্ন বিষয় ববীয়া হিচাপে বহু বছৰ কাৰ্য্য নিৰ্বাহ কৰে। ৪২ চনৰ গণ আন্দোলনত আটক বন্দী হিচাবে যোৰহাট জেলত আছিল। বহু সংখ্যক ৰাজ-

হুৱা অনুষ্ঠানৰ লগত সক্রিয় ভাবে জড়িত আছিল। শিৱসাগৰ স্কুল বৰ্ডৰ চেয়াৰমেন। শিৱসাগৰ টাউন কো: অ: ক্রেডিত চচাইটিৰ সম্পাদক হিচাবে কার্য্য নির্বাহ কৰিছিল। ৰাজনৈতিক পেঞ্চন গ্রহণ কৰা নাছিল। ১৯৬৩ চনৰ ৫ মার্চ তাৰিখে মৃত্যু হয়।

বুদ্ধ চলিহা

১৯১০ চনত বুদ্ধ চলিহাদেৱে জন্ম লাভ কৰে শিৱসাগৰ নগৰত। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। পিকেটিং কৰাৰ বাবে তিনিমাহ জেল হয়।

১৯৪২ চনৰ গণ বিপ্লৱত অংশ গ্রহণ কৰিছিল। ১৯৮০ চনত এখেতে দেহত্যাগ কৰে।

বেথাৰাম বৰুৱা

দিছিয়াৰ গাওঁ। জোকাইচুট মৌজা। ১৮৯৮ চনত এখেতৰ জন্ম হয়। ১৯২১ চনত অসহযোগ আন্দোলনত এজন ভলন্টিয়াৰ হিচাবে কাম কৰিছিল। ১৯৩০।৩২ চনৰ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল। তেওঁৰ ৬ মাহ জেল হয়। খনা খোকোৰা। প্রাথমিক কংগ্রেছ কমিটিৰ সম্পাদক আছিল। ১৯৪১ চনত সত্যাগ্রহ কৰিছিল কিন্তু গ্রেপ্তাৰ হোৱা নাছিল। ১৯৪২ চনত গণ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰিছিল আৰু ৮ মাহ জেল হয়। খনা খোকোৰাত এম, ই স্কুল স্থাপন, আলি বন্ধা আদি বিভিন্ন ৰাজহুৱা কামত আত্ম নিয়োগ কৰিছিল। ১৯৭৮ চনত মৃত্যু হয়।

বৈদনাথ বৰঠাকুৰ

নাজিৰা। পিতা—গংগানাথ বৰঠাকুৰ। ১৯২১ চনত কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ৯ মাহ জেল হয়। ১৯৩০।৩২ আৰু ১৯৪২ৰ গণ বিপ্লৱত অংশ গ্রহণ কৰিছিল। ১৯৭৮ চনত এখেতৰ মৃত্যু হয়।

বৈদ্যনাথ বৰপুজাৰী

নাজিৰা ১৯১৮ চনত এখেতৰ জন্ম হয়। এখেতৰ পিতৃ আছিল ভোলানাথ বৰ পূজাৰী। ১৯৪: চনত নাজিৰাৰ ছাত্ৰ ধৰ্মঘটত এখেত গ্ৰেপ্তাৰ হয়। ১৯৪২ চনৰ গণ আন্দোলনত ১৯ নবেম্বৰত গ্ৰেপ্তাৰ হয়। ১৮ দিন হাজোতত ৰাখি বিচাৰত ছমাহ জেল হয়। জেলৰ পৰা মুক্ত হৈ শঙ্কৰ বৰুৱাৰ লগত গুপ্ত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৬৪ চনত মটৰ দুৰ্ঘটনাত এখেতৰ মৃত্যু হয়।

বেনু হাজৰিকা

মাহ-ৰা মৌজা। কাকতীবাৰী। ১৯১৮ চনত এখেতে জন্ম লাভ কৰে। এখেতে ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰত স্কুল বৰ্জন কৰি স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩২ চনত ... মাহ জেল হয়। ১৯৪২ চনৰ গণ বিপ্লৱত সোণাৰী ... ৫ চেপ্তেম্বৰৰ দিনা দখল কৰিবলৈ গৈছিল। ফলত পুলিচৰ হাতত নিৰ্য্যাতন ভোগে। তেওঁ পলাতক কৰ্মী হিচাবে সোণাৰী আৰু মৰাণ থানাৰ অন্তৰ্গত অগ্নি সংযোগ আৰু ৰেল ঠাইচ্যুত কৰোৱাত জড়িত আছিল। পুলিচে গ্ৰেপ্তাৰ কৰি কিছুদিন হাজোতত ৰাখি সাক্ষীৰ অভাৱত এৰি দিয়ে। ১৯৪৬ চনত বনুৱা সংগঠন কামত জড়িত হয়। সোণাৰীৰ পাছত ডিব্ৰুগড়ত দুপ্তাহ মজদুৰ সংঘৰ সম্পাদক হয়। ৰাতি ঘৰলৈ যাওঁতে শাৰেবে খুন্দিয়াই হত্যা কৰে ১৯৭৮ চনত।

বংশীধৰ গগৈ

পিত—ভৰৰাম গগৈ। গাওঁ—দিহিঙ্গীয়া। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ সকলো আন্দোলনতে সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিছিল। গগৈদেৱে বহুদিন বহুসময়ত পুলিচৰ দ্বাৰা নিৰ্য্যাতিত হব লগা হৈছিল।

বংশীধৰ গোস্বামী

নামদাং বাঙ্গালী গাওঁ। গৌৰীসাগৰ। জন্ম ১৯০১ চনত। ১৯২১ৰ চনত কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। গ্ৰেপ্তাৰ কৰি পাছত এৰি দিয়ে। গঠনমূলক আৰু কংগ্ৰেছৰ সংগঠনমূলক কামত নিয়োগ কৰিছিল। ১৯৩০।৩২ চনৰ আৰু ৪১ চনত সত্যাগ্ৰহ কৰিছিল যদিও গ্ৰেপ্তাৰ কৰা নাছিল। ১৯৪২ চনত গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৭৬ চনত মৃত্যু হয়।

ভদ্ৰনাথ হাজৰিকা

এখেতে ১৯০৬ চনত জন্ম গ্ৰহণ কৰিছিল। ১৯৩০ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ দলত ভুক্ত হয়। ১৯৪২ চনৰ স্বাধীনতাৰ কামত বঅংশ গ্ৰহণ কৰাত গ্ৰেপ্তাৰী পাৰোৱানা জাৰি কৰাত পলাতক কৰ্মী হিচাবে কাম কৰি আহিলত শঙ্কৰ চন্দ্ৰ বৰুৱাৰ লগ লাগিছিল। এখেতে ১৯৫০ চনত স্বৰ্গ-গামী হয়। মৃত্যুৰ সময়ত এখেতে ৩ জন পুত্ৰ এৰি থৈ যায়।

ভৱানী প্ৰসাদ বৰা

১৯৪২ চনৰ স্বাধীনতা যুজত জনজাতীয় ছাত্ৰনেতা হিচাবে অংশ গ্ৰহণ কৰিছিল। পিছত শিৱসাগৰ কাছাৰীত জাতীয় পতাকা উত্তোলন কৰিবলৈ নামতিৰ পৰা যোৱা সমদলত যোগ দিয়া অপৰাধত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। ফলত তেখেতে আত্মগোপন কৰি থাকিব লগীয়াত পৰি-ছিল। ১৯৮৫ চনত এখেতৰ মৃত্যু হয়।

ভি ভূঞা

১৯৩০ চনত ভলন্টিয়াৰ হৈ কংগ্ৰেছত যোগ দিছিল। ১৯৩০।৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ গণ বিপ্লৱত পলাতক হিচাবে থকাত পাইকাৰী জৰিমনা আদায় দিদিলে গাড়ী, গাহৰি আদি ভালেমান বস্তু ঘৰ ক্ৰোক কৰি নিলাম কৰি পাইকাৰী জৰিমনা আদায় আন্দোলনত ঘুৰি ফুৰাৰ কাৰণে ঘৰুৱা অৱস্থ বেয়া হয়।
দেশ স্বাধীন হোৱাত হমগাৰ্ড আৰু পাছত গাৱঁৰক্ষী বাহিনীত যোগ দি ১৯৭৩ চনত এখেতৰ মৃত্যু হয়।

ভুবন চন্দ্ৰ গগৈ

পিতৃ—ফটিক চন্দ্ৰ গগৈ। ভুবন চন্দ্ৰ গগৈৰ ঘৰ হাঁহচৰা, চতিয়া গাওঁত শিৱসাগৰৰ জন্ম হয় মাৰ্চ, ১৮৮৯ চনত। হাইস্কুল পঢ়া কালত তেওঁ বিশেষ কৰি ফুটবল খেলত বিশেষ ধাউতি আছিল এজন সুদক্ষ খেলুৱৈ বুলি খ্যাতি লাভ কৰিছিল।
মেট্ৰিক পাচ কৰি কটন কলেজৰ পৰা আই, এ, পাচ কৰি কলিকতাত বি, এ পঢ়িবলৈ যায়। কলিকতাত এজন ভাল ফুটবল খেলুৱৈ হিচাবে জনাজাত হৈ পৰে। মোহন বাগান আদি দলতো তেওঁ খেলিবলৈ সুবিধা পাইছিল

১৯১৬ চনত বি, এ পৰীক্ষা নিদি ঘৰলৈ উভতি আহি বেজবৰুৱা হাইস্কুলত ২ বছৰ চাকৰি কৰি ১৯১৮ চনত বকতা মৌজাৰ পাটসাকোত স্থানীয় ৰাইজৰ সহযোগত হাবি, জংঘল কাটি ঘৰ আদি সাজি আমেৰিকাৰ "টাস্কেগী" আহিৰ স্কুল এখন আৰম্ভ কৰে। অন্ধ, কুসংস্কাৰ কানি, মদৰ মাজত ডুব গৈ থকা সমাজ সেৱা কামতো আত্ম নিয়োগ কৰে।

১৯২১ চনত শিৱসাগৰ জিলা কংগ্ৰেছ স্থাপিত হোৱাত তেওঁ সাধাৰণ সম্পাদক হয়। তেওঁক গ্ৰেপ্তাৰ কৰে আৰু এবছৰ জেল হয়। জেলৰ পৰা মুক্তি লাভৰ পাছত পুনৰ স্কুলৰ কামত আৰু লগতে কংগ্ৰেছৰ সংগঠনত ব্যস্ত হৈ পৰে।

যাদৱ প্ৰসাদ চলিহা আদি বন্ধুসকলৰ সহযোগত ১৯২৪ চনত চূণ পোৰাৰ পৰা পলিটেকনিকখন আনি শিৱসাগৰ নগৰত "অসম পলিটেক-নিক ইনষ্টিটিউত" স্থাপন কৰে। জিলা কংগ্ৰেছ সভাপতিৰ্ব বাহিৰে শিৱ-সাগৰ লোকেল বৰ্ডৰ চেয়াৰমেন আৰু ১৯৩৭ চনত অসম বিধান সভাৰ সদস্য হয়। কানি নিবাৰণী শিৱসাগৰ জিলাৰ অনাবেৰি কমিচনাৰ আছিল। শিৱসাগৰ মহকুমাৰ প্ৰধান গাওঁ সমূহত প্ৰাথমিক কংগ্ৰেছ কমিটি গঠন কৰি জাতীয় ভাবধাৰা গঢ়ি তোলে। ১৯৩৭ চনত বিধান সভাৰ সদস্য হয়। স্কুল, কংগ্ৰেছ আৰু অন্যান্য ৰাজহুৱা কামত অত্যাধিক পৰিশ্ৰম আৰু স্কুল পৰিচালনাৰ কাৰণে অৰ্থ, এনে বিভিন্ন সমস্যাত তেওঁ ১৯৩৯ চনৰ শেষ কালচোৱাত অসুস্থ হৈ শয্যাগত হয় আৰু ১৯৪০ চনৰ ৯ জুলাইত মৃত্যু হয়।

ভদ্ৰ কান্ত দুৱৰা

১৯১৩ চনত শিৱসগাৰত জন্ম হয়। ১৯৩০ চনত কানিহাম চাৰ্কু-লাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩২ চনত আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৩৪ চনত হৰিজন সেৱা সংঘৰ কাম কৰে। ১৯৩৫ চনত খাদী কামৰ প্ৰশিক্ষণ লৈ শিৱসাগৰ খাদী কেন্দ্ৰৰ এজন কৰ্মী হিচাবে নিয়োগ হয়। ১৯৩৮চনত শিৱসাগৰত কানি বন্ধ কৰাত কানিয়া শিবিৰত সেৱা কামত আত্ম নিয়োগ কৰে। ১৯৪১।৪২ চনত গান্ধীজীৰ নিৰ্দেশনা মতে খালি কৰ্মী সকলক আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ নিৰ্দেশ

দিয়ে। শিপিনি সংঘৰ সম্পাদক বিমলা চলিহাক গ্ৰেপ্তাৰ কৰাত দুৰ্ব্বাই খাদী আৰু শিপিনি সংঘৰ কাম চলাই আছিল। ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

ভদেশ্বৰ কোঁৱৰ

পিতৃ--জাৰজাহ কোঁৱৰ। ২নং কোঁৱৰ গাওঁ। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰিছিল।

ভোগা চিত্ৰকৰ

১৯০১ চনত তৈঙ্গাপুখুৰীত জন্ম হয়। ১৯২১ চনত কংগ্ৰেছ কমিটি গঠন, তিলক স্বৰাজ, পুজি সংগ্ৰহ আদি প্ৰচাৰ কাৰ্য্য বিশেষ কৰি গাৱে গাৱে কানি বন্ধ কৰা সংগঠন কামত আত্ম নিয়োগ কৰে। ১৯২২ চনত গ্ৰেপ্তাৰ কৰি ৬ মাহ ফাটেক দিযে। নিজৰ খেতি কাম আদিত ব্যস্ত থাকিও সদায় জীৱন ব্যাপি স্বাধীনতা আন্দোলনত সহযোগ কৰি আহিছিল। ১৯৬৫ চনত মৃত্যু হয়।

ভোৰাম বৰগোহাঁই

বৰগোহাঁইৰ ১৯১৮ চনত মথুৰা পুৰৰ চকলিয়াল গাৱঁত জন্ম হয়। পিতৃৰ নাম মুহিৰাম বৰগোহাঁই আছিল। ১৯৩০ চনৰ আন্দোলনত ভলন্টিয়াৰ হয়। পিকেটিং কৰিছিল কিন্তু গ্ৰেপ্তাৰ কৰি এৰি দিয়ে। ১৯৩২ চনৰ আন্দোলন, ১৯৩৪ চনৰ অস্পৃশ্যতা বৰ্জন আন্দোলন, ১৯৩৮ চনৰ কানি বন্ধ কামত গাৱঁৰ কানিয়া সকলৰ চিকিৎসাৰ ব্যৱস্থা, ১৯৪২ চনৰ গণ বিপ্লৱত পুলিছৰ ওৱাৰেন্ট অহাত ধৰা নিদি পলাতক কৰ্মী হিচাবে কাম কৰিছিল। ১৯৭৩ চনত মৃত্যু হয়।

ভোগদল শইকীয়া

মহছাল, চাবিং। ১৯২১ আৰু ১৯৪১ চনৰ আন্দোলনত অংশ গ্ৰহন কৰিছিল।

মৰহুম মৌলবী মহম্মদ হুছেইন :

হুছেইনদেৱৰ জন্ম হয় শিৱসাগৰৰ কোৱৰপুৰ মৌজাৰ শেনচোৰ গাঁৱত ১৮৮৯ চনত। পিতৃ--মৰহুম চেৰ আলি ভূঞা। ১৯১১ চনত স্কুলীয়া শিক্ষা সামৰি চক্ৰাই চাহ বাগিছাৰ কামত সোমায়।

অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি স্বাধীনতা আন্দোলনত যোগ দিয়ে। চক্ৰাই বাগানৰ মেনেজাৰ চাহাবে ১৯২২ চনত হুছেইনক গোৰ্খা পুলিচৰ দ্বাৰা আটক কৰায়। শিৱসাগৰৰ জিলা আদালতত তেওঁৰ বিৰুদ্ধে গোচৰ তৰে আৰু দোষী সাব্যস্ত কৰি তিনিমাহ সশ্ৰম কাৰাদণ্ডৰ আদেশ দিয়ে। জেলৰ পৰা মুক্তি পোৱাৰ পিছত ১৯২৩ চনত ভুৰুক গাঁৱৰ আৰম্ভ কৰা চুনপোৰা বয়ন বিদ্যালয়ত কিছুদিন শিক্ষা লয়। পুনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী হিচাবে গাওঁ বিলাকত কৰ্মী আৰু কমিটি গঠন কৰে। ১৯৩০ চনত কানি দোকানত পিকেটিং কৰাৰ অপৰাধত ২ মাহ জেল হয়। জেলৰ পৰা ওলাই প্ৰাথমিক কংগ্ৰেছ কমিটি আৰু গঠনমূলক কামত লাগে। ১৯৩৮।৩৯ চনত কানি নিবাৰণী কামত সক্ৰিয় অংশ গ্ৰহণ কৰে। কংগ্ৰেছৰ কামত ঘূৰি ফুৰোতে মাটিৰ খাজানাৰ পৰিমাণ বৃদ্ধি হৈ পৰে। ফলত ১৯৪০ চনত মাটিৰ খাজনাৰ অনাদায়ত অভয়পুৰ মৌজাত থকা ঘৰ, মাটি নিলামত বিক্ৰি হয়। উপায়ন্তৰ হৈ তেওঁ পৰিয়াল-সহ ডাঙৰ নামনি চাংনাই গাৱঁৰ ভনীয়েকৰ ঘৰত আশ্ৰয় লয়। ১৯৪২ চনত চক্ৰাই নদীৰ ওচৰত গোলাঘাটৰ ৰেল দুৰ্ঘটনাৰ মূল নায়ক হিচাবে হুছেইনক আটক কৰা হয়।

তেখেতৰ বিচনাৰ তলত মুক্তি বা মৃত্যু' আৰু "ভাৰত ত্যাগ" নামৰ দুখন হেণ্ডবিল পাই দোষী সাব্যস্ত কৰি বিনা বিচাৰে আটক কৰি থয়। প্ৰায় ছমাহ মানৰ পিচত বিচাৰ বহে আৰু তেওঁক জৰিমনা দিবলৈ বাধ্য কৰায়। বেআইনী পুস্তিকা ৰখাৰ কাৰণে ৬০ টকা জৰিমনা কৰে।

এসময়ত কংগ্ৰেছৰ নিষ্ঠাবান কৰ্মীৰ বাবে হুছেইনক মুছলমান সমাজে বহিস্কাৰ কৰিছিল।

১৯৪৪ চনত হুছেইনে মা-সম্পত্তি হেৰুৱাই নিঠৰুৱা হৈ নিতাই পুখুৰী

মৌজাৰ বাইচাই গাঁৱত খিতাপি লয়। দুখ কষ্টৰ মাজেদি ১৯৭০ চনৰ ১৫ ডিচেম্বৰ দিনা শেষ নিশ্বাস ত্যাগ কৰে।

মদন বৰুৱা ঃ

শিৱসাগৰ নগৰত ১৯১৮ চনত জন্ম হয়। পিতৃ ইন্দিবৰ বৰুৱা। তেওঁ ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ধ্বংসাত্মক কামত জড়িত হোৱাৰ অভিযোগত ১৪ নবেম্বৰত গ্ৰেপ্তাৰ কৰে। জেল দিয়ে। মুক্তি পোৱাৰ পাছত পুনৰ আকৌ ১৮।২।৪৪ চনত গ্ৰেপ্তাৰ কৰে। আৰু যোৰহাট জেলত ১৯৪৫ চনৰ মাজ ভাগলৈকে আটক কৰি ৰাখে। ১৯৬২ চনত মৃত্যু হয়।

মোহন কটকী শৰ্ম্মা ঃ

পিতৃ--পদ্মনাথ কটকী শৰ্মা। ১৯২১ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। কংগ্ৰেছৰ সংগঠন কামত আত্ম নিয়োগ কৰে। ১৯৩০।৩২ চনৰ আৰু ১৯৪২ চনত গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পাইকাৰী জৰিমনা পুলিছে জোৰ জুলুম কৰি আদয় কৰে। ১৯৭০ চনত মৃত্যু হয়।

মহেন্দ্ৰ গোস্বামী ঃ

১৯২১ চনত শোভাযাত্ৰা কৰি যাওঁতে গোৰ্খা চিপাহীৰ লাঠিৰ কোব, বুটৰ গচকনি, বেনেট খোচৰ, অত্যাচাৰত সাংঘাটিক ভাবে আঘাত হৈ বহুত দিন পৰি আছিল। সকলোবোৰ আন্দোলনতে সহযোগ আগবঢ়াইছিল ছিল। ১৯৭১ চনত মৃত্যু হয়।

মানিক চন্দ্ৰ চলিহা ঃ

১৯০৮ চনত চাৰিঙত জন্ম হয়। পিতৃৰ নাম জয়ৰাম চলিহা ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৩০।৩২ আৰু ৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪৩ চনত গ্ৰেপ্তাৰ কৰে। ২ মাহ হাজোতত ৰাখি খালাচ দিয়ে। ১৯৭৮ চনত মৃত্যু হয়।

মানিক চন্দ্ৰ ভাগৱতী ঃ

মাণিক চন্দ্ৰ ভাগৱতীৰ জন্ম হয় ১৯০১ চনত শিৱসাগৰ মহকুমাৰ বকতা মৌজাত। পিতৃৰ নাম পুৰন্দৰ ভাগৱতী।

১৯৩০ চনত কানি নিবাৰণী আৰু বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনত যোগ দিছিল। নিৰক্ষতা দূৰীকৰণৰ কামত ৰকতা নেমুগুৰি এম, ই, স্কুলত শিক্ষকতা কৰিছিল। ১৯৬৫ চনত মৃত্যু হয়।

মাণিক লাল শইকীয়া :

লাঙ্গিম গাওঁ। ১৯৩০ চনত কংগ্ৰেছত যোগ দিযে। এজন গঠন মূলক কৰ্মী আছিল যদিও কংগ্ৰেছৰ সংগঠন কাৰ্য্যত আত্ম নিয়োগ কৰিছিল। ১৯৩৮ চনত বিশেষ ভাৱে কানি বন্ধ কৰাত কানিয়া সকলক চিকিৎসা শিবিৰত সেৱা কামত আত্ম নিয়োগ কৰিছিল। ১৯৪২ চনত পলাতক কৰ্মী হিচাবে কাম কৰিছিল।

১৯৭৮ চনত মৃত্যু হয।

মিনাৰাম চেতীয়া :

১৮৯৮ চনত দিচাং মুখত জন্ম হয়। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৬ মাহ জেল হয়। ১৯৩০ চনত দিচাং মুখৰ পৰা দিখৌ মুখলৈ ব্ৰহ্মপুত্ৰৰ পাৰত এটা মথাউৰি থকা কাৰ্য্যৰ এজন মুখ্য কৰ্মী আছিল। তেওঁৰ পৰিযালৰ কেইবাজনেও স্বাধীনতা সংগ্ৰামত যোগ দি কাৰাবৰণ খাটিছিল। ১৯৬২ চনত মৃত্যু হয।

মুক্তিধৰ বৰুৱা :

১৯০১ চনত শিৱসাগৰ নগৰত জন্ম হয। স্কুল বৰ্জন কৰি ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯২২ চনত গ্ৰেপ্তাৰ কৰি ৬ মাহ জেল হয় আৰু ১০০ টকা জৰিমনা হয়। অনাদায়ত ১ মাহ ফাটেক হয়। ১৯২৬ত পাণ্ডু কংগ্ৰেছলৈ ভলন্টিযাৰ দল সংগ্ৰহ কৰি নিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলনত শোভা যাত্ৰা আদি সংগঠন কৰিছিল। ১৯৩০।৩২ চনৰ আন্দোলনত সক্ৰিয় সহায় আগবঢ়ায়।

১৯৩৪ চনত গান্ধী শিৱসাগৰলৈ যাওঁতে অভ্যৰ্থনা আদিৰ আয়োজন আৰু অস্পৃশ্যতা নিবাৰণৰ কামত অংশ গ্ৰহণ কৰিছিল। ১৯৩৮।৩৯ চনত কানি বন্ধ কৰাত কানিয়া সকলক চিকিৎসা কেন্দ্ৰত সেৱাৰ কাম কৰিছিল। ১৯৪২

চনৰ গণ আন্দোলনত সহযোগ আগ বঢ়াইছিল। ১৯৭২ চনত মৃত্যু হয়।

মুখুৰী (পদ্মাৰ) বাই :

ঘৰ শিৱসাগৰৰ আমগুৰিত। গোটেই অসমতে মুখুৰী বাই হিচাপেহে জনাজাত।

তেওঁৰ বাল্যকাল, গৃহস্থী জীৱনৰ বিষয়ে বিশেষ একো জনা নেযায়। ১৯২১ চনৰ পৰাই কংগ্ৰেছৰ মহিলা ভলন্টিয়াৰৰ কাম কৰিছিল। কিন্তু বিভিন্ন কাৰণত ঘৰ ত্যাগ কৰি ১৯৩০, ১৯৩১।৩২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। ১৯৩২ চনৰ পাচত আমগুৰি এৰি যোৰহাটলৈ যায়। তাতে কংগ্ৰেছ অফিচ পাতি মূৰত গান্ধী টুপি, হাতত কংগ্ৰেছ পতাকা লৈ গাঁৱে গাঁৱে ঘূৰি ফুৰিছিল।

কংগ্ৰেছৰ বিভিন্ন সভা সমিতিত মুখুৰীৰ বাই উপস্থিত থাকিবই। যোৰহাটৰ পৰা গুৱাহাটী আৰু অসমৰ চুকে-কোণে স্বাধীনতা আন্দোলনৰ প্ৰচাৰ কাৰ্য্য কৰি ঘূৰি ফুৰিছিল। মুখত মহাত্মা 'গান্ধী কি জয়' বুলি ধ্বনি দিছিল। অসমৰ সেই সময়ৰ প্ৰায় লোকে "মুখুৰী বাইক" চিনি নোপোৱা লোক নাই।

অসমৰ কংগ্ৰেছ সভা বা যত সভা বিভিন্ন সন্মিলনত মুখুৰী বাইৰ আবিৰ্ভাব হ'বই। কেবাখনো কংগ্ৰেছৰ অধিবেশনত তেওঁ অসমৰ প্ৰতিনিধি সকলৰ লগত গৈছিল। আনকি জৱাহৰলাল নেহৰু প্ৰমুখ্যে নেতাও তেওঁক মুখুৰী বাই' বুলি মাতিছিল। নেতা, কংগ্ৰেছ অফিচ, সভা আদিত মুখুৰী বাইৰ অবাধ গতি আছিল। মৃত্যুৰ বিষয়ে একো জনা নেযায়। অসমৰ কংগ্ৰেছী মহিলা সকলৰ মাজত তেওঁ বৰ প্ৰিয় আছিল। সকলোৱে তেওঁক মৰম স্নেহ কৰিছিল।

মোহন চন্দ্ৰ ফুকন :

১৯৪৭ চনৰ আঘোণ মাহত শিৱসাগৰ চহৰৰ চাৰিংঅত জন্ম গ্ৰহণ কৰে। পিতৃ শশীধৰ ফুকন। মাতৃৰ নাম কুমুদা ফুকননী। মাতৃ সৰুতে বিয়োগ হয়। তেওঁ চুটি চাপৰ লোক আছিল। প্ৰাপ্ত বয়সতো প্ৰায় চাৰে তিনি ফুট ওখ আছিল। ছাত্ৰ কালৰ পৰাই সামাজিক কামত আত্মনিয়োগ

কৰে। জাজী হাইস্কুলৰ ছাত্ৰ সভাৰ সাধাৰণ সম্পাদক হয়। চাৰিংত কৰ্মী সকলৰ সহযোগত ১৯২৬ চনত ছাত্ৰসভা এখন স্থাপন কৰি তাৰ সম্পাদক হয়। ১৯৩০ চনত কানিংহাম চাৰকুলাৰ প্ৰতিবাদত তেওঁ স্কুল ত্যাগ কৰি আন্দোলনত যোগদান কৰে। তেওঁৰ ৬ মাহ কাৰাদণ্ড হয়। পুনৰ ১৯৩২ চনত কাৰাদণ্ড ভোগ কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত, সক্ৰিয় অংশ গ্ৰহণ কৰা কাৰণে ৰাতি তেওঁৰ ঘৰ মিলিটেৰিয়ে ঘেৰাও কৰি গ্ৰেপ্তাৰ কৰি আটক বন্দী হিচাবে যোৰহাট জেলত ৰাখে। ডাঙৰ মুগটোনে যদিও তেওঁ বাওনা আছিল তথাপি তেওঁৰ চিন্তা বুদ্ধি অতি উচ্চ আছিল। তেওঁৰ পিতৃ শশীধৰ ফুকন বালিকা হাইস্কুলৰ প্ৰতিষ্ঠাতা সকলৰ মাজত এজন। শ্বহীদ মণিৰাম দেৱান মহাবিদ্যালয় প্ৰতিষ্ঠান ক্ষেত্ৰতো তেওঁৰ অৱদান কম নহয়। চাৰিংত প্ৰায়বিলাক গঠন মূলক অনুষ্ঠান প্ৰতিষ্ঠা হোৱাৰ পিছত স্থানীয় মৰা বজাৰ নৌজাৰ মৌজাদাৰ হয়। তেওঁ এজন কথাছবি অভিনেতাও আছিল। "জয়মতী" ছবিত খুহুতীয়া চৰিত্ৰ এটি ৰূপায়ণ কৰিছিল থ ১৯৪৫ চনত তেওঁ ইহ সংসাৰৰ পৰা বিদায় গ্ৰহণ কৰে ।

বিমলা প্ৰসাদ চলিহা

বিমলা প্ৰসাদ চহিলা শিৱসাগৰৰ কালিপ্ৰসাদ চলিহাৰ 'কনিষ্ঠ পুত্ৰ সৰুৰে পৰা সংস্কাৰ, সত্যবাদিতা, পৰোপকাৰ, সমাজসেৱা, গুণেৰে বিভূষিত। মধ্যমধৰণৰ ছাত্ৰ হৈ ১৯২৮ চনত প্ৰৱেশিকা পাছ কাৰ কলিকতাৰ চিটি কলেজত আই, এছ, চিত ভৰ্তি হয়। ১৯৩০ চনত আইন অমান্য আন্দোলনৰ সময়ত চলিহাই আই, এচ, চি পৰীক্ষাত নৱ-হাকৈ ঘৰলৈ উভতি আহি স্বেচ্ছাসেৱী হিচাপে কংগ্ৰেছত যোগ দিয়ে। ১৯৩২ চনলৈ চলিহা সমাজসেৱা আৰু সংগঠনৰ কামত আছিল আৰু ১৯৩২ চনৰ শেষৰ ফালে তেওঁ আন্দোলনত জপিয়াই পৰে। ১৯৩২ চনত ছমাহ সশ্ৰম কাৰাদণ্ড লৈ নগাওঁ জেলৰ পৰা ওলাই আহি পুনৰ সংগঠনৰ কামত লাগে।

চলিহাই গৱেষণা কৰি অতি উন্নত ধৰণৰ যঁতৰ এটি তৈয়াৰ কৰে। ১৯৩৪ চনত মহাত্মা গান্ধীয়ে যঁতৰটো দেখি সন্তুষ্ট হয় আৰু মথুৰাদাৰ পুৰুষোত্তমৰ লগত খাদী প্ৰশিক্ষণ লবল বাবে মহাত্মাই চলিহাক বিহাৰলৈ

পঠায়। চলিহা সৰ্বভাৰতীয় স্পীনাৰ এচোচিয়েচন অসম শাখাৰ সম্পাদক নিৰ্বাচিত হয়। ভাৰতীয় জাতীয় কংগ্ৰেছৰ পক্ষৰ পৰা চলিহাক পূৰ্বাঞ্চলৰ সাংগঠনিক কামৰ দায়িত্ব দিয়ে। ১৯৩৭-৩৮ চনত বিস্তৃত কাৰ্য্য সূচী লৈ অসমৰ ভৈয়াম অঞ্চলৰ জনজাতি অধ্যুষিত অঞ্চলবোৰত তেখেতে কিছুমান অৰ্থনৈতিক উন্নয়ন আঁচনি চলায়। গাওঁ উন্নয়ন আৰু গাওঁ সংগঠনৰ কাৰণে ১৯৪২ চনলৈ আত্ম নিয়োগ কৰি ৪২ চনত চলিহাই ২ বছৰ যোৰহাট জেলত কাৰাবাস খাটে। ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনত শিৱসাগৰ পশ্চিম সমষ্টিৰ পৰা বিধান সভালৈ নিৰ্বাচিত। ১৯৫০ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সম্পাদক নিৰ্বাচিত হয়। তাৰ দুবছৰ পিছত প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি পদলৈ উন্নত। ১৯৫৩ চনত শিৱসাগৰ সমষ্টিৰ উপনিৰ্বাচনত জয়ী হৈ লোক সভালৈ নিৰ্বাচিত।

১৯৫৭ চনত অসমৰ মুখ্যমন্ত্ৰী পদ গ্ৰহণ। শৰীৰৰ সমষ্ট শক্তি প্ৰয়োগ কৰি অবিৰত ভাৱে ১৩ বছৰ কাল মুখ্য মন্ত্ৰীৰ পদ বহন কৰি ১৯৭০ চনৰ ৩০ অক্টোবৰ দিনা মহেন্দ্ৰমোহন চৌধুৰীক মুখ্যমন্ত্ৰীৰ ভাৰ অৰ্পণ কৰে। ১৯৭১ চনৰ ২৫ ফেব্ৰুৱাৰীত তেওঁৰ মহাপ্ৰয়াণ হয়।

চলিহাই নিজৰ ৰবিয়াকৈ বহুতো শিক্ষা সংস্কৃতি আৰু সমাজ উন্নয়ন মূলক কামৰ বাবে দান বৰঙণি আগ বঢ়াইছিল। ১৯৩৪ চনতে শিৱসাগৰত কালিপ্ৰসাদ ভৱন নিৰ্মাণ কৰি মহাত্মা গন্ধীৰ দ্বাৰা উদ্‌ঘাটন কৰাইছিল। তেখেতৰ অকুণ্ঠদান আৰু সদ্‌ইচ্ছাতে তেখেতৰ সহ পাঠীৰ নামত "মাধৱদেৱ স্মৃতি ভৱন" জন্ম হয়। শিৱসাগৰ কলেজ, শিৱসাগৰ কংগ্ৰেছ ভৱন চলিহাৰ নিস্বাৰ্থ কৰ্ম প্ৰতিভাৰ স্বাক্ষৰ।

তেওঁ এজন আগশাৰীৰ সাহিত্যানুৰাগী আছিল। তেওঁ আছিল এজন বৈষ্ণৱ ভাবাপন্ন ব্যক্তি।

বেণুধৰ শৰ্মা

জন্ম ১৮৯৫ চনৰ ১৫ নৱেম্বৰ, মৃত্যু ১৯৮১ চনৰ ২৬ ফেব্ৰুৱাৰী। ১৯২২ চনৰ ৩০ জানুৱাৰীত শৰ্মাক গ্ৰেপ্তাৰ কৰি প্ৰথমে শিৱসাগৰ আৰু পিচত যোৰহাট জেলত হয়। মুঠতে ৯ মাহ সশ্ৰম কাৰাদণ্ড বিহে আৰু ৩০০ টকা জৰিমনা কৰে। বেণুধৰ শৰ্মা বুৰঞ্জীবিদ হোৱাৰ উপৰিও একেবাহে এগৰাকী লব্ধ প্ৰতি সাহিত্যিক, নিৰ্ভীক আৰু স্পষ্টবাদী সাংবাদিক,

দুৰ্বাৰ জাতীয়তাবাদী, স্বাধীনতা সংগ্ৰামৰ আগশাৰীৰ যোদ্ধা, ন পুৰণিৰ সমন্বয় ৰক্ষক আৰু হাড়ে হিমজুৰে নিভাজ অসমীয়া। পিন্ধন উৰণত অসমীয়া, খোজ কাটলত অসমীয়া, খাৱন লোৱনত অসমীয়া আলাপ আলোচনাত অসমীয়া, ৰং-ধেমালিত অসমীয়া। মুঠতে তালুৰ পৰা তলু-ৱালৈ তেখেত অসমীয়া।

"কংগ্ৰেছৰ কাচিয়ালি ৰদ'ত গ্ৰন্থখনে সাহিত্য একাডেমীৰ পুৰস্কাৰ লাভ কৰে ১৯৭১ চনৰ ২৬ মাৰ্চত। বেণুধৰ শৰ্মাই অসমীয়া বুৰঞ্জী সাহিত্য জীৱনী সাহিত্য, সংবাদ সাহিত্য, শিশু সাহিত্য প্ৰতিটো দিশতে শাৰদীয় জোনৰ পোহৰ পেলাইছে। শৰ্মা ডাঙৰীয়াৰ জীৱন আৰু কৰ্ম দুয়োটাই বৈচিত্ৰময় আছিল। এনে কাম নাই য'ত তেখেতে হাত দিয়া নাছিল। চাউল দাইলৰ দোকান দিয়াৰ পৰা আৰম্ভ কৰি স্বাধীনতা সংগ্ৰামত জপি-যাই পৰি কাটেক খটাবলৈকে শৰ্মা ডাঙৰীয়া অনুপ্ৰাণিত হৈ গাওঁ সংগঠনৰ কামত এখনি পুৰণি চাইকেলত উঠি অ'ত এদিন ত'ত এদিন চৰাইটোৰ দৰে ঘূৰি ফুৰিছিল। মানুহবোৰক স্বাৱলম্বী হোৱা আৰু দেশ স্বাধীন কৰাৰ বাবে মানুহক উদ্বুদ্ধ কৰি ফুৰিছিল। জাঁজী সমতলত শৰ্মাক "চৰাই" নাম দিছিল। শৰ্মা ডাঙৰীয়াৰ প্ৰায়বোৰ লিখনিত চাৰিখন লুকাই আছিল। ১৯৩০ চনৰ পৰা মৃত্যুৰ বছৰলৈ (২৬।২।৮১) প্ৰতি বছৰে চাৰিঙত তেওঁৰ আত্মিক গুৰু মণিৰাম দেৱানৰ তিথি উৎসৱত যোগদান কৰিছিল। সেয়েহে কাল ওচৰ চাপি অহাত সপোনে সাঁচতে কেৱল চাৰিঙ অৱচেতনে প্ৰাধান্য লাভ কৰিছিল।

শৰ্মা ডাঙৰীয়া সৰুৰে পৰা কৌতুহলী আছিল। কলিকতাত থাকোঁতে কৌতুহলবশতঃ ৰাষ্ট্ৰীয় পাঠাগাৰলৈ গৈছিল। অসম আৰু অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামৰ কাৰণে তাৰ পৰা ঐতিহাসিক সমল গোটাইছিল। বেনুধৰ শৰ্মাক অসমৰ ইতিহাসৰ ধাৰক আৰু বাহক বুলিব পাৰি। শৰ্মা ডাঙৰীয়াই বুৰঞ্জীৰ সমল বিচাৰোতে কষ্ট কৰিছিল আৰু সেইবোৰক নিপুণ খনিকৰৰ কালিকাপগা হাতেৰে বচা বচা শব্দ যোগনাৰে প্ৰাণবন্ত কৰি তুলিছিল।

মহেশ্বৰ গগৈ :

তেওঁৰ জন্ম ১৮৮৫ চনত জকাইচুক মৌজাৰ থানামুখ ১নং শাউৎ

গাওঁত জন্ম গ্ৰহণ কৰে। পিতৃৰ নাম ৰাপী ৰাম গগৈ আৰু মাতৃৰ নাম চেনেহী গগৈ। এওঁ ১৯৩০ চনত হাইস্কুল ত্যাগ কৰি কংগ্ৰেছত যোগ দিয়ে। তেওঁ জকাইচুক প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল। তওঁ কংগ্ৰেছৰ তথা ৰাজহুৱা কাম কাজত আগভাগ লৈছিল। তেখেতে ১৯৩১ চনত সত্যাগ্ৰহ কৰিছিল।

১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। এজন পলাতক কৰ্মী হিচাবে থাকি কাম কৰিছিল। ১৯৫০ চনত মৃত্যু হয়।

যগেশ্বৰ গোস্বামী :

যোগেশ্বৰ গোস্বামীৰ জন্ম ১৯০২ চনত বলিয়াঘাট, বাঘৰচুক শিৱসাগৰত। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩০ চনৰ পৰা মৃত্যুৰ সময়লৈকে বলিয়াঘাট প্ৰাথমিক কংগ্ৰেছৰ সভাপতি ১৯৩২ চনত বলিয়াঘাটৰ পৰা এটা ভলন্টিয়াৰ দল লৈ শিৱসাগৰ নগৰত ১৪৪ ধাৰা ভঙ্গ কৰাত গ্ৰেপ্তাৰ কৰি থানাত আৱদ্ধ ৰাখি ১৫ মাইল দূৰণি চৰাইদেউত এৰি ছিল।

১৯৩৮ চনত তেওঁৰ কাৰ্যৰীয়া কেৱাটাও মৌজাৰ এখন তিনি দিনীয়া কৃষক সন্মিলন পাতিছিল। ত্যাগবীৰ হেমবৰুৱা এই ৰায়ত সভাৰ সভাপতিত্ব কৰিছিল।

কংগ্ৰেছৰ সংগঠন কাম, অঞ্চলৰ সকলো উন্নয়ন কামত আগভাগ লৈছিল। ১৯৪২ চনত পাইকাৰী জৰিমনা ভৰে। ১৯৭৮ চনত তেওঁৰ মৃত্যু হয়।

ৰমৰাম গায়ন :

জকাইচুক মৌজা। চিন্তামণি গাওঁ। ১৮৮৪ চনত জন্ম গ্ৰহণ কৰে। পিতৃ টাহীৰাম গায়ন আৰু মাতৃ আলতী গায়ন। ১৯৩০ চনত পাণ্ডু কংগ্ৰেছত যোগ দিছিল। ১৯৩২ চনত কানি দোকানত পিকেটিং কৰাত জেল হয়। ১৯৪১ চনত সত্যাগ্ৰহ আন্দোলনত তিনি দিন জেলং হয়। ১৯৪২ চনত ৩০ টকা পাইকাৰী টেক্স ভৰে।

তেওঁ গোটেই জীৱন কংগ্ৰেছৰ সংগঠক আৰু গঠনমূলক কামত, ৰাজহুৱা কামত আগভাগ লৈছিল। অসম চৰকাৰৰ মুক্তি যোদ্ধাৰ পেঞ্চন

পাইছিল। ১৯৬৮ চনত এখেতৰ মৃত্যু হয়।

ৰাধিকা ফুকন :

মাহমৰা মৌজা । মৰাণজান গাওঁ শিৱসাগৰ জিলা। ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি মাদক দ্ৰব্য বৰ্জনৰ কামত লিপ্ত হৈছিল। সুতা কটা তখেতৰ অপৰিহাৰ্য্য কাম আছিল। কাকতীবাৰী কেম্পত কানি নিবাৰণীত সহযোগ কৰিছিল ।
কাকতীবাৰী কেম্পত কানি নিবাৰণীত সহযোগ কৰিছিল । ইমেৰী কংগ্ৰেছ কমিটি বিলাক তাত আগভাগ লৈছিল

শোভাযাত্ৰা আদি পৰিচালনা কৰি স্থানীয় ৰাইজক আন্দোলনৰ প্ৰতি উদগণি দি তুলিছিল। আন্দোলনৰ নীতি নিয়ম বুজাই-- প্ৰতি কেন্দ্ৰতে আগ ভাগ লৈছিল। ১৯৭৬ চনত মৃত্যু হয়।

ৰামচৰণ কেওঁট :

মৰাবজাৰ মৌজা, টকৌবাৰী গাওঁৰ। জন্ম--১৮৯৯ চন। পিতৃ--পৰশু কেওট, মাতৃ পদুমী কেওট

১৯৩০ চনত তেখেতে কংগ্ৰেছত যোগ দিয়ে আৰু কংগ্ৰেছ কমি গঠন কৰে।

১৯৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল পুলিছে গৌৰী সাগৰ কানি দোকানত পিকেটিং কৰাত গ্ৰেপ্তাৰ কৰি, অপমান কৰি এৰি দিয়ে।

১৯৪১ চনৰ সত্যাগ্ৰহ আৰু ৪২ চনৰ গণ বিপ্লৱত অংশ গ্ৰহণ কৰিছিল। ১৯৮০ চনত মৃত্যু হয়।

ৰামেশ্বৰ নাথ :

পিতা--লক্ষেশ্বৰ নাথ। চাকিৰ নাথ গাওঁ। আমগুৰি, শিৱসাগৰ।

১৯০৬ চনত (আনুমানিক জন্ম লাভ কৰে। ১৯২৬ চনত কংগ্ৰেছত যোগদান কৰে ১৯৩০/৩২ চনত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪০ চনত সত্যাগ্ৰহ আন্দোলনত যোগ দিয়াৰ বাবে ২৫.০০ টকা জৰিমনা আৰু ৭ দিন কাৰাবাস।

১৯৪২ চনত মুক্তি সংগ্ৰামত যোগ দিয়াৰ বাবে সাত মাহ্হাকাৰাবাস। ১৯৪৩।১৯৪৫ চনলৈকে হাতীখুলিৰ প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল।

১৯৪৫ চনৰ পৰা ১৯৫৭ চনলৈ উক্ত কমিটিৰ সভাপতি আছিল। অকাইচুক সগুণ সভ্য আৰু আমগুৰি আঞ্চলিক পঞ্চায়তৰ সভ্য আছিল। ১৯৮৪ চনত মৃত্যু হয়।

যাদৱ প্ৰসাদ চলিহা :

১৯০১ চনত যাদৱ প্ৰসাদ চলিহাৰ জন্ম হয়। পিতৃ কালি প্ৰসাদ চলিহা এজন খ্যাতনামা উকিল আৰু বাগানৰ মালিক আছিল। এজন মেধাবী ছাত্ৰ আছিল। বি, এচ ছি পাছ কৰাৰ পাছত, বিলাতত ইঞ্জিনিয়াৰিং পঢ়িবলৈ সুবিধা পোৱাতো মাতৃয়ে বাধা দিয়াত ইঞ্জিনিয়াৰিং পঢ়া নহ'ল। ১৯২১ চনত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ঘৰ খানাতালাছ আৰু ১০৮ ধাৰাত গ্ৰেপ্তাৰ কৰি ৬ মাহ ফাটেক আৰু ৫০০ টকা জৰিমনা কৰে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ অধিবেশন পতাত অংশ গ্ৰহণ কৰে। ১৯৩০ চনত বিষ্ণুৰাম মেধিৰ গ্ৰেপ্তাৰ কৰাত তেওঁ যাদৱ প্ৰসাদ চলিহাক ডিৰেক্টৰ হিচাবে মনোনিত কৰি যায়। শিৱ সাগৰ যোৰহাট, গোলাঘাটত ভলন্টিয়াৰ সংগ্ৰহ পিকেটিং আদি কামত আত্ম নিয়োগ কৰিছিল আন্দোলনত কৃতকাৰ্য্য কৰিবৰ অৰ্থে। ১৯৩৭ চনত শিৱসাগৰ পূৱ সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। নিজৰ বাগান আৰু অন্যান্য ব্যৱসায়ত ব্যস্ত থকাতো কংগ্ৰেছৰ ১৯৪১ আৰু ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিছিল। ১৯৮০ চনত মৃত্যু হয়।

যাদৱ চাংকাকতি :

পিতা তিলক চাংকাকতি। জন্ম ১৯১৮। মৃত্যু ১৯৮৩। কানিং-হাম চাকুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰি ওলাই আহে। পিকেটিং কৰি ছিল কম বয়সৰ কাৰণে সাৱধান কৰি এৰি দিয়ে।

১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ২৬ চেপ্তেম্বৰত কাছাৰি ঘৰত পতাকা উত্তোলন কৰিবলৈ সমদলত যাওঁতে পুলিছৰ

লাঠিৰ কোব খায় আৰু আহত হৈছিল। ১ ৩০।১১।৪২ চনত তিনিমা জেল হয়। ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।

যোগেশ্বৰ গগৈ :

ঘৰ নামতিদল, জন্ম ১৯০১ চনত হয়। ১৯২১ চন, ১৯৩০।৩২ ালনত সক্রিয় অংশ গ্রহণ কৰে। তিনি মাহ জেল হয়। ১৯৪২ চনৰ গণ আন্দোলনত সক্রিয় ভূমিকা গ্রহণ কৰি ভাৰত প্রতি-ৰক্ষা আইনৰ দ্বাৰা গ্রেপ্তাৰী পৰোৱানা জাৰি হোৱাত আত্মগোপন কৰি আছিল। স্বাধীনতা লাভ কৰাৰ পাছত বিভিন্ন সংগঠন আৰু গাওঁ উন্নয়ন কামত আত্ম নিয়োগ কৰে। ১৯৮৮ চনত মৃত্যু হয়।

যোগানন্দ বৰা

১৮৯০ চনত বলিয়াঘাটতত জন্ম হয়। দেউতাকৰ নাম যোগেশ্বৰ বৰা। ১৯২১ চনৰ পৰা স্থানীয় কংগ্রেছৰ এজন প্রধান কর্মী আছিল। আৰু মৃত্যুৰ সময়লৈকে কংগ্রেছৰ সকলো আন্দোলন, গঠনমূলক কামতে আগ ভাগ লৈছিল। ১৯৩৮ চনত ক বলিয়াঘাটত বহা কৃষক সভাৰ এজন প্রধান সংগঠক আছিল। ১৯২৬ চনত মৃত্যু হয়।

যোগেন্দ্র নাথ কাকতি

বলিয়াঘাট, শিৱসাগৰ। ১৮৭৮ চনত জন্ম লাভ কৰে। পিতৃ ৰঘু-নাথ কাকতীআৰু মাতৃ সৰস্বতী কাকতী। অসম এচোচিয়েচনৰ সভ্য আছিল আৰু ১৯২৬ চনত যোৰহাটত বহা অসম এচোচিয়েলনত যোগদাছ কৰিছিল।

১৯২১ চনত কোঁৰবপুৰ বনগাওঁ মৌজাৰ আঞ্চলিক কংগ্রেছ আৰু পঞ্চায়তৰ সম্পাদক হয়। ১৯২১ চনত মিলিটেৰীয়ে ফ্লেগমার্চ কৰাৰ সময়ত গৌৰীসাগৰত শিবিৰ কাতি কাপ্তানৰ থকা মিলিটেৰী ফৌজে ঘৰ খানাতালাছ কৰি গৌৰীসগাৰ শিবিৰলৈ নি এদিন আটক কৰি ৰাখি৫০ টকাজৰিমনা শিবিৰলৈ নি এদিন আটক কৰি ৰাখি ৫০ টকা জৰিমনা কৰি পিচদিনা এৰি দিয়ে। পাচদিনা বলিয়াঘাটৰ বাৰবচুকত থকা মৌজা কংগ্রেছ মিলি-টেৰীয়ে জুই লগাই ভস্ম কৰি দিয়ে।

১৯২৬ চনত পাণ্ডু কংগ্ৰেছত যোগদান কৰে। ১৯৩৬ চনৰ আন্দোল নত সক্ৰিয় অংশ গ্ৰহণ কৰে; দুজন পুত্ৰ কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুলত পিকেটিং কৰাত জেল হয়।

১৯৩১।৩২ চনৰ আন্দোলনত বলিয়াঘাটত কংগ্ৰেছৰ খাদীকেন্দ্ৰ প্ৰতিষ্ঠানত ভলন্টিয়াৰ প্ৰশিক্ষণ দিয়া সকলৰ কামত সহায় কৰে। ১৯৩২ চনৰ আন্দোলনত দুগৰাকী ভনীয়েক, দুজন পুত্ৰৰ জেল হয়। ১৯২১ চনৰ পৰাই ১৯৪৫ চনলৈকে তেওঁতৰ ঘৰখন আছিল । ভলাটিয়াৰ সকডৰ শিবিৰৰ দৰে ১৯৪২ চনৰ গণ বিপ্লৱত শংকৰ বৰুৱা প্ৰমুখ্যে গুপ্ত-কাৰী নেতা, কৰ্মী বিচাৰি কেবাবাৰো ঘৰ তালাছি কৰি লগু প্ৰমুখ্য কৰিছিল ২৫০ টকা পাইকাৰী জৰিমনা আদায় কৰে ম'হ আদি নীলামত বিক্ৰি কৰিছিল। ১৯৩৭ চনত ধায়ত সভা আৰু ১৯৩৮ চনত বোকাবিল তামোচী শিৱসাগৰ জিলা ৰাষ্ট্ৰ সন্মিলনৰ প্ৰথম অধিবেশন কতা আদিৰ প্ৰধান সং-অ'ক আছিল গোকীনাথ বৰদলৈয়ে এই সন্মিলন উদ্বোধন কৰিছিল ১৯৩৮ শিৱসাগৰ জিলা কংগ্ৰেছ অফিচ ঘৰ সাজিবৰ কাৰণে বাঁহ খেৰ আৰু গাঁৱৰ ৰাইজ কেইজনমানলৈ এটা খেৰৰ ঘৰ সজাই দিছিল।

আৰু সকলো গঠনমূলক কামত আগ ভাগ লৈছিল। সৰুৰে পৰাই এজন সঙ্গীত প্ৰিয় লোক আছিল। শোভাযাত্ৰা সভাত, গাঁৱৰ কাৰণে গান, কবিতা, ৰচনা কৰিছিল। তেওঁ দুই চাৰিজন ভলন্টিয়াৰ লগত লৈ নিজৰ গাঠিৰ ধন খৰচ কৰি কেবাখনো কংগ্ৰেছ অধিবেশনলৈ গৈছিড ১৯৭৩ চনত ৰোগগ্ৰস্ত হৈ ১৯৬৬ চনত মৃত্যু হয়।

ৰামপ্ৰসাদ শইকীয়া

১৯০৪ চনত আমগুৰিত জন্ম হয়। দেউতাকৰ নাম দুৰ্লভ শইকীয়া। দেউতাক মৌজাদাৰ আছিল। শইকীয়াই ১৯৩৬ চনত কংগ্ৰেছত সক্ৰিয় ভাবে যোগদান দিয়ে। তেওঁ কংগ্ৰেছ সেৱাদল সংগঠনৰ দায়িত্ব বহন কৰিছিল। ১৯৩৮ চনত শিৱসাগৰ জিলা কংগ্ৰেৰ দুটীয়া সম্পাদক হয় আৰু ১৯৪২ চনৰ গণ বিপ্লৱত ৰেল আইনৰ ১২৬ ধাৰাত ৫।১২।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। কিন্তু ১৭।১২।৪২ তাৰিখে আটক বন্দী হিচাবে পুনৰ জেলত আবদ্ধ হয়। ২৫।৫।৪৪ চনত মুক্তি লাভ কৰে।

মুক্তি লাভ কৰাৰ পিছত শিৱসাগৰ জিলাৰ হোমগাৰ্ড সংগঠনৰ দায়িত্বলয়

কংগ্ৰেছৰ তৰফৰ পৰা মাটিহীন কৃষক সকলৰ এটা কৃষক সংগঠন খোলে। কৃষক সংগঠনৰ সম্পাদকৰ ভাৰ লয়। অসম চৰকাৰে অধিগ্ৰহণ কৰা বাগানৰ মাটি মাটিহীন লোকক কৃষি সমবায় সংগঠন কৰি বহুবাৰ ব্যৱস্থা কৰা হৈছিল। কৃষক সংঘৰ যোগে সমবায় ভিত্তিত। প্ৰাদেশিক কংগ্ৰেছৰ সাধাৰণ সম্পাদক হৈছিল।

১৯৬৪ চনত সক্ৰিয় ৰাজনীতি এৰি ধৰ্মীয় অনুষ্ঠানত তথা অধ্যয়ণত আত্মনিযোগ কৰিছিল।

১৯৮৫ চনৰ আগষ্ট মাহত ইহলীলা সম্বৰণ কৰে।

বজ্ৰেশ্বৰ বৰুৱা

পিতৃ---চন্দ্ৰকান্ত বৰুৱা। জন্ম ১৯৩০। মৃত্যু ১৯৮৯। ১৯৪২ চনত স্কুল এৰি আন্দোলনৰ কাম কৰে, তেওঁ ৰেল লাইন ভঙা বঙলা আদি পোৰা আৰু কৰ্মী সকলৰ যোগান ধৰা ইত্যাদি কাম আগ ভাগ লৈছিল। বৰুৱাই ১৯৪২ চনৰ পৰা ১৯৪৪ চনলৈ হাৰ পলাতক আছিল।

বসৰাম মুক্তিয়াৰ

খনামুখ। ১৯২১ চনত আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় ভাবে অংশ গ্ৰহণ কৰিছিল।

বজ্ৰেশ্বৰ বৰঠাকুৰ: ১৮৯৯ চনত বজ্ৰেশ্বৰ বৰঠাকুৰে জাজী নামুণ গাওঁত জন্ম গ্ৰহণ কৰে। তেওঁ স্কুল বৰ্জন কৰি অসহযোগ আন্দোলন যোগ দিয়ে। গ্ৰেপ্তাৰ কৰি এবছৰ সশ্ৰম কাৰাদণ্ড বিহে। জেলৰ পৰা মুক্ত হৈ ব্যৱসায়ত আত্ম নিয়োগ কৰিছিল। কংগ্ৰেছৰ বিভিন্ন আন্দোন আদিত সহায় কৰি আহিছিল। ১৯৭২ চনত মৃত্যু হয়

বজ্ৰেশ্বৰ হাজৰীকা :

১৯১২ চনত তেজপুৰৰ চতীয়াত জন্ম গ্ৰহণ কৰে। ১৯৩০ চনত হাইস্কুলৰ দশম মানত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ৬ মাহ জেল হয়। শিৱসাগৰৰ গৌৰীসাগৰত স্থায়ী হিচাবে বসতি কৰিবলৈ লয়। গৌৰীসাগৰৰ অঞ্চলৰ বিভিন্ন উন্নয়ন মূলক কাৰ্য্যত অংশ গ্ৰহণ কৰিছিল। ১৯৭৮ চনত মৃত্যু হয়।

ৰুদ্ৰৰাম বৰুৱা :

১৮৯৭ চনত ৰুদ্ৰৰাম বৰুৱাৰ জন্ম হয়। পিতৃ দয়াময় বৰুৱা। শিৱসাগৰ জিলাৰ গধুলী বজা মৌজাৰ জালুকগাৱঁৰ নিবাসী। ১৯২১ চনত স্বাধীনতা আন্দোলনত ঘৰ ত্যাগ কৰি কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য্য আৰু সংগঠনৰ কামত দেহে কেহে লাগিছিল। তিনিমাহ জেল হয়। তিনিকুৰি টকা জৰিমনা হয়। ৰুপিত মাটি আঠ কঠা নিলামত যায়।মাটি বাৰী হীন হৈ পৰে। কিন্তু কংগ্ৰেছৰ কামতে লাগি আছিল।

১৯৩০।৩২ আৰু ১৯৫২ চনৰ আন্দোলনতো বিশেষ ভাবে অংশ গ্ৰহণ কৰিছিল। সদায় কেৱল গান্ধীৰ কথা বাটে ঘাটে কৈ ফুৰা কাৰণে মানুহে তেওঁক "গান্ধী পগলা" বুলি মাতিছিল।

কংগ্ৰেছৰ সভা সমিতিত ঘূৰি ফুৰোতে পৰিয়ালৰ ঘৰুৱা অৱস্থা ক্ৰমে বেয়া হৈ পৰে। পৰিয়ালৰ লোকে হাজিৰা আদি কাম কৰি জীৱন নিৰ্বাহ কৰিবলগীয়া হৈছিল। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। সৰু পুতেকেও ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল

ৰুদ্ৰৰাম বৰুৱাই ১৯২১ চনৰ পৰা ১৯৪২ চনৰ স্বাধীনতা আন্দোলন আদিত সক্ৰিয় অংশ গ্ৰহণ কৰি অতি দুৰৱস্থাত ১৯৬৩ চনত মৃত্যু হয়।

ৰূপৰাম মৌকাধৰ :

১৯১২ চনত জন্ম হয়। ১৯৩০ চনতনিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত পিকেটিং কৰা অপৰাধত ৬ মাহ জেল হয়।

১৯৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত এজন সক্ৰিয় পলাতক কৰ্মী আছিল। বিভিন্ন ৰাজহুৱা কামত জড়িত আছিল। ১৯৫১ চনত হঠাত মৃত্যু হয়।

ৰূপেশ্বৰ হাজৰিকা

১৯০০ চনৰ ২১ অক্টোবৰত শিৱসাগৰ চাৰিং অঞ্চলৰ বাকৰতি গাৱঁত জন্ম হয়। মাইনৰ স্কুল পাছ কৰি সমাজৰ কাম আৰু ঘৰৰ হাতীৰ লগত হাতী চিকাৰ কৰি পাহাৰে কন্দৰে থাকি ডেকা কালচোৱা অতিবাহিত কৰিছিল। ১৯৩৮ চনৰ পৰাই কংগ্ৰেছত যোগদান কৰে।

১৯৪০।৪১ চনত সত্যাগ্ৰহ কৰিছিল কিন্তু জেল হোৱা নাছিল।

১৯৪২ চনৰ আন্দোলনত পলাই ফুৰিব লগাত পৰে। স্বাধীনতা লাভৰ বাবে মুক্তি বাহিনীত যোগদান কৰে। গাৱৰ মানুহে তেওঁক ভলন্টিয়াৰ বুলি মাতিছিল। বৃটিছ চৰকাৰে ঘৰ খানাতালাছ কৰি ঘৰৰ বহুতো মূল্যবান বস্তু লৈ যায়। তেওঁক গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত ৰাখে। যোৰহাট জেলত ডেৰ বছৰ কাল আছিল। জেলৰ ভিতৰতে লাঠি চাৰ্জ কৰাত আঘাট পাইছিল।

স্বাধীনতা লাভৰ পাছত যতৰত কপাহ কাটি খাদী বস্ত্ৰ পৰিধান কৰাৰ উপৰিও অৰ্থনৈতিক দিশত সমাজক আগবঢ়াই নিয়াৰ মানসেৰে গঠনমূলক কামত হাতে কামে লাগি নুনী গছ ৰুই পাট পলু পুহি সূতা কাটি-বলৈ ওচৰৰ কাটনি গাৱত লৈ শিকি লৈছিল। তেওঁ চাবিং গাওঁ পঞ্চায়তৰ সভাপতি হিচাবে নতি সুখ্যাতিৰে কেবাবছৰো এটা টাৰ্ম বহন কৰিছিল। ১৯৭৭ চনৰ ৩১ জানুৱাৰী তাৰিখে ৭৭ বছৰ বয়সত মৃত্যু বৰণ কৰে। এজন সৰ্বোদয় আৰু ভূদান কৰ্মী আছিল।

ৰূপ ৰাম বৰুৱা

১৮৯০ চনত জন্ম হয় ডিমোমুখত। পিতৃৰ নাম মহাৰাম বৰা। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯২১ চনৰ পৰা কংগ্ৰেচ কমিটি গঠন; গঠনমূলক কামত আত্ম নিয়োগ কৰিছিল। ১৯৩০।৩২ আৰু ৪২ চনৰ আন্দোলনত সহযোগ কৰি আহিছিল। ১৯৩৮ চনত শিৱসাগৰত কানি বন্ধ কৰা, কানিয়া প্ৰধান অঞ্চলৰ পৰা কানিয়া সকলক চিকিৎসাৰ ব্যৱস্থা কৰাত আত্ম নিয়োগ কৰিছিল। ১৯৭৬ চনত মৃত্যু হয়।

ললিত হাজৰিকা

১৯১৭ চনত এখেতে জন্ম গ্ৰহণ কৰে। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩২ চনত আইন অমান্য আন্দোলনত কানি দোকানত পিকেটিং কৰিছিল কিন্তু গ্ৰেপ্তাৰ কৰি থানাৰ পৰা পিছত এৰি দিয়ে। তাল, খোল লৈ স্বৰাজৰ সংগীত তেখেতে গাই ফুৰিছিল। কংগ্ৰেছৰ শোভাযাত্ৰাবোৰত আগ ভাগ লৈছিল। ১৯৪২ চনৰ আন্দোলনতো পলাতক হিচাবে কাম কৰিছিল। খৰিয়াঘাট অনুসূচিত অঞ্চলত গঠনমূলক কামত আগ ভাগ লৈছিল। ১৯৮৫ চনত এখেত স্বৰ্গগামী হয়।

কুলধৰ চলিহা

জন্ম ১৮৮৬ চনৰ ২০ ডেচেম্বৰ। পিতৃ ৰায়বাহাদুৰ ফণীধৰ চলিহা। শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পাছ কৰি কলিকতাত বি, এ আৰু আইন পাছ কৰি প্ৰথমে হাকিম হয় আৰু পাছত ওকালতি কৰে। ১৯১৯ চনত ৰাজনৈতিক জীৱন আৰম্ভ। ১৯২০ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি। কানি বৰ্জন অভিযানত ৰাইজৰ পৰা বিপুল সহাৰি পায়। কানি বৰ্জন আন্দোলনৰ পৰিপেক্ষিতত ১১০০ জনে কাৰাবৰণ কৰে। চলিহাক ১৯২১ চনত গ্ৰেপ্তাৰ কৰি প্ৰথমে যোৰহাট জেলত ৰাখি পিচত চিলচৰ জেললৈ বদলি কৰা হয়। সেইবাৰ তেখেতৰ এবছৰ কাৰাবাস হয়। ১৯২২ চনত গয়া কংগ্ৰেছত যোগদান কৰে। পাণ্ডু কংগ্ৰেছৰ পিচত "কানি অনুসন্ধান কংগ্ৰেছ কমিটি এখন গঠন কৰি কুলধৰ চলিহাক সভাপতি পতা হৈছিল। এই কমিটিৰ সদস্যসকলে ১২৬০ মাইল ভ্ৰমণ কৰি ৫২৬ জন লোকৰ সাক্ষী লৈ ১৯২৬ চনৰ পৰা ৫ বছৰৰ ভিতৰত অসমৰ কানি বন্ধৰ প্ৰতিবেদন দিয়ে। জীৱনৰ শেষ মুহূৰ্ত্তলৈ মহাত্মা গান্ধীৰ আদৰ্শক শিৰোধাৰ্য্য কৰা সকলৰ ভিতৰত কুলধৰ চলিহা আছিল এজন। শেষলৈ মত বিৰোধ হৈ আসাম লেজিছলেটিভ কাউন্সিলৰ সদস্যপদ ইস্তফা দিছিল। ১৯৩৫ চনত তেওঁৰ ডিজিৰ অসুখৰ বাবে নেতাজীৰ সহায়ত সেই সময়ৰ সুপ্ৰসিদ্ধ ডাঃ নোটেলৰ চিকিৎসাত আৰোগ্য লাভ কৰে। নেতাজীৰ পৰা পৰা পৰিচয় পত্ৰ লৈ জাৰ্মানিলৈকে যাত্ৰা কৰে। তেওঁ জাৰ্মানীত নাজী-বাদৰ কৌশল শিকে। লগে লগে শ্ৰমিক থকা ঠাই, তিৰোতা শ্ৰমিক থকা ঠাই, বিজুলী কৰ্মশালা প্ৰসূতিশালা আৰু বহুতো স্কুল-কলেজ দৰ্শন কৰে। জাৰ্মানীৰ পিচত ক্ৰমে বেলজিয়াম, ফ্ৰান্স, চুইজাৰলেণ্ড আৰু ইটালি ভ্ৰমণ কৰে। দিল্লীত চলিহা লোকসভাৰ সদস্য আৰু সংবিধান সমিতিৰ সদস্য আৰু কেইবাটাও গুৰুত্বপূৰ্ণ পদবীত ১৭ বছৰ কাল থাকে। ১৯৫২-৫৭ চনত কুলধৰ চলিহাদেৱ অসম বিধান সভাৰ অধ্যক্ষ ৰূপে থাকে।

১৯২১ চনত ওকালতি বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দি মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, নেতাজী সুভাষ চন্দ্ৰ বসু, ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ, জগজীৱন ৰাম, চৰণ সিং, আচাৰ্য্য কৃপালনি, ডাক্তৰ আম্বেদকাৰ প্ৰমুখ্যে সৰ্বভাৰতীয় কংগ্ৰেছী নেতাসকলৰ আস্থাভাজন হয় অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভাপতি কুলধৰ চলিহাৰ ১৯৬৩ চনৰ ১৯ জানুৱাৰী পুৱা ৪ বজাত ধমনীৰোগ ৰোগত গিচন হস্পিতালত ৭২ বছৰ বয়সত পৰলোক প্ৰাপ্তি ঘটে।

লীলা কাকতী

১৯১৭ চনত বলীয়াপুৰ গাৱত জন্ম হয়। পিতৃ---মাহী কাকতি। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত শিৱসাগৰৰ পূৱ অঞ্চলত ধ্বংসাত্মক কামৰ দল সংগঠন কৰিছিল। ২১।১২।৪২ত গ্ৰেপ্তাৰ কৰি আটক বন্দী হিচাবে ১৭।১।৪৪ চনলৈকে আটক কৰি ৰাখিছিল। ১৯৮২ চনত এখেতে দেহত্যাগ কৰে।

লক্ষীৰাম মোহন

খালৈ যোগৰা মৌজা। বৰহুহকী গাওঁ। ১৯২১ চনত শিক্ষানুষ্ঠপন বৰ্জন কৰি অসহযোগ আন্দোলনত যোগদান কৰে। ১৯৩০।৩২ চনৰ আন্দোলনত কানি মদৰ দোকানত পিকেটিং কৰিছিল। এখেতৰ ঘৰত কংগ্ৰেছ কৰ্মী সকলৰ শিবিৰ আছিল। ১৯৪২ চনৰ গণ বিপ্লৱত তেওঁৰ ঘৰখনেই আছিল গুপ্তকাৰী সকলৰ কেন্দ্ৰ। পুলিছে এই সক্ৰান্তত কেবা বাৰো ঘৰ খানাতালাচ কৰি পৰিয়ালৰ মানুহক জুলুম কৰিছিল। এখেতক গ্ৰেপ্তাৰ কৰি এবছৰ জেল দিয়ে। এখেত গঠনমূলক কৰ্মী আছিল। ১৯৭৯ চনত এই গৰাকী ব্যক্তি স্বৰ্গগামী হয়।

লীলাৱতী কাকতী

বলীয়া ঘাট। ১৮৮৮ চনত বলীয়াঘাটত জন্ম গ্ৰহণ কৰে।পিতৃ--মংগলা নেওগ। ১৯২১ চনৰ পৰাই স্বামী যোগেন্দ্ৰ নাথ কাকতী স্থানীয় কংগ্ৰেছ সম্পাদক আছিল। তেখেত সকলৰ ঘৰখনেই অফিছ আছিল। কংগ্ৰেছ ভলন্টিয়াৰ সকলক চাহ জলপান ভাত খোৱাৰ ব্যৱস্থাৰ লগতে ঘৰত সূতা কটাৰ কেন্দ্ৰ খুলিছিল; গাৱঁৰ লৰা-ছোৱালী সকলক সূতা কটা আৰু প্ৰশিক্ষণ দিবৰ কাৰণে। ১৯৩২ চনত গাৱঁৰ অইন মহিলাৰ লগত গৌৰী সাগৰ কানি দোকানত পিকেটিং কৰিছিল। গ্ৰেপ্তাৰ কৰি এৰি দিছিল। ১৯৪২ চনৰ পৰা আন্দোলনত পলাতক হিচাবে কাম কৰা কৰ্মী সকলৰ তেওঁ যত্ন লৈ গুপ্তভাৱে ৰাখিছিল । ১৯৭৮ চনত এখেতৰ স্বৰ্গগামী হয়।

লোকনাথ ফুকন

লোকনাথ ফুকনৰ জন্ম হয় ১৮৮৫ চনত। পিতৃ ৰাধা ফুকন, মাতৃ

অর্পনা আইদেউ। সেউতাক এজন স্বাধীন মনৰ চহকী লোক আছিল। শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা নৰম মানত স্কুল এৰি দেউতাকৰ কাৰবাৰত সহায় কৰিবলৈ ধৰে। ১৯২১ চনৰ কংগ্ৰেছৰ কামত যোগ দিয়ে। ৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পুলিছে তেখেতক ঘৰ ঘেৰাও কৰি গ্ৰেপ্তাৰ কৰে আৰু যোৰহাট জেলত এবছৰৰো অধিক কাল আটক বন্দী হিচাপে ৰাখে। চাৰিং কংগ্ৰেছ কমিটিৰ এজন প্ৰধান নেতা আছিল। ফুকনৰ চাৰিং কংগ্ৰেছ কৰ্মী নাট্য সমাজ আদি বিভিন্ন ৰাজনৈতিক আৰু সাংস্কৃতিক অনুষ্ঠান প্ৰতিষ্ঠান আদিত তেওঁৰ অবদান উল্লেখনীয়।

শুকুলা সিং চফ্ৰাই ন'ফুক বাগানৰ মিস্ত্ৰি আছিল। ১৯২১ চনত না ফুক বাগানৰ বনুৱা সকলৰ বিক্ষোভৰ অন্যতম নেতা হিচাবে মেনেজাৰে গ্ৰেপ্তাৰ কৰি বিচাৰত ৬ (ছমাহ) জেল হয়। জেলৰ পৰা মুক্তি লাভ কৰি কংগ্ৰেছৰ এজন সংগঠক হয। কংগ্ৰেছৰ বিভিন্ন আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৬৫ চনত মৃত্যু হয়।

সিৱ প্ৰসাদ বৰুৱা

শিৱসাগৰ টাউন। ১৯০১ চনত জন্ম। ১৯২১ চনত কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯২২ চনত গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ জেল আৰু ১০০ টকা জৰিমনা অনদায়ত এমাহ ফাটেক। ১৯২৬ চনত শিৱসাগৰ পৰা পাণ্ডু কংগ্ৰেছলৈ সেৱা দল লৈ গৈছিল। ১৯২৭ চনৰ পৰা জিলা কংগ্ৰেছৰ সম্পাদক হিচাবে ১৯৩৪ চনলৈকে আছিল। বৰুৱা সমস্যাৰ কাৰণে যদিও ১৯৩০।৩২ আৰু ১৯৪২ চনৰ গণ আন্দোলন সক্ৰিয় অংশ গ্ৰহণ কৰা নাছিল কিন্তু অন্য সকলো প্ৰকাৰে সহায় কৰিছিল। বিশেষকৈ ১৯৪২ চনৰ বিপ্লৱী কাৰ্য্যত। শিৱসাগৰ মাই মন্দিৰ আদি বিভিন্ন ৰাজহুৱা কামৰ আজু ভাত হৈছিল। আজীৱন এজন কংগ্ৰেছ সেৱক আছিল ১৯৭২ চনত মৃত্যু হয়।

শশীধৰ শৰ্ম্মা

শিৱসাগৰ টাউন ১৯২১ চনত মঙ্গলদৈত পশু চিকিৎসক আছিল। কাম ত্যাগ কৰি অসহযোগ আন্দোলনত যোগদান কৰে। এবছৰ কাৰাদণ্ড হয়। এজন কংগ্ৰেছী লোক আছিল জীৱন ব্যাপি। কংগ্ৰেছৰ সকলো কামতে সহযোগ কৰিছিল। ১৯৪৪ চনত মৃত্যু হয়।

শ্ৰী নাথ কাকতি

পিতা--প্ৰাণনাথ কাকতি। আমগুৰি টাউন। ১৯০০ চনত বলিয়াঘাটত জন্ম গ্ৰহণ কৰে। ১৯২১ চনৰ স্বাধীনতা আন্দোলনত চাৰিং এম, ভি স্কুলৰ পৰা শিক্ষকৰ পদ ত্যাগ কৰি আন্দোলনত সক্ৰিয়ভাৱে লগাত ৬০ টকা জৰিমনা ভৰে। আমগুৰি অঞ্চলৰ কংগ্ৰেছ কমিটিৰ সভাপতি আছিল। ১৯৩০ চনত তিনিবাৰ গ্ৰেপ্তাৰ বৰণ আৰু ১৯৩১।৩২ চনত চাৰিবাৰ গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৪২ চনৰ আন্দোলনত আমগুৰি কংগ্ৰেছৰ সভাপতি আছিল। ৰেল লাইন পহৰা দিবলৈ পুলিচে হুকুম জাৰি কৰাত, এখেতে হুকুম অমান্য কৰিছিল। ফলত এখেতক ঘৰত অন্তৰিণ কৰি ৰাখে আৰু তিনিবাৰ পাইক্যাৰী জৰিমনা লয়। ১৯৫৫ চনৰ জুন মাহত শেষ নিশ্বাস ত্যাগ কৰে

সক্ৰাম ৰাজকোঁৱৰ

গাওঁ বামধূলি। টেঙা পুখুৰীত এখেতে ১৯২১ চনত কানি, ভাং, মদ এৰাবলৈ ৰাইজৰ মাজত প্ৰচাৰ কৰিছিল। নিজে টাকুৰীত সূতা কাটি ঘৰত কাপোৰ বোৱাই পিন্ধিছিল। এখেতে যলৈকে গৈছিল হাতত টাকুৰীটো লৈ কপাহ কাটিছিল। ঘৰে ঘৰে কপাহ কাটি উদগণি দিছিল। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈকে একাদিক্ৰমে স্বাধীনতা সংগ্ৰামত লাগিছিল। ১৯৪৩ চনত চাৰিমাহ জেল খাটিছিল। এখন গঠনমূলক কেন্দ্ৰ স্থাপন কৰি সূতা কটা, কাপোৰ বোৱা আদিৰ জৰিয়তে গাৱঁৰ আৰ্থিক অৱস্থাৰ উন্নতি কৰিবলৈ প্ৰচেষ্টা চলাইছিল। এখেত সৰ্ব্বোদয় আৰু ভূদান কৰ্মী আছিল। আজীৱন ধৰি। ১৯৮০ চনত এখেতে ইহলীলা সম্বৰণ কৰে।

সংৰাম গোহাঁই

কৈজান নগতানি গাওঁ। ১৮৯৯ চনত এখেতে জন্ম লাভ কৰে। ১৯২১ চনত অসহযোগ আন্দোলনত এখেতে যোগ দিছিল। কিন্তু ফাটেক হোৱা নাছিল। কৈজান নগতানি অঞ্চলৰ পঞ্চায়ত আৰু কংগ্ৰেছ কমিটি আদি বিভিন্ন অনুষ্ঠানৰ লগত এখেত জড়িত আছিল। ১৯৩২ চনত আইন অমান্য আন্দোলনত কানি দোকানত পিকেটিং কৰাৰ কাৰণে ছমাহ জেল হয়। ১৯৪০।৪১ চনত সত্যাগ্ৰহ কৰিছিল যদিও গ্ৰেপ্তাৰ হোৱা নাছিল। ৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু ৩০

টকা পাইশাৰী জৰিমনা আদায় কৰে। গোহাই আজীৱন কংগ্ৰেছৰ হৈ কাম কৰিছিল। তেখেত নগতাণি প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল। ১৯৩৮ চনত বোকাবিলত শিৱসাগৰ জিলা ৰাষ্ট্ৰীয় সন্মিলন পতাত এজন আগশাৰীৰ নেতা আছিল। দেশ স্বাধীন হোৱাৰ পাছত গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

সৰোজ কাকতি

স্বামীৰ নাম লীলাকাকতী। জন্ম ১৯১৯ চনত। শিৱসাগৰৰ গেলা-চকত ঘৰ। এওঁ ৱাৰ্দ্ধাত সেৱাশ্ৰমত প্ৰশিক্ষণ ল'বলৈ গৈছিল। ১৯৪২ চনত গণ আন্দোলনত মহিলা আশ্ৰমৰ কিছু সংখ্যকৰ লগতে এওঁকো গ্ৰেপ্তাৰ কৰি এবছৰ তিনিমাহ নাগপুৰ আৰু জব্বলপুৰ জেলত আৱদ্ধ ৰাখে। সেউতাকে বাগানত চাকৰি কৰিছিল। শিৱসাগৰ' লীলা কাকতীৰ লগত বিয়া হয়। ১৯৮৬ চনত মৃত্যু হয়।

সোন্দৰী কাকতী

ঘৰ চাৰিকত। জন্ম ১৯৬৮ চনত। ১৯২১ চনৰ পৰা কংগ্ৰেছৰ বিভিন্ন আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি আহিছিল। মহিলা সংগঠনতো নেতৃত্ব কৰিছিল। গাৱৰ আশে পাশে মহিলা সভা পাতি সংগঠন কৰি-ছিল। সূতা কটা, কপাহ মেৰোৱা আৰু ধুনাৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰি গাৱৰ ছোৱালী তিৰোতাক প্ৰশিক্ষণ দিছিল।

১৯৩২ চনত কানিৰ দোকানত পিকেটিং কৰা কাৰণে গ্ৰেপ্তাৰ কৰি এৰি দিয়ে। ১৯৪২ চনত তেওঁৰ ঘৰ গুপ্ত কৰ্মীয়ে বিচাৰি খানাতালাছ কৰিছিল। ঘৰৰ বস্তু লণ্ড ভণ্ড আৰু কিছু বস্তু লৈ যায়।

সভাৰাম বৰা

১৯১২ চনত মেটেকা গাৱত জন্ম গ্ৰহণ কৰে। ১৯৩০।৩২ চনৰ আন্দোলনত সক্ৰিয় কৰ্মী আছিল। ১৯৩৮ চনত কানি বন্ধ কৰাত গাৱে গাৱে কানিয়া সকলক উলিয়াই আনি চিকিৎসাৰ ব্যৱস্থা কৰিছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল। ১৯৪৩ চনত গ্ৰেপ্তাৰ কৰে। ২মাহ হাজোতত ৰাখি প্ৰমাণৰ অভাৱত এৰি দিয়ে। ১৯৮০ চনত মৃত্যু হয়।

সুৰেন্দ্ৰ নাথ মিশ্ৰ

মাহমৰা মৌজা, কাকতিবাৰী। জন্ম ১৯১৬, মৃত্যু ১৯৭৯ চন।

১৯৩০ চনত নৱমমান শ্ৰেণীত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩২ চনত তিনিমাহ জেল হয়। এওঁ কংগ্ৰেছ কমিটী স্থাপন, সেৱাদল গঠন আৰু গঠনমূলক কাম বিলাকত মাহ ম'ৰা মৌজাত প্ৰধান ভূমিকা গ্ৰহণ কৰিছিল। কাকতিবাৰী কংগ্ৰেছৰ বহুতদিন সম্পাদক আছিল। জিলা কংগ্ৰেছৰ এজন সক্ৰিয় সভ্য আছিল। ১৯৪২ চনৰ ১৬ ছেপ্টেম্বৰত শিলখুটি খালৈ যোগৰা আৰু মাহমৰা মৌজাৰ কংগ্ৰেছ কৰ্মীসকলে তাৰ আগ দিনা মিশ্ৰৰ ঘৰত গোট খাই তেখেতৰ ঘৰৰ সন্মুখৰ গাওঁখনৰ পৰা চাউল খুজি আনি ভাত খাই সোণাৰী থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে গ্ৰেপ্তাৰ কৰে। বিচাৰত ছমাহ জেল হয়। জেলৰ পৰা মুক্তি পাই গুপ্তভাবে থাকি কাম কৰিছিল। ১৯৪৬ চনৰ পৰা সোণাৰীৰ চাহ বাগান বনুৱা সংগঠনত আত্ম নিয়োগ কৰে। ১৯৮২ চনৰ তেখেতৰ মৃত্যুৰ সময়লৈকে সোণাৰী চাহ মজদুৰ সংঘৰ সম্পাদক আছিল। চাহ বাগানৰ সংগঠন কামত বিশেষকৈ এখন বাগানত মেনেজাৰৰ গুণ্ডাৰ দ্বাৰা মাৰ পিত কৰি বাগানৰ বাহিৰ কৰি দিছিল; কিন্তু, পাছদিনা পুনৰ যোৱাত পুলিছৰ দ্বাৰা গ্ৰেপ্তাৰ কৰোৱাই কিন্তু সংঘৰ উচ্চ মহলৰ হস্তক্ষেপত পুলিছে মুক্তি দিয়ে। মালিক মেনেজাৰে ক্ষমা বিচাৰে। কাকতিবাৰী অঞ্চলৰ সকলো উন্নয়ন কামতে আগভাগ লৈছিল। ১৯৭৯ চনত হৃদ ৰোগত আক্ৰান্ত হৈ মৃত্যু হয়।

সুৰেণ বৰুৱা

সাপেখাটি। স্বাধীনতা সংগ্ৰামত ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেখেতে টাকুৰীত সূতা কাটি ঘৰত কাপোৰ তৈয়াৰ কৰাই পৰিধান কৰিছিল। কানি, ভাং, মদ নিবাৰণত অংশ গ্ৰহণ কৰিছিল। স্কুলত পিকেটিং কৰোতে গ্ৰেপ্তাৰ কৰে আৰু তিনিমাহ জেল দিয়ে। সাপেখাটি অঞ্চলত কংগ্ৰেছ কমিটি গঠন কৰাত আগ ভাগ লৈছিল আৰু বহু বছৰ ধৰি সম্পাদক আছিল। হৰিজন আন্দোলনতো জড়িত আছিল। ১৯৪২ চনত স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰোতে পুলিছে গ্ৰেপ্তাৰ কৰিবলৈ পৰোৱানা জাৰি কৰাত তেওঁ গুপ্তভাৱে থাকি কাম কৰিছিল। সাপেখাটি মৌজাত শিক্ষা অনুষ্ঠান প্ৰতিষ্ঠা আৰু অন্যান্য উন্নয়ন

মূলক কামত আগ ভাগ লৈছিল। ১৯৮৮ চনৰ ২৬ ডিচেম্বৰত তেখেতৰ মৃত্যু হয়।

সাবিত্ৰী বালা কাকতী

১৯৩০ চনত বলিয়াঘাটত কংগ্ৰেছ মহিলা সভাৰ সম্পাদিকা হয়। এখেতৰ জন্ম ১৯১৪ চনত। কংগ্ৰেছৰ বিভিন্ন সংগঠনমূলক কামত বিশেষ কৰি সূতা কটা, খাদী আৰু অন্যান্য কামত আত্ম নিয়োগ কৰিছিল। মহিলা স্বেচ্ছাসেৱীকা দলৰ নায়ক আছিল। ১৯৬৪ চনত মৃত্যু লয়।

সুখেন গগৈ

বৰুৱাছালী, বৰপথাৰ। পিতা জয়ৰাম। ১৯৩০ চনত স্কুল বৰ্জন কৰি আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩২ চনত গ্ৰেপ্তাৰ হৈছিল আৰু ৬ মাহ জেল হৈছিল। বৰুৱাছালী মৌজাত প্ৰাথমিক কংগ্ৰেছ কমিটীৰ বহুত বছৰ সম্পাদক আছিল। ১৯৩৮।৩৯ চনত কানি বন্ধ কৰা, কানিয়া সকলৰ বৰুৱাছালী মৌজাৰ চিকিৎসা কেন্দ্ৰৰ সেৱা কামত আত্ম নিয়োগ কৰিছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল কিন্তু গ্ৰেপ্তাৰ হোৱা নাছিল। ১৯৪২ চনত চৰকাৰী নথি-পত্ৰ নষ্ট কৰা অপৰাধত দুবছৰ জেল হয়। জেলৰ পৰা মুক্ত হৈ কংগ্ৰেছ আৰু বিভিন্ন ৰাজহুৱা কামত মৃত্যুৰ সময়লৈকে আত্ম নিয়োগ কৰিছিল। ১৯৮৯ চনত মৃত্যু হয়।

সোণাৰাম দত্ত

১৯৩৫ চনত সোনাৰাম দত্ত শিৱসাগৰ নগৰত জন্ম হয়। পিতৃ ৰামচৰণ দত্ত। সোনাৰাম দত্ত এজন মেধাবী ছাত্ৰ, মেট্ৰিক আৰু বি, এ সুখ্যাতিৰে পাছ কৰে। গুৱাহাটীৰ পৰা প্ৰকাশিত অসমীয়া কাকতত্তো কাম কৰিছিল। কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে প্ৰতিবাদ কৰি চৰকাৰী হাইস্কুল বৰ্জন কৰি ওলাই অহা ছাত্ৰ সকলক পঢ়া কাৰণে শিৱসাগৰৰ কংগ্ৰেছী নেতা সকলৰ সহযোগত শিৱসাগৰ বিদ্যাপীঠ পতিষ্ঠা কৰে। ১৯৩০ চনত মেধীৰ গ্ৰেপ্তাৰৰ পাছত যাদৱ প্ৰসাদ চলিহা জনৰ কংগ্ৰেছৰ নিৰ্দেশক হয়। সোণাৰাম দত্তক অন্যতৰ সম্পাদক হিচাবে মনোনিত কৰে। ১৯৩২ চনত শিৱসাগৰ নগৰত ১৪৪ ঠাৰা ভজ কৰা বাবে

দত্তৰ ৬ মাহ জেল হয়। ১৯৩৮ চনত কংগ্ৰেছৰ বিধায়ক দলৰ সম্পাদক মনোনিত কৰে। তেখেতে সমাজবাদী দল এটাৰ গঠন কৰিছিল। ১৯৪০ চনত তৰুণচন্দ্ৰ গগৈদেৱৰ মৃত্যুত শিৱসাগৰৰ পশ্চিম সমষ্টিত যি উপ নিৰ্বাচন হৈছিল তাত সোনাৰাম দত্ত নিৰ্বাচিত হৈছিল। স্বাস্থ্য জনিত কাৰণত ১৯৪১ চনত সত্যাগ্ৰহ কৰিবলৈ দিয়া নাছিল। ১৯৪৩ চনত মৃত্যু হয়।

হৰিনাথ বুঢ়াগোহাঁই

১৮৮৯ চনত বেতবাৰী মৌজাৰ বোকাবিল গোহাঁই গাঁৱত হৰিনাথ বুঢ়াগোহাঁইৰ জন্ম হয়। মণ্ডল কামত নিয়োগ হয়। নিতাই পুখুৰী মৌজাৰ শুকান পুখুৰীত স্থায়ী হিচাবে বসতি কৰিবলৈ লয়। ১৯২১/২২ চনৰ অসহযোগ আন্দোলনত সহযোগ কৰাত মণ্ডল চাকৰিৰ পৰা বৰ্খাস্ত কৰে। খাজানা নিদিয়াত ৭২ বিঘা মাটি নিলামত যায়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত যোগদান কৰিছিল। ১৯৩০/৩২ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩৪ চনত অস্পৃশ্যতা বৰ্জন আৰু বিশেষকৈ ১৯২১ চনৰ পৰা গাঁৱলীয়া সমাজৰ পৰা কানি বন্ধ কৰা আন্দোলনত সক্ৰিয়ভাৱে আত্মনিয়োগ কৰিছিল। ১৯৪২ চনৰ গণ-আন্দোলনত চাফ্ৰাই ভজো ষ্টেচনৰ মাজত ৰেল লাইন চ্যুত কৰা অভিযোগত পুলিচে গেপ্তাৰ কৰিবলৈ বিচৰাত কিছুদিন আত্মগোপন কৰি থাকি নিজে ধৰা দিয়ে আৰু দহ মাহ জেল হয়। গোহাঁই দেৱৰ ঘৰখন আছিল কংগ্ৰেছ ভলণ্টিয়াৰ সকলৰ আশ্ৰয়ৰ স্থল। বহু বছৰ শুকান পুখুৰী প্ৰাইমাৰী কংগ্ৰেছৰ সভাপতি আৰু সেই অঞ্চলৰ বিভিন্ন উন্নয়নমূলক কামত আগ ভাগ লৈছিল। ১৯৬২ চনৰ ২ ফেব্ৰুৱাৰীত এই নেতাজনৰ মৃত্যু হয়।

বিঃ দ্ৰঃ—পৰিয়ালৰ পৰা আমাক জনাইছে যে আগতে লেখা ধৰণৰ পুলিচে পৰিয়ালক অত্যাচাৰ বা বৰ্বৰভাৱে কোনো কাৰ্য্যই কৰা কথা একেবাৰেই অসত্য। আমি আমাৰ ভুলৰ বাবে পৰিয়াল বৰ্গৰ ওচৰত সনুনয়নে ক্ষমা বিচাৰিছো। আমি পোৱা ৰিপৰ্ট বা তথ্য সম্ভৱ ভুল আছিল।

সভাপতি
সম্পাদনা সমিতি

(৪৯২ পৃষ্ঠাৰ পিছৰপৰা)

উক্ত গাঁৱতে কিছু মাটিবাৰী লৈ খেতিবাতি কৰি জীৱিকা নিৰ্বাহ কৰিছিল। ১৯৪২ চনৰ গণ বিপ্লৱলৈ আহ্বান অহাত তেওঁ ভলণ্টিয়াৰ হৈ ট্ৰেইনিং লৈছিল। ২০ চেপ্তেম্বৰৰ ঢেকিয়াজুলি থানাত পতাকা উত্তোলন অভিযানত ভাগ লৈ ৰক্ষী বাহিনীত যোগ দিয়ে। পুলিচৰ গুলিত আৰু গুণ্ডা দলৰ নিষ্ঠুৰ আক্ৰমণত জনতা ছত্ৰভঙ্গ দিয়াৰ সময়ত বজাৰৰ ফাললৈ লৰ মাৰোঁতে পিছফালৰ পৰা পিঠিত গুলি লাগি দয়াল দাস হামগুৰি খাই পৰি যায়। তেনে অৱস্থাতে থানাৰ পশ্চিম ফালে সাজু হৈ লুকাই থকা গুণ্ডা দলে লাঠিৰে মৰিয়াই ঘুণুৱা কৰে। আৰু ৰাতিলৈ মৃত্যু হয়। তেওঁৰ বিধৱা ঘৈণীয়েক সুৰতানী পানীকাই জীৱিত কালত শ্বহীদ পৰিয়ালৰ সাহায্য পেঞ্চন অসম ৰাজ্যিক চৰকাৰৰ পৰা পাইছিল।

দয়াৰাম নাথ :

১৯৪২ চনত ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে ভৰিত গুলিবিদ্ধ হয় আৰু ঘূণীয়া হয়। অসম চৰকাৰৰ পৰা পেঞ্চন ভোগ কৰিছিল। ১৯৬৩ চনত পৰলোকগামী হয়।

দাৰকি দেৱী :

১৯৪২ চনৰ ২০ চেপ্তেম্বৰত ঢেকিয়াজুলিত পতাকা উত্তোলন কৰিবলৈ অহা মহিলাসকলক নেতৃত্ব দিছিল। পুলিচে মৈমনচিঙীয়া গুণ্ডা লগাই লাঠিৰে কোবায়। লাঠীৰ কোবত আন মানুহৰ লগত দাৰকি দেৱীও আহত হয়। কিছুদিন থকাৰ পাছত তেখেতৰ মৃত্যু হয়। তেওঁ মহিলা জাগৰণৰ এগৰাকী কৰ্মীও আছিল।

নৱ কুমাৰ নাথ :

বেহেৰীয়া, পুখুৰীয়া। পিতৃ চন্দ্ৰকুমাৰ নাথ। ১৯৪০ চনত স্কুল ত্যাগ কৰি কংগ্ৰেছৰ যোগেদি দেশৰ কামত লাগে। '৪২ চনৰ ২০ চেপ্তেম্বৰত ঢেকিয়াজুলিৰ গুলি চালনাত ভৰিত গুলি লাগি ঘূণীয়া হয়।

পদুমী গগৈ :

১৯৪২ চনৰ বিপ্লবী বাহিনীৰ দ্বিতীয় দলপতি বাপুৰাম গগৈৰ পত্নী। ঢেকিয়াজুলি বিপ্লৱত স্বামীসহ যোগদান কৰি গুণ্ডা দলৰ হাতত গুৰুতৰভাৱে আহত হৈ পুলিচৰ হাতত গ্ৰেপ্তাৰ হয়। ছয় মাহ জেল হাজোতত থাকি শাৰীৰিক স্বাস্থ্য ভাগি পৰাত খালাচ পায়। খালাচ পোৱাৰ এমাহমানৰ পাছত মৃত্যু বৰণ কৰে।

প্ৰজাপতি বিজাল :

নেপালী সম্প্ৰদায়ৰ এইজন মুক্তিযুঁজাৰুৱে স্বাধীনতা আন্দোলনত সংগঠক হিচাপে কাম কৰিছিল। '৪২ৰ পলাতক কৰ্মী বিজাল ভালেমান গঠনমূলক কামৰ লগত জড়িত আছিল।

ৰঘুৰাম দাস :

ঠেংগামৰা। ৰঘুৰাম দাসে ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩৪ চনৰ পৰা অস্পৃশ্যতা দূৰীকৰণ আৰু সমাজ উন্নয়ন কামত আত্ম-নিয়োগ কৰিছিল। ১৯৪২ চনত ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচৰ লাঠিৰ কোব খায় আৰু গ্ৰেপ্তাৰ হয়। তিনিমাহ জেল হয়। ১৯৬৫ চনত মৃত্যু হয়।

বাপুতি চৰণ মেধি :

১৯৩১ চনৰ পৰা সেৱা দলত থাকি সংগঠন আৰু ভলণ্টিয়াৰ ট্ৰেইনিঙত কাম কৰি ১৯৩২ চনত ৪ মাহ জেল খাটে। ১৯৪১ চনত যুদ্ধবিৰোধী সত্যাগ্ৰহ কৰে। ১৯৪২ চনৰ ঢেকিয়াজুলি গণ বিপ্লৱত অংশ গ্ৰহণ কৰে।

ভদ্ৰেশ্বৰ চৌধুৰী :

১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। '৪২ ৰ ঢেকিয়াজুলিৰ বিপ্লৱত গ্ৰেপ্তাৰ হৈ জেল খাটে।

ভোগাইৰাম নাথ :

১৯৪২ চনত ঢেকিয়াজুলি বিপ্লৱত কৰঙত গুলি লগাৰ ফলত এৰখলা মঙহ একেবাৰে যায়। পলাই থাকি গোপন চিকিৎসাৰ দ্বাৰা বিকলাঙ্গ হৈ জীয়াই থাকে। পিছত মৃত্যু হয়।

ভোগৈ দেৱী :

১৯৪২ চনৰ ২০ চেপ্তেম্বৰত ঢেকিয়াজুলিত পতাকা উত্তোলন কৰিবলৈ আহোঁতে মৈমনচিঙীয়া গুণ্ডাৰ লাঠীৰ কোবত আহত হয়। কিছুদিন থকাৰ পাছত মৃত্যু হয়।

মণিৰাম কছাৰী :

জন্ম ১৮৮৭ চনৰ বহাগ মাহত। পিতৃ প্ৰথা কছাৰী। স্কুলীয়া শিক্ষা প্ৰাইমেৰী স্কুলত তৃতীয় মানলৈ। এওঁ তেজপুৰ এলেকাৰ বৰগাঁও মৌজাৰ বৰপুখুৰী গাঁৱত বিয়া-বাৰু কৰি বসতি কৰিছিল; সাধাৰণ খেতি বাতি কৰি জীৱিকা নিৰ্বাহ কৰিছিল। ১৯২১ চনৰে পৰা ঐকান্তিকভাৱে কংগ্ৰেছত যোগ দি সক্ৰিয় কৰ্মী হিচাপে সকলো ত্যাগ কৰি খাটিছিল। সেই সময়ৰ গয়া আৰু নাগপুৰত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনলৈকো গৈছিল। কংগ্ৰেছৰ সকলো আনুষ্ঠানিক কামতে আগভাগ লৈ খাটিছিল। এওঁৰ হীৰালাল নামে এটি পুত্ৰ আৰু ললিতা আৰু গধুলী নামৰ দুজনী ছোৱালী আছিল। এওঁ জেল খাটিছিল। ১৯৪২ চনৰ মুক্তি সংগ্ৰামৰ গণ বিপ্লৱত যোগদান কৰি মৃত্যু বাহিনীৰ সৈনিক দলত নাম দিছিল। ২০ চেপ্তেম্বৰৰ দিনা থানাত পতাকা উত্তোলন কৰিবলৈ যোৱা জনতাৰ ওপৰত অবিৰাম গুলি-লাঠি চালনাৰ ফলত বহুতো নিৰ্দোষী হাটকৰা-বাটকৰা মানুহ হতাহত হৈ ছত্ৰভঙ্গ দিয়াত তেৰোঁ থানা কম্পাউণ্ডৰ পৰা ওলাই আলিয়েদি ডাকঘৰৰ পোন পাওঁতেই পিছফালৰ পৰা মৰা পুলিচৰ গুলি পিঠিত লাগিল। সেই অৱস্থাৰেই তেওঁ লৰ মাৰি গৈ কিছু দূৰত ধাননীৰ মাজত পৰিলগৈ; তেওঁৰ মৃতদেহ তিনি চাৰি দিনৰ পিছতহে ধাননীৰ মাজৰ পৰা উদ্ধাৰ কৰিছিল। কেইবছৰ মানৰ পিছত তেওঁৰ পৰিবাৰৰো মৃত্যু হয়। ছোৱালী দুজনীক উলিয়াই দিয়ে। পুতেক হীৰালাল বৰো কিছু লিখা পঢ়া জনা হোৱাত চেৰিকালচাৰ বিভাগৰ চাকৰিত নিয়োগ কৰে। তেওঁৰ বিধৱা পৰিবাৰৰ নামত পোৱা পৰিয়াল পেঞ্চন বন্ধ হয়। এইজন নিৰীহ কৰ্মীৰ ত্যাগী জীৱনৰ কোনো স্মৃতি চিহ্ন ৰাখিব পৰা নাই।

মংগল কুৰ্কু :

এওঁ নাহৰবাৰী মৌজাৰ কমাৰগথাৰ গাঁৱত বসতি কৰি থকা বনুৱা সম্প্ৰদায়ৰ মানুহ আছিল। এওঁৰ মাত্ৰ এজনী জীয়েক আছিল।

মাটি-বাৰী বিশেষ নাছিল, সাধাৰণ খেতি বাতি কৰি কোনো ৰকমে চলি আছিল। ভলণ্টিয়াৰত নাম লিখাই ৰবগাঁও কেম্পত যোগ দিলে। ১৯৪২ চনৰ গণবিপ্লৱৰ প্ৰস্তুতিত ২০ চেপ্তেম্বৰৰ ঢেকিয়াজুলি পতাকা অভিযানৰ বাবে অঞ্চলৰ ৰাইজ সাজু হ'ল। তেৰেঁা জীৱনৰ দৈন্যতালৈ পিঠি দি দেশৰ মুক্তি কিম্বা মৃত্যু পণ লৈ সমদলত যোগ দিলে। প্ৰায় এটা মান বজাত ঢেকিয়াজুলি থানা সন্মুখত জাতীয় পতাকা উত্তোলনলৈ নিৰস্ত্ৰ জনতাৰ লগত অস্ত্ৰ শস্ত্ৰৰে সজ্জিত পুলিচৰ হতাহতি সংঘৰ্ষ হোৱাত পুলিচে গুলি চলালে, ২৯ জাউ ৰাইফল আৰু বন্দুকৰ গুলিত ১১ জনে খিতাতে প্ৰাণ হেৰুৱালে। তাৰ ভিতৰত মঙল কুৰ্কুও এজন। তেওঁ দলপতিৰ 'পাকড়লেও' বুলি বিপদ সংকেতৰ নিৰ্দেশ পোৱাৰ লগে লগে পুলিচৰ হাতৰ ৰাইফল কাঢ়ি লবলৈ চেষ্টা কৰা দলৰ লগত আগবাঢ়ি গৈ টনা আঁজোৰা কৰে। আগফালৰ পৰা এটা গুলি আহি তেওঁৰ গাত লাগিল। গুলিৰ আঘাত লগা মাত্ৰে বজাৰৰ ফালে লৰ মাৰিলে। কিছুদূৰ গৈয়েই পৰি গ'ল, আৰু তাতেই তেওঁৰ মৃত্যু হ'ল।

শ্বহীদ মনবৰ নাথ ঃ

জন্মস্থান নগাঁও জিলাৰ কঠিয়াতলী মৌজাৰ কন্দলীত। নগাঁৱত তেওঁৰ ভাই-ককাই বংশ পৰিয়াল আছে। জাতীয় স্বাধীনতা আন্দোলনত ভলণ্টিয়াৰ হৈ তেওঁ তেজপুৰলৈ আহে, ৰবগাঁও মৌজাৰ জহামাৰী গাঁৱৰ কংগ্ৰেছ কেম্পত থাকি সেৱাদল চলাইছিল। বয়স সেই সময়ত ২৫।২৬ মান হৈছিল। সুন্দৰ স্বাস্থ্যৰ ডেকা আছিল। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰত জিলা কংগ্ৰেছৰ আঁচনি মতে কৰা ঢেকিয়াজুলি থানাত পতাকা উত্তোলন অভিযানত প্ৰথম মৃত্যুবাহিনী হৈ আগবাঢ়ি আহি শাৰীৰ প্ৰথম স্থান অধিকাৰ কৰি কৈছিল—"মই বহুত দিন কংগ্ৰেছ কেম্পত ৰাইজৰ চাউল খাই আছো ঃ আজি প্ৰথম মৃত্যু বাহিনীৰ সুযোগ মোক দিয়ক ঃ মোতকৈ আগতে কাকো মৰিবলৈ দিব নোৱাৰোঁ।" থানাত সশস্ত্ৰ সজ্জিত পুলিচলৈ ভ্ৰূক্ষেপ নকৰি নিৰ্ভীকভাৱে আগুৱাই গৈ থানা ঘৰৰ পূৰমূৰে মূধৰ পোনে জাতীয় পতাকাখন ডাঙি ধৰে, তৎমুহূৰ্ততে পুলিচৰ ৰাইফলৰ প্ৰথম গুলি কৰঙনত লাগি বাগৰি পৰে। চুঁচৰি আজিবোটলৈ উঠিবলৈ যত্ন কৰোতেই দ্বিতীয় গুলিয়ে যাইল কৰি পেলাই দিয়ে। তেতিয়াও

তেওঁৰ জীৱন শেষ হোৱা নাছিল, অন্তিম সময়ত মৰণ তৃষ্ণাত আতুৰ হৈ পানী দিয়ক, পানী দিয়ক বুলি কেওঁৱা কাতৰ কণ্ঠৰ আহ্বান শুনি ওচৰৰ ঘৰৰ আঁৰত লুকাই থকা মণ্ডাকিশোৰ ঠাকুৰীয়া নামৰ এজন কৰ্মীয়ে এখন চাহৰ দোকানৰ পৰা এগিলাচ পানী খুজি লৈ মনবৰ নাথক খুৱাবলৈ যাওঁতে পুলিচে তেওঁক ধৰি নি মৰিয়াই শুৰিয়াই ঘুগুলা কৰি অচেতন অৱস্থাত থানাৰ লকআপত পেলাই থলে। পুলিচৰ বাইফলৰ গুলিৰ জীয়া ঘুই কলিজাত লৈ অনন্ত জীৱনৰ কষ্ট ভোগ কৰি ছটফটাই থাকি নিঃসহায়ভাবে নিষ্ঠুৰ মৃত্যুক সাৱটি লৈ জননীৰ মুক্তি পূজাৰ বলী হয়। জহামাৰীৰ বাইজে ১৯৭০ চনৰ পৰা এখন প্ৰাইমাৰী বিদ্যালয় শ্বহীদ মনবৰ নাথৰ নামত চলাই আছে।

মহীৰাম কোঁচ :

বৰথুলা মৌজাৰ কেহেৰুখন্দা পথাৰ গাঁৱত প্ৰায় ১৯০০ চনতে জন্ম গ্ৰহণ কৰিছিল। পিতৃ লেবেলা কোঁচ। সৰুতে পিতৃ বিয়োগ হোৱাত বিধবা মাকে খুজি মাগি খুৱাই মহীৰামক প্ৰাইমাৰী স্কুলৰ ওয় মানলৈকে পঢ়াইছিল। তেওঁ ১৯২১ চনৰ পৰাই কংগ্ৰেছৰ ভলণ্টিয়াৰ হৈ দেশৰ কাম কৰিছিল। ইতিমধ্যে দাগী কুচুনীক বিয়া কৰিছিল। তেওঁৰ চাৰিটি ছোৱালী সন্তান জন্মে। ৪২ বছৰ বয়সত ভাৰতৰ মুক্তি যুঁজৰ শেষ অভিযানৰ গণ বিপ্লৱত ২০ চেপ্তেম্বৰ তাৰিখে হোৱা ঢেকিয়াজুলি থানাত পতাকা উত্তোলন অভিযানত অংশ গ্ৰহণ কৰি তাতেই মৃত্যু হয়। ইয়াৰ কিছুদিনৰ পিছতে বিধবা দাগী কুচুনীৰো মৃত্যু হয়। এওঁলোকৰ নিঃকিন নিঠৰুৱা দুজনী জীয়েক কলী কুচুনী আৰু চণ্ডিকা কুচুনীয়ে উপায়হীন অৱস্থাত জীৱনৰ অৱলম্বনৰ সহায় হিচাপে যথাক্ৰমে গেবেলা কোঁচ আৰু মাধৱচন্দ্ৰ দাস নামৰ দুজন মানুহৰ আশ্ৰয় লৈ (বৰ্তমান স্বামী হিচাপে) জীয়াই আছে। এওঁলোকৰ জীৱন নিৰ্বাহ অতি কঠোৰ।

মণিৰাম চুতীয়া :

১৯২১—৪২ চনৰ কংগ্ৰেছ কৰ্মী। '৪২ ৰ গণ বিপ্লৱত ঢেকিয়াজুলিত পুলিচৰ গুলি খাই আহত হয়।

মাইলা কছাৰী :

১৯৪২ চনৰ ঢেকিয়াজুলি গণ বিপ্লৱত পুলিচৰ গুলি খাই মূৰৰ খোলা হেকৰায়। চিকিৎসাত কিবাকৈ ভাল হৈ বিকৃত মগজুৰে কিছুদিন জীয়াই থাকে।

মায়াকিশোৰ ঠাকুৰীয়া :

ঠাকুৰীয়া ঠেংগামৰা অঞ্চলৰ লোক আছিল। ১৯৪২ চনত ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ৬ মাহ জেল হয়। ১৯৭০ চনত মৃত্যু হয়। তেখেতে অসম চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

যদুৰাম কাকতি:

১৯৩৫ চনত কংগ্ৰেছত যোগ দিয়ে। '৪২ ৰ ঢেকিয়াজুলি বিপ্লৱত আচামী হৈ জেল খাটে। জেলৰ পৰা ওলাই অহাৰ পাছত মৃত্যু হয়।

বীৰ ৰতন কছাৰী :

এওঁ বৰগাঁও মৌজাৰ বৰপুখুৰী গাঁৱৰ চতাই কছাৰীৰ ল'ৰা আছিল। ১৮৯২ চনত আহিন মাহত জন্ম হয়। ঘৰৰ আৰ্থিক অৱস্থা ভাল নথকাৰ বাবে প্ৰথম মান শ্ৰেণীলৈকেহে পঢ়িছিল। বিয়া কৰিছিল যদিও কোনো সতি-সন্তান নাছিল। মানুহজন স্বাস্থ্যবান, বলী আৰু সাহসী আছিল। এওঁ কংগ্ৰেছৰ ভলন্টিয়াৰ আছিল। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা ঢেকিয়াজুলি পুলিচ থানাত পতাকা উত্তোলনৰ অভিযানত ৰক্ষী বাহিনীত নাম দিছিল। সেই দিনা থানাত নিৰস্ত্ৰ জনতাৰ ওপৰত পুলিচৰ নিৰ্বিচাৰ গুলি চালনাত হতাহত জনতা ছত্ৰভংগ দিয়া অৱস্থাত থানা কৰ্তৃপক্ষৰ পৰিকল্পিত লাঠিধাৰী গুণ্ডা দলে কিছুমান নিঃসহায় তিৰোতা মানুহ আৰু ল'ৰা-ছোৱালীক মৰিয়াই খেদি আনি তাঁবেৰে ভেটি থোৱা দলংখনত পেলাই অত্যাচাৰ মাৰ-পিট বস্ত্ৰ-অলংকাৰ কাঢ়ি ধুহি লোৱা দেখি সেইবিলাকক ৰক্ষা কৰিবৰ কাৰণে বীৰ ৰতন কছাৰীয়ে সুদা হাতে গুণ্ডা দলৰ সন্মুখীন হৈ এজন গুণ্ডাৰ হাতৰ পৰা অতৰ্কিতে এডাল বাঁহৰ লাঠি কাঢ়ি লৈ বাধা দিয়ে। গুণ্ডা দলৰ সংখ্যা ১৫/১৬ আছিল যদিও প্ৰথমে সিহঁতে তিষ্ঠিব নোৱাৰি পিছ হুহকি গৈছিল। এনে সময়তে খেদি আহি

কৰা গুলিয়ে ৰতন কছাৰীক বগৰাই দিলে। তেতিয়া নিঠুৰ গুণ্ডাহঁতে বেৰি ধৰি আহত ৰতনক পছু মৰিওৱাদি মৰিয়াৰলৈ ধৰিলে। একবিন্দু শক্তি থকালৈকে যুঁজ দি শেষত গুণ্ডা দলৰ হাতত নিঠুৰ প্ৰহাৰত জীৱন দি জননীৰ মুক্তি পূজাৰ বলী হৈ চিৰস্মৰণীয়ভাৱে ঢেকিয়াজুলি বিপ্লৱৰ বীৰ আখ্যাৰে নাম ৰাখিলে। এতিয়া তেওঁৰ ভায়েক বুলন কছাৰীয়ে শ্বহীদ পৰিয়ালৰ সাহায্য পেঞ্চন ৰাজ্যিক চৰকাৰৰ পৰা পাইছে।

ৰাজেন্দ্ৰ বসুমতাৰী :

১৯৪২ চনৰ ঢেকিয়াজুলি আন্দোলনত আঠুত ৰাইফলৰ গুলি লগাৰ ফলত বেয়াকৈ ঘূণীয়া হয়। পিছত পলাই সাৰি মৰে।

ললিত চন্দ্ৰ শৰ্মা :

ভাবগাঁও। ১৯২১ চনত জন্ম গ্ৰহণ কৰে। ১৯৪১ চনত ছাত্ৰ আন্দোলনত ভাগ লৈছিল। ১৯৪২ চনত ছাত্ৰ নেতা হিচাপে ঢেকিয়া-জুলি থানাৰ সন্মুখত পতাকা উত্তোলন কৰিবলৈ গৈছিল। তাত পুলিচৰ হাতত ধৰা পৰি এবছৰ জেল খাটে। দেশ স্বাধীন হোৱাৰ পিছত চাকৰিত সোমায়। এওঁ ভাৰত চৰকাৰৰ পেঞ্চন ভোগ কৰি থাকোতে ১৯৮০ চনত পৰলোকলৈ গমন কৰে।

লেৰেলা বড়ো :

এওঁ ঢেকিয়াজুলি মৌজাৰ কেহেৰুখন্দা গাঁৱৰ মানুহ আছিল। পিতা গপ কছাৰী। আৰ্থিক অৱস্থা নিতান্ত শোচনীয় বাবে প্ৰাইমেৰী স্কুলত ২য় শ্ৰেণীলৈ পঢ়ি সৰুতে পঢ়া এৰি গৰুৰখীয়া, হালোৱা আদি খাটি জীৱন নিৰ্বাহ কৰিছিল। ১৯২০-২১ চন মানত জন্ম হৈছিল। প্ৰায় ২১/২২ বছৰ বয়সত কংগ্ৰেছ ভলণ্টিয়াৰ হৈ সেৱা দলত যোগ দিয়ে। তেতিয়ালৈকে বিয়া বাৰু কৰোৱা নাছিল। ১৯৪২ চনৰ ঢেকিয়াজুলি পুলিচ থানাত পতাকা উত্তোলন কৰিবলৈ যোৱা সময়ত জনতাৰ লগত যোগ দি ঢেকিয়াজুলিলৈ যায়। সশস্ত্ৰ পুলিচে নিৰস্ত্ৰ জনতাক অন্যায়কৈ গুলিয়াই অসংখ্য মানুহ হত্যা আৰু ঘূণীয়া কৰাত দলপতিৰ নিৰ্দেশত পুলিচক জব্দ কৰি অস্ত্ৰ-সস্ত্ৰ কাঢ়ি লৈ নিৰস্ত্ৰ কৰিবলৈ উনা আঁজোৰা লাগে। সেই সময়তে

অস্ত্ৰধাৰী পুলিচে কিবা সুযোগ পাই লেখেলা কছাৰীক গুলি কৰে। বাগৰি পৰাত সঙ্গীনৰেও আঘাত কৰি ঘাইল কৰে। অতি বেয়া অৱস্থাত ঘাইল হৈ লেবেলা কছাৰী থানা ফ্লিডত পৰি থাকে। পিছত জেল হাজোতলৈ পঠায়। জেল হাস্পতালত চিকিৎসাৰ বাবে পেলাই থয়। সেই সময়ত খ্ৰীষ্টিয় অনুগত আমোলাসকলে কংগ্ৰেছ তথা কংগ্ৰেছ কৰ্মীসকলৰ প্ৰতি প্ৰায়ে শত্ৰুভাব পোষণ কৰিছিল। কাজেই জেল হাস্পতালৰ চিকিৎসক চাকৰিয়াল ডাক্তৰ আদিয়ে কংগ্ৰেছী, বিশেষকৈ বিদ্ৰোহীসকলক ভাল চকুৰে নেচাই অতি অৱজ্ঞাৰে পেলাই থৈ যেন ৰংহে চাইছিল। এনে অৱহেলা অযত্নত লেবেলা কছাৰীয়ে উপযুক্ত চিকিৎসা আৰু শুশ্ৰূষা নেপাই ঘাইল হোৱা ঘাবিলাক গেলি পচি অতি দুঃখজনকভাৱে অসহায় অৱস্থাত জীৱন হেৰুৱালে। এতিয়া তেওঁৰ পৰিয়াল নিজৰ ভায়েক কান্দুৰা বৰো পৰিবাৰ পৰিয়াল সহ জীয়াই আছে।

লোকনাথ গোস্বামী :

বৰগাঁও। গোস্বামী বৰগাঁও সত্ৰাধিকাৰ আছিল। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে আৰু লগে লগে ৩ মাহ জেল খাটে। ১৯৩০—৪০ ৰ আন্দোলনত সহযোগ কৰিছিল। তেখেত ১৯৮০ চনত স্বৰ্গগামী হয়।

সৰুনাথ চুতীয়া :

১৯২০ চনত বৰগাঁও মৌজাৰ পতিয়া পুখুৰী গাঁৱত জন্ম হয়। পিতৃ বলোৰাম চুতিয়া। ১৯৪২ চনত ঢেকিয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ যায়। তেখেতে মৃত্যু বাহিনীত যোগদান কৰিছিল। পুলিচে গুলি চলাই থাকোতেই তেখেতে পুলিচৰ হাতৰ পৰা বন্দুকটো কাঢ়ি লৈছিল। পিছত অন্য পুলিচে তেখেতক গুলি কৰি হত্যা কৰে।

ঢেকিয়াজুলিৰ অন্যান্য মুক্তিযুঁজাৰু আৰু পুলিচৰ দ্বাৰা নিয়োজিত গুণ্ডাবাহিনীৰ লাঠিৰ কোবত আহত হোৱা মহিলাসকল :

গোবৰ্দ্ধন দাস, বাপুৰাম কছাৰী, গোলোকচন্দ্ৰ কোছ, লাজাৰাম কছাৰী, শিৱৰাম মাজি গাঁওবুঢ়া, কহাৰণী দেৱী, কণিকী দেৱী।

দৰং

অপতি শইকীয়া :

কবিকাৰা, মৌজা ভাঁহি। ১৯২১ চনত খাজানা নিদিয়াৰ অপৰাধত সম্পত্তি ক্রোক কৰে।

অসাদৰ শৰ্মা :

মানেইঘাট, মৌজা বঙামাটি। ১৯৪২ চনত ৬ মাহ সশ্রম কাৰাদণ্ড হয়।

অনন্ত দেব গোস্বামী :

পানেৰী। পিতৃ চন্দ্রকান্ত গোস্বামী। ১৯৪২ চনত ৬ মাহ সশ্রম কাৰাদণ্ড ভোগ কৰে।

অমূল্য চৰণ বৰুৱা :

মাৰৈ। ১৯২১ চনত শিক্ষকতাৰ চাকৰি বাদ দি আন্দোলনত যোগদান কৰে। এগৰাকী সক্রিয় কংগ্রেছ কৰ্মী আছিল।

অভিৰাম দাস :

আৰেং, মৌজা বঙামাটি। ১৯২১ চনত মণ্ডল চাকৰি এৰি আন্দোলনত যোগদান কৰে।

অশ্রদ্ধা দেৱী :

সোনাপুৰ, মৌজা লোকহাট। ১৯২১ চনৰ আন্দোলনৰ মহিলা সক্রিয় কৰ্মী।

আব্বাচউদ্দিন আহমেদ :

মুছলিম ঘোকা। মৌজা বৰ্টনাকুছি। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৬ মাহ সশ্রম কাৰাদণ্ড ভোগ কৰে।

ইন্দ্রেশ্বৰ শৰ্মা :

১৯২৭ চনত ছিপাঝাৰ আনন্দিপাৰাত জন্ম গ্রহণ কৰে। পিতৃ দণ্ডধৰ শৰ্মা, মাতৃ সোৰন দেৱী। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্রিয় অংশ গ্রহণ কৰে। অষ্টম শ্রেণীৰ পৰা স্কুল এৰে।

শৰ্মাই স্থানীয় শতুপেৰ সংস্কৃত টোলত সংস্কৃত আৰু জ্যোতিষ শাস্ত্ৰ অধ্যয়ন কৰে। পিছলৈ এজন ভাল জ্যোতিষী বুলি জনাজাত হয়। ১৯৪৭ চনৰ পাছত প্ৰাথমিক বিদ্যালয়ত শিক্ষকতা কাম কৰি থকা অৱস্থাত ১৯৮৩ চনৰ ৩ মাৰ্চত পৰলোক প্ৰাপ্তি ঘটে।

উথান চহৰীয়া :

ভেল্লাপাৰা, মৌজা ওৰাং। ১৯৪২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

উমাকান্ত শৰ্মা :

বইনা ওজাপাৰা, মৌজা বগামাটি। ১৯২১ চনত স্কুল এৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

উমাকান্ত শৰ্মা :

পকাবাঙীপাৰা, মৌজা হিন্দুঘোপা। ১৯৬২ চনৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল।

কণ্ঠীৰাম চহৰীয়া :

বালিপাৰা, মৌজা লোক্ৰাই। পিতৃ পদো চহৰীয়া। ১৯৪২ চনৰ আন্দোলনত যোগ দি ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগে।

কলামণি দাস :

পাটবিপোটা, মৌজা ওৰাং। ১৯৪২ চনত ৬ মাহ সশ্ৰম কাৰা-দণ্ড ভোগ কৰে।

কবিৰাম ডেকা :

পিঠাখোৰা, মৌজা হিন্দুঘোপা। ১৯২১ চনৰ এজন সক্ৰিয় কৰ্মী।

কম্পনাথ শৰ্মা :

ডাঁহি, মৌজা ডাঁহি। ১৯২১ চনত স্কুল এৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

কমলাকান্ত বড়া :

কঁকালভাঙি, মৌজা শেখাৰ। ১৯৪২ চনত স্কুল এৰি আন্দো-লনত যোগদান কৰে।

কান্তিৰাম কোচ :

দাবিয়াপাৰা, মৌজা বগামাটি। ১৯৪২ চনৰ আন্দোলনত ৩ মাহ হাজোত খাটে আৰু ৫০ টকা জৰিমনা হয়।

কামেশ্বৰ ভট্টাচাৰ্য্য :

ৰুলিকোটা, মৌজা কলাইগাঁও। ১৯২১ চনত অসহযোগ আন্দোলনত অংশ লোৱা বাবে সকলো সম্পত্তি ক্ৰোকত যায়।

কিৰ্ত্তীপ্ৰসাদ বৰুৱা :

মঙ্গলদৈ টাউন। পিতৃ বশিষ্ঠ বৰুৱা। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে আৰু সক্ৰিয় কৰ্মী আছিল।

কুমুদৰাম বৰা, বি-এল :

মঙ্গলদৈ টাউন। জন্ম উত্তৰ গুৱাহাটীত। ১৯২১ চনত এবছৰ কাল বিনাশ্ৰম কাৰাদণ্ড ভোগ কৰে। '৩০ আৰু '৪২ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছ কমিটিৰ সভাপতি আছিল।

কুমুদ চন্দ্ৰ শৰ্মা :

পানাবা, মৌজা চিনাকোনা। পিতৃ পৰীক্ষিত শৰ্মা। ১৯৪২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

কৃষ্ণকান্ত মহন্ত :

বামুণবাৰী, মৌজা বোনমাজা। পিতৃ পুৰাৰাম মহন্ত। ১৯৩১ চনত ৬ মাহ কাৰাদণ্ড আৰু ১০ টকা জৰিমনা হয়।

কেৰকন নাথ :

সোনাপুৰ, মৌজা লোকাই। ১৯৩২ চনৰ আন্দোলনত স্বেচ্ছা-সেৱক আছিল।

কেশৱ চন্দ্ৰ শৰ্মা :

১৯০৯ চনৰ মাঘ মাহৰ ৪ তাৰিখে বগামাটি মৌজাৰ পুনীয়া ধেঙেলীয়াপাৰা গাঁৱত কেশৱচন্দ্ৰ শৰ্মাৰ জন্ম হয়। পিতৃ ফুলুৰাম শৰ্মা, মাতৃ মাদৈ দেৱী। এম-ভি পাছ কৰি মাইনৰ স্কুলত ৬ষ্ঠ মান শ্ৰেণীলৈকে পঢ়ি অসহযোগ আন্দোলনত জপিয়াই পৰে আৰু ছাত্ৰ

জীৱনৰ অন্ত পৰে। ১৯৩১ চনত পিকেটিং কৰা অপৰাধত পুলিচে গ্রেপ্তাৰ কৰে আৰু বিচাৰত তিনিমাহ কাৰাবাস খাটিবলগীয়া হয়। জেলৰ পৰা ওলাই আহি পুনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৪৩ চনৰ মাঘ মাহৰ ২৮ তাৰিখে তেওঁ স্বৰ্গী হয়।

খগেন্দ্র নাথ শৰ্মা :

১৯০০ চনৰ নবেম্বৰ মাহৰ ২৮ তাৰিখে ছিপাঝাৰৰ খাতকুছিৰ বগদেৱপাৰা গাঁৱৰ দৰঙী ৰজাৰ শ্রেষ্ঠ সভাপণ্ডিত বলদেৱ সূৰ্য্যখড়ি দৈৱজ্ঞৰ বংশত জন্ম গ্রহণ কৰে। শৰ্মাদেৱে এজন মেধাৱী ছাত্র হিচাপে প্রাইমাৰী বৃত্তি পৰীক্ষাত মহকুমাৰ ভিতৰতে ১ম হৈ বৃত্তি লাভ কৰে। ১৯২১ চনৰ আন্দোলনত স্কুল এৰি আন্দোলনত যোগদান কৰে। ফলত ৩ মাহ সশ্রম কাৰাবাস ভোগে। উচ্চ শিক্ষালৈ মন নকৰি স্বাধীনভাৱে ব্যৱসায় কৰে। এখেতে এজন বিশিষ্ট দাতা বুলি পৰিচিত হৈছিল। উদাহৰণস্বৰূপে ভাৰতীয় জাতীয় কংগ্রেছৰ পুঁজিৰ বাবে জৱাহৰলাল নেহৰুৰ হাতত ২০০০'০০ (দুই হাজাৰ), গুৱাহাটী বিশ্ববিদ্যালয় প্রতিষ্ঠাৰ বাবে লোকপ্রিয় বৰদলৈৰ হাতত দুহাজাৰ আৰু লোকনায়ক জয়প্রকাশ নাৰায়ণৰ হাতত পাৰ্টিৰ কামৰ বাবে পাঁচহাজাৰ টকা এককালীন দান আগবঢ়ায়। ১৯৭৪ চনৰ ডিচেম্বৰ মাহৰ ১৯ তাৰিখে তেখেতৰ কৰ্মময় জীৱনৰ অৱসান ঘটে।

খটাসুৰ কেওঁট :

মনিটাৰি, মৌজা বঙামাটি। ১৯৪২ চনৰ আন্দোলনত যোগ দি ১৫ দিন হাজোত খাটে।

খালেক আব্দুল :

মঙ্গলদৈ টাউন, মৌজা বঙামাটি। ১৯২১ চনত ১ বছৰ সশ্রম কাৰাদণ্ড ভোগ কৰে।

গঠিয়া কলিতা :

বেজপাৰা, মৌজা ছুপাই। ১৯৪২ চনত ১০০'০০ টকা জৰিমনা নিদিয়া অপৰাধত ১ বছৰ সশ্রম কাৰাদণ্ড ভোগ কৰে।

গাঠি কোচ :

গধিয়াপাৰা, মৌজা ছুপাই। ১৯৪২ চনৰ আন্দোলনত ১ বছৰ সশ্ৰম কাৰাদণ্ড হয়।

গাথা বুঢ়ী :

গাধিয়াপাৰা, মৌজা ছুপাই। ১৯৩২ চনৰ সক্ৰিয় মহিলা কৰ্মী।

গুদাম ৰাম দাস :

খৈৰাবাৰী, চিনাবোপা। ১৯২১ চনৰ সক্ৰিয় কৰ্মী।

গোপাল চন্দ্ৰ দাস :

মেনাপাৰা, মৌজা ছুপাই। ১৯৩২ চনত ২ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

গোবৰ্দ্ধন গাওঁবুঢ়া :

মানেইঘাট, মৌজা বগামাটি। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে। ১ মাহ হাজোত খাটে আৰু ৫০ টকা জৰিমনা দিয়ে।

ঘনকান্ত বড়া :

জালুকখোৰাপাৰা, মৌজা বগামাটি। পিতৃ বাগি; বড়া। ১৯৪২ চনৰ আন্দোলনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ঘনদেউ মহন্ত :

বান্ধনী সত্ৰ। (লোজোৰা), মৌজা সৰাবাৰী। ১৯১১ চনৰ আন্দোলনত স্বেচ্ছাসেৱক আছিল।

চন্দ্ৰ নাৰায়ণ কোঁৱৰ :

চন্দ্ৰনাৰায়ণ কোঁৱৰে ১৯০৯ চনৰ ১৪ এপ্ৰিল তাৰিখে মঙলদৈৰ বাংলাগড় কোঁৱৰপাৰা গাঁৱত জন্ম গ্ৰহণ কৰে। পিতৃ শিৱনাৰায়ণ কোঁৱৰ আৰু মাতৃ প্ৰেমেশ্বৰী কোঁৱৰ। ১৯৪০-৪১ চনৰ স্বাধীনতা আন্দোলনত সত্যাগ্ৰহ কৰি ৩০।১।৪১ত গ্ৰেপ্তাৰ বৰণ কৰে। তিনি মাহ জেল আৰু ২০০ টকা জৰিমনা হয়। অনাদায়ত খুটিৰ ম'হৰ

পাল নীলাম হয়। ফলত ছিপাঝাৰ চৰকাৰী সাহায্যপ্ৰাপ্ত হাইস্কুলত শিক্ষকতা কৰিছিল। এজন সাহিত্যানুৰাগী আছিল। ১৯৭৪ চনত শিক্ষকতা কৰিছিল। তেখেত সাহিত্যানুৰাগী আছিল। ১৯৭৪ চনত মঙ্গলদৈত অনুষ্ঠিত হোৱা সাহিত্য সভাত তেখেতৰ যথেষ্ট অৰিহণা আছিল। ১৯৭০ চনৰ ৩১ ডিচেম্বৰত অৱসৰ লয়। ১৯৮৭ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে তেওঁৰ মৃত্যু হয়।

চণ্ডীচৰণ শৰ্মা :

দুনী, মৌজা দিপিলা। ১৯২১ চনত শিক্ষক পদ ত্যাগ কৰি আন্দোলনত অংশ গ্ৰহণ কৰে।

চন্দ্ৰকান্ত শৰ্মা :

হাপামাৰা, মৌজা সৰাবৰী। ১৯২১ চনত স্কুল এৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

চামৌ ডেকা (মেগা) :

মানেষ্ট ঘাট, ৰঙামাটি। ১৯৪২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

মঃ চাদিক আলি :

মুছলিম ঘোপা, বাটনাকুছি। পিতৃ খাংখৰিয়া মোল্লা। ১৯২১ চনৰ আন্দোলনত যোগ দি ২ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

চেনীৰাম শৰ্মা :

ঘোঁৰাশাল, বটনাকুছি। ১৯২১ চনত প্ৰাইমেৰী স্কুলৰ শিক্ষকৰ পদ ইস্তফা দি আন্দোলনত অংশ গ্ৰহণ কৰে। এগৰাকী দেশসেৱক।

চিদ্দিক আলি :

মুছলিমঘোকা, মৌজা বটনাকুছি। ১৯২১ চনৰ এম-ভি স্কুলৰ শিক্ষকতাৰ চাকৰি বাদ দি আন্দোলনত যোগদান কৰে। ইয়াৰ ফলত ২ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। এগৰাকী প্ৰকৃত দেশ-প্ৰেমিক আছিল।

জহিৰুদ্দিন আহমেদ :

মুছল্লিম যোগা, মৌজা বটনাকুছি। ১৯২১ চনত কলেজৰ পঢ়া ত্যাগ কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

জগত চৌধুৰী :

টেঙাবাৰী, মৌজা ছপাই। ১৯২১ চনত ক্ৰমে ৬ মাহ আৰু ৩ মাহ মুঠ ৯ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। তেওঁ এজন সাহিত্যানুৰাগী লোক আছিল। শিশু আলোচনী 'কাঁচিজোন'ত তেওঁৰ ভালেমান গল্প প্ৰকাশিত হৈছে। ১৯৫৮ চনত তেওঁৰ মৃত্যু হয়।

জয়ৰাম ডেকা :

কলাইগাঁও। পিতৃ দধি ডেকা। ১৯৩২ চনৰ আন্দোলনত যোগ দি ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

জগতী দেৱী :

ব্যাসপাৰা, মৌজা লোক্ৰাই। ১৯২১ চনৰ আন্দোলনত মহিলা সক্ৰিয় কৰ্মী।

জগত চন্দ্ৰ শৰ্মা :

টেঙাবাৰী, মৌজা ছপাই। ১৯৩২ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগদান কৰে।

জানুৰাম কেওঁট :

মণিটাৰী, মৌজা বঙামাটি। ১৯৪২ চনৰ আন্দোলনত স্বেচ্ছাসেৱকৰ কাম কৰিছিল।

তপেশ্বৰ শৰ্মা :

মঙলদৈ টাউন। পিতৃ অনিৰুদ্ধ শৰ্মা। ১৯২১ চনত ওকালতি এৰি আন্দোলনত অংশ গ্ৰহণ কৰি ১ বছৰ কাৰাদণ্ড ভোগ কৰে। ১৯৩০ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৮১ চনত তেওঁৰ মৃত্যু হয়।

তপেশ্বৰী দেৱী :

ব্যাসপাৰা, মৌজা লোক্ৰাই। ১৯৩২ চনৰ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

তাহাবৰ আলি :

মুছলিম যোকা, মৌজা বটনাকুছি। পিতৃ মুলুক চাহ। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

থানেশ্বৰ চহৰীয়া :

শিতিলাবড়ি, মৌজা ছিংপাঝাৰ। ১৯২১ চনত আন্দোলনত যোগ দি ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

থানুৰাম শৰ্মা :

ব্যাসপাৰা, মৌজা লোক্ৰাই। ১৯২১ চনত খাজনা বন্ধ কৰাৰ অপৰাধত সম্পত্তি ক্ৰোক কৰে।

দধিৰাম ভুঞা :

পাথৰিঘাট। মৌজা বটনাকুছি। ১৯২১ চনত এম-ই স্কুলৰ শিক্ষকতাৰ চাকৰি বাদ দি আন্দোলনত যোগদান কৰে। এগৰাকী ভাল সংগঠক আছিল।

দধিৰাম বৰা :

টংলা, মৌজা ভাকুৰা। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

দীনেশ্বৰ শৰ্মা :

ব্যাসপাৰা, মৌজা লোক্ৰাই। পিতৃ দেহীৰাম শৰ্মা। ১৯২১ চনত এম-ভি স্কুলৰ শিক্ষকতা ত্যাগ কৰি ৩ মাহ ১৫ দিন আৰু ১৯৩২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

দুৰ্লভ হাজৰিকা :

কেওঁটপাৰা, মৌজা বঙামাটি। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে।

দেৱেন্দ্ৰনাথ বৰ্মন :

খৈৰাবাৰী, মৌজা চিৰাকোণা। ১৯৪২ চনৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী।

দোভাগী দেৱী :

ভালুকমাৰী, মৌজা ওৰাং। ১৯৩১ চনত সত্যাগ্ৰহ কৰোতে গ্ৰেপ্তাৰ হয় আৰু মুক্তি পায়। ১৯৪২ চনৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী।

দানপতি হাজৰিকা :

কলাইগাঁও। পিতৃ চৌপোলা হাজৰিকা। ১৯৩২ চনত ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

দানপতি ডেকা :

চৌধুৰীপাৰা, মৌজা কলাইগাঁও। ১৯৩২ চনৰ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

দানেশ্বৰী দেৱী :

মেনাপাৰা, মৌজা হুপাই। ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় মহিলা কৰ্মী।

ধনেশ্বৰ শইকীয়া :

হাজৰিকাপাৰা, মৌজা হিন্দুঘোপা। ১৯২১ চনৰ আন্দোলনত স্বেচ্ছাসেৱক আছিল আৰু তেওঁৰ সম্পত্তি ক্ৰোক হৈছিল।

ধীৰেশ্বৰ বৰদলৈ :

পানাৰা, মৌজা চিনাকোনা। পিতৃ পৰীক্ষিত বৰদলৈ। ১৯৪২ চনৰ আন্দোলনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

নন্দৰাম বড়া :

বেংবাৰী, মৌজা হৰিশিঙা। পিতৃ বানু বড়া। ১৯২১ চনৰ এজন সক্ৰিয় কৰ্মী।

নবীন চন্দ্ৰ মেধি :

বেংবাৰী, মৌজা হৰিশিঙা। পিতৃ গঙ্গাৰাম মেধি। ১৯২১ চনৰ আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

নৰেন্দ্ৰ কোচ :

মেধিপাৰা, মৌজা হুপাই। ১৯৩২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

নকুল দাস :

গণকপাৰা, মৌজা শিলপোটা। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ সশ্রম কাৰাদণ্ড হয়।

নৰসিংহ শৰ্মা (নৰেশ্বৰ) :

ব্যাসপাৰা, মৌজা লোক্রাই। পিতৃ অনিৰুদ্ধ শৰ্মা। ১৯২১ চনত মণ্ডলৰ চাকৰি ইস্তাফা দি আন্দোলনত অংশ গ্ৰহণ কৰে।

নন্দিৰাম শৰ্মা :

বইনাতজাপাৰা, মৌজা বগামাটি। ১৯২১ চনত স্কুল এৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

নাৰিয়া দাস :

আৰেং, মৌজা বগামাটি। ১৯২১ চনত ঠিকাদাৰ কাম এৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

নিধিৰাম চহৰীয়া :

গধিয়াপাৰা, মৌজা ছপাই। পিতৃ নন্দী চহৰীয়া। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ জেল হয়। ১৯৮৪ চনত তেওঁৰ মৃত্যু হয়।

নিধিৰাম ডেকা :

নুনিয়া, মৌজা বগামাটি। পিতৃ হাপাৰাম ডেকা। ১৯৩২ চনৰ আন্দোলনত ৬ মাহ সশ্রম কাৰাদণ্ড ভোগে।

নীলকান্ত শৰ্মা :

মজলদৈ। ১৯৪২ চনত ৩ মাহ সশ্রম কাৰাদণ্ড ভোগে।

নীলকান্ত শৰ্মা :

কুঁৱৰীগাঁও, মৌজা হিন্দুঘোপা। ১৯২১ চনত স্কুল এৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

নেমসিং ডেকা :

গধিয়াপাৰা, মৌজা ছপাই। ১৯৩২ চনৰ আন্দোলনত ৬ মাহ সশ্রম কাৰাদণ্ড ভোগ কৰে।

পদ্ম ভাগৱতী :

সৰু খেকেৰাবাৰী, মৌজা বঙামাটি। ১৯২১ আৰু ১৯৪২ চনৰ সক্ৰিয় কৰ্মী আছিল।

পদ্মৰাম পাঠক :

ধুলা, মৌজা শ্যামাবাৰী। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে।

পঞ্চানন শইকীয়া :

মেনাপাৰা, মৌজা হুপাই। পিতৃ মনোৰাম শইকীয়া। ১৯৩২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী। গ্ৰেপ্তাৰ হৈছিল যদিও পিছত এৰি দিয়ে।

পিতাম্বৰ ডেকা :

কন্দনীয়াপাৰা, মৌজা লোক্ৰাই। পিতৃ ভোলাৰাম ডেকা। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। এজন সক্ৰিয় কৰ্মী।

পূৰ্ণকান্ত শইকীয়া :

বৰ মেকেৰাবাৰী, মৌজা বঙামাটি। ১৯৩২ চনৰ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড হয়।

প্ৰেমেশ্বৰী দেৱী :

ভালুকমাৰী, মৌজা ওৰাং। স্বামী হলিৰাম মহাজন। ১৯৪১ চনৰ সত্যাগ্ৰহী আৰু ১৯৪২ চনৰ সক্ৰিয় মহিলা কৰ্মী।

প্ৰেমেশ্বৰী দেৱী :

চৌধুৰীপাৰা, মৌজা কলাইগাঁও। স্বামী জিউৰাম শৰ্মা। ১৯৪২ চনত গ্ৰেপ্তাৰ কৰে আৰু ঘৰতে মুক্তি দিয়ে।

ফুলেশ্বৰ শৰ্মা :

বটনাকুছি। পিতৃ বহিনা শৰ্মা। ১৯৩২ চনৰ আন্দোলনত স্কুল এৰি আন্দোলনত যোগদান কৰে।

কোটেকা আলি :

মুহজিমঘোপা, মৌজা বটনাকুছি। পিতৃ বহমত্ন সেখ। ১৯২১ চনত আন্দোলনত যোগ দি ৪২ দিন জেল আৰু ১০ টকা জৰিমনা হৈছিল।

বছিৰ সেখ :

নিকনছুবা, মৌজা বইনাকুছি। পিতৃ জলিকা সেখ। ১৯২২ চনত ৪২ দিন জেল আৰু ২০ টকা জৰিমনা হৈছিল।

বলোৰাম ডেকা :

শটকীয়া চুবুৰী, মৌজা ওৰাং। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ সশ্রম কাৰাদণ্ড হয়।

বলিৰাম ডেকা :

মনিটাৰি, মৌজা ৰঙামাটি। পিতৃ ভোগৰাম ডেকা। ১৯৪১ চনত সত্যাগ্রহ কৰে আৰু ১৯৪২ চনৰ আন্দোলনত ১ বছৰ সশ্রম কাৰাদণ্ড ভোগ কৰে।

বহুৰাম ডেকা :

মানেইঘাট, মৌজা ৰঙামাটি। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। এজন সক্রিয় কর্মী।

বহাগু কেওঁট :

মানেইখাট, মৌজা ৰঙামাটি। ১৯৪২ চনৰ আন্দোলনত স্বেচ্ছাসেৱকৰ কাম কৰিছিল।

বানেশ্বৰ বৰুৱা :

পিপিৰাকুছি, মৌজা বইনাকুছি। ১৯২১ চনৰ সক্রিয় কর্মী।

বানেশ্বৰ বৰুৱা :

পুলিয়া, মৌজা ৰঙামাটি। ১৯৩২ চনৰ আন্দোলনত ৪ মাহ সশ্রম কাৰাদণ্ড ভোগ কৰে।

বাণীকান্ত ডেকা :

ঘোঁৰাশাল, মৌজা বইনাকুছি। ১৯২১ চনত স্কুল এৰি সক্রিয়ভাৱে আন্দোলনত লাগে।

বিপিন চন্দ্র মেধি :

মেধিৰ ১৯০৭ চনৰ ১ ডিচেম্বৰত বেংবাৰী গাঁৱত জন্ম হয়। ১৯২৬ চনত মজলদে হাইস্কুলৰ পৰা মেট্রিক পাছ কৰে। ১৯৩০

চনত কটন কলেজৰ পৰা বি-এ পাছ কৰে। ১৯৩4 চনত কলিকতাৰ পৰা আইন পাছ কৰি মঙ্গলদৈত ওকালতি আৰম্ভ কৰে। ১৯৩৭ চনত অসম বিধান সভাৰ সদস্য হয়। ১৯৩৮ চনৰ পৰা মঙ্গলদৈ জিলা কংগ্ৰেছৰ সভাপতি আছিল। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহী ৰূপে ৯ মাহ ক্ষাটেক আৰু ১০০ টকা জৰিমনা হয়। ১৯৪২ চনৰ আন্দোলনৰ সময়ত আত্মগোপন কৰে। ১৯৪৭ চনত আকৌ অসম বিধান সভালৈ নিৰ্বাচিত হয়। মঙ্গলদৈ স্কুল বোৰ্ডৰ চেয়াৰমেন হিচাপে কেইবাবছৰ ধৰি কাম কৰে। অসম চাহ মজদুৰ সংঘ আৰু আই-এন টি-ইউ-চিৰো সভাপতি হয়। ১৯৬০ চনৰ পৰা ১৯৬৫ চনলৈ মঙ্গলদৈ পৌৰসভাৰ সভাপতি আছিল। চীনৰ আক্ৰমণৰ সময়ত ৰাইজক অভয় দান কৰিছিল। এজন ভাল ফুটবল খেলুৱৈও আছিল। ১৯৭৬ চনৰ ১১ জানুৱাৰীত গুৱাহাটী মেডিকেল কলেজত ডেখেতৰ মৃত্যু হয়।

বীৰেন্দ্ৰনাথ কোচ :

মেনাপাৰা, মৌজা হুপাই। ১৯৩২ চনত 8 মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

বিদ্যাৰাম ডেকা :

ৰামহৰি, মৌজা হুপাই। ১৯৩২ চনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

বিৰেন্দ্ৰনাথ কেওঁট :

মেনাপাৰা, মৌজা হুপাই। পিতৃ ঔবৰ কেওঁট। ১৯৩২ চনৰ আন্দোলনত 8 মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

বুধু উবিয়া :

সক খেকেৰাবাৰী, মৌজা বঙাৰ্মাটি। ১৯৪২ চনৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী। ১০ টকা জৰিমনা হয়।

বেনা কেওঁট :

মানেইঘাট, মৌজা বঙামাটি। ১৯৪২ চনৰ আন্দোলনত ১৫ দিন হাজোত বাস কৰে।

বেলো কেওঁট :

মণিটাৰি, মৌজা ৰঙামাটি। ১৯৪২ চনৰ আন্দোলনত স্বেচ্ছা-সেৱকৰ কাম কৰিছিল।

ভদ্ৰেশ্বৰী বড়ো :

মোগলবেচা, মৌজা ছপাই। ১৯৩২ চনৰ সক্ৰিয় মহিলা কৰ্মী।

ভবেন্দ্ৰ চন্দ্ৰ দাস :

ওঁতোলা, মৌজা ছপাই। ১৯২১ চনত অসম সচিবালয়ৰ কেৰাণী চাকৰি এৰি স্বাধীনতা আন্দোলনত যোগ দিয়ে। ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ভকুৰা সেখ :

কটৰা। পিতৃ মিৰা সেখ। ১৯২২ চনত ২ মাহ জেল আৰু ২৫ টকা জৰিমনা হয়।

ভবেন্দ্ৰ নাথ :

ৰখাচুৰা, মৌজা লোক্ৰাই। ১৯২১ চনৰ আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ভকতৰাম শইকীয়া :

শমলা, মৌজা সৰাবাৰী। ১৯২১ চনত স্কুল এৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

ভালুৰাই চহৰীয়া :

পূব পানেৰী, মৌজা হৰিশিঙা। পিতৃ মোহন চহৰীয়া। ১৯২১ চনত আন্দোলনত যোগ দি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ভুবন চন্দ্ৰ দাস :

মঙ্গলদৈ। ১৯২১ চনত হাইস্কুলৰ শিক্ষকৰ পদ ইস্তফা দিয়ে আৰু ৬ মাহ কাৰাদণ্ড ভোগ কৰে।

ভুপেন্দ্ৰ নাৰায়ণ দেব :

ৰজা হাউলি, মৌজা ৰঙামাটি। ১৯২১ চনৰ আন্দোলনত যোগ দান কৰা বাবে সম্পত্তি জব্দ হয়।

ভুমিধৰ ডেকা :

বৰকলীয়াভাৰ, মৌজা বটনাকুছি। পিতৃ সাধিৰাম ডেকা। ১৯২১ চনৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী।

ভুগীৰাম ডেকা :

গঠিয়াপাৰা, মৌজা ছপাই। ১৯৩২ চনৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী।

ভেঙা মেল :

ভুমুনিচৌকী, মৌজা মোল্লাই। ১৯২১ চনৰ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ভোগৰাম ডেকা :

বৰপথাৰ, মৌজা বোনমাজা। ১৯২১ চনত ঠিকাদাৰী কাম এৰি আন্দোলনত অংশ গ্ৰহণ কৰে।

মহিৰাম শৰ্মা :

পানীৰা, মৌজা চিনাকোনা। ১৯২১ চনত শিক্ষকৰ পদ ত্যাগ কৰি আন্দোলনত অংশ গ্ৰহণ কৰে।

মনিৰাম ডেকা :

টেঙাবাৰী, মৌজা ছপাই। জন্ম ১৯১০, মৃত্যু ১০।১।১৯৮৭ চন। ১৯৩২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

মহাবীৰ ৰাজপুত :

সক থেকেৰাবাৰী, মৌজা ৰঙামাটি। পিতৃ অৰ্জুন ৰাজপুত। ১৯৩২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

মধুৰাম ডেকা :

গধিয়াপাৰা, মৌজা ছপাই। ১৯৩২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

মহিধৰ হাজৰিকা :

মাজবাট, মৌজা ওবাং। পিতৃ ৰবিৰাম হাজৰিকা। ১৯৪১ চনত সত্যাগ্ৰহ কৰে আৰু ১৯৪২ চনত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

মহৎ চন্দ্ৰ ভেকা :

নায়কপাৰা, মৌজা লোক্ৰাই। ১৯২১ চনত খাজানা বন্ধ কৰা বাবে গাঁওবুঢ়া পদৰ পৰা বৰখাস্ত হয় আৰু সম্পত্তি জব্দ কৰি বিক্ৰি কৰি দিয়ে।

মাটিয়া সেখ :

কটৰা। পিতৃ মিৰা সেখ। ১৯২২ চনৰ আন্দোলনত ৪২ দিন জেল আৰু ২০ টকা জৰিমনা হয়।

মাধৱ চন্দ্ৰ ভেকা :

চেঙেলীয়া পাৰা, মৌজা ৰঙামাটি। ১৯৩২ চনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

মায়াৰাম হাজৰিকা :

কেওঁটপাৰা, মৌজা ৰাঙামাটি। ১৯২১ চনত স্কুল ত্যাগ কৰি আন্দোলনত যোগদান কৰে।

মনিৰাম শৰ্মা :

বালিপাৰা, মৌজা লোক্ৰাই। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগদান কৰিছিল।

মাধৱচন্দ্ৰ চৌধুৰী :

চৌধুৰীপাৰা, মৌজা কলাইগাঁও। ১৯৩২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

মানিক চন্দ্ৰ দলৈ :

১৯২১ চনত ডাঁহী মৌজাৰ নগাঁও (ভালিপাৰা) গাঁৱত মানিক চন্দ্ৰ দলৈৰ জন্ম হয়। পিতৃ বোদোৰ ভেকা আৰু মাতৃ সৰুমাই ভেকা। কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰিলেও তেখেত সৰুৰে পৰা সাহসী আৰু চোকা বুদ্ধিৰ আছিল। স্কুলত পঢ়ি থকা অৱস্থাতেই ভাৰতৰ '৪২ চনৰ আন্দোলনে গা কৰি উঠে আৰু মহাত্মাজীৰ আদৰ্শত অনুপ্ৰাণিত হৈ স্বাধীনতা আন্দোলনত জপিয়াই পৰে। বহুদিন ঘৰবাৰী এৰি অশেষ দুখ কষ্ট ভুগী এজন সক্ৰিয় কৰ্মী হিচাপে আন্দোলনত লাগি-

ছিল। স্বাধীনতাৰ পিছত তেখেতে চৰকাৰী চাকৰি পাইছিল যদিও তাক গ্ৰহণ নকৰি কিছুদিন শিক্ষকতা কৰি সেইটোও বাদ দি মহাত্মা গান্ধীয়ে প্ৰৱৰ্তন কৰা পঞ্চায়তত সোমাই সামাজিক কামত ব্ৰতী হৈ পৰে। শেষলৈ তেঁহী গাঁও পঞ্চায়তৰ সহ সম্পাদকৰ পদত থাকি ১৯৮৪ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে অৱসৰ গ্ৰহণ কৰে। তেখেত বহুতো সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানৰ লগত জড়িত আছিল। কৃষি কাৰ্যৰ প্ৰতি তেখেতৰ বৰ আগ্ৰহ আছিল। বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰি ৰাইজক আকৰ্ষিত কৰিছিল। তেখেতৰ অভিনয় তথা নাট্যদল পৰিচালনাতো পাৰদৰ্শিতা আছিল। ২০ বছৰ বয়সৰ পৰা মৃত্যুৰ সময়লৈ এটা নাট্যদল পৰিচালনা কৰিছিল। ১৯৮৯ চনত তেখেতে মৃত্যু বৰণ কৰে।

মেহেৰ আলি :

কটাহী, মৌজা সৰাবাৰী। ১৯২১ চনত মণ্ডল চাকৰি এৰি দি আন্দোলনত যোগদান কৰি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

মজুৰাম ভূঞা :

দক্ষিণ চুবুৰী, মৌজা ছিপাঝাৰ। ১৯২১ চনত স্কুল এৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

যশোদা দেৱী :

ভালুকমাৰী, মৌজা ওৰাং। স্বামী হৰিৰাম মহাজন। ১৯৪১ চনত সত্যাগ্ৰহ কৰোতে গ্ৰেপ্তাৰ হয় আৰু খালাচ পায়। ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী।

যোগেশ্বৰ ভেকা :

চৌধুৰীপাৰা, মৌজা কলাইগাঁও। ১৯৩২ চনৰ আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়।

যোগেন্দ্ৰ নাথ ভূঞা :

দক্ষিণ চুবুৰী, মৌজা হিন্দুঘোকা। ১৯২১ চনৰ আন্দোলনত ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। এগৰাকী প্ৰকৃত স্বেচ্ছাসেৱক আছিল।

ৰত্নেশ্বৰ শৰ্মা :

১৯০৪ চনত পথৰুঘাটত জন্ম গ্ৰহণ কৰে। পিতৃ ঘনশ্যাম শৰ্মা, মাতৃ ধনিষ্ঠা দেৱী। ১৯২০ চনত মাইনৰ স্কুলত পঢ়িবলৈ পাতনি মেলোতেই ১৯২১ চনৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰে। দুবছৰ পাছত আন্দোলন থমাত মাইনৰ স্কুলৰ শিক্ষা বাদ দি সংস্কৃত শিক্ষা লাভ কৰে। নৱদ্বীপত ব্যাকৰণৰ আদ্য পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পাইছিল। পিছলৈ জ্যোতিষ চৰ্চাতো খুব পটুতা লাভ কৰে। আন্দোলনৰ বিভিন্ন পৰ্য্যায়ত লাগি থাকোতে ১৯৩০ আৰু ১৯৩২ চনত ২ বছৰ ৬ মাহ জেল আৰু ৫০ টকা জৰিমনা হয়। ১৯৪২ চনতো পুনৰ ১ মাহ জেল খাটে। শৰ্মাদেৱ ১০ বছৰকাল জিলা কংগ্ৰেছৰ সভাপতি হৈ আছিল। তাম্ৰপত্ৰ পাইছিল। ১৯৮৯ চনত তেখেতৰ মৃত্যু হয়।

ৰজত ভট্টাচাৰ্য্য :

নায়কপাৰ, মৌজা লোৱাই। ১৯২১ চনত শিক্ষকতা বাদ দি অসহযোগ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে। এগৰাকী সংগ্ৰামী মুক্তিযুঁজাৰু আছিল।

ৰমজান আলি :

কটাহী, মৌজা সৰাবাৰী। ১৯২১ চনত স্কুল এৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

ৰঞ্জিত সেখ :

মুছলিমঘোপা, মৌজা বইনাকুছি। ১৯২১ চনৰ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ৰমাকান্ত ডেকা :

কটাহী, মৌজা সৰাবাৰী। ১৯২১ চনৰ আন্দোলনত ৮ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

ৰমাকান্ত শৰ্মা :

দ্ৰুনি, মৌজা দিপিলা। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে আৰু ১৫ দিন হাজোতবাস হয়।

ৰজত আলি :

মুছলিমঘোপা, মৌজা বটনাকুছি। পিতৃ মোহাব আলি। ১৯২১ চনৰ আন্দোলনত ৪২ দিন জেল আৰু ২০ টকা জৰিমনা ভৰে।

ৰজনী কান্ত শৰ্ম্মা বৰুৱা :

কবিকাৰা, মৌজা ডাঁহি। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগদান কৰিছিল।

ৰাধানাথ শৰ্ম্মা :

শ্বেতমদাৰ, মৌজা হিন্দুঘোপা। ১৯২১ চনৰ আন্দোলনত স্বেচ্ছাসেৱকৰ কাম কৰিছিল।

ৰাম চন্দ্ৰ শৰ্ম্মা :

পানেৰী, মৌজা হৰিশিঙা। ১৯৩২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী। গ্ৰেপ্তাৰ হৈছিল যদিও খালাচ পায়।

ৰিয়াজুদ্দিন আহমেদ :

মুছলিমঘোপা, মৌজা বটনাকুছি। ১৯২১ চনত স্কুল এৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

ৰোহবৰ গাওঁবুঢ়া :

শ্বেতমদাৰ, মৌজা হিন্দুঘোপা। ১৯২১ চনত খাজনা বন্ধ কৰা অপৰাধত সম্পত্তি নিলাম হয় আৰু গাওঁবুঢ়া পদৰ পৰাও বহিষ্কৃত হয়।

লক্ষেশ্বৰ ডেকা :

হুহৰীয়া গাঁও, মৌজা বোকেলী। পিতৃ মাধৱ ডেকা। ১৯৪২ চনত স্কুল এৰি আন্দোলনত যোগ দিয়ে। এজন সক্ৰিয় কৰ্মী।

লম্বুৰাম বড়ো :

বেজকাটা, মৌজা ছপাই। পিতৃ বেথন বড়ো। ১৯৩২ চনৰ আন্দোলনত ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

লোকনাথ গোস্বামী :

ভৰদেৱ সত্ৰ, মৌজা লোক্ৰাই। পিতৃ ভুবন গোস্বামী। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে।

শশীকান্ত বৰদলৈ :

মঙলদৈ। পিতৃ গিৰিশ চন্দ্ৰ বৰদলৈ। ১৯২১ চনত পশু চিকিৎসালয়ৰ চাকৰি এৰি আন্দোলনত অংশ গ্ৰহণ কৰে আৰু ১ বছৰ বিনাশ্ৰম কাৰাদণ্ড ভোগ কৰে।

শান্তিৰাম বড়া :

গভৰা, মৌজা দিপিলা। ১৯২১ চনত স্কুল এৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

শাংক্তিনী বড়ো :

মোগলবেচা, মৌজা ছপাই। ১৯৩২ চনৰ সক্ৰিয় মহিলা কৰ্মী।

শামুকী বড়ো :

ৰামহৰি, মৌজা ছপাই। ১৯৩২ চনৰ সক্ৰিয় মহিলা কৰ্মী।

শান্তিৰাম ডেকা :

চৌধুৰীপাৰা, মৌজা কলাইগাঁও। ১৯৩২ চনৰ আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

শিৱৰাম শৰ্মা :

পাথৰিঘাট, মৌজা বইনাকুছি। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। খাজনা নিদিয়াৰ বাবে সকলো সম্পত্তি ক্ৰোকত যায়।

শুক্ৰেশ্বৰ বৰ্মন :

চৌধুৰীপাৰা, মৌজা কলাইগাঁও। ১৯৩২ আৰু ১৯৪২ চনৰ এজন সক্ৰিয় কৰ্মী।

সংৰাম শৰ্মা :

ভুক্তাবাৰী, মৌজা ছিপাঝাৰ। ১৯২১ চনত শিক্ষকৰ পদ ত্যাগ কৰি আন্দোলনত অংশ গ্ৰহণ কৰে।

সভাৰাম ভট্ট :

ব্যাসপাৰা, মৌজা লোহাৰাই। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ কাৰাদণ্ড ভোগ কৰে।

সৰুৰাম ওজা :

শান্তিপুখুৰী, মৌজা সৰাবাৰী। ১৯২১ চনৰ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয়।

সভাৰাম শৰ্মা :

লোক্ৰাই মৌজাৰ ব্যাসপাৰা গাঁৱত ১৯২২ চনত সভাৰাম শৰ্মাৰ জন্ম হয়। পিতৃ ক্ষিতেশ্বৰ শৰ্মা, মাতৃ থানেশ্বৰী দেৱী। বৃত্তি লৈ হাইস্কুলত নৱমমান শ্ৰেণীলৈ পঢ়ি থাকোতে ১৯৪২ চনত গণ আন্দোলন আৰম্ভ হয়। শৰ্মাই বিদ্যালয় বৰ্জন কৰি সক্ৰিয়ভাৱে আন্দোলনত যোগদান কৰে। মিটিং কৰি থকা অৱস্থাত দিপীলা চৌকাত শৰ্মা আৰু সহকৰ্মীসকলক পুলিচে মাৰধৰ কৰি গ্ৰেপ্তাৰ কৰি মঙলদৈ থানালৈ খোজকঢ়াই আনি ৰাতি লকআপত একো খাব নিদিয়াকৈ আটক কৰি থৈছিল। পিছদিনা মঙলদৈ কাৰাগাৰত হাজতি হিচাপে ৰাখে। কাৰাগাৰত এক মাহ এঘাৰ দিন থাকে। এই সময়ছোৱাত শৰ্মাৰ ওপৰত দুটা গোচৰ দি পুলিচে অভিযোগ দিয়াত বিচাৰপতিয়ে মঙলদৈ আদালতত বিচাৰ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ডৰ আদেশ দি তেজপুৰ জিলা কাৰাগাৰলৈ পঠাই দিয়ে। ১৯৪৩ চনৰ ২৪ জুলাইত তেখেতক মুক্তি দিয়ে। মুক্তি পাই তেখেত ঘৰলৈ আহি গঠনমূলক কামত লাগে। ১৯৬১ চনত বিনোবাজীৰ গ্ৰামদান আন্দোলনত সক্ৰিয় ভাৱে যোগদান কৰে। ১৯৬৫ চনৰ পৰা তেখেতে গ্ৰামসেৱক হিচাপে নিয়মিকৈ চাকৰি জীৱন আৰম্ভ কৰে। দেশৰ মুক্তি সংগ্ৰামত উল্লেখ-যোগ্য ভূমিকা গ্ৰহণ কৰা শৰ্মাক স্বীকৃতি হিচাপে ভাৰত চৰকাৰে তাম্ৰপত্ৰেৰে সন্মানিত কৰাৰ সিদ্ধান্ত লৈছিল। কিন্তু ১৯৭৩ চনৰ ৩ এপ্ৰিল তাৰিখে তেখেতৰ মৃত্যু হয়।

সন্দেশ হাজৰিকা :

নলবাৰী, মৌজা ওবাং। ১৯৪২ চনৰ আন্দোলনত ১ বছৰ সশ্ৰম কাৰাদণ্ড হয়।

সীতানাথ বৰুৱা :

মাবৈ, মৌজা ছিপাঝাৰ। ১৯২১ চনত স্কুল এৰি আন্দোলনত অংশ গ্ৰহণ কৰে।

স্নেহলতা মেধি :

মঙ্গলদৈ টাউন। স্বামী বিপিন মেধি। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰিছিল।

সৰস্বতী উৰিয়নী :

সৰু খেকেৰাবাৰী, মৌজা ৰঙামাটি। ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী। ১০ টকা জৰিমনা হয়।

সোনেশ্বৰী মেধী :

বেংবাৰী, মৌজা হৰিশিঙা। ১৯৩২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

সোনাৰাম নাথ :

সোনাপুৰ, মৌজা লোক্ৰাই। ১৯২১ চনৰ আন্দোলনত স্বেচ্ছা-সেৱক আছিল।

হলিৰাম চহৰীয়া :

বাঙ্গিপাৰা, মৌজা লোক্ৰাই। পিতৃ নিৰন চহৰীয়া। ১৯২১ চনত খাজানা বন্ধ কৰা বাবে সম্পত্তি ক্ৰোক হয়।

হলিৰাম শইকীয়া :

সৰু খেকেৰাবাৰী, মৌজা ৰঙামাটি। পিতৃ মাটিৰাম শইকীয়া। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়।

হলিৰাম মহাজন :

ভালুকমাৰী, মৌজা ওৰাং। ১৯৪১ আৰু ১৯৪২ চনৰ সক্ৰিয় কৰ্মী।

হলিৰাম চহৰীয়া :

মৌজা হিন্দুঘোপা। পিতৃ হৰদত্ত চহৰীয়া। ১৯২১ চনত আইন অমান্য আন্দোলনত শিক্ষকতাৰ চাকৰি বাদ দি সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

মঃ হাবিব আলি :

বৰদৌলগুৰি, মৌজা হিন্দুঘোপা। ১৯২১ চনত মণ্ডল চাকৰি এৰি দি আন্দোলনত অংশ গ্ৰহণ কৰে।

নলবাৰী

অমৃত শৰ্মা :

১৮৯৬ চনত নন্দগ্ৰাস গাঁৱত জন্ম গ্ৰহণ কৰে। পিতৃ ৰবিচন্দ্ৰ শৰ্মা। ১৯২১ চনত নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা পঢ়া বাদ দি আন্দোলনত যোগদান কৰে। খাদী প্ৰচলনত আৰু শিক্ষা প্ৰচাৰত লাগি থাকে। পাছত মজলীয়া স্কুলত শিক্ষকতা কৰে। তেখেতে গান্ধীদৰ্শনক নিজৰ জীৱনত প্ৰয়োগ কৰিবলৈ চেষ্টা কৰিছিল সেয়ে তেখেতক গান্ধী বুলি মাতিছিল। খেতিৰ উন্নতি, গো-সেৱা, মাদক-দ্ৰব্য নিবাৰণ আদি গঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

অমৃত চন্দ্ৰ শৰ্মা :

জন্ম দেহাৰকুছি গাঁৱত। পিতৃ গোপাল শৰ্মা। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। ২/৫/৩২ তাৰিখে গ্ৰেপ্তাৰ হৈছিল। ১১/৫/৩২ তাৰিখে গুৱাহাটী কাছাৰী চৌহদত ইউনিয়ন জেক্ পতাকা নমাই কংগ্ৰেছ পতাকা উত্তোলন কৰা হেতুকে ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। এই ক্ষেত্ৰত পদ্ম চন্দ্ৰ গগৈৰ তেখেত সহযোগী আছিল। ২৬।৪।৩২ তাৰিখেও গ্ৰেপ্তাৰ হৈছিল কিন্তু উপযুক্ত প্ৰমাণ নথকা হেতু খালাচ পায়।

অমৃত চন্দ্ৰ ভট্টাচাৰ্য্য :

পিতৃ ৰাঘৱ চন্দ্ৰ ভট্টাচাৰ্য্য। ১৯২১ আৰু ১৯৩০ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰি যথাক্ৰমে ১৫ আৰু ৭ দিন বিচৰাধীন বন্দী হৈ আছিল।

অনিত চন্দ্ৰ বৰ্মন :

জন্ম ধৰ্মপুৰ মৌজাৰ গামেৰিমুৰি গাঁৱত। পিতৃ আনীয়া বৰ্মন। স্বেচ্ছাসেৱক বাহিনীৰ কৰ্ম পৰিষদৰ সদস্য হিচাপে ৩।৩।৪৩ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰে। ছয় মাহ সশ্ৰম কাৰাদণ্ড ভোগে। পিছত অসম চৰকাৰৰ নিৰ্বাচনী বিভাগত কাম কৰি অৱসৰ লয়।

অক্ষয় কুমাৰ বৰ্মন :

জন্ম বেলশৰ গাঁৱত। স্বাধীনতা সংগ্ৰামত যোগ দি ১৩।৬।৪৬ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰে আৰু ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

অলিৰাম মহন্ত :

কোটালকুছি গাঁও। কোটালকুছিৰ মহাপুৰুষীয়া সত্ৰৰ সত্ৰাধিকাৰ ৰূপে থাকিও গাঁও সংগঠন, সমাজ সংস্কাৰ আদি কামৰ লগত জড়িত আছিল। কংগ্ৰেছ সংগঠনৰ লগত নিজক জড়িত কৰি ৰাখিছিল। নিজৰ ভাতৃ শ্ৰীউগ্ৰ চন্দ্ৰ মহন্তকো গাঁও সংগঠন আৰু কংগ্ৰেছৰ নীতি প্ৰচাৰ কাৰ্যত আত্মনিয়োগ কৰিবলৈ উদগনি দিছিল। মহন্তই শিক্ষকতা আৰু ধৰ্মীয় পৰম্পৰা ৰক্ষা কৰি এটি সৎ জীৱন যাপন কৰিছিল। ১৯০২ চনত জন্ম আৰু ১৯৮৭ চনত মৃত্যু হয়।

অজিত চন্দ্ৰ চৌধুৰী :

নিজ জুলুকি গাঁও। পিতৃ হৰেন্দ্ৰ চৌধুৰী। ১৯৪২ চনৰ আন্দোলনত ৰৰমাত গ্ৰেপ্তাৰ হৈছিল যদিও প্ৰমাণৰ অভাৱত খালাচ পায়।

অম্বৰাম ডেকা :

সোণকুৰিহা গাঁও। পিতৃ ভেদুলাৰাম ডেকা। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰিছিল।

অক্ষয়ৰাম বৰুৱা :

পিতৃ পঙ্কজ বৰুৱা। ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

অম্বৰ ৰাম ডেকা :

জন্ম অময়াপুৰত। পিতৃ ভদুলা ডেকা। ১৯৩২ আৰু ১৯৪২ চনৰ আন্দোলনত যোগদান কৰিছিল।

অখিল চন্দ্ৰ দাস :

জন্ম ৰৰমাৰ জুলুকি গাঁৱত। পিতৃ ৰামেশ্বৰ দাস। ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ কৰি ৰৰমা থানাত ৰাখি এৰি দিয়ে। ১৯৪৩ চনত মিছামাৰিত গ্ৰেপ্তাৰ কৰে। পাছত গুপ্ত বাৰ্তা বিভাগৰ কাৰ্যালয়ৰ পৰা মুক্ত হয়।

অৰুণ চন্দ্ৰ দাস :

ৰৰ অ.জৰা, চান্দকুছি। ২৭।১০।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ ৫ মাহ বিচাৰাধীন হৈ থকাৰ পাছত এৰি দিয়ে।

অমৃত দাস :

জন্ম মৰোৱা গাঁৱত। ২৬।২।২১ তাৰিখে মৰোৱা আৰু ২৭।২।২১ তাৰিখে হাজোত আন্দোলন সম্পৰ্কীয় ৰাজহুৱা সভাত ভাষণ দিয়ে।

অভিৰাম মেধি :

জন্ম ক্ষুদ্ৰশংকৰা গাঁৱত। পিতৃ ৰবিহনা মেধি। ১৯৪২ চনৰ আন্দোলনত যোগদান দিছিল।

অনন্তৰাম ডেকা :

জন্ম কমাৰকুছিৰ উথুৰা গাঁৱত। পিতৃ মহেন্দ্ৰ ডেকা। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰিছিল।

অম্বিকাচৰণ বৰ্মন :

জন্ম ধৰ্মপুৰ মৌজাৰ কৈঠালকুছি গাঁৱত। পিতৃ কালিৰাম বৰ্মন। ১৯৩০ চনত এদল আন্দোলনকাৰী ছাত্ৰ গঠন কৰি কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত কলেজিয়েট স্কুলৰ গেটত পিকেটিং কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল।

অভয় চন্দ্ৰ বড়া :

জন্ম ধৰ্মপুৰ মৌজাৰ গামৰিমুৰি গাঁৱত। পিতৃ গৰ্গৰাম বড়া। ১৯২১ চনত স্বেচ্ছাসেৱক হৈ প্ৰচাৰ কাৰ্য চলাইছিল। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

আনন্দ চৰণ বৈশ্য :

জন্ম বৰমা, গোৱাদল গাঁৱত। ১৯৩২ চনৰ মাৰ্চৰ ২১ তাৰিখে পিকেটিং কৰা বাবে ৩ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল।

আত্মাৰাম বৰ্মন :

জন্ম কপীয়াবাধান গাঁৱত। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া হেতুকে গাঁওবুঢ়া পদৰ পৰা বৰ্খাস্ত হৈছিল।

আনন্দ বুজৰবৰুৱা :

জন্ম চান্দকুছি গাঁৱত। পিতৃ গদামন্ত্ৰ বুজৰবৰুৱা। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

আত্মা ৰাম বৰ্মণ :

ধৰ্মপুৰ মৌজাৰ কণীয়া বাথানত বৰ্মনৰ জন্ম হয়। পিতৃ কৃষ্ণ বৰ্মন। ১৯২১ চনত প্ৰচাৰ কাৰ্য কৰা বাবে গাঁওবুঢ়া পদ হেৰুৱাইছিল। ১৯৩০ চনত নলবাৰী কেম্পত স্বেচ্ছাসেৱক বাহিনীৰ উপদেষ্টা কমিটিৰ সভ্য আছিল।

আদিত্য ৰাম ডেকা :

বেলশৰ গাও, মৌজা ধৰ্মপুৰ। ১৯২১ চনত প্ৰচাৰ কাৰ্য কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

আনন্দি ৰাম ডেকা :

জন্ম চান্দকুছি ক্ষুদ্ৰশংকৰা গাঁৱত। ১৯৪২ চনৰ আন্দোলনত ডামৰেক চাহাবৰ হাতত বেতৰ কোব খাইছিল।

ইছলাম আলি :

জন্ম বাহজানি মৌজাৰ জানিগোগ গাঁৱত। পিতৃ বাঁহীসেখ আলি। ১৯২১ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে। ১৯৩৪ চনৰ আন্দোলনতো সহযোগ কৰিছিল। পিছত দৰ্জী কাম কৰি জীৱন নিৰ্বাহ কৰিছিল। তেখেতে সাম্প্ৰদায়িক একতাৰ প্ৰতি মনোনিবেশ কৰিছিল। গান্ধীজীৰ আদৰ্শ নিজৰ জীৱনত প্ৰতিফলিত কৰিবলৈ যত্ন কৰিছিল। প্ৰায় ৭০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

ঈশ্বৰ চন্দ্ৰ বৰুৱা :

জন্ম ১৯১৫, মৃত্যু ১৯৮৭, পিতৃ কৃষ্ণ চন্দ্ৰ বৰুৱা। নলবাৰী কলেজৰ অন্যতম প্ৰতিষ্ঠাতা অধ্যাপক সুসাহিত্যিক ঈশ্বৰ চন্দ্ৰ বৰুৱাৰ কমাৰকুছি গাঁৱত জন্ম হয়। ছাত্ৰাৱস্থাতে প্ৰসিদ্ধ কংগ্ৰেছ কৰ্মী দক্ষৰাম বৰুৱাৰ দ্বাৰা স্বদেশ প্ৰেমৰ প্ৰতি উদ্বুদ্ধ হৈপৰে। ওৰে জীৱন খদ্দৰৰ ধুতি-পাঞ্জাৱী পিন্ধি গান্ধীজীৰ আদৰ্শক শ্বাস-প্ৰশ্বাস হিচাপে লৈ নিজ গাঁও অঞ্চলত আৰু নলবাৰী চহৰত এগৰাকী বৰণীয় আৰু স্মৰণীয় ব্যক্তিৰ সন্মান লাভ কৰিছিল। ১৯৬৫ চনত নলবাৰীত অনুষ্ঠিত হোৱা অসম সাহিত্য সভা অধিবেশনত বৰুৱা এজন বিশিষ্ট উদ্যোক্তা আছিল। তেখেতৰ সৰ্বোদয়ভাৱ আৰু সুমিষ্ট ব্যৱহাৰে ছাত্ৰ আৰু সৰ্বসাধাৰণক সহজে মুহিব পাৰিছিল। ছাত্ৰাৱস্থাৰে পৰা ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ প্ৰতি উদ্বোদ্ধ হৈছে। তেখেত এগৰাকী প্ৰসিদ্ধ

সাহিত্যিক আছিল আৰু তেখেতৰ কবিতাত দেশপ্ৰেমৰ তীব্ৰ বেদনা প্ৰকাশ পাইছিল।

ঈশ্বৰ প্ৰসাদ গোস্বামী :

জন্ম চমাৰকুছি গাঁৱত। পিতৃ বাগেশ্বৰ দেৱ গোস্বামী। ১৯৪২ চনৰ আন্দোলনত ভলন্টিয়াৰ হিচাপে কাম কৰে। তেখেত গুৱাহাটীৰ ছাত্ৰীবাৰীত নিজাকৈ থাকিবলৈ লয়।

উদয় চন্দ্ৰ বৰ্মন :

কেঠালকুছি। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰিছিল।

উপেন্দ্ৰ নাথ শৰ্মা :

চামতা। পিতৃ অনিৰুদ্ধ শৰ্মা। স্কুল এৰি স্বেচ্ছাসেৱকৰ হৈ প্ৰচাৰকাৰ্য চলাইছিল। শিক্ষা জীৱনৰ অন্ত পৰে।

উত্তম চন্দ্ৰ ডেকা :

চমাৰকুছি। পবিত্ৰ স্বাধীন মনৰ ব্যক্তি উত্তম চন্দ্ৰ ডেকাই ১৯২১ চনৰ অসহযোগ আন্দোলনৰ আগবে পৰা বগৰীবাৰী, বিলাসী-পাৰা, ফকিৰাগ্ৰাম আদিত স্বাধীন ব্যৱসায় কৰি সেই অঞ্চলবোৰত মহাত্মা গান্ধীৰ নীতি-ধৰ্ম প্ৰচাৰ কৰি ফুৰিছিল। গান্ধীবাদত বিশ্বাসী ডেকাই আজীৱন খদ্দৰৰ ফতুৱৈ চোলা আৰু আঠুমূৰীয়া ধুতি পিন্ধিছিল। পুৱা দুপৰীয়া আৰু গধূলি নিয়মিতভাৱে ঈশ্বৰক উপাসনা কৰিছিল।

উপেন্দ্ৰ নাথ শৰ্মা :

জন্ম বৰকুৰা গাঁৱত। ১৯৪২ চনৰ আন্দোলনত যোগ দিয়ে। ৬।১০।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। প্ৰায় তিনিমাহ কাৰাদণ্ড ভোগে।

উমাকান্ত শৰ্মা :

দেহাৰকুছি। ১৯৩২ চনত শিক্ষা বাদ দি আন্দোলনত নামে। কেবাবাৰো পিকেটিং কৰে। কাছাৰীৰ চৌহদত থকা ইউনিয়ন জেক টানি নমায়। কেবাবাৰো গ্ৰেপ্তাৰ হয়। কিন্তু নাবালক হোৱা হেতুকে তপিনাত বেত দি এৰি দিয়ে।

উপেন্দ্ৰমল্ল বুজৰবৰুৱা :

চান্দকুছি। পিতৃ মাধৱমল্ল বুজৰবৰুৱা। ১৯২১ চনৰ আন্দো-

লনত কলেজৰ শিক্ষা ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। ১৯৩০-৩২ চনৰ আন্দোলনতো সহযোগ কৰিছিল।

উদয়চন্দ্ৰ কাকতি :

বনমাজা, ধৰ্মপুৰ মৌজা। ৪।৩।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ এদিন জেল খাটে।

উপেন্দ্ৰ নাথ কৈৱৰ্ত :

টিহু। ১৯৩০ চনৰ আন্দোলনত যোগ দি ২৪।৯।৩০ তাৰিখে পিকেটিং কৰা অপৰাধত ২ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯।৩।৩০ আৰু ২০।৯।৩০ তাৰিখে পিকেটিং কৰে।

উদয় চন্দ্ৰ মিশ্ৰ :

কৈঠালকুছি। ৩।৩।৪৩ তাৰিখে গ্ৰেপ্তাৰ হৈ ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

উদ্ধৱ চন্দ্ৰ শৰ্মা :

বেলশৰ, ধৰ্মপুৰ মৌজা। পিতৃ শান্তি শৰ্মা। স্বাধীনতা সংগ্ৰামত যোগ দি গ্ৰেপ্তাৰ হয়; পাছত এৰি দিয়ে। ১৯৪৩ চনৰ ২, ৩, ৪ মাৰ্চত ৰাতি পুলিচে ঘৰ খানাতালাচ কৰে।

উমাকান্ত শৰ্মা

টিহু। পঢ়া-শুনা বাদ দি ১৯৩০ চনৰ আন্দোলনত যোগ দিয়ে। তেওঁৰ কাৰ্যকলাপত ২৪।৯।৩০ তাৰিখে দোষী সাব্যস্ত কৰি ২ মাহ সশ্ৰম কাৰাদণ্ড দিহে।

উপেন্দ্ৰ নাথ শৰ্মা :

বৰকুৰা গাঁও। ১৯৪২ চনৰ আন্দোলনত ৬।১০।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। ৮।১।৪৩ তাৰিখে এদিন জেল খাটে।

উপেন্দ্ৰ নাথ শৰ্মা :

চামতা। আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

উদয় চন্দ্ৰ ভাগৱতী :

কৰৈয়া। ১৯৩০ চনত শিক্ষা অসমাপ্ত কৰি আন্দোলনত জপিয়াই পৰে।

উত্তম চন্দ্ৰ চৌধুৰী :

নলবাৰী। ১৯২১ চনৰ আন্দোলনত যোগ দিয়ে।

উত্তম চন্দ্ৰ ডেকা :

জন্ম জাগৰা গাঁৱত। পিতৃ শহীৰাম ডেকা। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

উপেন্দ্ৰ নাথ দাস :

ঠিকনা। ১৯২১ চনৰ আন্দোলনত যোগদান কৰিছিল।

উপেন্দ্ৰ নাথ দেৱ শৰ্মা :

বলোৰা গাঁও। পিতৃ হৰিনাথ দেৱ শৰ্মা। ১৯৪২ চনৰ আন্দোলনত যোগ দি উপপ্ৰতি সমাহৰ্তাৰ কাৰ্যালয়ত পিকেটিং কৰি গ্ৰেপ্তাৰ হয় আৰু ২৪ ঘন্টাৰ পাছত এৰি দিয়ে।

উপেন্দ্ৰ নাথ দত্ত :

দত্তই ১৯৩০ চনৰ আন্দোলনত ২৬।১।৩০ তাৰিখে নলবাৰীৰ ওচৰৰ পাগলাদিয়া নৈৰ পাৰত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাত স্বাধীনতা আন্দোলনৰ বক্তৃতা দিয়ে আৰু শোভাযাত্ৰাত নেতৃত্ব কৰে।

উদয় চন্দ্ৰ গোস্বামী :

দেখনীয়াৰ গাঁও, বৰমা। ১৯৩২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হয়।

ডাঃ উপেন্দ্ৰ চন্দ্ৰ গোস্বামী :

৬।১১।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। ৮।১।৪৩ তাৰিখে এদিন জেল খাটে।

উত্তম চন্দ্ৰ গোস্বামী :

শাহপুৰ। গণ বিপ্লৱত যোগ দি ৩।৩।৪৩ তাৰিখে গ্ৰেপ্তাৰ হয়। ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

উপেন্দ্ৰ নাথ তালুকদাৰ :

জন্ম পিপলিবাৰী গাঁৱত। আন্দোলনত যোগদান কৰি ৪।৩।৪৩ তাৰিখে গ্ৰেপ্তাৰ হয় আৰু এদিন জেল খাটে।

উমেশ চন্দ্ৰ তালুকদাৰ:

জন্ম পিপলিবাৰীত। শিক্ষা অসমাপ্ত কৰি ১৯৪২ চনৰ আন্দোলনত স্বেচ্ছাসেৱক হিচাপে কাম কৰে।

উমেশ চন্দ্ৰ তালুকদাৰ:

পিপলিবাৰী। পিতৃ সুখেন তালুকদাৰ। ১৯৪২ চনৰ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল।

কনক চন্দ্ৰ বৰ্মন:

জন্ম বৰকুৰা গাঁৱত। পিতৃ জালানৰাম বৰ্মন। ১৯৩০ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে। ১৯৩২ চনত ঠায়ে ঠায়ে শিবিৰ পতা আৰু পিকেটিং কাৰ্যত যোগদান কৰিছিল। ১৯।৯।৪২ তাৰিখে গণ বিপ্লৱৰ সময়ত গ্ৰেপ্তাৰ হয়। ১৩।১১।৪২ তাৰিখে ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

কন্দৰ্প কুমাৰ শৰ্মা:

জন্ম গন্ধিয়া গাঁৱত। পিতৃ সৰুনাথ শৰ্মা। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কমনাথ ঠাকুৰীয়া:

কৰৈয়া, ধৰ্মপুৰ মৌজা। পিতৃ জীউৰাম ঠাকুৰীয়া। ১৯০৩ চনত প্ৰচাৰকাৰ্য কৰি তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

কালিৰাম দত্ত:

ৰূপীয়াবাথান, ধৰ্মপুৰ মৌজা। পিতৃ ভোগৰাম দত্ত। নলবাৰী গৰ্ডন স্কুলৰ শিক্ষক পদ এৰি দি ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ আন্দোলনতো জড়িত আছিল।

কাৰ্ত্তিক চন্দ্ৰ বৰ্মন:

বালিজাৰ, ধৰ্মপুৰ মৌজা। ১৯২১ চনত শিক্ষা জীৱনৰ অন্ত পেলাই স্বেচ্ছাসেৱক হৈ প্ৰচাৰ কাৰ্যত লাগে।

কালিৰাম নমঃশূদ্ৰ:

জন্ম বালা গাঁৱত। অনুন্নত শ্ৰেণীৰ পিছপৰা লোকসকলৰ উন্নতিৰ সাধনাৰ্থে সৰ্বতোপ্ৰকাৰে চেষ্টা কৰিছিল। ১৯২১ চনৰ পৰা ১৯৪২

চনলৈকে প্ৰতিটো আন্দোলনতে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। প্ৰায় ৬ ফুট ওখ আঠুমূৰীয়া ধুতি আৰু কান্ধত গামোছাৰে সভা-শুৱনি কালিৰাম নমঃশূদ্ৰই হোজা গাঁৱলীয়া ভাষাত বক্তৃতা দি জন-সাধাৰণক গান্ধীৰ কথাৰে মুহিব পাৰিছিল। গান্ধীবাদত অটল বিশ্বাসী কালিৰামে নিজৰ বৰপুত্ৰৰ নামো 'গান্ধী' ৰাখিছিল। গান্ধী-জীৰ গ্ৰাম উদ্যোগৰ দ্বাৰা অনুপ্ৰাণিত হৈ নিজৰ ঘৰতে দুটা তেলৰ ঘানী পাতিছিল। তেখেতে কপাহ খেতি কৰিছিল, পলু পুহিছিল আৰু কুটিৰ শিল্পৰ বাঁহ বেতৰ বহুতো বাৰেবৰণীয়া বস্তু তৈয়াৰ কৰিছিল। নিৰহংকাৰী কালিৰামৰ ঘৰত ভগত সেৱাকে ধৰি বাৰমাহত তেৰটা ধৰ্মীয় উৎসৱ পতা হৈছিল। গাঁও অঞ্চলৰ তেখেত মুৰব্বী লোক আছিল।

কালিৰাম বৰ্মন:

১৮৮৫ চনত ধৰ্মপুৰ মৌজাৰ চামতা গাঁৱত কালিৰাম বৰ্মনে জন্ম গ্ৰহণ কৰে। গৌৰীপুৰত স্কুলীয়া শিক্ষা আৰম্ভ কৰি নলবাৰীত মধ্য ইংৰাজী স্কুলত হাইস্কুলীয়া শিক্ষা লাভ কৰে। ১৯০৫ চনত এন্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজ আৰু কলিকতাৰ পৰা ক্ৰমে বি-এ আৰু আইনৰ স্নাতক হয়। ইয়াৰ পিছত ঢাকাৰ পৰা প্ৰকাশিত 'বিশ্ব বাৰ্তা' নামৰ বাতৰি কাকতৰ অসমীয়া সংস্কৰণৰ সম্পাদক হয়। ১৯১০ চনত চামতাৰ ওচৰৰ কপীয়াবাথান গাঁৱৰ ধাতুৰাম তহবিলদাৰৰ কন্যা ধনেশ্বৰী তহবিলদাৰক বিয়া কৰায়। ১৯১৪ চনত বৰ্মনে গুৱাহাটীত ওকালতি আৰম্ভ কৰে। ইতিমধ্যে অসহযোগ আন্দোলনত নামি ওকালতি ত্যাগ কৰে। সেই সূত্ৰতে তেওঁৰ চামতাৰ ঘৰ একাধিকবাৰ খানাতালাচ কৰা হয়। বিদেশী বস্ত্ৰ বৰ্জন কাৰ্যত তেখেতে আগভাগ লৈছিল। সমাজসেৱী বৰ্মনে গাঁও-ভূঁইৰ আলি-পদূলি নিৰ্মাণ কৰা, খোৱাপানীৰ ব্যৱস্থা কৰা আদি গঠনমূলক কামবোৰ হাতত লৈছিল। 'কোদালি সংঘ' নামে এটি শ্ৰমিক সংঘ খুলিছিল। বৰ্মন ১৯১৬ চনত গুৱাহাটীত প্ৰথমে লোকেল বোৰ্ডৰ সভ্য নিৰ্বাচিত হয়। ১৯২৬ চনত পাণ্ডুত বহা কংগ্ৰেছৰ 'বাহৰ সজা' সম্পাদক আছিল। ১৯২৮ চনত বৰ্মনেই প্ৰথম অসমীয়া চৰকাৰী উকিল নিযুক্ত হয়। তেখেতে ধৰ্মপুৰত 'ধৰ্মপুৰ স্বাস্থ্য সংঘ'

নামে এটি সংঘ গঢ়ি তোলে। এখন হোমিঅ'পেথিক চিকিৎসালয়ো স্থাপন কৰে। ইয়াৰ লগে লগে চামতা হাইস্কুল, চামতা ডাক্তৰখানা প্ৰতিষ্ঠাতো আগভাগ লয়। সেইদৰে কৃষকসকলৰো এটা সংঘ গঠন কৰে। ফাগুন চ'ত মহীয়া চৰণীয়া গৰুৰ পানী খোৱাৰ বাবেও ব্যৱস্থা কৰিছিল। গুৱাহাটী বেংক, ডাকৰ ইন্সিওৰেঞ্চ আদি অনুষ্ঠান প্ৰতিষ্ঠা কৰাত তেখেতৰ উদ্যোগ প্ৰশংসনীয় আছিল। তেখেতে 'অসম চাপ্লাই এজেন্সি'ৰ যোগে খাদ্যবস্তু যোগানৰ ব্যৱস্থা কৰিছিল। বৰ্মনে শেষ বয়সত 'অসম জাতীয় উৎসৱ সমিতি' গঠন কৰি ইয়াৰ জড়িয়তে পানবজাৰ হৰিসভাত শংকৰদেৱৰ তিথিকে ধৰি আন আন জাতীয় উৎসৱ পালন কৰিছিল। বৰ্মন এই উৎসৱ সমিতিৰ সভাপতি হৈ আছিল। এই দেশপ্ৰেমিক সমাজকৰ্মীজনৰ ১৯৭১ চনৰ ১৭ ডিচেম্বৰত পৰলোক প্ৰাপ্তি ঘটে।

কালিকান্ত চৌধুৰী :

বেলশৰ, ধৰ্মপুৰ মৌজা। ১৯২১ চনত প্ৰচাৰ কাৰ্য কৰিছিল। কটন কলেজৰ শিক্ষা অসমাপ্ত কৰি আন্দোলনত যোগ দিয়ে। নলবাৰী বজাৰত পিকেটিং কৰিছিল।

কৃষ্ণ মেধি :

নিজ বাঁহজানি। জন্ম ১৯০৫, মৃত্যু ১৯২৫ চন। পিতৃ ভয়ৰুৰাম মেধি। ১৯২১ চনত মজলীয়া শিক্ষা অসমাপ্ত কৰি আন্দোলনত লাগে। এজন বিপ্লৱী কৰ্মী আছিল।

কৃষ্ণকান্ত শৰ্মা :

গামেৰমুৰী, ধৰ্মপুৰ মৌজা। আন্দোলনত ৬ মাহ জেল খটাৰ উপৰিও জৰিমনাও ভৰিব লগা হৈছিল।

কৃপানাথ শৰ্মা :

পিতৃ ৰমীসত্ত শৰ্মা। ২৩।১২।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। ১৯।২।৪৩ তাৰিখে জেল খাটে।

কৃষ্ণকান্ত বৰ্মন :

নলবাৰী। গুৱাহাটীৰ ফাঁচী বজাৰৰ দোকানত ৩০।৮।৩০ তাৰিখে পিকেটিং কৰা কাৰণত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

কৃষ্ণকান্ত শৰ্মা :

বুঢ়কুছি। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে। ১৯৪২ চনৰ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল।

কেশৱ চন্দ্ৰ লহকৰ :

জন্ম পূৰ্ণদে চপৰা গাঁৱত। পিতৃ দেৱীনাথ লহকৰ। এজন নীৰৱ কৰ্মী আছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কৈলাশ চন্দ্ৰ বৰুৱা :

জন্ম কমাৰকুছি গাঁৱত। আজীৱন গান্ধীবাদী, শিক্ষাব্ৰতী বৰুৱা অঞ্চলটোৰ এজন আদৰ্শনীয় ব্যক্তি আছিল। কমাৰকুছি উত্তমচন্দ্ৰ বৰুৱা মজলীয়া স্কুলত ইংৰাজী শিক্ষক হিচাপে বহুদিন কাম কৰি পিছলৈ ক্ৰমে হাজো হাইস্কুল আৰু পিছত হাইস্কুলত প্ৰধান শিক্ষক হিচাপে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। সদায় খদ্দৰৰ ধুতি-চোলা আৰু মূৰত গান্ধী টুপী পৰিধান কৰা বৰুৱাই সকলো সময়তে গান্ধীজীৰ আদৰ্শৰ কথা কৈছিল আৰু জীৱনৰ প্ৰতি খোজতে তাক ৰক্ষা কৰিছিল। তেখেতৰ আদৰ্শ নিষ্ঠাৰ এটি উজ্বল উদাহৰণ পোৱা যায় যে—কোনো এটা সামাজিক কামত মতান্তৰ হোৱাত গাঁৱৰে মদগৰ্বী আধুনিক ডেকা ডাক্তৰ এজনে খেদি আহি বৰুৱাৰ গালত এটি চৰ মাৰে। বৰুৱাই কোনো প্ৰতিবাদ নকৰি নীৰৱে ঘৰলৈ গুচি যায়। শেষত অৱশ্যে ৰাইজে বিচাৰ কৰি ডাক্তৰজনৰ হতুৱাই বৰুৱাৰ ওচৰত ক্ষমা খোজালে। ১৯৪৮ চনৰ ৩০ জানুৱাৰীত গান্ধী হত্যাৰ বাতৰি বনজুইৰ দৰে বিয়পি পৰিল। শ্ৰেণীত পাঠদান কৰি থকা বৰুৱাই এই মৰ্মন্তুদ বাতৰি শুনিয়েই হুকহুকাই কান্দিব ধৰিলে। ছাত্ৰসকলেও নেকান্দি নোৱাৰিলে। কমাৰকুছিৰ প্ৰসিদ্ধ মুক্তিযুঁজাৰু দক্ষৰাম বৰুৱাৰ কৈলাশ বৰুৱা সহোদৰ ককাই আছিল। তেখেতৰ অনুপ্ৰেৰণাত কৈলাশ বৰুৱাই স্বাধীনতা সংগ্ৰামত পৰোক্ষভাৱে অংশ গ্ৰহণ কৰিছিল।

গজেন্দ্ৰ চন্দ্ৰ কলিতা :

১ নং সোণকুৰিহা। পিতৃ সন্তাৰাম কলিতা। ১৯৪২ চনত ভলন্টিয়াৰ হৈ সক্ৰিয়ভাৱে কাম কৰে।

গঙ্গানাথ শাস্ত্ৰী :

ডিংডিঙি পোৰাকুছি গাঁৱত জন্ম গ্ৰহণ কৰি সংস্কৃতৰ উপাধি পৰীক্ষা পাছ কৰি বৰভাগ কালাগ হাইস্কুলত আজীৱন সংস্কৃত বিষয় পঢ়াইছিল। গৌৰৱৰ কথা যে প্ৰতি বছৰে তেখেতৰ কেবাজনো ছাত্ৰই প্ৰৱেশিকা পৰীক্ষাত সংস্কৃত বিষয়ত লেটাৰ নম্বৰ পাইছিল। পোৰা-কুছি সংস্কৃত টোলৰো তেখেত অধ্যাপক আছিল। সদায় খদ্দৰৰ ধুতি পাঞ্জাবী পিন্ধা শাস্ত্ৰীদেৱক সাক্ষাত 'কাতিক' যেন দেখা গৈছিল। জীৱনত কোনোদিনে মাদকদ্ৰব্য ব্যৱহাৰ কৰা নাছিল। ১৯৪২ চনৰ আন্দোলনত তেখেতে আৰু তেখেতৰ ভাতৃ ডঃ দীননাথ চক্ৰবৰ্তীয়ে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। সত্তৰৰ দশকত অৱসৰ পোৱাৰ কিছু-দিন পাছতে তেখেতৰ মৃত্যু হয়।

গোলাপ চন্দ্ৰ শৰ্মা :

আৰজমৌ। পিতৃ ভকত শৰ্মা। ২০।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। ১৩।১১।৪২ ৰ পৰা ৮ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

গোবিন্দ শৰ্মা :

দেহাৰকুছি। ১৯৩০ চনৰ আন্দোলনত যোগ দি পিকেটিং কৰিছিল।

গোলোক চন্দ্ৰ শৰ্মা :

বৰকুলহাটী, কালাগ। পিতৃ অচ্যুতানন্দ শৰ্মা। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

গোপিকা বল্লভ গোস্বামী :

জন্মস্থান গৰমচিং, নহকৰপাৰা। পিতৃ গৌৰীকান্ত গোস্বামী। ১৯৪২ চনত আন্দোলনত যোগদান কৰিছিল।

গোপাল ডেকা :

নিজবাঁহজনি। ১৯৩০ চনত স্কুল এৰি আন্দোলনত নামে। তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগে। কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ

কৰিছিল। গান্ধীজীৰ আদৰ্শৰ প্ৰতি বিশেষ ৰাপ আছিল কাৰণে উন্নত কৃষি আৰু গো-সেৱাৰ কাম কৰিছিল। সেই অঞ্চলৰ এজন আগশাৰীৰ সমাজসেৱী আৰু ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল।

ঘনশ্যাম দেৱগোস্বামী :

১৯১১ চনত অগ্নিশালা গাঁৱত জন্ম গ্ৰহণ কৰে। পিতৃ যোগেশ্বৰ গোস্বামী। হাইস্কুলত পঢ়ি থকা অৱস্থাত ১৯৩০ চনত আন্দোলনত যোগদান কৰে আৰু ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। বি-কে ভাণ্ডাৰীৰ হৰিজন আশ্ৰম, ৰঙাফালিৰ মজলীয়া স্কুলত প্ৰধান শিক্ষকৰ কাম কৰিছিল। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহতো ভাগ লৈছিল। স্বেচ্ছা-সেৱক বাহিনীৰ পৰিচালনা কৰা আৰু শিৱিৰৰ কাম কৰা বাবে পুলিচে ধৰি নিয়ে। বিচাৰত ৬ মাহ গুৱাহাটী জেলত কাৰাদণ্ড বিহে। গোস্বামী সপৰিয়ালে ৰঙাফালিত বাস কৰিছিল। সকলো বিষয়তে আত্মনিৰ্ভৰশীল হ'বলৈ যত্ন কৰিছিল। আজীৱন সমাজ সেৱী তথা গৃহী হিচাপে অনাড়ম্বৰ জীৱন যাপন কৰিছিল। তেখেতৰ ১৯৮২ চনত মৃত্যু হয়।

চন্দ্ৰকান্ত তালুকদাৰ :

পোৰাকুছি। ১৯৩০ চনৰ আন্দোলনত পিকেটিং কৰা বাবে গ্ৰেপ্তাৰ কৰি নি জংঘলত এৰি দিছিল।

চন্দ্ৰকান্ত তালুকদাৰ :

নিজবাঁহজানি। ১৯৪২ চনৰ আন্দোলনত যোগ দি বিপ্লৱী কৰ্মী হিচাপে খ্যাত হৈছিল। বোমা তৈয়াৰ কৰা, ৰেল লাইন ধ্বংস কৰা, চৰকাৰী ঘৰ আদিত জুই জ্বলোৱা আদি সন্ত্ৰাসমূলক কামত লিপ্ত হৈছিল। কলেজৰ তৃতীয় বাৰ্ষিক শ্ৰেণীলৈ পঢ়ি আন্দোলনত ভাগ লয়। পাছত চান্দকুছি হাইস্কুলত শিক্ষকতা কৰিছিল। তেখেতে ৰাজ্যিক পেঞ্চন পাইছিল।

চন্দ্ৰকান্ত মজুমদাৰ :

বেলশৰ, ধৰ্মপুৰ মৌজা। পিতৃ বজুৰাম মজুমদাৰ। এখেত স্থানীয় কংগ্ৰেছ কমিটিৰ সভাপতি আছিল। ৯।৪।৪৩ তাৰিখৰ পৰা ৪।৬।৪৩ তাৰিখলৈ কাৰাবাস খাটে। শোভাযাত্ৰাত যোগ দি বিচাৰাধীন হৈ থাকে। ২।১০।৪৩ তাৰিখে মুক্ত হয়।

চক্ৰেশ্বৰ শৰ্মা :

নিজৰাঁহজানি। পিতৃ যোগেশ্বৰ শৰ্মা। ১৯৩০ চনত আন্দোলনত যোগদান কৰে। ৮।২।৩২ তাৰিখে গ্ৰেপ্তাৰ হৈ ৬ মাহ কাৰাদণ্ড ভোগে। ৬।৩।৩২ তাৰিখে তেজপুৰলৈ আৰু ২৮।৫।৩২ তাৰিখে যোৰহাটলৈ বদলি কৰে। ৯।৮।৩২ তাৰিখে মুক্ত হয়। তেখেত সামাজিক কামত লিপ্ত আছিল।

চাৰুচন্দ্ৰ শৰ্মা :

জন্ম গজিয়া গাঁৱত। পিতৃ কাশীনাথ শৰ্মা। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় সহযোগ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হৈছিল।

চেনিৰাম বৰুৱা :

বগাকুছি। প্ৰাইমাৰী স্কুলৰ এই কৃতী শিক্ষকজন অঞ্চলটোত 'চেনিৰাম পণ্ডিত' বুলি জনাজাত আছিল। ১৯২১, ১৯৩০ আৰু ১৯৪২ চনৰ আন্দোলনত জড়িত থাকি গাঁও সংগঠনৰ কাম কৰিছিল। ধীৰ স্থিৰ স্বভাৱৰ চেনিৰাম বৰুৱা অঞ্চলটোৰ এজন মুৰব্বী লোক আছিল। সেই অঞ্চলটোৰ ভিতৰত তেখেতৰ ঘৰখন কংগ্ৰেছ আন্দোলনৰ কেন্দ্ৰ স্বৰূপ আছিল। পিতৃৰ আদৰ্শ ৰক্ষা কৰি তেখেতৰ পুত্ৰসকলেও আন্দোলনত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে যোগ দিছিল।

চেনিৰাম ডেকা :

গাঁৱ বালা। এগৰাকী ভাল কংগ্ৰেছ সংগঠক আছিল। ভাৰতবৰ্ষৰ মুক্তি সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। লোকেল বোৰ্ডৰ তেওঁ এজন সক্ৰিয় সদস্য আছিল আৰু গাঁও উন্নয়নমূলক কামত বিশেষ বৰঙণি যোগাইছিল। ৫০ৰ দশকত তেওঁৰ মৃত্যু হয়।

জয়দেৱ শৰ্মা :

পিতৃ দিগম্বৰ শৰ্মা। ১৯২১ চনত কটন কলেজৰ আই-এ শ্ৰেণীৰ পৰা কলেজ বৰ্জন কৰি আন্দোলনত লাগে। নলবাৰীত স্থাপিত হোৱা জাতীয় স্কুলত শিক্ষকতা কৰে। পিছত গংগাপুখুৰী হাইস্কুলত শিক্ষকতা কৰি অৱসৰ লোৱাৰ পিছত ষাঠি বছৰ বয়সত মৃত্যু হয়।

জনাৰ্দন দেৱশৰ্মা ঃ

আবঙমৌ। পিতৃ কন্দৰ্পেশ্বৰ শৰ্মা। ১৯৪২ চনৰ আন্দোলনত অংশগ্ৰহণ কৰিছিল।

জয়দেৱ শৰ্মা ঃ

অময়াপুৰ। পিতৃ শম্ভুনাথ শৰ্মা। ১৯২১ চনৰ আন্দোলনত কটন কলেজৰ তৃতীয় বাৰ্ষিকৰ পৰা কলেজ বৰ্জন কৰি আন্দোলনত নামে। নলবাৰীত তেতিয়া স্থাপিত হোৱা জাতীয় স্কুলত শিক্ষকতা কৰে। পিছত প্ৰাইভেটকৈ বি, এ পাছ কৰি গৰ্ডন হাইস্কুল আৰু চামতা হাইস্কুলত প্ৰধান শিক্ষকৰ কাম কৰে। গান্ধীজীৰ আদৰ্শক সাৱোগত কৰি এটি সৰল জীৱন যাপন কৰিছিল। গান্ধীজীৰ গঠনমূলক কামক সমাজত ৰূপ দিবলৈ প্ৰয়াস কৰিছিল। অৱসৰ পোৱাৰ পাছত সাহিত্য চৰ্চাত আত্মনিয়োগ কৰিছিল। এজন কৃতী শিক্ষক ৰূপে সমাজত পৰিগণিত হৈছিল।

জ্ঞানচন্দ্ৰ তালুকদাৰ (পণ্ডিত) ঃ

কোটালকুছি। আজীৱন কংগ্ৰেছ কৰ্মী আছিল। গাঁও অঞ্চলৰ বহুতো উন্নয়নমূলক কাম আৰু শিক্ষা আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত জড়িত আছিল। প্ৰাইমাৰী স্কুলৰ প্ৰধান শিক্ষক হিচাপে বহু বছৰ কাম কৰিছিল।

জীৱনেশ্বৰ দেৱ শৰ্মা ঃ

দেহাৰকুছি। পিতৃ সিদ্ধেশ্বৰ দেৱশৰ্মা। ১৯৩০ চনৰ আন্দোলনত লাগিছিল।

তৰুন চন্দ্ৰ বৰ্মন ঃ

বকুৱাবগৰী। পিতৃ মহীৰাম বৰ্মন। ১৯৩০ চনৰ আন্দোলনত কেৰাবাৰো পিকেটিং কৰি গ্ৰেপ্তাৰ হয়। ১২।৮।৩০ তাৰিখে গ্ৰেপ্তাৰ হৈ ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। নাজিৰাত গ্ৰেপ্তাৰ হয় আৰু শিৱসাগৰ জেলত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

তনুৰাম বৰ্মন ঃ

বেজশৰ। ৪।৩।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ এদিন জেলত থাকে। '৪২ ৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

—৩৫

তপোধৰ শৰ্মা :

বৰধলা। ১৯৩০ চনৰ আন্দোলনত স্কুল এৰি নলবাৰী আৰু গুৱাহাটীত পিকেটিং কৰি কেবাবাৰো গ্ৰেপ্তাৰ হয়। তেখেত প্ৰথমতে শিক্ষক আছিল। পাছত জীৱন বীমা বিভাগত কাম কৰি নিজৰ যোগ্যতাৰ বলত উচ্চ পদলৈ উন্নীত হয়। এজন স্পষ্টবাদী আৰু পৰোপকাৰী লোক আছিল।

তাৰিণী চৰণ দাস :

পূৰ্ণদৈচপৰা। পিতৃ ৰাতিৰাম দাস। ১৯৩২ আৰু ১৯৪২ চনৰ আন্দোলনত যোগ দিছিল।

তাৰানাথ চক্ৰবৰ্তী :

সোণকুৰিহা গাঁৱৰ তাৰানাথ চক্ৰবৰ্তী আজীৱন কংগ্ৰেছসেৱী আছিল। সদায় খদ্দৰৰ ধুতি পাঞ্জাবী পিন্ধিছিল। বৰভাগ কামাগ হাইস্কুলত আজীৱন ইংৰাজী আৰু ইতিহাস বিষয় দুটা ছাত্ৰসকলক কৃতিত্বৰে শিকাইছিল। গান্ধীদৰ্শনত পৰম শ্ৰদ্ধাশীল চক্ৰবৰ্তীয়ে জীৱনৰ প্ৰতি খোজতে সততা আৰু নিস্বাৰ্থতা অৱলম্বন কৰিছিল। বগৰীবাৰীৰ মহামায়াৰ থানৰ তেখেত মুখ্য পূজাৰীও আছিল।

থিৰেশ্বৰ বৰ্মন :

পিতৃ শান্তি বৰ্মন। ৩।৩।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ ৬ মাহ কাৰাদণ্ড ভোগে। ১৯৪৩ চনৰ মাৰ্চ মাহৰ ২ আৰু ৩ তাৰিখে পুলিচে ঘৰ খানাতোলাচ কৰি জুলুম কৰিছিল।

থিৰোৰাম বৰ্মন :

নলবাৰী। পিতৃ শান্তি বৰ্মন। ১৯৪৩ চনৰ ২, ৩ আৰু ৪ মাৰ্চত পুলিচে ঘৰ খানাতোলাচ কৰি নিৰ্যাতন কৰে।

দণ্ডীনাথ ভাগৱতী :

ৰুপীয়াবাথান, চামতা, মৌজা ধৰ্মপুৰ। তেখেত এজন স্বেচ্ছাসেৱক আছিল। ১৯২১ চনৰ আন্দোলনত যোগ দিছিল।

দধিৰাম ঠাকুৰীয়া :

চামতা, ধৰ্মপুৰ মৌজা। পিতৃ গুনাৰাম ঠাকুৰীয়া। ১৯২১ চনৰ আন্দোলনত যোগ দি ২১ দিন বিচাৰাধীন হৈ আছিল।

দয়ানাথ শৰ্মা :

কট্‌পুহা। পিতৃ মধুনাথ শৰ্মা। ১৯৪২ চনৰ আন্দোলনৰ স্বেচ্ছাসেৱক আছিল। আজীৱন কংগ্ৰেছকৰ্মী শৰ্মাদেৱ এজন কৃতী শিক্ষক আছিল। তেখেত এজন প্ৰবীণ খেলুৱৈ আৰু নিষ্ঠাবান সমাজ কৰ্মীও আছিল।

দক্ষৰাম বৰুৱা :

কমাৰকুছি গাঁৱত ১৯০৪ চনত দক্ষৰাম বৰুৱাৰ জন্ম হয়। পিতৃ বালিৰাম বৰুৱা। প্ৰাথমিক শিক্ষা শেষ কৰি পিতাকৰ লগত তেজপুৰলৈ যায় আৰু তেজপুৰ চৰকাৰী হাইস্কুলত পঢ়িবলৈ লয়। ১৯২০ চনত প্ৰৱেশিকা পৰীক্ষাত কলিকতা বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বিতীয় স্থানত উত্তীৰ্ণ হয়। কটন কলেজত নাম ভৰ্তি কৰিছিল যদিও ১৯২১ চনৰ অসহযোগ আন্দোলনত সিমানতে শিক্ষা জীৱন এৰি আন্দোলনত জপিয়াই পৰে। অভিভাৱক, কটন কলেজৰ অধ্যক্ষ আৰু শিক্ষকসকলে বুজাই বঢ়ায়ো পুনৰ কলেজলৈ ঘূৰাই আনিব নোৱাৰিলে। আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ হৈ ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। তেতিয়াৰ পৰা দেশ স্বাধীন কৰাৰ কামত নিজক সম্পূৰ্ণ সপি দিলে। জীৱিকাৰ বাবে গুৱাহাটীৰ খাৰঘুলিত চন্দ্ৰকুমাৰ আগৰৱালাৰ নিউ প্ৰেছত মেনেজাৰ পদত সোমায়। তাৰ পৰা ওলোৱা সাপ্তাহিক কাকতখনৰ সম্পাদক স্বনামধন্য অমিয় কুমাৰ দাসৰ সান্নিধ্যলৈ আহে। ১৯২৭ চনত বিবাহ কৰে। ১৯৩০ চনৰ আন্দোলনত তেখেতে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল। ১৯৩৭ চনত অকালতে মৃত্যুমুখত পৰে।

ডাঃ দামোদৰ শৰ্মা :

১৮৯৭ চনত চান্দকুছি গোপালথান গাঁৱত ডাঃ দামোদৰ শৰ্মাৰ জন্ম হয়। পিতৃ হৰিদেৱ শৰ্মা। ১৯২১ চনত কটন কলেজৰ ৩য় বাৰ্ষিক শ্ৰেণীৰ পৰা কলেজ এৰি আন্দোলনত লাগে। ১৯৩০ চনৰ পৰা ১৯৪২ চনলৈকে বাঁহজানিত আন্দোলনৰ গুৰি ধৰিছিল। সেই অঞ্চলত চিকিৎসালয়, ডাকঘৰ আদি স্থাপনত অগ্ৰণী আছিল। হোমিঅ'পেথিক চিকিৎসা কৰি জীৱিকা নিৰ্বাহ কৰিছিল। গোপাল-থান হাইস্কুলক পলিটেকনিক স্কুললৈ নিবলৈ অহোপুৰুষাৰ্থ চেষ্টা

কৰিছিল। নিজে সৰল জীৱন যাপন কৰিছিল আৰু আদৰ্শ গৃহী হিচাপে কাম কৰিছিল। চান্দকুছিৰ প্ৰধান শিক্ষাবিদ চিন্নমল্ল বুজৰ-বৰুৱাৰ লগত সমানে প্ৰতিদ্বন্দ্বিতা কৰি চান্দকুছি আৰু গোপালথান দুয়োখন গাঁৱৰ বিবিধ উন্নয়নমূলক কাম কৰিছিল।

দীপেন্দ্ৰ মল্ল বুজৰবৰুৱা ঃ

চান্দকুছি। জন্ম ১৯১০ চন। ১৯৩০ চনত ছাত্ৰাৱস্থাতে আন্দোলনত যোগদান কৰে। ২৩।২।৩২ তাৰিখত গুৱাহাটী ফাঁচীবজাৰত পিকেটিং কৰি গ্ৰেপ্তাৰ হয়। ১৯৩২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

দীননাথ শৰ্মা ঃ

নখেতি। পিতৃ উমানাথ শৰ্মা। ১৯৪২ চনৰ আন্দোলনৰ কৰ্মী আছিল।

দেবেশ্বৰ ভট্টাচাৰ্য্য ঃ

আঠঘৰীয়া। পিতৃ ৰাপেশ্বৰ ভট্টাচাৰ্য। ১৯৩০ চনৰ আন্দোলনত যোগ দিয়ে। আজীৱন কংগ্ৰেছ কৰ্মী আৰু নিষ্ঠাবান সমাজকৰ্মী আছিল।

দেবৰুৰাম দাস ঃ

কোটালকুছি। পিতৃ ভেকেল্লাৰাম দাস। ১৯২১ চনৰ আন্দোলনত ৬ সপ্তাহ জেল খাটে। ১৯৪২ চনৰ গণ বিপ্লৱৰ সক্ৰিয় কৰ্মী আছিল।

ধনেশ্বৰ বৰ্মন ঃ

গন্ধিয়া গাঁও, চামতা। ১৭।৫।৪৩ তাৰিখে নলবাৰীত গ্ৰেপ্তাৰ হৈ ১ মাহ বিচাৰাধীন বন্দী হিচাপে আছিল।

ধনেশ্বৰ গোস্বামী ঃ

অগ্নিশালা। জন্ম ১৯১৪, মৃত্যু ১৯৮৪। পিতৃ যোগেশ্বৰ গোস্বামী। ১৯৩০ চনত ক্ষুদ্ৰ এৰি আন্দোলনত যোগদান কৰে। ১৯৩০-৩২ চনৰ আন্দোলনত লাগি থাকে। ১৯৪০ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবাস খাটে। প্ৰথমে দৰ্জি কাম কৰিছিল।

পিছত প্ৰাইমাৰী স্কুলৰ শিক্ষকতা কৰিছিল। তেখেতে নলবাৰী ষ্টেচনৰ ওচৰত থকা শিবিৰৰ যোগেদি ববকুৰা, সন্ধ্যা, বাঁহজানি, বগৰিহাটী আদি ঠাইত সৰু সৰু কেম্প কৰি স্বেচ্ছাসেৱক বাহিনী গঠন কৰিছিল। ১৯৩০ চনত নলবাৰীত পিকেটিং কৰে। ৪।৪।৩২ তাৰিখে পিকেটিঙৰ বাবে বেত্ৰাঘাত পায়। ১৯৪১ চনত ৪ মাহ সশ্ৰম কাৰাদণ্ড হয়। ১৭।১।৪১ তাৰিখত সত্যাগ্ৰহ কৰে। গ্ৰেপ্তাৰ কৰি পিছদিনা এৰি দিয়ে। ১১।৯।৪২ তাৰিখত গ্ৰেপ্তাৰ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। তেখেতে সমাজহিতকৰ কামত মন দিছিল। তাম্ৰ পত্ৰ আৰু ৰাজ্যিক চৰকাৰৰ পেঞ্চন পাইছিল।

ধনেশ্বৰ বৰ্মন :

নলবাৰী। ১৮।২।৩২ তাৰিখে পিকেটিং কৰা কাৰণে গ্ৰেপ্তাৰ হয়। ২১।২।৩২ তাৰিখে মুক্তি লাভ কৰে।

ধনীৰাম বৰ্মন :

ৰূপীয়াবাথান, চামতা; মৌজা ধৰ্মপুৰ। পিতৃ দণ্ডীৰাম বৰ্মন। তেখেতে স্বেচ্ছাসেৱক আছিল। ১৯২১ চনৰ আন্দোলনত অপৰাধী হয়।

ধনপতি বৰ্মা :

গঙ্কিয়া। তেখেতৰ কাৰাদণ্ড হৈছিল। পাছত প্ৰতিক্ৰিয়াশীল দলত যোগদান কৰিছিল।

ধৰ্মনাৰায়ণ তালুকদাৰ :

ৰূপীয়াবাথান। পিতৃ নেউল্লা তালুকদাৰ। ১৯২১ চনৰ আন্দোলনত যোগ দি ২ মাহ কাৰাবাস খাটে। ১৯২১ চনৰ আইন অমান্য আন্দোলনতো স্বেচ্ছাসেৱক বাহিনীৰ সভ্য আছিল।

ধৰ্মকান্ত শৰ্মা :

দেহাৰকুছি। পিতৃ ভৱকান্ত শৰ্মা। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি ৬।১২।২১ তাৰিখৰ পৰা ৫।৬।২২ তাৰিখলৈ ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩০ চনত ৯ মাহ জেল আৰু ২০০ টকা জৰিমনা ভৰে। ১৯৩২ চনত আকৌ ৪ মাহ কাৰাদণ্ড ভোগে। ১৬।৫।৩২ তাৰিখে যোৰহাট জেললৈ পঠায়। ২৭।১।৩৩

তাৰিখে মুক্তি দিয়ে। ১৯৪১ চনত সত্যাগ্ৰহ কৰে। ২।৮।৪৩ তাৰিখে পুনাৰে যাত্ৰা কৰে। ৯।৮।৪৩ তাৰিখে বাটত দাদৰ ৰেলৱে ষ্টেচনত গ্ৰেপ্তাৰ হয়। ওৰাৰ্লি কেম্প জেলত ১০দিন বিচাৰাধীন হৈ থাকে, পাছত মুক্তি পায়। ১৩।৮।৪৩ তাৰিখে পুনা ৰেল ষ্টেচনত গ্ৰেপ্তাৰ হয়। আৰবেলা জেলত ৭ দিন বিচাৰাধীন হৈ থকাৰ পাছত মুক্তি দি পুলিচৰ নজৰত ৰাখে। কল্যাণী ষ্টেচনত ৰেলৰ পৰা নামে। লগত আছিল হৰেশ্বৰ শৰ্মা আৰু ভৈৰৱ শৰ্মা। বোম্বে আৰু পুনালৈ যায় ১৯৪২ চনত। ৯।৯।৪৩ তাৰিখে আগাখান ৰাজ-প্ৰাসাদৰ সন্মুখত সত্যাগ্ৰহ কৰে। ৭ দিন পুলিচৰ নজৰত থকাৰ পাছত ২৯।৯।৪৩ তাৰিখে জেল হাজোতলৈ পঠায়। তিনিওজনে তিনি মাহৰ সশ্ৰম কাৰাদণ্ড ভোগে। ২৮।১২।৪৩ তাৰিখে মুক্ত হৈ পুলিচৰ জিম্মাত অসম পায়হি। ১।৩।৪৪ তাৰিখৰ পৰা ১৫ মাহৰ সশ্ৰম কাৰাদণ্ড ভোগে। নলবাৰীৰ প্ৰবীণ মুক্তি যুঁজাৰুসকলৰ ভিতৰত শৰ্মা অন্যতম। তেখেতৰ নিঃস্বাৰ্থ ত্যাগ আৰু সৎ সাহসৰ দ্বাৰা অনুপ্ৰাণিত হৈ অঞ্চলটোৰ বহুকেইখন গাঁৱত ভালেমান সৎ আৰু স্বাৰ্থত্যাগী কংগ্ৰেছ কৰ্মী আৰু স্বেচ্ছাসেৱক ওলাই আহিছিল।

ধাৰেশ্বৰ শৰ্মা ঃ

দেহাৰকুছি নামৰ সংস্কৃত পণ্ডিতৰ গাঁও এখনিত মুক্তিযুঁজাৰু ধাৰেশ্বৰ শৰ্মাৰ ১৯১৪ চনৰ ২৪ জুলাই তাৰিখে জন্ম হয়। পিতৃৰ নাম কমলেশ্বৰ শৰ্মা আৰু মাতৃ সাৰদা দেৱী। বৰখাজা ইংৰাজী বিদ্যালয়ৰ পৰা এম, ই পাছ কৰি বৰপেটা ৰোডৰ আঠিয়াবাৰীলৈ গৈ অষ্টমমান শ্ৰেণীলৈ পঢ়ি তাতে শিক্ষা শেষ কৰি প্ৰাইমাৰী স্কুলৰ শিক্ষকতা আৰম্ভ কৰে। জীৱনৰ শেষছোৱাত গুৱাহাটীৰ ৰাপনগৰত স্থায়ীভাৱে বসবাস কৰে।

ভালেমান মানৱ সেৱা, সামাজিক আৰু ধৰ্মীয় অনুষ্ঠানৰ লগত নিবিড়ভাৱে জড়িত থকাৰ উপৰিও দলৰ এজন একনিষ্ঠ কৰ্মী হিচাপে তেখেতে দিনে-ৰাতিয়ে কাম কৰিছিল।

ৰাপনগৰৰ বৃন্দাবন আশ্ৰমখনিৰ শৰ্মা সভাপতিয়েই নাছিল, এই অনুষ্ঠানটোৰ উদ্ভাৱন কালৰে পৰা তেখেতে উত্তৰোত্তৰ উন্নতিৰকল্পে কাম কৰি আছিছিল। তদুপৰি নিজৰ জন্মস্থানত স্থাপিত হোৱা বৰ-

খাজা হাইস্কুল, পান্ন পুগুৰী হাইস্কুল আৰু গুৱাহাটীৰ উলুবাৰী হাইস্কুলৰ পৰিচালনা সমিতিৰ সদস্যৰূপে থাকি সক্ৰিয় সহযোগ আগবঢ়াইছিল।

পৰিতাপৰ বিষয় এইজন মহান দেশসেৱকক ১৯৮১ চনৰ জুলাই মাহৰ শেষৰ ফালে মুক্তিযুঁজাৰুৰ হিত কামনা কৰাৰ উদ্দেশ্যে দিল্লীলৈ গৈ উভতি অহাৰ পথত আলিপুৰদুৱাৰ জংচনত কোনোবা দুৰ্বৃত্তই চোকা অস্ত্ৰেৰে আঘাত কৰে। গুৰুতৰ আঘাতত গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত ২৯ জুলাই তাৰিখে তেখেতে শেষ নিশ্বাস এৰে।

ধীৰদত্ত ডেকা :

পূৰ্ণ খুমদুম, লহকৰপাৰা। পিতৃ ভুঁঞাৰাম ডেকা। ১৯৪০ চনত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত জড়িত আছিল।

ধীৰদত্ত কলিতা :

পূৰ্ণ খুমদুম। ২১।২।৪১ তাৰিখে সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনত শিক্ষকতা বাদ দি স্বাধীনতা সংগ্ৰামত লাগিছিল।

নৰোকান্ত বৰ্মন :

বেলশৰ। ১৫।৫।৩২ তাৰিখে বিদেশীৰিত পিকেটিং কৰা বাবে গ্ৰেপ্তাৰ হয়। মিলিটাৰীৰ বস্তু যোগানত বাধা দিয়া বাবে ৩।৩।৪৩ তাৰিখে গ্ৰেপ্তাৰ কৰি পিছত মুক্তি দিয়ে।

নৰোৰাম বৰ্মন :

বেলশৰ। ১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

নন্দৰাম বৰুৱা :

কমাৰকুছি। ১৯২১ আৰু ১৯৩০ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেখেত স্কুলৰ কৃতী শিক্ষক আছিল। পাঁচফুটীয়া চুটি-চাপৰ তেজ গোড়া বৰুৱাই সদায় খদ্দৰৰ ধুতি-পাঞ্জাবী, গান্ধী টুপী আৰু গান্ধী চেণ্ডেল পিন্ধি গাঁৱে গাঁৱে গান্ধী দৰ্শনৰ কথা লোকক বিলাই ফুৰিছিল। গান্ধীৰ মৃত্যুত কমাৰকুছি দোলৰ খলাত বহা শোক সভাত হুৰাওৰাওকৈ কান্দিছিল।

নন্দীৰাম দাস :

নলবাৰী অঞ্চলৰ কৰিয়া ন-খেতি গাঁৱৰ নন্দীৰাম দাসৰ নিঃস্বাৰ্থ ত্যাগৰ কথা আজিও সৰ্বজনবিদিত। তেখেত কমাৰকুছি এম-ভি স্কুলৰ এজন কৃতী শিক্ষককেই নাছিল, ছাত্ৰ-ছাত্ৰীসকলক নিজৰ জীৱন আদৰ্শেৰে কিদৰে স্বাৱলম্বী হ'ব লাগে তাক দেখুৱাইছিল। খদ্দৰৰ ফতুৱৈ চোলা, আঠুমুৰীয়া ধুতি আৰু ছাতিৰ ('বিলাতী বস্ত্ৰ বুলি বৰ্জন কৰি) পৰিবৰ্তে নিজ ঘৰতে বুই লোৱা পিঠাজাপি (মূৰৰ পৰা পিঠিলৈ বৈ পৰা জাপি) আৰু হাতত সৌকাৰ চুটি লাঠি লৈ গান্ধী-বিনোৱাৰ দৰে প্ৰায় দৌৰি খোজ কাঢ়িছিল। তেখেত এজন আদৰ্শ খেতিয়কো আছিল। ১৯২১ চনৰ পৰা দেশ স্বাধীন হোৱা কাললৈকে নীৰৱ কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰি গৈছিল। তেখেতৰ জীৱনটোৱে আছিল গান্ধী দৰ্শনৰ মূৰ্ত প্ৰকাশ।

নন্দ মোহন কাকতি :

উল্লাবাৰী। পিতৃ ভগৎ কাকতি। ১৯৩০ চনত স্কুল এৰি নলবাৰীৰ দোকানত পিকেটিং কৰে আৰু গুৱাহাটীত স্বেচ্ছাসেৱক দলত যোগদান কৰে। ১৯৩০ চনত দুমাহ সশ্ৰম কাৰাদণ্ড ভোগে।

ননীচৰণ ভৰালী :

তিলানা। পিতৃ শোভাৰাম ভৰালী। ১৯৪২ চনত ছাত্ৰ হিচাপে আন্দোলনত যোগদান কৰে।

নৰপতি শৰ্মা :

চমাৰকুছি। ১৯৪২ চনৰ নবেম্বৰত স্কুল এৰে। ১৯৪১ চনত সত্যাগ্ৰহ কৰে। স্বাধীনতা যুঁজৰ এজন অক্লান্ত কৰ্মী। ১২৯ নং বৰধনা প্ৰাথমিক স্কুলৰ প্ৰধান শিক্ষক আছিল। নানা সামাজিক কামত লিপ্ত আছিল।

নবীন চন্দ্ৰ দাস :

দেহাৰকুছি। ১৯২১ চনৰ আন্দোলনত যোগ দিয়ে।

নবীন চন্দ্ৰ দাস :

দেহাৰকুছি। ১৯৩২ চনত গ্ৰেপ্তাৰ হৈ ৬ মাহ বিচাৰাধীন বন্দী হিচাপে থাকে।

নৰেশ্বৰ ভাগৱতী :

গামেৰমূৰী, ধৰ্মপুৰ মৌজা। আইন মহাবিদ্যালয়ৰ ছাত্ৰ হৈ থাকি আন্দোলনত সেৱা আগবঢ়ায়। ১৯২১ চনৰ আন্দোলনত যোগ দিয়ে। ধৰ্মপুৰ জ্ঞানদায়িনী নাট্য সমাজৰ উদ্যোক্তা আৰু অভিনেতা আছিল। সংস্কাৰমূলক প্ৰহসন নাটকৰ ৰচক আৰু অভিনয়ত দক্ষতা লাভ কৰিছিল। পাছত কৈঠালকুছি স্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক হয়।

নৰেন্দ্ৰ নাথ শৰ্মা :

গামেৰমূৰী, ধৰ্মপুৰ মৌজা। জন্ম ১৯০১, মৃত্যু ১৯৫১ চন। পিতৃ ৰঘুনাথ শৰ্মা। ১৯২১ চনত আন্দোলনত স্বেচ্ছাসেৱক আছিল।

নৰেশ্বৰ বৰ্মন (ওজা) :

বেলশৰ, ধৰ্মপুৰ মৌজা। পিতৃ নৰকান্ত বৰ্মন। বৰ্মনে মৌখিক প্ৰচাৰকাৰ্যৰ উপৰিও ওজাপালিৰ মাধ্যমেৰে প্ৰচাৰকাৰ্য কৰিছিল। বন্দুক সংগ্ৰহ কৰাৰ সংক্ৰান্তত ১৯৪৩ চনৰ ২, ৩ আৰু ৪ মাৰ্চত পুলিচে ঘৰ খানাতালাচ কৰে। এজন স্বাধীনতা সংগ্ৰামী আছিল।

নগেন্দ্ৰ নাথ শৰ্মা :

পথকৰাতোলা। বি, এ পাছ কৰি কিছুকাল বৰভাগ কালাগ হাইস্কুলত শিক্ষকতা কৰি তাৰ পাছত কমাৰকুছি হাইস্কুলত প্ৰধান শিক্ষক ৰূপে অৱসৰ লয়। '৪২ ৰ আন্দোলনৰ তেওঁ এজন সক্ৰিয় কৰ্মী আছিল। এজন সুদক্ষ কংগ্ৰেছ কৰ্মীও আছিল।

ডাঃ নৃপেন্দ্ৰ মল্ল বৰুৱা :

চান্দকুছি, নলবাৰী। বিশিষ্ট কংগ্ৰেছ কৰ্মী, সমাজ সেৱী আৰু সুচিকিৎসক আছিল।

পয়োধৰ গোস্বামী :

কৈঠালকুছি। জন্ম ১৯০৭, মৃত্যু ১৯৬৩ চন। পিতৃ পদ্মধৰ গোস্বামী। স্বাধীনতা আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল। স্বাধীন ব্যৱসায়ী হিচাপে চাবোনৰ ব্যৱসায় চলাইছিল।

পৰমানন্দ শৰ্মা :

পিতৃ গঙ্গা শৰ্মা। স্কুল এৰি শিক্ষা জীৱনৰ অন্ত পেলায়। প্ৰচাৰ কাৰ্য কৰি পুলিচৰ বেত খায়। ১৯২১ চনৰ পৰা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ আন্দোলনত ৪।৬।৪৩ তাৰিখে গ্ৰেপ্তাৰ হৈ ৫ মাহ বিচাৰাধীন থকাৰ পাছত এক দিন জেল হয়।

পদ্মনাথ মেনা :

বেলশৰ, ধৰ্মপুৰ মৌজা। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

পশুপতি শৰ্মা :

কটপুহা। ১৯৪২ চনৰ আন্দোলনত ছাত্ৰাৱস্থাতে যোগ দি কাৰাবৰণ কৰে।

পশুপতি শৰ্মা :

বৰ আজৰা। ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হয়। ১০।২।৪৩ তাৰিখে এদিন জেল খাটে।

পৰেশ চন্দ্ৰ শৰ্মা দলৈ :

শুৱালকুছি। ১৯২১ চনৰ আন্দোলনত যোগ দিয়াত ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা দিবলগীয়া হয়।

পাহিৰাম বৰ্মন :

কৈঠালকুছি, ধৰ্মপুৰ মৌজা। আন্দোলনৰ প্ৰচাৰ কাৰ্যত আত্ম-নিয়োগ কৰিছিল।

পানোৰাম বৰ্মন :

বেলশৰ, ধৰ্মপুৰ মৌজা। ১৯২১ চনত প্ৰচাৰ কাৰ্য কৰি দোষী সাব্যস্ত হয়।

প্ৰতাপ চন্দ্ৰ তালুকদাৰ :

চামতা। পিতৃ মতি তালুকদাৰ। স্বেচ্ছাসেৱক বাহিনীৰ পৰি-চালনা কমিটিৰ সদস্য আছিল। মৌজা কংগ্ৰেছৰ সভাপতি আছিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ৮ মাহ সশ্ৰম কাৰাবাস খাটে ২৪।৭।৪৩ তাৰিখে মুক্তি পায়। তেখেত আইনজীৱী আছিল।

প্ৰহলাদ চন্দ্ৰ শৰ্মা :

আৰঙ্গমৌ গাঁও। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰে। ১৩।৪।৪৩ তাৰিখে গ্ৰেপ্তাৰ হয়। পাছত জামিনত মুক্তি দিয়ে।

প্ৰবীৰ মল্ল বুজৰবৰুৱা :

চান্দকুছি গাঁৱত জন্ম। পিতৃ দণ্ডিমল্ল বুজৰবৰুৱা। ১৯৩০ চনত স্কুল এৰি আন্দোলনত যোগদান কৰে। ১৯৪২ চনৰ গণ বিপ্লৱৰ সময়ত বাঁহজানি কংগ্ৰেছ কাৰ্যালয়ৰ সম্পাদক আছিল। শেষত খাদী গ্ৰামোদ্যোগৰ জৰিয়তে হাত কাকতৰ এটি প্ৰতিষ্ঠান খোলে।

পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী :

জন্ম নলবাৰীত। ১৮৮৪ চনৰ জানুৱাৰী মাহত। পিতৃ পণ্ডিত ললিত চন্দ্ৰ গোস্বামী, মাতৃ মুকুন্দ দেৱী। অসমত কংগ্ৰেছ অনুষ্ঠানৰ সংগঠনৰ আগেয়ে 'আসাম এচোছিয়েচন' নামৰ অনুষ্ঠানটিয়ে মাত্ৰ ৰাজনৈতিক অনুষ্ঠান আছিল যিয়ে এটা সীমিত গণ্ডীৰ ভিতৰত ভাৰতৰ স্বাধীনতা আন্দোলন চলাইছিল। পণ্ডিত প্ৰতাপ চন্দ্ৰ গোস্বামী আসাম এচোচিয়েচনৰ এজন নেতৃস্থানীয় ব্যক্তি আছিল। পিছত ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত কংগ্ৰেছে অসহযোগ আন্দোলন চলোৱাত গোস্বামীয়ে তাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ১৯২১ চনৰ অসহ-যোগ আন্দোলনত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশভক্ত তৰুণৰাম ফুকন প্ৰভৃতি কাৰাগাৰত সোমোৱাত গোস্বামীৰ অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি মনোনীত কৰি অনুষ্ঠানটোৰ দায়িত্ব দিছিল। ১৯২৬ চনত পাণ্ডুত বহা নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ অভ্যৰ্থনা সমিতিৰ এজন সক্ৰিয় সদস্য আছিল। পণ্ডিত গোস্বামী এজন সমাজ সংস্কাৰক আৰু জনজাতীয় অঞ্চলত কল্যাণমূলক আঁচনিৰ উদ্যোক্তা আছিল। নলবাৰীত সংস্কৃত কলেজ, কামৰূপ সংস্কৃত সঞ্জীৱনী সভা আৰু নলবাৰী মহাবিদ্যালয় প্ৰতিষ্ঠাত তেখেতৰ অবদান অসীম। তেখেতৰ কেবাখনো তত্ত্বগধুৰ গ্ৰন্থ আৰু প্ৰবন্ধপাতি প্ৰকাশ পাইছিল।

প্ৰতাপ চন্দ্ৰ তালুকদাৰ :

নলবাৰী এলেকাৰ উলাবড়ী গাঁৱত তালুকদাৰে জন্ম গ্ৰহণ কৰি অলপ বুজন হোৱাত গুৱাহাটীলৈ আহে। আজীৱন কংগ্ৰেছৰ এজন সংগঠক হিচাপে কাম কৰাৰ লগতে ফাঁচী বজাৰত এটা ছপাশাল পাতি আখৰ বছাৰ পৰা মেচিন চলোৱালৈকে সকলো কাম নিজহাতে কৰিছিল। কংগ্ৰেছৰ প্ৰচাৰকাৰ্যত গুৰুত্বপূৰ্ণ তথা গোপনীয় কাকত-পত্ৰ ছপাই যথাস্থানত বিতৰণ কৰাৰ দিহা কৰিছিল। পুলিচৰ জোৰ-জুলুমৰ কাৰণে গুৱাহাটীৰ পৰা ছপাশাল নিজ গাঁওলৈ তুলি নি তাৰে পৰা কাম চলাই থাকিবলৈ লোৱাত তাতো পুলিচৰ গুপ্তচৰৰ অত্যাচাৰ চলিছিল। আনকি ১৯৪২ চনৰ আন্দোলনত চৰকাৰে তেখেতৰ ছপা-শ্বাল তলা লগাই বন্ধ কৰি দিছিল। কিন্তু স্বাধীনতা-প্ৰিয় সাহসী আৰু দৃঢ়মনা তালুকদাৰে একোতে সেওঁ মনা নাছিল। তালুকদাৰ একে-ধাৰে সাংবাদিক, লেখক আৰু সুসংগঠক আছিল। সাহিত্য মন্দিৰ তেখেতৰ সুকীয়া প্ৰকাশন আছিল। এই প্ৰতিষ্ঠানৰ জৰিয়তে তেখেতে নিজৰ স্বৰচিত কেবাখনো পুথি—ৰাষ্ট্ৰপতি সুভাষ চন্দ্ৰ বসু, ৰুচিয়াৰ বিদ্ৰোহ, পূৰ্ণ স্বৰাজ, মুছোলিনী, বিদ্ৰোহী খেতিয়ক, অসমৰ সমস্যা আদি প্ৰকাশ কৰি জনতাক স্বদেশপ্ৰেমৰ দ্বাৰা উদ্বুদ্ধ কৰিছিল।

প্ৰভাত চন্দ্ৰ গোস্বামী :

নলবাৰী, কলেজ ৰোড। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। পাছত পুনৰ অধ্যয়ন আৰম্ভ কৰি এম-এ, বি-এল পাছ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। গ্ৰেপ্তাৰৰ পৰা হাত সাৰিবৰ অৰ্থে পলাতক হৈ আছিল। তেখেত জিলা কংগ্ৰেছৰ সভাপতি আৰু বিধান সভাৰ সদস্য হৈছিল। নলবাৰীত কলেজ প্ৰতিষ্ঠা কৰি প্ৰথমে উপাধ্যক্ষ আৰু পাছত অধ্যক্ষ হিচাপে কেইবাবছৰো কাম কৰিছিল। নলবাৰী অঞ্চলৰ সাংস্কৃতিক, শৈক্ষিক, সাহিত্য আদি বিভিন্ন শিক্ষানুষ্ঠানৰ লগত জড়িত আছিল। তেখেত এজন কৃতী শিক্ষক আৰু ৰসিক বক্তাও আছিল। ১৯৬৫ চনত নলবাৰীত অভূতপূৰ্ব সাফল্যৰে অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ অধিবেশনত তেখেতৰ অৰিহণাও আছিল প্ৰচুৰ।

প্ৰাণনাথ ভৰালী :

বেলশৰ। ১৭।১২।২১ তাৰিখে গ্ৰেপ্তাৰ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু দহ টকা জৰিমনা ভৰে।

প্ৰাণনাথ মেনা :

চামতা, ৰূপীয়াবাথান, ধৰ্মপুৰ মৌজা। দুৰ্দান্ত সাহসী লোক আছিল। গুৱাহাটী কাছাৰী ঘৰত ইউনিয়ন জেক নমাই কংগ্ৰেছৰ পতাকা তুলি গ্ৰেপ্তাৰ বৰণ কৰে। ১৯২১ চনত তেখেতৰ কাৰাদণ্ড হয়। ১৯৩০ চনত স্বেচ্ছাসেৱক হৈ নানাভাৱে সহায় কৰিছিল। তেখেতে বালিপথাৰ কেম্পত সংগঠনৰ কাম কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো যোগদান কৰিছিল।

পুষ্পধৰ মিশ্ৰ :

বেলশৰ, মৌজা ধৰ্মপুৰ। পিতৃ ৰত্নেশ্বৰ মিশ্ৰ। আন্দোলনত যোগদান কৰি স্কুলীয়া শিক্ষা অন্ত কৰে। এজন সক্ৰিয় কৰ্মী আছিল।

পুষ্পচন্দ্ৰ শৰ্মা দলৈ :

ডিংডিঙি পোৰাকুছি। আজীৱন কংগ্ৰেছ কৰ্মী আৰু সমাজসেৱী লোক আছিল। দেশভক্ত ফুকনৰ সান্নিধ্যত প্ৰেৰণা লাভ কৰি গাঁও অঞ্চলৰ সংগঠনৰ কাম কৰিছিল। তেখেত এগৰাকী সুন্দৰ বক্তা আৰু তীক্ষ্ণ বুদ্ধিৰ লোক আছিল।

পুষ্পধৰ বৰ্মন :

চামতা। পিতৃ হলিৰাম বৰ্মন। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত স্থানীয় নেতা হিচাপে সক্ৰিয় অংশ গ্ৰহণ কৰে। ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ২০।৪।৪৩ তাৰিখে গ্ৰেপ্তাৰ হয়। ৮।৬।৪৩ তাৰিখে দণ্ড বিধান কৰে। ১৭।১১।৪৩ তাৰিখে মুক্তি দিয়ে।

প্ৰেমনাৰায়ণ পাটোৱাৰী :

পাণ্ডুলা। পিতৃ ললিতচন্দ্ৰ পাটোৱাৰী। ১৯৩০ চনৰ চেপ্তেম্বৰত গ্ৰেপ্তাৰ হয়। ১৯৪২ চনত আন্দোলনতো গ্ৰেপ্তাৰ বৰণ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

বশিষ্ঠমল্ল বুজৰবৰুৱা :

চান্দকুছি। পিতৃ ভৱানীমল্ল বুজৰবৰুৱা। ১৯২১ চনত স্কুল এৰি আন্দোলনত নামে। ১৯৩০/৪০ চনৰ আন্দোলনতো যোগ দিছিল।

বংশী লহকৰ :

বালিজাৰ, ধৰ্মপুৰ মৌজা। ১৯৪২ চনত স্কুল এৰি আন্দোলনত নামে। তেখেত স্বেচ্ছাসেৱক আছিল।

বংশীধৰ ডেকা :

বালা ডিংডিঙি গাঁও। '৪২ৰ গণবিপ্লৱত সক্ৰিয় সহযোগ কৰিছিল। বিশিষ্ট সমাজকৰ্মী আছিল।

বগীৰাম তালুকদাৰ :

গামেৰগুৰি, মৌজা ধৰ্মপুৰ। পিতৃ পহৰু দাস। '৪২ চনৰ কৰ্মী।

বলোৰাম বৈশ্য (পণ্ডিত) :

জানিগোগ, বাহজানি মৌজা। পিতৃ বিজয় বৈশ্য। ১৯২১ চনৰ আন্দোলনত প্ৰাইমাৰী স্কুলৰ শিক্ষকতা বাদ দি আন্দোলনত যোগদান কৰে। তেখেতে জেল খাটিছিল। ৰাজ্যিৰ মুক্তি যুঁজাৰু পেঞ্চন পাইছিল।

বন্দৰ আলি :

জন্ম বালিকুছি গাঁৱত। পিতৃ আদিৰ আলি। ছাত্ৰাৱস্থাত স্কুল এৰি ১৯২১ চনৰ আন্দোলনত সহযোগ কৰিছিল। তেখেতক গ্ৰেপ্তাৰ কৰি পিছত এৰি দিছিল। ১৯৩০ চনৰ আন্দোলনৰ সহযোগী আছিল। কৃষিকৰ্ম কৰি জীৱিকা নিৰ্বাহ কৰিছিল।

বালেক চন্দ্ৰ বাৰ্মা :

কপীয়াবাথান, মৌজা ধৰ্মপুৰ। নলবাৰীত গ্ৰেপ্তাৰ হৈ এদিন কাৰাবাস খাটে। এজন সক্ৰিয় কংগ্ৰেছ কৰ্মী আছিল।

বাসুদেৱ শৰ্মা :

নিজবাহজানি। ১৯৩০ চনৰ আন্দোলনত ছাত্ৰাৱস্থাত যোগ দি তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগে। দৰ্জি কাম কৰি জীৱিকা নিৰ্বাহ কৰিছিল। ১৯৪২ চনৰ গণ-বিপ্লৱত সহযোগ কৰিছিল।

বিষ্ণুৰাম বৰ্মন :

ৰাপীয়াবাগ্গান গাঁও। '৪২ৰ গণ-বিপ্লৱত গ্ৰেপ্তাৰ হৈ বহুদিন হাজোতত আছিল।

বিজয় চন্দ্ৰ তালুকদাৰ :

বাউসী, উদয়পুৰ, বৰবৰী। পিতৃ চণ্ডীচৰণ তালুকদাৰ। '৪২ৰ আন্দোলনত সক্ৰিয় কৰ্মী আছিল।

বিনোদ চন্দ্ৰ বৰুৱা :

কমাৰকুছি গাঁৱত জন্ম। ছাত্ৰাৱস্থাৰে পৰা গান্ধী দৰ্শনত বিশ্বাস ৰাখি জীৱন অতিবাহিত কৰিছিল। এজন সৎ নিষ্ঠাবান আদৰ্শনীয় লোক বুলি বৰুৱাই গুৱাহাটীৰ উকীলখানাত সমাদৰ লাভ কৰিছিল। মহাপুৰুষ দুয়োজনাৰ প্ৰতি পৰম আস্থাৱান হৈ জীৱনৰ শেষ মুহূৰ্ততো কীৰ্তনৰ পদ শুনি পৰমাত্মাৰ লগত বিলীন হৈ গৈছিল।

মানৱপূজাৰী বৰুৱাই একালৰ ডোলাত উঠি বিয়া কৰাবলৈ যোৱা পৰম্পৰা ভংগ কৰি কমাৰকুছিৰ পৰা কোটালকুছিৰ শহুৰ ঘৰলৈ পদ-যাত্ৰা কৰিছিল। তেখেতে দেখুৱা আদৰ্শই অঞ্চলটোত যেন এটি নতুন সূৰ্যৰ জন্ম দিছিল।

বিশ্ব গোস্বামী :

নলবাৰীৰ চৈতন্যমাগী, কাশ্যপ গোত্ৰীয় বৈষ্ণৱ সত্ৰৰ বৰগোহাঁইৰ ঘৰত জন্ম। বিশ্ব গোস্বামী আজন্ম বিপ্লৱী আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলন আৰু ১৯৩০-৩২ চনত আইন অমান্য অন্দোলনৰ পিছত ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলন আদিত বিশ্ব গোস্বামীয়ে অংশ গ্ৰহণ কৰিছিল। ভাৰত ত্যাগ আন্দোলনত লোৱা বিপ্লৱী কাৰ্যপন্থাৰ বাবে ১৫-৯-৪২ৰ পৰা ৮-১০-৪২ লৈ ডেৰমাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল। অসমৰ পুৰণি কংগ্ৰেছ দল আৰু ছাত্ৰ কংগ্ৰেছ দলৰ মাজত যোগসূত্ৰ হিচাপে অতি বিচক্ষণভাৱে গোস্বামীয়ে কাম কৰিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত বিশ্ব গোস্বামীৰ ত্যাগ স্মৰণীয়েই নহয়, তুলনাবিহীন। গোৱা মুক্তি আন্দোলনতো বিশ্ব গোস্বামী আছিল অন্যতম। গোৱাত বিশ্ব গোস্বামীয়ে কথমপি মৃত্যুৰ মুখৰ পৰা ৰক্ষা পৰিছিল। দেশৰ জৰুৰীকালীন অৱস্থাৰ পিছতো

বিৰোধী দলৰ নেতাসকলক গ্ৰেপ্তাৰ কৰি জেলত ভৰাই থোৱাৰ সময়ত গোস্বামীৰ ১৯ মাহ দীঘলীয়া কাৰাবাস হৈছিল। ১৯২১, ১৯৩০, ১৯৪২ ৰ উপৰিও জাতীয় চৰকাৰৰ কাৰ্যালয়ত গোস্বামীয়ে বাৰে বাৰে আন্দোলন কৰি কাৰাবৰণ কৰিছিল আৰু দীঘলীয়া কাৰাদণ্ড ভুগিছিল। ১৯৮০ চনত বিশ্ব গোস্বামীয়ে জনতা দলৰ প্ৰাৰ্থী হিচাপে ৰাজ্যসভালৈ নিৰ্বাচিত হয়। এই সময়ছোৱাত অসমৰ বৃহত্তৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে মাৰবান্ধি উঠা সদৌ অসম ছাত্ৰ সন্থা আৰু সদৌ অসম গণ সংগ্ৰাম পৰিষদক অকুণ্ঠ সমৰ্থন দি গোস্বামীয়ে ৰাজ্যসভাত বিবৃতি দাঙি ধৰিছিল। ১৯৮৩ চনত নেলী, ছমৰীয়া, খেকেৰাবাৰী, ধুলা, গহপুৰ আদি ঠাইত সংগঠিত ঘটনাৰ পৰিপ্ৰেক্ষিতত তেখেতে শান্তি সম্প্ৰীতি ঘূৰাই অনাৰ কাৰণে অশেষ চেষ্টা কৰিছিল। প্ৰপীড়িত, পদদলিত জনতাৰ কাৰণে যিকোনো ত্যাগ স্বীকাৰ কৰিবলৈ সদায় প্ৰস্তুত আছিল। পাৰ্টিৰ কাৰ্যালয়, সভা-সমিতি আৰু কাৰাবাস এই তিনিটাই আছিল গোস্বামীৰ সাধনাৰ স্থল।

বিশ্ব গোস্বামী ত্যাগী, আদৰ্শনিষ্ঠ, অধ্যয়নপুষ্ট, সত্যবাদী, স্পষ্ট-বাদী, নিৰহংকাৰী, অতিথিপৰায়ণ, উদাৰ সহানুভূতিশীল আৰু কষ্ট-সহিষ্ণু আছিল। ১৯৮৫ চনৰ ১৫ আগষ্টৰ চুক্তিক অভিনন্দন জনাই-ছিল। ১৯৮৭ চনৰ ১ মাৰ্চত গুৱাহাটীৰ মেডিকেল কলেজ হস্পি— তালত তেখেতৰ পৰলোকপ্ৰাপ্তি ঘটে।

বি. কে. ভাণ্ডাৰী ঃ

১৯০৭ চনৰ ২১ ডিচেম্বৰ তাৰিখে মহীশূৰৰ মাংগালোৰৰ ওচৰৰ কুলুৰ গাঁৱত বি কে ভাণ্ডাৰীৰ জন্ম হৈছিল। পিতৃ কুষ্ঠাপা ভাণ্ডাৰী। অসহযোগ আন্দোলনত তেওঁ এবাৰ ছমাহ আৰু দ্বিতীয়বাৰ এবছৰ কাৰাবাস খাটিছিল। ১৯৩৩ চনত মাদ্ৰাজ কংগ্ৰেছৰ সহকাৰী সম্পা-দক নিযুক্ত হ'ল। ১৯৩৩ চনত গান্ধীজী আৰু ঠক্কৰ বাবাৰ হৰিজন সেৱক সংঘৰ পুঁজি সংগ্ৰহ কৰিবলৈ যাওঁতে বি কে ভাণ্ডা-ৰীৰ ওপৰত গান্ধী আৰু ঠক্কৰ বাপাক ঘূৰাই ফুৰোৱাৰ দায়িত্ব পৰিছিল। মাদ্ৰাজৰ হৰিজন সেৱক সংঘৰ পৰিদৰ্শকৰ দায়িত্বও ভাণ্ডাৰীৰ ওপৰত পৰিছিল। ভাণ্ডাৰী সুদূৰ তিনি হাজাৰ মাইল দূৰৰ পৰা অসমলৈ আহি ১৯৩৭ চনৰ মাৰ্চ মাহত গুৱাহাটীত উপস্থিত

হয়। সেই সময়ত নলবাৰীৰ উত্তৰ পশ্চিম অঞ্চলটো বিশেষকৈ বৰমা, মুহুলপুৰ আদি ঠাইসমূহ মেলেৰীয়া ৰোগে মহামাৰী ৰূপ ধাৰণ কৰিছিল। ভাণ্ডাৰীয়ে বৰমাত সেৱাকেন্দ্ৰ এটি স্থাপন কৰি জনজাতীয় ৰাইজৰ শিক্ষা, স্বাস্থ্য আৰু অৰ্থনৈতিক উন্নয়নমূলক আঁচনিত লাগিল। কামৰ নমুনা হিচাপে খেতি, গোসেৱা, বাঁহবেতৰ কাম, ঘৰ সজা, কুঁৱা খন্দা, মেলেৰীয়া, হাইজা আৰু কলেৰাৰ প্ৰতিষেধক ব্যৱস্থা লোৱা ইত্যাদি। ভাণ্ডাৰীৰ কৰ্মক্ষেত্ৰ অকল নল-বাৰী, বৰমা, মুহুলপুৰত সীমাবদ্ধ নাথাকি সুদূৰ লক্ষীমপুৰ, নেফা পৰ্যন্ত বিস্তাৰিত হ'ল। ভাণ্ডাৰীৰ সেৱাশ্ৰম মহাত্মাজীৰ সেৱাগ্ৰামৰ আহিত গঢ়ি উঠিছিল। তেখেতৰ বদান্যতা আৰু সেৱা ধৰ্মৰ কথা অতি কম দিনৰ ভিতৰত সমগ্ৰ অসমত বিয়পি পৰিছিল। ভাণ্ডাৰীয়ে ৰক্ষণশীল সমাজৰ সকলো বন্ধন ছিঙি বিশ্ব মানৱৰ সেৱাত নিজৰ দেহ মন উচৰ্গা কৰিছিল। ১৯৫০ চনৰ ভূমিকম্পৰ সময়ত বি, কে ভাণ্ডাৰীয়ে ১৯৫১ চনত জনজাতীয় উন্নয়ন কাৰ্যত নিয়োগ কৰে। পদদলিত জনৰ পৰম বন্ধু অসমীয়া হৈ জন্ম গ্ৰহণ নকৰিও অসমীয়া জাতি আৰু অসম দেশৰ কাৰণে জীৱন আহুতি দি ভাণ্ডাৰীয়ে সমন্বয় সম্প্ৰীতি আৰু ত্যাগৰ যি আদৰ্শ স্থাপন কৰি থৈ গ'ল তেনে উদা-হৰণ আমাৰ দেশত অতি বিৰল। ১৯৪১ চনত ভাণ্ডাৰীৰ সাবিত্ৰী দেৱীৰ লগত বিয়া হয়। চাৰি গৰাকী কন্যা আৰু এটি পুত্ৰৰ মাতৃ সাবিত্ৰী দেৱী অসমীয়া বোৱাৰীৰ গৌৰৱেৰে জীৱন নিৰ্বাহ কৰিব পৰাটো গৌৰৱৰ বিষয়। ১৯৫৩ চনৰ ২৫ আগষ্টত তেখেতে মৃত্যুক সাবটি লয়।

ব্ৰহ্মমন্ত্ৰ বুজৰবৰুৱা :

চান্দকুছি, বাহজানি মৌজা। পিতৃ হাকিম বুজৰবৰুৱা। ১৯২১ চনত প্ৰাইমাৰী স্কুলৰ শিক্ষকতা এৰি আন্দোলনত যোগদান কৰে। ১৯৩০ চনৰ আন্দোলনতো সহযোগ কৰিছিল। ১৭।১১।২১ তাৰিখে গ্ৰেপ্তাৰ হৈ পিছত ৬ মাহ কাৰাদণ্ড ভোগে। ১৯৪২ চনৰ গণ-বিপ্লৱৰ আগতে মৃত্যুমুখত পৰে।

ভদ্ৰৰাম ভেকা :

ধনৰা, দক্ষিণ গাঁও। ১৯২১ চনৰ আন্দোলনত যোগ দি ৬ মাহ কাৰাদণ্ড ভোগে।

ভাৰত চন্দ্ৰ তালুকদাৰ :

খোটালকুছি। কংগ্ৰেছ সংগঠনৰ লগত জড়িত থাকি প্ৰচাৰ কাৰ্য চলোৱা, গাঁও সংগঠন কৰা আদি কামত আত্মনিয়োগ কৰিছিল। শিক্ষকতাকে জীৱনৰ ব্ৰত হিচাপে গ্ৰহণ কৰিছিল।

ভুনাথ শৰ্মা :

ডিংডিঙি গাঁৱৰ উচ্চ শিক্ষিত ভুনাথ শৰ্মা ১৯৪২ চনৰ আন্দোলনত উল্লেখযোগ্য ভূমিকা লৈছিল। পিছলৈ বৰভাগ কংগ্ৰেছৰ সম্পাদক ৰূপে বহু বছৰ কাৰ্যনিৰ্বাহ কৰিছিল। সৎ, সত্যবাদী, কৰ্তব্যনিষ্ঠ শৰ্মা বৰভাগ কালাগ হাইস্কুলত বহু বছৰ ধৰি সুখ্যাতিৰে অঙ্কৰ শিক্ষক হিচাপে কাম কৰিছিল। ১৯৮১ চনত তেখেতৰ মৃত্যু হয়।

ভুবন বৈশ্য :

জানিগোগ। পিতৃ অভিৰাম বৈশ্য। ছাত্ৰাৱস্থাত ১৯৬০ চনৰ আন্দোলনত যোগ দিছিল। অকালতে দুৰাৰোগ্য ৰোগত মৃত্যুৰ মুখত পৰে।

ভুপেন্দ্ৰমল্ল বুজৰবৰুৱা :

পিতৃ গদামল্ল বুজৰবৰুৱা। ১৯৩০ চনত গৰ্ডন হাইস্কুলৰ পৰা স্কুল এৰি আন্দোলনত যোগ দিয়ে। নলবাৰীত পিকেটিং কৰি ২ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল। পিছত কলেজত পঢ়ি বি এ পাছ কৰি গঙ্গাপুখুৰী হাইস্কুলত কিছুদিন শিক্ষকতা কৰিছিল।

ভৃগুৰাম চৌধুৰী :

উপৰভাগ মৌজাৰ বালাগাঁৱত ১৮৯৭ চনত জন্ম আৰু ১৯৮৪ চনত মৃত্যু হয়। তেখেত এজন নিপুণ সংগঠক, বিশিষ্ট সমাজ কৰ্মী আৰু অভিনেতা আছিল। ডিব্ৰুগড় জিলাৰ ডুমডুমা চহৰত ভাতৃ ভবেন্দ্ৰনাথ চৌধুৰীৰ সৈতে ব্যৱসায় কৰি তাতো সমাজ সংগঠক কংগ্ৰেছ কৰ্মী হিচাপে আত্মনিয়োগ কৰিছিল। উল্লেখযোগ্য যে অন্যতম প্ৰসিদ্ধ মুক্তিযুঁজাৰু তথা বিশিষ্ট অভিনেতা ব্ৰজনাথ শৰ্মাই পোন প্ৰথমে ডুমডুমাত সহ-অভিনয়ৰ যাত্ৰা দল খোলা কাৰ্যত চৌধুৰীয়েও প্ৰেৰণা যোগাইছিল আৰু নিজেও যাত্ৰাত অভিনয় কৰিছিল। ষাঠি আৰু সত্তৰৰ দশকত গাঁৱলৈ আহি স্থায়ীভাৱে থাকিবলৈ লয় আৰু সেই

সময়ত গাঁৱৰ ভালেমান ডেকা ল'ৰাক নাট্যাভিনয় আদিৰ প্ৰতি আকৃষ্ট কৰে আৰু তেওঁলোকৰ দ্বাৰা নাট মঞ্চস্থ কৰি নিজেও তাত অভিনয় কৰিছিল।

ভৃগুমল্ল বুজৰবৰুৱা :

চান্দকুছি, বাঁহজানি মৌজা। পিতৃ শান্তিমল্ল বুজৰবৰুৱা। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩০ চনৰ আগতে তেখেতৰ মৃত্যু হয়। শেষ জীৱনত সন্যাস ধৰ্ম লৈ আশ্ৰম কৰি বাহিৰত কটাইছিল।

ভৈৰৱ শৰ্মা :

নিজবাঁহজানি। জন্ম ১৯২০ চন। পিতৃ ৰবিচন্দ্ৰ শৰ্মা। ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ৩।৩।৪৩ তাৰিখে নলবাৰীত গ্ৰেপ্তাৰ হয়। ৯।৯।৪৩ তাৰিখে পুণাত সত্যাগ্ৰহ কৰি ৩ মাহ জেল খাটে। এওঁ আজীৱন বিপ্লৱী আছিল। ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ সহায়ত বিজুলী যোগান বিভাগত চতুৰ্থ শ্ৰেণীৰ চাকৰি কৰি শেষ জীৱনত কিছু সকাহ পাইছিল। তাম্ৰপত্ৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পৰা পেঞ্চন পাইছিল।

মহীধৰ শৰ্মা :

১৯০১ চনত বাঁহজানি মৌজাৰ কালাকুছি গাঁৱত জন্ম গ্ৰহণ কৰে। পিতৃ বিজয়চন্দ্ৰ শৰ্মা। ১৯২১ চনত দশমমান শ্ৰেণীৰ পৰা স্কুল এৰি আন্দোলনত যোগদান কৰে। ১৯৩০-৩২ চনলৈ নলবাৰীত আন্দোলনত আগভাগ লৈছিল আৰু মদ নিবাৰণ, সাম্প্ৰদায়িক ঐক্য আদি কামত নিজকে আত্মনিয়োগ কৰে। গান্ধীজীৰ আদৰ্শক আগত ৰাখি খাদী গ্ৰামোদ্যোগ, গো-সেৱা, কৃষিৰ উন্নতি আদি কামত মনোনিবেশ কৰিছিল। ১৯৩৫ চনত দুৰাৰোগ্য ৰোগত ডেকা বয়সত মৃত্যু হয়।

মহেন্দ্ৰ নাথ তালুকদাৰ :

গামেৰমুৰি, ধৰ্মপুৰ মৌজা। পিতৃ পহৰু তালুকদাৰ। ১৯২১ চনত কলেজ এৰি আন্দোলনত লাগে।

মহীকান্ত শৰ্মা :

দেহাৰকুছি। ৮।২।৩২ তাৰিখে পিকেটিং কৰা বাবে গ্ৰেপ্তাৰ হয়। ১০।২।৩২ তাৰিখৰ পৰা ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

মহেন্দ্ৰ তালুকদাৰ :

পূৰ্ণখুম্দুম্, লহকৰপাৰা। পিতৃ তনুৰাম তালুকদাৰ। ১৯৩২ চনৰ আন্দোলনত পিকেটিং কৰি তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগে।

মহীৰাম নমঃশূদ্ৰ :

দোকোহা, আৰঙমৌ। পিতৃ দেহীৰাম নমঃশূদ্ৰ। ১৯৪২ চনত ভলেণ্টিয়াৰ হয়।

মদন ভুঞা :

কুলহাটী, কালাগ। পিতৃ মহেশ্বৰ ভুঞা। ১৯৩৩ আৰু ১৯৪২ চনৰ আন্দোলনত যোগ দিছিল।

মধুৰাম দাস :

বাহাৰঘাট, লহকৰাপাৰা। ১৯৪২ চনত বাহাৰঘাট কেম্পৰ সক্ৰিয় কৰ্মী আছিল। ২৫।১১।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈছিল। ৯।১১।৪৩ তাৰিখে জেল খাটিছিল।

মণিভদ্ৰ দেৱশৰ্মা :

দেহাৰকুছি। পিতৃ সিদ্ধেশ্বৰ শৰ্মা। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

মহীধৰ শৰ্মা :

ডিংডিঙি গাঁৱত ১৮৮৭ চনত জন্ম গ্ৰহণ কৰে। ১৯২১, ১৯৩০ আৰু ১৯৪২ চনৰ আন্দোলনত গাঁও সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। ব্ৰাহ্মণ্য ধৰ্ম পালন কৰি সৎ জীৱন যাপন কৰিছিল। শাস্ত্ৰজ্ঞ, ধৰ্মজ্ঞ শৰ্মা অঞ্চলটোৰ এজন নেতৃস্থানীয় লোক আছিল। ১৯৮৮ চনত প্ৰায় এশ বছৰ বয়সত তেখেতে মৃত্যু বৰণ কৰে।

মহেন্দ্ৰ নাথ বৰ্মন :

চামতা। পিতৃ ভোলা বৰ্মন। ১৯৩০ চনৰ আন্দোলনত সক্ৰিয় কৰ্মী হিচাপে সহযোগ কৰিছিল। সংগঠনৰ কাম কৰি গ্ৰেপ্তাৰ বৰণ কৰিছিল।

মহেন্দ্ৰ ঠাকুৰীয়া :

চামতা। পিতৃ যজ্ঞ ঠাকুৰীয়া। সংগঠক কৰ্মী আছিল। গৃহৰক্ষী বাহিনীৰ কৰ্মী আছিল। ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হৈছিল। ১৬।৮।৪৮ তাৰিখে মৃত্যু হয়।

মাধৱ চন্দ্ৰ কলিতা :

পূৰ্ণদৈচপৰা। ১৯৪২ চনৰ আন্দোলনত যোগ দিছিল।

মাণিক চন্দ্ৰ ডেকা :

কটপুহা গাঁৱৰ মানিক চন্দ্ৰ ডেকা আজীৱন বৰভাগ কালাগ হাইস্কুলত শিক্ষকতা কৰিছিল। এজন নীৰৱ কৰ্মী, কংগ্ৰেছ সংগঠক আৰু আদৰ্শ খেতিয়ক আছিল। শ্ৰমৰ মৰ্যাদা বুজা ডেকাই গান্ধীজীৰ বুনিয়াদী শিক্ষাৰ আহিত অঞ্চলটোত ভালেমান কাম কৰিছিল। ১৯৩০ আৰু ১৯৩২ চনৰ আন্দোলনত তেখেতে প্ৰচাৰ কাৰ্য চলাইছিল।

মাধৱ চন্দ্ৰ ভাগৱতী :

বেলশৰ, ধৰ্মপুৰ মৌজা। পিতৃ ধনেশ্বৰ ভাগৱতী। স্কুলৰ শিক্ষকতা এৰি আন্দোলনত অংশ গ্ৰহণ কৰে। পুলিচৰ পৰা হাত সাৰিবৰ কাৰণে বহুদিন আত্মগোপন কৰি আছিল।

মাধৱ চন্দ্ৰ শৰ্মা :

চামতা, ধৰ্মপুৰ মৌজা। পিতৃ হংস শৰ্মা। আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰি জেল হাজোতত আছিল। পাছত চামতা মধ্য ইংৰাজী স্কুলত শিক্ষকতা কৰে।

মুক্তাৰাম বৰ্মন :

গামেৰমুৰি, ধৰ্মপুৰ মৌজা। পিতৃ গৰ্গেশ্বৰ বৰ্মন। ১৯৩০-৩২ চনৰ আন্দোলনত স্বেচ্ছাসেৱক আছিল। প্ৰচাৰ কাৰ্য কৰিছিল।

মুক্তাৰাম বৰ্মন :

বিহামপুৰ। ১৯২১ চনৰ আন্দোলনত দোষী সাব্যস্ত হৈছিল।

মোহন চন্দ্ৰ চৌধুৰী :

সানেকুছি, পিতৃ গোপাল চৌধুৰী। কৃতী শিক্ষক সক্ৰিয় কংগ্ৰেছ কৰ্মী আৰু বিশিষ্ট সমাজ সেৱী আছিল।

মুক্তাৰাম ডেকা :

পাগলাদিয়া নদীৰ পাৰৰ বালা গাঁৱত ১৮৯৭ চনত মুক্তাৰাম ডেকাৰ জন্ম হয় আৰু ১৯৭৬ চনৰ ৪ আগষ্টৰ দিনা ৭৯ বছৰ বয়সত মৃত্যু হয়। অঞ্চলটোৰ ভিতৰতে তেখেত এজন আদৰ্শ খেতিয়ক আৰু সুনিপুণ বাঢ়ৈ আছিল। কীৰ্তন, নামঘোষা, বৰগীত, ওজাপালি, পাঁচতি আদি গোৱাত আগভাগ লৈছিল। নিজ ঘৰ তথা গাঁও অঞ্চলত নিয়মিতভাৱে মহাভাৰত, ৰামায়ণ, কীৰ্তন দশম আৰু ব্ৰহ্মবৈবৰ্ত পুৰাণ আদি পুথি সুললিত সুৰত পাঠ কৰি নাটকীয় ভঙ্গীমাত ব্যাখ্যা কৰি শ্ৰোতাক আনন্দ দিছিল। গান্ধীবাদত পৰম আস্থাভাজন ডেকাই জাঁতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলোকে প্ৰাণভৰি ভাল পাইছিল আৰু কাৰোবাৰ কোনো বিপদ উপস্থিত হোৱা খবৰ পোৱা মাত্ৰকে উপস্থিত হৈ উদ্ধাৰৰ কাৰণে প্ৰাণপনে চেষ্টা কৰিছিল। নিস্বাৰ্থ সমাজ সেৱা আৰু ত্যাগৰ কাৰণে অঞ্চলটোৰ এজন স্মৰণীয় আৰু বৰণীয় ব্যক্তিৰ সন্মান লাভ কৰিছিল। পলাতক কংগ্ৰেছ কৰ্মীক আশ্ৰয় দিয়াৰ অভিযোগত দুবাৰৰা পুলিচে গ্ৰেপ্তাৰ কৰি নলবাৰী থানালৈ নি প্ৰমাণৰ অভাৱত এৰি দিছিল। অঞ্চলটোত খাদী, ঘানী, কৃষিপাম আদি উদ্যোগৰ বহুল প্ৰচাৰ কৰিছিল। নিজৰ দুবিঘা মাটিত উন্নত ধৰণৰ কপাঁহ খেতি কৰি, ঘৰতে পলু পুহি তাৰপৰা এড়ি সুতা প্ৰস্তুত কৰি, এড়ি কাপোৰ তৈয়াৰ কৰি আদৰ্শ দেখুৱাইছিল। এনেবোৰ কামত মাতৃ চম্পাৱতীৰ পৰা পোৱা উৎসাহ আৰু সহায় উল্লেখযোগ্য আছিল। ১৯৪৩ চনত পুলিচে ঘৰ ঘেৰাও কৰি কোনো পলাতক কংগ্ৰেছ কৰ্মীক নাপাই ঘৰৰ বাৰান্দাত আঁৰি থোৱা মহাত্মা গান্ধীৰ ডাঙৰ ছবিখনকে লাঠিৰে কোবাই ছিঙি ভাগি পেলাইছিল। সেই অঞ্চলৰ ভিতৰত মুক্তাৰাম ডেকাৰ ঘৰখন কংগ্ৰেছ সংগঠনৰ কেন্দ্ৰ আৰু আশ্ৰয়ৰ স্থল আছিল।

যজ্ঞেশ্বৰ শৰ্মা দলৈ :

গুৱালকুছি গাঁও। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

যজ্ঞৰাম দাস :

লৰমা গাঁও। পিতৃ বন্ধুৰাম দাস। ১৯৪২ চনত স্বেচ্ছাসেৱক হয়।

ৰজনীকান্ত ভট্টাচাৰ্য্য :

ভানুকুছি গাঁৱৰ ৰজনীকান্ত ভট্টাচাৰ্য্যৰ পৰিয়ালটো শিক্ষা সংস্কৃতিৰ কেন্দ্ৰ হোৱাৰ উপৰিও প্ৰাক্ স্বাধীনতা কালৰ কংগ্ৰেছ সংগঠনৰ আড্ডা আছিল। সদা সৰ্বদা খদ্দৰ পৰিহিত ভট্টাচাৰ্য্যই সুমিষ্ট ভাষাত ছাত্ৰসকল আৰু জনসাধাৰণৰ মাজত গান্ধীদৰ্শন আৰু কংগ্ৰেছৰ নীতিশিক্ষাৰ কথা প্ৰচাৰ কৰিছিল। তেখেতৰ ভাতৃ প্ৰয়াত ডঃ গঙ্গানাথ ভট্টাচাৰ্য্য, অধ্যক্ষ তাৰিণীকান্ত ভট্টাচাৰ্য্য ১৯৪২ চনৰ আন্দোলনৰ লগত জড়িত আছিল। তেখেত আজীৱন বৰভাগ কালাগ হাইস্কুলত শিক্ষকতা কৰিছিল।

ৰবি ডেকা :

মুছলপুৰত ঘৰ। জন্ম জালাহ অঞ্চলৰ ঢোকাপাৰাত। পিতৃ গোপাল দাস। ১৯৩০ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। প্ৰাথমিক স্কুলৰ শিক্ষকৰ চাকৰি বাদ দি গাঁৱে গাঁৱে মহাত্মা গান্ধীৰ বাণী প্ৰচাৰ কৰে। তেওঁৰ ঘৰ পুলিচে কেবাবাৰো খানাতালাচ কৰে। সহধৰ্মিণী প্ৰমিলা ডেকাইও শিক্ষয়িত্ৰীৰ চাকৰি বাদ দিছিল। বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত থকা ডেকাই শেষ বয়সত দাৰিদ্ৰতাত জীৱন কটায় আৰু ১৯৭৮ চনত তেওঁৰ পৰলোক প্ৰাপ্তি ঘটে।

ৰণীধৰ বৰ্মন :

কাপীলাবাথান। পিতৃ শান্তিৰাম বৰ্মন। ১৯৩২ চনত স্বেচ্ছাসেৱক হিচাপে আন্দোলনত যোগ দিয়ে। ৩।৩।৪৩ তাৰিখে গ্ৰেপ্তাৰ হৈ তিনিমাহ বিচাৰাধীন হৈ থাকে।

ৰণী নাৰায়ণ ডেকা :

নাওদলা, ধৰ্মপুৰ মৌজা। পিতৃ কীৰ্তিৰাম ডেকা। ১৯২১ চনত আন্দোলনৰ প্ৰচাৰকাৰ্য চলাইছিল।

ৰণীধৰ বৰ্মন:

চামতা, ধৰ্মপুৰ মৌজা। পিতৃ শম্ভু বৰ্মন। ৩০।৮।৩৯ তাৰিখে ফাঁচী বজাৰত পিকেটিং কৰি কাৰাৰুদ্ধ হৈছিল।

ৰজত চন্দ্ৰ বৰ্মন ঃ

ৰূপীয়াবাথান। পিতৃ যজ্ঞচন্দ্ৰ বৰ্মন। সক্ৰিয় স্বেচ্ছাসেৱক আছিল। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

ৰণীধৰ শৰ্মা ঃ

চামতা, ধৰ্মপুৰ মৌজা। পিতৃ শান্তি শৰ্মা। ৩০।৮।৩০ তাৰিখে এদিন জেল খাটিছিল।

ৰজত চন্দ্ৰ মেধি ঃ

বেলশৰ, ধৰ্মপুৰ মৌজা। পিতৃ হংস মেধি। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী। পাছত প্ৰতিক্ৰিয়াশীল দলত যোগ দিছিল।

ৰঞ্জনী শৰ্মা ঃ

লৰমা গাঁৱত জন্ম। পিতৃ পুষ্প শৰ্মা। ১৯৪২ চনত স্বেচ্ছাসেৱক হিচাপে কাম কৰিছিল।

ৰামচন্দ্ৰ শৰ্মা ঃ

নন্দগ্ৰাম, বাহজানি মৌজা। পিতৃ ধৰ্মকান্ত শৰ্মা। ১৯৩০ চনত স্কুলৰ নৱমমান শ্ৰেণীৰ পৰা স্কুল এৰি আন্দোলনত লাগি ৪ মাহ কাৰাদণ্ড ভোগ কৰে। প্ৰাইমাৰী স্কুলৰ শিক্ষকতা কৰি জীৱন নিৰ্বাহ কৰিছিল।

ৰাজ্যনাথ শৰ্মা ঃ

ৰৰকুৰিহা। পিতৃ মহীনাথ শৰ্মা। শিক্ষা অসমাপ্ত কৰি ১৯৩০ চনৰ আন্দোলনত যোগ দিয়ে। ১৯৪২ চনত গ্ৰেপ্তাৰ কৰি পিছত এৰি দিয়ে।

ৰাধানাথ বৰ্মন ঃ

বেলশৰ। ১৭।৫।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়; পিছত জামিনত এৰি দিয়ে।

ৰাধানাথ বৰকটকী ঃ

নাওঁদলা, ধৰ্মপুৰ মৌজা। পিতৃ কালিদত্ত বৰকটকী। ১৯৪২ চনত প্ৰচাৰ কাৰ্য কৰিছিল। ২০।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ কৰি বিচাৰত ১ বছৰ সশ্ৰম কাৰাদণ্ড দিয়ে।

ৰাজেন্দ্ৰ নাথ শৰ্মা ঃ

গন্ধিয়া গাঁও। ২০।৯।৩০ তাৰিখে পিকেটিং কৰিছিল।

ৰাধাকান্ত পাটোৱাৰী :

বেলশৰ, ধৰ্মপুৰ মৌজা। শিক্ষা জীৱন অন্ত কৰি ১৯২১ চনত প্ৰচাৰ কাৰ্য চলাইছিল।

লংকেশ্বৰ বৰ্মন :

বেলশৰ। পিতৃ পীতৰাম বৰ্মন। ১৯৪২ চনৰ আন্দোলনত যোগ দিয়ে। ১৯৪৩ চনৰ ৩, ৪ আৰু ৫ মাৰ্চ তাৰিখে ঘৰ খানাতালাচ কৰে।

লক্ষ্মী বৰ্মন :

ৰূপীয়াবাথান। পঢ়া-শুনা বাদ দি ১৯৩০ চনৰ আন্দোলনৰ কামত অংশ গ্ৰহণ কৰে। ২৬।১।৩০ তাৰিখে পতাকা উত্তোলনৰ কামত লাগে। গুৱাহাটীৰ কেম্পলৈ আহি বিলাতী বস্তুৰ দোকানত পিকেটিং কৰে। কেবাবাৰো গ্ৰেপ্তাৰ হয় যদিও খালাচ পায়। গুৱাহাটী কংগ্ৰেছ ভলন্টিয়াৰ কেম্পত ১২।৯।৩০ তাৰিখে সহকৰ্মী ৭ জনৰ সৈতে গ্ৰেপ্তাৰ হয়। ১১।১০।৩০ তাৰিখে মুক্তি পায়। ১৯৩২ চনত গুৱাহাটীত গ্ৰেপ্তাৰ কৰি পিছত মুক্তি দিয়ে। নগাঁও শিবিৰত ১৯৩১ চনত কংগ্ৰেছ সেৱাদলত প্ৰশিক্ষণ লয়। ১৯৪২ চনৰো আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

ললিত চন্দ্ৰ তালুকদাৰ :

কুলবিল গাঁও, ধৰ্মপুৰ মৌজা। ১৯২১ চনত প্ৰচাৰ কাৰ্য কৰি কাৰাদণ্ড ভোগ কৰিছিল। ৩।৩।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈছিল।

লক্ষীকান্ত তালুকদাৰ :

বৰগাছা গাঁও। পিতৃ জলনাৰাম তালুকদাৰ। ১৯৩০ আৰু ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

লক্ষী বৰ্মন :

বেলশৰ। ১৯৪২ চনৰ আন্দোলনত যোগ দিছিল।

লংকেশ্বৰ বৰ্মন :

বেলশৰ। পিতৃ ৰজত চন্দ্ৰ বৰ্মন। ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

ললিত চন্দ্ৰ ডেকা :

কমাৰকুছি। ছাত্ৰাৱস্থাতে আন্দোলনত যোগ দি এলাহাবাদৰ আনন্দ ভৱনত স্বেচ্ছাসেৱক ৰূপে থাকি জৱাহৰলাল নেহৰুৰ প্ৰিয়-পাত্ৰ হৈ উঠিছিল। নেহৰুৱে তেখেতক মৰমতে 'ললতা' বুলি মাতি-ছিল। আনন্দ ভৱনৰ স্বেচ্ছাসেৱক বাহিনীৰ নানা কামৰ ললিত চন্দ্ৰ ডেকাই তদাৰক কৰিছিল। আজীৱন নিষ্ঠাৱান কংগ্ৰেছ কৰ্মী হিচাপে থাকি পিছলৈ তেজপুৰত বসতি স্থাপন কৰি স্বাধীন ব্যৱসায় কৰিছিল।

লোহিত চন্দ্ৰ বৰ্মন :

নলবাৰী। ২৬।১।৩০ তাৰিখে পতাকা উত্তোলন সম্পৰ্কত সভা পুতা কাৰ্যত সহযোগ কৰে।

শৰৎ চন্দ্ৰ শৰ্মা :

দেহাৰকুছি। পিতৃ দুলাল চন্দ্ৰ শৰ্মা। ২৮।৯।৩০ তাৰিখে ফাঁচী বজাৰ আৰু ৩০।৯।৩০ তাৰিখে উজান বজাৰত পিকেটিং কৰি গ্ৰেপ্তাৰ হয়। ২ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

শম্ভূ নাৰায়ণ গোস্বামী :

ৰূপীয়াবাথান, চামতা। তেখেত স্বেচ্ছাসেৱক আছিল। তিনিমাহ কাৰাদণ্ড ভোগ কৰিছিল।

শম্ভুনাথ শৰ্মা :

ৰূপীয়াবাথান, চামতা। তেখেত স্বেচ্ছাসেৱক আছিল। তিনি মাহ কাৰাদণ্ড ভোগ কৰিছিল।

শম্ভূনাথ শৰ্মা :

বৰবৰা গাঁও। ১৯২১ চনৰ আন্দোলনত যোগদান কৰিছিল।

সমীন্দ্ৰ চন্দ্ৰ দাস :

চামতাত অস্থায়ীভাৱে আছিল। পিতৃ বিজয় চন্দ্ৰ দাস। আন্দোলনত গ্ৰেপ্তাৰ হয়, পাছত বিচাৰ কৰি এৰি দিয়ে।

সঞ্জীৱ কুমাৰ বৰ্মন :

কমাৰকুছি। পিতৃ গোলক চন্দ্ৰ বৰ্মন। ১৯৪২ চনৰ আন্দোলনত যোগ দিছিল।

সমীন চন্দ্ৰ দাস :

জুলুকি, বৰমা। ১৯২১ চনৰ আন্দোলনত যোগ দিয়ে আৰু স্বেচ্ছাসেৱক হিচাপে কাম কৰে। বৰমাত পিকেটিং কৰিছিল।

সমীন চন্দ্ৰ দাস :

ৰূপীয়াবাথান, চামতা। ১৯৩০ চনত বালিপথাৰ কেম্পৰ স্বেচ্ছা-সেৱকক নানাভাৱে সহায় কৰিছিল।

সত্যেন্দ্ৰ নাথ শৰ্মা :

পিতৃ সাৰদাচৰণ শৰ্মা। ১৯৪১ চনত তেওঁৰ ৬ মাহ কাটেক হয়। ১৯৪২ চনত চিকিৎসালয় এখন পুৰি পেলোৱা অপৰাধত পুনৰ গ্ৰেপ্তাৰ কৰে আৰু সাক্ষীৰ অভাৱত দুমাহ জেল হাজোতত ৰাখি মুকলি কৰি দিয়ে। আকৌ তেখেতক সন্ত্ৰাসবাদী হিচাপে গ্ৰেপ্তাৰ কৰে আৰু ১৯৪৪ চনত জেলৰ পৰা মুক্তি দিয়ে।

সংৰাম দত্ত :

শিমলীয়া। ১৯২১ চনৰ আন্দোলনত যোগ দিছিল।

সহাদেৱ গোস্বামী :

চমাৰকুছি। প্ৰাথমিক স্কুলৰ শিক্ষক আছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল।

সুৰেন্দ্ৰ নাথ বৰ্মন :

চামতা। পিতৃ নিভনুচা। ১৯৪২ চনৰ আন্দোলনত যোগ দিয়ে। ২০।৪।৪৩ তাৰিখে গ্ৰেপ্তাৰ হৈ ৮।৬।৪৩ তাৰিখৰ পৰা ৬ মাহ সশ্ৰম কাৰাদণ্ড ভুগি ১৭।১১।৪৩ তাৰিখে মুক্ত হয়।

সুৰেন্দ্ৰ মোহন মালাকৰ :

বেলশৰ, ধৰ্মপুৰ মৌজা। পিতৃ ৰত্নমোহন মালাকৰ। ধৰ্মপুৰ স্বেচ্ছাসেৱক বাহিনীৰ সহকাৰী অধিনায়ক আছিল। স্বেচ্ছাসেৱক বাহিনীৰ পৰিচালক সমিতিৰ সদস্য হিচাপে ৩০।১২।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। ১৮।২।৪৩ তাৰিখে ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। বি-এ পৰীক্ষা দি উঠি আন্দোলনত নামে। জেলতে উত্তীৰ্ণ হোৱা খবৰ পায় আৰু জেলতে চাৰ্টিফিকেট পায়। স্বৰাজৰ পাছত হাজো

হাইস্কুলৰ শিক্ষক হৈ পাছত প্ৰধান শিক্ষকলৈ পদোন্নতি হয়। তেওঁৰ হাজোতে অকাল মৃত্যু হয়।

হৰেন্দ্ৰ নাথ কলিতা :

দৈচপৰা গাঁও, সানেকুছি। স্বাধীনতা সংগ্ৰামত যোগ দি ১০।২।৩২ তাৰিখে পিকেটিং কৰা বাবে ২ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৪২-৪৩ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

হৰিচৰণ পাটোৱাৰী :

বেলশৰ, ধৰ্মপুৰ মৌজা। কলেজ এৰি ১৯২১ চনৰ আন্দোলনত যোগ দিয়ে।

হলধৰ চৌধুৰী :

ন-খেতি গাঁৱত ঘৰ। আজীৱন কংগ্ৰেছ কৰ্মী আছিল। বৰভাগ কংগ্ৰেছ সমিতিৰ সম্পাদক আছিল। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। অঞ্চলটোৰ কৃষি উদ্যোগ আদি কামৰ লগত জড়িত আছিল।

হৰেন্দ্ৰ নাথ কলিতা :

উদ্ভাৱৰী, ন-খেতি গাঁও। তেখেত এগৰাকী সু-সাহিত্যিক আৰু সংগঠক আছিল। আকাশৰ কথা, পৃথিৱীৰ কথা, দুখন নগৰৰ কথা (অনুবাদ) প্ৰভৃতি তেখেতৰ মূল্যৱান গ্ৰন্থ। গান্ধীবাদত অটল বিশ্বাসী কলিতাদেৱে সদায় খদ্দৰৰ ধুতি আৰু পাঞ্জাবী পৰিধান কৰিছিল। ওৰে জীৱন কলিকতাত থাকি অসমৰ সেই কালৰ নেতাসকলক আশ্ৰয় দিছিল। বহুতো পলাতক কংগ্ৰেছ কৰ্মীক নিজৰ তত্বাৱধানত গোপনে ৰাখিছিল। অসমৰ লোকে তেখেতক সেইসময়ত অসমৰ বেচৰকাৰী 'এম্বেছেডৰ' বুলি তেখেতৰ গুণানুকীৰ্তন কৰিছিল। পিছলৈ তেখেতে গুৱাহাটী কুমাৰপাৰাত স্থায়ী বসতি স্থাপন কৰি গুৱাহাটী বিশ্ব-বিদ্যালয়ত সেৱা আগ বঢ়াইছিল।

হংসনাথ শৰ্মা :

জানিগোগ, বাঁহজানি মৌজা। জন্ম ১৮৭০ চন। পিতৃ গদাধৰ শৰ্মা। ১৯২১ চনত আন্দোলনত অংশ গ্ৰহণ কৰে। ব্ৰাহ্মণ হৈও নিজ হাতে হাল বাই খেতি কৰি জীৱিকা নিৰ্বাহ কৰি সমাজত দৃষ্টান্ত

ৰাখিছিল। নিজহাতে সূতা কাটি আঠুমূৰীয়া কাপোৰ পিন্ধিছিল। ১৯২৪ চনত মৃত্যু হয়।

হৰেন্দ্ৰ চন্দ্ৰ কলিতা :

কিছুমিট, সেহাৰকুছি। পিতৃ লেতিয়া কলিতা। ১০।২।৩২ তাৰিখে নলবাৰীত গ্ৰেপ্তাৰ কৰি এৰি দিয়ে। ১৯৩২ চনৰ এপ্ৰিল আৰু মে মাহত গুৱাহাটীত কেবাবাৰো গ্ৰেপ্তাৰ হয়। ২।৫।৩২ তাৰিখে পিকেটিং কৰি ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

হংসৰাম বৈশ্য :

বেলশৰ, ধৰ্মপুৰ মৌজা। তেখেত স্বেচ্ছাসেৱক আছিল। ১৯৪২ চনৰ আন্দোলনত যোগ দিছিল।

হেমন্ত কুমাৰ শৰ্মা :

গন্ধিয়া। পিতৃ বলভদ্ৰ শৰ্মা। ১৯৪২ চনৰ ২, ৩ আৰু ৪ মাৰ্চ তাৰিখে পুলিচে ঘৰ খানাতালাচ কৰি গ্ৰেপ্তাৰ কৰে। পাছত এৰি দিয়ে।

হৰেন্দ্ৰ নাথ ভট্টাচাৰ্য্য :

নলবাৰী, ভানুকুছি। অঞ্চলটোত 'হৰেন্দ্ৰ অধ্যাপক' বুলি জনাজাত আছিল। মহাত্মা গান্ধীৰ আদৰ্শত বিশ্বাস ৰাখি, গাঁও সংগঠনৰ কামত ব্ৰতী হৈছিল।

হৰ্ষৰাম চৌধুৰী :

নলবাৰী, কমাৰকুছি। আজীৱন কংগ্ৰেছ কৰ্মী হৰ্ষৰাম চৌধুৰী প্ৰায়মাৰী বিদ্যালয়ৰ কৃতী শিক্ষক আছিল। গান্ধী দৰ্শনত সম্পূৰ্ণ বিশ্বাস ৰাখি প্ৰতিটো কাম কৰিছিল।

লক্ষীমপুৰ

অনিৰাম হাজৰিকা :

স্কুল বৰ্জন কৰি স্বাধীনতা আন্দোলনত যোগ দিয়ে।

অম্বুৰাম ফুকন :

আহোম গাঁও। আন্দোলনত ১ মাহ জেল হয়।

আব্দুলা : চকুৱাখানা। বিয়াল্লিচৰ আন্দোলনত যোগ দিছিল।

আজিমুদ্দিন আহমেদ :

শিলিখাগুৰি, মাৰমুখ। ১৯২২ চনত ১ মাহ জেল হয়।

আব্দুল ৰবী :

উত্তৰ লক্ষীমপুৰ। আন্দোলনত ৩ মাহ জেল খাটে।

আব্দুল গনি :

১২।১।২২ তাৰিখে পুলিচে ঘৰ খানাতালাচ কৰে। ১৩।১।২২ তাৰিখে গ্রেপ্তাৰ কৰি হাজোতত ৰাখে।

আনন্দ দত্ত :

চকুৱাখানা মৌজাৰ জীয়ামৰীয়া গাঁৱত ১৯০২ চনত জন্ম হয়। ১৯২১ চনত সদিয়া চৰকাৰী এম ই স্কুলৰ শিক্ষক চাকৰি বৰ্জন কৰি অসহযোগ আন্দোলনত যোগদান কৰে। সেইসময়ত তেওঁৰ ৩ মাহ সশ্রম কাৰাদণ্ড হয়। ১৯২২ চনৰপৰা জাতীয় কংগ্রেছৰ কাম কৰি ১৯৪২ চনৰ গণ-আন্দোলনৰ সময়ত পলাতক হিচাপে থাকি ১৯৪৫ চনত পুলিচৰ হাতত ধৰা দিয়ে। ১৯৪৬ চনত তেওঁ মুক্তি লাভ কৰে। সমাজৰ সকলো কামতে তেওঁ আগভাগ লৈছিল। পিছলৈ তেওঁ চকুৱাখানা মৌজা কংগ্রেছৰ সম্পাদক হিচাপে কাম কৰিছিল। গো-সেৱা সমিতিৰ ভৰি ধৰিছিল। ১৯৭৮ চনত তেওঁৰ মৃত্যু হয়।

উপেন্দ্র বৰুৱা :

ঘৰমাৰ, ধেনুখানা। ১৯২১ চনত ৩ মাহ জেল হয়।

উমাকান্ত দত্ত :

কলিতা গাঁও, বৰদলনি। ১৯২১ চনত ৩ মাহ জেল হয়।

উমা দাস :

পানাগাঁও। পিতৃ ৰাপৰাম দাস। ১৯৪২ চনৰ প্ৰাক-বিশ্ববিদ্যালয় শিক্ষা অৰ্জন কৰি আন্দোলনত যোগ দি কংগ্ৰেছৰ সেৱা দল বাহিনীৰ মুখ্য অধিনায়ক হৈ লক্ষীমপুৰ জিলাৰ শিবিৰৰ দায়িত্ব বহন কৰে। তেওঁ এবছৰতো অধিককাল জেলত আছিল। স্বাধীনোত্তৰ কালত দাস সমাজ সেৱাৰ কামত ব্ৰতী হৈ থাকে। ১৯৮৪-৮৫ চনলৈকে লক্ষীমপুৰ জিলাৰ মুক্তিযুঁজাৰু সংঘৰ সভাপতি আছিল। শিল্পী আৰু খেলুৱৈ হিচাপে তেওঁ সুনাম অৰ্জন কৰিছিল।

উপেন্দ্ৰ বৰুৱা :

চক্ৰবাখানা। আন্দোলনত ৩ মাহ জেল হয়।

উমাকান্ত দত্ত :

ৰবদামনি। স্বাধীনতা সংগ্ৰামত ৩ মাহ জেল হয়।

উপেন্দ্ৰ নাথ হাজৰিকা :

বনগাঁও, চাওখাট মৌজা। জন্ম ১৯০৪, মৃত্যু ৭।৫।০৮২ চন। পিতৃ নবনাথ দাৰোগা আছিল, মাতৃ সুভদ্ৰা হাজৰিকা। ১৯৪২ চনত সক্ৰিয় কৰ্মী আছিল। ৮।১।৪৩ ত এৰেষ্ট কৰি আটক বন্দী কৰি ২।৭।৪৩ ত মুক্ত কৰি দিয়ে। তেখেত, তেখেতৰ পত্নী ৰাধা হাজৰিকা দুয়ো সমাজ কৰ্মী আছিল।

কনকেশ্বৰ দত্ত :

নেচাই গাঁও। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ জেল হয়। ১৯৫৬ চনত তেখেতৰ মৃত্যু হয়।

কলাই চুতীয়া :

লক্ষীমপুৰ। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে।

কমল চন্দ্ৰ পায়ন :

বাবমৰা। স্বাধীনতা আন্দোলনত ৩ মাহ জেল আৰু ১০০ টকা জৰিমনা হয়।

কনমাথ খাউণ্ড :

কলিতা গাঁও। ১৯২১ ব পৰা ৪৪ লৈ আন্দোলনত যোগদান কৰিছিল। ১ মাহ জেল আৰু ৫০ টকা জৰিমনা ভৰে।

কমলা কোচ :

পাল পৰা। ১৯২২ চনত জৰিমনা ভৰে।

কমল বায়ন :

আজাদা। ১৯৪২ চনৰ পলাতক কৰ্মী। মৃত্যু ১৯৮৭ চন।

কনক দাস :

কুমাৰ কটা। ১৯৪২ চনৰ পলাতক কৰ্মী। মৃত্যু ১৯৮৮।

কত্তা দত্ত :

আজাত। ১৯৪২ চনৰ পলাতক কৰ্মী। মৃত্যু ১৯৮৭ চন।

কামেশ্বৰ দাস :

বহাগাঁ। ১৯২১ চনৰ আ লনত ৩ মহা জেল হয়।

কামেশ্বৰ নাদিয়াম :

বহাগাঁও। ১৯২২ চনত গ্ৰেপ্তাৰ হয় পিছত মুক্তি হয়।

কালিৰাম শইকীয়া :

জয়পুৰ গ্ৰিটনা। ১৯২২ চনত ৩ মাহ জেল খাটে।

কালাই সুত (কালিৰাম):

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনত ৩ মাহ জেল হয়।

কাত্তিয়া সুত :

ঘাইগাঁও, চকুৱাখানা। ১৯২২ চনত ৫০ টকা জৰিমনা হয়।

কুলেশ্বৰ শইকীয়া :

লেপাখুনি। ১৯২১ চনৰ আন্দোলনত ১ মাহ জেল হয়।

কেশলাল সৰকাৰ :

উত্তৰ লক্ষীমপুৰ। ১৯২২ চনৰ এজন সক্ৰিয় কৰ্মী।

কমল চন্দ্ৰ দত্ত :

চেকিয়াখোৱা, দপাৰ চুক, চাওখাট মৌজা। পিতৃ বেঙ্গাৰাম দত্ত। জন্ম ১৯১২, মৃত্যু ১৯৪৪। ১৯৩২ চনৰ আন্দোলনত তেখেতৰ ৬ মাহ সশ্ৰম কাৰাদণ্ড হৈছিল।

কাশীনাথ চুতীয়া :

চকুৱাখানা মৌজাৰ বালিগাঁৱত ১৮৮৫ চনত ১৬ মে তাৰিখে কাশীনাথ চুতীয়াৰ জন্ম হয়। পিতৃ ৰূপন চুতীয়া গাঁওবুঢ়া আছিল। চকুৱাখানা চৰকাৰী মজলীয়া স্কুলৰ ছাত্ৰবৃত্তি মহলাৰ পৰা উত্তীৰ্ণ হৈ লক্ষীমপুৰ চহৰৰে গুৰু ট্ৰেইনিং প্ৰশিক্ষণ লয়। ১৯২১ চনত মহাত্মা গান্ধীৰ আহ্বানত চুতীয়াই শিক্ষকতাৰ চাকৰি ইস্তফা দি আইন অমান্য আন্দোলনত জপিয়াই পৰি এবছৰ কাৰাবাস খাটে। কাশী-নাথ আছিল আত্মনিৰ্ভৰশীল, কষ্টসহিষ্ণু মুক্তিযুঁজাৰু। জীৱনৰ বাকী ছোৱাত তেওঁ চকুৱাখানাৰ চাৰিকৰিয়া নৈৰ পাৰত এখন খেতিৰ পাম পাতি অতিবাহিত কৰে। ১৯৭০ চনৰ ৩ অক্টোবৰত তেখেতৰ মৃত্যু হয়।

কুল প্ৰসাদ গোস্বামী :

১৮১৮ শকৰ ভাদ মাহত ঘিলামৰা গাঁৱত জন্ম হয়। পিতৃ মুখৰাবী সত্ৰৰ সত্ৰাধিকাৰ ভীষ্মদেৱ গোস্বামী, মাতৃ তোমেশ্বৰী দেৱী। উত্তৰ লক্ষীমপুৰ চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৯ম শ্ৰেণীলৈ শিক্ষা লাভ কৰিছিল। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। সেই চনতে গান্ধীজী অসমলৈ আহোতে লামডিং বেল ষ্টেচনৰ পৰা আগবঢ়াই আনিছিলে। গোস্বামীদেৱে চকুৱাখানা, বৰদলনি, গোহাঁই ধেমাজি আৰু চিচি মৌজাৰ বিলাতী কাপোৰ, মাদক দ্ৰব্য, কানি মহলত পিকেটিং কৰাৰ কাৰণে ভলন্টিয়াৰ সংগ্ৰহ কৰে। ১৯২১ চনত ধেমাজি পুলিচ থানাৰ সন্মুখত পিকেটিং কৰা অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ডিব্ৰুগড়ত বিচাৰ কৰি এমাহ সশ্ৰম কাৰাদণ্ড বিহে আৰু ২০০ টকা জৰিমনা কৰে। ১৯২৩ চনৰ ২২ জানুৱাৰীত জেলৰ পৰা মুক্ত হৈ ১৯২৬ চনত পাণ্ডু কংগ্ৰেছ মহাসভাত ১০ দিন সেৱাকাৰ্যত অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ ভাৰতৰ গণ আন্দোলনত

পুলিচে গ্ৰেপ্তাৰ কৰি স্বাস্থ্যজনিত কাৰণত বেহাই দি এবছৰ কাল নজৰ বন্দী কৰি ৰাখিছিল। ঘৰৰ সা-সম্পত্তি ক্ৰোক কৰি নিছিল। আজীৱন কংগ্ৰেছ সেৱা কাৰ্যত ব্ৰতী হৈ ১৯৭৫ চনৰ ১০ অক্টোবৰত তেখেতৰ মৃত্যু হয়।

কেশৱ চন্দ্ৰ গোহাঁই :

১৯০২ চনত চকুৱাখানা কাঠবাৰী গাঁৱত জন্ম হয়। উত্তৰ লক্ষীমপুৰ চাকাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত নৱমমান শ্ৰেণীত পঢ়ি থাকোতে স্কুল বৰ্জন কৰি অসহযোগ আন্দোলনত যোগদান কৰে। ১৯২১ চনত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ১ মাহ ১৫ দিন জেলত থয়। ১৯৪২ চনৰ গণ আন্দোলনৰ সময়ত সক্ৰিয় কৰ্মীৰ কাম পৰিচালনা কৰিছিল। তেখেতে আজীৱন জাতীয় কংগ্ৰেছৰ নীতি, আদৰ্শ আৰু সমাজ সেৱাত আত্মনিয়োগ কৰি ১৯৭৮ চনত পৰলোক প্ৰাপ্তি হয়।

কেশনাথ খাউণ্ড :

কলিতা গাঁও। আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

কুলেশ্বৰ শইকীয়া :

নোগাখুলি, ধেমাজি। ১৯২১ চনত গ্ৰেপ্তাৰ হয়। ১ দিন হাজোত বাস কৰে।

কৃষ্ণ ৰাম বৰা :

জন্ম ১৯১৩ চন। আৰ্থিক দুৰৱস্থাৰ কাৰণে ৯ম মান শ্ৰেণীলৈ পঢ়ি পাছত উত্তৰ লক্ষীমপুৰৰ মহৰী কাম কৰিবলৈ লয়। ১৯৪২ চনৰ গণ বিপ্লৱত অঞ্চলটোৰ এজন অগ্ৰণী হিচাপে যোগদান কৰে। ২৬।১০।৪২ তাৰিখে পুলিচৰ হাতত গ্ৰেপ্তাৰ হৈ ১ বছৰ কাল জেলত থাকিব লগা হয়। ৰবাই অঞ্চলটোৰ উন্নতিৰ বাবে যথেষ্ট সেৱা আগবঢ়াইছিল। শেষত কমলাবাৰী গাঁৱত স্থায়ীভাৱে বাস কৰিছিল। ১৯৮০ চনত মৃত্যু বৰণ কৰে।

খগেশ্বৰ চুতীয়া :

লক্ষীমপুৰ। ১৯৩০ চনত আন্দোলনত যোগদান কৰে।

খগেন দাস :

নগৰগাঁও। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ কৰ্মী।

খগেশ্বৰ খনিকৰ :

পলাম পথা। আন্দোলনত যোগ দি ১৯২২ চনত ৩ মাহ জেল হয়।

খগেশ্বৰ ভূঞা :

বিহপুৰীয়া অঞ্চলৰ ১ নং জান জুন গাঁৱত ভূঞাৰ জন্ম হয়। পিতৃ লীলা ভূঞা, মাতৃ ভাৰ্গিনী ভূঞা। ১৯৪২ চনৰ গণ-বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বিহপুৰীয়া অঞ্চলৰ গঠনমূলক কাৰ্য-ক্ৰমে তেওঁক বিশেষ আকৰ্ষণ কৰা বাবে ১৯৪৪ চনত ৱাৰ্দ্ধালৈ যায় আৰু খাদী গ্ৰামোদ্যোগৰ প্ৰশিক্ষণ লয়।

অসমত ১৯৪৬ চনত কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ন্যাসৰ কাম আৰম্ভ হয়। চান্দমাৰীতো গ্ৰাম সেৱক বিদ্যালয় এখন কিছুদিন পিছত আৰম্ভ কৰা হয়। ভূঞা চান্দমাৰী গ্ৰাম সেৱক বিদ্যালয়ৰ অধ্যক্ষ হিচাপে থাকে আৰু শৰণীয়া আশ্ৰমতো প্ৰশিক্ষাৰ্থীসকলক গান্ধীজীৰ গঠনমূলক কাম আৰু খাদী গ্ৰামোদ্যোগৰ বিষয়ে পাঠদান কৰে। সৰ্বোদয় পত্ৰিকাৰ প্ৰথম সম্পাদক আৰু ভূদান যজ্ঞত পত্ৰিকাবো সম্পাদনাৰ কাম প্ৰথমে খৰ্গেশ্বৰ ভূঞাই কৰিছিল। গীতা প্ৰৱচন, শিক্ষাতত্ত্ব সাহিত্যিকসকললৈ, লোকনীতি, গাঁৱে গাঁৱে স্বৰাজ, আৰোগ্যৰ চাবি আদিকে ধৰি তেওঁ হিন্দী ভাষাৰ পৰাই ৰাটশধন সৰ্বোদয় সাহিত্য অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। শেষ ভাগত লক্ষীমপুৰ জিলাৰ মাহখোৱাত সৰ্বোদয় সেৱাশ্ৰম প্ৰতিষ্ঠা কৰিছিল। জিলাখনত গ্ৰামদানৰ কাম ব্যাপকভাৱে চলাইছিল।

গজেন দাস :

বৰদলনি। ১৯২২ চনৰ আন্দোলনত ৬ মাহ জেল হয়।

গম্ভীৰ দাস :

চলপুৰ। ১৯২১ চনত আন্দোলনত যোগ দিয়ে।

গগন চন্দ্ৰ দাস :

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনত ১ বছৰ কাৰাবাস খাটে।

গগন চন্দ্ৰ ফুকন :

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনত গ্ৰেপ্তাৰ হৈ হাজোত থাকে।

গণেশ চন্দ্ৰ শৰ্মা :

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনত ১ মাহ জেল হয়।

গঙ্গাধৰ হাজৰিকা :

জন্ম হিন্দু গাঁও। পিতৃ কননাথ হাজৰিকা খেতিয়ক আছিল। হাজৰিকা এজন সৰল, নিৰ্ভুল সৰবৰহী লোক আছিল। ১৯৩০ চনৰ পৰাই ভাৰতৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰি আহিছিল। ১৯৪২ চনৰ গণ-বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰা বাবে জীৱিকাৰ সম্বল মণ্ডলৰ চাকৰিৰ পৰা বৰ্খাস্ত হয়। চাকৰি গ'ল যদিও অবৰ্ণনীয় আৰ্থিক সংকটে হাজৰিকাক মনৰ দৃঢ়তা কমাব পৰা নাছিল। মৃত্যুৰ সময়লৈকে সামাজিক উন্নয়নমূলক কামত আত্মনিয়োগ কৰিছিল। লগতে তেখেতে সামাজিক, ধাৰ্মিক আদি উন্নতিমূলক কাৰ্যত ওতপ্ৰোতভাবে জড়িত আছিল। গান্ধীজীৰ ১৯ দফীয়া কাৰ্যসূচী অস্পৃশ্যতা বৰ্জনৰ প্ৰধান হোতা হিচাপে আদৰ্শভাবে কৰ্মৰত আছিল আৰু নিজেও গান্ধীজীৰ আদৰ্শ মানি চলিছিল।

গাজাধৰ কুৰ্মী চৌধুৰী :

এঙ্গাৰখোৱা। ১৯৪২ চনত ৩ মাহ জেল হয়। মৃত্যু ১৯৭৪ চন।

গুণকান্ত সোণোৱাল :

গোপাল চন্দ্ৰ দত্ত : (লতাই গাঁও) বিয়াল্লিচৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

গোলোক চন্দ্ৰ ভূঞা :

চাওখাট মৌজাৰ বনগাঁৱৰ ভূঞা বংশত তেখেতৰ জন্ম হয় ১৮৯৯ চনত। মৃত্যু ১৯৭৪ চন। পিতৃ ৰতিৰাম ভূঞা আৰু মাতৃ কন হোৱাজী। ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় কৰ্মী আছিল। ৫।১।৪৩ তাৰিখে তেখেতক ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি আনি যোৰহাট জেলত আটক বন্দী ৰাপে ৰাখি ২।৭।৪৩ তাৰিখে মুক্তি দিয়ে। তাৰ পিছ দিনাৰে পৰা সভা সমিতি পাতি ঘূৰি ফুৰাৰ কাৰণে পুনৰ ৩।৮।৪৩ তাৰিখে গ্ৰেপ্তাৰ কৰি আটকবন্দী ৰাপে ৪।১।৪৫ লৈকে ৰাখে। তেখেতে মৌজাখনৰ বহুতো গঠনমূলক কামত ব্যস্ত থাকে।

গোবিন্দ চুতীয়া ঃ

চকুৱাখানা। ১৯২১ চনত আন্দোলনত যোগ দিয়ে।

গোপাল হাজৰিকা ঃ

চিৰাজুলী। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে।

গোলোক বৰা ঃ

নাৰায়ণপুৰ। ১৯৪২ৰ পলাতক কৰ্মী। মৃত্যু ১৯৮৮ চন।

গোবিন্দ চুতীয়া ঃ

ভকতীয়া গাঁও, চকুৱাখানা। ১৯২১ চনৰ কৰ্মী।

গোপাল হাজৰিকা ঃ

মাজগাঁও। স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে।

ঘনকান্ত দত্ত ঃ

চৌধাকনীয়া, পানবাৰী। ১৯৩০ চনৰ কৰ্মী।

ঘনকান্ত গোহাঁই ঃ

চকুৱাখানা। এম ভি স্কুলৰ শিক্ষকতা কৰিছিল। আন্দোলনত ৬ মাহ জেল আৰু ৫০ টকা জৰিমনা হয়।

চতাই বৰা ঃ

পকামুৰা বেজগাঁও; মৌজা খদিয়া। ১৯০০ চনৰ চ'ত মাহত জন্ম হোৱা বাবে পিতৃ যজ্ঞোৰাম বৰাই তেখেতৰ নাম 'চতাই' ৰাখে। সেই অঞ্চলত পঢ়াৰ সুবিধা নথকাত ৮ মাইল বাট খোজকাঢ়ি টাউন এম ই স্কুলত পঢ়িবলৈ লয়। প্ৰেমধৰ বৰুৱাৰ ঘৰৰ লগত ঘনিষ্ঠতাৰ কাৰণে বাতৰি কাকত, আলোচনীৰ লগত সম্পৰ্ক ৰাখে আৰু মহাত্মা গান্ধীৰ প্ৰতি আকৰ্ষিত হয়। এনে পূৰ্ব প্ৰস্তুতিৰে কংগ্ৰেছৰ চাৰিজনীয়া সভ্য হৈ গাঁও সংগঠন আৰু অসহযোগ আন্দোলনৰ কামত ব্ৰতী হয়। নিজ হাতে সূতা কাটি নিজৰ প্ৰয়োজনীয় কাপোৰ যোগাৰ কৰে। ১৯২১ চনৰ আন্দোলনত তেওঁৰ ৩ মাহ সশ্ৰম কাৰাদণ্ড হয়। যোৰহাট কাৰাগাৰত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু দেশভক্ত ফুকনৰ লগত একেলগে আছিল। বৰাৰ কাৰাগাৰৰ তাৰবীয়া ভাতে ভোক নপলোৱাত কৰ্মবীৰ আৰু দেশভক্তৰ ভাগৰ একো অংশ বৰাক

দিছিল। মুক্তি পোৱাৰ পিছত তেখেতে আজীৱন কংগ্ৰেছৰ সেৱাত আত্মনিয়োগ কৰে। খদ্দৰৰ জগতে নিজে এড়ি পলু পুহি এড়ি কাপোৰ সহধৰ্মিনী আইকণ বৰাই বৈ কাটি লয়। ১৯৩২ চনত বৰাই বিয়া কৰায়। বেজগাঁও প্ৰাথমিক বিদ্যালয়ৰ বৰা প্ৰতিষ্ঠাতা শিক্ষক। প্ৰথম আঞ্চলিক পঞ্চায়তৰ সদস্য নিৰ্বাচিত হৈ সমাজ উন্নয়নৰ কামত অবিহণা যোগায়। তেওঁ এজন নিপুণ অভিনেতা আছিল। বাঁহে কামৰ দক্ষতাৰে কুটীৰ শিল্পৰ উন্নতি সাধনৰ যত্ন কৰে। এসপ্তাহৰ অগা-পিছাকৈ ১৯৭৬ চনৰ ৬ আহিনত বৰাৰ আৰু ১৩ আহিনত পত্নীৰ মৃত্যু হয়। পুত্ৰ শ্ৰীনীলকান্ত বৰা এগৰাকী শিক্ষক। পিতৃ চতাই বৰাৰ নামত উৎসৰ্গিত এখন মধ্য ইংৰাজী বিদ্যালয়ৰ সম্পূৰ্ণ ভূমি তেওঁ দান কৰে।

চন্দ্ৰ কান্ত সন্দিকৈ ঃ

জেৰপাট গাঁও। ১৯৫২ চনত আত্মগোপন কৰি থাকোতে ধৰা পৰে।

চক্ৰধৰ ভুঞা ঃ

১৯৪২ চনত কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আছিল।

চৈয়দ চাবিকুল হুছেইন ঃ

নহৰণি। ৬।১।২৯ তাৰিখে ১ মাহ জেল আৰু ১০ টকা জৰিমনা হয়।

চন্দ্ৰাৱতী সোনোৱাল ঃ

বুঢ়াগোসাঁই খাট। ১৯২৫ চনৰ পৰা ১৯৪২ চনলৈ আন্দোলনত ভাগ লয়।

চণ্ডীৰাম বৰা ঃ

কাকডেঙা, উপৰ খাটোৱাল। পিতৃ বনমালী বৰা। ১৯৩৬ চনত কংগ্ৰেছত যোগদান কৰাৰ পিছত ১৯৪২ চনৰ গণ বিপ্লৱত ১ বছৰ কাৰাবাস হয়।

চন্দ্ৰকান্ত ফুকন ঃ

হাবিচুকিয়া। পিতৃ সোনেশ্বৰ। ১৯৪২ চনত আত্মগোপন কৰি কংগ্ৰেছৰ কাম কৰিছিল।

চন্দ্ৰকমল বেজবৰুৱা ঃ

পাণীবৰখোৱা মৌজাৰ মধ্যমা বাগিছাৰ স্বত্বাধিকাৰ চন্দ্ৰকমল বেজবৰুৱা এজন সিংহপুৰুষ আছিল। ১৯২১ চনৰ পৰা তেখেতে স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেখেত লক্ষ্মীনাথ বেজবৰুৱা পৰিয়ালৰ উত্তৰাধিকাৰী। এজন সমাজ সংস্কাৰক আছিল। অসমত বিধৱা বিবাহ প্ৰচলনৰ তেওঁ অন্যতম পথ প্ৰদৰ্শক। শিৱসাগৰৰ ন-পুখুৰীত মাছ পুহি সেই পোহা মাছ বিক্ৰী কৰি সমাজত আদৰ্শ দাঙি ধৰে। মেলেং বাগিচাৰ মাজেদি তেখেতৰ কমলা বাগিছালৈ বেহাৰ বাটত এজন মেলেং বাগিছাৰ ইংৰাজ মালিকে তেখেতক অহা যোৱা বন্ধ কৰিবলৈ দিয়াত যোৰহাট কাছাৰীত এটা ডাঙৰ মোকৰ্দমা হয়। আদালতৰ বিচাৰত বেজবৰুৱাৰ জয় আৰু আলিবাটৰ সেই অংশ জনসাধাৰণৰ কাৰণে মুকলি কৰি দিয়া হয়।

চেপেটা কেওট ঃ

চাওখাট মৌজাৰ বামুণ গাঁৱত জন্ম। পিতৃ বগাই দত্ত, মাতৃ দুমণি দত্ত। ১৯৭০ চনৰ আহাৰৰ ১৩ তাৰিখে ৬০ বছৰ বয়সত তেখেতৰ মৃত্যু হয়। ১৯৪২ চনৰ আন্দোলনত চাওখাট মৌজাৰ শান্তি সেনা বাহিনীত ভৰ্তি হৈছিল। নগৰত পিকেটিং কৰোতে পুলিচে ধৰি নি কাজিৰঙা বিজাৰ্ভত এৰি দিছিল। এদিন গ্ৰেপ্তাৰ কৰি মৰিয়নী হাবিৰ মাজত এৰি দিছিল। আজীৱন সেই অঞ্চলৰ বহুতো গঠনমূলক কামত লিপ্ত আছিল।

চন্দ্ৰ শেখৰ দাস ঃ

চকুৰাখানা কোঁৱৰ গাঁও। পিতৃ জীউৰাম দাস, মৌজাদাৰ। মাতৃ সোণপাহি। ১৯০৮ চনত মজলীয়া বিদ্যালয়ত উত্তীৰ্ণ হৈ ডিব্ৰুগড় জৰ্জ হাইস্কুলত উচ্চ শিক্ষা লাভ কৰে। ১৯১৪ চনত পুলিচৰ এচ আই কামত ভৰ্তি হয়। ১৯১৬ চনত পুলিচৰ চাকৰি এৰি ১৯১৭ চনত শোণিতপুৰৰ চাৰিআলি মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। দাসক কংগ্ৰেছৰ মুখ্য সংগঠকৰ দায়িত্ব দিয়া হয়। ১৯২১ চনত কানি পিকেটিং কৰোঁতে পুলিচে মাৰপিট কৰে পিছত গ্ৰেপ্তাৰ কৰে। ৬ মাহ জেল হয়। ১৯২৪-২৫ চনত চকুৰাখানাত কংগ্ৰেছৰ কাম কৰি থাকোতে ৫০ টকা

জৰিমনা সহ ৩ মাহ পুনৰ জেল হয়। ১৯৩৬ চনত চকুৰাখা-খানাত উ. মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা কৰে। তেওঁ ১৯৪২ চনৰ গণ আন্দোলনত অশেষ নিৰ্যাতন ভোগ কৰি ১৯৪৩ চনত অকাল মৃত্যু বৰণ কৰে।

চৈয়দ হুছেইন :

১৯৩০ চনত গ্ৰেপ্তাৰ হয় আৰু জেল খাটে।

চন্দ্ৰ শেখৰ :

কন্দাৰগাঁও, চকুৰাখানা। আন্দোলনত ৬ মাহ জেল আৰু ৫০ টকা জৰিমনা হয়।

জিনত আলি :

চকুৰাখানা। ১৯২১ চনত ৩ মাহ জেল হয়।

জিউৰাম বৰা :

বিলাতীয়া। আন্দোলনত ৩ মাহ জেল হয়।

জিতৰাম চুতীয়া :

ঘোৰামৰীয়া চুক। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে।

জাওঁ কাকী নাথ মিত্ৰি : '৪২ৰ সক্ৰিয় কৰ্মী ।

টংকেশ্বৰ গগৈ :

হাঁহচৰা। ১৯২১ চনত আন্দোলনত যোগ দি ৩ মাহ জেল হয়। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪৪ চনত ৩ মাহ জেল, এশ টকা জৰিমনা হয়।

টেলেশ্বৰ ভকত ভুঞা :

১৯২১ চনত আন্দোলনত যোগ দিয়ে। ৯ মাহ জেল হয়।

টিপেশ্বৰ বৰা মেধি :

১৯০২ চনত চাওখাট মৌজাৰ বাপুচুক ভবজুৰা গাঁৱত জন্ম হয়। মৃত্যু ১৯৬৩ চন। পিতৃ আকজি বৰা। ১৯৪০ চনৰ অহিংসা সত্যাগ্ৰহ আন্দোলনত যোগ দি সত্যাগ্ৰহী প্ৰতিজ্ঞা পত্ৰত চহী কৰি কিছুদিন পুথি লৈ সত্যাগ্ৰহী শিবিৰত আছিল। ৩।২।৪১ত নিজ গাঁৱৰ নামঘৰৰ সন্মুখত যুদ্ধবিৰোধী ধ্বনিৰে সত্যাগ্ৰহ কৰাত পুলিচে গ্ৰেপ্তাৰ কৰি

আদালতত হাজিৰ কৰে। বিচাৰত ১ দিন ফাটেকবাস হয়। দ্বিতীয় বাৰ ১১।১০।৪১ তাৰিখে বাদুলিপুখুৰীৰ পাৰত সত্যাগ্ৰহ কৰে। পুলিচে গ্ৰেপ্তাৰ কৰি ১৩ মাইল বাট খোজকঢ়াই নিওঁতে পাঁচ বাজি যোৱাত কাছাৰী ছুটি হোৱাত বাহিৰে বাহিৰে সন্ধ্যাভাগত জেলত থাৱগে। ১৩।১০।৪১ তাৰিখে বিচাৰ কৰি ৩ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। ৮।১।৪৩ৰ পৰা ১২।৬।৪৩ লৈ আটক বন্দী হৈ আছিল। নানান জনহিতকৰ কাৰ্যত তেখেতে আজীৱন কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছিল। ১৯৪৭ চনত স্থাপিত টীয়ক ৰজাবাৰী সেৱাশ্ৰমৰ তেখেত সক্ৰিয় সভ্য আছিল। ১৯৪৮ চনত স্থাপন কৰা কাকজান আদৰ্শ কৃষিপামত তেখেতে থাকি লৈ কাম কৰিছিল। এজন আদৰ্শ খেতিয়ক আছিল।

ঠাকুৰ কৈৱৰ্ত্ত:

বহাগাঁও। পিতৃ ফোপোৰা কৈৱৰ্ত্ত। ১৯৩০-৩২ চনৰ পৰা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। অস্পৃশ্যতা নিবাৰণ আন্দোলনৰ এজন মুখ্য কৰ্মী আছিল। ১৯৪২ চনৰ গণ আন্দোলনত তেওঁৰ বন্দুকটো পুলিচে বাজেয়াপ্ত কৰে আৰু তেওঁকো আটক বন্দী হিচাপে জেলত আবদ্ধ ৰাখে। স্বাধীনতাৰ পিছত চৰকাৰৰ বিভিন্ন উন্নয়নমূলক কামত তেখেতে আত্মনিয়োগ কৰিছিল। তেখেত এজন সৰ্বহৰাহী ব্যক্তি আছিল। গান্ধীজীৰ গঠনমূলক কামৰ প্ৰতি বিশেষ আগ্ৰহ আছিল আৰু ৰূপায়িত কৰিবলৈ দেহে কেহে যত্ন কৰিছিল।

ডম্বৰুধৰ খাউণ্ড:

আন্দোলনত ৩ মাহ জেল আৰু দুশ টকা জৰিমনা হয়।

ডিম্বেশ্বৰ শৰ্মা:

বহাগাঁও। আন্দোলনত ৭ দিন জেল হয়।

ডিম্বেশ্বৰ শৰ্মা:

বহাগাঁও। জন্ম ১৯২২ চন। পিতৃ ৰাগেশ্বৰ শৰ্মা। ১৯৪২ চনৰ গণ আন্দোলনত স্কুল বৰ্জন কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু সেই বছৰৰে ৩০ চেপ্তেম্বৰত ৬ মাহ জেল হয়। আজীৱন কংগ্ৰেছ কৰ্মী শৰ্মাই নিজৰ হাতে সূতা কাটি পোছাক তৈয়াৰ কৰি

লৈছিল। কম বয়সতে তেখেতৰ মৃত্যু হয়। বিদেশী বস্ত্ৰ বৰ্জন, মাদক দ্ৰব্য নিবাৰণ, খাদী প্ৰচলন আদি কামত আত্মনিয়োগ কৰিছিল।

ডিমেশ্বৰ কলিতা :

উত্তৰ লক্ষীমপুৰ। ১৯৪২ চনৰ পলাতক কৰ্মী। মৃত্যু ১৯৮০।

তবেশ্বৰ শৰ্মা :

বহ্গাঁও। ১৯২১ ৰ পৰা ১৯৪২ চনলৈ আন্দোলনৰ কৰ্মী।

তাজুদ্দিন বৰুৱা :

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনৰ কৰ্মী।

তিলেশ্বৰ দত্ত :

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনত আন্দোলনত যোগ দি ৪ মাহ জেল হয়। ১৯৩০ চনৰ আন্দোলনতো ৩ মাহ ২৭ দিন জেল খাটে।

তিলেশ্বৰ ভকত ভুঞা :

১৯২১ চনৰ আন্দোলনত ৯ মাহ জেল হয়।

তিলেশ্বৰ কোচ :

জিয়ামৰীয়া। ১৯২১ চনত আন্দোলনত যোগ দিয়ে।

তীৰ্থেশ্বৰ হাজৰিকা :

১৯২১ চনৰ আন্দোলনত ৩ মাহ জেল হয়।

তাৰা প্ৰসাদ শৰ্মা :

গোসাঁই গাঁৱত জন্ম। পিতৃ ধৰ্মেশ্বৰ শৰ্মা। চাহবাগিছাৰ কৰ্মী আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত তেখেত আৰু পৰিয়ালৰ সকলোৱে জপিয়াই পৰিছিল। গণ আন্দোলনত শৰ্মাৰ ঘৰখন একপ্ৰকাৰ সেৱাদলৰ ভোজনালয় হৈ পৰিছিল। ৭।১০।৪২ তাৰিখে পুলিচে গ্ৰেপ্তাৰ কৰে আৰু অমানুষিক অত্যাচাৰ চলায়। এবছৰকাল কাৰাবাস ভোগ কৰিবলগীয়া হয়। জেলৰ পৰা ওলাই আহি সমাজ সংগঠনৰ ব্ৰত লৈছিল। পিছত লক্ষীমপুৰৰ পৰা উঠি গৈ বগী নদীৰ বাগিজান নামে ঠাইত স্থায়ীভাৱে বসবাসৰ ব্যৱস্থা লয়।

তুলসী কান্ত ভৰালী :

১৮৯৭ চনত চাওখাট মৌজাৰ তিনিচুকীয়া গাঁৱত জন্ম হয়। পিতৃ মুকুন্দ ভৰালী আৰু মাতৃ কপাহী ভৰালী। প্ৰৱেশিকা পৰীক্ষাত উত্তীর্ণ হোৱাৰ কেইবছৰমান পিছত ওদালগুৰি বাগানত সহকাৰী মেনেজাৰৰ কামত ভৰ্তি হয়। ১৯৩২ চনৰ আন্দোলনত চাকৰি ইস্তাফা দি আহি নিজ গাঁও আৰু মৌজাত আন্দোলনৰ কাম কৰে। ১৯৩৮ চনত গঠিত হোৱা তিনিচুকীয়া প্ৰাথমিক কংগ্ৰেছৰ তেখেত সভাপতি নির্বাচিত হয়। ১৯৪২ চনৰ আন্দোলনত তেখেতে নেতৃত্ব লয়। আগষ্টৰ শেষ ভাগত এদিন এজন ঠিকাদাৰে বৰৈয়া ফ্ৰিল্ডৰ পৰা প্ৰাইভাৰ আৰু ২ জন নিগ্ৰো মিলিটেৰী এখন গাড়ীৰে আনি গাঁৱত সুমুৱালে। শান্তি সেনাৰ নায়ক দেহেশ্বৰ ভুঞাই শিঙা ফুকে। গোটেই গাঁৱৰ ৰাইজ নামঘৰত গোট খাই গাড়ীখন আৰু মিলিটাৰী ৩ টাৰে সৈতে ঘূৰাই পঠালে। আৰু ঠিকাদাৰক বন্দী কৰি নামঘৰত আঠু কঢ়াই থলে। ৰাজহুৱা সভা পাতিলে। ভৰালীক সভাপতি হিচাপে ললে। সভাত সিদ্ধান্ত হ'ল যে দুষ্ট ঠিকাদাৰে ছোৱালী দিম বুলি কৈ গাঁৱত মিলিটেৰী সুমুৱাৰ অপৰাধত গোটেই ৰাতি সি নামঘৰত কাণ দুখনত ধৰি আঠু কাঢ়ি থাকিব লাগিব। আৰু ২০ জন শান্তি সেনা লগত থাকিব। তেনেদৰেই কাম হ'ল। ৰাতিপুৱা সি খালাচ পালে। চোৰাংচোৱাই পিছদিনা টিয়ক থানাত খবৰ দিলে। চল পুৱাতে যোৰহাট থানাৰ ইনচাৰ্জে ২ ডজন চিপাহী লৈ আহি ভৰালীক গ্ৰেপ্তাৰ কৰি নি জেলত ভৰালে। যোৰহাট জেলত ৮ মাহ আটকবন্দী ৰূপে থাকে। ন্যাটাভিনয়ত তেখেতৰ বৰ ৰাপ আছিল। এই অঞ্চলৰ লোকক তেখেতে থিয়েটাৰ পাতিবলৈ শিকালে। মৌজা পঞ্চায়তৰ সভাপতি হিচাপে থাকি গাঁওসমূহত বহুতো উন্নয়নমূলক কাম কৰিছিল। ১৯৬৪ চনৰ ২৬ আহাৰত তেখেতৰ মৃত্যু হয়।

থকিৰাম চেলেং :

১৯২১ চনত আন্দোলনত যোগ দিছিল।

থানেশ্বৰ তামুলী : সক্ৰিয় কৰ্মী।

থানুৰাম হাজৰিকা :

১৯২১ চনত আন্দোলনত যোগ দি ৩ মাহ জেল খাটে।

থানুৰাম হাজৰিকা :

ৰৰদলনী। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে।

থানুৰাম কৈবৰ্ত্ত্য :

বাহাগাঁও। আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

থানুৰাম তাম্বুলী ফুকন :

বেগলা গাঁও। আন্দোলনত ৫ মাহ জেল হয়।

দণ্ডিৰাম দত্ত :

মুগা খোলিয়া, গাঁও, ধেমাজী। ১৯২১ চনৰ কৰ্মী।

দিনাই দত্ত :

নাংখায়া গাঁও, ধেমাজী। ১৯৪২ চনৰ কৰ্মী।

দিনাই দত্ত :

ধেমাজী। ১৯২২ চনত ১ বছৰ জেল খাটে।

দিলিপ কোঁৱৰ :

আন্দোলনত ৩ মাহ জেল আৰু দুশ টকা জৰিমনা হয়।

দিবাকা শৰ্মা :

কমলাবাৰী গাঁও। ১৯২২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

দাক্তিৰাম শৰ্মা :

বঙালগাঁও। ১৯২২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

দুপৰ কোচ :

পঠালিয়াল। আন্দোলনত ১ মাহ জেল হয়।

দেজাবুদ্দিন আহমেদ :

উত্তৰ লক্ষীমপুৰ, বাংতা গাঁও। আন্দোলনৰ কৰ্মী।

দাৰিকা নাথ ফুকন :

১৯০৪ চনত ঢিঙামৰা কলিতা গাঁৱত জন্ম হয়। পিতৃ জগন্নাথ ফুকন। ১৯২১ চনত যোৰহাটত নৰ্মাল স্কুল পঢ়ি থকা অৱস্থাতে অসহযোগ আন্দোলনত জপিয়াই পৰে। পুলিচৰ হাতত ধৰা পৰি

নির্যাতন ভোগে আৰু কেবাবাৰো কাৰাবৰণ কৰিছিল। ১৯৪১ চনত সত্যাগ্ৰহী হৈ ৮ মাহ ১২ দিন উত্তৰ লক্ষীমপুৰ জেলত কাৰাবৰণ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনৰ এজন সক্ৰিয় নেতা আছিল। আজীৱন কংগ্ৰেছ কৰ্মী দ্বাৰিকা নাথৰ ১৯৮২ চনত মৃত্যু হয়।

দিনাই দত্ত :

ধেমাজী। ১৯২২-৪২ চনলৈ আন্দোলনত যোগ দিয়ে। ১ বছৰ জেল খাটে।

দিলীয়া কোঁৱৰ :

১৯২২ চনৰ আন্দোলনত ৩ মাহ জেল আৰু ১০০ টকা জৰিমনা ভৰে।

দীলিপ চন্দ্ৰ গগৈ :

১৯২১ চনত ৩ মাহ জেল হয় আৰু দুশ টকা জৰিমনা হয়।

দুপৰ কোছ :

১৯৩০ চনত ১ মাহ জেল হয়।

দেহেশ্বৰ ভুঞা :

চাওখাট মৌজাৰ তিনিকুৰীয়া গাঁৱত ১৯২২ চনত জন্ম। মৃত্যু ১৯৮৭ চন। পিতৃ বাপুতী ভুঞা, মাতৃ বিমলা ভুঞা। ১৯৪২ চনৰ আন্দোলনত তেখেতৰ ঘৰৰ সকলোৱেই অংশ গ্ৰহণ কৰিছিল। সভা, শোভাযাত্ৰা, পিকেটিং আদিত ভাগ লৈছিল। তেখেত তিনিকুৰীয়া শান্তি সেনা দলৰ নায়ক আছিল। তেখেতে এটা ডাঙৰ ম'হৰ শিং যোগাৰ কৰি লৈছিল আৰু বিপদৰ সময়ত শিঙা বজাই গোটেই ৰাইজক সতৰ্ক কৰি দিছিল।

দেলি গোঁহাই :

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনৰ কৰ্মী।

দেবেন ফুকন :

উত্তৰ লক্ষীমপুৰ। ১৯৪২ চনৰ আন্দোলনত যোগ দি ১ মাহ জেল খাটে। ১৯৮৮ চনত এখেতৰ মৃত্যু হয়।

ধনীৰাম গগৈ :

আহোম গাঁও। ১৯২২ চনত ১ মাহ জেল খাটে।

ধৰ্মেশ্বৰ শইকীয়া :

দেৰগঞা গাঁও। ১৯২২ চনত আন্দোলনত যোগ দিয়ে।

ধনবৰ সুত :

লক্ষীমপুৰ। ১৯২১ চনত ৬ মাহ জেল আৰু ১০০ টকা জৰিমনা হয়।

নন্দ গোস্বামী :

কদমীয়াল। ১৯২২ চনত আন্দোলনত যোগ দিছিল।

ননিকান্ত গোহাঁই বৰুৱা :

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

নৱকান্ত গোস্বামী :

কমলাবৰীয়া গাঁও। ১৯২১ চনত আন্দোলনত যোগ দিছিল।

নগেন্দ্ৰ শইকীয়া :

জমুগুৰী বিহপুৰীয়া। ১৯২১ চনত ৩ মাহ জেল হয়।

নন্দেশ্বৰ শইকীয়া :

পানবাৰী। ১৯৪২ চনৰ কৰ্মী।

নন্দ গগৈ :

বিপুৰীয়া। মৃত্যু ১৯৮৮। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ জেল খাটে।

নাৰায়ণ গগৈ

কদমীয়াল। ১৯২২ চনত আন্দোলনত যোগ দিয়ে।

নোমল দত্ত :

ননকটা। ১৯৩০ চনৰ আন্দোলনৰ কৰ্মী।

নোমল শইকীয়া : আৰাল গাঁও, ধেমাজী।

নিত্যানন্দ দত্ত :

তিনিচুকীয়া। ১৯২২ চনত আন্দোলনত যোগ দিয়ে।

নিৰন ভূঞা :

পানীগাঁৱৰ বিখ্যাত বাৰ ভূঞাৰ বংশত ১৯২২ চনত জন্ম গ্ৰহণ কৰে। পিতৃ কলিয়া ভূঞা, মাতৃ চণ্ডিকা ভূঞা। ১৯৪১ চনত প্ৰথম বিভাগত প্ৰৱেশিকা পাছ কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগদান কৰে। ছোৱালী হাইস্কুলত পিকেটিং কৰা বাবে ডেৰমাহ জেল আৰু ৫০ টকা জৰিমনা হয়। জেলৰ পৰা মুক্তি পাই ভূঞা জিলা কংগ্ৰেছ অফিচৰ দায়িত্ব আৰু শান্তি সেনা গঠন কৰাৰ দায়িত্ব লয়। বিভিন্ন অভিযোগত ভূঞাৰ ঘৰ খানাতাছ কৰে আৰু গ্ৰেপ্তাৰ কৰি ছমাহ সশ্ৰম কাৰাদণ্ড দিহে। ১৯৪৪ চনৰ শেষৰ ফালে ভূঞা গুৱাহাটীলৈ আহি নিউপ্ৰেছৰ পৰা ওলোৱা সাপ্তাহিক অসমীয়াৰ সহকাৰী সম্পাদক হিচাপে যোগদান কৰে। সুদীৰ্ঘ বত্ৰিশ বছৰ ধৰি ক্ৰমে দৈনিক শান্তিদূত, নতুন অসমীয়া, অসম বাতৰি আৰু দৈনিক জনমভূমিৰ সহকাৰী সম্পাদক আছিল। ১৯৭৭ চনৰ ১২ আগষ্টৰ দিনা গুৱাহাটীৰ নিজা বাসভৱনত ৫৫ বছৰ বয়সত ভূঞাই ইহলীলা সম্বৰণ কৰে।

নোমল সোনোৱাল :

নোমল সোণোৱাল এজন সহযোগী কৰ্মী আছিল। গান্ধীজীৰ আদৰ্শত অটল বিশ্বাসী সোণোৱালে সদায় টাকুৰীত সূতা কাটি আৰু নিজে কটা সূতাৰেহে কাপোৰ পিন্ধিছিল। সকলোৰে বিশ্বাস ভাজন সোণোৱাল ৪২ ৰ গণ আন্দোলনত বহুদিন যোৰহাট জেলত আবদ্ধ হৈ আছিল। অঞ্চলটোৰ মহিলা কৰ্মীসকলৰ অভিভাৱকস্বৰূপ আছিল।

পজিৰুদ্দিন আহমেদ :

ন-কছাৰী মৌজাৰ কাকাজান বাগানৰ ওচৰত তেখেতৰ ঘৰ। পূৰ্বতে যোৰহাট নগৰত আছিল। তাতে থাকোতেই ১৯২১ চনৰ আন্দোলনত যোগ দিছিল। ন-কছাৰীলৈ উঠি যোৱাৰ পিছতো সেই অঞ্চলত কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰিছিল। ২০।১।২২ তাৰিখে পুলিচে গ্ৰেপ্তাৰ কৰি কিছুদিন জেলত আটক কৰি ৰাখে। ১৯৫০ চন সনত তেখেতৰ মৃত্যু হয়।

পকচন্দ্ৰ আলী হাজৰিকা :

চকুৰাখানা, উজেবাখোৱা। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে।

পুলেশ্বৰ বৰুৱা :

বৈদিঙীয়া, চকুৰাখানা। আন্দোলনত ৬ মাহ জেল হয়।

পুণেশ্বৰ বৰা :

পানীগাঁও। ১৯২১ চনত আন্দোলনত অংশ গ্ৰহণ কৰে।

পৰমানন্দ গোস্বামী :

১৯৩৯ চনত আন্দোলনত যোগ দিয়ে।

পবিন শৰ্মা বৰুৱা :

কমলাবাৰী। ১৯২২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

পিয়ৰাত বৰুৱা :

১৯২২ চনৰ আন্দোলনত যোগ দিয়ে।

পদ্মেশ্বৰ চুতীয়া :

বাহুপথাৰ, বিহপুৰীয়া। ১৯২২ চনৰ আন্দোলনত যোগ দিয়ে।

প্ৰফুল্ল চুতীয়া :

গোহাঁইমৌৰা, চকুৰাখানা। ৬ সপ্তাহ জেল খাটে।

পদ্মেশ্বৰ চুতীয়া :

চকুৰাখানা। ১৯২১ চনত আন্দোলনত যোগ দিছিল।

পদ্মধৰ ফুকন :

শলাল গাঁও, তেলাহী মৌজা। ১৯২২ চনত আন্দোলনত যোগ দিছিল।

পানীৰাম কোছ :

বিলতীয়া গাঁও, ১০ টকা জৰিমনা।

পদ্মৰাম শইকীয়া :

কুমাৰকটা। ১৯৪২ চনৰ পলাতক কৰ্মী। মৃত্যু ১৯৮৮ চন।

পদ্মেশ্বৰ গগৈ :

উত্তৰ লক্ষীমপুৰ। ১৯৪২ চনৰ কৰ্মী। মৃত্যু ১৯৮৮।

পূৰ্ণ দত্ত ঃ

চলপুৰ। ১৯৩১ চনত ১ বছৰ জেল হয়। মৃত্যু ১৯৮৮ চন।

প্ৰতাপ গৌড় ঃ

কদম। ১৯২২ 'চনত ৩ মাহ জেল হয়।

পূৰ্ণকান্ত ভৰালী ঃ

১৯২০ চনত চকুৱাখানা জালভাৰি বামুণ গাঁৱত পূৰ্ণ ভৰালীৰ জন্ম হয়। পিতৃ ধনীৰাম ভৰালী। ছাত্ৰাৱস্থাতে স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি যাওঁতে ১৯৪০ চনত সত্যাগ্ৰহ আৰু ১৯৪২ চনৰ গণ আন্দোলনত মুঠ ৬ মাহ কাৰাবাস হৈছিল। গান্ধী-জীৰ গঠনমূলক কামৰ প্ৰতি বিশেষ আগ্ৰহ আছিল। বিনোবাজী অসমলৈ আহোতে তেখেতসকলৰ গাঁও গ্ৰামদানত ভুক্ত কৰিছিল। জাতীয় কংগ্ৰেছৰ সেৱাত আজীৱন কাম কৰি ১৯৫৪ চনত চকুৱাখানা মৌজাৰ মৌজাদাৰ হৈ কাম কৰি থাকোতে ১৯৭৮ চনত মৃত্যু হয়।

প্ৰসন্ন দেৱ গোস্বামী ঃ

চাওখাট মৌজাৰ ধাৰিগাঁৱত ১৯২০ চনত তেখেতৰ জন্ম হয়। পিতৃ গঙ্গাধৰ গোস্বামী। ১৯৪০ চনত যোৰহাট জিলাত আৰম্ভ কৰা ন-কছাৰী পুথিলৈ সত্যাগ্ৰহী শিবিৰত ভৰ্তি হৈ প্ৰশিক্ষণ লয়। ১৯৪১ চনৰ জানুৱাৰীত বনগাঁও প্ৰাথমিক বিদ্যালয়ৰ সন্মুখত সত্যাগ্ৰহ কৰে। পুলিচে গ্ৰেপ্তাৰ কৰে। বিচাৰত যোৰহাট জেলত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৪২ চনৰ গণ বিপ্লৱত বহুতবাৰ পিকেটিং কৰে। পুলিচে গ্ৰেপ্তাৰ কৰি কেইবাদিনো কাজিৰঙা ৰিজাৰ্ভত এৰি দিছিল। গাঁৱৰ নানা সামাজিক কামত তেখেত লিপ্ত আছিল। ১৯৮৮ চনত তেখেতৰ মৃত্যু হয়।

ফৰহাদ আলি ঃ

ন-কছাৰী মৌজা। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী।

বছিৰুদ্দিন আহমদ ঃ

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনৰ কৰ্মী।

বিষ্ণুৰ বনীয়া:

মৈদানিয়া গাঁও। ১৯৩০ চনৰ কৰ্মী।

মদন বৰুৱা:

চামুৰা গাঁও। ১৯২১ চনত ১৫ দিন জেল হয়।

বদন চন্দ্ৰ বৰুৱা:

চকুৱাখানা। ১৯৩০ চনৰ কৰ্মী।

বস্তিৰাম চুতীয়া:

জোৰাবাৰী। আন্দোলনত ১ বছৰ জেল হয়।

বজুৰ চুতীয়া:

উত্তৰ লক্ষীমপুৰ। ১৯৩০ চনৰ কৰ্মী।

বানেশ্বৰ দাস:

মোৰালগাঁও বৰদলনি। ১৯২১ চনত ৩ মাহ জেল খাটে।

বাপুৰাম দত্ত:

নাকিৰিগাঁও। ১৫ দিন জেল হয়।

বেনুৰাম কলিতা:

বালুৰাম তামুলী:

নোগাঘোলীয়া গাঁও ধেমাজী। ১৯২১ চনত গ্ৰেপ্তাৰ হৈ দুদিন হাজোত বাস কৰে।

বলোৰাম তামুলী:

নোগাঘোলীয়া গাঁও। ১৯২১ চনত গ্ৰেপ্তাৰ হৈ ২ দিন হাজোত বাস কৰে।

বস্তিৰাম চুতীয়া:

জোৰাবাৰী। আন্দোলনত এবছৰ জেল খাটে।

বাপাৰাম সুত:

উত্তৰ লক্ষীমপুৰ। ১৯২২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

মৌলবী বস্ম :

উত্তৰ লক্ষীমপুৰ। ১৯২২ চনৰ কৰ্মী।

বাপুৰাম তামুলী :

ধেমাজী। ১৯৪২ চনত আন্দোলনত যোগ দিছিল।

বপোৰাম তাতী :

ধেমাজী। ১৯২২ চনত আন্দোলনত যোগ দিয়ে।

বগীৰাম বৰা মিস্ত্ৰী :

চাওখাট মৌজাৰ চেকীয়াখোৱা গাঁৱৰ দগাৰ চুকত ১৯১০ চনত জন্ম হয়। মৃত্যু ১৯৮৫ চনৰ চ'ত মাহত। তেখেতে ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় সহযোগী আছিল। ১৯৩৫ চনত ৭ দিনীয়াকৈ ৰোহিনী হাতীবৰুৱা নগৰত বহা অসম ৰাষ্ট্ৰীয় সন্মিলন সাফল্য মণ্ডিত কৰি তোলাত তেখেত আগশাৰীৰ কৰ্মী আছিল। নিখিল ভাৰত শিপিনী সংঘৰ অসম শাখাৰ সম্পাদক বিমলা প্ৰসাদ চলিহাই শশীধৰ মালীয়া বৰুৱাৰ ঘৰতে শিপিনী সংঘৰ চাওখাট শাখা স্থাপন কৰিছিল। এই শাখাৰ আৱশ্যকীয় যঁতৰ, নেওঠনী আৰু মধ্যম পিজৰখিনি বগীৰাম মিস্ত্ৰীয়ে সাজি দিছিল। যোৰহাট জিলা কংগ্ৰেছৰ ১৯৪২ চনত দেবেশ্বৰ শৰ্মাদেৱে সভাপতি থাকোতে এইজন মিস্ত্ৰীৰ দ্বাৰা কেইবাশও যঁতৰ নেওঠনী কৰাই নিছিল।

বানেশ্বৰ দাস :

১৮৯৫ চনৰ ভাদ মাহত ভৰদলনি মৌজাৰ সৰলচোক গাঁৱত বাণেশ্বৰ দাসৰ জন্ম হয়। পিতৃ দুমেশ্বৰ দাস আৰু মাতৃ পদুমী দাস। উত্তৰ লক্ষীমপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ত দশমমান শ্ৰেণীত পঢ়ি থাকোতে স্কুল বৰ্জন কৰি ১৯২১ চনত আন্দোলনত যোগদান কৰে। ১৯২১ চনত অসহযোগ আৰু ১৯৩০-৩২ চনত আইন অমান্য আন্দোলনত সক্ৰিয়ভাৱে কাম কৰাত কেইবাবাৰো জেল হৈছিল। ১৯৪২ চনত গণ-আন্দোলনত পুলিচে অবৰ্ণনীয়ভাৱে মাৰপিট কৰে আৰু অৰ্থ দণ্ডেৰে দণ্ডিত কৰি ঘৰৰ সা-সম্পত্তি ক্ৰোক কৰে আৰু মাটি বাৰীও নিলামত যায়। আজীৱন জাতীয় কংগ্ৰেছৰ সেৱা কৰি ১৯৪৬ চনত বৰদলনি উচ্চ মাধ্যমিক বিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক সভাপতি হয়। ১৯৭৮ চনৰ ১৪ জানুৱাৰীত মৃত্যু হয়।

বছীৰউদ্দিন আহমেদ :

জন্ম উত্তৰ লক্ষীমপুৰ চহৰত। পিতৃ মহম্মদ ছাহ। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ পৰাই ভাৰত মুক্তিৰ শেষ সংগ্ৰাম পৰ্যন্ত আহমেদে সক্ৰিয় অংশ গ্ৰহণ কৰে। বিশেষকৈ জাতীয় ঐক্য সংহতি স্থাপনৰ মাজেদি স্বৰাজৰ কামত লগাৰ উপৰিও মুছলমান সম্প্ৰদায়ৰ মাজত কংগ্ৰেছৰ সংগঠন গঢ়াত তেখেতৰ এক মহান ভূমিকা আছিল। দেশৰ স্বাধীনতা সংগ্ৰামৰ উপৰিও কংগ্ৰেছৰ কামত দেহে-কেহে লগাৰ ক্ষেত্ৰত নিজ সম্প্ৰদায়ৰ অভিজাত লোকসকলৰ পৰা এসৰীয়া হৈ থাকিব লগা হৈছিল। অধিক উৎসাহেৰে গান্ধীজীৰ গঠনমূলক কৰ্মসূচীৰ কেউদিশতে আগ ভাগ লৈ এক সূত্ৰেৰে জাতি গঠনত আত্মনিয়োগ কৰিছিল। সন্মুখত আহি পৰা কৰ্তব্যত তেখেতে নিজে আগবাঢ়ি গৈ সমাধা কৰাটো তেখেতৰ এক বিশেষ বৈশিষ্ট্য আছিল।

বাবুলাল শৰ্মা :

বছাগাঁও। পিতৃ যোগেশ্বৰ শৰ্মা। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী। শোভাযাত্ৰা কৰোতে পুলিচৰ লাঠিৰ কোৰ খায়। পাইকাৰী জৰিমনাৰ বাবদ সা-সম্পত্তি নিলামত যায়। স্বাধীনতাৰ পাছত সমাজৰ উন্নয়ন-মূলক কামত আত্মনিয়োগ কৰে। কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য আছিল। তেখেতে খাদী, গ্ৰামোদ্যোগৰ উন্নতি, কৃষিৰ উন্নতি, গো-সেৱা মদ নিবাৰণ, কানি নিবাৰণ আদি অনেক কাম কৰিছিল। ১৯৬৪ চনত মৃত্যু হয়

বাপুকন নেওঁগ :

১৯২৩ চনত চাওখাট মৌজাৰ বাপুচুক ভৰলনুৱা গাঁৱত তেখেতৰ জন্ম হয়। পিতৃ থেঘোৰা নেওঁগ। ১৯৪২ চনৰ গণ বিপ্লৱত কেইবা-দিনো নগৰ পিকেটিঙত যোগ দিয়ে। ২ দিন পুলিচে গ্ৰেপ্তাৰ কৰি মৰিয়লি হাবিৰ মাজত এৰি দিছিল। আকৌ পিকেটিং কৰাত পুলিচে ধৰি নি কাছাৰীত হাজিৰ কৰে। বিচাৰত ২ বছৰ জেল হয়। ৩০।৪।৪৫ত মুক্ত হয়। অমায়িক, নিষ্ঠাবান, চিৰকুমাৰ বাপুকণ নেওঁগৰ ১৯৫৩ চনত মৃত্যু হয়।

বৈকুণ্ঠনাথ দেৱ গোস্বামী :

চাওখাট মৌজাৰ বনগাঁৱত ১৮৯৯ চনত জন্ম গ্ৰহণ কৰে। পিতৃ আনন্দ দেৱগোস্বামী, মাতৃ বৰদা দেৱী। ১৯২০ চনত কলিকতাত হোৱা কংগ্ৰেছ অধিবেশনত তেজপুৰৰ চন্দ্ৰনাথ শৰ্মাৰ লগত গৈছিল। তাৰ পৰা ঘূৰি আহি গুৱাহাটীত শৰ্মাৰ সৈতে অসম এচোচিয়েচন গঠন কাৰ্যত লাগিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ গণ বিপ্লৱত সভা, শোভাযাত্ৰা, পিকেটিং আদিত অংশ গ্ৰহণ কৰিছিল। ১৯৮৭ চনৰ জুন মাহত ৮৮ বছৰ বয়সত স্বৰ্গী হয়।

ভদ্ৰেশ্বৰ সভাপণ্ডিত :

খংগীয়া মৌজাৰ টিলিকী আম গাঁও। ১৯৩০ চনৰে পৰা স্বাধীনতা আন্দোলনত যোগ দিয়ে। ১৯৩৩ চনৰ অসম বুৰঞ্জীত সভাৰ বিৰাট সভামণ্ডপটো সভাপণ্ডিতে দান দিয়া টকৌ পাতেৰে সজা। সভাপণ্ডিত উপাধি তেতিয়াই ৰাইজে তেখেতক প্ৰদান কৰে। হীৰানাম, দিহা নামৰ তেখেত এজন অপ্ৰতিদ্বন্দ্বী ওজা আছিল।

ভবেশ্বৰ শৰ্মা :

বহুাগাঁও। ১৯২১—১৯৪২ চনৰ সক্ৰিয় কৰ্মী।

ভদ্ৰনাথ বৰদলৈ :

চাওখাট মৌজাৰ সোণাৰী গাঁৱত ১৯০১ চনত জন্ম হয়। পিতৃ ভুকান্ত বৰদলৈ, মাতৃ ৰূপেশ্বৰী বৰদলৈ। ১৯৪০ চনত সত্যাগ্ৰহ কৰে। এদিন ফাটেক হয়। '৪২ ৰ গণ বিপ্লৱত শান্তিসেনা দলৰ চাওখাট মৌজাৰ অধিনায়ক আছিল। নগৰ পিকেটিঙত বহুবাৰ পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিছিল। আন্দোলনৰ শেষলৈকে অবিৰাম সংগ্ৰাম কৰিছিল। গাঁৱৰ উন্নয়নমূলক কামত চিৰজীৱন লিপ্ত আছিল। ১৯৩৯ চনৰ পৰা ৪৫ চনলৈকে চাওখাট মৌজা কংগ্ৰেছৰ সম্পাদক আছিল। ১৯৮৭ চনৰ ১৯ ডিচেম্বৰত তেখেতৰ মৃত্যু হয়।

ভদ্ৰকান্ত ভৰালী :

চাওখাট মৌজাৰ ধাৰিগাঁৱত ১৮৯৬ চনত জন্ম হয়। পিতৃ কেশৰাম ভৰালী আৰু মাতৃ কাঞ্চন ভৰালী। ৮ নং ধাৰিগাঁও স্কুলত

প্ৰাথমিক শিক্ষা লাভ কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত যোগ দিয়ে আৰু স্বেচ্ছাসেৱক দলত ভৰ্তি হৈ বহুতদিন থাকি কাম কৰে। অধিবেশনৰ কাৰণে চিন্নাথ ভৰালীৰে সৈতে অঞ্চলটোৰ বিভিন্ন গাঁৱত যঁতৰ, নেওঠনী, কপাহ বিতৰণ কৰি খদ্দৰ কাপোৰ তৈয়াৰ কৰাই দিছিল। ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

ভৰালী শইকীয়া :

গাখীৰখোৱা মৌজাৰ ভৰালী শইকীয়া ১৯২১ চনৰ এজন সক্ৰিয় কৰ্মী আছিল।

ভবেশ্বৰ শৰ্মা :

বহাগাঁও। জন্ম ১৮৯৫, মৃত্যু ১৯৭০ চন। পিতৃ ভজো শৰ্মা। ১৯২১ চনৰ পৰা ১৯৪৭ চনলৈকে স্বাধীনতা আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনত চাকৰি ত্যাগ কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪১ চনৰ সত্যাগ্ৰহতো অংশ গ্ৰহণ কৰে। ১৯৪২ চনত তেওঁৰ ঘৰতেই শান্তি সেনা শিবিৰ পাতি ভাৰত ত্যাগ আন্দোলনত ইন্ধন যোগাইছিল। ১৯৪২ চনৰ পৰা ১৯৪৪ চনলৈকে পলাতক হিচাপে আন্দোলনৰ কাম কৰিছিল। গুপ্ত আন্দোলনৰ কৰ্মীসকলক তেওঁৰ ঘৰতেই আশ্ৰয় দিছিল। শৰ্মাৰ ঘৰত পুলিচে জুই লগাই দিছিল আৰু বহুতো সম্পত্তি নষ্ট কৰিছিল। শৰ্মা বিচলিত নহৈ কাম কৰি গৈছিল। শৰ্মাই যথেষ্ট দুখ কষ্টৰ মাজেৰে চলিব লগা হৈছিল। স্বাধীনতাৰ পিছত বিভিন্ন গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। বিশেষকৈ হৰিজন সেৱা কাম তেখেতৰ প্ৰিয় আছিল।

ভেবেলা শইকীয়া গাঁওবুঢ়া :

চাওখাট মৌজাৰ টেকীয়াখোৱা গাঁৱৰ দগাৰ চুকত ১৯০৮ চনত জন্ম হয়। ১৯৩২ চনৰ আন্দোলনত কানি দোকানৰ সন্মুখত পিকেটিং কৰোতে তেখেতক পুলিচে গ্ৰেপ্তাৰ কৰি নি যোৰহাট কাছাৰীত হাজিৰ কৰে। মুনচিফে বিচাৰ কৰি ৩ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। ১৯৪২ চনৰ গণ বিপ্লৱত তেখেত সক্ৰিয় সহযোগী আছিল। ১৯৭৮ চনত মৃত্যু হয়।

ভোগদা দেৱী :

পৰ্বতীয়া মৌজাৰ টিলিকীআম অঞ্চলৰ ভোগদা দেৱী ১৯২১ চনৰ পৰা ১৯৩২ চনলৈকে প্ৰত্যেক স্বাধীনতা সংগ্ৰামত আত্মনিয়োগ কৰিছিল। তেওঁ যদুনাথ শৰ্মাৰ সম্বন্ধত ভনী আৰু বাল্যবিধৱা আছিল। ১৯৭৯ চনত তেওঁৰ মৃত্যু হয়।

ভোলানাথ দত্ত :

খাৰঙপৰীয়া। ১৯৪২ চনৰ কৰ্মী।

মহিৰাম আহোম :

চুতীয়া গাঁও। ১৯২১ চনত ২ মাহ জেল হয়।

মানিক বৰুৱা : মকৰাচুক, চকুৱাখানা।

মণিৰাম বুঢ়াগোহাঁই :

১৯২১ চনৰ কৰ্মী আছিল।

মোলক বড়া :

নাকৰি। ১৯২২ চনত আন্দোলনত অংশ গ্ৰহণ কৰে।

মোলোক গাওঁবুঢ়া :

চহাপুৰ। ১৯৩১ চনত ১ মাহ জেল খাটে।

মিনোকান্ত দেৱ গোস্বামী :

দুখীয়া গাঁও। ১৯২১ চনৰ আন্দোলনত ১৭ দিন হাজোতবাস আৰু ৩ মাহ জেল হয়।

মহিৰাম কলিতা :

মতি কলিতা :

মতি কোঁৱৰ :

আন্দোলনত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰে।

মনিৰাম মেধী :

চান্দখোলা, ধেমাজী। ১৯২১-২২ চনৰ কৰ্মী।

মাৰসিং মিৰি :

ধেমাজী। ১৯২২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

মহেশ্বৰ শৰ্মা ঃ

ভকুন্টিয়াৰ কামত ১৬।১২।২১ তাৰিখে গ্ৰেপ্তাৰ কৰে। ২২।১২।২১ তাৰিখে ৩ মাহ জেল আৰু ১৬ টকা জৰিমনা হয়।

মনাই সুত ঃ

খতাল গাঁও। ১৯২১ চনত ১ দিন হাজোত বাস কৰে।

মোহন চন্দ্ৰ শইকীয়া ঃ

কমলাবাৰী। ১৯২১ চনত গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৪২ চনৰ আন্দোলনত ৫ মাহ জেল হয়।

মহীবুল হুছেইন ঃ

১৯২১ চনত শিক্ষকতা চাকৰি ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। এবছৰ জেল হয়

মুক্তেশ্বৰ চুতীয়া ঃ

১৯২২ চনত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

মুহীৰাম দত্ত ঃ

তালোগাঁও, চাবতি। ১৯২১ চনৰ কৰ্মী।

মহমডুলহক বৰুৱা ঃ

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনত আন্দোলনত যোগ দিয়ে।

মধুৰাম গোহাঁই ঃ

কদম। জন্ম ১৯২২, মৃত্যু ১৯৮৮ চন। ১৯৪২ চনৰ পলাতক কৰ্মী।

মিনো গোস্বামী ঃ

দুলীয়াগাঁও। ১৯২১ চনত ৩ মাহ জেল খাটে।

মোলোক গাঁওবুঢ়া ঃ

চলপুৰ। ১৯২১ চনৰ আন্দোলনত ১ মাহ জেল হয়।

মুখেশ্বৰ বৰুৱা ঃ

খংগীয়া মৌজাৰ দহোটীয়া বৰুৱা গাঁৱৰ এজন কাৰাবাস খটা মুক্তি যোদ্ধা। গাঁও সংগঠন আৰু স্বাধীনতা ৰণৰ ৰণুৱা বৰুৱাৰ অতি কম বয়সতে মৃত্যু হয়।

যুক্তানাথ বৰঠাকুৰ :

বনমা আলি, গাখীৰখোৱা মৌজা। ১৯২১ চনৰ পৰা স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। প্ৰচাৰ কাৰ্যৰ কৰ্মীসকলে সেই সময়ত তেখেতৰ ঘৰত আশ্ৰয় লৈছিল।

যোগেন্দ্ৰ নাথ শৰ্মা :

বছাগাঁও। পিতৃ ফণীধৰ শৰ্মা। ১৯৪২ চনৰ কংগ্ৰেছৰ কৰ্মী আছিল। আন্দোলনত তেখেতে লাগি সৰ্বস্বান্ত হয়। আজীৱন কংগ্ৰেছ কৰ্মী আছিল। শোভাযাত্ৰাত অংশ গ্ৰহণ কৰোতে পুলিচৰ লাঠিৰ কোব খোৱাত আঘাত পায় আৰু এমাহৰো অধিক কাল হাজোত থাকে। হাজোতৰ পৰা মুক্তি লাভ কৰি পলাতক কৰ্মী হিচাপে গান্ধীজীৰ গঠনমূলক কাম কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছতো স্বকাৰ্য কৰাৰ উপৰিও কংগ্ৰেছৰ সংগঠন আৰু গভৰ্ণমেণ্টৰ উন্নয়ন-মূলক কামত সহযোগ কৰিছিল। তেওঁ এজন মুখ্য কংগ্ৰেছ নেতা আছিল। সমাজ কৰ্মী হিচাপে সকলোৰে আস্থাভাজন হ'ব পাৰিছিল।

যদুনাথ শৰ্মা :

টিলিকীআম, পৰ্বতীয়া মৌজা। ১৯২১ চনৰে পৰা নিষ্ঠাবান কংগ্ৰেছ কৰ্মী। টিলিকীআমত বহা অসম বায়ত সভাৰ অভ্যৰ্থনা সমিতিৰ এজন সক্ৰিয় কৰ্মী আছিল। চিৰকুমাৰ যদুনাথ শৰ্মাৰ ১৯৮২ চনত মৃত্যু হয়।

যদুনাথ দাস :

তিতাবৰ মৌজাৰ তিতাবৰ হাইস্কুলৰ কাষত যদুনাথ দাসৰ ঘৰ। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত তেখেত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পিছত তিতাবৰ অঞ্চলত এজন কমিউনিষ্ট নেতা হিচাপে প্ৰখ্যাত হৈছিল যদিও কংগ্ৰেছ কৰ্মীসকলৰ লগত সহযোগেৰে চলি-ছিল আৰু কোনো কাৰণত তেওঁ নিজৰ আদৰ্শৰ পৰা বিচ্যুত হোৱা নাছিল। ১৯৮৪ চনত তেখেতৰ মৃত্যু হয়।

যজ্ঞেশ্বৰ ভূঞা :

মুৰকটা, মাছখোৱা মৌজা। পিতৃ মহৰামৰ ঘৰ আছিল কুঁৱা-টোলা গাঁৱত। ১৯২১ চনৰ অসহযোগ আন্দোলনত জেল-জৰিমনা হয়।

১৯৪২-৪৩ চনৰ গণ আন্দোলনত সত্যাগ্ৰহ কৰি জৰিমনা আৰু জেল হয়। সেই সময়ৰ এচ ডি অ' পানিং চাহাবে তেখেতক ৮০ টকা জৰিমনা কৰোতে এটা বাহৰ টকা (ছোৱালীয়ে বিহুত কৰা বাহৰ টকা) এটা মোনা, এভাল ৰচিৰে কোৰ্টত জমা দিছিল। ইয়াৰ উপৰিও যজ্ঞেশ্বৰ ভূঞাক মাটিত ঘৰ সজা নিষিদ্ধ কৰি দিয়াৰ হুকুমত চাংঘৰ সাজি ঘৰৰ পৰা আলিবাটলৈকে অহা-যোৱা চাং বনাই লোৱাত মাটিৰ পৰা চৰকাৰে উচ্ছেদ কৰিব পৰা নাছিল। চৰকাৰক কোনো খাজনা নিদিছিল। সদায় ঘোঁৰাৰ ওপৰত উঠি বাঁহৰ ফুলাম জাপি পিন্ধি ফুৰাটোৱে ভূঞাৰ জীৱনৰ বৈশিষ্ট্য আছিল। ১৯৫০ চনত এওঁৰ মৃত্যু হয়।

যোগেশ মহন্ত ঃ

মৈদমীয়া। ১৯৩০—৪২ চনলৈ আন্দোলনত যোগ দিয়ে। ১ মাহ জেল খাটে।

যোগেশ্বৰ বৰুৱা ঃ

পিতৃ ভদ্ৰেশ্বৰ বৰুৱা। বৰুৱা সাধাৰণতে যোগ বৰুৱা বুলিয়েই খ্যাত আছিল। অতি মেধাৱী ছাত্ৰ বৰুৱাই আইন পাছ কৰাৰ পাছতে শিক্ষাজীৱনৰ সামৰণি মাৰে। ১৯৪১ চনৰ সত্যাগ্ৰহ আন্দোলনত এবছৰ জেল হয়। জিলা শান্তি সেনা বাহিনীৰ প্ৰধান নায়ক আছিল। '৪২ ৰ গণ বিপ্লৱত প্ৰথম অৱস্থাত পলাতক হিচাপে কাম কৰোতে ১৬।১২।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈছিল। তেওঁ এজন পটু ৰাজনীতিজ্ঞই নাছিল তেওঁ একেধাৰে অভিনেতা, গায়ক, সমাজ সংগঠকো আছিল। জাতি ভেদ আদিৰ সংকীৰ্ণতাই তেখেতৰ ওচৰত ঠাই নেপাইছিল। গান্ধীজীৰ অস্পৃশ্যতা বৰ্জন কাৰ্যক্ৰমৰ মহান আদৰ্শ কৰ্মী আছিল। স্পষ্টবাদী আছিল। অসহায় আৰু দুখীয়া সকলৰ মাজত নিজৰ ভোজনৰ অন্নও বিলাই দি ভাল পাইছিল।

ৰঙাই দৰ্জি ঃ

চাওখাট মৌজাৰ ঢেকীয়াখোৱা গাঁৱত ১৯০০ চনত দৰ্জিৰ জন্ম হয়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছলৈ শশীধৰ মালীয়া বৰুৱাৰ লগত গৈছিল। ১৯৩০ চনৰ আন্দোলনত সক্ৰিয় সহযোগী আছিল। ১৯৪২

চনত নগৰ পিকেটিং কৰে আৰু সভা শোভাযাত্ৰাত যোগ দিয়ে। ১৯৪৩ চনৰ ৯ আগষ্ট দিনটো বকুল বনত পালন কৰোতে তেখেতৰ সৈতে মুঠ ১৫ জন কৰ্মীক গ্ৰেপ্তাৰ কৰি নি যোৰহাট জেলত আটক বন্দী ৰূপে ৰাখে। ১৪ দিনৰ পিছত এৰি দিয়ে। তেখেতৰ ১৯৬২ চনত মৃত্যু হয়।

ৰত্নধৰ বৰদলৈ ঃ

চাওখাট মৌজাৰ সোণাৰী গাঁৱত ১৯২০ চনত জন্ম হয়। পিতৃ যোগেশ বৰদলৈ, মাতৃ সৰু আইটি বৰদলৈ। ১৯৪২ চনৰ আন্দোলনত গোটেই চাওখাট মৌজাত, শান্তি সেনা সংগঠনত লিপ্ত আছিল। সেই সময়ত তেখেত মৌজা কংগ্ৰেছৰ যুটীয়া সম্পাদকো আছিল। নগৰ পিকেটিঙত পুলিচে এৰেষ্ট কৰি এদিন মৰিয়ণী হাবিৰ মাজত আৰু এদিন কাজিৰঙা হাবিৰ মাজত এৰি দিছিল। পলাতক কৰ্মী হিচাপে বিপ্লৱৰ কাম চলাইছিল। আজীৱন কেইবাখনো গাঁৱৰ নানা গঠনমূলক আৰু সামাজিক কামত লিপ্ত আছিল। ১৯৮২ চনৰ ২ জানুৱাৰীত ৬২ বছৰ বয়সতে তেখেতৰ মৃত্যু হয়।

ৰত্নেশ্বৰ বৰুৱা ঃ

হাতীগড় মৌজাৰ মেলেং পাখীমৰীয়া গাঁৱত ১৮৭৫ চনত জন্ম গ্ৰহণ কৰে। পিতৃ জীৱেশ্বৰ বৰুৱা, মাতৃ মোহিনী দেৱী। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় কৰ্মী আছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত স্বেচ্ছাসেৱক-বাহিনীৰ যোৰহাট শাখাৰ নায়ক আছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। মেলেং অঞ্চলত কেইবাটাও ৰাজহুৱা অনুষ্ঠান স্থাপন কাৰ্যত তেখেত আগভাগ লৈছিল।

ৰাম শৰ্মা ঃ

১৯৪২ চনৰ গণ আন্দোলনত যোগ দিয়ে। মিলিটেৰী যোগান বন্ধ কাৰ্যক্ৰমত সক্ৰিয়ভাৱে কাম কৰিছিল। স্বাধীনতাৰ পাছত ৰাজ্যিক পৰিবহন নিগমৰ এজন কৰ্মী আছিল। অৱসৰ লোৱাৰ পাছত ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।

ৰত্নেশ্বৰ লাহন ঃ

চাওখাট মৌজাৰ বনগাঁৱত তেখেতৰ ১৯০৪ চনত জন্ম হয় আৰু

১।২।৮৯ তাৰিখে মৃত্যু হয়। পিতৃ সৰুমন লাহন আৰু মাতৃ নুমলি লাহন। ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় সহযোগী আছিল। ৫।১।৪৩ তাৰিখে তেখেতক পুলিচে ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি নি যোৰহাট জেলত আটক বন্দী কৰি ৰাখে। ২।৭।৪৩ তাৰিখত মুক্তি দিয়ে। লাহন এজন আদৰ্শ খেতিয়ক আৰু সমাজ কৰ্মী আছিল।

ৰঘুনাথ বৰ শইকীয়া ঃ

বাতঘৰীয়া। ১৯২১ চনৰ সক্ৰিয় কৰ্মী আছিল।

ৰবি হাজৰিকা ঃ

উত্তৰ লক্ষীমপুৰ। ১৯৩০ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

ৰজনী থাৰঘৰীয়া ঃ

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনত আন্দোলনৰ কৰ্মী আছিল।

ৰত্নেশ্বৰ বৰা দেব ঃ

কাজবৰীয়া। ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

ৰমেশ চন্দ্ৰ বিদ্যাৰ্থী দেবনাথ ঃ

তেওঁ প্ৰথমতে ৰমেশ চন্দ্ৰ বৈশ্য আছিল। ৱাৰ্দ্ধাত গান্ধীজীৰ আশ্ৰমত থাকি হিন্দী অধ্যাপনাত হিন্দী শিক্ষাৰ 'বিদ্যাৰ্থী' উপাধি লাভ কৰাত ৰমেশ চন্দ্ৰ বিদ্যাৰ্থী হিচাপে খ্যাত হয়। হিন্দী শিক্ষা আৰু প্ৰচাৰৰ বাবে ৰাষ্ট্ৰীয় কংগ্ৰেছে বিদ্যাৰ্থীক লক্ষীমপুৰ জিলাৰ দায়িত্ব দিয়ে। ১৯৪২ চনৰ গণ বিপ্লৱৰ কাৰ্যসূচীসমূহ উত্তৰ লক্ষীমপুৰৰ ৰাইজৰ মাজত জনপ্ৰিয় কৰি তোলে আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো সদৰি কৰে। ৭।৯।৪২ তাৰিখে বিদ্যাৰ্থীক পুলিচে গ্ৰেপ্তাৰ কৰি তিনি বছৰ কাৰা-বাস দিয়ে। জেলৰ পৰা মুক্তি পোৱাৰ পিছতো গঠনমূলক কাম আৰু হিন্দী প্ৰচাৰত আত্মনিয়োগ কৰে। ১৯৪৭ চনৰ স্বাধীনতাৰ পাছত বিদ্যাৰ্থীক স্বাধীন চৰকাৰে মৰ্যাদাসহকাৰে হিন্দী শিক্ষক পদত নিয়োগ কৰে।

ৰাম চন্দ্ৰ মোহন ঃ

তেলিয়াগাঁও। ১৯২২ চনৰ আন্দোলনত যোগ দিছিল।

ৰাম চন্দ্ৰ বৰা ঃ

মাজাদ। ১৯৪২ চনৰ গণ অন্দোলনত ২ মাহ জেল হয়। ১৯৬০ চনত তেখেতৰ মৃত্যু হয়।

ৰেৱতী লাহন :

গাখীৰ খোৱা। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। এই মহিলা কৰ্মীগৰাকীৰ মাজত নেতৃত্ব দিব পৰা গুণ আছিল। '৪২ৰ গণ আন্দোলনত পলাতক হিচাপে থাকি গাঁৱে গাঁৱে ঘূৰি স্বাধীনতাৰ বাণী প্ৰচাৰ কৰিছিল। এইদৰে গাঁৱে গাঁৱে ঘূৰি ফুৰোতে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে আৰু নেতাসকল জেলত থকা দিনতে আন্দোলনৰ মাজতে ৰেৱতী লাহনৰ মৃত্যু হয়। মৃত্যুৰ পিছত স্থানীয় ৰাইজে তেওঁৰ নামত 'ৰেৱতী লাহন বিদ্যালয়' নামৰ এখন স্কুল স্থাপন কৰে।

ৰুদ্ৰনাথ নেওগ :

১৯০২ চনত চকুৰাখানা মৌজাৰ হিলৈদাৰী গাঁৱত নেওগৰ জন্ম হয়। ১৯২১ চনত প্ৰাথমিক স্কুলৰ শিক্ষক চাকৰি বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দি ৩ মাহ কাৰাবাৰণ কৰে। ১৯৩০-৩২ আৰু '৪২ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰি নিৰ্যাতিত হোৱাৰ বাহিৰেও এজন গান্ধীবাদী আৰু গঠনমূলক কামত আগভাগ লৈছিল। অঞ্চলটোৰ বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল। আজীৱন জাতীয় কংগ্ৰেছৰ সেৱা কৰি ১৯৫২ চনত স্বৰ্গগামী হয়।

ললিত চন্দ্ৰ শৰ্মা :

চাওখাট মৌজাৰ ঢেকিয়াখোৱা গাঁৱত তেখেতৰ ১৯০১ চনৰ নবেম্বৰ মাহত জন্ম হয়। ১৯৫৮ চনৰ জুন মাহত স্বৰ্গী হয়। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় সহযোগী আছিল। ১৯৪২ চনৰ আন্দোলনত তেখেতে পিকেটিং, সভা, শোভাযাত্ৰা আদিত যোগ দিছিল। ১৯৪৩ চনৰ ৯ আগষ্ট দিনটো বকুল বনত পতাকা তোলোতে ১৫ আগষ্টৰ দিনা তেখেতৰ সৈতে মুঠ ১৫ জন কৰ্মীক পুলিচে গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত আটক বন্দী ৰূপে ৰাখে। ১৪ দিনৰ মূৰত এৰি দিয়ে।

লক্ষেশ্বৰ শৰ্মা :

কমলাবৰীয়া গাঁও। জন্ম ১৯২৮, মৃত্যু ১৯৭৬ চন। পিতৃ ৰূপেশ্বৰ শৰ্মা। ১৯৪০ চনত প্ৰবেশিকা পাছ কৰে। কলেজত থকা অৱস্থাতেই গণ আন্দোলনত জপিয়াই পৰে। ১৯৩২ চনত প্ৰথমতে

২১ দিন জেল হয়। আকৌ পিছত আন্দোলনত লিপ্ত থকা বাবে ১ বছৰ কাৰাদণ্ড ভোগ কৰে। কিছুদিন উত্তৰ লক্ষীমপুৰ জেলত থকাৰ পাছত তেওঁক তেজপুৰলৈ স্থানান্তৰ কৰে। ১৯৪৪ চনৰ পৰা শলাজ তেলাহি কমলাবৰীয়া হাইস্কুলৰ প্ৰতিষ্ঠাপক আছিল। লগতে শিক্ষকতাও কৰিছিল। ১৯৫৩ চনত বি-এ পাছ কৰে। আজীবন গান্ধীবাদী আৰু সত্য অহিংসাৰ পূজাৰী আছিল। তেওঁৰ ঘৰৰ সকলো সম্পত্তি পুলিচে বাজেয়াপ্ত কৰিছিল।

লক্ষেশ্বৰ শৰ্মা ঃ

বনগাঁও, চাওখাট মৌজা। জন্ম ১৯০১, মৃত্যু ১।৮।১৯৮৪ চন। পিতৃ লীলাধৰ ভূঞা, মাতৃ সেমেৰী ভূঞা। ১৯৪২ চনত পিকেটিং কৰা অপৰাধত তেখেতক ৮।১।৪৩ তাৰিখে গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত আটক বন্দী ৰূপে ৰাখে। ১৪।৭।৪৩ তাৰিখে জেলৰ পৰা মুক্ত হয়।

লীলাকান্ত বৰা ঃ

ছ'ৰাহোৰা টিলিকীয়াম, মৌজা খংগীয়া। কাৰাবাস নথটাকৈ আটাইকেইটা স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আজীৱন খদ্দৰৰ পোছাক আৰু গান্ধী টুপী পিন্ধিছিল। নাম কীৰ্তনৰ পদ্ধতি আৰু গঠনমূলক কামৰ আঁচনিৰ কেইবাখনো কিতাপ নিজে লেখি প্ৰকাশ কৰিছিল। বৃদ্ধ বয়সত ৩৭ নং ৰাষ্ট্ৰীয় পথত এটা মটৰ দুৰ্ঘটনাত তেখেতৰ মৃত্যু হয়।

লক্ষীনাথ শৰ্মাবৰুৱা ঃ

উত্তৰ লক্ষীমপুৰ। ১৯২১ চনৰ কৰ্মী।

ললচাই গৌড় ঃ

নকাৰি। ১৯৩০ চনত ১৫ দিন জেল খাটে।

লক্ষীনাথ শৰ্মা ঃ

এজুৰী নগাখেলিয়া। ১৯২১ চনত ৬ মাহ জেল খাটে।

লক্ষীনাথ শৰ্মা ঃ

কমলাবাৰী গাঁও। ১৯২২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

ললিত চন্দ্ৰ শইকীয়া ঃ

পেৰাতাৰাৰী। ১৯৩০ চনৰ কৰ্মী।

লক্ষেশ্বৰ শৰ্মা ঃ

নাগাঁখেলিয়া গাঁও, ধেমাজী। আন্দোলনৰ সক্ৰিয় কৰ্মী।

লোক নাথ গোস্বামী ঃ

বিহপুৰীয়া। ১৯২২ চনত আন্দোলনত যোগ দিয়ে।

লোক নাথ শইকীয়া ঃ

পানীগাঁও। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৩১ চনত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰে।

শৰৎ কুমাৰ দাস ঃ

১৮৯৯ চনত শৰৎ কুমাৰ দাসৰ চকুৱাখানাৰ কোঁৱৰ গাঁৱত জন্ম হয়। পিতৃ গোহাঁই মৌজাৰ মৌজাদাৰ জীউৰাম দাস। দাস চকুৱাখানাৰ পৰা গৈ উত্তৰ লক্ষীমপুৰ গৱৰ্ণমেন্ট হাইস্কুলত পঢ়িছিল। তেওঁ এজন বুধিয়ক আৰু কষ্টসহিষ্ণু ছাত্ৰ আছিল। শাৰীৰিক শক্তিৰ ফালৰ পৰাও তেওঁ বলিষ্ঠ আৰু সাহসী ছাত্ৰ আছিল। দেউতাকৰ মৌজা যোৱাত পৰিয়ালটোৰ চৰম আৰ্থিক বিপৰ্যয় ঘটে। দাসে শেষান্ত পৰীক্ষা সম্পূৰ্ণ নকৰি ১৯২১ চনত অসহযোগ আন্দোলনত দীক্ষিত হৈ অনেক জনহিতকৰ কামো হাতত লৈছিল। ১৯২২ চনৰ পৰা ১৯২৫ চনলৈকে গঠনমূলক কামতো জড়িত আছিল। ১৯৩০ চনলৈকে হোৱা গোটেই আন্দোলনত জড়িত আছিল। ভায়েক তৰুণ দাসেও আন্দোলনত লাগি থকাত পুলিচে ঘৰ তালাচী চলাই জুলুম কৰিবলৈ আৰম্ভ কৰিছিল। ১৯২২ চনৰ অসহযোগ আন্দোলনত এমাহ ফাটেক আৰু ৫০ টকা জৰিমনা হয়। ১৯৩২ চনৰ অন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আজীৱন খাদী-ধাৰী আছিল। স্বাধীনতাৰ পিছত তেওঁ তেজপুৰৰ মুছাদল পঞ্চায়তত কাম কৰিবলৈ লয়। ১৯৭০ চনত তেওঁৰ মৃত্যু হয়।

শশীধৰ ফুকন ঃ

উত্তৰ লক্ষীমপুৰ চহৰত ফুকনৰ জন্ম হয়। পিতৃ তুৰাৰাম ফুকন। লক্ষীমপুৰত উচ্চ শিক্ষাৰ ব্যৱস্থা নথকাত মাইনৰ স্কুলৰ

পৰীক্ষাত উত্তীৰ্ণ হৈ তেজপুৰলৈ পঢ়িবলৈ যায়। অষ্টম মান শ্ৰেণীলৈ পঢ়ি গুচি আহে। সাধাৰণ ব্যৱসায় আৰম্ভ কৰি ক্ৰমে উন্নতি কৰি এজন আত্যৱন্ত লোক হৈ পৰে। বৰ্দতি ঘাটত মটৰ কোৰ্ট, হাতী আদি যথেষ্ট সম্পত্তিৰ অধিকাৰী হৈ চাহাবী সাজপাৰে পৰিহিত হৈ চিকাৰ কৰা আদি আমোদত দিন কটাইছিল। চিকাৰ কৰা অৱস্থাৰে খাকী, কোট পেটলুং পিন্ধি গুৱাহাটীৰ অসম কংগ্ৰেছ অধিবেশন পালেগৈ। নেতাসকলৰ বিদেশী বৰ্জন স্বৰাজ আন্দোলনৰ কথাই ফুকনক প্ৰভাবান্বিত কৰে। গুৱাহাটীতে উনৈশ দফীয়া কাৰ্যসূচীত চহী কৰি গান্ধীভক্ত হৈ পৰে। এজন নতুন মানুহ হৈ পৰে। কোৰ্ট, পটলুং ত্যাগ কৰি আঠুমুৰীয়া চুৰীয়া, টপা মূৰত গান্ধী টুপীৰে খদ্দৰৰ সাজপাৰ পিন্ধি লগত এবস্তা কপাহ, নেওঠনি, যঁতৰৰ টাকুৰী কিছুমান আৰু কংগ্ৰেছৰ পতাকা এখন লৈ উত্তৰ লক্ষীমপুৰ পালেহি। জিৰণি নোলোৱাকৈ কংগ্ৰেছ সংগঠনৰ কামত আত্মনিয়োগ কৰে।

১৯২১ চনত অসহযোগ আন্দোলনত উত্তৰ লক্ষীমপুৰত ফুকনৰ নেতৃত্বত গঢ়ি উঠে গাঁৱে ভূঞে কংগ্ৰেছৰ সংগঠন। কানি দোকানত পিকেটিং আৰম্ভ হ'ল ব্যাপকভাৱে। তেওঁৰ ঘৰখন কংগ্ৰেছ ভলন্টিয়াৰৰ শিবিৰ হৈ পৰিছিল। ১৯২১ চনত ৬ মাহ জেল আৰু ১০৯ টকা জৰিমনা হয়। সা-সম্পত্তি নীলাম কৰি টকা আদায় কৰে। জেলৰ পৰা মুক্ত হৈ পুনৰ কংগ্ৰেছৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। ফুকন কেইবাখনো কংগ্ৰেছ অধিবেশনলৈ গৈছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছতো এজন বিশিষ্ট কৰ্মী আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত ৬ মাহ জেল হয়। ১৯৪২ চনৰ আন্দোলনত ৬ মাহ জেল হয়। ১৯৪২ চনৰ ভাৰত ত্যাগ গণ বিপ্লৱত বৃদ্ধাৱস্থাৰেই সিংহনাদ কৰি লক্ষীমপুৰবাসীক উৎসাহিত কৰিছিলে আৰু জেল জৰিমনা আদি ভৰিছিল।

শিশুৰাম বৰা ঃ (বেঙেৰা খোৱা)। ১৯৩০ চনৰ কৰ্মী।

শ্যামচন্দ্ৰ চৌধুৰী ঃ

১৯২১ চনৰ আন্দোলনত যোগদান কৰিছিল।

শশীনৰহ ফুকন ঃ

উত্তৰ লক্ষীমপুৰ। ১৬।১২।২১ তাৰিখে ৬ মাহ জেল আৰু ২০৯

টকা জৰিমনা হয়। পিছত আৰু ৩ মাহ জেল হয়।

শান্তিৰাম চুতীয়া ঃ

চুতীয়াগাঁও, চকুৰখানা। আন্দোলনত ৬ সপ্তাহ জেল হয়।

শিউৰাম বৰুৱা ঃ

এওাৰ খোৱা। ১৯৩০ চনৰ আন্দোলনৰ কৰ্মী।

সৰ্বেশ্বৰ বৰুৱা ঃ

১৮৯১ চনৰ জুলাই মাহত চোলপুৰ মৌজাৰ কাঠনি গাঁৱত জন্ম গ্ৰহণ কৰে। মৃত্যু ১৯৭৫ চনৰ ২ জুলাই। পিতৃ পদ্মেশ্বৰ বৰুৱা, মাতৃ কোষেশ্বৰী দেৱী। তীক্ষ্ণ বুদ্ধিৰ বৰুৱাই প্ৰাইমাৰীৰ পৰা স্নাতক পৰীক্ষালৈ বিশেষ কৃতকাৰ্যতা দেখুৱাইছিল। ১৯০৭ চনত এণ্ট্ৰেন্স পাছ কৰি আউনিআটী সত্ৰৰ সোণৰ মেডেল পাইছিল। ১৯১১ চনত কটন কলেজৰ পৰা বি-এ পাছ কৰি কলিকতালৈ আইন পঢ়িবলৈ যায়। ১৯১৫ চনত সুখ্যাতিৰে আইন পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯১৬ চনত যুগলেশ্বৰীৰ লগত বিবাহ হয়। আৰু সেই চনতে তেজপুৰ আদালতত ওকালতি আৰম্ভ কৰে। লক্ষীমপুৰ উকীল সন্থাৰ তেওঁ সভাপতি আছিল। ১৯২৪ চনৰ পৰা একেৰাহে তিনিদশক কাল অসম ব্যৱস্থাপক সভাৰ সদস্য আৰু বিধায়ক হৈ থাকি অসমৰ পৌৰসভা আইনকে ধৰি কেইবাখনো গুৰুত্বপূৰ্ণ আইন প্ৰণয়ন কৰাত আগভাগ লৈছিল। তেখেত আচলতে আইনজীৱী আছিল যদিও ইতিহাস আৰু সাহিত্য চৰ্চাও কৰিছিল। ১৯৬৫ চনত অসম সাহিত্য সভাৰ নলবাৰী অধিবেশনত বুৰঞ্জী শাখাৰ সভাপতিৰূপে তেখেতক অভিনন্দন জনাইছিল। ১৯২২ চনত উত্তৰ লক্ষীমপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ আদৰণি সমিতিৰ সভাপতি আছিল। 'ফুল' আলোচনীৰ মাজেৰে সাহিত্যিক জীৱনৰ পাতনি মেলি ক্ৰমে সেউজী, জেউতি, উষা, বাঁহী, জয়ন্তী, সুৰভী, আৱাহন, ৰামধেনু, আমাৰ প্ৰতিনিধি, মণিদীপ আদি আলোচনীত তেখেতে বহুতো প্ৰবন্ধ, কবিতা, গীত, সমালোচনা মূলক প্ৰবন্ধ লিখিছিল। বৰুৱাৰ জীৱনৰ আন এটি দিশ আছিল ৰাজনীতি তথা ভাৰতৰ মুক্তি সংগ্ৰামৰ বাবে কৰা নিস্বাৰ্থ ত্যাগ। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি জিলাত কানি, মদ, ভাং, বিলাতী বস্ত্ৰ বৰ্জন আদিৰ বাবে সভা-সমিতি পাতি জন জাগ-

ৰপৰ কাম কৰিছিল। '৪২ৰ মুক্তিযুঁজত উল্লেখযোগ্য ভূমিকা লোৱাৰ পৰিণতিস্বৰূপে ১ বছৰ ৭ মাহ কাৰাদণ্ড ভুগে। বৰুৱাদেৱৰ কথা আৰু কামৰ মাজত সম্পূৰ্ণ মিল আছিল। ১৯৩৫ চনত চৰকাৰে আগবঢ়োৱা ৰাপৰ পদক তেওঁ প্ৰত্যাখ্যান কৰে। বৰুৱাই অসমৰ মহাপুৰুষ দুজনাৰ বাণী সাৰোগত কৰি নানা জাতি, নানা ধৰ্ম, নানা ভাষাৰ মাজত প্ৰেম প্ৰীতিৰ বান্ধোন অটুট ৰাখিবলৈ যত্ন কৰিছিল। শিক্ষা, সাহিত্য, সংস্কৃতি, উদ্যোগৰ প্ৰতিটো অনুষ্ঠানতে আগভাগ লৈছিল। ১৯৫০ চনত বৰ ভূমিকম্পৰ সময়ত তেখেতৰ সেৱাৰ আদৰ্শ জন-মানসত উজ্জ্বল হৈ ৰ'ব।

সুৰেন বৰদলৈ ঃ অহচোল গাঁও।

সৰ্বানন্দ ভড়ালী ঃ বাহগধাৰ।

সোমধৰ ভড়ালী ঃ

বামুণগাঁও, চকুৱাখানা। ১৯২১ চনৰ সক্ৰিয় কৰ্মী।

সিদ্ধেশ্বৰ গগৈ ঃ

আহোমগাঁও। ১৯২২ চনত ১ মাহ জেল হয়।

সিদ্ধেশ্বৰ দত্ত ঃ

উত্তৰ লক্ষীমপুৰ। ১৯৪২ চনৰ কৰ্মী। ১৯৮৭ চনত মৃত্যু হয়।

সত্যব্ৰত গোস্বামী ঃ

ছিৰাজুলি। ১৯২২ চনৰ আন্দোলনত ১ মাহ কাৰাবাস হয়।

সন্তু গৌড় ঃ

ছিৰাজুলি। ১৯২২ চনত ১ মাহ কাৰাবাস হয়।

সোনাৰাম পাঠক ঃ উত্তৰ লক্ষীমপুৰ।

সৰ্বেশ্বৰ তামুলী ঃ

মুগাখোলিয়া, ধেমাজী। ১৯২১ চনত গ্ৰেপ্তাৰ হৈ ২ দিন হাজোত বাস কৰে।

সোবোকা কৈৱৰ্ত্ত ঃ

বাসাগাঁও। স্বাধীনতা আন্দোলনত ৩ মাহ জেল হয়।

সোনাৰৰ কোঁচ :

চকুৰাখানা। আন্দোলনত ১০ টকা জৰিমনা ভৰে।

সোৰাম দত্ত :

খাৰকাড়ি। ১৯৪২ চনৰ পলাতক কৰ্মী।

সোনাৰাম দত্ত :

চাওখাট মৌজাৰ বৰখেলিয়া গাঁৱত ১৯১০ চনত জন্ম হয়। পিতৃ ভালি আৰু মাতৃ সুন্দৰী দেৱী। ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় সহযোগী আছিল আৰু নগৰ পিকেটিঙত বহুতবাৰ পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিছিল। বোকাখাটৰ এখন ৰাজহুৱা সভাত বক্তৃতা দি থাকোতে পুলিচে এৰেষ্ট কৰে। বিচাৰত এমাহ সশ্ৰম কাৰাদণ্ড ভোগে। চিৰকুমাৰ দত্ত চাওখাট মৌজাৰ এজন বিশিষ্ট সমাজ কৰ্মী আছিল। ১৯৫৫ চনত তেখেতৰ মৃত্যু হয়।

হেমকান্ত কৈবৰ্ত :

বাহ্নগাঁও। পিতৃ জগত চন্দ্ৰ কৈবৰ্ত। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯২২ চনত ৩ মাহ জেল হয়। আজীৱন এজন কংগ্ৰেছ কৰ্মী আছিল। ১৯৩৩ চনত অস্পৃশ্যতা দূৰীকৰণ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ গণ আন্দোলনত অসহযোগ কৰিছিল। জেলৰ পৰা মুক্ত হৈ কংগ্ৰেছৰ বিভিন্ন গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৩০/৩২ চনৰ আন্দোলনত অসহযোগ কৰিছিল। ১৯৫৮ চনত তেওঁৰ মৃত্যু হয়।

হেমচন্দ্ৰ হাজৰিকা :

লক্ষীমপুৰ। তেখেতৰ বিশ্বনাথ চাৰিআলিত জন্ম হৈছিল। সৰুকালৰে পৰা চোকা বুদ্ধিৰ হাজৰিকা সুখ্যাতিৰে ১ম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতালৈ পঢ়িবলৈ যায়। কলিকতা বিশ্ববিদ্যালয়ৰ পৰা ক্ৰমে বি-এ আৰু বি-এল পাছ কৰে। পাছত উত্তৰ লক্ষীমপুৰলৈ আহে আৰু তাতে ওকালতি আৰম্ভ কৰি স্থায়ীভাৱে থাকিবলৈ লয়।

১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি ২ বছৰ কাৰাবাস কৰে। তেতিয়াৰ পৰা তেওঁ সমাজ সংগঠন আৰু জাতীয় কংগ্ৰেছৰ

নেতৃত্ব বহন কৰে আৰু স্থানীয় লোক হিচাপে দেশ সেৱাত ব্ৰতী হয়। তেওঁ দুখীয়া ব্যৱসায় কৰা লোকৰ বন্ধু আছিল। ১৯৪২ চনৰ পুনৰ ভাৰত ত্যাগ আন্দোলনত ২ বছৰৰো অধিক কাল কাৰাবাস খাটে। স্বাধীনতাৰ পাছত উত্তৰ লক্ষীমপুৰৰ পৰা বিধায়ক নিৰ্বাচিত হয়। সমাজ সেৱাই তেওঁৰ জীৱনৰ আদৰ্শ আছিল। ৰোগগ্ৰস্ত হৈ ১৯৭৫ চনত মৃত্যু বৰণ কৰে।

হৰকান্ত ভুঞা :

শান্তমূচি। ১৯৪২ চনত দুমাহ জেল খাটে। ১৯৮৭ চনত তেখেতৰ মৃত্যু হয়।

হৰেন গগৈ :

ঘিলামাৰা। ১৯৪২ চনৰ কৰ্মী। ১৯৮৮ চনত মৃত্যু হয়।

হলধৰ গগৈ :

নকাৰি। ১৯২১ চনত ৬ মাহ জেল খাটে।

হাতিয়াল নাদিয়াল :

বছাগাঁও। ১৯২২ চনত গ্ৰেপ্তাৰ হয় পাছত মুক্তি পায়।

হীৰানাথ শৰ্মা :

মাছখোৱা। ১৯২১ ৰ পৰা ১৯৪২ চনলৈ আন্দোলনত যোগ দিয়ে। ১ মাহ কাৰাবাস খাটে।

হেমকান্ত পূজাৰী :

১৯৩০ চনৰ এজন সক্ৰিয় কৰ্মী।

হেমচন্দ্ৰ শইকীয়া :

নকাৰী। ১৯২১ চনৰ আন্দোলনত যোগ দিছিল।

হেমধৰ বাৰ্চৈ :

১৯১৮ চনত চাওখাট মৌজাৰ বাম কুকুৰাহোৱা গাঁৱত জন্ম হয়। পিতৃ পোৱাল বাৰ্চৈ আৰু মাতৃ বেকেতি বাৰ্চৈ। ৩।১।৭০ ত তেখেতৰ মৃত্যু হয়। বাৰ্চৈয়ে ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় কৰ্মী হিচাপে কাম কৰিছিল। নগৰ পিকেটিঙত পুলিচে বহুবাৰ গ্ৰেপ্তাৰ কৰিছিল। ৪।১০।৪২ তাৰিখে তেখেতক ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰি নি কাছাৰীত

হাজিৰ কৰে। বিচাৰত ২ বছৰ সশ্ৰম কাৰাদণ্ড হয়। যোৰহাট জেলত কিছুদিন থকাৰ পিছত চিলেট জেললৈ বদলি কৰে। আৰু তাৰ পৰাই ৩।১০।৪৪ তাৰিখে মুক্তি লাভ কৰে। জেলৰ পৰা ওলাই গ্ৰাজুৱেটৰ হিন্দী পৰীক্ষা দি কেইবাটাও পৰীক্ষাত উত্তীৰ্ণ হৈ কাকজান উচ্চ ইংৰাজী স্কুলত হিন্দী শিক্ষকৰ কাম কৰিছিল।

হেমনাথ শৰ্মা :

মাজসুতি গাঁও, পাথীবখোৱা মৌজা। ১৯২১ চনত কটন কলেজৰ শিক্ষা বৰ্জন কৰি স্বাধীনতা আন্দোলনত যোগদান কৰে আৰু তিনি মাহ সশ্ৰম কাৰাদণ্ড ভোগে। পিছত খোদৰ আলিৰ কাষত গোহঁাইবাৰী চাহ বাগিছাৰ পৰিচালনাৰ দায়িত্ব লয়। ১৯৩০-৩২ চনৰ আন্দোলনত কৰ্মীসকলক উৎসাহ যোগাইছিল। ১৯৪০ চনত বহা শান্তি সেনা শিবিৰত সক্ৰিয় সহায় আগবঢ়াইছিল। '৪২ৰ গণ আন্দোলনত তেখেতে সেই অঞ্চলত গ্ৰেপ্তাৰ নোহোৱাকৈ থাকি আন্দোলনত সহায় কৰিছিল।

হেমনাথ ফুকন :

চেলেংহাটৰ বিখ্যাত পৰ্বতীয়া ফুকনৰ পৰিয়ালত হেমনাথ ফুকনৰ জন্ম। লাহিং মৌজাৰ কমাৰগাঁৱৰ একমাত্ৰ ভাতৃ সোমনাথ ফুকনৰ সৈতে এখন ভাওৰ বাৰী পাতি নৈ ঘৰ দুৱাৰ পাতি একেলগে থাকে। ১৯২১ চনত অসহযোগ আন্দোলনত আত্মনিয়োগ কৰি কাৰাৰুদ্ধ হৈ যোৰহাট জেলত বহুত দিন থাকিবলগীয়া হয়। তীক্ষ্ণ বুদ্ধিৰ ফুকনে সেই অঞ্চলত ৰাইজৰ মাজত বিস্তৰ প্ৰতিপত্তি লাভ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনৰ সময়ত তেখেতৰ বহু সহকৰ্মীসহ অন্তৰীণ বন্দী কৰি তিনিবছৰ কাল জেলত আৱদ্ধ কৰি ৰাখে।

১৯৪৭ চনত তেওঁ শ্ৰমিক সংগঠনত যোগ দিয়ে আৰু নিজৰ কৰ্ম দক্ষতাৰ গুণত সংগঠকৰ পদৰ পৰা ওপৰলৈ গৈ যোৰহাট জিলা চাহ মজদুৰ সংঘৰ সভাপতি পদত অধিষ্ঠিত হৈছিল। সেই সময়ৰ শিল্প বিবাদ আন্দোলনত মজদুৰ সংঘই উকিল নধৰিছিল আৰু ফুকনে ওকালতি কৰি প্ৰায় আটাইবিলাক বিবাদত জয়লাভ কৰিছিল। নিজৰ অঞ্চলত চৰকাৰী সাহায্যপ্ৰাপ্ত আয়ুৰ্বেদ চিকিৎসালয় পৰিচালনা কৰিছিল। ৮৫ বছৰ বয়সত ১৯৭৮ চনত তেখেতৰ মৃত্যু হয়।

হাফেজ আকবৰ আলী : বগবীজান, উত্তৰ লক্ষীমপুৰ।

হেমকান্ত বৰপুজাৰী : সক্ৰিয় কৰ্মী ।

হেমকান্ত দাস :

বচাগাঁও, আন্দোলনত ১০ মাহ জেল খাটে।

হেমচন্দ্ৰ হাজৰিকা :

১৯২১ চনৰ পৰা ১৯৪৫ চন লৈকে আন্দোলনত যোগদান কৰি জেল খাটিছিল।

হেমচন্দ্ৰ শইকীয়া : নাকেৰি।

মঃ হক বৰুৱা : উত্তৰ লক্ষীমপুৰ।

হোৰোকা কৈৱৰ্ত্ত :

বালাগাঁও, আন্দোলনত ৩ মাহ জেল খাটে।

ডিব্রুগড়

অম্বিকা কোঁৱৰ :

১৯০৪ চনত ধুঁৱলী গাঁৱত জন্ম গ্ৰহণ কৰে। পিতৃ পদৰাম কোঁৱৰ। তিনিচুকীয়া এম, ই স্কুল আৰু ডিব্ৰুগড় জৰ্জ হাইস্কুলত শিক্ষা লাভ কৰে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত স্বেচ্ছাসেৱক, ১৯৩০ চনৰ লোণ আইন অমান্য আন্দোলনত সত্যাগ্ৰহী আৰু ১৯৪২-৪৩ আৰু ১৯৪৫ চনৰ গণ আন্দোলনত যোগদান কৰি তিনিবাৰ মুঠতে ১ বছৰ ১০ মাহ কাৰাবাস খাটে। ১৯৪৪ চনৰ পৰা একেৰাহে ৯ বছৰ লোকেল বোৰ্ডৰ সদস্য আৰু ৬ বছৰ শিক্ষা বোৰ্ডৰ সদস্য আছিল। ১৯৩৮ চনত প্ৰতিষ্ঠা হোৱা টিংখং এম, ই স্কুলৰ অন্যতম প্ৰতিষ্ঠাতা। ১৯৭৬ চনত তেওঁৰ মৃত্যু হয়।

অপূৰ্ব জ্যোতি ভট্টাচাৰ্য্য :

ডিব্ৰুগড়। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ একবাৰী মুক্তিযোদ্ধা। তেওঁ এজন সাহসী আৰু নিষ্ঠাবান কৰ্মী আছিল আৰু সেইমতেই আন্দোলনত জপিয়াই পৰিছিল। তেওঁ গুপুতে থাকি আন্দোলনৰ বা-বাতৰি আদি ঠায়ে ঠায়ে বিতৰণ কৰি ফুৰিছিল আৰু গুপ্ত আন্দোলনত ভাগ লৈছিল।

আনন্দ গগৈ :

তিনিচুকীয়া। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয়ভাৱে যোগ দিছিল। আন্দোলন প্ৰবল কৰি তোলাত সহায় কৰাৰ উপৰিও আন্দোলনৰ গুৰি ধৰোতাসকলৰ নিৰ্দেশমতে স্বেচ্ছাই সেৱা আগ বঢ়াইছিল।

আবদ আবদুল ৰহমান মৌলবী :

তিনিচুকীয়া। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া অপৰাধত ১ মাহৰ বাবে কাৰাটক খাটিছিল। পিছত পলাতক কৰ্মী হিচাপে আন্দোলনৰ কামত যোগ দিছিল।

আলিমুদ্দিন আহমেদ :

ডিব্ৰুগড়। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল। ৯।২।১৯২২ আৰু ১৫।২।১৯২২ তাৰিখে দুবাৰ কাৰাবৰণ কৰে আৰু

৫ টকা জৰিমনা ভৰিছিল আৰু লগতে দুমাহ ক্ৰাটেক খাটিছিল।

আবদুছ চামাদ :

নালিয়াপুল। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন কৰ্মী আছিল। বিদেশী বস্ত্ৰ আৰু ৰাগিয়াল দ্ৰব্য সেৱন বৰ্জন কৰিবলৈ ৰাইজক আহ্বান কৰিছিল। আন্দোলনৰ গুপ্ত আলোচনাত অংশ গ্ৰহণ কৰিছিল।

আবদুল বাৰী :

১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল। ৬।১।১৯২২ চনত তিনি মাহ ক্ৰাটেক হৈছিল।

ইন্দ্ৰধৰ শইকীয়া :

বৰ অভয়াপুৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি বিদেশী বস্ত্ৰ, মাদক দ্ৰব্য আদি বৰ্জন কৰিবলৈ জনসাধাৰণক আহ্বান জনাইছিল।

ইন্দ্ৰ গোস্বামী :

ডিব্ৰুগড়। ১৯৪২ চনৰ আন্দোলনত যোগ দিছিল। বিদেশী বস্ত্ৰ আৰু মাদক দ্ৰব্য বৰ্জনৰ আহ্বান দিছিল।

ইন্দিৰৰ লিকচন :

বাজগড় ধোৱাগধাৰ। জন্ম ১৯০৩, মৃত্যু ১৯৭৫ চন। পিতৃ গদ লিকচন। ১৯৪২ চনৰ গণ আন্দোলনত এজন সক্ৰিয় কৰ্মী হিচাপে আন্দোলনৰ কাৰ্যসূচী প্ৰচাৰত আগভাগ লৈছিল। গোপনীয় চিঠি-পত্ৰ আদান প্ৰদানৰ বিশেষ দায়িত্বত আছিল। ৯।৭।৪২ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি প্ৰথমতে হাজোতত পিছত ১৫।১১।১৯৪৪ৰ পৰা ৮।১।১৯৪৫ তাৰিখলৈ সশ্ৰম কাৰাবাস খাটে। তেখেত সামাজিক কামতো আত্ম-নিয়োগ কৰিছিল।

কৰফুল গগৈ :

খৰগধাৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া অপৰাধত ৪ মাহ ক্ৰাটেক খাল হৈছিল।

কন্দৰ্পনাথ শইকীয়া :

বৰ অভয়াপুৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল।

কমলেশ্বৰ সোনোৱাল :

ৰৰ মেগেলা। ১৯২৪ চনৰ অসহযোগ আন্দোলনত যোগ দি এমাহ ফাটেক খাটিছিল।

কন্ন সোনোবাল :

সৰু ধাদুম। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল।

কামাখ্যা চৰণ বৰঠাকুৰ :

ডিব্ৰুগড়। জন্ম ১৯১৩, মৃত্যু ১৯৭৮। পিতৃ ভুৱনেশ্বৰ বৰঠাকুৰ।

১৯৪২ চনৰ আন্দোলনত সক্ৰিয়ভাবে যোগ দিয়া অপৰাধত ৬ মাহ ফাটেক খাটে আৰু পিছত আটকবন্দী হৈ মুঠ ৯ মাহ ফাটেক খাটি ২১।৬।৪৩ চনত মুক্তি লাভ কৰে। বৰঠাকুৰ এজন মেধাৱী ছাত্ৰ আছিল। যোৰহাট চৰকাৰী হাইস্কুলত পঢ়ি নৱম মান শ্ৰেণীৰ পৰা মেট্ৰিক পৰীক্ষা দি ষ্টাৰ সহ উত্তীৰ্ণ হৈছিল। পিছত বি-এ আৰু ওকালতি পৰীক্ষা পাছ কৰি অধিবক্তা হয়। স্বাধীনতাৰ পিছত ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ লগত জড়িত আছিল।

কাৰ্ত্তিক গগৈ :

২ নং কচলু পথাৰ, টিংখং মৌজা। পুৰণি বাসস্থান শিৱসাগৰৰ হাঁহচৰা মৌজাত আছিল। জন্ম ১৯১২, মৃত্যু ১৯৭১ চন। পিতৃ ভুবন গগৈ। ১৯৩৬ চনৰ পৰা চাচনী আৰু টিংখাং মৌজাত সামাজিক কামত আত্মনিয়োগ কৰে। ১৯৩৮ চনৰ কানি নিবাৰণী আন্দোলনৰ এগৰাকী সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ মুক্তি আন্দোলনত যোগদান কৰি কাৰাবাস খাটে। ১৯৪৪ চনত ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সাংগঠনিক সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰে। চাচনী আৰু টিংখাং মৌজাৰ যুৱক সংঘৰ সম্পাদক আছিল আৰু বিভিন্ন কামত নিজকে আবদ্ধ কৰি ৰাখিছিল।

কালিপ্ৰসন্ন দাস :

জয়পুৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ বন্দুৱা আছিল।

কেদাৰনাথ গোস্বামী :

ডিব্ৰুগড়। ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দিছিল। ১৯৪২ চনত ডিব্ৰুগড়ৰ পৰা শিৱসাগৰ আৰু নগাঁওলৈ বহিষ্কাৰ কৰিছিল। তেওঁ অসম ৰেলৱে ট্ৰেডিং কোং, চাহ বাগান আদিৰ শ্ৰমিকৰ মাজত সোমাই বনুৱা আন্দোলন গঢ়ি তুলিছিল। শ্ৰমিকৰ বিভিন্ন সমস্যা লৈ ধৰ্মঘটো কৰিছিল। তেওঁ ডিব্ৰুগড় জিলা কংগ্ৰেছ কমিটীৰ সভাপতি হৈছিল। শেষৰ ফালে ভাৰতীয় কমিউনিষ্ট দলত যোগ দিয়ে।

কৈল্যাশ চন্দ্ৰ তামুলী :

আমোলাপট্টী। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল।

কুশকান্ত শইকীয়া :

খোৱাং। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল।

কুলধৰ শইকীয়া :

পদুমনী, খোৱাং। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল।

কুল সোনোৱাল :

বৰ মেগেলা। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি ১ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

খগেশ্বৰ চুতীয়া :

জন্ম ১৯২২, মৃত্যু ১৯৮২ চন। পিতৃ বলোৰাম চুতীয়া। ১৯৩৫ চনত মেট্ৰিক, ১৯৩৭ চনত আই-এ, ১৯৪০ চনত বি-এ আৰু ১৯৫৩ চনত বি-টি ডিগ্ৰী লয়। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪০ চনত হেমচন্দ্ৰ ইনষ্টিটিউট, মৰাণ হাইস্কুল আদিত শিক্ষকতা জীৱন আৰম্ভ কৰি চিয়ক হাইস্কুল, কমাৰবন্ধা হাইস্কুল, টিংখাং হাইস্কুল আৰু সৰ্বশেষত উত্তৰ লক্ষীমপুৰত শিক্ষকতা কৰিবলৈ লয়।

গনেশচন্দ্ৰ বৰা :

উমাপুৰ গাঁৱত জন্ম। ১৯৪০ চনৰ পৰা গণ আন্দোলনত যোগ দি বিভিন্ন প্ৰকাৰে আন্দোলনৰ কামত সহায় কৰিছিল।

গন্তিৰ সোনোৱাল :

নগনীগাঁও। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। এমাহৰ বাবে ফাটেক হয়।

গিৰিন্দ্ৰনাথ ঠাকুৰ :

ডিব্ৰুগড়। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে।

গুনাৰাম বৰুৱা :

কুটুহা নিবুক গাঁও। পিতৃ মায়াৰাম বৰুৱা। ১৯২১ চনৰ অসহ-যোগ আন্দোলনত যোগ দিয়ে। তেওঁ ৪ মাহৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

চৰ্দাৰ বৈৰাম সিং :

ডিব্ৰুগড়। জন্ম ১৮৯৩, মৃত্যু ৭।৩।১৯৭৩ চন। পিতৃ এছ্‌ চন্দা সিং। সিওঁৰ আদি ঘৰ আছিল পূব পঞ্জাবৰ ফিৰোজপুৰত। ১৯১৩ চনত তেওঁ ডিব্ৰুগড়লৈ আহে। তেওঁ প্ৰথমতে এজন সুদক্ষ মটৰ গাড়ী চালক আছিল। মটৰ গাড়ীৰ চালক হৈয়ো তেওঁ সমাজৰ গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। ১৯২১ চনত মহাত্মা গান্ধী ডিব্ৰুগড়লৈ আহোঁতে তেওঁ এজন ইংৰাজ চাহাবৰ ৫০ নং গাড়ীৰে গান্ধীজীক ইঠাই সিঠাইলৈ অনা নিয়া কৰিছিল। তেওঁ আসাম এছোচিয়েচন, অসম লিটাৰেৰী কনফাৰেঞ্চ, অসম ছাত্ৰ সন্মিলন আৰু ভাৰতীয় জাতীয় কংগ্ৰেছৰ এজন নিষ্ঠাবান সেৱক আছিল। ডিব্ৰু-গড়ত গান্ধীজীৰ পদাৰ্পণৰ পিছৰে পৰা চৰ্দাৰজীৰ অন্তৰত স্বাধীনতা আন্দোলনৰ প্ৰতি অনুৰাগ ক্ৰমান্বয়ে বৃদ্ধি পায়। ১৯২৬ চনত পাণ্ডুত বহা ভাৰতীয় জাতীয় কংগ্ৰেছ অধিবেশনলৈ ডিব্ৰুগড়ৰ পৰা প্ৰতিনিধি হিচাপে যোগ দিয়ে। ১৯৩০ চনত আন্দোলনত যোগ দিয়া অপৰাধত এবছৰ ফাটেক খাটে। সেই সময়ত বৃটিচ চৰকাৰৰ ৯ নম্বৰ অধ্যাদেশ ভংগ কৰাৰ অপৰাধত যি তিনিজন লোক গ্ৰেপ্তাৰ হৈছিল তাৰ ভিতৰত এজন আছিল এই চৰ্দাৰ বৈৰাম সিং, বাকী দুজন আছিল পণ্ডিত জৱাহৰলাল নেহৰু আৰু লাহোৰৰ আক্টাৰ উদ্দিন। চৰ্দাৰজীয়ে কৰাচীত অনুষ্ঠিত ভাৰতীয় জাতীয় কংগ্ৰেছতো

যোগদান কৰিছিল। এই অধিবেশনলৈ যাওঁতে পথত পুলিচে প্ৰহাৰ গা তামাচী কৰে। ১৯৩৯ চনত ডিগবৈ তেল কোম্পানীত হোৱা শ্ৰমিক ধৰ্মঘটত যোগদান কৰা অভিযোগত গ্ৰেপ্তাৰ কৰি গুৱাহাটী কাৰাগাৰত ৰাখে। ১৯৪২ চনত ধুপধৰাত সত্যাগ্ৰহ কৰি জেললৈ যায় আৰু ১৯৪৪ চনত মুক্তি লাভ কৰে। ১৯৪৬ চনত ডিব্ৰুগড়লৈ ঘূৰি অহাৰ আগেয়েকে গোৱালপাৰাত অন্তৰীণ হৈ আছিল। চৰ্দাৰজী ডিব্ৰুগড় নগৰ কংগ্ৰেছ, ডিব্ৰুগড় জিলা কংগ্ৰেছ কমিটি আৰু অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ এগৰাকী বিশিষ্ট সদস্য আছিল। স্থানীয় শিখ নেহৰেজ ক্ষুলখন তেখেতৰ আপ্ৰাণ প্ৰচেষ্টাত স্থাপিত হয়। তেওঁ আজীৱন অবিবাহিত আছিল।

জয়চন্দ্ৰ গোস্বামী :

দিনজয় সত্ৰ, চাবুৱা। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল।

জয়চৰা গগৈ :

তিনিচুকীয়া। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল। এই মহিলা গৰাকীয়ে বিভিন্ন ঠাইত মহিলা সংগঠন কৰি আন্দোলনৰ কামত সহায় কৰিছিল। লগতে খাদী কেন্দ্ৰ স্থাপনতো সহায় কৰি-ছিল।

জিৎ বাহাদুৰ প্ৰধান :

মহমাৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন বগুৱা আছিল।

টংকেশ্বৰ বৰুৱা :

খজিহায়াৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল। ১৯৩৯ চনত ডিগবৈ তেল শোধনাগাৰত হোৱা শ্ৰমিক ধৰ্মঘটত যোগ দিছিল।

তৰুৰাম গোঁহাই :

কনুৱান বেঙ, তিনিচুকীয়া। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি তিনিমাহ সশ্ৰম কাৰাদণ্ডেৰে দণ্ডিত হয়।

ভনৰাম গগৈ :

শিলগ্ৰাম, ভায়া-নামৰূপ। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিছিল।

ডম্বৰুধৰ কোঁচ :

২ নং কেচেকুৱনি গাঁও। জন্ম ১৯০১, মৃত্যু ১৯৬১ চন। ১৯৪২ চনৰ পৰা গণ আন্দোলনত যোগ দি কাৰাবাস খাটিছিল। কোঁচ এজন একনিষ্ঠ কংগ্ৰেছ কৰ্মী, সমাজসেৱী আৰু দেশসেৱক আছিল।

তাৰাপ্ৰসন্ন দাস :

জয়পুৰ। অসহযোগ আন্দোলনৰ এগৰাকী কণুৱা আছিল। গোপনে প্ৰচাৰকাৰ্য চলাইছিল।

থানুৰাম গগৈ :

ধোপাগথাৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন সাহসী যোদ্ধা আছিল। তেওঁ ছয় মাহৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰিছিল।

দন্দিৰাম দাস :

১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়া বাবে তিনিমাহ কাৰাবাস খাটে।

দলবীৰ সিং লোহাৰ :

খলিহামাৰী। ১৯১৪ চনত মাৰ্ঘেৰিটাৰ লিডুত জন্ম গ্ৰহণ কৰে। ১৯৩৮ চনত ডিগবৈৰ অসম তেল কোম্পানীৰ ধৰ্মঘটত অংশ গ্ৰহণ কৰিছিল। অসম তেল কোম্পানীৰ ধৰ্মঘট আৰু দ্বিতীয় মহাসমৰৰ অজুহাতত তিনিচুকীয়া, ডিগবৈ অঞ্চলত ১৪৪ ধাৰা জাৰি কৰি ধৰ্ম-ঘটকাৰী নেতাকেইগৰাকীমান লোকক লক্ষীমপুৰ জিলাৰ পৰা বহিষ্কাৰ কৰে। তেল কোম্পানীৰ ধৰ্মঘটকাৰী নেতাসকলৰ এজন হিচাপে দলবীৰ সিং লোহাৰক গোৱালপাৰালৈ অন্তৰীণ কৰে। গোৱাল-পাৰাত তেওঁ সেৱাদল গঠন কৰি জিলা কংগ্ৰেছক সহায় কৰে। বনুৱা প্ৰাৰ্থী হিচাপে ১৯৪৫ চনত অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। তেওঁ অসমৰ বনুৱা সংগঠনৰ এজন প্ৰধান নেতা আছিল। ১৯৫৬ চনত ডিব্ৰুগড় চাৰ্কোল চাহ মজদুৰ সংঘৰ সভাপতি হয়। ১৯৫৯ চনৰ পৰা অসম চাহ মজদুৰ সংঘৰো কেইবাবছৰ ধৰি

সভাপতিৰ পদত থাকে। দলবীৰ সিং লোহাৰৰ চেষ্টাতে চাহ বাগানৰ ছোৱালীসকলক বয়ন শিল্পৰ প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যে বয়ন শিল্প প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন কৰে। এই প্ৰতিষ্ঠানটো এতিয়াও আছে। তেওঁ অসহযোগ আন্দোলনত যোগ দি জেললৈ গৈছিল। ডিব্ৰুগড় জিলা কংগ্ৰেছ সেৱাদলৰ সংগঠক আছিল আৰু চাহ বাগানতো সেৱা দল গঠন কৰিছিল। ডিব্ৰুগড় জিলা কানি নিবাৰণ, হোম গাৰ্ড, গাঁওৰক্ষী বাহিনী আদি বিভিন্ন অনুষ্ঠানৰ প্ৰধান কৰ্মী আছিল। ১৯৭২ চনত মৃত্যু হয়।

দামোদৰ সোনোৱাল:

বৰমেগেলা। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া অপৰাধত এমাহ সশ্ৰম কাৰাবাস খাটে। আন্দোলন শক্তিশালী কৰি তুলিবৰ বাবে গাঁও অঞ্চলৰ ৰাইজৰ মাজত সংগঠনৰ কামত আত্ম-নিয়োগ কৰিছিল।

দীপৰাম বৰুৱা:

অসহযোগ আন্দোলনত যোগ দিয়ে। গোপনে প্ৰচাৰকাৰ্য চলাই ৰাইজক আন্দোলনমুখী কৰিবলৈ চেষ্টা কৰিছিল।

দুৰ্গেশ্বৰ ভূঞা:

১৯৩০ চনত অসহযোগ আন্দোলনত লাগে। ১৯৪২ চনত তিনি মাহৰ সশ্ৰম কাৰাবাস খাটে।

দুৰ্গেশ্বৰ চাংকাকতি:

ডিব্ৰুগড়। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। বিভিন্ন ঠাইত সভা-সমিতি পাতি তেতিয়াৰ ছাত্ৰসকলক পঢ়া শুনা বাদ দি আন্দোলনত যোগ দিবলৈ আহ্বান কৰিছিল। ১৯৩০ চনত 'চিভিল ডিচঅবিডিয়েন্স' আন্দোলনতো আগভাগ লয় আৰু আন্দোলন সম্পৰ্কীয় গোপন বৈঠকত অংশ গ্ৰহণ কৰিছিল। এজন সাংবাদিক আছিল।

দুৰ্গাধৰ বৰুৱা:

ম'হমাৰি গাঁৱত জন্ম। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দিয়াৰ অপৰাধত এবছৰ কাল সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

দেবেন্দ্ৰ নাথ কাকতী ঃ

মোহনাঘাট। জন্ম ১৯০৫, মৃত্যু ১৯৭২। পিতৃ অনিলচন্দ্ৰ দত্ত কাকতী। ১৯২১ চনত স্কুল বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। তেওঁ মোহনাঘাটতে মহাত্মা গান্ধীৰ আদৰ্শত এখন আশ্ৰম পাতিছিল। ১৯৩১-৩২ চনৰ আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৪১ চনত ধেমাজীত সত্যাগ্ৰহ কৰা কাৰণে এবছৰ ফাটেক হয়। ফাটেকৰ পৰা মুক্ত হৈ তেওঁ শান্তি সেনা সংগঠনৰ কাম হাতত লয় আৰু নিভূত ব্ৰহ্মদেশৰ পৰা অহা ভগনীয়াৰ সেৱাৰ কামত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ চেপ্তেম্বৰ মাহত তেওঁক গ্ৰেপ্তাৰ কৰে আৰু আটকবন্দী হিচাপে ১৯৪৪ চনলৈকে ৰাখে। ফাটেকৰ পৰা মুক্তি লাভ কৰি গুপ্ত হিচাপে আন্দোলনৰ কামত ব্ৰতী হৈ ৰয়। স্বাধীনতাৰ পিছত গান্ধীজীৰ আদৰ্শত তেওঁ মোহনাঘাটতে এটা খাদী কেন্দ্ৰ স্থাপন কৰে।

দেবেন শইকীয়া ঃ

পেহীটেঙীবোৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন সাহসী ৰণুৱা আছিল। অসহযোগ আন্দোলনৰ সভা শোভাযাত্ৰা আদিত ভাগ লৈছিল আৰু আন্দোলন সংগঠনৰ কামত সহায় কৰিছিল।

দৌলতৰাম মুদি ঃ

তেওঁ তিনিচুকীয়াৰ মাৰোৱাৰী ইয়ং মেনচ এচোছিয়েশ্যনৰ সভাপতি আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত ভাগ লৈ সাংগঠনিক কাম-কাজ আৰু সভা শোভাযাত্ৰা আদিত সক্ৰিয় সহযোগিতা আগবঢ়াইছিল।

ধীৰেন্দ্ৰনাথ গগৈ ঃ

তিনিচুকীয়া। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। আন্দোলনৰ কামত সাহসিকতা আৰু নিষ্ঠাৰে আগভাগ লয়।

নগেন ৰায় বৰুৱা ঃ

টিপলিঙত জন্ম। ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰি এবছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

নবীনৰাম ফুকন :

মোহনাঘাট। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। আন্দোলনৰ কামত সকলো প্ৰকাৰে সহায় আৰু সহযোগ আগ বঢ়ায়। গোপনে প্ৰচাৰ কাৰ্য চলোৱাত লাগে।

নবীনচন্দ্ৰ শইকীয়া :

ডিব্ৰুগড়। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। আন্দোলনৰ কামত সাধ্যানুসাৰে সহায় কৰে।

নিত্যানন্দ শইকীয়া :

আধাৰবাৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ ভাগ লৈ আন্দোলনত জপিয়াই পৰিছিল। গোপনে প্ৰচাৰ কাৰ্য চলায়।

নীলকান্ত হাজৰিকা :

ডিব্ৰুগড় সদৰৰ অন্তৰ্গত ম'হমাৰী গাঁৱত জন্ম। ১৯৪২ চনৰ গণ বিপ্লৱত ছমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

নীলাম্বৰ দত্ত :

১৯২১ চনৰ অসহযোগ আন্দোলনৰ গুৰি ধৰোতাসকলৰ এজন আছিল। ১৯২১ চনৰ ১২ জানুৱাৰীত গঠন হোৱা প্ৰথমখন ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হয়।

পদ্মধৰ শইকীয়া :

ডিব্ৰুগড় সদৰৰ উষাপুৰ গাঁৱত জন্ম। ১৯৪০ চনৰ পৰা গণ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল। গাঁৱে গাঁৱে প্ৰচাৰ কাৰ্য চলাই আন্দোলনত সহায় কৰিছিল।

পদ্মৰাম জৈন :

১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি বিভিন্ন প্ৰকাৰে সহায় সহযোগ আগবঢ়ায়।

পৰমানন্দ গগৈ :

১৯১৮ চনত তিনিচুকীয়াত জন্ম। পিতৃ ধীৰেন্দ্ৰ নাথ গগৈ। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰি

আন্দোলনত যোগ দিয়ে। তেওঁ ১৯৩৬ চনত কংগ্রেছ সমাজবাদী দলত যোগ দিয়ে। ১৯৪২ চনৰ আন্দোলনত যোগ দি গ্ৰেপ্তাৰ বৰণ কৰে আৰু দুমাহৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ পায়। পিছত পলাতক কৰ্মী হিচাপে আন্দোলনৰ কামত লাগে। ১৯৪৮ চনত কংগ্ৰেছ ত্যাগ কৰি সমাজবাদী পাৰ্টিত যোগ দিয়ে যদিও পুনৰ কংগ্ৰেছলৈ উভতি আহে। ১৯৭২ চনত ৰাজ্যমন্ত্ৰী হয়। ১৯৭৬ চনত মৃত্যু হয়।

পৰশুৰাম দত্ত :

তিনিচুকীয়া। পিতৃ মদন দত্ত। ১৯২১ চনত মহাত্মা গান্ধীৰ ডিব্ৰু-গড়, তিনিচুকীয়া আদি ঠাইলৈ কৰা ভ্ৰমণ আৰু তেখেতৰ মহামূল্যবান ভাষণে অসহযোগ আন্দোলনৰ প্ৰতি আকৃষ্ট কৰে আৰু তেতিয়াৰে পৰা আন্দোলনৰ কামত জপিয়াই পৰে। ১৯৩০ চনত হোৱা আইন অমান্য আন্দোলনত যোগ দিয়া অপৰাধত সেই বছৰৰে অক্টোবৰ মাহত গ্ৰেপ্তাৰ বৰণ কৰি হাজোতত থাকে। বিচাৰত চাৰি মাহৰ সশ্ৰম কাৰাদণ্ড হয়। ১৯৩১ চনৰ জানুৱাৰী মাহত মুক্তি পায়।

১৯৪২ চনৰ ১০ আগষ্টত ভাৰত ত্যাগ আন্দোলনত যোগ দি গ্ৰেপ্তাৰ বৰণ কৰে। পিছত ডিব্ৰুগড় কাৰাগাৰলৈ চালান দিয়ে। সেই মাহৰে শেষৰফালে জামিনত মুক্তিপায়। মুক্তি পোৱাৰ কেইদিনমান পিছতে পুনৰ গ্ৰেপ্তাৰ হ'বলগীয়া হয় আৰু ১৯৪৩ চনৰ জানুৱাৰী মাহত মুক্তি পায়। ইয়াৰ পিছত পুনৰবাৰ গ্ৰেপ্তাৰ হোৱাৰ পিছত ১৯৪৪ চনত তেজপুৰ জেললৈ পঠায় আৰু ১৯৪৫ চনৰ ২৬ জানুৱাৰীত মুক্তি পায়। তেজপুৰ জেলৰ পৰা ওলাই আহি ঘৰ পোৱাৰ পিছদিনাই অনিৰ্দিষ্ট কালৰ বাবে অন্তৰীণৰ আদেশ দিয়ে। ডিব্ৰুগড় চাহ মজদুৰ সংঘ গঠনত তেওঁ ভূমি থাকিছিল। অসম শাখা ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছত সুদৰ উপ-সভাপতি আছিল।

পদ্মৰাম সোনোৱাল :

চিংখং, ভাদৈ পাঁচআলি। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন বণুৱা আছিল। আন্দোলনৰ কাৰ্যসূচীত ভাগ লৈ সংগঠনত লাগিছিল। বিদেশী কাপোৰ, মাদক দ্ৰব্য আদি বৰ্জনৰ বাবে গাঁও অঞ্চলৰ ৰাইজক আহ্বান কৰিছিল।

প্ৰসন্ন কুমাৰ বৰুৱা :

১৮৮৫ চনত ডিব্ৰুগড়ৰ আমোলাপট্টীত জন্ম গ্ৰহণ কৰে। পিতৃ মালভোগ বৰুৱা। ১৯২০ চনৰ ডিচেম্বৰৰ ২৬ তাৰিখৰ পৰা ২৮ তাৰিখলৈকে তেজপুৰত বহা অসম এচোচিয়েশ্যনত যোগ দিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত আগ ভাগ লৈ বিদেশী বস্ত্ৰ আৰু মাদক দ্ৰব্য বৰ্জন কৰিছিল। দুৰ্গানাথ চাংকাকতী আৰু ফাইজুৰ আলিৰে লগ লাগি সেই সময়ৰ ছাত্ৰ-ছাত্ৰীসকলক বিদেশী শিক্ষা ত্যাগ কৰি আন্দোলনত যোগ দিবৰ বাবে আহ্বান কৰি সভা-সমিতি পাতিছিল। ১৯২১ চনৰ ১২ জানুৱাৰী তাৰিখে গঠন হোৱা ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সভাপতি হয়। ১৯৩০ চনত চিভিল ডিচঅবিডিয়েঞ্চ আন্দোলনতো যোগ দিছিল। ৫।২।১৯৩০ আৰু ২৭।২।১৯৩০ তাৰিখে জিলা কংগ্ৰেছ কমিটিৰ দুখন সভা তেওঁৰ ঘৰত বহিছিল।

প্ৰেমানন্দ হাজৰিকা :

উষাপুৰ গাঁৱত জন্ম। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰি ছমাহ কাল সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ফৈজনুৰ আলি :

১৯২১ চনৰ আন্দোলনত আগ ভাগ লৈ গোপনে সংগঠন কৰি ফুৰিছিল। ১২।১।১৯২১ চনত গঠন হোৱা ডিব্ৰুগড় জিলা কংগ্ৰেছৰ কাৰ্যকৰী কমিটিৰ সদস্য আছিল।

বৰুনচন্দ্ৰ বৰবৰুৱা :

পিতৃ মুহিধৰ বৰবৰুৱা। অসহযোগ আন্দোলনত যোগ দি ২২।১।১৯৪৩ চনত গ্ৰেপ্তাৰ বৰণ কৰে আৰু ৪।৩।১৯৪৩ চনলৈ সশ্ৰম কাৰাবাস খাটে। ৫।৩।১৯৪৩ তাৰিখে জামিনত মুক্তি দি ১২।৬।৪৩ তাৰিখে সম্পূৰ্ণ মুক্তি পায়। তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰি ৬।৮।১৯৪৩ তাৰিখে শিৱসাগৰ জেললৈ পঠায় আৰু ২২।৮।১৯৪৩ তাৰিখে মুক্তি দিয়ে।

বিনাম ৰায় খেমানী :

১৯২১ চনৰ ১২ জানুৱাৰীত গঠন হোৱা ডিব্ৰুগড় জিলা কংগ্ৰেছ-কাৰ্যকৰী কমিটিৰ ধনভৰালী আছিল।

বেণুকুমাৰ বৰুৱা :

অসহযোগ আন্দোলনত আগভাগ লৈ আন্দোলন কৰা অপৰাধত ৭।২।১৯২২ তাৰিখে গ্ৰেপ্তাৰ কৰি তিনিমাহ সশ্ৰম কাৰাদণ্ড আৰু ৬০ টকা জৰিমনা বিহে।

বেনুধৰ দত্ত :

মহমাৰি গাঁৱত জন্ম। ১৯৪০-৪২ চনৰ গণ আন্দোলনত যোগ দিয়া বাবে মুঠ দুবছৰকাল কাৰাদণ্ড ভোগ কৰে।

বিলাসবায় খামানী :

ডিব্ৰুগড়। পিতৃ নন্দী খামানী। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দি ডিব্ৰুগড়ৰ বিভিন্ন অঞ্চলত সংগঠন আৰু মদ, কানি, ভাং আদিৰ দোকানত পিকেটিং কৰে। কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰিবলৈ মহিলা স্বেচ্ছাসেৱীৰ দল গঠন কৰিছিল। এই আন্দোলনত যোগ দিয়া বাবে তেওঁক চাৰি মাহৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা বিহে। অনাদায়ত আৰু এমাহৰ সশ্ৰম কাৰাদণ্ড হয়। ১৯৩২ চনৰ আন্দোলনতো যোগদান কৰি কংগ্ৰেছ অনুষ্ঠানলৈ টকা-পইচা দি সহায় কৰিছিল। ১৯৩৫ চনত মহাত্মা গান্ধী ভ্ৰমণত আহোঁতে তেওঁ গান্ধীজীক ডিব্ৰুগড়, শিৱসাগৰ আদিৰ ভ্ৰমণকাৰ্য্যত সহায় কৰিছিল। ১৯৪১-৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। ১৯৬০ চনত মৃত্যু হয়।

ভগবান চন্দ্ৰ দাস :

জয়পুৰৰ গেধু পথাৰ গাঁৱত জন্ম লাভ কৰে। ১৯৪২ চনৰ অসহযোগ আন্দোলনত যোগদান কৰা অপৰাধত তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ভদ্ৰেশ্বৰ গগৈ :

লংবই নহোলা গাঁৱত ১৯১৮ চনত জন্ম গ্ৰহণ কৰে। পিতৃ পুহমন গগৈ। ১৯৩৪ চনত শিক্ষা সাং কৰি একনিষ্ঠভাৱে সামাজিক কামত ব্ৰতী হয়। টিংখং যুৱক সংঘৰ সাধাৰণ সম্পাদক আছিল। ১৯৩৯ চনত কানি নিবাৰণী আন্দোলনত যোগ দিয়ে আৰু কংগ্ৰেছৰ সক্ৰিয় সদস্যভুক্ত হয়। ১৯৪০ চনত সত্যাগ্ৰহ আন্দোলনত যোগদান কৰে। ১৯৭৯ চনত মৃত্যু হয়।

কৰি কেণ্টমিনমানৰ কাৰণে কাৰাবাস খাটে। ১৯৪১ চনত সত্যাগ্ৰহী তালিকাভুক্ত হয়। ১৯৪২ চনত আন্দোলন পৰিচালনাৰ্থে গঠিত ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সভাপতি হয়। আন্দোলনত যোগ দিয়া বাবে ৯ মাহ কাৰাবাস খাটে। ১৯৪৩ চনত শংকৰচন্দ্ৰ বৰুৱাৰ নেতৃত্বত উজনি অসম কংগ্ৰেছৰ ডিব্ৰুগড় জিলা শাখাৰ সভাপতি নিৰ্বাচিত হয়। ১৯৪৪-৪৫ চনত মৌজা কংগ্ৰেছৰ সম্পাদক আৰু ১৯৪৪-৪৭ লৈকে সভাপতি নিৰ্বাচিত হয়। ১৯৪৬-৪৫ চনত জিলা আৰু অসম প্ৰাদেশিক সমিতিৰ সদস্য হয়। ১৯৪৮ চনত কংগ্ৰেছ দল ত্যাগ কৰি কংগ্ৰেছ ছচিয়েলিষ্ট দলৰ সমৰ্থক হয় আৰু ডিব্ৰুগড় জিলা কৃষক সভা গঠন কৰাত আগভাগ লয়। স্বাধীনতাৰ পিছত তেখেতে সমাজৰ বিভিন্ন ক্ষেত্ৰত সামাজিক কামত আত্মনিয়োগ কৰে। ১৯৭৯ চনত মৃত্যু হয়।

ভোগেশ্বৰ ভূঞা :

উষাপুৰ গাঁও। ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰি তিনিমাহ কাৰাবাস খাটে।

ভোগেশ্বৰ হাজৰিকা :

মহমাৰি গাঁও। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰা অপৰাধত এমাহৰ কাৰাবাস খাটে।

ভোলা শৰ্মা :

চৌকিডিঙি। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। গোপন প্ৰচাৰৰ যোগে জনসাধাৰণক আন্দোলন কৰিবলৈ উদগণি দি আন্দোলন শক্তিশালী কৰি তোলাত সহায় কৰে।

মহঃ মনচুৰ হুচেইন :

এওঁ ১৯২১ চনৰ আন্দোলনত যোগ দিয়াৰ অভিযোগত ২২ দিন সশ্ৰম কাৰাদণ্ড ভোগে।

মতিপ্ৰসাদ শইকীয়া :

মোৰাং। ১৯২১ চনৰ আন্দোলনত যোগ দি অঞ্চলটোৰ জনসাধাৰণৰ মাজত গোপনে সংগঠনৰ কাম কৰিছিল।

মিনাৰাম ডেকা :

মহমাৰি। ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰি ছয় মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

যদুনাথ ভুঞা :

১৯৩৮-৩৯ চনত ডিগবৈ তেল কোম্পানীৰ শ্ৰমিক সংঘৰ এজন সম্পাদক আছিল। তেল কোম্পানীত সেই সময়ত হোৱা ধৰ্মঘটত অংশ গ্ৰহণ কৰা অপৰাধত চৰকাৰে তেওঁক অন্তৰীণ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয়ভাবে অংশ গ্ৰহণ কৰাসকলৰ ভিতৰত আগশাৰীৰ কৰ্মী আছিল। এই আন্দোলনত যোগ দি গ্ৰেপ্তাৰ বৰণ কৰি সশ্ৰম কাৰাদণ্ড ভোগ কৰে। দেশ স্বাধীন হোৱাৰ পিছত তেওঁ ৰাজ্য বিধান সভাৰ সদস্য হয় আৰু জিলা কংগ্ৰেছ আৰু অসম শাখা ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ সভাপতি হয়। তেওঁ জীৱনৰ বহুখিনি সময় শ্ৰমিক আন্দোলনৰ লগত জড়িত হৈ আছিল।

যদুনাথ গগৈ :

জয়পুৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰি এবছৰ, ১৯৪০ চনত এবছৰ আৰু ১৯৪২ চনৰ গণ আন্দোলনত ৯ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

জয়পুৰ মৌজাৰ কপহুৰা গাঁৱত ১৮৬৪ চনত জন্ম হয়। পিতৃ বিলাৰাম গগৈ আৰু মাতৃ সুমথিৰা গগৈ। ১৯২১ চনৰ অসহযোগ আন্দোলনত কংগ্ৰেছ জাতীয় মহাসভাত সক্ৰিয় সভ্য হিচাপে অংশ গ্ৰহণ কৰে। ১৯২২ চনত আন্দোলনৰ প্ৰচাৰ কাৰ্য চলাই থকা অৱস্থাত জয়পুৰৰ পুলিচে গ্ৰেপ্তাৰ কৰি ডিব্ৰুগড় কাৰাগাৰলৈ চালান দিয়ে। বিচাৰত ৯ মাহ সশ্ৰম কাৰাদণ্ডৰ আদেশ হয়। ১৯৪০ চনত বাপুজীৰ একক সত্যাগ্ৰহত টেঙাখাটত সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ বৰণ কৰে আৰু এবছৰৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ পায় যদিও ৯ মাহৰ পিছতে বাপুজীয়ে সত্যাগ্ৰহ বন্ধ কৰাত খালাচ পায়। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ বৰণ কৰে। বিভিন্ন ধাৰাত অভিযুক্ত হৈ এবছৰ কাৰাবাস হয়। মুক্তিৰ পিছত গুপ্তভাবে আন্দোলনৰ প্ৰচাৰকাৰ্য চলাই থাকে। তেওঁৰ আজীৱন দেশৰ আৰু

সমাজৰ বিভিন্ন সামাজিক হিতকৰ কামত জড়িত আছিল। ১৯৬৬ চনৰ অক্টোবৰ মাহত ১০২ বছৰ বয়সত মৃত্যু হয়।

যোগেশ চন্দ্ৰ বৰগোহাঁই :

খলিহামাৰী। ডিকমৰ নাহৰতলী চাহ বাগিছাত জন্ম গ্ৰহণ কৰে। পিতৃ মোহনচন্দ্ৰ বৰগোহাঁই। ১৯১৬ চনত বৰগোহাঁয়ে ডিব্ৰুগড় অধিবক্তাসকলৰ সংঘত যোগদান কৰে। মহাত্মা গান্ধীৰ ডিব্ৰুগড় ভ্ৰমণ কালত দেশ স্বাধীন কৰাৰ হকে দিয়া মহামূল্যবান ভাষণে অসহযোগ আন্দোলনৰ প্ৰতি আকৃষ্ট কৰে আৰু তেতিয়াৰে পৰা অৰ্থাৎ ১৯২১ চনৰ পৰা আন্দোলনত যোগদান কৰে। ১২।২।১৯২১ ত ডিব্ৰুগড় জিলা কংগ্ৰেছৰ দ্বিতীয়া সম্পাদক নিৰ্বাচিত হয়। ৯।২।১৯২২ তাৰিখে পুলিচে গ্ৰেপ্তাৰ কৰি ৬০ টকা জৰিমনা সহ তিনিমাহ সশ্ৰম কাৰাদণ্ড দিহে। তেওঁ ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দি গ্ৰেপ্তাৰ বৰণ কৰে। ১৩।১০।১৯৩০ তাৰিখে তিনি মাহ ফাটেকৰ হুকুম হয়। লগতে ১০০ টকা জৰিমনা দিহে। অনাদায়ত পুনৰ এমাহৰ সশ্ৰম কাৰাদণ্ডৰ আদেশ হয়। ১২।২।১৯৩১ চনত ফাটেকৰ পৰা মুক্তি লাভ কৰে। ১৯৩৭ চনত পশ্চিম ডিব্ৰুগড় সমিষ্টৰ পৰা অসম লেজিচলেটিভ কাউন্সিললৈ নিৰ্বাচিত হয়। উক্ত কাউন্সিলৰ সদস্য হৈ থকা অৱস্থাতে ১৯৪৪ চনত মৃত্যু হয়।

যোগেশ্বৰ গোহাঁই :

১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া অপৰাধত গ্ৰেপ্তাৰ বৰণ কৰি তিনি মাহৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

যোগেশ্বৰ বৰুৱা :

অসহযোগ আন্দোলনত যোগ দি ৩০।৮।৩১ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি এবছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

যোগেন গোহাঁই :

হৈখোৱা, চলা। পিতৃ ৰায়চাহাব দৌলতচন্দ্ৰ বুঢ়াগোহাঁই। ১৯৩৮ আৰু ১৯৪২ চনৰ অসহযোগ আন্দোলনত যোগ দি গোপনে সংগঠনৰ কামত লাগিছিল।

যজ্ঞেশ্বৰ কাকতি :

উমাপুৰ গাঁৱত জন্ম। ১৯৪২ চনৰ গণ আন্দোলনত যোগদান কৰে। এনে অপৰাধৰ অভিযোগী হিচাপে ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ৰজনীকান্ত বৰুৱা :

অসহযোগ আন্দোলনৰ এজন আগশাৰীৰ কৰ্মী। ১২।১।১৯২১ তাৰিখে গঠন হোৱা ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সহ সম্পাদক আছিল। তেখেত এজন সুসংগঠক আৰু নিস্বাৰ্থ সমাজ কৰ্মী হিচাপে কাৰ্য-নিৰ্বাহ কৰিছিল।

ৰাধাকৃষ্ণ শাহ :

আলিমূৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি গোপনে সহায় সহযোগ আগবঢ়াইছিল।

ৰোহিনীকান্ত লাহন :

পদুমনী গাঁও, টেঙাখাট। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি গোপনে সংগঠনৰ কামত সহায় কৰিছিল।

লক্ষেশ্বৰ বৰুৱা :

খলিহামাৰী। জন্ম ১৮৯৮, মৃত্যু ১৯৭৫ চন। পিতৃ জীৱেশ্বৰ বৰুৱা আৰু মাতৃ গিৰিজা বৰুৱা। ১৯২১ চনৰ অসহযোগ আন্দোলনত এজন আগশাৰীৰ নেতা আছিল। ৯।১।১৯২২ তাৰিখে গ্ৰেপ্তাৰ কৰি দুমাহ সশ্ৰম কাৰাদণ্ড আৰু ১০০ টকা জৰিমনা হয়। আনাদায়ে আৰু দুমাহ সশ্ৰম কাৰাদণ্ডৰ আদেশ দিয়ে। ১৯২৬ চনত ডিব্ৰুগড় জিলাৰ পৰা স্বৰাজ্য দলৰ সদস্য আছিল। ১৯৩০ চনত ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সভাপতি আছিল। ১৯৩০ চনৰ পৰা ১৯৩২ চনলৈকে চিভিল ডিচঅবিডিয়েঞ্চ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪১ চনৰ সত্যাগ্ৰহত যোগ দি ১৩।১।১৯৪১ তাৰিখৰ পৰা ১৯।২।৪২ তাৰিখলৈ এবছৰৰ অধিক কাল কাৰাদণ্ড ভোগ কৰে। পুনৰ ৯।৮।১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰে। ১৯২১ চনৰ ১২ জানুৱাৰীত ডিব্ৰুগড় জিলা কংগ্ৰেছৰ উপ সভাপতি হয়। ১৯৪৬ চনত অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৫৭ চনত অসম বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হয়। তেওঁ ডিব্ৰুগড়ৰ সকলোবোৰ সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠানৰ লগত জড়িত হৈ আছিল।

লক্ষী তামুলী :

মহমাৰী গাঁও। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰি এমাহৰ কাৰণে কাৰাবাস খাটে।

লক্ষীপ্ৰসাদ শইকীয়া :

বুৰী খোৱাং। অসহযোগ আন্দোলনত যোগ দিছিল। এজন সমাজ কৰ্মী আৰু সংগঠক আছিল।

ললিত হাজৰিকা :

জন্ম ১৯১৬ চন। পিতৃ প্ৰতাপ হাজৰিকা আৰু মাতৃ ভগ্নেশ্বৰী হাজৰিকা। ১৯৩০ চনৰ আইন অমান্য আন্দোলনে তেওঁৰ অন্তৰ স্পৰ্শ কৰিছিল। ছাত্ৰ ধৰ্মঘটত অংশ গ্ৰহণ কৰি ৪ মাহ আত্মগোপন কৰি থকাৰ পিছত পুলিচে গ্ৰেপ্তাৰ কৰি কাৰাগাৰত ৰাখে। ভাৰত প্ৰতিৰক্ষা আইনৰ অধীনত ১৯৪৩ চনৰ চেপ্তেম্বৰৰ পৰা ১৯৪৪ চনৰ জানুৱাৰী পৰ্যন্ত তেজপুৰ জেলত ৰাখে। ১৯৪৫ চনৰ পৰা ১৯৫০ চন পৰ্যন্ত ডিব্ৰুগড় জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক আছিল। গান্ধীবাদ আৰু সৰ্বোদয়ৰ গঠনমূলক আদৰ্শৰ প্ৰতি তেওঁ আকৃষ্ট হৈছিল। ললিত হাজৰিকাই একালত অসমৰ অতি স্পৰ্শকাতৰ এলেকা স্বৰূপ পৰ্বতীয়া জনজাতীয় বাইজৰ বিশেষকৈ 'আদি' সমাজৰ ধ্যান-ধাৰণা, জীৱন-ধাৰা অতি আন্তৰিকতাৰে চিন্তা চৰ্চা কৰিছিল।

লীলাকান্ত শইকীয়া :

ডিব্ৰুগড়ৰ উষাপুৰ গাঁৱত জন্ম। তেওঁ ১৯৪২ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি তিনি বছৰ আটক বন্দী হৈ থাকে। আন্দোলনৰ বিভিন্ন কাৰ্যসূচীত অংশ গ্ৰহণ কৰি গাঁৱে গাঁৱে প্ৰচাৰ কাৰ্য চলাইছিল আৰু সামাজিক কল্যাণমূলক কামত নিজকে ব্যস্ত ৰাখিছিল।

লিহিং চন্দ্ৰ মহন্ত :

ডিপা সত্ৰ, কাকপথাৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন বণুৱা আছিল। আন্দোলনত যোগ দিয়াৰ অপৰাধত গ্ৰেপ্তাৰ কৰি এমাহ সশ্ৰম কাৰাদণ্ড দিয়ে।

লিউপুজন শৰ্মা :

ডিব্ৰুগড়। ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১২।১।১৯২১ চনত যেতিয়া প্ৰথমবাৰৰ বাবে ডিব্ৰুগড়ত জিলা কংগ্ৰেছ গঠন হয় তেতিয়া তেওঁ জিলা কংগ্ৰেছৰ কাৰ্য্যকৰী

কমিটিৰ এজন সদস্য হিচাপে নিৰ্বাচিত হৈছিল। শৰ্মা এজন সুসংগঠক আৰু সমাজ কৰ্মী আছিল। আন্দোলনত যোগ দিয়া অপৰাধত দুমাহৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

শ্যামচৰণ চৌধুৰী :

ডিব্ৰুগড়। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ বণুৱা আছিল। আন্দোলন সম্পৰ্কীয় বা-বাতৰি, জাননী আদি গোপনে বিতৰণ কৰি ৰাইজৰ মাজত প্ৰচাৰকাৰ্য চলাইছিল আৰু আন্দোলন সম্পৰ্কীয় সকলোবোৰ গোপন আলোচনাত অংশ গ্ৰহণ কৰিছিল।

সিদ্ধেশ্বৰ গগৈ :

অসহযোগ আন্দোলনত সক্ৰিয়ভাৱে যোগ দি ১৩।১২,১৯২২ তাৰিখে গ্ৰেপ্তাৰ কৰি তিনিমাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা বিহে।

সুৰেন্দ্ৰনাথ শৰ্মা :

চিৰিং চাপৰি। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি গোপনে থাকি অসহযোগ আন্দোলনৰ সংগঠনৰ কাম কৰিছিল।

সুশীল বুঢ়াগোহাঁই :

জয়পুৰ মৌজাৰ হিন্দু গাঁৱত ১৯২৫ চনৰ মাৰ্চ মাহত জন্ম গ্ৰহণ কৰে। ১৯৮৭ চনৰ ২০ নবেম্বৰত মৃত্যু হয়। পিতৃ ৰিনন্দ চন্দ্ৰ বুঢ়াগোহাঁই আৰু মাতৃ সত্যৱতী গোহাঁই। ১৯৪০ চনত কংগ্ৰেছ সেৱাদলত যোগ দি নায়ক হোৱাৰ যোগ্যতা লাভ কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গাঁৱে গাঁৱে প্ৰচাৰকাৰ্য চলাইছিল। জয়পুৰ থানাই বহুত কষ্ট কৰিও তেওঁক ধৰিব নোৱাৰি পাইকাৰী জৰিমনা হিচাপে তেওঁৰ অনুপস্থিতিত দেউতাকৰ পৰা কুৰি টকা আদায় কৰি লগতে ঘৰৰ ফুৰা বাইচাইকেলখনো লৈ যায়। ১৯৪৫-৪৬ চনত বিপ্লৱী বীৰ শংকৰ বৰুৱাৰ লুণ মাৰি আন্দোলনৰ প্ৰচাৰকাৰ্য চলায়। ১৯৪৬ চনত অসম কংগ্ৰেছ চৰকাৰ গঠন হোৱা পৰ্যন্ত পদাতিক হিচাপে থাকি কাম কৰি থাকে। স্বাধীনতাৰ পিছতো তেওঁ সমাজৰ বিভিন্ন অনুষ্ঠান আদিত সেৱা আগবঢ়াই গৈছিল।

সুপ্ৰভা দত্ত :

মোহনাঘাট। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি মহিলা সকলকো আন্দোলনৰ বাবে সংগঠিত কৰাৰ চেষ্টা কৰিছিল। জিলাখনৰ বিভিন্ন ঠাইত মহিলা সংগঠন কৰি আন্দোলনৰ কামত সহায় কৰিছিল।

সোমেশ্বৰ বৰুৱা :

তিনিচুকীয়া। ১৯২১ চনৰ অসহযোগ আন্দোলন সমৰ্থন কৰি আন্দোলনত যোগ দিছিল। বিভিন্ন প্ৰকাৰে সংগঠনৰ কামত দিহা পৰামৰ্শ দি সহায় কৰিছিল।

হলধৰ সোনোৱাল :

বৰমেগেলা। ১৯২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয়ভাৱে যোগ দিছিল। আন্দোলনত অংশ গ্ৰহণ কৰা অপৰাধত আটক কৰি এমাহৰ সশ্ৰম কাৰাদণ্ড বিহে।

হাকিম ৰহমত আলি :

১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। তেওঁ গোপনে থাকি জনসাধাৰণক সংগঠিত কৰাৰ চেষ্টা কৰিছিল আৰু বিভিন্ন প্ৰকাৰে আন্দোলনৰ কামত সহায় কৰিছিল।

হাজি চিৰাজুল হুছেইন :

শুকানপুখুৰী, তিনিচুকীয়া। ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰা অপৰাধত গ্ৰেপ্তাৰ বৰণ কৰি এমাহকাল সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

হিৰণ্য বালা দে :

দুহাৰ চুক। ১৯২১ চনৰ এগৰাকী মহিলা সংগঠক আছিল। অসহযোগ আন্দোলনত যোগ দি মহিলাসকলৰ মাজত সংগঠন গঢ়ি তুলিছিল।

হেমকান্ত বৰপুজাৰী :

১৯২১ চনৰ অসহযোগ আন্দোলনৰ এজন বগুৱা আছিল। গান্ধীজীৰ অহিংস নীতিৰ বাণীয়ে আকৃষ্ট কৰিছিল। আন্দোলনত যোগ দি তেওঁ তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

হেমচন্দ্ৰ শইকীয়া :

চবাইবাহী। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। তেওঁ তলে তলে সংগঠনৰ কাম কৰি আন্দোলনৰ কামত সহায় কৰিছিল।

হেমচন্দ্ৰ তামুলী :

বৰ অভয়পুৰীয়া। হেমচন্দ্ৰ তামুলীয়ে ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়াৰ উপৰিও সংগঠনৰ কামত বিভিন্ন প্ৰকাৰে সহায় সহযোগ আগবঢ়াইছিল। এজন নিষ্ঠাবান সমাজ কৰ্মী আছিল।

গোলাঘাট

আদিৰাম বৰুৱা :

জামুগুৰি। ১৯৩৫ চনত কংগ্ৰেছত যোগ দান কৰিছিল। ১৯৪২ চনলৈ আত্মগোপন ভাবে কাম চলাইছিল।

আনন্দ শৰ্মা :

বৰুৱা গাঁও। ১৯৪২ চনত আত্মগোপন কৰি প্ৰায় আঢৈ বছৰ কাম কৰে।

অৰুণ মুক্তিয়াৰ :

হাবিয়াল গাঁও। ১৯২১ চনৰ আন্দোলনত ভাগ লয়।

অৰুণ চন্দ্ৰ শইকীয়া :

বোকাখাট। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ আন্দোলনত ভাগ লয়।

আনন্দ ৰাম বৰুৱা :

খনিকৰ গাঁও। ১৯৪২ চনৰ গণ বিপ্লবী নেতা আছিল।

আইধনী দত্ত :

খনিকৰ গাঁও। ১৯৪২ চনৰ আন্দোলনত মহীলা কৰ্মী হিচাপে ভাগ লয়।

আনন্দ চন্দ্ৰ শৰ্মা :

বাৰি চোৱা, বামুণ গাঁও। ১৯৪২ ৰ আন্দোলনত ভাগ লয়।

আৰেশ্বৰ দত্ত :

পিতৃ বংশী দত্ত। ১৯৪২ চনত কংগ্ৰেছৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত তেওঁৰ দোকান ঘৰ খানাতালাচ কৰাত কেইজনমান কংগ্ৰেছৰ নথী পত্ৰ পাই তেওঁৰ দোকান বন্ধ কৰি দিয়ে।

অমৰ নাথ নেওগ :

বাহকৰা গাঁও। ১৯৩২ চনত কংগ্ৰেছত যোগদান দিয়ে। ১৯৪২ চনত পলাতক হিচাপে কাম কৰে :

আটাউৰ ৰহমান :

দেড়গাঁও। ১৯৪২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

আনন্দি বৰুৱা :

মৰদী মৌজাৰ পকা গাঁৱত জন্ম। ১৯৩২ চনত যাৰিকী দাসৰ লগতে ভেগুৰো গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ পঠায়। তাত ৬ মাহ কাৰাবাস খাটে।

ইন্দ্ৰেশ্বৰ ফুকন :

১নং সজকবে গাঁও। সৰুপথাৰ। (বৰ্ত্তমান ঘিলাধাৰী মাহিমেলীয়া গাঁও) জন্ম—১৯২১ চন। প্ৰাইমেৰী স্কুলৈ পঢ়িছিল। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে গ্ৰেপ্তাৰ কৰি জেললৈ পঠায়। ব্ৰিটিছ চৰকাৰৰ আদালতৰ বিচাৰ মতে দহ বছৰ কাৰাদণ্ড দিয়ে। জেললৈ যোৱাৰ সময়ত তেখেতৰ বয়স আছিল ২১ বছৰ ইং ২৬।১০।৪২ চনত পুলিছে গ্ৰেপ্তাৰ কৰে। ইং ২৭।৪।৪৬ চনত নগাওঁ জেলৰ পৰা মুক্তি দিয়ে। গোলাঘাট, যোৰহাট, নগাঁও জেলত আছিল।

ইন্দ্ৰেশ্বৰ বৰবেধি :

১৯২১ চনৰ পিকেটিংকাৰী।

ইশেশ্বৰ কোঁৱৰ :

বিৰিণানাম্বৰ, ১৯২১ চনত আন্দোলনত যোগ দিয়ে।

ইন্দ্ৰনাথ গোস্বামী :

গ্ৰেপ্তাৰ হৈ ২৫।৮।২২ চনত মুক্তি পায়।

উমাকান্ত বৰুৱা :

১৯২১ চনত আন্দোলনত যোগ দিয়ে। ১৯৩০ চন আৰু ১৯৩২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰাৰ সংক্ৰান্তত পুলিছে

গ্ৰেপ্তাৰ কৰি ১৯৩২ চনৰ ১৭।৩।৩২ ১ বছৰ কাৰাদণ্ড দিহে আৰু ১০০ টকা জৰিমনা দিহে, অনাদায়ে ২ মাহ কাৰাবাস খাটিব দিয়ে। ১৮।৩।৩২ চনত যোৰহাট জেললৈ বদলি কৰে। ১৯৫০ চনত মৃত্যু বৰণ কৰে।

কনকেশ্বৰ বৰা :

দমজীয়া গাঁও। ১৯৪২ চনৰ গণ আন্দোলনত পলাতক হিচাপে কাম কৰে।

কুশৰাম দত্ত :

খনিকৰ গাঁও। ১৯৪২ চনত গণ আন্দোলনত গোপনে কাম কৰে।

কাৰ্ত্তিক চন্দ্ৰ সোনোৱাল :

১৯৩০ চনৰ পৰা ১৯৪২ চনলৈ আন্দোলনত ভাগ লয় আৰু ৬ মাহ কাল ক্ষা:টক খাটে।

কচাকণি :

কমাৰ গাঁও, ১৯৩২ চনৰ আন্দোলনত সহকৰ্মী হিচাপে কাম কৰে।

কেশৰাম শইকীয়া :

গোলাঘাট অভয়াজুৰিয়া। ১৯২১ চনত মণ্ডল চাকৰি বাদ দি আন্দোলনত অংশ গ্ৰহণ কৰে। ৩০।৩।৩২ চনত ৬ মাহ কাৰাবাস আৰু ৫০ টকা জৰিমনা ভৰে।

কমলেশ্বৰ শৰ্মা :

গোলাঘাট টাউন। ৬।১।২২ গ্ৰেপ্তাৰ হৈ ৯ মাহ কাৰাবাস খাটে আৰু নগদ ১০০ টকা জৰিমনা ভৰে।

কমলেশ্বৰ মহন্ত :

মিহামৰা। ১৯৩২ চনৰ মুক্তি যুঁজাৰু আছিল। ১৯৪২ চনৰ আন্দোলনত কাৰাবৰণ কৰে।

কলাই বৰা :

বেজগাঁও, কাকডোঙা। পিতৃ মহাই বৰা। ১৯৪২ চনত শিক্ষা বৰ্জন কৰি কংগ্ৰেছত যোগ দি মৃত্যু বাহিনীত নাম লিখে আৰু শঙ্কৰ বৰুৱা, ৰমাকান্ত বৰুৱাৰ নেতৃত্বত সক্ৰিয় অংশ গ্ৰহণ কৰে।

কুশৰাম কলিতা :

কুমাৰ গাঁও, কাকডোঙা। পিতৃ জুবাই কলিতা। ১৯৩৬ চনত ঠগীৰাম বৰাৰ শান্তি সেনাৰ প্ৰশিক্ষণ লয়। ১৯৪২ চনত মুক্তি বাহিনীত যোগ দি গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি পলাতক অৱস্থাত থকা শঙ্কৰ বৰুৱা আদি লোকক সহায় কৰে।

কমলেশ্বৰ মহন্ত :

কাঠবাপু সত্ৰ, বাবেশ্বৰীয়া গাঁও, দৈয়াদিয়া। ১৯২১ চনত কংগ্ৰেছত ভৰ্তি হয়। আইন অমান্য দোষত বন্দী হয়। ১৯৪০ চনৰ ভাৰত ত্যাগ আন্দোলনৰ অপৰাধত ২ বছৰ ৬ মাহ কাল ফাটেক খাটে।

কুসুম কুমাৰী দত্ত :

গুৱালগাঁও। ১৯৪২ ৰ গণ আন্দোলনৰ সময়ত পলাতক হিচাবে কাম কৰে।

কৰ্মোদাস কোঁৱৰ :

টেঙাহোলা গাঁও. সৰুপথাৰ। ১৯৪২ চনত শ্বহীদ কুশল কোঁৱৰৰ লগত কংগ্ৰেছৰ সক্ৰিয় কৰ্মী হিচাবে সহযোগ কৰে। সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত ২৬।১০।৪২ চনত পুলিছে আতক কৰে। ১৮।১০।৪৩ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। শিক্ষা—প্ৰাইমেৰী স্কুলত পঢ়িছিল।

৺কনকেশ্বৰ কোঁৱৰ :

২ নং সন্ধাকৰৈ গাঁও, সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰ ৰেল দুৰ্ঘটনাৰ অপৰাধত পুলিছে গ্ৰেপ্তাৰ কৰি জেলৰ

পঠায়। বৃটিছ কোর্টৰ আদালতৰ বিচাৰত প্ৰাণদণ্ড হুকুম দিয়ে। পাছত প্ৰাণদণ্ডৰ পৰা ৰেহাই দি দহ বছৰ কাৰাদণ্ড দিয়ে। ১৯৪২ চনৰ অক্টোবৰ মাহৰ দ্বিতীয় পষেকত পুলিছে গ্ৰেপ্তাৰ কৰিছিল। তেখেত গোলাঘাট, যোৰহাট আৰু নগাঁও জেলত আছিল। ইং ২৭।৪।৪৬ চনত নগাঁও জেলৰ পৰা মুক্তি দিয়ে। জন্ম —১৯০৫ চনত আৰু মৃত্যু—১৯৮১ চনত। শিক্ষা প্ৰাইমেৰী স্কুলৰ খ মান শ্ৰেণীলৈকে পঢ়িছিল। জেলত মুঠ ৩ বছৰ ৬ মাহ আছিল।

কেদাৰনাথ হাজৰিকা :

গোলাঘাট মহকুমাৰ খুমটাই মৌজাৰ চিনাতলী গাঁও। ১৮৯৮ চনত জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ বনমালি হাজৰিকা আৰু মাতৃ পুতু হাজৰিকা। তেখেতে ১৯১৬ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। তাৰ পিছত মুক্তিয়াৰী শিক্ষা গোলাঘাটত আহৰণ কৰে। ১৯২১ চনৰ পৰা ভাৰত স্বাধীনতা সংগ্ৰামত যোগ দান কৰে। ১৯৬৮ চনত তেওঁৰ মত্যু হয়।

কালিৰাম কোঁৱৰ :

২ নং সজকৰৈ গাঁও, সৰুপথাৰ। ১৯৪২ চনত সৰুপথাৰ ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে আতক কৰি, আতক বন্দী হিচাপে যোৰহাট জেলত ১ বছৰ ৬ মাহ ৰাখি মুক্তি দিয়ে। ১৯৪২ চনৰ অক্টোবৰ মাহৰ দ্বিতীয় পষেকত পুলিছে গ্ৰেপ্তাৰ কৰে। ১৯৪৪ চনৰ ২৮ এপ্ৰিলত যোৰহাট জেলৰপৰা মুক্তি দিয়ে।

কালিৰাম বৰা :

চাৰিপুৰিয়া গাঁও। ১৯৪২ চনত সহযোগী কৰ্মী আছিল।

কণগি কোঁৱৰ :

১৯৩০ চনৰ পৰা সহযোগী কৰ্মী আছিল।

কুশল সিং চেত্ৰী :

গড়িগাঁও।

কনক চন্দ্ৰ দাস :

শেনচোৱা গাঁও। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰাৰ

পিছত ৬ মাহ কাল সশ্ৰম আৰু ৫০ টকা জৰিমনা হয়।

কনকেশ্বৰ হাজৰিকা :

গোঁহাই গাঁও। ১৯২১ চনত পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিয়ে।

কেদাৰ নাথ :

চিনাতলি গাঁও। ১৯২১ চনত অসহযোগ আন্দোলনত ব্ৰতী হয়। ৬।১।২২ চনত ১ মাহ কাল জেল আৰু ১০ টকা জৰিমনা হয়।

কনকেশ্বৰী হাজৰিকা :

বঁহাকুমাৰ গাঁও। ১৯২১ চনত কংগ্ৰেছত যোগ দান কৰে।

কুমেশ্বৰ বৰুৱা :

খনিকৰ গাঁও ১৯৩২ চনত আন্দোলনত যোগ দিয়ে। ১৯৪২ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰি কাম কৰে।

কেশৰাম গগৈ :

২নং প্ৰেমদাৰা গাওঁ, টেঙাবাৰী। পিতৃ তেমেনা গগৈ। জন্ম ১৮৭৫ চন। মৃত্যু ১৯৮১ চন। প্ৰাইমেৰী স্কুললৈ পঢ়িছিল। ১৯৩৫ চনৰ পৰাই শ্বহীদ কুশল কোঁৱৰৰ লগত সক্ৰিয় হিচাবে কংগ্ৰেছত যোগ দিয়ে। সৰুপথাৰ অঞ্চলৰ এজন আগশাৰীৰ সমাজ কৰ্মী আছিল। বহুত অনুষ্ঠানৰ লগত জড়িত আছিল। ইং ১৯৪২ চনৰ আন্দোলনত ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে গ্ৰেপ্তাৰ কৰি জেললৈ পথায় আৰু আতক বন্দি কৰি জেলত ৰাখে। ইং ১৬।১০।৪২ চনত পুলিছে গ্ৰেপ্তাৰ কৰে। ইং ১৪।২।৪৫ চনত শিলচৰ জেলৰ পৰা মুক্তি দিয়ে। তেখেত গোলাঘাট, যোৰহাট, তেজপুৰ আৰু শিলচৰ জেলত আছিল। তেখেত কাৰাগাৰত মুঠ ২ বছৰ ৪ মাহ আছিল। তেখেত ১০৬ বছৰ জীৱিত আছিল।

কেশৱ সোনোৱাল :

কেশৱ সোনোৱাল বুঢ়া গোঁহাই খাটৰ মৰঙী মৌজাৰ

লোক। তেওঁ ১৯৩২ চনৰ কংগ্ৰেছত যোগ দি মদ ভাঙৰ দোকান-নত পিকেটিং কৰোতে পুলিচে গ্ৰেপ্তাৰ কৰি স্কাটকত দিয়ে। আৰু ছমাহ কাৰাবৰণ কৰে।

শ্বহীদ কুশল কোঁৱৰ :

১৯০৫ চনৰ চ'ত মাহৰ ৯ দিন যোৰাত কুশল কোঁৱৰৰ বালিজানাত জন্ম হয়। পিতৃ কাঠ ব্যৱসায়ী সোনাৰাম কোঁৱৰ আৰু মাতৃ কণকেশ্বৰী। ১৯১২ চনত কুশলকোঁৱৰে প্ৰাথমিক স্কুল আৰু ১৯১৮ চনত গোলাঘাট বেজবৰুৱা মধ্য ইংৰাজী স্কুলত পঢ়ে। ১৯২৫ চনত প্ৰাইমাৰী স্কুলৰ অবৈতনিক শিক্ষক ৰূপে যোগদান কৰে। ১৯২৭ চনৰ পৰা ১৯৩৬ চনলৈ অসমীয়া চাহ খেতিয়ক বিশ্বেশ্বৰ শৰ্মাৰ বাগিছাত কেৰাণী কাম কৰে। ১৯২১ চনৰ ২৪ ফেব্ৰুৱাৰীত মৰংগীকোঁৱৰ গাঁৱৰ প্ৰেমানন্দ দুৱৰাৰ কন্যা প্ৰভাৱতীক বিয়া কৰায়। ১৯৩৪ চনত মহাত্মা গান্ধীৰ অসম ভ্ৰমণৰ সময়ত কুশলকোঁৱৰ প্ৰমুখ্যে ডেকা সকলে মহাত্মা গান্ধীৰ সেৱা শুশ্ৰূষাৰ ভাৰ লয়। সেইদিন ধৰি কুশল কোঁৱৰ নিৰামিষহাৰী হয়। ১৯৪২ চনৰ ঐতিহাসিক "ভাৰতত্যাগ" আন্দোলনত যোগদান কৰে। "কৰিম কিম্বা মৰিম" ধ্বনিৰে দিক্ষিত হয়। ১০ চেপ্তেম্বৰত সৰুপথাৰ ষ্টেচনত ৰেল দুৰ্ঘটনাত অভিযুক্ত কৰি ১৩ চেপ্তেম্বৰ ৰাতিপুৱা কুশলকোঁৱৰক গ্ৰেপ্তাৰ কৰে। ১৯৪৩ চনৰ ১১ ফেব্ৰুৱাৰীত গোলাঘাট লোকেল-বোৰ্ড কাৰ্য্যালয়ত ৰেল দুৰ্ঘটনাত অভিযুক্ত বন্দীসকলৰ বিচাৰ আৰম্ভ হয়। হামফ্ৰে চাহাবে তিনিদফাত বিচাৰ শেষ কৰে। তৃতীয় দফাত কুশলকোঁৱৰ, ঘনশ্যাম শইকীয়া কনকেশ্বৰ কোঁৱৰ আৰু ঘনকান্ত ডেকাৰ ফাচীৰ হুকুম হ'ল। পিচত কুশলকোঁৱৰৰ বাহিৰে বাকী কেইজনক মৃত্যু দণ্ডৰ পৰা ৰেহাই দিয়ে। চাৰিওজন বন্দীক অন্ধকাৰ কাৰাগাৰত ৰখা হৈছিল।

জেলৰ পৰা বিদায় লোৱাৰ মুহূৰ্ত্তত অধ্যক্ষ হেমবৰুৱাই কুশলকোঁৱৰক প্ৰণাম এটিৰে বিদায় দিয়াত কুশল কোঁৱৰে কৈছিল। "জন্ম হলে মৃত্যু অনিবাৰ্য্য। মোৰ আনন্দ ভগবানে মোকে বাচি লৈছে। ভগবানে মোক ভাল পায়। ১৯৪৩ চনৰ

১৫ জুন তাৰিখে পুৱা ৪-৩০ বজাত যোৰহাট জেলত কুশল কোঁৱৰক ফাচী দিয়া হয়। ফাচী কাঠত উঠি "পাৰকৰা ৰঘুনাথ সংসাৰ সাগৰ" পৰম অমৃতময় নাম উচ্চাৰণ কৰি আজন্মবীৰ অসম মাতৃৰ আচলৰ ধন কুশলকোঁৱৰৰ বিদেহী আত্মাই স্বৰ্গ ধামলৈ গতি কৰিলে।

কামিনী বড়া :

পানজান গাওঁ। সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত শ্বহীদ কুশল কোঁৱৰৰ লগত কংগ্ৰেছৰ কামত সক্ৰিয় সহযোগী কৰ্মী আছিল। সৰুপথাৰ ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে ধৰিবঁলৈ বিচৰাত পলাই থাকিছিল। শেষত ১৯৪৪ চনত পুলিছে আতংক কৰি যোৰহাট জেললৈ পঠায়। যোৰহাট জেলত ১ মাহ বন্দী কৰি শেষত মুক্তি দিয়ে। ১৯৪৪ চনৰ ২০।৬।৪৪ তাৰিখে পুলিছে গ্ৰেপ্তাৰ কৰে। ২১।৭।৪৪ তাৰিখে যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। শিক্ষা—প্ৰাইমেৰী স্কুল পাছ।

কেৰ্কেটুৰা কলিতা :

১৮৮০ চনত খুমটাই মৌজাৰ হাবিদোৰা গাঁৱত জন্ম গ্ৰহণ কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনত ওও যোগ দিয়ে। ১৯৩২ চনত মাদকতা আন্দোলনত অংশ গ্ৰহণ কৰোতে ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনত এওঁ যোগ দিয়ে। ১৯৩২ চনৰ মাদকতা আন্দোলনত অংশ গ্ৰহণ কৰোতে ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৪২ চনত এখেতৰ মৃত্যু হয়।

খগেশ্বৰ শইকীয়া :

পতান জৰা গাওঁ পিতৃ—বকৰা ৰৰমেধি। ১৯৩৫ চনত কংগ্ৰেছত যোগ দি শান্তি সেনাৰ নায়ক হৈ সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩৭ চনত প্ৰচাৰ বিভাগত কাম কৰি ১৯৪২ চনত মৃত্যু বাহিনীত যোগ দি শঙ্কৰ বৰুৱা বাজেন বৰুৱা আদি লোকৰ লগত কাম কৰি থাকোতে পুলিচৰ হাতত ধৰা পৰে।

খাবিকদ্দিন ঃ

নাহৰণি, ৬।১।২২ত ১০ টকা জৰিমনা আৰু এমাহ কাৰ্লি জেল হয়।

খাবিবত ঃ

মাজগাওঁ, ৬।১।২২ত এমাহ কাল জেল আৰু ১০ টকা জৰিমনা হয়।

খেৰাজুদ্দিন ঃ

বানাহাৰী এমাহ জেল হয় ৬।১।২২ত আৰু ১০ টকা জৰিমনা ভৰে।

খগেশ্বৰ শৰ্মা ঃ

দা-ৰঁৰা গাওঁ, ১৯৪২ চনত দেড়গাওঁ থানাৰ সন্মুখত পতাকা উত্তোলন কৰোতে পুলিছে গ্ৰেপ্তাৰ কৰে আৰু ২৮ মাহ জেল খাটে।

খগেশ্বৰ শৰ্মা ঃ

মিছমৰা দা-ৰৰাগাওঁ ১৯৪২ চনত আন্দোলনত ভৰ্তি হৈ ৯।৯।৪২ ত গ্ৰেপ্তাৰ হয়।

গঙ্গাই বৰমেধি ঃ

১৮৭৫ চনত দেৰগাৱঁত জন্ম গ্ৰহণ কৰে। ১৯২১ চনৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছত যোগদান কৰে আৰু ১৯৪০ চনত ৬৫ বছৰত মৃত্যু বৰণ কৰালৈকে গোলাঘাট মহকুমাৰ এজন মুক্তি আন্দোলনৰ প্ৰধান হোতা আছিল। তেখেত গান্ধীজীৰ এজন একনিষ্ঠ ভক্ত আছিল আৰু সংগঠন আৰু আন্দোলনৰ গুৰি ধৰিছিল। তেখেতে অসম প্ৰদেশ কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য আৰু গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি ৰূপেই কাৰ্য্যনিৰ্বাহ কৰিছিল। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি প্ৰথমবাৰ তিনিমাহ আৰু ১৯৩২ চনত দ্বিতীয়বাৰ ন-মাহ কাৰাবৰণ কৰিছিল। ১৯৩৪ চনত তেখেতৰ উদ্যোগতে দেৰগাৱঁত ধুম্ধাম্কৈ অসম বায়ত সভা অনুষ্ঠিত হৈছিল। তেখেত

অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। ১৯৩৭ চনত তেখেতৰ উদ্যোগতে দেৰগাৱঁত মহাত্মা গান্ধীয়ে পদাৰ্পণ কৰে আৰু বাপুজী মন্দিৰত জিৰণি লয়। তেখেতৰ কন্যা পদুমে মহিলা সমিতিৰ সম্পাদিকাৰূপে গাৰে-ভুক্ৰে সংগ্ৰহ কৰি ধনৰ টোপোলা গান্ধীজীৰ হাতত অৰ্পণ কৰিছিল আৰু সেৱা কৰিছিল। তেখেতৰ ঘৰখন মুক্তি আন্দোলনৰ এক প্ৰধান কেন্দ্ৰ হৈ পৰিছিল। আৰু ভলণ্টিয়াৰ সকলৰ আবাসগৃহ স্বৰূপ হৈছিল। (তেখেতৰ পৈতৃক মাটি বিক্ৰি কৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাগ্‌বোৰ অধিবেশনত যোগদান কৰিছিল) তেখেতৰ কোনো পুত্ৰসন্তান নাছিল। পঞ্চ-কন্যাৰ তেখেত পিতৃ আছিল আৰু তেখেতৰ কন্যাসকলেও আন্দোলনৰ নানা দিশত নিষ্ঠাৰে সহযোগ কৰাৰ উপৰিও ভলণ্টিয়াৰ সকলৰ সেৱা কৰিছিল। ইয়াৰ ভিতৰত ৺ ৰমেশ্বৰী, দেৱেশ্বৰী, পদুম আৰু কনক প্ৰভাৰ নাম বিশেষভাৱে উল্লেখযোগ্য।

ৰাজেন্দ্ৰ নাথ বৰুৱাৰ পত্নী শ্ৰীমতী স্বৰ্ণ বৰুৱাৰ লগত পদুমে নানা নাৰী সংগঠন কাম কৰি ফুৰিছিল। তেওঁ দীপ্ত কণ্ঠেৰে স্বৰাজৰ গীত গাইছিল, ১৯২৬ চনত পাণ্ডুত বহা জাতীয় কংগ্ৰেছৰ অধিবেশনত তেওঁ পিতৃৰ লগতে সক্ৰিয় সহযোগ কৰিছিল। ১৯৩২ চনত দেৱেশ্বৰীয়ে পিকেটিং কৰি কাৰাবৰণ কৰিছিল। কম বয়সীয়া কনক প্ৰভাই বান্দৰ সেনাৰ নেতৃত্ব দিছিল। মুঠতে তেখেতে সপৰিয়ালে ভাৰতীয় মুক্তি আন্দোলনত দেহেকেহে খাটিছিল আৰু নানা নিৰ্য্যাতন ভোগ কৰিছিল।

গেবেলা খনিকৰ :

মিছামৰা ১৯৪২ চনত কাটেকত বন্দী হোৱা কংগ্ৰেছ কৰ্মী আছিল।

গোপাল নাথ :

দেৰগাওঁ, ১৯৪২ ৰ কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

গকুলেশ্বৰ হাজৰিকা :

মৰজি, গোলাঘাট, ৭।২।২২ ত ৯ মাহ কাল জেল খাটে। কলেজ ত্যাগ কৰি আহে ১৯২২ চনত জিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদক, আৰু সভাপতি হয়।

গোলোক হাজৰিকা :

বাহকবা গাওঁ, ১৯৩২ চনত কংগ্ৰেছ আন্দোলনত যোগ দিয়ে।

গোঁহাই শইকীয়া :

সৰুপথাৰ, ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে আতক কৰি যোৰহাট জেললৈ পঠায়। যোৰহাট জেলত আটক বন্দী হিচাপে ৪ মাহ ৰাখি মুক্তি দিয়ে।

৺গোলাপ শইকীয়া :

১০।১২।৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে। ১০।৪।৪৩ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। শিক্ষা—প্ৰাইমেৰী স্কুল পাছ।

সৰুপথাৰ পিতৃ সোনেশ্বৰ শইকীয়া বাৰঘৰিয়া। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত ২৬।১০।৪২ তাৰিখে পুলিছে গ্ৰেপ্তাৰ কৰে। ২৮।১০।৪৪ যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

গংগাধৰ বৰঠাকুৰ :

গ্ৰেপ্তাৰ হয় ১৭।১২।২১ত।

গোপীনাথ বেজবৰুৱা :

গ্ৰেপ্তাৰ হয় ৩০।১।২২ত।

গোলাপী বৰা :

দলৈগাওঁ, ১৯২১ চনৰ কৰ্মী।

গোপাল চন্দ্ৰ শৰ্মা :

গ্ৰেপ্তাৰ হয় ১০।১২।২১ ৬ মাহ জেল হয় ২৩।১২।২১ লৈ।

গংগাধৰ বৰকটকী :

৩ মাহ জেল ১৯২২ত।

গোপীনাথ বেজবৰুৱা ঃ

চোলাধৰা বোড, ১৯২১ চনত পিকেটিঙত ৮ মাহ কাটেৰ।

গজেন্দ্ৰ নাথ বৰদলৈ ঃ

তৰজান কাকতিগাওঁ। ১৯২১ চনত পুলিচ অফিচাৰৰ চাকৰি এৰে আৰু আন্দোলনত ভৰ্ত্তি হয়, ৩ মাহ জেল।

গোলোক বৰা ঃ

গজপুৰীয়া গাওঁ। জালুকনিযাৰী। (সদস্য)

গোলাপী দত্তদেব ঃ

ঢেকিয়াখোৱা গাওঁ।

গনেশ চন্দ্ৰ দত্ত ঃ

গ্ৰেপ্তাৰ হয় ১৬।৬।২২ ত।

গোপাল চন্দ্ৰ গোস্বামী ঃ

১৯২১ চনৰ কৰ্মী।

গুণদা খাউণ্ড ঃ

১৯২১ চনৰ পৰা ১৯৩০ লৈ আন্দোলনৰ কৰ্মী।

গোপাল চন্দ্ৰ শৰ্মা ঃ

টিলিকিজান, কংগ্ৰেছৰ সহকৰ্মী ১৯২১ চনৰ।

গংগাধৰ শৰ্মা ঃ

হেমনাথ ফুকন আৰু ফণিধৰৰ বিপৰীতে সাক্ষী দিবলৈ অস্বীকাৰ কৰাত ৫ টকা জৰিমনা, ২ সপ্তাহ জেল,

গুণাৰাম দাস ঃ

ববহোজ গাওঁ, ১৯২১ চনত আন্দোলনত যোগ দিয়ে।

গোপাল বৰা ঃ

বাহকৰা গাওঁ, ১৯৪২ চনত এঙ ১ মাহ জেল খাটে।

গোপাল নাথ ঃ

১৯২১ চনত কংগ্ৰেছৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

গোলাপ শইকীয়া ঃ

দক্ষিণ বহগুৱা, ১৯৪২ ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

গোপাল নাথ ঃ

দেৰগাওঁ, ১৯৪২ চনত কাৰাগাৰ বৰণ কৰা এজন মুক্তি যুঁজাৰু।

গঙ্গাৰাম মেধি ঃ

দেৰগাওঁ, ১৯২১ চনত ৩ মাহ ফাটেক খাটে। ১৯৩২ চনত পুনৰ ১ বছৰ কাৰাদণ্ড ভোগে।

গোলোক হাজৰিকা ঃ

মিছমৰা মৌজা। ১৯৩২ চনত কংগ্ৰেছত যোগ দি দলৰ কাম কৰি যায়।

গেবেলা পাঠক ঃ

গেলেকিয়াল গাঁও ১৯২১ চনত অসহযোগ আন্দোলনত ভৰ্ত্তি হয়।

গোলোক শইকীয়া ঃ

কাবেয়াটি গাঁও। থানাৰ সন্মুখত জাতীয় পতাকা উত্তোলনৰ অভিযোগত ১।১১।৪২ চনত গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ কাল ফাটেক খাটে।

গেবেলা খনিকৰ ঃ

মিচামৰা ১৯৪২ চনৰ কাৰাগাৰ বৰণ কৰা মুক্তি যুঁঝাৰু।

গেবেলা পাঠক ঃ

গেলেকীয়াল গাঁৱত এওঁৰ জন্ম হয়। ১৯২১ চনত কংগ্ৰেছত

যোগদান কৰে। ১৯৩২ চনৰ আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ৭৫ বছৰ বয়সত এওঁৰ মৃত্যু হয়।

গোলাই বৰা ঃ

ধৰিয়া গাঁও, কাকডোঙা পিতৃ নবো বৰা। ১৯৪০ চনত কংগ্ৰেছত যোগ দি শঙ্কৰ বৰুৱা আৰু ৰাম বৰুৱাৰ লগত দলৰ কাম কৰিছিল।

গোলাপ চন্দ্ৰ শইকীয়া ঃ

ল–খাই গাঁও, কাকডোঙা, পিতৃ কুশল শইকীয়া। ১৯৪২ চনত গণ আন্দোলনত চাকৰি এৰি কংগ্ৰেছত যোগ দিয়ে। কংগ্ৰেছ কমিটিৰ সম্পাদক হোৱাৰ উপৰিও মৃত্যু বাহিনীত কাম কৰে। শঙ্কৰ বৰুৱা ৰাম বৰুৱা আদি লোকক পলাই থকা অৱস্থাত সহায় কৰে।

গেবেলা খনিকৰ ঃ

দৈয়জীয়া গাঁও। ১৯৪২ চনত ৬ মাহ জেল খাটে আৰু মুক্তিৰ পাছত মৃত্যু হয়।

গোপাল দত্ত ঃ

বাহবৰা গাঁও। ১৯৪২ চনত এওঁৰ এমাহ কাৰাদণ্ড হয়।

গোলোক হাজৰিকা ঃ

১৯৪২ চনত কংগ্ৰেছত যোগ দান কৰি পলাতক হিচাবে কাম কৰে।

গকুল বৰুৱা ঃ

খনিকৰ গাঁও। ১৯৪২ চনত পলাতক হিচাবে আন্দোলনৰ কাম কৰি যায়।

গোলাপ শইকীয়া ঃ

১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

গন্ধৰাম গগৈ ঃ

বুঢ়ালিকচন গাঁও। ৭।৬।৪৩ চনত যোৰহাট জেলত ভৰ্ত্তি হয়।

গঙ্গাই কোচ :

দেওপাঁও। ১১।১২।২১ ত গ্ৰেপ্তাৰ হয় আৰু ৩ মাহ জেল খাটে।

গুণি কলিতা :

জামুগুৰি, পিতৃ মাণ্ডৰাম কলিতা। ১৯৪২ চনত কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰি কাম কৰে।

গণপত ৰায় আগৰৱালা :

পাত্ৰীগাঁও। ১৯৪২ চনত সহযোগী কৰ্মী আছিল।

গুণকান্ত চুতীয়া :

১ নং পঞ্জকৰে। ১৭।১০ ৪২ চনত গ্ৰেপ্তাৰ হয়।

গকুল চন্দ্ৰ হাজৰিকা :

অভয়পুৰীয়া গাঁও। ১৯২১ চনত কটন কলেজ এৰি আন্দোলনত যোগ দিয়ে আৰু এমাহ কাল জেল খাটে।

গবিন চন্দ্ৰ তাতী :

বতিয়ণী, গোলাঘাট। ১।২।৩২ চনত ৬ মাহ কাৰাবাস খাটে।

গোলাপ শইকীয়া :

দক্ষিণ বহগুৰা। ১৯৪২ চনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

গোলাপ বৰুৱা :

চাওদাং গাঁও। ১৯৪২ চনত কংগ্ৰেছৰ কাম কৰে গোপন ভাৱে।

গোহাঁই মেজি হাজৰিকা :

১৯৪২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

গন্ধৰাম গগৈ (হাতীবৰুৱা) : পিতৃ আত্মাৰাম গগৈ।

১৯১৮ চনত খুমটাই মৌজা বুঢ়ালিচন গাঁৱত এওঁ জন্ম গ্ৰহণ কৰে। ১৯২০ চনৰ পৰা ১৯১৮ চনলৈকে অসম যোগেন

ৰেলৱেৰ টেলিগ্ৰাফ বিভাগত চিগনেলাৰ কাম এওঁ কৰিছিল। মহাত্মা গান্ধীৰ আদৰ্শতে অনুপ্ৰাণিত হৈ এওঁ ১৯২৮ চনত চাকৰি বৰ্জন কৰি ১৯৩০ চনৰ পৰা সক্ৰিয়ভাবে কানি নিবাৰণী আন্দোলনত প্ৰচাৰ কাৰ্য্য কৰে। ১৯৩৮ চনত স্বেচ্ছা-সেৱকৰ প্ৰশিক্ষণ লয়। ১৯৪০ চনত ব্যক্তি সত্যাগ্ৰহত যোগদান দিয়ে। ১৯৪৩ চনৰ ২৫ এপ্ৰিলত গ্ৰেপ্তাৰ বৰণ কৰি ছমাহ সশ্ৰম কাৰাবাস খাটে। ১৯৪৬ চনত গোলাঘাট জিলা কংগ্ৰেছৰ প্ৰধান সম্পাদক নিৰ্ব্বাচিত হয়। পুনৰ ১৯৫০ চনৰ পৰা ১৯৫২ চনলৈকে কানি নিবাৰণী কমিটিত সম্পাদক নিৰ্ব্বাচন হৈ কাৰ্য্য পৰিচালনা কৰে।

৺গুণাৰাম বৰা ঃ

পানজান গাঁও গাঁওজান। সৰুপথাৰ ১৯৪২ চনৰ আন্দো-লনত পুলিছে গ্ৰেপ্তাৰ কৰে। যোৰহাট জেলত এমাহ ৰাখি যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

১৯৪২ চনৰ ডিচেম্বৰ মাহত গ্ৰেপ্তাৰ কৰে। ১৯৪৩ চনৰ জানুৱাৰী মাহৰ শেষত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

ঘনশ্যাম শইকীয়া ঃ

২ নং গন্ধকবৈ গাঁও, সৰুপথাৰ। ১৯৪২ চনত পুলিছে সৰুপথাৰ ৰেল দুৰ্ঘটনা সংক্ৰান্তত আতক কৰি বিচাৰত ফাঁচিৰ হুকুম দিয়ে। পাছত বেহাই দি দহ বছৰ কাৰাদণ্ড দিয়ে। ১৯৪২ চনৰ অক্টোবৰ মাহৰ দ্বিতীয় পষেকত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে গ্ৰেপ্তাৰ কৰে। ২৭।৪।৪৬ তাৰিখে নগাঁও জেলৰ পৰা মুক্তি দিয়ে। তেখেত গোলাঘাট যোৰহাট আৰু নগাঁও জেলত আছিল। তেখেতৰ জন্ম ১৯০২ চনত আৰু ১৯৮০ চনত মৃত্যু। শিক্ষাৰ অৰ্হতা আছিল প্ৰাইমাৰী স্কুল পাছ।

চন্দ্ৰকান্ত সন্দিকৈ ঃ

জেৰপাট গাঁও। ১৯৪২ চনৰ আন্দোলনত আত্ম গোপন কৰি কাম কৰি যায়।

চক্ৰধৰ ভূঞা ঃ

১৯৪২ চনৰ কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আছিল।

চৈয়দ চাবিফুল হুচেইন ঃ

নাহৰণি। ৬।১।২২ চনত ১ মাহ কাল জেল খাটে আৰু ১২ টকা জৰিমনা ভৰে।

চন্দ্ৰাৱতী সোনোৱাল ঃ

বুঢ়াগোহাই খাট। ১৯২৫ৰ পৰা ১৯৪২ চনলৈ আন্দোলনত ভাগ লয়।

চানুৰাম বৰুৱা ঃ

১৯৪২ ত আত্ম গোপন কৰি কাম কৰে।

চণ্ডৰাম বৰা ঃ

উপৰ খাটোৱাল গাঁও। পিতৃ বনমালী। ১৯৩৬ চনত কংগ্ৰেছত যোগ দান কৰাৰ পিছত ১৯৪২ চনৰ গণ বিপ্লৱৰ সময়ত ১ বছৰ কাল কাৰাবৰণ কৰে।

চেনিৰাম শইকীয়া ঃ

২ নং গন্ধিকবৈ গাঁও, সৰুপথাৰ। পিতৃ গোপাল শইকীয়া। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে আটক কৰি জেললৈ পঠায় আৰু আটক বন্দী হিচাপে যোৰহাট জেলৰ পৰা বিচাৰত ২ বছৰ কাৰাদণ্ড বিহি যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। ১৯।১০।৪২ চনত পুলিছে গ্ৰেপ্তাৰ কৰে। ২০।১০।৪৪ চনত যোৰহাট জেলৰপৰা মুক্তি দিয়ে। জন্ম ১৯১৭ চন।

চুকৰা নাগবংশী ঃ

সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত কুশল কোঁৱৰৰ লগত কংগ্ৰেছৰ কামত সক্ৰিয় সহযোগ কৰে। সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে ১৭।১০।৪২ চনত আতক কৰে। ২০।৫।৪৩ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

চাকুৰ মুছলমান ঃ

নহৰণি, দেৰগাঁও। ৬।১।২২ ত ১০ টকা জৰিমনা আৰু ১ মাহ কাল জেল হয়।

মঃ চুকুৰ ঃ

ভাটিহাট, দেৰগাঁও। ৫।১।২২ গ্ৰেপ্তাৰ হৈ ৬।১।২২ ত মুক্তি হয়।

চুৰুউদ্দিন চুতীয়া ঃ

১ নং গজাকৰে। ১৭।১০।৪২ ত গ্ৰেপ্তাৰ হয়।

চৈয়দ তফজল হুছেইন ঃ

বনগাঁও, পোঃ কছাবিহাট। ১৯২১ চনলৈকে জড়িত আছিল।

চিকা সোনোৱাল (চিকৌ) ঃ

কমাৰ গাঁও, গোলাঘাট। ২৩।৩।৩২ ত ৬ মাহ কাৰাগাৰ বৰণ কৰি যোৰহাট জেললৈ স্থানান্তৰিত হয় ২৫।২।৩২ ত।

চেনীৰাম দত্ত ঃ

দেৰগাঁও । ১৯৪২ ৰ কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

চন্দ্ৰকান্ত ফুকন ঃ

হাবিচুকীয়া। পিতৃ তেনেশ্বৰ ফুকন। ১৯৪২ চনত আত্ম-গোপন কৰি কাম কৰিছিল।

৺চেনিৰাম গগৈ ঃ

২ নং গজাকৰে গাঁও, গোলাঘাট। পিতৃ গাঠি গগৈ। ১৯৪২ চনৰ আন্দোলনৰ সকপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আতঙ্ক কৰে। আৰু আতৰু বন্দী হিচাপে যোৰহাট জেলত ২ বছৰ ৩ মাহ বান্ধি মুক্তি দিয়ে। ১৮।১০।৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু যোৰহাট জেললৈ পঠায়। ১৯।১।৪৫ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

জয়নাথ শইকীয়া ঃ

সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰি আতংক বন্দী হিচাবে ৰাখে আৰু যোৰহাট জেলৰ পৰা ২ বছৰ বাধি মুক্তি দিয়ে। ২০।১০।৪২ চনত গ্ৰেপ্তাৰ কৰে। ২০।১০।৪৩ চনত যোৰহাটৰ জেলৰ পৰা ২ বছৰৰ পাছত মুক্তি দিয়ে। শিক্ষা এম, ই স্কুল পাছ।

জাদুৰৰ হাজৰিকা ঃ

মিছামৰা। ১৯৩১ চনত লেখা দি জেলৰপৰা ওলাই আহে।

জান্নু হাজৰিকা ঃ

কুমাৰ গাঁও, কছাৰীহাট মৌজা। ১৯২১ চনৰ পৰা আন্দোলনত যোগদান কৰে।

জামাল শ্বাহ ঃ

১৯২২ চনত ফাটেক খাটে ৩০।১০।২২ মুক্তি হয়।

জগন্নাথ খাটনিয়াৰ ঃ

১৯২১ চনত কংগ্ৰেছত যোগদান কৰে।

জয়কান্ত শৰ্মা ঃ

দেওগাঁও, হাবুজিয়া। ৫।২।২২ত ৬ মাহ কাল জেল হয়।

জিলিৰাম চুতীয়া ঃ

বাৰিবোৰা। ১৯৪২ চনত গণআন্দোলনৰ কামত গোপন ভাবে আছিল।

জীউৰাম বৰা ঃ

কুমাল গুৰি, ভাবাল গাঁও। ১৯৩২ চনত কংগ্ৰেছত যোগদান কৰে।

টিকো খেজল ঃ

বুঢ়াপোহাই খাট। ১৯৩০ চনত আন্দোলনৰ ভাগ লয়। ১৯৩২ চনত ৬ মাহ কাৰাবাস খাটে।

টঙ্কেশ্বৰ থেঙ্গল ঃ

বুঢ়াগোহাই খাট। ৬।১।৩২ ত ৪ মাহ কাৰাবাস খাটে আৰু ৫০ টকা জৰিমনা ভৰে।

৺টেপুৰাম বৰা ঃ

২নং গন্ধকবৈ গাঁও, সৰুপথাৰ। ১৯৪১ চনৰ পৰা শ্বহীদ ৺কুশল কোঁৱৰৰ লগত সহকৰ্মী আছিল। আৰু ১৯৪২ চনৰ আন্দোলনতো জড়িত হৈ পৰে। আৰু আত্মগোপন হৈ আঁতৰি আছিল। প্ৰাইমাৰী স্কুলত পঢ়িছিল।

ডম্বৰুধৰ ভূঞা ঃ

উজীৰ গাঁও, কাকডোঙা। পিতৃ—হীৰাই ভূঞা। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩৮ চনত শান্তিসেনাত ভৰ্তি হয়। ১৯৪০ চনত সত্যাগ্ৰহ কৰি থকা অৱস্থাত ধৰি নি পুলিচে অপমান কৰি এৰি দিয়ে।

ডিম্বেশ্বৰ নেওগ ঃ

মিছামৰা। ১৯৪২ চনত কাৰাগাৰ বৰণ কৰা এজন মুক্তিযুঁজাৰু।

ডিম্বেশ্বৰ নেওগ ঃ

বাহকৰা গাঁও। ১৯৩২ চনৰ আইন অমান্য বিপ্লৱত জেল খাটে। ১৯৪২ ৰ গণবিপ্লৱত অনিৰ্দিষ্ট কালৰ বাবে আটক কৰি থয়।

ডম্বেশ্বৰ মিৰি বৰুৱা ঃ

কুমাৰ গাঁও, চাৰিআলি চক। ৩০।১।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়।

দুৰ্গেশ্বৰ ফুকন ঃ

দিঘলী মাটিখোলা গাঁও, বৰ পথাৰ। ১৯২১ ৰ পৰা ১৯৩২ লৈ আন্দোলনৰ সহকৰ্মী হিচাপে ভাগ লয়।

ভিম্বেশ্বৰ গোস্বামী ঃ

বৰপুখুৰীপাৰ, মিছামৰা। ১৯২১ চনত সত্যাগ্ৰহত যোগ দিয়ে।

ডিম্বেশ্বৰ শইকীয়া ঃ

২নং প্ৰেমহাৰা গাঁও, সৰুপথাৰ। পিতৃ ৺গোলাপ শইকীয়া। জন্ম—১৯০৮ চন। প্ৰাইমাৰী স্কুল পাছ। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিছে ধৰি নি যোৰহাট জেললৈ পঠায়। ৩ মাহ জেলত ৰাখি যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। ১৬।১০।৪২ চনত পুলিছে গ্ৰেপ্তাৰ কৰে। ১৭।১।৪৩ চনত যোৰহাট জেলৰ পৰা জামিনত মুক্তি দিয়ে।

দণ্ডিৰাম দামোদৰ ঃ

নাওঁবেচা গাঁও। ১৯২১ চনৰ আন্দোলনত যোগ দি অসহযোগিতাৰ ফলত জেল খাতি ১৫০ টকা জৰিমনা ভৰে।

দৰিকা দাস ঃ

গোহাই খাট, গোলাঘাট। ১৯২১ চনৰ পৰা ১৯৩২ চনলৈ আন্দোলনত ভাগ লয়। ১।২।৩২ চনত ৬ মাহ কাল স্ফাটেক খাটে।

দাৰিকা নাথ গোস্বামী ঃ

মধুমিশ্ৰ সত্ৰ, মৰিগাওঁ। ১০।১।২২ চনত গ্ৰেপ্তাৰ হয় আৰু ৯ মাহ কাল জেল খাটে।

দেবেশ্বৰ শইকীয়া ঃ

লুখিৰা খনিয়া গাঁও। ১৯২১ চনৰ পৰা সকলো আন্দোলনত সহকৰ্মী হিচাপে কাম কৰে।

দাঙ্গৰিয়াম শাহু ঃ

গোলাঘাট। ১৯২০ চনৰ আন্দোলনৰ সহকৰ্মী।

দেবেশ্বৰ শৰ্মা ঃ

মহমৰা গাঁও। ৮।১।২২ধৰা পৰি ৩ মাহ কাল জেলত কটায়।

দাসৰাম শইকীয়া ঃ

১৯৩২ চনত ৬ মাহ ক্ষাটেক খাটে।

দেহাই ৰবা ঃ

মিছামৰা। ১৯৩২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

দেউৰাম ৰবা ঃ

১৯৩২ চনত কাৰাবাস খাটা মুক্তি যুঁজাৰু।

দীনেশ্বৰ ৰবা ঃ

মিছামৰা। ১৯৪২ চনত কাৰাগাৰ বৰণকৰা মুক্তি যুঁজাৰু।

দেৱেশ্বৰী হাজৰিকা ঃ

দেৰগাঁও। ১৯৪২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

দিম্বেশ্বৰ মিৰি বৰুৱা ঃ

দেৰগাঁও। ১৯৪২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

দুৰ্গাৰাম বৰুৱা ঃ

তেলীয়া সোণাৰীগাঁও। ১৯৪২ চনৰ গণ আন্দোলনত পলাতক হিচাবে কাম কৰিছিল।

দুৰ্গেশ্বৰ দাস ঃ

ৰঙনাখাট, সাদগি সত্ৰ। ১৯২১ চনৰ আন্দোলনত যোগদান কৰে।

দ্বাৰিকানাথ দেৱ গোস্বামী ঃ

ৰজাদিনীয়া ওৰ যোগনীয়া মৌজাৰ মধুমিত্র সত্ৰৰ স্বনামধন্য বৈষ্ণৱ প্ৰাণ পণ্ডিত সুবক্তা আৰু বিপ্লৱী দেশ সেৱক দ্বাৰিকা

নাথ গোস্বামীয়ে ১৮৭৩ চনত জন্ম গ্ৰহণ কৰে। তেখেতৰ পিতৃ উদ্ধেশ্বৰ দেৱ সত্ৰাধিকাৰ গোস্বামী আৰু মাতৃ মানিকা দেৱী।

শৈশৱতে মেধাৰ পৰিচয় দিয়া বাবিকা গোস্বামীয়ে স্থানীয় পাঠশালাতে বিদ্যাৰম্ভ কৰি শ্ৰীশ্ৰীআউনী আটী সত্ৰৰ সংস্কৃত টোলত শিক্ষা লৈ লগতে সত্ৰীয়া নৃত্য গীত বাদ্যতো পাৰ্গত হয়। বেদ উপানিষদৰ পৰা আৰম্ভ কৰি ভাৰতীয় ধৰ্ম্ম সাধনাৰ সকলো দিশ অধ্যয়ন কৰাোতা তেওঁ আছিল। শ্ৰীমন্ত শংকৰ দেৱৰ অবিচলিত অনুৰাগী মহাপ্ৰাণ বৈষ্ণৱ আউনী আটীৰ টোলত সংস্কৃত শিক্ষা শেষ কৰি তাহি তেখেতে ভাৰতত বিভিন্ন তীৰ্থ ভ্ৰমণ কৰে। কঠোৰ আৰু নৈষ্ঠিক সত্ৰীয় জীৱনৰ সীমা চেৰাই ১৯২১ চনত মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অসহযোগ আন্দোলনত জপিয়াই পৰিছিল।

শংকৰ বৰুৱা, গদাই মেধী, ৰাজেন বৰুৱা, গনেশ দত্তক লগত লৈ তেখেতে গোলাঘাটৰ কংগ্ৰেছ আন্দোলন গঢ়ি তুলিছিল। জীৱনৰ বিয়লি বেলাত গোলাঘাট কংগ্ৰেছ সভাপতি পদ অলঙ্কৃত কৰিছিল।

১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত তেখেতে গান্ধীজীৰ ব্যক্তিগত সান্নিধ্যলৈ আহিছিল আৰু সৰ্ব্বভাৰতীয় নেতৃবৃন্দৰ সাহচাৰ্য্য পাইছিল। পাণ্ডু কংগ্ৰেছলৈ যাওঁতে স্থানীয় কেবাজনো ডেকা ল'ৰাক প্ৰশিক্ষণ দিয়াই ভলন্টিয়াৰ কৰি লৈ গৈছিল।

প্ৰথম বাৰ তেখেতে গ্ৰেপ্তাৰ হোৱাৰ খবৰ পোৱাৰ লগে লগে শ শ ৰাইজৰ সমু ভৰি পৰে। স্বামীৰ আদৰ্শৰ অনুৰক্ত পত্নী ধৰ্ম্মেশ্বৰী আৰু ভাই ভতিজা সকলৰ পৰা আৰু উপস্থিত সমবেত ৰাইজৰ পৰা বিদায় লৈ কাৰাগাৰলৈ যাবলৈ ওলোৱা সত্ৰাধিকাৰক ৰাইজে খাটোলাত তুলি গায়নে বায়নে নি গোলাঘাটৰ কাৰাগাৰত থৈ আহিছিল গৈ। তেখেতে কাৰাগাৰতো সত্ৰীয়া নীতিৰে নাম কীৰ্ত্তন কৰি কাৰাগাৰক যেন নামঘৰলৈ পৰিবৰ্ত্তন কৰিছিল।

মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱ প্ৰবৰ্ত্তিত ধৰ্মত চাৰি সংহতিৰ সৃষ্টি হৈ ভেদ্ৰমুক্ত হোৱাত তেখেতে এটা সমন্বয় স্থাপনৰ পথ সেন্বেষণ কৰিছিল। তেখেতে বৰদোৱা, বৰপেটা, দিনজা,

বেজেনা জাটা আদি সম্প্ৰদায়ৰ লগত যৌথ আলাপ আলোচনা আৰু অধ্যয়ন কৰে সমন্বয় স্থাপনৰ।

দেহীৰাম চুতিয়া ঃ

১নং পদ্মকাৰৰ গাঁও, সৰুপথাৰ। ১৯০২ চনৰ আন্দোলনৰ ৰেল লাইন ভঙাৰ অপৰাধত গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত ৰাখিছিল। জেলত বেমাৰ হোৱাত এমাহ ৰখাৰ পাছত মুক্তি দিয়ে। আৰু ঘৰত আহি মৃত্যু হয়। ১৭।১০।৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে। ১৮।১১।৪২ চনত জেলৰ পৰা মুক্তি দিয়ে। জন্ম হয় ১৯১৮ চনত, মৃত্যু হয় ১৯৪২ চনৰ ডিচেম্বৰ মাহত।

দেহিৰাম গাঁওবুঢ়া ঃ

মালাই কুমাৰ গাঁও। ১৯৪২ চনৰ গণ আন্দোলনত পলাতক হিচাবে কাম কৰিছিল।

দীনেশ্বৰ বৰা ঃ

বৈয়ঙীয়া গাঁও। ১৯৪২ চনত ২ বছৰ জেল হয়। মুক্তিৰ পাছতেই মৃত্যু।

দেবেন ৰাজখোৱা ঃ

কাকজোঙা উপৰ খাটোৱাল গাওঁ। পিতৃ দীনধৰ। ১৯৪২ চনত পলাতক কৰ্মী হিচাবে কাম কৰিছিল।

দেৱেশ্বৰ শইকীয়া ঃ

বেতাগাওঁ, কাকডোঙা। পিতৃ মিঠাই শইকীয়া ১৯৪২ চনত কংগ্ৰেছত যোগ হয়।

দেহিৰাম বৰুৱা ঃ

খনিকৰ, গাওঁ। ১৯৪০ চনত কংগ্ৰেছত যোগ দি শঙ্কৰ বৰুৱা আৰু ৰাম বৰুৱাৰ লগত কাম কৰিছিল।

দামৰাম হাজৰিকা ঃ

ইকৰাণী গাওঁ। ১৯৪০ চনত কংগ্ৰেছত যোগ দি শঙ্কৰ বৰুৱা আৰু ৰাম বৰুৱাৰ লগত কাম কৰিছিল।

দেউৰাম বৰা ঃ

দৈয়াঙ্গীয়া গাওঁ। ১৯৪০ চনত কংগ্ৰেছত যোগ দি শঙ্কৰ বৰুৱা আৰু ৰাম বৰুৱাৰ লগত কাম কৰিছিল।

দেউৰাম বৰা ঃ

১৯৩২ চনত ৬ মাহ কাৰাদণ্ড হয়।

দেৱেশ্বৰ শইকীয়া ঃ

কাকডোঙা। পিঠাই শইকীয়া ১৯৪২ চনৰ কংগ্ৰেছত যোগ দি মৃত্যু বাহিনীত ভৰ্তি হয়।

দেবেন্দ্ৰ নাথ শৰ্মা বৰদলৈ ঃ

দলগাঁও, কাক ডোঙা। মোনাই শৰ্মা ১৯৩৫ চনত ঠগীৰাম বৰুৱাৰ নেতৃত্বত শান্তিসেনা বাহিনীৰ প্ৰশিক্ষণ লয় আৰু আন্দোলনৰ সক্ৰিয় নেতা হিচাপে কাম কৰি যায়।

দেৱেন ৰাজখোৱা ঃ

ওপৰ খাটোৱাল গাঁও, কাকডোঙা। দীনধৰ। ১৯৪২ চনত মৃত্যু বাহিনীত যোগ দি আত্মগোপন ভাৱে আন্দোলনৰ কাম কৰি যায়।

দেউৰাম বৰা ঃ

দৈয়ঙ্গীয়া গাঁও। ১৯৩২ চনত ৬ মাহ কাৰাদণ্ড ভুগি মৃত্যু হয়।

দেহিৰাম বৰুৱা ঃ

খনিকৰ গাঁও। ১৯৪২ চনত আন্দোলনকাৰি হিচাপে কাম কৰি যায়।

দময়ন্তি দত্ত ঃ

খনিকৰ গাঁও। ১৯৪২ চনৰ এগৰাকী মহিলা আন্দোলন কাৰী নেত্ৰী আছিল।

দ্বাৰিকী দাস ঃ

মৰঙী মৌজাৰ পক্কা গাঁৱৰ আনন্দীৰাম দাসৰ পত্নী আছিল। ১৯৩২ চনত মাদক দ্ৰব্য বৰ্জনত, পিকেটিং কৰোতে পুলিচে গ্ৰেপ্তাৰ কৰি ৫ মাহ কাৰাবাস দিয়ে। শ্ৰীমতী দাসক গোলাঘাট কাৰাগাৰৰ পৰা শিৱসাগৰলৈ বদলি কৰিছিল। সেই সময়ত তেওঁ গৰ্ভৱতী আছিল। কাৰাগাৰৰ কৰ্তৃপক্ষই বৃটিছ চৰকাৰৰ বিৰুদ্ধে আন্দোলন নকৰো বুলি লিখি দি তেওঁক কাৰাগাৰৰ পৰা ওলাই যাবলৈ কৈছিল। কিন্তু দাসে দেশভক্ত কৈ মৃত্যু ভাওৰ নহয় বুলি তেওঁলোকৰ অনুৰোধ প্ৰত্যাখ্যান কৰে। জেলৰ ভিতৰত উপযুক্ত চিকিৎসাৰ অভাৱত তেওঁ কাৰাগাৰতে মৃত্যুবৰণ কৰে।

ধৰ্মেশ্বৰ চুতীয়া ঃ

গেলাবিল গাঁও, ৰৰপথাৰ মৌজা। এখেতৰ পূৰ্ব্বৰ ঘৰ আছিল যোৰহাটৰ লাহিং মৌজাত। এজন সক্ৰিয় কৰ্মী আছিল। ৺হৰিণাৰায়ণ বৰুৱা আৰু ৺তিলক গগৈৰ সহকৰ্মী আছিল। আৰু আন্দোলনত অংশ গ্ৰহণ কৰিছিল। বৰ্ত্তমানে পেঞ্চন পোৱা নাই।

ধৰ্মেশ্বৰ গগৈ ঃ

২ নং নাহৰবাৰী গাঁও সৰু পথাৰ। পিতৃ কণ্ঠি গগৈ। ১৯৪২ চনৰ আন্দোলনত সৰু পথাৰত ৰেল দুৰ্ঘটনাৰ সংক্ৰান্তত পুলিচে আতক কৰে। আদালতৰ বিচাৰত তিনি বছৰ কাৰাদণ্ড দিয়ে। জেললৈ যোৱাৰ সময়ত তেখেতৰ বয়স ১৪ বছৰ আছিল।

জেলত এমাহ থকাৰ পাছত জামিনত এৰি দিয়ে। ২৭।১০।৪২ চনত গ্ৰেপ্তাৰ কৰে। ২৮।১১।৪২ চনত মুকলি কৰি দিয়ে। জন্ম—১৯২৮ চন। মৃত্যু ১৯৪৩ চন। শিক্ষা প্ৰাইমেৰী স্কুলত পঢ়ি আছিল।

ধৰ্মেশ্বৰ বৰুৱা ঃ

সেনচোৱা গাঁও। ১৯৪১ চনৰ পৰা শ্বহীদ কুশল কোঁৱাৰৰ লগত কংগ্ৰেছৰ সক্ৰিয় সহকৰ্মী আছিল। অষ্টম মান শ্ৰেণীলৈকে পঢ়িছিল।

নৰেন্দ্ৰ নাথ শৰ্মা ঃ

দেওগাঁও, কুমাৰ চুক। ১০।৯।৪২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু আছিল।

নিত্যানন্দ নেওগ ঃ

বেজগাঁও, কাকডোঙা। পিতৃ দুৰ্গা নেওগ। ১৯৩৬ চনত শিক্ষা ত্যাগ কৰি কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনত মৃত্যু বাহিনীত যোগ দি শান্তি সেনাত ভৰ্তি হয়। ঠগীৰাম বৰাৰ নেতৃত্বত শংকৰ বৰুৱা আদিৰ পৰামৰ্শমতে কাম কৰিছিল।

নবীন চন্দ্ৰ গোস্বামী ঃ

চনবাৰী, ঢেকিয়াহগাঁও ১৯২১ চনত কটন কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিয়ে।

নাৰায়ণ বাজখোৱা ঃ

১৯৩২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

নলী মেধি ঃ

মিছামৰা। ১৯৪২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

নাৰায়ণ বাজখোৱা ঃ

১৯১৮ চনত চাৰ্কুলাৰ মতে স্কুল বৰ্জন। ১৯৩২ চনত জেল খাটে।

নলীন চন্দ্ৰ মহন্ত ঃ

বঙাল গাঁও। ১৯৪২ ৰ গণ আন্দোলনত পলাতক হিচাবে কাম কৰিছিল।

নীল চন্দ্ৰ বৰা ঃ

পিতৃ নোমল চন্দ্ৰ বৰা। ২ নং বামুনগাঁও, এমাইহবীয়া, কাকডোঙা। ১৯৩৯ চনত থাম বৰুৱা, ৰমা গগৈৰ নেতৃত্বত কংগ্ৰেছ সক্ৰিয় অংশ গ্ৰহণ কৰি ১৯৪২ চনত সম্পূৰ্ণ আন্দোলন চলাই যায়। ফলত তেখেতৰ শিক্ষকৰ চাকৰি যায়।

নচক আলী হাজৰিকা ঃ

নশিৰ আলী ঃ

গ্ৰেপ্তাৰ ১৯২১ চন।

নৰেন্দ্ৰ নাথ বৰা ঃ

পানীচকুৱা গাঁও পোঃ আঃ দাহোতীয়া ১৯২১ চনত স্কুল এৰে।

নীলকান্ত গোস্বামী ঃ

১৯২১ চনৰ কৰ্মী।

নবীন চন্দ্ৰ গোস্বামী ঃ

ধাপকটা সত্ৰ যোৰহাট, ১৯২১ চনৰ কৰ্মী।

নচৰত আলী হাজৰিকা ঃ

১৯২১ চনৰ কৰ্মী।

ননোৰাম কোঁৱৰ ঃ

কংগ্ৰেছ কৰ্মী ১৯২১।

নালিয়া মুদৈ ঃ

লহকৰ গাঁও । ১৯২১ চনৰ কৰ্মী?

নিৰঞ্জন শৰ্মা ঃ

দ'গাঁও, ১৯২১-২২ আৰু ৩০ চনত ফাটেক খাটে।

নৱনাথ শৰ্মা ঃ

হেমলতা ফুকন আৰু ফণিধৰৰ বিপৰীতে সাক্ষী দিবলৈ অস্বীকাৰ কৰাত ৫ টকা জৰিমনা আৰু দুসপ্তাহ জেল হয়।

নন্দেশ্বৰ শৰ্মা ঃ

গ্ৰেপ্তাৰ ২০।১২।২১ আৰু ২৩।১২।২১ চনত।

নগেন চুতীয়া ঃ

২ নং প্ৰেমহুৱা গাঁও। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি জেললৈ পঠায় আৰু স্থানীয় আদালতৰ বিচাৰত দহ বছৰ কাৰাদণ্ড দিয়ে। কুশল কোঁৱৰৰ লগৰ এজন সক্ৰিয় কৰ্মী আছিল। ২১।১০।৪২ চনত পুলিচে আটক কৰে। ২৭।৪।৪৬ চনত গুৱাহাটী জেলৰ পৰা মুক্তি দিয়ে। জন্ম ১৯১৮ চন ভাদ মাহ। শিক্ষা প্ৰাইমেৰী স্কুল পাছ।

নৰেন্দ্ৰ নাথ শৰ্মা ঃ

দেৰগাঁও। ৮।৯।৪২ চনত দেৰগাঁও থানাৰ সমুখত শোভা-যাত্ৰাত আগ ভাগ লৈ থানাৰ মুখ্য বিষয়াক পদত্যাগ কৰিবলৈ দাবী জনোৱাৰ ফলত গ্ৰেপ্তাৰ হয়।

নগেন চুতীয়া ঃ

প্ৰেমহুৱা গাঁও, ১ নং গজকৰয়। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে ১৯৪২ চনত গ্ৰেপ্তাৰ হয়।

নলিনী বালা দত্ত ঃ

খনিকৰ গাঁও। ১৯৪২ চনৰ আন্দোলনত মহিলা কৰ্মী হিচাপে তেওঁ কাম কৰি গৈছিল।

নীলকান্ত বৰা ঃ

চমুৱা গাঁও, কাকাভাঙা। ১৯৪২ চনত স্কুল ত্যাগ কৰি কংগ্ৰেছত যোগ দি মৃত্যু বাহিনীত ভৰ্তি হয়। শঙ্কৰ বৰুৱা, ৰাজেন বৰা, দেৱেশ্বৰ ৰাজখোৱা আদিৰ লগত শান্তি সেনাৰ প্ৰশিক্ষণ লয়।

নৰেশ্বৰ নেওগ ঃ

কহুৱা গাঁও। ১৯৪২ চনত অনিৰ্দ্দিষ্ট কালৰ বাবে আটক হয় আৰু মুক্তিৰ পিছত মৃত্যু হয়।

নাৰায়ণ শৰ্মা ঃ

দেৰগাওঁ, কুমাৰচুক। ১৯৪২ ৰ আন্দোলনত ৯ ছেপ্টেম্বৰ তাৰিখে গ্ৰেপ্তাৰ হয়।

নবীন চন্দ্ৰ শৰ্মা ঃ

বালিজান। ১৯৪২ চনত এখেতে ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

নিশিপ্ৰভা দাস ঃ

পিতৃ হীৰেশ্বৰ দাস। ১৯৪০ চনত এখেতে সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনত আত্মগোপন কৰোতে পুলিচৰ হাতত ধৰা পৰে।

নন্দেশ্বৰ দাস ঃ

পিতৃ আহিনা দাস। ১৯৪২ চনত সক্ৰিয় অংশ গ্ৰহণ কৰি আঢ়ৈ বছৰ আত্মগোপন ভাৱে কাম কৰে।

নবীন চন্দ্ৰ গোস্বামী ঃ

বালিজান, গোলাঘাট। ১২।১১।৪২ চনত ৬ মাহ কাল জেল খাতে।

নন্দেশ্বৰ হাজৰিকা ঃ

বৰ পুখুৰী পথাৰ। ১৯২১ চনত আন্দোলনত ভাজ লওঁতে ক্ষাটেক হয়।

নাছিৰুদ্দিন ঃ

মাজগাঁও। ৬।১।৪২ চনত ১ মাহ কাল কাৰাবাস আৰু ১০ টকা জৰিমনা ভৰে।

নাজিমুদ্দিন ঃ

বাতিপৰা, দেৰগাঁও। সক্ৰীয় কৰ্মী আছিল।

(গোলাঘাটৰ শেষাংশ ৭৩২ পৃষ্ঠাত চাওক)

গোৱালপাৰা / কোকৰাঝাৰ

অখিল চন্দ্ৰ দাস :

কেতনীয়া, গোৱালপাৰা। পিতৃ তপসীৰাম দাস। ১৯৩০ চনৰ অসহযোগ আন্দোলনত গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখি খালাচ দিয়ে। ১৯৩২ চনত ৬ মাহ জেল হয়। ১৯৪২ চনৰ গণ আন্দোলনত ১৪৪ ধাৰা ভংগ কৰি গোৱালপাৰালৈ যাওঁতে পুলিচৰ বেনেটৰ খোচ খায়। সেই চনতে আকৌ ৬ মাহ জেল হয়। জেলৰ পৰা মুক্ত হৈ ৰজুখতে গুপ্তভাৱে কাম কৰিছিল। ধুবুৰী জিলা কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

অখিল চন্দ্ৰ দাস :

পিবাধৰা, অভয়াপুৰী। পিতৃ চন্দ্ৰমোহন দাস। ১৯৩০-৩২ চনৰ আন্দোলনত সহযোগ কৰে। ১৯৩০ চনৰ ১০ জুনত সৰভোগৰ কাপোৰৰ দোকানৰ আগত পিকেটিং কৰে। ১৯৩২ চনত পিকেটিং কৰি গ্ৰেপ্তাৰ হয় আৰু তিনি মাহ জেল খাটে। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

অশ্বিনী কুমাৰ দাস :

গোৱালপাৰা। পিতৃ প্ৰসন্ন কুমাৰ দাস। তেওঁ ১৯২১ চনত পুলিচৰ চাকৰিৰ পৰা পদত্যাগ কৰি আন্দোলনত যোগ দিয়ে। ৬ মাহ আটক বন্দী হৈ থাকে। আজীৱন কংগ্ৰেছৰ সমৰ্থক হিচাপে কাম কৰিছিল। ১৯৬০ চনত তেওঁৰ মৃত্যু হয়।

অশ্বিনী কুমাৰ নাথ :

বাইহাটা। পিতৃ মহিমচন্দ্ৰ নাথ। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ইয়াৰ বাবে গ্ৰেপ্তাৰ কৰি [illegible] এৰি দিয়ে। ১৯৩২ আৰু ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। আজীৱন কংগ্ৰেছ কৰ্মী আছিল।

[illegible] অজিত নাৰায়ণ দেৱ :

[illegible], [illegible] কংগ্ৰেছৰ সহযোগ আছিল। ১৯৪২ চনৰ আন্দোলনত তেওঁতে গুপ্তভাৱে আন্দোলনত সহায় কৰে।

বাবে ৫০০ টকা জৰিমনা হয় আৰু সা-সম্পত্তি বাজেয়াপ্তক কৰা ১৯৮৪ ত মৃত্যু হয়।

আকতাবুদ্দিন আহমেদ:

আমবাৰী, গোৱালপাৰা। পিতৃ তাজাউদ্দিন আহমেদ। ১৯৩০ চনৰ আন্দোঃনত অংশ গ্ৰহণ কৰিছিল। এজন জাতীয়তাবাদী লোক আছিল। কংগ্ৰেছক পূৰ্ণ সমৰ্থন কৰিছিল।

আব্দুল বাৰ বাতা:

বৰচলা, আগিয়া। ১৯২১ আৰু ১৯৩০ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

আব্দুল হুছেইন:

উত্তৰ শালমাৰা। পিতৃ তাবিব হুছেইন। ২৯।১।৩২ তাৰিখে ৩ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০·০০ টকা জৰিমনা হয়। এজন জাতীয়তাবাদী মুছলমান আৰু কংগ্ৰেছৰ পূৰ্ণ সমৰ্থক আছিল। ১৯৮৬ চনত মৃত্যু হয়।

অমৃতকান্ত দাস:

বামুণগাঁও, কোকৰাঝাৰ। ১৯২১ চনৰ আন্দোলনত যোগ দিয়াত গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখে পিছত বিচাৰত খালাচ পায়। তেওঁ যদিও কংগ্ৰেছৰ বিভিন্ন আন্দোলনত জড়িত আছিল তথাপি বিপ্লৱী আছিল আৰু বঙ্গদেশৰ বিপ্লৱীসকলক আশ্ৰয় দিছিল। পাছৰ সমাজ কল্যাণ কাৰ্যত অঞ্চলটোত মুখ্য ভূমিকা লয়। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

আব্দু মোমিন:

গাৰোপাহাৰ। মোমিন এজন কংগ্ৰেছী ভাবাপন্ন লোক আছিল। ফুকন চাংমাক বাৰত আন্দোলনত সহায় কৰিছিল। বিজনীৰ নাকৰ আন্দোলনৰ এজন প্ৰধান কৰ্মী আছিল। ১৯৫২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰা বাবে চৰকাৰৰ কাজৰ পৰা তেওঁক মাকমান কৰি দিছিল।

আৱেন্দু চাংমা :

পাৰোপাহাৰ। চাংমা বিজনীৰ কৃষক আন্দোলনৰ লগত জড়িত আছিল। ১৯২২ চনৰ ফেব্ৰুৱাৰীত তেখেতক গ্ৰেপ্তাৰ কৰি সাক্ষীৰ অভাৱত এৰি দিয়ে যদিও ভৱিষ্যতে যাতে চৰকাৰ বিৰোধী কাম নকৰে তাৰ বাবে সাৱধান কৰি দিছিল।

আছৰাফ আলি :

গোৱালপাৰা। ১৯২১ চনত গুৱাহাটী কটন কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেখেত খিলাফৎ আন্দোলনৰ পূৰ্ণ সমৰ্থক আছিল। ১৯২২ চনত গ্ৰেপ্তাৰ হয় আৰু এমাহ জেল হাজোতত থকাৰ পছত প্ৰমাণৰ অভাৱত মুক্তি পায়।

আব্দুল খাছ :

গোৱালপাৰা। ১৯২১ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধীনতা দিৱসত শোভাযাত্ৰাৰ নেতৃত্ব কৰিছিল। মদৰ দোকানৰ আগত পিকেটিং কৰিছিল। পাছত অভয়াপুৰীত তেখেতক গ্ৰেপ্তাৰ কৰি ৬ মাহ জেল দিয়ে। আকৌ ১৯৩২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ কৰি কাৰাবাস দিয়ে। কাৰাবসত ভেৰ মাহৰ পাছত টাইফয়ড হোৱাত মুক্তি দিয়ে। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

ইদ্ৰিছ মিস্ত্ৰী :

পিতৃ আব্দুল মিস্ত্ৰী। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি তিনি মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। এজন জাতীয়তাবাদী কংগ্ৰেছ কৰ্মী আছিল। জাতীয় ঐক্যৰ কাৰণে অহৰহ কাম কৰিছিল।

ইম্তাজ আলি :

গোৱালপাৰা। ১৯২১ চনত খিলাফৎ আন্দোলনত যোগদান কৰে। সেই চনতে অসহযোগ আন্দোলনত যোগ দি ৯ দিন গোৱালপাৰা জেলত কাৰাবাস খাটে। ১৯৮০ চনত তেওঁৰ মৃত্যু হয়।

উপেন্দ্ৰ নাৰায়ণ শৰণীয়া :

গোলপাৰা, ধুপধৰা। পিতৃ গোপাল ৰাভা। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰে। তেখেতে সেই বছৰতে পুণা যাত্ৰাত যোগ দিছিল আৰু পুণাতে তেখেতক গ্ৰেপ্তাৰ কৰিছিল। ইয়াৰ পাছত ১ মাহ ১৪ দিন বাৰ্জা জেলত বিচাৰাধীন বন্দী হিচাপে ধুপধৰা জিলা কংগ্ৰেছৰ সভাপতিও হৈছিল।

উমেশ চন্দ্ৰ চক্ৰৱৰ্তী :

বনগাওঁ, অভয়াপুৰী। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দিয়ে। ১৭।১০।৪২ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি তিনিমাহ কাৰাবাস খাটে। মুক্তিৰ পাছত পলাতক কৰ্মী হিচাপে কাম কৰিছিল। তেখেত জিলা কংগ্ৰেছৰ সমৰ্থক আৰু ভাল সংগঠক আছিল।

উমেশ চন্দ্ৰ শৰণীয়া :

দুধনৈ। ১৯২১ চনত কটন কলেজ এৰি অসহযোগ আন্দোলনত যোগদান কৰি পুলিচৰ দ্বাৰা বিভিন্ন ধৰণে নিৰ্য্যাতিত হৈছিল। ১৯৪২ চনৰ আন্দোলনতো যোগদান কৰিছিল। পিছলৈ এজন আগশাৰীৰ কংগ্ৰেছ কৰ্মী হিচাপে পৰিগণিত হৈছিল।

উপেন্দ্ৰ নাথ মজুমদাৰ :

মজাটবমুখ, গ্ৰীজাংবাম। ভাৰতৰ স্বাধীনতা সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰি পুলিচৰ বেয়নেটৰ খোঁচ খায় আৰু গুৱাহাটী জেলত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৪২ চনৰ [illegible] পুলিচৰ লাঠি চালনাত আঘাত পায়। কিছুদিন পলাতক হিচাপে কাম কৰি পিছত কৃষক সংগঠনত লাগিছিল। আজীৱন কংগ্ৰেছ কৰ্মী আছিল।

কমলা কান্ত দাস :

হেকেৰা, নগৰবেৰা। ১৯২১ চনত ১ বছৰ [illegible] কৰে। কংগ্ৰেছত যোগ দিয়াৰ সময়ত লোকে তেখেতক মেলেৰাৰ বলি মাতিছিল। মদৰ দোকানত পিকেটিং কৰিছিল আৰু ১ বছৰ কাৰাদণ্ড হৈছিল। কংগ্ৰেছৰ বিভিন্ন সংগঠনৰ কামত জড়িত আছিল। ১৯৭২ চনত তেখেতৰ মৃত্যু হয়

কমলাকান্ত সৰ্মা :

বাগাভিতা, বিজনী। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি পিকেটিং কৰা বাবে ১৫ দিন সশ্ৰম কাৰাদণ্ড ভোগ কৰে। তেখেতে কংগ্ৰেছৰ সংগঠনৰ কাম কৰিছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ স্বেচ্ছাসেৱকৰ নায়ক আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বিজনী কৃষক আন্দোলনৰ নেতৃত্ব কৰিছিল। ১৯৪১-৪২ চনৰ আন্দোলনতো যোগ দিছিল। ১৯৮০ চনত মৃত্যু হয়।

কামাৰুদ্দিন আহমেদ :

গোৱালপাৰা। ১৯২১ চনত খিলাফত আন্দোলনৰ প্ৰধান উদ্যোক্তা আছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে আৰু ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। তেখেতে গোৱালপাৰা জিলা কংগ্ৰেছৰ ধনভড়াঁলী আছিল। পিছত গোৱালপাৰা কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী হিচাপে কাম কৰিছিল। ১৯৮০ চনত তেওঁৰ মৃত্যু হয়।

কিৰণ চন্দ্ৰ নাথ :

গোৱালপাৰা টাউন। স্কুলৰ শিক্ষা ত্যাগ কৰি ১৯৩০ চনৰ অসহযোগ আন্দোলনত যোগদান কৰি ১ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩২ চনতো সক্ৰিয়ভাৱে কংগ্ৰেছৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। তেখেতে বিশেষকৈ কৃষক সংগঠনৰ কামত জড়িত আছিল। ১৯৩৪ চনত মহাত্মা গান্ধী গোৱালপাৰালৈ যাওঁতে গান্ধীজীৰ অস্পৃশ্যতা দূৰীকৰণৰ কামত আত্মনিয়োগ কৰিছিল।

কীৰ্ত্তি চন্দ্ৰ বৰ্ম্মন :

সৃজনগ্ৰাম। পিতৃ গোকুল চন্দ্ৰ বৰ্ম্মন। ১৯৪২ চনৰ আন্দোলনত যোগ দি ১ মাহ হাজোতত থাকে। পাছত গুপ্ত কৰ্মী হিচাপে কাম কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত কংগ্ৰেছ আৰু ৰাজহুৱা অনুষ্ঠানত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

কুমাৰ ললিত নাৰায়ণ দেৱ :

কোকৰাঝাৰ, চিৰাং। ১৯২১ চনত আন্দোলনত অংশ গ্ৰহণ কৰে। কংগ্ৰেছৰ সহানুভূতিশীল ব্যক্তি আছিল। প্ৰতিটো আন্দোলনতে

যোগ দিছিল। লোকবাদ্যৰ অঞ্চলৰ বিভিন্ন বাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮৮ চনত মৃত্যু হয়।

কেশৱ চন্দ্ৰ বৰুৱা :

পিতৃ ফটিক চন্দ্ৰ বৰুৱা। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগদান কৰা বাবে তিনি মাহ হাজোতত বাখে পাছত প্ৰমাণৰ অভাৱত এৰি দিয়ে। পুনৰ গ্ৰেপ্তাৰ হৈ তিনিমাহ হাজোতত হয়। মুক্তিৰ পিছত গুপ্তভাৱে আন্দোলনত অংশ গ্ৰহণ কৰে। স্বাধীনতাৰ পাছত বিভিন্ন বাজহুৱা অনুষ্ঠান আৰু কংগ্ৰেছৰ সংগঠনৰ দায়িত্বত আছিল।

কেবাৰাম পাবো :

লক্ষীপুৰ। পিতৃ সৰুকটা পাবো। ১৯২১ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯২২ চনত গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখে আৰু পাছত প্ৰমাণৰ অভাৱত খালাচ পায়। ইয়াৰ পাছত কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী হিচাপে কাম কৰিছিল। ১৯৬৫ চনত তেখেতৰ মৃত্যু হয়।

খগেন্দ্ৰ নাথ নাথ :

দেশৰ আহ্বান আৰু শিক্ষাগুৰু ধৰ্মেশ্বৰ দাসৰ ত্যাগমন্ত্ৰত দীক্ষিত হৈ ছাত্ৰ খগেন্দ্ৰনাথে সিমানতে শিক্ষা জীৱনৰ সামৰণি পেলাই এক-নিষ্ঠভাৱে দেশমাতৃক স্বাধীন কৰাৰ মহান যজ্ঞত নিজকে আহুতি দিয়ে। পিছত তেখেতে উপলব্ধি কৰি কৈছিল, "টকা, ধন-সম্পত্তি, দৌলত ত্যাগ কৰিলেও পুনৰ উন্নতি পাব পাৰি কিন্তু শিক্ষা ত্যাগ কৰিলে জীৱনত ঘূৰাই পোৱা নাযায়।" ১৯২১ চনত মহাত্মা গান্ধী অসহযোগ আন্দোলনৰ কাৰ্যসূচী লৈ অসমলৈ অহাৰ সময়ত খগেন্দ্ৰ নাথ স্বাধীনতাৰ প্ৰাণকেন্দ্ৰ পূৰ্ববঙ্গৰ চাঁদপুৰত আছিল। গোৱাল-পাৰাত দেখা দিয়া কালাজ্বৰ মহামাৰীৰ সময়ত এদল ত্যাগী সমাজ-কৰ্মীৰ লগত লৈ তেখেতে পাৰ্যমানে মানৱসেৱা কৰিছিল। তেখেতৰ উদ্যোগত অসম প্ৰান্তৰ জৰিয়তে খদ্দৰ কাপোৰৰ বহুল প্ৰচলন গোৱাল-পাৰা জিলাত আৰম্ভ হ'ল। নাথে নিজৰ বুকুৰ তেজেৰে নোট বুকত নাম লিখিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰী দিনটোত স্বাধীনতাৰ পতাকা উত্তোলন কৰা, সমদল, শোভাযাত্ৰা উলিওৱা, সভা-সমিতি পতা, বিদেশী বৰ্জন, মদ, ভাং, কানিৰ দোকানত পিকেটিং কৰা আদি কাম

গোৱালপাৰা জিলাতো নাথৰ তত্বাৱধানত পালন কৰা হৈছিল। সেইদিনাই তেওঁক পুলিচে গ্ৰেপ্তাৰ কৰি ১৩ মাহৰ সশ্ৰম কাৰাদণ্ড দিয়ে। তেখেতক ৭ মাহ চিলেট জেলত ৰাখিছিল। ১৯৩৭ চনৰ ১৩ এপ্ৰিলৰ দিনটো জালিয়ানৱালাবাগ দিৱস হিচাপে পালন কৰা হয়, গোৱালপাৰাত নাথৰ নেতৃত্বত কেইবাহাজাৰো জনতাই ১৪৪ ধাৰা ভংগ কৰি সমৰ্থন জনিয়াই তেজোদীপ্ত বক্তৃতা দিছিল। ফলত পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰি ৭ মাহ জেল দিলয়। জেলৰ পৰা ঘূৰি'আহি ১৯৩০ চনত মহাত্মা গান্ধীয়ে আহ্বান দিয়া 'গাঁৱলৈ উভতি যোৱা' আন্দোলনত তেখেত জপিয়াই পৰে। ১৯৩৪ চনত গোৱালপাৰা জিলাৰ কৃষক সন্মিলন তেখেতৰ অক্লান্ত পৰিশ্ৰমৰ ফল। ১৯৪০ চনত গঠিত শান্তিসেনা বাহিনীৰ পৰিচালনাৰ দায়িত্ব নাথৰ ওপৰত পৰিছিল আৰু অসমৰ প্ৰথম শান্তিসেনা শিবিৰ ধুপধৰাত পৰিছিল। ১৯৪৫-৫২ চনলৈ তেখেত গোৱালপাৰা জিলাৰ অবিসম্বাদী কংগ্ৰেছ নেতা আছিল।

খৰ্গেশ্বৰ দাস :

মালোতাড়, গোৱালপাৰা। পিতৃ মাধুৰাম দাস। কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩২ চনত তিনি মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৪০ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩৩-৩৪ চনত কৃষক সংগঠনত কংগ্ৰেছৰ কৰ্মী আছিল।

খগেন্দ্ৰ নাৰায়ণ দেৱী :

চিজনিভোলা। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দিয়ে। ১৯৩২ চনত তেওঁৰ তিনিমাহ জেল হয় আৰু পুলিচৰ বেতৰ কোব খায়। ১৯২১ চনৰ আন্দোলনত যোগ দি তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

খাৰি কান্ত ৰাভা :

হাতিগাঁও। জাগিয়া। পিতৃ বাকমল ৰাভা। ১৯৪২ চনত মেহগৰা জমিদাৰৰ কাছাৰীৰ পৰা আৰু কাজিজান কাছাৰীৰ পৰা নথিপত্ৰ নিয়া অপৰাধত গ্ৰেপ্তাৰ বৰণ কৰি ৬ মাহ জেল খাটে। পিছত গঠনাত্মক কৰ্মী হিচাপে কাম কৰে। স্বাধীনতাৰ পিছত বিভিন্ন উন্নয়নমূলক কামত আগভাগ লয়।

খবিৰুদ্দিন আহমেদ :

অভয়াপুৰী। ১৯২১ চনত খিলাফৎ আন্দোলনত যোগ দিয়ে। সেই চনতে অসহযোগ আন্দোলনত পিকেটিং কৰি তিনি মাহ সশ্ৰম কাৰাদণ্ড ভোগে। তেখেত গোৱালপাৰা জিলা কংগ্ৰেছ কমিটিৰ কোষাধ্যক্ষ আছিল।

গলিৰাম মেছ :

কোকৰাঝাৰ। ১৯২১ চনৰ আন্দোলনত ভাগ দিয়ে। ১৯২২ চনত গ্ৰেপ্তাৰ হৈ জেল খাটে। কোকৰাঝাৰ অঞ্চলৰ কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰিছিল।

গজেন্দ্ৰ অধিকাৰী :

অভয়াপুৰী। ১৯২১ চনৰ পৰা কংগ্ৰেছৰ স্বেচ্ছাসেৱক আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত যোগদান কৰে। ১৯৩১ চনত ৪ মাহ ফাটেক খাটে। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। পিছলৈ কংগ্ৰেছৰ বিভিন্ন সাংগঠনিক কামত জড়িত হৈ পৰিছিল। ১৯৮৫ চনত তেখেতৰ মৃত্যু হয়।

গংগাচৰণ বৰুৱা :

গোৱালপাৰা। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। শোভাযাত্ৰা কৰা কাৰণে ৰাজদ্ৰোহী অপৰাধত ৬ মাহ ফাটেক হয়। ১৯৩০-৩২ আৰু ১৯৪২ ৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। কৃষক সংগ-ঠনৰ এজন মুখ্য কৰ্মী আছিল। ১৯৮০ চনত মৃত্যু হয়।

গংগাধৰ দাস :

গোৱালপাৰা। পিতৃ ভৈৰৱচন্দ্ৰ দাস। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। আজীৱন কংগ্ৰেছৰ বিভিন্ন গঠনমূলক কামত অংশ গ্ৰহণ কৰিছিল। ১৯[illegible] চনত মৃত্যু হয়।

গজেন্দ্ৰ চন্দ্ৰ দাস :

১৯৪২ চনৰ আন্দোলনত যোগ দিয়ে। দুৰ্গা বাৰীতো অংশ গ্ৰহণ কৰিছিল। গোৱালপাৰা জিলাত গ্ৰেপ্তাৰ হৈ একমাহ বিচাৰাধীন

হৈ থাকে। বোম্বাইত গ্ৰেপ্তাৰ হৈ এক মাহ চৈধ্য দিন নিৰ্বাসিত হৈ থাকে। ১৯৪৩ চনত তিনিমাহ ৰাজৰ্ষেদ জেলত সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

গিৰীন্দ্ৰ চন্দ্ৰ নাথ :

গোৱালপাৰা। পিতৃ হৰিপ্ৰসাদ নাথ। ১৯২১ চনত কলেজ বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। তেওঁ বিশেষকৈ শোভাযাত্ৰাত স্বদেশী গান গাইছিল। তেওঁ কৃষক সংগঠনৰ লগতো জড়িত আছিল। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

গোবিন্দ চন্দ্ৰ ৰয় :

সৃজনগ্ৰাম। ১৯৩০ চনৰ আন্দোলনত যোগদান কৰে। ১৯৩২ চনত তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে আৰু ২৫ টকা জৰিমনা হয়। অনাদায়ত আৰু ১৫ দিন কাটেক হয়। কংগ্ৰেছৰ কৃষক আন্দোলনৰ সমৰ্থক আছিল। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

গণেশ চন্দ্ৰ দাস :

দেওহাটী, গোৱালপাৰা। পিতৃ মহেশচন্দ্ৰ দাস। ১৯৩০-৩২ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৪১ চনত সত্যাগ্ৰহত যোগ দিয়ে। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৩২ চনৰ পৰা গোৱালপাৰাত কৃষক সংগঠনত জড়িত আছিল।

গধুৰ ডেকা :

গোৱালপাৰা। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি তিনি মাহ সশ্ৰম কাৰাদণ্ড ভোগে। খিলাফৎ আন্দোলনৰো এজন কৰ্মী আছিল। ১৯৮২ চনত মৃত্যু হয়।

গংগাচৰণ নাথ :

নাৰাংগোৰী, মঙলদৈ। পিতৃ লোকনাথ নাথ। তেওঁ হাইস্কুল বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯২২ চনত মৌজাদাৰৰ জমিদাৰৰ চাকৰি ত্যাগ কৰি আন্দোলনত যোগ দিয়ে। কংগ্ৰেছ সংগঠনৰ বিভিন্ন বিষয়ৰ কাম কৰিছিল।

গোবিন্দ চন্দ্ৰ বৰ :

সৃজনগ্ৰাম। ১৯৩০ চনত আন্দোলনত যোগদান কৰে। ১৯৩২ চনত তিনিমাহ সশ্ৰম কাৰাদণ্ড আৰু ২৫ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত আৰু ১৫ দিন হাজোত থাকে। কংগ্ৰেছৰ কৃষক আন্দোলনৰ সমৰ্থক আছিল। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৭৬ চনত মৃত্যু হয়।

গৌৰী কান্ত বৰ :

সৃজনগ্ৰাম। পিতৃ দেৱৰাম বৰ। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৩২ চনত তিনিমাহ হাজোত হয়। ১৯৪২ চনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। বহুত দিনলৈ আত্মগোপন কৰি আন্দোলনৰ কাম কৰিছিল।

গৌৰী কান্ত চক্ৰবৰ্ত্তী :

কটাবাৰী, অভয়াপুৰী। ১৯২১ চনত আইন মহাবিদ্যালয়ৰ পৰা ওলাই আহি অসহযোগ আন্দোলনত যোগ দিয়ে। ইয়াৰ বাবে এক মাহ হাজোত খাটে। পাছত আইন পাছ কৰি ওকালতি কৰে। কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য হিচাপে কাম কৰিছিল। ১৯৭৫ চনত মৃত্যু হয়।

গংগাচৰণ পাটগিৰি :

ধূপধৰা, গোৱালপাৰা। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে। ১৯৩২ চনৰ আন্দোলনত যোগ দি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩০ চনৰ ২৫ জানুৱাৰীত স্বাধীনতা পতাকা উত্তোলন, শোভাযাত্ৰা সংগঠন, ৰাজহুৱা কমিটিৰ আদিৰ আয়োজন কৰিছিল। ধূপধৰা অঞ্চলৰ কংগ্ৰেছৰ মুখ্য সমৰ্থক হিচাপে কাম কৰিছিল। ১৯৩৫ চনত অঞ্চলটোত কৃষক সংগঠনৰ কাম কৰিছিল। ১৯৪১ চনৰ সত্যাগ্ৰহ আৰু ১৯৪২ চনৰ গণ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত ঘৰ খানাতালাচ কৰি অস্থাৱৰ সম্পত্তি বাজেয়াপ্ত কৰিছিল। দুখনে আঞ্চলিক কংগ্ৰেছৰ সভাপতি আছিল। ধূপধৰা অঞ্চলত শিক্ষা, চিকিৎসাৰ আদি বহুতো ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮৫ চনত মৃত্যু হয়।

গোবিন্দ চৰণ শৰ্মা ঃ

পিতৃ সিদ্ধিনাথ শৰ্মা। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে। গোৱালপাৰা জিলাৰ স্বেচ্ছাসেৱী সংগঠনৰ অধিনায়ক পদত বহু বছৰ কাম কৰিছিল। ১৯৪২ চনত শান্তিসেনা সংগঠনৰ কাম কৰিছিল। ১৯৩০ চনত ৩ মাহ জেল হয়। ১৯৪২ চনত ৫ মাহ জেল খাটে। জেলৰ পৰা ওলাই আহি গুপ্তভাৱে কংগ্ৰেছৰ কাম কৰিছিল। দেশ স্বাধীন হোৱাৰ পাছত অভয়াপুৰীত বিভিন্ন ৰাজহুৱা কামত জড়িত হৈছিল। ১৯৮৮ চনত মৃত্যু হয়।

গোবিন্দ চন্দ্ৰ পাটগিৰি ঃ

মৰনৈ। পিতৃ বিভুনাথ পাটগিৰি। পুলিচৰ চাকৰি ত্যাগ কৰি ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে আৰু ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩০-৩২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহ কৰিছিল। পিছলৈ গুপ্তভাৱে কাম কৰে। ১৯৮৪ চনত মৃত্যু হয়।

চন্দ্ৰ মোহন বৰ্মণ ঃ

ভুৰিগাঁও, বৈয়দা। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। গোৱালপাৰা জিলাৰ এজন প্ৰধান কৃষক সংগঠনৰ নায়ক আছিল। কংগ্ৰেছৰ বিভিন্ন আন্দোলনৰ লগত জড়িত আছিল। ১৯৪২ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। কংগ্ৰেছৰ বাহিৰেও বায়ত সভা আৰু অন্যান্য ৰাজহুৱা সংগঠনৰ দায়িত্বত আছিল। ১৯৭৭ চনত ভেখেতৰ মৃত্যু হয়।

চন্দ্ৰমোহন দাস ঃ

খুটাবাৰী, ধুপধৰা। দাসৰ পিতৃ শুকমল দাস। ১৯৩০ চনত স্কুল বৰ্জন কৰি কংগ্ৰেছত যোগদান কৰে। ১৯৩২ চনত তিনি-মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ধুপধৰাত কংগ্ৰেছ সেৱা দল গঠন কৰে। জেলৰ পৰা ওলাই আহি অঞ্চলটোত কৃষক সংগঠনৰ দায়িত্ব লয়। পাছলৈ গুপ্তভাৱে কংগ্ৰেছৰ কাম কৰে। ১৯৭২ চনত মৃত্যু হয়।

চন্দ্ৰমোহ মজুমদাৰ :

গোৱালপাৰা। মজুমদাৰৰ বিৰুদ্ধে ১০৮ ধাৰাত গ্ৰেপ্তাৰী পৰোৱানা বাহিৰ হৈছিল যদিও বহুদিনলৈকে ধৰা দিয়া নাছিল। পিছত ধৰা দিয়ে আৰু প্ৰতিশ্ৰুতি পত্ৰত চহী কৰিবলৈ অমান্তি হোৱাত ১ মাহ কাৰাদণ্ড হয়। শেষত বিপ্লৱী দলৰ সদস্য হিচাপে কাম কৰিছিল। ১৯৮০ চনত মৃত্যু হয়।

চক্ৰপাণি শৰ্মা :

অভয়াপুৰী। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৩০-৩২ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহ জেল খাটে। ১৯৩৫ চনৰ কৃষক আন্দোলনৰ লগত জড়িত আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতো জড়িত আছিল। ১৯৬৮ চনত মৃত্যু হয়।

চামিৰুদ্দ আহমেদ :

অভয়াপুৰী। খিলাফৎ আৰু কংগ্ৰেছ আন্দোলনত জড়িয়াই পৰি ৰাজদ্ৰোহ অপৰাধত ৩ মাহ কাৰাদণ্ড খাটে। ১৯৩০-৩২ চনৰ আন্দোলনতো যোগদান কৰিছিল। ১৯৩২ চনত মৃত্যু হয়।

চাৰু মোহন ৰয় :

বিজনী, শেৰফাবাৰী গাঁও। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰে। পুলিচে ১ মাহ হাজোতত ৰাখি এৰি দিয়ে। ১৯৩১-৩২ চনৰ আন্দোলনত সহযোগ কৰিছিল। বিপ্লৱী বুলি গ্ৰেপ্তাৰ কৰি আটক কৰি ৰাখিছিল। ১৯৪২ চনৰ আন্দোলনতো যোগদান কৰিছিল। ১৯৮২ চনত মৃত্যু হয়।

চিত্তৰঞ্জন পাল :

গোৱালপাৰা। ১৯২৯ চনত স্বাধীনতা আন্দোলনত যোগ দি প্ৰচাৰপত্ৰ বিলাইছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন কৰে আৰু ২৬।১০।১৯৩০ তাৰিখে শোভাযাত্ৰা উলিয়ায়। কংগ্ৰেছ কমিটিৰ সম্পাদক হিচাপে নিৰ্বাচিত হয় আৰু পিকেটিংৰ কাৰ্যসূচী হাতত লয়। তেখেত স্বেচ্ছাসেৱক সংগঠনৰ লগতো জড়িত আছিল।

জগত চন্দ্ৰ পাল :

স্বাধীনতা সংগ্ৰামী, দুধনৈ। পিতৃ অক্ষয় চন্দ্ৰ পাল। ১৯৪২ চনৰ শোভাযাত্ৰাত যোগ দি গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৪২ চনৰ দুধনৈত শোভাযাত্ৰাৰ নেতৃত্ব কৰিছিল আৰু ৰাজদ্ৰোহমূলক প্ৰচাৰ পত্ৰ বিতৰণ কৰাত ৬ মাহ জেল হয়। তেখেতে ক্ৰমে চিলেট আৰু গুৱাহাটী জেললৈ স্থানান্তৰিত হৈছিল। মুক্ত হৈ গুপ্তভাবে আন্দোলন চলাইছিল। অঞ্চলটোৰ ৰাজহুৱা কামৰ লগত জড়িত আছিল।

জয়মোহন বৰ্মন :

পিতৃ বালুৰাম বৰ্মন। ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ আন্দোলনৰ লগত জড়িত আছিল। ১৯২০-৩২ চনত স্বেচ্ছাসেৱক দল গঠন কৰিছিল। ১৯৪৩ চনত আগিয়াৰ পৰা ৫ মাইল দূৰৰ এখন কাঠৰ দলং ধ্বংস কৰাৰ অপৰাধত গ্ৰেপ্তাৰ হয় আৰু এক বছৰ সশ্ৰম কাৰাদণ্ড ভোগে। জেলৰ পৰা মুক্তি পাই ১৯৪৫ চনৰ শেষলৈকে সংগঠনৰ কাম কৰিছিল। স্বাধীনতাৰ পাছত আগিয়া অঞ্চলৰ ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৭৪ চনত মৃত্যু হয়।

জয়গোপাল ৰয় :

পিতৃ বীৰনাৰায়ণ ৰয়। ১৯৩০ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগদান কৰে। পাছত গোৱালপাৰা জিলাত কৃষক আন্দোলনত আত্মনিয়োগ কৰে। ১৯৪২ চনত সক্ৰিয়ভাৱে আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৪৩ চনত গুপ্ত আন্দোলনত জড়িত থকা বুলি গ্ৰেপ্তাৰ হৈছিল যদিও প্ৰমাণৰ অভাৱত খালাচ পায়। স্বাধীনতাৰ পিছত বহুতো ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল।

জ্ঞানেন্দ্ৰ চন্দ্ৰ নাথ :

পিতৃ ত্ৰিকনাথ নাথ। ১৯৩০ চনত আন্দোলনত যোগদান কৰাবাবে গ্ৰেপ্তাৰ হয় আৰু তিনিমাহ হ্নাটেক খাটে। ১৯৩২ চনতো ৬ মাহ জেল হয়। জেলৰ পৰা ওলাই অহাৰ কেইমাহমান পাছত তেওঁৰ মৃত্যু হয়।

টীয়াৰাম বাভা :

গোৱালপাৰা। ১৯৩১ চনৰ ক্ৰেস্ত্ৰৰাবী মাহত ধুপধৰাত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৩০ চনত কংগ্ৰেছত যোগ দিছিল। ১৯৩৪ চনত হৰিজন আন্দোলন আৰু ১৯৩৫ চনত কৃষক সংগঠন আদি কামত ধুপধৰা অঞ্চলত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনতো অংশ গ্ৰহণ কৰি বিভিন্ন দায়িত্ব পালন কৰিছিল। ১৯৮৫ চনত মৃত্যু হয়।

বীজেন্দ্ৰ নাথ লাল :

গোৱালপাৰা। ১৯২১ চনত চৰকাৰী চাকৰিৰ পৰা পদত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দিয়ে আৰু ১ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩০ চনত পতাকা উত্তোলন কৰি সভা পাতি ভাষণ দিয়ে। ১৯৩৭ চনত জিলা কংগ্ৰেছৰ সভাপতি হয়। তেখেতে স্বেচ্ছা-সেৱক সংগঠনৰ দায়িত্বতো আছিল। স্বাধীনতাৰ পাছত বিভিন্ন ৰাজ-হুৱা অনুষ্ঠানৰ দায়িত্বত আছিল।

দীনেশ চন্দ্ৰ দাস :

দেওহাটী, উত্তৰ শালমৰা। পিতৃ শুকুৰাম দাস। ১৯৪২ চনৰ গণ আন্দোলনত দুবছৰ কংগ্ৰেছৰ কাম কৰিছিল। দেওহাটী কংগ্ৰেছৰ সভাপতি আছিল। বিভিন্ন উন্নয়নমূলক কামৰ লগত জড়িত আছিল।

দীনেশ চন্দ্ৰ দাস :

মৰনৈ। পিতৃ চিকিৰচন্দ্ৰ দাস। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। পাছত ১৯৩০ চনৰ আন্দোলনত যোগদান কৰি কেইবাৰাে গ্ৰেপ্তাৰ হৈছিল। এবাৰ ১০ দিন হাজোতত ৰাখি খাদ্য নিদিয়া। গুপ্তভাৱে আন্দোলনৰ কাম কৰিছিল।

দেবেন্দ্ৰ নাৰায়ণ :

জলখাউ, উত্তৰ শালমাৰা। পিতৃ মৃগেন্দ্ৰ নাৰায়ণ। ১৯৪২ চনৰ আন্দোলনত যোগ দি ১২।১০।৪২ তাৰিখে ৬ মাহৰ সশ্ৰম কাৰাদণ্ড হয়। উত্তৰ শালমাৰা কংগ্ৰেছ কমিটিৰ সম্পাদক হিচাপে কাম কৰিছিল। তেওঁ গুপ্তভাৱে আন্দোলনৰ কাম কৰিছিল।

দেহীৰাম দাস :

পাচনীয়া। পিতৃ বাবুৰাম দাস। ১৯৩২ চনৰ আন্দোলনত যোগদান কৰিছিল। গোৱালপাৰা জিলা কৃষক আন্দোলনতো সক্ৰিয় ভাৱে কাম কৰিছিল। ১৯৭২ চনত মৃত্যু হয়।

দুৰ্গানাথ নাথ :

গোৱালপাৰা। জন্ম ১৮৯৯, মৃত্যু ১৯৮৯ চন। পিতৃ উমাচন্দ্ৰ নাথ। ১৯২০ চনত আই জি পি কাম ত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দিয়ে আৰু গোৱালপাৰাত কংগ্ৰেছৰ কাম আৰম্ভ কৰে। জিলা কংগ্ৰেছৰ এজন প্ৰধান কৰ্মী আছিল। ১৯২১ চনত ২ মাহ হাজোতত ৰাখি ৬ মাহ জেল দিয়ে। জেলৰ পৰা মুক্তি পাই গোৱালপাৰাত এটা বয়ন শিল্পানুষ্ঠান আৰম্ভ কৰিছিল। একেৰাহে কংগ্ৰেছ আৰু অন্যান্য সংগঠনৰ লগত জড়িত আছিল। ১৯৩৮ চনত জিলা কংগ্ৰেছৰ সম্পাদক হয়। ১৯৪১ চনত সত্যাগ্ৰহ কৰে আৰু ১৯৪২ চনত গুপ্তভাবে কাম কৰে। দেশ স্বাধীন হোৱাৰ পাছত গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

ধৰজেন্দ্ৰ চন্দ্ৰ মেধি :

গোৱালপাৰা। ১৯২১ চনত কলেজ বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। অসম চৰকাৰৰ বয়ন বিভাগত কাম কৰিছিল। চাকৰিত থকা সময়তো কংগ্ৰেছৰ বিভিন্ন সংগঠনৰ লগত জড়িত আছিল। ১৯৩৪ চনত হৰিজন আন্দোলনত জড়িত আছিল। '৪২ ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। খাদী গ্ৰামোদ্যোগ বিভাগতো কাম কৰিছিল। ১৯৮৪ চনত তেওঁৰ মৃত্যু হয়।

ধৰ্মেশ্বৰ দাস (চৰকাৰ) :

উত্তৰ শালমাৰা। পিতৃ হাগোৰাম চৰকাৰ। ১৯৩০ চনত কংগ্ৰেছৰ আন্দোলনত যোগদান কৰে। ২৬ জানুৱাৰী পতাকা উত্তোলনৰ শোভাযাত্ৰাৰ আয়োজন কৰিছিল। ১৯৩২ চনৰ আন্দোলনত নগাঁও জেলত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। মহাত্মাৰ হৰিজন আন্দোলন আৰু কৃষক আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত সহযোগ কৰিছিল।

নৰেন্দ্ৰ নাৰায়ণ চৌধুৰী :

লক্ষীপুৰ। ১৯২১ চনত আন্দোলনত যোগ দিয়ে। মেচপাৰা অঞ্চলৰ খাজনা বন্ধ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৩০-৩২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩৭ চনত গোৱালপাৰাত কংগ্ৰেছৰ দ্বাৰা হোৱা কৃষক সমাবেশত এজন অগ্ৰণী নেতা আছিল। ১৯৪১-৪২ চনৰ গণ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

নচিমুদ্দিন আহমেদ :

গোৱালপাৰা। ১৯২১ চনত গোৱালপাৰাত খিলাফৎ আন্দোলনৰ প্ৰধান কৰ্মী আছিল। ১৯২১ চনত এক মাহ আৰু ১৯২২ চনত ৬ মাহ কাৰাদণ্ড ভোগ কৰে।

নাছিৰুদ্দিন আহমেদ :

গোৱালপাৰা। ১৯২১ চনৰ খিলাফৎ আন্দোলনৰ এজন প্ৰধান কৰ্মী আছিল। সেই চনতে তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। তেখেত 'চেৰ চাহাব' নামে জনাজাত আছিল; গাঁও সংগঠনৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰিছি।

নৰপতি বসুমতাৰী :

কোকৰাঝাৰ। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে আৰু ১৯৪৮ চনৰ আন্দোলনত এবছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। কোকৰাঝাৰ অঞ্চলৰ কংগ্ৰেছ সংগঠনত প্ৰধান ভূমিকা লৈছিল। জিলা আৰু প্ৰাদেশিক কংগ্ৰেছৰ সদস্য আছিল। অঞ্চলটোৰ বিভিন্ন ৰাজহুৱা কামত লিপ্ত আছিল। ১৯৮৫ চনত মৃত্যু হয়।

নিধংসু ৰাজবংশী :

আগিয়া। পিতৃ কালিচৰণ ৰাজবংশী। ১৯৪২ চনত তেখেতৰ ২০০ টকা পাইকাৰী জৰিমনা হয়। দিবলৈ অসমৰ্থ হোৱাত চিপাহীয়ে তেখেতৰ হালোৱা গৰুহাল মাৰি নিবলৈ ওলায়। নিধংসুৱে বৰ সানুনয়ে চিপাহীক অনুৰোধ কৰাত চিপাহীয়ে বহু কৰ্কথনা কৰি খাতি ১১ বজাত গৰুহাল এৰি দি উভতি আহে। ঠিক সেই সময়তে গোৱালপাৰাৰ মহকুমাধিপতিয়ে দুখনৰ পৰা গোৱালপাৰালৈ যাওঁতে এই ঘটনাৰ সম্ভেদ পায় আৰু দুজন ইউৰোপীয়ান বিষয়া, লগতে

সশস্ত্ৰ চিপাহী লৈ ৰাজবংশীৰ ঘৰত উপস্থিত হয়গৈ। কেউজন লোকে চিপাহীয়ে ঘৰ ঘেৰাও কৰি তেওঁক বাহিৰলৈ ওলাই আহিবলৈ নিৰ্দেশ দিয়ে। কিন্তু নিধংসু ভয়ত ওলাই নাহিল। মহকুমাধিপতিয়ে তেওঁৰ নিৰ্দেশ অমান্য কৰা বুলি চিপাহীক গুলি চলাবলৈ আদেশ দিয়ে। এটা গুলি নিধানুৰ আঁঠুত লাগে আৰু আন এটা গুলিয়ে নিধানুৰ ঘৰ ভেদ কৰি গৈ আনফালে ঘেৰাও কৰা পুলিচৰ গাত লগাত পুলিচ-জনৰ থিতাতে মৃত্যু হয়। ইয়াৰ পিছত চিপাহীবিলাক ঘৰত সোমাই সঙ্গীনেৰে নিধংসুক ক্ষত-বিক্ষত কৰে। দেহৰ দেহা ৰক্তাক্ত হৈ পৰে আৰু লগে লগে মৃত্যু হয়। এই হত্যাকাণ্ড বৃটিছৰ নিৰ্য্যাতনৰ চৰম নিদৰ্শন।

নগেন্দ্ৰ চন্দ্ৰ ৰয়:

গোৱালপাৰা। পিতৃ তাৰিণী চন্দ্ৰ ৰয়। ১৯৪২ চনৰ আন্দোলনত ১ বছৰ সশ্ৰম কাৰাদণ্ড হয়। সেই চনৰে ২৯ ডিচেম্বৰত বিপ্লৱী দলৰ সদস্য হয় আৰু কংগ্ৰেছ ত্যাগ কৰে।

নৰপতি বসুমতাৰী:

টিকাচু, কোকৰাঝাৰ। পিতৃ নৰেন্দ্ৰ বসুমতাৰী। ১৯৩০ চনত দুধনৈৰ হাটত পিকেটিং কৰা হেতুকে গ্ৰেপ্তাৰ হৈছিল। পাছত হাজোতত ৰাখি এৰি দিছিল। ১৯৩৫ চনত গোলাঘাটত কংগ্ৰেছৰ কৃষক আন্দোলনত প্ৰধান ভূমিকা লৈছিল। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলন আৰু ১৯৪২ চনৰ গণ আন্দোলনত যোগ দি ১৯৪৩ চনৰ জানুৱাৰী মাহত গ্ৰেপ্তাৰ হয় আৰু এবছৰ জেল খাটে। পিছত গুপ্তভাৱে কাম কৰে।

নেমুৰাম দাস:

পিতৃ নেপাল চন্দ্ৰ দাস। ১৯৩০ চনত বঙাইগাঁৱত মদৰ দোকানত পিকেটিং কৰাত গ্ৰেপ্তাৰ হৈ ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। সেই সময়ত পতাকা উত্তোলনৰ সংগঠন, শোভাযাত্ৰা, সভা-সমিতি আদি পতাত আগভাগ লৈছিল। উত্তৰ শালমাৰাত কংগ্ৰেছৰ সংগঠনত লাগে। ১৯৩২ চনৰ আন্দোলনতো যোগ দিয়ে। ১৯৩৪-৩৫ চনত গোৱালপাৰা কৃষক আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ গণ আন্দোলনতো গুপ্তভাৱে কাম কৰিছিল।

নিজামুদ্দিন আহমেদ :

ধাতিপাৰা, গোৱালপাৰা। ১৯২১ চনত আন্দোলনত যোগ দিয়ে আৰু গুৱাহাটী জেলত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। গোৱালপাৰাত খিলাফৎ আন্দোলনত গ্ৰেপ্তাৰ হৈছিল। ১৯৮০ চনত মৃত্যু হয়।

নিকুঞ্জ বিহাৰী বসুমতাৰী :

দুধনৈ। পিতৃ নৰপতি বসুমতাৰী। ছাত্ৰাৱস্থাতে স্কুল বৰ্জন কৰি গণ আন্দোলনত যোগ দি পিকেটিং কৰা অপৰাধত গ্ৰেপ্তাৰ হৈ তিনি মাহ ফাটেকত থাকিবলগীয়া হয়।

নিমাই চাঁদ দত্তবৰুৱা :

গোৱালপাৰা। পিতৃ আনন্দ চন্দ্ৰ দত্তবৰুৱা। ১৯২১ চনত অষ্টম শ্ৰেণীতে স্কুল বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৪১ চনত সত্যাগ্ৰহত যোগ দিয়াৰ বাবে ১০০ টকা জৰিমনা হয়। ১৯৩০-৩২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হয়। ১৯৪২ চনত ১৮ মাহ জেল হৈছিল। কংগ্ৰেছৰ সংগঠন আৰু বিভিন্ন ৰাজহুৱা কামত জড়িত আছিল আৰু সেই চনতে গোৱালপাৰা জিলা কংগ্ৰেছ কমিটিৰ সভাপতি আছিল। ১৯৭৩ চনত মৃত্যু হয়।

পৰশু শীল :

ফকিৰাগ্ৰাম, কোকৰাঝাৰ। ১৯২১-২২ চনত কংগ্ৰেছত স্বেচ্ছা-সেৱী হিচাপে যোগদান কৰে। ১৯৩১ চনত আইন অমান্য আন্দোলনত ১ বছৰ কাৰাদণ্ড হয়। বিপ্লৱী পন্থী বুলি তেখেতক আটক বন্দী কৰি ৰাখিছিল।

পৰমানন্দ দাস :

পাচনীয়া। পিতৃ হাগৰু চৰকাৰ। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩০-৩২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। সেৱাদল আৰু কৃষক সংগঠনৰ নেতা আছিল। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহত ৬ মাহ জেল খাটে। ১৯৪২ চনৰ গণ আন্দোলনত তেওঁ গুপ্তভাৱে সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩৪-৩৫ চনত পাচনীয়া অঞ্চলত কৃষক সংগঠনৰ দায়িত্বত আছিল।

পৰমানন্দ সৰকাৰ :

মুপাগাঁও। ১৯৪২ চনৰ আন্দোলনত যোগ দি তিনি মাহ জেল খাটে। ১৯৬৫ চনত মৃত্যু হয়।

পৰমনন্দ চৰকাৰ :

বাগদোৰা। ১৯৩০ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক হিচাপে যোগ দিয়ে আৰু পতাকা উত্তোলনত অংশ গ্ৰহণ কৰে। ১৯৩২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হৈ জেলত থাকে। প্ৰমাণৰ অভাৱত পাছত খালাচ পায়। ১৯৪০ চনত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনত গণ আন্দোলনত যোগ দিছিল আৰু অসমৰ পৰা হোৱা সত্যাগ্ৰহীৰ দগত গৈছিল আৰু তাত জেলৰ সন্মুখত সত্যাগ্ৰহ কৰাৰ কাৰণে গ্ৰেপ্তাৰ কৰি ১ মাহ ১৪ দিন জেলত আবদ্ধ কৰি ৰাখে। জেলৰ পৰা মুক্তি হৈ সক্ৰিয় ভাৱে আন্দোলনত নামে।

প্ৰাণীৰাম পাটগিৰি :

কথাকুথি, গোৱালপাৰা। পিতৃ পহৰাম পাটগিৰি। ২৩।২।৩১ তাৰিখে ধুপধৰাত বিদেশী বস্তুৰ দোকানৰ আগত পিকেটিং কৰি ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩০ চনত পতাকা উত্তোলন, শোভাযাত্ৰা সমিতিৰ ব্যৱস্থা কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সহযোগ কৰে। ১৯৪৩ চনৰ আগষ্ট মাহত গ্ৰেপ্তাৰ হয়।

পিথুৰাম নাথ :

নাৰাঙৰাৰী, বেঙৰান। ১৯২১ চনত স্কুল বৰ্জন কৰে। ১৯৩০-৩১ চনৰ অসহযোগ আন্দোলন, ১৯৩৪-৩৫ চনৰ কৃষক আন্দোলন, ১৯৪১ চনত ব্যক্তিগত সত্যাগ্ৰহ আৰু ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। বেঙৰান অঞ্চলটোৰ প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল। ১৯৮৪ চনত তেওঁৰ মৃত্যু হয়।

প্ৰিয়লাল মেধি :

বাৰুাইনেৰী। পিতৃ জগত চন্দ্ৰ নাথ। ১৯২১ চনৰ অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি পিকেটিং কৰা কাৰণে গ্ৰেপ্তাৰ হয়। পাছত মুক্তি পায়। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। উচামাৰী কংগ্ৰেছৰ সংগঠন কৰিছিল আৰু বহু বছৰ

সম্পাদক আছিল। তেখেত গণ আন্দোলন আৰু কৃষক আন্দোলনৰ নেতা আছিল। ১৯৮০ চনত মৃত্যু হয়।

ফুল চাংমা :

দালু, গাৰোহিলচ। ফুকন চাংমা গাৰো সম্প্ৰদায়ৰ এজন বিশিষ্ট নেতা আছিল। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰিছিল। বিজনী মৌজাদাৰৰ খাজনা নিদিয়াৰ আন্দোলনৰ নেতৃত্ব কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ইয়াৰ বাবে তেওঁ ১৮ মাহ কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা কৰিছিল। জৰিমনা অনাদায়ত অতিৰিক্ত ৬ মাহ জেল হয়। গাৰো হিলচ জিলা কংগ্ৰেছ কমিটি সংগঠন কৰে আৰু বহুদিন এই সভাৰ সভাপতি হিচাপে আছিল। ১৯৭২ চনত মৃত্যু হয়।

ফচকেতু ৰয় :

ঘৰ গোৱালপাৰাৰ কাচাখানাত। পিতৃ সৰ্বত ৰয়। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৩১ চনৰ স্বাধীনতা দিৱসৰ দিনা ধুবুৰী কোৰ্ট বিল্ডিঙত পতাকা উৰুৱাই ২১ দিন জেল হাজোতত থাকে। ধুবুৰীত বিভিন্ন ঠাইত সেৱা দল সংগঠন কৰিছিল। জাতীয় পতাকা উত্তোলন কৰিছিল। এজন সক্ৰিয় সংগঠক আছিল। ১৯৪২ চনত কংগ্ৰেছ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

বহাদুৰ চন্দ্ৰ ৰয় :

কোকৰাঝাৰ। ১৯২১ চনত শিক্ষক চাকৰি ত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দিয়ে আৰু তিনিমাহ ফাটেক হয়। ১৯৪২ চনৰ গণ আন্দোলনত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল। বিপ্লৱী দলৰ বুলি তেখেতক আটক বন্দী কৰি ৰাখিছিল। ১৯৭২ চনত মৃত্যু হয়।

বিপিন মাৰাক :

গাৰোপাহাৰ। গোৱালপাৰা জিলাত কংগ্ৰেছ সংগঠনৰ কাম কৰিছিল। গান্ধীজীৰ গঠনমূলক কামত সহযোগ কৰিছিল। গাঁৱে গাঁৱে কংগ্ৰেছৰ সভ্য ভৰ্তি কৰিছিল। বিজনীৰ ৰায়ত আন্দোলনৰ এজন প্ৰধান কৰ্মী আছিল। ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ কৰে

যদিও পাছত খালাচ দিয়ে। আজীৱন কংগ্ৰেছ কৰ্মী আৰু তল্লগুৰি অঞ্চলৰ বিভিন্ন উন্নয়নমূলক কামত জড়িত আছিল।

বিদ্‌চেন পিমোমিন :

গোৱালপাৰা। পিতৃ ৰণচা চাংমা। কৃষক চাংমাৰ লগতে মেচ-পাৰা জমিদাৰীত ৰায়ত সংগঠন কৰিছিল। বিভিন্ন সভা সমিতি পাতিছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পলাতক কৰ্মী হিচাপে থাকি আন্দোলনৰ কামত অংশ গ্ৰহণ কৰিছিল।

বলমেন চাংমা :

গাৰোপাহাৰ। চাংমা এজন কংগ্ৰেছী ভাৱাপন্ন লোক আছিল। কৃষক চাংমাৰ লগত জড়িত আছিল। বিজনী জমিদাৰৰ খাজনা বৃদ্ধি আন্দোলনৰ এজন নায়ক আছিল। ১৯৪৩ চনত গ্ৰেপ্তাৰ কৰি তেখেতক ৯ মাহ জেল দিছিল আৰু ১০০ টকা জৰিমনা কৰিছিল। অনাদায়ত আৰু ৬ মাহ জেল হয়। জেলৰ পৰা মুক্ত হৈ পুনৰ কংগ্ৰেছ সংগঠনৰ কামত যোগ দিছিল।

ব্ৰজমোহন পাঠক :

অভয়াপুৰী। পিতৃ কান্তিৰাম পাঠক। ১৯৩০ চনত আন্দোলনত অংশ গ্ৰহণ কৰিছিল। মদ আৰু বিদেশী কাপোৰৰ দোকানৰ আগত পিকেটিং কৰিছিল। ১৩।১০।৩০ তাৰিখে গোৱালপাৰাত ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। ১৯৩০ চনত কংগ্ৰেছৰ সংগঠন আৰু ভলণ্টিয়াৰ বাহিনী গঠন কৰিছিল। গোৱালপাৰাৰ বাহিৰেও সৰভোগ, গোলোকগঞ্জ, বঙাইগাঁও আদিত পিকেটিঙৰ বাবে ভলণ্টিয়াৰ সংগ্ৰহ কৰিছিল। তেওঁ ১৯৩২ চনৰ আন্দোলনত বিশেষকৈ ১৯৩৪-৩৫ চনৰ কৃষক সংগঠক আছিল। ১৯৪২ চনৰ গণ আন্দোলনত গুপ্ত-ভাৱে থাকি কাম কৰিছিল। আন্দোলনৰ পিছত অভয়াপুৰী অঞ্চলত ৰাজহুৱা কামত লিপ্ত আছিল।

বিশ্বেশ্বৰ দাস :

১৮৯৫ চনত সৃজনগ্ৰামৰ মজাইমুখত দাসৰ জন্ম হয়। পিতৃ গোপীমোহন দাস। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰে। বিলাতী কাপোৰৰ দোকানৰ আগত পিকেটিং কৰিছিল আৰু

গোৱা অভিযানত অংশ গ্ৰহণ কৰিছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছত সেৱাদলৰ নায়ক আছিল। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি স্কুলত পিকেটিং কৰি গ্ৰেপ্তাৰ হৈ দুই মাহ হাজোতত থাকে। ১৯৩২ চনৰ আন্দোলনৰ শোভাযাত্ৰাত পুলিচৰ দ্বাৰা নিৰ্যাতিত হয়। ১৯৪১ চনত ব্যক্তিগত সত্যাগ্ৰহত অংশ গ্ৰহণ আৰু ১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰি ৩ মাহ হাজোত বাস কৰে। পাইকাৰী জৰিমনা বাবদ ঘৰৰ অস্থাবৰ সম্পত্তি বিক্ৰি কৰি জৰিমনা আদায় কৰে। ১৯৪৩ চনত পুলিচৰ লাঠিৰ কোবত বেয়াকৈ আঘাত পায়। তেখেতে কেইবাখনো কংগ্ৰেছ কমিটি গঠন কৰিছিল। কংগ্ৰেছৰ বাহিৰেও বহুতৰ বিভিন্ন অনুষ্ঠানৰ দায়িত্বত আছিল। ১৯৭০ চনত তেখেতৰ মৃত্যু হয়।

বিশ্বনাথ ভাদুৰী :

গোৱালপাৰা। ১৯২১ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

ব্ৰজ মোহন বৰ্মন :

বৌমাৰী, অভয়াপুৰী। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি তিনিমাহ ফাটেক খাটে। কিছুদিন অভয়াপুৰী কংগ্ৰেছৰ সভাপতি আছিল। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। অভয়াপুৰীত বহুতো ৰাজহুৱা অনুষ্ঠানৰ লগত জড়িত আছিল। চৰকাৰী পেঞ্চন ভোগ কৰিছিল। ১৯৬২ চনত মৃত্যু হয়।

বাহাকুদ্দিন খালিফা :

বনিয়া, গোৱালপাৰা। পিতৃ ভয়চু বনিয়া। ১৯৩০ চনৰ অসহযোগ আন্দোলনত তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯২২ চনত খিলাফৎ আন্দোলনত যোগদান কৰিছিল। তেওঁ গোৱালপাৰা জিলাত বিভিন্ন গঠনমূলক কামৰ লগত জড়িত আছিল।

ভবেন্দ্ৰ নাৰায়ণ ৰয় :

চিলাপাৰা, সৃজনগ্ৰাম। পিতৃ পৃথিৰাম ৰয়। ১৯২১ আৰু ১৯৩০ চনৰ আন্দোলনত সহযোগ কৰিছিল। ১৯৪২ চনৰ বিপ্লৱত চৰমপন্থী বিপ্লৱৰ ভূমিকা লৈছিল। ১৯৮০ চনত মৃত্যু হয়।

ভৱানী প্ৰসাদ সিংহ ঃ

মাজনপাৰা, সৃজনগ্ৰাম। পিতৃ গৌৰীকান্ত দাস। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনৰ আন্দোলনত যোগদান কৰি তিনিমাহ সশ্ৰম কাৰাবাস খাটে। কংগ্ৰেছৰ বিভিন্ন কামত অংশ গ্ৰহণ কৰাৰ উপৰিও অঞ্চলটোৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল।

ভদ্ৰেশ্বৰ শীল ঃ

দেওহাটী, অভয়াপুৰী। পিতৃ গিৰিবাহ শীল। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি স্কুল এৰে। ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ২৫ টকা জৰিমনা হয়। ১৯৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩৪-৩৫ চনৰ কৃষক আন্দোলনৰ এজন প্ৰধান সংগঠক আছিল। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দি পলাতক হিচাপে আছিল।

ভবেন্দ্ৰ নাৰায়ণ ৰাভা ঃ

মদান, ধনুভংগা। পিতৃ তেৰাসিং ৰাভা। ১৯৩০ চনত ৰাজদ্ৰোহী বুলি স্কুলৰ বৃত্তি বাতিল কৰাত পঢ়া এৰি আন্দোলনত ভৰ্তি হয়। ১৯৫২ চনত গোৱালপাৰা কংগ্ৰেছৰ সভাপতি আছিল।

ভুবন চন্দ্ৰ নাথ ঃ

পিতৃ ৰবিৰাম নাথ। স্কুল ত্যাগ কৰি ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৩০ চনত গ্ৰেপ্তাৰ হৈ নজৰবন্দী হৈ থাকে। ১৯৪২ চনৰ আন্দোলনত যোগ দি ৩ মাহ সশ্ৰম কাৰাবাস আৰু এমাহ নজৰবন্দী হৈ থাকে। ১৯৩০ চনত পিকেটিং কৰা বাবে গ্ৰেপ্তাৰ কৰি ২ মাহ হাজোতত ৰাখে। ১৯৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩৫ চনত কৃষক আন্দোলনৰ প্ৰধান সংগঠক আছিল। ১৯৪২ চনৰ আন্দোলনত যোগ দিয়াত গ্ৰেপ্তাৰ কৰি ১ মাহ হাজোতত ৰাখে আৰু পাছত বিচাৰ কৰি ৩ মাহ জেল দিয়ে। সৃজনগ্ৰামৰ কংগ্ৰেছৰ সম্পাদক আছিল।

ভুবন চন্দ্ৰ চৌধুৰী ঃ

বাংচাইখাম, গোৱালপাৰা। ১৯২১ চনৰ আন্দোলনত যোগ দি ৬ মাহ জেল খাটে। স্বামী কৃষ্ণানন্দ ব্ৰহ্মচাৰী নাম লৈ সন্যাস ধৰ্ম

গ্ৰহণ কৰে। ১৯৩০-৩১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। বিভিন্ন ৰাজহুৱা আৰু সমাজ কল্যাণ কামত আৰু শিক্ষা প্ৰচাৰত অবিহণা যোগায়। বিধান সভাৰ সদস্য হয়। ১৯৮৮ চনত মৃত্যু হয়।

ভবেন্দ্ৰ চন্দ্ৰ চৌধুৰী :

১৯২১ চনৰ আন্দোলনত যোগ দি তিনিমাহ শ্ৰমকৈ খাটে। কংগ্ৰেছৰ বিভিন্ন আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

মহোধৰ হাজং :

জন্ম গাৰো পাহাৰৰ কুলবাৰীত। ভেখেত ক্ৰুকম চাংমাৰ এজন প্ৰধান সহযোগী আছিল। বিজনী জমিদাৰৰ অত্যাচাৰৰ প্ৰতিবাদ কৰি ৰায়তসকলক খাজনা নিদিবলৈ নিৰ্দেশ দিছিল। ১৯৪২ চনত আন্দোলনত অংশ গ্ৰহণ কৰি কেইবাৰাবো পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল।

মহোদৰ হাজং :

টিক্ৰিকিল্লা। ১৯৪২ চনত গ্ৰেপ্তাৰ হৈছিল। কংগ্ৰেছ ভাবাপন্ন এজন মুখীয়াল গাৰো সম্প্ৰদায়ৰ লোক আছিল। গোৱালপাৰা আৰু গাৰো পাহাৰৰ ৰায়ত সকলক খাজনা বৃদ্ধি আৰু জমিদাৰৰ অত্যাচাৰৰ বিৰুদ্ধে আন্দোলন কৰিবলৈ সংগঠন কৰিছিল।

মহেন্দ্ৰ মোমিন :

মোমিন গাৰোসকলৰ মাজৰ কংগ্ৰেছ কৰ্মী আছিল। গাৰো সমাজত মহাত্মাৰ বাণী প্ৰচাৰ কৰি কংগ্ৰেছ কমিটি গঠন কৰিছিল। বিজনী গাৰোপাহাৰ খাজনাৰ বাবত আন্দোলনৰ নেতৃত্ব কৰিছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল যদিও পুলিচে বহু চেষ্টা কৰিও ধৰিব পৰা নাছিল।

মায়াচৰণ বৰ্মন :

বানভৰা, অগিয়া। পিতৃ কেশৱ চন্দ্ৰ বৰ্মন। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনৰ পৰা আন্দোলনত যোগ দিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত শোভাযাত্ৰা, পতাকা উত্তোলন, ৰাজহুৱা সভাত অংশ গ্ৰহণ কৰিছিল। ১৯৪০ চনৰ সত্যাগ্ৰহ আন্দোলন আৰু

১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰি ৬ মাহ হাজতত খাটে। থগিয়া অঞ্চলৰ সকলো গঠনমূলক কামত আগভাগ লৈছিল।

মিঞা হুচেইন :

গোৱালপাৰা। ১৯২২ চনত সশ্ৰম কাৰাদণ্ড ভোগে। খিলাফৎ আন্দোলন আৰু কংগ্ৰেছৰ এজন নিষ্ঠাবান কৰ্মী আছিল।

মহেশ্বৰ দাস :

উত্তৰ শালমাৰা। পিতৃ পূৰ্ণাৰাম দাস। ১৯৩২ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু ১০০ টকা জৰিমনা হয়। জৰিমনা দিবলৈ অস্বীকাৰ কৰাত আৰু ১ মাহ সশ্ৰম কাৰাবাস হয়।

মহেন্দ্ৰ নাৰায়ণ দাস :

গোৱালপাৰা। পিতৃ অৰুণচন্দ্ৰ দাস। ১৯৪২ চনৰ আন্দোলনত যোগ দিয়াত পুলিচে বেয়নেটেৰে খুচি আঘাত কৰে। ১৯৪২ চনৰ ৯ আগষ্টত গান্ধীজী প্ৰমুখ্যে নেতাসকলৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত শোভাযাত্ৰা আদিত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

মহেশ চন্দ্ৰ দাস :

পিতৃ প্ৰাণেশ্বৰ দাস। ১৯৩০ চনৰ আন্দোলনত যোগ দি এক মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩৪ চনৰ হৰিজন আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল।

মহম্মদ জান :

গোৱালপাৰা। খিলাফৎ আন্দোলনৰ এজন সমৰ্থক আছিল। ১৯২১ চনৰ আন্দোলনত ৬ মাহ কাৰাদণ্ড ভোগ কৰে। জেলৰ পৰা মুক্তি লাভ কৰি জীৱিকা নিৰ্বাহৰ কাৰণে ব্যৱসায় কৰে আৰু লগতে কংগ্ৰেছৰ বিভিন্ন কামত সহযোগ কৰে।

মাহাৰুদ্দিন আহমেদ :

কাৰিগাৰা, গোৱালপাৰা। ১৯৪১ চনৰ অসহযোগ আন্দোলনত যোগ দি ধুপধৰাত পিকেটিং কৰে। পুলিচে গ্ৰেপ্তাৰ কৰি পিছত এৰি দিয়ে।

মণিকান্ত দাস :

পাঁচজনীয়া, গোৱালপাৰা। ১৯২১ চনৰ আন্দোলনত যোগ দি তিনি মাহ সশ্রম কাৰাদণ্ড ভোগে। ১৯৪২ চনতো সক্রিয়ভাৱে আন্দোলনত অংশ গ্রহণ কৰি তিনিমাহ জেল খাটে। ১৯৩৪ চনত গান্ধীজী গোৱালপাৰালৈ যাওঁতে গান্ধীজীক অভ্যর্থনা জনাইছিল। হৰিজন আন্দোলনতো অংশ গ্রহণ কৰিছিল। ১৯৩৫ চনত গোৱালপাৰাত কৃষক সংগঠন কৰিছিল। ১৯৪১ চনৰ সত্যাগ্রহত যোগ দিছিল।

মাণিক চন্দ্র বুৰ্মা :

গোৱালপাৰা। ১৯৩০ চনত লোণ আইন আদি আন্দোলনত যোগদান আদি কৰাত কিছুদিন জেল হাজোতত থাকে। ১৯৩২ চনৰ আন্দোলনত ১ মাহ সশ্রম কাৰাদণ্ড ভোগে। জেলৰ পৰা মুক্তি পাই গান্ধীজীৰ অস্পৃশ্যতা বর্জন প্রস্তাৱ সমর্থকৰ কাম কৰে। ১৯৩৫ চনত গোৱালপাৰাত কৃষক সংগঠনৰ কাম কৰে। ১৯৪২ চনৰ গণ আন্দোলনতো যোগদান কৰিছিল।

মণিকান্ত দাস :

পিতৃ ধৰণীকান্ত দাস। ১৯২১ চনত কটন কলেজ ত্যাগ কৰি গোৱালপাৰাত সংগঠন আৰু প্রচাৰ কার্যত আত্মনিয়োগ কৰি ৩ মাহ ফাটেক খাটে। ১৯২৬ চনত পাণ্ডু কংগ্রেছৰ ভলণ্টিয়াৰৰ নায়ক আছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন, শোভাযাত্রা আদি সংগঠনত অংশ গ্রহণ কৰে। ১৯৩২ চনৰ আইন অমান্য আন্দোলনত যোগদান কৰি ৪ মাহ ফাটেক খাটে। ১৯৪২ চনত ব্যক্তিগত সত্যাগ্রহত যোগ দিয়া বাবে ২০০ টকা জৰিমনা হয়। আৰু জৰিমনা অনাদায়ত ৩ মাহ জেল হয়। জেলৰ পৰা ওলাই গুপ্তভাৱে আন্দোলনৰ কাম কৰে। ১৯৩১ চনত গোৱালপাৰা জিলা কংগ্রেছৰ সম্পাদক আৰু ১৯৩৫-৩৬ চনত সভাপতি আছিল। গোৱালপাৰা লোকেল বোর্ডৰ চেয়াৰমেন আছিল। ১৯৮৩ চনত মৃত্যু হয়।

মহম্মদ হুচেইন ঃ

গোৱালপাৰা। পিতৃ ফুকৰ হুচেইন। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। পিছত তেওঁ গোৱালপাৰা কংগ্ৰেছৰ বিভিন্ন সংগঠনৰ কামত আছিল।

মাধৱ চন্দ্ৰ মেধী ঃ

গোৱালপাৰা। পিতৃ নিত্যৰাম মেধি। ১৯৪২ চনত গুৱাহাটী জেলত ১ বছৰ সশ্ৰম কাৰাবাস খাটে।

যতীন্দ্ৰ মোহন পাল ঃ

বগাইগাঁও, কোকৰাঝাৰ। তেখেত বিপ্লৱী দলত আছিল যদিও কংগ্ৰেছৰ আন্দোলনত যোগদান কৰিছিল। ১৯৩২ চনত জলপাইগুৰিত আটক হয় আৰু ৬ মাহ জেল হয়। তাৰপাছত তেখেতক বিপ্লৱী হিচাপে আটক বন্দী কৰি ৰাখিছিল। ১৯৪২ চনৰ আন্দোলনতো সহযোগ কৰিছিলে। বিপ্লৱী পন্থী হোৱা বাবে পুনৰ আটক হয়। ১৯৭২ চনত তেওঁৰ মৃত্যু হয়।

সোনেশ্বৰ ঘোষ ঃ

কোকৰাঝাৰ। ১৯২১ চনৰ আন্দোলনত তেওঁ যোগদান দিছিল। যুগান্তৰ বিপ্লৱী দলৰ সদস্য হিচাপে উত্তৰ ব্ৰহ্মদেশৰ সে মাও নামৰ ঠাইত গ্ৰেপ্তাৰ হয়। তিনি বছৰতো অধিক কাল তাত আবদ্ধ হৈ থাকে।

স্বামী যোগানন্দ গিৰি ঃ

ফকিৰাগ্ৰাম, কোকৰাঝাৰ। ১৯২১ চনত স্কুল বৰ্জন কৰে। জেল খাটে। মুক্ত হৈ ফকিৰাগ্ৰাম অঞ্চলত সামাজিক কামত লিপ্ত হয়। সন্যাস গ্ৰহণ কৰে। তেখেতে তাত কাৰিকৰী বিদ্যা সম্পৰ্কীয় শিক্ষানুষ্ঠান পাতে। ১৯৩০-৩২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। ৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰে। শক্তি আশ্ৰমৰ প্ৰতিষ্ঠাতা।

যতীন্দ্ৰ নাৰায়ণ দাস ঃ

পেচনীয়া, বগাইগাঁও। পিতৃ কালিচৰণ দাস। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দি ৬ মাহ জেল হয়

যাদৱ চন্দ্ৰ চেটাৰ্জী :

তুলসীবাৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি গ্ৰেপ্তাৰ হয় আৰু ১ মাহ ১৪ দিন গোৱালপাৰা জেল হাজোতত থাকে।

যাদৱ চন্দ্ৰ পাঠক :

পিতৃ কালিৰাম পাঠক। ১৯৩০ চনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩২ চনতো আন্দোলনত যোগদান কৰে। অস্পৃশ্যতা বৰ্জন আন্দোলনত মুখ্য ভূমিকা লৈছিল। ১৯৩৫ চনৰ আন্দোলনৰ সময়ত কৃষকৰ হকে কাম কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো তিনি মাহ জেল খাটে আৰু জেলৰ পৰা ওলাই গুপ্ত আন্দোলনত যোগদান কৰে।

যুধিষ্ঠিৰ হাজোৰাৰী :

খৰজাপাৰ, দুধনৈ। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ইয়াৰ পিছত দুধনৈ অঞ্চলৰ কংগ্ৰেছৰ কামত লাগিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত জাতীয় পতাকা উত্তোলন, শোভাযাত্ৰা আদিত অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো সহযোগ কৰিছিল। দুধনৈ অঞ্চলৰ কংগ্ৰেছৰ সংগঠনৰ কাম কৰিছিল।

যোগেন্দ্ৰ নাথ :

গোৱালপাৰা। জন্ম ১৮৯৪, মৃত্যু ১৯৭২ চন। পিতৃ শম্ভুৰাম নাথ। বি-এ পাছ কৰি কলিকতাত আইন পঢ়িছিল। তাতে কলিকতাৰ বিপ্লৱী দলৰ আন্দোলনৰ লগত জড়িত হৈছিল। ১৯২১ চনত আইন কলেজৰ দ্বিতীয় বাৰ্ষিক বৰ্জন কৰি অসহযোগ আন্দোলনত যোগদান কৰে। গোৱালপাৰা জিলাত কংগ্ৰেছ কমিটি গঠন কৰি তাৰে সভাপতি হয়। ১৯২১ চনত তিনিমাহ ক্ৰাটেক খাটে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছ অধিবেশনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ সময়ত ৬ এপ্ৰিলত জাতীয় সপ্তাহৰ আৰম্ভণিতে স্বেচ্ছাসেৱক বাহিনীৰ কাম আৰম্ভ কৰে। তেওঁ গোৱালপাৰা জিলাৰ বিভিন্ন স্থানত বিদেশী কাপোৰৰ দোকানৰ আগত পিকেটিং কৰে আৰু

এইবোৰ অঞ্চলোৰাত ইন্ধন যোগায়। ১৯৩০ চনত গান্ধীজীক গ্ৰেপ্তাৰ কৰাৰ প্ৰতিবাদ কৰি বিভিন্ন ঠাইত সভা সমিতি কৰোতে গৌৰীপুৰত গ্ৰেপ্তাৰ কৰি ৬ মাহ ফাটেক দিয়ে। ১৯৩১ চনত পুনৰ ধুপধৰাত পিকেটিঙৰ নেতৃত্ব কৰি ৬ মাহ ফাটেক খাটে। পাছত গোৱালপাৰাত কৃষক আন্দোলন সংগঠন কৰিছিল। ১৯৪০ চনত সত্যাগ্ৰহ কৰা বাবে ৬ মাহ জেল হয়। পাছত আৰু এক বছৰ ফাটেক হয়। গোৱালপাৰা জিলা কংগ্ৰেছ কমিটিৰ কেইবাবছৰো সভাপতি আছিল। কৃষক আন্দোলনৰ নেতৃত্ব দিছিল। ১৯৩৭ চনত বিধান সভাৰ সদস্য আছিল।

যোগেশ চন্দ্ৰ দাস :

কলিতাপাৰা, গোৱালপাৰা। ১৯৩০-৩২ চনৰ আন্দোলনত যোগ দি ২ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩২ চনতো ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। হৰিজন আন্দোলনত অংশ গ্ৰহণ কৰে। ১৯৩৫-৩৬ চনত কৃষক সংগঠনৰ কাম কৰিছিল। ১৯৪১-৪২ চনৰ গণ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

যোগেন্দ্ৰ চন্দ্ৰ ৰাভা :

হাতীগাঁও, আগিয়া। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগ দিয়ে। ২৫।৩।৪২ তাৰিখে শোভাযাত্ৰাৰ নেতৃত্ব দিয়াৰ বাবে পুলিচৰ লাঠিৰ কোবত আঘাতপ্ৰাপ্ত হৈ জেল হাজোতত কিছুদিন থাকে। পলাতক কৰ্মী হিচাপে আন্দোলনত সক্ৰিয় ভূমিকা লয়।

ৰফিউদ্দিন আহমেদ:

নয়াপাৰা, গোৱালপাৰা। ১৯২১ চনৰ আন্দোলনত যোগ দি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। খিলাফৎ আন্দোলন সমৰ্থন কৰিছিল। গোৱালপাৰাত কংগ্ৰেছ সংগঠনৰ কাম কৰিছিল।

ৰীণা সৰকাৰ :

গচাইডুবি। পিতৃ চান্দ মহম্মদ। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। তুলসীবাৰীত গ্ৰেপ্তাৰ হৈ ১ মাহ ১৪ দিন জেল হাজোতত থাকে। খিলাফৎ আৰু অসহযোগ আন্দোলনত যোগ দিছিল। গচাইডুবি অঞ্চলত কংগ্ৰেছ কমিটি গঠন কৰি তাৰ সম্পাদক

হয়। কংগ্ৰেছত ১৯৩০-৩২ চনলৈ সক্ৰিয় অংশ গ্ৰহণ কৰে। জিলা-খনৰ কৃষক আন্দোলনৰ সংগঠক আছিল। ১৯৮৪ চনত মৃত্যু হয়।

ৰবিলাল দাস :

গেৰুৱাবাৰী, গোৱালপাৰা। পিতৃ নগৰম দাস। বঙাইগাঁৱত মদৰ দোকানত পিকেটিং কৰি ২৮।৪।৩০ তাৰিখে গ্ৰেপ্তাৰ হয়। ১৯৩০ চনত স্কুল বৰ্জন কৰি কংগ্ৰেছৰ স্বেচ্ছাসেৱক হয়। ১৯৩২ চনৰ আন্দোলন আৰু কৃষক আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। বিজনীৰ ৰায়ত আন্দোলনৰ লগত জড়িত আছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

ৰমেশ চন্দ্ৰ দাস :

গোৱালপাৰা। ১৯৩০-৩২ চনৰ আন্দোলনত যোগ দি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩২ চনত ৪ মাহ সশ্ৰম কাৰাদণ্ড হয়। ১৯৩৪ চনত হৰিজন আন্দোলনত যোগ দিয়ে। ১৯৩৫-৩৬ চনত কৃষক আন্দোলন আৰু ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰে।

ৰামজান খান :

লক্ষীপুৰ। পিতৃ মকবুল খান। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাবাস খাটে। খিলাফৎ আন্দোলনৰ এজন মুখ্য কৰ্মী আছিল। ধুবুৰী আৰু লক্ষীপুৰ অঞ্চলত খিলাফৎ আন্দোলনৰ প্ৰচাৰকাৰ্য চলাইছিল। পিছত কংগ্ৰেছৰ পৰা আঁতৰি গৈ ঐক্য-সংহতিৰ কামত আত্মনিয়োগ কৰিছিল।

ৰাম নাগিনা প্ৰসাদ :

গোৱালপাৰা। ১৯২১ চনৰ আন্দোলনত যোগ দি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

ডাঃ ৰামচৰণ মল্লিক :

স্বৰাজ ৰোড, গোৱালপাৰা। পিতৃ ৰাখিৰাম মল্লিক। ১৯২১ চনত স্কুল ত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। পাছত ঢাকাত ডাক্তৰী পঢ়িবলৈ যায়। ডাক্তৰী পাছ কৰি পুনৰ কুমিল্লাত ১৯৩২ চনলৈ আছিল। তেখেত কুমিল্লা জেলত চাৰি মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ৰঔফুদ্দিন আহমেদ ঃ

গোৱালপাৰা। ১৯৩০ চনৰ আন্দোলনত যোগ দি তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগ করে।

ৰুদ্ৰেশ্বৰ নাথ ঃ

ফাতেহপুৰ, আগিয়া। পিতৃ শ্ৰীপাল নাথ। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। ২৯।৯।৪২ তাৰিখে ফাতেহপুৰত গ্ৰেপ্তাৰ হৈ ৩ মাহ কাৰাদণ্ড ভোগ কৰে। কংগ্ৰেছৰ সংগঠনৰ এজন কৰ্মী আছিল। ১৯৩৫-৩৭ চনত আগিয়াৰ ফাতেহপুৰ অঞ্চলত কৃষক সংগঠনৰ কাম কৰিছিল। ১৯৪৩ চনত এখন দলং ধ্বংস কৰা অপৰাধত গ্ৰেপ্তাৰ হয় যদিও প্ৰমাণৰ অভাৱত খালাচ পায়।

ৰবিৰাম গাৰো ঃ

গাৰোপাহাৰ। ১৯২২ চনত কংগ্ৰেছত যোগদান কৰিছিল। বিজনী জমিদাৰৰ গাৰো অধ্যুষিত অঞ্চলত কৃষক-সংকলক সংগঠন কৰিছিল। জমিদাৰে খাজনা বৃদ্ধি কৰি অনাহকত জোৰ জুলুম কৰাৰ প্ৰতিবাদত আন্দোলন কৰিছিল। ইয়াৰ বাবে তেখেতক গ্ৰেপ্তাৰ কৰি কিছুদিন হাজোতত ৰাখি এৰি দিয়ে। গাৰোপাহাৰ জিলাতে ফুকন চাংমাৰ সৈতে লগ লাগি ঠায়ে ঠায়ে কংগ্ৰেছ কমিটি গঠন কৰিছিল।

ৰবীন্দ্ৰ বৰ্মন ঃ

হৰিগাঁও, বৈয়দা। ১৯৩০ চনতে কংগ্ৰেছৰ স্বেচ্ছাসেৱী হিচাপে যোগদান কৰিছিল। ১৯৩৪ চনত হৰিজন আন্দোলনত যোগদান আৰু ১৯৩৫ চনত কৃষক আন্দোলনত যোগদান কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। জেলৰ পৰা ওলাই গুপ্তভাৱে আন্দোলন কৰিছিল। ১৯৭২ চনত মৃত্যু হয়।

ৰমেশ চন্দ্ৰ নাথ ঃ

স্বৰাজ ৰোড, গোৱালপাৰা। ১৯২১-৩০ চনৰ আন্দোলনত সক্ৰিয় ভাৱে অংশ গ্ৰহণ কৰে। উত্তৰ শালমাৰা কংগ্ৰেছৰ সংগঠনৰ কাম কৰিছিল। চকিদাৰী টেক্সৰ বিৰুদ্ধে কাম কৰিছিল। কৃষক আন্দোলনৰ নেতা আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰিছিল।

ৰমণীকান্ত দাস ঃ

পেচনীয়া, গোৱালপাৰা। পিতৃ ধৰ্মনাৰায়ণ দাস। ১৯৩০ চনত গোৱালপাৰাত পিকেটিং কৰি তিনি মাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৩২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩৪ চনত হৰিজন আন্দোলনত আৰু ১৯৩৫ চনত কৃষক আন্দোলনত আত্মনিয়োগ কৰিছিল।

ৰোহিণী কুমাৰ কৰ্মকাৰ ঃ

পিতৃ মহেশ চন্দ্ৰ কৰ্মকাৰ। ১৯৩০ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগ দি গোৱাল-পাৰাত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। অস্পৃশ্যতা নিবাৰণ আৰু কৃষক সংগঠনৰ কামত জড়িত আছিল।

ললিত মোহন ভৌমিক ঃ

কোকৰাঝাৰ। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগ দিছিল। গান্ধীজীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত শোভাযাত্ৰা আৰু সভা-সমিতিৰ আয়োজন কৰিছিল। ১৯৪১-৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

ললিত মোহন দাস ঃ

পিতৃ মায়াৰাম দাস, মাতৃ ৰম্ভা বালা দাস। ১৯২১ চনত ভাৰতৰ স্বাধীনতা আন্দোলনত যোগ দিয়ে। ১৯২৬ চনত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ পাণ্ডু অধিবেশনত স্বেচ্ছাসেৱক হিচাপে যোগ দিয়ে। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত পিকেটিং কৰা অপ-ৰাধত গ্ৰেপ্তাৰ কৰি ৪ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। ১৯৩২ চনত পুনৰ গ্ৰেপ্তাৰ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু ১০০ টকা জৰিমনা কৰে। অনাদায়ত আৰু এমাহ জেল হয়। ১৯৪০ চনত সত্যাগ্ৰহ কৰে আৰু ১৯৪২ চনৰ গণ আন্দোলনত ভাৰত ৰক্ষা আইনৰ নামত ৱাৰেন্ট অহাত আত্মগোপন কৰি থাকি ঠায়ে ঠায়ে ধ্বংসাত্মক কাৰ্য কৰি ফুৰে। চৰকাৰে ধৰিব নোৱাৰি ঘৰৰ অস্থাৱৰ সম্পত্তি আনকি পথাৰৰ ধান চকিদাৰৰ সহায়ত কটাই আনি নীলামত বিক্ৰি কৰে। ঘৰৰ স্ত্ৰী আৰু পৰিয়ালবৰ্গক খেদি দি ঘৰত তলা লগাই দিয়ে।

পৰিয়ালে ল'ৰা দুটিক লৈ শাহুয়েকৰ ঘৰত আশ্ৰয় লয়। ৬ মাহ পিছত পুলিচে গ্ৰেপ্তাৰ কৰে। ইপিনে শাহুৱেকৰ ঘৰত থকা স্ত্ৰী আৰু ল'ৰা দুটি অনাহাৰত জীৱন কটাবলগীয়াত পৰে। জেলত থকা অৱস্থাতেই ল'ৰা দুয়োটি মেলেৰীয়াত আক্ৰান্ত হৈ বিনা চিকিৎসাত এঘন্টাৰ ব্যৱধানত মৃত্যুমুখত পৰে। ল'ৰা দুটিৰ মৃত্যুত তেওঁ ৰোগগ্ৰস্ত হৈ পৰে। ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।

লক্ষীকান্ত দাস :

ৰংজুলি। পিতৃ মুগাৰাম দাস। ১৯২১ চনত স্কুল ত্যাগ কৰি অসহযোগ আন্দোলনত স্বেচ্ছাসেৱক সংগঠন কৰিছিল। বিদেশী বস্ত্ৰ বৰ্জন কাৰ্যত অংশ গ্ৰহণ কৰিছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত যোগদান কৰে। ১৯৩০ চনৰ ভাৰতৰ জাতীয় পতাকা উত্তোলন, শোভাযাত্ৰা আদিৰ আয়োজন কৰিছিল। ১৯৩০-৩২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৩৫-৩৭ চনত ৰংজুলি অঞ্চলত কৃষক সংগঠনৰ কাম কৰিছিল। ১৯৪০-৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল যদিও পুলিচৰ পৰা এৰা দি গোপনে কাম কৰিছিল।

লফাৰ ৰাম কচাৰী :

পিতৃ বওাম কছাৰী। ১৯৩০ চনৰ কংগ্ৰেছৰ আন্দোলনত যোগ দিয়া অপৰাধত ১০ মাৰ্চ তাৰিখে গ্ৰেপ্তাৰ হয়। দলং ধ্বংস কৰা অপৰাধত ১ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। কংগ্ৰেছৰ স্বেচ্ছাসেৱক সংগঠনৰ কামত যোগ দিছিল। ১৯৩২ চনৰ আন্দোলনতো যোগদান কৰিছিল। ১৯৪১-৪২ৰ আন্দোলনত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

ললিত চন্দ্ৰ নাথ :

দুধনৈ। ১৯৩০ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক সংগঠনত অন্তৰ্ভুক্তি হয়। দুধনৈ অঞ্চলত সেৱাদল গঠন কৰে। বিদেশী কাপোৰৰ দোকানত পিকেটিং কৰাৰ বাবে গ্ৰেপ্তাৰ হয়। কিছুদিন হাজোতত ৰাখি এৰি দিয়ে। ২৩।২।৩২ তাৰিখে বিদেশী বস্তুৰ দোকানত ধূপধৰাত পিকেটিং কৰা অপৰাধত গ্ৰেপ্তাৰ হয় আৰু ২ মাহ হাজোতত থকাৰ পিছত মুক্তি পায়। হৰিজন আৰু অস্পৃশ্যতা নিবাৰণৰ কামত

আজীৱন আত্মনিয়োগ কৰিছিল। কৃষক আন্দোলনৰ প্ৰধান সংগঠক আছিল। অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক ৰাজহুৱা কামত আগভাগ লৈছিল। ১৯৪০-৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল, লগতে নিৰ্যাতিত হৈছিল।

ললিত চন্দ্ৰ ৰাভা :

দুধনৈ। ১৯৩০ চনত স্বেচ্ছাসেৱক বাহিনীত যোগ দি অঞ্চলটোত সেৱাদল গঠন কৰিছিল। বিদেশী কাপোৰৰ দোকানত পিকেটিং কৰাত কিছুদিন হাজোত বাস কৰিছিল। হৰিজন আৰু অস্পৃশ্যতা নিবাৰণ আন্দোলনৰ আজীৱন কৰ্মী আছিল। কৃষক আন্দোলনৰ প্ৰধান সংগঠক আছিল। ১৯৪০-৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু নিৰ্যাতিত হৈছিল।

শ্যামচৰণ বৰ্মন :

চৈবাৰী, লক্ষীপুৰ। পিতৃ কমলেশ্বৰ বৰ্মন। ১৯৩০ চনত স্কুল এৰি কংগ্ৰেছৰ আইন অমান্য আন্দোলনত যোগদান কৰে। ১৯৪৩ চনত ১৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩০-৩২ চনত আগিয়াত স্বেচ্ছাসেৱক সংগঠনৰ কাম কৰিছিল। ১৯৩৪ চনত গান্ধীজীৰ গোৱালপাৰাত পদাৰ্পণৰ পাছৰ পৰা অস্পৃশ্যতা নিবাৰণ, কানি আৰু মদ আদি নিবাৰণৰ কামত আত্মনিয়োগ কৰিছিল। খাদী উৎপাদনৰ কেন্দ্ৰ স্থাপন কৰি গান্ধীজীৰ গঠনমূলক কাম কৰিছিল। নিজ গাঁও বালিজানত ১৯৩৬-৩৭ চনত কৃষক সংগঠন কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ হৈ ১৮ মাহ জেল খাটে। পিছত গুপ্ত আন্দোলনকাৰীসকলকৰ লগত সহযোগ কৰে।

শৈলেন্দ্ৰকান্ত বসু :

লক্ষীপুৰ। ১৯৩০ চনত বিজনীপাৰা হাইস্কুলৰ পৰা সন্ত্ৰাস কাৰ্যত জড়িত থকা বুলি সন্দেহ কৰি বৰ্খাস্ত কৰে। ১৯৩২ চনত আইন অমান্য আন্দোলনত যোগদান কৰে। সন্ত্ৰাসবাদী দলৰ সদস্য হিচাপে গ্ৰেপ্তাৰ কৰি ৰংপুৰলৈ লৈ যায়। তাত হাজোতত কেইদিনমান ৰাখি এৰি দিয়ে। ১৯৪২ত গোৱালপাৰাত ১৪৪ ধাৰা ভংগ কৰাৰ অপৰাধত পুলিচে লাঠিৰে কোবায় আৰু পিছত গ্ৰেপ্তাৰ কৰি গোৱালপাৰা জেল হাজোতত ৰাখে। লক্ষীপুৰৰ ঘৰ খানাতালাচ কৰি কিছু

বস্ত্ৰ পুলিচে জব্দ কৰে। ইয়াৰ পাছত তেওঁ গান্ধীজীৰ পৰামৰ্শ অনুসৰি শান্তি সেনা সংগঠনৰ কামত লাগে। তেওঁ লক্ষীপুৰ অঞ্চলৰ অন্যান্য ৰাজহুৱা কামতো জড়িত আছিল।

শিবেন্দ্ৰ নাৰায়ণ নাথ ঃ

পিতৃ মণ্ডমুৰাম নাথ। ১৯২১ চনৰ আন্দোলনত যোগদান কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩২ চনৰ আন্দোলনতো যোগ দি ৬ মাহ কাৰাবাস ভোগ কৰে।

শৰৎ চন্দ্ৰ দাস ঃ

গোৱালপাৰা। পিতৃ শ্যামল দাস। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰি পিকেটিং কৰা অপৰাধত ১ মাহ জেল হয়। ১৯৩০ চনৰ আন্দোলনত যোগ দি ১০।৬।৩০ তাৰিখে সৰভোগত পতাকা লৈ পিকেটিং কৰে। ১৯২৬ চনৰ জানুৱাৰী মাহত কংগ্ৰেছৰ স্বেচ্ছাসেৱক আছিল। তেওঁৰ ৫০ টকা জৰিমনা হয় অনাদায়ত ৩ মাহ জেল হয়। কৃষক আন্দোলনৰ লগত জড়িত আছিল। ১৯৪২ৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৮২ চনত মৃত্যু হয়।

শৰৎ চন্দ্ৰ ৰয় ঃ

খাকাছু, দুধনৈ। পিতৃ মহিৰাম ৰয়। ১৯৩০ চনত তেওঁ কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনত ১ মাহ ১৫ দিন বিচাৰাধীন বন্দী হৈ থাকে। দুধনৈত কংগ্ৰেছ সংগঠন কৰিছিল। অস্পৃশ্যতা, কানি বৰ্জন আৰু কৃষক সংগঠনত আগভাগ লৈছিল। পিছত পলাতক কৰ্মী হিচাপে কাম কৰে।

শংকৰ ৰাম দাস ঃ

১৯৩২ চনত গুৱাহাটী জেলত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

শশীন্দ্ৰ বড়ো ঃ

কৃষ্ণপুৰ, গোৱালপাৰা। পিতৃ অগৰু বড়ো। ১৯৪২ চনৰ গণ আন্দোলনত অংশ গ্ৰহণ কৰিছিল বাবে আগষ্ট মাহত গ্ৰেপ্তাৰ হয় আৰু ৩ দিন বিচাৰাধীন বন্দী হৈ থাকে। ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ স্বেচ্ছাসেৱক আছিল। নিজ সম্প্ৰদায়ৰ পৰা কানি আৰু মদ

নিবাৰণৰ বাবে আন্দোলন কৰিছিল। ১৯৩৭ চনত গোৱালপাৰাত অনুষ্ঠিত কৃষক সভাত দলে বলে যোগদান কৰিছিল।

শিৱম চাংমা :

১৯৪২ চনৰ আন্দোলনৰ সময়ত গাৰোপাহাৰ জিলাৰ বিজনী জমিদাৰৰ ৰাইয়তৰ মাজত সংগঠনৰ কাম কৰিছিল। ৰুকন চাংমাৰ নেতৃত্বত খাজনা বৃদ্ধিৰ প্ৰতিবাদত আন্দোলন কৰিছিল। গাৰোসকলৰ মাজত মদ, ৰাগিয়াল বস্তু বন্ধ কৰাৰ বাবে চেষ্টা কৰিছিল। কংগ্ৰেছ সংগঠন, স্বেচ্ছাসেৱক ভৰ্তি আদিৰ কাম কৰিছিল। ১৯৪৩ চনত গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ ফাটেক খাটে।

শিৱচৰণ মাৰাক :

গাৰোপাহাৰ। কংগ্ৰেছৰ এজন সমৰ্থক আছিল। কংগ্ৰেছৰ সভ্য-ভৰ্তি আৰু কংগ্ৰেছ কমিটি আদি গঠনৰ কাম কৰিছিল। গোৱাল-পাৰাত মহাত্মা গান্ধীক দেখা কৰিছিল। ১৯৪২ চনৰ আন্দোলনৰ সময়ত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

সুৰেন্দ্ৰ চন্দ্ৰ পাল :

চাপতগ্ৰাম, কোকৰাঝাৰ। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগদান কৰে আৰু ৬ মাহ ফাটেক হয়। পুনৰ আৰ্মচ এক্টত গ্ৰেপ্তাৰ হয়। ১ বছৰৰ বাবে জেলত থাকে। পশ্চিমবঙ্গৰ যুগান্তৰ বিপ্লৱী দলৰ সদস্য আছিল। ১৯৪২ চনত ১ বছৰ জেল হয়। পুনৰ বিপ্লৱী হিচাপে আটক বন্দী কৰি ৰাখিছিল। ১৯৪২ চনত মৃত্যু হয়।

সৰ্বেশ্বৰ দাস :

পাঁচনিয়া। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত যোগদান কৰে। পিছত বহুদিন ধুবুৰী কংগ্ৰেছৰ পুৰণি কাৰ্যালয়ত থাকে।

সিতলা প্ৰসাদ সিংহ :

বিহাৰী। গোৱালপাৰাত পুলিচ এচ আই চাকৰি বাদ দি ১৯২১ চনৰ আন্দোলনত জপিয়াই পৰি ১ মাহ ১৫ দিন সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

সুৰেন্দ্ৰ মোহন সেনগুপ্ত :

পিতৃ আনন্দমোহন সেনগুপ্ত। কলিকতাত কলেজীয়া শিক্ষা এৰি

১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। গোৱালপাৰা জিলা কংগ্ৰেছৰ সহকাৰী সম্পাদক আছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত সভ্যভুক্তি হৈ সংগঠনৰ কাম কৰিছিল। ১৯৩০-৩২ চনত গোৱাল-পাৰাত অসহযোগ আন্দোলনত যোগদান কৰিছিল। আইন পৰীক্ষা পাছ কৰি ওকালতি কৰিছিল। ১৯৩২ চনত ওকালতি এৰি আন্দো-লনত যোগদান কৰিছিল।

সুৰেন্দ্ৰ মোহন দাস ঃ

গোৱালপাৰা। পিতৃ জয়ৰাম দাস। ১৯২১ চনত কলেজ ত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দি ৬ মাহ কাৰাদণ্ড ভোগে। ১৯৩০-৩২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰে। সন্ত্ৰাসবাদী দলৰ লগত লিপ্ত থকা বুলি মানুহে সন্দেহ কৰিছিল।

সুৰেন ৰয় ঃ

ৰংজুলি, গোৱালপাৰা। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। ৰংজুলি অঞ্চলত ব্যাপকভাৱে কংগ্ৰেছৰ কাম কৰে। ১৯৪২ চনৰ আন্দোলনতো ১৮ দিন জেল খাটিছিল। পিছত গুপ্তভাৱে কাম কৰি-ছিল। কৃষক আন্দোলনৰ লগত জড়িত থাকি ৰংজুলিৰ সকলো গঠন-মূলক কামত আগভাগ লৈছিল।

সৰ্বেশ্বৰ মণ্ডল ঃ

বৰদিয়া পথাৰ, ফকিৰাগ্ৰাম। ১৯৪২ চনত তেখেতৰ ওপৰত গ্ৰেপ্তাৰী পৰোৱানা থকাত পলাতক হিচাপে কাম কৰে।

সোমেশ্বৰ নাথ ঃ

বেগুৱান, আগিয়া। পিতৃ হৰনাথ নাথ। ১৯৩০ চনৰ আন্দো-লনত যোগ দি পিকেটিং কৰি ৫ বাৰ গ্ৰেপ্তাৰ হয়। অস্পৃশ্যতা নিবাৰণৰ কামত আত্মনিয়োগ কৰিছিল। আগিয়া অঞ্চলত কৃষক সংগঠন, খাদী কেন্দ্ৰ স্থাপন, বুনিয়াদী শিক্ষাৰ কাম আৰু কংগ্ৰেছৰ বিভিন্ন গঠনমূলক কামত জড়িত আছিল।

হৰেন্দ্ৰ নাৰায়ণ সিংহ ঃ

উত্তৰ শালমাৰা। পিতৃ মেঘনাথ সিংহ। কলিকতা কলেজৰ পৰা শিক্ষা ত্যাগ কৰি ১৯২১ চনৰ আন্দোলনত যোগ দিয়ে। তেওঁ

গোৱালপাৰাত কংগ্ৰেছৰ আন্দোলনত যোগ দি স্বেচ্ছাসেৱী সংগঠনৰ কামত আত্মনিয়োগ কৰে। পুনৰ কলেজৰ শিক্ষা শেষ কৰি উত্তৰ শালমাৰাত কংগ্ৰেছ সংগঠন কৰে। ১৯৩০-৩২ চনত তেওঁ কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰে। তেওঁ মাদক দ্ৰব্য নিবাৰণ আন্দোলনত সক্ৰিয়ভাৱে কাম কৰিছিল। ১৯৩৪-৩৫ চনত উত্তৰ শালমাৰাত কৃষক সংগঠনৰ কাম কৰিছিল। ১৯৪০-৪২ চনৰ আন্দোলনতো তেওঁ সহযোগ কৰিছিল। অঞ্চলটোৰ বিভিন্ন উন্নয়নমূলক কামৰ লগত জড়িত আছিল।

হাফিজ আহমেদ :

গোৱালপাৰা। ১৯২১ চনত খিলাফৎ আৰু অসহযোগ আন্দোলনত যোগ দি ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত ২ মাহ জেল হয়। ১৯৩০ চনলৈকে কংগ্ৰেছৰ বিভিন্ন কামত জড়িত আছিল।

হাফিজুদ্দিন আহমেদ :

গোৱালপাৰা। পিতৃ শেখ আলাউদ্দিন। ১৯২১ চনত খিলাফৎ আন্দোলনত যোগ দি গোৱালপাৰাতেই সংগঠনৰ কাম কৰিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩০ চনলৈ কংগ্ৰেছৰ বিভিন্ন কামত জড়িত আছিল।

হৰিকিশোৰ নাথ :

নাৰাঙাবাৰী, হস্তৱান। পিতৃ হৰনাথ নাথ। স্কুল ত্যাগ কৰি ১৯৩২ চনত আন্দোলনত যোগ দিয়ে। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তাৰপাছত কংগ্ৰেছৰ সংগঠনত আত্মনিয়োগ কৰে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ স্বেচ্ছাসেৱী দলত আছিল। ১৯৩১ চনত নাৰাঙাবাৰীত জাতীয় পতাকা উত্তোলন কৰিছিল। ১৯৩০-৩২ আৰু ১৯৩৭ চনত কৃষক আন্দোলনতো যোগদান কৰিছিল।

হৰেশ চন্দ্ৰ দে :

আগিয়া। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে। ১৯৪২ চনৰ আন্দোলনতো যোগ দি তিনিমাহ বিচাৰাধীন বন্দী হৈ থাকে। পাছত ১ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫ টকা জৰিমনা হয়।

হৰিপ্ৰসাদ ৰয় :

দেওহাটী, অভয়াপুৰী। পিতৃ শিৱপ্ৰসাদ ৰয়। ১৯৪২ চনত গ্ৰেপ্তাৰ হয়। ২৭।৯।৪২ তাৰিখে স্পেচিয়েল পুলিচ হ'বলৈ অস্বীকাৰ কৰাত ৩ মাহ সশ্ৰম কাৰাদণ্ড হয়। আজীৱন কংগ্ৰেছ ভাবাপন্ন লোক আছিল।

হৰিচন্দ্ৰ দাস :

কলিতাপাৰা, গোৱালপাৰা। পিতৃ গোবিন্দ চন্দ্ৰ দাস। ১৯৩০ চনৰ আন্দোলনত যোগ দি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৩২ চনৰ আন্দোলনতো যোগ দিছিল। তাৰপাছত অস্পৃশ্যতা বৰ্জন, মাদক দ্ৰব্য নিবাৰণৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৩৫ চনৰ কৃষক আন্দোলনতো জড়িত আছিল। ১৯৪১-৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

হৰি প্ৰসাদ :

২৮।৯।৪৩ তাৰিখে ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

হৰিদাস কলিতা :

১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। ১৯২২ চনত গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখে। অসহযোগ আন্দোলন শেষ হোৱাত তেওঁক এৰি দিয়ে। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত বিশেষভাৱে কাম কৰিছিল। কংগ্ৰেছৰ সকলো কামতে সহায়-সহযোগ আগ-বঢ়াইছিল।

ধুবুৰী

অমৰেন্দ্ৰ কিশোৰ সেন :

জন্ম ধুবুৰীত। পিতৃ সত্যেন্দ্ৰ কিশোৰ সেন। ১৯৩০ চনৰ আন্দোলনত ভলণ্টিয়াৰ সংগঠন, শোভাযাত্ৰা, ধুবুৰীৰ সভা আদিৰ আয়োজন কৰে। ১৫।৭।৩০ তাৰিখে মদৰ দোকানত পিকেটিং কৰা কাৰণে গ্ৰেপ্তাৰ হৈ তিনিমাহ জেল খাটে। ১৯৩২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। জিলা কংগ্ৰেছৰ এজন প্ৰধান সংগঠক আছিল। ১৯৪২ চনৰ গণ আন্দোলনতো সহযোগ আগ বঢ়াইছিল। ১৯৮৬ চনত মৃত্যু হয়।

অনিল সেন :

১৯৩০ চনত গৌৰীপুৰ কংগ্ৰেছৰ সংগঠন কৰিছিল। সভা আৰু শোভাযাত্ৰাৰ পাছত তেওঁ দাণ্ডী যাত্ৰাৰ পৰা অনা নিমখ বিক্ৰি কৰিছিল। পুলিচে নিমখ জব্দ কৰি তেওঁক এৰি দিয়ে। ২৫ এপ্ৰিলত বিদেশী বস্ত্ৰ বৰ্জন আন্দোলন কৰে। পুলিচে হাজোতত ৰাখি এৰি দিয়ে। '৪২ ৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

আব্দুল ৰছিদ আলফাৰুকী :

ধুবুৰী। পিতৃ আব্দুল হেমিদ। ১৯১৯ চনত চৰকাৰী চাকৰি ইস্তফা দিয়ে। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। তেওঁ কংগ্ৰেছ অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে থকাৰ কাৰণে মুছলিম লীগৰ আন্দোলনৰ সময়ত তেখেতক সামাজিকভাৱে বহিস্কৃত কৰিছিল। আজীৱন সম্প্ৰীতিৰ হকে কাম কৰিছিল। ১৯৭৮ চনত মৃত্যু হয়।

আমজেৰ আলী দেৱান :

ধুবুৰী। পিতৃ আকবৰ আলী। ১৯২১ চনৰ আন্দোলনত কাম কৰিছিল। ১৯৩০ চনৰ আন্দোলনত ভলণ্টিয়াৰ হিচাপে ভাগ লয়। ৩০-৩২ চনৰ আন্দোলনতো সহযোগ কৰিছিল। ১৯৮৪ চনত মৃত্যু হয়।

আব্দুল গফুৰ :

১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি গ্ৰেপ্তাৰ হয়। বয়স কম বাবে হাকিমে মুক্তি দিয়ে। কংগ্ৰেছ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

আনন্দ মোহন গুহা :

ধুবুৰী। ১৯২১ চনত আন্দোলনত যোগ দিয়ে। পুলিচে গ্ৰেপ্তাৰ কৰি আদালতত হাজিৰ কৰে। বয়স কম হোৱা বাবে হাকিমে খালাচ দিয়ে। কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৮৪ চনত মৃত্যু হয়।

আমিৰ আলী দেৱান :

ধুবুৰী টাউন। পিতৃ আকবৰ আলী। অসহযোগ আন্দোলনৰ ভলণ্টিয়াৰ হোৱাত ৬।২।১৯২১ তাৰিখে ধুবুৰীত গ্ৰেপ্তাৰ হয়। বিচাৰত এবছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা ভৰে। পিছৰ আন্দোলনতো তিনিমাহ জেল হয়। ১৯৭৮ চনত মৃত্যু হয়।

আনন্দ মোহন সৰকাৰ:

হালাকুৰা অঞ্চলৰ এজন প্ৰধান গঠনমূলক কৰ্মী আছিল। বিনোবাজীৰ অসম পদযাত্ৰাৰ প্ৰথম শিবিৰৰ তেওঁ মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। আজীৱন গান্ধীভক্ত আৰু সৰ্বোদয় প্ৰেমী আছিল। ১৯৮৮ চনত ১০৩ বছৰ বয়সত মৃত্যু হয়।

ইন্দ্ৰকান্ত গোস্বামী :

ধুবুৰী। ১৭।১২।১৯২১ তাৰিখে গৌৰীপুৰত আৰু ১৮।১২।১৯২১ তাৰিখে ধুবুৰীত সভা পাতি বৃটিচ চৰকাৰৰ সমালোচনা কৰিছিল। ১৯।১২।১৯২১ তাৰিখে ৪ মাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম হয়।

ইছমাইল খাণ্ডাকৰ :

ধুবুৰী। আন্দোলনত যোগ নিদিব বুলি লিখি দিয়াত অসন্মত হোৱাত ১৯২২ চনত এবছৰ কাৰাদণ্ড ভোগ কৰে। খিলাফৎ আন্দোলনৰ তেখেত প্ৰধান কৰ্মী আছিল।

কালিকা মোহন গুহ :

১৯২১ চনৰ আন্দোলনত সক্ৰিয়ভাৱে কংগ্ৰেছৰ প্ৰচাৰ কাৰ্যত আত্মনিয়োগ কৰে। সেই চনতে তিনিমাহ কাৰাদণ্ড হয়। ১৯৩০-৩২ চনতো আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কংগ্ৰেছৰ কাম কৰিছিল।

কামিনী ৰায় বি-এ :

গোলোকগঞ্জ। আইনৰ ছাত্ৰ আছিল। ১৯৩০-৩৫ চনৰ কাল-হোৱাত ধুবুৰী জিলা কংগ্ৰেছৰ কমিটিৰ সভাপতি আছিল। ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ প্ৰতিটো আন্দোলনত যোগদান কৰে আৰু নিৰ্যাতিত হয়। ১৯৪১-৪২ চনৰ আন্দোলনতো যোগদান কৰিছিল।

কালিপ্ৰসাদ ভাদুৰী :

মাজদিয়া, নদীয়াত। পিতৃ জিতেন্দ্ৰ কুমাৰ ভাদুৰী। ১৯৪২ চনত ধুবুৰীত গ্ৰেপ্তাৰ হয় আৰু ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ধুবুৰীত বিদ্ৰোহমূলক বক্তৃতা দি ফুৰিছিল। পিছত আকৌ নদীয়ালৈ উভতি যায়।

কালিমোহন ঘোষ :

ধুবুৰী। ১৯২১ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰাৰ বাবে তিনি সপ্তাহ হাজোতত ৰাখিছিল। আন্দোলন বন্ধ হোৱাত হাজোতৰ পৰা এৰি দিয়ে। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

কৃষ্ণ চন্দ্ৰ দাস :

ধুবুৰী। পিতৃ ব্ৰজকান্ত দাস। ১৯২১ চনত গ্ৰেপ্তাৰ হয়। টকজি ভাগ লোৱাত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। কংগ্ৰেছত যোগ দি বিভিন্ন কংগ্ৰেছৰ সংগঠনত ঘূৰি ফুৰোতে ৰাজদ্ৰোহৰ অপৰাধত তিনি মাহ কাটেক হয়।

কেদাৰ নাথ গোস্বামী :

ধুবুৰী। ১৭।১২।১৯২১ তাৰিখে গৌৰীপুৰত আৰু ১৮।১২।১৯২১ তাৰিখে ধুবুৰীত সভা পাতি ইংৰাজ চৰকাৰক সমালোচনা কৰে। ফলস্বৰূপে ১৯।১২।১৯২১ তাৰিখে ৪ মাহ সশ্ৰম কাৰাদণ্ডৰ হুকুম হয়।

গৌৰীমোহন ৰয় :

ধুবুৰী। এজন সক্ৰিয় কংগ্ৰেছ কৰ্মী আছিল। বিপ্লৱী দলত থকা বুলি সন্দেহ কৰি এবছৰ জেল আৰু ৫০ টকা জৰিমনা কৰিছিল। জৰিমনা অনাদায়ে ২ মাহ জেল আৰু ৬০ টকা জৰিমনা কৰা হৈছিল। অনাদায়ত পুনৰ ২ মাহ জেল হয়।

গোবিন্দ চন্দ্ৰ বৰ্মন :

বিহখোৰা, গোলোকগঞ্জ। পিতৃ বিষ্ণুৰাম বৰ্মন। ১৯২১ চনৰ অসহযোগ আন্দোলনত বিভিন্ন সভা-সমিতিত যোগদান কৰাৰ কাৰণে ৩মাহ সশ্ৰম কাৰাদণ্ড হয়। ১৯৩১ চনৰ আন্দোলনত ৪ মাহ ১৫ দিন সশ্ৰম কাৰাদণ্ড আৰু ৫০ টকা জৰিমনা হয়। ১৯৩২ চনৰ ৮ ফেব্ৰুৱাৰীত গ্ৰেপ্তাৰ কৰি ১৮ মাহ ক্ষাটেক দিয়ে। এইজন আগশাৰীৰ কংগ্ৰেছ কৰ্মীয়ে গোলোকগঞ্জৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮৮ চনত মৃত্যু হয়।

গোবিন্দ চন্দ্ৰ বৰ্মন ৰায় :

বিহখোৰা। ১৯২১ চনৰ আন্দোলনত গোৱালপাৰাত যোগ দিয়ে। সেই চনত ১৪৪ ধাৰা ভঙ্গ কৰাৰ অপৰাধত ৪ মাহ ১৫ দিন জেল আৰু ৫০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত আৰু ১মাহ ক্ষাটেক হয়। কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ গণ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

গোপীনাথ :

ধুবুৰী। ১৯২২ চনত ৰাজদ্ৰোহ অপৰাধত গ্ৰেপ্তাৰ কৰি তিনি সপ্তাহ বিচাৰাধীন বন্দী কৰি ৰাখিছিল।

গৌৰী মোহন চকিদাৰ :

বিলাসীপাৰা। ১৯২১ চনত মহাত্মা গান্ধী অসমলৈ অহাৰ সময়ত গান্ধীক চাবলৈ চাপতগ্ৰাম ৰেলৱে ষ্টেচনলৈ গৈছিল। উভতি আহি স্বৰাজ বেজ পৰিধান কৰাত এই বেজ পিন্ধিবলৈ কৰ্তৃপক্ষই বাধাপ্ৰদান কৰোঁতে চাকৰি ইস্তফা দিয়ে। তেখেতে সদায় কংগ্ৰেছী বেজ পৰিধান কৰি আজীৱন কংগ্ৰেছৰ সমৰ্থক হিচাপে কাম কৰিছিল।

গৌৰীকান্ত গোস্বামী :

গৌৰীপুৰ। পিতৃ অচ্যুতকান্ত গোস্বামী। কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত ১৯৩০ চনত স্কুল বৰ্জন' কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। এজন সক্ৰিয় কংগ্ৰেছ কৰ্মী আছিল। ১৯৮৮ চনত মৃত্যু হয়।

ধন কান্ত দাস :

ধুবুৰী। ১৯২১ চনত কংগ্ৰেছৰ স্বেচ্ছাসেৱক হিচাপে যোগদান কৰি পুলিচৰ মাজত গুপ্তভাৱে কাম কৰে, ফলত চিতলকোচাত যামিনী নাথ আৰু ভ্ৰাম্যমান পুলিচ কৰ্মী এই ষড়যন্ত্ৰত গ্ৰেপ্তাৰ হয় আৰু বিচাৰত নানাভাবে শাস্তি ভোগ কৰে। বিপ্লৱী দলৰ লগতো তেখেতৰ সম্বন্ধ আছিল। সাম্যবাদী আদৰ্শত অনুপ্ৰাণিত হৈ বনুৱা সংগঠনৰ কাম কৰিছিল। ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।

জ্যোতিৰ্ময় দেৱ :

১৯৩০ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। দক্ষিণ শালমাৰাত কংগ্ৰেছৰ সংগঠন কৰিছিল। গান্ধীজীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত শোভাযাত্ৰা কৰিছিল। ১৯৩২ আৰু ৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

জ্যোতিৰ্ময় চক্ৰবৰ্ত্তী :

ধুবুৰী। পিতৃ কামিনী চক্ৰবৰ্তী। ১৯২১ চনত স্কুল বৰ্জন কৰি কংগ্ৰেছত যোগ দিয়ে। ১৯২২ চনত স্বাধীনতা দিৱসত যোগ দিয়ে। ধুবুৰীত ২৬।১।৩০ অ'ত আৰু বিজনী থানাত এমাহ হাজোতত থাকিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধীনতা দিৱস আৰু পতাকা উত্তোলন দিৱসত অংশ গ্ৰহণ আৰু শোভাযাত্ৰা ইত্যাদিৰ সংগঠন কৰিছিল। পুলিচৰ লাঠি চাৰ্জনাত আঘাত পায়। ৪২ ৰ গণ বিপ্লৱতো সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৬০ চনত মৃত্যু বৰণ কৰে।

জ্ঞানেশ্বৰ দে :

বাসুগাঁও। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। বংগদেশৰ যুগান্তৰ বিপ্লৱী দলৰ সদস্য হিচাপে আছিল। চিটাগঙ্ ষড়যন্ত্ৰ মোকৰ্দমাত গ্ৰেপ্তাৰ কৰে আৰু দীঘলীয়া কাৰাদণ্ড দিয়ে।

টুনটুনীয়া কহাৰ :

ধুবিপাৰা, ধুবুৰী। পিতৃ যুগল কহাৰ। '৪২ চনত স্পেচিয়েল পুলিচ হিচাপে কাম কৰিবলৈ দিয়াত অমান্তি হোৱাত ১ মাহ ফাটেক দিয়ে। কংগ্ৰেছৰ প্ৰিয় কৰ্মী হিচাপে কাম কৰিছিল।

টোটাৰাম ৰয় :

গোলোকগঞ্জ। পিতৃ চিনু ৰয়। ১৯৩০ চনত কংগ্ৰেছত যোগ দি পিকেটিং কৰাৰ বাবে তিনিমাহ সশ্ৰম কাৰাদণ্ড ভোগে আৰু ৫০ টকা জৰিমনা হিচাপে দিবলৈ অস্বীকাৰ কৰাত অধিক ১ মাহ ফাটেক খাটে। ১৯৩১ চনত ধুবুৰীত ১৪৪ ধাৰা ভঙাৰ অপৰাধত ৪ মাহ সশ্ৰম কাৰাদণ্ড হয়। ১৯৪২ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৭৫ চনত মৃত্যু হয়।

তফাজুদ্দিন সেখ :

আন্দোলনত ৩ মাহ কাৰাদণ্ড ভোগ কৰিছিল।

দেৱাউদ্দিন সৰকাৰ :

১৯২১ চনত বিলাসীপাৰা হাইস্কুল বৰ্জন কৰি বিলাসীপাৰাত মদৰ দোকানত পিকেটিং কৰে। তেওঁৰ বিৰুদ্ধে গোচৰ তৰা হৈছিল যদিও বিশেষ শাস্তি হোৱা নাছিল। পুনৰ গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখে আৰু প্ৰমাণৰ অভাৱত খালাচ দিয়ে। পিছত পঢ়া-শুনা কৰি আইন পৰীক্ষাত উত্তীৰ্ণ হৈ ওকালতি কৰিছিল। বিধান সভাৰ সদস্যও হৈছিল। খিলাফৎ আন্দোলনৰ সমৰ্থক আছিল। হিন্দু-মুছলমান সম্প্ৰীতিৰ কাৰণে কাম কৰিছিল।

দ্বাৰিকা নাথ দিহিদৰ :

গোসাইগাঁও। পিতৃ মোহন চন্দ্ৰ দিহিদৰ। ১৯২১ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী হিচাপে গোসাইগাঁৱৰ কংগ্ৰেছ কমিটি স্থাপন কৰে। গ্ৰেপ্তাৰ হৈ ভালেমান দিন হাজোতত আছিল। গোৱালপাৰা জিলা কংগ্ৰেছৰ সদস্য আছিল। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। অঞ্চলটোৰ ৰাজহুৱা কামত আগভাগ লৈছিল। ১৯৮৮ চনত মৃত্যু হয়।

নন্দকিশোৰ ৰয় :

বিলাসীপাৰা। পিতৃ ভানু ৰয়। ১৯৩১ চনত ডিব্ৰুগড় চহৰত আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ বাবে গ্ৰেপ্তাৰ হয় আৰু এবছৰ জেল খাটে। মুক্তিৰ পাছত বিলাসীপাৰালৈ ঘূৰি আহে আৰু '৪২ ৰ আন্দোলনত যোগ দিয়ে। ১৯৭২ চনত মৃত্যু হয়।

নিত্যহৰি চৌধুৰী :

ধুবুৰী। পিতৃ নীলাম্বৰ চৌধুৰী। ১৯২১ চনত তেওঁ ধুবুৰী মহকুমাৰ স্বেচ্ছাসেৱক সংগঠন কৰিছিল আৰু পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল। ১৯৩২ চনত তিনিমাহ কাৰাটেক হয়। ১৯৪২ চনত ব্যক্তিগত সত্যাগ্ৰহ কৰিছিল। '৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

নিৰঞ্জন ঘোষ :

ধুবুৰী। পিতৃ নীলকান্ত ঘোষ। ১৯২১ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। সেই চনত ধুবুৰীত হোৱা স্বাধীনতা দিৱস সমাৰোহত যোগদান কৰি ৪ মাহ সশ্ৰম কাৰাদণ্ড ভোগে আৰু ৫০ টকা জৰিমনা হয়। আজীৱন কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰিছিল।

পুলকেশ দে সৰকাৰ :

ধুবুৰী। ৬।৪।৩০ তাৰিখে বিদেশী বস্ত্ৰৰ দোকানত ধুবুৰীত পিকেটিং কৰাৰ বাবে ১৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

পূৰ্ণ চন্দ্ৰ দত্ত :

বগৰীবাৰী। পিতৃ বিজয় চন্দ্ৰ দত্ত। ১৯২১ চনত কলেজ বৰ্জন কৰে। ১৯২১ চনৰ পৰা ১৯৪২ চনৰ গণ আন্দোলনলৈকে মুক্তি যোদ্ধা হিচাপে কাম কৰে। গুপ্ত কৰ্মী হিচাপেও কাম কৰিছিল। এজন বিপ্লৱী চিন্তাধাৰাৰ কৰ্মী আছিল।

প্ৰফুল্ল কুমাৰ চক্ৰৱৰ্তী :

বিলাসীপাৰা। পিতৃ প্ৰতাপ চন্দ্ৰ চক্ৰৱৰ্তী। ১৯২১ চনৰ অসহযোগ আন্দোলনত ভাগ লোৱা কাৰণে বন বিভাগৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰে। বিলাসীপাৰাত গ্ৰেপ্তাৰ কৰি ১৫ দিন জেল হাজোতত নজৰ

বন্দী হিচাপে ৰাখে। আজীৱন কংগ্ৰেছ কৰ্মী আছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছ অধিবেশনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩০-৩২ চনৰ আন্দোলনত আৰু ১৯৪২ চনৰ আন্দোলনৰ ভিতৰৰ মাহত কেইবাদিন ধৰি যুদ্ধৰ সাহায্য প্ৰদৰ্শনীত পিকেটিং কৰিছিল। ১৯৪৮ চনত মৃত্যু হয়।

প্ৰিয় কান্ত মিত্ৰ :

ধুবুৰী। পিতৃ বৰোদা কান্ত মিত্ৰ। ১৯১৭ চনত বগৰীবাৰীত ভাৰত ৰক্ষা আইনত গ্ৰেপ্তাৰ হৈ ৭ মাহ হাজোত বাস, ১৯১৯ চনলৈকে গৃহবন্দী, ১৯৩০ চনত স্বাধীনতা আন্দোলনত যোগদান কৰা বাবে স্কুলৰ চাকৰিৰ পৰা বৰ্খাস্ত হয়। কলিকতা জেল হাজোতেতো তেওঁ এমাহ আছিল। কলিকতাৰ তেওঁ ডিফেন্স অব ইণ্ডিয়া আইনত বিপ্লৱী দলৰ সদস্য বুলি গ্ৰেপ্তাৰ কৰি বিচাৰত ৮ মাহ জেল হাজোতত ৰাখে।

প্ৰতিমা চক্ৰৱৰ্তী :

ধুবুৰী। ১৯৩২ চনত ধুবুৰীত স্বাধীনতা আন্দোলনৰ সভাত পুলিচৰ দ্বাৰা নিগৃহীত আৰু সাংঘাতিকভাৱে আহত হৈছিল।

প্ৰফুল্ল চক্ৰৱৰ্তী :

ঘৰ বিলাসীপাৰাত। ১৫ দিন হাজোতবাস কৰিছিল।

প্ৰফুল্ল চক্ৰৱৰ্তী :

ছত্ৰশাল। আন্দোলনৰ অন্যান্য কাৰ্যৰ উপৰিও ধুবুৰী জিলা কংগ্ৰেছৰ যুটীয়া সম্পাদক আছিল ১৯৫০ চনত।

প্ৰফুল্ল কুমাৰ সৰকাৰ :

পিতৃ উজ্জ্বল সৰকাৰ। ১৯৩০ চনত পিকেটিং কৰা বাবে চাৰিমাহ জেল হয়। ১৯৩২ চনৰ আন্দোলনত যোগদান কৰিছিল। ধুবুৰী জিলা সংগঠনৰ কাম কৰিছিল। ১৯৪০-৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। আজীৱন কংগ্ৰেছৰ গঠনমূলক কৰ্মী হিচাপে বাইজৰ মাজত কাম কৰিছিল।

বসন্ত কুমাৰ ঘোষ ঃ

ধুবুৰী টাউন। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। গৌৰীপুৰত কানি, মদ, ভাঙৰ দোকানত পিকেটিং কৰিছিল।

বলাৰাম সাহা ঃ

ধুবুৰী। ১৯৩০ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰি ৩ বছৰ কাৰাবাস খাটে।

বসিত ভাই সিং ঃ

ধুবুৰী গুৰুদ্বাৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি কাৰাবৰণ কৰে। ১৯২২ চনৰ ৭ ফেব্ৰুৱাৰী তাৰিখে মুক্তি লাভ কৰিয়েই প্ৰায় দুশজন সত্যাগ্ৰহীক লৈ ধুবুৰীত ৰাজহুৱা সভা পাতি স্বাধীনতাৰ দাবী কৰে।

বালিৰাম সিং ঃ

ধুবুৰী। পুলিচ কনিষ্টবলৰ চাকৰি বাদ দি ১৯২১ চনত অসহযোগ আন্দোলনত ভৰ্তি হয়। ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু ১০ টকা জৰিমনা কৰে ১৯২২ চনত। পিছত কংগ্ৰেছৰ সংগঠক হিচাপে আত্মনিয়োগ কৰে। ১৯৮৪ চনত মৃত্যু হয়।

বিশ্বনাথ ভট্টাচাৰ্য্য ঃ

গৌৰীপুৰ। পিতৃ জানকীনাথ ভট্টাচাৰ্য্য। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। সেই চনতে স্বাধীনতা দিৱসৰ পতাকা উত্তোলন কাৰ্যক্ৰমত যোগ দিওঁতে ৪ মাহ সশ্ৰম কাৰাদণ্ড হয়। ১৯৩২ চন আৰু পিছতো কংগ্ৰেছ সংগঠনৰ কাম কৰিছিল। ১৯৮০ চনত মৃত্যু হয়।

বিভীষণ বৰ্মন ঃ

ধুবুৰী। পিতৃ দল গোবিন্দ। ধুবুৰীত পিকেটিং কৰোতে গ্ৰেপ্তাৰ বৰণ কৰে। ২৬।১।৩০ তাৰিখে শোভাযাত্ৰা উলিয়াই পতাকা উত্তোলন আৰু গৌৰীপুৰ মৈদানত সভা আহ্বান কৰাত ধুবুৰীত গ্ৰেপ্তাৰ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড দিহে।

বিভুতি ভূষণ সৰকাৰ :

ধুবুৰী টাউন। পিতৃ ৰজনীকান্ত সৰকাৰ। ১৯৩০ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰাত কুৰিগ্ৰাম জিলাৰ ৰংপুৰত গ্ৰেপ্তাৰ হয়। ১ মাহ নজৰ বন্দী আৰু ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। তাৰ পিছত ১৯৪২ চনৰ মাৰ্চ মাহত ধুবুৰীত ১৪৪ ধাৰা ভংগৰ অপৰাধত এমাহ জেল হয়। আকৌ সেই চনৰে ৮ চেপ্তেম্বৰত গ্ৰেপ্তাৰ হয় আৰু এবছৰ কাৰাদণ্ড ভোগে। তেওঁ ধুবুৰী জিলা কংগ্ৰেছৰ সম্পাদক আছিল। কংগ্ৰেছৰ গঠনমূলক আৰু অন্যান্য ৰাজহুৱা কামতো আগভাগ লৈছিল। এতিয়াও জীৱিত আছে।

বিৰাজ মোহন দত্ত :

১৯৩৭ চনৰ পৰা ১৯৪২ চনলৈ ধুবুৰী জিলা কংগ্ৰেছৰ সভাপতি আছিল।

বিচিত্ৰ সিং :

ধুবুৰী। ১৯২১ চনত সত্যাগ্ৰহ কৰা কাৰণে ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

বিশ্বনাথ ভট্টাচাৰ্য্য :

ঘৰ গৌৰীপুৰৰ মধুশৌলমাৰীত। ধৰ্ণা অধ্যাদেশ অনুযায়ী ১৯৩০ চনত ৬ মাহ কাৰাদণ্ড ভোগ কৰে।

ভোলানাথ বৰ্মন :

গোলোকগঞ্জ। পিতৃ কাল্লাৰাম বৰ্মন। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩২ চনত পিকেটিং কৰা অপৰাধত গ্ৰেপ্তাৰ হয়। পাছত ৩ মাহ জেল আৰু ৫০ টকা জৰিমনা অনাদায়ত অধিক ১ মাহ কাটেক হয়। ধুবুৰী কংগ্ৰেছৰ এজন সংগঠক আছিল। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল।

মহি আলম আলি :

উত্তৰ শালমাৰা। পিতৃ মণিউদ্দিন আলি। ১৯৩২ চনত তিনিমাহ জেল আৰু ৫০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ে অধিক ১ মাহ জেল খাটে। তেখেত অঞ্চলটোৰ এজন বিশিষ্ট লোক আছিল

আৰু বিভিন্ন গঠনমূলক অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮৫ চনত মৃত্যু হয়।

মনোগোবিন্দ চক্ৰবৰ্তী :

ধুবুৰী। ১৯২১ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰে। আইন মহাবিদ্যালয়ৰ দ্বিতীয় বছৰলৈকে পঢ়ি শ্ৰেণী বৰ্জন কৰি কংগ্ৰেছ কমিটি গঠন কৰে। গৌৰীপুৰত স্বেচ্ছাসেৱক বাহিনী গঠন কৰিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন কৰিছিল। বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনবো নেতৃত্ব বহন কৰিছিল। ১৯৪০-৪২ চনৰ গণ আন্দোলন আৰু কংগ্ৰেছ অধিবেশন আদিতো যোগদান কৰিছিল।

মণিভূষণ মুখাৰ্জী :

ধুবুৰী। হুগলীত পিকেটিং কৰা বাবে ১৯২২ চনত ৪ মাহ সশ্ৰম কাৰাদণ্ড হয়। ১৯৩০ চনত ধুবুৰীত স্বেচ্ছাসেৱক দল গঠন কৰে। ২৬ জানুৱাৰীত পতাকা উত্তোলন কাৰ্যত অংশ গ্ৰহণ কৰে। ১৯৩১-৩২ চনত সংগঠনৰ কামত আছিল। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। ১৯৮৫ চনত মৃত্যু হয়।

মুকুন্দ মুৰাৰি দাস :

জিনকটা, হালাকুৰা। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। পুলিচে গ্ৰেপ্তাৰ কৰি ধুবুৰী জেলত ২১ দিন বন্দী শালত ৰাখে। বিভিন্ন সভা সমিতি পাতি ফুৰাৰ বাবে আকৌ পুলিচে গ্ৰেপ্তাৰ কৰে কিন্তু উপযুক্ত প্ৰমাণৰ অভাৱত খালাচ দিয়ে। ১৯৬০ চনত মৃত্যু হয়।

মফিজুদ্দিন সেখ :

ধুবুৰী। ১৯২১ চনত ৩ মাহ কাৰাদণ্ড ভোগ কৰিছিল।

মতি পাল :

ধুবুৰী। ১৯৪২-৪৫ চনত তেওঁৰ চাহৰ দোকানত গোপনে কংগ্ৰেছৰ কাৰ্যালয় খুলি দৈছিল।

মণিগোবিন্দ চক্ৰবৰ্তী :

১৮৯১ চনৰ ২১ এপ্ৰিলত হুৱশাল গাঁৱত জন্ম গ্ৰহণ কৰে। পিতৃ দৌলগোবিন্দ চক্ৰবৰ্তী আৰু মাতৃ নিত্যময়ী দেৱী। নিজ গাঁও

পঢ়াশালিৰ পৰা প্ৰাথমিক শিক্ষা সাং কৰি গৌৰীপুৰৰত ছাত্ৰাবাসত থাকি পি চি ইনষ্টিটিউটত পঢ়া আৰম্ভ কৰে। ১৯১৪ চনত প্ৰবে-শিকা পাছ কৰি প্ৰথমে কলিকতাত ১ বছৰ আৰু পিছত কটন কলেজত পঢ়ে। গণিত আৰু দৰ্শন শাস্ত্ৰত স্নাতক হৈ কলিকতা বিশ্ব-বিদ্যালয়ৰ আইন শ্ৰেণীত ভৰ্তি হয়। কিন্তু শিক্ষা সমাপ্ত কৰি ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। কলিকতাত তেওঁ চিত্ত-ৰঞ্জন দাসৰ সান্নিধ্যলৈ আহিছিল। পাছত ধুবুৰীলৈ আহি চৰকাৰী চাকৰি কৰে যদিও ইস্তফা দি লেংটিচিঙা গাঁৱক কৰ্মক্ষেত্ৰ হিচাপে লয়। তেওঁ এজন সংস্কৃতিপৰায়ণ পুৰুষ আছিল। দক্ষ তবলাবাদক, ফুটবল আৰু লন টেনিছ খেলুৱৈ হিচাপে তেওঁ প্ৰতিভাৰ পৰিচয় দিছিল।

তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ আজীৱন প্ৰাথমিক সদস্য আছিল। ১৯৪২ চনৰ গণ বিপ্লৱত তেওঁ গান্ধীৰ মন্ত্ৰেৰে দীক্ষিত হৈ সক্ৰিয় অংশ গ্ৰহণ কৰে। তেওঁ আছিল এজন সম্পূৰ্ণ গান্ধীবাদী লোক। স্বাধীনোত্তৰ কালত তেওঁ সমাজসেৱক হিচাপে যি বৰঙণি আগবঢ়াইছিল তাৰ তুলনা নাই। আনহাতে তেওঁ আছিল অসম সাহিত্য সভাৰ এগৰাকী আজীৱন সভ্য।

এজন সুযোগ্য শিক্ষক হিচাপে পৰিচয় দিয়া চক্ৰৱৰ্তীৰ অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ ছাত্ৰ আছিল। ১৯৬৬ চনত দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ পৰাত পশ্চিম বঙ্গৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল চন্দ্ৰ সেনে সহায় আগবঢ়াব খুজিছিল যদিও দুজন উপাৰ্জনক্ষম পুত্ৰ থকা বুলি কৈ সেইখিনি নিঃস্বজনক আগবঢ়াবলৈ কৈছিল। এয়ে আছিল তেওঁৰ মহত্ত্ব। ১৯৭৩ চনৰ ২১ এপ্ৰিল তাৰিখে দীৰ্ঘ-দিন ৰোগত ভুগী ইহলীলা সম্বৰণ কৰে।

যোগেন্দ্ৰ নাৰায়ণ মণ্ডল :

ধুবুৰী। ১৯৩৭-৪৫ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ ধুবুৰীত আন্দোলনকাৰীৰ সভাত সভাপতিত্ব কৰে। অবিভক্ত ধুবুৰী জিলাৰ এম এল এ আছিল ১৯৩৭ চনৰ পৰা ১৯৪৫ চনলৈ।

যামিনীনাথ ৰয় ঃ

ধুবুৰী। ১৯২১ চনত হেড্ কনিষ্টবলৰ চাকৰিৰ পৰা পদত্যাগ কৰে। মিলণ্ডৰ পৰা উভতি আহি কিংগাৰ প্ৰিন্স ট্ৰেইনিঙৰ পাছত চাকৰি বাদ দি অসহযোগ আন্দোলনত যোগদান কৰে। ঘনকান্ত দাসৰ লগ লাগি পুলিচৰ মাজত কাম কৰিছিল। লোকক পদযাত্ৰাৰ কাৰণে উদ্বুদ্ধ কৰাৰ অপৰাধত গ্ৰেপ্তাৰ কৰা হৈছিল, কিন্তু প্ৰমাণ নথকাত জেল নহ'ল। ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

যোগেন্দ্ৰ নাথ ৰয় প্ৰধানী ঃ

হালাকুৰা, গোলোকগঞ্জ। পিতৃ হৰিশিং ৰয়প্ৰধান। ১৯৩০ চনত শিক্ষা বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ১৯৩১ চনত স্বাধীনতা দিৱস পালনৰ দিনা ১৪৪ ধাৰা ভংগ কৰা অপৰাধত ৫ মাহ জেল হয়। ইয়াৰ পিছত ধুবুৰী কংগ্ৰেছ কমিটিৰ সভ্য হয়। ১৯৮২ চনত মৃত্যু হয়।

ৰমাকান্ত ৰয় ঃ

গোলোকগঞ্জ। ১৯৩০ চনত তেওঁ কংগ্ৰেছত যোগ দিয়ে। সেই চনৰে ২৬ জানুৱাৰী পালনৰ আয়োজন কৰিছিল। ১৯৩১ চনত ১৪৪ ধাৰা ভংগ কৰি স্বাধীনতা আন্দোলনত আগভাগ লোৱাত গ্ৰেপ্তাৰ কৰি ১ মাহ হাজোতত ৰাখি বিচাৰত ৪ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। পিছত তেওঁ কংগ্ৰেছ সংগঠক হিচাপে কাম কৰিছিল আৰু বহুতো ৰাজহুৱা কামত জড়িত আছিল। ১৯৭৫ চনত তেওঁৰ মৃত্যু হয়।

ৰমণী কান্ত বসু ঃ

১৯৪২ চনৰ ধুবুৰী জিলা কংগ্ৰেছ কমিটিৰ উপসভাপতি আছিল।

ৰমেশ চন্দ্ৰ সৰকাৰ ঃ

গৌৰীপুৰ। সৰকাৰ ২১ দিন হাজোতত বাস কৰিছিল।

লক্ষণ ৰায় ঃ

সৰাকুৰা, গোলোকগঞ্জ। ৫ মাহ কাৰাদণ্ড ভোগ কৰে।

লিয়াকৎ আলি (কনিষ্টবল) ঃ

ধুবুৰী। পুলিচৰ চাকৰি বাদ দি ১৯২১ চনত অসহযোগ আন্দোলনত লাগে। ১৯২২ চনত তেওঁ ২০ টকা জৰিমনা ভৰে। কংগ্ৰেছৰ প্ৰধান কৰ্মী হিচাপে শেষ বয়সলৈ লাগি আছিল।

শৰৎ চন্দ্ৰ বৰ্মন ঃ

বগৰীবাৰী। ১৯৪২ চনত ভলন্টিয়াৰ হিচাপে ভাগ লয়। ১৯৩০ চনৰ পৰা আন্দোলনৰ লগত ওতঃপ্ৰোতভাবে জড়িত আছিল। বিলাসীপাৰাৰ পৰা ১৯৪৭ চনত স্বাধীনতা ঘোষণা হোৱাত এটা শোভাযাত্ৰা উলিয়াইছিল। এই কংগ্ৰেছ কৰ্মীজনে বিশেষকৈ মুছলিমৰ বিৰুদ্ধে অবিৰাম সংগ্ৰাম কৰিছিল। শোভাযাত্ৰাত সমদলৰ ওপৰত মুছলীম লীগৰ মানুহে লাঠি আৰু অস্ত্ৰৰে আক্ৰমণ কৰে। এই আঘাতত বৰ্মনৰ থিতাতে মৃত্যু হয়।

শৰৎ চন্দ্ৰ সিংহ ঃ

বিলাসীপাৰা। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯২১ চনত আইন অমান্য আন্দোলনৰ অংশ লোৱাৰ বাবে ১ বছৰ কাৰাদণ্ড আৰু ১৫০ টকা জৰিমনা হৈছিল। সেই সময়ত কেইবা বছৰ তেখেত ধুবুৰী জিলা কংগ্ৰেছ কমিটিৰ সম্পাদক আছিল। ১৯৮৪ চনত তেখেতৰ মৃত্যু হয়।

শৰৎ চন্দ্ৰ ৰায় ঃ

১৯৩০ চনত আন্দোলনত যোগদান কৰে। পিকেটিং কৰা বাবে ২ মাহ কাৰাদণ্ড ভোগ কৰে। তেওঁ গোলোকগঞ্জ কংগ্ৰেছৰ প্ৰধান সংগঠক আছিল। ধুবুৰী জিলা কংগ্ৰেছৰ সভ্য আছিল। ১৯৪২ চনৰ গণ আন্দোলনতো আগভাগ লৈছিল। কংগ্ৰেছৰ গঠনমূলক কামত আগভাগ লৈছিল।

শ্যাম প্ৰসাদ চক্ৰবৰ্তী ঃ

১৯৪২ চনত ধুবুৰী জিলা কংগ্ৰেছৰ কমিটিৰ সম্পাদক আছিল আৰু স্বাধীনতা সংগ্ৰামলৈ সকলো প্ৰকাৰৰ সহায় কৰিছিল বিশেষকৈ আইনৰ সাহাৰ্য্য দিছিল।

সন্তোষ কুমাৰ বৰুৱা :

১৯৩৭-৪৫ চনৰ স্বাধীনতা আন্দোলনৰ কামত সহায় কৰিছিল।

সুৰেশ চন্দ্ৰ ধৰ :

ধুবুৰী। পিতৃ তাৰিণী চন্দ্ৰ ধৰ। ১৯৩০ চনত শ্ৰীহট্টত ৬ মাহ কাৰাবাস খাটিছিল। তাৰপৰা আহি তেওঁ বিপ্লৱী অনুকুল দলৰ সদস্য হৈছিল। পিছলৈ তেওঁ কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰিছিল।

ডাঃ সুবোধ সেন :

ধুবুৰী। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৩০-৩৫ চনলৈ ধুবুৰী জিলা কংগ্ৰেছ কমিটিৰ সভাপতি আছিল। কংগ্ৰেছৰ বিভিন্ন কামত জড়িত আছিল। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় হিচাপে কাম কৰিছিল।

সুধীৰ চন্দ্ৰ বৰুৱা :

ধুবুৰী। ১৯৩০ চনৰ আন্দোলনত যোগ দিয়ে আৰু ধুবুৰী গৌৰীপুৰ আদি অঞ্চলত সংগঠনৰ কাম কৰে। ধুবুৰীত শোভাযাত্ৰা কৰে। গৌৰীপুৰত ২৬।১।৩০ ৰ ৰাতিপুৱা সভা অনুষ্ঠিত কৰে। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ধুবুৰী জিলা কংগ্ৰেছৰ এজন সক্ৰিয় সদস্য আছিল।

সুৰেন্দ্ৰ নাথ সৰকাৰ :

তেলতাৰী, দক্ষিণ শালমাৰা। গৌৰীপুৰ ষ্টেটত চাকৰি কৰিছিল। কিন্তু ১৯২০ চনৰ পৰা ১৯৩৫ চনলৈ কংগ্ৰেছৰ সকলো কাৰ্যত অংশ গ্ৰহণ কৰি সংসাৰ ত্যাগ কৰি সন্যাসী হৈ কাশীধামত বাস কৰে।

সোণাৰাম ৰয় :

পিতৃ ৰাধানাথ ৰয়। ১৯৩০ চনত কংগ্ৰেছ সেৱাদল সংগঠন কৰিছিল। ১৯৩২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হৈ তিনি মাহ জেল খাটে। বিপ্লৱী দলৰ লগত যোগাযোগ কৰাৰ অপৰাধত চাকৰিৰ পৰা নিলম্বিত হয়। ১৯৮০ চনত মৃত্যু হয়।

সুবোধ চন্দ্ৰ দাসগুপ্ত :

ধুবুৰী। ১৯৩০ চনত গান্ধীজীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদ জনাই

ধুবুৰীত এখন বাজহুৱা সভা পাতিছিল। ৬।৫।৩০ তাৰিখে হৰতাল কৰিছিল। মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰি বিদেশী কাপোৰৰ দোকানত পিকেটিং কৰিছিল। ১৯৩১ চনত মদৰ দোকানৰ আগতো পিকেটিং কৰিছিল। '৪২ ৰ আন্দোলনত অংশ লৈছিল।

হিমাংশু মোহন :

ধুবুৰী। ১৯৩০-৩৫ চনৰ কালছোৱাত বেঙ্গল অৰ্ডিনেন্স আইন মতে ধুবুৰী, কুমিল্লা, বহৰমপুৰৰ কাৰাগাৰত বন্দী হয়।

হীৰাবালা গুহ :

পিতৃ অনন্ত ৰ ন গুহ। ফৰিদপুৰ জেলত ২ বছৰ কাৰাদণ্ড হৈছিল। বিপ্লৱী সংঘৰ সদস্য হ'ব'ৰ কাৰণে পুলিচে আটকবন্দী হিচাপে ৰাখে। তাৰ পিছত তেওঁক দ্বীপান্তৰ কৰা হৈছিল।

হিৰণ্য কান্ত বোস :

ধুবুৰী। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে আৰু ধুবুৰীত গ্ৰেপ্তাৰ কৰা হয়। ২৬।১।৩০ তাৰিখে ধুবুৰীত শোভাযাত্ৰা সংগঠন কৰে। গ্ৰেপ্তাৰ হয়। বিচাৰত ১ বছৰ জেল খাটে। ১৯৩১ চনত জাতীয় সপ্তাহ পালন আৰু ১৯৩২ চনত পিকেটিং কৰাৰ কাৰণে ৩ মাহ জেল দিয়ে। পুনৰ কেবাবাৰো গ্ৰেপ্তাৰ কৰি কেবাবাৰো জেল দিয়ে। ১৯৭৮ চনত তেখেতৰ মৃত্যু হয়।

ইয়াৰ উপৰিও ভাৰতৰ মুক্তি সংগ্ৰামত বিশিষ্ট বৰঙণি যোগোৱা কিছুমান মুক্তি যুঁজাকৰ বিতং তথ্য-পাতিৰ অভাৱত কেৱল নাম উল্লেখ কৰা হ'ল।

অমৰেন্দ্ৰ সেনগুপ্ত : ধুবুৰী। মণ্ডল কংগ্ৰেছৰ সভাপতি আছিল।

সুবোধ চন্দ্ৰ দাসগুপ্ত : ১৯২০ চনৰ কৰ্মী।

নৃপেন্দ্ৰ নাথ গুহ : বিপ্লৱীক আশ্ৰয় দিছিল।

মণি সৰকাৰ : ১৯৪২ চনৰ কৰ্মী।

নলিনী কান্ত বসু : ধুবুৰী কংগ্রেছ সমিতিৰ সম্পাদক, ১৯৩০ চন। আৰু,

বিপিন চন্দ্ৰ সৰকাৰ, ফণী সান্যাল, সুধীৰ দত্ত, সন্তোষ সৰকাৰ, শচীন্দ্ৰ ওৰফে গাচু দত্ত, বিজয় আচাৰ্য, কালিকান্ত ৰায়, দেবেন্দ্ৰনাথ সৰকাৰ, বিদ্যা নাথ, মোঃ দেৰাজুদ্দিন (ভূতপূৰ্ব বিধায়ক), আব্দুল জব্বৰ মোল্লা, মণি শ্ৰেষ্ঠী, সমাধি বিশ্বাস, শান্তি ৰায়, গৌৰ গোবিন্দ দাস, পৰাণ সৰকাৰ, ভবানন্দ সৰকাৰ, সুখময় চক্ৰবৰ্তী, অসীম ভদ্ৰ, সুধীন্দ্ৰ ওৰফে সুখদেৱ, প্ৰফুল্ল চক্ৰবৰ্তী, দামোদৰ শৰ্মা, দলবীৰ সিং দোহাৰ (প্ৰাক্তন বিধায়ক), বৈৰাম সিং (৪২ ৰ অন্তৰীণ), যোগেন্দ্ৰ নাৰায়ণ মণ্ডল (প্ৰাক্তন বিধায়ক), সন্তোষ কুমাৰ বৰুৱা, হৰেন্দ্ৰ ৰায়, ভদ্ৰেশ্বৰ দাস, উষা দাস, নিপু চেটাৰ্জী।

গোলাঘাট (৬৭০ পৃষ্ঠাৰ পিছৰ পৰা)

নবাৰ পণ্ডিত ঃ

বৰকুকন ঘাট। ১৯২১ চনত অসহযোগ আন্দোলনত ভাগ লয় আৰু পদত্যাগ পত্ৰ দাখিল কৰে।

নবেশ্বৰ নেওগ ঃ

ৰাহক গাঁও। ১৯৪২ চনত অনিৰ্দিষ্ট কাললৈ আটক বন্দী। মুক্তিৰ পিছতে তেওঁৰ মৃত্যু হয়।

পদুম আগৰৱালা ঃ

সৰুপথাৰ, ১৯৪২ চনৰ আন্দোলনত সৰু পথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি জেললৈ পঠায়। আটক বন্দী হিচাবে যোৰহাট জেলত ৬ মাহ ৰাখি মুক্তি দিয়ে। ১৪।১০।৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে। ১৬।৪।৪৩ চনত যোৰ-হাট জেলৰ পৰা মুক্তি দিয়ে।

পেটুৰা ঘাটৈ শইকীয়া ঃ

দেওপানী গাঁও, সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি যোৰহাট জেললৈ পঠায়। যোৰহাট জেলত ১ বছৰ ৪ মাহ আটক বন্দী হিচাবে ৰাখে আৰু পাছত মুক্তি দিয়ে। ১৮।১০।৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে। ১৯।২।৪৪ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। জন্ম ১৯০২ চন। মৃত্যু ১৯৫৫ চন।

পোকৌ শইকীয়া ঃ

২ নং গজকৰৈ গাঁও, সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত শ্বহীদ কুশল কোঁৱৰৰ লগত একেলগে পুলিচে আটক কৰি জেলত ৰাখে। ১৯৪২ চনৰ অক্টোবৰ মাহৰ দ্বিতীয় পষেকত গ্ৰেপ্তাৰ কৰে। ১৯৪৩ চনৰ এপ্ৰিল মাহত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। জন্ম ১৯০৫ চন। মৃত্যু ১৯৪৫ চন।

পিজান আলীয়ান শইকীয়া ঃ কাকজান

পাজিৰুদ্দিন আহমেদ ঃ

গ্ৰেপ্তাৰ ২০৷১৷২২ ত ।

পদ্মেশ্বৰী দেৱী ঃ কাঠগাঁও ।

পূৰ্ণানন্দ গগৈ ঃ

পাথীমৰিয়া গাঁও. পোঃ চৌখাত । ১৯২১ আৰু ১৯৩০ চনৰ কৰ্মী ।

পীতাম্বৰ দেৱ গোস্বামী ঃ

১৯২০ চনত আন্দোলনত যোগ দিয়াত তেওঁৰ সম্পত্তি বাজেয়াপ্ত কৰা হয় আৰু ২ বছৰ ৬ মাহ জেল ।

পুলিন কটকী ঃ

১৯২১ চনৰ পৰা ১৯৪২ চনলৈ আন্দোলনত যোগদান ।

পূৰ্ণধৰ লাহন ঃ

বালিমৰা, ১৯২১ চনৰ কৰ্মী ।

পূৰ্ণকান্ত সন্দিকৈ ঃ

বিৰিনানায়ক গাঁও, ১৯২১, ৩০ আৰু ৩২ চনৰ আন্দোলনত যোগ দিয়ে ।

পদ্মনাথ শৰ্মা ঃ

চিলেট জেলৰ পৰা ২৩৷১১৷২২ ত মুক্তি লাভ কৰে ।

পুণ্যধৰ গোস্বামী ঃ

বঙাল গাঁও, ১৯৪২ ৰ গণ আন্দোলনত যোগ দি পলাতক হিচাপে কাম কৰে ।

পোৱাল চন্দ্ৰ শইকীয়া ঃ

মনাই কুমাৰ গাঁও, ১৯৩২ চনত কংগ্ৰেছত যোগ দি পলাতক হিচাপে কাম কৰিছিল ।

পুণ্যপ্ৰভা শইকীয়া ঃ

চিনাতলী। ১৯২১ৰ পৰা ১৯৪২ চনলৈ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

প্ৰেমলতা দেৱী শৰ্মা ঃ

১৯৪২ ৰ আন্দোলনত পলাতক হিচাবে কাম কৰে।

পাছুৰা চুতীয়া ঃ

ৰৰচুৰাগাঁও। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে আৰু এই চনতে ফাটেক হয়।

পুৰাৰাম মেধি ঃ

জামুগুৰি। পিতৃ-ভুবি মেধি। ১৯৪২ চনত কংগ্ৰেছত লিপ্ত আছিল।

পদ্ম খনিয়াৰ ঃ

ওৰচিং। পিতৃ-বৰশী খনিয়াৰ। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় কৰ্মী হিচাপে কাম কৰিছিল।

প্ৰেম কোঁৱৰ ঃ

পিতৃ-হীৰেণ কোঁৱৰ। ১৯৪২ ৰ আন্দোলনত গোপন ভাবে কাম কৰে।

প্ৰেমধৰ ফুকন ঃ

পিতৃ হিৰামহী। ১৯৩৮ চনৰ পৰা ১৯৪২ চনলৈ কংগ্ৰেছত সক্ৰিয় কৰ্মী হিচাপে আছিল।

পুজান বৰুৱা ঃ

জামুগুৰি গাঁও। ১৯৪২ চনত কংগ্ৰেছত যোগদান কৰি আঢ়ৈ বছৰ আত্মগোপন কৰে।

পূৰ্ণকান্ত তামুলী ঃ

তামুলী পথাৰ, মনৰা গাঁও। ১৯২১ চনৰ অসহযোগ আন্দোলনত ভাগ লয়।

পুৰ্ণদেৱ ঠাকুৰ ঃ

দেৰগাঁও । ১৯২১ চনত অসহযোগ আন্দোলনত ভাগ লয়

পানীৰাম গগৈ ঃ

টীমলি পথাৰ । ১৯২১ চনত সত্যাগ্ৰহত ভাগ লয় । আৰু বহুবাৰ গ্ৰেপ্তাৰ হয় ।

পুনিৰাম শইকীয়া ঃ

পহুকটীয়া গাঁও, কুমাৰ বন্ধা । ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত যোগদান কৰে ।

পুনিৰাম শইকীয়া ঃ

বুঢ়াগোহাই খাট । ১৯৪২ চনৰ আন্দোলনৰ নেতা আছিল ।

পোৱাল শইকীয়া ঃ

মনাই কুমাৰগাঁও । ১৯৩২ চনত কংগ্ৰেছত যোগদান কৰি আত্মগোপন হিচাপে কাম কৰি যায় ।

পুষ্পলতা বৰা ঃ

দৈয়ঙীয়া গাঁও । ১৯৪২ চনৰ গণ বিপ্লৱৰ এগৰাকী মহিলা কৰ্মী ।

পুলিন বৰঠাকুৰ ঃ

দেৰগাঁও । ১৯৪২ চনত কাৰাগাৰ বৰণ কৰে ।

পেলন মুক্তিয়াৰ ঃ

দৈয়ঙীয়া গাঁও । ১৯৪২ চনত অনিৰ্দ্দিষ্ট কালৰ বাবে কাৰাদণ্ড হয় ।

পুণ্যধৰ গোস্বামী ঃ

মাহেন্তিয়া গাঁও । ১৯৪২ চনত গণ আন্দোলনত যোগ দি পলাতক ভাবে কাম কৰি যায় ।

পূৰ্ণকান্ত বৰা ঃ

নগঞা গাওঁ, কাকডোঙা। পিতৃ-দোনাই বৰা। ৰাজেন বৰুৱা ঠগীৰাম বৰাৰ নেতৃত্বত ১৯৩৬ চনত শান্তি সেনাত যোগ দি প্ৰশিক্ষণ লয়। ১৯৪২ চনত কাকডোঙা মৌজাৰ প্ৰাথমিক সদস্য হয়। শঙ্কৰ বৰুৱা, ৰাম বৰুৱা, সুৰেণ ফুকন আদি লোকক পলাতক অৱস্থাত সহায় কৰে। ভদিয়া কলিতা, ৰত্নেশ্বৰ কলিতাৰ লগত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

পদ্ম খনিয়াৰ ঃ

ওৰাচিং। পিতৃ-বৰশী। ১৯৪২ চনত কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আছিল। পাছত আত্মগোপন ভাবে কাম কৰিছিল।

পদ্মেশ্বৰ দাস ঃ

পিতৃ-আহিনা। ১৯৪২ চনত কংগ্ৰেছৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰি আঢ়ৈ বছৰ আত্মগোপন ভাবে কাম কৰি যায়।

প্ৰেমধৰ ফুকন ঃ

সত্যাগ্ৰহীবাৰ। পিতৃ-হিৰামহী। ১৯৩৮ ৰ পৰা ১৯৪২ লৈ কংগ্ৰেছৰ কাম কৰিছিল।

পুলিন বৰঠাকুৰ ঃ

দেৰগাও, টাউন। ১০।৯।৪২ ত তেওঁ গ্ৰেপ্তাৰ হয়।

পূৰ্ণদেৱ শৰ্মা ঃ

ৰাজবাহাৰ, দেৰগাঁও। ১১।১২।২১ চনত গ্ৰেপ্তাৰ হয়। ৬ মাহ জেল খাটি ২৭।১২।২১ত যোৰহাট জেললৈ স্থানান্তৰিত হয় ১৮।১২।২১ ত।

পানীৰাম গগৈ ঃ

নলনি গাঁও, সৰুপথাৰ। এখেত পূৰ্ব্বে যোৰহাটৰ বাসিন্দা আছিল। ১৯৪২ চনৰ আন্দোলনত পুলিচে গ্ৰেপ্তাৰ কৰে। পাছত মুক্তি পায়।

ফণীধৰ ফুকন ঃ

বিলপথাৰ, নাওজান। পিতৃ ধনেশ্বৰ-ফুকন ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হৈছিল আৰু বিচাৰত তিনিমাহৰ ওপৰ জেল হৈছিল। যোৰহাট জেলৰ পৰা পাছত মুক্তি পায়। বৰ্ত্তমানে পেঞ্চন পোৱা নাই। শিক্ষা প্ৰাইমেৰী পাছ। বয়স ৬৮ বছৰ। জন্ম ১৯২০ চন।

বঙ্গাই হাজৰিকা দত্ত ঃ

ৰাজবাহাৰ, দেৰগাওঁ। ১১।১২।২১ চনত ৬ মাহ কাল জেল হয়।

ব্ৰজনাথ মহন্ত ঃ

ৰাপকলিয়া গাঁও। ১৯২১ চনত অসহযোগ আন্দোলনত ভাগ লয়। পুলিচৰ হাতত ধৰা পৰি ২ মাহ জেল আৰু ২০ টকা জৰিমনা ভৰে।

বঙ্গাই হাজৰিকা ঃ

মাহেণ্ডিয়া গাঁও। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দি পলাতক হিচাপে কাম কৰে।

বাপুৰাম শইকীয়া ঃ

ইকৰাণী গাঁও। ১৯৪২ চনৰ আন্দোলনৰ আগ ভাগ লয় আৰু পলাতক হিচাবে কাম কৰি যায়।

বংশীধৰ বৰা ঃ

মাহেণ্ডিয়া গাঁও। ১৯৪২ ৰ মুক্তি যুঁজাৰু।

বাণীৰাম ফুকন ঃ

বাহৰুৰা গাঁও ১৯৪২ ৰ গণ আন্দোলনত পলাতক হিচাবে কাম কৰে।

বিশ্বৰাম দাস ঃ

কঁুৱাৰ গাঁও, ১৯২১ চনত হিৰেশ্বৰ দাসৰ লগত একে

লগে কংগ্ৰেছৰ কাম কৰে। হিমেশ্বৰ দাস জেললৈ যোৱাত তেওঁৰ কাম বিলাক চলাই নিয়ে।

বিপিন চন্দ্ৰ ফুকন ঃ

মাহীমেজা গাঁও। পিতৃ-কাকেশ্বৰ। ১৯৪২ চনত আত্ম গোপন কৰি কাম কৰিছিল।

বাপুৰাম বৰা ঃ

মিছামৰা, দাধৰা। ১৯৪২ চনৰ আন্দোলনৰ সময়ত ৯ ছেপ্তেম্বৰৰ দিনা পুলিচৰ হাতত ধৰা পৰি বন্দী হয়।

বদন চন্দ্ৰ গোস্বামী ঃ

বৰপুখুৰীপাৰ গাঁও। ১৯৩২ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ ৰ গণ আন্দোলনত ৬ মাহ জেল হয়।

বাবুলাল কৰ্মকাৰ ঃ

বামুন গাঁও। ১৯৪২ ৰ আন্দোলত গ্ৰেপ্তাৰ হৈ মুক্তি পায়। ১৯৪৩ চনলৈ পলাতক হিচাবে পাৰ্টিৰ কাম কৰে।

বগাই হাজৰিকা ঃ

মাহেজিয়া গাঁও। ১৯৪২ চনত কংগ্ৰেছত যোগ দি পলাতক হিচাবে কাম কৰে।

বগাই দত্ত হাজৰিকা ঃ

মৰজি, গোলাঘাট। ১৭।১২।২২ দেৰগাঁৱত গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ জেল হয়।

বাপুটি কলিতা ঃ

মাদাৰ গাঁও, গোলাঘাট। ৮।১।২২ ত গ্ৰেপ্তাৰ হৈ ৬ মাহ জেল হয়।

বদন গোস্বামী ঃ

মিছামৰা, ১৯৪২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

বুদ্ধেশ্বৰ বৰুৱা ঃ

চাওদাং গাঁও। স্বামী-ধানুৰাম বৰুৱা। ১৯৪২ চনৰ সহযোগী কৰ্মী আছিল।

বিশ্বৰাম দাস ঃ

কুঁৱাৰ গাঁও। ১৯২১ চনত হিৰেশ্বৰ দাসৰ লগত কাম কৰে। তেওঁ জেললৈ যোৱাৰ পিছত বিশ্বৰাম দাসে কাম চলায়।

বগাই ৰাম দাস ঃ

শেনচোৱা গাঁও, গোলাঘাট। ১৯৪২ চনত গ্ৰেপ্তাৰ হয় আৰু ৩ মাহ জেল খাটে।

বাপুটি কলিতা ঃ

মাৰগাঁও, গোলাঘাট। ৮।১।২২ চনত ৩ মাহ কাল জেল হয়।

বৈকুণ্ঠনাথ সিং ঃ

দেড়গাঁও। হিন্দী প্ৰচাৰক। শান্তি সেনা প্ৰতিষ্ঠা কৰে গোলাঘাটৰ দি, চি, চি ৮।৯।৪২ চনৰ বোকাখাটৰ মিটিঙত।

বেণুধৰ ঠাকুৰ শৰ্মা ঃ

ভকত গাঁও, দেড়গাঁও। ৫।১'২২ ত গ্ৰেপ্তাৰ বৰণ আৰু ৬।১।২২ ত মুক্তি।

বাপুৰা বৰদলৈ ঃ

খাটোৱাল, কাকডোঙা। পিতৃ গোপীৰাম বৰদলৈ। ১৯৪২ চনত কংগ্ৰেছত যোগ দি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। শঙ্কৰ বৰুৱা, ৰাজেন বৰুৱাৰ পৰামৰ্শ মতে কাম কৰে।

বাপুৰাম শইকীয়া ঃ

বেজগাঁও, কাকডোঙা। পিতৃ মিঠাই শইকীয়া ১৯৪২ চনত কংগ্ৰেছত যোগ দি মৃত্যু বাহিনীত নাম ভৰ্ত্তি কৰে। শঙ্কৰ বৰুৱা, ৰাম বৰুৱাক পলাতক অৱস্থাত সহায় কৰে।

বোপাকণ শইকীয়া ঃ

বেজগাঁও, কাকডোঙা। পিতৃ ফেতেলা শইকীয়া ১৯৪২ চনৰ গণ বিপ্লৱত যোগ দি শান্তি সেনা দলক কামত সহায় কৰে। শঙ্কৰ বৰুৱাক পলাতক অৱস্থাত সহায় কৰে।

বাপাই কলিতা ঃ

কুমাৰ গাঁও, কাকডোঙা। ১৯৩৬ চনত ঠগীৰাম বৰুৱাৰ লগত শান্তি সেনাৰ প্ৰশিক্ষণ লয়। ১৯৪২ চনত মৃত্যু বাহিনীত যোগ দি গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি পলাতক হিচাবে থাকে।

বাপুৰাম বৰা ঃ

ধৰমপুৰ গাঁও, মিছামাৰা। ১৯৪০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনত জেল হয়। ১৯৪৫ চনত শঙ্কৰ বৰুৱাক লৈ পলাই যাওঁতে পুলিচৰ হাতত ধৰা পৰি হাজোতত থাকে।

বগাই দত্ত ঃ

কমাৰ গাঁও, মিছামৰা। ১৯৩২ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনত পলাতক হিচাবে কাম কৰে।

বিপিন গগৈ ঃ

মৰাণ গাঁও বৰপথাৰ। গোলাঘাটৰ শেনছোৱা গাঁৱৰ বাসিন্দা আছিল। এখেত এজন সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ আন্দোলনত পুলিচে গ্ৰেপ্তাৰ কৰি জেললৈ পঠায়। ৬ মাহৰ ওপৰকাল জেলত থাকি পাছত মুক্তি পায়।

বেজা বৈষ্ণৱ ঃ

গোলাঘাট মহকুমাৰ মহৰা মৌজাৰ পাৰঘাটৰ বাউৰী গাঁৱৰ বাসিন্দা। ১৯৩২ চনত মদ, কানি বৰ্জন আন্দোলনত স্বামী স্ত্ৰী দুয়োকে গ্ৰেপ্তাৰ কৰিছিল। বিচাৰত ৫ মাহ কাৰাদণ্ড বিহে। গোলাঘাট জেলৰ পৰা যোৰহাট জেললৈ বদলি কৰি নিয়ে। টাইফয়ড জ্বৰত বেজা বৈষ্ণৱৰ কাৰাগাৰতে চিকিৎসাৰ অভাৱত মৃত্যুবৰণ কৰে।

বিৰধন চুতীয়া ঃ

১নং গন্ধকৰৈ গাঁও, সৰুপথাৰ, গোলাঘাট। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে ধৰি নি আটক বন্দী কৰি ৰাখে আৰু বিচাৰত ৫ মাহ জেল দিয়ে। ১২।১২।৪২ চনত গ্ৰেপ্তাৰ কৰে আৰু ১৩।৫।৪৩ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। প্ৰাইমেৰী স্কুলত পঢ়িছিল।

বাসুদেৱ গোস্বামী ঃ

কাছাৰী পাম গাঁও, গ্ৰেপ্তাৰ হয় ২১।১।২২ ত।

বাবুলা নাথ মালৌ আলি ফুকন ঃ

কলেজ এৰি ১৯২১ চনত আন্দোলনত যোগ দিয়ে আৰু ষ্ট্ৰাংক ৰোডত শোভাযাত্ৰা কৰোতে গ্ৰেপ্তাৰ হয় ২০।১২।২১ ত।

বধবৰ পামেগাম

২নং বৰগয়া গাঁও, মাজুলী।

বজৌ চুতীয়া ঃ

টেকেলা গাঁও, পোঃ দহোতীয়া। ১৯২১ চনত ফাটেক খাটে।

বিদ্যাধৰ শৰ্মা ঃ

তৰাজান, ১৯২১ চনৰ আন্দোলনত ৬ মাহ ফাটেক খাটে।

বাবুলা নাথ শৰ্মা ঃ

গ্ৰেপ্তাৰ হয় ২০।১২।২১ চনত আৰু জেল হয় ২৩।১২।২১ চনত।

ভোগীন্দ্ৰ নাথ ডোলাকছাৰী ঃ

হোলোংপাৰ, ১৪।৯।৪৩ ত ৩ মাহ জেল খাটে।

ভদ্ৰেশ্বৰ গগৈ ঃ

ধুমটাই গাঁও। ১৯৩০ চনত শিক্ষা ইতি কৰি ১৯৩৫ চনলৈ সংগঠনৰ কামত যোগ দিয়ে।

ভুৱনেশ্বৰ গোস্বামী :

উওৰি সত্ৰ, গোলাঘাট। ২৫।১।২২ চনত জেলত পৰে। ২০ টকা জৰিমনা ভৰে।

ভলভলীয়া সোনোৱাল :

সূতাকটা গাঁও, ১৯২১ চনৰ পৰা অসহযোগ আন্দোলনৰ ভাগ লয়।

ভাবিৰাম বাজখোৱা :

হাবিয়াল গাঁও, ১৯২১ চনৰ পৰা সহকৰ্মী হিচাবে আন্দোলনত ভাগ লয়।

ভৰত তাঁতী :

বেতিয়নী, গোলাঘাট। ২৪।২।৩২ চনত ৬ মাহ জেল খাটে।

ভোগধৰ ভূঞা :

১৯৪০ চনত কংগ্ৰেছত যোগ দিয়ে ১৯৪২ চনৰ পৰা আঢৈ বছৰ আত্মগোপন কৰি কাম কৰে।

ভুৱন চন্দ্ৰ বৰা :

বেজগাঁও। পিতৃ-ভোলো বৰা। ১৯৪২ চনত কংগ্ৰেছত যোগ। মৃত্যু বাহিনীত সাহসেৰে কাম কৰিছিল।

ভোটাই বৰা :

১৯৩২ চনত আন্দোলনত যোগ দান কৰে।

ভুৱনেশ্বৰ দত্ত :

১৯৪২ ৰ আন্দোলনত আত্মগোপন ভাবে সক্ৰিয় অংশ গ্ৰহণ কৰি কাম কৰিছিল।

ভদ্ৰেশ্বৰ শইকীয়া :

চাকিয়াল, ১৯৩৮ চনত কংগ্ৰেছত যোগ দি ১৯৪৪ লৈ সক্ৰিয় অংশ গ্ৰহণ কৰি কাম কৰি যায়।

ভৱকান্ত দাস ঃ

পিতৃ-কুশল দাস। ১৯৪২ চনৰ গণ আন্দোলনত যোগ দি ১৯৪৩ লৈ কাম কৰি যায়।

ভদিয়া কলিতা ঃ

নগঞা গাঁও, কাকডোঙা। পিতৃ দেশাই ১৯৩৫ চনত কংগ্ৰেছত যোগ দি আন্দোলনৰ কাম কৰিছিল আৰু ১৯৪২ চনত পলাই ফুৰাৰ বাবে নিজৰ সা-সম্পত্তি নিলামত যায়।

ভবা হাজৰিকা ঃ

মাগৰ গাঁও, ১৯৪২ চনত কংগ্ৰেছত যোগ দি মৃত্যু বাহিনীত সাহসেৰে যোগ দিছিল।

মিনাই চুতীয়া ঃ

১ নং পদুমনি গাঁও, সৰুপথাৰ। পিতৃ দধি চুতীয়া ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰ ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি যোৰহাট জেললৈ পঠায়। যোৰহাট জেলত আটক বন্দী হিচাবে ১বছৰ ৬ মাহ বন্দী কৰি ৰাখি মুক্তি দিয়ে। ২০।১০৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে। ২১।৩।৪৪ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

মদন ফুকন ঃ

২নং গন্ধকৰৈ গাঁও, সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত সৰুপাথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে ধৰি নি ২ বছৰ যোৰহাট জেলত আটক বন্দী হিচাপে ৰাখে। ২৫।১১।৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে। ২৬।১১।৪৪ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

মনা বৰা ঃ

বামুন গাঁও, ১৯৪০ চনত গ্ৰেপ্তাৰ হয়। ১৯৪২ চনত পৰাতক হিচাপে কাম কৰে।

মুক্তি পেৰাজুদ্দিন ঃ

কছাৰীহাট, ১৯২২ চনত ৩ মাহ কাৰাবাস খাটে আৰু

২৬।১২।৩০ ত গুৱাহাটী জেললৈ স্থানান্তৰিত হয়।

মোহন চুতীয়া ঃ

গন্ধকৰৈ গাঁও। ৪।১১।৪২ চনত গ্ৰেপ্তাৰ হয়।

মহম্মদ চুকুৰ ঃ

ভাটিহাট, দেৰগাও। ৫।১।২২ ত গ্ৰেপ্তাৰ হয় আৰু ৬।১।২২ ত মুক্তি পায়।

মাইলা বৰা ঃ

মিকামবা, ১৯৪২ চনত কাৰাগাৰ বৰণ কৰা মুক্তিযুঁজাৰু।

মিঠাৰাম বৰা ঃ

বাৰিঘোৰা, ১৯৪২ চনত কংগ্ৰেছত যোগ দি সক্ৰিয় অংশ গ্ৰহণ কৰি আত্মগোপন ভাবে কাম কৰিছিল।

মণিৰাম বৰুৱা ঃ

জামুগুৰি। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি আত্মগোপন ভাবে কাম কৰিছিল।

মনবাহাদুৰ চেত্ৰী ঃ

গাড়ি গাঁও। ১৯৪২ চনৰ সহযোগী কৰ্মী আছিল।

মাণিক চন্দ্ৰ চক্ৰ ঃ

খনিকৰ গাঁও, ১৯৪২ ৰ গণ আন্দোলনত যোগ দি পলাতক হিচাবে কাম কৰিছিল।

মেঠন কোঁৱৰ ঃ

২ নং গন্ধকৰৈ গাঁও, সৰুপথাৰ। পিতৃ ধৰুপাই কোঁৱৰ ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে গ্ৰেপ্তাৰকৰে। ১ মাহ যোৰহাট জেলত ৰাখি মুক্তি দিয়ে। ১৯৪২ চনৰ ১১ নবেম্বৰত পুলিচে গ্ৰেপ্তাৰ কৰে। ১৯৪২ চনৰ ২৩ ডিচেম্বৰত

যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। জন্ম—১৯১৭ চন। শিক্ষা-পাইছেৰী স্কুল পাছ আৰু অসমৰ এজন খ্যাতনামা চুলীয়া ওস্তা আছিল।

মাখন লাহন ঃ

২ নং গজ্জকবৈ গাঁও। পিতৃ-খোপালগা লাহন। ১৯৪২ চনৰ আন্দোলনত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি আটক বন্দী হিচাবে যোৰহাট জেলত এবছৰ ৰাখি মুক্তি দিয়ে। ২০।১১।৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে। ২২।১০।৪৩ চনত যোৰ-হাট জেলৰ পৰা মুক্তি দিয়ে।

মোহন দাস পাণিকা ঃ

টেঙাহোলা গাঁও, সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় ভাবে সহযোগ কৰে। সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি যোৰহাট জেললৈ পঠায়। ১৭।১০।৪২ চনত পুলিচে আটক কৰি যোৰহাট জেললৈ পঠায়। ১৯।১০।৪৩ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

মিনাৰাম বৰা ঃ

বৈয়াঙ্গীয়া গাঁও। ১৯৩২ চনত পলাতক হিচাপে কাম কৰিছিল।

মালি মেধি ঃ

বাহকৰা গাঁও। ১৯৪২ চনত ১ মাহ কাৰাদণ্ড ভোগে।

মথনা হাজৰিকা ঃ

হাবি গাঁও। ১৯৪০ চনত কংগ্ৰেছত যোগ দি শঙ্কৰ বৰুৱা, ৰাম বৰুৱা আদিৰ লগত কাম কৰিছিল।

মণিৰাম বৰুৱা ঃ

দা-ধৰা। ১৯৪২ চনত কংগ্ৰেছত যোগ দি পলাতক হিচাবে কাম কৰিছিল।

মঙলা বৰা ঃ

দৈয়াঙীয়া। ১৯৩২ চনত ৬ মাহ জেল হয়। ১৯৪২ ৰ গণ আন্দোলনত কাৰাদণ্ড ভোগ কৰে।

মৰনাথ নেওগ ঃ

বাহকৰা গাঁও। ১৯৩২ চনত কংগ্ৰেছত যোগদান আৰু ১৯৪২ চনত পলাতক হিচাপে কাম কৰে।

মহেশ্বৰ বৰা ঃ

মিছামৰা। ১৯৩২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু আছিল।

মালিৰাম সেনাপতি ঃ

বেজগাঁও। পিতৃ - লীলাকান্ত সেনাপতি। ১৯২১ চনৰ কংগ্ৰেছী আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

মুখেশ্বৰ শইকীয়া ঃ

বেজগাঁও। পিতৃ - কমল শইকীয়া। ১৯৪২ চনৰ বিপ্লৱী নেতা। মৃত্যু বাহিনীত সক্ৰিয় অংশ গ্ৰহণ কৰি গোপনে দলৰ কাম চলাই যায়।

মন বৰা ঃ

বামুণ গাঁও। ১৯৪২ চনত সক্ৰিয় অংশ গ্ৰহণ কৰা এগৰাকী নেতা আছিল।

মাধৱী সোনোৱাল ঃ

বুঢ়াগোহাঁই খাট। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ সহকৰ্মী হিচাপে আন্দোলনত ভাগ লয় আৰু ক'ৰ্টত পিকেটিং কৰে। ১৯৩২ চনত কানিংহাম চাৰ্কুলাৰত যোগদান কৰাৰ পিছত ৬ মাহ কাৰাবাস খাটে।

মচাই কোঁৱৰ ঃ

১৯২১ চনৰ পৰা ১৯৪২ চনলৈ আন্দোলনত সহকৰ্মী আছিল।

মহেশ্বৰ শইকীয়া ঃ

দেৰগাঁৱীয়া। ১৯৩২ চনত আন্দোলনত ভাগ লয় আৰু পুলিচৰ হাতত গ্ৰেপ্তাৰ হয়।

মহেশ্বৰ বৰুৱা ঃ

১৮৯৬ চনৰ ১৩ জুনৰ দিনা গোলাঘাটত মহেশ্বৰ বৰুৱাই জন্ম লাভ কৰিছিল। ১৯১৪ চনত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯১৮ চনত গুৱাহাটী কটন কলেজৰ পৰা বি এ পাছ কৰে। তিনি বছৰ পিছতেই ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়া আইন মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ ভিতৰত মহেশ্বৰ বৰুৱা আৰু তেখেতৰ সহপাঠী আছিল। ১৯২১ চনৰ নবেম্বৰ মাহত গোলাঘাট জিলা কংগ্ৰেছ কমিটি স্থাপন কৰি মহেশ্বৰ বৰুৱাই হৈছিল এই কমিটিৰ প্ৰথম সম্পাদক। ১৯২২ চনৰ জানুৱাৰী মাহৰ ২৯ তাৰিখে আইন অমান্য আন্দোলনৰ বাবে মহেশ্বৰ বৰুৱা গোলাঘাট জেলত সোমাল। পিছত গুৱাহাটীলৈ চালান দিয়ে। এবছৰ জেলত থাকি মুক্তি হোৱাৰ পিছত ১৯২৩ চনত তেওঁ খাদী কাপোৰৰ দোকান দিবলৈ লয়। ইয়াৰ মাজতেই ১৯২২ চনত আইনৰ উত্তীৰ্ণ পৰীক্ষাত বহি সাফল্য লাভ কৰে আৰু সেই বছৰতে গোলাঘাটত ওকালতি জীৱনৰ পাতনি মেলে। বিখ্যাত ৰাণী গাইডলু গোচৰত গোচৰীয়া পক্ষ সমৰ্থন কৰি একমাত্ৰ উকীল হিচাবে মহেশ্বৰ বৰুৱাই অংশ লৈছিল। শ্বহীদ কুশল কোঁৱৰৰ পাছত তেওঁ আছিল কোঁৱৰ পক্ষৰ অন্যতম আইনজ্ঞ।

এই দেশপ্ৰাণ ব্যক্তি গৰাকীৰ ১৯৪৪ চনৰ ১৬ এপ্ৰিলত মৃত্যু হয়।

মলিয়া বৰুৱা ঃ

ঢেকিয়াখোৱা গাঁও, ১৯২১ চনত কংগ্ৰেছৰ ভলণ্টিয়াৰ।

মাইকন ভট্টাচাৰ্য্য ঃ

ঢেকিয়াখোৱা, ১৯২১ চনৰ কৰ্মী।

মাকৰি ভূঞা ঃ

তিনিকুৰীয়া, ১৯২১ চনৰ কৰ্মী।

মোহিনী দেৱী ঃ কাঠগাঁও।

মুকেশ্বৰ গোস্বামী ঃ

কাঠগাঁও, কাকজান। ১৯২১ চনৰ কৰ্মী।

মণেশ্বৰ গগৈ ঃ

চভাশন তিনিআলি, পোঃ নকচাৰি। ১৯২১ চনৰ কৰ্মী।

মুহিকান্ত গোস্বামী ঃ

১৯২১ চনৰ কৰ্মী।

মুকুল গায়ন ঃ

ৰৰগয়া, ২ নং মাজুলী।

মুছলমান হাকিম ঃ

শ্ৰমিকক বাধা দিয়াত ৩ মাহ কাৰাবাস।

মনোৰাম কোঁৱৰ ঃ

কংগ্ৰেছ কৰ্মী ১৯২১।

মনোৰাম কুথাৰ ঃ

যোৰহাট। ২৩।৭।২২ত ৩ মাহ জেল হয় আৰু সাপ্তাহিক জনমভূমি বিক্ৰীকৰাৰ বাবদ।

মালভোগ পাঠক ঃ

নাওল গাঁও। ১৯২১-৩০ আৰু ৩২ ৰ আন্দোলনত যোগ।

মালভোগ শৰ্মা ঃ

১৯২১ চনৰ আন্দোলনত ক্ৰাটেক খাটে।

মুহিধৰ শৰ্মা ঃ

পাখিমৰা গাঁও। ১৯২১-৩০ চনলৈ আন্দোলনত যোগ।

যোগেশ্বৰ চেতীয়া ঃ

পতিয়া পথাৰ গাঁও। ১৯২১ চনত তেওঁ কংগ্ৰেছৰ সহ-কৰ্মী আছিল।

যোগেন দত্ত ঃ

খনিকৰ-গাঁও। ১৯৪০ চনৰ সত্যাগ্ৰহত গ্ৰেপ্তাৰ হয়।

যোগৰাম শইকীয়া ঃ

বকতিয়াল গাঁও। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে।

যোগ শইকীয়া ঃ

গোহাঁই গাঁও, ১৯২১ চনত কংগ্ৰেছত যোগদান কৰাৰ পিছত গ্ৰেপ্তাৰ বৰণ কৰি মুক্তি পায়।

যোগেন দত্ত ঃ

খনিকৰ গাঁও। পিতৃ - ভাবুৰাম দত্ত।

যোগেন্দ্ৰ দড় ঃ

দেৰগাঁও, লঠাগাঁও। ১১।৯।৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

যোগেশ্বৰ দত্ত ঃ

দেৰগাঁও, লঠাগাঁও। ১১।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়।

যোগেশ দত্ত ঃ

বামুণ গাঁও। ১৯৪২ ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

ৰেহমুৰ আলী ঃ

ৰতন ধৰ বৰুৱা ঃ

গ্ৰেপ্তাৰ হয় ২০।১২।২১ চনত। ৬ মাহ জেল ২৩।১২।২১ ত।

—৪৮

ৰামেশ্বৰ বৰা ঃ

দেৱানন্ডবলু গাঁও, পোঃ অঃ পিৰাকটা। গ্ৰেপ্তাৰ হয় ১৯২২ চনত।

ৰমেশ চন্দ্ৰ বৰুৱা ঃ

হোলোংগা, পিৰাকটা। ৩ মাহ জেল হয়, মুক্তি হয় ৪।৮।২২ চনত।

ৰামেশ্বৰ ভট্টাচাৰ্য্য ঃ

টিয়ক, চুবামনি। কটন কলেজ বৰ্জন কৰি ১৯২১ চনত আন্দোলনত যোগ দিয়ে। ২৪।৮।৩২ চনত ২ মাহ জেল, ২৩।৮।৩২ চনত মুক্তি। ১৩।১২।৪২ চনত ৫ মাহ জেল।

ৰামেশ্বৰ চুতীয়া ঃ

লেজাঅজাংগা, বচাগাওঁ। ১৯২১ চনত আন্দোলনত যোগ আৰু পাঁচ মাহ কাৰাবাস।

ৰোহিনী হাতীবৰা ঃ

কাৰতিহাতী বৰুৱা টোল, ১৯২১ চনত কংগ্ৰেছত যোগ আৰু ১৯২৩ চনত এম, এল, এ আছিল। ১৯২২ চনত অসম কংগ্ৰেছৰ সম্পাদক আছিল।

ৰত্নেশ্বৰ কটকী ঃ

বামুণগাঁও, ১৯২১ চনৰ পৰা ১৯৩০ চনলৈ আন্দোলনত যোগ।

ৰূপীয়া শইকীয়া ঃ

বামুণ কুকুৰাচোৱা। ১৯২১ চনৰ কৰ্মী।

ৰূপ ৰাম শৰ্মা ঃ

১৯২১ চনৰ আন্দোলনৰ কৰ্মী।

ৰত্নেশ্বৰ শৰ্মা ঃ

মলিয়াগাঁও, তিতাবৰ। ১৯২১ চনৰ আন্দোলনত ৯ মাহ জেল আৰু মুক্তি ১৪।১১।২২ চনত।

ৰজনীকান্ত শৰ্মা ঃ

যোৰহাট কৰ্টৰ সন্মুখত ট্ৰাংক ৰোডত শোভাযাত্ৰা কৰোতে গ্ৰেপ্তাৰ কৰে ২০।১২।২১ চনত, ৬ মাহ জেল হয় ২৩।১২।২১ চনত।

ৰূপেশ্বৰ পাঠক ঃ

ৰৰহোলা। ১৯২১ চনৰ পৰা ১৯৪২ চনৰ আন্দোলনত যোগদান।

ৰামেশ্বৰ শৰ্মা ঃ

তৰাজান, কংগ্ৰেছৰ সহকৰ্মী।

ৰহিলা দুৱৰা ঃ

পক্কিয়াল গাওঁ, মৰাঙ্গী। ১৯৩৭ কংগ্ৰেছত যোগদান কৰে মহিলা কৰ্মী হিচাপে।

ৰতি গগৈ ঃ

বুৰালিকচন গাওঁ। ১৯২১ চনৰ আন্দোলনত ভাগ লয়।

ৰবা গোহাঁই ঃ

পুলিবৰ বিদ্যাপীঠ। ১৯২১ চনৰ আন্দোলনত যোগদান কৰে বিদ্যালয় ত্যাগ কৰি।

ৰাজেন চন্দ্ৰ হাজৰিকা ঃ

মহৰামুখ। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ আন্দোলনত ভাগ লয়।

ৰাম দাস ৰবি দাস ঃ

গোলাঘাট। ১৯২১ চনৰ পৰা ১৯৪২ চনলৈ আন্দোলনত ভাগ লয়।

ৰামেশ্বৰ শইকীয়া ঃ

জেলেহৰা গাঁও। ২৪।১১।৪২ ত গ্ৰেপ্তাৰ হয় আৰু ৩০।১১।৪২ চনত ১ বছৰ কাৰাবাস খাটে।

ৰত্নেশ্বৰ তামুলী ঃ

গেনহোৰা গাঁও। ৩০।৩।৩২ চনত ১ মাহ কাল কাৰাবাস খাটে আৰু ১৫ টকা জৰিমনা ভৰে।

ৰমেশ শৰ্মা ঃ

দুলিয়াগাঁও। ১৯৪২ ৰ আন্দোলনৰ নেতা আছিল।

ৰঙ্গ নাথ ভূঞা ঃ

চমুৱা গাঁও। পিতৃ মিহিৰাম ভূঞা। ১৯৩৬ চনত কংগ্ৰেছত যোগদান কৰি শান্তি সেনাৰ নায়ক হৈ কাম কৰে। ১৯৪২ চনত মৃত্যু বাহিনীত সহায়ক আছিল। শঙ্কৰ বৰুৱা আৰু ৰাজেন বৰুৱাৰ সহযোগত কাম কৰিছিল।

ৰঙাই কলিতা ঃ

নগাঞা গাঁও, কাকডোঙা। পিতৃ দেৱ কলিতা। ১৯৩৬ চনত ঠগীৰাম বৰাৰ নেতৃত্বত শান্তি সেনাৰ প্ৰশিক্ষণ লয়। ১৯৪২ ত গণ আন্দোলনৰ সময়ত অংশ গ্ৰহণ কৰি শঙ্কৰ বৰুৱা, ৰাম বৰুৱা আদিক পলাতক অৱস্থাত থকাত সহায় কৰে। আজীৱন দেশ-সেৱাৰ কামত ব্ৰতী হয়।

ৰঙাই হাজৰিকা ঃ

মাহনিয়াল গাঁও। ১৯৩২ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ লৈ কংগ্ৰেছ কৰ্মী হিচাপে কাম কৰি যায়।

ৰাধা গোস্বামী ঃ

বচালগাঁও। ১৯৪২ চনৰ গণ বিপ্লৱত ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগে।

ৰবা গোহাঁই ঃ

পুলিবৰ বিদ্যাপীঠ। ১৯২১ চনত পঢ়া এৰি আন্দোলনত যোগ দিয়ে।

ৰহিলা গগৈ ঃ

খুমটাই গাঁও। ৩।৫।৩২ চনত ৫০ টকা জৰিমনা ভৰি ৪২ দিন হাজোতত আছিল।

লমোৰাম হাজৰিকা ঃ

টেঙাবাৰী গাঁও, সৰুপথাৰ। পিতৃ লথৌ হাজৰিকা ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি যোৰহাট জেললৈ পঠায় আৰু আটক বন্দী হিচাবে ২ বছৰ জেলত ৰাখি মুক্তি দিয়ে। ১৬।১০।৪২ চনত পুলিচে আটক কৰে। ১৭।১০।৪৫ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে।

লীলাধৰ নেওগ ঃ

গোলাঘাট। অধ্যয়ন এৰি ১৯২১ চনত আন্দোলনত ভৰ্ত্তি হৈ ৬ মাহ জেল খাটে।

লোকাই হাজৰিকা ঃ

মিছামৰা। ১৯৩২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু আছিল।

লুকাই হাজৰিকা ঃ

বৰপুখুৰী পাৰগাওঁ। ১৯৩২ চনত ৬ মাহ কাল জেল হয় আৰু মুক্তিৰ পাছত মৃত্যু হয়।

লোকাই হাজৰিকা ঃ

মিছামৰা। ১৯৩২ চনত কাৰাগাৰ বৰণ কৰা মুক্তি যুঁজাৰু।

লুহীৰাম দত্ত ঃ

ইকৰাণী গাঁও। ১৯২১ চনত কংগ্ৰেছ আন্দোলনত যোগদান কৰিছিল।

শঙ্কৰ বৰুৱা :

জন্ম ১৮১৭ শক ভাদ মাহ শঙ্কৰদেৱৰ তিথিত জন্মা বাবে "শঙ্কৰ বৰুৱা"। ১৯১৯ চনত ৰাওলাট আইনৰ সহায়ত ভাৰতীয় সকলক দমন কৰাৰ প্ৰতিবাদত শঙ্কৰ বৰুৱাই চাকৰি বাদ দি মুক্তি যুঁজত নামে। ১৯২০ চনত অসহযোগ আন্দোলনৰ নামত সময়ত গান্ধীজীৰ আদৰ্শত আত্মনিয়োগ কৰি যোৰহাট, গোলাঘাট, অঞ্চলত সংগঠনৰ কাম হাতত লয়। যোৰহাটত মহাত্মা গান্ধীক সেৱা শুশ্ৰূষা কৰাৰ ভাৰ শঙ্কৰ বৰুৱাৰ ওপৰত পৰিল। তেওঁ গাঁৱে গাঁৱে ঘূৰি বিদেশী কাপোৰ বৰ্জন, মাদক দ্ৰব্য নিবাৰণ, অস্পৃশ্যতা দূৰীকৰণ, কপাহ খেতি সূতাকটা, খদ্দৰৰ প্ৰচলন কৰা আদি কামৰ প্ৰচাৰৰ কাৰ্য্য চলাবলৈ ধৰিলে। ঠায়ে ঠায়ে তেওঁ আশ্ৰম স্কুল স্থাপন কৰে। ১৯২৫ চনত আশ্ৰম স্কুলৰ দায়িত্বত থকা কেহোৰাম হাজৰিকাক কোনোবা দুৰ্বিত্তই মৰাৰ কাৰণে তেখেতে ২৮ দিনীয়া অনশন ব্ৰত আৰম্ভ কৰিছিল। ১৯৩৬ চনত অন্নপ্ৰভাৰ লগত বিবাহ পাশত আবদ্ধ। ১৯৩৭ চনৰ পৰা ১৯৪৫ চনলৈ অসম বিধান সভাৰ সদস্য। গোলাঘাটত কলাজ্বৰ হস্পিতাল স্থাপন ১৯৪৬ চনত গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি। ১৯৪৮ চনত নাচিকত বহা কংগ্ৰেছ অধিবেশনত যোগদান। নাচিক কংগ্ৰেছৰ সময়তে আচাৰ্য্য নৰেন্দ্ৰদেৱৰ নেতৃত্বত চচিয়েলিষ্ট দল গঠন হোৱাত শঙ্কৰ বৰুৱাই সেই দলত যোগদান কৰে। তেওঁ গোলাঘাট কলেজ ১৯৪৯, ঘিলাধাৰী কৃষিপাম ১৯৫০ সৰ্বোদয় অনুষ্ঠান ১৯৫৫, সমবায় আন্দোলন ১৯৫৭ খাদী গ্ৰামোদ্যোগ আন্দোলন ১৯৬২ স্থাপনত আগভাগ লয়। প্ৰজা চচিয়েলিষ্ট দলবো তেখেতে নেতৃত্ব কৰিছিল।

মহাত্মা গান্ধীৰ পিছত আচাৰ্য্য কৃপালনি জয়প্ৰকাশ নাৰায়ণ আদি নেতাৰ লগত সম্পৰ্ক স্থাপন। তেওঁ সাংবাদিক কাৰ্য্যতো লাগিছিল। বৰুৱাৰ ত্যাগ সততা উদাৰতা কৰ্ত্তব্য পৰায়ণতা আৰু ন্যায় নিষ্ঠাৰ কথা জয় প্ৰকাশ নাৰায়ণে শ্ৰদ্ধাৰে কৰিছিল। জয় প্ৰকাশ নাৰায়ণে শঙ্কৰ বৰুৱাক 'অসম বাঘ' আখ্যা দিছিল।

শঙ্কৰ বৰুৱাৰ পুৰণি এজমা ৰোগ আছিল। এনেতে

১৯৬৪ চনত খাদী গ্ৰামোদ্যোগৰ মিটিং এখনত যোগ দিবলৈ গুৱাহাটীলৈ আহি ৰিক্সা দুৰ্ঘটনাত পতিত হয়। তাৰ পিছৰ পৰা স্বাস্থ্যৰ অৱনতি হয়। ১৯৬৬ চনৰ নৱেম্বৰৰ দিনা ৭১ বছৰ বয়সত বীৰ বিপ্লৱী শঙ্কৰ বৰুৱাৰ আত্মাই দেহ বন্ধনৰ পৰা মুক্তি লাভ কৰে।

সদানন্দ চলিহা :

১৯৪২ চনৰ আন্দোলনত সৰুপথাৰ ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি যোৰহাট জেললৈ পঠায়। ১০।১১।৪২ তাৰিখে পুলিচে গ্ৰেপ্তাৰ কৰে। আৰু ১৩।১১।৪৪ তাৰিখে যোৰহাট জেলৰ পৰা এবছৰ এমাহৰ পাছত মুক্তি দিয়ে। শিক্ষা প্ৰাইমেৰী স্কুল পাছ।

সদানন্দ বৰুৱা :

টেঙাহোলা গাঁও, বৰপথাৰ। ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰে। ২ আগষ্টৰ পুনা যাত্ৰাত পুলিচে গ্ৰেপ্তাৰ কৰে। বিচাৰত ৯ মাহ কাৰাদণ্ড বিহে। আৰু যোৰহাট জেলৰ পৰা মুক্তি পায়। পূৰ্ব্বে এখেতৰ ঘৰ আছিল যোৰহাট জিলাৰ লাহিং মৌজাৰ টিয়ক থানাৰ অন্তৰ্গত। শিক্ষা এম. ই স্কুললৈকে পঢ়া। বয়স ৬৯ বছৰ।

সোনাধৰ কোঁৱৰ :

২নং গন্ধকৰৈ গাঁও সৰুপথাৰ। পিতৃ সোণাৰাম কোঁৱৰ। ১৯৪২ চনৰ আন্দোলনত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰি আটক বন্দী হিচাবে জেলত ৰাখে। আৰু আদালতৰ বিচাৰত কাৰাদণ্ড বিহে। ২৭।১০।৪২ চনত গ্ৰেপ্তাৰ কৰে। আৰু ২৮।১০।৪৪ চনত যোৰহাট জেলৰ পৰা মুক্তি পায়। শিক্ষা-প্ৰাইমেৰী স্কুলত পঢ়িছিল।

সোমকান্ত বৰুৱা :

গোলাঘাট চহৰৰ আমোলাপতি নিবাসী ৰজনী কান্ত বৰুৱাৰ ২য় পুত্ৰ। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩০-৩৩ চনত ১ বছৰ ২ মাহ পিকেটিং কৰাৰ বাদত ১ বছৰ সশ্ৰম কাৰাদণ্ড বিহে আৰু ১০০ টকা জৰিমনা কৰে। অনাদায়ত ২ মাহ হাজত খায়। ১৯৩৫ চনত মৃত্যু বৰণ কৰে।

সূৰ্য্যকান্ত শইকীয়া :

২নং গন্ধকৰৈ গাঁও, সৰুপথাৰ। পিতৃ জগতা শইকীয়া ১৯৩৯ চনৰ পৰা কংগ্ৰেছৰ সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ আন্দোলনত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰি আটক বন্দী হিচাবে যোৰহাট জেলত ৰাখে। ৫ মাহ যোৰহাট জেলত ৰাখি মুক্তি দিয়ে। ২।১২।৪২ পুলিচে আটক কৰে। ২৮।৪।৪৩ যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। শিক্ষা প্ৰাইমেৰী স্কুলৈলৈকে পঢ়া।

সোনেশ্বৰ বৰুৱা :

মাটিখুলা গাঁও, বৰপথাৰ মৌজা। ১৯৪২ চনৰ আন্দোলনত ৰেল লাইন ভঙাৰ অপৰাধত আটক কৰি ৬ মাহ কাৰাদণ্ড বিহে। আৰু যোৰহাট জেলৰ পৰা মুক্তি পায়। ২৮।১১।৪২ চনত গ্ৰেপ্তাৰ হয়। ২৮।৫।৪৩ চনত যোৰহাট জেলৰ পৰা মুক্তি পায়। জন্ম ১৯১৭ চনত। শিক্ষা প্ৰাইমেৰী স্কুল পাছ।

সুৰেণ ফুকন :

ফিলাধাৰী গাঁও। ১৯৪২ চনত শ্বহীদ কুশল কোঁৱৰৰ লগত সক্ৰিয় হিচাবে কংগ্ৰেছৰ কামত সহযোগ কৰিছিল। শিক্ষা-হাইস্কুলত পঢ়িছিল।

সুমাক কোঁৱৰ :

টেঙাহোলা গাঁও, সৰুপথাৰ। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰত ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে আটক কৰে আৰু যোৰহাট জেললৈ পঠায়। ২০।১১।৪২ চনত পুলিচে আটক কৰে। ১৮।৬।৪৩ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে। শিক্ষা-প্ৰাইমেৰী স্কুলত পঢ়িছিল।

সত্যৰাম বৰা :

চাওদাং গাঁও। ১৯৪২ চনৰ সহযোগী কৰ্মী আছিল।

সোমেশ্বৰ বুঢ়াদিহিং :

১৯৪২ চনত আত্ম গোপন ভাৱে গণ আন্দোলনৰ কাম কৰিছিল।

সোণধৰ দত্ত :

খনিকৰ গাঁও ১৯৪২ ৰ মুক্তি যুঁজাৰু আছিল।

সুভদ্ৰা বৰুৱা :

খনিকৰ গাঁও, ১৯৪২ ৰ আন্দোলনত পলাতক হিচাবে কাম কৰে।

সুন্দৰ ৰাম শাহু :

দাধৰা গাঁও। ১৯৪২ মুক্তি যুঁজাৰু আছিল।

সোমেশ্বৰ বৰুৱা :

দাধৰা গাঁও। ১৯৪২ চনৰ বিপ্লবী নেতা আছিল।

সকলৰা শইকীয়া :

এনাই ঘৰীয়া গাঁও, কাকডোঙা। ১৯৪১ চনৰ কণিধৰ ভূঞাৰ লগত কংগ্ৰেছৰ কাম কৰে। ১৯৪২ ত মুক্তি বাহিনীৰ কামত যোগ দান কৰি সত্যাগ্ৰহ কৰে।

সুধালতা হাজৰিকা :

স্বামী দধী প্ৰসাদ। ১৯৪২ ৰ সহযোগী কংগ্ৰেছ কৰ্মী আছিল।

স্বৰ্ণলতা ভট্টাচাৰ্য্য :

কাঠগাঁও ১৯২১ চনৰ কৰ্মী।

সাদৰি ৰৰা :

সোমেশ্বৰ চুতীয়া : চদামুৰা।

সোনাৰাম দোলাকছাৰী :

নেপামভৰলুৰা, পোঃ অঃ কাকজান। ৭মাহ কাৰাবৰণ।

সুশানন গোস্বামী :

কাঠগাঁও ১৯২১ চনত স্কুল এৰি আন্দোলনৰ নামত যোগ দিয়ে।

সাগৰ হাজৰিকা :

১৯২১ চনৰ কৰ্মী।

সৰুৰাম মুচি :

হেমলাই, কংগ্ৰেছৰ নামত ধন সংগ্ৰহ।

সৰ্বেশ্বৰ বৰচেতীয়া :

যোৰহাট, কলেজ এৰি ১৯২১ চনত আন্দোলনত লাগে। ৪ মাহ কাৰাবৰণ খাটে, ২৩।৩।২২ চনত ২৪।৭।২২ চনত মুক্তি হৈ সামাজিক কামত লাগে।

সুমণ চন্দ্ৰ ফুকন :

বনপিঠাগুৰি। ১৯২১ চনৰ মুক্তি-যুঁজাৰু হিচাপে কাম কৰে।

সোণেশ্বৰ শৰ্মা :

জন্ম ১৯১৩ চনৰ ৭ তাৰিখে গোলাঘাট মহকুমাৰ গুৰু যোগনীয়া মৌজাৰ গুৰু যোগনীয়া গাঁৱত। পিতৃ-মাতৃৰ নাম ক্ৰমে ভোগেশ্বৰ শৰ্মা আৰু আইকন দেৱী।

১৯৪০ চনত সত্যাগ্ৰহ আন্দোলনত সত্যাগ্ৰহ কৰোঁতে এমাহমান কাৰাবৰণ কৰিবলগা হয়। ইয়াৰ পিছত জোৰ কৰি সংগঠন-মূলক কাম কৰি ঠাকোতেই বৰপথাৰ মৌজাৰ ভিতৰত ৰেল লাইন ভঙা আদি ধ্বংস কাৰ্য্য, ১৯৪২ চনৰ ১০ অক্টোবৰৰ দিনা গোটেই অসমতে বিয়পি পৰে। এই আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা হয় ফলত প্ৰায় ডেৰবছৰ গোপনে থাকি শঙ্কৰ বৰুৱা ৺ভদ্ৰকান্ত ফুকন, শ্ৰীগন্ধৰাম গগৈ শ্ৰীধৰ্মেশ্বৰব কৰা, শ্ৰীৰামচন্দ্ৰ বৰুৱা, শ্ৰীৰমাকান্ত গগৈ, শ্ৰীৰমাকান্ত বৰা, সহ মহকুমাটো পাঁচ ভাগত ভাগ কৰি মিলিটেৰীৰ অত্যাচাৰৰত নিজক আত্মৰক্ষা কৰিবৰ কাৰণে ৰাইজৰ মাজত সংগঠনমূলক কাম কৰে। গোপন কাৰ্য কৰি ফুৰাৰ ভিতৰত পাঁচবাৰ পুলিচৰ সম্মুখীন হব লগা হয়। এবাৰ ধিলাধাৰীত দুবাৰ শিমলুগুৰীত আৰু দুবাৰ কছাৰীহাটত।

• সোনেশ্বৰ শৰ্মা ১৯৭৩ চনৰ পৰা ১৯৮২ চনৰ ফেব্ৰুৱাৰী মাহলৈকে কেন্সাৰ ৰোগত ভোগী মৃত্যু ঘটে।

সোণাই চুতীয়া :

নাহৰণি, দেৰালয় ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৪২ চনত স্বাধীনতা আন্দোলনত ভাগ লয়।

সুমিত্ৰা গগৈ ঃ

বোকাজান, চাৰিআলী হৰিগাঁও, পটিয়ালপথাৰ, ২৯।২।৪২ চনত ২০ টকা জৰিমনা সৈতে ৪২ দিন জেল খাটে ।

সূৰ্য্যধৰ ৰাজখোৱা ঃ

বাদৰুৱা গাঁও। ১৯৩২ চনত ৬ মাহ কাৰাদণ্ড হয়। মুক্তিৰ পাছত মৃত্যু হয় ।

সোমেশ্বৰ বৰা চুহিয়া ঃ

১৯৩০ চনত কংগ্ৰেছত যোগ দি সক্ৰিয় অংশ গ্ৰহণ কৰি কাম কৰিছিল

সমিৰুদ্দিন ঃ

নাহৰণি, দেৰগাঁও। ৬।১।২২ ত ১০ টকা জৰিমনা আৰু ১মাহ কাল কাৰাবাস খাটে ।

সৰোজ দেৱী শৰ্মা ঃ

১৯৪২ চনত পালাতক হিচাপে আন্দোলনৰ কাম কৰি যায় ।

সুৰেন্দ্ৰ নাথ বৰঠাকুৰ ঃ

দেৰগাঁও, কমাৰ গাঁও, ১৯৪২ ৰ আন্দোলনত ৯।৯।৪২ তাৰিখে দেৰগাঁও থানাৰ সন্মুখত পতাকা উত্তোলন কৰা অপৰাধত গ্ৰেপ্তাৰ হয় ।

সালক বৰুৱা ঃ

স্বামী গোলাপ বৰুৱা। ১৯৪২ চনত আত্মগোপনভাৱে কংগ্ৰেছৰ কাম কৰিছিল ।

সৰুকণ শইকীয়া ঃ

বামুণ গাঁও। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে ।

সোনাই চুতীয়া ঃ

দ'গাঁও। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে আৰু ১৯৪২ চনত গণ আন্দোলনত ভাগ লয় ।

সভাৰাম দাস :

শেনচোৱাগাঁও, গোলাঘাট। ১৯২১ চনত কংগ্ৰেছত যোগ দান কৰে।

সূৰ্য্য চুচাদ :

দুলীয়া গাঁও ১৯৪২ ৰ গণ আন্দোলনত পতালক হিচাপে কাম কৰিছিল।

সুভদ্ৰা বৰুৱা :

খনিকৰ গাঁও। ১৯৪২ ৰ গণ বিপ্লৱৰ সময়ত গোপন ভাবে কংগ্ৰেছৰ কাম কৰা এগৰাকী নেত্ৰী আছিল।

হলিৰাম মেধি শইকীয়া :

ফাটৌৱাল গাঁও। ১৯২১ পৰা ১৯৪২ চনলৈকে সহকৰ্মী হিচাবে কংগ্ৰেছৰ ভাগ লয়।

হেমকান্ত শৰ্মা :

বিলাতীয়া মাজগাওঁ। ১৯২১ চনত ছয় মাহ ফাটেক খাটে।

হলৌ ভলন্টিয়াৰ :

বৰুৱা গাঁও। ১৯৪২ চনৰ সহযোগী কৰ্মী আছিল।

হৰেন্দ্ৰ নাথ বৰঠাকুৰ :

কমাৰ গাঁও, দেৰগাঁও। ৯ চেপ্তেম্বৰত গ্ৰেপ্তাৰ হয়।

হুচেন আলি :

দেৰগাঁও টাউন ১০।৯।৪২ ত গ্ৰেপ্তাৰ হয়।

হৰেন দে :

বোকাখাট। ১৯৩২ ৰ পৰা ১৯৪২ চনলৈ আন্দোলনৰ কৰ্মী

হিৰেশ্বৰ দাস :

সগুৰা গাঁও। কলেজ এৰি সত্যাগ্ৰহত যোগ দিয়ে আৰু গ্ৰেপ্তাৰ হয়। ২১।৩।২২ পৰা ২৫।৩।২৩ লৈ ৯ মাহ জেল খাটে আৰু ১০০ টকা জৰিমনা ভৰে।

হেম তাৰাধৰা :

১৯২১ চনৰ আন্দোলনৰ কংগ্ৰেছৰ সহকৰ্মী

হিমেশ্বৰী দৈৱ্য :

চিনাতলী গাঁও, ১৯৩২ চনৰ পৰা ১৯৪২ চনলৈকে স্বাধীনতা আন্দোলনত ভাগ লয় আৰু শান্তি সেনা প্ৰশিক্ষণ পৰিচালনা কৰে।

হেমকান্ত গগৈ :

খুটাই গাঁও। ৩।৫।৪২ চনত চাৰিমাহ জেল খাটে আৰু ৫০ টকা জৰিমনা ভৰে।

হৰেন :

নাহৰণি, ৬।১।২২ ত ১০ টকা জৰিমনা ভৰে আৰু ১ মাহ কাল জেল খাটে।

হেমৰাম বৰা :

গাজপুৰীয়া গাঁও, গাহিম তকলা গাঁও। ১৯২১ পিকেটিং।

হৰকান্ত ভট্টাচাৰ্য্য : হাতিগড়

হলিৰাম গগৈ :

উজনী বাজাবাৰী গাঁও।

হৰিপ্ৰসাদ গোস্বামী :

যোৰহাট, বালিগাঁও, ১৯২২ চনত ৩ মাহ জেল। ২৮।২।২৩ চনত মুক্তি।

হৰিপ্ৰসাদ গোস্বামী :

ধাগপটৰ, মাজুলী পুলিচ ষ্টেচনৰ ভিতৰত গ্ৰেপ্তাৰ হয়।

হৈবুৰ ৰহমান :

জেলৰ পৰা মুক্তি হয় ১১।৪।২২ চনত।

হেমকান্ত শৰ্মা :

ভিনিকুৰীয়া গাঁও, কাকজান। ১৯২১ চনৰ কৰ্মী।

হৰেন্দ্ৰ নাথ সেনঃ

সৰুপথাৰ টাউন। ১৯৪২ চনত কুশল কোঁৱৰৰ লগত কংগ্ৰেছৰ কামত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪২ চনৰ আন্দোলনত সৰুপথাৰ ৰেল লাইন ভঙাৰ অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু আটক বন্দী কৰি যোৰহাট জেলত ২ বছৰ ৰাখি মুক্তি দিয়ে। ১৮।১০।৪২ চনত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ২০।১০।৪৪ চনত যোৰহাট জেলৰ পৰা মুক্তি দিয়ে । মৃত্যু ১৯৮৭ চন । শিক্ষা-প্ৰাইমেৰী স্কুল পাছ ।

সুৰমা উপত্যকা
আৰু
কাৰ্বি আংলং

"সুৰমা উপত্যাকাৰ প্ৰয়াত : মুক্তি যুঁজাৰুৰ জীৱনী সংগ্ৰহৰ বিষয়ে ভুষাৰমান"

সুৰমা উপত্যকাৰ জনসাধাৰণে ১৯০৫ চনত আৰম্ভ হোৱা বঙ্গ-বিচ্ছেদ আৰু স্বদেশী আন্দোলনত বিপিন পাল দাসৰ নেতৃত্বত বিশেষ ভূমিকা লৈছিল। বিভিন্ন বিপ্লবী দলৰ শাখা গঠন হৈছিল। ৰেল লাইন চ্যুত, বেংক ডকাইতি কৰা ইত্যাদি অভিযোগত কেইবা-জনো ডেকা'ক কলিয়াপানীলৈ দ্বীপান্তৰ কৰিছিল আৰু বহুতক আটক বন্দী কৰি বিনা বিচাৰে আলিপুৰ জেলত আবদ্ধ কৰি ৰাখিছিলে। বহুতো গণ্য-মান্য লোকক জেল, জৰিমনা আৰু বিভিন্ন ধৰণৰ অত্যাচাৰ কৰিছিল।

১৯২১ চনতো সুৰমা উপত্যকাত অসম উপত্যাকাৰ দৰে অসহ-যোগ আন্দোলন তীব্ৰ হৈ উঠিছিল। বিশেষকৈ খিলাফৎ আন্দোলনত গুলি চালনাত কেইবাজনবো মৃত্যু আৰু বহুতো লোক আহত হৈছিল। প্ৰায় ৫০০ৰো অধিক লোকৰ জেল হৈছিল। বিভিন্ন ঠাইত গুৰ্খা পল্টনৰ শিবিৰ পাতি পাইকাৰী জৰিমনা তোলা আৰু আন্দোলন দমনৰ অৰ্থে বিভিন্ন ধৰণৰ অত্যাচাৰ চলিছিল।

১৯৩০-৩২ আৰু ১৯৪২ চনৰ গণ-আন্দোলনতো বহু লোক জেললৈ গৈছিল আৰু '৪২ চনত অসম উপত্যাকাৰ দৰে পুলিচ-মিলিটেৰিয়ে আন্দোলনত যোগ দিয়া পৰিয়ালসকলৰ ওপৰত নানা ধৰণৰ অত্যাচাৰ কৰিছিল।

কিন্তু দুখৰ কথা যে, আমাৰ ফালৰ পৰা মুক্তিযুঁজাৰুৰ বিভিন্ন অনুষ্ঠান—কংগ্ৰেছ (আই), কংগ্ৰেছ (এছ) আৰু বিভিন্ন ব্যক্তিলৈ চিঠিৰে সুৰমা উপত্যাকাৰ প্ৰয়াতঃ মুক্তিযুঁজাৰুসকলৰ সংক্ষিপ্ত জীৱনী সংগ্ৰহ কৰি পঠাবৰ কাৰণে একাধিকবাৰ অনুৰোধ কৰা হৈছিল। কিন্তু কাৰো পৰা বিশেষ একো সঁহাৰি পোৱা নহ'ল। আনহাতে ছিলেট জিলা পাকিস্তানৰ অন্তৰ্ভুক্ত হোৱাত বহুতো মুক্তিযুঁজাৰুৰ গুৎসুৱ হেৰাল। বিভিন্ন পুস্তিকা, প্ৰবন্ধ আদিৰ পৰা কিছু সংখ্যকৰ নাম আমি সংগ্ৰহ কৰো। যোৱা ১৫।৯।১৯৮৯ তাৰিখে কামৰূপ

একাডেমীত বহা মুক্তিযুঁজাৰুৰ জিলা সন্মিলনৰ সভাপতি, সম্পাদক আৰু বিভিন্ন জিলাৰ দুই-চাৰিজন বিশিষ্ট মুক্তিযুঁজাৰুৰ সভাত অন্য জিলাৰ দৰে বৰাক উপত্যকাৰ পৰা অহা প্ৰতিনিধিক আমি প্ৰস্তুত কৰা উক্ত তালিকাখন চাই-চিতি অনুমোদন কৰিবৰ অৰ্থে দিওঁ। তেওঁলোকে অনুমোদন কৰা অনুসৰি প্ৰয়াতঃ মুক্তিযুঁজাৰু সকলৰ নাম প্ৰকাশ কৰা হ'ল। বহু সংখ্যক সুৰমা উপত্যকাৰ প্ৰয়াতঃ মুক্তিযুঁজাৰুৰ নাম বাদ পৰি যোৱাৰ বাবে আমি দুঃখিত।

সম্পাদক ॥

অশ্বিনী কুমাৰ ৰায় ঃ

শিলচৰৰ অশ্বিনী কুমাৰ ৰায়ৰ পিতৃৰ নাম আছিল প্ৰসন্ন কুমাৰ ৰায়। ১৯৩৪ চনত তেওঁক ডাক ডকাইতি কেচত গ্ৰেপ্তাৰ কৰে আৰু ২ মাহ জেল হাজোতত ৰাখে। ১৯৩৫ চনত বিচাৰ কৰি ৪ মাহ জেল দিয়ে। তাৰ পিছতো তেওঁ কেইবাবাৰো আটক বন্দী হৈছিল। ১৯৫১ চনত তেওঁৰ মৃত্যু হয়।

অবনি কুমাৰ শৰ্মা ঃ

ৰৰবালা, শিলচৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগদান কৰে। ১৯২২ চনত দুখন চুক্তি পত্ৰ (প্ৰতিটো ৫০০ টকাৰ) কোনো চৰকাৰ বিৰোধী আন্দোলনত সহযোগ নকৰিবলৈ লিখি দিবলৈ অমান্তি হোৱাত তেওঁক সশ্ৰম কাৰাদণ্ড দিয়ে। যদিও তেওঁ বিপ্লৱী দলত আছিল কংগ্ৰেছৰ আন্দোলনত অংশ গ্ৰহণ কৰি নিৰ্বাচিত হৈছিল। ১৯৮২ চনত তেওঁৰ মৃত্যু হয়।

অবনি কুমাৰ শৰ্মা ঃ

পিতৃ ত্ৰিলোচন শৰ্মা। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি কলেজ ত্যাগ কৰে। পিকেটিং কৰাৰ বাবে তেওঁক ৬ মাহ কাৰাদণ্ড দিয়ে। ১৯৩২ চনত তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰি ২ বছৰ জেল আৰু ৪০০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত আৰু ৪ মাহ ফাটেক হয়। পিছত শিক্ষা লবলৈ কলেজত ভৰ্তি হয় যদিও বিপ্লৱী দলত থকা বাবে পুনৰ কেইবাবছৰ জেলত আবদ্ধ কৰি ৰাখে।

তেওঁ ১৯৪০-৪২ ৰ সত্যাগ্ৰহ আৰু অসহযোগ আন্দোলনতো সক্ৰিয়-ভাবে অংশ গ্ৰহণ কৰিছিল।

অৰুণ কুমাৰ চন্দ :

১৮৯৯ চনৰ ১৭ ফেব্ৰুৱাৰীত শিলচৰ চহৰৰ নিকটবৰ্তী তাৰাপুৰ গাঁৱত জন্ম গ্ৰহণ কৰে। ১৯১৫ চনত শিলচৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত প্ৰৱেশিকা পাছ কৰি বংগবাসী কলেজৰ পৰা ইংৰাজী বিষয়ত প্ৰথম শ্ৰেণীৰ অনাৰ্চসহ বি, এ পাছ কৰি অবিনাশচন্দ্ৰ সোণৰ পদক লাভ কৰে। ১৯২৯ চনত বাৰিষ্টাৰী পাছ কৰি আহি চিংগা-পুৰলৈ গৈ ব্যৱসায়ী সন্থা এটাৰ ওকালতি কৰে। ১৯৩১ চনত অৰুণ কুমাৰ ঘৰলৈ উভতি আহে। ১৯৩৫ চনত শিলচৰত জি বি কলেজ স্থাপন কৰি চন্দ বহুবছৰলৈ তাৰ অবৈতনিক অধ্যক্ষ হিচাপে কাম কৰে।

অৰুণ কুমাৰ চন্দই আইন আৰু ৰাজনীতি দুয়োটাতে সমানে সমানে লাগি থকাৰ উপৰিও ভাৰতীয় চাহ মজদুৰ, বিশেষকৈ শিলচৰ অঞ্চলৰ বনুৱাসকলৰ দুৰৱস্থা আঁতৰাবলৈ যত্ন কৰিছিল। ১৯৩৭ চনত অৰুণ কুমাৰৰ নেতৃত্বত কাছাৰৰ চাহ বনুৱাসকলে একেৰাহে ৪০ দিন ধৰ্মঘট কৰি বাগিচাৰ মালিকসকলৰ ভয়োময় দেখুৱাইছিল। ১৯৩৯ চনৰ মধ্যকালীন নিৰ্বাচনত চন্দই লোৱা ভূমিকা অতি তাৎ-পৰ্য পূৰ্ণ আৰু প্ৰশংসনীয় আছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দো-লনত জপিয়াই পৰি শিলচৰ কাছাৰীৰ প্ৰাংগণত ব্যক্তিগত সত্যাগ্ৰহ কৰি গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৪৬ চনত চন্দ কেন্দ্ৰীয় বিধান সভালৈ অপ্ৰতিদ্বন্দ্বিভাৱে নিৰ্বাচিত হয়। চন্দৰ জীৱনৰ আটাইতকৈ উল্লেখ-যোগ্য কাম দুটাৰ প্ৰথমটো হৈছে চাহ মজদুৰসকল আৰু খেতিয়ক-সকলক মালিক আৰু জমিদাৰসকলৰ কবলৰ পৰা মুক্ত কৰাই আপ্ৰাণ প্ৰচেষ্টা। দ্বিতীয়টো, অসমত বসবাস কৰা হিন্দু মুছলমানৰ মাজত ঐক্য-সংহতিৰ বান্ধটো অধিক শক্তিশালী কৰা।

মিচ অনিলা পুৰকায়স্থ :

পিতৃ বিপিনবিহাৰী পুৰকায়স্থ। তেওঁ ১৯৩০ চনত আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৩৪ চনত বিপ্লৱী দলৰ কামত অংশ গ্ৰহণ কৰা বাবে সেই বছৰত এবছৰ কাটেক হয়। পিছত

বাহিৰলৈ পঠাই দিয়ে। ১৯৪১ চনত কংগ্ৰেছত যোগ দিছিল। কিন্তু '৪২ চনত কংগ্ৰেছৰ পৰা আঁতৰি যায়।

অবলা কান্ত গুপ্ত :

পিতৃ আনন্দ কুমাৰ গুপ্ত। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। তেওঁৰ ৬ মাহ জেল আৰু ১০০ টকা জৰিমনা হয়। অনাদায়ে অধিক ১ মাহ জেল হয়। ১৯৩০ চনৰ ২৬ জানুৱাৰীত জাতীয় পতাকা উত্তোলনত শোভাযাত্ৰা আদি সংগঠন কৰিছিল। তেখেতৰ ঘৰ খানাতালাচ কৰি বহুতো কাগজ পত্ৰ লৈ গৈছিল। এহেজাৰ টকা জৰিমনা কৰে। জৰিমনা অনাদায়ত এবছৰ ফাটেক হয়। ১৯৩২ চনত তেওঁৰ দুবছৰ জেল হয়। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা কাৰণে জেলত আৱদ্ধ কৰি ৰাখে আৰু ১৯৪৪ চনৰ চেপ্তেম্বৰ মাহত উক্ত নিৰ্দেশ বাতিল কৰি ঘৰত ইনটাৰ্ণ কৰি ৰখাৰ নিৰ্দেশ দিয়ে। ১৯৭২ চনত মৃত্যু হয়।

আবদুল আজিজ :

শিলচৰ। পিতৃ ইনামুল। ১৯২১ চনত খিলাফৎ আৰু অসহযোগ আন্দোলনত যোগদান কৰে। মদৰ দোকানত পিকেটিং কৰা বাবে ৩ মাহ জেল হয়। ১৯৩১ চনত জাতীয় পতাকা উত্তোলন অপৰাধত গ্ৰেপ্তাৰ কৰি এৰি দিয়ে। ১৯৩২ চনত শিলঙত বক্তৃতা দিয়া অপৰাধত ২ বছৰ সশ্ৰম কাৰাদণ্ড ভোগে। কংগ্ৰেছৰ গঠনমূলক কৰ্মী আছিল। ১৯৮২ চনত মৃত্যু হয়।

ঊষাৰাণী ৰয় :

স্বামী মহেশ চন্দ্ৰ ৰয়। এওঁ কৰিমগঞ্জত বিভিন্ন মহিলা সংগঠনৰ লগত জড়িত আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত আৰু ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ইয়াৰ বাবে তেওঁ পুলিচ-মিলিটেৰীৰ নিৰ্যাতন ভোগ কৰিছিল। প্ৰকৃত গান্ধীবাদী আছিল আৰু জীৱনৰ শেষ ছোৱালৈকে গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

ওচমান আলি :

কাছাৰ। ১৯২১ চনত মহাত্মা গান্ধী বদৰপুৰলৈ যাওঁতে গান্ধীজীক

আন্দৰণি জনায় আৰু তেখেতৰ লগত ভ্ৰমণ কৰে। ১৯২২ চনত তেখেতক গ্ৰেপ্তাৰ কৰি জামিন দিবলৈ হুকুম দিয়াত তেখেতে জামিন লবলৈ অস্বীকাৰ কৰে আৰু এবছৰ জেল খাটে। খিলাফৎ আন্দোলনৰ কৰ্মী আছিল। সাম্প্ৰদায়িক ঐক্যৰ বাবে বিশেষ জোৰ দিছিল। ১৯৮২ চনত মৃত্যু বৰণ কৰে।

ওৱাহিদ আলি :

শিলচৰ। ১৯২১ চনত অসহযোগ আৰু খিলাফৎ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯২২ চনত তিনিমাহ জেল হয়। ১৯৩২ চনৰ আন্দোলনত সক্ৰিয় সহযোগ কৰিছিল। ১৯৮১ চনত তেওঁৰ মৃত্যু হয়।

ওৱাৰিচ আলি :

কৰিমগঞ্জ, কাছাৰ। ১৯২১ চনত খিলাফৎ আৰু অসহযোগ আন্দোলনত যোগদান কৰি এবছৰ স্কাটেক খাটে। ১৯৩০-৩২ চনৰ আন্দোলনত যোগ দিছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪৩ চনৰ মাৰ্চ মাহত ৬ মাহ জেল হয়।

ওমৰ আলি :

শিলচৰ, কাছাৰ। ১৯২১ চনৰ খিলাফৎ আন্দোলনৰ এজন প্ৰধান নায়ক আছিল। তেওঁ ৬ মাহ জেল খাটিছিল। ১৯৩০-৩২ চনৰ আন্দোলনত যোগ দিছিল। শোভাযাত্ৰাত পুলিচৰ লাঠিৰ কোৰ আৰু বেয়নেটৰ আঘাত পায়। ১৯৪১-৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৭২ চনত মৃত্যু হয়।

কৰিম উদ্দিন আহমেদ :

কৰিমগঞ্জত ঘৰ। পিতৃ আচকৰ আলি। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰিছিল। ১৯৩০ চনৰ আন্দোলনতো যোগদান কৰিছিল। ১৯৩১ চনত গ্ৰেপ্তাৰ হোৱাৰ পিছত ১ বছৰ ৯ মাহ জেল হয়। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। সাম্প্ৰদায়িক ঐক্যৰ হকে কাম কৰিছিল।

কামিনী সেন :

সেনে ১৯২১ চনৰ পৰা কংগ্ৰেছৰ আন্দোলনত যোগদান কৰি-

ছিল। তেওঁ স্বৰাজ দলত যোগদান কৰে আৰু লেজিচলেটিভ এচেম্বলীৰ একজন সদস্য আছিল। ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱ অনুযায়ী তেওঁ কাউন্সিলৰ পদ ত্যাগ কৰে আৰু কংগ্ৰেছৰ আন্দোলনত সক্ৰিয়-ভাৱে অংশ গ্ৰহণ কৰে। ১৯৩৭ চনত তেওঁ অসম বিধান সভাৰ সদস্য হৈছিল।

কামিনী মোহন বয় :

১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯২২ চনত তেওঁৰ ৯ মাহ ক্মাটেক আৰু ১০০ টকা জৰিমনা হয়। জৰিমনা দিবলৈ অস্বীকাৰ কৰাত আৰু ৩ মাহ কাৰাবাস কৰে। তেওঁ ১৯২৯ চনত লাহোৰ কংগ্ৰেছলৈ গৈছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধী-নতা পতাকা উত্তোলন, শোভাযাত্ৰা আদি সংগঠন কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৮৩ চনত তেওঁৰ মৃত্যু হয়।

কামিনী কুমাৰ চন্দ :

কামিনী কুমাৰ চন্দৰ পূৰ্বপুৰুষ ইন্দ্ৰকুমাৰ চন্দ ওঠৰ শতিকাতে বৰ্তমান বাংলাদেশৰ অন্তৰ্গত হবিগঞ্জৰ পৰা অসমলৈ আহি শিলচৰত স্থায়ীভাৱে বসতি স্থাপন কৰে। চন্দ স্বাধীনোত্তৰ যুগৰ শিলচৰৰ অন্যতম শ্ৰেষ্ঠ ব্যক্তি আছিল। ১৯০৬ চনত 'সুৰমা ভেলি এচোচিয়েচন' নামৰ সন্থা এটা খুলি তেখেতৰ সভাপতিত্বত চিলেটত সন্থাৰ প্ৰথম অধিবেশন পাতে। শিলচৰ পৌৰসভাৰ উপসভাপতি হৈ থকা সময়তে ১৯০৫ চনত বংগভংগ আন্দোলনত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। তেখেতৰ ব্যক্তিত্ব আৰু মানৱতাবোধ অতি উচ্চখাপৰ আছিল। যিটোৰ কাৰণে মহাত্মা গান্ধী প্ৰমুখ্যে সৰ্বভাৰতীয় নেতাসকলৰ তেখেত প্ৰিয়পাত্ৰ হৈ উঠিছিল। কামিনী কুমাৰ চন্দৰ নিৰ্ভাজ দেশপ্ৰেমৰ আন এটি উজ্জ্বল দৃষ্টান্ত হ'ল তেখেতৰ জ্যেষ্ঠ পুত্ৰ অপূৰ্ব চন্দক স্বদেশী আন্দোলনত যোগ দিয়া কাৰণে প্ৰধান শিক্ষকে ১৯৩৭ চনত স্কুলৰ পৰা বহিষ্কাৰ কৰে। ছাত্ৰসকলৰ ২৮ গৰাকীয়ে নিজৰ ভুল স্বীকাৰ কৰি স্কুলত ভৰ্তি হয়। কিন্তু তেখেতে নিজৰ ল'ৰাক জাতীয় শিক্ষানু-ষ্ঠান শান্তিনিকেতনলৈ পঢ়িবলৈ পঠায়। তেখেতৰ আন তিনিজন পুত্ৰ হ'ল অশোক চন্দ, অনিল চন্দ আৰু অৰুণ চন্দ।

চন্দৰ নেতৃত্বত 'চিলেট বেংগল বিউনিয়ন লীগ' নামৰ সংগঠন এটাৰ জন্ম হৈছিল। অসমত খিলাফৎ আন্দোলনৰ সমৰ্থক আছিল। তেখেতে বিৰাট ৰাজহুৱা সভা পাতি 'হিন্দু মুছলীম ইউনিটি' ৰক্ষা কৰি ৰাওলাট আইন উঠাই লবলৈ দাবী জনাইছিল।

কৃষ্ণ মোহন পাল :

জন্ম কৰিমগঞ্জত। ১৯৩১ চনত তেওঁক গ্ৰেপ্তাৰ কৰি এবছৰ ফাটেক আৰু ৫০ টকা জৰিমনা কৰে। জৰিমনা অনাদায়ত ২ মাহ অধিক কাল ফাটেক হয়। জেলৰ পৰা মুক্ত হৈ তেওঁ কংগ্ৰেছৰ কামত লাগিছিল। ১৯৪১ চনত কংগ্ৰেছৰ কামত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল।

কুমুদ চৌধুৰী ৰয় :

পিতৃ কামিনীচৰণ চৌধুৰী ৰয়। ১৯৩০ চনৰ ২৫ জানুৱাৰীত পতাকা উত্তোলন কৰিছিল। ১৯৩২ চনত তেওঁক গ্ৰেপ্তাৰ কৰে আৰু এমাহ হাজোতত ৰাখে। ১৯৪১ চনতো সত্যাগ্ৰহ কৰিছিল। তেওঁ কংগ্ৰেছৰ বিভিন্ন গঠনমূলক কামত জড়িত আছিল। ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।

খগেন চন্দ্ৰ সেনগুপ্ত :

শিলচৰ। পিতৃ ৰজনীকান্ত সেনগুপ্ত। তেওঁ ১৯৩০ চনৰ আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰিছিল আৰু বিপ্লৱী কাৰ্যৰ প্ৰশিক্ষণ দিছিল। ১৯৩৪ চনত শিলচৰত বিপ্লৱী দলৰ সংগঠক হিচাপে কাম কৰাত তাৰ পৰা বহিষ্কৃত হৈছিল। ইয়াৰ পিছত তেওঁ ঢাকাৰ পৰা বিভিন্ন বিপ্লৱী সংগঠনৰ লগত যোগ দি শিলচৰত অসহযোগ আন্দোলনত নানা প্ৰকাৰে সহায় কৰিছিল। ১৯৪৭ চনত দেশ স্বাধীন হোৱাত তেওঁ মুক্তি পায়।

খৰচেদ আলি :

পাথৰি গ্ৰাম, শিলচৰ কাছাৰ। পিতৃ জিলা মিয়া। ১৯২১ চনত গান্ধীজী কাছাৰলৈ যাওঁতে তেখেতে কংগ্ৰেছত যোগদান কৰে আৰু ১৫।২।১৯৩১ তাৰিখে কানাইঘাট মিটিঙত পুলিচে বক্তৃতা দি সমৱেত লাঠি আৰু গুলি চালনা কৰে। তাতে ২৭ জনৰ মৃত্যু হয়, এজন

হস্পিতালত মৃত্যু বৰণ কৰে। ৬।২।১৯২২ তাৰিখে ইয়াৰ প্ৰতিবাদত তেখেতে শিলচৰত ভাওৰ মিটিং সংগঠন কৰিছিল। তেওঁৰ দুমাহ জেল হৈছিল।

গঙ্গাদয়াল দিক্ষিত :

কাছাৰ জিলা। ১৯২১ চনত অসহযোগ আন্দোলন কৰা বাবে এবছৰ কাৰাদণ্ড হয়। কাছাৰ জিলাৰ সংগঠনৰ কামত আত্মনিয়োগ কৰে। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত মদৰ দোকানত পিকেটিং কৰোতে এহেজাৰ টকা জামিন উচলুকা দিবৰ কাৰণে দুজন জামিনদাৰক নিৰ্দেশ দিছিল। কিন্তু জামিনৰ টকা দিবলৈ অমান্তি হোৱাত ১ বছৰ ফাটেক হয়। ১৯৩১ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰি কাৰাবৰণ ভোগ কৰে। ১৯৪১।৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

গুৰুদাস সৰকাৰ :

কৰিমগঞ্জ। তেওঁ ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগদান কৰিছিল। ১৯৩২ চনত তেওঁৰ ৬ মাহ জেল আৰু ৫০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত ২ মাহ ফাটেক হয়। ১৯৪০-৪২ ৰ আন্দোলনতো তেওঁ নিৰ্যাতিত হৈছিল।

জিতেন্দ্ৰ মোহন আদিত্য :

১৯২১ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি কংগ্ৰেছৰ প্ৰচাৰ কাৰ্য কৰিছিল। বাগানৰ বনুৱা সংগঠনৰ কামত ব্ৰতী আছিল। ১৯৩০ চনত পিকেটিং কৰা বাবে ১ দিন ফাটেক হয়। ১৯৩২ চনত ৫ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ১৯৪২ চনত দুমাহ ফাটেক খাটে। এজন গঠনমূলক কৰ্মী আছিল। আজীৱন কংগ্ৰেছৰ কাম কৰিছিল। ১৯৮৪ চনত মৃত্যু হয়।

জ্যোতিৰ্ময় সেন :

পিতৃ জগদীশ সেন। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ সময়ত কলেজত শোভাযাত্ৰা, পিকেটিং আদি কৰাৰ ফলত কলেজ কৰ্তৃপক্ষই তেওঁক আৰু কেইবাজনো ছাত্ৰক কলেজৰ পৰা বহিষ্কাৰ কৰে। এওঁলোকে বিপ্লৱী সংগঠন কৰিছিল। ১৯৩৩ চনত শ্ৰীনলেজ

কেন্দ্ৰত ডকাইতি কৰা অপৰাধত গ্ৰেপ্তাৰ হয় আৰু ১৯৩৮ চনলৈকে জেলত থাকিবলগীয়া হয়। ১৯৩৮ চনত কংগ্ৰেছ সংযুক্ত মন্ত্ৰী সভা গঠন হোৱাৰ সময়ত তেওঁ মুক্ত হয়। পুনৰ তেওঁক কেইবাবাৰো বিপ্লৱী কাৰ্যত অংশ গ্ৰহণ কৰা বাবে গ্ৰেপ্তাৰ কৰে। ১৯৪৭ চনত দেশ স্বাধীন হোৱা সময়ত তেওঁ মুক্ত হয়।

দ্বীপেন্দ্ৰ নাথ দাসগুপ্ত :

কাছাৰ। পিতৃ দয়াময় দাসগুপ্ত। ১৯৩০ চনত কংগ্ৰেছৰ আন্দোলনত যোগ দিছিল। বিহাৰৰ ৰামগড় অধিবেশনত যোগদান কৰিছিল। যুগান্তৰ দলৰ এজন সক্ৰিয় কৰ্মী আছিল। শিৱসাগৰত গ্ৰেপ্তাৰ হয় আৰু গাঁৱত অন্তৰীণ কৰি ৰাখে। সেই আইন ভঙ্গ কৰি ১৯৪৫ চনলৈকে পলাতক হিচাপে বিভিন্ন ধ্বংসাত্মক কামৰ লগত জড়িত আছিল। ১৯৮৬ চনত মৃত্যু হয়।

দ্বাৰিকা নাথ গোস্বামী :

১৯৩০ চনত কলেজ বৰ্জন কৰে। কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত চিলেট জিলাত দমন নীতিৰ প্ৰতিবাদ কৰে। বিভিন্ন আন্দোলনৰ সক্ৰিয় কৰ্মী থকা বাবে ১৯৩১ চনৰ মে মাহত গ্ৰেপ্তাৰ কৰি ৬ মাহ জেল আৰু ২০০ টকা জৰিমনা কৰে। তাৰ পিছত আকৌ ১ মাহ ফাটেকৰ হুকুম হয়। পলাতক অৱস্থাত থাকি ধৰা দিয়া নাছিল। ১৯৩২ চনত গ্ৰেপ্তাৰ হয় আৰু ১ বছৰ জেল হয়। বিপ্লৱী দলতো যোগদান কৰিছিল। ১৯৮৮ চনত মৃত্যু হয়।

দেবেন্দ্ৰ নাথ চৌধুৰী :

১৯২১ চনত কলেজ এৰি অসহযোগ আন্দোলনত যোগদান কৰে। তাৰ পিছত বিদ্যাশ্ৰমত খাদী গ্ৰামোদ্যোগৰ কামত আত্মনিয়োগ কৰে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত জাতীয় পতাকা উত্তোলন, শোভাযাত্ৰা, সভা আদি সংগঠন কৰিছিল। ১৯৩২ চনৰ আন্দোলন, ১৯৪০ চনৰ সত্যাগ্ৰহ, '৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৮৪ চনত মৃত্যু হয়। এজন খাদী কৰ্মকৰ্তা আছিল।

দেবেন্দ্ৰ কুমাৰ শ্যাম :

পিতৃ দ্বাৰিকানাথ শ্যাম। তেওঁ কানিংহাম চাৰ্কুলাৰৰ প্ৰচলনৰ

প্ৰতিবাদত কলেজ ত্যাগ কৰে। ১৯৩০-৩২ চনৰ আন্দোলনত ৬ মাহ ফাটেক হয়। ১৯৪০ চনৰ ব্যক্তিগত সত্যাগ্ৰহত গ্ৰেপ্তাৰ হৈ এদিন কাৰাবাস কৰে। ১৯৪২ চনৰ আন্দোলনতো তেওঁক গ্ৰেপ্তাৰ কৰি আটক বন্দী কৰি ৰাখিছিল।

ধীৰেন্দ্ৰ সৰকাৰ (ৰয়) :

১৯২১ চনৰ পৰা কংগ্ৰেছত যোগদান কৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত গ্ৰেপ্তাৰ হয় আৰু ৯ মাহ জেল খাটে। মুক্ত হোৱাৰ পিছত তেওঁক কৰিমগঞ্জ নগৰৰ পৰা বহিষ্কাৰ কৰে। পিছত তেওঁ বিদ্যাশ্ৰমত কৰ্মী হিচাপে কাম কৰে। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে। ১৯৬২ চনত মৃত্যু হয়।

ধীৰেন্দ্ৰ চন্দ্ৰ দত্ত :

/ ঘৰ কৰিমগঞ্জত। পিতৃ শৰৎ চন্দ্ৰ দত্ত। ১৯২১ চনত কলিকতাত কলেজ এৰি আহি মৰিচাচ কলেজত মিটিং কৰি কলেজ বৰ্জন কৰি আন্দোলনত নেতৃত্ব কৰে। তেখেতৰ নেতৃত্বত হাইস্কুলৰ ছাত্ৰসকল স্কুল এৰি ওলাই আহিছিল। চৰকাৰৰ দমন নীতিৰ বিৰুদ্ধে শোভাযাত্ৰা কৰিছিল। তেখেতে এটা 'নেচনেল স্কুল' স্থাপন কৰিছিল। বিভিন্ন গঠনমূলক কামৰ লগত জড়িত আছিল। ১৯৩০ চনত ৪ মাহ জেল হয়। ১৯৩২ আৰু ৪১/৪২ চনৰ গণ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৮২ চনত মৃত্যু হয়।

ডাঃ নগেন্দ্ৰ নাথ দত্ত :

শিলচৰ। ১৯২১ চনৰ আগষ্ট মাহত গান্ধীজী শিলচৰলৈ যাওঁতে অভ্যৰ্থনাৰ আয়োজন কৰিছিল। ১৯২২ চনত গ্ৰেপ্তাৰ কৰি ১০০ টকা জৰিমনা কৰে। জৰিমনা অনাদায়ত ১ মাহ ফাটেক হয়। গান্ধীজীৰ গ্ৰেপ্তাৰৰ পিছত বিভিন্ন ঠাইৰ সভা-সমিতিৰ আহ্বান কৰিছিল। ১৯৩২ চনৰ আন্দোলনতো জড়িত আছিল। গান্ধীজীৰ গঠনমূলক কামত সক্ৰিয় সহযোগ কৰিছিল। ১৯৮০ চনত মৃত্যু হয়।

নৰেশ নন্দিনী দত্ত :

ঘৰ শিলচৰত। ১৯৩৩ চনৰ পৰা আন্দোলনৰ লগত জড়িত হৈ পৰে। বিভিন্ন সাংগঠনিক কামত জড়িত আছিল। ১৯৩৩ চনত

২ বছৰ জেল হৈছিল। ১৯৪১-৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰা বাৰে ১৯৪৩ চনৰ চেপ্তেম্বৰ মাহত গ্ৰেপ্তাৰ কৰি চিকুৰিটি প্ৰিজনাৰ হিচাপে আবদ্ধ কৰি ৰাখে। স্বাস্থ্যজনিত কাৰণত ১৯৪৪ চনৰ জুলাই মাহত জামিন দি পুনৰ ১৯৪৪ চনৰ চেপ্তেম্বৰত গ্ৰেপ্তাৰ কৰি ৯ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। বিভিন্ন মহিলা সংগঠন আৰু গঠন-মূলক কামৰ লগত জড়িত আছিল। গুপ্ত সংগঠনৰ লগতো জড়িত আছিল। ১৯৮৮ চনত মৃত্যু হয়।

নলিনী কুমাৰ গুপ্ত :

কৰিমগঞ্জত ঘৰ। পিতৃ কিশোৰ গুপ্ত। ১৯২১ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগদান কৰে। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩২ চনত ৬ মাহ জেল আৰু ২৫ টকা জৰিমনা, অনাদায়ত ১ মাহ কাৰাদণ্ড খাটে। ১৯৪৪ চনত স্কুলবোৰ্ড প্ৰাৰ্থকত যোগদান কৰে আৰু ১৯৪২ চনত ঘৰৰ ভিতৰতে অন্তৰীণৰ নিৰ্দেশ দিয়ে। ১৯৪৪ চনত উক্ত নিৰ্দেশ বাতিল কৰে। ১৯৮৮ চনত মৃত্যু হয়।

নচিৰুদ্দিন আলি :

শিলচৰৰ লক্ষীপুৰত আলিৰ জন্ম হয়। পিতৃ মুন্সি নবাব আলি। ১৯২১ চনত খিলাফৎ আন্দোলনত যোগ দিয়ে। ১৯২২ চনত তেওঁৰ ছমাহৰ কাৰাদণ্ড হয়। ১৯২২ চনৰ পৰা তেওঁ কংগ্ৰেছ দলত যোগ দিছিল। ১৯৩০-৩১ চনতো কংগ্ৰেছৰ লগত সহযোগ কৰিছিল।

পবিত্ৰ কুমাৰ পাল :

ঘৰ কৰিমগঞ্জৰ লক্ষীবাজাৰত। পিতৃ প্ৰাণকৃষ্ণ পাল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৩৪০ টকা জৰি-মনা আৰু ৪মাহ কাৰাদণ্ড হয়। ১৯৩২ চনৰ আন্দোলনতো যোগদান কৰিছিল। ১৯৩৪ চনৰ পৰা গান্ধীজীৰ গঠনমূলক কামত আত্ম-নিয়োগ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত তেওঁ পলাতক কৰ্মী হিচাপে কাম কৰিছিল। ১৯৮৬ চনত তেওঁৰ মৃত্যু হয়।

পবিত্ৰ চন্দ্ৰ পাল :

জন্ম কৰিমগঞ্জত। পিতৃ বৈকুণ্ঠ পাল। ১৯৩০ চনত কংগ্ৰেছত

যোগ দিয়ে। ১৯৩২ চনত গ্রেপ্তাৰ কৰি ছমাহ ফাটেক দিয়ে। তেওঁক ৩০ টকা জৰিমনা কৰিছিল। জৰিমনা অনাদায়ত তিনিমাহ ফাটেক দিয়ে। জেলৰ পৰা মুক্ত হৈ গান্ধীজীৰ অস্পৃশ্যতা বর্জন, বিদেশী বস্ত্র বর্জন আৰু অন্যান্য গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৪১ চনত সত্যাগ্রহ আন্দোলনত যোগদান কৰিছিল। ১৯৪২ চনত তেওঁ আন্দোলনত যোগ দি ৬ মাহ কাৰাদণ্ড ভোগে। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

প্রফুল্ল ৰঞ্জন ঘোষ:

কাছাৰ। পিতৃ ললিতমোহন ঘোষ। তেওঁ অনুশীলন বিপ্লবী দলৰ সদস্য আছিল। পলাতক হিচাপে বিভিন্ন ৰেল ডকাইতি ইত্যাদিৰ লগত জড়িত আছিল। ঢাকাত গ্রেপ্তাৰ কৰি তাতে দুবছৰ ফাটেক দিয়ে। ঢাকাৰ পৰা মান্দালয় আৰু পিছত কলিকতা জেললৈ অনা হয়। ১৯৪৫ চনত জেলৰ পৰা খালাচ পায়। ১৯৮৬ চনত মৃত্যু হয়।

প্রমোদৰ জৈনশ্যাম:

লক্ষী বাজাৰ, কাছাৰ। পিতৃ প্রসন্ন জৈন শ্যাম। ১৯২১-২২ চনত আন্দোলনত যোগদান কৰি গ্রেপ্তাৰ হয় আৰু তেওঁক ৬ মাহ জেল দিয়ে। তেওঁ কংগ্রেছৰ বিভিন্ন আন্দোলনত যোগদান কৰিছিল আৰু নির্যাতন ভোগ কৰিছিল।

পুর্ণেন্দু কিশোৰ সেনগুপ্ত:

পিতৃ শ্যামকিশোৰ সেনগুপ্ত। ১৯৩০-৩২ চনৰ পৰা তেওঁ কংগ্রেছী আন্দোলনত যোগ দিয়ে। তেওঁ বিশেষকৈ চাহ শ্রমিক সংগঠনৰ কাম কৰিছিল। ১৯৩০ চনত তেওঁ জাতীয় পতাকা উত্তোলন, শোভাযাত্রা, সংগঠন উলিওৱা আদি কামত যোগ দিছিল। ১৯৩১ চনত কংগ্রেছৰ স্বেচ্ছাসেৱক সংগঠনত নামি পৰিছিল। সেই চনত তেওঁক ৬ মাহ ফাটেক আৰু ২৫ টকা জৰিমনা কৰে। জৰিমনা অনাদায়ে আৰু ২ মাহ ফাটেক হয়। তাৰ পিছত আকৌ ১৯৩২ চনৰ আন্দোলনত অংশ গ্রহণ কৰে। ১৯৩৩ চনত তেওঁক গ্রেপ্তাৰ কৰি ১০০ টকা জৰিমনা কৰে আৰু অনাদায়ে ২ মাহ ফাটেক হয়। এজন গান্ধীবাদী লোক আছিল। কংগ্রেছৰ গঠনমূলক

ক্ষামত তেওঁৰ বিশ্বাস আছিল। তেওঁ বিদ্যাশ্ৰম নামে এটি খাদী কেন্দ্ৰ স্থাপন কৰিছিল। ১৯৪২ চনৰ পৰা ১৯৪৫ চনলৈকে তেওঁক আটক বন্দী হিচাপে ৰাখে। মুক্তিৰ পিছত তেওঁ বনুৱা আন্দোলন আৰু খাদী গ্ৰামোদ্যোগৰ কাম কৰিছিল। ১৯৭৪ চনত মৃত্যু হয়।

প্ৰফুল্ল জৈন ৰায়ঃ

কৰিমগঞ্জৰ প্ৰকাশ ৰয়ৰ পুত্ৰ। এওঁ ১৯০৫-০৬ চনত স্বদেশী আন্দোলনত যোগদান কৰিছিল। তেওঁ ১৯১৩ চনত বোমা ষড়যন্ত্ৰ গোচৰত গ্ৰেপ্তাৰ হয় আৰু পিছত যাবজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত হয়। ১২ বছৰ জেলত থাকি তেওঁৰ মুক্তি হয়। ১৯৫২ চনত তেওঁৰ মৃত্যু হয়।

বসন্ত কুমাৰ দাস:

শিলচৰ। পিতৃ এচ দাস। ১৯২১ চনৰ কংগ্ৰেছৰ আন্দোলনত যোগদান কৰিছিল। ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱ অনুসৰি অসম কাউন্সিলৰ ক্ষামৰ পৰা পদত্যাগ কৰে। গাঁৱে গাঁৱে স্বেচ্ছাসেৱী সংগঠন আৰু বিদেশী বস্ত্ৰ বৰ্জনৰ কাম আৰম্ভ কৰিছিল। লোণ অমান্য আন্দোলনৰ কাৰণে স্বেচ্ছাসেৱক পঠাইছিল। ১৯৩০ চনত ২ বছৰ ছমাহ সশ্ৰম কাৰাদণ্ড বহিছিল। ১৯৩৭ চনত অসম বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হয় আৰু ১৯৪৪ চনৰ পৰা দেশ বিভাজনৰ আগলৈকে অসমৰ গৃহমন্ত্ৰী আছিল। ১৯৮৫ চনত মৃত্যু হয়।

বৃন্দা চমাৰ:

কৰিমগঞ্জ। পিতৃ শ্যামৰাম চমাৰ। বাগানৰ শ্ৰমিক আন্দোলন সম্পৰ্কত গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। তেওঁক ১ বছৰ ক্ষাটেক দিয়ে আৰু ১০০ টকা জামিনদাৰত মুক্তি দিয়াৰ পিছত তেওঁক ইনট্ৰিম কৰি ৰাখে আৰু কৰিমগঞ্জৰ পৰা নিজৰ ঠাইলৈ পঠাই দিয়ে।

বিশ্বেশ্বৰ ৰায়ঃ

কৰিমগঞ্জৰ বিহাৰীজাল ৰায়ৰ পুত্ৰ। ১৯৩০ চনত তেওঁৰ তিনি মাহ ক্ষাটেক হয় আৰু ৫০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত ডেৰমাহ ক্ষাটেক হয়। তেওঁ ১৯৩৪ চনত অস্পৃশ্যতা বৰ্জন, মাদক

দ্ৰব্য নিবাৰণ, খাদী কেন্দ্ৰ স্থাপন আদি কামত আত্মনিয়োগ কৰিছিল। ১৯৪১ চনত সত্যাগ্ৰহ আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। ১৯৮৭ চনত তেওঁৰ মৃত্যু হয়।

বীৰেন্দ্ৰ পুৰকায়স্থ :

জন্ম শিলচৰত। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন, স্বাধীনতাৰ শোভাযাত্ৰা আদি কাৰ্য কৰে। ১৯৩২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰাৰ উপৰি ১৯৪২ চনৰ আন্দোলনতো যোগ দিছিল।

ব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰী :

পিতৃ ৰসময় নাৰায়ণ চৌধুৰী। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় সহায় আগবঢ়াইছিল। ১৯৩০ চনৰ আন্দোলনতো নেতৃত্ব কৰিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত জাতীয় পতাকা উত্তোলন আৰু আইন অমান্য আন্দোলন আৰু স্বেচ্ছাসেৱী সংগঠন কৰিছিল। ১৯৩৭ চনৰ ৩ মেত গ্ৰেপ্তাৰ হয়। বিচাৰ কৰি ২ বছৰ কাটেক দিয়ে। আকৌ ১৯৩২ চনৰ আন্দোলনত তেওঁক ২ বছৰ ৬ মাহ কাটেক দিছিল। তেওঁ ১৯৪১ চনত আৰু ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় বৰঙণি আগবঢ়াইছিল। ১৯৭২ চনত মৃত্যু হয়।

বীৰেন্দ্ৰ চন্দ্ৰ সেন :

কাছাৰৰ চুনপাৰাৰ বিলাস সেনৰ পুত্ৰ। ১৯০৬ চনত আলিপুৰত বোমা বিস্ফোৰণ ঘটনাত গ্ৰেপ্তাৰ হয়। দীৰ্ঘদিন হাজোতত থকাৰ পিছত ৭ বছৰ সশ্ৰম কাৰাদণ্ড হয়। ১৯১৬ চনত মুক্তি লাভ কৰাৰ পিছতে ঘৰতে তেওঁক নজৰ বন্দী কৰি ৰাখে। ১৯২১ চনত অসহযোগ আৰু খিলাফৎ আন্দোলনত অংশ গ্ৰহণ কৰিছিল। তেওঁ আঞ্চলিক কংগ্ৰেছ কাৰ্যালয়ৰ সম্পাদক হয়। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন, শোভাযাত্ৰা সংগঠন আদিৰ কাম কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। ১৯৬২ চনত তেওঁৰ মৃত্যু হয়।

মনজয় নন্দী :

জন্ম কৰিমগঞ্জত। এওঁ অনুকুলৰ বিপ্লৱী দলৰ এজন কৰ্মী আছিল। ১৯৪৩ চনত তেওঁক বন্দী কৰি দ্বীপান্তৰ কৰে।

মুহিম ৰঞ্জন দাস :

কৰিমগঞ্জ। ১৯২১ চনৰ আন্দোলনত যোগদান কৰে। ১৯২২ চনত গ্ৰেপ্তাৰ হৈ ৬ মাহ স্কাটেক হয়। ১০০ টকা জৰিমনা আদায় নিদিয়াত আৰু ১ মাহ স্কাটেক খাটে। কংগ্ৰেছৰ বিভিন্ন গঠনমূলক সংগঠনৰ লগত জড়িত আছিল। ১৯৮৮ চনত মৃত্যু হয়।

মোহিশ ৰঞ্জন দত্ত :

কৰিমগঞ্জ। পিতৃ শ্যামচৰণ দত্ত। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰিছিল।

মোহিনী ৰঞ্জন চক্ৰবৰ্তী :

হাইলাকান্দিত ঘৰ। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯২৮ চনত বিপ্লবী অনুশীলন দলত যোগদান কৰে। তাৰ পিছত বিভিন্ন বিপ্লবী কাৰ্যত জড়িত আছিল। ঢাকাৰ মেডিকেল কলেজত পঢ়ি থকা অৱস্থাত বঙ্গদেশৰ পৰা বহিষ্কাৰ কৰে। পুনৰ আটক বন্দী হিচাপে প্ৰায় ৫ বছৰ ৰাখে।

মৃণালী কান্তি ৰয় :

কৰিমগঞ্জ। ১৯৩০ চনৰ আন্দোলনত যোগ দিয়া বাবে তেওঁক গ্ৰেপ্তাৰ কৰি ৬ মাহ স্কাটেক দিয়ে। '৪২ৰ আন্দোলনতো গ্ৰেপ্তাৰ হৈ ৬ মাহ স্কাটেক খাটে। জেলৰ পৰা মুক্ত হৈ মাদকদ্ৰব্য নিবাৰণ, অস্পৃশ্যতা বৰ্জন আৰু খাদী কামত আত্মনিয়োগ কৰে। ১৯৪২ চনৰ আন্দোলনতো তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৮৮ চনত মৃত্যু হয়।

মোজাম্মিল আলি :

কৰিমগঞ্জ। ১৯২১ চনৰ আন্দোলন আৰু খিলাফৎ আন্দোলনত যোগদান কৰে। ১৯২২ চনত ছমাহ জেল হয়। এওঁ ১৯৮২ চনত মৃত্যু বৰণ কৰে।

মৌলবী মাহাতিল :

১৯২১ চনত অসহযোগ আৰু খিলাফৎ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনত যোগদান

কৰে। ১৯৩২ চনত ৭ মাহ ১৫ দিন জেল হয়। ১৯৪২ চনতো কংগ্ৰেছৰ আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

যতীন্দ্ৰ ভদ্ৰ :

শিলচৰ। পিতৃ জয় নাৰায়ণ। ১৯২১ চনৰ আন্দোলনত যোগদান কৰে। তেওঁ খাদী আৰু স্বদেশী আন্দোলনৰ প্ৰচাৰ কৰিছিল। ১৯২২ চনত তেওঁক গ্ৰেপ্তাৰ কৰি ৬ মাহ ফাটেক দিয়ে। ৫০০ টকা জৰিমনা কৰে। অনাদায়ে ১ মাহ বেছি ফাটেক খাটে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধীনতাৰ পতাকা উত্তোলন কৰিছিল। ১৯৩২ চনত দুবছৰ ফাটেক আৰু ১০০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত আৰু ২ মাহ ফাটেক হয়। ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হয় আৰু ১৯৪৪ চনলৈকে জেলত আবদ্ধ কৰি ৰাখে। ১৯৩৭ চনত অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। ১৯৭৫ চনত মৃত্যু হয়।

ৰহামিয়া মুকিত :

ঘৰ কৰিমগঞ্জত। ১৯২২ চনত তিনিমাহ জেল হয়। তাৰ পাছত ১৯৩০ চনলৈকে কংগ্ৰেছৰ বিভিন্ন কামত আত্মনিয়োগ কৰিছিল। খিলাফৎ আন্দোলনৰ কৰ্মী হিচাপে তেওঁ হিন্দু মুছলিম ঐক্যৰ হকে কাম কৰিছিল।

ৰমেন্দ্ৰ সুন্দৰ পোদ্দাৰ :

পিতৃ ৰমেশ চন্দ্ৰ পোদ্দাৰ। ১৯৩০ চনৰ আইন অমান্য আন্দোলনৰ লগত জড়িত আছিল। তেওঁৰ ১৬,১৩৫ টকাৰ সম্পত্তি বৃটিচ চৰকাৰে বাজেয়াপ্ত কৰে। পিছত তেওঁ গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰে। বিদ্যালয়ৰ কৰ্মী হিচাপে কাম কৰে। ১৯৮৪ চনত তেওঁৰ মৃত্যু হয়।

ৰাজাচৰণ ভোৰা :

গোৰ্খা সংঘৰ হাবিলদাৰ আছিল। ১৯২১ চনত আন্দোলনত যোগদান কৰে আৰু জুনত পিকেটিং কৰা বাবে তেওঁৰ সকলো সম্পত্তি বাজেয়াপ্ত কৰে আৰু পেঞ্চন বন্ধ কৰে। তেওঁ এজন সক্ৰিয় কংগ্ৰেছ কৰ্মী আছিল। ১৯৮২ চনত তেওঁৰ মৃত্যু হয়।

ৰামকমল নাথ :

জন্ম কৰিমগঞ্জত। ১৯২১ চনত কংগ্ৰেছত যোগ দিছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰা বাবে ৬ মাহ ফাটেক হয়। ১৯৩২ চনতো তেওঁৰ ৮ মাহ ১৫ দিন ফাটেক হয়। ইয়াৰ পিছত তেওঁ কৰিমগঞ্জত বনুৱা সংগঠনৰ কামত জড়িত আছিল। ১৯৪১ চনত ব্যক্তিগত সত্যাগ্ৰহতো তেওঁ যোগদান কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত তেওঁ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পিছত তেওঁ গান্ধীজীৰ গঠনমূলক কামত জড়িত হৈ পৰিছিল।

ৰাখাল ৰঞ্জন সোম :

ঘৰ শিলচৰত। পিতৃ ৰামগোপাল সোম। ১৯৩০ চনৰ অসহযোগ আন্দোলনত যোগ দিয়া বাবে ৩০ টকা জৰিমনা হয়। অনাদায়ে ১ মাহ ফাটেক খাটে। তেওঁক পুনৰ গ্ৰেপ্তাৰ কৰি ৪ মাহ জেল দিয়ে। ১৯৩২ চনৰ আন্দোলনতো তেওঁ অংশ গ্ৰহণ কৰি জেল খাটিছিল। ১৯৪১-৪২ চনৰ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল।

ৰাজেন্দ্ৰ অধিকাৰী :

কৰিমগঞ্জত ঘৰ। পিতৃ কুঞ্জবিহাৰী অধিকাৰী। ১৯২১ চনত কংগ্ৰেছত যোগদান কৰিছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনত তিনিমাহ জেল হয়। ১৯৪১-৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৮০ চনত মৃত্যু বৰণ কৰে।

ৰাধাকৃষ্ণ পাণ্ডে :

১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। স্কুল এৰি অহা ছাত্ৰসকলৰ কাৰণে শিলচৰত এখন জাতীয় স্কুল স্থাপন কৰে। তেওঁ ১৯২২ চনত গ্ৰেপ্তাৰ হয় আৰু এহেজাৰ টকাৰ দুটা জামিনদাৰ দিবলৈ অস্বীকাৰ কৰাত এক বছৰ কাৰাদণ্ড হয়। ১৯৮২ চনত মৃত্যু হয়।

লীলা দত্ত :

শিলচৰ। পিতৃ প্ৰবোধ দত্ত। ১৯৩০ চনৰ পৰা কংগ্ৰেছৰ আন্দোলনত মহিলা সংগঠন আৰু গঠনমূলক কেন্দ্ৰ স্থাপনত আত্মনিয়োগ

কৰিছিল। ১৯৪২ চনত গ্ৰেপ্তাৰ কৰি আটক বন্দী হিচাপে জেলত আৱদ্ধ কৰি ৰাখে। বহুতো সমাজসেৱী আৰু নাৰী কল্যাণ অনুষ্ঠানৰ লগত জড়িত আছিল। বিপ্লৱী আন্দোলনৰ লগতো জড়িত আছিল।

শৈলজা মোহন পুৰকায়স্থ :

পিতৃ মনবল্লী মোহন পুৰকায়স্থ। ১৯৩০ চনত তেওঁ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু ফলস্বৰূপে ৬ মাহ ফাটেক আৰু ৫০ টকা জৰিমনা হয়। ১৯৩২ চনৰ আন্দোলনতো তেওঁ যোগদান কৰিছিল। ১৯৩৪ চনৰ পৰা অস্পৃশ্যতা বৰ্জন, মাদক দ্ৰব্য বৰ্জন আদি কামত আত্মনিয়োগ কৰিছিল। ১৯৪১-৪২ চনত তেওঁ কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰে। ১৯৮২ চনত মৃত্যু হয়।

শচীন্দ্ৰ ৰায় চৌধুৰী :

হাইলাকান্দি। ১৯২১ চনৰ পৰা স্বদেশী আন্দোলনত যোগ দিয়ে। তাৰ পিছত বিপ্লৱী দলৰ লগতো সহযোগ ৰক্ষা কৰিছিল। ১৯৩০ ৰ পৰা ৪ বছৰ জেলত থাকিব লগা হৈছিল। এবছৰ ট্ৰায়েল প্ৰিজনাৰ হিচাপে আছিল। শ্বিলঙৰ জেলত কিছুদিন থকাৰ পিছত ৫ বছৰ ৬ মাহ অন্তৰীণ বন্দী হিচাপে থাকে। চাহ বনুৱাৰ ধৰ্মঘট সম্পৰ্কত ১৯৪৪ চনত নোৱাখালিত মহাত্মাৰ লগ ধৰি বিভিন্ন ৰাজহুৱা কামত আত্মনিয়োগ কৰিছিল। ১৯৮৫ চনত মৃত্যু হয়।

শিৰিশ চন্দ্ৰ দত্ত :

কৰিমগঞ্জ। ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱ অনুসৰি অসম বিধান সভাৰ সদস্য পদ ত্যাগ কৰে। ১৯৩০ চনৰ ২ জানুৱাৰীত পতাকা উত্তোলন কৰে আৰু ৰাজহুৱা সভাত বক্তৃতা দিয়া অপৰাধত গ্ৰেপ্তাৰ কৰে যদিও পিছত এৰি দিয়ে। ১৯৪০ চনত সত্যাগ্ৰহ আন্দোলন আৰু ১৯৪২ চনৰ গণ আন্দোলনতো যোগদান কৰিছিল। ১৯৮৮ চনত মৃত্যু হয়।

শ্যাম চৰণ দেৱ :

তাৰাপুৰ, শিলচৰ। পিতৃ হৰিশ্চন্দ্ৰ দেৱ। ১৯২১ চনত তেওঁ অসহযোগ আন্দোলনত যোগদান কৰে। কংগ্ৰেছৰ সংগঠনৰ কাৰণে ১৯২২ চনত ৯ মাহ ফাটেক দিয়ে। ১৯৩০ চনত শিলচৰ জিলা

কংগ্ৰেছৰ সভাপতি হয়। ১৯৩১ চনৰ ২৬ জানুৱাৰীত জাতীয় পতাকা উত্তোলন কৰে। কংগ্ৰেছ অফিচ খানাতালাচ কৰি তেখেতক ৬ মাহ ফাটেক দিয়ে। ১৯৪২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮০ চনত মৃত্যু হয়।

শিৱেন্দ্ৰ চন্দ্ৰ বিশ্বাস:

কৰিমগঞ্জত ঘৰ। পিতৃ মধ্যাচৰণ বিশ্বাস। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। এবছৰ ফাটেক হয়। ১৯২২ চনৰ ১৩।২।২২ তাৰিখে আটক হয় আৰু ২ মাহ হাজোতত থাকে। বিচাৰত ১ বছৰ ফাটেক হয়। ১৪৪ ধাৰা ভঙ্গ কৰা অপৰাধত গ্ৰেপ্তাৰ হৈছিল। ১৯৩০-৩২ চনৰ আন্দোলনত কৰিমগঞ্জত সংগঠন আৰু সভা সমিতি গঠন কৰিছিল। জিলা কংগ্ৰেছৰ সভাপতি আছিল। ১৯৩০ চনৰ মে মাহত গ্ৰেপ্তাৰ হৈ এবছৰ ফাটেক খাটে। ১৯৩২ চনত পুনৰ ১ বছৰ ৬ মাহ আৰু ১৯৪২ চনত ৯ মাহ ফাটেক খাটে। দুৰাৰোগ্য ৰোগৰ বাবে ম্যাদ শেষ হোৱাৰ আগতে এৰি দিয়ে। ১৯৬০ চনত মৃত্যু হয়।

সৌদামিণি পাল:

জন্ম শিলচৰত। ১৯৩০ চনত পিকেটিং কৰি ৬ মাহ জেল খাটে। ১৯৩২ চনৰ আন্দোলনত তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩৩ চনৰ পৰা তেখেতে অস্পৃশ্যতা বৰ্জন, হিন্দু-মুছলিম ঐক্য আৰু গান্ধীজীৰ গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। তেওঁৰ নেতৃত্বত কেইবাটাও মহিলা সংগঠন গঢ়িছিল। তেওঁ ১৯৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল। ১৯৮৬ চনত তেওঁৰ মৃত্যু হয়।

সত্যেন্দ্ৰ ৰায়:

হাইলাকান্দিৰ নগেন চন্দ্ৰ ৰায়ৰ পুত্ৰ। ১৯০৫ চনত বৰ্ণবিচ্ছেদ আৰু স্বদেশী আন্দোলনত যোগ দিছিল। পিছত বিপ্লৱী অনুশীলন সমিতিৰ সভ্য হিচাপে কাম কৰিছিল। ১৯১৬ চনৰ পৰা ১৯১৯ চনলৈ তেওঁ জেলত আবদ্ধ হৈ থাকে। ১৯২১ চনত আইন অমান্য আন্দোলনত যোগদান কৰি জেল হাজোতত আছিল। পিছত বিপ্লৱী দলত যোগদান কৰা বাবে কেবাৰচৰো জেল হৈছিল। ১৯৭২ চনত তেওঁৰ মৃত্যু হয়।

সতীশ চন্দ্ৰ দত্ত :

কৰিমগঞ্জ। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰি-ছিল। বিভিন্ন ঠাইত বক্তৃতা দি আৰু সংগঠনৰ কাপে গ্ৰেপ্তাৰ হৈ ১ বছৰ কাৰাদণ্ড ভোগ কৰে। ১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱ অনুসৰি বিধান সভাৰ সদস্য পদ ত্যাগ কৰে। ১৯৩২ চনৰ আন্দোলন, ১৯৪১-৪২ চনৰ আন্দোলনতো অংশ গ্ৰহণ কৰি বিভিন্ন নিৰ্যাতনৰ বলি হৈছিল। ১৯৩৭ চনত বিধান সভাৰ সদস্য আছিল। ১৯৮২ চনত মৃত্যু হয়।

সতীন্দ্ৰ মোহন দেব :

শিলচৰ। পিতৃ কামিমোহন দেব। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰি খিলাফৎ আন্দোলন সংগঠন কৰিছিল। ১৯২২ চনত ৪ মাহ জেল হয়। ১৯৩০ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ছমাহ ফাটেক খাটে। ১৯৩২ চনৰ আন্দোলনতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ অসম বিধান সভাৰ সদস্য আছিল। শিলচৰ পৌৰ সভাৰ সভাপতি হৈছিল। ১৯৮৪ চনত মৃত্যু হয়।

সৰলা দেৱী :

ঘৰ শিলচৰত। পিতৃ জগৎচন্দ্ৰ দেব। ১৯৩০ চনৰ আন্দোলনত বিভিন্ন সভা সমিতি পাতি মহিলা সংগঠন কৰিছিল। খাদী উৎপাদনৰ কেন্দ্ৰ স্থাপন কৰিছিল। বিদেশী বস্ত্ৰ বৰ্জন আন্দোলনত পিকেটিং আদি কৰিছিল। ১৯৩২ চনৰ নৱেম্বৰত গ্ৰেপ্তাৰ কৰি ১ বছৰ কাৰা-দণ্ড আৰু এশ টকা জৰিমনা অনাদায়ত তিনিমাহ অধিক ফাটেক হয়। ১৯৪১ চনত সত্যাগ্ৰহ কৰা কাৰণে ৫০০ টকা জৰিমনা অনাদায়ত দায়ত ৩ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। ১৯৪২ চনৰ আন্দোলনত এটা শোভাযাত্ৰাৰ নেতৃত্ব কৰা বাবে ১৯৪৩ চনৰ মে মাহত গ্ৰেপ্তাৰ কৰি ৯ মাহ জেলত দিয়ে। কিন্তু জেলৰ ম্যাদ শেষ হোৱাত জেলৰ গেটতে পুনৰ এৰেষ্ট কৰি আটক বন্দী হিচাপে ১৯৪৪ চনলৈ আবদ্ধ কৰি ৰাখে। তেওঁ এগৰাকী সমাজসেৱী আছিল। মহিলা সংগঠনৰ নেতৃত্ব কৰিছিল। ১৯৮৫ চনত মৃত্যু হয়।

সৰলা সুন্দৰী দেৱী :

স্বামী—ৰমণীমোহন চক্ৰৱৰ্তী। ১৯৩০ চনৰ আইন অমান্য

আন্দোলনত সক্রিয় অংশ গ্ৰহণ কৰে। হাইলাকান্দি মহকুমাত ৰাষ্ট্ৰ সংগঠন, বিদেশী বস্ত্ৰ বৰ্জন আদি সংগঠন কৰিছিল। ১৯৩০ চনত গ্ৰেপ্তাৰ কৰি ১ বছৰ ৬ মাহ সশ্ৰম কাৰাদণ্ড দিয়ে। ১৯৩২, ১৯৪১-৪২ চনৰ আন্দোলনতো তেখেতে অংশ গ্ৰহণ কৰিছিল আৰু পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল। বিভিন্ন সেৱা সংঘ আৰু মহিলা সংগঠনত আগভাগ লৈছিল। ১৯৮৩ চনত মৃত্যু হয়।

সুৰেশ চন্দ্ৰ বিশ্বাস :

হাইলাকান্দি। পিতৃ ভৰতচন্দ্ৰ বিশ্বাস। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত বক্তৃতা দিয়া অপৰাধত গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখি এৰি দিয়ে। পুনৰ জুন মাহত গ্ৰেপ্তাৰ কৰে। ১৯৩২ চনৰ আন্দোলনত ৬ মাহ ফাটেক হয়। ১৯৪২ চনৰ আন্দোলনত এবছৰ ফাটেক দিয়ে আৰু ২০০ টকা জৰিমনা আদায় নিদিয়াত অধিক ৬ মাহ জেল খাটে। ১৪৪ ধাৰা ভঙাৰ অপৰাধত পুনৰ গ্ৰেপ্তাৰ হৈছিল। ১৯৮৫ চনত মৃত্যু হয়।

সুৰেশ চন্দ্ৰ দেৱ :

কৰিমগঞ্জ। পিতৃ তাৰানাথ দেৱ। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰি এপ্ৰিল মাহত গ্ৰেপ্তাৰ কৰি ১০০ টকা জৰিমনা কৰে। অনাদায়ে এমাহ ফাটেক হয়। ১৯২২ চনৰ চেপ্তেম্বৰ মাহত গ্ৰেপ্তাৰ কৰি তিনিমাহ ফাটেক দিয়ে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত স্বাধীনতাৰ পতাকা উত্তোলন কৰিছিল। কৰিমগঞ্জত কংগ্ৰেছ কমিটি সংগঠনৰ কাৰণে গাঁৱে গাঁৱে ঘূৰি ফুৰিছিল। পুনৰ তেওঁক গ্ৰেপ্তাৰ কৰি ২০০ টকা জৰিমনা কৰে। অনাদায়ত ৬ মাহ ফাটেক খাটে। ১৯৩২ চনতো ৯ মাহ ফাটেক দিয়ে। সুৰমা উপত্যকাত চাহ বাগানৰ বনুৱা সংগঠনৰ কাম কৰিছিল। উৰাত চাহ শ্ৰমিকৰ সংঘ স্থাপন কৰিছিল। ১৯৪১ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। প্ৰায় দহ বছৰ কাল ৰাজ্য সভাৰ সদস্য আছিল। ১৯৮২ চনত মৃত্যু হয়।

সুৰেশ চন্দ্ৰ ৰায় :

১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰে। ১৯২৯ চনত তেওঁক গ্ৰেপ্তাৰ কৰি হাজোতত এমাহ আৰু ৬ মাহ ফাটেক দিয়ে। লগতে ১০০ টকা জৰিমনা হয়। অনাদায়ে ১ মাহ ফাটেক হয়।

সুৰেন্দ্ৰ নাথ সৰকাৰ :

কৰিমগঞ্জ। পিতৃ ধনৰাম দাস। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দিয়া বাবে ৬ মাহ শ্ৰমটেক আৰু ১৫ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত আৰু ৪২ দিন শ্ৰমটেক হয়। ১৯৩২ চনৰ আন্দোলনত তেওঁৰ ১ বছৰ ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু ১০০ টকা জৰিমনা হয়। জৰিমনা অনাদায়ত আৰু ৬ মাহ শ্ৰমটেক খাটে। জেলৰ পৰা মুক্ত হৈ তেওঁ স্বেচ্ছাসেৱী সংগঠন কৰিছিল। ১৯৪২ চনৰ আন্দোলনত তেওঁ গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ জেল হয়।

সুৰেন্দ্ৰ নাথ সেন :

শিলচৰ। ১৯২১ চনত মহাত্মা গান্ধী কাছাৰলৈ আহোঁতে গান্ধীজীক আদৰণি জনাইছিল। তাৰ পিছত তেওঁ ১৯২১, ৩০, ৩২ আৰু ৪১-৪২ ৰ আন্দোলনতো অংশ গ্ৰহণ কৰিছিল আৰু বিভিন্ন ভাবে নিৰ্যাতিত হৈছিল। এজন প্ৰকৃত গান্ধীবাদী লোক আছিল আৰু গান্ধীজীৰ গঠনমূলক কামত নিজকে আত্মনিয়োগ কৰিছিল।

স্নেহলতা দেৱৰায় :

পিতৃ উপেন্দ্ৰ দেৱৰায়। ১৯৪২ চনত কাছাৰীত পিকেটিং কৰি এবছৰ শ্ৰমটেক খাটে। তেওঁ মহিলা সমিতিৰ এগৰাকী সভানেত্ৰী আছিল। তেওঁ মহিলা স্বেচ্ছাসেৱী দল এটা গঠন কৰিছিল। ১৯৮৪ চনত তেওঁৰ মৃত্যু হয়।

হৰেন্দ্ৰ কুমাৰ ৰায় :

পিতৃ উদ্ধৱ চন্দ্ৰ ৰায়। ১৯২১ চনৰ পৰা কংগ্ৰেছৰ সভাপতি পদত থাকে। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত তেওঁৰ ৬ মাহ শ্ৰমটেক হয়। ১৯৩২ চনত তেওঁক আকৌ গ্ৰেপ্তাৰ কৰি কিছুদিন জেল হাজোতত ৰখাৰ পিছত এৰি দিয়ে। ১৯৪১ চনত সত্যাগ্ৰহত অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ লৈছিল। ১৯৭২ চনত মৃত্যু হয়।

হৰেন্দ্ৰ চন্দ্ৰ চৌধুৰী :

হাইলাকান্দি, কাছাৰ। পিতৃ হৰিশচন্দ্ৰ চৌধুৰী। ১৯২১ চনত আন্দোলনত যোগ দিয়া বাবে এবছৰ কাৰাদণ্ড হয়। ১৯২৯ চনত

আহোৰ কংগ্ৰেছলৈ গৈছিল। ১৯৩০ চনৰ মে মাহত গ্ৰেপ্তাৰ কৰি জুনত এবছৰ কাৰাদণ্ড দিয়ে। ১৯৩২ চনৰ আন্দোলনত দুবছৰ কাটেক দিয়া হৈছিল। হাইকোৰ্টত আপীল কৰাত খালাচ পায়। ১৯৪১-৪২ চনত সক্ৰিয় ভাবে আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ১৯৭০ চনত মৃত্যু হয়।

হীৰালাল ভট্টাচাৰ্য্য :

কাছাৰ জিলাৰ বদৰপুৰত ঘৰ। পিতৃ হৰকুমাৰ ভট্টাচাৰ্য্য। ১৯২১ চনৰ আন্দোলনত অসহযোগ কৰে। ১৯৩১ চনত মদৰ দোকানত পিকেটিং কৰা অপৰাধত তিনিমাহ জেল হয়। ১৯৩০ চনতো ১ দিন জেল খাটিছিল। ১৯৪২ চনত এমাহ জেল হয়।

হুচেইন আলি :

কৰিমগঞ্জ। পিতৃ মোলাইমিয়া। ১৯২১ চনত অসহযোগ আন্দোলনত যোগদান কৰিছিল। খিলাফৎ আন্দোলনৰ কৰ্মী আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত কংগ্ৰেছত আছিল। ১৯৮২ চনত মৃত্যু হয়।

হেমচন্দ্ৰ সেন :

১৯০৬ চনত বঙ্গ বিচ্ছেদ আৰু স্বদেশী আন্দোলনত অংশ গ্ৰহণ কৰিছিল। যুগান্তৰ বিপ্লবী দলৰ তেওঁ এজন সক্ৰিয় সদস্য আছিল। ১৯১৮-২০ চনত তেওঁক ঘৰতে নজৰ বন্দী কৰি ৰাখিছিল। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। ইটাখুলিত ৰেল ডকাইতি গোচৰত তেওঁক গ্ৰেপ্তাৰ কৰি দ্বীপান্তৰ দিয়ে। ১৯৪৪ চনত তেওঁ জেলৰ পৰা মুক্তি পায়। ১৯৫৮ চনত মৃত্যু হয়।

॥ কাৰ্বি আংলং ॥

চেঙ বেগ :

কাৰ্বি আংলং। পিতৃ চক্ৰ বেগ। ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। বিশেষকৈ জিলাখনত কানি নিবাৰণ আন্দোলনত

বিশেষ ৰৰঙণি যোগায়। ১৯৩২ চনৰ আন্দোলনত ৩ মাহ জেল খাটে। তেওঁ গোলাঘাট কংগ্ৰেছৰ সদস্য আছিল।

চাৰ্থী তেৰাং :

কাৰ্বি আংলং। ১৯২১ চনত তেওঁ কংগ্ৰেছত যোগদান কৰে আৰু জিলাখনৰ বিভিন্ন স্থানত ঘূৰি কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰে। ১৯৩৪ চনত কাৰ্বি আংলঙত মহাত্মা গান্ধী আহোঁতে তেওঁ দেখা কৰিছিল। খাদী গ্ৰামোদ্যোগৰ প্ৰচাৰত বিশেষ অৰিহণা যোগাইছিল।

চাৰুবুঢ়া তেৰণ :

ৰংবং পথাৰত জন্ম। ১৯২৪ চনত কংগ্ৰেছত যোগ দি গাঁও বিলাকত মহাত্মাৰ বাণী প্ৰচাৰ কৰিছিল। মিকিৰ ৰাইজৰ মাজত মাদকদ্ৰব্য নিবাৰণত অশেষ যত্ন কৰিছিল। ১৯২৬ চনত গুৱাহাটী কংগ্ৰেছলৈ গৈ গান্ধীক দেখা পাই সপোনৰ গান্ধীৰ লগত একে বুলি কৈ সেৱা কৰি আপ্লুত হৈ পৰিছিল।

কানীয়া তিমুং :

গোলাঘাটৰ মৰঙী মৌজাৰ ৰাংহাং গাঁৱত জন্ম। ১৯২৫ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯০২ চনত কানি মহলত পিকেটিং কৰি ছমাহ জেল খাটে। ১৯৩৭ চনত তেওঁৰ মৃত্যু হয়।

পৰিশিষ্ট

'অসমৰ প্ৰয়াত মুক্তিযুঁজাৰুৰ জীৱনীকোষ' গ্ৰন্থখনি যন্ত্ৰস্থ হৈ থকা সময়ত অসমৰ প্ৰতিখন জিলাৰ আৰু ভালেমান প্ৰয়াত মুক্তিযুঁজাৰুৰ তথ্য-পাতি ছবি আহি আমাৰ হাতত পৰেহি। সিসকলৰ চমু জীৱনটোকা প্ৰাপ্ত ছবিসহ পৰিশিষ্টত প্ৰকাশ কৰা হ'ল।

দ্বিতীয়তে, 'জীৱনীকোষ' খনত অজ্ঞাত বশতঃ দুই/এক জীৱিত মুক্তিযুঁজাৰুৰো জীৱনটোকা প্ৰকাশ পোৱাত আমি দুঃখিত।

—সম্পাদক।

সূচীপত্ৰ

	বিষয়	পৃষ্ঠা
১।	যোৰহাট	৭৯৩
২।	গুৱাহাটী	৮১৩
৩।	নগাওঁ	৮৩২
৪।	গোলাঘাট	৮৩৭
৫।	শোণিতপুৰ	৮৩৯
৬।	দৰং	৮৪১
৭।	লক্ষীমপুৰ	৮৪২
৮।	ডিব্ৰুগড়	৮৪৪
৯।	কাৰ্বি আংলং	৮৪৬
১০।	উত্তৰ কাছাৰ	৮৪৮
১১।	গাৰো পাহাৰ (মেঘালয়)	৮৪৯
১২।	নলবাৰী	৮৫১
১৩।	বৰপেটা	৮৬৭
১৪।	গোৱালপাৰা	৮৭৫
১৫।	শিৱসাগৰ	৮৭৬
১৬।	ওপৰঞ্চি	৯০৭

যোৰহাট

অৰুণ চন্দ্ৰ গোস্বামী :

ভকত গাঁও। মৌজা টীয়ক। পুনীয়া সত্ৰৰ আৰু জাঁজিমুখ অঞ্চলৰ এজন প্ৰখ্যাত সমাজকৰ্মী আছিল। সত্ৰৰ নামঘৰত শান্তি সেনাৰ শিবিৰ পাতি যোৰহাট নগৰ আৰু টীয়ক থানালৈ পঠাইছিল।

আনন্দী বৰুৱা :

পুলিয়াগাঁও। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী।

উমাৰাম শইকীয়া :

মাজুলীৰ গড়মূৰ সত্ৰত স্থায়ী ঘৰ। জন্ম ১৯০৪ চন। স্বাধীনতা আন্দোলনৰ মাজুলীৰ নেতৃস্থানীয় কৰ্মী। ১ম বাৰ ৩ মাহ, ২য় বাৰ ৪ মাহক ধৰি সৰ্বমুঠ ২১ মাহ কাৰাবাস খাটে। ৮৬ বছৰ বয়সত ১৮।৯।৮৯ তাৰিখে পৰলোক হয়।

কনৰাম কছাৰী :

ঠেঙাল মৌজাৰ জালুকনিবাৰীত ঘৰ। স্বাধীনতা আন্দোলনত আত্মনিয়োগ কৰি যোৰহাটৰ এজন নেতৃস্থানীয় মুক্তিযোদ্ধা হিচাপে পৰিগণিত হয়। ১৯৪১ চনত সত্যাগ্ৰহ কৰে। পুলিচে গ্ৰেপ্তাৰ কৰি নি থানাৰ পৰা এৰি দিয়ে। '৪২ চনৰ গণ আন্দোলনত তেওঁ বহুত দিন পলাতক হৈ শঙ্কৰ বৰুৱাৰ নিৰ্দেশমতে সংগ্ৰাম চলাইছিল। বহুত বছৰ তেওঁ যোৰহাট লোকেল বোৰ্ডৰ সদস্য আছিল।

কুশৰাম নেওগ :

টিপিৰিৰাম চাৰিদিয়া গাঁৱৰ ১৯২১ চনৰ কৰ্মী। ১৯৩৩ চনৰ টিজিৰিৰাম ৰায়ত সভাৰ অভ্যৰ্থনা সমিতিৰ সম্পাদক আছিল। আজীৱন স্বাধীনতা আন্দোলনৰ বণুৱা হৈ থাকি বৃদ্ধাৱস্থাত মৃত্যু হয়।

কুশধৰ বৰুৱা :

চেকিয়াখোৱা গাঁও। জন্ম ১৯১৬। পিতৃ যোগধৰ বৰুৱা। ছাত্ৰাৱস্থাত ১৯৩২ চনৰ শোভাযাত্ৰাত অংশ লয়। ১৯৪০-৪২ চনৰ সত্যাগ্ৰহত গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৪৩ চনত গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত ১৭ দিন কাৰাবাস দিয়ে।

কলাই পাচনী :

জগদুৱাৰ, পাচনীগাঁও। টীয়ক থানাত পিকেটিং কৰি ৩ মাহ জেল খাটে।

কনকেশ্বৰ ফুকন :

আবাজৰা গাঁও, হোলোঙাপাৰ মৌজা। জন্ম ১৯০৭ চন। পিতৃ লুদুৰ ফুকন। কাকজান ডাকঘৰ জলোৱা অপৰাধত এবছৰো অধিককাল আটক বন্দী কৰি ৰাখে।

কামনাথ বৰুৱা আৰু চন্দ্ৰনাথ বৰুৱা :

ন-আলি চেকিয়াজুলিৰ এই ভ্ৰাতৃদ্বয়ক তিতাবৰ হাইস্কুলত পঢ়ি থকা অৱস্থাতে পুলিচে গ্ৰেপ্তাৰ কৰি কাৰাগাৰত ৰাখে। কাৰাগাৰৰ পৰা ওলাই গৈ এওঁলোকে আজীৱন ৰাইজৰ সেৱা কৰিছিল।

শ্ৰীশ্ৰীকৃষ্ণচন্দ্ৰ দেৱ গোস্বামী :

গড়মূৰ সত্ৰাধিকাৰ। জন্ম ১৯১৩ চনৰ ভাদ মাহৰ কৃষ্ণা প্ৰতিপদ তিথিত কুকৰাবাহী সত্ৰত। পিতৃ শ্ৰীশ্ৰীযদুচন্দ্ৰ দেৱ গোস্বামী। ১৯২৭ চনত ১৪ বছৰ বয়সত গড়মূৰ সত্ৰলৈ আহে। ১৯৫৫ চনত ডেকা সত্ৰাধিকাৰৰ নিৰ্মালি লয়। ১৯৩৪ চনত যোৰহাটত মহাত্মা গান্ধীৰ লগত দেখা-সাক্ষাৎ হয়। টোকোলাই বাহৰত থাকি তাৰপৰা নিতৌ মহাত্মাজীক ছাগলী গাখীৰ যোগান ধৰে। ১৯৪২ৰ ভাৰত ত্যাগ আন্দোলনত যোগ দি ১৯৪৫ চনলৈকে ২ বছৰ ৪ মাহ কাৰাবাস খাটে। কাৰাৰুদ্ধ অৱস্থাতে প্ৰভুৰ পিতৃ বিয়োগ হয়। ১৯৬২ চনত সত্ৰাধিকাৰ শ্ৰীশ্ৰীপীতাম্বৰ দেৱ গোস্বামী প্ৰভু বৈকুণ্ঠি হোৱাত সত্ৰাধিকাৰৰ নিৰ্মালি লয়। ১৯৮৪ চনৰ ১২ তাৰিখে মাঘ পঞ্চমী তিথিৰ দিনা সত্ৰত ইহলীলা সম্বৰণ কৰে। অসম চৰকাৰৰ হৈ মাজুলী

মহকুমাধিপতিয়ে শবদেহত মাল্যাৰ্পণ কৰে। পুৰুষ-মহিলা বহু হাজাৰ লোকৰ সমাবেশত দাহকাৰ্য্য সম্পন্ন হয়।

গড়মূৰ সত্ৰৰ ডেকা আৰু অধিকাৰ দুয়োজন প্ৰভুৱে ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবৰণ কৰা ঘটনা চাৰিসত্ৰৰ ইতিহাসত এটা অভূতপূৰ্ব অভিলেখ। এই অভিলেখে মুক্তি সংগ্ৰামত সুকীয়া শক্তি আৰু প্ৰভূত প্ৰভাৱ পেলায়। প্ৰভু দুজনাকীৰ ত্যাগ আৰু অবিহণা স্বাধীনতাৰ বুৰঞ্জীত চিৰস্মৰণীয় আৰু বৰণীয় হৈ ৰ'ব।

গঙ্গাৰাম চমুৱা :

বনগাঁও। ১৯৪২ চনৰ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

গোপাল কাকতী :

জগন্নাথপুৰৰ পাঁচনী গাঁও। ডিম্বেশ্বৰ কাকতীৰ ভাতৃ। বিয়াল্লিছৰ গণ বিপ্লৱত চাৰি পাঁচখন গাঁৱত শান্তি সেনা সংগঠন কৰিছিল। যোৰহাটত পিকেটিং কৰি গ্ৰেপ্তাৰ বৰণ কৰে। গঠনমূলক কামত জড়িত আছিল।

গঙ্গাধৰ বৰুৱা :

জগন্নাথপুৰৰ সোণাৰী গাঁও। পাঠশালা শিক্ষকৰ চাকৰি ইস্তফা দি '৪২ ৰ গণ বিপ্লৱত সক্ৰিয় ভূমিকা লৈছিল।

গাণ্টুং মেদ :

জাঁজিমুখ অঞ্চলৰ ৬ খন মিছিং গাঁৱৰ ভিতৰত এজন প্ৰধান কৰ্মী আছিল। তেওঁৰ ঘৰ বৰমথাউৰিত। ১৯৪০ চনৰ ডাঙৰ শান্তি সেনা দল এটা গঠন কৰি '৪২ৰ গণ বিপ্লৱত যোৰহাটত পিকেটিং কৰিছিল। পুলিচে আন্দোলনকাৰীসকলক কাছাৰী চৌহদত ৪ ঘণ্টা আটক কৰি ৰাখিছিল। বৰৈয়া ফিল্ডত মিলিটাৰী ভৰি পৰিছিল। বেপাৰীসকলৰ গৰু কাঢ়ি তেওঁলোকে ব্ৰহ্মপুত্ৰৰ কাষৰ অটব্য অৰণ্যত এৰি দিছিল।

গুণ বৰুৱা :

কুৰুৱা বৰুৱা গাঁৱৰ উদীয়মান ডেকা গুণ বৰুৱাই ১৯৪২ চনৰ গণ আন্দোলনত ৬ মাহ জেল হৈছিল। কাৰামুক্ত হৈ তেওঁ কংগ্ৰেছৰ

গঠনমূলক কামত আত্মনিয়োগ কৰে। অকালতে আকস্মিকভাৱে তেওঁৰ মৃত্যু হয়। সেই অঞ্চলৰ পৰা কাৰাদণ্ড হোৱা তেৱেঁই প্ৰথম আছিল।

চন্দ্ৰ ভৰালী :

বনগাঁও। '৪২ ৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

চন্দ্ৰ নাথ দত্ত :

কহাৰ গাঁও। '৪২ ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰি আঠ মাহ কাৰাবাস খাটে।

চান্দ্ৰাম হাজৰিকা :

বনগাঁও। বনগাঁৱৰ কংগ্ৰেছ কৰ্মী সকলো গ্ৰেপ্তাৰ হোৱাত তেওঁ সংগঠন জীয়াই ৰাখিছিল।

চান্দুৰী বৰা :

তিনিকুৰীয়া। খাদী কৰ্মী আছিল। ১৯৩০-৩২ ৰ আন্দোলনৰ কৰ্মী। ১৯৬৬ চনত মৃত্যু হয়।

চিত্ৰী লাহন :

বনগাঁও। '৪২ ৰ আন্দোলনত ২০ চেপ্তেম্বৰ আৰু ৫ অক্টোবৰৰ তাৰিখে টীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ গৈছিল।

চন্দ্ৰ কান্ত বৰা :

কাঠগাঁও। চাওখাট মৌজা। '৪২ ৰ গণ বিপ্লৱত গ্ৰেপ্তাৰ কৰি কাজিৰঙা হাবিত এৰি দিছিল। অবিবাহিত আছিল।

চন্দ্ৰ কান্ত বৰুৱা :

বিপ্লৱী বীৰ শঙ্কৰ বৰুৱাৰ পৰিয়ালৰ চন্দ্ৰকান্ত বৰুৱা ১৯২১ চনতে কাৰাবৰণ কৰা কংগ্ৰেছ সেৱক। ঘৰ চাৰিগাঁও মৌজাৰ কেন্দুগুৰিত। কংগ্ৰেছ ভলণ্টিয়াৰসকলৰ থকা-খোৱাৰ বন্দবস্ত কৰি আৰু যথাসাধ্য সহায় কৰি তেখেতে অপৰিসীম আনন্দ পাইছিল। ১৯৩৪ চনত তেখেতৰ মৃত্যু হয়।

চন্দ্ৰকমল নেওগ :

টিপিকিয়াম চাৰিদিয়া গাঁৱৰ ১৯২১ চনৰ মুক্তি যুঁজাৰু কুশৰাম নেওগৰ জ্যেষ্ঠ পুত্ৰ। ১৯৪২ চনত দীৰ্ঘদিন কাৰাবাস খাটে। মুক্তি পাই কংগ্ৰেছৰ গঠনমূলক কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। অকালতে মৃত্যু হয়।

চন্দ্ৰ বৰুৱা :

ঢেকিয়াজুলি সোণাৰী গাঁৱত ঘৰ। মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰাৱস্থাতে ১৯৪২ৰ গণ আন্দোলনত কাৰাবৰণ কৰে। কাৰামুক্ত হৈ উচ্চ শিক্ষা লৈ অসম চৰকাৰৰ ৰেচম বিভাগৰ চাকৰিত ক্ৰমান্বয়ে পদোন্নতি হৈ উপ-সঞ্চালকৰ পদলৈ উন্নীত হয়। চাকৰি কৰি থকা অৱস্থাতে তেওঁৰ পৰলোক হয়।

চিদানন্দ দোলাকাষৰীয়া :

টীয়ক বজাবাৰীৰ চিদানন্দ দোলাকাষৰীয়াই ছাত্ৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি পাইকাৰী জৰিমনা চৰকাৰক নিদিবলৈ ৰাইজক কোৱা বাবে গ্ৰেপ্তাৰ বৰণ কৰি কাৰাগাৰত থাকে। তেওঁ টীয়ক সেৱাসঙ্ঘৰ সক্ৰিয় গঠনমূলক কৰ্মী আছিল।

জগত চন্দ্ৰ শইকীয়া :

চাৰিগাঁও মৌজাৰ হাতীগড়ৰ শইকীয়া 'স্বাধীন চাৰিগাঁও ৰাষ্ট্ৰ'ৰ এজন মন্ত্ৰী আছিল। ১৯৪২ চনৰ গণ আন্দোলনত কাৰাৰুদ্ধ হয়। কংগ্ৰেছৰ সংগঠন আৰু সংগ্ৰামৰ অক্লান্ত কৰ্মী। তেওঁৰ ভায়েক গোবিন্দ চন্দ্ৰ শইকীয়া ১৯৩০ চনতে কংগ্ৰেছত সক্ৰিয় অংশ গ্ৰহণ কৰি অকালতে মৃত্যু হয়। শইকীয়া কৰ্কট ৰোগত আক্ৰান্ত হৈ অকালতে পৰলোক হয়।

জয়ৰাম শইকীয়া :

ঢেকিয়াখোৱা। নিঃ ভাঃ লিঃ সংঘৰ ঢেকিয়াখোৱা কেন্দ্ৰৰ এজন প্ৰধান কৰ্মী আছিল। গোটেই মৌজাতে কপাহ, যঁতৰ, নেওঠনী, মধ্যম, শিজৰ কামত ভাৰ কৰি লৈ শিপিনীসকলৰ ঘৰে ঘৰে গৈ যোগান ধৰিছিল।

জালিৰাম বৰা :

বৰখেজিয়া। পিকেটিং কৰোতে নগৰত পুলিচে গ্ৰেপ্তাৰ কৰি মৰিয়নী হাৰিত এৰি দিছিল।

টংকেশ্বৰ বৰঠাকুৰ :

পীড়াকটা গাঁও। ১৯৪২ চনত যোৰহাট নগৰত পিকেটিং কৰা অপৰাধত পুলিচে গ্ৰেপ্তাৰ কৰি মৰিয়নী হাৰিত এৰি দিয়ে। মৌজাৰ গঠনমূলক কামত জড়িত আছিল।

তগৰ বৰা :

পুলিবৰৰ ভাতেমৰা গাঁৱৰ বৰা ১৯৪২ চনৰ গণ আন্দোলনত সৈন্য বাহিনীৰ যোগান বন্ধ কৰোঁতে কেইবাবাৰো গ্ৰেপ্তাৰ বৰণ কৰে। আজীৱন কংগ্ৰেছৰ সেৱক স্বৰূপে ব্ৰতী হৈ বৃদ্ধাৱস্থাত মৃত্যু হয়। জীৱনৰ শেষ সময়লৈকে তেওঁ গান্ধী টুপী এৰা নাছিল।

তৰুণ চন্দ্ৰ পামেগাম :

গড়মূৰ বৰগঞা। তেখেতৰ নেতৃত্বত বিপ্লৱী দলে মিলিটেৰী যোগান বন্ধ কৰিছিল। পামেগাম এজন প্ৰবীণ সাহিত্যিক, সুসংগঠক আৰু আগশাৰীৰ সমাজকৰ্মী আছিল। তেখেত অসম সাহিত্য সভাৰ নিৰ্বাচিত উপ-সভাপতিও আছিল।

তিলক চন্দ্ৰ গগৈ :

মুক্তি যুঁজাৰু খগেশ্বৰ গগৈৰ পুত্ৰ। ঘৰ ছেলেংহাটৰ বৰনগঞা গাঁৱত। ১৯৪২ চনৰ গণ আন্দোলনত মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ হৈ থাকোঁতেই সহপাঠি সমন্বিতে আন্দোলনত কাৰাৰুদ্ধ হয়। যোৰহাট আৰু চিলেট জেলত আটকবন্দী হৈ থাকে। ১৯৪৫ চনত কাৰামুক্ত হৈ পুনৰ শিক্ষা গ্ৰহণ কৰি স্নাতক হয়।

থগীৰাম ভুঞা :

বনগাঁও। গাঁও অঞ্চলত শান্তি সেনা গঠন কৰি মিলিটেৰী যোগান বন্ধ কৰিছিল। মাজুলীৰ কেইখনো স্কুলৰ তেওঁ প্ৰতিষ্ঠাতা। কমলাবাৰী কলেজ গঠনতো অৱদান আছিল।

খিৰেশ্বৰ চাৰিজীয়া বৰদলৈ :

১৯৩০ চনৰ পৰা ১৯৪২ চন পৰ্যন্ত কংগ্ৰেছৰ গঠনমূলক কাযর্ত আত্মনিয়োগ কৰা বৰদলৈয়ে ন-আলি চেকিয়াজুলিত পভা ৰাষ্ট্ৰীয় সম্মিলনত দেশনেতা কুলধৰ চলিহাক সহায় কৰিছিল। তেওঁ এজন প্ৰসিদ্ধ স্বৰ্ণশিল্পী হিচাপে জনাজাত আছিল। ১৯৭২ চনত তেখেতৰ মৃত্যু হয়।

দধিৰাম মুদৈ :

গুৱালগাঁও। গাঁৱত শান্তি সেনা বাহিনী গঠন কৰিছিল। ১৯৪২ চনৰ বিপ্লৱৰ সহযোগী কৰ্মী আছিল।

দুৰ্গেশ্বৰ বৰা :

১৯২১ চনৰ কৰ্মী। চিপাহীখোলা ৰাজহুৱা সভালৈ পীতাম্বৰ দেৱ গোস্বামীক আগবঢ়াই অনা শোভাযাত্ৰাত অংশ লৈছিল। '৪২ৰ গণ বিপ্লৱৰ সক্ৰিয় কৰ্মী।

দীনাৰাম চেকিয়াল :

পুলিবৰ নিবাসী চেকিয়ালৰ ১৯৪২ চনত ৬ মাহ কাৰাদণ্ড হয়। কাৰামুক্ত হৈ মহাত্মাজীৰ ৰচনাত্মক কামত অংশ গ্ৰহণ কৰে। স্বাধীনতাৰ পাছত স্বাধীন ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰিছিল। অকালতে মৃত্যুৰ মুখত পৰে।

দেৱেশ্বৰ চলিহা :

যোৰহাট নগৰৰ ন-আলিৰ কাষত তেখেতৰ ঘৰ। এজন জনাজাত অধিবক্তা। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। দেশনেতা কুলধৰ চলিহাৰ তেওঁ সম্বন্ধীয় ককায়েক আছিল। আন্দোলনৰ পিছতো স্বাধীনতা সংগ্ৰামৰ কামত তেওঁ অংশ গ্ৰহণ কৰিছিল। তেওঁ এজন সাহিত্যানুৰাগী পুৰুষ আছিল।

নৰেন্দ্ৰ নাথ শৰ্মা :

জন্ম দেৰগাঁৱত। পিতৃ দেৱেশ্বৰ শৰ্মা দেৰগাঁৱৰ মৌজাদাৰ আছিল। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰি স্কুল বৰ্জন কৰিছিল।

কিন্তু পাছত পুনৰ কলেজত পঢ়ি বি.এ পাছ কৰে। কংগ্ৰেছ সমাজবাদী দলত যোগ দিয়া অসমৰ সমাজবাদী কংগ্ৰেছৰ এজন প্ৰধান সমৰ্থক আছিল। ১৯৪০-৪১ চনত সত্যাগ্ৰহ কৰিছিল, কিন্তু গ্ৰেপ্তাৰ হোৱা নাছিল।

১৯৪২ চনৰ ৮ আগষ্টত ভাৰত ত্যাগ প্ৰস্তাৱ লোৱা পৰিপ্ৰেক্ষিতত ভাৰতব্যাপী কংগ্ৰেছ নেতাসকলক গ্ৰেপ্তাৰ কৰা প্ৰতিবাদত দেৰগাঁৱত এটা বিৰাট শোভাযাত্ৰাৰ নেতৃত্ব কৰে ৯।৮।৪২ তাৰিখে। এই শোভাযাত্ৰাই থানাত পতাকা উত্তোলন কৰিবলৈ যাওঁতে এওঁকে ধৰি মুখ্য নেতাসকলক গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত ৯ মাহ জেল হয়।

১৯৪৩ চনৰ জুলাই মাহত যোৰহাট জেলৰ ভিতৰত ৰাজনৈতিক বন্দীসকলৰ ওপৰত পুলিচে যি লাঠি চালনা কৰিছিল সেই লাঠি চালনাত এওঁ মূৰ আৰু হাত-ভৰিত আঘাত পায়। ভালেমান দিন হাস্পাতালত আছিল। ম্যাদ শেষ হোৱাত পুনৰ কিছুদিন জেলত ৰাখি এৰি দিয়ে। কিন্তু জেলৰ দুৱাৰমুখতে পুনৰ আটক বন্দী হিচাপে ৰাখে। কেইমাহমানৰ পাছত জেলৰ পৰা মুক্ত হৈ শঙ্কৰ বৰুৱাৰ লগত কাম কৰে। দেশ স্বাধীন হোৱাৰ পাছত সমাজবাদী কংগ্ৰেছীসকলে পৃথক হৈ বেলেগে সংগঠন কৰে। নৰেন শৰ্মা এই সংগঠনৰ অসমৰ এজন প্ৰধান সংগঠক আছিল। কিন্তু ১৯৫৫ চনত তেওঁ সমাজবাদী দল ত্যাগ কৰি পুনৰ কংগ্ৰেছত যোগ দিয়ে। বিশেষকৈ অসম সমবায় চেনীকলৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৫৭ চনত বিধান সভাৰ সদস্য হয় আৰু দুবাৰ তেওঁ বিধান সভাৰ সদস্য হৈছিল। সমবায় চেনীকলৰ সভাপতিও আছিল কেইবাবছৰ লগতে অসম সমবায় সংঘৰো তেওঁ সম্পাদক আছিল। কিন্তু তেওঁৰ বহুমূত্ৰ ৰোগত ১৯৭৮ চনত মৃত্যু বৰণ কৰে।

নন্দেশ্বৰ পেগু :

শগুণপৰা গাঁও। আঞ্চলিক বিপ্লৱী দলৰ অধিনায়ক আছিল। ইকৰাণী হাবিৰ মাজত শিবিৰ পাতি আত্মগোপন কৰিছিল। টীয়ক মৌজাৰ কংগ্ৰেছ কৰ্মী কুমুদ বৰা, হীৰা বৰুৱা, গোবিন্দ চন্দ্ৰ বৰুৱা আদিয়ে প্ৰশিক্ষণ দি গান্ধীজীৰ অহিংসা নীতিৰে অনুপ্ৰাণিত কৰিছিল।

নীলমা বৰা :

তিনিকুৰীয়া। '৪২ ৰ চাওঁখাট মৌজা বিপ্লৱী মহিলা সমিতিৰ উপ-সভানেত্ৰী আছিল। চীয়ক থানাত ২০ চেপ্তেম্বৰ জাতীয় পতাকা উত্তোলন কৰিবলৈ গৈছিল। ১৯৮৮ চনত তেওঁৰ মৃত্যু হয়।

নোমাল বৰা :

দলৈ গাঁও। চাওঁখাট মৌজা। ১৯২১ চনত চিপাহীখোলাত হোৱা ৭ দিনীয়া স্বৰাজ মেলাৰ এজন উদ্যোক্তা আছিল। '৪২ ৰ গণ বিপ্লৱত পুলিচৰ লাঠিৰ কোব খায়।

নুকা বৰা :

বেজবচিগা। ১৯৩০-৩২ আৰু '৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

পদ্মনাথ শৰ্মা ভৰালী :

খুজিয়া মৌজাৰ পকামুৰা অঞ্চলৰ ঢেকেলিয়া গাঁৱত ঘৰ। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। গঠনমূলক কামত আত্মনিয়োগ কৰি নিজৰ ঘৰতে এটি বয়ন শিল্প কেন্দ্ৰ স্থাপন কৰি বহুতো যুৱক-যুৱতীক প্ৰশিক্ষণ দি জীৱিকাৰ পথ মুকলি কৰাত সাহায্য আগবঢ়াইছিল। ডেকা কালত যক্ষ্মা ৰোগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰে।

পদ্ম বৰুৱা :

ন-আলি ঢেকিয়াজুলিৰ বুৰুকবৰুৱা গাঁও নিবাসী বৰুৱাই ১৯৪২ চনত ৬ মাহ কাৰাবাস খাটে। ১৯৫০ চনৰ পৰা মৃত্যুৰ সময়লৈকে নামধৰ্ম প্ৰচাৰত একনিষ্ঠভাৱে আত্মনিয়োগ কৰিছিল।

পেটুৰা শইকীয়া :

বেজচিগা গাঁও। ১৯৪২ চনত নিজ গাঁৱত শান্তিসেনা গঠন কৰি নেতৃত্ব লৈছিল।

পদ্মধৰ হাজৰিকা :

১৯২১ চনত হাইস্কুলীয়া শিক্ষা বৰ্জন কৰি অসহযোগ আন্দোলনত জপিয়াই পৰে। সুৰা নিবাৰণ আন্দোলন কৰি তেওঁ চাৰিমাহ সশ্ৰম

কাৰাদণ্ড ভোগে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনীৰ সদস্য আছিল। '৪২ ৰ গণ বিপ্লৱতো সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

পুৰন্দৰ শইকীয়া :

ভৰলুৱা গাঁও। ১৯৪০ চনত সত্যাগ্ৰহী প্ৰতিজ্ঞা পত্ৰত চহী কৰিছিল। যঁতৰ, নেওঠনী সাজি জিলা কংগ্ৰেছ কমিটিক উপহাৰ দিছিল। '৪২ ৰ কৰ্মী আছিল।

পূৰ্ণকান্ত দত্ত :

১৯২১ চনৰ কৰ্মী। চিপাহীখোলাত হোৱা স্বৰাজ মেলাৰ কৰ্মী আছিল। গোৰ্খা চিপাহীৰ লাঠিৰ কোব খাইছিল।

বলিৰাম ঠাকুৰ :

মাজুলী, বনগাঁও। ১৯২১—৪২ চনৰ আন্দোলনৰ বিপ্লৱী কৰ্মী আছিল।

বকুল চন্দ্ৰ বৰদলৈ :

তিতাবৰ হাইস্কুলত পঢ়ি থকা অৱস্থাতে ৰেল লাইন ভঙা অপৰাধত গ্ৰেপ্তাৰ কৰি জেলত ভৰায়। কাৰাবাসৰ অন্তত শিক্ষকতা কৰি জীৱন নিৰ্বাহ কৰিছিল।

বসন্ত কুমাৰ বৰুৱা :

যোৰহাটৰ পকামুখাত ঘৰ। ১৯৩৭ চনৰ পৰা যোৰহাট জিলা কংগ্ৰেছ কাৰ্যালয়ত কোনো পাৰিতোষিক নোলোৱাকৈ কাম কৰিছিল। ১৯৩৭ আৰু ১৯৪৬ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছৰ হকে অশেষ কষ্ট কৰিছিল। যক্ষ্মাৰোগত আক্ৰান্ত হৈ তেওঁৰ মৃত্যু হয়। এটি কন্যা আৰু তিনিটা পুত্ৰ সন্তানেৰে বিধৱা পত্নী তেওঁ এৰি থৈ গৈছে।

বাপুৰুণ ভৰালী :

দলৈ গাঁও। নগৰত হোৱা পিকেটিঙত গ্ৰেপ্তাৰ কৰি মৰিয়নী হাবিৰ মাজত এৰি দিছিল।

বনমালী শইকীয়া :

গুৱাল গাঁও। টীয়ক মৌজা। '৪২ ৰ গণ বিপ্লৱত টীয়ক থানাত পিকেটিং কৰিছিল। এজন চিত্ৰশিল্পী আছিল।

বকুল চন্দ্ৰ বৰুৱা :

পৰ্বতীয়া গাঁও। ১৯৪০-৪২ ৰ আন্দোলনৰ সক্ৰিয় কৰ্মী।

বিতুৰ চন্দ্ৰ বৰুৱা :

পৰ্বতীয়া গাঁও। ১৯২১—৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী।

বিপিন বৰুৱা :

যোৰহাটৰ চাৰিগাঁৱত ঘৰ। ১৯৩০ চনৰ অসহযোগ আন্দোলনত যোগ দিয়ে। সদায় কংগ্ৰেছ কৰ্মীসকলক শিবিৰত খুৱাবৰ বাবে এটা চিন লৈ পুঁজি সংগ্ৰহ কৰি ফুৰিছিল। গধূলি শিবিৰত ভলন্টিয়াৰসকলে সেই উপাৰ্জন খোৱাত খৰচ কৰে। শিবিৰ বন্ধ হোৱাৰ পাছত তেওঁ মাৰোৱাৰী পট্টিত খালী চিন সংগ্ৰহ কৰি কুশল পথৰ কাষত অৱস্থিত চাউল আৰু তেলৰ কলত টিনবোৰ জমা দি সেই উপাৰ্জনেৰে তেওঁ দিন কটাইছিল। নিজৰ চাইকেলত বাঁহৰ কামি বান্ধি বহুত টিন একেলগে লৈ গৈছিল। ১৯৪৯ চনত অবিবাহিত বৰুৱাৰ মৃত্যু হয়।

বাপুৰাম বৰা :

ভকত গাঁও। জাজীমুখ শান্তিসেনা দলৰ নায়ক আছিল। যোৰহাট নগৰত পিকেটিং কৰোতে পুলিচে গ্ৰেপ্তাৰ কৰি মালগাড়ীত তুলি নি মৰিয়ণী হাবিত নিশা এৰি দিছিল। গঠনমূলক কামত তেখেত মৃত্যুৰ সময়লৈকে জড়িত আছিল।

বুদ্ধৰাম গগৈ :

বৰপিঠাগুৰি। হোলোঙাপাৰ মৌজা। জন্ম ১৮৮৫ চন। ১৯২১ চনৰ আন্দোলনৰ কৰ্মী। ১৯৪২ চনত কাকজান ডাকঘৰ, চাওঁখাট মৌজাদাৰৰ অফিচ জ্বলোৱা অপৰাধত গ্ৰেপ্তাৰ কৰি যোৰহাট জেলত আটক বন্দী কৰি ৰাখিছিল। মৃত্যুৰ সময়লৈকে গঠনমূলক কামত জড়িত আছিল।

বেদনাথ ঠাকুৰ :

যোৰহাট মেলেঙত জন্ম গ্ৰহণ কৰা বৰঠাকুৰে কটন কলেজত বি এ পঢ়ি থকা সময়ত মহাত্মা গান্ধীৰ আহ্বানত শিক্ষা জীৱনৰ সমাপ্তি ঘটাই ১৯২১ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰে।

যোৰহাটত প্ৰবীণ নেতাসকলক কাৰাৰুদ্ধ কৰা সাপ্তাহিক জিলা [illegible]ৰ সম্পাদক ৰূপে তেওঁ কাৰ্যনিৰ্বাহ কৰাৰ লগতে আন্দোলনৰ ব্যাপক প্ৰচাৰ কৰোঁতে ধৰা পৰি ফাটেক খাটে। ফাটেকৰ পৰা ওলাই মেজেঙত এম ই স্কুল এখন স্থাপন কৰি প্ৰধান শিক্ষক হৈ থকাৰ পাছত নাজিৰালৈ আহি আন চাকৰিত সোমায়। তেওঁ বিভিন্ন সামাজিক সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আছিল। নাজিৰা নাট্য মন্দিৰ, নাজিৰা সাহিত্য সভা, কংগ্ৰেছ কমিটি আদি। ১৯৪৬-৪৭ চনত নাজিৰা ছোৱালী হাইস্কুল স্থাপন কৰি প্ৰধান শিক্ষক হৈ ১৯৬০ চনত অৱসৰ লয়। ১৯৬০ চনত নাজিৰাত বহা অসম সাহিত্য সভাৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। ১৯৮৪ চনৰ ৩০ জুন তাৰিখে এইজন মুক্তি যোদ্ধাৰ মৃত্যু হয়।

ভোলাই শইকীয়া :

ভবলুৱা গাঁও। '৪২ ৰ গণ বিপ্লৱত ঘৰ খানাতালাচ কৰি বহুতো অস্থাৱৰ সম্পত্তি নিয়ে। বহুতবাৰ পিকেটিঙত অংশ লৈছিল।

ভুবনেশ্বৰ শইকীয়া :

ভবলুৱা গাঁও। শান্তি সেনাৰ সংগঠক। পতাকা উত্তোলন কৰোতে টিয়ক থানাৰ পুলিচে লাঠিৰে কোবায়।

ভৱকান্ত বৰা :

কাকজান গাঁও। চাওখাটৰ মৌজাদাৰৰ অফিচত জুই জ্বলোৱা অপৰাধত ২ বছৰ জেল হয়। '৪২ ৰ গণ বিপ্লৱত গ্ৰেপ্তাৰ বৰণ কৰে।

ভোলাই ভূঞা :

বেজৰ ছিগা গাঁও। ১৯২১ চনৰ কৰ্মী। গাঁৱত সূঁতা কটাৰ প্ৰচলন কৰিছিল।

ভাবিৰাম দত্ত :

যোৰহাট দহাবৰা চুকৰ দত্তই ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। তেতিয়াৰ পৰা তেওঁ ক্ৰমান্বয়ে ১৯৩০ আৰু ৩২ চনৰ আন্দোলনতো অংশ লয়। ১৯৪২ ৰ গণ আন্দোলনত অংশ

লৈ কাৰাবৰণ কৰে। জীৱনৰ শেষ কালত তেওঁ মানসিক বিকাৰত ভোগে আৰু অনবৰত ভাৰতৰ স্বাধীনতা আৰু মহাত্মা গান্ধীৰ কথাকে কৈ কৈ চিৰকুমাৰ দত্ত মৃত্যুৰ মুখত পৰে।

ভোলানাথ দেৱ শৰ্মা বৰদলৈ :

১৮৯৫ চনত মাজুলীৰ কৰতিপাৰ গাঁৱত জন্ম গ্ৰহণ কৰে। ডিগবই তেল কোম্পানীৰ চাকৰি এৰি মুক্তি সংগ্ৰামত নানা ঠাইত বৃটিছৰ বিৰুদ্ধে প্ৰচাৰ অভিযান চলাইছিল। ডিগবই, ডিব্ৰুগড়, মাৰ্ঘেৰিটা, লিডু, তৰাজান, বৰপতিঘাট, হেলেম, গমিৰিঘাট আদি উল্লেখযোগ্য। ইংৰাজী আৰু সংস্কৃতত পণ্ডিত আছিল। মৃত্যুৰ আগমুহূৰ্তত গহপুৰৰ অন্তৰ্গত মৰণাবাৰী গাঁওখনত আছিল। নিজাৰৈ মাটি-ভেটি লোৱা নাছিল। এম পি হেম বৰুৱাৰ পিতৃ তেতিয়া গমিৰিঘাটত আছিল আৰু দুয়ো বন্ধু আছিল। ১৯৪২ চনৰ আন্দোলনত গহপুৰ থানাত তেখেতে গুলীবিদ্ধ হয় আৰু চিকিৎসাহীনভাৱে অকালতে ১৯৪৪ চনত ৪৯ বছৰ বয়সত মৃত্যু হয়।

ভুপেন্দ্ৰ নাথ বৰবৰা :

বৰবৰা ১৯৪২ চনত চঞ্চল ডেকা। শৰীৰত অসীম শক্তি। খাবও পাৰিছিলে প্ৰচুৰ। অহিংস হবলৈ যত্ন কৰিবলগা হৈছিল। বিচাৰত ১ বছৰ কাৰাদণ্ড হয়। মুক্তি পাই সংগঠনত অংশ লয়। স্বাধীন ভাৰতত বনবিভাগৰ চাকৰি কৰি অৱসৰ হোৱাৰ পাছত ১৯৮৯ চনত মৃত্যু হয়।

মহেশ্বৰ মুদৈ :

গুৰুৱাল গাঁও, মাজুলী। অঞ্চলটোৰ গঠনমূলক কৰ্মী। ১৯২১ চনৰ কৰ্মী আছিল।

মোহন দোলাকাষৰীয়া :

আউনিআটিত ঘৰ। মুখ্যমন্ত্ৰী খাপ্লুজা চাহাবৰ হাতত দহ হাজাৰ টকা আউনিআটি সত্ৰাধিকাৰে যুদ্ধৰ পুঁজিলৈ দান দিয়া কাৰ্য্যত প্ৰতিবাদ কৰিছিল। ফলত পুলিচে গ্ৰেপ্তাৰ কৰি নি কমলাবাৰী থানাত এদিন বান্ধি এৰি দিছিল।

মাণিক চলিহা :

ঘৰ যোৰহাট নগৰৰ ষুগল পথৰ কাষত। ১৯২১ চনৰ কৰ্মী-সকলৰ ভিতৰত নেতৃস্থানীয়। মহাত্মা গান্ধীৰ গঠনমূলক কামৰ প্ৰতি অধিক আকৃষ্ট আছিল। তেখেতে নিজে সূতা কটা আৰু ধুনা এটা যঁতৰ আৱিষ্কাৰ কৰিছিল। আন্দোলন শাম কটাৰ পিছত যঁতৰটোৰ উন্নতিৰ কাৰণে যত্ন কৰিছিল। তেখেতৰ ভাতৃ টঙ্কেশ্বৰ চলিহাৰ ঘৰত যঁতৰটো সম্ভৱ এতিয়াও আছে। তেখেত চিৰকুমাৰ আছিল।

মুকলীধৰ বৰুৱা :

বালিগাঁৱৰ বৰুৱা ১৯২১ চনৰে পৰা যোৰহাটৰ স্বাধীনতা আন্দোলনত প্ৰকৃতপক্ষে নেতৃত্ব দিছিল। বালিগাঁও আৰ্য্য বিদ্যাপীঠ প্ৰতিষ্ঠা কৰি প্ৰধান শিক্ষকৰ দায়িত্ব লৈ বিত্তহস্তে অৱসৰ লয়। বালিগাঁও মিলন মন্দিৰৰ অন্যতম প্ৰতিষ্ঠাপক। ১৯২১ চনত কটন কলেজ বৰ্জন কৰি স্বাধীনতা আন্দোলনত যোগ দিয়ে। বৃদ্ধাৱস্থাত কৰ্কট ৰোগত তেখেতৰ পৰলোক হয়। তেখেতৰ ৰবপুত্ৰ শ্ৰীমুকুন্দ বৰুৱাও এজন মুক্তি যুঁজাৰু।

মুকুতা ৰৰা :

কাঠগাঁও। কাঠগাঁও শান্তি সেনা দলৰ নায়ক আছিল। নগৰৰ পিকেটিঙত বহুতবাৰ গ্ৰেপ্তাৰ হয়।

মলা ৰৰা :

কাঠগাঁও। '৪২ৰ আন্দোলনত ২০ চেপ্তেম্বৰ আৰু ৫ অক্টোবৰত টীয়ক থানালৈ পতাকা উত্তোলনত গৈছিল। অবিবাহিত হৈ মৃত্যু হৈছিল।

মালভোগ ৰৰা :

চাওঁখাট মৌজাৰ মৃত্যু বাহিনীৰ সদস্য আছিল। এজন পটু সংগঠকো আছিল।

মাধৰাম ৰৰা :

'৪২ৰ গণ বিপ্লৱত আত্মগোপন কৰি কাম কৰা মৃত্যু বাহিনীৰ দলটোৰ কেম্প তেওঁৰ ঘৰত আছিল। জন্ম ৰবখোলা গাঁৱত।

মুকুতা দত্ত :

বৰখেলিয়া গাঁও। চাওঁখাট মৌজাৰ মৃত্যু বাহিনীৰ সভ্য আছিল। নগৰ পিকেটিঙত গ্ৰেপ্তাৰ হয়।

মালভোগ হাজৰিকা :

লহকৰ গাঁও। মৌজা চাওঁখাট। ১৯৩০-৩২ৰ আইন অমান্য আন্দোলনৰ সহযোগী আছিল।

মহেন্দ্ৰ নাথ বৰুৱা :

দুলিয়াগাঁও। পিছত ডিব্ৰুগড়ৰ টিপলিঙৰ বাসিন্দা। '৪২ ৰ গণ বিপ্লৱত ২ বছৰ জেল হয়। তাম্ৰপত্ৰ আৰু পেঞ্চনৰ পৰা বঞ্চিত হৈছিল। অবিবাহিত আছিল। ১৯৮৫ চনত মৃত্যু হয়।

মোহন মহন্ত :

বাসকুকুৰাচোৱা, বাহ ভেজনী সত্ৰ। '৩২ চনৰ আন্দোলনৰ কৰ্মী।

যোগেন শইকীয়া :

যোৰহাট ছাত্ৰ কংগ্ৰেছৰ নেতৃত্ব দি ছাত্ৰ অৱস্থাতেই ১৯৪২ চনত কাৰাবৰণ কৰে। মেধাবী ছাত্ৰ শইকীয়াই জেলৰ পৰাই পৰীক্ষা দি সুখ্যাতিৰে বি এ পাছ কৰে। তেওঁ সকলোৰে প্ৰিয়ভাজন আছিল। অসম বিধান সভাৰ উপাধ্যক্ষ আৰু আইন মন্ত্ৰী হৈ অসমৰ গৌৰৱ আৰু সন্মান ৰক্ষা কৰিছিল।

ৰমেশ চন্দ্ৰ বৰুৱা :

দেশনেতা কুলধৰ চলিহাৰ সৈতে ন-আলি ঢেকিয়াজুলিত ১৯৩২ চনৰ পৰাই ৰমেশ বৰুৱাই দেশৰ মুক্তি সংগ্ৰামত জপিয়াই পৰে। ঢেকিয়াজুলিত যোৰহাট জিলাৰ ৰাষ্ট্ৰীয় সন্মিলন সফল কৰি তোলাত এই মুক্তিযোদ্ধা গৰাকীৰ ৰৰঙণি বিশেষভাৱে উল্লেখযোগ্য।

ৰমাকান্ত মিশ্ৰ :

ৰহমৰা গাঁও, মাজুলী। '৪০ চনৰ সত্যাগ্ৰহী আছিল। '৪২ চনৰ সক্ৰিয় কৰ্মী।

ৰূপৰাম বৰুৱা :

বিৰিকাবাৰী, মাজুলী। '৪২ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ২ মাহ আটক বন্দী হৈ থাকে।

ৰামেশ্বৰ বৰা :

পুলিবৰত ঘৰ। ১৯৪২ চনৰ গণ আন্দোলনত ৬ মাহ কাৰাদণ্ড হয়। কাৰামুক্ত হৈ গঠনমূলক কামত আত্মনিয়োগ কৰে। দেশ স্বাধীন হোৱাৰ পিছত দৰ্জিৰ স্বাধীন ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰি পৰলোক হয়।

ৰাম চন্দ্ৰ শৰ্মা :

টিলিকিয়াম। জন্ম ১৯১৪, মৃত্যু ২৫।৩।১৯৮৮ চন। ১৯৩৩ চনত বহা অসম ৰায়ত সন্মিলনৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৩৫ চনত হৰিজন আন্দোলনত যোগ দি নিজৰ মাটিতে এখন হৰিজন স্কুল সাজিছিল। ১৯৪২ ৰ ভাৰত ত্যাগ আন্দোলনত কেবাবাৰো গ্ৰেপ্তাৰ কৰি এৰি দিছিল। হৃদৰোগত আক্ৰান্ত হৈ তেখেতৰ মৃত্যু হয়।

লক্ষেশ্বৰ বৰুৱা :

জন্ম চাৰিগাঁৱত। পিতৃ সভাৰাম বৰুৱা, মাতৃ তৰা বৰুৱা। যোৰহাট চৰকাৰী বিদ্যালয়ৰ পৰা ১৯১৮ চনত মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজৰ পৰা আই-এচ-ছি পাছ কৰে। ১৯২১ চনত গান্ধীজীৰ আহ্বানত অসহযোগ আন্দোলনত জপিয়াই পৰে আৰু প্ৰথমবাৰৰ বাবে কাৰাবাস খাটে। কুৰি বছৰ জুৰি কংগ্ৰেছৰ আন্দোলনত দেশসেৱা কৰি কেইবাবাৰো জেল খাটে। ভাৰত স্বাধীন হোৱাৰ পাছত ১৯৪৮ চনত তেখেতে গাঁও উন্নয়ন বিষয়া হিচাপে কামত যোগদান কৰে। তেখেত নানান সামাজিক অনুষ্ঠানৰ লগতো জড়িত আছিল। তেওঁক সকলোৱে 'ৰাষ্ট্ৰপতি' বুলি মাতিছিল। ১৯৪২ চনৰ গণ আন্দোলনত ভাৰতৰ বিভিন্ন ঠাইত সমান্তৰাল চৰকাৰ প্ৰতিষ্ঠা হৈছিল। যোৰহাটৰ চাৰিগাঁও মৌজাত বিৰাট জনসভাত চাৰিগাঁও মৌজাক স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰি তেওঁ নিজকে ৰাষ্ট্ৰপতি বুলি ঘোষণা কৰে। ১৯৯০ চনৰ ৯১ জানুৱাৰীৰ দিনা তেখেতৰ পৰলোক হয়।

সেন্দুৰী বৰা :

কাঠগাঁও। চাওঁখাট মৌজা বিপ্লৱী মহিলা সমিতিৰ সক্ৰিয় কৰ্মী আছিল। '৪২ৰ গণ বিপ্লৱত ৩০ চেপ্তেম্বৰ আৰু ৫ অক্টোবৰ তাৰিখে চীয়ক থানাত পতাকা উত্তোলন কৰিবলৈ গৈছিল। মলা বৰা তেওঁৰ বাই-ভনী আছিল। তেওঁ অবিবাহিত আছিল।

সৰ্বেশ্বৰ শ্ৰুতিকৰ :

কমাৰ ঘাটোৱাল গাঁও। চীয়ক মৌজাৰ মুখিয়াল কৰ্মী আছিল। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ লয়। অ গ প চৰকাৰৰ গৃহমন্ত্ৰী শ্ৰীভৃগুকুমাৰ ফুকন তেওঁৰ নাতি।

সোমেশ্বৰ বৰুৱা :

'৪২ৰ সক্ৰিয় কৰ্মী। গাঁও পঞ্চায়তৰ সদস্য নিৰ্বাচিত হৈ গাঁও উন্নয়ন কামত আত্মনিয়োগ কৰিছিল।

সুখুৰীবাই :

উজনি অসমত এই মহিলা গৰাকীয়ে হাতত এখন কংগ্ৰেছৰ পতাকা লৈ স্বৰাজ আৰু মহাত্মা গান্ধীৰ জয়গান গাই ফুৰা সেইসময়ৰ সকলোৱে দেখিছিল। এওঁ কংগ্ৰেছৰ প্ৰায় অধিবেশনতে এবেঃ খদ্দৰৰ পোছাক পিন্ধি একে ধৰণেৰে যোগদান কৰি সকলোকে আচৰিত কৰি তুলিছিল। প্ৰকৃতপক্ষে সুখুৰীবাই এগৰাকী কংগ্ৰেছ কৰ্মীহে আছিল। হঠাৎ এটা পাৰিবাৰিক কাৰণত মস্তিষ্কৰ বিকৃতি ঘটিছিল যদিও মনেপ্ৰাণে কংগ্ৰেছৰ কথা ভাবি কৈ থাকে। তেওঁৰ কেনেকৈ মৃত্যু হ'ল সেই কথা জনা নাযায়।

হৰিনাৰায়ণ বৰুৱা :

সদৌ অসম গাঁওৰক্ষী বাহিনীৰ জন্মদাতা হৰিনাৰায়ণ বৰুৱাৰ জন্ম হয় নগাঁও জিলাৰ বহাৰ গড়মাৰী গাঁৱত ১৯০১ চনৰ ১৬ ডিচেম্বৰত। পিতৃৰ নাম ঘনকান্ত বৰুৱা আৰু মাতৃ ৰূপীতৰা। ১৯২৪ চনত যোৰহাটলৈ আহি বৰিগাঁৱত থিতাপী লয়। ১৯২১ চনত স্কুল ত্যাগ কৰি আন্দোলনত লাগি কাৰাবাস খাটে। ১৯২৮ চনত যোৰহাট জিলা কংগ্ৰেছৰ সহকাৰী সম্পাদক নিযুক্ত হয়। সৰ্বক্ষণ সেৱক

স্বৰূপে কংগ্ৰেছৰ আজীৱন সেৱা কৰে। ১৯৩০ চনত ৬ মাহ কাৰাদণ্ড হয়। ১৯৩১ চনত গাঁও সংগঠনৰ পদযাত্ৰাত যাওঁতে গ্ৰেপ্তাৰ কৰি ৬ মাহ কাৰাদণ্ড দিয়ে। ১৯৩৬ চনত যোৰহাট জিলা কংগ্ৰেছৰ প্ৰধান সম্পাদক নিয়োজিত হয়। ১৯৩৭ চনত 'আহোম লীগ'ৰ বিৰুদ্ধে 'জাতীয়তাবাদী আহোম সভা' সংগঠন কৰি সাধাৰণ নিৰ্বাচনত কংগ্ৰেছৰ প্ৰাৰ্থীক জয়যুক্ত কৰে। ১৯৪০ চনত ব্যক্তিগত সত্যাগ্ৰহ দুবাৰ কৰে আৰু কাৰাবৰণ কৰে। ১৯৪২ চনত সমগ্ৰ যোৰহাটৰ নেতৃত্ব বহন কৰি গ্ৰেপ্তাৰ হয় আৰু যোৰহাট আৰু সুনামগঞ্জ জেলত ৰাখে।

১৯৪৫ চনত জিলা কংগ্ৰেছৰ সভাপতি নিৰ্বাচিত হয়। ১৯৪৬ আৰু ১৯৫২ চনত টীয়ক সমষ্টিৰ বিধায়ক নিৰ্বাচিত হয়। 'ভীম-কৰ্মা' বুলি বিভূষিত বৰুৱা এজন ব্যায়ামবীৰ আছিল। ১৯৩০ চনৰ আগৰে পৰা তেখেতৰ অগ্ৰজ বলীনাৰায়ণ বৰুৱাৰ সৈতে শৰীৰ চৰ্চাৰ বিভিন্ন প্ৰদৰ্শন কৰি কংগ্ৰেছৰ প্ৰতি ৰাইজক আকৰ্ষণ কৰিছিল। বিচক্ষণ সংগঠন, অক্লান্ত কৰ্মক্ষমতা, অম্লান দেশপ্ৰেমৰ বহুতো নিদৰ্শন তেখেতে এৰি থৈ গৈছে। টীয়ক ৰজাবাৰী সেৱাশ্ৰম বৰুৱাৰ প্ৰাণকেন্দ্ৰ। কংগ্ৰেছৰ শান্তিসেনা আৰু মৃত্যু বাহিনীৰ নায়ক বৰুৱাৰ যুগমীয়া কীৰ্তি গাঁওৰক্ষী বাহিনী। অবৈতনিক সঞ্চালক ৰূপে সমগ্ৰ অসমত আৰক্ষীৰ সহায়ক বাহিনী হিচাপে চৰকাৰী পৰ্যায়ত প্ৰতিষ্ঠিত কৰে। পৰাধীন ভাৰতত বিয়া নকৰোঁৰা পণ লোৱা বৰুৱাই ১৯৪৮ চনত শ্ৰীমতী ভুবনেশ্বৰীৰ পানি গ্ৰহণ কৰি ৩ জন পুত্ৰ আৰু এগৰাকী কন্যাক এৰি ১৯৬৯ চনৰ ২৩ আগষ্টত ইহ সংসাৰ ত্যাগ কৰে।

হৰেন্দ্ৰ নাথ ভৰালী :

নামনি মাজুলী অঞ্চলৰ প্ৰধান নেতা। ঘৰ কৰতিপাৰ বালিভেটি গাঁৱত। ১৯৪২ চনত সাত মাহ জেলত বন্দী হৈ থাকে। মাজুলীত নানা সামাজিক কাণ্ডত জড়িত আছিল। কৰিতপাৰ হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আছিল।

হীৰালাল ঠাকুৰ :

কমলাবাৰী। ১৯২১-৪২ ৰ সকলো আন্দোলনৰ কৰ্মী। ১৯৪২

চনত ঠিকাদাৰসকলে সংগ্ৰহ কৰা খেৰ-বেতৰ নাও টুনী নৈত কৰ্মী-সকলৰ দ্বাৰা ডুবাই দিছিল। মাজুলীৰ বহুকেইখন কলেজ আৰু হাইস্কুলৰ প্ৰতিষ্ঠাপক আছিল।

হিতেশ্বৰ তামুলী :

ধাৰিগাঁও। ১৯৩৮ চনৰ পৰা অঞ্চলটোৰ সংগঠক আছিল। '৪২ ৰ গণ বিপ্লৱত নগৰ পিকেটিঙত বহুতবাৰ গ্ৰেপ্তাৰ হৈছিল। ধাৰিগাঁও পাঠশালা স্কুলৰ তেওঁ প্ৰতিষ্ঠাপক আছিল।

হেম দত্ত :

আজীৱন গান্ধীবাদী, জীৱনীকাৰ, সু-সাহিত্যিক হেম দত্তৰ জন্ম যোৰহাটত। ভাৰত তথা অসমৰ স্বাধীনতা সংগ্ৰামৰ তথ্য সম্বলিত কেবাখনো গ্ৰন্থ তেখেতে ৰচনা কৰিছিল। ১৯৪২ চনৰ আন্দোলনত তেখেতে সক্ৰিয় ভূমিকা গ্ৰহণ কৰি নিৰ্যাতন ভুগিছিল। শুভ্ৰ শুভ্ৰ খদ্দৰ পৰিধান কৰা বিনয়ী স্বভাৱৰ হেম দত্ত কংগ্ৰেছ সংগঠনটোৰ এজন প্ৰবীণ কৰ্মী আছিল।

হেমনাথ ফুকন :

প্ৰসিদ্ধ পৰ্বতীয়া ফুকনৰ ঘৰত ১৮৯৫ চনত জন্ম। উচ্চ শিক্ষা নাছিল যদিও বুদ্ধি আৰু জ্ঞান গভীৰ আছিল। ১৯২১ চনত আন্দোলনত যোগ দি ১ বছৰ কাৰাবাস খাটে। মুক্তিৰ পাছত স্থানীয় চেলেংহাট অঞ্চলত নেতৃস্থানীয় উপদেষ্টা হয়। ১৯৪১ চনৰ সত্যাগ্ৰহী। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰি ২ বছৰ ৮ মাহ আটক বন্দী হৈ থাকে। কাৰামুক্ত হৈ ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ চাহ মজদুৰ সংগঠনত আত্মনিয়োগ কৰে। নিজৰ কাৰ্যদক্ষতাৰে তেওঁ চাহ মজদুৰ সংঘৰ উপ-সভাপতি নিৰ্বাচিত হয়। ১৯৭৮ চনত ৮৪ বছৰ বয়সত পৰলোক হয়। ফুকন এজন সফল কবিৰাজ আছিল আৰু এটা স্বাস্থ্যকেন্দ্ৰ পৰিচালনা কৰিছিল।

হেমধৰ হাজৰিকা :

ঠেঙ্গাল মৌজাৰ জালুকণিবাৰীৰ এজন বিশিষ্ট কংগ্ৰেছ কৰ্মী। ১৯৩২ চনৰে পৰা ১৯৪২ ৰ গণ আন্দোলনলৈকে সক্ৰিয়ভাৱে মুক্তি

সংগ্ৰামৰ যোদ্ধা আছিল। স্বাধীনতাৰ পাছত তেওঁ সমাজবাদী দলত যোগ দিয়ে।

* * *

যোৰহাট জিলাৰ মাজুলী অঞ্চলৰ বিশিষ্ট মুক্তি-যুঁজাৰু কেইগৰাকীমানৰ নাম মাথোঁ উল্লেখ কৰা হ'ল। বিতং তথ্য-পাতিৰ অভাৱৰ বাবে কিছু লোকৰ নাম বাদ্ পৰাত আমি দুঃখিত।

মুৰ্তি গোস্বামী, ৰাধাবল্লভ গোস্বামী, ভজা খোৰা, ধৰ্মদেৱ গোস্বামী, নৰেং মুদৈ, যোগেন্দ্ৰনাথ ভাগৱতী, গোপাল বৰুৱা, সৰুমইনা হাজৰিকা, গঙ্গাৰাম বৰা, ৰত্নকান্ত গোস্বামী, অতুল গোস্বামী, লাণ্ডি ভুঞা, গঙ্গাৰাম ভৰালী, মাথু ভৰালী, লক্ষ্মণ ফুকন, বেথাৰাম বড়া।

বিপ্লবী ৰোহিনী কান্ত হাতীবৰুৱা
পিতৃ—গোলাপ হাতীবৰুৱা
কৰংগা, যোৰহাট

জন্ম—১৮৯৫, মৃত্যু—১৯২৯ চন।

১৯২০/২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় অংশ লয়। কানি বৰ্জনত বিশেষ ভূমিকা লৈছিল। তিনি মাহ জেল হয়। জেলৰ পৰা মুক্ত হৈ কংগ্ৰেছ সংগঠনত আত্মনিয়োগ কৰে। প্ৰাদেশিক কংগ্ৰেছৰ সম্পাদক আৰু অসম কানি নিবাৰণ তদন্ত কমিটিৰ অন্যতম এজন সম্পাদক হয় ১৯২৪ চনত। ১৯২৫ চনত কাণপুৰ কংগ্ৰেছ অধিবেশনত ৺কৃষ্ণ শৰ্মাৰ সৈতে লগলাগি অসমলৈ কংগ্ৰেছক নিমন্ত্ৰণ জনায়। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ ন্যতম এজন সম্পাদক হয়। স্বৰাজ্য দলৰ প্ৰাৰ্থী হিচাবে যোৰহাটৰ পৰা অসম বিধান সভাৰ সদস্য হয়। ৰায়চাহাব বিখ্যাত অসমৰ চহকী খেতিয়ক ৺শিৱপ্ৰসাদ বৰুৱাক পৰাজয় কৰি বিধান সভাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯২৭ চনৰ বাজেট অধিবেশনত কৈছিল, "তিনিটা বাজেট অধিবেশনত চৰকাৰৰ আচৰণে মোৰ মানসিক এক বিৰাট সংঘাত আনিছে—। সি মোক লৈ যাব—"From the position of a non violent non co-operator to that of rabid revolutionary...." চীনৰ বিৰুদ্ধে যুদ্ধত অসম ৰাইফলছ বেটেলিয়ন পঠোৱা বাতৰি ওলোৱাত তাৰ তীব্ৰ প্ৰতিবাদ কৰিছিল বিধান সভাৰ মজিয়াত।

স্বায়ত্ব শাসন ব্যৱস্থাৰ অধ্যয়নৰ কাৰণে তেওঁ আয়োজন কৰিছিল য়ুৰোপলৈ যোৱাৰ। কিন্তু হঠাৎ চেলেবেলেৰিয়াল মেলেৰিয়াত আক্ৰান্ত হৈ ১৯২৯ চনত মৃত্যু হয়। হাতীবৰুৱাৰ অকাল বিয়োগত অসমে এজন_প্ৰগতিবাদী বিপ্লৱী নেতা হেৰুৱালে।

বিঃ দ্ৰঃ —হাতীবৰুৱা দেৱৰ নামটো ভুলক্ৰমে অতি সংক্ষিপ্তভাৱে গোলাঘাটত দিয়া হৈছে তাৰ বাবে আমি দুঃখিত।

৺ৰাজেন্দ্ৰ নাথ বৰুৱা, এল

পিতৃ—ৰায় বাহাদুৰ ৺দন্দিধৰ বৰুৱা

গোলাঘাট

জন্ম—১৮৯৯, মৃত্যু—১৯৮০ চন।

১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ আয়োজনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৩০ চনত গোলাঘাট জিলা কংগ্ৰেছৰ সভাপতি হয়। ১৯৩২ চনত ৬ মাহ জেল আৰু ৫০ টকা জৰিমনা অনাদায়ত ২৮ দিন জেল। হৰিজন, কংগ্ৰেছৰ সেৱা দলত আত্মনিয়োগ কৰে। ১৯৪০ চনত অসম শান্তি সেনাৰ অধিনায়ক হয়। ১৯৪০ চনত সত্যাগ্ৰহ কৰাত ৪ মাহ জেল হয়। ১৯৪২ চনৰ গণ আন্দোলনত গ্ৰেপ্তাৰ কৰি আটক বন্দী হিচাবে যোৰহাট জেলত ৰাখি ১৯৪৪ চনত মুক্তি দি শিৱসাগৰ, নগাওঁ জিলাৰ পৰা বহিস্কাৰৰ নিৰ্দেশ জাৰি কৰে। অসম হ'মগাৰ্ডৰ অধিনায়ক, বিধান সভাৰ সদস্য, ডেপুটি স্পীকাৰ আৰু গোলাঘাটৰ বহুতো ৰাজহুৱা আৰু গঠনমূলক কামত জড়িত আছিল।

—×—

সম্পাদনাৰ ভুলত ৺বৰুৱাদেৱ প্ৰমুখ্যে কৰি গোলাঘাটৰ অন্য কেবাজনৰো নামমাত্ৰ উল্লেখ বা বাদ পৰিল। পৰিশিষ্টত কেইজন-মানৰ নাম দিয়া হৈছে।

গুৱাহাটী

আনন্দি শৰ্মা :

জন্ম কনিহা গাঁও। মজলীয়া স্কুলৰ শিক্ষা ত্যাগ কৰি ১৯২১ চনত গান্ধীজীৰ অসহযোগ আন্দোলনত জপিয়াই পৰে। নবীন বৰদলৈ, তৰুণৰাম ফুকন আদিৰ পৰা অনুপ্ৰেৰণা লাভ কৰি কংগ্ৰেছ সংগঠনৰ কামত লাগি দীঘলীয়া কাৰাবৰণ কৰে। জেলৰ পৰা ওলাই আহি আয়ুৰ্বেদ চিকিৎসাৰ প্ৰশিক্ষণ লৈছিল। স্বাধীনচেতীয়া ভাৱে চিকিৎসাত লাগি সমাজ সেৱাৰ কাম কৰিছিল। আনন্দি কবি-ৰাজ' নামে জনাজাত শৰ্মাৰ ৬৪ বছৰ বয়সত মৃত্যু হয়।

উমানাথ শৰ্মা :

জন্ম কমলপুৰ চাৰ্কোলৰ বামুণগাঁৱত। ১৮৯৩ চনত জন্ম আৰু ১৯৬২ চনত মৃত্যু। আৰ্থিক দুৰৱস্থাৰ বাবে মাত্ৰ নিম্ন পাঠশালাৰ শিক্ষাতে জীৱনৰ পাতনি মেলিছিল যদিও পিছত সংস্কৃত, ইংৰাজী, বঙালী ভাষাৰ সম্যক জ্ঞান আহৰণ কৰিছিল। তেওঁ আছিল শিল্পী, খনিকৰ, চিকাৰী, হোমিঅ'পেথিক চিকিৎসক আৰু সমাজসেৱক।

১৯৩০-৪২ চনৰ আইন অমান্য আৰু ভাৰত ত্যাগ আন্দোলনৰ সময়ত তেওঁৰ ঘৰখন আছিল কংগ্ৰেছৰ শিবিৰ। ইয়াৰ উপৰিও তেওঁ আছিল এগৰাকী সমাজসেৱক। আলি-পদূলি, চিকিৎসালয়, শিক্ষানুষ্ঠান আদি স্থাপন আৰু মাদকদ্ৰব্য বৰ্জন আদি জনহিতকৰ কামত আগভাগ লৈছিল। সমবায় ভাণ্ডাৰ, জীৱন বীমা, ঋণদান সংগঠন আদিৰ বিস্তৃত বাব লৈ তেওঁ গুৰি ধৰিছিল। শান্তি সমিতি, গৃহৰক্ষী বাহিনী, আঞ্চলিক পঞ্চায়তৰ সভাপতি পদত থাকি তেওঁ জনহিতকৰ কাম কৰিছিল। তেওঁৰ পুত্ৰ কৃষ্ণনাথ শৰ্মাৰো '৪২ৰ সংগ্ৰামত অবদান আছিল।

উমাকান্ত শৰ্মা :

ছাত্ৰ কালতে উগ্ৰপন্থী চিন্তাধাৰাৰ দ্বাৰা প্ৰভাৱান্বিত হয়, আৰু উগ্ৰপন্থী ছাত্ৰ সংগঠনত আগ ভাগ লৈছিল। এই গ্ৰন্থৰে ৭৫ পৃষ্ঠাত উল্লেখ কৰা ১৯৪১ চনৰ গুৱাহাটীৰ ছাত্ৰ জাগৰণৰ অন্যতম প্ৰধান নায়ক আছিল। পুলিচৰ লাঠি চালনাত জখম হৈছিল আৰু ৬-১২-৪১

চনত ছয় সপ্তাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ২৪।১০।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়। অন্তৰীণ নিৰ্দেশ ভঙ্গ কৰা অপৰাধত ১২।১।৪৩ তাৰিখৰ বিচাৰত ১০ মাহ সশ্ৰম কাৰাদণ্ড হয়। আৰু চি পি আই দলৰ এজন মুখ্য নেতা হিচাপে কৃষক, বনুৱা সংগঠনত আত্মনিয়োগ কৰিছিল আৰু আন্দোলনৰ নেতৃত্ব কৰি আহিছিল। ১৯৮৯ চনত মৃত্যু হয়।

উমেশ চন্দ্ৰ চৌধাৰী :

সুগায়ক, গীতিকাৰ, আজীৱন আইনসেৱী গীতিকবি উমেশ চন্দ্ৰ চৌধাৰীৰ ১৮৯৮ চনৰ ২৩ জানুৱাৰী তাৰিখে গুৱাহাটীত জন্ম হয়। তেখেতৰ পিতৃ গৰ্গনাৰায়ণ চৌধাৰী গুৱাহাটী কাছাৰীত নাজিৰৰ কাম কৰিছিল। মেধাৱী ছাত্ৰ উমেশচন্দ্ৰই গুৱাহাটী কলেজিয়েট হাই-স্কুলৰ পৰা ১৯১৩ চনত কৃতিত্বৰে প্ৰবেশিকা আৰু ১৯১৭ চনত ৰসায়ন বিভাগত অনাৰ্চলৈ বি এছ চি পাছ কৰে। তাৰপাছত আৰ্ল ল কলেজৰ পৰা আইন পাছ কৰি ওকালতি ব্যৱসায়ত ব্ৰতী হয়। তেখেত গুৱাহাটী পৌৰসভা আৰু লোকেল বোৰ্ডৰ উচ্চ পদবীত বহু বছৰ আছিল। প্ৰখ্যাত সমাজসেৱী চৌধাৰী ছাত্ৰ জীৱনৰ পৰাই ভাৰতৰ স্বাধীনতা সংগ্ৰামত জড়িত হৈ পৰিছিল। কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈ, লোকপ্ৰিয় গোপীনাথ বৰদলৈ আদিৰ তেখেত বিশেষ আস্থাভাজন আছিল। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছৰ তেখেত সাংস্কৃতিক বিভাগৰ দায়িত্বত আছিল আৰু অম্বিকাগিৰি ৰায়চৌধুৰীৰ লগতে তেখেতৰ গীতো কংগ্ৰেছ সভাত গোৱা হৈছিল। কাৰাবৰণ কৰাৰ তেখেতৰ ইচ্ছা আছিল যদিও কৰ্মবীৰ বৰদলৈ আৰু লোকপ্ৰিয়ই তেখেতক কাৰাবৰণ নকৰিবলৈ পৰামৰ্শ দি কংগ্ৰেছ সংগঠনৰ বহুতো কাম গোপনে কৰি থাকিবলৈ পৰামৰ্শ দিছিল। ১৯২১-২২ চনত তেখেতে অসহযোগ আন্দোলনত যোগ দিছিল। আকৌ ১৯৩০-৩২ চনত ফাঁচী বজাৰৰ বিদেশী বস্তুৰ দোকানসমূহত পিকেটিং কৰাত বহুতো ছাত্ৰ আৰু কংগ্ৰেছ কৰ্মীক গোপনে আশ্ৰয় দি ৰাখিছিল। তেখেতে বেৰ্টবা-খনো কাব্যগ্ৰন্থ ৰচনা কৰিছিল। জ্যোতিপ্ৰসাদ আৰু পাৰ্বতীপ্ৰসাদৰ লগত তেখেতৰ সাংস্কৃতিক বিনিময় ঘটিছিল। নক'লেও হ'ব, ১৯২০ চনৰ পৰা দেশ স্বাধীন হোৱাৰ সময়লৈকে অসমৰ সঙ্গীতৰ ক্ষেত্ৰখন উমেশচন্দ্ৰ, জ্যোতিপ্ৰসাদ আৰু পাৰ্বতীপ্ৰসাদৰ গীত-মাতে মুখৰিত

কৰি ৰাখিছিল। জীৱনৰ পূৰ্ণ বিকাশ নৌহওঁতেই মাত্ৰ ৫৫ বছৰ বয়সতে চৌধাৰীৰ অকাল বিয়োগ ঘটে। উল্লেখযোগ্য যে তেখেত বিহগীকবি ৰঘুনাথ চৌধাৰীৰ ভতিজা আছিল।

কালিচৰণ সেন :

গুৱাহাটীৰ এগৰাকী বিশিষ্ট নাগৰিক আছিল। ১৯২০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰাত আগভাগ লৈছিল। গুৱাহাটীৰ বিভিন্ন শিক্ষা আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত থাকি অসমীয়া আৰু বঙালী দুয়োটা সম্প্ৰদায়ৰ মাজত ভাতৃত্বভাৱ গঢ়ি তোলাত আপ্ৰাণ চেষ্টা কৰিছিল। তেখেত এগৰাকী বিশিষ্ট উকীল, কংগ্ৰেছ কৰ্মী আৰু সমাজসেৱক আছিল।

কামাখ্যাৰাম বৰুৱা :

১৮০৫ শকৰ ১৮৮৩ ইং) শাওনৰ ৩১ তাৰিখে কামাখ্যাৰাম বৰুৱাৰ গুৱাহাটীৰ ভৰলুমুখত জন্ম হয়। দেউতাক কালিৰাম বৰুৱা আছিল এজন সুসাহিত্যিক, শিক্ষাবিদ। ১৯04 চনত কটন কলেজিয়েট স্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত এফ এ শ্ৰেণীত ভৰ্তি হয়। ১৯০৭ চনত বি এ পাছ কৰে। ১৯০৭ চনত হেমচন্দ্ৰ গোস্বামীৰ কন্যা মুক্তাবালা দেৱীক বিবাহ কৰায়। কিছুদিন শিক্ষকতা কৰি ১৯১১ চনত বি এল পাছ কৰি ১৯১২ চনৰ গুৱাহাটীৰ আদালতত ওকালতি আৰম্ভ কৰে। ১৯২১ চনত অসহযোগ আন্দোলনত ওকালতি স্থগিত ৰাখি তেওঁ গাঁৱে-ভূঞে ঘুৰি সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯২৩ চনত কংগ্ৰেছ স্বৰাজ্য পাৰ্টিত যোগ দিয়ে। ১৯২৪ চনৰ পৰা ১৯২৬ চনলৈ কাউন্সিলৰ সদস্য আৰু দলীয় সম্পাদক আছিল। ১৯৩৫ চনৰ অসম এচোচিয়েছনৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল। তেওঁ কেতিয়াও নিৰ্বাচন আদিত কংগ্ৰেছৰ মনোনয়ন বিচৰা নাছিল। আচাৰ্য কৃপালনিৰ কৃষক মজদুৰ প্ৰজাদলৰ প্ৰতিহে তেওঁ আকৰ্ষিত হৈছিল। ১৯৬৫ চনৰ ২৮ নবেম্বৰ তাৰিখে তেওঁৰ মৃত্যু হয়।

কমলেশ্বৰ গোস্বামী :

নহিৰা সত্ৰৰ সত্ৰাধিকাৰ সৰ্বজনবিদিত 'নাৰা গোসাঁই' ওৰফে

কুমুদেশ্বৰ গোস্বামীৰ পুত্ৰ কনকেশ্বৰ গোস্বামীৰ ১৯১৩ চনত গুৱাহাটীত জন্ম হয়। প্ৰবেশিকা পৰীক্ষা পাছ কৰি কটন্ কলেজত ভৰ্তি হোৱাৰ পাছতে ১৯৩০ চনৰ অসহযোগ আন্দোলনত যোগ দিবলগীয়া হয়। দেশৰ স্বাধীনতা আন্দোলনত এই পৰিয়ালটোৰ অবদান বিশেষভাৱে উল্লেখযোগ্য। ১৯৩০—৪২ চনৰ আন্দোলনত যোগ দি কনকেশ্বৰ গোস্বামী জেল নিৰ্যাতন ভোগে। তেওঁ গুৱাহাটী মৌজাৰ মৌজাদাৰ হোৱাৰ উপৰিও গুৱাহাটী আৰু পলাশবাৰী অঞ্চলৰ বহুতো শিক্ষা আৰু সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৯০ চনৰে এপ্ৰিল মাহত তেখেতৰ পৰলোকপ্ৰাপ্তি ঘটে।

কনক চন্দ্ৰ চৌধুৰী ঃ

জন্ম শিংৰা গাঁৱত। প্ৰৱেশিকা পাছ কৰি পুথিমাৰী মাইনৰ স্কুলত শিক্ষকতা কৰে। '৪২ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাবাস খাটে। কাৰাবাসৰ অন্তত সমবায় ভাণ্ডাৰ প্ৰতিষ্ঠা, শিক্ষানুষ্ঠান নিৰ্মাণ, ধৰ্মীয় আৰু ৰাজহুৱা সামাজিক অনুষ্ঠান গঠনত ব্ৰতী হয়। প্ৰায় ৮০ বছৰ বয়সত ১৯৮৯ চনত তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে।

কেশৱ ঠাকুৰীয়া ঃ

দক্ষিণ শিংৰা গাঁৱত জন্ম। তেওঁ আছিল এগৰাকী স্বাধীনচিতিয়া ব্যৱসায়ী। তেৱেঁই পোনতে পুথিমাৰীৰ পৰা গুৱাহাটীলৈ যাতায়তৰ বাবে নিজাকৈ পৰিবহনৰ ব্যৱস্থা কৰিছিল। তেওঁ আছিল মুক্তি সংগ্ৰামৰ প্ৰতি সহানুভূতিশীল আৰু নিস্বাৰ্থ সেৱক। '৪২ৰ গণ বিপ্লৱত স্বেচ্ছাসেৱকসকলক ধন বৰঙনিৰে সহায় কৰিছিল। আন্দোলনৰ গুপ্ত বাহিনীৰ লগত তেওঁৰ যোগাযোগ আছিল।

গোপীকান্ত শৰ্মা ঃ

কনিহা গাঁও। মৌজা পুব বৰিগোগ। সংস্কৃতৰ মধ্যমা পৰীক্ষা পাছ কৰি উৎসৱ-পাৰ্বন, বিয়া-শ্ৰাদ্ধ আদিৰ কৰ্মকাণ্ডত জড়িত থাকি জীৱিকাৰ পথ মুকলি কৰিছিল। তেওঁ গান্ধীৰ আন্দোলনৰ সকলো কাৰ্যসূচীত অংশ গ্ৰহণ কৰিছিল। বিয়াল্লিছৰ গণ বিপ্লৱত অঞ্চলটোৰ উপদেষ্টা আছিল। বিভিন্ন ৰাজহুৱা শিক্ষানুষ্ঠান, ধৰ্মীয় অনুষ্ঠান আদি

স্থাপনত আগভাগ লৈছিল। ৰাস্তাঘাট বন্ধা আদি কামো কৰিছিল। তেওঁ এগৰাকী বৈদিক শাস্ত্ৰত পণ্ডিত হিচাপে মান পাইছিল। ১৯৮৪ চনত তেওঁৰ দেহান্তৰ হয়।

গোলাপ চন্দ্ৰ চৌধুৰী :

হেংপিভিলা, গুৱাহাটী। অসমৰ শিক্ষা আৰু খেল জগতত গোলাপ চন্দ্ৰ চৌধুৰী এটি সৰ্বজনবিদিত নাম। ১৯৩০ চনত কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত গুৱাহাটী জাতীয় কামৰূপ একাডেমী (বৰ্তমান কামৰূপ একাডেমী উচ্চতৰ মাধ্যমিক বিদ্যালয়)ৰ জন্ম হয়। এই বিদ্যালয় স্থাপনত গুৰি ধৰোতাসকলৰ ভিতৰত লোকপ্ৰিয় গোপীনাথ বৰদলৈ, কালিচৰণ সেন, গৌৰীকান্ত তালুকদাৰ, দেবেন্দ্ৰনাথ শৰ্মা, সুৰেশচন্দ্ৰ গোহাঁই, ঈশ্বৰপ্ৰসাদ চৌধুৰী আৰু গোলাপচন্দ্ৰ চৌধুৰী প্ৰমুখ্যে এচাম স্বদেশপ্ৰেমী, জাতীয়তাবাদী লোক আছিল। গোলাপ চন্দ্ৰ চৌধুৰী এই বিদ্যালয়ত প্ৰথমতে সহকাৰী শিক্ষক আৰু একনিষ্ঠ উদ্যোক্তা হিচাপে থাকি পৰ্যায়ক্ৰমে ইয়াৰ বহুবছৰ ধৰি প্ৰধান শিক্ষক আৰু অধ্যক্ষ, পৰিচালনা সমিতিৰ সভাপতি আছিল। গোপীনাথ বৰদলৈৰ উপদেশ মানি সক্ৰিয় ৰাজনীতিত নেনামি কামৰূপ একাডেমীক এখন আদৰ্শ বিদ্যালয় হিচাপে স্থাপন কৰাত দেহেকেহে লাগি আছিল। তেখেতৰ উদ্যোগত তাৰিণীচৰণ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়, বি বৰুৱা কলেজ, জে বি ল কলেজ, উত্তৰ গুৱাহাটী কলেজ, অসম হিন্দী কলেজ, আনন্দৰাম বৰুৱা ভৱন আদিৰ জন্ম হয়। তেখেত গুৱাহাটী জিলা কংগ্ৰেছ, গুৱাহাটী স্পোৰ্টচ এছ'চিয়েচন, নেহৰু ষ্টেডিয়ামৰ লগত জড়িত থকাৰ উপৰিও গুৱাহাটী পৌৰ সভাৰ সভাপতি আছিল। সদা সৰ্বদা খদ্দৰৰ ধুতি-পাঞ্জাবী পৰিধান কৰা এইজন কুশলী শিক্ষাবিদ, কৃতি শিক্ষক, কংগ্ৰেছ কৰ্মী, সমাজসেৱী গোলাপ চন্দ্ৰ চৌধুৰীৰ ১৯৭৬ চনত ৭৮ বছৰ বয়সত পৰলোকপ্ৰাপ্তি ঘটে।

ডাঃ গুৰুপ্ৰসাদ বৰুৱা :

সদা সৰ্বদা খদ্দৰৰ ধুতি চোলা পিন্ধা, হাতত এহতীয়া সৰু ষ্টিক লৈ ফুৰা, চিৰ হাস্যবদন, শ্মশানবন্ধু, গুৱাহাটীৰ সুপ্ৰসিদ্ধ নাগৰিক, আজীৱন কংগ্ৰেছকৰ্মী ডাঃ গুৰুপ্ৰসাদ বৰুৱাৰ নাম স্মৰণ কৰা মাত্ৰকে

আৰু চাৰিগৰাকী তেখেতৰ সতীৰ্থ ডাঃ কীৰ্তিৰাম বৰুৱা, কৃতি শিক্ষক আৰু প্ৰবীণ ক্ৰীড়াবিদ অম্বৰাম বৰুৱা, দেৱপাম দাস আৰু বিহুগী কবি ৰঘুনাথ চৌধাৰীৰ নাম মনত নপৰি নাথাকে। গুৱাহাটীৰ বিভিন্ন অনুষ্ঠানৰ লগত বিশেষকৈ নৱগ্ৰহ শ্মশানখন সংৰক্ষণ কৰাত তেওঁ-লোক ব্ৰতী আছিল। লোকবন্ধু ডাঃ ভুবনেশ্বৰ বৰুৱা আৰু তেখেতৰ ভাতৃ ডাঃ কনকেশ্বৰ বৰুৱাই প্ৰতিষ্ঠা আৰু পৰিচালনা কৰা ডাঃ ভুবনেশ্বৰ বৰুৱা ক্লিনিকত জনস্বাস্থ্য সেৱা কৰি ডাঃ গুৰুপ্ৰসাদ বৰুৱা আৰু কীৰ্তিৰাম বৰুৱাই ওৰে জীৱন কটাইছিল। লোকবন্ধু ডাক্তৰ বৰুৱাৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ তেওঁলোকে মৃত্যু পৰ্যন্ত জনস্বাস্থ্য সেৱা আৰু জাতীয় কংগ্ৰেছৰ সেৱা কৰিছিল। ১৯৭০ৰ দশকত প্ৰায় ৭০ বছৰ বয়সত এখেতৰ মৃত্যু হয়।

চন্দ্ৰ নাথ শৰ্মা :

জন্ম কমলপুৰ চাৰ্কোলৰ কছুকৰা গাঁৱত। বিয়াল্লিছৰ গন সংগ্ৰামত স্কুল বৰ্জন কৰি আন্দোলনত জপিয়াই পৰিছিল। পৰৱৰ্তী কালত তেওঁ কনিহা, নেচাদোমা, লাচী, তেকপাৰ আদি অঞ্চলত সংগঠনৰ কামত লাগিছিল। তেওঁ আত্মগোপনো কৰিছিল। বিশিষ্ট সমাজকৰ্মী ৰূপে স্বাধীনোত্তৰ কালত পৰিচিত, অতিথিপৰায়ণ শৰ্মাৰ ১৯৮৯ চনৰ চেপ্তেম্বৰ মাহৰ ৩ তাৰিখে মৃত্যু হয়।

চক্ৰেশ্বৰ ভট্টাচাৰ্য্য :

আঠঘৰীয়া গাঁও। মৌজা পুব বৰিগোগ। জন্ম ১৯১৬ চন। মেধাবী ভট্টাচাৰ্যই সেই সময়ত ওচৰত উচ্চ শিক্ষাৰ অনুষ্ঠান নথকা সত্ত্বেও আত্মীয় স্বজনৰ সহায়ত গুৱাহাটীত স্নাতক মহলালৈ পঢ়ি বুৰঞ্জী বিষয়ত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হয়। '৪২ৰ গণ বিপ্লৱত বৃটিছৰ তলত চাকৰি নকৰি আন্দো-লনত জপিয়াই পৰে। সকলোৰে শ্ৰদ্ধাৰ ভট্টাচাৰ্য্যই স্বেচ্ছাসেৱক বাহিনী গঠন, প্ৰশিক্ষণ আদি কৰ্মত নিযুক্ত হৈ পিছত আত্মগোপন কৰে আৰু গড়ুভিতৰ, বণ্ডিয়া, আল্লিয়া, ঘগ্ৰাপাৰা, বাহাৰঘাট, ভেকপাৰ আদি ঠাইত গোপনে সংগঠন কৰ্মত ঘূৰি ফুৰে। স্বাধীনতাৰ পৰৱৰ্তী কালত আকাশবাণী দিল্লী কেন্দ্ৰত প্ৰচাৰ বিভাগত কাম কৰি পিছত গুৱাহাটীলৈ বদলি হৈ আহি অৱসৰ লয়। 'গৌতম বুদ্ধ' আদি কৰি

কেবাখনো উল্লেখযোগ্য কিতাপ তেওঁ ৰচনা কৰিছিল। ১৯৭২ চনত তেওঁৰ মৃত্যু হয়।

জীবেশ্বৰ ভট্টাচাৰ্য্য :

পুৰপাৰ মৌজাৰ ভেকপাৰ গাঁৱত জন্ম। ধীৰ স্থিৰ অমায়িক ভট্টাচাৰ্য আছিল একনিষ্ঠ কংগ্ৰেছ কৰ্মী আৰু সমাজসেৱক। পুৰপাৰ কংগ্ৰেছ কাৰ্যালয়ৰ সম্পাদক হিচাপেও তেওঁ সেৱা আগবঢ়াইছিল, বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত জড়িত আছিল।

তৰুণ চন্দ্ৰ লহকৰ :

জন্মস্থান সানেকুচি, নলবাৰী। ছাত্ৰাবস্থাৰ পৰা লহকৰ আৰু তেখেতৰ জ্যেষ্ঠ ভ্ৰাতৃ চন্দ্ৰধৰ লহকৰ কংগ্ৰেছ সংগঠনটোৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিল। আৰু বহুত সময়ত নিৰ্যাতন ভোগ কৰিছিল। তেওঁ ওৰে জীৱন জাতীয় স্কুল কামৰূপ একাডেমীত শিক্ষকতা কৰিছিল। এজন কৃতী শিক্ষক হোৱাৰ উপৰিও কেৱল স্কুলখনৰে নহয় গুৱাহাটী তথা গোটেই অসমৰ ক্ৰীড়া জগতত লহকৰে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। স্বৰ্গীয় গোলাপ চন্দ্ৰ চৌধুৰী, গৌৰীকান্ত তালুকদাৰ, ডা ঘনশ্যাম দাস আদিৰ সোঁহাত স্বৰূপ আছিল। তেখেত এন চি চি নেভি আদিৰ প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক আছিল। উল্লেখযোগ্য যে কামৰূপ একাডেমীৰ ক্ৰীড়া বিভাগৰ তেখেত দায়িত্বত থকা সময়ত অসম টুৰ্ণামেণ্ট আদিকে ধৰি বিভিন্ন খেল প্ৰতিযোগিতাত কামৰূপ একাডেমী বিশেষ নাম কৰিছিল। সদাসৰ্বদা খদ্দৰৰ ধুতি আঠুলৈ বৈ পৰা পাঞ্জাবী পিন্ধা আৰ্যগছী হাস্যমুখৰ তৰুণ লহকৰৰ ১৯৭৮ চনত শোকাবহ অকালমৃত্যু ঘটে।

তিতাৰাম কাকতি :

আজীৱন কংগ্ৰেছকৰ্মী তিতাৰাম কাকতি গুৱাহাটী পৌৰনিগমৰ বিষয়া আছিল। গুৱাহাটী, উত্তৰ গুৱাহাটী আৰু কমলপুৰ অঞ্চলৰ বহুতো শিক্ষা, সাংস্কৃতিক আৰু উন্নয়নমূলক কামত জড়িত আছিল।

থানেশ্বৰ শৰ্মা :

কনিহা গাঁৱত ১৯২১ চনত জন্মগ্ৰহণ কৰে। ১৯৪১ চনত প্ৰৱেশিকা পৰীক্ষাৰ ফলাফল নোলাওঁতেই তেওঁ আন্দোলনত অংশ গ্ৰহণ

কৰে। সঙ্গীতৰ প্ৰতি থকা গভীৰ আসক্তিৰ বাবেই জাতীয় সঙ্গীত যেনে পতাকা উত্তোলন, জাতীয় পতাকা অৱতৰণত বন্দেমাতৰম আদি পৰিবেশনত সুৰ-সমন্বয় ৰক্ষা কৰি নিৰ্দেশ দিয়াত আগভাগ লৈছিল। সভা সমিতিত সমবেত গীতৰ বাবেও গায়কৰ দল গঠন কৰিছিল। ১৯৪৭ চনত স্নাতক হৈ চৰকাৰ উন্নয়ন বিষয়া পদত যোগ দিছিল। অনুমান ১৯৭৫ চনত হৃদৰোগত তেওঁৰ মৃত্যু হয়।

ডাঃ দীননাথ শৰ্মা :

বজালীৰ ধৰমতলা গাঁমুণকুচি গাঁৱত ১৮৯৪ চনত জন্ম গ্ৰহণ কৰে। পিতৃ চণ্ডীচৰণ শৰ্মা। মেধাবী ছাত্ৰ দীননাথে নানা ঘাত-প্ৰতিঘাতৰ মাজেদি পাটাচাৰকুচি বিদ্যালয়ৰ পৰা এম ই, গৌৰীপুৰ হাইস্কুলৰ পৰা প্ৰবেশিকা, কোচবিহাৰ কলেজৰ পৰা প্ৰাৰম্ভিক কলে-জীয়া শিক্ষা আৰু কলিকতাৰ নেচনেল মেডিকেল কলেজৰ পৰা ডাক্তৰি পাছ কৰে। ডাক্তৰী বিদ্যাক তেওঁ পেচা হিচাপে লোৱা নাছিল। ছাত্ৰাৱস্থাৰে পৰা দীননাথ আছিল সৰবৰহী লোক। তেওঁ গাঁৱত 'আজলী মিলন সংঘ' নামেৰে এটি পুথিভঁৰাল ছাত্ৰাৱস্থাতে স্থাপন কৰিছিল। পাটাচাৰকুচিত পঢ়ি থকা সময়ত 'বীণা' আলোচনীৰ সম্পাদক আছিল। 'প্ৰবাসী' নামৰ বঙালী আলোচনী এখনৰ সম্পাদক ৰামানন্দ চট্টোপাধ্যায়ৰ অসমীয়া ভাষা সম্পৰ্কে কৰা মন্তব্যত তেওঁ ক্ষুণ হৈ যোগ্য প্ৰত্যুত্তৰ দিছিল। তাৰবাবেই নেকি ডাক্তৰী বিদ্যা এৰি তেওঁ হ'ল 'আৱাহন' (১৯২৯) আলোচনীৰ জন্মদাতা সম্পাদক। যি আলোচনৰি ভৱিষ্যতে অসমীয়া সাহিত্য লৈ এটা যুগান্তৰ আনে।

ভাৰতৰ স্বাধীনতা সংগ্ৰামত যদিও দীননাথে সৰক্ৰিয় অংশ লৈ জেল জৰিমনা ভৰা নাছিল তথাপি আৱাহনত স্বাধীনতাৰ শিকলি দলিয়াই জেলোৱাৰ স্পষ্ট সুৰ প্ৰতিধ্বনিত হৈছিল। লক্ষ্মীনাথ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ আদি আছিল আৱাহনৰ বিশিষ্ট লেখক। শৰ্মাই নিজৰ কাৰণে কেতিয়াও ভৰা নাছিল। স্বদেশপ্ৰেম, মানৱ সেৱা, সাধুতা আৰু কঠোৰ পৰিশ্ৰমেই যদি জীৱনৰ শ্ৰেয় লাভৰ পথ হয়, শৰ্মাই তাকেই গোটেই জীৱন আচৰণ কৰিলে। ১৯৫০ চনত গুৱাহাটীত ভেখেতৰ পত্নীৰ মৃত্যুৰ পাছত তেওঁ বৰ শোক পাইছিল। এইদৰে জীৱনৰ প্ৰতিটো খোজতে

স্বদেশ আৰু অসমীয়া ভাষা সাহিত্যৰ বাবে জীৱন উছৰ্গা কৰি ১৯৭৮ চনৰ ৪ জুন তাৰিখে গুৱাহাটীৰ বাসভৱনত নবতনু সামৰে।

নবীন শৰ্মা :

হাস্যৰসিক, প্ৰবীণ ক্ৰীড়াবিদ বিশিষ্ট সমাজকৰ্মী, আজীৱন কংগ্ৰেছসেৱী নবীনচন্দ্ৰ শৰ্মা ভাৰতৰ স্বাধীনতা আন্দোলনৰ (১৯৩০-৪২) সংগ্ৰামত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছিল। অসমৰ ক্ৰীড়া জগতত তেওঁ এটা ভোটাতৰা আছিল। খদ্দৰৰ ধুতিৰ ডবল পোন্ধ মাৰি ফটুৱৈ খদ্দৰৰ চোলা, চুটিকৈ কটা চুলিৰে সুন্দৰ সুঠাম চেহেৰাৰ নবীনচন্দ্ৰ শৰ্মা সকলোৰে মাজত জনাজাত আছিল। ব্যায়ামবীৰ নবীন শৰ্মাই বাৰিষাৰ ব্ৰহ্মপুত্ৰ সাতুঁৰি পাৰ হৈছিল।

নন্দৰাম শইকীয়া :

শইকীয়াৰ জন্মস্থান নগাওঁ ছাত্ৰবস্থাৰপৰা কংগ্ৰেছৰ স্বেচ্ছাসেৱক হিচাপে কাম কৰি প্ৰবেশীকা পাছ কৰাৰ পাছত কাৰাপ একাডেমীত শিক্ষকতা কৰে। তাৰ পাছত ক্ৰমে আই-এ আৰু বিএ-এ পাছ কৰিছিল। শিশু সাহিত্যৰ বাবে তেওঁ ৰাষ্ট্ৰীয় পুৰস্কাৰ পাইছিল। ১৯৮২ চনত তেওঁৰ অকাল বিয়োগ ঘটে।

পৰমানন্দ শৰ্মা :

ভোবক গাঁও, মৌজা পূব বৰিগোগ। স্বাধীনতা আন্দোলনৰ তেওঁ আছিল এজন পৃষ্ঠপোষক। কংগ্ৰেছ নেতা-কৰ্মীসকলৰ বাবে তেওঁৰ ঘৰখন আছিল আশ্ৰয়ৰ থলী। বিভিন্ন জনহিতকৰ কামত তেওঁ জড়িত আছিল। ১৯৮৪ চনত প্ৰায় ৭৫ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

পূৰ্ণ চন্দ্ৰ অধিকাৰী :

পলাশবাৰী ছয়গাঁও অঞ্চলত জন্ম গ্ৰহণ কৰি কটন কলেজৰ পৰা স্নাতক হৈ শিক্ষকতাৰে জীৱন আৰম্ভ কৰে। তেওঁ ছয়গাঁও হাইস্কুলৰ প্ৰধান শিক্ষক হিচাপে বহু বছৰ সেৱা কৰি অৱসৰ গ্ৰহণ কৰে। তেখেত এজন কৃতি শিক্ষক আছিল আৰু ভালেমান কৃতি ছাত্ৰ গঢ়ি তুলিছিল। ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰতিটো স্তৰতে তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল আৰু দক্ষিণ কামৰূপত কংগ্ৰেছ আন্দোলনটো সক্ৰিয় কৰি ৰখাত অবিহণা যোগাইছিল।

বিনয় কুমাৰ তালুকদাৰ :

কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত ১৯৩০ চনত গুৱাহাটীত জন্ম পোৱা কামৰূপ একাডমীৰ অন্যতম উদ্যোক্তা গৌৰীকান্ত তালুকদাৰৰ জ্যেষ্ঠ পুত্ৰ বিনয় কুমাৰ তালুকদাৰ সেই বিদ্যালয়ৰ প্ৰথম ছাত্ৰ আছিল। পিতৃ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ ভাৰতৰ স্বাধীনতা আন্দোলনত তেখেতে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। তেখেত এজন মুক্তিযোদ্ধা হোৱাৰ উপৰিও ভাল খেলুৱৈ আৰু সমাজসেৱী আছিল। গুৱাহাটীৰ উজানবজাৰ অঞ্চলৰ শিক্ষা আৰু সাংস্কৃতিক প্ৰায়বোৰ অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৩০ চনত চৰকাৰী বিদ্যালয় অবৰুদ্ধ কৰা অভিযোগত ৩।৮।৩০ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ছয় সপ্তাহ সশ্ৰম কাৰাদণ্ড ভোগে।

বেলিৰাম দাস :

উজান, বজাৰ গুৱাহাটী। অসমৰ কংগ্ৰেছ সংগঠনটোক সক্ৰিয় আৰু পৰিপুষ্ট কৰাত যিসকল ব্যক্তিয়ে নিস্বাৰ্থভাৱে সেৱা আগবঢ়াইছিল তাৰে এজন আছিল স্বনামধন্য বেলিৰাম দাস বি, এল ডাঙৰীয়া। তেখেতে ১৯৩০ চনত কলেজ বৰ্জন কৰি ২।১০।৩০ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ছমাহ সশ্ৰম কাৰাদণ্ড ভোগে। ১৯৪০ চনত সত্যাগ্ৰহত যোগ দি ১২।১২।৪০ তাৰিখে গ্ৰেপ্তাৰ হৈ পুনৰ চাৰিমাহ সশ্ৰম কাৰাদণ্ড ভোগে। পল্যাশবাৰীৰ শদিলাপুৰ সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হোৱাৰ উপৰিও লোকসভাৰ সদস্য হিচাপেও তেখেত নিৰ্বাচিত হৈছিল। তেখেত মূলতঃ আইন ব্যৱসায়ী আছিল যদিও এজন প্ৰবীণ ৰাজনীতিবিদ আৰু বিশিষ্ট সমাজকৰ্মী হিচাপেও পৰিগণিত হৈছিল।

বিনোদলাল বৰুৱা :

উত্তৰ গুৱাহাটীত জন্ম। কামৰূপ একাডেমীৰ জাতীয় বিদ্যালয়ৰ তেওঁ প্ৰথম সহকাৰী প্ৰধান শিক্ষক হিচাপে কাম কৰি অৱসৰ লাভ কৰে। তেখেত আজীৱন কংগ্ৰেছ কৰ্মী আৰু সমাজ সংগঠক আছিল। তেওঁ মহাত্মা গান্ধীৰ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈ পবিত্ৰ জীৱন যাপন কৰিছিল। ঘৰত খাদী, বয়ন, মৌপালন আদি সেমাজসেৱাৰ কাম

কৰিছিল। তেওঁ এজন ক্ৰীড়াবিদ আছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলন আৰু '৪২ৰ ভাৰতত্যাগ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল।

বংশীধৰ কলিতা :

জন্ম শিংৰা গাঁও। মজলীয়া স্কুলৰ শিক্ষাপ্ৰাপ্ত কলিতাই পূবপাৰ মৌজাদাৰৰ মহৰী খাম কৰিছিল। চৰকাৰৰ ভয়ত মৌজাদাৰসকল কংগ্ৰেছ ৰাজনীতি আদিৰ পৰা আঁতৰত আছিল যদিও স্বাধীনচেতীয়া বংশী মহৰী নিজৰ চাকৰি ঠিকে ৰাখিও কংগ্ৰেছ আন্দোলনত ভাগ লৈছিল। তেওঁ আজীৱন কংগ্ৰেছ আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। লোকসভা, বিধান সভাৰ নিৰ্বাচনত কংগ্ৰেছৰ হকে কাম কৰিছিল। বিভিন্ন ৰাজহুৱা অনুষ্ঠানৰ লগত তেওঁ জড়িত আছিল। তেওঁৰ অন্যতম পুত্ৰ যুৱনেতা শ্ৰীবেণুধৰ কলিতা। ১৯৮৮ চনত প্ৰায় ৮০ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

বিপিন চন্দ্ৰ শৰ্মা :

জন্ম কনিহা গাঁও। পিতৃ ৰাজেশ্বৰ শৰ্মা। প্ৰৱেশিকা পৰীক্ষাৰ পূৰ্বতে শিক্ষা বিসৰ্জন দি স্বাধীনতা আন্দোলনৰ পথগামী হৈ পৰিল। বিয়াল্লিছৰ গণ-বিপ্লৱত বিপিন শৰ্মাৰ পিতৃ ৰাজেশ্বৰ শৰ্মা ওৰফে 'বুঢ়া দোকানী'ৰ ঘৰখন কংগ্ৰেছৰ আড্ডাৰ ঠাই আছিল। উক্ত ঘৰখন পুলিচে খানাতালাচ কৰি নগুৰ-নাকতি কৰিছিল। ভাম্বেৰ চাহাবৰ নেতৃত্বত যোৱা সশস্ত্ৰ বাহিনীয়ে আশ্ৰয় দিয়া কংগ্ৰেছ কৰ্মী-সকলক বিচাৰি বহুতো নথিপত্ৰ লৈ গৈছিল। বিপিন শৰ্মা আজীৱন সমাজ সেৱাত ব্ৰতী আছিল। বিভিন্ন ৰাজহুৱা অনুষ্ঠান, স্কুল, কলেজ, পুথিভঁৰাল স্থাপনত তেওঁৰ অৱদান উল্লেখযোগ্য। ১৯৮৫ চনত তেওঁৰ মৃত্যু হয়।

বিষ্ণুৰাম দাস :

তিতকুৰি, ৰঙিয়া থানা। সেই অঞ্চলৰ কনিহা গাঁৱত যুৱ ভলন্টিয়াৰসকলৰ লগত প্ৰথমে স্বেচ্ছাসেৱক হিচাপে যোগ দিয়ে। কনিহা শিবিৰত আৱশ্যকীয় প্ৰশিক্ষণ লৈ নিজ গাঁৱৰ ওচৰতে এটা আন্দোলনৰ শিবিৰ পাতি বিয়াল্লিছৰ গণ বিপ্লৱত গাঁওবাসীক সংগঠিত কৰি

আন্দোলন পৰিচালনা কৰিছিল। আজীৱন সমাজকৰ্মী, অমায়িক যজ্ঞেশ্বৰ দাসৰ জনপ্ৰিয়তা সৰ্বজনবিদিত।

বিষ্ণু শৰ্মা :

জন্ম বৰিগোগ গাঁও। হাইস্কুলৰ দশম মানলৈ পঢ়ি গুৱাহাটী চৰকাৰী বয়ন বিদ্যালয়ৰ পৰা শেষ পৰীক্ষা পাছ কৰে। '৪২ৰ গণ বিপ্লৱ, স্বেচ্ছাসেৱক হিচাপে যোগ দিয়াৰ উপৰিও উত্তৰ কামৰূপৰ বিভিন্ন অঞ্চলৰ কংগ্ৰেছ সংগঠনৰ কামত লাগিছিল। আন্দোলনৰ পিছত বয়ন বিভাগৰ চাকৰিত যোগ দি গ্ৰামাঞ্চলৰ শিল্প উন্নয়ন কামত মনোযোগ দিছিল। অনুমান ১৯৭৮ চনত তেওঁৰ অকাল মৃত্যু হয়।

ভৰত চৌধুৰী :

ঘৰ বতিয়া চাৰ্কোলৰ আঠাবাৰীত। প্ৰৱেশিকা পৰীক্ষাতে শিক্ষা জীৱন সমাপ্ত কৰি কংগ্ৰেছ মহাসভাৰ সভ্য হৈ ভিতৰুৱা গাঁওবোৰত কংগ্ৰেছ সংগঠনৰ কামত লাগিছিল। নিজৰ ব্যৱসায়ৰ ক্ষতি কৰি ৰাজনৈতিক, সামাজিক কামত ব্ৰতী হৈছিল। তেওঁ লোকেল বোৰ্ডৰ সভ্য হৈ সামাজিক উন্নয়নমূলক কামত মনোনিবেশ কৰিছিল। পুঠিমাৰী খোৰাজী হাইস্কুল আৰু চিকিৎসালয় স্থাপনত তেওঁৰ অবদান আছিল।

ভুমিধৰ বৰ্মন :

সোণাপুৰ। মৌজা পূব পাৰ। প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ পাছত তেওঁ সমাজ সেৱাৰ কামত আত্মনিয়োগ কৰিছিল আৰু '৪২ৰ গণ বিপ্লৱত ভেকপাৰ শিবিৰত থাকি সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বৃটিছক কোনোপ্ৰকাৰে সহায়-সহযোগ নকৰিবলৈ অঞ্চলৰ ৰাইজক সংঘবদ্ধ কৰাত কৃতকাৰ্য হৈছিল। স্বাধীনোত্তৰ কালত চৰকাৰৰ উন্নয়ন বিভাগত চাকৰি কৰি সুখ্যাতিৰে সেৱা আগবঢ়াইছিল।

মহিম মহাজন :

দক্ষিণ শিংৰা গাঁৱত জন্ম। সাধাৰণ কৃষক পৰিয়ালৰ পৰা মহিম কলিতা নামে প্ৰথমে মটৰ চালক পদত সোমাই পিছত ৰাজহুৱা পৰিবহনৰ গৰাকী হয়। অধ্যাৱসায়ৰ বলত লোপতলোপে উন্নতি কৰি 'মহিম মহাজন' বুলি পৰিচিত হয়। '৪২ৰ গণ বিপ্লৱত বৃটিছ চৰকাৰৰ

লগত সম্পূৰ্ণ অসহযোগ কৰিছিল। মুক্তি সংগ্ৰামত সহায়-সহযোগ কৰিছিল। অজাতশত্ৰু এইজন ব্যক্তিৰ জনপ্ৰিয়তা সৰ্বজনবিদিত।

মহেন্দ্ৰ কুমাৰ বৰুৱা :

জন্ম চামতা গাঁও। ছাত্ৰাৱস্থাৰ পৰা চন্দ্ৰপ্ৰভা শইকীয়ানী, ডাঃ হোমেশ্বৰ দেৱচৌধুৰী, ভবানন্দ দত্ত আদিৰ প্ৰেৰণাত স্বেচ্ছাসেৱী হিচাপে কংগ্ৰেছত যোগ দিয়ে। কটন কলেজৰ পৰা বি এ পাছ কৰাৰ পাছত বৃটিছ চৰকাৰৰ তলত চৰকাৰী চাকৰি নকৰাৰ প্ৰতিজ্ঞা কৰি স্বাধীন ব্যৱসায় 'বৰুৱা ফাৰ্ণিচাৰ হাউচ' আৰম্ভ কৰে। পিছলৈ এজন উদ্যোগপতি হিচাপে গুৱাহাটীত প্ৰতিষ্ঠা লাভ কৰে। ওৰে জীৱন কংগ্ৰেছৰ লগত জড়িত হৈ থাকি মুক্তিযুঁজত সক্ৰিয় অংশ গ্ৰহণ কৰে। '৪২ ৰ গণ বিপ্লৱত কংগ্ৰেছৰ চৰমপন্থী দলৰ লগত যোগদান কৰি নিৰ্যাতন ভোগে আৰু আত্মগোপন কৰে। বৰুৱা ক্ৰীড়াবিদ, বেহেলাবাদক, লেখক আৰু সংগঠক আছিল। ডাঃ ভুবনেশ্বৰ বৰুৱাৰ লগত থাকি, তেওঁৰ নিৰ্দেশত গুৱাহাটী কৃষ্টি বিকাশ সমিতিৰ লগত জড়িত হৈ পৰে। উল্লেখযোগ্য যে ডঃ মহেশ্বৰ নেওগ, হৰমোহন দাস, হৰিনাৰায়ণ দত্তবৰুৱা, বিচিত্ৰনাৰায়ণ দত্তবৰুৱা, মহেন্দ্ৰমোহন চৌধুৰী, শ্ৰীচিদানন্দ দাস, ৰাধাচৰণ দত্ত প্ৰমুখ্যে ব্যক্তিসকলৰ সহায় সহযোগিতাত কৃষ্টি বিকাশ অনুষ্ঠানটি এটি পূৰ্ণাঙ্গ অনুষ্ঠান কৰি তোলে। উল্লেখযোগ্য যে বাগ্মীবৰ নীলমণি ফুকনৰ গুৱাহাটীত থকা প্ৰায় ২ লাখ টকাৰ স্থাৱৰ সম্পত্তি কৃষ্টি বিকাশ সমিতিৰ নামত দান হিচাপে গ্ৰহণ কৰা বৰুৱা অন্যতম উদ্যোক্তা আছিল। গুৱাহাটী নিউ আৰ্ট প্ৰেছৰ প্ৰতিষ্ঠাতা সভাপতি আছিল। ১৯৮৪ চনত বৰুৱাৰ গুৱাহাটীত পৰলোকপ্ৰাপ্তি ঘটে।

যোগেন্দ্ৰ নাথ বৰুৱা :

বিখ্যাত বেজদলৈ বংশত জন্ম গ্ৰহণ কৰা যোগেন্দ্ৰনাথ বৰুৱাৰ জন্ম ১৮৮৮ চনৰ ১৬ জানুৱাৰীত। তেখেত ভাৰিৰাম বৰুৱাৰ ৩য় সন্তান। মেধাৱী বৰুৱাই ওকালতি পাছ কৰি চৰকাৰী চাকৰি নকৰি স্বাধীনভাৱে গুৱাহাটীত ওকালতি কৰি ১৯২১ চনত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ সঁহাৰি জনাই ওকালতি বৰ্জন কৰে। ১৯২৬ চনৰ পাণ্ডু কংগ্ৰেছ মহাসভাতো তেওঁ বিত্ত আৰু সংগঠন শিতানত

গুৰুত্বপূৰ্ণ সেৱা যোগায়। কংগ্ৰেছত যোগ দিয়াৰ আগতে তেওঁ অসম এছোচিয়েছনত ভৰ্তি হৈ ১৯১৬ চনত সম্পাদক হৈ দক্ষতাৰ পৰিচয় দিয়ে। ১৯৩৭ চনত তেওঁ কংগ্ৰেছ প্ৰাৰ্থী হিচাপে উত্তৰ গুৱাহাটীৰ পৰা অসম বিধান সভালৈ নিৰ্বাচিত হয়। হৃদৰোগত আক্ৰান্ত হৈ ১৯৩৭ চনৰ ২৬ ডিচেম্বৰত তেখেতৰ আকস্মিক বিয়োগ ঘটে।

ৰামমল কোচ :

ৰামুণগাঁও। মৌজা পুৰপাৰ। দুখীয়া খেতিয়ক পৰিয়ালত জন্ম গ্ৰহণ কৰা, অশিক্ষিত, চুটি চাপৰ, অফুৰন্ত শক্তিৰ গৰাকী ৰামলাল কোছে '৪২ৰ গণ বিপ্লৱত কংগ্ৰেছৰ গুপ্তচৰৰ কাম কৰিছিল। কংগ্ৰেছৰ বিভিন্ন শিবিৰৰ মাজত বাতৰি প্ৰেৰণ, গুপ্ত বাহিনীৰ আৱশ্যকীয় আচবাব, হাতিয়াৰৰ বোজা বহন কামত ৰামমল কোছ ওৰফে সকলোৱে মৰমৰ 'ডাকোৱালকা'ই যি বৰঙণি আগবঢ়াইছিল সি সদায় স্মৰণীয় হৈ ৰ'ব। দুৰ্গম পথ, নৈ-নিজৰা, দিন-ৰাতি অতিক্ৰম কৰি তেওঁ কংগ্ৰেছৰ স্বেচ্ছাসেৱকসকলক সকলো বিপদৰ আগজাননী দিছিল। উপস্থিত বুদ্ধি খটুৱাই কেতিয়াবা বিপদত পৰিলেও ৰক্ষা পৰিছিল। এইজন দুৰ্দান্ত সাহসী কোছৰ এদিন কলেৰা ৰোগত আক্ৰান্ত হৈ ১৯৪৮ চনত প্ৰায় ৪৪ বছৰ বয়সত মৃত্যু হয়।

ৰঘুনাথ ঠাকুৰীয়া :

ৰামদিয়া গাঁৱত ১৯১০ চনৰ আগষ্ট মাহত ঠাকুৰীয়াৰ জন্ম হয়। তেওঁ ১৯২১ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰি কাৰাবৰণ কৰে। অসম কংগ্ৰেছৰ জাতীয় নেতাসকলৰ নিৰ্দেশত ঠাকুৰীয়াই গাঁৱে গাঁৱে সংগঠনৰ কাম কৰি ফুৰিছিল। তেওঁ গোটেই জীৱন গান্ধীজীৰ আদৰ্শত অনুপ্ৰাণিত হৈ সমাজ সেৱা কৰি মৃত্যুৰ সময়লৈকে হাতত ৰাক লৈ ৰামদিয়াৰ বাট-পথ চাফা কৰিছিল। ১৯৯০ চনৰ ১ জানুৱাৰী তাৰিখে ৮০ বছৰ বয়সত গুৱাহাটী মেডিকেল কলেজ হাস্পাতালত মৃত্যু হয়।

ৰামচৰণ দাস :

গুৱালকুছি। স্বদেশপ্ৰেমী, ব্যায়ামবীৰ, কৃতী শিক্ষক জাতীয়তাবাদী ৰামচৰণ দাসৰ শিক্ষকতা গুণৰ কথা কৈ শেষ কৰিব নোৱাৰি। কামৰূপ একাডেমীৰ জন্মলগ্নত এইজন শিক্ষকে চৰকাৰী চাকৰি

এৰি আহি মাহে মাত্ৰ আঠ-দহ টকা দৰমহা লৈ কামৰূপ একাডেমীত প্ৰথম শিক্ষক হিচাপে নিযুক্তি লয়। কৃতী শিক্ষক ৰামচৰণ দাসে খাদী আৰু গ্ৰামোদ্যোগৰ প্ৰশিক্ষণ লৈ আহি কামৰূপ একাডেমীত স্বহস্তে কাগজ প্ৰস্তুত কৰে। দেখাত মানুহজন নিয়মীয়া চেহেৰাৰ হলেও শৰীৰত যথেষ্ট বল শক্তি আছিল আৰু ঘোৰ বাৰিষা গুৱাহাটী ফেৰী-ঘাটৰ পৰা সাঁতোৰ দি ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৱাহাটী ঘাটত উঠিছিল। আজীৱন খদ্দৰধাৰী কংগ্ৰেছকৰ্মী ৰামচৰণ দাসৰ প্ৰায় ৭৫ বছৰ বয়সত ১৯৭৯ চনত মৃত্যু হয়।

ৰামস্বৰূপ সিং :

গুৱাহাটী টকৌবাৰী অঞ্চলৰ এজন স্বাধীন ব্যৱসায়ী আৰু বিশিষ্ট কংগ্ৰেছ কৰ্মী আছিল। গোপীনাথ বৰদলৈ, গৌৰীকান্ত তালুকদাৰ প্ৰমুখ্যে বিশিষ্ট কংগ্ৰেছীসকলৰ লগত ওতঃপ্ৰোতভাৱে জড়িত থাকি কংগ্ৰেছক বলিষ্ঠ আৰু সক্ৰিয় কৰি তোলাত অৰিহণা যোগাইছিল। ১৯৩০ চনত কামৰূপ একাডেমী স্কুল প্ৰতিষ্ঠা কৰাত ৰামস্বৰূপ সিঙৰ অৱদান অতুলনীয় বুলি ক'ব পাৰি, কিয়নো, ইংৰাজ চৰকাৰৰ বিৰুদ্ধাচৰণ কৰি গুৱাহাটীত এই জাতীয় স্কুলখন স্থাপন কৰিবলৈ ওলোৱাত কোনো ব্যক্তিয়ে সাহস কৰি স্কুলৰ কাৰণে ঘৰ ভাড়া দিবলৈ নোজোৱাত ৰামস্বৰূপ সিঙে মাহত মাত্ৰ এটকা ভাড়া লৈ বৰ্তমান ৰূপশ্ৰী চিনেমা হল থকা ঠাইত তেওঁৰ ঘৰ বিদ্যালয়ৰ কাৰণে এৰি দিছিল।

ৰাধাগোবিন্দ বৰুৱা :

অসমৰ ক্ৰীড়া-সংস্কৃতি আৰু বিশেষকৈ সংবাদ জগতৰ বৰেণ্য প্ৰাতঃস্মৰণীয় ব্যক্তি, সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ দেশপ্ৰেমৰ কথাও উল্লেখযোগ্য। বিমলাসিংহৰ আন্দোলনৰ সময়ত বিপ্লৱী নেতা কেদাৰনাথ গোস্বামী আৰু প্ৰবীণ সাংবাদিক লক্ষ্মীনাথ ফুকনৰ সান্নিধ্যত, ৰাধাগোবিন্দ বৰুৱাও মুক্তি যুদ্ধৰ আন্দোলনৰ প্ৰতি আকৰ্ষিত হৈছিল। ত্যাগবীৰ হেম চন্দ্ৰ বৰুৱা ৰাধাগোবিন্দ বৰুৱাৰ খুড়া শহুৰেক আছিল আৰু ত্যাগবীৰৰ উপদেশমতেই বাতৰি কাকতৰ যোগেৰে তেতিয়াৰ গণ আন্দোলনক ব্যাপক কৰি তোলাত ৰাধাগোবিন্দ বৰুৱাই মনোযোগ দিছিল। ডিব্ৰুগড়ৰ পৰা তেতিয়া প্ৰকাশিত সাপ্তাহিক

ইংৰাজী আসাম ট্ৰিবিউনৰ দুপিঠি অসমীয়াতে ছপাই উলিওৱাৰ সিদ্ধান্ত লৈ, ৰাধাগোবিন্দ বৰুৱাই সেই দুই পৃষ্ঠাত সমসাময়িক নেতা-সকলৰ বাণী আৰু আন্দোলনৰ বা-বাতৰি প্ৰকাশ কৰাইছিল। এই-দৰেই অসমীয়া ভাষাৰে বৃহৎ সংখ্যক পঢ়ুৱৈক পৰোক্ষভাৱে বিপ্লৱিছৰ আন্দোলনলৈ আকৰ্ষিত কৰি ৰাধাগোবিন্দ বৰুৱাই গুৱাহাটীৰেক ত্যাগবীৰ হেম বৰুৱাৰ পৰামৰ্শ কাৰ্যকৰী কৰিছিল। আনহাতে সেই কালছোৱাতে হিন্দু মহাসভাৰ সভাপতি, বিপ্লৱী নায়ক বীৰ দামোদৰ ছাভাৰকাৰৰ অসমলৈ আহিছিল। ভিন্নগড়ত দেশপ্ৰেমিক ছাভাৰকাৰক অভ্যৰ্থনা জনাবলৈ গঠিত অভ্যৰ্থনা সমিতিৰ সভাপতি আছিল ৰাধা-গোবিন্দ বৰুৱা। এনেদৰে ডেকা ৰাধাগোবিন্দৰ দেশপ্ৰেমৰ আভাস আমি পাওঁ। ভাৰতৰ মুক্তি সংগ্ৰামত বিভিন্ন দিশেৰে বিভিন্ন দেশ-প্ৰেমিকে বৰঙণি যোগোৱাটো উল্লেখনীয় আৰু এই ক্ষেত্ৰত সিংহপুৰুষ ৰাধাগোবিন্দ বৰুৱাৰ কথাও আমি পাহৰিব নোৱাৰো। তদুপৰি জালুক-বাৰীত অনুষ্ঠিত সদৌ ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন উপলক্ষে গঠন কৰা সমিতিবোৰৰ শোভাযাত্ৰা, সাজসজ্জা তথা অলংকৰণ আৰু পেণ্ডেল তথা সভা নিৰ্মাণৰ দায়িত্বত আছিল ৰাধাগোবিন্দ বৰুৱা। তেওঁৰ অসাধাৰণ সংগঠন ক্ষমতাৰে এই দিশতো কৃতিত্ব প্ৰদৰ্শন কৰিছিল।

লোকনাথ ভট্টাচাৰ্য্য দলৈ :

জন্ম চেপটি গাঁও। মজলীয়া স্কুলৰ শিক্ষা এৰি দেশ স্বাধীন কৰা কামত অংশভাগ লৈছিল। পিছত তেওঁ উমানন্দ দেৱালয়ৰ দলৈ পদত নিযুক্ত হৈছিল। লোকনাথ দলৈৰ উদাৰ আতিথ্যপৰায়ণতাৰ বাবে তেওঁৰ ঘৰখন হৈ পৰিছিল কংগ্ৰেছ ভলন্টিয়াৰ আদি কৰি বিভিন্ন জনৰ ভাত ঘৰ। ধৰ্মীয়, সামাজিক বিভিন্ন অনুষ্ঠানৰ লগত তেওঁ জড়িত আছিল। তেওঁ ভাৰতৰ বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰিছিল। তেওঁৰ ৮৮ বছৰ বয়সত ১৯৮৫ চনত মৃত্যু হয়।

শৰৎ ডেকা :

বজিয়াৰ ওচৰৰ ইতিহাসপ্ৰসিদ্ধ গোড়ীয়াকেঁঠ গাঁৱত ডেকাৰ জন্ম। চহকী খেতিয়ক পৰিয়ালৰ যুৱক ডেকাই ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা আৰু যোগদান কৰিবলৈ আহ্বান জনায়। বিপ্লৱৰ স্বেচ্ছাসেৱক বাহিনীক ধনে-জনে সহায় কৰিছে।

তেওঁৰ প্ৰবক্ষম হৈ পৰিছিল দুৰণিৰ স্বেচ্ছাসেৱকসকলৰ খোৱা-লোৱাৰ শিবিৰ। পিছত তেওঁ ঠিকা-ঠুকুলি আদি কামত আত্মনিয়োগ কৰিছিল। স্বাধীনোত্তৰ কালত বিভিন্ন জনহিতকৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৭৬ চনত প্ৰায় ৬৫ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

সত্যনাথ ভট্টাচাৰ্য্য :

জন্ম কমলপুৰ চাৰ্কোলৰ ডেকপাৰ গাঁৱত। মজলীয়া স্কুল আৰু সংস্কৃত পাঠ অধ্যয়ন, শাস্ত্ৰ চৰ্চা আদি কৰি গান্ধীজীৰ অসহযোগ আন্দোলন আৰু '৪২ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰে। গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত ভট্টাচাৰ্য্যই পুৰপাৰ মৌজা মণ্ডল কংগ্ৰেছৰ সভাপতি আছিল। নবীন বৰদলৈ, তৰুণৰাম ফুকন, গোপীনাথ বৰদলৈ, আদি নেতাৰ সান্নিধ্য পোৱা ভট্টাচাৰ্য্য আছিল এগৰাকী বিশিষ্ট সমাজকৰ্মী। স্থানীয় স্কুল, কলেজ, ৰাস্তাঘাট, মন্দিৰ আদিৰ নিৰ্মাণত আগ ভাগ লোৱাৰ উপৰিও তেওঁৰ সামাজিক কীৰ্তিৰ উল্লেখযোগ্য উদাহৰণ হ'ল নিজৰ অৰ্থ-জমিৰে সজা 'সত্যনাথ ভট্টাচাৰ্য্য হাইস্কুল'খন। তেওঁৰ নেতৃত্বত ১৯৩৮ চনত ডেকপাৰত কংগ্ৰেছ মহাসভাৰ ৰাষ্ট্ৰীয় সন্মিলন বহিছিল। ১৯৮৯ চনত ৯৫ বছৰ বয়সত এইজন নীৰৱ সেৱকৰ মৃত্যু হয়।

সুবোধৰ গোহাঁই :

জন্ম ১৯০৪ চনৰ ২৯ জুলাই। ১৯২১ চনত প্ৰতিযোগিতামূলক বৃত্তি লৈ প্ৰথম বিভাগত প্ৰবেশিকা পাছ কৰি কটন কলেজত ভৰ্তি হয়। ১৯২৮ চনত ৰসায়ন শাস্ত্ৰত অনাৰ্চ লৈ বি এছ চি পাছ কৰে। তাৰ পাছতো উচ্চ শিক্ষা লয়। কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে গঠিত হোৱা কামৰূপ একাডেমীত তেওঁ প্ৰধান শিক্ষক হিচাপে চাকৰি জীৱন আৰম্ভ কৰে। ইয়াৰ পাছত সোণাৰাম চৌধুৰী হাইস্কুল, গোৱালপাৰা চৰকাৰী হাইস্কুল, তুৰা হাইস্কুলত শিক্ষকতা কৰে। ১৯৪৮ চনত নামনি অসমৰ স্কুলৰ পৰিদৰ্শক হয়। ১৯৬১ চনত গান্ধী স্মাৰক নিধিৰ সচিব নিযুক্ত হয়। ১৯৬৪ চনত তেওঁ নগালেণ্ড ৰাজ্যৰ শিক্ষাধিকাৰ হয়। এইজন সুসাহিত্যিক শিক্ষাবিদৰ সৰবৰহীতা সৰ্বজনবিদিত।

পণ্ডিত হৰেশ্বৰ শৰ্মা :

চেপাটি। প্ৰাইমাৰী স্কুলত শিক্ষকতা কৰিছিল। ১৯৩০ চনৰ পৰা দেশৰ মুক্তি সংগ্ৰামত অংশ গ্ৰহণ কৰে। 'ভোলেণ্টাৰ' বুলি

পৰিচিত শৰ্মাই খদ্দৰৰ প্ৰচলন, মাদকদ্ৰব্য নিবাৰণ আদি আন্দোলনত যোগ দি কাৰাবৰণ কৰিছিল। পুৰপাৰ মৌজাৰ লোকেল বোৰ্ডৰ সদস্য আছিল। ১৯৮৪ চনত ৭২ বছৰ বয়সত তেওঁৰ মৃত্যু হয়।

অমৃত মহাজন :

বলগাঁও। আন্দোলনত এমাহ জেল খাটে।

অতুল চন্দ্ৰ মেধি :

নগৰবেৰা। ১৯২১ চনৰ আন্দোলনত নদীৰ পানীত ডুবাই থৈছিল।

উদয় চন্দ্ৰ বাঁভা :

বকো। ১৯২১ চনত ৬ মাহ জেল খাটে। এগৰাকী বিশিষ্ট কংগ্ৰেছ কৰ্মী।

কমলাকান্ত দাস :

১৯২১ চনত ২ বছৰ জেল খাটে। ১৯৫৬ চনত মৃত্যু হয়।

খগেন্দ্ৰ নাৰায়ণ দেৱান :

বৌমাৰী। এজন কংগ্ৰেছ কৰ্মী আছিল।

গোপাল চৰকাৰ :

নগৰবেৰা। ১৯২১ চনত পুলিচে পানীত ডুবাই থয়।

গোপাল ঠাকুৰীয়া :

বনগাঁও। '৪২ৰ এগৰাকী আগশাৰীৰ সত্যাগ্ৰহী।

গৌৰীকান্ত ডাকুৱা :

খাটলপাৰা। ১৯২১ চনৰ আন্দোলনত ৬ মাহ জেল হয়।

চণ্ডিচৰণ দাস :

বকো। ১৯৩০ চনত জেল খাটে। এগৰাকী বিশিষ্ট কংগ্ৰেছ কৰ্মী।

জীবন চন্দ্ৰ বৈশ্য :

খলিহা, বৰুন্দি। স্বাধীনতা সংগ্ৰামত ৯ মাহ জেল খাটে।

ডম্বৰু বায়ন :

ছুমৰীয়া সত্ৰ। ১৯৩০ চনত ৬ মাহ জেল খাটে।

দধি মহন্ত :

১৯৩০ চনতে কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল ত্যাগ কৰে। কিন্তু তেওঁ বামপন্থী আছিল। ছাত্ৰ ফেডাৰেশ্বনৰ সংগঠনৰ কামত বিশেষভাবে আত্ম-নিয়োগ কৰিছিল। ১৯৪২ চনৰ আন্দোলনতো তেখেতে যোগ দিছিল। পাছত কমিউনিষ্ট সকলে বাহিৰা, জাৰ্মান আক্ৰমণ কৰাত মিত্ৰপক্ষৰ সপক্ষে কাম কৰে। ১৯৪২ চনত তেখেতক কেবাবাৰো গ্ৰেপ্তাৰ কৰিছিল। কিন্তু সাক্ষীৰ অভাৱত এৰি দিয়ে। তেখেতে বহুবছৰ ধৰি ভাৰতীয় কমিউনিষ্ট পাৰ্টিৰ অসম শাখাৰ কাৰ্য্যালয়ৰ সম্পাদক আছিল, আৰু কমিউনিষ্ট পাৰ্টিৰ মুখপাত্ৰখন সম্পাদন কৰিছিল। ১৯৪৮ চনত তেখেতৰ মটৰ দুৰ্ঘটনাত মৃত্যু হয়।

দুৰ্গাচৰণ দাস :

১৯২১ চনত আন্দোলনত ৬ মাহ জেল খাটে।

দেৱেন্দ্ৰ ঠাকুৰীয়া :

হেকৰান। স্বাধীনতা আন্দোলনত ৩ মাহ জেল খাটে।

নবীন শৰ্মা :

১৯৪২ চনত ৬ মাহ জেল খাটে।

পৰমানন্দ মহন্ত :

ছমৰীয়া। ১৯৩০ চনত ছয়মাহ জেল খাটে।

পূৰ্ণ চন্দ্ৰ দাস :

১৯৩০-৪২ চনত ৬ মাহ জেল খাটে।

বাহিৰাম দলৈ :

বৌমাৰী, ছয়গাঁও। এগৰাকী উল্লেখযোগ্য কৰ্মী।

বৈকুণ্ঠ শৰ্মা :

চন্দ্ৰপুৰ, বনগাঁও। এজন উল্লেখযোগ্য কৰ্মী।

যোগেন চৌধুৰী :

ৰকো। ১৯৪২ চনত ছমাহ জেল খাটে।

ৰাধানন্দ মজুমদাৰ :

ছমৰীয়া সত্ৰ। ১৯৩০ চনত গ্ৰেপ্তাৰ হয়।

নগাঁও

উত্তম চন্দ্ৰ বৰা :

১৯২১ চনৰ অসহযোগ আন্দোলনত ৬ মাহ কাৰাবাস খাটিছিল।

কমলা নেওগ :

খিং, নগাঁও। পিতৃ কালিমা নেওগ। ১৯৪২ চনত সত্যাগ্ৰহ আৰু '৪২ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁ নগাঁৱৰ মহেন্দ্ৰনাথ হাজৰিকাৰ নেতৃত্বত গঠিত মৃত্যু বাহিনীৰ এজন গুপ্তচৰ আছিল। পুলিচে তেওঁক বিচাৰি নাপাই তেওঁৰ ঘৰখন লণ্ড-ভণ্ড কৰিছিল। স্বাধীনতোৰ কালত গাঁওৰক্ষী বাহিনী, পঞ্চায়ত আদি অনুষ্ঠানৰ লগত জড়িত আছিল। ১৯৮২ চনত তেওঁৰ মৃত্যু হয়।

কমলাকান্ত শৰ্মা :

কমলা দাৰোগা ওৰফে কমলাকান্ত শৰ্মাৰ জন্ম ১৮৯২ চনত ৰহাত। ১৯১০ চনত সুখ্যাতিৰে প্ৰবেশিকা পাছ কৰি ঢাকাৰ পুলিচ ট্ৰেইনিং স্কুলৰ পৰা অতি সুখ্যাতিৰে উত্তীৰ্ণ হৈ যোৰহাটত প্ৰথম চাকৰি লয়। পিছত নগাঁওলৈ বদলি হৈ আহে। স্বাধীনতা আন্দোলনৰ স্বেচ্ছাসেৱকসকলৰ ওপৰত পুলিচ চুপাৰৰ লাঠি চলোৱা আদেশ অমান্য কৰি চাকৰি ইস্তফা দিয়ে। ইয়াৰ পাছত স্বাধীনতা আন্দোলনত যোগ দি ছমাহ কাৰাদণ্ড ভোগে। কিছুদিন অজ্ঞাতবাসো কৰিছিল। এইজন নিৰ্ভীক, স্বাধীনচিতীয়া শৰ্মাৰ ১৯৮৭ চনত মৃত্যু হয়।

কুশচন্দ্ৰ লস্কৰ :

১৮৮৯ চনত কামপুৰত কুশ চন্দ্ৰ লস্কৰৰ জন্ম হয়। তেওঁ ১৯১৭ চনত ভুমডুমা চাহ বাগিচাত কৰি থকা মহৰীৰ চাকৰি বাদ দি দেশ স্বাধীনতাৰ কামত লাগে। ১৯২১ চনত কলিকতাত বহা কংগ্ৰেছ সভাত যোগদান কৰে। তাৰপিছত খদ্দৰৰ ধুতি-চাদৰ আনি নিজে কামপুৰত এখন দোকান দিয়ে। মহাত্মা গান্ধীৰ অসম আগমনৰ সময়ত কামপুৰত বগাৰাম লস্কৰ, মণিচন্দ্ৰ শইকীয়া, খগেশ্বৰ বৰা, কুশচন্দ্ৰ লস্কৰ আদিৰ নেতৃত্বত কামপুৰ কংগ্ৰেছ গঢ়ি উঠে। কানি

বৰ্জন আন্দোলনত তেওঁ মুখ্য ভূমিকা গ্ৰহণ কৰিছিল। আনহাতে ১৯৪২ চনৰ আন্দোলনত মাজৰঅাটি বেহৰে গেটত ৰেল বগলোৱা কাৰ্যত অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনৰ আন্দোলনত তেওঁৰ পৰিয়ালৰ লোকো চৰকাৰৰ দ্বাৰা নিৰ্যাতিত হয়। ১৯৪২-৪৩ চনত আটকবন্দী পৰোৱানা জাৰি হোৱাত তেওঁ আত্মগোপন কৰিছিল। এগৰাকী প্ৰকৃত দেশসেৱী, নিৰ্ভীক, প্ৰকৃত কংগ্ৰেছ কৰ্মী কৃষ্ণচন্দ্ৰ লস্কৰৰ ১৯৬৬ চনৰ জুলাই মাহৰ ১২ তাৰিখে পৰলোকপ্ৰাপ্তি ঘটে।

গোলক বৰদলৈ :

কুঁৱৰীটোল। তেওঁ প্ৰকৃত গান্ধীবাদী লোক আছিল। হাতত কঁপাহ আৰু যঁতৰ লৈ গান্ধী পোছাক পৰিধান কৰি পদব্ৰজে সমগ্ৰ ভাৰত ভ্ৰমণ কৰিছিল। সবৰমতী আশ্ৰমতো কিছুদিন আছিল। ১৯৩০ চনত তেওঁ ছমাহ কাৰাবাস খাটে। পত্নী গুণেশ্বৰী বৰদলৈ। তেওঁ-লোকৰ কোনো সতি-সন্ততি নাছিল।

গুণেশ্বৰী বৰদলৈ :

কুঁৱৰীটোল। ১৯৪২ চনৰ আন্দোলনৰ মহিলা স্বেচ্ছাসেৱিকাৰ কাম কৰিছিল। তেওঁক সকলোৱে 'পতানি' বুলিহে জানিছিল। তেওঁ হাটবৰৰ জীয়ৰী আছিল।

গোপণ হাজৰিকা :

চামধৰা। ১৯২১ চনত ছমাহ কাৰাবাস খাটে। হাত পিছফালে বান্ধি পুলিচে নানান নিৰ্যাতন দিছিল।

গোলক বৰঠাকুৰ :

প্ৰাইমেৰী স্কুলৰ চাকৰি এৰি আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। ১৯৪২ চনত ছমাহ কাৰাবাস খাটে। দুমাহকাল পুলিচে বন্দী কৰি ৰাখে।

ধৰ্মনাথ বৰঠাকুৰ :

জাগীচকী। জন্ম ১৪।১।১৮৮৬, মৃত্যু ২৬।১।১৯৭৭ চন। পিতৃ কাশী বৰঠাকুৰ, মাতৃ বিচিত্ৰা বৰঠাকুৰ। ক্ৰমে জাগী প্ৰাথমিক বিদ্যা-

লয়, নগাঁও চৰকাৰী স্কুল আৰু গুৱাহাটী নৰ্মাল স্কুলত তেওঁ শিক্ষা গ্ৰহণ কৰিছিল। তাৰ পাছত তেওঁ গুৱাহাটী চৰকাৰী মজলীয়া স্কুলৰ শিক্ষক হিচাপে শিক্ষক জীৱন আৰম্ভ কৰে। ১৯১৬ চনত নগাঁৱৰ কুঞ্জলতাৰ লগত তেওঁৰ বিবাহ হয়। তেওঁ এজন সুঅভিনেতাও আছিল। ১৯২১ চনত তেওঁ চৰকাৰী চাকৰি ইস্তফা দিয়ে। আৰু সেই চনতে গ্ৰেপ্তাৰ বৰণ কৰি নগাঁও জেলত থাকে। তেওঁ জাজী হাইস্কুল স্থাপনত অৰিহণা যোগাইছিল। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত তেওঁ স্বেচ্ছাসেৱক হিচাপে কাম কৰিছিল। '৪২ৰ গণ বিপ্লৱত শিক্ষকতা পুনৰ বাদ দি আন্দোলনত অংশ লোৱাত ৬ মাহ বিনাশ্ৰম কাৰাদণ্ড ভোগে। তেওঁ শেষ বয়সত জাগী মজলীয়া স্কুলৰ প্ৰধান শিক্ষকৰ পৰা অৱসৰ লয়। ক্ৰমে ১৯৬৭ চনত মায়ং পঞ্চায়ত, ১৯৬৯ চনত নগাঁও জিলা কংগ্ৰেছে তেওঁক সম্বৰ্দ্ধনা জনায়। বাঘজাপ গাঁৱত সূৰ্য বৰা ছোৱালী হাইস্কুলখন নিজৰ মাটি বাৰী দান দি তেওঁ প্ৰতিষ্ঠা কৰে। ১৯৭২ চনত তেওঁ তাম্ৰপত্ৰ পায়।

নবীন ভৌমিক :

১৯৪২ চনত চাহ বাগানত বনুৱা চাকৰি কৰি থকা অৱস্থাতে আন্দোলনত জপিয়াই পৰি দুমাহ কাৰাবাস খাটে।

নুৰদ্দিন আহমেদ :

দলগাঁও। ১৯২১ চনৰ অসহযোগ আন্দোলনত ৬মাহ কাৰাবাস খাটিছিল। প্ৰকৃত গান্ধীবাদী আছিল।

নোমল শইকীয়া :

চতিয়াল। পিতৃ ভেদেলা শইকীয়া। ১৯৩০ চনৰ পৰা আন্দোলনত সক্ৰিয় অংশ লৈ ১৯৪২ চনত কাৰাবাস খাটে।

বলো ভূঞা :

পুব থৰীয়া। ১৯৩০ চনৰ পৰা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰি ৬ মাহ কাৰাবাস খাটে।

ভুপেন্দ্ৰ চন্দ্ৰ শৰ্মা :

স্বাধীনতা সংগ্ৰামী কমলাকান্ত শৰ্মাৰ কনিষ্ঠ পুত্ৰ। জন্ম ১৯২৩ চনৰ ডিচেম্বৰ মাহৰ ১০ তাৰিখে। তেখেতে মেট্ৰিক পৰীক্ষা দিয়েই ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জপিয়াই পৰে। কেন্দ্ৰীয় ৰেল বগৰোৱা অভিযানৰ তেখেতে সক্ৰিয় অংশ গ্ৰহণ কৰে। ৰেলগাড়ী বগৰাই নাও লৈ উত্তৰ গুৱাহাটীলৈ আহি ক্ষেমাৰ ঘৰত। ১৯৪২ চনৰ আগষ্ট মাহত পুলিচে তেওঁক ধৰে আৰু বিচাৰাধীন বন্দী হিচাপে তেওঁ দুমাহ জেলত কটায়।

স্বাধীনতাৰ পিছত তেল শোধনাগাৰত চাকৰি কৰে আৰু তেতিয়াৰে পৰা অসমৰ নানা আন্দোলনৰ হকে যুঁজ কৰে। তাৰে ভিতৰত গুৱাহাটীত তেল শোধনাগাৰ আন্দোলন, ভাষা আন্দোলন, বিদেশী বিতাৰণ আন্দোলন প্ৰধান। ১৯৮৭ চনৰ জানুৱাৰী মাহৰ ৮ তাৰিখে তেখেতৰ মৃত্যু হয়।

মহবুব আলি :

দলগাঁও। পিতৃ সত্তু আলি। ১৯২১ চনত দুমাহ কাৰাবাস খাটে। ১৯৩৬ চনত তেওঁৰ মৃত্যু হয়।

মাধৱ ৰাজবংশী :

মিৰিভেটি। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি দুমাহ কাৰাবাস খাটে।

শশী গোহাঁই :

জখলাবন্ধা। এগৰাকী স্বাধীনতা সংগ্ৰামী আছিল। ১৯৪২ চনৰ আন্দোলনত ৫ মাহ কাৰাবাস খাটে।

সোমকান্ত হাজৰিকা :

আখিৰণ্ডা। ১৯৪২ চনৰ আন্দোলনৰ ভৰপকৰ সময়ত চতিয়াল মন্দিৰৰ এক জনসমাবেশত সভাপতিত্ব কৰি ১৯৪৪ ধাৰা ভঙ্গ কৰে। সেই অপৰাধত বন্দী কৰি কাৰাদণ্ড দিয়ে। এই সভাত চতিয়ালৰ বিনোদ শইকীয়াক মিলিটেৰীয়ে জোতাৰে গছকি আধামৰা কৰে। জেলত তেওঁৰ মৃত্যু হয়। তেওঁৰ পত্নী অৰুণ শইকীয়া।

হৰেন শৰ্মা :

ভোলাগুৰি সত্ৰ। ১৯৩০ চনত ৩ মাহ আৰু ১৯৪২ চনত ৬ মাহ কাৰাবাস খাটে। আজীৱন চিৰকুমাৰ হৈ থাকি মৃত্যু বৰণ কৰে।

নগাঁও জিলাৰ মৰিগাঁও অঞ্চলৰ প্ৰয়াত মুক্তি-যুঁজাৰু কেইজনমান :

ৰাপন ভূঞা (কপাহ এৰা গাঁও), বেণুধৰ ডেকা (কপাহএৰাগাঁও), সোমেশ্বৰ বৰা (কপাহ এৰা গাঁও), কামেশ্বৰ বৰদলৈ (চংৰাইবাহী), ৰমেশ ফুকন (চৰাইবাহী), ভদৰ নাথ (মৰিগাঁও) বীৰচিং ডেকা (ৰাৰ-পুজীয়া), পদৰাম ডেকা (ৰাৰপুজীয়া), লক্ষেশ্বৰ ভৰালী (দচৈং), পোৱালী মেধি (দুৰনী), নাজিয়া বৰা (গছৰগুৰি), পাহচিং ডেকা (উদৰী গাঁও), (লক্ষীকান্ত কাকতি (উদৰী গাঁও), ৰত্নেশ্বৰ কাকতি (উদৰী গাঁও), কামদেৱ মহন্ত (মৰিগাঁও), সন্তৰাম বৰা (বৰহাবৰি), হৰকান্ত বৰকাকতী (কোঁৱৰ গাঁও), আহিনা কোঁৱৰ (বাৰকটা), দধিৰাম বৰ-দলৈ (কোঁৱৰ গাঁও), ধৰ্মনাথ বৰঠাকুৰ (বাঘজাপ), ধনবৰ পাটৰ (ধৰমতুল গঁও), ভুগী ডেকা (মায়ং), গজিন ভূঞা (জাগী), ভোলা ভূঞা (জাগী) অৰুণ বৰা (জাগী), দয়াৰাম শৰ্মা (জাগী), নিতাই শৰ্মা (জাগী), গণেশ বৰা (জাগী), নন্দ ডেকা (ভুমৈ), নাৰিয়া বৰদলৈ (বাৰকটা), লোকনাথ ডেকা (ৰাৰপুজীয়া), দেউবৰ পাটৰ (ৰাৰ-পুজীয়া), ভিমেশ্বৰ বৰা (কাহিবাৰী), ধনেশ্বৰ বৰদলৈ (কপাহএৰা), নিৰলচন্দ্ৰ ডেকা (ৰাৰপুজীয়া), যগেন ডেকা (বামুণ বাড়ি), ভুবনচন্দ্ৰ গোস্বামী (জাগী) নিৰল বৰদলৈ (কপাহএৰা), মঙ্গল ডেকা (বামুণবাড়ি), বেজি ডেকা (ৰাৰপুজীয়া), ৰগাৰাম ডেকা (ৰাৰপুজীয়া), তেজী সিং (ৰাৰপুজীয়া), যজ্ঞৰাম ডেকা (দন্দুৱা), নন্দৰাম সুত (দলৈচুৰা), দিপৰ কোচ (গছবাৰী)।

গোলাঘাট

ধীৰেন্দ্ৰ নাথ দত্ত :

গোলাঘাটত জন্ম। পিতৃ শৰৎ চন্দ্ৰ দত্ত। ছাত্ৰ অৱস্থাৰে পৰা ছাত্ৰ সংগঠন আৰু সমাজ সেৱা কামত লিপ্ত আছিল। ৰবিৰানাথ গোস্বামীৰ অসুখত বিশেষভাবে সেৱা আগবঢ়াইছিল। ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত পিকেটিং কৰাৰ বাবে গ্ৰেপ্তাৰ হয় আৰু ৪ মাহ জেল খাটে। জেলৰ পৰা মুক্ত হৈ গোলোক পাঠক আৰু লীলা বৰুৱাৰ লগত ডিব্ৰুগড়ৰ ডুমডুমা, টিপাপ, তিনিচুকীয়া আদি অঞ্চলত খাদী আৰু কংগ্ৰেছৰ সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল, আৰু কংগ্ৰেছ সমাজবাদী দলত যোগ দি কৃষক, বনুৱা আৰু ছাত্ৰ সংগঠন কৰে। ৩।৫।৩২ চনত আইন অমান্য আন্দোলনত ৬ মাহ সশ্ৰম কাৰাদণ্ড আৰু এশ টকা জৰিমনা হয়। অনাদায়ত আৰু ৪২ দিন ফাটেক খাটিবলগীয়া হয়। ১৯৪০-৪৪ চনত সত্যাগ্ৰহত ৯ মাহ জেল আৰু ১০০ টকা জৰিমনা আৰু অনাদায়ত ৩ মাহ জেল হয়। ১৯৪২ চনৰ গণ আন্দোলনত ২৯।১১।৪২ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰে আৰু ২৭।৯।৪৪ তাৰিখে মুক্ত হয়।

চিপিআই দলত যোগ দি কৃষক, বনুৱা আদিৰ সংগঠনত আত্ম-নিয়োগ কৰে। ১৯৬২ চনত মৃত্যু হয়।

ভদ্ৰকান্ত ফুকন :

হাতীচুক গাঁও। পিতৃ তিলেশ্বৰ ফুকন। ১৯৩০ চনৰ ১০ অক্টোবৰত গ্ৰেপ্তাৰ বৰণ কৰে আৰু বিচাৰত ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। পুনৰ ৪।২।৩২ তাৰিখে গ্ৰেপ্তাৰ হৈ ৬ মাহ ফাটেক খাটে। ১৯৪২ চনৰ গণ বিপ্লৱত ১৩।১১।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ আটক বন্দী হিচাপে যোৰহাট জেলত ৰাখে। ১৯।২।৪৩ তাৰিখে মুক্তি দি নিজ গাঁৱতে অন্তৰীণ কৰি ৰাখে। এওঁ কংগ্ৰেছ সমাজবাদী দলৰ অন্যতম এজন প্ৰধান সংগঠক আছিল। কৃষক, বনুৱা আদি সংগঠনৰ কামত আত্মনিয়োগ কৰিছিল। বৰপথাৰ অঞ্চলৰ বিভিন্ন ৰাজহুৱা উন্নয়নৰ কামত আৰু শিক্ষা বিষয়ক বিভিন্ন অনুষ্ঠানৰ লগত জড়িত আছিল।

বৈকুণ্ঠ সিং :

হিন্দু ধৰ্মৰ প্ৰচাৰক আছিল। ১৯৪২ চনৰ গণ আন্দোলনত গোলাঘাটৰ শান্তি মেলা সংগঠনৰ অধিনায়ক আছিল। ১৯৪২ চনত গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে আৰু ১৩।৩।৪৩ তাৰিখে বৰুৱা বামুণ গাঁৱত বৃটিছ চৰকাৰৰ বিৰুদ্ধে বক্তৃতা দিয়া বাবে গ্ৰেপ্তাৰ বৰণ কৰে আৰু ২ বছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ম্যাদ শেষ হোৱাত পুনৰ আটক বন্দী কৰি ৰাখে। ১৯৪৪ চনত মুক্তি লাভ কৰি গৃহৰক্ষী বাহিনীৰ সংগঠনত যোগ দিয়ে।

সুৰেন্দ্ৰনাথ ফুকন :

হাঁতীচুক গাঁও, বৰপথাৰ। পিতৃ তিলেশ্বৰ ফুকন। ১৯২৯ চনত কংগ্ৰেছত ভলণ্টিয়াৰ হয়। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত ৬ মাহ জেল হয়। ১০।১০।৪২ তাৰিখে সৰুপথাৰত ৰেলগাড়ী লাইনচ্যুত কাৰ্যত লিপ্ত আছিল। পুলিচে গ্ৰেপ্তাৰ কৰিবৰ কাৰণে বিচাৰি ফুৰাত গোলাঘাট ত্যাগ কৰি অসমৰ বিভিন্ন অঞ্চলত পলাই ফুৰে।

শোণিতপুৰ

চণ্ডীনাথ শৰ্মা :

জন্ম ১৮৯৪ চনৰ ১৪ জানুৱাৰী তাৰিখে হিন্দুযোপা মৌজাৰ হাজৰিকাপাৰা গাঁৱত। পিতৃ নৰহৰি শৰ্মা মুক্তিয়াৰ। ১৯৪২ চনত ছিপাঝাৰ ছাত্ৰবৃত্তি স্কুলৰ শিক্ষা সমাপ্ত কৰি ১৯১৩ চনত যোৰহাটৰ গুৰু ট্ৰেইনিং স্কুলত ভৰ্তি হয়। ইয়াৰ পাছত ছিপাঝাৰ ছোৱালী স্কুলত শিক্ষকৰ পদত নিয়োগ হয়। শিক্ষক হিচাপে সুখ্যাতিৰে কাম কৰি থকা অৱস্থাত ১৯২১ চনত অসহযোগ আন্দোলনত চাকৰি এৰি সক্ৰিয় ভাৱে কংগ্ৰেছত যোগ দিয়ে। শৰ্মাই কৰ্মময় জীৱনত হিন্দুযোপা আৰু বগমাৰী মৌজাৰ পৰা চাৰিবছৰ লোকেল বোৰ্ডৰ সদস্য, দিপালী বোনমাঝা মৌজাৰ তিনিবছৰ লোকেল বোৰ্ডৰ সদস্য, পঞ্চায়তৰ সভাপতি (বোনমাঝা, দুনী) ১৯৭৩ চনলৈ আছিল। তেওঁ ভাৰতীয় জাতীয় কংগ্ৰেছৰ জয়পুৰ অধিবেশনলৈ অসমৰপ্ৰতিনিধি হিচাপে গৈছিল। এইজন কৰ্মযোগীৰ ৮৬ বছৰ বয়সত ১৯৮০ চনৰ ১৬ জুন তাৰিখে মৃত্যু হয়।

প্ৰফুল্ল বৰকাকতি :

জামুগুৰি। ১৯৩০ চনত কংগ্ৰেছত যোগদান কৰে। ১৯৩০ চনৰ ২৬ জানুৱাৰীত পতাকা উত্তোলন, শোভাযাত্ৰা আদি কাৰ্যসূচীত অংশ গ্ৰহণ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ সময়ত মিত্ৰপক্ষৰ বিভিন্ন ধৰণৰ সৈন্য সামন্ত অসম ভৰি পৰাত নগাঁৱত শান্তি সেনা গঠনৰ কামত আত্মনিয়োগ কৰিছিল। ১৯৪২ চনৰ মুক্তি বাহিনীৰ সদস্য আছিল। ১৯৪৩ চনত গ্ৰেপ্তাৰ বৰণ কৰি ৬ মাহ জেল খাটে। জেলৰ পৰা মুক্তি পাই গুপ্তভাৱে কাম কৰিছিল।

মহাদেৱ শৰ্মা :

তেজপুৰ, নিকামুল পৰ্বতীয়া। জন্ম ১৮৮৬, মৃত্যু ৭ চেপ্তেম্বৰ ১৯৬৮ চন। পিতৃ পণ্ডিত জয়দেৱ শৰ্মা, মাতৃ মোহিনী দেৱী। কলিকতাত বি এ পঢ়ি থাকোতে পিতৃ বিয়োগ হোৱাত শিক্ষা জীৱন শেষ কৰিব লগা হয়। ১৯১৪ চনত তেজপুৰ মধ্য ইংৰাজী স্কুলৰ

শিক্ষক কামত সোমায়। ১৯২৪ চনত অসম কাউন্সিলৰ মেম্বৰ হয়। ১৯৩০ চনত ১৪৪ ধাৰা ভংগ কৰি শোভাযাত্ৰা আৰু সভাত বক্তৃতা দিয়া বাবে গ্ৰেপ্তাৰ কৰি বিচাৰত ৫০০ টকা জৰিমনা হয়। অনাদায়ত ৬ মাহ কাৰাদণ্ড হয়। জেলত থাকোতে জৰিমনা টকা আদায় কৰাত মুক্ত হয়। ১৯৩৭ চনত কংগ্ৰেছ দলৰ পৰা বিধান সভাৰ সদস্য হয়। ১৯৪১ চনত সত্যাগ্ৰহ কৰাৰ বাবে ৪ মাহ কাৰাদণ্ড আৰু ১০০ টকা জৰিমনা হয়। অনাদায়ত অধিক ২ মাহ কাৰাদণ্ড খাটে। ১৯৪২ চনৰ গণ বিপ্লৱত ১৬।৮।৪২ তাৰিখে গ্ৰেপ্তাৰ কৰি আটক বন্দী হিচাপে যোৰহাট জেলত ৰাখে। ৩০।৪।৪৩ তাৰিখে পেৰোলত এমাহৰ কাৰণে আহে। পেৰোলৰ শেষত আটকবন্দী নিৰ্দেশ প্ৰত্যাহাৰ কৰি তেজপুৰ নগৰৰ ভিতৰত অন্তৰীণ কৰি ৰাখে।

দৰং

নিধিৰাম ডেকা :

ৰঙামাটি মৌজাৰ পুনীয়া গাঁৱত ১৯১৩ চনৰ জুন মাহত জন্ম। পিতৃ হাপাৰাম ডেকা আৰু মাতৃ শাওণী ডেকা। সৰুকালতে পিতৃ-বিয়োগ হোৱাত লিখা-পঢ়া কৰিব নোৱাৰিলে। ১৯৩০ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। ১৯৩২ চনত ৬ মাহ কাৰাবাস খাটে। এজন সক্ৰিয় গঠনমূলক কৰ্মী হিচাপে কাম কৰিছিল। ১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ৰাজহুৱা গঠনমূলক কাম-বোৰত ওতপ্ৰোতভাৱে লাগি থাকি ৭৫ বছৰ বয়সত ১৯৮৮ চনৰ মে মাহত পৰলোকপ্ৰাপ্তি ঘটে।

ৰবিচন্দ্ৰ হাজৰিকা :

এগৰাকী প্ৰকৃত বিপ্লৱী কৰ্মী আছিল। তেওঁ চাকৰি বৰ্জন কৰি '৪২ ৰ গণ বিপ্লৱত জঁপিয়াই পৰিছিল।

হৰকান্ত দাস :

জন্ম কুৰুৱাত। গুৱাহাটীত শিক্ষা লাভ কৰি কামৰূপ একাডেমীত শিক্ষকতা কৰাৰ পাছত অৱসৰ গ্ৰহণ কৰে। তেওঁ কথাই-বতৰাই, পিন্ধনে উৰণে, বাক্য-বচনে সকলোতে গান্ধীজীৰ আদৰ্শ অনুসৰণ কৰিছিল। ১৯৩০ আৰু '৪২ ৰ আন্দোলনৰ সময়ত কুৰুৱা অঞ্চলত বহুতো সংগঠনমূলক কামত আগভাগ লৈছিল। বিনম্ৰ স্বভাৱৰ হৰকান্ত দাস বিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰসকলৰ অতি শ্ৰদ্ধাৰ পাত্ৰ আছিল। শিক্ষকসকলৰ মাজত তেওঁ 'ধৰ্মী যুধিষ্ঠিৰ' নামে পৰিচিত আছিল।

লক্ষীমপুৰ

বানেশ্বৰ দাস :

১৯০১ চনত উত্তৰ লক্ষীমপুৰত বানেশ্বৰ দাসৰ জন্ম। পিতৃ তুম বৰুৱা। মাতৃ চাহলী। ১৯১৯ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰি স্বাধীনতা আন্দোলনত যোগ দি বৰুদলনি মৌজাত সংগঠনৰ কাম কৰে। পিছত মাছখোৱা, ধেমাজি, ঘিলামৰা, ঢকুৱাখানা আদি ঠাইলৈ তেওঁৰ কৰ্মস্থলী বাঢ়ে। ১৯২১ চনত পুলিচে গ্ৰেপ্তাৰ কৰে আৰু ৩ মাহ জেল হয়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত যোগদান কৰে। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত যোগ দি আত্মগোপন কৰে। পত্নী মুহিলা দাসো এগৰাকী বিশিষ্টা সমাজসেৱিকা আছিল। ১৯৭৭ চনত গুৱাহাটীৰ মেডিকেল কলেজ হস্পিতালত তেওঁৰ মৃত্যু হয়। তেওঁ সামাজিক সংস্কাৰত আগভাগ লৈছিল। এগৰাকী বিপ্লৱী কৰ্মী আছিল।

শশীধৰ ফুকন :

উত্তৰ লক্ষীমপুৰত ঘৰ। জন্ম ১৮৯২, মৃত্যু ১৯৬৩ চন। এওঁ এগৰাকী প্ৰকৃত বিপ্লৱী আছিল। ভাৰতৰ স্বাধীনতা আন্দোলনত সকলো প্ৰকাৰে নিৰ্যাতিত হয়।

সুশীল বুঢ়াগোহাঁই :

জয়পুৰ মৌজাৰ হিন্দু গাঁৱত ১৯২৫ চনৰ মাৰ্চ মাহত জন্ম হয়। পিতৃ বিনন্দচন্দ্ৰ গোহাঁই, মাতৃ সত্যৱতী গোহাঁই। দেউতাক সৰু চাহ বাগিছাৰ মহৰী আছিল। জয়পুৰ মধ্য ইংৰাজী স্কুলত ষষ্ঠ শ্ৰেণীলৈ পঢ়ি শিক্ষা শেষ কৰি ঘৰতে খেতি বাতিত লাগে। ১৯৪০ চনত কংগ্ৰেছ সেৱা দলত যোগ দি নায়ক হয়। '৪২ৰ ভাৰত ত্যাগ আন্দোলনত সক্ৰিয় ভূমিকা লৈ দ্বিতীয় মহাযুদ্ধত ইংৰাজ চৰকাৰক সহায় নকৰিবলৈ গাঁৱে গাঁৱে প্ৰচাৰকাৰ্য চলায়। ১৯৮৭ চনৰ ২০ নৱেম্বৰ তাৰিখে মৃত্যু হয়।

বিশেষ তথ্যপাতিৰ অভাৱত ১৯২১ চন আৰু ১৯৪২ চনৰ মুক্তি সংগ্ৰামত অংশ লোৱা লক্ষীমপুৰ জিলাৰ বিভিন্ন ঠাইৰ মুক্তিযোদ্ধা কেইগৰাকীমানৰ কেৱল নাম উল্লেখ কৰা হ'ল ঃ

ইন্দ্ৰেশ্বৰ শৰ্মা (আজাদ), খগেশ্বৰ কাকতি (আজাদ), মাণিক বৰা (গৰেহোগা সোণাৰী), ক্ষীৰোদ হাজৰিকা (গকমুৰীয়া), জগৰা দাস (ঘৰামৰা), গোলাপ কলিতা (শলালগাঁও), গোলাপ দত্ত (শলাল গাঁও), অকণমান কলিতা (শলালগাঁও), ৰত্ন বৰীয়া (কমলাবৰীয়া), কেশৱ বৰা (কমলাবৰীয়া), ভোলানাথ দত্ত (কমলাবৰীয়া), সোনেশ্বৰ শইকীয়া (কমলাবৰীয়া), মুকুতা শইকীয়া (কমলাবৰীয়া), কিনাৰাম দত্ত (উত্তৰ লক্ষীমপুৰ নগৰ), বেনী দত্ত (উত্তৰ লক্ষীমপুৰ নগৰ), গোলক বৰা (শাওকুচি), দেহিৰাম বৰা (মিছামৰা), মুহিৰাম হাজৰিকা (শ্ৰীভূঞা), গহীন কোঁৱৰ (ৰভতি), ৰোমেশ্বৰ বৰা (ধলপুৰ), বিৰাচন দত্ত (ধলপুৰ), অনন্ত দত্ত (ধলপুৰ), ঘন দত্ত (নাৰায়ণপুৰ), ঘন দত্ত (নাৰায়ণপুৰ), গুণ হাজৰিকা, (বাবকাটি), নিৰণ ভূঞা (পানী গাঁও), শুকমল লিগিয়া (যোৰহটীয়া ধলপুৰ), শুকমল লিগিয়া (কটুৰা ধলপুৰ), জগৰাম হাজৰিকা (জামুগুৰি), শিশুৰাম শইকীয়া (দগাঁও), কানগোলা বৰা (দকাটি), ভাবিৰাম দাস (ঘাৰমৰা), নন্দ দলৈ (বিহপুৰীয়া), যোগেশ্বৰ বৰুৱা (বিহপুৰীয়া), পূৰ্ণ দত্ত (ধলপুৰ)।

ডিব্ৰুগড়

কলাই মিলি :

মিৰি সম্প্ৰদায়ৰ কলাই মিলি আজীৱন কংগ্ৰেছ কৰ্মী আছিল। প্ৰায় ৮৯ বছৰ বয়সত মৃত্যু হয়।

গুণাৰাম বৰুৱা :

কছাৰী সম্প্ৰদায়ৰ গুণাৰাম বৰুৱাক সকলোৱে গুণা গান্ধী বুলি মাতিছিল। এজন সক্ৰিয় কৰ্মী আছিল।

চেনী দত্ত :

জন্ম ১৯০৩, মৃত্যু ৩০ নভেম্বৰ ১৯৮৯ চন। ১৯২১ চনৰে পৰা ছাত্ৰাৱস্থাতে অসহযোগ আন্দোলনত যোগদান কৰিলেও ১৯৩০ চনৰ পৰাহে সক্ৰিয়ভাৱে অসহযোগ আন্দোলনত যোগ দি কাৰাবৰণ কৰে। ১৯৪০ চনত সেৱাদল প্ৰশিক্ষণ লয় গোলাঘাটত। ডিব্ৰুগড় জিলাৰ শান্তি সেনাৰ সহকাৰী জিলা কমাণ্ডাৰ হিচাপে ১৯৪১ চনৰ ১৮ জানুৱাৰীত টেঙ্গাখাটত ব্যক্তিগত সত্যাগ্ৰহ কৰি এবছৰ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ৰেল লাইন উঠোৱা সংক্ৰান্তত সন্দেহক্ৰমে পুনৰ ১।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ কৰে আৰু ১৯৪৫ চনৰ ২২ ফেব্ৰুৱাৰীলৈকে আটক বন্দী ৰূপে থাকে। স্বাধীনোত্তৰ কালত আমৃত্যু তেখেতৰ সামাজিক দায়বদ্ধতা এই অঞ্চলৰ বাবে উল্লেখযোগ্য। সকলো ৰাজহুৱা অনুষ্ঠানতে তেখেত জড়িত আছিল আৰু এজন সমাজবাদী কৰ্মী হিচাপে জীৱনৰ শেষ কালত জনতা দলৰ সক্ৰিয় নেতৃত্ব বহন কৰিছিল।

টুনিৰাম বৰুৱা :

টুনিৰাম বৰুৱা ওৰফে লদলা বৰুৱাই ১৯২১-২২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল। ১৯৩১ চনত লক্ষ্ণৌ জেলৰ পৰা মুকলি হৈ তাৰ পৰাই সন্ধানহীন হয়।

দুৰ্গেশ্বৰ ভুঞা :

খলিহামাৰী। জন্ম ১৯০৬ চনৰ ২৪ চেপ্তেম্বৰত। পিতৃ খগেশ্বৰ ভুঞা, মাতৃ সাবিত্ৰী ভুঞা। ডিব্ৰুগড় ল'ৰা উচ্চ মাধ্যমিক স্কুলৰ ছাত্ৰ হৈ থাকোতেই ১৯২২ চনৰ স্বদেশী আন্দোলনত অংশ গ্ৰহণ কৰি পুলিচৰ দ্বাৰা নিৰ্যাতন ভোগে। আৰু ৬ মাহ কাৰাবাস খাটে।

১৯৩০ চনত অসহযোগ আন্দোলনত অংশ গ্ৰহণ কৰি পুনৰ ২ মাহ কাৰাবাস খাটে। পিছত তেওঁ ব্যৱসায় কৰে। ১৯৪৭ চনত আমোলা পট্টি নিবাসী গণেশৰাম ফুকনৰ কন্যা তৰুলতা ভূঞাক বিয়া কৰায়। তেওঁ চৰকাৰৰ পৰা পেঞ্চন ভোগ কৰে। ১৯৯১ চনৰ ২১ ফেব্ৰুৱাৰীত তেওঁৰ মৃত্যু হয়।

যদু গগৈ :

১৯২১—৪২ চনৰ এজন বিশিষ্ট কংগ্ৰেছ কৰ্মী আছিল। প্ৰায় ৯০ বছৰ বয়সত মৃত্যু হয়।

যোগেন্দ্ৰ নাথ ডেকা :

১৯২১ চনৰ জানুৱাৰী মাহৰ ২৬ তাৰিখে নলবাৰীৰ অন্তৰ্গত জাগাৰা গাঁৱত জন্ম। ১৯৪০ চনত প্ৰবেশিকা পৰীক্ষা পাছ কৰি গুৱাহাটীলৈ আহি হৰিজন শিক্ষা কেন্দ্ৰত শিক্ষকতা কৰিবলৈ লয়। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। তাৰ পিছত ডুমডুমালৈ গৈ কাঠৰ ব্যৱসায় আৰম্ভ কৰি আত্মাবলম্বী হৈ উঠে আৰু লগে লগে বিভিন্ন সামাজিক কামত ব্ৰতী হয়। ডুমডুমা অঞ্চলৰ শিক্ষা, সাহিত্য, সংস্কৃতি উদ্যোগ ধৰ্মীয় এনে কোনো অনুষ্ঠান নাই য'ত যোগেন ডেকাৰ হাতৰ স্পৰ্শ পৰা নাই। ১৯৬৪ চনত ডুমডুমাত ছোৱালী হাইস্কুল পতা আৰু ১৯৬৭ চনত অধ্যক্ষ ৰবীন চৌধুৰীৰ উদ্যোগত স্থাপিত হোৱা ডুমডুমা কলেজৰ গুৰি ধৰে। গান্ধীবাদী সদাসৰ্বদা খদ্দৰৰ ধুতি পাঞ্জাবী পিন্ধা 'হৰিজন বন্ধু' ডেকাৰ ১৯৮৯ চনত হঠাৎ অকাল বিয়োগ ঘটে।

লিহিং মহন্ত :

মটক সম্প্ৰদায়ৰ লিহিং মহন্ত ১৯২১ চনৰ পৰা আজীৱন কংগ্ৰেছ কৰ্মী আছিল। প্ৰায় ৯০ বছৰ বয়সত মৃত্যু হয়।

ইয়াৰ উপৰিও ১৯২১—৪২ চনৰ আন্দোলনত বিশেষ অৰিহণা যোগোৱা প্ৰয়াত মুক্তি যোদ্ধা কেইগৰাকীমানৰ বিশেষ তথ্য পাতিৰ অভাৱত মাত্ৰ নাম উল্লেখ কৰা হ'ল :

যোগেশ চন্দ্ৰ গোহাঁই, চৰ্দাৰ হৰ্নাম সিং, পদ্মনাথ বৰঠাকুৰ, দেৱ কুমাৰ বৰুৱা, বসন্ত কুমাৰ বৰুৱা, কেশৱ চন্দ্ৰ চাংকাকতি, কালামুদ্দিন আহমদ, সুৰেন্দ্ৰনাথ শৰ্মা, পৰেশ চন্দ্ৰ গুহ, বিষ্ণুপ্ৰসাদ চক্ৰবৰ্তী, গুণাভিৰাম বৰুৱা, কাশীনাথ ডেকা, গণেশ ফোগলা, নৰনাথ গোহাঁই, ধৰ্মেশ্বৰ গোহাঁই, সোমেশ্বৰ বৰুৱা, সনন্দ বৰুৱা, বসন্ত কুমাৰ বৰদলৈ, শিৱেশ্বৰ বৰুৱা, ৰমেন্দ্ৰনাথ ভট্টাচাৰ্য, বিনয়ভূষণ চক্ৰবৰ্তী, বেণুধৰ দত্ত, সুশীল চন্দ্ৰ গোহাঁই।

কাৰ্বি আংলং

ইন্দ্ৰ প্ৰসাদ শইকীয়া :

আমগুৰি। পিতৃ দুৰ্লভ শইকীয়া। ১৯৪২ চনৰ গণ বিপ্লৱত স্কুল ত্যাগ কৰি আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি গ্ৰেপ্তাৰ বৰণ কৰে। টেলিগ্ৰাফৰ তাঁৰ কটা আদি বিভিন্ন চৰকাৰবিৰোধী কাম কৰিছিল। স্বাধীনোত্তৰ কালত জনজাতি অঞ্চলৰ শিক্ষাৰ কৰ্মত নিযুক্ত হৈছিল। খাদী গ্ৰামোদ্যোগ আদি বিভিন্ন গঠনমূলক কামতো জড়িত আছিল। ১৯৯০ চনত মৃত্যু হয়।

গজেন্দ্ৰ কুমাৰ বৰ্মন :

চেৰাকানি, দকমকা। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৩ মাহ আৰু তাৰ পাছত ৬ মাহ ফাটেক খাটে।

চাংবেন :

১৯২২ চনৰ এজন সক্ৰিয় কংগ্ৰেছ কৰ্মী আছিল।

তুলসী বুঢ়াগোহাঁই :

১৯৪২ চনত শিক্ষা বৰ্জন কৰি আন্দোলনত অংশ লয়। বান্দৰ সেনা সংগঠন কৰি গ্ৰেপ্তাৰ হয়। এদিন হাজোত খাটে।

মুণীন্দ্ৰ প্ৰসাদ বৰঠাকুৰ :

১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ লয়।

সৰ্থে টেৰাং :

১৯২১ চনত কংগ্ৰেছৰ বাণী গাঁওবাসীৰ মাজলৈ কঢ়িয়াই আনে। গোলাঘাটৰ কংগ্ৰেছ সভাত উপস্থিত থাকিছিল।

সৰ বংপী :

কাৰ্বি আংলং জিলাৰ বিশিষ্ট সমাজকৰ্মী, সৰ বংপী ভাৰতৰ স্বাধীনতা আন্দোলনত সেৱাধৰ্মৰ মাজেদি নীৰৱ কৰ্মীৰ ভূমিকা গ্ৰহণ কৰিছিল। বি, কে, ভাণ্ডাৰী প্ৰতিষ্ঠিত সৰিয়হজান কুষ্ঠ ৰোগী সেৱা কেন্দ্ৰৰ এজন মহান আৰু নিষ্ঠাবান কৰ্মী আছিল। লোকপ্ৰিয়

গোপীনাথ বৰদলৈ, অমিয় কুমাৰ দাস, শ্ৰীদেবেশ্বৰ শৰ্মা, শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী আদিৰ আস্থা ভাজন হৈ মানৱ সেৱাৰ কামত ওৰে জীৱন ব্ৰতী আছিল। ১৯৫৪ চনত তেখেত কাৰ্বি আংলং জিলাৰ ডিষ্ট্ৰিক কাউন্সিলৰ সদস্য নিৰ্বাচিত হয়।

সৰ্থে টিমুং :

কংগ্ৰেছৰ সকলো কৰ্মসূচী গাঁওবাসীৰ মাজলৈ কঢ়িয়াই অনা অন্যতম হোতা আছিল। গোলাঘাটৰ সভাত উপস্থিত আছিল।

হৰিমল বৰা :

১৯৪২ চনৰ গণ বিপ্লৱত সক্ৰিয় অংশ লয়।

হেমাই কিলিং :

কানিৰ বিৰুদ্ধে আন্দোলন কৰি পুলিচৰ গ্ৰেপ্তাৰৰ বাবে আত্ম-গোপন কৰে। ১৯৪১-৪২ চনৰ কংগ্ৰেছ সংগঠনতো যোগদান কৰিছিল।

উত্তৰ কাছাৰ

শচীন্দ্ৰ কুমাৰ দাস :

হাফলং। ১৯৩২ আৰু ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত গ্ৰেপ্তাৰ কৰিছিল কিন্তু সাক্ষীৰ অভাৱত কিছুদিন ৰাখি এৰি দিয়ে।

ৰাম চন্দ্ৰ মজুমদাৰ :

হাফলং। ১৯৩০, আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪২ চনত পলাতক কৰ্মী হিচাপে পুলিচৰ ওৱাৰেন্ট বাহিৰ হোৱাত আটক কৰে।

নিকুঞ্জ বিহাৰী সেন :

হাফলং। ১৯৩০ চনত গ্ৰেপ্তাৰ হৈছিল। কিছুদিন হাজোতত ৰাখি এৰি দিয়ে। ১৯৪২ চনৰ আন্দোলনতো তেওঁ অংশ গ্ৰহণ কৰিছিল।

গাৰোপাহাৰ (মেঘালয়)

১৯৩৮ চনত অসমত সংযুক্ত কংগ্ৰেছ মন্ত্ৰীসভা গঠনৰ আগলৈকে অসমৰ ভিতৰত সেই সময়ত অন্তৰ্ভুক্ত থকা পাহাৰী জিলা আৰু বৰ্তমান অৰুণাচল ৰাজ্য কংগ্ৰেছৰ মানুহৰতো কথাই নাই, অন্য মানুহো সোমোৱা নিষিদ্ধ আছিল। ১৯৩৮ চনৰ পাছৰ পৰাহে কংগ্ৰেছৰ মানুহ বিশেষকৈ খাচীয়া জয়ন্তীয়া আৰু গাৰোপাহাৰ জিলাত সোমাই কংগ্ৰেছ কমিটি গঠন কৰিছিল। গাৰো পাহাৰৰ ফুলগুৰিলৈকে এটা বিৰাট অঞ্চল বিজনী জমিদাৰৰ তলত আছিল। ১৯১৫ চনত এই বিজনী জমিদাৰৰ অধিকৃত অঞ্চলত খাজানা বৃদ্ধি আৰু জমিদাৰৰ খাজানা তোলা মানুহৰ অত্যাচাৰৰ বিৰুদ্ধে ৰায়তসকলৰ এটা জাগৰণ হৈছিল। আৰু সেই জাগৰণৰ নেতৃত্ব কৰিছিল ফুকন চাংমা নামে এজন ডেকাই। অৱশ্যে তেওঁৰ লগত ভালেমান অন্য লোকেও সহযোগী হিচাপে কাম কৰিছিল।

১৯২১ চনত অসমত হোৱা অসহযোগ আন্দোলনৰ চৌৱে গাৰোপাহাৰকো কোবাইছিল যদিও তেওঁলোকে সক্ৰিয় হিচাপে অংশ গ্ৰহণ কৰিব পৰা নাছিল। ইয়াৰ ভিতৰত ভৈয়াম অঞ্চলত থকা কেবোৰাম গাৰো আৰু টোৰকটাই এই আন্দোলনত যোগ দিছিল আৰু ৩ মাহ ফাটেক খাটিছিল। ইয়াৰ পাছৰ পৰা কংগ্ৰেছৰ সকলো আন্দোলনতে অংশ গ্ৰহণ কৰি আহিছিল ১৯৫০ চনৰ মৃত্যুৰ আগলৈকে।

ৰবিৰাম গাৰো :

এওঁক ১৯২২ চনৰ আন্দোলনত যোগ দিয়া কাৰণে গ্ৰেপ্তাৰ কৰি ২ মাহ হাজোতত ৰাখি পিছত এৰি দিয়ে।

১৯৩৯ চনত গোলোক চন্দ্ৰ পাঠকক গাৰো পাহাৰত কংগ্ৰেছ কমিটি গঠনৰ কাৰণে পঠায়। তেৰোঁ আগতে উল্লেখ কৰি অহা ফুকন চাংমাক সভাপতি পাতি এখন জিলা কংগ্ৰেছ কমিটি গঠন কৰে। এওঁ ১৯৪০-৪১ চনত সত্যাগ্ৰহত যোগ দিছিল আৰু ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাৰ কাৰণে গ্ৰেপ্তাৰ কৰে। ১৮ মাহ সশ্ৰম কাৰাদণ্ড আৰু ৫০০ টকা জৰিমনা অনাদায়ত

৬ মাহ অধিক ফাটেক হয়। এওঁৰ লগত আৰু কেইবাজনো কৰ্মীয়ে ফাটেক জৰিমনা ভৰিছিল, কিন্তু তেওঁলোকৰ নাম পোৱা নাযায়।

ফুকন চাংমা এজন জাতীয়তাবাদী ভাবাপন্ন লোক আছিল। তেওঁ "অল হিলছ পিপোল এছোচিয়েশ্যন"ৰ বিৰুদ্ধে কাম কৰিবলগীয়া হৈছিল। আৰু তেওঁলোকৰ এই অনুষ্ঠানৰ বাধা দিয়া সত্ত্বেও গাবো পাহাৰত এখন শক্তিশালী কংগ্ৰেছ গঠন কৰিবলৈ সক্ষম হৈছিল। ১৯৫৮ চনত তেখেতৰ মৃত্যু হয়।

নলবাৰী

অৰুণ চন্দ্ৰ শৰ্মা :

নলবাৰী জিলাৰ অন্তৰ্গত গন্ধিয়া গাঁৱত জন্ম। ছাত্ৰাৱস্থাৰে পৰা দহৰ কামত ব্ৰতী এই লোকজনে শিক্ষা প্ৰচাৰ, নামঘৰ, পুথিভঁৰাল স্থাপন, গাঁও সংগঠন আদি কাৰ্যৰ উপৰিও বিয়াল্লিছৰ আন্দোলনত সক্ৰিয়ভাৱে সহযোগ কৰাৰ ফলত বহুদিন জেল হাজোতত নিকাৰ ভুঞ্জিব লগা হৈছিল।

আনন্দিৰাম শইকীয়া :

নলবাৰী, মোমাইতোলা। পিতৃ জাতিৰাম শইকীয়া। ১৯৩২ চনৰ সক্ৰিয় কৰ্মী।

কালীচৰণ মজুমদাৰ :

পিপলীবাৰী, ১৯২১ চনত শিক্ষকতাৰ চাকৰি বাদ দি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

কুঞ্জ বিহাৰী পাঠক :

১৯৩০-৩২ চনৰ আন্দোলনত যোগদান কৰিছিল।

কালীচৰণ চৌধুৰী :

পকোৱা। ১৯২১ চনৰ আন্দোলনত ৬ মাহ জেল হয়।

কালীচৰণ বৰুৱা :

কমাৰকুছি। আজীৱন কংগ্ৰেছ কৰ্মী, শিক্ষাব্ৰতী, কৃতী শিক্ষক আৰু বৰভাগ অঞ্চলৰ এজন লেখত লবলগীয়া গণ্য-মান্য লোক আছিল।

কৃষ্ণকান্ত ডেকা :

বাঁহজানী গাঁৱৰ ভাটিৰাম ডেকাৰ পুত্ৰ কৃষ্ণকান্ত ডেকাৰ ১৯৩০ আৰু ৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দি ২২।৩।৩২ তাৰিখে পাঠশালা অঞ্চলত শোভাযাত্ৰাৰ নেতৃত্ব বহন কৰি ৩০।৩।৩২ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ছমাহ সশ্ৰম কাৰাদণ্ড ভোগে।

গণেশ নাৰায়ণ চৌধুৰী :

মাখিবাহা। পিতৃ যোগেন্দ্ৰ চৌধুৰী। ১৯২১ চনত ৰাজহ বিভাগৰ চাকৰি বাদ দি আন্দোলনত যোগ দিয়ে। ১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰি ১৫।৯।৪৩ তাৰিখলৈ ১৫ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

গোবিন্দ মহন্ত :

তামোলপুৰ। পিতৃ মালাৰাম মহন্ত। ১৯২১ চনৰ আন্দোলনত যোগদান কৰে।

গোবিন্দ পাটোৱাৰী :

ৰাপিয়া বাগান। সক্ৰিয় কৰ্মী আছিল।

গোপাল চন্দ্ৰ দাস :

শোলমাৰা। পিতৃ নিধিৰাম দাস। ৩০।৪।৪৩ তাৰিখে গ্ৰেপ্তাৰ বৰণ কৰি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। ৪।২।৪৪ তাৰিখে মুক্তি পায়।

গুৰুচৰণ বৰ্মন :

নানকাৰভয়ৰা। ১৯৩০-৩১ চনৰ আইন অমান্য আন্দোলনত শিক্ষাৰ পৰা বহিষ্কাৰ হৈ অংশ গ্ৰহণ কৰে। লোকেল বোৰ্ডৰ চাকৰিত যোগ দিয়ে।

গৌৰীনাথ কাকতি :

বেলশৰ। ১৯৪২ চনৰ ভাৰতত্যাগ আন্দোলনত ৮ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

গোলোক হালৈ :

পিপলাবাৰী। সক্ৰিয় কৰ্মী আছিল।

গদাধৰ গোস্বামী :

নিজ বাঁহজানী। পিতৃ নৱদেৱ গোস্বামী। ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ লয়।

গোবিন্দ শৰ্মা :

দেহাৰকুচি, বানেকুচি। ১৯৩০ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী।

গজেন্দ্ৰ নাথ ডেকা :

জলখানা, চিহু। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ কৰ্মী।

গোপাল চন্দ্ৰ দাস :

পিপলিবাৰী গাঁৱত জন্ম। এওঁ শিক্ষক আছিল যদিও স্বাধীনতা আন্দোলনত নিষ্ঠাৰে অংশ গ্ৰহণ কৰিছিল। অকাল মৃত্যুই তেওঁৰ মনৰ কামনা পূৰ্ণ হ'বলৈ নিদিলে।

গোবিন্দ চন্দ্ৰ মহন্ত :

হাজো বৰদধি সত্ৰৰ সত্ৰাধিকাৰৰ ঘৰত ১৯১৮ চনত গোবিন্দ চন্দ্ৰ মহন্তৰ জন্ম হয়। ছাত্ৰাৱস্থাৰে পৰা স্বাধীনতা সংগ্ৰামী মহন্তই ১৯৪২-৪৩ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি নানা নিৰ্যাতন ভোগে। তেখেত লোকপ্ৰিয় গোপীনাথ বৰদলৈ, মহেন্দ্ৰমোহন চৌধুৰীৰ বিশেষ প্ৰিয়পাত্ৰ আৰু আস্থাভাজন আছিল। পলাতক অৱস্থাত বিষ্ণুপ্ৰসাদ ৰাভা মহন্তৰ ঘৰত কিছুদিন আত্মগোপন কৰি আছিল। অসম সাহিত্য সভা, কামৰূপ সাহিত্য পৰিষদ, সবিতা সভা আদিৰ লগত ঘনিষ্ঠভাৱে জড়িত থকাৰ উপৰিও মহন্ত এগৰাকী সুলেখক, প্ৰসিদ্ধ পাঠক আৰু সুঅভিনেতা আছিল। তেখেতৰ একমাত্ৰ উপন্যাস 'কৃষকৰ নাতি' গান্ধীদৰ্শনৰ এখন প্ৰতিচ্ছবি। ১৯৮৯ চনত তেখেতৰ মৃত্যু হয়।

চন্দ্ৰকান্ত পাটোৱাৰী :

ৰাপিয়াবাথান। সক্ৰিয় কৰ্মী আছিল।

চেখ চেনদাৰ আলি :

পিতৃ আদৰ আলি। বানেকুছি। ১৯২১ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

চম্পাৱতী ডেকা :

বালা, নলবাৰী। জন্ম ১৮৯২, মৃত্যু ১৯৫৬ চন। স্বামী মহিৰাম ডেকা। ঘৰ সংসাৰ চলোৱাৰ উপৰিও কপাহৰ খেতি কৰিছিল, এড়ি পলু পুহি এড়ি সূতা উৎপাদন কৰিছিল। নিজহাতে প্ৰতিদিনে সূতা কাটি, এড়ি কাটি কাপোৰ বৈছিল। কেতিয়াবা ঘৰতে সুৰক্ষত

পাতি গান্ধী মহাত্মাৰ গীত গাই গাই সূতা কটাৰ জগতে গান্ধী-নেহৰুৰ মাহাত্ম্য প্ৰচাৰ কৰিছিল।

গান্ধী নামৰ নৌকাখনি জৱাহৰলালৰ বৈঠা,
স্বৰাজ যদি পাব খোজা, হাতে সূতা কাটা।

জাগ্ৰুৰাম তালুকদাৰ ঃ

চান্দকুচি, নিজ বাঁহজানি। ১৯৪৩ চনত নলবাৰীত গ্ৰেপ্তাৰ হয়।

দানীৰাম হালৈ ঃ

পিপলিবাৰী গাঁৱত জন্ম। তেওঁ ছাত্ৰাৱস্থাৰ পৰা অতি বিপ্লৱী আছিল। তেওঁ গাঁও সংগঠন, ৰাস্তা-ঘাট নিৰ্মাণ, নামঘৰ-স্কুলঘৰ স্থাপন আদি বিভিন্ন জনহিতকৰ কামৰ উপৰিও বিন্নাস্লিছৰ আন্দোলনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিছিল। তেওঁ সশস্ত্ৰ বিপ্লৱৰ পক্ষপাতি আছিল। নিজৰ জীৱন বিপন্ন কৰিও তেওঁ, বিপ্লৱাগ্নিত জপিয়াই পৰিছিল। ইয়াৰ ফলত তেওঁ পুলিচৰ নজৰত পৰিছিল আৰু শেষত জেল-হাজোতত বহুদিন কষ্ট ভোগ কৰিবলগীয়া হৈছিল। জেলৰ পৰা মুক্তি পোৱাৰ পিছত তেওঁ শিক্ষকতা কৰিছিল আৰু কেইবাবছৰ ধৰি জন্ম গাঁৱত 'পিপলিবাৰী নাট্য সমিতি' নামৰ এটি নাট্যানুষ্ঠান খুলি বহু বছৰ নিয়াৰিকৈ পৰিচালনা কৰিছিল।

দানীৰাম কলিতা ঃ

মাধোপুৰ, বৰমা। পিতৃ ৰাইৰনা কলিতা। ১৯৩০ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

দীননাথ শৰ্মা ঃ

বনগ্ৰাম, পকোৱা। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

তুতিৰাম ডেকা ঃ

বৰকুৰা। পিতৃ ৰহিৰাম ডেকা। ১৯২১ চনত মণ্ডলৰ চাকৰি পৰিত্যাগ কৰি অসহযোগ আন্দোলনত যোগ দিয়ে।

দুৰ্গাৰয় চৌধুৰী :

বনমাজা। ভাৰতৰ মুক্তি সংগ্ৰামৰ সক্ৰিয় কৰ্মী আছিল।

দেৱিৰাম ডেকা :

পকোৱা। ২।১২।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ ১১।২।৪৩ তাৰিখলৈ ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

দেহিৰাম তালুকদাৰ :

বালা, নলবাৰী। ওৰে জীৱন আঠুমূৰীয়া খদ্দৰৰ ধুতি আৰু খদ্দৰৰ ফটুৰে চোলা পিন্ধি ঘৰে ঘৰে ঘূৰি গান্ধী মহাত্মাৰ বাণী প্ৰচাৰ কৰিছিল। এবাৰ ভোটোৰাম তালুকদাৰ নামৰ গাঁৱৰ দুখীয়া মানুহ এজনে মাটিৰ খাজনা দিব নোৱাৰাত তেতিয়াৰ বৰভাগৰ মৌজাদাৰ প্ৰফুল্ল বৰুৱাৰ দিনত গৌৰী চেধ পিয়াদাই ঘৰ ক্ৰোক কৰি কাপোৰ সহ শাল-গাড়ী দাঙি নিয়াত বাধা দিয়া দেহিৰামে কিছু নিৰ্যাতন ভুগিব লগীয়া হৈছিল।

দুলাল ৰাম চৌধুৰী :

সানেকুছি, মৌজা পশ্চিম বড়িগোগ। জন্ম ১৮৮২ চনৰ জুলাই মাহত। পিতৃ ভকতৰাম চৌধুৰী। তেখেতে দেশভক্ত তৰুণৰাম ফুকনৰ সৈতে স্বাধীনতা আন্দোলনত মাহাত্মা গান্ধীৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। এজন কংগ্ৰেছ কৰ্মী আছিল। স্বাধীনোত্তৰ কালত সিদ্ধিনাথ শৰ্মাৰ লগত মতানৈক্য ঘটিছিল। তেখেতে নৰ্মাল পাছ কৰি চাৰ্ভে ট্ৰেইনিং লয়। বহুদিন ধৰি দামোদৰ ধাম সত্ৰৰ পৰিচালনা কমিটিৰ সম্পাদক আছিল। তেখেতৰ সামাজিক সুকীৰ্তিৰ চিন হিচাপে ধীৰদত্ত এম ই স্কুল (পিছত হাইস্কুল), লহৰপাৰা হাইস্কুলে সোঁৱৰাই থাকিব। তেখেত চেচন কোৰ্টৰ জুৰিৰ মেম্বৰ, বড়িয়া চাৰ্কোলৰ কেৰাখনো মৌজাৰ গাঁৱলীয়া বিচাৰক আৰু স্টেম্প ভাণ্ডাৰ আদি আছিল। এই সমাজসেৱ জনৰ ১৯৬৭ চনৰ ৪ জানুৱাৰী তাৰিখে মৃত্যু হয়।

ধনীৰাম তালুকদাৰ :

ধৰ্মপুৰ। ১৯২১ চনৰ অসহযোগ আন্দোলনত গ্ৰেপ্তাৰ হয়।

ধনেশ্বৰ শৰ্মা :

পিপলিবাৰী গাঁৱত জন্ম। নলবাৰী গৰ্ডন হাইস্কুলৰ কৃতী শিক্ষক। 'নলদময়ন্তী', 'কুণ্ডিলকুঁৱৰী' 'উষা', 'মায়ামত্ত' আদি নাটকৰ নাট্যকাৰ আৰু অসমৰ নাট্য আন্দোলনৰ অন্যতম হোতা। বিয়াল্লিছৰ স্বাধীনতা আন্দোলনৰ পূৰ্ণ সমৰ্থক। নিজে সক্ৰিয়ভাৱে আন্দোলন কৰি জেল খটা নাছিল যদিও আন্দোলনৰ কাৰণে ভেকাচামক সততে অনুপ্ৰেৰণা দিছিল। সভা-সমিতিত জনগণক আন্দোলনৰ প্ৰয়োজনীয়তা সম্পৰ্কে বুজাই কৈছিল। ইয়াৰ উপৰি জনশিক্ষা অভিযান, গাঁও সংগঠন, কানি বৰবিহ বৰ্জন আদি কাৰ্যতো অংশ গ্ৰহণ কৰিছিল। মৃত্যুৰ সময়ত চাৰিজন পুত্ৰ আৰু দুজনী কন্যা এৰি থৈ যায়।

ধূপাৰাম বসুমতাৰী :

নলবাৰী। '৪২ ৰ গণ বিপ্লৱত সক্ৰিয় অংশ গ্ৰহণ কৰা ধূপাৰাম বসুমতাৰী আছিল এগৰাকী নিষ্ঠাবান কংগ্ৰেছ কৰ্মী আৰু সমাজ সেৱক। প্ৰবেশিকালৈ পঢ়া বসুমতাৰীয়ে বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠানৰ লগত জড়িত আছিল। বিভিন্ন কাকতে পত্ৰই মৃত্যুৰ সময়লৈকে প্ৰবন্ধ-পাতি লিখিছিল। বড়ো-কছাৰীৰ সংস্কৃতিক লৈ লিখা তেওঁৰ গ্ৰন্থখন অসমীয়া সাহিত্যলৈ এটা বিশেষ অবদান। তেওঁ আছিল এগৰাকী নীৰৱ শিল্পী। নলবাৰীত অনুষ্ঠিত হোৱা সদৌ অসম নাট্য সন্মিলনে তেওঁক সম্বৰ্ধনা জনাইছিল। ১৯৮৯ চনত তেওঁৰ পৰলোকপ্ৰাপ্তি ঘটে।

ধৈৰ্যকান্তি চৌধুৰী :

বালা, নলবাৰী। স্বামী জানিৰাম চৌধুৰী। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ৰ এগৰাকী সুশিক্ষিতা মহিলা আছিল। বিবাহৰ আগলৈকে প্ৰাইমাৰী স্কুলৰ শিক্ষয়িত্ৰী কাম কৰাৰ লগতে মহিলাসকলৰ মাজত সংগঠন কাৰ্য চলাইছিল।

নৰেন্দ্ৰ নাথ শৰ্মা :

স্বাধীনতা আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

নাৰোৰাম বৰ্মন :

১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

নন্দৰাম চৌধাৰী :

নিজ বাঁহজানি গাঁৱত জন্ম। এজন আদৰ্শ খেতিয়কৰ উপৰিও গান্ধীজীৰ আদৰ্শ অনুসৰণ কৰি খদ্দৰৰ ধুতি আৰু সাধাৰণ সাজ পোচাক পিন্ধি গাঁও সংগঠনৰ কামত ব্ৰতী হৈছিল। ১৯৪২ চনৰ কৃষক বিদ্ৰোহত যোগ দি বৃটিছ চৰকাৰক মাটিৰ খাজানা নিদিবলৈ ৰাইজৰ মাজত প্ৰচাৰ কাৰ্য চলাইছিল। ৰাজকদমতলত বহা কৃষকৰ ৰাজমেলত তেখেতে যোগ দিছিল। ১৯৭০ৰ দশকত প্ৰায় ৭৫ বছৰ বয়সত তেখেতৰ মৃত্যু হয়।

পদ্মৰাম ৰাজবংশী :

নলবাৰী। পিতৃ কান্তিৰাম ৰাজবংশী। ১৯৪২ চনৰ ৬।১০।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়, পিছত মুক্তি পায়।

পৰশুৰাম ডেকা :

নিজ বাঁহজানি। পিতৃ শান্তিৰাম ডেকা। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী।

পূৰ্ণ চন্দ্ৰ তালুকদাৰ :

শিয়ালমাৰী, টিহু। পিতৃ কমলাকান্ত তালুকদাৰ। ১৯২১ চনৰ আন্দোলনত ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

পুষ্পপতি শৰ্মা :

বৰ আজাৰা। ১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

বুদ্ধিৰাম বৰ্মন :

বৰতোলা, মুকালমুৱা। '৪২ ৰ গণ বিপ্লৱত ২৬।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ ১৭।১২।৪২ তাৰিখে মুক্তি পায়।

বলি নাৰায়ণ ডেকা :

সন্ধেলি। ১৯৪২ চনৰ আন্দোলনৰ সক্ৰিয় কৰ্মী।

বস্তিৰাম বৰ্মন :

বৰকুৰা। পিতৃ শশীৰাম বৰ্মন। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

বগাধৰ ডেকা :

মুছলপুৰ। পিতৃ ঠাই নগাঁও। ১৯৩৯ চন মানত মুছলপুৰ অঞ্চললৈ আহে। সেই অঞ্চলৰ অশিক্ষিত জনসাধাৰণৰ আগত গান্ধীৰ বাণী প্ৰচাৰ কৰে। বিভিন্ন সমাজ সেৱামূলক কাম কৰিছিল। মুছলপুৰ অঞ্চললৈ যোৱা একমাত্ৰ পথটো তেওঁৱেই বন্ধাইছিল। ১৯৪৩ চনত তেওঁৰ মৃত্যু হয়।

বঙ্কিম চন্দ্ৰ বৰুৱা :

কমাৰকুছি গাঁৱত জন্ম গ্ৰহণ কৰা বঙ্কিম চন্দ্ৰ বৰুৱা ছাত্ৰাৱস্থাৰে পৰা মহাত্মা গান্ধীৰ অহিংস নীতি আৰু গঠনমূলক কামৰ দ্বাৰা অনুপ্ৰাণিত হৈ প্ৰচাৰকাৰ্য কৰিছিল। সদা সৰ্বদা খদ্দৰ পৰিধান কৰা, গান্ধীটুপীক শিৰৰ ভূষণ হিচাপে স্থান দিয়া বৰুৱাই দৰ্জি কামকে নিজৰ জীৱিকা নিৰ্বাহৰ অৱলম্বন হিচাপে লৈছিল। উল্লেখযোগ্য যে নিজৰ খৰচত নিজ হাতে শ শ খদ্দৰৰ গান্ধী টুপী চিলাই কৰি স্কুলীয়া ছাত্ৰ আৰু কংগ্ৰেছ স্বেচ্ছাসেৱীসকলৰ মাজত বিলাই দিছিল। ১৯৪২ চনৰ আন্দোলনত তেখেতে সক্ৰিয় ভূমিকা লৈছিল। স্বাধীনতাৰ পিছত তেখেত ডিব্ৰুগড় জিলাৰ ডুমডুমালৈ উঠি যায় আৰু তাত দৰ্জি কামৰ লগতে কাপোৰৰ ব্যৱসায় কৰি প্ৰায় চাৰিকুৰি বছৰ বয়সত মৃত্যু বৰণ কৰে।

বাকুলুৰাম কাকতী :

উলাবড়ী গাঁৱত ১৮৮১ চনত জন্ম গ্ৰহণ কৰে। স্থানীয় প্ৰাইমেৰী স্কুলত কাম কৰাৰ পাছত কমাৰকুছি ছাত্ৰ বৃত্তি স্কুলত শিক্ষকতা কৰে। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত গাঁৱত আন আন লোকৰ লৈতে সমদল উলিয়াই 'ভাৰত মাতা' আৰু 'মহাত্মা গান্ধী কি জয়' ধ্বনি দি গান্ধীজীৰ বাণী প্ৰচাৰ কৰে। ১৯৩০ চনৰ সুখ্যাত কানিংহাম চাৰ্কুলাৰত তেখেতৰ জ্যেষ্ঠপুত্ৰ, পিছলৈ বিশিষ্ট সাংবাদিক সুসাহিত্যিক আৰু সমাজকৰ্মীৰূপে খ্যাত শ্ৰীসতীশ চন্দ্ৰ কাকতীয়ে ৰাজনীতিত যোগ নিদিব বুলি চহী দিবলৈ অস্বীকাৰ কৰে। ফলত তেখেতৰ পুত্ৰৰ কাৰাবাস হয়। গুৱাহাটী জেলত তেখেতে পুত্ৰক দেখা কৰোতে জেইলাৰে কৈছিল যে ল'ৰাই পুনৰ কংগ্ৰেছ তথা ৰাজনীতিত যোগ

নিদিব বুলি লিখি দিলে ল'ৰাক মুক্তি দিব। এই কথাও তেখেতে প্ৰত্যাখ্যান কৰিছিল। উলাবড়ী আৰু নিকটবৰ্তী গাঁওবোৰত তেখেতে গঠনমূলক কামত ব্ৰতী আছিল। ১৯৭০ চনৰ ২৭ জানুৱাৰীৰ নিশা উলাবড়ী গাঁৱতে নিজা বাসভৱনত হঠাৎ স্বৰ্গগামী হয়। ৰাইজৰ সদ্ইচ্ছাত তেখেতৰ নামত উলাবড়ী প্ৰাইমেৰী স্কুলখন নামকৰণ কৰা হয়। প্ৰয়াত কাকতী অঞ্চলটোৰ এজন স্মৰণীয় আৰু বৰণীয় ব্যক্তি আছিল।

বালিৰাম তহবিলদাৰ :

মাজদিয়া। পিতৃ ভকতৰাম তহবিলদাৰ। ১৪।৯।৪২ তাৰিখে গ্ৰেপ্তাৰ হৈ ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

ভদ্ৰিৰাম তালুকদাৰ :

সাহপুৰ। ১৯২১ চনৰ আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

ভৰত চন্দ্ৰ ডেকা :

চমাৰকুছি। পিতৃ উত্তম চন্দ্ৰ ডেকা। স্বাধীন ব্যৱসায় কৰি, সৎ জীৱন যাপনৰ মাজেদি কংগ্ৰেছৰ সেৱাৰ কামত আত্মনিয়োগ কৰিছিল।

মহেন্দ্ৰ তালুকদাৰ :

পূৰ্ণ খুমদুম্। পিতৃ থানুৰাম তালুকদাৰ। ১৯৩২ চনত আন্দোলন কৰি ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

মাধৱ চন্দ্ৰ তালুকদাৰ :

ধৰ্মপুৰ। ১৯২১ চনৰ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

মোঘাৰাম দাস :

নলবাৰী। ১৯৪২ চনত গ্ৰেপ্তাৰ বৰণ কৰে।

যাদৱ চন্দ্ৰ দাস :

ক্ষুদ্ৰ বেঁচা, সন্ধ্যা। ১৯৪২ চনত স্কুলৰ চাকৰি বাদ দিছিল যদিও ৰাইজৰ অনুৰোধত পুনৰ চাকৰিত ভৰ্তি হয়। এজন সক্ৰিয় কৰ্মী আছিল।

ৰজনীকান্ত গোস্বামী :

অবিভক্ত কামৰূপ জিলাৰ নাপতিপাৰাত জন্ম। পিতৃ গোলোক নাথ গোস্বামী। গোস্বামী মহাত্মা গান্ধীৰ আহ্বানত, তৰুণৰাম ফুকন, ৰোহিণী কুমাৰ চৌধুৰী আৰু ফকৰুদ্দিন আলি আহমেদৰ প্ৰেৰণাত স্বাধীনতা সংগ্ৰামত জপিয়াই পৰিছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনত কলেজ বৰ্জন কৰে আৰু নিজকে সমাজ সেৱাত সম্পূৰ্ণ-ৰূপে আত্মনিয়োগ কৰি ১৯৩৫ চনৰ বানৰ গৰাহত পৰা বৰক্ষেত্ৰীৰ দুখীয়া খেতিয়কসকলক ভূমি কৰ দিয়াৰ পৰা অব্যাহতি দিয়াৰ বাবে চৰকাৰক সন্মত কৰি জনপ্ৰিয়তা আৰ্জে। ১৯৮৭ চনৰ ২৬ এপ্ৰিলত ৮৩ বছৰ বয়সত তেখেত স্বৰ্গী হয়।

ৰমণী মোহন ডেকা :

বনাগ্ৰাম, বৰনদী। পিতৃ অভিৰাম ডেকা। '৪২ৰ আন্দোলনত ৭।১১।৪২ তাৰিখৰ পৰা ২১।১১।৪২ তাৰিখলৈ ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে। আকৌ ১৭।৫।৪৩ তাৰিখে গ্ৰেপ্তাৰ হৈ ৩ মাহ সশ্ৰম কাৰা-দণ্ড ভোগ কৰে আৰু ১৩।১১।৪৩ তাৰিখে মুক্তি পায়।

ৰাজ্যমল ডেকা :

কমাৰকুছি গাঁৱত জন্ম গ্ৰহণ কৰি মজলীয়া আৰু হাইস্কুলৰ ছাত্ৰ হৈ থাকোঁতে মহাত্মা গান্ধীৰ আদৰ্শত ব্ৰতী হৈ ১৯৪২ চনৰ আন্দো-লনত যোগ দিয়ে। সেই অঞ্চলৰ কংগ্ৰেছ কৰ্মী সকলৰ দ্বাৰা পৰিচালিত হৈ স্বেচ্ছাসেৱী দলত যোগ দিছিল। ওৰে জীৱন খদ্দৰৰ ধুতি, পাঞ্জাবী আৰু জহৰ কোট পৰিধান কৰা ৰাজ্যমল ডেকা এজন বিশিষ্ট সমাজ কৰ্মী আৰু গাঁও সংগঠক আছিল। মহাপুৰুষীয়া নামধৰ্মত অগাধ বিশ্বাস থকা ডেকা এজন সুবক্তা আৰু সাহিত্যানুৰাগী লোক আছিল। অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত জপিয়াই পৰি তেখেতৰ পুত্ৰ অনিল ডেকা (তেজপুৰ) শ্বহীদ হয়। পৰিতাপৰ বিষয় যে ১৯৮৯ চনত গুৱাহাটীত এটা পথ দুৰ্ঘটনাত ডেকাৰ প্ৰায় ৬২ বছৰ বয়সত মৃত্যু হয়। তেখেত এজন সত্যবাদী আৰু অমায়িক লোক আছিল।

ৰামেশ্বৰ লাল মস্কৰা :

"মোৰ জন্মস্থান অসম, নলবাৰী। অসমীয়াসকলেহে মোৰ প্ৰকৃত বন্ধু।" এইয়া আছিল মস্কৰাৰ অসম প্ৰীতিৰ চানেকি। মস্কৰাই ১৯২১ চনত চৰকাৰী গৰ্ডন হাইস্কুল ত্যাগ কৰি গান্ধী ভলণ্টিয়াৰ হিচাপে যোগ দিছিল। ব্যৱসায়ী বণিক পৰিয়ালৰ ঘৰৰ ল'ৰা হৈও তেখেতে সমাজসেৱাত গান্ধীৰ আদৰ্শৰে আত্মনিয়োগ কৰি আহিছিল। তেখেতৰ সামাজিক কীৰ্তিৰ উল্লেখযোগ্য উদাহৰণ হ'ল 'শিউনাৰায়ণ ৰামেশ্বৰ লাল মস্কৰা হস্পিতাল' য'ত বৰ্তমান জিলা সদৰৰ চৰকাৰী অসামৰিক হস্পিতেললৈ উন্নীত হৈছে। এইজন সৰ্বৰহী নাগৰিকৰ জনপ্ৰিয়তা আছিল সৰ্বজনবিদিত।

ৰাজেন্দ্ৰ চন্দ্ৰ তালুকদাৰ :

বৰগাছা গাঁৱত জন্ম। পিতৃ আমতু তালুকদাৰ। ছাত্ৰাৱস্থাৰে পৰা স্বাধীনতা আন্দোলনত যোগ দি নানাভাবে নিৰ্যাতিত হয়। এজন বিশিষ্ট সমাজকৰ্মী আৰু ৰাজগড়স্থিত শ্ৰীমন্ত শঙ্কৰদেৱ কৃষ্টি বিকাশ কেন্দ্ৰ আৰু আদৰ্শ শিশু বিদ্যালয়ৰ উদ্যোক্তা আছিল। ওৰে জীৱন কংগ্ৰেছ অনুষ্ঠানৰ লগত জড়িত থকা শুভ্ৰ খাদীৰ ধুতি, পাঞ্জাবী চোলা পৰিধান কৰা তালুকদাৰৰ প্ৰায় ষাঠি বছৰ বয়সত ১৯৮১ চনৰ ২ আগষ্টৰ দিনা মৃত্যু হয়।

ললিত চন্দ্ৰ তালুকদাৰ :

বেলশৰ। ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ বৰণ কৰে।

লোহিত দত্ত :

পশ্চিম ধৰ্মপুৰ। ১৯৩০-৩২ চনৰ আন্দোলনৰ কৰ্মী।

ললিত চন্দ্ৰ দাস :

নাৰপাৰা গাঁৱত জন্ম গ্ৰহণ কৰা ললিত চন্দ্ৰ দাস অঞ্চলটোৰ এজন কৃতী শিক্ষক আছিল। বৰভাগ কালাগ হাইস্কুলত প্ৰায় দুটা দশক ধৰি প্ৰধান শিক্ষক হিচাপে শিক্ষাদান কৰি ভালেমান কৃতী ছাত্ৰ গঢ়ি তুলিছিল। শিক্ষকতাৰ মাজেদিও সময় উলিয়াই লৈ অঞ্চলটোৰ গঠন-মূলক কামত আত্মনিয়োগ কৰিছিল। মহাত্মা গান্ধীৰ প্ৰতিটো আন্দো-লনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বৰভাগ অঞ্চলৰ বিশিষ্ট

সমাজকৰ্মী আৰু কংগ্ৰেছৰ সহযোগী কৰ্মীসকলৰ লগতে মিলি স্বাধীনতা আন্দোলনত সক্ৰিয় ভূমিকা লৈছিল। অঞ্চলটোৰ শিক্ষাৰ ক্ষেত্ৰত ললিত চন্দ্ৰ দাস এটা জনশ্ৰুতিৰূপ চৰিত্ৰ হিচাপে বহুকাললৈ প্ৰচলিত হৈ থাকিব।

শান্তিৰাম চৌধাৰী :

নিজ বাঁহজানি গাঁৱত ১৮৯৪ চনত জন্ম। পিতৃ তৰুণৰাম চৌধাৰী, মাতৃ গুণেশ্বৰী। পিতৃৰ আদৰ্শ মানি ছাত্ৰাবস্থাৰে পৰা সজ কামত ব্ৰতী হৈছিল। নলবাৰী গৰ্ডন হাইস্কুলৰ পৰা প্ৰবেশিকা পৰীক্ষা পাছ কৰিয়ে ১৯২১ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰে। তেখেত প্ৰাইমাৰী স্কুলৰ কৃতী শিক্ষক আছিল আৰু বাঁহজানি, আৰংমৌ, কমাৰকুছি আদিৰ প্ৰাইমাৰী স্কুলত প্ৰধান শিক্ষক হিচাপে কাম কৰি তাৰ মাজেদি মহাত্মা গান্ধীৰ গঠনমূলক কামৰ প্ৰচাৰ কাৰ্য চলাইছিল। ১৯১৯ চনত বৃটিছৰ চৰকাৰৰ তলত চাকৰি নকৰো বুলি শিক্ষকতা বৰ্জন কৰি নিজ গাঁৱত প্ৰাইমাৰী কংগ্ৰেছৰ এটি শাখা খোলে। ১৯২১ চনত দৰং জিলালৈ গৈ তাতো কংগ্ৰেছ অনুষ্ঠান পাতে। তাত কাম কৰি থাকোঁতে মেলেৰীয়া ৰোগৰ দ্বাৰা আক্ৰান্ত হৈ ১৯৩৭ চনত গুৱাহাটীৰ চিভিল হস্পিতালত তেখেতৰ মৃত্যু হয়। তেখেতৰ একমাত্ৰ পুত্ৰ শ্ৰীৰমেশ চন্দ্ৰ চৌধাৰী পিতৃৰ আদৰ্শ অনুসৰণ কৰি ১৯৪২-৪৫ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

শ্ৰীকান্ত ডেকা :

জাগ্ৰা। ১৯২১ চনৰ সক্ৰিয় কৰ্মী।

সোভাৰাম পাঠক :

মাখিবাহা, চিহু। ১৯২১ চনৰ আন্দোলনত যোগদান কৰিছিল।

সমীন্দ্ৰ চন্দ্ৰ দাস (বৰ্জো) :

কুলবিল। ১৯২১ চনত গ্ৰেপ্তাৰ হৈ ১৭।১২।২১ তাৰিখৰ পৰা ৩ মাহ সশ্ৰম কাৰাদণ্ড, আৰু ১৯৪২ চনৰ আন্দোলনত গ্ৰেপ্তাৰ হৈ ৩।৩।৪৩ তাৰিখৰ পৰা ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে।

সৰ্বেশ্বৰ তালুকদাৰ :

ক্ষুদ্ৰ শংকৰ। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অংশ গ্ৰহণ কৰে।

সিদ্ধেশ্বৰ গোস্বামী :

লখিমা, টিহু। ১৯৪২ চনত গ্ৰেপ্তাৰ হৈ ৩।১১।৪২ ৰ পৰা ৩।১২।৪২ তাৰিখলৈ ১ মাহ জেল খাটে।

সম্বিৰাম দাস (ওজা):

নলবাৰী অঞ্চলৰ প্ৰখ্যাত সুকনান্নি গোৰা ওজা আছিল। ওজা গাওঁতে 'গান্ধী ৰাজা'ৰ আদৰ্শ প্ৰচাৰ কৰি ৰাইজৰ পৰা ভূয়সী প্ৰশংসা লাভ কৰিছিল।

অখিত চন্দ্ৰ বৰ্মণ :

গামেৰীমুৰী। ৩।৩।৪৩ তাৰিখে গ্ৰেপ্তাৰ হৈ ৬ মাহ সশ্ৰম কাৰা-দণ্ড ভোগ কৰে।

সুমিত্ৰা হজুৰি :

পখিয়া চুবা, বাটহাটা গাঁও। বাপেক সুখীৰাম আৰু মাতৃ সুৱান। ৩য় মানত পঢ়ি থাকোতেই তেওঁ অমলপ্ৰভা দাসৰ সান্নিধ্যলৈ আহিছিল। প্ৰথমে বাঁহজানি কস্তুৰবা আশ্ৰমত সেৱিকাৰূপে যোগ দিয়ে। ১৯৫৩ চনত গুৱাহাটী ধাত্ৰী আৰু ধাই বিদ্যাৰ প্ৰশিক্ষণ লৈ গোলাঘাট, গুৱাহাটী, বৰহা আদিৰ আশ্ৰমত সেৱিকা ৰূপে সেৱা আগবঢ়ায় ১৯৬১ চনলৈ। ১৯৬১-৬২ চনত বিনোবাজীৰ লগত অসমত পদযাত্ৰা কৰি ফুৰে। তেওঁৰ জীৱন সেৱা আৰু আদৰ্শৰ জীৱন। তেওঁৰ মহান ত্যাগ সঁচাকৈয়ে অনুকৰণীয়।

সুৰ্যমল ডেকা :

জন্ম আঠেৰীঘাট চাহ বাগিছাত। পিতৃ ঠাই আছিল বাক্সা অঞ্চলৰ টুপুলীয়াত। বাক্সা অঞ্চলত কানি, ভাং আৰু ফটিকাৰ ভিকাচন মাৰিবলৈ তেওঁ দেহেকেহে খাটিছিল। '৪২ ৰ আন্দোলনত বাক্সা অঞ্চলত কংগ্ৰেছৰ শিবিৰ আছিল সুৰ্যমল ডেকা আৰু ৰবি ডেকাৰ ঘৰখন। তেওঁ আছিল আচল সত্যাগ্ৰহী। ১৯৪২ চনত ওদলাৰ আৰক্ষী

বাহৰ পোৰা অপৰাধত সূৰ্যমল ডেকাকো গ্ৰেপ্তাৰ কৰিবলৈ আৰক্ষী বিষয়া আহিছিল। কিন্তু তেওঁ আছিল নিৰপৰাধী। ১৯৪৮ চনত লোকেল বোৰ্ডৰ নিৰ্বাচনত তেওঁ প্ৰতিদ্বন্দ্বিতা কৰি ছয় বছৰ কাল ইয়াৰ সদস্য আছিল। ১৯৬১-৬৬ চনলৈ মধ্যম বাস্কাৰ মৌজাদাৰ পদত অধিষ্ঠিত হৈছিল। তেওঁ আছিল এগৰাকী প্ৰকৃত গান্ধীবাদী লোক।

সুৰেন্দ্ৰমোহন মালাকৰ ঃ

বেলশৰ। পিতৃ ৰত্ন মালাকৰ। ৬ মাহ সশ্ৰম কাৰাদণ্ড ভোগ কৰে। '৪২ ৰ সক্ৰিয় কৰ্মী আছিল।

হৰেশ্বৰ বৰ্মন ঃ

শোলমাৰা, পিপলিবাৰী। ১৩।১২।৪২ তাৰিখে গ্ৰেপ্তাৰ হয়।

হেমচন্দ্ৰ বৰ্মন ঃ

নামদোৰা। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগদান কৰে। ৪।১২।৩০ তাৰিখে ৰঙিয়া বজাৰত আৰু ১৯৩২ চনত নলবাৰী বজাৰতো পিকেটিং কৰে। ১১।২।৩২ তাৰিখে জেললৈ গৈ ৩ মাহ সশ্ৰম কাৰাদণ্ড ভোগে আৰু ১০০ টকা জৰিমনা অনাদায়ে অধিক ৬ সপ্তাহ জেল খাটে।

বৃহত্তৰ নলবাৰী অঞ্চলৰ প্ৰত্যক্ষ নাইবা পৰোক্ষভাৱে স্বাধীনতা আন্দোলন, সমাজ সংগঠন আদি কাৰ্যত একনিষ্ঠভাৱে জড়িত থকা, বৃটিছ চৰকাৰৰ হাতত নিৰ্যাতিত হোৱা মুক্তি যুঁজাৰুসকলৰ বিতং তথ্যপাতিৰ অভাৱত মাথোঁ নামবোৰ উল্লেখ কৰা হ'ল। প্ৰাপ্ত তালিকাৰ পৰা সিসকল প্ৰয়াত নে জীৱিত জনাৰ উপায় নাই। গতিকে দুই চাৰিজন জীৱিত মুক্তি-যুঁজাৰুৰ নামো উল্লেখ থাকিব পাৰে। তাৰবাবে ক্ষমা কৰে যেন।

বিহু মেনেজাৰ, ওছমান গণি, ৰাধা মহন্ত, ৰাখাল কলিতা, গিৰিন চৌধুৰী, টিকেন্দ্ৰ চৌধুৰী, বিভূতি সৰকাৰ, জাম্বা বড়ো, নন্দেশ্বৰ তালুকদাৰ, তৰুণ গোস্বামী, শৰৎ তালুকদাৰ, উপেন ডেকা, কৃষ্ণ তালুকদাৰ, হৰমোহন হালৈ, সিদ্ধেশ্বৰ গোস্বামী, লোহিত শৰ্মা, সূৰ্যকান্ত গোস্বামী, দীপেন্দ্ৰ দেৱশৰ্মা, প্ৰসন্ন পাঠক, বীৰেন দাস, প্ৰমোদ দাস, পৰশুৰাম

নাথ, মঙ্গল চন্দ্ৰ বড়ো, মাগৰাম বড়ো, হলধৰ চক্ৰবৰ্ত্তী, বিশ্বনাথ শৰ্মা, জগবন্ধু তালুকদাৰ, সৰস্বতী মজুমদাৰ, জন্মি তালুকদাৰ, ঘনশ্যাম গোস্বামী, ভৈৰৱ শৰ্মা, পৰমানন্দ তালুকদাৰ, কুমুদ শৰ্মা, সতীশ চক্ৰবৰ্ত্তী, কালীৰাম দাস, মহেন্দ্ৰ বৰ্মা, চন্দ্ৰধৰ বৰ্মন, উদয় গোস্বামী, কিৰণ কলিতা, গজেন গোস্বামী, সিদ্ধেশ্বৰ শৰ্মা, পাৰ্থ ভট্ট, চক্ৰ ভাগৱতী, দ্বিজেন বৰুৱা, প্ৰফুল্ল বৰুৱা, যতীন্দ্ৰমল্ল বুজৰবৰুৱা, গণেশ বৰুৱা, ৰমা শৰ্মা, ভৃগু তালুকদাৰ, বাসুদেৱ চক্ৰবৰ্ত্তী, বলীৰাম ৰাজবংশী, চক্ৰেশ্বৰ শৰ্মা, প্ৰসন্ন ডেকা, দুৰ্বন ডেকা, কৃষ্ণ ডেকা, ব্ৰজপতি শৰ্মা, লাঞ্চিত দাস, ঘনশ্যাম গোস্বামী, ৰামচন্দ্ৰ শৰ্মা, বংভদ্ৰ চক্ৰবৰ্ত্তী, ভৈৰৱ শৰ্মা, সৰ্বেশ্বৰ তালুকদাৰ, বিশ্বনাথ শৰ্মা, ৰামচৰণ তালুকদাৰ, ৰামচৰণ দাস, খগেন্দ্ৰ চক্ৰবৰ্ত্তী, কৃষ্ণ কলিতা, কন্দৰ্প দত্তবৰুৱা, পবিন শৰ্মা, গোলাপ শৰ্মা, জ্যোতিশ শৰ্মা, গোবিন্দ মিশ্ৰ, মানিক চন্দ্ৰ দাস, হৰিচন্দ্ৰ নাথ কলিতা, প্ৰেম পাটোৱাৰী, ধৰণীধৰ নাথ, চন্দ্ৰধৰ নাথ, বল গগৈ, পদ্মৰাম গগৈ, হৰমোহন কলিতা, ভোগী কলিতা, গণেশ চৌধুৰী, গজেন্দ্ৰ ডেকা, বনমালী ডেকা, গোলক ডেকা, অম্বিকা বৰ্মন, দ্বিপক্ষ তালুকদাৰ, ৰত্নেশ্বৰ শৰ্মা, শ্ৰীধৰ বৰ্মন, ওদো বৰ্মন গৌৰীদত্ত কটকী, ধৰ্মনাৰায়ণ তালুকদাৰ, কাশীৰাম হালৈ, কনক চন্দ্ৰ দাস, হাতেম আলি, আমিৰ আলি, প্ৰবীণ ডেকা, মোহন দাস, গোলোক নাৰায়ণ গোস্বামী, ত্ৰৈলোক্য শৰ্মা, দ্বাৰিকানাথ দাস, চক্ৰেশ্বৰ শৰ্মা, হেম বৰ্মা, তত্তুৰাম দাস, গোলোক গোস্বামী, হেম মজুমদাৰ, হৰমোহন শাস্ত্ৰী, মদলেছ আলি, বসন্ত দাস, ৰজনী গোস্বামী, প্ৰভাত (খোৰা) গোস্বামী, লোকনাথ ঠাকুৰীয়া, অন্নদা বৈশ্য, শিশুৰাম ডেকা, গোপাল দাস, খগেন পাঠক, নাৰায়ণ ভট্ট, ভৰত দাস, ৰঘু ঠাকুৰীয়া, মধু দাস, কেশৱ ডেকা, মহেশ মৰল, ভদ্ৰ চন্দ্ৰ ডেকা, নৰেন চৌধুৰী, হৃদয় তালুকদাৰ, মৌৰাম কলিতা, গো . ল তালুকদাৰ, ইউচুফ আলি, চফি আলি, যজ্ঞ দাস, পুৰাৰাম নমঃশূদ্ৰ, শুক্ত আলি, মহবৎ আলি, নিৰহু হালৈ, জালিট হালৈ, থিবসেন ডেকা, মুকুন্দ শৰ্মা, ধনী নাজিৰ, সুৰথ বৰ্মন, পুষ্প বৰ্মন, মণি বৰ্মন, অৰুণ তালুকদাৰ, কীৰ্তি নমঃশূদ্ৰ, নাৰায়ণ নমঃশূদ্ৰ, সমীন্দ্ৰ দাস, ললিত তালুকদাৰ, অৱনী বৰুৱা, ধনেশ্বৰ বৰ্মন, অতুল শইকীয়া, মদন দাস, হৰি চন্দ্ৰ ডেকা, তিতাসৰু কেওঁট, বাতিৰাম বড়ো, তৰুণচন্দ্ৰ বাগচী, মুকুন্দ বড়ো, খগেন কোঁৱৰ,

ধৈৰ্য কাকতি, কৃষ্ণ বৰুৱা, ৰজত দাস, ভৰত দাস, চন্দ্ৰকান্ত দাস, হৰিচন্দ্ৰ ভৰালী, গোলক দেউৰী, জয়কান্ত দাস, কাতিৰাম ৰাভা (কেন্দুগুৰি), হৰে ডেকা (মুছলপুৰ), কাতিৰাম ৰাভা (বৰখাল), কমলা ৰাভা, সপুত্ৰ পূৰ্ণচন্দ্ৰ দাস, কবিৰাম কোচ, পবিত্ৰ দাস, মথুৰা লহকৰ, নন্দ ৰাভা, খাতিৰাম দাস, খৰ্গ ৰাভা, ওখনা কোচ, ভন্দ ৰাভা, ৰাজা ৰাভা, শিশু ৰাভা, জনাৰ্দন শৰ্মা, চণ্ডীচৰণ দাস, যোগেন্দ্ৰ নাথ, মাধৱ দাস, তৈয়াব আলি কাজী।

বৰপেটা

গোলোক চন্দ্ৰ পাঠক :

এওঁৰ ঘৰ বৰপেটাৰ চেঙাত। ১৯২১ চনত স্কুল বৰ্জন কৰি গান্ধীজীৰ অসহযোগ আন্দোলনৰ এজন ভলণ্টিয়াৰ হয়। পিকেটিং কৰাৰ বাবে ৬ মাহ জেল হয়। জেলৰ পৰা মুক্ত হৈ বৰপেটা জিলা কংগ্ৰেছৰ সংগঠন আৰু খাদী প্ৰচাৰৰ কামত আত্মনিয়োগ কৰে।

১৯২৬ চনত পাণ্ডু কংগ্ৰেছৰ স্বেচ্ছাসেৱকৰ এজন নায়কৰ দায়িত্বত আছিল আৰু লগতে খাদী প্ৰদৰ্শনীৰ কৃষ্ণনাথ শৰ্মাৰ এজন প্ৰধান সহযোগী কৰ্মী হিচাপে কাম কৰিছিল। অসমৰ ভিতৰতে ১৯২৩ চনৰ পৰা ভাৰতবৰ্ষৰ বিভিন্ন প্ৰদেশত বহা কংগ্ৰেছ অধিবেশনত এওঁ যোগ দিছিল আৰু এই কংগ্ৰেছ অধিবেশনলৈ অহা-যোৱা খৰচ এণ্ডি চাদৰৰ থান কংগ্ৰেছ অধিবেশনলৈ যোৱা নেতাসকলৰ মাজত বিক্ৰি কৰি উলিয়াইছিল। দুই এজন ভলণ্টিয়াৰকো প্ৰায়ে এওঁ লগত লৈ গৈছিল।

১৯২৭ চনৰ পৰা প্ৰাদেশিক কংগ্ৰেছৰ সংগঠক হিচাপে গোটেই অসম ঘূৰি এওঁ সংগঠনৰ কাম কৰিছিল। ১৯৩০ চনৰ ২৬ জানুৱাৰীত গুৱাহাটীত জাতীয় পতাকা উত্তোলনৰ কাৰণে গাঁৱৰ পৰা ভলণ্টিয়াৰ সংগ্ৰহ কৰি অনা দায়িত্ব আৰু আনহাতে পতাকা উত্তোলনৰ ভাৰ এওঁৰ ওপৰতে পৰিছিল। ১৯৩০ চনত আইন অমান্য আন্দোলনত ৩ মাহ আৰু ১৯৩২ চনত ৬ মাহ জেল হয়। ১৯৩৬ চনত মহাত্মা গান্ধী হৰিজন কামত অসমলৈ আহোতে আৰু আনহাতে ১৯৩৭ চনত পণ্ডিত জৱাহৰলাল নেহৰু নিৰ্বাচনৰ প্ৰচাৰকাৰ্যত আহোতে লীলাধৰ বৰুৱা আৰু গোলোক চন্দ্ৰ পাঠক এই দুজনে এওঁলোক দুয়োৰে লগত প্ৰধান সহায়ক হিচাপে তেওঁলোকৰ লগত অসম ভ্ৰমণত আছিল।

১৯৩৮ চনত শ্বিলঙত আৰু ১৯৩৯ চনত গাৰো পাহাৰ জিলাত কংগ্ৰেছ সংগঠনৰ কাৰণে গোলোক পাঠকক পঠাইছিল। এওঁ দুয়োখন জিলাতে কংগ্ৰেছ কমিটি গঠন কৰিবলৈ সক্ষম হয়। ১৯৪১ চনত সত্যাগ্ৰহ কৰোতে ৬ মাহ জেল হয়। ১৯৪২ চনৰ গণ আন্দো-

লনৰ সময়ত সৰভোগৰ (চেলেনী) যুদ্ধৰ আকাশীযানৰ এৰোড্ৰম ধ্বংসকাৰ্যত ব্ৰজ শৰ্মাৰ অন্যতম এজন প্ৰধান সহায়ক আছিল গোলোক পাঠক। পলাতক হিচাপে কিছুদিন থাকি ১৯৪৩ চনত ধৰা পৰে আৰু বিচাৰত ১ বছৰ ৬ মাহ ফাটেক হয়। জেলৰ পৰা মুক্ত হৈ পলাতক কৰ্মী হিচাপে শঙ্কৰচন্দ্ৰ বৰুৱাৰ লগত কিছুদিন কাম কৰিছিল। এওঁ অসম কংগ্ৰেছৰ এজন প্ৰসিদ্ধ সংগঠক আছিল। দেশ স্বাধীন হোৱাত নিজৰ ব্যৱসায়ত লাগে। ১৯৭৭ চনত তেওঁৰ মৃত্যু হয়।

চিন্তাহৰণ পাটগিৰি ঃ

জন্ম ১৮৯২ চনত বজালীৰ বামাখাটা গাঁৱত। পিতৃ কাশীনাথ পাটগিৰি আৰু মাতৃ অমূল্যপ্ৰিয়া পাটগিৰি। শিক্ষাবিদ, সাহিত্যিক আৰু এজন জাতীয়তাবাদী পুৰুষ আছিল। গুৱাহাটীৰ কলেজিয়েট হাইস্কুল আৰু কটন কলেজৰ পৰা শিক্ষা সাং কৰি প্ৰথমতে ধুবুৰীত স্কুলসমূহৰ চাব ইন্সপেক্টৰ কামত অস্থায়ীভাৱে সোমায়। পিছত বৰপেটা মহকুমাৰ বৰনগৰৰ এখন মাইনৰ স্কুলৰ প্ৰধান শিক্ষকৰ কামত সোমায়, শেষত সৰভোগৰ উচ্চতৰ মাধ্যমিক স্কুলৰ অধ্যক্ষ পদৰ পৰা অৱসৰ লয়। বৰনগৰৰ স্থায়ী বাসিন্দা হৈ বৰনগৰ কংগ্ৰেছ সমিতিৰ সভাপতি নন্দমোহন মজুমদাৰৰ সহযোগী হৈ স্কুলৰ অধ্যক্ষ পদত থাকিও কংগ্ৰেছৰ সংগঠন কামত আছিল। মহেন্দ্ৰ মোহন চৌধুৰী, অক্ষয় কুমাৰ দাস, বামেশ্বৰ দাস প্ৰভৃতি তেতিয়াৰ নেতাসকলে পাটগিৰিৰ ঘৰতে মিটিং কৰি আন্দোলনৰ কাৰ্যপন্থা নিৰ্ণয় কৰিছিল। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত শান্তি সেনা গঠনৰ বাবে যি ইমাৰজেন্সি চাব কমিটি গঠন কৰা হৈছিল, কংগ্ৰেছৰ তৰফৰ পৰা তাত তেওঁ সম্পাদক আছিল। বৰনগৰৰ উত্তৰে জন-জাতীয় অঞ্চল কামাৰগাঁৱত 'গান্ধী সেৱাশ্ৰম' এখন প্ৰতিষ্ঠা হোৱাত তাত তেওঁ পৰিচালক সম্পাদক আছিল। তেখেত অসম সাহিত্য সভা আৰু কামৰূপ অনুসন্ধান সমিতিৰ আজীৱন সদস্য আছিল। সংসাৰ চিত্ৰ, প্ৰাচীন বৰনগৰ, মৰণ ৰমাদল, মাইকেল মধুসূদন দত্ত, ব্যাকৰণ শিক্ষা, হৰুৰ সাধুকথা, ৰবিনছন ক্ৰুছো, শ্ৰীমদ্ভাগৱতগীতা আদি তেখেতৰ ৰচিত গ্ৰন্থৰাজি। ইয়াৰ উপৰিও অসম সাহিত্য সভা

পত্ৰিকা, 'আৱাহন'ত বহুতো প্ৰবন্ধ প্ৰকাশ পাইছিল। ১৯৭৮ চনৰ ৩ চেপ্তেম্বৰত ৮৬ বছৰ বয়সত তেখেতৰ পৰলোকপ্ৰাপ্তি ঘটে।

প্ৰসন্নলাল চৌধুৰী :

১৮৯৮ চনত কামৰূপৰ পলাশবাৰীত চৌধুৰীৰ জন্ম হয়। পলাশবাৰীতে প্ৰাথমিক শিক্ষা শেষ কৰি ক্ৰমে কটন কলেজিয়েট, বৰপেটা চৰকাৰী হাইস্কুল আৰু যোৰহাটৰ বেজবৰুৱা হাইস্কুলত পঢ়ে। কলিকতাৰ চেন্টপল কলেজৰ পৰা বি, এ পাছ কৰে। ১৯১৯ চনতেই তেওঁ অসম কেশৰী অম্বিকাগিৰিৰ সান্নিধ্যলৈ আহিছিল। তেওঁ সন্ত্ৰাসবাদী দলতো যোগ দিছিল। তেওঁ ক্ৰমে আউনিআটী সত্ৰৰ হাইস্কুল, কামৰূপ একাডেমী, বজালী হাইস্কুল আদিত শিক্ষকতা কৰে। বৰপেটা বিদ্যাপীঠৰ তেওঁ আছিল প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক। সংগ্ৰামী বীৰ বিপ্লৱী প্ৰসন্নলাল চৌধুৰীয়ে ডেকাকালত দেশ স্বাধীন কৰা কামত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ চাইকেলত উঠি ফুৰিছিল। অম্বিকাগিৰী সম্পাদিত 'চেতনা'ত অনেক দেশপ্ৰেমমূলক কবিতা প্ৰবন্ধাদি লিখিছিল। তেওঁৰ কবিতাত আকৰ্ষিত হৈ জ্যোতিপ্ৰসাদে 'বিদ্ৰোহী কবি প্ৰসন্নলাল' বুলি কৈছিল। সবল আৰু উদণ্ড স্বভাৱৰ কাৰণে বিহগী কবি ৰঘুনাথ চৌধাৰীয়ে 'প্ৰচণ্ড লাল' বুলি মাতিছিল। বৰপেটা বিদ্যাপীঠৰ পৰা ১৯৬৫ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। ১৯৬৭ চনত তেওঁ লোকসভাত সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। ইয়াৰ পাছত 'জীৱনলতা ছোৱালী হাইস্কুল' স্থাপন কৰে আৰু ১৯৭১ চনত গোমূৰা বিদ্যা নিকেতন স্থাপন কৰি ১৯৭৩ চনলৈ কাম কৰি কৰ্ম জীৱনৰ সামৰণি মাৰে। ১৯৭৮ চনৰ তেওঁ গোলাঘাটত হোৱা অসম সাহিত্য সভাৰ হীৰক জয়ন্তী সন্মিলনৰ সভাপতিৰ আসন অলংকৃত কৰিছিল।

ভাবিৰাম চৌধুৰী :

ৰবৰাং, পাঠশালা। জন্ম ১৮৯০, মৃত্যু ১৯৬১ চন। পিতৃ মহিৰাম চৌধুৰী। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে, গ্ৰেপ্তাৰ বৰণ কৰি কাৰাগাৰত নোসোমাবলৈ আত্মগোপন কৰি অশেষ নিৰ্যাতন ভোগ কৰি আন্দোলন জীয়াই ৰখাত সহায় কৰিছিল।

প্ৰাণেশ্বৰ তালুকদাৰ :

বৰসাদেৱী, বজালী। জন্ম ১৮৯২, মৃত্যু ১৯৭৭। পিতৃ দয়াৰাম তালুকদাৰ। গান্ধীবাদী আদৰ্শৰ কংগ্ৰেছ কৰ্মী আছিল। ১৯৪১ চনত ব্যক্তিগত সত্যাগ্ৰহ কৰিছিল আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

হৰমোহন ৰায় :

দৈ শিঙৰি, বজালী। জন্ম ১৯৪১, মৃত্যু ১৯৮৮ চন। পিতৃ শম্ভুৰাম ৰায়। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

চন্দ্ৰকান্ত সিংহ :

দৈ শিঙৰী, বজালী। জন্ম ১৯১২, মৃত্যু ১৯৮৭ চন। ১৯৪২ চনৰ গণ আন্দোলনত পুলিচৰ হাতত নিৰ্যাতিত হৈছিল।

যোগেন বসুমতাৰী :

কৰুৱাবাৰী, বজালী। জন্ম ১৯০৪, মৃত্যু ১৯৮১ চন। ১৯৪১ চনত ব্যক্তিগত সত্যাগ্ৰহ কৰিছিল আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰাগাৰত নোসোমাই আত্মগোপন কৰি আন্দোলন জীয়াই ৰাখিছিল।

মনমোহিনী দত্ত :

ৰতনপুৰ, বজালী। স্বামী সৰ্বানন্দ দত্ত। ১৯৪২ চনৰ আন্দোলনত মহিলা সংগঠনত অগ্ৰণী ভূমিকা লয়। ২৫।৯।৪৩ তাৰিখে পাটাছাৰকুচি পুলিচ থানা অৱৰোধ কাৰ্যত মহিলা স্বেচ্ছাসেৱিকাৰ নেতৃত্ব দিছিল।

মধুসূদন দাস :

১৯০৬ চনৰ ১২ ফেব্ৰুৱাৰীত বৰপেটাৰ সুন্দৰদিয়াত জন্ম গ্ৰহণ কৰে। কলিকতাৰ পৰা আইনত স্নাতক হৈ দাসে বৰপেটা কোৰ্টত ওকালতি আৰম্ভ কৰে। তেওঁ ১৯২২ চনত কংগ্ৰেছ যোগ দিয়ে আৰু ১৯৩৫ চনৰ পৰা সক্ৰিয় অংশ লয়। বৰপেটা আঞ্চলিক কংগ্ৰেছ কমিটিত তেওঁ ১৬ বছৰ ধৰি সচিব হৈ আছিল আৰু ১৯৩৮-ৰ পৰা ১৯৪৫ লৈ বৰপেটা লোকেল বোৰ্ডৰ সভাপতি আছিল। নীতিগত

পাৰ্থক্যৰ বাবে তেওঁ ১৯৫১ চনত কংগ্ৰেছ ত্যাগ কৰে আৰু কিষাণ মজদুৰ প্ৰজা পাৰ্টিত যোগ দিয়ে কিন্তু ১৯৬৪ চনত পুনৰ কংগ্ৰেছলৈ উভতি আহে। 'ভাৰতত্যাগ' আন্দোলনত তেওঁক নিৰাপত্তা বন্দী হিচাপে ৰখা হৈছিল। তেওঁ ১৯৬২ চনত ৰাজ্যিক বিধান সভালৈ নিৰ্বাচিত হয় আৰু নিজ গুণৰ বলত কম দিনৰ ভিতৰতে সংসদলৈ নিৰ্বাচিত হয়। তেওঁ ১৯৩১ চনত এ, এছ, এল ক্লাবৰ সভাপতিও আছিল। তেখেত ১৯৬৪ চনৰ ২০ নবেম্বৰত স্বৰ্গী হয়। ওৰে জীৱন বৈষ্ণৱ ধৰ্ম আৰু সংস্কৃতিৰ উন্নতিৰ কাৰণে তেওঁ চেষ্টা কৰিছিল।

তাৰক চন্দ্ৰ দাস :

ভালুকী, চিহ। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত উল্লেখযোগ্য ভূমিকা লৈছিল।

বৰপেটা জিলাৰ বৃহত্তৰ বজালী অঞ্চলৰ মুক্তিযুঁজাৰুসকল :

চন্দ্ৰকান্ত সিংহ :

দৈ শিঙৰী, অকয়া। জন্ম ১৮৭২, মৃত্যু ১৯৬৮ চন। পিতৃ সভাৰাম সিংহ। আইন অমান্য, ব্যক্তিগত সত্যাগ্ৰহ আৰু গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি পুলিচৰ হাতত নিৰ্যাতিত হয়।

ৰত্নেশ্বৰ ঠাকুৰীয়া :

শিঙিমাৰী, ওদালগুৰি। জন্ম ১৯১৪, মৃত্যু ১৯৮১ চন। পিতৃ গুণাৰাম ঠাকুৰীয়া। গণ আন্দোলনত পুলিচৰ হাতত গ্ৰেপ্তাৰ হয় আৰু মাৰ-ধৰ খায়।

মহিপতি দেৱশৰ্মা :

দৈশিঙৰী, অকয়া। জন্ম ১৮৯৫, মৃত্যু ১৯৭৩ চন। পিতৃ ভোলা-নাথ দেৱশৰ্মা। আইন অমান্য, সত্যাগ্ৰহ আৰু গণ আন্দোলনত অংশ লয় আৰু পুলিচৰ অত্যাচাৰ ভোগে।

কালীচৰণ দত্ত :

পাঠশালা। জন্ম ১৮৮৭, মৃত্যু ১৯৬৩ চন। পিতৃ নোমল (হংস দত্ত), মাতৃ স্বৰস্বতী। গণ আন্দোলনত বিশেষ ভূমিকা লয় আৰু পুলিচৰ হাতত অশেষ অত্যাচাৰ ভোগে। মধ্য অসমীয়া স্কুলৰ শিক্ষক আছিল।

কমক চৌধুৰী :

বহাধৰ, বিৰকলা। জন্ম ১৯২৪, মৃত্যু ১৯৭৩ চন। পিতৃ নৱনাথ চৌধুৰী, মাতৃ মায়া চৌধুৰী। গণ আন্দোলনত পুলিচৰ হাতত মাৰ-ধৰ খায়।

নৰেশ্বৰ দাস দৰ্জি :

পাঠশালা। জন্ম ১৯১০, মৃত্যু ১৯৮৩ চন। পিতৃ ফটিক দাস, মাতৃ পূণিমা দাস। গণ আন্দোলনত বিশেষ ভূমিকা লয়। বৃটিছৰ সমৰ প্ৰচেষ্টা বাধাদানত অংশ লয়। দৰ্জি কাম কৰিছিল।

ৰামোৰাম বড়ো :

গড়গাঁও। জন্ম ১৯০৪, মৃত্যু ১৯৮৬ চন। পিতৃ পাখীৰাম বড়ো। গণ আন্দোলনত সক্ৰিয় অংশ লয়।

বৈকুণ্ঠ শৰ্মা :

মুগুৰীয়া, ভাগৱতী। জন্ম ১৯২৫, মৃত্যু ১৯৭৫ চন। পিতৃ মুকুন্দ শৰ্মা, মাতৃ বসুমতী শৰ্মা। গণ আন্দোলনত সক্ৰিয় অংশ লৈছিল।

গঙ্গাধৰ শৰ্মা :

মুগুৰীয়া, ভাগৱতী। জন্ম ১৯২৪, মৃত্যু ১৯৭০ চন। পিতৃ দেবেন্দ্ৰ শৰ্মা। গণ আন্দোলনত সক্ৰিয় অংশ লৈছিল।

ৰত্নকান্ত তালুকদাৰ :

পাঠশালা। জন্ম ১৯০১, মৃত্যু ১৯৮২ চন। পিতৃ ৰাতিৰাম তালুকদাৰ। মেট্ৰিক পাছ কৰি আইন অমান্য আন্দোলনত জপিয়াই পৰে। বিয়াল্লিছৰ আন্দোলনত বিশেষ ভূমিকা লয়। এজন প্ৰসিদ্ধ শিল্পী আছিল।

কালীদাস খাটনিয়াৰ :

কালজিৰাপাৰা। জন্ম ১৮৯৮, মৃত্যু ১৯৮৩ চন। পিতৃ ৰামচৰণ খাটনিয়াৰ। আইন অমান্য, সত্যাগ্ৰহ আৰু বিয়াল্লিছৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। এজন সাহিত্যিক পেঞ্চনাৰ আছিল।

ভাৰত চন্দ্ৰ গোস্বামী :

কালজিৰাপাৰা। জন্ম ১৯১০, মৃত্যু ১৯৪৪ চন। পিতৃ কাশীচন্দ্ৰ গোস্বামী। বিয়াল্লিছৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

অশোক চন্দ্ৰ দাস :

গোবিন্দপুৰ। জন্ম ১৯০৯, মৃত্যু ১৯৮১ চন। এজন শিক্ষক আছিল। আইন অমান্য আৰু বিয়াল্লিছৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

ৰজনীকান্ত শৰ্মা :

মুগুৰীয়া। জন্ম ১৯১৭ চন, মৃত্যু ১৯৭৩ চন। পিতৃ ধনেশ্বৰ শৰ্মা, মাতৃ ৰত্নেশ্বৰী শৰ্মা। বিয়াল্লিছৰ আন্দোলনত পুলিচৰ হাতত নিষ্পেষিত হয়।

হাঁহিৰাম দাস :

ভুমৰীয়া। জন্ম ১৮৯৮, মৃত্যু ১৯৫৯ চন। পিতৃ খেদোৰাম দাস, মাতৃ ফাগুনী দাস। '৪২ৰ আন্দোলনত পুলিচৰ হাতত নিৰ্যাতিত হয়।

দয়াৰাম দাস :

ভুমৰীয়া। জন্ম ১৮৯৬, মৃত্যু ১৯৪৬ চন। পিতৃ খেদোৰাম দাস, মাতৃ ফাগুনী দাস। '৪২ ৰ আন্দোলনত পুলিচৰ দ্বাৰা নিৰ্যাতিত হৈছিল।

কন্দৰ্প দাস, (দৰ্জি) :

ভুমৰীয়া। জন্ম ১৯২২, মৃত্যু ১৯৮১ চন। পিতৃ গুণ দাস, মাতৃ পুনে দাস। এখেতে দৰ্জি কাম কৰিছিল। বিয়াল্লিছৰ আন্দোলনত পুলিচৰ হাতত নিৰ্যাতিত হয়।

শিৱনাথ শৰ্মা :

আমদহ। জন্ম ১৯৩৬, মৃত্যু ১৯৬০ চন। পিতৃ বংশী শৰ্মা, মাতৃ ৰামেশ্বৰী শৰ্মা। '৪২ ৰ আন্দোলনত পুলিচৰ হাতত নিৰ্যাতিত হৈছিল।

গোপাল দাস :

ভোগপুৰ। জন্ম ১৯১৪, মৃত্যু ১৯৮৩ চন। পিতৃ কাতিয়া দাস। ২৫।৯।৪২ তাৰিখে বিহাবাৰীত পুলিচৰ গুলী খায়।

নগেন শৰ্মা :

বৰভাগ। জন্ম ১৯১৮, মৃত্যু ১৯৫১ চন। স্নাতক শৰ্মাই বিয়াল্লিছৰ আন্দোলনত যোগ দি নিৰ্যাতন ভোগ কৰে।

ৰজনীকান্ত যুদৈ :

মাজৰহাটী, বৰপেটা। জন্ম ১৯২৪, মৃত্যু ১৯৭২ চন। পিতৃ আনন্দি মুদৈ। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

ৰাধামোহন দাস :

গলিয়াহাটী। পিতৃ উমেশ চন্দ্ৰ ব্ৰহ্মচাৰী (দাস)। ১৯২১ চনৰ আন্দোলনত জুলি এৰে।

ভদ্ৰকধৰ ডেকা :

গলিয়াহাটী, বৰপেটা। পিতৃ হৰমোহন ডেকা। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে।

ধৰ্মকান্ত বায়ন :

নহাটী। পিতৃ ৰমাকান্ত বায়ন। ১৯৩০ চনত আন্দোলনত যোগদান কৰি স্কুল এৰে।

চন্দ্ৰকান্ত দাস :

অফলী। এজন সক্ৰিয় কৰ্মী আছিল।

গোৱালপাৰা

শৈলেন্দ্ৰ কান্ত বসু :

১৯১৮ চনত গোৱালপাৰাৰ লক্ষ্মীপুৰত জন্ম। পিতৃ নিশিকান্ত বসু। তেখেত 'পোলানবাবু' নামে সকলোৰে মাজত পৰিচিত আছিল। ১৯৯০ চনৰ এপ্ৰিল মাহত মৃত্যু হয়। ভাৰতৰ স্বাধীনতা আন্দোলনত সক্ৰিয়ভাৱে জড়িত আছিল। ১৯৩৭ চনত ভাৰতীয় জাতীয় কংগ্ৰেছত যোগ দি ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত চৰকাৰৰ ১৪৪ ধাৰা আইন ভঙ্গ কৰি সশস্ত্ৰ বিপ্লৱীৰ ভূমিকা লয়। পোলানবাবু, গোপীনাথ বৰদলৈ, তৰুণৰাম ফুকন, নেতাজী সুভাষ চন্দ্ৰ, মহেন্দ্ৰ মোহন চৌধুৰী, বিমলাপ্ৰসাদ চলিহা আদিৰ দ্বাৰা বিশেষ আস্থাভাজন হৈ লক্ষ্মীপুৰ-গোৱালপাৰা অঞ্চলত আন্দোলন সক্ৰিয় কৰি ৰাখিছিল। তেখেতে কোনোদিনে ৰাজনৈতিক ক্ষমতাৰ প্ৰতি লোভ কৰা নাছিল আনকি দেশৰ কাৰণে কৰা নিঃস্বাৰ্থ ত্যাগৰ স্বীকৃতি স্বৰূপে চৰকাৰে প্ৰদান কৰা ৰাজনৈতিক পেঞ্চন, তাম্ৰপত্ৰও আদিও প্ৰত্যাখ্যান কৰিছিল। তেখেত এজন প্ৰসিদ্ধ খেলুৱৈ আছিল আৰু সংসাৰবান্ধোনত নোসোমাই দেশৰ আৰু ৰাইজৰ সেৱা কৰি গৈছিল।

শিৱসাগৰ জিলা
(পৰিশিষ্ট তালিকাৰ বিষয়ে)

শিৱসাগৰ জিলাৰ প্ৰয়াত মুক্তি-যুঁজাৰুসকলৰ তালিকা প্ৰস্তুত কৰাৰ অৰ্থে মৌজাই প্ৰতি এজন বা দুজনক দায়িত্ব দিয়া হৈছিল। উক্ত ভাৰপ্ৰাপ্ত কৰ্মীসকলৰ তালিকাৰ ওপৰত জিলা সন্মিলনে এখন তালিকা পঠায়। আনহাতে নাজিৰা আদি কিছু অঞ্চলত আঞ্চলিক কমিটি বহি একোখন নামৰ তালিকা পঠায়। জিলা সন্মিলন আৰু আঞ্চলিকভাবে পঠোৱা তালিকাতে কিছু সংখ্যকৰ কেৱল নামটো লিখিছিল, বিতং বিবৰণ পোৱাই নগ'ল। কাৰো কাৰো পুত্ৰ আৰু পৰিয়ালৰ মানুহক লগ ধৰিও বিশেষ তথ্য পাতি পোৱা নহ'ল। ইয়াৰ সৰহ সংখ্যক হৈছে ১৯২১ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰা আৰু আজীৱন কংগ্ৰেছতে থকা লোক। কিছুমানে আকৌ ১৯২১ চন বা ১৯৩০/৩২ চন বা ১৯৪২ চনৰ কোনো এটা আন্দোলনত অংশ গ্ৰহণ কৰি, পাছত কংগ্ৰেছ ত্যাগ কৰি সাম্প্ৰদায়িক অনুষ্ঠান বা নিজস্ব ব্যৱসায় আদিত লাগি পৰে। কিছু সংখ্যকৰ নাম মূল তালিকাত পৰে বা তালিকা প্ৰস্তুত কৰাৰ সময়ত জীৱিত আছিল। সৰহ সংখ্যক সক্ৰিয়ভাবে ১৯৪২ চনৰ আন্দোলনত অংশ গ্ৰহণ কৰা।

ভুলক্ৰমে দুই-চাৰি হয়তো জীৱিত বা অবাঞ্ছিত লোকৰ নাম সোমাই যাব পাৰে। কাৰণ বহু সংখ্যক জীৱিত লোকে নিজৰ নাম ভুক্ত কৰিবৰ কাৰণে ভুল কৰি নাম পঠাই দিছিল। গতিকে তাৰ ভিতৰৰ দুই চাৰিৰ নাম সোমাই যাব পাৰে, তাৰবাবে আমি দুঃখিত। অন্য জিলাৰ ক্ষেত্ৰতো এনে ধৰণৰ ঘটনা হয়তো হৈছে ঠিক ওপৰত উল্লেখ কৰা ধৰণেই।

অশ্বিনী বৰুৱা :

১৯২১ চনত শিৱসাগৰ নগৰত জন্ম। পিতৃ তুলসী কুমাৰ বৰুৱা। ১৯৪২ চনৰ আন্দোলনত গুপ্তভাৱে অংশ গ্ৰহণ কৰা বাবে তেওঁক স্পেচিয়েল পুলিচ নিয়োগ কৰিছিল যদিও অমান্তি হৈ ৩ মাহ জেলটেক খাটে। বি, এ পাছ কৰি এছ-ডি-চি হয়। ১৯৭৮ চনত তেওঁৰ মৃত্যু হয়।

অম্বেশ্বৰ বৰুৱা ঃ

নগাঁও, বকতা মৌজা। পিতৃ শুকেশ্বৰ বৰুৱা। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৯৪২-৪৩ চনত ৬ মাহ জেল খাটে। মুক্ত হৈ গুপ্তভাৱে বিভিন্ন ধ্বংসাত্মক কামত লিপ্ত হয়।

অম্বেশ্বৰ ভূঞা ঃ

দিহিঙ্গীয়াগাঁও, বকতা মৌজা। ১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। খদী কামত আত্মনিয়োগ কৰে।

অশ্বেশ্বৰ বৰুৱা ঃ বকতা মৌজা।

অযোধ্যা বুঢ়াগোহাঁই ঃ

ৰামগোহাঁই গাঁও, বকতা মৌজা।

আইমলা বুঢ়াগোহাঁই ঃ জৰক্ৰাটিং, কোঁৱৰগাঁও।

ইন্দ্ৰেশ্বৰ গগৈ ঃ বকতা মৌজা।

ইন্দ্ৰেশ্বৰ চুতীয়া ঃ

শিৱসাগৰৰ কঁহাৰ গাঁৱত ১৮৯২ চনত জন্ম। পিতৃ থগীৰাম বৰকঁহাৰ। ১৯২০ চনত কটন কলেজৰ পৰা আই-এ পাছ কৰে। ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিয়ে। আজীৱন কংগ্ৰেছী চুতীয়াই বহুতো গঠনমূলক কামত জড়িত আছিল। ১৯৭৭ চনত তেওঁৰ মৃত্যু হয়।

এলাগি ফুকন ঃ পাটসাকো।

উপেন্দ্ৰ নাথ শৰ্মা ঃ

নাজিৰা। জন্ম ১৯২১, মৃত্যু ১৯৮৮ চন। পিতৃ কেশনাথ শৰ্মা, মাতৃ জয়দা শৰ্মা। ৪২ ৰ সক্ৰিয় কৰ্মী আছিল।

উষাৰঞ্জন দাস ঃ

১৯৩২ চনত আইন অমান্য আন্দোলনত যোগ দিছিল আৰু চিটাগং অস্ত্ৰাগাৰ লুণ্ঠন অভিযোগত ৬ মাহ কাৰাদণ্ড হৈছিল। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী।

উমাকান্ত দুৱৰা ঃ চাৰিং, দুৱৰাপাৰ।

উমাকান্ত বৰা ঃ ৰবিপিল্লজি।

কমলেশ্বৰ পাঁচনী ঃ

শিৱসাগৰ দেৱগাঁৱত ১৯১৪ চনত জন্ম। পিতৃ জীউৰাম পাঁচনীয়ে জীৱিকাৰ তাড়নাত উত্তৰ পাৰৰ নাৰায়ণপুৰলৈ গুচি আহি শাওন কুচিত আত্মীয়ৰ ঘৰত আশ্ৰয় লয়। পিছত তাঁতিবাহৰৰ দেৰগঞ্জা গাঁৱত স্থায়ীভাৱে বসতি কৰে। দুৱৰ স্কুলত শিক্ষা জীৱনৰ পাতনি মেলি আৰ্থিক দুৰৱস্থাৰ বাবে পাঁচনীয়ে মজলীয়া স্কুলৰ জীৱনতে শিক্ষা সমাপ্ত কৰে। ইয়াৰ পাছতে তেওঁ কংগ্ৰেছত অংশ গ্ৰহণ কৰি দেশৰ মুক্তি সংগ্ৰামত জপিয়াই পৰে। ১৯৪২ চনত সেৱাদলত যোগ দিয়ে। ১৯৪৩ চনত কাৰাবাসলৈ যায়। জেলত থকা সময়ত জ্যেষ্ঠ ভ্ৰাতৃ আৰু মাকৰ মৃত্যু হয়। জেলৰ পৰা অহাৰ পাছত পিতৃ বিয়োগ হয়। ১৯৪৪ চনত জ্ঞানেশ্বৰীৰ লগত তেওঁৰ বিবাহ হয়। দেশৰ অইন সহস্ৰ জনৰ দৰে কমলেশ্বৰ পাঁচনীৰো আৰ্থিক দুৰৱস্থা পানীত হাঁহ নচৰাৰ দৰে হ'ল। চাৰি-পাঁচটা ল'ৰা ছোৱালীৰে সৈতে পৰিয়ালটো পোহ পালনত যথেষ্ট দুৰ্দশাৰ সন্মুখীন হয়। আজীৱন দুঃখ-কষ্টৰ মাজেৰে জীৱন অতিবাহিত কৰা কমলেশ্বৰ পাঁচনীৰ শৰীৰ পৰি আহিল। ১৯৮২ চনৰ নৱেম্বৰ মাহত এইজন দেশকৰ্মীৰ মৃত্যু হয়।

কনকা দেৱী ঃ

পিতৃ হেমধৰ শৰ্মা। এগৰাকী কংগ্ৰেছৰ সমৰ্থক আছিল। সূতাকটা আদি কামত আগভাগ লৈছিল।

কমলা বৰুৱা ঃ

শলগুৰি। ১৯২১ চনৰ আন্দোলনত স্কুল বৰ্জন কৰে।

কনক চন্দ্ৰ চেতীয়া ঃ মেচাগড়, জোকতলি মৌজা

কনক চন্দ্ৰ বৰগোহাঁই ঃ বকতা মৌজা।

কনক বৰুৱা ঃ জাপিসজীয়া, বকতা মৌজা।

কলেশ্বৰ গগৈ ঃ নাওশলীয়া।

কণ্ঠিৰাম দিহিঙ্গীয়া ঃ দিহিঙ্গীয়া গাঁও।

কমল মেহ ঃ

পিতৃ ভাবৰীয়া মেহ। ১৯৪২ চনত ৬ মাহ জেল খাটে।

কাশিনাথ গায়ন ঃ

১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয়ভাবে সহযোগ কৰিছিল।

কালিয়া দিহিঙ্গীয়া ঃ

দিহিঙ্গীয়া গাঁও, বকতা মৌজা।

কালিনাথ বড়া ঃ

দুটীয়া কাটনি গাঁও।

কেশৱ ফুকন ঃ

আখৈয়া গাঁও, কোঁৱৰপুৰ মৌজা।

কেশৰাম শইকীয়া ঃ

কাৰছোৰা। ১৯৪২ চনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দিছিল।

কেশদা বেজবৰুৱা ঃ

পিতৃ সদানন্দ বেজবৰুৱা।

কুলধৰ বৰুৱা ঃ

জাপিসজীয়া, বকতা মৌজা।

কুন্দেশ্বৰ দিহিঙ্গীয়া ঃ

দিহিঙ্গীয়া গাওঁ।

কুমুদ গগৈ ঃ

নামতি দল। ১৯৪২ চনৰ স্বাধীনতা যুঁজত অংশ গ্ৰহণ কৰা বাবে গ্ৰেপ্তাৰী পৰোৱানা জাৰি হোৱাত আত্মগোপন কৰি আছিল।

কন বৰা ঃ

দেওঘৰীয়া, দিখৌমুখ। ১৯২১ চনত কংগ্ৰেছ ভলণ্টিয়াৰ হয়। আজীৱন কংগ্ৰেছ কৰ্মী আৰু বিভিন্ন আন্দোলনত জড়িত আছিল। ১৯৪২ চনত পাটকাৰী জৰিমনা ভৰে।

কলিৰাম গগৈ ঃ

সুন্দৰ পুখুৰী। স্বাধীনতা আন্দোলনৰ এজন সক্ৰিয় কৰ্মী।

খৰ্গধৰ বৰুৱা ঃ

ওপৰ নাজিৰা। পিতৃ ইন্দিবৰ বৰুৱা। আন্দোলনৰ সক্ৰিয় কৰ্মী।

খগেন বৰবৰুৱা ঃ

দোপদৰ মৌজা। ৩৮ (১)(এ) (৫) অন্তৰীণ আইন ভঙ্গ কৰা অপৰাধত ১৫।১০।৪২ ত আটক কৰে। ১৫।১২।৪২ ৰ পৰা ৬ মাহ সশ্ৰম কাৰাদণ্ড হয়। ২৫।১১।৪২ ত নগাঁও কাৰাগাৰলৈ পঠিয়ায়। ১৯।৪।৪৩ ত মুক্তি পায়।

খৰ্গধৰ চুপীয়া ঃ

জৰক্ৰাটিং।

খগেশ্বৰ বৰা ঃ

দোপদৰ। ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনত ৬ মাহ কাৰাবাস হৈছিল।

খালৈ ফুকন ঃ

ককিলাচুক।

খাতী চেতীয়া ঃ

জৰক্ৰাটিং।

খুটুৰা চেতীয়া ঃ

জৰক্ৰাটিং।

গজেন্দ্ৰ নাথ বৰুৱা ঃ

নামতি। ১৯৩০—১৯৪২ চনত সক্ৰিয়ভাবে যোগ দিছিল।

গঙ্গাৰাম কোঁৱৰ :

বজিমৰা। ১৯৩২ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ স্বাধীনতা যুঁজৰ সক্ৰিয় কৰ্মী আছিল।

গণেশ ফুকন :

পাটসাকো।

গোলাপ চন্দ্ৰ ফুকন :

নিজ খালৈ ঘোগীয়া। ১৯৪২ চনৰ গণ আন্দোলনত চাকৰি এৰি কংগ্ৰেছ সংগঠন আৰু আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাত গ্ৰেপ্তাৰ হৈ জেলত থাকে। জেলৰ পৰা মুক্ত হৈ পলাতক কৰ্মী হিচাপে কাম কৰিছিল। ১৯৬১ চনত তেওঁৰ মৃত্যু হয়।

গোলাপ বৰুৱা :

মানখোৱাবাৰী।

গোপাল বেজবৰুৱা :

গোপী বৰগোহাঁই :

ৰামগোহাঁইগাঁও।

গুণ ফুকন :

জৰাবাৰী।

গুণকান্ত বৰুৱা :

ঘনকান্ত নাওহলীয়া :

নাওশলীয়া।

ঘনকান্ত কোঁৱৰ :

কোঁৱৰগাঁও।

ঘনকান্ত গোস্বামী :

নাজিৰা।

চেনিৰাম শইকীয়া ঃ

কাৰিগাঁও, কোঁৱৰপুৰ। ১৯২১ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ আছিল। পিছত প্ৰাথমিক কংগ্ৰেছৰ সভাপতি হয়। ১৯৩২ চনত ১৪৪ ধাৰা ভঙ্গ কৰাত গ্ৰেপ্তাৰ হয় পাছত এৰি দিয়ে। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পাইকাৰী জৰিমনা ভৰে।

চেনিৰাম হাজৰিকা ঃ

ধেশৰগাঁও। ১৯৪২ চনৰ স্বাধীনতা যুঁজত শিৱসাগৰ কাছাৰীত পতাকা উত্তোলন কৰা সমদলত যোগ দিয়াত পুলিচৰ মাৰ খাইছিল। গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল।

চুত্ৰা কৰ্মী ঃ

ফুলনিবাৰী। স্বাধীনতা যুঁজৰ সক্ৰিয় কৰ্মী।

চুকুৰা বৰুৱা ঃ

জাপিসজীয়া, বৰুতা।

ছিদা হাজৰিকা ঃ

চাবিং দুৱৰাপাৰ।

জগত গোহাঁই ঃ

জয়দা বৰপূজাৰী ঃ

নাজিৰা। স্বামী ভোলা বৰপূজাৰী।

জুবাই ঘৰা ঃ

দিছিয়াল-ধনেখোৱা, মৌজা জকাইচুক। ১৯২১ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। পাইকাৰী জৰিমনা ভৰে। কংগ্ৰেছৰ সংগঠন, গঠন-মূলক কামত আত্মনিয়োগ কৰিছিল। ১৯৩০-৩২ আৰু ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পুলিচে ঘৰ ক্ৰোক কৰি পাইকাৰী জৰিমনা আদায় কৰে। ১৯৫০ চনত মৃত্যু হয়।

জয়ৰাম গগৈ ঃ

ডিব্ৰুৱালগাঁও। ৪ (এ) (৫) (আই পি চি) ধাৰামতে ১৯।২।৪৪ত আটক কৰি ২০।২।৪৪ত মুক্তি দিয়ে।

জয়কৃষ্ণ দত্ত ঃ

শিৱসাগৰ টাউন। ১৯২১ চনত চাকৰি এৰি আন্দোলনত যোগ দিয়ে। আজীৱন এজন কংগ্ৰেছী আৰু কংগ্ৰেছৰ স্বাধীনতা আন্দোলনত সহযোগ কৰিছিল।

জীৱকান্ত বৰুৱা ঃ

পুৰণি চাংমাই। জন্ম ১।৬।১৯১৪, মৃত্যু ৮।১০।১৯৮৬ চন। ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লোৱাত ভাৰত প্ৰতিৰক্ষা আইনৰ ৩৮।১ ধাৰামতে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। ১৯৪২ চনৰ ডিচেম্বৰ মাহৰ পৰা ৩ বছৰ আত্মগোপন কৰিছিল।

জোনাৰাম দুৱৰা ঃ

কঁহাৰগাঁও। কংগ্ৰেছ সংগঠক, গঠনমূলক কামত আত্মনিয়োগ কৰিছিল। ১৯৪২ চনত শিৱসাগৰ কোৰ্টত পতাকা উত্তোলন কৰিবলৈ যোৱা সময়ত পুলিচৰ লাঠিৰ কোব খাই জখম হয়। আজীৱন কংগ্ৰেছ কৰ্মী আছিল।

টংকেশ্বৰ গোহাঁই ঃ

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ সক্ৰিয় কৰ্মী আছিল।

টংকেশ্বৰ নেওগ ঃ

শান্তিপুৰ, কোঁৱৰপুৰ, বামুনিগড়। ১৯২১ চনত কংগ্ৰেছৰ ভলন্টিয়াৰ হয়। কংগ্ৰেছৰ সকলো আন্দোলনতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

টংকেশ্বৰ মহন্ত ঃ

নাজিৰা, চকীমুখ। জন্ম ১৮৯২, মৃত্যু ১৯৩৫। পিতৃ হৰিপ্ৰসাদ মহন্ত, মাতৃ তিলেশ্বৰী মহন্ত। ১৯২১ চনৰ কৰ্মী।

টোপোলা চেতীয়া ঃ

জৰক্লাচিং, কোঁৱৰগাঁও।

টৈলিচৰণ গোহাঁই ঃ

সাপেখাতী। ১৯৩০ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। ১৯৩২ চনত ৬ মাহ জেল হয়। কংগ্ৰেছৰ সেৱাদলৰ নায়ক

আছিল। ১৯৪২ চনৰ গণ আন্দোলনত সক্ৰিয় অংশ লৈ শত্ৰুৰ বকৰা, ককণা গগৈৰ লগত ৰেল লাইন চ্যুত কৰা আদি কাৰ্য্য কৰে। দুখ-কষ্টত জীৱন যাপন কৰি ১৯৬০ চনত চিকিৎসাৰ অভাৱত মৃত্যু হয়।

ঠাম্বু দিহিঙীয়া ঃ

দিহিঙীয়া গাঁও।

ডম্বৰু হাতীমুৰীয়া ঃ

বলিয়াঘাটত ১৯১৩ চনত জন্ম হয়। পিতৃ ভোগৰাম হাতীমুৰীয়া। এওঁ ১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰি পিকেটিং কৰাত পুলিচে মাৰ-ধৰ কৰি খেদি পঠায়। ১৯৩২ চনত আইন অমান্য আন্দোলন আৰু গৌৰীসাগৰৰ কানি দোকানত পিকেটিং কৰাত ৬ মাহ জেল হয়। জেলৰ পৰা ওলাই বলিয়াঘাটৰ খাদী কামত আত্মনিয়োগ কৰে। ১৯৪০-৪১ চনত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত এজন সক্ৰিয় পলাতক কৰ্মী হিচাপে কাম কৰিছিল আৰু গৌৰীসাগৰৰ ডাকবঙলা, মিলিটেৰীৰ খেৰ অনা নাও আদিত জুই লগাই ধ্বংস কৰা এনে বিভিন্ন কামত লিপ্ত আছিল। দেশ স্বাধীন হোৱাৰ পাছত বিভিন্ন কামত আত্ম-নিয়োগ কৰে। শেষত ৰোগত আক্ৰান্ত হৈ ১৯৯০ চনত মৃত্যু বৰণ কৰে।

ডম্বৰু বৰুৱা ঃ

নামতি।

ডম্বৰুধৰ চুতীয়া ঃ

মথুৰাপুৰ, ভকতগাঁও।

ডিম্বেশ্বৰ কোঁৱৰ ঃ

কোঁৱৰগাঁও।

ডিম্বেশ্বৰ জুৰৰা ঃ

জৰাবাৰী।

তাৰিণী বেজবৰুৱা ঃ

স্বামী দেবেন বেজবৰুৱা। ১৯৪২ চনত জেল খাটে।

তিলক গগৈ ঃ

বাইলুং গাঁও। ১৯৪২ চনত গুপ্ত কৰ্মী আছিল। তৰুণ বৰুৱাৰ লগত ম'হকুটি বজাৰত পিকেটিং কৰোতে গ্ৰেপ্তাৰ হৈছিল। জেল হোৱা নাছিল।

তিতাৰাম ফুকন ঃ

জাপিসজীয়া, বকতা। ১৯৪২ চনৰ গুপ্ত কৰ্মী। ম'হকুঠি বজাৰত পিকেটিং কৰোতে গ্ৰেপ্তাৰ হৈছিল যদিও জেল হোৱা নাছিল।

তিলেশ্বৰ ৰাজকোঁৱৰ ঃ

লাকোৱা। কৰুণাকান্ত গগৈৰ নেতৃত্বত গুপ্ত কৰ্মী হিচাপে ৰেল লাইন চ্যুত, টেলিফোনৰ লাইন কটা আদি কামত সহযোগ কৰিছিল।

তুৰাপদ মহন্ত ঃ

পিতৃ সিন্ধুৰাম মহন্ত। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী।

তুৰাপদ বেজবৰুৱা ঃ

১৯৪২ চনৰ গণ আন্দোলনৰ সক্ৰিয় কৰ্মী।

তুৰেশ্বৰ চাংমাই, তেলীৰাম দিহিঙ্গীয়া ঃ মানখোৱাবাৰী।

থলৰাম চেতীয়া ঃ জৰব্লাটিং, কোঁৱৰগাঁও।

ধৰ্মেশ্বৰ গোস্বামী ঃ

মাদুৰী। ১৯২১ চনৰ পৰাই কংগ্ৰেছৰ কামত আত্মনিয়োগ কৰিছিল। সুন্দৰ মাদুৰী কংগ্ৰেছৰ সভাপতি আছিল। জেললৈ যোৱা নাছিল যদিও আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

দন্দি গগৈ ঃ

ভেৰৰ চুক। আন্দোলনৰ সক্ৰিয় কৰ্মী।

দীন কোঁৱৰ ঃ কোঁৱৰগাঁও।

দেবেন গগৈ ঃ

নামতি। ১৯৪২ চনৰ স্বাধীনতা যুঁজৰ সক্ৰিয় কৰ্মী।

দেবেন বৰুৱা ঃ

নামতি। ১৯৩০ চনত কানি নিবাৰণী আন্দোলনত যোগ দিয়া বাবে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল।

দেমুধৰ গগৈ ঃ

ধেপৰগাঁও। '৪২ৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল।

দুৰ্গা বৰঠাকুৰ ঃ

পিতৃ লোকনাথ বৰঠাকুৰ। আন্দোলনৰ সক্ৰিয় কৰ্মী।

ধনেশ্বৰ হাজৰীকা ঃ

মৃদঙ্গীয়াগাঁও। ১৯৪২ চনৰ স্বাধীনতা ৰণত শিৱসাগৰ কাছাৰীত জাতীয় পতাকা উত্তোলন কৰিবলৈ যোৱা সমদলত যোগ দিয়াত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। পুলিচৰ লাঠিৰ কোবত আঘাত পাইছিল।

ধৰ্মেশ্বৰ হাতীমুৰীয়া ঃ মানখোৱাবাৰী।

ধীতৰাম গগৈ ঃ আন্দোলনৰ এজন সক্ৰিয় কৰ্মী।

ধীৰেন্দ্ৰলাল বৰুৱা ঃ

খৈমদি পুখুৰী। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩০-৩২ আৰু ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। পাইকাৰী জৰিমনা, ঘৰ তালাচী আদি বিভিন্ন নিৰ্যাতন ভোগ কৰে। বহু বছৰ প্ৰাথমিক কংগ্ৰেছ সম্পাদক, সভাপতি আৰু জিলা কংগ্ৰেছ কমিটিৰ এজন সক্ৰিয় সদস্য আছিল। বায়ত সভা সংগঠন আৰু গঠনমূলক কামত জড়িত আছিল।

নগেন বৰগোহাঁই ঃ বামগোহাঁইগাঁও।

নটুৱা মুণ্ডা ঃ

পিতৃ মায়াৰাম মুণ্ডা (হাড়ুকিনা) ১৯৪২ চনত ৩ মাহ জেল হয়।

নবেন বৰুৱা ঃ

বৰুৱাহালি। ১৯৩০-৩২ চনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৩ মাহ জেল খাটে। বৰুৱাদলনিত স্কুল স্থাপন কৰে। প্ৰাথমিক কংগ্ৰেছৰ

সম্পাদক, জিলা কংগ্ৰেছ কমিটিৰ সক্ৰিয় সদস্য আৰু বিভিন্ন কামত জড়িত আছিল। ৰোগগ্ৰস্ত হৈ অকালতে মৃত্যু হয়।

নৰেন্দ্ৰনাথ গগৈ ঃ

বৰহাট। ১৯৩২ চনত ৬ মাহ জেল হয়।

নাৰায়ণ গগৈ ঃ

বলিমৰা। জন্ম ১৯০৬, মৃত্যু ১৯৫০ চন। ১৯৩০ চনৰ কানি নিবাৰণী আন্দোলন, ১৯৩২ চনৰ আইন অমান্য আন্দোলন, ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল।

নাথ হাজৰীকা ঃ

মৰঙি খনিকৰ। ১৯৪২ চনৰ স্বাধীনতা ৰণত অংশ গ্ৰহণ কৰাত, গ্ৰেপ্তাৰী পৰোৱানা জাৰি হৈছিল।

নিৰঞ্জন বৰা ঃ

মৰাবজীত ১৯১১ চনত জন্ম। পিতৃ কমলেশ্বৰ বৰা। ১৯২১ চনত ৰবাই কংগ্ৰেছ ভলণ্টিয়াৰ দলত ভৰ্তি হয়। ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰি ৩ মাহ ফাটেক খাটে। ১৯৪১ চনৰ সত্যাগ্ৰহতো ৩ মাহ ফাটেক খাটে। ১৯৪২ চনত পলাতক কৰ্মী হৈ থাকে। পাইকাৰী জৰিমনা অনাদায়ত চৰকাৰে ঘৰৰ বয়-বস্তু ক্ৰোক কৰে। ১৯৮৯ চনৰ ১৫ আগষ্টত মৃত্যু হয়।

নিত্যেন্দ্ৰনাথ গগৈ ঃ

নামতি। জন্ম ১৯১১, মৃত্যু ১৩।৯।১৯৮১ চন। ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লোৱাত আত্মগোপন কৰি আছিল।

নীলকান্ত বৰবৰুৱা ঃ

পিতৃ বলো বৰবৰুৱা। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী।

নীলধৰ বৰুৱা ঃ জাপিসজীয়া, বকতা মৌজা।

নোমল চন্দ্ৰ বুঢ়াগোহাঁই ঃ পুনোবিল, গোহাঁইগাঁও।

পদ্মেশ্বৰ ভাৰৰা ঃ হাতীবৰুৱাগাঁও।

পদ্মধৰ ফুকন ঃ (বকতা)।

পদ্মেশ্বৰ দিহিঙ্গীয়া ঃ (দিহিঙ্গীয়াগাঁও)

পটেশ্বৰী চেতীয়া ঃ জবৰুাটিং।

পাৰ্বতীনাথ কুকন ঃ নাজিৰা।

পিপিয়া দিহিঙ্গীয়া ঃ দিহিঙ্গীয়াগাঁও।

পীতাম্বৰ গগৈ ঃ

চেৰেকাপাৰ। ১৯২১ চনত বাগানৰ চাকৰি এৰি আন্দোলনত যোগ দিয়ে। ১৯৩৯ চনলৈকে কংগ্ৰেছৰ এজন সক্ৰিয় কৰ্মী আছিল। ১৯৩৮-৩৯ চনত কানি বন্ধ কৰাত, কানীয়াসকলৰ চিকিৎসা আৰু চোৰাং কানি বেপাৰী ধৰা আদি কামত আত্মনিয়োগ কৰে। ১৯৪০ চনত কংগ্ৰেছ ত্যাগ কৰে।

পীতাম্বৰ দিহিঙ্গীয়া ঃ দিহিঙ্গীয়া গাঁও।

পুৰাৰাম সৌকাধৰ ঃ

নতুন লোনপুৰীয়া। জন্ম ১৮৭৮, মৃত্যু ১৯৫৮ চন। ১৯২১ চনৰ অসহযোগ আন্দোলন আৰু ১৯৩০-৩২ চনত আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰে।

পুনাৰাম বৰুৱা ঃ (বকতা)।

পেচকৰ গগৈ ঃ জবৰুাটিং।

পকা চুটীয়া ঃ

ভটিয়াপাৰ। ১৯৩০ চনত স্কুল বৰ্জন কৰি আইন অমান্য আন্দোলনত যোগ দিয়ে। কানি দোকানত পিকেটিং কৰাত গ্ৰেপ্তাৰ হৈছিল কিন্তু হাজোতত ৰাখি এৰি দিয়ে। কংগ্ৰেছ সেৱাদলৰ এজন সক্ৰিয় সভ্য আছিল। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল। ১৯৪২ চনৰ গণ আন্দোলনত গৌৰীসাগৰ ডাকঘৰ আদিত অগ্নি সংযোগ কৰাৰ সন্দেহত পুলিচী গ্ৰেপ্তাৰী পৰোৱানা ওলোৱাত আত্মগোপন কৰি থাকে। ১৯৬০ চনত মৃত্যু হয়।

ফটিক চন্দ্ৰ কুকন ঃ

ভটিয়াপাৰাত ১৯১৭ চনত জন্ম। ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৪১ চনত

শিৱসাগৰত সত্যাগ্ৰহ কৰে আৰু সেই চনৰে উপ নিৰ্বাচনত কংগ্ৰেছৰ হৈ প্ৰচাৰকাৰ্য চলাওঁতে দুৰ্ঘটনাত মৃত্যু হয়।

ফণীধৰ শৰ্মা ঃ

ধেপৰগাঁও, মৰীয়াপুখুৰী। ১৯৩০-৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দিছিল। ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল।

ফিলিয়া বৰগোহাঁই ঃ

বামগোহাঁই গাঁও।

ফুলচন্দ কোঁৱৰ ঃ

এসেৰাকোঁৱৰ গাঁও।

বলোৰাম গগৈ ঃ

১৮৯৬ চনৰ পহিলা বহাগত দিচাংমুখৰ দীঘল দৰিয়নি গাঁৱত বলোৰাম গগৈৰ জন্ম হয়। পিতৃ গংগাধৰ গগৈ। ১৯২০ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰথম বিভাগত এণ্ট্ৰেন্স পৰীক্ষাত উত্তীৰ্ণ হয়। উচ্চ শিক্ষাৰ প্ৰতি থকা প্ৰবল ধাউতি বিসৰ্জন দি ১৯২১ চনৰ অসহযোগ আন্দোলনত জপিয়াই পৰে। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দি কেবামাহো কাৰাবৰণ কৰে। তেওঁ আছিল এজন প্ৰকৃত দেশপ্ৰেমিক, কংগ্ৰেছ কৰ্মী আৰু সাহসী সংগঠক। অসমৰ পিছপৰা জনজাতীয় সকলৰ উন্নতিৰ বাবে তেওঁ সেৱা আগবঢ়াইছিল। ১৯৩৬-৩৭ চনত চকুৰাখানাৰ মাটমৰা অঞ্চললৈ গৈ তেওঁ এম-ই স্কুল এখন স্থাপন কৰে। তেওঁৰ অন্তৰংগ বন্ধু বেথাৰাম পেগুৱে এই কাৰ্যত বিশেষ সহায় আগবঢ়াইছিল। তেওঁ আছিল এজন সংস্কৃতিবান ব্যক্তি। "সোণৰ সজাত ৰাখিম তোক মইনা, খোৱাম গাখীৰ ভাত" আদি সুন্দৰ গীত তেওঁৰ কাপৰ পৰা ওলাইছিল। আনহাতে গগৈয়ে ১৯৪৭-৪৮ চনত মধ্যপ্ৰদেশৰ ৱাৰ্দ্ধাত এবছৰীয়া বুনিয়াদী শিক্ষাৰ প্ৰশিক্ষণ গ্ৰহণ কৰে। মাটমৰা স্কুল স্থাপন কৰি প্ৰধান শিক্ষকৰ কাম কৰি ১৯৫০ চনৰ আহাৰ মাহত ইহলীলা সম্বৰণ কৰে।

বলোৰাম বৰুৱা ঃ

পিতৃ বিষ্ণু বৰুৱা। বাগানৰ কৰ্মচাৰী আছিল। প্ৰচাৰক আৰু উদ্গণি দিওঁতা।

বসন্ত বৰুৱা ঃ

নাজিৰা। আন্দোলনৰ সক্ৰিয় কৰ্মী।

বদন চন্দ্ৰ বৰুৱা ঃ

ভাৰত প্ৰতিৰক্ষা আইনৰ ১২৯ নং ধাৰামতে ১২।১।৪৩ তাৰিখে আটক কৰি ২৫।১।৪৩ তাৰিখে মুক্তি দিয়ে। পুনৰ ৬।৮।৪৩ তাৰিখে ৩৮ নং ধাৰামতে আটক কৰি ২৮।৮।৪৩ তাৰিখে মুক্তি দিয়ে।

বলো গোহাঁই ঃ

ৰঙাপুল। আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল।

বসন্ত চেতিয়া ঃ

জন্ম ১৮৯৪, মৃত্যু ১৭ নবেম্বৰ, ১৯৬৭ চন। ১৯৩৭ চনত ডিগবৈ তেল শোধনাগাৰ আন্দোলনত অংশ গ্ৰহণ কৰাত চাকৰি এৰে। ১৯৪২ চনত সক্ৰিয় অংশ লৈছিল।

বদিৰুদ্দিন আহমেদ ঃ

খিলাফৎ চেক্ৰেটাৰী আছিল। ১৯২১ চনত এবাৰ জেল হয়। ১৯৩০-৩২ আৰু ১৯৪২ চনৰ আন্দোলনত সহায়ক আছিল।

বাপুৰাম শইকীয়া ঃ

নিতাইপুখুৰী। ১৯৩৯ চনত আন্দোলনত যোগ দি ডিব্ৰুগড়ৰ খোৱাঙত কাৰাবৰণ কৰিছিল। সেৱাদলৰ সংগঠক আছিল।

বাপুকণ দত্ত ঃ

চাৰিং, টোপৰতল। ১৯৩০ চনত কনিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদত স্কুল বৰ্জন কৰে। ১৯৩২ চনত কানি দোকানত পিকেটিং কৰাত পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিয়ে। ১৯৪১ চনত সত্যাগ্ৰহ কৰিছিল। বহু বছৰ ধৰি প্ৰাথমিক কংগ্ৰেছৰ সম্পাদক আছিল।

বাবুৰাম দিহিঙ্গীয়া ঃ

পিতৃ পেটুৰা দিহিঙ্গীয়া। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত যোগ দিয়ে। ১৯৪২ চনত ৩ মাহ জেল হয়।

বাপুৰাম হাজৰিকা ঃ

চেমিদাৰ। ১৯৩০ চনৰ আন্দোলনত যোগ দিছিল। ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল।

বাপু মহন্ত ঃ

চেমিদাৰ। ১৯৩০ চনত আন্দোলনত যোগ দিয়ে। '৪২ ৰ আন্দোলনতো সক্ৰিয় অংশ লৈছিল।

বাপচন্দ্ৰ চেতীয়া ঃ

নামতি, চেতীয়াগাঁও। জন্ম ১৮৯৭, মৃত্যু ১৯৬৯ চন। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩০ চনৰ কানি নিবাৰণী আন্দোলনত পিকেটিং কৰে। ১৯৩২ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ লৈছিল।

বিশ্বনাথ বৰঠাকুৰ ঃ

কাটনিগাঁও, নাজিৰা। জন্ম ১৯১২, মৃত্যু ১৯৬৬ চন। পিতৃ প্ৰেমধৰ বৰঠাকুৰ। স্বাধীনতা আন্দোলনৰ কৰ্মী।

বিমলা চৰণ শৰ্মা ঃ

জন্ম ১৯১১ চনৰ ১৭ জানুৱাৰী, মৃত্যু ১৯৮২ চনৰ ৩ জুলাই। পিতৃ দুৰ্গাচৰণ শৰ্মা। ১৯৩০ চনত শিৱসাগৰত পিকেটিং কৰি ২৪ জুলাইত গ্ৰেপ্তাৰ বৰণ কৰে। লগতে বুদ্ধ চলিহা, সুৰেন্দ্ৰনাথ বৰুৱা, কেশৱ চলিহা আদিয়েও গ্ৰেপ্তাৰ হয়। যোৰহাট আৰু শিলচৰ জেলত শৰ্মাই মুঠ ৬ মাহ ফাটেক খাটে। ১৯৭২ চনত ভাৰত চৰকাৰৰ পৰা তাম্ৰপত্ৰ পায়।

বিষ্ণু বৰুৱা ঃ

১৯৩০ চনৰ আন্দোলনত ৬ মাহ জেল হয়।

বিশ্ব বৰঠাকুৰ ঃ

ৰজাপুল। আন্দোলনৰ সক্ৰিয় কৰ্মী।

বুদ্ধেশ্বৰ গগৈ ঃ

হাঁহচৰা। নেতৃস্থানীয় প্ৰচাৰক কৰ্মী।

বেনু বৰুৱা ঃ

কালুগাঁও। ১৯৩০ চনত কংগ্ৰেছৰ সেৱাদলত ভৰ্তি হয়। ১৯৩২ চনত কানি দোকানত পিকেটিং কৰি গ্ৰেপ্তাৰ হয়, পিছত মুক্তি পায়। কানি নিবাৰণ আৰু গঠনমূলক কামত আত্মনিয়োগ কৰে। ১৯৪২ চনৰো এজন সক্ৰিয় কৰ্মী আছিল।

বেনুধৰ বৰুৱা ঃ

পিতৃ বলোৰাম বৰুৱা। নাজিৰা স্কুলৰ ছাত্ৰ হৈ থাকোতেই আন্দোলনত যোগ দিয়ে। পুলিচে গ্ৰেপ্তাৰ কৰি এৰি দিয়ে। সক্ৰিয় কৰ্মী।

বেনুধৰ বেজবৰুৱা ঃ

পিতৃ জনাৰ্দন বেজবৰুৱা।

বেদনাথ মহন্ত ঃ

নামতি। ১৯৪২ চনৰ স্বাধীনতা যুঁজত অংশ লোৱাত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। পলাতক কৰ্মী হিচাপে বিভিন্ন ধৰণৰ ধ্বংসাত্মক কামত সহযোগ কৰিছিল।

বৈকুণ্ঠ বৰুৱা ঃ

১৯৩০ চনৰ আন্দোলনত ৬ মাহ জেল হয়।

ভদ্ৰকান্ত বৰগোহাঁই ঃ

ফুলপানীছিগা।

ভদ্ৰেশ্বৰ দুৱৰী ঃ

দিহিঙীয়া গাঁও।

ভকতৰাম (বৰমহৰী) গোহাঁই ঃ

আন্দোলনৰ এজন সক্ৰিয় কৰ্মী আছিল।

ভবানী প্ৰসাদ বৰা ঃ

১৯৪২ চনৰ স্বাধীনতা যুঁজত জাঁজীত ছাত্ৰনেতা হিচাপে অংশ লৈছিল। পিছত শিৱসাগৰ কাছাৰীত জাতীয় পতাকা উত্তোলন কৰিবলৈ নাৰ্মতিৰ পৰা খোৱা সমদলত যোগ দিয়া অপৰাধত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। ফলত আত্মগোপন কৰি আছিল।

ভদ্ৰকান্ত বৰুৱা ঃ

শেনছোৱা। জন্ম ১৮৭২, মৃত্যু ১৯৫৮। ১৯২১ চনত অসহযোগ আন্দোলন আৰু ১৯৩২ চনত আইন অমান্য আন্দোলনত তিতাবৰত আটক হৈছিল।

ভদ্ৰেশ্বৰ গগৈ ঃ

চাৰিং। ১৯৪২ চনৰ আন্দোলনত জৰাগ্ৰস্ত হৈ পৰাতো আন্দোলনত সক্ৰিয়ভাৱে সহযোগ আগবঢ়াইছিল।

ভীম শইকীয়া ঃ

চামৰচাগাঁও। সক্ৰিয় কৰ্মী।

ভীমকান্ত বুঢ়াগোহাঁই ঃ

গোহাঁই দিহিঙীয়া। জন্ম ১৯১০, মৃত্যু ১৯৮৮ চনৰ মাৰ্চ মাহ। ১৯৩০ চনত কংগ্ৰেছত যোগ দিয়ে। ১৯৩২ চনত কানি দোকানত পিকেটিং কৰিছিল। ১৯৪২ চনৰ স্বাধীনতা যুঁজত অংশ গ্ৰহণ কৰাত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰা বাবে আত্মগোপন কৰি আছিল।

ভুবন ডুৱৰা ঃ

দুৱৰাগাঁও। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী আছিল।

ভূধৰ ঠাকুৰ ঃ

শিৱসাগৰ নগৰ। ১৯২১ চনত স্কুল বৰ্জন কৰি অসহযোগ আন্দোলনত যোগ দিয়ে। ৩ মাহ ফাটেক হয়। ১৯২৬ চনত পাণ্ডু কংগ্ৰেছত ভলণ্টিয়াৰ দলৰ নায়ক আছিল। ১৯৩০-৩২ আৰু ১৯৪২ চনৰ আন্দোলনত সহায় কৰিছিল। নিতাইপুখুৰীৰ মৌজাদাৰ থাকোতে ১৯৪৯ চনত অজ্ঞাত দলৰ কোনো লোকে গুলিয়াই হত্যা কৰে।

ভূধৰ মোহন :

বানমুখ, কোঁৱৰপুৰ। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। কংগ্ৰেছৰ বিভিন্ন আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। বানমুখ কংগ্ৰেছৰ বহুবছৰ সভাপতি আছিল। ১৯৬০ চনত মৃত্যু হয়।

ভেকুলী দিহিঙ্গীয়া :

মানখোৱাবাৰী।

ভেলুক বুঢ়াগোহাঁই :

জৰক্ৰাটিং, কোঁৱৰগাঁও।

ভোলোক গগৈ :

ভটিয়াপাৰ। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। ভটিয়া অঞ্চলৰ এজন জাতীয়তাবাদী আৰু কংগ্ৰেছৰ স্বাধীনতাৰ সকলো আন্দোলনত আৰু আঁচনিত এজন পবিত্ৰ লোক হিচাপে সহযোগ কৰি আহিছিল। কংগ্ৰেছ কমিটি আৰু কৃষক সংগঠন কৰা কামত এজন আগৰণুৱা আছিল।

মহেন্দ্ৰ নাথ গগৈ :

মেজেঙা। আন্দোলনৰ কৰ্মী।

মহেন্দ্ৰ নাথ বৰুৱা :

জাপিসজীয়া, বকতা। সক্ৰিয় কৰ্মী।

মথনা বৰগোহাঁই :

বামগোঁহাই গাঁও। সক্ৰিয় কৰ্মী।

মণিৰাম শেনছোৱা :

মানখোৱাবাৰী। সক্ৰিয় কৰ্মী।

মলকা কোঁৱৰ :

কোঁৱৰ গাঁও। সক্ৰিয় কৰ্মী।

মদন বৰুৱা :

নাজিৰা হাইস্কুলত পঢ়ি থাকোতে ১৯২১ চনত ছাত্ৰ কৰ্মী আছিল। ১৯৩০ চনত চাচপেক হৈছিল।

মহেশ মিস্ত্ৰি ঃ

নাজিৰা টাউন। সক্ৰিয় কৰ্মী।

মধুৰাম দিহিঙ্গীয়া ঃ

আচলাবাৰী। পিতৃ ভোগেশ্বৰ দিহিঙ্গীয়া। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী।

মনোহৰ গগৈ ঃ

বাইলুং গাঁও। ১৯২১ চনত নামতি দল প্ৰাইমেৰী কংগ্ৰেছৰ সভাপতি, অসহযোগ আন্দোলনত যোগ দিছিল। ১৯৩০-৩২ চনত আইন অমান্য আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

মঙ্গলা দত্ত ঃ

মৌ গাঁও। সক্ৰিয় কৰ্মী।

মহেন্দ্ৰ কুমাৰ বৰুৱা ঃ

নামতি আলি। ১৯৪২ৰ স্বাধীনতা যুঁজত ৩৮ (১) ধাৰাত ১২।১।৪৩ তাৰিখে আটক কৰিছিল।

মহিৰাম চুৰৰা ঃ

চুনপোৰা গোহাঁইগাঁও। আন্দোলনৰ কৰ্মী।

মনকৰ গগৈ ঃ

শেনছোৱা। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় অংশ লৈছিল।

মণিৰাম গাওঁবুঢ়া ঃ

পাটসাকো, বকতা। ১৯২০ চনৰ পৰাই কৰ্মযোগী ভুবন চন্দ্ৰ গগৈদেৱৰ এজন প্ৰধান সহযোগী আছিল। শিক্ষা বিস্তাৰ আৰু কানি বন্ধ কৰা কামত আত্মনিয়োগ কৰিছিল। প্ৰতিটো স্বাধীনতা সংগ্ৰামতে সক্ৰিয়ভাৱে সহায় আগবঢ়াইছিল। ১৯৪২ চনত মৃত্যু হয়।

মাণিকলাল বৰুৱা ঃ

বেলিমুখীয়া, সলাগুৰি মৌজা। ১৯২১ চনত স্কুল বৰ্জন কৰি আন্দোলনত যোগ দিয়ে। প্ৰাথমিক কংগ্ৰেছৰ সভাপতি বহু বছৰ

আছিল। স্বাধীনতা সংগ্ৰামত সহযোগ আগবঢ়াইছিল। আঞ্চলিক শিক্ষা আদি বিভিন্ন উন্নয়ন কামত আগভাগ লৈছিল। ১৯৫০ চনত মৃত্যু হয়।

মাণিক বৰুৱা :

মৃদঙ্গীয়া গাঁও। জন্ম ২ জেঠ, ১৯০১ চন, মৃত্যু ২৬ নবেম্বৰ ১৯৮৫ চন। পিতৃ বলোৰাম বৰুৱা, মাতৃ সেৰেহী বৰুৱা। ১৯৩৭ চনত ডিগবৈ তেল কোম্পানীৰ ধৰ্মঘটত চাকৰি এৰে। ১৯৪২ চনৰ স্বাধীনতা যুঁজৰ সক্ৰিয় কৰ্মী আছিল।

মুখেশ্বৰ বৰুৱা :

দঙ্গীয়া। ১৯৪২ চনৰ স্বাধীনতা যুঁজত শিৱসাগৰ কাছাৰীৰ জাতীয় পতাকা উত্তোলন কৰা সমদলত যোগ দিয়া বাবে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল।

মুখেশ্বৰী চুতীয়া :

কঁহাৰগাঁও। মহিলা কৰ্মী।

মুক্তাৰাম কলিতা :

মিছাজান। ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত অংশ লৈছিল।

মুক্ষধৰ বৰগোহাঁই :

১৯২১ চনৰ অসহযোগ আন্দোলন আৰু ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল।

মোক্ষদানন্দ মহন্ত :

বেদবাৰী সত্ৰ, নাজিৰা। পিতৃ থানুকৃষ্ণ মহন্ত, মাতৃ নৰেশ্বৰী।

মুহিচন্দ্ৰ গগৈ :

জাঁজী, লেফেৰাগাঁও। আন্দোলনৰ কৰ্মী।

মুহিকান্ত বুঢ়াগোহাঁই :

বামগোহাঁই গাঁও। আন্দোলনৰ কৰ্মী।

মুহিৰাম গগৈ :

পিতৃ ডিম্বেশ্বৰ গগৈ। সক্ৰিয় কৰ্মী।

মিঠাৰাম বৰা ঃ

পানীদিহিং, বামুণীগড়, নিতাইপুখুৰী। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। গ্ৰেপ্তাৰ কৰি হাজোতত ৰাখি এৰি দিছিল।

মিঠাৰাম গগৈ ঃ

তৃতীয়াকাটনি গাঁও। এজন কৰ্মী আছিল।

মোক্ষনাথ ভট্টাচাৰ্য্য ঃ

নামতি। ১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩০ চনৰ কানি নিবাৰণী আন্দোলন, ১৯৩২ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয় সহযোগ আগবঢ়াইছিল।

মোখেশ্বৰ হাজৰিকা ঃ

খেপৰগাঁও। ১৯৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দিয়াৰ উপৰিও ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

মোলোকা তামুলী ঃ

খেপৰগাঁও। ১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩২ চনৰ আইন অমান্য আন্দোলন আৰু ১৯৪১ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল।

মোলোদা শইকীয়া ঃ

পুৰণি সোণপুৰীয়া। ১৯৩২ চনত আইন অমান্য আন্দোলনত যোগ দি ৬ মাহ সশ্ৰম কাৰাদণ্ড ভুগিছিল।

মোহন চন্দ্ৰ নেওগ ঃ

কাবহোৰা। ১৯৪২ চনৰ স্বাধীনতা সংগ্ৰামত অংশ লৈছিল।

মোহন চন্দ্ৰ শইকীয়া ঃ

পুৰণি সোণপুৰীয়া। ৩৮ (১) ধাৰামতে ১।১২।৪২ তাৰিখে আটক হয় আৰু ১৭।৭।৪৩ তাৰিখে মুক্তি পায়।

যাদবানন্দ বৰুৱা ঃ

নাজিৰা টাউন। ১৯২১ চনত কলেজ বৰ্জন কৰি আন্দোলনত যোগ দি তিনিমাহ জেল খাটে।

যোগেশ্বৰ গগৈ ঃ

১৯২১ চনত স্কুল এৰে। অসহযোগ আন্দোলনত যোগ দিয়ে। ১৯৪২ চনৰ সক্ৰিয় কৰ্মী আছিল।

যোগেন্দ্ৰ নাথ শৰ্মা ঃ

জন্ম ১৯০৪ চনত শিৱসাগৰৰ ভটিয়াপাৰত। ১৯২১ চনত স্কুল বৰ্জন কৰি কংগ্ৰেছৰ ভলণ্টিয়াৰ হয় আৰু তিনিমাহ জেল হয়। ১৯৩৯ চনত মেটেকা বনগাঁও মৌজাৰ এখন ডাঙৰ পেণ্ডেল সাজি কৃষক সভা সংগঠন কৰিছিল। ১৯৪২ চনত তেওঁ পলাতক হৈ থকা অৱস্থাত পৰিয়ালৰ পৰা ৫০ টকা জৰিমনা আদায় কৰে। মৃত্যুৰ সময়লৈকে উক্ত অঞ্চলৰ কংগ্ৰেছৰ সভাপতি আৰু অন্যান্য ৰাজহুৱা কামতো আত্মনিয়োগ কৰিছিল। ১৯৮০ চনত তেখেতৰ মৃত্যু হয়।

যোগাৰাম গগৈ ঃ

কাৰহোৱা। ১৯৪২ চনৰ স্বাধীনতা যুঁজত ৬ মাহ কাৰাবাস হৈছিল। দুবাৰ আটক কৰে।

যোগেন গগৈ ঃ

বাইলুং গাঁও। ১৯৪২ চনত স্বাধীনতা যুঁজত অংশ গ্ৰহণ কৰাত গ্ৰেপ্তাৰী পৰোৱানা জাৰি হোৱা বাবে আত্মগোপন কৰি আছিল।

যোগেশ্বৰ গগৈ ঃ

নামতি। জন্ম ১৯০১, মৃত্যু ১৯৮৮ চন। ১৯৩০-৩২ চনৰ আন্দোলনত আটক বন্দী হয়। ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰি ভাৰত প্ৰতিৰক্ষা আইনৰ ধাৰামতে গ্ৰেপ্তাৰী পৰোৱানা বাহিৰ হোৱাত ৩ বছৰ আত্মগোপন কৰি আছিল।

যোগেশ্বৰ দত্ত ঃ

শান্তিপুৰ। আন্দোলনত সহযোগ কৰিছিল।

ৰজনী ফুকন ঃ

পাটসাঁকো। সহযোগী কৰ্মী

ৰত্নেশ্বৰ শৰ্মা :

১৯২১ চনৰ অসহযোগ আন্দোলনত ১ বছৰ জেল খাটে।

ৰমাকান্ত বৰুৱা :

পিতৃ দীননাথ বৰুৱা। আন্দোলনত ৯ মাহৰ জেল হয়। অসুখৰ বাবে ৩ মাহতে জেলৰ পৰা খালাছ পায়।

ৰত্নেশ্বৰ বৰুৱা :

ভৰলুৱা গাঁও, দিখৌমুখ। ১৯২১ চনৰ আন্দোলনত ৩ মাহ জেল হয়। এজন আজীৱন কংগ্ৰেছ সংগঠন আৰু গঠনমূলক কৰ্মী আছিল। প্ৰতিটো আন্দোলনতে সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। ১৯৬৮ চনত মৃত্যু হয়।

ৰাধানাথ :

সুন্দৰ পুখুৰী। আন্দোলনত সহযোগ কৰিছিল।

ৰাধানাথ গগৈ :

পিতৃ নিৰন গগৈ। সহযোগী কৰ্মী।

ৰাধানাথ বৰঠাকুৰ :

নাজিৰা, ৰজাপুল। কলেজৰ ছাত্ৰ, সক্ৰিয় কৰ্মী। কিমান দিন জেল হৈছিল জনা নাযায়।

ৰামগোপাল দাস :

নামতি। '৪২ৰ স্বাধীনতা যুঁজত সক্ৰিয় সহযোগ কৰিছিল।

ৰিয়াজ দেৱান :

নাজিৰা। সক্ৰিয় কৰ্মী।

ৰিমেশ্বৰ মহন্ত :

নাজিৰা, নিৰ্মালী গাঁও। জন্ম ১।১।১৯১৫, মৃত্যু ২৪।১০।৭৭ চন। পিতৃ মধুৰাম মহন্ত, মাতৃ ফুমলী মহন্ত। ১৯৪২ চনত আত্মগোপন কৰি আন্দোলনত অংশ গ্ৰহণ কৰিছিল।

বিশ্বেশ্বৰ বাইলুং ঃ

বাইলুং গাঁও। পিতৃ ৰূপাই বাইলুং। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত অংশ গ্ৰহণ কৰাত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। ফলত আত্মগোপন কৰিবলগীয়া হৈছিল।

ৰূপৰাম সৌকাধৰা ঃ

১৯৩০ চনত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰাত ৬ মাহ জেল হয়।

ললিত চন্দ্ৰ দুৱৰা ঃ

১৯০১ চনত শিৱসাগৰত জন্ম। পিতৃ শ্যামচন্দ্ৰ দুৱৰা। ১৯২১ চনৰ অসহযোগ আন্দোলনত স্কুল বৰ্জন কৰি গাঁৱে গাঁৱে প্ৰচাৰকাৰ্য, খাদী প্ৰচলন, তিলক স্বৰাজ পুঁজি সংগ্ৰাম ইত্যাদি কামত আত্মনিয়োগ কৰিছিল। পাণ্ডু কংগ্ৰেছত যোগ দিছিল। ১৯৩০ চনৰ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। তেওঁৰ অকালতে মৃত্যু হয়।

লক্ষেশ্বৰী ভুঞা ঃ

কালুগাঁও, শিৱসাগৰ। জন্ম ১৮৯৫ চন। ১৯৩০ চনৰ আন্দোলনত কালুগাঁও অঞ্চলত মহিলা সভা-সমিতি স্থাপন, গঠনমূলক আদি কামত আত্মনিয়োগ কৰিছিল। ১৯৩২ চনত শিৱসাগৰৰ প্ৰথম মহিলা দল হিচাপে গৌৰীসাগৰৰ কানি দোকানত পিকেটিং কৰা বাবে গ্ৰেপ্তাৰ কৰি ৬ মাহ জেল দিয়ে। তেখেতে মহিলাৰ বিভিন্ন উন্নয়নমূলক কামত আগভাগ লৈছিল। তেখেতৰ পুত্ৰ ভুবন চন্দ্ৰ ভুঞা শিৱসাগৰ জিলাৰ এজন প্ৰধান সমাজ কৰ্মী আছিল আৰু জেল আদি বিভিন্ন নিৰ্যাতন ভোগ কৰিছিল। ১৯৫০ চনত মৃত্যু হয়।

লক্ষীকান্ত বৰুৱা ঃ

শিৱসাগৰ, আমোলাপট্টি। ১৯২১ চনত ওকালতি বৰ্জন কৰি অসহযোগ আন্দোলনত কংগ্ৰেছৰ সংগঠন কামত আত্মনিয়োগ কৰে। জিলা কংগ্ৰেছৰ অন্যতম সম্পাদক হয়। আমোলাপট্টিত 'নতুন কংগ্ৰেছ অফিছত' কাম কৰি থাকোতে মহকুমাধিপতি গালিং চাহাবে এটা গোৰ্খা পল্টনৰ দল লৈ সোমাই বৰুৱাক চুলিত ধৰি টানি বিভিন্ন

ধৰ্ষণে অপমান কৰে আৰু কংগ্ৰেছ অফিচ ভাঙি-চিঙি ধ্বংস কৰে। গ্ৰেপ্তাৰ কৰি ৰাজদ্ৰোহৰ অপৰাধত এবছৰ জেল দিয়ে। ১৯২৩ চনত স্বৰাজ্য দলৰ অসম কাউন্সিলৰ মেম্বৰ হয়। (১৯৩০-৩২ চনৰ আন্দোলনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা নাছিল যদিও সহায় সহযোগ আগবঢ়াইছিল। ১৯৩৭ চনত বিধান সভা নিৰ্বাচনত কংগ্ৰেছ মনোনয়ন নেপাই কংগ্ৰেছৰ প্ৰাৰ্থীৰ বিৰুদ্ধে থিয় হৈ পৰাজিত হয়। শিৱসাগৰ নগৰৰ বিভিন্ন ৰাজহুৱা কামত আত্মনিয়োগ কৰিছিল। ১৯৮৫ চনত মৃত্যু হয়।

লক্ষেশ্বৰ গগৈ ঃ

বৰবৰুৱা মৈদাম। আন্দোলনত সহযোগ কৰিছিল।

লবন চন্দ্ৰ বৰা ঃ

বেতবাৰী।

লয়চন্দ্ৰ বুঢ়াগোহাঁই ঃ

জবক্ৰাটিং, কোঁৱৰগাঁও।

লক্ষেশ্বৰ গগৈ ঃ

টিপমিয়া।

লক্ষীপ্ৰসাদ বৰুৱা ঃ

জাপিসজীয়া গাঁও।

লক্ষীকান্ত বৰুৱা ঃ

বকতা মৌজা।

লক্ষেশ্বৰ (দাসীৰাম) গগৈ ঃ

নিৰ্মলীয়া গাঁও, চকীমুখ। ১৯২১ চনত ৩ মাহ জেল হয়।

লক্ষীৰাম বৰুৱা ঃ

পিতৃ ৰুদ্ৰাম বৰুৱা।

লৰকান্ত বাইলুং ঃ

বাইলুং গাঁও। ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল। আত্মগোপন কৰি আছিল।

লক্ষেশ্বৰ দুৱৰা :

দুৱৰাগাঁও। ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় অংশ লৈছিল

লীলাকান্ত বৰুৱা :

চিৰাখুণ্ডা, শলগুৰি মৌজা।

লেতেৰা বৰুৱা :

জাপিসজীয়া, বকতা।

লোকনাথ গগৈ :

(গাঁওবুঢ়া)। সক্ৰিয় কৰ্মী।

লোকনাথ বৰুৱা :

নিতাইপুখুৰীত জন্ম। তেওঁ প্ৰাথমিক কংগ্ৰেছৰ সভাপতি আছিল। ভৈয়ামৰ জনজাতিৰ উন্নতিৰ বাবে সদায় সচেষ্ট আছিল।

লোকেশ্বৰ বৰুৱা :

চাৰিং।

লোগুটি নেওগ :

দিছিয়ালগাঁও, জকাইচুক মৌজা। ১৯২১ চনত কংগ্ৰেছত যোগ দিয়ে। কংগ্ৰেছৰ সংগঠন, গঠনমূলক আৰু প্ৰতিটো স্বাধীনতা সংগ্ৰামত অংশ গ্ৰহণ কৰিছিল। ১৯২১ আৰু ১৯৪২ চনত পাইকাৰী জৰিমনা ভৰে। ১৯৭০ চনত মৃত্যু হয়।

লোচন চন্দ্ৰ বুঢ়াগোহাঁই :

নেমুগুৰি।

লোকনাথ গগৈ :

পিতৃ শম্ভুৰাম গগৈ। জন্ম ১৯০৯, মৃত্যু ২০।২।৮৮।

শশীধৰ বুঢ়াগোহাঁই :

বামগোঁহাই গাঁও।

শিৱনাথ গগৈ :

জবক্লাটিং, কোঁৱৰগাঁও।

শিৱ বৰুৱা ঃ

জাগিসজীয়া, বকতা।

শিৱনাথ বৰঠাকুৰ ঃ

বজাপুল। সক্ৰিয় কৰ্মী।

শ্ৰীনাথ বৰঠাকুৰ ঃ

সক্ৰিয় কৰ্মী।

সদানন্দ বেজবৰুৱা ঃ

শিৱসাগৰৰ আমোলাপট্টিত জন্ম। পিতৃ আনন্দৰাম বৰুৱা। শিৱসাগৰৰ চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পাছ কৰি কলিকতাত বি, এ মহলাৰ পাঠ্যক্ৰম শেষ কৰি ১৯৪২ চনৰ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। তেখেত বিমলাপ্ৰসাদ চলিহাৰ সহপাঠী আছিল। সেই সময়ৰ শিৱসাগৰৰ প্ৰসিদ্ধ মুক্তি যুঁজাৰু কুলধৰ চলিহা, ৰবীন কাকতী, যাদৱপ্ৰসাদ চলিহা, প্ৰফুল্ল চন্দ্ৰ বৰুৱা, পদ্মধৰ চলিহা আদিৰ সহকৰ্মী হিচাপে নিষ্ঠাৰে সংগঠনৰ কামত সহায় কৰিছিল। ১৯৪২ চনৰ আন্দোলনত নিৰ্যাতন ভোগ কৰে। ১৯৬৫ চনত প্ৰায় ৫৫ বছৰ বয়সত চাৰিজন সুযোগ্য পুত্ৰ আৰু তিনিগৰাকী কন্যা এৰি থৈ মৃত্যু বৰণ কৰে। বেজবৰুৱা এগৰাকী সৰবৰহী লোক আছিল।

সদৰাম গগৈ ঃ

জেৰক্ৰাটিং, কোঁৱৰগাঁও।

সকনাথ গগৈ ঃ

চুতীয়া কাটনি গাঁও।

সৰুকুকৈ গোহাঁই ঃ

বামগোঁহাই গাঁও।

সৰু ছুৱৰা ঃ

নাওশজীয়া।

সৰ্বেশ্বৰ বৰুৱা ঃ

দিহিজীয়া গাঁও।

সৰুকণ তুৰবা ঃ

পুৰণি চাংমাই। ১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩০ চনৰ কানিংহাম চাৰ্কুলাৰ অমান্য কৰা আৰু ১৯৩২ চনৰ আইন অমান্য আন্দোলনত যোগ দিয়াত গ্ৰেপ্তাৰ বৰণ কৰে। ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্ৰিয় সহযোগ কৰে।

সৰ্বেশ্বৰ কাকতি ঃ

ৰজাবাম, বৰাহীবাৰী। ১৯৩০ চনৰ কানি নিবাৰণী আন্দোলন, ১৯৩২ চনৰ আইন অমান্য আন্দোলনৰ সক্ৰিয় কৰ্মী আছিল। ১৯৪২ চনৰ স্বাধীনতা যুঁজত অংশ গ্ৰহণ কৰা হেতু গ্ৰেপ্তাৰী পৰো-ৱানা জাৰি কৰিছিল।

সহদেৱ তুৰবা ঃ

চাৰিং দুৰবাপাৰ।

সুখেশ্বৰ ফুকন ঃ

মানখোৱা বাৰী। সক্ৰিয় কৰ্মী।

সূৰ্য্যকান্ত বৰুৱা ঃ

শিৱসাগৰ নগৰ। পিতৃ তুলসী বৰুৱা। ১৯৩২ চনত কলেজ বৰ্জন কৰি আইন অমান্য আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰে। ১৪৪ ধাৰা ভঙ্গ কৰাত গ্ৰেপ্তাৰ হয় আৰু ৬ মাহ কাৰাদণ্ড ভোগ কৰে। জেলত ঘানি টানি থাকোতে মূৰ্চ্ছা যায় আৰু তেজ বমি কৰে। স্বাস্থ্যৰ অৱনতি ঘটাত জেলৰ পৰা মুক্তি দিয়ে। কিন্তু শৰীৰ ক্ৰমে দুৰ্বল হৈ পৰে আৰু মানসিক ৰোগগ্ৰস্ত হয়। ১৯৪৮ চনত মৃত্যু হয়।

সোমেশ্বৰ বাৰুৱতী ঃ

চাৰিং। এওঁ এজন গান্ধীবাদী, ভূদান আৰু সৰ্বোদয় কৰ্মী আছিল। স্বাধীনতা সংগ্ৰামত অংশ লৈছিল।

সোণাৰাম বৰুৱা ঃ

জাপিসজীয়া, বৰুতা।

সোণধৰ গোহাঁই ঃ

বানমুখ, কোঁৱৰপুৰ। পিতৃ ভুমুনা গোঁহাই।

সোণাবৰ গগৈ ঃ

পিতৃ ভম্বৰু গগৈ।

সোমেশ্বৰ গায়ন ঃ

১৯২১ চনত অসহযোগ আন্দোলনত যোগ দিছিল।

সোণজান আলি ঃ

ৰতনপুৰীয়া। ১৯৪২ চনৰ স্বাধীনতা যুঁজত শিৱসাগৰৰ কাছাৰীত জাতীয় পতাকা উত্তোলন কৰিবলৈ যোৱা সমদলত যোগ দি পুলিচৰ মাৰ খাইছিল।

সোণাৰাম বুঢ়াগোহাঁই ঃ

পুৰণি চাংমাই। ১৯২১ চনৰ অসহযোগ আন্দোলন, ১৯৩২ চনৰ আইন অমান্য আন্দোলন, ১৯৪২ চনৰ স্বাধীনতা যুঁজত সক্রিয় অংশ লৈছিল।

সোণাধৰ বৰা ঃ

বৰনায়ক। ১৯৩২ চনৰ আইন অমান্য আন্দোলন, ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্রিয়ভাৱে যোগ দিছিল।

সোণাই বৰুৱা ঃ

থামনা গাঁও।

সোণাৰাম চুতীয়া ঃ

জকাইচুক মৌজা।

সোণাৰাম দত্ত ঃ

সুন্দৰ পুখুৰী, কলিতাগাঁও, নাজিৰা।

স্বৰ্ণলতা হাতীকাকতী ঃ

স্বামী লক্ষীনাথ হাতীকাকতী।

হংসধৰ ফুকন ঃ

হলগুৰি। সক্ৰিয় কৰ্মী আছিল।

হৰি হাজৰিকা ঃ

নামতি, বজালী। জন্ম ১৯২৩, মৃত্যু ১৯৭৩ চন। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰাত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিছিল। ফলত আত্মগোপন কৰিছিল।

হিতেশ্বৰ গগৈ ঃ

ধেপৰ গাঁও। ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল।

হিতেশ্বৰ বৰগোহাঁই ঃ

বাম গোঁহাইগাঁও, বকতা মৌজা। জন্ম ১৮৮৭ চন, মৃত্যু ১৯৭০ চন। পিতৃ ভোলা বৰগোঁহাই। ১৯১৮ চনত নেমুগুৰি এম, ই স্কুল স্থাপন, ১৯২১ চনৰ কানি নিবাৰণ আন্দোলনত ভলণ্টিয়াৰ দল গঠন কৰি গাঁৱে গাঁৱে প্ৰচাৰ কাৰ্য কৰিছিল। ১৯৩০ আৰু ১৯৩৫ চনত পুনৰ নেমুগুৰিত স্কুল স্থাপন কৰে।

হেমধৰ কোঁৱৰ ঃ

মিহাজান, কোঁৱৰগাঁও। ১৯৩২ চনৰ আইন অমান্য আন্দোলন, ১৯৪২ চনৰ স্বাধীনতা আন্দোলনত সক্ৰিয় সহযোগ কৰিছিল।

ক্ষীৰধৰ বাজোৱাৰ ঃ

চকীমুখ। প্ৰাক্তন চাহ বনুৱা। ১৯৪২ চনৰ আন্দোলনত ৩ মাহ জেল হৈছিল।

ওপৰঞ্চি

মহেন্দ্ৰ নাথ ডেকাফুকন, নগাওঁ ঃ

অসমত ফুকন উপাধিধাৰী তিনিজন সিংহ পুৰুষ। উজনিৰ বাগ্মীবৰ নীলমণি ফুকন, মধ্যৰ (নগাঁওৰ) মই হেংদাং মহেন্দ্ৰ নাথ ডেকাফুকন আৰু ভাটিৰ দেশভক্ত তৰুণৰাম ফুকন। তিনিওজন সমসাময়িক, বাগ্মী, কবি, কলা-সংস্কৃতি প্ৰেমী আৰু মুক্তি যুঁজাৰু। উজনি আৰু ভাটিৰ দুজনে কাৰাবৰণ কৰিছিল, ৰাজনীতিত উল্লেখ-যোগ্য ভূমিকা লৈছিল। উজনিৰজন আজন্ম ব্ৰহ্মচাৰী, ভাটিৰজন গৃহী আৰু মধ্যৰ জন গৃহী হৈও যাযাবৰ, প্ৰচণ্ড মূৰ্তি, মৃত্যুঞ্জয় পুৰুষ আছিল। তিনিওজনেই বহুভাষী, উদাৰ, সৰ্বধৰ্ম সমন্বয়ৰ প্ৰতীক আছিল। মহেন্দ্ৰনাথ ডেকাফুকনৰ পিতৃ লক্ষ্মীনাথ ফুকন। দ্বিতীয় ভাতৃ যোগেন্দ্ৰনাথ ফুকনো মুক্তিযুঁজাৰু আছিল। কটন কলেজত পঢ়ি থকা সময়তে দেশ মাতৃকাৰ আহ্বানত ১৯২১ চনত অসহযোগ আন্দোলনত যোগ দি তৰুণৰাম ফুকনৰ হাউলিত বহা বিৰাট সভাত মহাত্মা গান্ধী, চৌকত আলি, মহম্মদ আলি আৰু তৰুণৰাম ফুকনে বক্তৃতা দিয়াৰ পিছতে মহেন্দ্ৰনাথ ডেকা ফুকনে তেজোদীপ্ত ভাষণ দিছিল। তেখেতক ভিন্ চেন্ট-ভেন-গগৰ অবিস্মৰণীয় চৰিত্ৰ আৰু ভয়ানক কাহিনীৰ লগত বহুতে ৰিজাব খোজে। ব্ৰাহ্মণ পৰিয়ালত জন্ম গ্ৰহণ কৰিও জাত-পাত, ধৰ্মৰ বিচাৰ নকৰি জ্যোতিৰ্ময় নামৰ অসমীয়া খ্ৰীষ্টান মহিলা এগৰাকীক বিয়া কৰায়। গুৱাহাটী বিশ্ব-বিদ্যালয় আৰু নগাঁও কলেজ স্থাপন কৰাত উল্লেখযোগ্য বৰঙনি আগবঢ়ায়। অসম সাহিত্য সভাৰ চি অধিবেশনত তেখেতক সম্বৰ্ধনা জনোৱা হয়। ১৯৭৩ চনত পৰলোকপ্ৰাপ্তি ঘটে।

বদন চন্দ্ৰ বৰুৱা, নলবাৰী ঃ

নলবাৰী জিলাৰ কমাৰকুছি গাঁৱত জন্ম। অন্যতম প্ৰসিদ্ধ মুক্তিযুঁজাৰু দক্ষৰাম বৰুৱাৰ লগত সক্ৰিয়ভাবে ১৯২১ চনৰ অসহযোগ আন্দোলনত যোগ দি নিৰ্য্যাতন ভোগ কৰিছিল।

শেষত ঃ

অজ্ঞাতবশতঃ গ্ৰন্থখনিত সন্নিবিষ্ট নকৰিব লগা কোনো কোনো ব্যক্তিৰ পৰিচয় আৰু ছবি প্ৰকাশ হ'ব পাৰে ; তাৰবাবে সম্পাদনা সমিতিৰ হৈ ক্ষমা বিচাৰিছো । —সম্পাদক